# অসমীয়া ৰচনা-ভঙ্গী

STATE CENTRAL LIBRARY
ASSAM
Call No

# অসমীয়া বচন-ভঙ্গী

[ অসমীয়া ভাষাত প্ৰচলিত প্ৰায় সাত হাজাৰ বচন-ভঙ্গীৰ অৰ্থ, ব্যাখ্যা আৰু তাৰ উপযুক্ত উদাহৰণ সন্নিবিষ্ট কৰা কোষগ্ৰন্থ ]

শ্ৰীহৰেন্দ্ৰনাথ শৰ্মা, বি-এ

॥ বাণী প্ৰকাশ মন্দিৰ ॥

পাঠশালা • গুৱাহাটী • কলিকতা

STATE CENTRAL LIBRARY. ASSAM.

প্ৰকাশক :
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ মন্দিৰ
পাঠশালা
কামৰূপ

*

শাখা :
পাণবজাৰ
গুৱাহাটী

*

ছপা :
শ্ৰীজয়ন্ত বাক্‌চি
পি. এম. বাক্‌চি এণ্ড কোং
১৯, গুলুওস্তাগৰ লেন
কলিকতা-৬

*

প্ৰচ্ছদ শিল্পী :
শ্ৰীবিজয় মণ্ডল
কলিকতা-৪

*

বন্ধা :
ৰক্ষিত এণ্ড কোং
কলিকতা-১২

*

প্ৰথম প্ৰকাশ
১ বহাগ, ১৩৭২

*

বেচ আঠ টকা

# নিবেদন

তাহানি অসম সাহিত্য সভাৰ কৰ্ণধাৰ স্বৰূপে, পুণ্যশ্লোক ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱে যেতিয়া 'চন্দ্ৰকান্ত অভিধান' প্ৰকাশ কৰাৰ উম-ঘাম কৰে, লিখক তেতিয়া গৌৰীপুৰত বঙলুৱা অসমীয়াৰ মাজত হাইস্কুলৰ অষ্টম কি নৱমমান শ্ৰেণীৰ ছাত্ৰ। গোস্বামীদেৱে বাতৰি কাকতৰ জৰিয়তে, অসমীয়া অভিধানত নথকা অসমীয়া শব্দাৱলী সংগ্ৰহ কৰি, 'চন্দ্ৰকান্ত অভিধান' প্ৰকাশন পৰিষদলৈ পঠাবলৈ ৰাইজক অনুৰোধ কৰিলে। সেই অনুৰোধৰ অনুপ্ৰেৰণাত উদ্বুদ্ধ হৈ ৮০০।৯০০ শব্দ পঠোৱা হ'ল; তাৰে পাঁচ শৰো অধিক শব্দ পৰিষদে গ্ৰহণ কৰি তৰুণ সাহিত্যপ্ৰেমীক কিছু পাৰিতোষিকো পঠালে। লগতে ৺গোস্বামীদেৱে চিঠি লিখি অনুৰূপ কাম কৰি থাকিবলৈ উৎসাহ দিলে।

সি আজি দুকুৰি বছৰ আগৰ কথা। তেতিয়াৰেপৰা অসমীয়া শব্দ, বচন-ভঙ্গী, প্ৰবাদ, নানা বিধৰ গীত-মাত আদি সংগ্ৰহ কৰি থকাটো এই লিখকৰ একপ্ৰকাৰ বায়ুৰোগ হৈ আছিছে। পিছৰ কালত, ৺গোস্বামীদেৱ আৰু ৺ডক্টৰ কাকতিদেৱে ঘনাই এই প্ৰচেষ্টাত ইন্ধন যোগাই আছিছিল। তেখেতসকলৰ এগৰাকীও আজি জীৱিত নাই; গতিকে তেখেতসকলৰ প্ৰত্যেকজনাৰ লগত পৰিকল্পিত যুটীয়া প্ৰচেষ্টাৰ সপোনবোৰ প্ৰায় পাহৰি যাবলৈ বাধ্য হোৱা গৈছে; কাৰণ নিজাকৈ সেই প্ৰচেষ্টাবোৰৰ এটাকো ৰূপায়িত কৰিবলৈ লিখকৰ বিদ্যা-বুদ্ধি, আজৰি আৰু অনুকূল পৰিবেশৰ তেনেই অভাৱ।

তথাপি 'বচন-ভঙ্গী'খন সাজু কৰা হৈছিল কেবা বছৰো আগেয়ে। কেবছৰমান আগেয়ে ৪।৫ ফৰ্মা ছপা হোৱাৰ পিছত, ভাষা-বিৰোধ

আন্দোলনত প্ৰকাশকে পলাই সাৰিব লগা হোৱাত, প্ৰেছলৈ সাজু কৰা আটাইখিনি লিখা হেৰাই গ'ল ; পিছত সেইবোৰ আকৌ লিখি উলিয়াওতে বহুত দিন পলম হৈ গ'ল।

এই পৰ্যন্ত ইতিপূৰ্বে প্ৰকাশ পোৱা 'খণ্ডবাক্য কোষ' আৰু 'ৰত্নকোষ' দুখনিয়ে অসমীয়া ৰাইজক এই বিষয়ৰ যথেষ্ট সমল যোগাইছে ; কিন্তু অসমীয়া ভাষা বচন-ভঙ্গীত ইমান চহকী যে এই দুখন গ্ৰন্থৰ এখনো এই বিষয়ত স্বয়ংসম্পূৰ্ণ হব পৰা নাই ; বৰ্তমান সংগ্ৰাহকৰ 'বচন-ভঙ্গীয়ে'ও সেই দাবী কৰিব নোৱাৰে ; তথাপি সম্প্ৰতি এই সংগ্ৰহটোত ৬৬৭৭ বচন-ভঙ্গী সংক্ষেপ অৰ্থ আৰু উপযুক্ত উদাহৰণ একোটিৰে সন্নিবিষ্ট কৰা হৈছে। অতি শীঘ্ৰে বৃহত্তৰ সংস্কৰণ এটিৰ পৰিকল্পনা লোৱা হৈছে।

সংগ্ৰহটোৰ কোনো ঠাইত কিবা আসোঁৱাহ দেখিলে সদাশয় সাহিত্যপ্ৰেমীসকলে আঙুলিয়াই দিলে সংগ্ৰাহকে তাক কৃতজ্ঞতাৰে গ্ৰহণ কৰিব। লগতে অপ্ৰকাশিত বচন-ভঙ্গীবোৰ ৰাইজৰপৰা পালে তাকো সৰ্বতোভাৱে গ্ৰহণ কৰা হব।





[ ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, এম-এ, ডি-ফিল (কেল),
'ছিনিয়ৰ ৰিচাৰ্চ' ফেলো (ইউ-জি-চি), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় ]

যি কোনো ভাষা সাহিত্যৰ এটা বৃহৎ অংশ অধিকাৰ কৰি আছিছে মৌখিক সাহিত্যৰ ৰচনা সম্ভাৰে। মৌখিক সাহিত্য পূৰ্ববৰ্তী, লিখিত সাহিত্য পৰৱৰ্তী সৃষ্টি। মৌখিক সাহিত্যৰ ব্যাপকতা বা জনপ্ৰিয়তা বৃদ্ধিৰ লগত লিখিত সাহিত্যৰ উন্মেষ তথা বিকাশ সাধনৰ ঐতিহাসিক সূত্ৰ বৰ্তমান। সাহিত্য মূলতে জনতাৰ সৃষ্টি, জনসাধাৰণৰ অৱদান ; মৌখিক সাহিত্যৰ সেই ভাৱ-ভাষা, হৰ্ষ-বিষাদ, আচাৰ-বিচাৰ, আশা-আকাঙ্ক্ষা প্ৰদত্ত অভিজ্ঞতাৰদ্বাৰা পৰিপুষ্টি সাধনৰ পূৰ্ণ পৰিণতিয়েই লিখিত সাহিত্য। গতিকে লিখিত সাহিত্য দৰাচলতে মৌখিক সাহিত্যৰ সুদৃঢ় প্ৰস্তৰখণ্ডৰ ওপৰত মূৰ্তমান। মানুহৰ কথাই ভাষা ৰূপে পৰিচয় দিয়াৰ যোগ্যতা লাভৰ শুভ মুহূৰ্তৰেপৰা সাহিত্য সৃষ্টিৰ সূত্ৰপাত ; বহু দিনলৈকে সি পুৰুষ পৰম্পৰা মানুহৰ মুখ বাগৰিয়েই জীয়াই থাকিল। বিশ্বৰ বৃহত্তম ইন্দো-য়ুৰোপীয় ভাষা গোষ্ঠীৰ সংস্কৃত ভাষাৰ প্ৰাচীনতম নিদৰ্শন ঋগ্বেদৰ সূক্ত সমূহেও আদিতে মৌখিক সাহিত্যৰ পৰ্যায়ত ঠন্ ধৰি উঠাৰ বহুকাল পিছতহে লিখিত ৰূপ লাভ কৰে। অৱশ্যে এইবোৰৰ প্ৰচলন

সৰ্বসাধাৰণৰ মাজত নাছিল, বিশেষ শ্ৰেণীৰ কিছুমান ঋষি-মুনিৰ মাজতহে ইয়াৰ প্ৰচলন আছিল। লিখন পদ্ধতি লাভৰ পাছৰপৰা সাহিত্যৰ পৰিবৰ্ধনৰ দুটা বিশিষ্ট গতি পৰিলক্ষিত হয়; সৃষ্টিৰ লগে লগে লিখিত ৰূপত আৰু সৃষ্টিৰ বহুকাল পিছত লিখিত প্ৰাপ্ত হোৱা মৌখিক ৰূপত। সেয়ে কোনো সাহিত্যালোচনাৰ অপূৰ্ণতা বিনাশত সাহিত্যৰ বিশাল বপুত পৰিব্যাপ্ত হৈ থকা অলিখিত তথা মৌখিক অৱদানসমূহৰ অধ্যয়ন পৰ্যালোচনা নিতান্ত অপৰিহাৰ্য।

বিভিন্ন ফকৰা-যোজনা, গীত-পদ, সাথৰ-পটন্তৰ-দিস্তান, সাধুকথা-আখ্যান, মন্ত্ৰ-গাথা আদিৰ দৰে খণ্ডবাক্য, জতুৱা-ঠাচ আদিও মৌখিক সাহিত্যৰ অন্তৰ্গত। বিশ্বৰ প্ৰায়বোৰ ভাষা সাহিত্যতে এই শ্ৰেণীৰ মৌখিক ৰচনা বিদ্যমান। কোনো ভাষাত সংখ্যাত ই তাকৰ আৰু কোনো ভাষাত সৰহ। প্ৰাচীন ভাষাবোৰলৈ লক্ষ্য কৰিলেই এই কথাৰ সত্যতা ওলাই পৰে। গ্ৰীক, জাৰ্মাণ, লেটিন, আৰেস্তীয়, আৰ্মেণীয়, শ্লাৱীয়, চীনা আদি ভাষাৰ যিবিলাক প্ৰাচীন নিদৰ্শন আমাৰ হাতত পৰিছে তাতো পোৱা যায় এই পৰ্যায়ৰ মৌখিক সৃষ্টিৰ সম্ভেদ। সমস্ত ভাষা সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰা তথা ইতিহাস অধ্যয়ন কৰিলে মৌখিক সাহিত্যৰ অন্তৰ্গত বিবিধ ৰচনাৰ ইতিবৃত্ত ওলাই পৰে। ঠিক তেনেকৈ ভাৰতীয় আৰ্যভাষাসমূহৰ সাহিত্যালোচনাতো সেই কথাৰেই থাতাং প্ৰমাণ পোৱা যায়।

খণ্ডবাক্য মৌখিক সাহিত্যৰে অন্যতম বিশিষ্ট অঙ্গ। বাক্যাংশ খণ্ডবাক্যৰ সম পৰ্যায়ৰে আন এবিধ সৃষ্টি। উভয়েই কথা চুটি কৰিবৰ অভিপ্ৰায়ে আধাডুখৰীয়া বাক্য একোটাৰে বহল অৰ্থপ্ৰকাশৰ একো একোটা অৱলম্বন। নিখুঁতভাৱে ইহঁতৰ কোনো তাৎপৰ্যপূৰ্ণ সংজ্ঞা দিয়া খুব উজু

কথা নহয়। তথাপি এইদৰে কব পাৰি : ক্ৰিয়াপদযুক্ত অৰ্থপ্ৰকাশক পদসমষ্টিক যদি খণ্ডবাক্য ( Phrase ) বোলা হয় তেনেহলে ক্ৰিয়াপদ হীন অৰ্থদ্যোতক পদ সমষ্টিকেই বাক্যাংশ ( Clause ) বোলা যাব পাৰে। উভয়ৰে প্ৰয়োগ ৰীতিৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়।

বাক্যাংশ বা খণ্ডবাক্যৰ প্ৰয়োগ কথনভঙ্গীৰে অন্যতম ৰীতি। গতিকে বাগ্ধাৰা বা বাগ্বিধিৰ ব্যাপক পৰিসৰৰ অন্তৰ্গত এই খণ্ডবাক্য আৰু বাক্যাংশ জতুৱা-ঠাচৰেই ( Idiom ) দুটা ক্ষুদ্ৰাংশ। সেইবুলি প্ৰবাদ-প্ৰবচন (Proverb), ফকৰা-যোজনা (Adage, Maxim ), সাঁথৰ-দিস্তান ( Anigma ), পটন্তৰ ( Simile ) জতুৱা-ঠাচৰ অন্তৰ্ভূক্ত নহয়। অৱশ্যে প্ৰয়োগ ৰীতিৰ পৰিসৰৰ ব্যাপকতা লাভৰ কাৰণে কিছুমান প্ৰবাদ, পটন্তৰ আদিও জতুৱা-ঠাচৰ পৰ্যায়লৈ নামি আহিল। এয়া ভাষাৰ ক্ৰমবিকাশৰ পৰিণতিহে, কেৱল সেইটো কাৰণতে ইহঁতক একেবস্তু বোলা ভ্ৰমসঙ্কুল। তাকে নকৈ ইহঁতক সাধাৰণভাৱে সমধৰ্মী বস্তুৰ ভিন্ন ৰূপ বোলাহে উচিত। কালৰ সোতত শব্দৰ দৰে জতুৱা-ঠাচৰো অৰ্থ-সংকোচন বা অৰ্থ-সম্প্ৰসাৰণ প্ৰভৃতিজনিত কাৰণত ইহঁতৰ মধ্যস্থিত পাৰ্থক্য ৰেখাৰ কিছু তাৰতম্য ঘটিল। সূক্ষ্মদৰ্শী পাঠকৰ বিচাৰ-বিশ্লেষণত এতিয়াও এইবোৰৰ প্ৰকৃত তাৎপৰ্যোদ্ধাৰ তথা তত্ত্বোদ্ঘাটন সম্ভৱ।

অসমীয়া ভাষাৰ জতুৱা-ঠাচ বা বচন-ভঙ্গীৰ অধ্যয়নত তাৰ পূৰ্বৰ ইতিহাস পৰ্যালোচনা প্ৰয়োজনীয়। কিয়নো এটা ভাষাৰ জতুৱা-ঠাচ সেই ভাষাভাষী লোকৰ ঐতিহ্য আৰু সংস্কৃতিৰেই একপ্ৰকাৰ মানচিত্ৰ স্বৰূপ। সেই সমাজৰ দৈনন্দিন জীৱন, ৰীতি-নীতি প্ৰভৃতিৰে পৰিপূৰ্ণ একো একোটা কালৰ সামাজিক চিত্ৰ জতুৱা-ঠাচৰ মাজত অন্তৰ্নিহিত। সেয়ে সমাজ একোখনৰ সাংস্কৃতিক পৰিচয়ৰ পূৰ্ণতাৰ ক্ষেত্ৰত জতুৱা-ঠাচৰ

অধ্যয়ন নিতান্ত বাঞ্ছনীয়। সমাজ বা সংস্কৃতিৰ ক্ৰমবিকাশৰ অন্তৰালত বচন-ভঙ্গীৰ ক্ৰমবৰ্ধমানধাৰা বৰ্তমান।

অসমীয়া ভাষাৰ জতুৱা-ঠাচৰ ইতিহাস উদ্ধাৰত তাৰ উৎস বিচাৰি পশ্চাৎমুখী গতি কৰিলে বৈদিক সংস্কৃতৰপৰা ইয়াৰ ধাৰাবাহিকতা দেখিবাব পাৰি। উদাহৰণ স্বৰূপে ঋগ্বেদৰ "ন বৈ স্ত্ৰৈণানি সখ্যানি" ( নাৰীৰ লগত সখীভাৱ বা বন্ধুত্ব ) বাক্যাংশ বা খণ্ডবাক্যটো উল্লেখ কৰিব পাৰি। পিছে, বৈদিক যুগতকৈ মহাকাব্যৰ যুগত সংস্কৃত সাহিত্যত এনেকুৱা ধৰণৰ বাগ্ৰীতিৰ অধিকতৰ প্ৰয়োগ লক্ষ্য কৰা যায়। ৰামায়ণৰ "কালস্য কুটিলা গতিঃ" (—কালৰ কুটিল গতি বা কালচক্ৰত ), "ধৰ্মস্য সূক্ষ্ম গতিঃ" (—ধৰ্মৰ সূক্ষ্মগতি ), "ভিন্ন ৰুচিৰ্হি লোকঃ" (—ভিন্ন ৰুচিৰ লোক ); মহাভাৰতৰ "কিমাশ্চৰ্যমতঃপৰম্ (—ইয়াতকৈ কি আচৰিত > কি আচৰিত), "বসুধৈৱ কুটুম্বকম্" (—বসুন্ধৰাৰ প্ৰাণীমাত্ৰে আত্মীয় ), "মুনিণাঞ্চ মতিভ্ৰমঃ' (—মুনিৰো ভ্ৰম হয় ), "যতো ধৰ্মস্ততো জয়ঃ" (—য'ত ধৰ্ম ততে জয় ) আদি খণ্ডবাক্যই সেই ইতিহাসৰে সূত্ৰ ধৰি আগবাঢ়ি অহাৰ কথাকে উদ্ব্ৰিকিয়ায়। আকৌ "ঘ্ৰাণেন অৰ্ধভোজনম্" (—ঘ্ৰাণৰদ্বাৰা আধা ভোজন ), "মধুৰেণ সমাপয়েৎ" (—মৌপান কৰি সমাধা কৰা), "শুভস্য শীঘ্ৰম্" (—শুভকাম সোনকালে কৰা), "শনৈৰ্শনৈঃ" (—লাহে লাহে) "স্ত্ৰীবুদ্ধিপ্ৰলয়ঙ্কৰী" (—নাৰীৰ বুদ্ধি বিপদজনক ) প্ৰভৃতি বচন-ভঙ্গীৰ অন্তৰ্গত সংস্কৃত ভাষাত ৰচিত হিতোপদেশ বা নীতিবাক্য জাতীয় জতুৱা-ঠাচ। এনেকুৱা ধৰণৰ নীতি-বচনৰ প্ৰয়োগ বিদ্বৎ সমাজৰ কথা প্ৰসঙ্গত আজিও শুনা যায়; সংস্কৃতীয়া ৰচনাতো এনেকুৱা জতুৱা-ঠাচৰ প্ৰচলন মন কৰিব লগীয়া।

সংস্কৃত ভাষা সাহিত্যৰ পৰৱৰ্তী স্তৰলৈ নামি আহিলে প্ৰাকৃত ভাষা সাহিত্যতো এই বাগ্ৰীতিৰ প্ৰাচুৰ্য পৰিলক্ষিত হয়। পালি ভাষাৰ

বিভিন্ন ৰচনাত পোৱা "বুদ্ধ ভাবেন কষ্টং ন অত্থি" (—বুদ্ধ হৈ লাভ নাই ), "ভত্তং ৱড্‌ঢেদি" (—ভাত বাঢ়ে ), "ৱিষং গিলতি" (—বিষ পান কৰে ), "বুদ্ধং জীৱন পৰিয়ন্তং সৰণং গচ্ছামি" (—আজীৱন বুদ্ধতে মোৰ শৰণ ), "ঘৰাৱাসং ৱসিসসতি (—ঘৰত বাস কৰিম ), "পিট্‌ঠিত পিট্‌ঠিত" (—পিঠিয়ে পিঠিয়ে ), "মনং কৰোতি" (—মনত পেলায়>লক্ষ্যত ৰাখি, মন কৰা ), "পতিত্তা গতম্‌" (—পৰি গ'ল ), "সহসসং সহস্‌সং" (—হাজাৰ হাজাৰ), "অন্তং কৰোতি" (—শেষ কৰে), "একত কৰোতি" (—এক কৰে> লগ কৰা), "কম্ম ন অত্থি" (—কাম নাই, বনবাৰি নোহোৱা ), "য়েন তেন প্ৰকাৰেণ" (—সং, যেন তেন প্ৰকাৰেণ), "অথানে কোপং" (—অস্থানত খং দেখুৱাই), "কথচি কথচি" (—ক'ৰবাত ক'ৰবাত ), "কিং কৰিস্‌সতি" (—কি হব, কি কৰিব ), "যাদিসং ৱপতে ৱীজং, তাদিসং হৰতে ফলং" ( সং, যাদৃশীৰ্ভাৱনা যস্য তাদৃশী সিদ্ধিৰ্ভৱতি ) আদি জতুৱা-ঠাচে সংস্কৃত জতুৱা-ঠাচৰেই উত্তৰোত্তৰ ক্ৰমবিকাশৰ কথাকে সূচায়। পৰৱৰ্তী প্ৰাকৃত স্তৰত "অণুকম্পিণা উবচ্ছন্দিদো" (—আদৰ কৰিবলৈ ধৰিলে ), "মাৰেধ কুট্টেধ বা" (—মাৰকেই বা কাটকেই ), "শউলাণং মুহং পেক্ষশি" (—কুকুৰৰ মুখত সোমোৱা > কুকুৰৰ মুখ দেখা ), "গিদ্ধশিআলাণং বলী ভৱিশ্‌শশি" (—শিয়াল শগুণৰে বলি হবি ), "শিগ্‌ঘং শিগ্‌ঘং" (—শীঘ্ৰে শীঘ্ৰে ), "শূলাদো ওদালিঅ হত্থিক্খন্ধং শমালোৱিদে" (—শূলৰপৰা আনি হাতীৰ পিঠিত বহুৱালে>শূলৰপৰা আনি হাতীত তোলা ), অপভ্ৰংশ স্তৰত "হত্থে ঠবিঅউ" (—হস্ত স্থাপিত ), "পাণী ছিপ্‌পই" (—জল স্পৰ্শ কৰি ), "সন্তাৰ দেহি" (—সাঁতোৰ দিয়ে>পাৰ কৰাই দিয়া ), "পঅভৰ মেইণি কম্পই" (—খোজৰ ভৰত মেদিনী কপায় ), "লাখ লখ পক্‌খৰিঅ" (—লাখ লাখ সুসজ্জিত ঘোঁৰা ), "দেৱহ লিক্‌খিত কেণ মেটাআ" (—দৈৱৰ লিখন কোনে খণ্ডাব পাৰে ) ইত্যাদি প্ৰাচীন বাগ্‌ধাৰাৰ উজ্জ্বল নিদৰ্শন ভিন্ন আন একো নহয়। ইয়াৰ পৰৱৰ্তী চৰ্যাগীতিৰ

ভাষাতো এনেকুৱা জতুৱা-ঠাচৰ প্ৰয়োগ চকুত পৰে। উদাহৰণ স্বৰূপে "উঁচা উঁচা পাবত" (=ওখ ওখ পৰ্বত), "গলেঁ গলাপাশ" (গলত ৰখী ওলোমা>ডিঙিৰ মাদুলি), "গুৰু বোবা সে সীসা" (=গুৰু বোবা শিষ্য কলা), "হাড়ীত ভাত নাহি নিতি আবেসী" (হাডীত ভাত নাই সদায় প্ৰেমিক আহে), "অপণা মাসেঁ হৰিণা বৈৰী" (=নিজৰ মাংসই হৰিণাৰ বৈৰী), "নিতি নিতি ষিআলা ষিহেঁ ষম জুঝঅ" (=নিতে নিতে শিয়ালে সিংহৰ লগত যুজে), "ঘালিলি হাডেৰ মালা" (=হাড়ৰ মালা পিন্ধি) ইত্যাদি উল্লেখ কৰিব পাৰি। চৰ্যাৰ পৰৱৰ্তী স্তৰলৈ আহিলে আমি প্ৰাচীন অসমীয়া আৰু বঙালীৰ নিদৰ্শন পাওঁ। সমসাময়িক প্ৰাচীন বঙালীৰ দৰে প্ৰাচীন অসমীয়া সাহিত্যত "আকুতিৰ পো", "ঢুনি সাপে নাগপুৰীক গিলিল", "সিন্দুৰ চন্দন মুগুচোক আৰ", "সিংহৰ লাঙুল ধৰিবাক", "তিৰি চোৰ", "একাদশ বৃহস্পতি", "কাস পৰি জিম গৈল", "গো খোজত গৈলো তল", "বুঢাৰ হাতৰ চেঙ্গ", "ঢলো পৰো কৰে", "কচুত ভাঙ্গিলে বড় কাছি", "সাত শক্ৰতো", "জোকৰ মুখত দিলে চূণ", "গোড়ে ঘাম খায় বহি" "নাতিনীৰ বিহা বুঢী কৰৈ ৰঙ্গ", "বন্ধৰ কঠিয়াতলী" প্ৰভৃতি বচন-ভঙ্গীৰ বাছকবনীয়া উদাহৰণ।

এইদৰে প্ৰাচীনতম বৈদিক সংস্কৃত স্তৰৰপৰা মহাকাব্যাদিৰ সংস্কৃতৰ স্তৰ ভেদ কৰি পালি-প্ৰাকৃত-অপভ্ৰংশ ব্যাপ্ত বিৰাট প্ৰাকৃত স্তৰত পৰিবৰ্ধিত হৈ জতুৱা-ঠাচে চৰ্যাৰ স্তৰ অতিক্ৰম কৰি আধুনিক ভাৰতীয় আৰ্যভাষাবোৰত পুলিয়ে পোখাই ঠণ ধৰি উঠিছেহি। অসমীয়া ভাষাৰ জতুৱা-ঠাচেও এই ইতিহাসৰ সূত্ৰ ধৰিয়ে পূৰ্ণ পৰিণতি লাভ কৰিছে। অসমীয়াৰ প্ৰাচীন সমাজ আছিল গ্ৰাম্য প্ৰধান। সেয়ে পূৰ্বৰ খণ্ডবাক্যও কৃষক অৰ্থাৎ কৃষিপ্ৰধান। ৰামায়ণীয় ঘটনাৰ প্ৰভাৱ আৰু বৈষ্ণৱান্দোলনৰ প্ৰভাৱো তাত কম নহয়। পৰৱৰ্তী কালৰ ৰাজনৈতিক বিশেষকৈ

আহোম শাসনতন্ত্ৰৰ প্ৰভাৱো সিবোৰত বাৰুকৈয়ে পৰিলক্ষিত হয়। কালৰ সোতত ভালেমান খণ্ডবাক্য বা জতুৱা-ঠাচ মৰহি গৈছে সঁচা, কিন্তু সেই সময়ৰ হাত বুলনিতে ভালেমান বাগ্‌ৰীতিয়ে ন আভৰণ লৈছে আৰু নতুন নতুন কিছুমানৰ উদ্ভাৱনো হৈছে। তেনেকুৱা বিভিন্ন কালত ৰচিত প্ৰচুৰ জতুৱা-ঠাচৰ প্ৰয়োগ ঘটিছে বিবিধ অসমীয়া সাহিত্য ৰচনাত।

অসমীয়া জতুৱা-ঠাচ বা খণ্ডবাক্যৰ সংগ্ৰহ তেনেই তাকৰ। খ্ৰীষ্টান মিছনেৰিসকল এই ক্ষেত্ৰত সৰ্বাগ্ৰণী। অসমীয়া খণ্ডবাক্যৰ সৰ্বপ্ৰথম সংকলনটো ওলায় শ্ৰীমতী এইচ. বি. কট্ৰৰৰ সম্পাদনাত। ক্ষুদ্ৰ আকাৰৰ এই পুথিখনৰ নাম Phrases in English and Assamese ; পুথিখনি কলিকতাৰ একাধিক লাইব্ৰেৰীত সংৰক্ষিতাৱস্থাত আছে। খণ্ডবাক্যৰ বাহিৰে যোজনা-পটন্তৰো শ্ৰীমতী কট্ৰৰৰ পুথিত সন্নিবিষ্ট হৈছে। পি. আৰ. গৰ্ডণে দ্বিতীয় সংকলনটো Some Assamese Proverbs নামদি উলিয়ায়। এইখনো আকাৰত বৃহৎ নহয়। তদুপৰি প্ৰবাদ-প্ৰৱচনৰ বাহিৰে আন' একোৱেই ইয়াত স্থান পোৱা নাছিল। পৰৱৰ্তী অন্যান্য সংগ্ৰহবোৰৰ ভিতৰত গোপালচন্দ্ৰ দাসৰদ্বাৰা সংগৃহীত "অসমীয়া পটন্তৰ মালা আৰু যোজনা", শ্ৰীপ্ৰসন্ন লাল বৰুৱাৰদ্বাৰা প্ৰকাশিত "পটন্তৰমালা প্ৰথমখণ্ড", শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসৰ "ফকৰাযোজনা", লৰম্বৰাম দাসৰ "যোজনা", ইন্দ্ৰনাৰায়ণ বৰাৰদ্বাৰা প্ৰকাশিত "অসমীয়া প্ৰৱচন", শ্ৰীভীমশেখৰ বৰুৱাৰ "প্ৰৱচন", শ্ৰীডিম্বেশ্বৰ নেওগৰ "বহুবহী", বেণুধৰ ৰাজখোৱাৰ "অসমীয়া খণ্ডবাক্য কোষ", চন্দ্ৰধৰ বৰুৱাৰ "ৰত্নকোষ", শ্ৰীপ্ৰফুল্ল বৰুৱাৰ "সাহিত্য প্ৰৱচন" আদিয়েই বিশেষ উল্লেখযোগ্য। এই আটাইবোৰ সংগ্ৰহতে প্ৰবাদ-প্ৰৱচন, পটন্তৰ-যোজনাহে সৰ্বাধিক সংগৃহীত হৈছে, খণ্ডবাক্য বা জতুৱা-ঠাচৰ সংখ্যা নিচেই তাকৰ। দৈনন্দিন জীৱনত বেছি ৰকমে

প্ৰচলিত যোজনা পটন্তৰকো আকৌ বাছি বাছি আহৰণ কৰাই এই সংগ্ৰাহকসকলৰ লক্ষ্য আছিল বুলিলেও বঢ়াই কোৱা নহব। ৰাজ-খোৱাৰ "অসমীয়া খণ্ডবাক্যকোষ" বুজন আকাৰৰ পুথি। ৰাজখোৱা-দেৱেও খণ্ডবাক্যৰ ভিতৰতে আটাইবোৰকে সামৰি লোৱা দেখা যায়। সম্প্ৰতি এই পুথিৰ সৰ্বাধুনিক সংস্কৰণ ডঃ মহেশ্বৰ নেওগৰদ্বাৰা সম্পাদিত হৈ ওলাইছে। বৰ্তমান সংস্কৰণত ৰাজখোৱাদেৱৰ 'ওপৰঞ্চি' অংশ 'মূল পুথিভাগৰ অভ্যন্তৰলৈ অনা হৈছে' আৰু বানানৰ ক্ষেত্ৰত 'অভিধানৰ অনুশাসনলৈ' লক্ষ্য ৰখা হৈছে। সম্পাদকৰ বক্তব্য আচলতে সন্নিবিষ্ট হৈছে "পৰিশিষ্ট" অংশত। চন্দ্ৰধৰ বৰুৱাৰ পুথিতো সেই একে নীতিৰেই পৰিস্ফুৰণ ঘটিছে। এই সকলোবোৰ সংগ্ৰহৰে অভিপ্ৰায় হ'ল সুপৰিকল্পিত ভাৱে বাছি বাছি লোৱা প্ৰবাদ-প্ৰবচন, যোজনা-পটন্তৰ, জতুৱা-ঠাচ আদি সংগ্ৰহ কৰা। ৰাজখোৱাদেৱকেই সেই বিষয়ত কৃতীমান তথা সফলকাম বুলিব পাৰি।

"অসমীয়া বচন-ভঙ্গী" শ্ৰীহৰেন্দ্ৰনাথ শৰ্মাৰ বহুদিনীয়া প্ৰচেষ্টাৰ ফল। শ্ৰীশৰ্মাই নিবেদনত নিজে সেই কথাৰ উল্লেখ কৰি গৈছে। তেখেতৰ উদ্দেশ্য জতুৱা-ঠাচৰ এটা পূৰ্ণ সংকলন প্ৰণয়ন কৰা। সেই অভিপ্ৰায়েৰে শিক্ষকতাৰ সুদীৰ্ঘকাল চোৱাত তেখেতে এটা দুটাকৈ খণ্ডবাক্য আহৰণ কৰাৰ ফল এই বচন-ভঙ্গী। এই বচন-ভঙ্গীৰ সৰ্বোৎকৃষ্ট কথাষাৰ হ'ল প্ৰতিটো জতুৱা-ঠাচৰ প্ৰকৃত অৰ্থ উদ্ধাৰ আৰু তাৰ যথাৰ্থ প্ৰয়োগ। শ্ৰীশৰ্মাই সহজ বাক্যৰচনাৰদ্বাৰা সেই দুৰুহ কথাকো সহজসিদ্ধ কৰি তুলিছে। ইয়াত সন্নিবিষ্ট হৈছে ৬৬৭৭ টা বিভিন্ন ধৰ্মী জতুৱা-ঠাচ। ঠায়ে ঠায়ে কিছুমান জতুৱা-ঠাচ প্ৰথম দৃষ্টিত প্ৰবাদ বা যোজনা যেন লাগিব পাৰে ; কিন্তু সময়ৰ হাত বুলনিয়ে তাক জতুৱা-ঠাচৰ পৰ্যায়লৈ অনা গতিকে সি মূল প্ৰয়োগ হেৰুৱাই পেলাইছে।

"অসমীয়া বচন-ভঙ্গী" কেৱল নিয়ত নতুন সুলভ অসমীয়া বাক্যাংশৰেই বৃহৎ সংকলন নহয়, চুকে কোণে লুকাই থকা আদৃত অনাদৃত প্রচুৰ সংখ্যক বচন-ভঙ্গীৰহে জয়দ'ল। পূৰ্ববৰ্তী যি কোনো সংকলনৰ তুলনাত অসমীয়া বচনভঙ্গী দেশীয় সাহিত্যত এটি কালৰ গম্বুজ। কাৰণ শিক্ষকতাবৃত্তিজনিত অভিজ্ঞতালব্ধ সূক্ষ্মাতিসূক্ষ্ম বৈশ্লেষণিক দৃষ্টিভঙ্গীৰদ্বাৰা অনুপ্ৰাণিত হৈ 'ফকৰা-যোজনা-পটন্তৰ-জতুৰা-ঠাচ'ৰ মেৰঘৰৰপৰা কেৱল মাথো বাক্যাংশ আহৰণে তাৰেই শঙ্খধ্বনি কৰে। শব্দ যদি সামাজিক ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰিচয় একোটাৰ চিত্ৰ, বাক্যাংশ হব সমধৰ্মী পৰিচয়ৰ প্ৰখৰ প্ৰতিফলন। সেয়ে সাংস্কৃতিক বৈচিত্ৰ্যালোচনাত এই বাক্যাংশৰ তত্ত্বানুশীলন অনস্বীকাৰ্য। সাহিত্য সৃষ্টি সংখ্যাত সীমিত হলেও ৰস পৰিবেশনত শ্ৰীহৰেন্দ্ৰনাথ শৰ্মা সিদ্ধকাম। বচন-ভঙ্গীতো পৰিলক্ষিত হয় শ্ৰীশৰ্মাৰ চিত্ত আৰু বুদ্ধিৰ সুসংমিশ্ৰন। তেখেতৰ বাক্যাংশ আহৰণত ভাষাতত্ত্বৰ ছাত্ৰৰ সুসংবদ্ধ পদ্ধতি। বাক্যাংশৰ ইতিহাস তাত নাই; আছে কিন্তু তাৰ আচল অৰ্থ আৰু নিখুঁত প্ৰয়োগ। ফল স্বৰূপে বচন-ভঙ্গী তথাকথিত বাক্যাংশ সংগ্ৰহৰ সীমা অতিক্ৰমি বাক্যাংশৰ অভিধানৰ পৰ্যায়লৈ উন্নীত হৈছে। শ্ৰীশৰ্মাৰ বচন-ভঙ্গী অসমীয়া ভাষা সাহিত্যতে কালে মচিব নোৱাৰা অৱদান নহয়, যি কোনো ভাষাৰ বাক্যাংশৰ অভিধানৰ লগত সমানে ফেৰ মাৰিব পৰা নবীনতম সৃষ্টি।

প্ৰায় ডেৰ কুৰি কিতাপৰ লিখক শ্ৰীহৰেন্দ্ৰনাথ শৰ্মাৰ "অসমীয়া বচন-ভঙ্গী" নিঃসন্দেহে শ্ৰেষ্ঠতম অৱদান। এনে এজন যশস্বী লিখকৰ এই হেন বৃহৎ সংকলনৰ পাতনি লিখাৰ যোগ্যতা আমাৰ নাই। তথাপি যে লিখিবলৈ চেষ্টা কৰিছো সেয়া সুদীৰ্ঘকাল শিক্ষকতা কৰি ভাৰতীয় ৰাষ্ট্ৰপতিৰ বটা লাভ কৰি স্বীকৃতি পোৱা এগৰাকী যশস্বী শিক্ষকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিৰ কাৰণেহে। বিশেষকৈ অনাড়ম্বৰভাৱে জীৱন নিৰ্বাহ কৰা এই অধ্যয়ন

পুষ্ট শিক্ষাব্রতীজনাৰ আন্তৰিক প্ৰীতি আৰু স্নেহপাশত আবদ্ধ হৈয়েই এই পাতনিৰ অৱতাৰণা কৰিবলৈ প্ৰয়াস পাইছোঁ।

ভাৰতীয় যি কোনো ভাষাৰ খণ্ডবাক্য বা জতুৱা-ঠাচৰ বৃহৎ সংকলনসমূহৰ লগত সমানে ফেৰ মাৰিব পৰা বৃহত্তম এই সংকলনটোক একেষাৰ কথাত জতুৱা-ঠাচৰ অভিধান বোলা যাব পাৰে। এই প্ৰণালীত কোনো ভাষাতে জতুৱা-ঠাচৰ ইমান ডাঙৰ সংকলন পোৱা নাযায়। সেই কালৰ পৰা 'অসমীয়া বচন-ভঙ্গী'তে বহুমূলীয়া Brewer's Dictionary of Phrases and Fables অতকৈয়ো অধিকতৰ শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰে। এনেকুৱা এখন অভিধানৰদ্বাৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেই উপকৃত হব বুলিলে ভুল কৰা হব, দৰাচলতে ভাষা-সাহিত্যপ্ৰেমী মাত্ৰৰেই ই এখনি অপৰিহাৰ্য পুথি।

জতুৱা-ঠাচৰ আহৰণ পদ্ধতি, তাৰ যথাৰ্থ প্ৰয়োগ আৰু প্ৰকাশভঙ্গীৰ সৰলতাই অসমীয়া বচন-ভঙ্গীক অসমীয়া ভাষা-সাহিত্যত স্মৰণীয় গ্ৰন্থৰ ৰূপ দিছে। পুথি প্ৰণেতা শ্ৰীশৰ্মা কেৱল ছাত্ৰ-ছাত্ৰীৰেই নহয়, অসমীয়া ভাষানুৰাগী মাত্ৰৰেই শ্ৰদ্ধাৰ পাত্ৰ। ইতি—

গুৱাহাটী বিশ্ববিদ্যালয়
১২ এপ্ৰিল '৬৫

শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

# অসমীয়া বচন-ভঙ্গী

## অ

**অঁকৰ-কন্দলি**—(অঁকৰা মানুহৰ দৰে অকাৰণে কৰা কাজিয়া)—ছোৱালোকৰ এই **অঁকৰ-কন্দলি** দেখি লোকে হাঁহিব।

**অঁকৰা মৈত উঠ্**—(আসুৰিক বা অবুজভাৱে কোনো কামত লাগি থাক্)—সি খাটিও তৰ এৰা নাই, যেন **অঁকৰাহে মৈত উঠিছে।**

**অঁহীয়া-বাদি**—(আঁহ কলা কথাৰে কৰা তৰ্কাতৰ্কি)—তইতে অঁহীয়া-বাদি কৰি থাকিলে কামটো হব জানো?

**অকতিয়াই-পকতিয়াই**—(ঘূৰাই-পকাই, চোবাই চোবাই)—**অকতিয়াই-পকতিয়াই** খাওঁতে খাওঁতে তেওঁৰ এঘণ্টামান লাগে।

**অকথা-অবতৰা**—(দুৰ্যশ; বদনাম)—তোৰ **অকথা-অবতৰাবোৰ** শুনি শুনি মোৰ কাণ কলা হ'ল।

**অকল-কতীয়া**—(লগ-সঙ্গ ভাল নোপোৱা; স্বাৰ্থপৰ)—তোমাৰ দৰে **অকল-কতীয়া** হৈ সমাজত টিকিব নোৱাৰি।

**অকলশৰীয়া পছু**—(লগৰীয়া নোহোৱা বা বন্ধুহীন মানুহ)—গাঁৱত **অকলশৰীয়া পছু** হৈ আছোঁ।

**অকাজ-ভাগী**—(কোনো কামকে নকৰা)—এই **অকাজ-ভাগীটোক** কোনে পুহি থাকিব?

**অকাল-অছুটি**—(অস্বাভাৱিক কথা বা কাম)—বাৰিষাও বৰষুণ নহয়; **অকাল-অছুটি** নহয় নো কি?

**অকাল-পকা**—(পকিবৰ সময় নোহওঁতেই পকা; সময় নোহওঁতেই পূৰ্ণ অৱস্থা পোৱা)—সৰু মুখত বুঢ়াৰ কথা, এই **অকাল-পকা** ল'ৰাটো কাৰ?

**অগত্যা মধুসূদন**—(উপায়হীন হৈ কাম কৰা অৱস্থা)—আন চাকৰ নোপোৱাত **অগত্যা মধুসূদন** বুলি এই ল'ৰাটোকে ৰাখিলোঁ।

**অগস্ত্য যাত্ৰা**—(নিষিদ্ধ যাত্ৰা; উভতি নহাকৈ কৰা যাত্ৰা)—বাৰ বছৰ আগেয়ে তেওঁ তীৰ্থ-যাত্ৰা কৰিলে; সেয়ে তেওঁৰ **অগস্ত্য-যাত্ৰা** হ'ল।

**অগিয়াম-টলকা**—( জানিও নজনা ভাও জুৰি টলকা মাৰি থকা মানুহ )—তই বৰ **অগিয়াম-টলকা**; সকলোতে কাণত কাপোৰ দি থকাই তোৰ স্বভাৱ।

**অগ্নি-পৰীক্ষা**—( বিশুদ্ধতা, সামৰ্থ্য আদি নিৰ্ণয় আদিৰ বাবে কৰা পৰীক্ষা; ডাঙৰ সংকট )—সমাজে জাপি দিয়া এই কামটো মোৰ পক্ষে সীতাৰ **অগ্নি-পৰীক্ষা** যেন হৈছে।

**অগ্নি-শৰ্মা**—( খঙত জ্বলি-পকি উঠা )—কথাটো শুনি তেওঁ **অগ্নি-শৰ্মা** হ'ল; মই ভয়ে ভয়ে আঁতৰি আহিলোঁ।

**অঘাসুৰৰ যুদ্ধ**—( বৰ হাই-উৰুমিৰে কৰা কাজিয়া বা যুঁজ )—দুয়ো ভায়েকৰ মাজত **অঘাসুৰৰ যুদ্ধ** লাগিছে।

**অঙহী-বঙহী**—( জ্ঞাতি-কুটুম )—**অঙহী-বঙহীক** মাতি কথাটো আলোচনা কৰা।

**অঙহে বঙহক খা**—( আপোনজনে অনিষ্ট কৰ্ )—**অঙহে বঙহক খায়**; ভাগীয়ে তোমাৰ অনিষ্ট কৰাটো স্বাভাৱিক।

**অচল্‌তি কাল**—( নিজে কৰি খাব নোৱাৰা কাল )—যেয়ে মোক **অচল্‌তি কালত** চাব, তাকেই এই সম্পত্তি দিম।

**অচিনা কাঠৰ খোৰা লগা**—( অপৰিচিত মানুহৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখ ) —**অচিনা কাঠৰ খোৰা লগোৱা** মানুহে বিপদ্‌ মাতি আনে।

**অজল-ভেহীয়া**—( অজলাৰ ভেশ জোৰা )—**অজল-ভেহীয়াটোক** সুধিছা নে, তুমি কথাটো আচলতে নজনা জানো?

**অজলাভাৱে বিজল্‌ লগা**—( অজলাৰ ভাও জুৰি বিদ্ৰূপ বা বিদ্ৰূপপূৰ্ণ ভাব প্ৰকাশ কৰ্ )—**অজলাভাৱে বিজল্‌ লগোৱাত** তেওঁ কম নহয়; হাঁহি হাঁহি মাতিব; কাটি কাটি সোমাব।

**অজ-মূৰ্খ**—( ছাগলীৰ দৰে মূৰ্খ; মহামূৰ্খ )—**অজ-মূৰ্খ** মানুহক ভাল কথা শিকাব নোৱাৰি।

**অজাতিত খা**—( আন জাত বা নীহকুলীয়া ভিৰোভাৱে বসবাস বা খোৱা লোৱা কৰ্ )—**অজাতিত খোৱা** বাবেই তাক এই গাঁৱৰ কোনোৱে সহায় নকৰে।

**অজীণ-পাতকী**—( উদ্ধাৰ হোৱাৰ উপায় নথকা পাপৰ পাপী; বিশ্বাসঘাতক )—বিশ্বাসঘাতকৰ দৰে **অজীণ-পাতকী** নাই।

**অজো কালৰ বজো গুটি**—( বৰ বয়সিয়াল, অথচ বৰ ধনী মানুহ বা তাৰ বস্তু ) —সেই কঠালগুটীয়া বুঢ়াটোক বুঢ়া বুলি নিবিণাবা; তেওঁ **অজো কালৰ বজো গুটি**।

**অণ্ঠ-কণ্ঠ শুকা**—( পিয়াহত গল-মুখ শুকা )—পিয়াহত বুঢ়ীজনীৰ **অণ্ঠ-কণ্ঠ শুকাই** গৈছিল।

**অ'ত খিয় ত'ত খিয় হ**—( কাম-বন নকৰি সময় কটা )—কাতিমহীয়া বেলি, কাতিকুতা কৰোঁতেই যায়; তাতে আৰু **অ'ত খিয় ত'ত খিয় হৈ** ফুৰিলে কাম হয় নে?

**অতৰ্‌-চেলাই**—( নিচলা; বৰ খীণ )—ইমান গধুৰ বোজাটো এই **অতৰ্‌ চেলাই** মানুহজনে নিব নোৱাৰে।

**অতৰ্কী মহিমা**—( যি মহিমা বা মনৰ কথা বুজি পোৱা টান )—এবাৰ যায়, এবাৰ নাযায়, তেওঁৰ **অতৰ্কী মহিমা** আমি বুজিব নোৱাৰোঁ।

**অতিথিয়ে বিধানৰ টোপা লেখ্**—( অনাৱশ্যক বিষয়ত মনোযোগ দি )—গৃহস্থালিৰ ভিতৰুৱা কথা জানিবলৈ বিচৰাটো আমাৰ পক্ষে **অতিথিয়ে বিধানৰ টোপা লেখা** যেনহে হব।

**অত্ৰাহি কৰ্**—( বৰ খৰধৰকৈ কোনো কাম কৰ্ )—অত্ৰাহি কৰি কাপোৰখন বই, ছোৱালীজনীৰ জ্বৰ হৈছে।

**অথলে যা**—( নিষ্ফল হ )—মোৰ সকলো পৰিশ্ৰম **অথলে গ'ল**।

**অথাই সাগৰ** ( বৰ ডাঙৰ বিপদ্ )—তেওঁক এই **অথাই সাগৰত** ৰক্ষা কৰিবলৈ কোনো নাই।

**অদবিদ্ হ**—(প্ৰচুৰ হ)—কিমান মাৰিবা? মাছ আজি **অদবিদ্ হৈছে**।

**অদাত্য পাতক**—(ধন থাকোঁতেও দান নকৰা হেতু হোৱা পাপ)—'**অদাত্য পাতক** বৰ হৈবেক কুদাতা।'

**অদৃষ্টৰ আখৰ**—(কপালৰ লিখন বা ভাগ্য)—সকলোৰে **অদৃষ্ট আখৰ** একে নহয়।

**অধিক বাঢ়ৈত গুৰ ধমনা**—(একে লগে কেবাজনে কাম কৰিলে কামটো বেয়া হ)—ছকুৰি মানুহে এঃকদিনতে ঘৰটো সাজিলে হয়, খুটাবোৰ যেয়ে য'তে পালে ত'তে পুতিলে, **অধিক বাঢ়ৈত গুৰ ধমনা হয়েই**।

**অধিক মাছত বগলী কণা হ**—(প্ৰচুৰভাৱে পাই আনন্দত ভোগ কৰিবলৈ অক্ষম হ)—ইমানবোৰ হাঁহ দেখি চিকাৰীজন **অধিক মাছত বগলী কণা হ'ল ;** ভাগ্যেহে তেওঁ শুদা হাতে ফিৰি নাহিল।

**অধ্যাপকক গায়ত্ৰী শিকা**—(বিজ্ঞ লোকক কোনো প্ৰাৰম্ভিক কথা বুজা)—তেওঁৰ দৰে খেতিয়ক আমাৰ সমাজত কোনো নাই; খেতিৰ কথা তেওঁক বুজালে **অধ্যাপকক গায়ত্ৰী শিকোৱাহে হব।**

**অনন্তৰ ছো**—(উলিয়াই আনি যাকে তাকে সদায় দেখুৱাই থকা বস্তু)—সেইটো নো কি **অনন্তৰ ছো** পালা, যে মানুহ এজন আহিলেই উলিয়াই আনিব লাগিল?

**অনপু-অধপু**—(দুষ্প্ৰাপ্য বা আপুকগীয়া বস্তু)—হীৰা-মৰকত আমাৰ দেশত **অনপু-অধপু।**

**অনা-পলিতাই ছুট**—(বাহিৰৰপৰা উত্তেজনাৰ কোনো কাৰণ নোহোৱাতো আপুনি উত্তেজিত হ)—তোমাক দেখোন মাতিবই নোৱাৰি; **অনা-পলিতাই ছুটিব** খোজা।

**অনা-লগা ধূপ**—(জুই নলগোৱা ধূপৰ দৰে, বিনাকামে বহি থকা মানুহ)—তেওঁ মেললৈ আহিও **অনা লগা-ধূপৰ** দৰে বহি থাকিল।

**অনাই-বনাই**—(কাম-কাজ নোহোৱাকৈ এনেই ঘূৰি ফুৰি; ব্যাকুল হৈ)—বিপদৰ সময়ত ধৈৰ্য নধৰি **অনাই-বনাই** ফুৰিলে কি হব?

**অন্ধি-সন্ধি**—(সম্ভেদ; মৰ্ম)—তোমালোকৰ কথ'ৰ **অন্ধি-সন্ধি** পোৱা টান।

**অন্ন-জল থাক্**—(আয়ুস্ থাক্)—**অন্ন জল আছে ;** সেইদেখি মৰিবলৈ ওলাইও নমৰিলোঁ।

**অন্যায়ে সন্যায়ে**—(যি কোনো উপায়েৰে)—আজিকালি, মানুহে **অন্যায়ে সন্যায়ে** কাৰ্যসিদ্ধি কৰিবলৈহে বিচাৰে।

**অপছৰা অছুৰা**—(দেৱতাসকলৰ অনুচৰ; ডাঙৰ মানুহৰ লগত ফুৰা দুষ্ট প্ৰকৃতিৰ অনুচৰবৰ্গ)—**অপছৰা অছুৰাবোৰক** ভেদ কৰি মন্ত্ৰী মহোদয়ক লগ ধৰাই টান।

**অবচন-কাৰী**—(কথা নুশুনা, অবাধ্য)—সি বৰ **অবচন-কাৰী** ল'ৰা।

**অবচন বোল্**—(অশিষ্ট মাত মাত্)—গুৰু-গোসাঁইক **অবচন বুলিব** নাপায়।

**অবাইচ্ মাত**—(অশিষ্ট কথা)—তাৰ মুখটো বৰ চুৰা; **অবাইচ্ মাত** মতাই তাৰ অভ্যাস।

**অৰিল-বিলীয়া হ**—(প্ৰচুৰ হ)—খোৱাৰ যোগাৰ **অৰিল-বিলীয়া হৈছে**; পাঁচশ মানুহক জুৰিও ৰবহে। ম—৩৮

**অবুজনক বুজা ঢেকৰা লাই সিজা**—( অবুজনক বুজোৱাৰ দৰে কোনো টান কাম কৰ্ )—নিৰক্ষৰ মানুহবিলাকৰ মাজত মোক এই টান কাম কৰিবলৈ দিয়াটো **অবুজনক বুজাবলৈ আৰু ঢেকৰা লাই সিজাবলৈ** দিয়া হৈছে।

**অভং-ভতৰা**—( দমৰা গৰুৰ দৰে; বুজনি ল'ব নোখোজা মই-মতীয়া মানুহ )—তোৰ দৰে **অভং-ভতৰাক** কোনে বুজাব ?

**অভাল-ভাল**—( বিপদ্‌-আপদ্‌ )—মোৰ **অভাল-ভালে** তয়ে এই সম্পত্তিৰ অধিকাৰী।

**অভিমন্যুৰ যুদ্ধ**—( ডাঙৰ হাই-কাজিয়া )—ভায়েকহঁতৰ মাজত **অভিমন্যুৰ যুদ্ধ** লাগিছে; মই কথাটো নোকোৱাকৈ গুচি আহিলোঁ।

**অমৰৰ সভা**—(বৃহৎকৈ পতা কোনো অনুষ্ঠান)—তুমিযে কি **অমৰৰ সভাখন** পাতিছা কব নোৱাৰোঁ; ঘৰত সাত সমস্তৰ এক সমস্তও নাই; অথচ মানুহ মাতিছা হাজাৰে হাজাৰে।

**অমাতৰ মাত** ( যাৰ মাত সহজে শুনিবলৈ পোৱা নাযায়, তেনে মাত; গতিকে, বৰ আনন্দদায়ক মাত )—কুলি-কেতেকীৰ মাত **অমাতৰ মাত** বুলি কবিসকলে বৰ্ণাইছে।

**অমায়া সুখ**—( মায়াহীন, নিৰৱচ্ছিন্ন সুখ )—ল'ৰাকাল **অমায়া সুখৰ** কাল।

**অৰভে-দৰভে**—( দূৰে দেশান্তৰে )—দহ বছৰ বয়সৰপৰা তেওঁ **অৰভে-দৰভে** ঘূৰি ফুৰিছে।

**অ'ৰ কুটা ত'ত নথ**—( সামান্য কামো নকৰা, এলেহুৱা )—সি এনে এলেহুৱা যে **অ'ৰ কুটাডালো ত'ত নথয়**।

**অলপতে কলপ কাট্**—( সামান্য কষ্টৰ মাজেৰে বিপদৰপৰা উদ্ধাৰ হ )—দুখ নকৰিবা; **অলপতে কলপ কাটিলা**,—এয়ে ভাল।

**অলপ-ধতুৰা**—( দুৰ্বল শক্তিৰ; কম সাহসৰ )—আমি **অলপ-ধতুৰা** মানুহ; এনে দৃশ্য দেখিলে চুলিৰ আগে-জীউ যায়।

**অলপ পানীৰ মাছ**—( সামান্য শক্তি বা সম্বলৰ মানুহ; নগণ্য লোক )—সি **অলপ-পানীৰ মাছ**; মোৰ লগত কিমান যুঁজিব ?

**অলিয়া-বলিয়া**—( বলিয়াৰ দৰে; বিবেচনাহীন )—এনে **অলিয়া বলিয়াকৈ** খৰচ কৰিলে এই ধনে তোমাৰ কেইদিন যাব ?

**অলো-ভলো**—( অৰ্থহীন ; অসঙ্গত )—তোমাৰ এনে **অলো-ভলো** কথাবোৰ কোনে পতিয়াব ?

**অৰভাৰ ধৰ্**—( কোনো বস্তু বিস্ময়জনকভাৱে প্ৰচুৰ হ )—উজানৰ মাছে **অৰভাৰ ধৰিছে** ; কিমান মাৰিবা ?

**অৰম্বা-মোহোৱা**—( অতি ক্ষীণ ; অতি দুখীয়া )—নৰিয়াই খুন্দি খুন্দি তাক **অৰম্বা-মোহোৱা** কৰিলে।

**অৰম্বা লগা**—( শুকাই-খীণাই যোৱা, জুকলা হোৱা )—আৰ্থিক চিন্তাই তেওঁৰ **অৰম্বা লগালে**।

**অশৌচ লাগ্**—( প্ৰসৱ হ )—যোৱা ৰাতি তিৰোতাজনীৰ **অশৌচ লাগিল** ; এটা ল'ৰা হৈছে।

**অশ্ৰদ্ধাৰ ওকণী**—( ওকণীৰ দৰে ঘৃণাৰ বস্তু )—ছোৱালীজনী **অশ্ৰদ্ধাৰ ওকণী** হৈ আছিল ; বিয়া দি গিৰীহঁতে শান্তি পালে।

**অষ্টম দৰিদ্ৰ**—(নিচেই দুখীয়া)—তাৰ দৰে **অষ্টম দৰিদ্ৰই** ইয়াতকৈ কি বেছি দিব ?

**অলোধৰ টেকেলা**—(টেকেলাৰ দৰে নোসোধা নোপোছাকৈ কাম কৰা মানুহ)—তই নো এনে **অলোধৰ টেকেলাটো** হলি নে, যে মোক নোসোধাকৈয়ে বাঁহটো কাটিলি ?

**অস্থি লগা**—( মৃতকৰ অস্থি গঙ্গাদি তীৰ্থত নিক্ষেপ কৰ্ )—পিতাৰ **অস্থি লগাবলৈ** কাশীলৈ যাম।

**অহম্ দিয়া মাত**—( অভদ্ৰ মাত-কথা ; তই-তোকৰা মাত )—**অহম্ দিয়া মাতবোৰ** এৰিব নোৱাৰ নে ?

**অহিম-কোণা**—( সহজে ঢুকি নোপোৱা আওহতীয়া ঠাই )—গাঁৱত সি যিহে **অহিম-কোণাত** থাকে, তালৈ আপুনি যাব নোৱাৰে।

**অহকাণে পছকাণে**—( অ'ৰ-ত'ৰপৰা ; ঘুৰুক ঘামাককৈ )—এই কথাটো **অহকাণে পছকাণে** মই শুনিছোঁ।

**অহো-বলিয়া**—( বলিয়াৰ দৰে হোঁহোকৈ কথা কৈ ফুৰা মানুহ )—তোৰ দৰে **অহো-বলিয়াক** কেৱে বিশ্বাস নকৰে।

**অহো-বাহ**—( বিবেচনা নকৰাকৈ হোঁহোকৈ কথা কৈ কাজিয়া লগাই ফুৰা মানুহ )—গাঁৱত **অহো-বাহ** বৰ বেছি।

**অহো-হোৱা**—( পেটত কথা ৰাখিব নোৱাৰা ; অল্পভাষী )—গাঁওবুঢ়া বৰ **অহো-হোৱা** মানুহ।

## আ

**আ-অলঙ্কাৰ**—( অলঙ্কাৰ, সাজপাৰ আদি )—**আ-অলঙ্কাৰে** ছোৱালীজনী শহুৰিলৈ গ'ল।

**আইজালে বাইজালে**—( ই-সি ছুতা ক'ৰি )—শাহুৱেকে **আইজালে বাইজালে** বোৱাৰীয়েকক গালি পাৰি থাকে।

**আই ধৰ্ বাই ধৰ্ কৰ্**—( আই মোক ধৰ্, বাই মোক ধৰ্ আদি মাতেৰে ব্যাকুলতা প্ৰকাশ কৰ্ )—জ্বৰৰ কোবত সি **আই ধৰ্ বাই ধৰ্** কৰিছে।

**আই ধৰতকৈ বাই ধৰ চাৰ হ**—( এজনৰ দুখ বা ব্যাকুলতাতকৈ আন এজনৰ দুখ বা ব্যাকুলতা বেছি হ )—নবিয়াক পতি কৰিবলৈ আহি ভেওঁৰ ইমান জ্বৰ উঠিল যে **আই ধৰতকৈ বাই ধৰ চাৰ হ'ল**।

**আই বাই বোল্**—( মৰম লগোৱা মাত-কথাৰে অনুৰোধ কৰ্ )—ছোৱালী কেইজনীক **আই বাই বুলি** মাতি আনিছোঁ।

**আউৰি-কাউৰি ছিগ্**—( ৰৰকৈ খোজ কঢ়া বাবে আঙুলিৰ মূৰ বা গল কাট্ )—ভোক চাৰলৈ **আউৰি-কাউৰি ছিগি** আহিছোঁ।

**আউল আপচু দে**—( নিন্দা বা ঘৃণাৰ ভাৱ প্ৰকাশ কৰ্ )—তোৰ এই কুকৰ্ম দেখি সকলোৱে **আউল আপচু দিব** লাগিছে।

**আউল ধৰ্**—( শৃঙ্খলা নগা ; অবাবক কৰ্ )—ল'ৰাছোৱালীহঁতৰ **আউল ধৰি** থাকোঁতেই যায়।

**আউল ভাঙ্**—( যোঁট ভাঙ্ ; শৃঙ্খলা লগা )—দুয়ো পৰিয়ালৰ মাজৰ পুৰণি কাজিয়াবোৰৰ **আউল ভাঙিছে** যেনেহে মাৰিম পাৰিবা।

**আউল লাগ্**—( যোঁট লাগ্ ; কেবোণ লাগ্ )—কাৰ কথাত কেনেকৈ **আউল লাগিল**, কব নোৱাৰিলোঁ ; সমজুৱাসকল উঠি গ'ল।

**আউলি-জাউলি**—( বিতত ; বিহ্বল )—মাকৰ নবিয়াৰ বাতৰি পাই পুতেকে **আউলি-জাউলি** হৈ আহিছে।

**আউল-বাউল**—( বলিয়াৰ সিচিলা )—ভাত মানুহটোৱে **আউল বাউল** লগাইছে ; কথাৰ গম লৈহে যায় নেথা বুলি জানিলোঁ।

**আওকেৰীয়া কোৱা**—(আপত্তিৰ ভাব প্ৰকাশ কৰ্)—চাকৰটো.য়ে দুদিন-মান কথাই-মতে **আওকেৰীয়া কোৱাইছে।**

**আও-মৰণে মৰ্**—(অস্বাভাৱিক মৰণে মৰ)—সি যেনেহে উকা-দেও, কেতিয়াবা **আও-মৰণে মৰিব।**

**আঁউসীৰ ধাৰ পূৰ্ণিমাত শুজ্**—(সুযোগ বুজি পুৰণি অপকাৰৰ প্ৰতিশোধ ল)—সি চাইহে আছে, চল পালেই **আঁউসীৰ ধাৰ পূৰ্ণিমাত শুজিব।**

**আঁকত পাক লাগ্**—(সামান্য কথা বা কামতে ডাঙৰ দোষ হ)—ইহা-মতাৰ মাজতে কিবে **আঁকত পাকটো লাগিল,**—তেওঁ জলপানো নাখালে, উঠি গুচি গ'ল।

**আঁক মচ্**—(কপালৰ লিখন খণ্ডন কৰ্)—কপালৰ **আঁক মচিবলৈ** সাধ্য কাৰ?

**আঁক মচি এৰ্**—(সকলো সম্পৰ্ক ত্যাগ কৰ)—দুয়োৰে মাজত ইমান অমিল যে গিৰীয়েকে ঘৈণীয়েকক **আঁক মচি এৰিবলৈ** বাধ্য হ'ল।

**আঁ কৰ্**—(বেছিকৈ মুখ মেল্)—চাওঁ, **আঁ কৰাচোন,** ডিঙিত কি লাগিছে চাওঁ।

**আঁকৰীৰে গৃহবাস**—(একেবাৰে নোৱাৰা দিগদাৰি)—এইবোৰ সামাজিক কাম মোৰ পক্ষে **আঁকৰীৰে গৃহবাস** যেন হৈছে।

**আঁকো গজা**—(গজাকোঁহৰ দৰে; ভাল বেয়া নামানি কোনো কামত মন পুতি থকা)—সি যেনে **আঁকো-গজা** ল'ৰা, লগাই দিছা যেতিয়া, লাগি থাকিবই।

**আঁচলত জীউ বান্ধ্**—(বৰকৈ ভয় পা)—জাপানে অসম আক্ৰমণ কৰাত অসমীয়া ৰাইজে **আঁচলত জীউ বান্ধিছিল।**

**আঁচল ধৰি ফুৰ্**—(আনৰ পাছে পাছে ফুৰ্)—'বিহাৰ আঁচল ধৰি পাছে পাছে ফুৰেঁ।'

**আঁচলৰ ধন**—(বিপদৰ সম্বল; অতি আদৰৰ বিষয়)—দুখুনীৰ **আঁচলৰ ধন** একমাত্ৰ ল'ৰাটিকো যমে মাৰি নিলে।

**আচুকাঠৰ তল পা**—(বিশেষ সুযোগ পা; বৰলোকৰ লগত থাকি ইতৰ লোকেও বৰলোকালি কৰিবলৈ চল পা)—ৰাজধানীলৈ গলে দেখিবা, কত লোকে যে **আঁচুকাঠৰ তল পাইছে।**

**অঁাচুকাঠৰ তল পাই শিয়াল পখৰা হ**—(বৰ লোকৰ আশ্ৰয়ত সামান্য লোকেও ৰবগোকালি কৰ্)—সি জানো আগৰ হৰিচৰণ? সি যে **অঁাচুকাঠৰ তল পাই শিয়াল পখৰা হ'ল।**

**অঁাটকাল কৰ্ (ল)**—(গম ল; অনুমান কৰ্)—সি কাৰ কাৰ ঘৰলৈ যায়, অলপ **অঁাটকাল কৰিবা।**

**আঁঠু-কঢ়া-বহুকা**—(আঁঠুও কাঢ়ে, বহেও,—এনে কেঁচুৱা)—তেওঁৰ ল'ৰাটো এতিয়া **আঁঠু-কঢ়া-বহুকা হৈছে।**

**আঁঠু কাঢ়িলে আঠ পোন লাগ**—(সকাম-নিকামত যাই খুলিও কিছু খৰচ হ) বিয়া এটা টকা-সিকা নহলে নো কেনেকৈ হয়—**আঁঠু কাঢ়িলে আঠ পোন লাগে।**

**অঁাঠু কাঢ়িলে আঠ জোখ ভৰণি হ**—'**আঁঠু কাঢ়িলে আঠ পোন লাগ্**' চোৱা।

**অঁাঠু জোৰ্**—(আঁঠু কাঢ়িবলৈ ধৰ)—কেঁচুৱাটোৱে এমাহতে **অঁাঠু জুৰিব।**

**আঁঠুৰ মাজত মূৰ লুমা**—(বৰ বুঢ়া হ)—তেওঁ **অঁাঠুৰ মাজত মূৰ লুমাইছে;** বহি খোৱাত বাহিৰে আন কি কাম কৰিব?

**অঁাঠু ল**—(আঁঠু কাঢ়ি সন্মান জনা)—ৰজাৰ আগত **অঁাঠুলৈ** বাটকৰা জনে কলে।

**আঁঠুৱা ঠাই ঠেং মেল্**—(সবলৰ জোখাৰে কাম কৰ্)—নেতৃত্ব কৰিবলৈ ওলাইছা হয়, **আঁঠুৱা চাইহে ঠেং মেলিবা।**

**আঁঠুৱাৰ তলৰ মহ**—(সম্পূৰ্ণকৈ আনৰ অধীনত থকা)—তিৰোতা এদিন **আঁঠুৱাৰ তলৰ মহ** আছিল, আজি নহয়।

**আঁঠুৱে আঁঠুৱে সাঁতোৰ্**—(বৰ কষ্টত পৰি হাবাথুৰি খাই ফুৰ্)—বাপেক মৰিলত ল'ৰাটোৱে **আঁঠুৱে আঁঠুৱে সাঁতুৰিবলৈ** ধৰিলে।

**আঁত দিলে ফুট**—(আঁত বা দিহা লগাই দিলে কাম কৰাত পাৰ্গত; বৰ চতুৰ)—সেই ছোৱালীজনী মেদেখিছ, কেনে **আঁত দিলে ফুট,**—ছোৱালী এনেহে হব লাগে।

**আঁত মাৰ**—(পৰিপাটিকৈ কৰ)—সি **আঁত মাৰি** কাম কৰিব নাজানে।

**আঁত লগা**—(আউল ভাও)—তোমালোকৰ ঘৰৰা কাজিয়াৰ **আঁত লগাবলৈ** মই অহা নাই।

**আঁৰ কৰ্**—( লুকা ; গোপন কৰ্ )—সমাজৰ আগত মই একো **আঁৰ নকৰাকৈ** কম।

**আঁৰ-কাত্তি মাৰ্**—( কাম কৰিব লাগিব, এই ভয়ত লুকাই ফুৰ্ )—আনবিলাকে পথা-ৰোৱাবাই কৰিছে ; তইহে **আঁৰ কাত্তি মাৰি** ফুৰিছ।

**আঁৰ-কাপোৰ**—( বেৰৰ সলনি ব্যৱহাৰ কৰা ডাঙৰ কাপোৰ )—মহিলাসকলে বহিব পৰাকৈ মাজেদি **আঁৰ-কাপোৰ** এখন দিয়া।

**আঁৰ-হ**—( লুকা ; নেদেখা হ ; মৃত্যু হ )—চকুৰ **আঁৰ হলে** মৃত্যুৱো পাঁৰ।

**আঁৰ-বেৰ**—( আবৰণ ; ঢাকনি )—ঘৰকেইটাৰ চাৰিওকালে অলপ **আঁৰ-বেৰ** কৰি নিদিলে ভিতৰুৱা মানুহে ওলোৱা সোমোৱা কৰিব কেনেকৈ ?

**আঁহ-পাহ**—( শৰীৰৰ শিৰ আৰু তাৰ জোৰা বা গাঁঠি )—তুমি বহুত দিন পাটীত পৰি আছা ; এতিয়া থিয়-দণ্ডা দিলেহে শৰীৰৰ **আঁহ-পাহ** মুকলি হব।

**আঁহ ফাল্**—( গৃহস্থালিৰ প্ৰতিজনৰ স্বকীয় স্বাৰ্থ—এনে ভাৱে সুমাই দি, পৰিয়াল বা বন্ধুবৰ্গৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰ্ )—গৃহস্থালিৰ **আঁহ ফলাত** বুঢ়াৰ দৰে পাৰ্গত কোনো নাই।

**আঁহ ল**—( কোনো বিষয়ৰ গুং-সূত্ৰ বা উমান ল )—তেওঁৰ নৰিয়া স'চা নে মিছা, **আঁহ লবাচোন**।

**আকালো নোহোৱা ভৰালো নোহোৱা**—( লগাখিনি মাথোন থকা )—তেওঁৰ **আকালো নাই, ভঁৰালো নাই** ; কোনোমতে পেটে ভাতে খাই আছে।

**আকলি-বাকলি**—( অসাৰ বা অমূলক বস্তু বা বিষয় )—তোমাৰ এই **আকলি-বাকলিবোৰত** সময় কটাবলৈ মই অহা নাই।

**আকাল-চৰ**—( অকলশৰীয়া, সহায় সাৰথি নোহোৱা )—সি **আকাল-চৰ** প্ৰাণী, ইফালে চালে সিফালে চাওঁতা নাই।

**আকাশ তেলীয়া**—( ডাংকোপ মাৰি ফুৰা )—**আকাশ-তেলীয়া** মানুহৰ কোনো সঁজাত নাই।

**আকাশত চাং পাত্**—( সবল নহলেও ডাঙৰ আকাঙ্ক্ষা কৰ্ )—কাম-বন নকৰাকৈ **আকাশত চাং পাতি** থাকিলেই তোৰ ভাত মিলিব নে ?

**আকাশত তোল্**—( অতিৰিক্ত প্ৰশংসাৰে ডাঙৰ পাত )—তোমালোকে মোক **আকাশত তুলিবলৈ** বিচাৰিছা হয়; এহেজাৰ টকা বৰঙণি দিবলৈ মোৰ সবল নাই।

**আকাশ-বন্তি**—( কাতি মাহত ওখকৈ বাঁহ পুতি লগোৱা চাকি )—কাতি-গছাৰ দিনৰপৰাই **আকাশ-বন্তি** জ্বলাব লাগে।

**আকাশৰ তৰা বিচাৰ্**—( অসম্ভৱ আশা কৰ্ )—**আকাশৰ তৰা বিচাৰি** কি হ'ব ? যিটো সাধ্য, তাকে কৰা।

**আকাশ-কুসুম কল্পনা কৰ্**—( অসম্ভৱ বা অবাস্তৱ কথা চিন্তা কৰ্ )—**আকাশ কুসুম কল্পনা কৰি** লাভ কি ? নিজৰ সাধ্যমতেহে কাম কৰিব লাগে।

**আকাশ পাতাল ভাব্**—( নানা কথা চিন্তা কৰ্ )—তেওঁ **আকাশ-পাতাল ভাবিয়েই** সময় কটায় ; কাম কৰিব কেতিয়া ?

**আধা ইল্লাই চক**—( পৰস্পৰ মিল বা যোগ্য হ )—কইনা বোৱা দুলিৰ লোৰাবি ; **আধা ইল্লাই চক**।

**আধা-উধান পাত্**—( একে ঠাইত গোটাই নথৈ অ'ত কেইটামান, ত'ত কেইটামান, এনেকৈ বস্তু-বাহানি সজাই থ )—কঠালবোৰ চুকত গোটাই নথৈ গোটেই মজিয়াতে দেখোন **আধা উধান পাতিছা**।

**আথৈ তোল্**—( বিয়াত কইনাৰ ভায়েক বা আন সম্পৰ্কীয় মানুহে শাস্ত্ৰমতে কইনাৰ দুয়ো হাতত আথৈ দে )—**আথৈ তুলিবলৈ** কইনাৰ ভায়েকক লৈ আহা।

**আথৈ ফুটা দে**—( টপ্‌টপ্‌কৈ কথা ওলা )—ল'ৰাটো দেখিছাহে সৰু, কথা **আথৈ ফুটা দিয়ে**।

**আথৈ ফুল ছিটিকা দে**—( চকৰপৰা আথৈ ছিটিকাৰ দৰে ছিটিক্ )—খঙত তেওঁ **আথৈ ফুল ছিটিকা দিবলৈ** ধৰিলে।

**আগ আন্**—( ধান পকিলে শুভদিনত প্ৰথমে কেইগছমান কাটি ঘৰ চপা )—আমাৰ আজি ধানৰ **আগ আনিম** ; সেই দেখি স্কুললৈ নাযাওঁ।

**আগ কৰ্**—( ১। হাঁজিৰ কৰ্। ২। দেৱতা, ভকত আদিলৈ দিবলৈ সংকল্প কৰ্ )—১। জন্তুবোৰে শহাটোক সিংহলৈ **আগ কৰিলে**। ২। গৃহস্থই কামাখ্যালৈ পঠা এটা **আগ কৰিছে**।

**আগ চকু**—(চকুৰ আগ)—**আগ চকুৰপৰা** আঁতৰিলেই গাইজনীয়ে দামুৰিটোলৈ উজাৰল দিয়ে।

**আগ চকুৰ কণ্টক**—( যাক দেখিলেই বিৰক্ত হোৱা যায় )—মই যদি **আগ চকুৰ কণ্টক** হৈছোঁ, মযে আঁতৰি যাওঁ।

**আগ চাউল দি**—( বিধিমতে বিয়া নকৰোৱাকৈ মুনিহ-তিৰোতাক স্বামী-ভাৰ্যাৰূপে সম্বন্ধ লগা; মুখ-চন্দ্ৰনী দি )—দৰা-কইনাক **আগ চাউল দিবলৈ** বামুণ এজন মাতা।

**আগ চাপিলে**—( মুখৰ আগতে; মুখামুখিকৈ )—মই তাৰ কুকাৰ্যৰ কথা **আগ চাপিলে** কৈ দিছোঁ।

**আগ চালি**—( ঘৰৰ সমুখৰ ফালৰ সৰু চাল বা বাৰান্দা )—ল'ৰাটো **আগ-চালিত** বহি আছে।

**আগ চালে পাছ চাওঁতা নোহোৱা**—( আশ্ৰয় নথকা; অকলশৰীয়া )—তুমি **আগ চালে পাছ চাওঁতা নোহোৱা** মানুহ। দেশৰ কাম কৰিবা কেনেকৈ ?

**আগত খুৰা খুৰা, পাছত মালী বুঢ়া**—( আগত সম্মান দেখুৱাই পাছত তাচ্ছিল্য কৰ্ ) সিহঁতৰ নো কি ? **আগত খুৰা খুৰা, পাছত মালী বুঢ়া**; সিহঁতক বিশ্বাস নকৰিবা।

**আগত গজহস্তী, পাছত মাৰখাৰৈ**—( উভয় সঙ্কট )—মই এতিয়া কৰোঁ কি ? **আগত গজহস্তী, পাছত মাৰখাৰৈ**; কথাটো কলেও বিপদ্, নকলেও বিপদ্।

**আগ দি**—( বিয়াৰ শেষত দৰা-কইনাক সম্ভাষি আন্ )—তিৰোতাসকলে দৰা-কইনাক **আগ দিব** লাগিছে।

**আগ-ধন**—( কোনো বস্তু লবলৈ আগেয়ে দিয়া ধন )—আপোনাৰ চোলাটোৰ বাবে দৰ্জিয়ে পাঁচ টকা **আগ-ধন** বিচাৰিছে।

**আগনি খাৰণী**—( পহিলতে সৰা খাৰৰ দৰে; বৰ চোকা মুখৰ )—তাই বৰ **আগনি-খাৰণী**; কাৰো মুখ নাচায়।

**আগ-পাছ**—( কোনো কথা বা কামৰ ভাল বেয়া আদি সকলো ফাল )—**আগ-পাছ** নাভাবি চোৰ ধৰিবলৈ যাওঁতে নিজেই চুৰত পৰিল।

**আগ-পাছ গুণ্**—( কোনো কথা বা কামৰ ভাল বেয়া আদি সকলো ফাল লক্ষ্য কৰ্ )—**আগ পাছ গুণি** কাম কৰিলে সহজে বিপদ্ নহয়।

**আগ বঢ়াই আন্**—( আদৰি আন্ )—বক্তা ডাঙৰীয়াক **আগ বঢ়াই** আনিবলৈ মই যাম।

**আগ-বলী**—( আগৰ ফালে শকত )—হালোৱা গৰু **আগ-বলী** হব লাগে।

**আগ-বিয়া**—( শাস্ত্ৰমতে তিনিটা বিয়াৰ প্ৰথমবটো )—ন-বছৰ বয়সতে হোৱাজনীৰ **আগ-বিয়া** হৈছে।

**আগ-ভাগ**—( শ্ৰেষ্ঠ ভাগ ; মান ভাগ ; সকলো দায়িত্ব )—এই কথাৰ ফলাফলৰ **আগ-ভাগ** আপোনাৰ।

**আগ-ভাত**—( মৃতকৰ উদ্দেশ্যে সুকীয়াকৈ বা আগেয়ে বঢ়া ভাত )—'অমুকৰ **আগ ভাত** খাওঁ।' (গালি)

**আগ-ভাত খা**—( ভোজ-ভাত খাওঁতে সম-পহিলতে গৰাহ মাৰ্ )—**আগ-ভাত খোৱা** বাবে বুঢ়াজনে এখন পীৰা আৰু এখন কাপোৰ পাইছে।

**আগ-ভাৰ দে**—( কইনাৰ ঘৰলৈ জোৰোণৰ বাবে আ-অলঙ্কাৰে ভাৰ পঠা )—বিয়াৰ আগদিনাখন **আগ-ভাৰ দিয়া** হৈছিল।

**আগ ভেট্**—( বাট আগচি ধৰ্ )—আমাৰ সৈন্যই শত্ৰুক **আগ ভেটিলে**।

**আগ-মঙহ**—( কলিজা ; অতি মৰমৰ বিষয় )—কৃপণে ফুটা কড়ি এটাকো বুকুৰ **আগ মঙহ** যেন দেখে।

**আগম-পুৰাম নোচোৱাকৈ**—( ফলাফল বিবেচনা নকৰাকৈ )- **আগম-পুৰাম নোচোৱাকৈ** সি ডাক চৰ এটা মাৰিলে।

**আগ মুৰা বাঁহ যেন হ**—( আগ নোহোৱা বাঁহৰ নিচিনা দুৰ্বল হ )—সংসাৰৰ লেঠাই তাক জুকলা কৰাত সি **আগ-মুৰা বাঁহ যেন হৈছে**।

**আগ-যোগ কৰ**—( কোনো কাম কৰিবলৈ যো-যা কৰ্ )—তুমি দেখোন এতিয়াও বাৰুনৰ **আগ-যোগ কৰাই** নাই।

**আগৰ গৰু বাঘে খা**—( আগত পৰে বিপদ হয়েই )—নেতৃত্ব কৰি চোৰ ধৰিবলৈ যাওঁতে, **আগৰ গৰু বাঘে খায়** বুলি জনা উচিত আছিল।

**আগ-বগুৱা**—( অগ্ৰগণ্য )—শিক্ষিত অসমীয়া ডেকাই চাকৰি নকৰি ব্যৱসায় কৰাত জগন্নাথ বৰুৱা **আগ-বগুৱা** আছিল।

**আগ ল**—'আগ দে' চোৱা।

**আগ হাত**—( ১। সোঁ হাত। ২। প্ৰধান সহায় )—১। তোমাৰ **আগ হাতত** কি? ২। এই কথাত তুমি মোৰ **আগ হাত**।

**আগ হ**—( ১। আগেয়ে যা। ২। শ্ৰেষ্ঠ হ। ৩। উপস্থিত হ)—১। মই **আগ**

হওঁ, তুমি পাছত আহা। ২। তেওঁ এই কামত আগ হৈছে। ৩। শহা দাহে জাহে সিংহৰ আগ হ'ল।

**আগ-হালৰ হালোৱা**—(সকলো ভাৰৰ দায়িত্ব লবলৈ আগেয়ে যাক বিচৰা যায়)—সমাজত সদায় **আগ-হালৰ হালোৱা** হৈ সকলো কাম তেওঁ নিয়াৰিকৈ কৰে।'

**আগা-আগি কৰ্**—(মুখামুখিকৈ আলোচনা কৰি সত্যতা প্ৰমাণ কৰ্)—সি এনেকৈ কোৱাটো চয়; লাগে তাক মাতি আনিবা; **আগা-আগি কৰিম**।

**আগা-আগিকৈ**—(মুখামুখিকৈ)—তুমি তাৰ **আগা-আগিকৈ** এই কথা নোকোৱা কিয়?

**আগা-ভেৰা**—(এটা আগ যটা, আনটো পাছ পৰা; সমানে নোযোৱা)—**আগা-ভেৰা** হৈ যোৱাতকৈ সমানে যোৱাহে ভাল।

**আগাৰি যা**—(অতি প্ৰচুৰ হ)—সবাহৰ বস্তু-বাহানি **আগাৰি গৈছে**।

**আখিনি-বিখিনি টুটা**—(অমঙ্গলসূচক কথা ক)—ল'ৰাটোক কোলাত লৈ **আখিনি-বিখিনি টুটোৱা** কথাবোৰ নকবা।

**আঙঠি পিন্ধা**—(ছোৱালীক অলঙ্কাৰ পিন্ধাই বিয়াৰ ঠিক কৰ্)—মণিৰামৰ ছোৱালীজনীক আজি শ্ৰীকান্তলৈ **আঙঠি পিন্ধোৱা** হ'ল।

**আঙুলিৰ মূৰত দিন লেখ্**—(অধৈৰ্য হৈ বাট চা)—তোমাৰ বিয়ালৈ **আঙুলিৰ মূৰত দিন লেখি** আছোঁ।

**আঙুলিৰ পাৰত দিন গণ্**—'আঙুলিৰ পাৰত দিন লেখ্' চোৱা।

**আঙুলিৰ মূৰত লেখিব পৰা**—(অতি কম সংখ্যক)—দোমাহিলৈ দিন **আঙুলিৰ মূৰত লেখিব পৰা** হৈছে।

**আচাৰ পা**—(তিৰোতা ঋতুমতী হ)—ছোৱালীজনীয়ে যোৱা তিনি মাহ **আচাৰ পোৱা** নাই; জৰৰ দৰৱ চাই চিতি দিব।

**আছোক ছাৰি**—(থকাক এৰি; হওক ছাৰি)—আম আনক দিয়া **আছোক ছাৰি** আমাৰে নাই।

**আজ্ মাৰ্**—(খুঁত নথকাকৈ কাম কৰ্)—কাম কৰিলে **আজ মাৰি** কৰিবা; নকৰিলে নাই।

**আজল-মঠ**—(জানিও নজনাৰ ভাও জোৰা)—**আজল মঠ** হৈ থাকিলে কি হব? আচল কথাটো কৈ দিয়া।

**আজল-তেহীয়া**—( আজল-মঠ ; জধা কথাকো নজনাৰ ভাও ধৰি, তাকে হুধি বিদ্রূপ কৰা )—**আজল-তেহীয়াৰ** দৰে সি মণিৰামৰ আচল কথাবোৰ তাৰ নিজৰ মুখেদিয়েই প্ৰকাশ কৰালে। 'অজল-তেহীয়া' চোৱাঁ।

**আজা চাকি জ্বল্**—( ক'তো খিতাপি হৈ নাথাকি ইফালে চাকি দিয়া সি ফালে চাকি দিয়াকে ধৰি থাক্)—তুমি বধা চাকৰটো থাকিব জানো ? সি **আজা চাকি জ্বলে।**

**আজাৰ মাছ-ধৰি খাব নজনা**—( নিচেই অজলা )—সি যেনেহে **আজাৰ মাছ ধৰি খাব নজনা** মানুহ, এনে পাকত পৰিলে বিপদ্ হব।

**আটক-ধুনীয়া**—( অসাধাৰণ ধুনীয়া )—হাজাৰ-বিজাৰ লোকক এই **আটক-ধুনীয়া** হে ষালীজনীয়ে মুগ্ধ কৰিলে।

**আটম-টোকাৰি**—( ১। অলপ ধন বা বস্তুৰেই চাকি টুকি কাম কৰা। ২। হুৰ্যুখল)—
১। নিচেই সামান্য উপাৰ্জনেৰেই তেওঁ **আটম-টোকাৰিকৈ** গৃহস্থালিখন চলাইছে।
২। বুঢ়াৰ আটম-টোকাৰি কামবোৰ কি চাবা !

**আটল-কটা**—( আটল কাটি বা ভাঙি বয়-বস্তু উলিয়াই অনা প্ৰকৃতিৰ ; বৰ দুষ্ট )—সেই **আটল-কটা** ল'ৰাটোৱে ঘৰ-ৰবোৰাহক জ্বলাই থাকে।

**আঠকুৰীয়া ভাঙ্**—( পুত্ৰকন্যাৰ বিবাহাদিৰে পিতৃমাতৃৰ পক্ষে শাস্ত্ৰীয় কৰ্ত্তব্য সম্পাদন কৰ্)—পুতেকে বিয়া কৰালে হয়, কিন্তু পিতাক-মাকে **আঠকুৰীয়া ভাঙিবলৈ** নাপালে।

**আঠ-পৰীয়া**—( দেৱালয়ত প্ৰতিপ্ৰহৰে নিৰ্দিষ্ট কৰ্ত্তব্য কৰাত নিযুক্ত সেৱক )—হাজোৰ দেৱালয়ৰ **আঠ-পৰীয়া** কেবাঘৰো আছে।

**আঠ-মঙ্গলা**—( বিয়াৰ আঠদিনৰ দিনাখন জোঁৱায়েকে শহুৰেকৰ ঘৰত কৰা ভোজনাদি মাঙ্গলিক কাৰ্য )—আজি তেওঁৰ বিয়াৰ আঠ দিন হ'ল ; **আঠ-মঙ্গলালৈ** শহুৰেকৰ ঘৰলৈ যাব।

**আঠা মচ্**—( পুনৰ বন্ধুত্ব স্থাপনৰ চেষ্টা কৰ্ )—তই ইমানখিনি কৰি এতিয়া **আঠা মচিবলৈ** নাহিবি।

**আঠা বান্ধি ক**—( মুখত বন্ধুতাৰ বান্ধি, মনৰ আপত্তি ভাঙি নক )—টকা-পইচাৰ কথা ; ইয়াত মুখত **আঠা বান্ধি** কথা নকবা।

**আঠে-পঘে**—( আঠ দিনে পোন্ধৰ দিনে ; মাজে মাজে )—সদায় নোৱাৰিলেও **আঠে-পঘে** আহিবাচোন।

**আঢৈ আঙুলীয়া বিধৰী**—(অতি সৰু জোখৰ আৰু মোটা বোৱনৰ)—তোৰ যে এই **আঢৈ আঙুলীয়া বিধৰীখন** বই উলিয়াওঁতে কিমান দিন লাগে?

**আতং-বিতংকৈ**—(ৰবকৈ ভয় পাই চিঞৰি)—সাপটো দেখি সকলোৰে **আতং-বিতংকৈ** উঠিল।

**আতলি-পুতলিকৈ**—(বৰ মৰমেৰে)—ল'ৰাটোক **আতলি-পুতলিকৈ** বুঢ়ীমাকে ৰাখিলে।

**আতুৰ-বিতুৰকৈ**—(আতুৰ মানুহৰ দৰে বৰ বেগাবেগি কৰি)—শিক্ষক দেখি ল'ৰাটো **আতুৰ-বিতুৰকৈ** চকীখনৰপৰা উঠিল।

**আতোল-তোল**—(অতিশয় মৰম দেখুৱা ভাব)—এনে **আতোল-তোল** কৰিলে ল'ৰা নষ্ট হয়; লাই পাই মূৰত উঠে।

**আতো-পুতো**—(পুত্ৰবৎ কৰা স্নেহ)—ল'ৰাটো কোলাত লৈ বুঢ়ীয়ে **আতো-পুতো** কৰিবলৈ ধৰিলে।

**আত্মঘাত কৰ্**—(মৰিবলৈ ওলোৱা মানুহৰ দৰে উত্ৰাৱল হ)—এই দোভাগ নিশা এনে **আত্মঘাত কৰি** যাব নালাগে; ৰাতি চাৰিডাঁৰ পুৱালে যাবা।

**আত্মজাহ দে**—(অতিশয় টান কাম কৰ্)—সি টকাৰ বাবে **আত্মজাহ দিব** পাৰে।

**আত্ম-পৰ কৰ্**—(কাকো আপোন আৰু কাকো পৰ ভাব দেখুৱা)—মানুহক **আত্ম-পৰ** কৰা উচিত নহয়, সকলোকে সমান দেখিব লাগে।

**আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ ল**—(সামান্য লোকে ডাঙৰ কথা আলোচনা কৰ্)—ভাইহঁত, আমি **আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ লৈ** কি হব? মন্ত্ৰী যেয়ে নহওক, আমাৰ হাল নিয়াৰ বেলি হ'ল।

**আধ বা টাঙোন**—(বংশৰ আৰবিলাক মৰি-হাজি বাকী থকা মানুহ)—তেওঁ **আধ্‌বা টাঙোন** হৈ চৌধুৰী বংশৰ চিনাকি দি আছে।

**আধা-কটা**—(নিলাজ, দুষ্ট)—তোৰ দৰে **আধা-কটা** ল'ৰা দেখা নাই।

**আধা-খবলীয়া**—(খুঁত থকা; অসম্পূৰ্ণ)—তোৰ এই **আধা-খবলীয়া** কামবোৰ দেখি মোৰ খং উঠে।

**আধা-নাক-কটা**—(অসম্পূৰ্ণ, গতিকে নিন্দাৰ যোগ্য)—বুঢ়ীৰ কাপোৰখন মুঠে এতোলা সূতাৰ অভাৱত **আধা-নাক-কটা** হৈ পৰি আছে।

**আধাৰ-নৰকীয়া**—(আহাৰৰ অভাৱত খীণাই যোৱা)—পাৰবোৰ **আধাৰ-নৰকীয়া** হোৱা বাবেহে কত লীয়া হৈছে, নকস্কমীয়া হোৱা নাই।

**আখিয়া কমা**—(পৰৰ ঘৰত কাম কৰি পেট প্ৰৱৰ্তা)—বিধৱাজনীয়ে পৰৰ **আখিয়া কমাইহে** পেটৰ ভাত মোকোলায়।

**আধ্যা পৰ্ (চুকা)**—(সৰ্বনাশ উপস্থিত হ)—তুমি যদি এইখিনি নকৰা, মোৰ কালে **আধ্যা পৰিব**।

**আনৰ ধন বানে খা**—(অসৎ উপায়ে অৰ্জা ধন আপুনি নাশ হ)—তাইক বঞ্চনা কৰি টকাৰ কলহ পুতি থৈছিলা; **আনৰ ধন বানে খায়**; তুমিও তাক নাপালা।

**আনে-বানে**—(নানা কালেদি)—তেওঁৰ সম্পত্তি **আনে-বানে** গ'ল।

**আন্ধাৰ-ছটীয়া**—(সামান্য আন্ধাৰ থকা সময়)—**আন্ধাৰ-ছটীয়াত** চুপি থাকি ডকাইতে তাক লুটিলে।

**আন্ধাৰে-পোহৰে**—(সামান্য আন্ধাৰ থাকোঁতে; ৰাতি পুৱাওঁ পুৱাওঁ হওঁতে)—মই পুৱা আৰু নাহোঁ; **আন্ধাৰে-পোহৰে** যামগৈ।

**আন্ধাৰ-মুৱা হ**—(বিমৰ্ষ হ, মলিন-মুখ হ)—**আন্ধাৰ-মুৱা** হৈ অহা দেখিয়েই বুজিছিলোঁ যে তাৰ কিবা বিপদ্ হৈছিল।

**আপটৰ পট**—(প্ৰকৃততে মূল্যহীন হলেও, নোপোৱা মানুহে পাই ভাল পোৱা বস্তু)—সৌৱা **আপটৰ পট** দৰবৰ টেমাটো তয়ে নে, মোক নালাগে।

**আপদ্ কালত ঔৰে গল খজুৱা**—(যি কেতিয়াও অপকাৰী নহয়, সিও বিপদৰ সময়ত অপকাৰী হ)—**আপদ্ কালত ঔৰেও গল খজুৱায়**; তোমাৰ পৰম মিত্ৰই শত্ৰুপক্ষ লোৱাত আচৰিত হৈছা কিয়?

**আপদ্ সোঁচৰ্**—(অশুভ কথা চিন্তা কৰ্)—মই একালনৈ যাবলৈ ওলাওঁতেই তই এইবোৰ কথা কৈ **আপদ্ সুঁচৰিছ** কিয়?

**আপুনি নওঠা হৈ জগতক বৰ দি**—(নিজে শোচনীয় অৱস্থাত পৰিও আনৰ উপকাৰ কৰ্)—গোসাঁইদেৱে **আপুনি নওঠা হৈও জগতক বৰ দি** ফুৰিছিল।

**আপুনি মৰি পৰক জীয়া**—(নিজৰ জীৱন দিও আনৰ উপকাৰ কৰ্)—তেওঁৰ দৰে, **আপুনি মৰিও পৰক জীয়াবলৈ** যোৱা মানুহ কেইজন?

**আপোন-মাৰা**—(আত্মনিৰ্ভৰশীল; পৰৰ মুখাপেক্ষী নোহোৱা)—তেওঁ বৰ **আপোন-মাৰা** মানুহ; সেই দেখি বহুতে তেওঁক ভাল নাপায়।

**আপোন-পেটা**—(স্বাৰ্থপৰ)—তোৰ দৰে **আপোন-পেটা** মানুহে আনৰ কথা ভাবিব কেনেকৈ?

**আপোন-যশী**—( নিজৰ যশস্যা গাই ফুৰা )—**আপোন-যশী** মানুহক কেৱে ভাল নাপায়।

**আপোন ভোলা**—( ভোলানাথ প্ৰকৃতিৰ ; বাহিৰে যেনে ভিতৰিও তেনে )—দেৱেনক অবিশ্বাস কৰিব লগীয়া একো নাই ; তাৰ নিচিনা **আপোন-ভোলা** মানুহ বৰ কমেইহে আছে।

**আপোনাৰ সুতাৰে আপুনি বন্ধ হ**—( নিজে নিজে বন্দ হ )—সেই কথাটো কৈ **আপোনাৰ সুতাৰে আপুনি বন্ধ হৈছা** ; এতিয়া আনক দুষিলে কি হব ?

**আকুৰা কথা**—( নিচেই মূল্যহীন কথা )—এনেবোৰ **আকুৰা কথা** কৈ কি লাভ ?

**আবতৰীয়া বেঙেমাই মোক ভোল ভোল কৰ্**—( অযোগ্য মানুহেও নিজক বখানি ফুৰ্ )—তোমাৰ আত্মপ্ৰশংসা **আবতৰীয়া বেঙেমাই মোক ভোল ভোল কৰা** যেন হৈছে।

**আবৰি-বিবৰি**—( লাগ-বান্ধ নোহোৱা, অৰ্থহীন কথা ; প্ৰলাপ )—**আবৰি-বিবৰি** এৰি এতিয়া আচল কথালৈ আহা।

**আবহঁতৰ-বহঁত**—( আবতৰত হোৱা বস্তু ; আপুৰুগীয়া বস্তু )—জেঠমহীয়া লাও, সেয়ে আমাৰ মানত **আবহঁতৰ-বহঁত**।

**আবুৰ-হুৰ্মত**—( মান-ইজ্জত )—ন-বোৱাৰীয়ে **আবুৰ-হুৰ্মত** ৰাখি চলিব লাগে।

**আভঁজনি কৰ্**—( অবাবত নষ্ট কৰ্ )—মিঠাইবোৰ খাব নোৱাৰা যদি, **আভঁজনি কৰি** নেপেলাবা।

**আম্ভুৰা ভাঁৰ্**—( নজনা মানুহক বেয়া বস্তু আদিৰে ঠগা )—চাকৰটোক পুৰণি চোলা এটা দি পিন্ধাইতে তাক **আম্ভুৰা ভাঁৰিলে**।

**আভোকৰ মমুঠিয়েই জোৰ্**—( বাহিৰত নিস্পৃহাৰ কথা কৈ অন্তৰত অতিশয় স্পৃহাৰ পৰিচয় দি )—সি অকলশৰীয়া মানুহ, ইমান মাছ মাৰিছে কিয় ? **আভোকৰ মমুঠিয়েই জোৰে** বুলি নাজানা জানো ?

**আম-টুকুৰা ওলা**—( শুকাই খীণাই হাড়-ছাল ওলা )—জ্বৰৰপৰা উঠাৰ পিছত মানুহজনৰ **আম-টুকুৰা ওলাইছে**।

**আমঠু ক'লা পৰ্**—( বৰ শোক পা )—তোমাৰ পুত্ৰ বিয়োগত মোৰ **আমঠু ক'লা পৰিছে**।

**আমতা-আমতি কৰ্**—( কোনো অনুচিত কামত ধৰা পৰি, বা উত্তৰ দিব নোৱাৰি সেমেনা-সেমেনি লগা )—ল'ৰাটোক ঘৰৰ ভিতৰৰপৰা ওলাই অহা দেখিলোঁ; কিন্তু সোমাইছিল, সোধাত সি আমতা-আমতি কৰিবলৈ ধৰিলে।

**আমা-ভিমা**—( কুমলীয়া, নিচেই সৰু )—ল'ৰাছটিক **আমা-ভিমা** অৱস্থাত মাক-বাপেকে এৰি গ'ল।

**আমো নহা কমুটিও নহা**—( সকামো নোহোৱা, সকাম কৰিবলৈ পঠোৱা মানুহ আদিও উভতি নহা )—মাছ আনিবলৈ ল'ৰাটো পঠালোঁ; **আমো নাহিল, কমুটিও নাহিল।**

**আয়-দায় নোহোৱা**—( কোনো দায়িত্ব বা জঞ্জাল নোহোৱা )—তেওঁ বৰ সুখী মানুহ; এনে **আয়-দায় নোহোৱা** মানুহ কেইজন?

**আয়ু-চাউল**—( আয়ুস )—তেওঁ ভালকৈ বুজিছিল যে তেওঁৰ **আয়ু-চাউল** টুট আহিছে।

**আয়ুৰ-লগত বায়ু সহায় হ**—( এটা প্ৰধান সবলৰ লগত আন এটা সবল যোগ হ )—স্কুলৰ উন্নতি-পথত লোকেল বোৰ্ডৰ এই দান **আয়ুৰ লগত বায়ু সহায় হোৱা** যেন হৈছে।

**আয়ুসত চাউল থাক্**—( আয়ুস থাক্ )—মৰোঁ মৰোঁ হৈও যেনেকৈ সাৰিলোঁ, **আয়ুসত চাউল থকা** যেনহে পাইছোঁ।

**আৰৈ-উখোৱাৰ গোন্ধ নাপা**—( একো সজেন বা ভু নাপা )—**আৰৈ-উখোৱাৰ গোন্ধ নোপোৱা** মানুহে এইবোৰ কথা কেনেকৈ বুজিব?

**আৰৈতকৈ উখোৱাৰ খচ্‌খচনি টান ( বা চাৰ ) হ**—( যি মানুহে বেছিকৈ খচ্‌খচাব বা নেৰা-নেপেৰাকৈ ধৰিব লাগে, সেই মানুহে তেনে নকৰি, আনে কৰ্ )—যাৰ বিপদ্, তেওঁৰ দেখা দেখিয়েই নাই; তুমিহে বাট কুৰি বাৰ লাগিছা; **আৰৈতকৈ উখোৱাৰ খচ্‌খচনিহে টান হৈছে।**

**আৰু ছুবা পো-মাৰা**—( ছুবা গৈ পো-মাৰা পৰীত পৰিল—কোনো উপায় নথকা )—**আৰু ছুবা পো-মাৰা**; তাৰ হাতত টকা পৰিছে যেতিয়া, মূলো নোপোৱা, মূলবো টনাটনি।

**আলধ ফুওৱাৰ পতীয়াকৈ**—( দুকপৰা দুই ফুওৱাৰ দৰে )—তেওঁৰ লগত মোৰ ভাল ভাব নাই; **আলধ ফুওৱাৰ পতীয়াকৈহে** মোক মাতে।

**আলগ-মতা**—(ওপৰ-মতা; অনধিকাৰ চৰ্চা কৰা মানুহ)—এই ল'ৰাটো বৰ **আলগ-মতা**। যি কোনো কথাতে মাত দিয়ে। **আলগ-মতাৰ** বাটত ঘৰ, আহোঁতে লাথি, যাওঁতে চৰ।

**আল ধৰ্**—(সেৱা-শুশ্ৰূষা কৰ্)—মকৰা ডাঙৰীয়াক **আল ধৰিবলৈ** বিশ্বাসী ল'ৰা এটা লাগে। মহন্ত ডাঙৰীয়াৰ **আল-ধৰাটোক** মাতি আনা।

**আল-লগা বামুণ**—(গোটীৰ ঠিক নোহোৱা বামুণ)—**আল-লগা বামুণ** আমাৰ দেশত বহুতো আছে।

**আলাই জাবৰী**—(একোকে নজনা, নিচেই আজলী তিৰোতা)—এওঁ বৰ **আলাই জাবৰী** বুঢ়ী; যি কোৱা, তাতে হুকাৰ ধৰে।

**আলাসত উঠ্**—(দুখকষ্ট নোপোৱাকৈ ডাঙৰ হ)—ওপজাৰেপৰা **আলাসত উঠি** আজি কঠোৰ বাস্তৱতাত টান পাইছোঁ।

**আলাসৰ লাক**—(অতি আদৰৰ মানুহ বা বস্তু)—**আলাসৰ লাক** সেই ল'ৰাটো কত?

**আলি আজাৰি লাগ্**—(১। দিনতে বাট নেদেখা হ; ২। কামৰ ভিতৰত তৎ নোপোৱা হ)—১। পথাৰৰ মাজত **আলি আজাৰি লাগি** ঘূৰি ঘূৰি একে ঠাইলৈ আহিছিলোঁ। ২। ইমানবোৰ কাম কেনেকৈ চম্ভালিম? **আলি আজাৰি লগা** যেন হৈছে।

**আলিবাটত চাকি ধৰ্**—(ধুনীয়াকৈ সাজি কাচি প্ৰকাশ্য ঠাইত গা দেখুৱাই ফুৰ্)—গধূলি পৰত ডেকাজনে **আলিবাটত চাকি ধৰি** ফুৰিছিল।

**আলিয়ম তোল্**—(জঞ্জাল মাৰ্; যোগাড় ধৰ্—পুৱাৰপৰা ল'ৰাহোৱালী কেইটাৰ **আলিয়ম তুলিয়েই** শেষ কৰিব নোৱাৰি। তেওঁ কোনো কামত ধৰিলে **আলিয়ম তুলিবলৈ** এজন সাজু হৈ থাকিবাই।

**আলিৰ-ভাই-পালি**—(হাত ধৰা কাম)—তেওঁ বৰ বিবাগন; **আলিৰ-ভাই-পালি** কৰিবলৈও কোনো নাই।

**আলু উঠ্**—(সমূলে ধ্বংস হ)—তই বিমান জঁপিয়াব লাগিছ, সোনকালে তোৰ **আলু উঠিব**।

**আলু তোল্**—(তেৰেট উঠা; নিৰ্মূল কৰ্)—মকবোৰৰ **আলু তুলিলেহে** মাৰিব পাৰিবা। চৰকাৰে সেই বিদ্ৰোহীবিলাকৰ **আলু তুলিলে**।

**আমুৰে পোখাই উভাল্**—( সমূলে ধ্বংস কৰ্ )—শত্ৰুৱে নিৰ্মমভাৱে ৰাজবংশৰ **আমুৰে পোখাই উভালিলে**।

**আলেকৰ পালেক**–( কোনো সম্বন্ধ নথকা মানুহ—নিন্দার্থত )—তেওঁ কোন? তেওঁ আমাৰ বৈণীৰ **আলেকৰ পালেক**।

**আলেখ-লেখ**–( ৰেহৰূপ; গতিগোত্ৰ )—তোৰ **আলেখ লেখ** চাইহে আছোঁ। চোৰাং চোৱাই তোমাৰ **আলেখ-লেখ** চাই ফুৰিছে।

**আলেঙত তুলি থ**—( চুকি নোপোৱা ঠাইত থৈ তাৰ প্ৰতি অমনোযোগিতা প্ৰকাশ কৰ্ )—পুথি-পাঁজি **আলেঙত তুলি থৈছাই**; খিতিঙালি কৰাৰ বাহিৰে কি কৰিবা?

**আলেঙে-আলেঙে**—( নিলগৰপৰা, গোপনে ) - চোৰাংচোৱাই **আলেঙে-আলেঙে** শত্ৰুৰ গতিবিধি লক্ষ্য কৰি ফুৰিছে।

**আলে-জালে**—( এলেহুৱা ভাৱে; উদাসীন ভাৱে )—'নিলা আয়ু **আলে-জালে**, কেতিক্ষণে ধৰে কালে।'

**আলৈ-আথানি**–( বিলৈ-বিপত্তি )–ল'ৰাটোৰ **আলৈ-আথানি** দেখি মৰ পুতৌ লাগিল।

**আলৈ-আপদ্**—( দুখ-দুৰ্গতি )—মনুষ্য জীৱনত **আলৈ-আপদ্** আছেই।

**আলৈ-আহুকাল**—'আলৈ-আপদ্' চোৱা।

**আলৈ-বিলৈ**–( বিলাই-বিপত্তি)—তাইৰ **আলৈ-বিলৈ** চাই থাকিব নোৱাৰি ভাত এমুঠি দিলোঁ।

**আলো-লোৱা গৌৰী**—( আলসুৱাকৈ তোলা ছোৱালী )—হুলি-পলি নোহোৱা ঘৰত একেটি ছোৱালী; তেওঁ **আলো-লোৱা গৌৰী** নহৈ কি হব?

**আশা ছেদ কৰ্**—( নিৰাশ কৰ্ )—এমুঠি খাওঁ বুলি আহিছিলোঁ, তুমিহে **আশা ছেদ কৰিলা**।

**আশাধাৰী জীউ**—( সৌভাগ্য হব বুলি আশা পালি থাকোঁতা )—**আশাধাৰী জীউ** বুলিয়েই এই বিপদতো জীয়াই আছোঁ।

**আশাৰ মুখত ছাই পৰ্**—( নিৰাশ হ )—ভ্ৰাতৃহীন হোৱাত মোৰ **আশাৰ মুখত ছাই পৰিল**।

**আসন তিৰি বহ্**—( যোগত বহাৰ দৰে, লেপেটা কাঢ়ি বহ্ )—গান চাব খুজিছা যদি, খেৰৰ ওপৰত **আসন তিৰি বহি** লোৱা।

**আহাৰ ছেদ হ**—( মৰিবলৈ ওলা—পালি )—সেই **আহাৰ ছেদ হোৱাটোৱে** মোক খালে।

**আহাৰমহীয়া গৰুৱে মুখত পানী লৈ জিৰা**—( অন্তৰত বেয়াভাৱ ৰাখি বাহিৰত মিত্ৰতা দেখুৱাবলৈ চেষ্টা কৰ্ )—ইমানখিনি কৰি, এতিয়া **আহাৰ মহীয়া গৰু মুখত পানী লৈ জিৰাবলৈ** আহিছা, নহয়?

**আহু-পাহু**—( পহু খেদি মৰা টান; বানে-বৰষুণে আহুধান চপোৱাও টান। সেই দেখি এই তুলনা )—এই বাৰিষাতে মৰণ; **আহু পাহু** যে, সিও এমুঠি নাপাম; সকলো বানে খালে।

## ই

**ইকটা-জিকটা**—( বেয়া সোৱাদ বা গোন্ধ পাই মুখ ইফাল সিফাল বা বিকটা কৰা কাৰ্য ) —তেকুৱা পিঠাখন খাই ল'ৰাটোৱে মুখ **ইকটা-জিকটা** কৰিবলৈ ধৰিলে।

**ইকাণ-সিকাণ**—( ক্ৰমে জনাজাত হোৱা কাৰ্য )—কথাটো বৰ গোপনে ৰাখিবা; **ইকাণ-সিকাণ** হলে বেয়া হব।

**ইকাণ-সিকাণ কৰ্**—(নুশুনা ভাও লোৱ্)—মোৰ কথাত তই দেখোন **ইকাণ-সিকাণহে কৰিছ**।

**ইকাণ সিকাণ সহস্ৰ কাণ**—( গুপুত কথা এজনক কলেই সদৰী হয় )—এই কথা তুমি দ্বিতীয় কাকো নকবা; কাৰণ, **ইকাণ সিকাণ হলেই সহস্ৰ কাণ হয়**।

**ইকূলো নাপা সিকূলো নাপা**—( আশ্ৰয়হীন হ )—কামটো এৰিও দিলোঁ, নতুন এটাও পোৱা নাই; **ইকূলো নাপালোঁ, সিকূলো নোপোৱাত পৰিলোঁ**।

**ইজন্ম কাটি যা**—( মৃত্যু হ )—পানী এটোপা মুখত দিয়া; তোমাৰ মাৰা আজি **ইজন্ম কাটি যায়**।

**ইতিনি গুণৰ বাজ**—( কোনো বিষয়ত সামান্য সৰহও নোহোৱা ভাৱ )—তোমা-লোকৰ খাহী-চুৰৰ এইবোৰ কথাত নই হলে **ইতিনি গুণৰ বাজ**।

**ইন্দ্ৰৰ সভাত কৈঁচাৰ ভুকলি**—( বৰলোকৰ মাজত সাধাৰণ মানুহৰ কাম )—মোক এই সভাত বক্তৃতা দিবলৈ কোৱাটো **ইন্দ্ৰৰ সভাত কৈঁচাৰ ভুকলি** শুনিবলৈ আগ্ৰহ কৰাহে।

**ইৰাবীৰ শাক মাখাওঁ মাখাওঁ কৰ্**—( কোনো বিষয়ত বৰকৈ কষ্ট পাই তেনে কাম দুনাই নকৰিবলৈ প্ৰতিজ্ঞা কৰ্ )—গাৱলীয়া জীৱন এনে কষ্টকৰ যে মোৰ হলে মনে **ইৰাবীৰ শাক মাখাওঁ মাখাওঁ কৰিছে**।

**ইষ্টৰ আগত মিঠ কথা**—( বন্ধুৰ আগত সত্য বা অন্তৰৰ আচল কথা কব লাগে )—বোপা, **ইষ্টৰ আগত মিঠ কথা**,—মোক এই কামৰ বাবে কুৰিটা টকা দিব লাগে।

**ইস্ খুলিলে বিষ লাগ্**—( সামান্য কথাৰপৰাই বিষময় ফল হ )—খাওঁতেও কাকো নেদেখুৱাবা; **ইস্ খুলিলেই বিষ লাগে**।

**ইহকাল পৰকাল খা**—( কোনো বেয়া কাম কৰি ভবিষ্যত উন্নতিৰ মূল খাব )—ল'ৰাকালত নপঢ়ি দুগুনি, তই নিজে নিজেই **ইহকাল পৰকাল খাইছ**।

**ইহাত-সিহাত কৰ্**—( টান সাৰিবলৈ কিছু সময়ৰ বাবে পৰস্পৰৰ সাহায্য ল )—টকা নাই বুলিলে কি হব? কোনো ৰকমে **ইহাত-সিহাত কৰি** চলা।

**ইহাতৰ খাক সিহাতলৈ নি**—( অনাৱশ্যকীয় কামত সময় কটা )—**ইহাতৰ খাক সিহাতলৈ নি** কিবা লাভ কৰিব পাৰিবা নে?

## ঈ

**ঈশ্বৰে কৰিলে**—( ঈশ্বৰে অনুগ্ৰহ কৰিলে )—**ঈশ্বৰে কৰিলে**, তোমাৰ এই ল'ৰাটো হালৰ মুঠিত ধৰিব পৰা হলেই তোমাৰ দুখ গুচিব।

**ঈশ্বৰে দিয়া**—( ঈশ্বৰৰ অনুগ্ৰহত পোৱা )—মোৰ ঘৰত নো **ঈশ্বৰে দিয়া** কি বস্তু নাই? কি লাগে কওক।

**ঈশ্বৰে নকৰক**—( কোনো অশুভ কথা কওঁতে ব্যৱহাৰ কৰা হয়,—ঈশ্বৰক খাটোঁ যেন এনে কাম নহয় )—ঈশ্বৰে নকৰক, তোমাৰ এবিধ হলে ল'ৰাছটিৰ কি উপায় হব?

**ঈশ্বৰে মোৰ বোল্**—( ঈশ্বৰে অনুগ্ৰহ কৰ্ )—**ঈশ্বৰে মোৰ বুলিলে** ভয় কিহৰ?

## উ

**উঁইচিৰিঙাৰ পাখি গজ্**—( সামান্য মানুহে অলপ সৌভাগ্যতে মত্তলীয়া হৈ বিপদ্ চপা )—তেওঁৰ ধনগৰ্ব **উঁইচিৰিঙাৰ পাখি গজা** যেনহে হৈছে।

**উঁই-পৰুৱা (বা পোক)**—(চঞ্চল প্ৰকৃতিৰ লোক)—ল'ৰাটো বৰ **উঁই-পৰুৱা**; অলপো সুস্থিৰে নাথাকে।

**উক দি**—(নবিয়া আদি এবাৰ কমি আকৌ বেছি হ)—তেওঁৰ নবিয়া তিনি মাহ পিছত আকৌ **উক দি** উঠিল।

**উক্‌মুক্ কৰ্**—(উশাহ-নিশাহ নোপোৱা হ; ততাতৈয়াকৈ কৰ্)—লেপথন মুখত পৰাত কেঁচুৱাটোৱে **উক্‌মুক্ কৰিবলৈ** ধৰিলে। কামটো লাহে লাহে কৰচোন; **উক্‌মুকে কৰি** নষ্ট নকৰিবি।

**উক্‌মুকৰ পোৱালি**—(মিছা; হব নোৱাৰা বা অসম্ভৱ কথা)—পহু মাৰিবলৈ গৈ **উক্‌মুকৰ পোৱালি** এটা পালোঁ (একো নাপালোঁ)।

**উকছে খা**—(ব্যাকুল বা তত্ নাইকিয়া হ)—কিনো তোক **উকছে খাইছে**? অলপ পৰ বৈ যাচোন।

**উকা-দেও**—(অস্থিৰ স্বভাৱৰ মানুহ)—দুপৰীয়া মধ্যম নাই; সেই **উকা-দেওটো** যে ক'ত ফুৰে, কোনে জানে?

**উকা-মূৰে**—(কোনো কাৰণ নোহোৱাকৈ)—**উকা-মূৰে** তেওঁক টকাৰ কথা কওঁ কেনেকৈ?

**উকা-মূৰে কৰ্**—(আঁতিগুৰি নোপোৱাকৈ বা কোনো মূল নোহোৱাকৈ কৰ্)—ভাবি গুণি নোচোৱাকৈ **উকা-মূৰে** কাম **কৰিলে** বিপদতহে পৰিবি।

**উখনা-উখনি**—(তৰ্কাতৰ্কি)—তহঁতৰ এই **উখনা-উখনিখন** এৰ্।

**উখা-মুখা কৰ্**—(নাভাবি নিচিন্তি কোনো কাম কৰ্)—**উখা-মুখাকৈ কৰিলে** কামত আউলহে লাগে।

**উখোৱা ধান খোৱা শিয়াল**—(একোকে নজনা মানুহ)—তাৰ কথাত আপুনি দোষ ধৰিব নালাগে; সি **উখোৱা ধান খোৱা শিয়াল**।

**উখোৱা ধান গজা কপাল**—(অতিশয় সৌভাগ্যবান)—তেওঁৰ লগত তুমি নোৱাৰিবা: তেওঁৰ **উখোৱা ধান গজা কপাল**।

**উগাৰ ছাৰ্**—(১। মনৰ ভাৱ ব্যক্ত কৰ্। ২। পূৰণি খং ব্যক্ত কৰ্)—১। টকা-পইচা নাই দেখি পূজা কৰিম বুলি **উগাৰকে ছাৰা** নাই। ২। মোৰ যি অন্যায় কৰিছিলি, এতিয়া তাৰ **উগাৰ ছাৰিলেহি**।

**উচটাই পাই বোৱা**—(উচটাই বিশ্বনীয় বা অন্তায় কাম কৰা)—মাটিভৰা দখল কৰিবলৈ বুধি দি তেওঁ তোমাক **উচটাই পাই বোৱাব** খুজিছে।

**উচহ মাৰ**—(বেয়া কামত উৎসাহ দি; লাই দি)—ল'ৰাটোক বাপেকে **উচহ মাৰি** নষ্ট কৰিলে।

**উচাট্ মাৰ্**—(হঠাৎ খং কৰি উঠ্)—সভিনীয়েকক দেখা পাই তিৰোতাজনীয়ে কাম এৰি **উচাট্ মাৰি** গুচি গ'ল।

**উচাপ্ খা**—(চক খা)—বাঘটো দেখি গৰুজাকে **উচাপ্ খালে**।

**উচিত কড়ি বুকুত শুৰি**—(শুৰি—গোৰ। ন্যায্য হলে টান কথা কোৱাও যুক্তিসঙ্গত)—পইচা দি কিনিছোঁ, বেয়াটো বেয়া বুলি নকম কিয়? কথাতে কয়, **উচিত কড়ি, বুকুত শুৰি**।

**উজ্কাব দি**—(খোঁটা দি; আগেয়ে কৰা উপকাৰ সোঁৱৰাই লাজ দি)—তোমাৰহে কিমান যে নিগ্ৰহ ভুগিছোঁ। আজি কলে **উজ্কাব দিয়া** বুলি নকবা।

**উজটিত নি**—(অতিশয় অবজ্ঞা কৰ্)—ডাঙৰ বিষয়টো পালা বুলিয়েই সকলোকে **উজটিত নিব** খোজা কিয়?

**উজটিত পৰি মৰ্**—(বৰ নিশকতীয়া হ)—মোৰ হালোৱা গৰুটো **উজটিত পৰি মৰা** হৈছে।

**উজলাই দি**—(১। উত্তেজিত কৰ্। ২। শক্তিশালী বা অধিক সক্ৰিয় কৰ্)—১। মোৰ বধাবাবে তেওঁলোকৰ দলধৰ **উজলাই দিলে**। ২। পানীৰ সোঁতটো **উজলাই দিয়া**।

**উজাই পাত**—(ওলোটাটো কৰিবলৈ আগ বাঢ়্)—তুমিয়ো কোনোবাই একাৰাৰ কলেই **উজাই পাতা** কিয়?

**উজাই বল দি**—(আগুৱাই সক্ৰিয়ভাৱে যোগ দে)—দুখীয়াৰ ভিতৰত তেওঁৰ দলে **উজাই বল দিয়া** মানুহ বৰ কম।

**উজান কোৱা**—(বিৰ উজাই থাক্)—বিয়ে মত্ৰক কাণ কৰা নাই; **উজান কোৱাই** আছে।

**উজান পৰ্**—(বহুত পৰিমাণে উৎপন্ন হ বা আহ্)—এইবাৰ আমৰ **উজান পৰিছে**; কিমান খাবা?

**উজান মাৰ্**—( ন-পানীত উজাই অহা মাছ ধৰ্ )—**উজান মাৰিবলৈ** গৈ সিদিনা বহুত মাছ পাইছিলোঁ।

**উজাৰ খা**—( চহ্ খা )—গৰুৱে **উজাৰ খালে** কিয় ? বাঘ আহিছে নেকি ?

**উজাৰ-জাৰ দি**—( মন্ত্ৰ মতাৰ দৰে খৰ বেছিকৈ নিন্দাৰ বা গোপন কথা ক )—আজি গালিৰ **উজাৰ-জাৰ দি** আহিছোঁ।

**উজাৰ-পিজাৰ কৰ্ ( বা লগা )**—( অস্থিৰভাৱে থাক্ )—কেঁচুৱাটোৱে কোলাত **উজাৰ-পিজাৰ লগাইছে** কিয় ?

**উজাল দি**—( ওপৰলৈ উঠ্ ; জাঁপ মাৰ )—চাবা, কেঁচুৱাটোৱে **উজাল দি** নাগৰি পৰিব পাৰে।

**উটিবুৰি ফুৰ্**—( থাৰথিত নোহোৱা অৱস্থাত থাক্ )—মাক মৰাৰ পিছত ছোৱালী জনীয়ে **উটিবুৰি ফুৰিবলৈ** ধৰিলে।

**উটিবুৰি যা**—( বান পানীত তল যা )—বাৰিষাৰ বানত এইবোৰ ঠাই **উটিবুৰি** যায়।

**উঠ্-কিল বহ্-কিল**—( অশেষ আৰু সদায় চলি থকা নির্যাতন )—ন বোৱাৰী-জনীয়ে **উঠ্-কিল বহ্-কিলৰ** মাজেদি দিন কটাব লগীয়া হৈছে।

**উঠন হ**—( কঙ্কাল হ )—আগৰ দিনত, **উঠন মোহঁতেই** ছোৱালী বিয়া দিয়া ৰীতি আছিল।

**উঠ্ বুলিলে উঠ্ বহ্ বুলিলে বহ্**—( সম্পূৰ্ণ বশীভূত )—তাৰ নিজা অস্তিত্ব নাই বুলিলেও হয় ; মোমায়েকে **উঠ্ বুলিলে উঠে, বহ্ বুলিলে বহে।**

**উঠমা খা**—( কালিয়ৰে বস্তু কিন্ )—পাৰামানে **উঠমা নাখাবা** ; সদায় নগদ দি কিনিবা।

**উঠি আহ্**—( ক্ৰমে ডাঙৰ বা উন্নত হ )—এইবোৰ অঞ্চল লাহে লাহে **উঠি আহিছে।** দেশৰ ভৱিষ্যত আমাৰ **উঠি-অহা** ডেকাসকলৰ ওপৰত।

**উঠি উঠি বোকা-কোমোৰা ফুট্**—( বুজালেও বুজনি নোলোৱাকৈ থাক্ )—তেওঁৰ খং নিমাবলৈ যিমানেই চেষ্টা কৰোঁ, সিমানে, তেওঁ **উঠি উঠি বোকা কোমোৰা ফুটিবলৈ** ধৰিলে।

**উঠি-থান ফুটি মহ**—( শ্ৰীমন্ত বস্তুও হঠাৎ হতশ্ৰী হ )—সন্ন্যাসীৰ কথা কলিয়ালে ; **উঠি-থান ফুটি মহ'ল** ; দুদিন পিছত ধন পুতেক মৰিল।

**উঠি পৰি লাগ্**—(অহোপুৰুষাৰ্থ কৰ্)—পৰীক্ষাত প্ৰথম হবলৈ তেওঁ **উঠি পৰি লাগিল**।

**উঠি বহ্**—(১। আৰোগ্য লাভ কৰ্। ২। হঠাৎ উন্নতি কৰ্)—১। সি নো আৰু কেতিয়াবা এই নৰিয়াৰপৰা **উঠি বহিব** নে? ২। এই বাৰৰ আহু ধান বেচি তেওঁ **উঠি বহিল**।

**উঠি-ৰজা**—(পৰৰ ওপৰত বৰকৈ প্ৰভুত্ব চলাব খোজা মানুহ, পাটত বহা ৰজাৰ দৰে)—তেওঁ আমাৰ গাঁৱৰ **উঠি-ৰজা**; তেওঁৰ খং উঠিলে কথা বিষম হয়।

**উতল কাটি থাক্**—(উত্তেজিত হৈ বলকি থাক্)—তেওঁ দেখোন আজি ইমান দিনে **উতল কাটি আছে**; কি বা হৈছে?

**উত্তৰ কটা**—(কথাৰ প্ৰত্যুত্তৰ দে)—**উত্তৰ কটাৰ** পাৰ যে, কাম কৰিব নোৱাৰ কিয়?

**উত্তৰ চুটি হ**—(উত্তৰ দিবলৈ অৱকাশ নোহোৱা হ)—ভেদত লগাকৈ কলোঁ যেতিয়া, তাৰ **উত্তৰ চুটি হ'ল**।

**উথল পাথল লগা**—(কোনো কাম আদিলৈ বৰকৈ উত্তেজিত বা আগ্ৰহান্বিত হ)—মালীহঁতে মাল লগা দেখি ডেকাজনে বৰকৈ **উথল পাথল লগালে**।

**উদক দেখি বোম্বাই ডুবিয়া**—(একজনক দেখি, আনে নোৱাৰিলেও তেনে কৰ্)—খেতিয়কৰ দৰে পৰিশ্ৰম আমি কেনেকৈ কৰিম? **উদক দেখি বোম্বাই ডুবিয়ালে** বিপদহে হব।

**উদক বৰবকৰা পাত্**—(সামান্য লোকক ডাঙৰ বাব দি)—**উদক বৰবকৰা পাতিছোঁ** যেতিয়া, তেওঁ যি কৰে কৰক, নামাতিবা।

**উদক ভেটাৰখীয়া পাত্**—(যাৰ যি বস্তুত লোভ সেই বস্তুৰ তত্ত্বাৱধানত তাক থ)—মোক ৰসোগোল্লা ৰখিবলৈ দিলে **উদক ভেটাৰখীয়া পতাহে** হব।

**উদণ্ডৰ ষাঁড়**—(কাম-বনৰ দায়িত্ব নোহোৱাকৈ থকা স্বাস্থ্যবান মানুহ)—গাঁৱত **উদণ্ডৰ ষাঁড়** হৈ থকা বহুত ডেকা দেখা যায়।

**উদৰ লাত পুকৰে কেঁচা মঙহ খা**—(যাৰ যি অভ্যাস, তাক সতকাই এৰিবলৈ অক্ষম হ)—**উদৰ লাত পুকৰে কেঁচা মঙহ খায়**; চিৰকলীয়া এই অভ্যাস আমি সতকাই এৰোঁ কেনেকৈ?

**উদি নহ**—( উদি—উদ্ৰাদিহ ; উপায়। উপায়ান্তৰ নহ )—তই যে বাঁড়টোৰ আগলৈ গৈছিলি, সি তোক খুঁচিলেও **উদি নাছিল**।

**উদুলি-মুদুলি**—( তোলপাৰ ; উদল-মুদল )—আমাৰ ঘৰত বিয়াৰ যি **উদুলি-মুদুলি** লাগিছে, তোমাৰ কাম আজি নহব।

**উধনীয়া ভেম**—( ডাঙৰ বংশৰ ডাঙৰ ভেম )—তোমালোকৰ **উধনীয়া ভেমটো** আজিকালি এৰিবৰ হ'ল।

**উধাতু খা**—( ধাতু উৰি যোৱাৰ সদৃশ হ ; বিভ্ৰত হ )—পুতেকৰ নৰিয়াৰ বাতৰি পাই মাকে **উধাতু খাই** আছিছে।

**উধাব খা**—( উঠনা খা )—তোমাৰ এই **উধাব খোৱা** অভ্যাসটো এৰি পেলাবা।

**উধাব পাল্**—( বিপদৰপৰা উদ্ধাৰ হবলৈ পৰস্পৰে কামত সহায় কৰ্ )—গাঁৱত **উধাব পালি** কাম কৰা অভ্যাস আছে।

**উধুল-ধুল্ কৈ থাক্**—( কাম-বন নকৰাকৈ সময় কটা )—ডেকা মানুহ একোজনে **উধুল-ধুলকৈ** সময় কটালে কেনেকৈ চলিব ?

**উমিত চুমি ভৰ্**—( য'ত অলপ খৰচ কৰিলেই হয়, তাত যেছিকৈ খৰচ কৰ )—সামান্য সবাহ এটাতে **উমিত চুমি ভৰি** সি এতিয়া খাবলৈ নোপোৱা হৈছে।

**উপকাৰীক অজগৰে খা**—( অসৎ লোকে পূৰ্ব্ব উপকাৰ পাহৰি অন্যায় কৰ্ )—তাক এদিন উপকাৰ কৰা বাবে সি আজি তোমাৰ অপকাৰ কৰিবই। **উপকাৰীক অজগৰে খোৱাটো** জগতৰ ৰীতি।

**উপকাৰী গছৰ ছাল মাথাক্**—( উপকাৰী মানুহক আমে অপকাৰ কৰ্ )—আনৰ উপকাৰ কৰিলে আনৰপৰা অপকাৰ পাবিয়েই ; **উপকাৰী গছৰ ছাল মাথাকে**।

**উপজি পেটৰ ভাত গিল্**—( কোনো টান কাম লাহে লাহে নকৰি, একে যোগতে কৰিবলৈ বিচাৰ্ )—ইমান টান বিষয়টো ইমান সোনকালে আৰম্ভ কৰিবলৈ বিচৰাটো **উপজি পেটৰ ভাত গিলিব** খোজাহে হৈছে।

**উপজি বাঢ়িপুৰা**—( নিচেই বাঢ়িপুৰা ; বিহাল-পুৰা )—**উপজি-বাঢ়ি-পুৰাই** ভেওঁ গ'লগৈ।

**উপৰ-চাপৰ মাচা**—( কি কৰিলে ভাল হয়, কি কৰিলে বেয়া হয়, বিবেচনা নকৰ্ )—**উপৰ-চাপৰ মোচোৱাকৈ** কোনো কথা কব নালাগে।

**উপৰ-চেৰীয়া**—(ওপৰত চৰা বা উঠা)—**উপৰ-চেৰীয়া** চাউলখিনি বেলেগে থবা।

**উপৰ-টেলেঙী**—(তল-ওপৰ নাচাই কাম কৰা মানুহ)—**উপৰ-টেলেঙী** নহ'লেনো হল-জোং নাচাই দলঙৰপৰা জঁপিয়াবি কিয়?

**উপৰ-মতা**—(আনৰ কথাৰ মাজত মাত দি উঠা মানুহ)—সেই **উপৰ-মতাটোক** ইয়ালৈ কোনে মাতিছে? **উপৰ-মতাৰ** বাটত ঘৰ; আহোঁতে লাথি, যাওঁতে চৰ।

**উপাক-পাক**—(পাকৰ ওপৰত পাক থকা কথা বা কাম; বৰ জটিল বিষয়)—এনে **উপাক-পাকবোৰত** মই সোমাব নোৱাৰোঁ; ইয়াৰ আউল ভঙা মোৰ কাম নহয়।

**উপাল-পাল**—(পাৰাপাৰ নেদেখা)—এই **উপাল-পাল** পানীত যাবা কেনেকৈ?

**উবুৰি খাই পৰ্**—(অত্যন্ত পুৰুষাৰ্থ কৰ)—টানে-মণিলে তেওঁৰ কাৰণে গোটেই গঞাই **উবুৰি খাই পৰে।**

**উভঁহতি কৰ্**—(পৰামৰ্শৰ ওলোটা কাম কৰ্)—ৰ'দে বৰষুণে ঘুৰুৰিবি বুলিলে উভঁহতি কৰ; এতিয়া যে জ্বৰত পৰিলি?

**উভঁহা যোৰ্**—(আপত্তি কৰ)—প্ৰস্তাৱটো শুনিয়েই **উভঁহা যুৰিলা** কিয়?

**উভতি মাচ্**—(বৰকৈ অভপালি কৰ্)—**উভতি মচা** মানুহৰ দুৰ্ভাগ্য অতি শীঘ্ৰে আহে।

**উভতি বাট বুল্**—(অসত্‌ উপায়ে কাম কৰিবলৈ বিচাৰ্)—একো নোখোৱাকৈ কেইদিন থাকিবা? **উভতি বাট বুলিব** নোৱাৰি।

**উতলা গছত বাঘী কুঠাৰ মাৰ্**—(দুৰ্বল মানুহক প্ৰবল অপকাৰ কৰ্)—**উতলা গছত বাঘী কুঠাৰ মাৰিবলৈ** যেয়ে সেয়ে আগ বাঢ়ে।

**উভয়-সঙ্কটত পৰ্**—(সমূহ বিপদত পৰ্)—মই বৰ **উভয়-সঙ্কটত পৰিছোঁ**; গৃহস্থালিখন এৰিবও নোৱাৰোঁ, বেচিবও নোৱাৰোঁ।

**উভলি-ঘূৰত**—(উভলি—গীৰলুৰ মূৰ। সকলো কাম শেষ হোৱাৰ পিছত)—খাই বৈ মানুহ ঘৰাঘৰি গ'ল; **উভলি-ঘূৰত** তেওঁ আহিলহি।

**উভাৰ দে**—(ভিতৰৰপৰা ওলাই আহ্; ওপৰলৈ উক দি উঠ্)—তাইৰ ব্যৱহাৰত মোৰো কথা **উভাৰ দি** আহিল।

**উটৈঅধী হ**—(দুয়োপাৰ উপচি পৰা; অপৰিমিত; প্ৰচুৰ)—বিয়াৰ সকলো যোগাৰ **উটৈঅধী হৈছিল**।

**উমলি দি**—(কণী জগিবলৈ চৰাইক উমাবলৈ দি)—এইবাৰ কিমান হাঁহ-কণী **উমলি দিছা**?

**উমলিত পৰ্** (বা **উমলি ল**)—(পোৱালী জগাবলৈ কণীৰ ওপৰত পৰি তাপ দি)—হাঁহিনীটো এতিয়া **উমলিত পৰিছে**।

**উম-পাতল**—(চঞ্চল; উলুং-পাতল)—তুমি বৰ **উম-পাতল** ছোৱালী; সকলোতে এনেকৈ হাঁহি বাগৰি পৰিব লাগে নে?

**উমাই উমাই পোৰ্**—(আগেয়ে তপত হৈ লাহে লাহে আৰু বেছি মৰলাকৈ পোৰ্)—খৰিবোৰ ভালকৈ শুকোৱা নাই, সেমেকা হৈ আছে; সেই দেখি **উমাই উমাই পুৰিছে**।

**উটৈজেহতীয়া ন বাহী হ**—(দহজনীয়া কাম সুকলমে আৰু সোনকালে সম্পন্ন নহয়)—**উটৈজেহতীয়া ন বাহী হয়**; সেয়েহে তোমালোক আঢ়ৈ ন মানুহে বস্তাখনকে সাত দিনতো উলিয়াব নোৱাৰিলা।

**উৰণ-তেকীয়া**—(পাখি গজি উৰিব পৰা)—পাৰবোৰ **উৰণ-তেকীয়া** হৈছে; পোহা বদি নিৰৰ হৈছে।

**উৰণীয়া উৰি যা, গোবৰ-খেপীয়াৰ মৰণ মিল্**—(বলবানে আঁতৰি যোৱাত দুৰ্বলে বিপদত পৰ্)—**উৰণীয়া উৰি গ'ল, মই গোবৰ-খেপীয়াৰহে মৰণ মিলিল**। মইতো অকলে সকলোখিনি চম্ভালোঁ কেনেকৈ?

**উৰহৰ খং তপা চাৰিত সাৰ্**—(প্ৰকৃত দোষীক শাস্তি দিব নোৱাৰি দুৰ্বলীক উৎপীড়ন কৰ্)—বৈৰীয়েবোৰ কোবাই **উৰহৰ খং তপা চাৰিতহে সাৰিলা**। আচল দোষীক ধৰা কিয়?

**উৰহৰ খঙত চাৰি-পাটি মৰিয়া**—"উৰহৰ খং তপা চাৰিত সাৰ্" চোৱা।

**উৰহীৰ ওৰ**—(বৰ জটিল কথাৰ গূঢ় ৰহস্য)—কথাটো শুনিলা, হ'ল; **উৰহীৰ ওৰটো** নো তোমাক কিয় লাগিছে?

**উৰাই দি**—(অৱজ্ঞা কৰ্)—মোৰ কথা আজি **উৰাই দিছা**; এদিন বুজিবা।

**উৰি আহ্**—( শ্ৰীমন্ত হ )—বিয়াৰ পিছৰপৰা ছোৱালীজনী **উৰি আহিছে**।

**উৰি-আপ্ৰাণী**—( নিবাশ্ৰয় বা সামান্য লোক )—**উৰি আপ্ৰাণীৰ** সহায় ভগৱান।

**উৰি-পাক**—( বৰ বেগাই মৰা পাক )—মোক দেখি ভিৰোভাজনীয়ে খণ্ডত **উৰি-পাক** মাৰিবলৈ ধৰিলে।

**উবিল-ধাতু উবিল-জীউ**—( ব্যাকুল; বিতত )—তোমাৰ মৰিয়াৰ বাতৰি পাবৰেপৰা **উবিল-ধাতু উবিল-জীউ** হৈ আছোঁ।

**উকক-মুকক**—( উলহ মালহ ; খৰ-খেদা )—'উকক-মুকক কৰি পিন্ধে অলংকাৰ।'

**উকলীকৃত**—( অতিশয় আনন্দযুক্ত ) আপুনি আহিব বুলি শুনি আমি **উকলীকৃত** হৈ আছোঁ।

**উকলী-পুঙা**—( অতিশয় আনন্দ মনেৰে চঞ্চল হৈ ফুৰা মানুহ )—'মৰে উকলী-পুঙা, মৰে পদুলি-মুঙা।'

**উৰ্মিলি দি**—(উত্তেজিত হৈ উঠ্)—শেষত বুঢ়াযো উৰ্মিলি দি কলে, 'বেটাহঁতক ধৰ'।

**উলহৰ মাদলি**—( আনন্দত উত্ৰাৱল হৈ থকা মানুহ )—নাতিয়েকৰ বিয়াত বুঢ়ী **উলহৰ মাদলী** হৈছে।

**উলহ-মালহ**—( আনন্দত কৰা সাজন-কাচনৰ অৱস্থা )—বিয়ালৈ যাবলৈ ছোৱালী-বোৰে **উলহ-মালহ** লগাইছে; তুমি তেওঁলোকক লৈ যোৱা।

**উজুকা লাগ্**—( আনন্দত উত্ৰাৱল হ )—তেওঁৰ গাত বিয়াৰ **উজুকা লাগিছে**।

**উজুৰ লগত বগৰি পোৱা যা**—( সঙ্গদোষত কষ্ট পা )—তুমি সেই অধাইতওৰ লগ নেৰিলে, কেতিয়াবা **উজুৰ লগত বগৰি পোৱা যাবাই**।

**উজু ল**—( খোৱাৰ পিছত দাঁত খৰিকিয়া )—দাঁত ভালে ৰাখিবলৈ হলে খোৱাৰ পিছত **উজু লৰ** লাগে।

**উৰাই ৰাতি পুৰাই যা**—( বৰ দীঘল ৰাতিও শেষ হ )—চাওঁতে চাওঁতে **উৰাই ৰাতি পুৰাই গ'ল**; তথাপি ৰোগীৰ অৱস্থা ভাললৈ নাহিল।

**উৰাতে ভুক্**—( গোপন কথাৰ সামান্য সন্তেদ পালেই ৰবকৈ হাই-উৰুমি কৰ্ )—**উৰাতে ভুকিব** নালাগে; এতিয়া ৰ'বা, কথাটো অলপ সৰৱী হ'ক।

**উৰা-বায়ু**—(অলপ আভাসতে উঠা অমূলক হৈ চৈ)—ৰণ লাগিব বুলি এটা **উৰা-বায়ু** উঠিছে।

**উৰা-ভুৰা**—( কোনো কথাৰ আঁতি-গুৰি )—তোমালোকে কি কৈছা, মই তাৰ **উৰা-ভুৰা** বুজা নাই।

**উশাহ-চুটি**—( যিমান দীঘল হোৱা উচিত, তাতকৈ চুটি )—জালখন ভাল; কিন্তু অলপ **উশাহ চুটি**।

**উশাহ টান্**—( মৰণৰ ওপৰ চাপ্ )—বুঢ়াই নিজে **উশাহ টানিছে**; তথাপি ঘৰখনৰ মায়া এৰিব পৰা নাই।

**উশাহ নিদিয়া হ**—( অলপ সময়ো বাট নাচা )—ভাত দিব লাগিছোঁ, ৰবি; তই দেখোন **উশাহ নিদিয়া হলি**।

**উশাহ পা**—( বিপদ্ বা কামৰ হেঁচাৰপৰা অলপ তৰণি পা )—ল'ৰাটোৰ ৰবিয়া অলপ কমাতহে উশাহ পাইছোঁ।

**উহ ল**—( গম বা সম্ভেদ ল )—এই কথাটোৰ অলপ উহ লোৱাচোন।

**উহোৱা-জবৰা**—( লোণ মচলা নিদিয়াকৈ গুদা পানীত সিজোৱা শাক-পাচলি )—কিহেৰে খুৱাম? **উহোৱা-জবৰাৰে** অতিথি সুধিব পাৰি নে?

## ঊ

**ঊধই দুৱাৰ মুধই পা**—( বাধাহীন বা স্বাধীন যেন অনুভৱ কৰ্ )—আজি বুঢ়ী নোহোৱাত ল'ৰা ছোৱালীহঁতে **ঊধই দুৱাৰ মুধই পাইছে**।

**ঊধৰপৰা মুধলৈ**—( এমুৰৰপৰা আন মুৰলৈ )—দুৱাৰবোৰ নো **ঊধৰপৰা মুধলৈ** মেলি থৈছা কিয়?

**ঊনৈশত বা বল্**—( বৰ উত্তাবল হ )—সি বৰ **ঊনৈশত বা বলোৱা** মানুহ।

**ঊনৈশ বিশ**—( অতি সামান্য পাৰ্থক্য থকা )—ল'ৰা দুটিৰ বুদ্ধিবৃত্তি **ঊনৈশ বিশ**।

## এ

**এক আখি কলৰো তকত নহ**—( যথেষ্ট শক্তিমান্ নহ )—সি মোৰ আগত **এক আখি কলৰো তকত নহয়**; একে আষাৰে বহুৱাই থম।

**এক কলা**—( কিছু পৰিমাণে )—তুমি সিদিনা ধমকি দিয়াৰপৰা তাৰ উৎপাত **এক কলা** চৰিছেহে।

**এক কিল মাৰি সাত কিল খা**—( আনৰ অনিষ্ট কৰি নিজে বিপদত পৰ্ )—তুমি এতিয়া দুখ নকৰিবা ; **এক কিল মাৰিছিলা** ; এতিয়া **সাত কিল খাবাই।**

**এক কেৰ্কেটুৱাই হাজাৰ টকাৰ বাৰী নষ্ট কৰ্**—( একোটা দুষ্ট মানুহে সমগ্ৰ সমাজৰ অপকাৰ কৰ্ )—**এক কেৰ্কেটুৱাই হাজাৰ টকাৰ বাৰী নষ্ট কৰাৰ** দৰে এই দগধা ল'ৰাটোৱে গোটেই গাঁওখনৰ কুখ্যাতি আনিলে।

**এক গল এক মল**—( মলে গলে একে ; মলে গলে লগা )—এই ভেকা দুজন সদায় **এক গল এক মল** ; ইজন য'ত, সিজনো ত'ত।

**এক গল পানীত পিয়াহত মৰ্**—( কলিত অভাৱত হা-হুতাশ কৰ্ )—ধনত শিতান দি থাকিও, **এক গল পানীত পিয়াহত মৰাই** তেওঁৰ অভ্যাস।

**এক চুঙা পানী**—( কেও-কিছু নোহোৱা ; অকলশৰীয়া )—বাপেক নাই, ভায়েক নাই ; **এক চুঙা পানী**, সি কেনেকৈ ঘৰ এৰি যাব ?

**এক চোবৰ শাস্তি কিলা** ( বা দে)—( বৰকৈ মাৰ-পিট কৰ্ )—মাকে ল'ৰাটোক বিনাদোষে **এক চোবৰ শাস্তি কিলালে।**

**এক-তৰপীয়া**—( এক শ্ৰেণীৰ, বিশেষকৈ দুৰ্বল শ্ৰেণীৰ )—সি দেখি এইখিনি কৰিছেই ; **এক-তৰপীয়া** মানুহে হলে নোৱাৰে।

**এক-পতীয়া**—( পুষ্পিতা নোহোৱা )—আজিকালি কোনোৱে ছোৱালীক **এক-পতীয়াতে** বিয়া নিদিয়ে।

**এক বৰাই ধান খা, এক বৰাই হাল খা**—( কোনোৱাই দুষ্টালি কৰ্, আন কোনোৱাই শাস্তি পা )—ৰাতি-বিয়াল সাৱধানে ফুৰিবা ; যিহে চোৰৰ উৎপাত, **এক বৰাই ধান খাই এক বৰাই হাল খোৱাৰ** সম্ভাৱনা আছে।

**এক-বিধীয়া**—( সাধাৰণ বিধৰ )—কাপোৰ বেছি ভাল নালাগে ; **এক-বিধীয়া** হলেই হব।

**এক মৰণাত পৰ্**—( মৰণৰ বাট পা ; গৰ্ভৱতী হ )—তই **এক মৰণাত পৰিছ**, এইবোৰ কথা এতিয়া মনলৈ নানিবি।

**একৰ কাই যুটল্**—( অলপ অলপকৈ গোটা )—এনেকৈ **একৰ কাই যুটিলেই** তেওঁ বহুত ধন ঘটিলে।

**এক হাতৰ থল**—(লৰ মাৰি একে উশাহে পোৱা ঠাই; নিচেই ওচৰ)—তেওঁৰ ঘৰ আমাৰঘৰৰ এক হাতৰ থল।

**এক হাতৰ পৰিয়াল**—(বৰ জাকতীয়া)—এক হাতৰ পৰিয়াল থাকোঁতেও নবিয়াৰ আল-পৈচান ধৰিবলৈ কোনো নাই কিয়?

**এক চকুৰে তেল বেচ্ এক চকুৰে পানী বেচ্**—(মুখত এক ভাৱ প্ৰকাশ কৰি পেটত আন এটা ভাৱ ৰাখ্)—তাৰ কথা বিশ্বাস কৰিবা কেনেকৈ? সি এক চকুৰে তেল বেচি এক চকুৰে পানী বেচা মানুহ।

**এক মৰা দে**—(আধা-মৰা হ; অতি কষ্ট পা)—গ্ৰহণীৰ মাৰাত্মক পীড়াত সি এক মৰা দিছে।

**এক থেকেচা খা**-(কোনো বেমাৰ আদিত কষ্ট পা)—জ্বৰত সি ভালকৈ এক থেকেচা খালে; এতিয়া টান কাম কৰিবলৈ নিদিবা।

**একাকাৰ জগন্নাথ**-(জগন্নাথ ক্ষেত্ৰৰ দৰে জাতি অজাতিৰ বিচাৰ নথকা)—আজিকালি সকলো ফালে একাকাৰ জগন্নাথ; অকলে আমি এনেকৈ থাকিম কেনেকৈ?

**একাঠী চৰা**—(আৰু কিছু বেছি)—ককায়েকতকৈ ভায়েক মুখেদি আৰু একাঠী চৰা।

**একাণে সোমাই একাণে ওলা**—(শুনা মাত্ৰেই পাহৰ্; আওকাণ কৰ্)—তোমাক মো কৈ কি লাভ? একাণে সোমাই একাণে ওলাই যাব।

**একাণ-দুকাণ হ**—(লাহে লাহে জনাজাত হ)--কথাটো একাণ-দুকাণ হলে বেয়া হব।

**একাদশত বৃহস্পতি**—(বৰ সৌভাগ্য)—যৰত কোনো নাই; ইমান মাহ-পাখীৰ মাজত তোমাৰ আজি একাদশত বৃহস্পতি মিলিছে।

**একাদশীয়া বামুণে গৰাহ গৰাহ কৰ্**—(কোনো কাম বৰ হতাশেৰে কৰ্)—তেওঁৰ খোৱালৈ মন কৰাচোন; যেন একাদশীয়া বামুণেহে গৰাহ গৰাহ কৰিছে।

**একিল খালে একুৰি চাপ্**—(ঠেকি শিক্)—মানুহে দুখকষ্টলৈ ভয় কৰিব নালাগে; একিল খালেহে একুৰি চাপে।

**একে আষাৰে বহুৱাই থ**—(এক কথাতে নিমাত কৰ্)—সভাত

তেওঁ কিবা কৰলৈ উঠিল; কিন্তু মতপত্তিয়ে এঁকে আষাৰে তেওঁক বহুৱাই থলে।

**একে-আপি**—( একে মাতৰ; মিহলি নথকা )—**একে-আপি** জহা ধান মোক এমোণ দিবা।

**একে-কাঠি**—( ১। মাজত বেৰ নথকা। ২। একে লগে খোৱা বোৱা কৰা )—১। সেইটো ঘৰতে তিনিটা পৰিয়াল **একে-কাঠি** হৈ আছে। ২। আজিকালি খোৱা-বোৱাৰ বাছ-বিচাৰ নাই; সকলোৱে **একে-কাঠি** হৈছে।

**একে-কথীয়া**—( এক কথাৰ; কথা নলৰোৱা ) মই **একে-কথীয়া** মানুহ; যি কৈছোঁ, তাক কৰমেই।

**একে কালে**—( একে অৱস্থাতে )—মানুহৰ সদায় **একে কালে** নাযায়।

**একে কালে মৰ্**—( সম্পূর্ণ নিৰুপায় হ )—ডাক্তৰো নাই; কি কৰোঁ? **একে কালে মৰিলোঁ**।

**একে কোবে**—( অলপো অপেক্ষা নকৰাকৈ, তৎক্ষণাৎ )—কথাটো শুনি **একে কোবে** তেওঁলোকৰ ঘৰ পালোঁগৈ।

**একে-গৰ্ভী**—( সহোদৰ )—তেওঁলোক **একে-গৰ্ভী** ভায়েক-ককায়েক।

**একে ঘাটৰ নাৱৰীয়া**—( একে প্ৰকৃতিৰ বা স্বভাৱৰ )—দুয়ো **একে ঘাটৰ নাৱৰীয়া**; কাকো সঁজাত নাই।

**একে চাবে বঠা মাৰ্**—( একভাবে কাম কৰ্ )—ৰাইজে যদি **একে চাবে বঠা মাৰে**, তেনেহলে আমি কৃতকাৰ্য হমেই।

**একে চিপে**—( এবাৰতে, দ্বিতীয় বাৰ বল নিদিয়াকৈ )—আটাইবিলাকে ধৰি **একে চিপে** কাঠডোখৰ চাঙত তুলিলে।

**একে চুপাৰ বাঁহ**—( একে প্ৰকৃতিৰ )—ভায়েক যেনে, ককায়েকো তেনে; জনাই কথা, **একে চুপাৰ বাঁহ**।

**একে-জালি হ**—( একেটা জালেৰে যা অৰ্থাৎ মৰ্—গালি )—তাৰ লগতে তয়ো সোনকালে **একে-জালি হবি**।

**একে জাবুকৰ জলা, তাতে পিপলীৰ পথ**—( যাতনাৰ উপৰি যাতনা )—শাহুৱেকৰ যাতনাৰ উপৰিও শহুৰেকৰ খং তেওঁৰ পক্ষে **জাবুকৰ জলাৰ উপৰিও পিপলীৰ পথ** যেন হৈছে।

**একে তিথি হ**—(একেলগে মৰ্—গালি)—দুপৰীয়া নদীৰপৰা নহা হৈছ; দুয়ো **একে তিথি হবি।**

**একে দিশাৰে যা**—(ক'তো নোযোৱাকৈ; যোগাই)—**একে দিশাৰে যাবা**; নহলে বাডি হব।

**একে পাখি হ**—(একে স্বভাৱ বা প্ৰকৃতিৰ হ)—তায়েক ভনীয়েক সকলোটি **একে পাখি হৈছে,** কাকো কম বুলিব নোৱাৰি।

**একে বাঁহৰ কাঠৈ**—(একে স্বভাৱযুক্ত—নিন্দার্থত)—ককায়েকে একো নিদিলে; ভায়েকহঁতৰপৰাও একো নোপোৱা; দুয়ো **একে বাঁহৰ কাঠৈ।**

**একে বেছাই মূধত উঠ্**—(একে দোপে উচ্চ স্থান বিচাৰ্)- **একে বেছাই মূধত উঠিবলৈ** চেষ্টা নকৰি ধৈৰ্য ধৰি কাম কৰা; এদিন আপোনা আপুনি মূধ পাবাই।

**একে মুখে ক**—(কথাৰ অমিল নোহোৱাকৈ ক)—কথাটো সঁচা বুলি সকলোৱে **একে মুখে কলে।**

একে মোনাৰ আলুক—"একে বাঁহৰ কাঠৈ" চোৱা।

**একৈয়া বুটল্**—'একৰ কাই বুটল্' চোৱা।

**একৈশ-পুৰুষ**—(পূৰ্ব-পুৰুষসকল)—আমাৰ **একৈশ-পুৰুষ** কামৰূপৰ মানুহ আছিল।

**একো-মাই হ**—(খঙত কাণ্ডজ্ঞান নোহোৱা হ)—কথাটো শুনি তেওঁ **একো-মাই হ'ল**; তায়েকক গৰা মাৰি ধৰিলেগৈ।

**এখনকে দুখনকৈ লগা**—(তিলকে তাল কৰ্; বঢ়াই ক)—এঘৰৰ কথা **এখনকে দুখনকৈ লগাই** ফুৰাটো বুঢ়ীৰ কাম।

**এখমমান তামোল খোৱাৰ বেলি**—(নিচেই অলপ সময়)—**এখমমান তামোল খোৱাৰ বেলি নহ'লেই**; তেওঁ ঘূৰি আহিল।

**এখৰীয়া কৰ্**—(সমাজে এৰি থ)—সমাজে এই পৰিয়ালটোক **এখৰীয়া কৰিছে।**

**এঘাৰ-দিনীয়া ওলা**—(প্ৰসৱ হোৱাৰ এঘাৰ দিনৰ দিনা গা-মূৰ ধুই শুচি হ)—তিৰোতাজনী আজি **এঘাৰ-দিনীয়া ওলাল**; নৱ-জাতি দিবলৈ বেজ মাতি আনা।

**এণ্ডলি-জেণ্ডলি**—( গোলমাল বা সাঁজ থকা কথা বা বিষয় )—তোমালোকৰ এই এণ্ডলি-জেণ্ডলিবোৰ মই বুজিব নোৱাৰোঁ; চিধাকৈ কোৱা।

**এছালি-এমালি**—( হুহালি, উৎপাত )—ল'ৰা-ছোৱালীৰ এই **এছালি-এমালি** কোনে সহি থাকিব ?

**এছাল্ ছিগিলেও কথা নেৰে**—( জিভাৰ ছাল এডৰপ ছিগি গলেও তৰ্ক নেৰে )—তেওঁ **এছাল্ ছিগিলেও কথা নেৰে**; গতিকে তেওঁৰ লগত তৰ্ক নকৰিবা।

**এটকা মহত্ত্বৰ শপত**—( জ্ঞান, বিজ্ঞান, অজ, বহন্ত—ভক্তিৰ এই চাৰি পাদ আয়ত্ত কৰোঁতাই এটকা মহন্ত; এওঁলোকক কন্দ্ৰসিংহই স্থাপন কৰে। গতিকে, বৰ ডাঙৰ শপত )—তেওঁ **এটকা মহত্ত্বৰ শপত** খাই টকা নাই দিয়া বুলি কলে।

**এটা গৰু যাৰ, সকল পথাৰে তাৰ**—( অলপ চিন্তাই ডাঙৰ চিন্তাৰ কাৰণ হ )—**এটা গৰু যাৰ, সকল পথাৰে তাৰ** হোৱাৰ নিচিনা, মোৰো এটা ল'ৰাকে চলাব দিয়াটো চিন্তাৰ কাৰণ হৈছে।

**এটা চকু কণা, এখন কাণ কলা কৰ্**—( ৰবকৈ মনোযোগ নিদি সহ কৰি থাক্ )—বোৱাৰীয়েকে **এটা চকু কণা, এখন কাণ কলা কৰি** ঘৰ কৰিবলৈ ধৰিলে।

**এটা চাউল টিপি এচৰু ভাতৰ গম পা**—( এটা সামান্য কামৰ গম লৈয়ে কৰোঁতাৰ পাৰ্গতালি আদিৰ আভাস পা )—পৰিদৰ্শকে শ্ৰেণীৰ এজনক এটা সাধাৰণ প্ৰশ্ন সুধিয়েই গুচি আহিল; তেওঁ বোধ হয় **এটা চাউল টিপি এচৰু ভাতৰ গম পালে।**

**এটা তিল সাত ভায়েকে ভগাই খা**—( পৰস্পৰৰ মাজত সৌহাৰ্দ্য ৰাখি কাম কৰ্ )—গাঁৱৰ মানুহৰ মাজত বৰ মিল; **এটা তিলকো সাত ভায়েকে ভগাই খায়।**

**এটাঁৰ গোঁফকে দুটাঁৰ কৰি কালি দেখুৱা**—( বৰ চতুৰতাৰ চিনাকি দে )—তেওঁৰ চতুৰতাৰ কথা কি কবা ? **এটাঁৰ গোঁফকে দুটাঁৰ কৰি কালি দেখুৱায়,** আনে তাকে মানি লয়।

**এঠাইত কাটিলে সাত ঠাইত গজ্**—( বৰ টেঙৰ প্ৰকৃতিৰ হ )—গোটেই ৰাইজখনে সেই একেটা চোৰকে জব্দ কৰিব পৰা নাই; সি, **এঠাইত কাটিলে সাত ঠাইত গজে।**

**এঠাইৰ কুকুৰে আন ঠাইত পাগ ছুৱা কৰ্**—(কোনো কথাত কোনো সম্পৰ্ক নোহোৱা মানুহ সোমাই অপকাৰ কৰ্)—এই বিবাদটো মোৰ আৰু তেওঁৰ মাজত ; তুমি **এঠাইৰ কুকুৰ হৈ আন ঠাইত পাগ ছুৱা কৰিবলৈ আহিছা** কিয় ?

**এভেও ছুভেও লোটা নিবৰ চেও**—(ছলেৰে অসৎ কাম কৰিবলৈ চেষ্টা কৰ্)—তুমি যে **এভেও ছুভেওকৈ লোটা নিবৰ চেও** বিচাৰিছা, তাক বুজিছোঁ।

**এথানি-এৰানি**—(১। বৰ কাতৰতা। ২। নিৰাশ্ৰয় অৱস্থা)—১। পূজা চাবলৈ গৈ মো কিমান কষ্ট পালি, যে **এথানি-এৰানিখন** লাগিল ? ২। মাউৰা ল'ৰাছুটিৰ **এথানি-এৰানি** দেখি বৰ বেজাৰ লাগিল।

**এথালী আজাত এটা জালুক**—(বহুতৰ মাজত সামান্য এটা বা এজন)—এই পণ্ডিত-সভাত তুমি **এথালী আজাত এটা জালুক** ; তোমাৰ কথা বজিব কেনেকৈ ?

**এজনীয়া হ**—(হাতত থকা কাম কৰি আজৰি হ)—হাতত বহুত কাম আছে ; এইবোৰ শেষ কৰি **এজনীয়া হলে** তোমাৰ কাম ধৰিম।

**এদিনীয়া কৰ্**-(বিশ্বাস হেৰুৱা, আশা ভঙ্গ কৰ)—কথাৰ ভিতৰত তেওঁক টকাখিনি দিদি মোক **এদিনীয়া কৰিলা** ; তেওঁ মোক চাইহে তোমাক টকা দিছিল।

**এনিৰ বেলি তেনি যা**—(অযাৰত বহুত সময় যা)—তোমাক চাই চাই **এনিৰ বেলি তেনি গ'ল** ; আধকৰা কামো পৰি থাকিল।

**এনেই উৰ্বশী, ছুৱাৰে বাট দে**—(দুষ্ট মানুহক দুষ্টালি কৰিবলৈ সুবিধা দে)—ওপৰুত কথাৰ উহ লোৱাত বুঢ়ী এনেয়ে **উৰ্বশী**, তাতে আৰু **ছুৱাৰে বাট দিছা।**

**এনেই বুঢ়ী মাচনী, তাতে মাতিনীয়েকৰ বিয়া**—(বতিয়াল মানুহে আনন্দ কৰিবলৈ সুযোগ পোৱা)—যৰত সবাহ পাতি বুঢ়াৰ গাত ভং লোহোৱা হৈছে। মহৰ নো কিয় ? **এনেই বুঢ়ী মাচনী, তাতে মাতিনীয়েকৰ বিয়া।**

**এনে-তেনে**—(কিবাকিৰি—বেয়া ভাবৰ)—তোমাৰ দেখোন **এনে-তেনে** কথা শুনো ; কথাটো কি ?

**এন্দুৰে-সেন্দুৰে**—(এন-সেন কৰি, কৰোঁ-একৰোঁকৈ)—**এন্দুৰে-সেন্দুৰে** বেলাটো কটালি : বাতি খাবি কি ?

**এন্দুৰক সেন্দুৰ পিন্ধা**—(কুৎসিত প্ৰকৃতিৰ লোকক ভাল কৰিবলৈ বৃথা চেষ্টা কৰ্)—আপোনালোকে মোক সভাপতি পাতি **এন্দুৰক সেন্দুৰ পিন্ধাব** খুজিছে।

**এন্দুৰৰ গাঁত বিচাৰ্**—(কাৰো ভয়ত লুকাবলৈ চেষ্টা কৰ্—বিদ্ৰূপাৰ্থত)—তোৰ ভয়ত এতিয়া **এন্দুৰৰ গাঁত বিচাৰিবহে** লাগিল।

**এন্ধাৰত দলি মাৰ্**—(কণামুণাকৈ কোনো কাম কৰ্)—**এন্ধাৰত দলি মাৰাৰি** ভাবি চিন্তি কাম কৰাহে ভাল।

**এপখাল পৰ্**—(এবাৰ পিন্ধাৰ পিছত এবাৰ থো)—কাপোৰখন একেবাৰে নতুন নহয়। **এপখাল পৰিছে।**

**এপাট তাল অকলে মাৰাজ্**—(কাজিয়া এজনে কৰিব নোৱাৰ্)—তুমি হাজাৰে নিৰপৰাধী বুলি কোৱা, **এপাট তাল কেতিয়াও অকলে মাৰাজে।**

**এপাট কাঁড়েৰে দুই পখী মাৰ্**—(এটা কামৰ লগতে, একে কষ্টতে দুটা কাম কৰ্)—তেওঁ গৈ গঙ্গাত মৃতকৰ অস্থিও নগালে, আৰু দেশো চালে ; **এপাট কাঁড়েৰে দুই পখী মাৰিলে।**

**এবাৰ সাপে খালে কেঁচুলেকো ভয়**—(এবাৰ বিপদত পৰি, পিছলৈ বিপদ্ নাহোঁতেই ভয় পা)—সিজনী ছোৱালীও এই একে অৱস্থাতে মৰিছে ; **এবাৰ সাপে খালে কেঁচুলেকো ভয়** বুলিহে এইবাৰো ভয় কৰিছোঁ।

**এৰক-মেৰক কৰ্**—(গা লগাই কাম নকৰ্)—কামটোত ধৰিলা যদি, **এৰক-মেৰক কৰিছা কিয়।**

**এৰা পৰা-কৰ্**—(কিছু ঢিলাই দে ; কমাই দে ; শাম কাট্)—মাছটোত এটকাই লবা নে ? অলপ **এৰা-পৰা কৰা।** বৰ অলপ **এৰা-পৰা কৰিছে।**

**এৰা-পৰঅীয়া**—(মানুহে এৰি থোৱা বাবে ব্যৱহাৰ নোহোৱাকৈ থকা)—সেইবাৰ নদীৰ উৎপাতলৈ ভয় কৰি মানুহবিলাক আন ঠাইলৈ গুচি গ'ল ; এই **এৰা-পৰঅীয়া** মাটিবোৰ এতিয়াও পৰি আছে।

**এৰা ঝুটল্**—(লোকে বেয়া বুলি এৰি থোৱা বা পেলাই দিয়া বস্তু)—**এৰা ঝুটলি** খোৱা মানুহ আমাৰ দেশত এতিয়াও বহুত।

**এবাল খা**—( মুকলি অৱস্থাত খাই ফুৰ্ )—গাইজনীক **এবাল খাবলৈ** দিয়া ভাল হোৱা নাই।

**এবাল দে**—( মুকলি মুখে চৰিব পৰাকৈ এবালেৰে বান্ধি থ )—গাইজনী পথাৰত **এবাল দি** আহিছিলোঁ; কেনেকৈ মুকলি হ'ল?

**এৰি দি বেঢ়ি ধৰ্**—( সুযোগ এৰি দি আকৌ ঘূৰাই পাবলৈ চেষ্টা কৰ্ )—কিতাপখন মোক লাগিব; তোমাক **এৰি দি বেঢ়ি ধৰিব নোৱাৰোঁ।**

**এৰিবও নোৱাৰ্, বেঢ়িবও নোৱাৰ্**—( উভয় সঙ্কটত পৰ্ )—তাৰ লগত টকা-পইচাৰ লেন-দেন কৰা মস্কিল, নকৰিলেও নহয়; **এঢ়িবও নোৱাৰোঁ, বেঢ়িবও নোৱাৰোঁ।**

**এবীয়াৰ জোলোঙা যেন হ**—( নিশকতীয়া হৈ গাৰ ছাল ওলমি পৰা যেন হ )—মাথোন দুদিন জ্বৰ গাই নো এনে **এবীয়াৰ জোলোঙা যেন হব** লাগেনে?

**একলা দে**—( কোনো দায়িত্ব আনৰ গাত চপাই দি নিজে এৰাবৰ চেষ্টা কৰ্ )—এইটো কাম তুমিয়েই আৰম্ভ কৰি, এতিয়া **একলা দিলে** কেনেকৈ হব?

**এবোঁ-মেবোঁকৈ**—( গাত নলগাকৈ; মন পুতি নলগাকৈ )—এনে **এবোঁ-মোবোঁকৈ** কাম কৰিলে কামটো কেতিয়া শেষ হব?

**এলাই-জাবৰী**—( অপৰিষ্কাৰ; পৰিপাটি নোহোৱা; অধলা )—তাৰ ঘৈণীয়েকজনী দেখাত **এলাই-জাবৰী**, কিন্তু লক্ষ্মীহে যেন ঘৰ সোমাইছে।

**এলা-উলা**—( উলাই কৰিব পৰা )—মই **এলা-উলা** কথাত থকা নাই।

**এলা-পাক**—( বিনা প্ৰয়োজন; অযথা )—মই **এলা-পাকতে** ধন ভৰিলোঁ।

**এলা-পেচা**—( সহজে পাছ হোঁহকা; অলপ-ধতুৱা )—ল'ৰাটো সৰু বুলি উলাই নকৰিবা; সি বৰ **এলা-পেচা** বিধৰ নহয়।

**এশবাৰ ( বা হাজাৰ ) মুখেৰে ক**—( যিমান সম্ভৱ ডাঠি ক )—তুমি **এশবাৰ মুখেৰে কলেও** আমি এই কথা পতিয়াব নোৱাৰোঁ।

**এশ গৰু মাৰিলে বাঘৰো মৃত্যু থাক্ ( বা হ )**—( পাপ কামকৰা অপকাৰ অনিবাৰ্য )—অসৎ কাম কৰি কিমান বাৰ সাৰিবা? **এশ গৰু মাৰিলে বাঘৰো মৃত্যু আছে।**

**এশ জালুকৰ আগ**—( ভুলনাত মূল্যবান )—বুঢ়ীৰ মাজত সেই ল'ৰাটোৱেই **এশ জালুকৰ আগ**।

**এহাতৰ হল দুহাতেও কাঢ়িব নোৱাৰ্**—( বেয়া কামৰ সহজে প্রতিকাৰ কৰিব নোৱাৰ্ )—শৰাবৰ ওপৰত যিমান অত্যাচাৰ কৰিছা, তাৰ প্রতিকাৰ কৰিবা কেনেকৈ? **এহাতৰ হল দুহাতেও কাঢ়িব নোৱাৰি**।

## ঐ

**ঐদৰি-মৈদৰি**—( কৰোঁ নকৰোঁ ভাব )—এনেকৈ **ঐদৰি-মৈদৰি** কৰি থাকিলে কামটো নহব।

**ঐদেহি-বৈদেহি**—( নানা প্রকাৰ অর্থহীন কথা )—**ঐদেহি-বৈদেহি** বলকি সময় কটোৱা কিয়?

**ঐয়া-হৈয়া**—( হয় নহয়; বিবোধা-বিবোধি )—ভাই-ককাইৰ মাজত এনে **ঐয়া-হৈয়া** দেখি শত্রুৱে হাঁহিব।

## ও

**ওঁঠ চেপিলে পিয়াহ ওলা**—( কুমলীয়া বা নিচেই সৰু হ )—এই **ওঁঠ চেপিলে পিয়াহ ওলোৱা** ল'ৰাটোৱে পৰাখিতাপ চাচোন।

**ওঁঠ চেলেক্**—( খোৱাত বিবাশ হৈ লাজত পৰ্ )—আমি খাই শেষ কৰিলোঁ; তুমি এতিয়া **ওঁঠ চেলেকা**।

**ওঁঠ-পাতল**—( বৰ কথকী; পেটত কথা নথকা )—তাই বৰ **ওঁঠ-পাতল** ছোৱালী; কথা কওঁতে কওঁতে পেটৰ কথা ওলাই পৰে।

**ওঁঠৰ পানীৰে ওঁঠ তিজা**—( কথমপি জীৱন ধাৰণ কৰ্ )—তেওঁ কথমপি **ওঁঠৰ পানীৰে ওঁঠ তিজাই** আছে।

**ওকটি-মাখল গা**—( বড়-বাহাৰি ওলট-পালট কৰি বিশৃংখল কৰ্ )—বুঢ়ীয়ে সৰৰ বড়-বাহাৰি **ওকটি-মাখল পাবলৈ** ধৰিলে।

**ওকণী চা**—( চুলিৰ মাজত ওকণি খেপিয়াই খুটিয়াই চাব্ )—তেতিয়া ছোৱালী জনীয়ে মাকেকৰ মূৰত **ওকণী চাই** আছিল।

**ওকণী-শিৰ**—(মূৰ সোঁ-মাজ)—**ওকণী-শিৰত** এটা কোব মাৰিলেই কুকুৰটো মৰিব।

**ওপাইৰহ হ**—(প্ৰচুৰ হোৱা বাবে আগ্ৰহ নোহোৱা হ)—পিঠাৰ বাবে চকুত টোপনি নাই; এতিয়া দুখন খাওঁতেই **ওপাইৰহ হ'ল** নে?

**ওচৰে-পাঁজৰে**—(কাষত)—পুখুৰীৰ **ওচৰে-পাঁজৰে** চাচোন লোটাটো ক'ত আছে।

**ওজা-গিয়ানী**—(বেজালি জনা মানুহ)—ৰোগীক আগত লৈ চাই থাকিলে কি হব? **ওজা-গিয়ানী** মাতি আনি দেখুৱা।

**ওজাৰ নাকত খবে খা**—(যি মানুহ যি কামত পাৰ্গত, তাতে ঘাটি খা)—**ওজাৰ নাকত খবে খালে**; তুমি হেন মানুহটো সামান্য কথাতে হাৰিলা।

**ওটা-বোকা**—(হীন কাম কৰি পেট প্ৰবৰ্ত্ত) -সেই **ওটা-বোকাটোক** সুধিলে কি হব? তোমালোকে যি ভাল দেখা, কৰা।

**ওনা-ওনে**—(সোপা সোপে: সবহকৈ)—তেওঁ এইবাৰ **ওনা-ওনে** ধন আৰ্জিছে।

**ওমা তে**—(তে—আধা-পোৰা হ। চেষ্টা ব্যৰ্থ হ)—আমাৰ কাৰবাৰৰ এই **ওমা তেই** গ'ল।

**ওপচ-মুৰীয়া**—(পাত্ৰৰ কাণতকৈ ওখ হৈ উপচি পৰা)—চাউলদোণ দিওঁতে **ওপচ-মুৰীয়াকৈ** দিছিলোঁ; এতিয়াও তেনেকৈ ধাৰ শুজিম।

**ওপৰ-চকুৰা**—(ভল-ওপৰ নুগুণি কাম কৰা, কোনো বিষয়ৰ তলাই নোচোৱা)—তুমি যেনেহে **ওপৰ-চকুৰা**, কেতিয়া বে বিপদত পৰা, ঠিক নাই।

**ওপৰ-চাপৰ মাচা**—(বিবেচনা নকৰাকৈ কোনো কাম কৰ্)—**ওপৰ-চাপৰ নোচোৱাকৈ** কাম কৰিলে বিপদত পৰিব লাগে।

**ওপৰ-পুৰুষক ধৰ**—(উপৰি পুৰুষক ধৰি গালি পাৰ্)—মই দোষ কৰিছোঁ, মোক গালি পাৰক; **ওপৰ-পুৰুষক ধৰে** কিয়?

**ওপৰ পেটত খা**—(খোৱাৰ ওপৰত খা)—খাৱল ভাল হলে **ওপৰ পেটত খাবলৈও** তেওঁৰ আপত্তি নাই।

**ওপৰ মুখে থু পেলালে নিজৰ মুখতহে পৰ্**—(কোনো মহৎ লোকক

অপদস্থ কৰিবলৈ যাওঁতে নিজে অপদস্থ হ)—তেওঁৰ ওপৰ কথা নোকোৱাই ভাল; **ওপৰ মুখে থু পেলালে নিজৰ মুখতে পৰে।**

**ওপৰ হাত**—(বেছি ক্ষমতা থকা)—দবাৰ বাপেকে ভাবিছে, কিন্তু তেওঁৰ **ওপৰ হাত।**

**ওপৰে ওপৰে খা, ততীয়া মাৰত যা**—(কোনো কষ্ট বা দায়িত্ব নোহোৱাকৈ সুখ ভোগ কৰ্)—এই দৰে **ওপৰে ওপৰে খাই, ততীয়া মাৰত যাই** জীৱনটো কটাব পাৰিবা নে?

**ওফন্দি গঙ্গাটোপ হ**—(গওপ মাৰি ডাঙৰ হ)—হাতত সামান্য ধন পৰোঁতেই তেওঁ **ওফন্দি গঙ্গাটোপ হ'ল।**

**ওফোন্দা ভেম**—(অসাৰ্থক ভেম)—তোমাৰ এই **ওফোন্দা ভেমটো** এৰি, গৃহস্থে যি দিছে, তাকে লোৱা।

**ওফাইডাং মাৰ্**—(ডাম্ফোপ মাৰ্)—এনে বাজে কথাত **ওফাইডাং মাৰি** ফুৰিলে কি হব? নিজৰ কামহে কৰিব লাগে।

**ওভত গোৰে-নাচ্**—(ডেও পাৰ্, বৰ দুষ্টালি কৰ্)—**ওভত গোৰে নচা** মানুহৰ পতন অনিবাৰ্য।

**ওভত সোভত**—(এবাৰ আনি ওলোটাই দিয়া, ওলোটাই দি আকৌ অনা কাৰ্য)—তোমালোকৰ বস্তু বেচিব নোৱাৰি; **ওভত-সোভতখন** কোনে সহ্য কৰিব?

**ওভোতাই মোট ছেলা**—(উগ্ৰ শাস্তি দে)—এই কাম কৰা গম পালে বুঢ়াই আমাৰ **ওভোতাই মোট ছেলাব।**

**ওমা-গোমা**—(ডাৱৰীয়া)—বতৰটো **ওমা-গোমা** লগাইছে; বৰষুণ হব।

**ওৰ-গোৰ মাৰি**—(আগৰপৰা শুৰিলৈ সকলো হিচাপ কৰি; মুঠ-মাঠ)—**ওৰ-গোৰ মাৰি** পাঁচ হাজাৰ টকা দৰা-পক্ষক দিব লাগিব।

**ওৰ-ঘোৰ**—(অতিশয় প্ৰবল)—**ওৰ-ঘোৰ** টোপনিত তেওঁ তেতিয়া অচেতন।

**ওৰ ল**—(খবৰ-বাতৰি বা বুজ ল)—তেওঁ এতিয়া কি কৰি জীৱিকা উলিয়ায়, **ওৰ লবাচোন।**

**ওৰ-মুৰ**—(ইমূৰৰপৰা সিমূৰলৈ)—**ওৰ-মুৰে** আলিটো পানীত তল গৈছে; যাবা কেনেকৈ?

**ওৱা ধৰ্**—(১। নাচ-বাগ কৰিবলৈ সক্ষম হ। ২। সাজ-পাৰ বা আচৰণ আদিৰে

কিতাহি যায়)—১। নাচনিয়াৰসকলে এতিয়া **ওবা ধৰিছে;** নাচিবলৈ ওলাইছে। ২। **ওবা ধৰি** ফুৰোঁতেই সময় যায়; পঢ়িবা কেতিয়া?

**ওলোটা বেদ**—(বিপৰীত ব্যৱস্থা)—নৱমীত লাও খাব পৰা **ওলোটা বেদখনলো** তুমি ক'ৰপৰা উলিয়ালা?

**ওলোটা হাল যোৰ্**—(এক পক্ষৰ ক্ৰিয়াৰ প্ৰত্যুত্তৰ স্বৰূপে বিপক্ষয়ো এখোপ চৰাকৈ লাভ ওকট্)—বুঢ়ীয়ে মুখ মেলি যেতিয়া **ওলোটা হাল যুৰিলে,** তেতিয়া বিপক্ষৰ সকলোটি কালাংফুলুংকৈ আঁতৰি গ'ল

## উ

**উচ্ বুলিলেই আহ্**—(নীচভাৱে আনৰ কথামতে চল্)—আত্মসন্মান থকা মানুহে কোনোবাই **উচ্ বুলিলেই আহে** জানো?

**উ পাব্**—(কিলা)—চোৰৰ পিছত গিৰীহঁতে আজি **উ পাবিলে।**

**উবস নোহোৱা**—(গৰাকী নোহোৱা)—ল'ৰাটোৰ **উবস নোহোৱা** যেন পাইছ নেকি, যে যেয়ে যেনে ইচ্ছা, তেনে ব্যৱহাৰ কৰিবি?

**উৰে কিলোৱা দে**—(ৰৰকৈ কিলা)—মাকে ল'ৰাটোক গেজেপ্ গেজেপ্কৈ ছুবুৰাই **উৰে কিলোৱা দিলে।**

## ক

**কঁকাল-কটা কৰ্**—(দুৰ্বল বা নিৰুপায় অৱস্থাত পেলা)—তেওঁ দিব লগীয়া ধনখিনি নিদি কামটোত মোক **কঁকাল-কটা কৰিলে।**

**কঁকাল চাই মেখেলা**—(যথাযোগ্য বস্তু)—তোমালৈ চোলাটো ধুনীয়া হৈছে, **কঁকাল চাইহে মেখেলা।**

**কঁকাল-ছিগা কৰ্**—('কঁকাল-কটা কৰ্' চোৱা।

**কঁকাল পৰ্**—(দুৰ্বল হ)—ডেকা কালত তেওঁ কিমান বলী আছিল, এতিয়া **কঁকাল পৰাতো** তাৰ প্ৰমাণ পাবা।

**কঁকাল বান্ধ্**—(কোনো কামলৈ সচেষ্ট হ)—কামটোত **কঁকাল বান্ধি** লাগা।

**কঁকাল ভাগ্**—(বল পৰ্)—নৰিয়াত তেওঁৰ **কঁকাল ভাগিল।**

**কঁটিয়ুৰা পৰ্**—(গছৰ পাত আদি মাইকিয়া হৈ বা খীণাই যা)—ডাল-পাতবোৰ নবহলৈ নিওঁতে নিওঁতে গছজোপা **কঁটিয়ুৰা পৰি** গৈছে।

**কঁটীয়া-বজক**—(টান বাৰৰ চুটি-চাপৰ মানুহ)—সেই **কঁটীয়া-বজককটোৰে** গাত হাতীৰ বল আছে।

**কঁঠাল গুটি ফুটা দে**—'আথে ফুটা দে' চোৱা। তাৰ কথা কি শুনিবা? **কঁঠাল গুটি ফুটা দিয়ে।**

**কঁঠাল গুটিৰে ৰৰণী বা**—(অসাৰ্থক কাম কৰি কাল কটা)—**কঁঠাল গুটিৰে ৰৰণী বাই** থাকিলে কি হব? কামত ধৰা।

**কইনা-বিয়া**—(সৰু ছোৱালীয়ে পুতলাৰে বিয়া পতা খেমালি; মূল্যহীন কাম)—এই ধৰ ধৰিৰৰ ছোৱা ছোৱালীজনীয়ে এতিয়া **কইনা-বিয়াত** কাল কটাব নালাগে।

**কইনা-ঘুলন দে**—(লাহে লাহে খোজ কাঢ়্)—কিনো **কইনা-ঘুলন দিবলৈ** ধৰিলা; ঘৰ পাবা কেতিয়া?

**কচু কাটোঁতে দা ভাঙ্**—(অতি সহজ কথাতে অক্ষম বা পৰাস্ত হ)—আজি **কচু কাটোঁতে দা ভাঙিলোঁ**; এই সামান্য কথাটোকে নুবুজোঁ চোন।

**কচু ঘোঁটা দে**—(অতিশয় তাড়না দে)—ছোৱালীজনীক দিনে ৰাতিয়ে শাহুৱেকে **কচু ঘোঁটা দিব** লাগিছে।

**কচু দে**—(শিক্ষা দে, শাস্তি দে)—মোক গালি পৰাৰ **কচু দিওঁ** ৰবি।

**কচপাতৰ পানী**—(ক্ষণস্থায়ী প্ৰকৃতিৰ)—মানুহৰ জীৱনটো **কচুপাতৰ পানী** হেন।

**কচুত কঁাচি ভাঙ্**—'কচু কাটোঁতে দা ভাঙ্' চোৱা।

**কচু কটা দে**—(কাটি উজাৰ কৰ্)—অসমীয়াই শৰাইঘাটত মোগল সৈন্যক **কচু কটা দিছিল।**

**কচু জোবা দে**—(১। নিন্দা বা গালিৰে বিপক্ষক জব্দ কৰ্। ২। কচু কটা দে)—১। তাৰ টপটপনি কি চাবা? পিছত যেতিয়া তাৰ পুৰণি কথা উলিয়াই **কচু জোবা দিলোঁ**, তেওঁৱা নমতা হ'ল। ২। মানে অসমীয়া বাইজক **কচু জোবা দিছিল।**

**কচু-পাত তুলা**—(আচৰিত ঘটনা দেখুৱা)—সেই যাদুকৰটোৱে এনে কিছুমান **কচু পাত তুলা** দৃশ্য দেখুৱায়, যে বিশ্বাস নকৰি নোৱাৰি।

**কচুৰ কটাৰী**—( অকামিলা বস্তু বা মানুহ )—এই **কচুৰ কটাৰীখন** আনিলা কিয় ? ইয়াৰে কচুও কাটিব নোৱাৰি।

**কছাৰীৰ কইনা**—( কোনো কাম কিছু কৰি, মাজতে ঠেহ পতা )—ভাত খাবলৈ বহি **কছাৰীৰ কইনাৰ** দৰে ঠেহ পাতিলি কিয় ?

**কটনা কাট্**—( বেচিবলৈ বোৱা-কটা কৰ্ )—মাকে **কটনা কাটি** পুতেকক পঢ়ুৱাইছে।

**কটৰাত গল সুমা**—( নিৰুপায় অৱস্থাত পেলা )—সি কায়দা কৰি **কটৰাত তোমাৰ গল সুমাই** লৈছে।

**কটা কাণ চুলিৰে ঢাক্**—( লাজৰ কথা লুকাই ৰাখ্ )—যি হবৰ হ'ল এতিয়া কথাটো সদৰী নোহোৱাকৈ **কটা কাণ চুলিৰে ঢাকি থোৱা**।

**কটা-গছ**--( নায়কবিহীন আৰু বিপদ্‌জনক বস্তু বা প্ৰাণী )—বিধৱা জীয়েৰাক **কটা-গছ** বুলি ভাবি কাম কৰিবা।

**কটা-গছৰ তলত জিৰা**—( বিপদ্‌জনক মানুহৰ আশ্ৰয় চাপ্ )—তুমি কেনে মানুহ তুমি চিনা নাই ; কিছুদিন পিছতহে কটা-গছৰ তলত জিৰোৱাৰ মজা পাবা।

**কটা ঘাত কলা-খাৰ** (বা **খাৰণিৰ চাট**) দে—( কষ্টৰ ওপৰত কষ্ট দে )—পুতেকৰ মৃত্যুত এনেয়ে তেওঁ ম্ৰিয়মান,—এইবোৰ টান কথা কৈ **কটা ঘাত কলা-খাৰ নিদিবা**।

**কটা ঘাত-চেণ্ডা-তেল দে**—'কটা ঘাত কলা-খাৰ দে' চোৱা।

**কটা-বাজ দে**- ( মানুহৰ হাতদুখন পাছলৈ নি বা জন্তুৰ আগ-ঠেংদুখন ডিঙিৰ ওপৰলৈ তুলি টানকৈ বান্ধ্ )—**কটা-বাজ দি** ছাগলীটো আধা-মৰা কৰা কিয় ?

**কটা মুৰে**- (পিতাৰত গাৰ নোলোৱাকৈ )—**কটা-মুৰে** গুৰ খাপায়। **কটা-যোৱা** ( যাৰ কটা যাবলৈ অৰ্থাৎ মৰিবলৈ সময় হৈছে—গালি )—হেৰ **কটা-যোৱা**, তইনো এইখন কৰিব পাৰ নে ?

**কটাৰ পো**—(কটা-যোৱাৰ পুতেক,—গালি )—সেই **কটাৰ পোক** এবাৰ চাম।

**কটাক্ষ মকৰ্**—( কেৰপাক মকৰ্ ; গ্ৰাহ্য মকৰ্ )—মোৰ কথালৈ সি **কটাক্ষকে মকৰে**।

**কণ্ঠত বহুৱাই তাও্**—( প্ৰাপ্য সন্মান আদিৰপৰা বঞ্চিত কৰ্ )—এওঁক অধিকাৰ পতাৰপৰা ঘিমান মইমতালি বাঢ়ি গৈছে, **কণ্ঠত বহুৱাই** তাওিবহে লাগিল।

**কঠীয়া উতলা দে**—(উতালি মৰিদুৰ কৰ্)—জলকীয়াৰ পুলিবোৰ কোনোবাই **কঠীয়া উতলা দিলে।**

**কঠীয়া পাৰ্**—(পুলি গজিলে সেই পুলি তুলি ৰুবলৈ ধান সিঁচ্)—বৰষুণ নোহোৱা বাবে খেতিয়কে এতিয়াও **কঠীয়া পাৰিব** পৰা নাই।

**কঠীয়া মৰ্**—(সমূলি ধ্বংস হ)—বান-পানী উঠাত এইবাৰ আদাৰ **কঠীয়া মৰিল।**

**কঠীয়া মাৰ্** (সমূলি ধ্বংস কৰ)—বঙ্গাই এই পৰিয়ালটোৰ **কঠীয়া মাৰিবলৈ** বিচাৰিছিল।

**কঠীয়াহে চুটি, জেঠতে পৰা**—(দেখাত কটীয়া হলেও বয়স হোৱা; বাহিৰত অজলা যেন দেখিলেও ভিতৰি সিয়ান)—ভেওঁক চহা বুলি উলাই নকৰিবা; **কঠীয়াহে চুটি, জেঠতে পৰা।**

**কঠুৱা ছেলনি**—(অন্তৰত বেয়া ভাব ৰাখি বাহিৰত দেখুৱা ভাল ভাব)—তোৰ **কঠুৱা ছেলনিত** মোৰ অন্তৰ নগলে।

**কঠুৱা ভকতি**—(অন্তৰত শ্ৰদ্ধা নহলেও বাহিৰত দেখুৱা ভক্তিভাৱ)—তাৰ **কঠুৱা ভকতিত** মই মুগ্ধ নহওঁ।

**কড়া মাৰি কড়া খা**—(হাতেৰে আৰ্জি পেটত খা; বৰ কষ্টেৰে খা)—**কড়া মাৰি কড়া খাই** বৰ কষ্টেৰে দিন নিয়াইছোঁ।

**কণ কঠীয়া মাৰ্**—'কঠীয়া মাৰ' চোৱা।

**কণটোত মনটো ভাগ্**—(সামান্য কথাতে মনোবিচ্ছেদ ঘট্)—এই আমাৰ কথা কিমান দ'লৈ গৈছে, গম পাইছা নে? **কণটোতে মনটো ভাগে।**

**কণাক বাট দেখুৱা**—(আনৰ উপকাৰ কৰিবলৈ নিষ্ফল কাম কৰ্)—ডাক্তৰী বিদ্যাৰ এইবোৰ কথা আমাক কৈছে হয়, ই **কণাক বাট দেখুৱাহে** হৈছে। আমি এইবোৰ বুজি নাপাওঁ।

**কণা গৰু ঘূৰা দে**—(কামত উৰাদিহ নাপাই ঘূৰি ফুৰ্)—পুৰাৎপৰা **কণা গৰু ঘূৰা দিও** কামটো কৰিবলৈ সুচল পোৱা নাই।

**কণা বিধাতা**—(দুৰ্ভগীয়া মানুহে ঈশ্বৰক পৰা গালি)—মোৰ এই দুৰ্গতি **কণা বিধাতাই** দেখা নাই।

**কণা-বেহা কৰ্**—(লোকচানৰ বেচা-কিনা কৰ্)—তুমি গৰুটো সলাই কণা-বেহা কৰিলা; এইটো তোমাৰটোৰ বিয়াজতো নাবাৰ।

**কণা-মাকৰিটোৰেও গম নাপা**—(কোনো কথা অতি গুপুতে ৰাখ্)—চাবা, আমাৰ কথাটো যেন **কণা-মাকৰিটোৰেও গম নাপায়।**

**কণা মুৰি লাগ্**—(বাট হেৰুৱাই বা কিংকৰ্তব্যবিমূঢ় হৈ বিমোৰত পৰ্)—মোৰ **কণা-মুৰি লাগিছে;** পিতাই পঠায় কলেজলৈ; ককায়ে কয় চাকৰিত সোমাবলৈ; আয়ে পাতে বিয়া।

**কণাৰ দলি**—(উদ্দেশ্যলৈ লক্ষ্য নকৰাকৈ কৰা উদাসীন চেষ্টা)—**কণাৰ দলি** হিচাপেহে প্ৰশ্নটোৰ উত্তৰ দিলোঁ।

**কণাৰ দিন-ৰাতি**—(ভাল বেয়া বিবেচনা কৰা শক্তিৰ অভাৱ)—এই কথাটো মোৰ পক্ষে **কণাৰ দিন-ৰাতিহে;** ইয়াৰ মই একো নুবুজোঁ।

**কণাৰ লাখুটি**—(নিৰাশ্ৰয় লোকৰ পক্ষে একমাত্ৰ সম্বল)—এই বিপদত সেই ল'ৰাটোৱেই মোৰ একমাত্ৰ **কণাৰ লাখুটি।**

**কণা হাঁহক পতান দি ভুকুৱা**—(নজনা মানুহক বেয়া বস্তুৰে ঠগ্)—আপুনি আমাক **কণা হাঁহক পতান দি ভুকুৱাব** খুজিলেও, আমি তেনেই অবুজা বিধৰ নহওঁ।

**কণি-বিহৰ গুটি**—(মাৰাত্মক প্ৰকৃতিৰ পৰিয়ালৰ মানুহ)—এই ল'ৰাটোৰ বাপেকক জানাই; তাকো **কণি-বিহৰ গুটি** বুলি ধৰি লবা।

**কথাই কোবাই উকৰাই নে**—(কথাৰ লেথাৰিয়ে মূল বিষয়ৰ পৰা আঁতৰাই নে)—**কথাই কোবাই উকৰাই নি** যে আমাক বহুত দূৰ পোৱালে, পিছতহে গম পালোঁ।

**কথা কিল্**—(নিজৰ পেটৰ কথা ভাঙি কোৱাৰ ছলেৰে আনৰ পেটৰ কথা উলিয়াই ল)—**কথা কিলাত** তেওঁৰ সমান কাজী কোনো নাই।

**কথা গৰক্**—(কোনো কথা ভাল নে বেয়া, ভালকৈ গমি চা)—**কথা গৰকা** মানুহে ওপৰ-চাপৰকৈ কথা নকয়।

**কথা-চহকী**—(কামতকৈ কথাত বেছি পাৰ্গত)—**কথা-চহকী** মানুহৰ কথাৰ একো মূল্য নাই।

**কথা চোবা**—(অনাৱশ্যকভাৱে বহুত কথা কৈ থাক্)—**কথা চোবাই** থাকিলে পেট নভৰে।

**কথাত আঁথে ফুট্**—(কট্কট্‌কৈ কথা ক)—কণমানি ল'ৰাটোৰে **কথাত আঁথে ফুটে।**

**কথা তল পেলা**—(এটা আন কথা উলিয়াই মূল কথাটো বন্ধ কৰ্)—ৰবা, তুমি আমাৰ **কথাটো তল পেলাবলৈ** চেষ্টা কৰিছা।

**কথাত ৰ**—(প্ৰতিশ্ৰুতি অনুসৰি কাৰ্য কৰ্)—কথা কোৱা, অথচ **কথাত ৰব** নোৱাৰা কিয়?

**কথা দি কথা ল**—(পেটৰ কথা ভাঙি কোৱাৰ ছলেৰে আনৰ গোপন কথা উলিয়া; কথা কিন্)—তুমি যে **কথা দি কথা লবলৈ** আহিছা, তাক আমি বেছকৈ বুজিছোঁ।

**কথা দি**—(প্ৰতিশ্ৰুতি দে)—মই যাম বুলি **কথা দিছোঁ।**

**কথা পাগুল্**—(একে কথাকে ঘূৰাই ঘূৰাই ক)—সেই একে **কথাকে পাগুলি** থাকিলে কি হব?

**কথা-পানী**—(অনৰ্গল কথা কৈ থকা)—সেই ছোৱালীজনী বৰ **কথা-পানী।**

**কথা পিন্ধা**—(১। এজনৰ বেয়া কথা আন এজনৰ ডিঙিত জাঁৰি দে। ২। অৰ কথা ত'ত কৈ ফুৰ্)—১। কুতৰ্কী সমজুৱা এজনে এই কুকথাবোৰ এজন ডেকাক পিন্ধাব খুজিছে। ২। ইঘৰৰ **কথা** সিঘৰত **পিন্ধোৱাত** তেওঁ বৰ কাজী।

**কথা পেৰ্**—'কথা পাগুল্' চোৱা।

**কথা ফুট্** (১। কৰ পৰা হ। ২। স্পষ্ট কৈ মাত্)—১। কেঁচুৱাটোৰ **কথা ফুটিছে নে?** ২) তুমি জাঁতৰ হলে তাইৰ **কথা ফুটিব।**

**কথা ফুটি-ফাটি যা**—(গোপন কথা ৰবকৈ সদৰী হ)—তাৰ কুখ্যাতিৰ **কথা** দশোদিশে **ফুটি-ফাটি গৈছে।**

**কথা বান্ধ্**—(কোনো বিষয়ে কথাৰে বন্দবস্ত বা প্ৰতিজ্ঞা কৰ্)—তালৈ কেতিয়াও নাযাওঁ বুলি আমি **কথা বান্ধিছোঁ।**

**কথা বুলিলে বতাহ বল্**—(বেগাই বাষ্ট্ৰ হ)—**কথা বুলিলে বতাহ বলে।** এই কথা বাষ্ট্ৰ হবলৈ কিমান পৰ?

**কথাৰ আঁত**—(আলোচ্য বিষয়ৰ গুৰি)—তৰ্কাতৰ্কি কৰোঁতে **কথাৰ আঁত** হেৰুৱাই পেলাইছিলোঁ।

**কথাৰ কথা**—(কথাৰ লগৰ প্ৰাসঙ্গিক বা যোগ্য কথা ; টান বিষয়)—এইটো একো **কথাৰ কথা** নহয়।

**কথাৰ চেও**—(কথা কোৱাৰ ভাও, ভঙ্গী বা কৌশল)—তেওঁৰ **কথাৰ চেও** বৰ সুন্দৰ।

**কথাৰ চল** (কথা-প্ৰসঙ্গ)—**কথাৰ চলত** তেওঁক পেটৰ কথাটো কলোঁ।

**কথাৰ ধাৰ**—(কথাৰ সোঁত, আলোচনাৰ মুখ্য গতি)—তোমালোকৰ **কথাৰ ধাৰ** বুজি পালেহে ময়ো খেও দিব পাৰোঁ।

**কথাৰ নাল**—(কথা ভাবিবলৈ, ধুন লগাবলৈ বা কথা কোৱাৰ অভ্যাসত কিছুমান নিৰৰ্থক বা অপ্ৰাসঙ্গিক কথা কোৱা হয়,—এনেবোৰ কথা)—পিছে, **কৃষ্ণক চিন্তি**, তুমি তাক কিয় মাৰিলা? **কথাৰ নালবোৰ** এৰি আচল কথাটো কোৱা।

**কথাৰ মহলা**—(পাৰ্তালিবে কোৱা কথা)—**কথাৰ মহলা** মাৰিয়েই থাব পাৰিবা নে?

**কথাৰ মুৰত**—(কথা-প্ৰসঙ্গত)—**কথাৰ মুৰত** কথা ওলায়।

**কথাৰ মুৰ মৰ্**—(আলোচনাৰ ঠাই নোহোৱা হ)—তেনেহলে আমাৰ **কথাৰ মুৰেই মৰিল**, আমি যাওঁহ।

**কথা ৰো**—(ভবিষ্যতলৈ বাবে আহিব পাৰে বুলি কোনো কথা কৈ থ)—এই আমাৰ কথা কৈ মই **কথা ৰবলৈহে** আহিছোঁ।

**কথা শুন্** (১। পৰামৰ্শমতে কাম কৰ্। ২। টান কথা শুন্)—১। সি মোৰ **কথা নুশুনে** যেতিয়া, টান কথা কৈ কি লাভ? ২। তোৰ কাৰণে আজি বহুত **কথা শুনিব** লগীয়া হ'ল।

**কথা শুনি তল যা** (বৰকৈ বিস্মিত হ)—'গড়গাঁও গড়গাঁও, কথা শুনি তল যাওঁ।'

**কথা হ**—(১। আলাপ কৰ্। ২। আলোচনা কৰ্)—১। কলেজৰ নতুন অধ্যক্ষজনক দেখিছোঁহে, **কথা হব** পৰা নাই। ২। মই তেওঁৰ লগত এই বিষয়ে **কথা হৈ** চাম।

**কন্দাৰ পৰ ফেকুৰি কটা**—(যেতিয়া যিটো কৰিব লাগে, তাকে নকৰি অনাবত সময় নষ্ট কৰ্)—এতিয়াতে যে টিৰম-খিলাই আছা, কামটো নকৰিলা কিয়? **কন্দাৰ পৰ** ফেকুৰি কটালে পিছত সময় ক'ত পাবা?

**কন্ধ-পৰা**—( ধ্বংস হোৱা—গালি )—'হেৰ জানি তোৰ আজি পৰিবেক **কন্ধ।**' হেৰ **কন্ধ-পৰা,** ভাত খাব্‌ বোলে, এতিয়া নাখাব কিয়?

**কন্ধ পাত হ**—( কন্ধ পৰ্—গালি )—হেৰ **কন্ধ-পাত-হোৱা,** তই নো এইখন কৰিব পাৰ নে?

**কন্যাকাল হ** ( বিয়াৰ বয়স হ) -'ৰুক্মিনী জীয়াৰী মোৰ **হৈলা কন্যাকাল।**'

**কপালক খিয়া**—( কপালত যি আছে হব বুলি ভাবি থাক )—**কপালক খিয়াই** বহি থকাই আমাৰ স্বভাব।

**কপাল খা**—( নিজৰ সৌভাগ্য নাশ কৰ )—নাযাওঁ বুলিছ হয়, নিজৰ **কপাল খাবি।**

**কপাল খেপিয়া**—( সৌভাগ্যবান হ ) পঞ্চাশ টকা দিলেহোন তই **কপাল খেপিয়াবি।**

**কপাল ঠুকি কৰ**—( কপালক খিয়াই কৰ্ )—কামটো **কপাল ঠুকি কৰি** আহিলোঁ, কি হয়, কব নোৱাৰোঁ।

**কপালত জুই লাগ্**—( সৌভাগ্য নষ্ট হ )—বুঢ়াৰ **কপালত জুই লাগিল;** ভাইৰ ধন-সোণ সোপাকে চোৰে নিলে।

**কপাল ধুই আহ্**—( দুৰ্ভাগ্যৰপৰা সৌভাগ্যবান হ )—পাৰ এযোৰ আঠ অনাত পাৰলৈ কালদিয়া নদীত **কপাল ধুই আহগৈ।**

**কপাল ফুট্**—( ভাগ্য লোপ হ )- তোৰ **কপাল ফুটিছে;** এই বিপদৰপৰা ৰক্ষা নাই।

**কপাল ফল্**—( ভাগ্য উদয় হ )—তেওঁৰ **কপাল ফলিল;** লটাৰীত দহ হাজাৰ টকা পালে।

**কপাল ফুল্**—'কপাল ফল্' চোৱা।

**কপাল বেয়া হ**—( দুৰ্ভাগ্য হ )—**কপাল বেয়া হলে** মানুহৰ কোনো কালে ভাল নহয়।

**কপাল মুকলি হ**—( দুৰ্ভাগ্য আঁতৰি যা )—লাহে লাহে তেওঁৰ **কপাল মুকলি** হ'ল; শত্ৰুবিলাকো আঁতৰিল।

**কপালৰ আঁক**—( বিধাতাই কপালত লিখি দিয়া সুখ-দুখ )—কোনে কাৰ **কপালৰ আঁক** মচিব পাৰে?

**কপালৰ গাঁঠি**—( দুৰ্ভাগ্য )—**কপালৰ গাঁঠি** তেওঁৰ কেতিয়া মুকলি হব ?

**কপালৰ গাঁঠি খোপা কৰ্**—( বৰকৈ খং উঠাত কপাল কোঁচ খা )—কথা কওঁতেই তুমি দেখোন **কপালৰ গাঁঠি খোপা কৰিলা** ?

**কপালৰ গাঁঠি মুকলি হ**—( কপালত লিখা দুৰ্ভাগ্যৰ অন্ত হ )—মোৰ দৰে দুৰ্ভগীয়াৰো **কপালৰ গাঁঠি মুকলি হব** নে ?

**কপালৰ ঘাম মাটিত পেলা**—( বৰকৈ পৰিশ্ৰম কৰ্ )—খেতিয়কে **কপালৰ ঘাম মাটিত পেলাই** সোণ আজে।

**কপালৰ ফেৰ**—( ভাগ্যৰ বল )—বৰ **কপালৰ ফেৰ** বুলিছোঁ, তেওঁৰ দৰে ডেকাত পদুম ফুল যেন ছোৱালী পালে।

**কপালৰ ফোঁট মচ্**—( বিধৱা হ ) হতভাগিনীয়ে **কপালৰ ফোঁট মচিলে** ; ফুলতে বাঁবী হ'ল।

**কপাৰ লিখন**—( বিধিৰ বিধান )—পুত্ৰশোকত দুখ কৰি লাভ নাই, **কপালৰ লিখন** কোনে এৰাব ?

**কবুল কৰ্**—( অঙ্গীকাৰ কৰ, প্ৰতিশ্ৰুতি দি )—তেওঁক পাঁচ শ টকা দিম বুলি **কবুল কৰিছোঁ**।

**কম কথা** -( এলা-পেচা কথা ) সি **কম কথাত** এই পুৱাই অহা নাই।

**কয়েদ কৰ্**—( অধিকাৰ নোহোৱা বস্তুকো নিজৰ দৰে জোৰ কৰ্ )—কি **কয়েদ কৰিবলৈ** আহিছা ? গাইজনী নিদিওঁ বুলিছোঁ, নিদিওঁ।

**ক'ৰ ঢেকুৰী ক'লৈ আহিছ বুলি নোসোধ্**—( কুকুৰৰ দৰে তাচ্ছীল্য কৰি সোধ-পোচ নকৰ্ ) সেই ঠাইত আমাক **ক'ৰ ঢেকুৰী ক'লৈ আহিছে বুলি সুধিলেই**।

**ক'ৰ পানী ক'লৈ যায় চা**—( কোনো কথাৰ ভাব-গতি লক্ষ্য কৰ্ )—সমাজে মো কি কৰে, -**ক'ৰ পানী ক'লৈ যায় চাওঁৰেই** ৰবা।

**ক'ৰবাৰ কোনোবা**—( নিলগৰ, সম্বন্ধ নথকা মানুহ )—**ক'ৰবাৰ কোনোবাৰ** দৰে এনেকৈ যাব নোৱাৰা ; খাই-বৈ যোৱা।

**কৰম-কানি**—( প্ৰেতকৰ্ম দি )—এই ল'ৰাটোৱেই মোৰ **কৰম-কানিৰ** অধিকাৰী।

**কৰম-কাৰী** ( প্ৰেতকৰ্ম ত ক্ৰিয়াধাৰী )—**কৰম-কাৰীয়ে** পাভতহে অন্ন খাবে।

**কৰৰপৰা কণ্ঠলৈ গোটা**—(আদ্যোপান্ত হিচাপ কৰ্: লাভালাভ ভালকৈ বিবেচনা কৰ্)—লাভ হব নে লোকচান হব, **কৰৰপৰা কণ্ঠলৈ গোটাই** নোচোৱাকৈ ভেউ মাটি নিদিবনে।

**কৰা খা** (আনৰ শ্ৰমৰপৰা সুখ ভোগ কৰ)—তোমাৰ **কৰা-খোৱাটৈল** মই আশা নকৰোঁ।

**কৰাতৰ-কাজী** (কৰাতৰ - কৌশল। কোনো গুণ বা কামত পাৰ্গত)—**কৰাতৰ-কাজী** নহয় বুলি মা'ক পুতেকক গালি পাৰিছে।

**কৰি কৰি মুৰা-কুক ভৰা** -(বৰ পৰিশ্ৰম কৰি, কৰ্মফল মুখ নোহোৱা কুকত ভৰা, অৰ্থাৎ বৰকৈ পৰিশ্ৰম কৰ —ব্যঙ্গাৰ্থত) তাৰ কথা নকবা; সি **কৰি কৰি মুৰা-কুক ভৰাব** লাগিছে।

**কৰি খা** -(পৰিশ্ৰমৰদ্বাৰা জীৱিকা উপাৰ্জন কৰ্)—এওঁলোক **কৰি খোৱা** মানুহ, ৰাজনীতি বা কুট-নীতি কি নাজানে ?

**কৰি-ধৰি গৰীয়া নাম ল (বা পাৰ্)**—(কোনো কাম অসম্পূৰ্ণ কৈ এৰি ছুটি ল)—**কৰি-ধৰি গৰীয়া নাম লোৱাৰ** দৰকাৰ নাই বাকী কামো কৰি পেলোৱা।

**কৰিবলৈ কুঁৰীয়া, খাবলৈ যম**—(কৰাৰ সময়ত সোৰোপালি কৰি, খোৱাৰ সময়ত সৱাতকৈ আগ বাঢ়্)—তই **কৰিবলৈহে কুঁৰীয়া, খাবলৈ যম**; মই কিন্তু তোক এনেকৈ পুহি থাকিব নোৱাৰোঁ।

**কৰ্ণৰো অগোচৰ** -(সম্পূৰ্ণ অবিদিত)—তুমি যে আহিবা, সেই কথা আমাৰ **কৰ্ণৰো অগোচৰ**।

**কৰ্ম-চণ্ডাল**—(শাস্ত্ৰীয় ক্ৰিয়াকাণ্ড পতিত কৰা মানুহ) তুমি যে ল'ৰাটোৰ এটা কৰ্মও নকৰালা, তাক **কৰ্ম-চণ্ডাল** কৰি ৰাখিবা নেকি ?

**কৰ্ম-মল কাট্**—(কুকৰ্মৰপৰা হোৱা দোষ আদিৰপৰা উদ্ধাৰ কৰ্)—আজি তোৰ **কৰ্ম-মল কাটিবলৈ** মোক লগা হৈছে; দুদিন পিছত এই শলাগ পুৰি খাবি।

**কৰ্মৰুগীয়া**—(পূৰ্বজন্মৰ কৰ্মৰ ফলত হোৱা ৰুগীয়া; চিৰ-ৰুগীয়া)—তাৰ চিকিৎসা কৰি কি হব ? সি কৰ্ম-ৰুগীয়া মানুহ।

**কলকলীয়া হৈ থাক্**—(তেজাল হৈ থাক্)—মাছকেইটা এতিয়াও **কলকলীয়া হৈ আছে**।

**কল খোৱা ধাতু উৰি যা**—( কল খাই কেঁচুৱা ডাঙৰ হয়, —এই অৰ্থত মাউ যা )—তৰা বাৰিষা পুইতৰ বুকুত চুচি-নাৱত **কল খোৱা ধাতু উৰি যোৱা** যেন পাওঁ।

**কল খোৱা ধাতু উলিয়া**—( কাৰোবাক কষ্ট দি ধাতু বাজ কৰাৰ নিচিনা কৰ্ )—তোৰ আজি **কল খোৱা ধাতু উলিয়াম**।

**কলগছ পৰা দি**—( দীঘলে দীঘলে আকাশ খাই পৰ )—পিছল চোতালত সি **কলগছ পৰা দিলে**।

**কলত ঢোকা ৰ, ঢোকাত কল ৰ** ( পৰস্পৰৰ সাহায্যত বতি থাক—**কলত ঢোক বোৱা, ঢোকাত কল বোৱাৰ** দৰে একে ঠাইৰ মানুহে পৰস্পৰক সাহায্য কৰিলেহে সকলোৰে মঙ্গল হয়।

**কলতলে বাঁহতলে**—( মানুহে নেদেখা আওচৰীয়া ঠাইত ) **কলতলে বাঁহতলে** শত্ৰুৱে পিছা দি দিছে।

**কল দি ভুককা** -( সামান্য বস্তু দি ছলনা কৰ্ )—সি **কল দি ভুককাই** তোমাকো তাৰ ফলীয়া কৰিছিল ; পিছে এতিয়া কি বুজিলা ?

**কলপ কাট**—( ১। গাৰ ছাল বা মোট সলা। ২। বিপদৰপৰা সাৰ্ )—(১) সাপটোৱে **কলপ কাটিছে** ; সেই দেখি বেগাই যাব পৰা নাই। (২) পিতাকৰ মৃত্যুত তেওঁ এটা **কলপ্ কাটি** উঠিল।

**কলপ্ কলপ্ কৰ্**—( অতি কষ্টেৰে কাল কট )—সিহঁতে খাবলৈ নাপাই **কলপ্ কলপ্ কৰিছে**।

**কলপ্-জলপকৈ** ( অতি কষ্টেৰে, কলে-জপেকৈ —পিতাৰ মৃত্যুৰ পিছত **কলপ্ জলপকৈ** কাল কটাইছোঁ।

**কলপুলিৰে বিয়া হ** ( তিৰোতা মানুহ আজীৱন আবিয়ৈ হৈ থাক—আত্মশুদ্ধিৰ কাৰণে এনে তিৰোতাক মৃত্যুৰ পূৰ্বে কলপুলিৰ লগত বিয়া দিয়া হৈছিল ) তোক আৰু কোনে নিব ? **কলপুলিৰেহে বিয়া হব**।

**কল পেলাই কল ভাঙ** —( এজনৰদ্বাৰা আন এজনৰ অপকাৰ কৰ )—এনেকৈ **কল পেলাই কল ভাঙিলে** নো এই গাঁৱত থাকিবা কেনেকৈ ?

**কলম ছুই দি** ( নিজৰহে কোনো কথা লিখিবলৈ আনক ক্ষমতা দি )—আপুনি যদি বাতি 'দৰ চকু নহলে মণিব নোৱাৰে, **কলম ছুই দিলেই হব**।

**কলম দি** -( কৰলৈ ডালত শিপা ধৰা )—জেঠ মাহত টেঙাজোপাত **কলম দিব**।

**কলহৰ কাণে ঢাল্**—( ৰৰকৈ ৰৰষুণ দি )—আজি ৰৰষুণ **কলহৰ কাণে ঢালিছে**।

**কলহৰ কাণেদি ঢালি দি, টৌপ ধৰিও নপৰ**—( কথাত উদাৰতা দেখুৱাই কামত কৃপণালি কৰ )—তেওঁ বৰ দানী মানুহ; পিছে, **কলহৰ কাণেদি ঢালি দিয়ে** হয়, **টৌপ ধৰিও নপৰে**।

**কলা ধাতু**—( কিঞ্চিৎমান জীউ: সামান্য ভৎ ,—মেকুৰীটো মৰিছেই; **কলা ধাতুটোহে** আছে।

**ক'লা পৰ**- ( নিস্তেজ হ )—মানুহজন জ্বৰৰপৰা উঠি একেবাৰে **ক'লা পৰি** গৈছে।

**কলা বগা সাত বৰণীয়া হ** ( কোনো কথাত ধৰা পৰি বা পৰশ্ৰীকাতৰতাত বিবৰ্ণ হ )- তেওঁৰ উন্নতিত মাহী-মাক **ক'লা বগা সাত বৰণীয়া হবলৈ** ধৰিলে। সেইতিয়া তাৰ আচল কথাত ধৰিলোঁ, সি তেতিয়া **ক'লা বগা সাত বৰণীয়া হবলৈ** ধৰিলে।

**কলা লাগ**—( ১। কাণেৰে শুনা হ। ২। নবজা হ )—১। নৰিয়াৰপৰা উঠি সি **কলা লাগিছে** ২। পেঁপাটো **কলা লাগিল**।

**ক'লা সূতাৰ বতিয়া যেন হ**—( শুকাই খীণাই যা )—মাক মৰাৰপৰাই ছোৱালীজনী **ক'লা সূতাৰ বতিয়া যেন হৈ** গৈছে; আগৰ চেহেৰা এতিয়া নাই।

**কলিকতীয়া ফাঁকি**—( ডাঙৰ ফাঁকি )—তাৰ **কলিকতীয়া ফাঁকিত** ভোল নাযাবা

**কলিজা খা**—( কাৰো সৰ্বনাশ কৰ )—সি তোৰ **কলিজা খাব** বুলি প্ৰতিজ্ঞা কৰিছে।

**কলিজাত ধৰাকৈ ক**—( মৰ্মস্থানত আঘাত লগাকৈ ক )—তেওঁক এনেকৈ **কলিজাত ধৰাকৈ কৈছা** কিয়?

**কলিয়ে পা**—( বেয়া বুদ্ধিয়ে লগ ধৰ )—তই যে এইবোৰ কাম কৰি ফুৰ, তোক নো কি **কলিয়ে পাইছে**?

**কলিৰ নাৰকী**—( অতি অসৎ প্ৰকৃতিৰ লোক )—তোৰ সমান **কলিৰ নাৰকী** কোন আছে?

**কলি লাগ্**—'কলিয়ে পা' চোৱা।

**ক'লীয়া-পানী**—(আন্দামানলৈ নি দিয়া জনম-ফাটক)—এই দোষৰ বাবে তোৰ **ক'লীয়া পানী** নহয়, ভয় নকৰিবি।

**কল্প সলা**—'কলপ্ কাট' চোৱা।

**কহুৱা চোৰ**—(কোনো বিশেষ কামৰ বাবে অলায়ক লোক)—আজুৱা বামুণ্ড **কহুৱা চোৰ**, এনে মানুহৰদ্বাৰা কাৰ্যসিদ্ধি নহয়।

**কাঁইটৰ মাজত গোলাপ ফুল**—(দুখকষ্টৰ মাজেদিহে সৌভাগ্য উদয় হয়)—কষ্টৰ পৰিশ্ৰমলৈ ভয় নকৰিবা, মানুহ সৌভাগ্যশালী হয় এনেকৈয়ে। **কাঁইটৰ মাজতহে গোলাপ ফুল।**

**কাঁকৈ-ছিৰা মেল্**—(নিচেই সৰু সৰুকৈ ফাট্) এইডোখৰ কাঠত বৰকৈ **কাঁকৈ-ছিৰা মেলিছে;** আন এডোখৰ দিয়া।

**কাঁচৰ দৰত মাণিক বিক্**—(মূল্যবান বস্তুক উপলুঙা কৰ)—সামান্য সুখৰ বাবে ডেকা কাল অনাহকত কটাই **কাঁচৰ দৰত মাণিক বিকিছিলোঁ।**

**কাঁটা উঠ্**—(গৰকে গাপাই যা) নবিয়াত লৰাটো তেনেই **কাঁটা উঠিল।**

**কাঁড় যোৱা দি**—(বৰ বেগাই যা)—সাপটোৱে **কাঁড় যোৱা দি** ভেকুলীটো ধৰিলেগৈ।

**কাঁথিৰ কুকুৰ নলৰ্** (এতাহ বৰষুণ দিয়া বতৰ হ) এনে **কাঁথিৰ কুকুৰ নলৰা** দিনতো আপুনি অহা দেখি বৰ বং পালোঁ।

**কাঁথিৰ কুকুৰে বাট এৰি নিদি**—(সকলোৱে অৱজ্ঞা কৰিব পৰা দুৰ্দিন হ)—দিন বেয়া হলে **কাঁথিৰ কুকুৰেও বাট এৰি নিদিয়ে।**

**কাঁথিৰ কুকুৰে বাতৰি নাপা**—(অতি সহজে কোনো টান কাম সম্পন্ন হ)—প্ৰসন্ন চেষ্টাত কোনো দিগদাৰ নহিল, এনেকি **কাঁথিৰ কুকুৰেও বাতৰি নাপালে।**

**কাঁহ পৰি জিন যা** (সম্পূৰ্ণ নিজম বা নিস্তব্ধ হ)—তেওঁ আহিলত সমস্ত্ৰাসকলে হাই-উৰুমি কৰিবলৈ এৰিলে, যেন **কাঁহ পৰিহে জিন গ'ল।**

**কাঁহি-পাতে গা নাকাট্** (সামান্য কষ্টও নোপোৱাকৈ থাক, সাংসাৰিক দুখ কষ্ট আদি নজনাকৈ থাক)—ডাঙৰ হলেহে বুজিবা সাংসাৰিক জীৱন কেনে; এতিয়াও তোমাৰ **কাঁহি-পাতে গা কটা নাই।**

**কাঁহে কাঁহে লাগিলে বাজ্**—(সামান্য বিষয়তে কাজিয়া লাগ্)—তোমা-লোকৰ দেখোন **কাঁহে কাঁহে লাগিলেই বাজে**; এনেকৈ চলিব কেনেকৈ?

**কাউ বাউ কৰ্**—('বৰকৈ কাকুতি-মিনতি কৰ্)—এমুঠি ভাতৰ বাবে মগনীয়া-টোৱে **কাউ বাউ কৰিবলৈ** ধৰিলে।

**কাউৰী-কুকুৰা মাটিত নৌপৰোঁতে**—(ৰাতি নাট্ ফুটোঁতেই)—**কাউৰী-কুকুৰা** মাটিত নৌপৰোঁতেই সাহোতা ঘাটৰ পানী তুলি আনিবা।

**কাউৰী-কুকুৰালৈ**—(সকলো লৰা-ছোৱালীলৈকে)—**কাউৰী-কুকুৰালৈ** ভাত দিয়াটো নাপাহৰিবা।

**কাউৰী খেদি ভাত খা** (বৰ কষ্টৰে জীৱন কটা)—পিতাকে কলে,—'মোৰ ছোৱালীজনীয়ে **কাউৰী খেদি ভাত খাব**; তথাপি তেনে কুকৰ্ম কৰি ৰাজৰাণী হবলৈ নাযায়।

**কাউৰী-ঘুমটি** (আধা-মেলা চকুৰে মৰা চিলমিলীয়া টোপনি)—সি কেনেকৈ **কাউৰী-ঘুমটি** মাৰিছে চোৱা, চকু আধা-মেলা হৈ আছে।

**কাউৰী ঠেঙীয়া** (কাউৰীৰ ঠেঙৰ নিচিনা ভঙুৰ)—মোৰ **কাউৰী-ঠেঙীয়া** আখৰবোৰ দেখি নাহাঁহিবা।

**কাউৰী-বাঁজী**—(মাত্ৰ এটা সন্তান হৈ আৰু নোহোৱা)—আমাৰ গাঁৱত **কাউৰ বাঁজী** তিনিজনী আছে।

**কাউৰীয়া হ**—(অপদস্থ হ)—তুমি **কাউৰীয়া হোৱা** দেখি আমি ভাল পাম নে?

**কাউৰীয়ে কা কা কৰা পৰ**—(নিচেই ৰাতি পুৱা)—**কাউৰীয়ে কা-কা কৰা পৰতে** উঠি কামত ধৰিছোঁ।

**কাউৰীয়ে ঢুঁহা কঁঠাল যেন কৰ্**—(নানা প্ৰকাৰৰ উৎপাত বা অত্যাচাৰ আদিৰে অৱস্থা শোচনীয় কৰ্)—তেওঁৰ মৃত্যুৰ পিছত গোটেই গৃহস্থালীখনকে শত্ৰুৱে **কাউৰীয়ে ঢুঁহা কঁঠাল যেন কৰিলে**।

**কাউৰীৰ বাহত কুলি পৰ্**—(বৰ চিঞৰ-বাখৰ লাগ্)—সেই ঘৰত দেখোন **কাউৰীৰ বাহত কুলি পৰা** যেন হৈছে; কিনো হৈছে?

**কাউৰী-শগুনেও নোখোৱা অৱস্থা হ**—(অতিশয় শোচনীয় অৱস্থা হ)—এই মৰিলে তোৰ **কাউৰী শগুনেও নোখোৱা অৱস্থা হব**।

**কাণ ওলা**—( কাণ—কাণৰ ওচৰৰ হাড়। শুকাই খীণাই যা ) লৰাটো সৰুৱেপৰা ৰৰ **কাণ ওলোৱা**।

**কাকো পৰ্, তাকো সৰ্**—( আকস্মিক ভাৱে দুটা কাম একেলগে ঘট্ )—কিনো **কাকো পৰে, তাকো সৰে**, মযো ভেনেকৈ কলোঁ, তেওঁবো ঠিক তেনেই হ'ল।

**কাচৰৰ পেৰী**—( কাচৰ অসমৰ এজাতৰ ডাঙৰ ম'হ ; গতিকে, ৰৰ ডাঙৰ-দীঘল, শকত-আৱত তিৰোতা )- **কাচৰৰ পেৰীজনীক** তুমি বোলে বিয়া কৰাবা ?

**কাছুই গল লুকালেও টানি কাট্**—( জব্দত পেলাই ইচ্ছামতে শাস্তি দি )—সি সাৰে ক'ত ? **কাছুই গল লুকালেও টানি কাটিম**।

**কাছ্-পাৰ** ( ভাল ক কাপোৰ কানি পিন্ধ ) **কাছ্-পাৰ্** কৰোঁতে তেওঁক এনেকুৱা লাগে ।

**কাছুটি এৰ**—( বিতত হ ) বিপদত পৰি তেওঁ **কাছুটি এৰিছে**।

**কাটিক নাকাটিক দা এখন** ( অকামিলা হলেও নামত সম্বল )- তাই কোনো কামৰ লায়ক নহলেও অন্তত- সান্ত্বনা এজনী, **কাটিক নাকাটিক দা এখন**,—এই কথা মনত ৰাখিবা।

**কাটি কৰ্** ( গুণকাৰী হ )—কিমান যে দৰব খুৱালোঁ, বেমাৰে **কাটি নকৰে**।

**কাট-বাট**—( সুযোগ সুবিধা )—**কাট-বাট** চাই কাম কৰিলেহে কাম সিজে।

**কাটি-দোকানী ( বা বেপাৰী )** ( ছলাহী বেপাৰী, কমকৈ বস্তু বেচি ঠগোৱা বেপাৰী )—সেই **কাটি-দোকানীটোৰপৰা** একো নিকিনিবা।

**কাটিলেও কটা নাযা, কুটিলেও কুটা নাযা** ( লাজ বা অপমান দিলেও গণ্য নকৰ্ ) তাক লাজ দিলে, অপমান কৰিলে কি হব ? সি **কাটিলেও কটা নাযায়, কুটিলেও কুটা নাযায়**।

**কাটি কাটি ডেকুৰ দি**—( নানা প্ৰকাৰে শাস্তি-শলা দি )—দুদিন পিছতহে বুজিবি, শহুৰবাৰীত গলে তোক **কাটি কাটি ডেকুৰ দিব**।

**কাঠ-কঠিন** ( কাঠৰ দৰে টান, নিৰ্মম )—তাৰ দৰে **কাঠ-কঠিন** মানুহ আমি দেখা নাই

**কাঠ-কুঠাৰ**—( বৰ কিপিন)—তেওঁৰ দৰে **কাঠ-কুঠাৰ** মানুহৰপৰা একো সহায় নোপোৱা।

**কাঠ-চৰ**—( বৰ ডাঙৰ চৰ )—এটা **কাঠ-চৰ** খাই সি বাগৰি পৰিল।

**কাঠ-চিত**—( নিৰ্দয় অন্তৰ )— মাকৰো এনে **কাঠ-চিত** হব পাৰে, এনে কথা শুনা নাই।

**কাঠ-বাঁজী**—সন্তান উৎপাদনৰ শক্তি নোহোৱা তিৰোতা )— **কাঠ-বাঁজী** বুলি সতিনীয়েকে তেওঁক হাঁহে।

**কাঠ বান্ধ (বা মাৰ)** ( কাঠৰ নিচিনা টান হ )—বাৰী পেক, **কাঠ বান্ধিছে**, কৰা কেনেকৈ ?

**কাঠ-বুকু**—'কাঠ-চিত' চোৱা।

**কাঠৰ কঠুৱা** ( কাঠতকৈও টান )—এই কৃপণটো বৰ **কাঠৰ কঠুৱা** প্ৰকৃতিৰ মানুহ।

**কাঠৰ পুতলা** আনৰ নিৰ্দেশমতে চলা মানুহ )— ইংলণ্ডৰ ৰজা নামতহে ক্ষমতা-শালী, প্ৰকৃততে এটি **কাঠৰ পুতলা**।

**কাঠৰ পোকে কাঠ খাই থাক**—( আনৰ দৰম ব পুতৌ নোপোৱাকৈ দিন কটা ) কণ কণীয়া পৰিয়ালত উপজিও, কেঁচুৱাতে মাউৰা হৈ, তাই **কাঠৰ পোকে কাঠ খাই** চলিব লগা হৈছিল।

**কাঠ হাঁহি**—( নিষ্ঠুৰ হাঁহি )—কৃপণে **কাঠ-হাঁহি** মাৰিলে।

**কাঠী-চেলেকা**—( কুসঙ্গত পৰি সামান্য দোষত দোষী )—খাই বৈ বোলা বৰলৈ গ'ল; **কাঠী চেলেকাৰ** মৰণ হ'ল।

**কাণ-কটা**- ( বৰ দুষ্ট বুলি জনাজাত )—সেই **কাণ-কটা** গাঁওবুঢাটোৰ ঘৰ ক'ত ?

**কাণ কৰ**—( মনোযোগ দি )—তেওঁ কি কৈছে, মই **কাণ কৰা** নাই।

**কাণ কলা কৰ**—( একে কথাকে কৈ থাক )—তাইৰ কথা কৈ কৈ তুমি মোৰ **কাণ কলা কৰিলা**।

**কাণ কলা হ**—( একে কথাকে শুনি বিৰক্তি লাগ )—তাৰ কথা আৰু নকবা; শুনি শুনি **কাণ কলা হ'ল**।

**কাণ কাটি তাল বজা**—( উগ্ৰ শাস্তি দি )—তোৰ দুষ্টালি চাইহে আছোঁ, ধৰিব লাগিলে **কাণ কাটি তাল বজাম**।

**কাণ কাটিলে জুলি তৰ্**—(বহুত মানুহ থাক্)—তেওঁৰ মিতিৰ কুটুম বহুত; **কাণ কাটিলে জুলি তৰে।**

**কাণ খোলা কৰ্**—'কাণ কলা কʼৰ' চোৱা।

**কাণ খোলা হ**—'কাণ কলা হ' চোৱা।

**কাণ-চকু দি**—(নজৰ ৰাখ্)—তেওঁ নিজৰ ছোৱালীবোৰৰ পঢ়া-শুনাত অলপো **কাণ চকু নিদিয়ে।**

**কাণ ছুৱাই থ**—(শুনিবলৈ দি; জনাই থ)—তুমি নাভাবিবা, মই তাক আগতেই এই কথাটো **কাণ ছুৱাই থম।**

**কাণ জাগ**—(নাভিত কাণ লগাই কেঁচুৱাৰ পেটৰ অসুখ বন্ধাবলৈ মাকে বা আনে কৰা ক্ৰিয়া)—ল'ৰাটোৰ পেটত তেল দি ৰাতি মাকে **কাণ-জাগ** দিব।

**কাণত কাপোৰ দি থাক্**—(একো গম নোপোৱা ভাও জুৰি থাক) এতিয়া আৰু **কাণত কাপোৰ দি থাকিলে** কি হ'ব? বিয়া আহি পালেই দেখোন।

**কাণ টাহ মাৰ্**—(ডাঙৰ শব্দ শুনি কাণত সোপা মাৰি ধৰ)—পুৱাবেলা চিঞৰ বাখৰত মোৰ **কাণ টাহ মাৰি** ধৰিছে।

**কাণ-টাহা**—(১। গালৰ চকুৰ ভিতৰত থকা হাড়। ২। মাছৰ গাল)—১। তাক এটা **কাণ-টাহা** ফলা চৰ মাৰি দিলোঁ। ২। মাছটোৰ **কাণ-টাহাখন** দাঙি চোৱাচোন।

**কাণ টাহা**—(কাণ টাহ মাৰি ধৰা)—তাক **কাণ টাহা** চৰটো বিনাদোষত কিয় মাৰিলা?

**কাণ-তলীয়া চৰ্**—(কাণ তাল মাৰি ধৰাকৈ মৰা চৰ)—**কাণ-তলীয়া চৰ** খাই ল'ৰাটো মূৰ্চ্ছা গ'ল।

**কাণ তাল মাৰ্**—'কাণ টাহ মাৰ' চোৱা।

**কাণ থিয় কৰ্** (সতৰ্ক হৈ শুন) **কাণ থিয় কৰি** কি শুনিছা?

**কাণ দি**—'কাণ কৰ্' চোৱা।

**কাণনি-মাকনি কৰ্**—(কথা বা কামেৰে অতিষ্ঠ কৰ্)—আম পাৰি দিবলৈ ইহঁতে মোক **কাণনি-মাকনি কৰিছে।**

**কাণ পাত্**—(শুনিবলৈ সাজু হ বা আগ্ৰহ কৰ্)—তেওঁৰ কথাত **কাণ পাতিব** নালাগে।

**কাণ পেলা**—( মৰিবৰ আগন্তুক হ )—পুলিটো মৰিব হব পায়, **কাণ পেলাইছে।**

**কাণ বাগৰ**—( ইকাণৰপৰা সিকাণলৈ গৈ বাট হ )—কথাটো বহুত **কাণ বাগৰি** আহিছে ; ই নিৰ্ভৰযোগ্য নহয়।

**কাণ-মুৰ নাইকিয়া কেঁকোৰা**—( কাণ আদি কাটি কেঁকোৰাৰ দৰে কৰা দুষ্ট প্ৰকৃতিৰ মানুহ )—সেই **কাণ-মুৰ নাইকিয়া কেঁকোৰাটোক** কোনে বিশ্বাস কৰিব ?

**কাণ-মুৰ পেলা**—'কাণ পেলা, চোৱা'।

**কাণ-মুৰীয়া**—( পাত্ৰৰ কাণলৈ ওপচা )—**কাণ-মুৰীয়া** এপাচি চাউল দিয়াহে থালে।

**কাণ-মুৰীয়া**—( কাণ-সমনীয়া ; ওখই ডাঙৰে সমান )—**কাণ-মুৰীয়া** পুতেকক হেৰুৱাই পিতাক পগলা হৈছে।

**কাণৰ কণামাকৰি সৰুৱা**—( কাণৰ কাৰত বহুত পৰলৈ চিঞৰি চিঞৰি কথাক )—তই যে এইবোৰ বলকি আছ, মোৰ **কাণৰ কণামাকৰি সৰুৱাৰ** খুজিছ নেকি ?

**কাণৰ পোক সৰুৱা**—'কাণৰ কণামাকৰি সৰুৱা' চোৱা।

**কাণ-সঁহাৰি**—( কাণেৰে গম লোৱা কাৰ্য )—ওচৰত শত্ৰু আছে নেকি জানিবলৈ হৰিণাই **কাণ-সঁহাৰি** দিলে।

**কাণ-সমনীয়া**—'কাণ-মুৰীয়া' চোৱা।

**কাণ-সৰাজি**—( সুগুনা ভাও ধৰি কাণ পাতি থকা কাৰ্য )—তেওঁ **কাণ-সৰাজি** দি আমাৰ কথাকে শুনিছে

**কাণ-সাৰ কৰ**—( মনোযোগ দি )—তেওঁ কি ইমান কৈছে, অলপ **কাণ-সাৰ কৰাচোন।**

**কাণি-দুৰৱীয়া**—( অলপকৈ মেলি থোৱা ) দুৱাৰখন **কাণি-দুৰৱীয়াকৈ** হৈছা কিয় ? কুকুৰ সোমাব।

**কাণি-ভাগ**—( সমানভাবে সৰু ভাগ )—মই পিছত অহা বুলি **কাণি-ভাগ** দিবা নেকি ?

**কাণি-মুজি দি**—( নতবা মিটিকাই, উধাই মুধাই কোনো কাৰ্য কৰ )—ইমাৰ

মানুহেৰে অকলে যুঁজিব নোৱাৰিম জানিও অগত্যা মধুসূদন বুলি দাখনেৰে কাণি-মুণি দিলোঁ।

**কাণে-কাণ মাৰ্**—( কথমপি কোনো কাম কৰ্ )--বিপদৰপৰা **কাণে কাণ মাৰিহে** সাৰিলোঁ।

**কাণে-নাকে খা**—( বৰ ওভতাভেযাকৈ খা )—পাৰী নাপাওঁ বুলি **কাণে-নাকে খাই** আহিলোঁ।

**কাণে-নাকে মাত যা** (ন'ৰিয়া আৰ্দিত বৰ দুৰ্বল হ)—নৰিয়াৰপৰা উঠি ল'ৰাটোৰ **কাণে-ন কে মাত যোৱা** হৈছে।

**কাণে ভাৱনা নহ**—( অলপো মনোযোগ নিদি )—ঘৰটো ভাল কৰিবলৈ কাৰো দেখোন **কণে ভাৱনাই নোহোৱা হ'ল**।

**কাতি কৰি থ**—( অৱজ্ঞা বা অমান্য কৰ )—মোৰ পৰামৰ্শ তই যে **কাতি কৰি থবি** তাক মই জানো।

**কাতি-সাতোৱা**—( কাতি মাহত একে লালিয়ে কেৰা দিনো হোৱা বৰষুণ )—পুহ মাহতো দেখোন **কাতি-সাতোৱা** নবে যেনহে পাইছোঁ।

**কাতি-সাতোৱা পাত**—( একে লালিযে কথা কৈ থাক )—বিনো **কাতি-সাতোৱা পাতিলাহে**, এতিল এৰা, ৰাতি হৈছে।

**কাতি হ**—( শুই জিৰা )—তুমি বহা, মই অলপ **কাতি হৈ** লওঁ।

**কাতি হৈ পৰ্**—( দ ঘ ন দি পৰ নম্ৰভাৱে অনুনয় কৰ )—শেষত বিপদ হব বুলি তাই সম জৰ আগত **কাতি হৈ পৰিল**।

**কাতি হৈ পৰিলে ৰঙালেও নাকাট্**—( নম্ৰভাৱে উগ্ৰ প্ৰকৃতিৰ মানুহৰ হাতৰো ৰক্ষা পা )—**কাতি হৈ পৰিলে ৰঙালেও নাকাটে**, তেওঁৰ ওচৰত মেও হোৱাগৈ; তেওঁৰ খং আপুনি জমাৰ।

**কান-ভৰীয়া**—( কান্ধত ভাৰ লৈ ফুৰা )—**কান-ভৰীয়া** বেপাৰী হৈও পিতাকে তেওঁক উচ্চ শিক্ষা দিয়াইছিল।

**কান্দিবৰ বেলা কেকুৰি কটা**—(কামলৈ আগ-যোগ কৰোঁতে কামৰ বেলি কটাই দি)—তুমি **কান্দিবৰ বেলা কেকুৰি কটোৱা** কিয়? এনে সুযোগ চুনাই পাবা জানো?

**কান্দি ভাত খা**—( বৰ দুখেৰে দিন কটা )—'আদৰৰা বাছা মোৰ **কান্দি ভাত খাব**।'

**কাঞ্চিলে কল পা**—( চিঞৰি বাখৰি বা যোহ কৰি মনোবাঞ্ছা পূৰ্ণ কৰ্‌)—**কাঞ্চিলে কল পোৱা** দিন তোমাৰ এতিয়া নাই।

**কাম্বোনত গছৰ পাত সকৰা**—( মৰ্মস্থানত লগাকৈ কাম্ব্‌)—যাকৰ মৃত্যুত হোৱালীজনীয়ে **কাম্বোনত গছৰ পাত সকৰাইছে।**

**কান্ধ পাতি ল**—( কোনো কামৰ দায়িত্ব গ্ৰহণ কৰ্‌)—এই কামটো আপুনি **কান্ধ পাতি লওক**, আমি লগত আছোঁ।

**কান্ধ পেলাই দি**—( টান পালে কামৰপৰা এৰা দি )--তাক কৰিবলৈ কৈছা হয়, অলপ টান পালে সি **কান্ধ পেলাই দিব।**

**কান্ধৰ ভাৰ কাঢ়ি ল**—( বয়সিয়াল আৰু কৰ্মক্ষম হৈ কোনো কামৰ দায়িত্ব লব পৰা হ )—তেওঁৰ পুতেকজন বাপেকৰ **কান্ধৰ ভাৰ কাঢ়ি লব পৰা হৈছে।**

**কান্ধুলি জপা দি**—( ঠেক ঠাইতে বহুত মানুহ বা বস্তু জাপ খাই থাক্‌ )—একোটা ঘৰতে যে ইমানবোৰ মানুহ কেনেকৈ **কান্ধুলি জপা দি** আছে, ভাবি নাপাওঁ।

**কাপ খা ( বা খাই ধৰ্‌ )**—( টানকৈ লাগি ধৰ্‌)—বাঁহচটা **কাপ খোৱাকৈ** বান্ধা।

**কাপ-চেলেকা**—( কেৰানী—বিদ্ৰূপাৰ্থত )—অফিচলৈ গলে সেই **কাপ-চেলেকাটোৰ** উৎপাতকে সহিব নোৱাৰি।

**কাপে খা**—( নিজে লিখা কোনো কথাই নিজৰ মাৰাত্মক অনিষ্ট কৰ্‌)—কত কাকত লিখি তেওঁ বুঢ়া হ'ল; শেষত তেওঁক **কাপে খালে।**

**কাপোৰ-বাউলি দি**—(কাপোৰ জোকাৰি দূৰৈৰপৰা সঙ্কেত দি)—ল'ৰাছোৱালীকেইজনে নাঙ্গতঃ দলে **কাপোৰ-বাউলি দি** ৰিঙিয়াৰিঙি কৰিছে।

**কাপোৰৰ তলত কিলাকুটি চাঁচ্‌**—( শত্ৰুৰ অনিষ্ট কৰিবলৈ গুপুতে ষড়যন্ত্ৰ কৰ্‌)—**কাপোৰৰ তলত কিলাকুটি নাচাঁচি** দেখা-দেখিকৈ নালাগ কিয় ?

**কাবাৰ হ**—( সম্পূৰ্ণ শেষ হ )—এপাচি লাৰু আলহীসকলক দিওঁতেই **কাবাৰ হ'ল।**

**কাবু কৰ্‌**—( বশ কৰ্‌; ক্ষমতাৰ অধীন কৰ্‌ )—তেওঁক **কাবু কৰা** ইমান সহজ নহয়।

**কাৰৌ কৰা যোৱা, লাহে লাহে চলা**—( অনুৰোধ এবাৰ নোৱাৰি কৰা কাম মন্থৰ গতিৰ হয় )—দহোটা মানুহে যো এইখিনি কামহে কৰিলে নে? হবই তো, **কাৰৌ কৰা যোঁৱা লাহে লাহে চলা।**

**কাম আহ্**—( অন্ত্যেষ্টি ক্ৰিয়া শাস্ত্ৰ সঙ্গত হ )—অপঘাত হৈ মৰা মানুহৰ **কাম আহে** নে নাহে?

**কামৰি কাঢ়্**—( মৰিবৰ সময়ত দাঁত সুবাহি দি উশাহ টান্)—**কামৰি কাঢ়োঁতেও** কৃপণে ধনৰ কথাহে ভাবে।

**কাম ল**—( অন্ত্যেষ্টি ক্ৰিয়াৰ নেতৃত্ব ল )—ডাঙৰ পুতেৰেহে সাধাৰণতঃ **কাম লয়।**

**কামী ছায়া**—( জলকৈ পোহৰ নপৰা ঠাই )—**কামী-ছায়াত** বহি সেইজন কোন?

**কামুৰি খা**—( আনৰ প্ৰতি ঈৰ্ষামূলককথা ক )—আমি কৰি খোৱাও যাৰ বৈৰীয়ে দেখিব নোৱাৰে; সদায় **কামুৰি খায়।**

**কামোৰ খাই ধৰ্**—( টানকৈ লাগি ধৰ্; কাপ খাই ধৰ্ )—কামীটো **কামোৰ খাই ধৰা** নাই।

**কামোৰ মাৰ্**—( ১। দংশন কৰ। ২। ঈৰ্ষামূলক কথাৰে অনিষ্ট কৰ্ )—১। কুকুৰটোৱে খেমালি কৰি থাক **কামোৰ মাৰিলে।** ২। ছোৱালীজনীৰ থাবাক থুনুক মাত শুনি সি মুখৰ আগতে **কামোৰ মাৰিলে,** বেছেৰী ছুৱিৰ পিছতেই মাৰিল।

**কামোৰা কামুৰি**—( হিংসা-হিংসি )—ভাই-ককাইৰ মাজত এনে **কামোৰা কামুৰি** নকৰিবা, লোকে হাঁহিব।

**কাৰ দিন কাৰ ৰাতি**—( অপৰিমিত আনন্দ বা স্বাধীনতাৰ ভাৱ )—আজি ডেকা-লোকৰ আনন্দ চায় কোনে? প্ৰত্যেকৰ মনত আজি **কাৰ দিন কাৰ ৰাতি।**

**কাক বিক কৰ্**—( আকুলতাৰে আগ্ৰহ কৰ্ )—যি পাৰোঁ, কৰিবলৈ **কাক-বিক কৰোঁ** হয়, শক্তিয়ে নুকুলায়।

**কালক-কালে হৰি যা**—( সময়ৰ লগে লগে নোহোৱা হ )—আমাৰ দেশ একসময়ত মাছগাখীৰত অৰ্বিদ্ আছিল, কিন্তু সকলো **কালক কালে হৰি গ'ল।**

**কালক-গুণ্**—( সময়লৈ বিবেচনা কৰ্ )—মই কিবা **কালক গুণিহে** মনতাকৈ থাকিলোঁ।

**কালনেমীৰ লঙ্কা ভাগ**—(কোনো কাৰ্য নৌহওঁতেই তাৰ ফলৰ হিচাপ)—**কালনেমীৰ লঙ্কা ভাগ** এৰি দিয়া ; কামবাৰ কৰা ; লাভ হলে পিছতো ভগাবা।

**কালফুলা-সঁফুলা**—(এই দুটা যমৰ অনুচৰ ; গতিকে কুৎসিত মানুহ)—সেই **কালফুলা সঁফুলাটোলৈ** কোনে ছোৱালী দিব ?

**কালমেঘ যেন হৈ আহ্**—(শত্ৰু আদি অতি শীঘ্ৰে ভীষণ হৈ উঠ্)—মোৰ শত্ৰুবোৰ **কালমেঘ যেন হৈ আহিছে**।

**কালৰ কাল খোঁটা**—(চিৰকাললৈ মনত থকা মাৰাত্মক খোঁটা)—কথাটো অমূলক বুলি উলাই নকৰিবা ; ই **কালৰ কাল খোঁটা** হৈ ৰ'ব।

**কালৰ কুখ্যাতি**—(চিৰকাললৈ ৰোৱা কুখ্যাতি)—তই আজি **কালৰ কুখ্যাতি** ৰাখিলি।

**কালৰ চক্ৰ**—(সময়ৰ লগে লগে হোৱা পৰিবৰ্তন)—**কালৰ চক্ৰত** সকলো ঘূৰি যায় ; দুখীয়া ৰজা হয়, ৰজা ভিকহু হয়।

**কাল-শত্ৰু**—(মাৰাত্মক শত্ৰু)—আপোনাৰ মনত মইতো **কাল শত্ৰুৱেই**।

**কাল-সৰ্প**—(মাৰাত্মক অনিষ্টকাৰী মানুহ)—তেওঁ ভাবে, মই তেওঁৰ ভায়েক নহওঁ, **কাল-সৰ্পহে**।

**কালা-চোৰ**—(কলঙ্কিত মানুহ, নোহোৱা চোৰ)—তই দিনি কোন **কালা-চোৰে** চোলাটো নিলে ?

**কালিকা চৰ্**—(বৰ খং উঠি মতলীয়াৰ দৰে হ)—তোৰ নো আজি কি **কালিকা চৰিল**, যে উত্তালিখন লগালি ?

**কালিকা লাগ্**—'কালিকা চৰ্' চোৱা।

**কালিৰ ছলিয়ে পৰহিৰ গীত গা**—(সৰু মানুহে বৰ কথা ক ; কম বয়সীয়া মানুহে বুঢ়াৰ দৰে কথা ক)—**কালিৰ ছলিয়ে পৰহিৰ গীত গোৱাই** এই যুগৰ ধৰ্ম।

**কালে চাব্**—(আয়ু কম হ)—তোক **কালে চাবিছে** দেখিহে এনেকৈ জঁপিয়াইছ।

**কালে পাছ লাগ্**—(মৰে পাছ ল)—তোৰ **কালে পাছ লাগিছে** ; সেই কথা মনত ৰাখিবি।

**কালে-ভাদ্ৰে**—(কেতিয়াও)—**কালে-ভাদ্ৰে** চুৰ নকৰোঁ বুলি শপত খা।

· কাণে মতা—(বিবেচনাহীন হৈ কথা ক)—তোক কাণে মতাইছে; সেই দেখিহে এনে কথা কব লাগিছ।

কাৰৰ কাটি যা—(লোহোৱাকৈ গুচৰেদি যা)—শত্ৰু সৈতেই লোক এবাৰ কাৰৰ কাটি গ'ল।

কাষৰটৈকে থ—(উপেক্ষা কৰ্) মোৰ কথাবোৰ কাষৰটৈকে থৈছে সি এই কষ্ট পাইছে।

কাষৰীয়া কৰি ৰাখ্—(এৰি থ)—ছুৱালিৰ বাবে সমাজে তাক কাষৰীয়া কৰি ৰাখিছে।

কাষৰে পাঁজৰে (বা কাষে)—(ওচৰত ; দাঁতিয়ে দাঁতিয়ে) বাৰীৰ কাষৰে-পাঁজৰে বিচাৰি চোৱা, দামুৰিটো ওচৰতে আছে।

কাহ-মেঠনি মাৰ্—(অন্তৰত বেয়া ভাব ৰাখি বাহিৰত মিত্ৰতা দেখুৱা)—বুঢ়ীয়ে কাহ-মেঠনি মাৰি কলে, 'আই, মই তোক কেতিয়াও পৰ নাভাবোঁ।'

কাহিলি-কাহিলি—(অলপ; অসম্পূৰ্ণ—পোহৰ)—কাহিলি-কাহিলি পোহৰ হওঁতেই তেওঁ বাট মেলা দিলে।

কি গছৰ গুটি খালে মানুহ মৰে তাক আজান্—(কি কাম কৰিলে কি বিপদ্ হয় গম নাপা)—তুমি নো তেওঁকহে ডাঙৰ আশ্ৰয় পালা নে? কি গছৰ গুটি খালে মানুহ মৰে, তাক জনা উচিত আছিল।

কিনা হাঁহৰ ঠোঁটটৈলে মঙহ—(ধন দি অনা বস্তু অপব্যয় কৰিব নোৱাৰি)—এনে খাম আনে নাখালেও আমি খাবই লাগিব; কিনা হাঁহৰ ঠোঁটটৈলে মঙহ।

কিৰা কাঢ়্—(শপত খা)—তই যদি চুৰ কৰা নাই, কিৰা কাঢ়্।

কিৰা দি—(শপত খাবলৈ ক)—আমি কিৰা দিলোঁ, তই ভাগৱত চুই ক কথাটো সঁচা নে মিছা।

কিৰা-খাৱী—(ক্ৰিয়াখাৱী; অন্ত্যেষ্টিক্ৰিয়া কৰোঁতা)—কিৰা-খাৱী হৈ তুমি নো পীৰাত বহা কিয়?

কিৰা-পৰীক্ষা—(শপত খাই সত্যাসত্য প্ৰমাণ কৰা কাৰ্য)—আমি তেওঁক কিৰা-পৰীক্ষা দিবলৈ কলোঁ।

কিৰ্পিণৰ ধন—(কিৰ্পিণে ধনক বেলেগে আদৰ কৰে, সেয়ে আদৰৰ বস্তু)—অৰুণীটোৰ চোপোলাটোৱেই কিৰ্পিণৰ ধন।

**কিল-কীৰ্ত্তন**—( মৰকৈ কিলোৱা কাম )—তাক এটা **কিল-কীৰ্ত্তন** দিলেহে সখি হ'ব।

**কিলৰ খাব খা**—( মলায় কিল খাই থাক্ )—সেই মাউৰাটোৱে **কিলৰ খাব খাই** দিন কটাইছে।

**কিলৰ শাক**—( সকলোৰে মাৰ-পিটৰ বস্তু )—এই ছোৱালীজনী ঘৰ-বোৱাৰীহঁতৰ **কিলৰ শাক** হৈছে।

**কিলটৈল বান্দৰৰ ভঁৰা**—( আলকতাৰে মাৰ-পিট কৰ্ )—তেওঁৰ **কিলটৈল বান্দৰৰ ভঁৰাৰ**; জানি শুনিও কিয় খং তোলা?

**কিলাকুটি চাঁচ্**—( মাৰিম মাৰিম বুলি আগটি থাক্ )—তোৰ **কিলাকুটি চাঁচা** বহুত দিনৰপৰা দেখি আছোঁ; পিছে, মাৰিছ কিমানক?

**কিস্তি খিলাপ হ**—( কিস্তিমতে ৰাজহ, ৰবিয়ানা আদি শোধাবলৈ অক্ষম হ )—**কিস্তি খিলাপ হোৱা** বাবে তেওঁৰ মৌজা গ'ল।

**কিস্তি বন্দী কৰ্**—( ধাৰ, ৰাজহ আদি কেবা কিস্তিত শোধাবলৈ চুক্তি কৰ্ )—ধাৰৰ টকাখিনি শোধাবলৈ **কিস্তি বন্দী কৰিলোঁ**।

**কিস্তি মাত হ**—( সাৰিব নোৱাৰি ধৰা পৰ্ )—শেষত **কিস্তি মাত হ'ল**; পৰ্বতৰ গুহাত গুই থাকোঁতে ডকাইতৰ চৰ্দাৰ ধৰা পৰিল।

**কিহবাই পা**—( ভূত-পিশাচ আদিয়ে ধৰ্ )—তাক **কিহবাই পাইছে**; নহলে নো দোভাগ ৰাতি মৰীৰ ঘাটলৈ যোৱে নে?

**কুঁচিয়া খোঁচা দি**—( ধৰকৈ শাৰীৰিক শাস্তি দি )—শাহুৱেকে আজি বোৱাৰীয়েকক **কুঁচিয়া খোঁচা দিলে**।

**কুঁজৰ ঘূৰত কিল মাৰ**—( কোনো মানুহৰ 'দুৰ্বল অংশত ধৰকৈ মাৰ্ )—**কুঁজৰ ঘূৰত কিল নামাৰিবা**; সেই আধা-মৰা মানুহটোক নামাৰিবা।

**কুঁজাত ধৰ্**—( খেতি কৰিবলৈ ধৰ্ )—চাকৰি এৰি তেওঁ **কুঁজাত ধৰি** খেতিয়ক হ'ল।

**কুঁৱা-ভুৱা**—( কুঁৱলীৰ দৰে ডাঠ )—এনে **কুঁৱা-ভুৱা** ধোঁৱাত ভাত খাব নোৱাৰি।

**কুকুৰ ইন্দ্ৰাই চাতোম**—( উপযুক্ত শাস্তি )—কেনে পালি এতিয়া? আগতে টপ্‌টপনিত চাই নাই; এতিয়া **কুকুৰ ইন্দ্ৰাই চাতোম** পাই সৰু হৈছে।

**কুকুৰ-কন্দলি**—( অতি সামান্য কথাত লগাই থকা খৰিয়াল )—তাইহঁতে এইদৰে **কুকুৰ-কন্দলিখন** লগাই থাকি কি সুখ পায় ?

**কুকুৰ চিকণ গিৰীহঁতৰ যশ**—( চলতীয়া লোকৰ ভাল হলে গৰাকীৰে যশস্যা )—নিৰাশ্ৰয় ল'ৰাটোৰ যদি ভাল হয়, তোমাৰেই যশস্যা। **কুকুৰ চিকণ হলে গিৰীহঁতৰে যশ।**

**কুকুৰ-টেঙীয়া**—( খিংখিঙীয়া ; সহজে খং উঠা। 'কুকুৰ-তেকীয়া'ও একে )—**কুকুৰ টেঙীয়া** স্বভাৱৰ বাবেহে মানুহে তেওঁক বেয়া পায়।

**কুকুৰ-টোপনি**—( তৎক্ষণাৎ সাৰ পোৱা টোপনি )—এই বুঢ়ীজনীৰ টোপনিটো **কুকুৰ-টোপনি ;** ৰাতি কোনোবাই চোতাল পালেই বুঢ়ীয়ে মাত দিয়ে।

**কুকুৰ-দোৱা দি**—( বৰ বেগাই আহ )—দিনটো **কুকুৰ দোৱা দি** আছোঁ, এতিয়া একো কৰিব নোৱাৰোঁ।

**কুকুৰ-ধুলি**—( অতি নগণ্য, ঘৃণিত প্ৰাণী )—সেই **কুকুৰ-ধুলিটোৰ** কথালৈ কাণ নকৰিব।

**কুকুৰ-মৰণে মৰ্**—( বৰ কষ্টেৰে আৰু ঘৃণনীয় অৱস্থাত মৰ্ )—সি যেনে কুটিল আৰু চকু-চবহা, মৰিলে **কুকুৰ-মৰণে মৰিব।**

**কুকুৰ-মোটোকা দি**—( ঠেক ঠাইত বৰ কষ্টেৰে শো )—টোপনি আহক বা নাহক, এবাৰ **কুকুৰ-মোটোকা দিব** পাৰিলেও গাটো সৰি লাগিব।

**কুকুৰৰ নেজ দীঘল হলে নিজে পাৰি বহ্**—( নীচ প্ৰকৃতিৰ লোকৰ সুখ সম্পদ্ বাঢ়িলেও নিজেহে ভোগ কৰ্ )—ওচৰ-চুবুৰীয়াৰ ইমান কষ্টতো তেওঁ পাৰিও সাহায্য নকৰে কিয় ? কাৰণ, **কুকুৰৰ নেজ দীঘল হলে নিজেহে পাৰি বহে,** আনক নবহুৱায়।

**কুকুৰ-শাস্তি**—( বৰ কষ্ট বা অসুবিধা )—নাম চাবলৈ গৈ **কুকুৰ-শাস্তি** ভুগিলোঁ ; বহিবলৈ ঠাই এডোখৰকে নোপোৱা যেন পালোঁ।

**কুকুৰা কাটি শপত খা**—( ভাওৰ শপত খা )—ৰবৰবাই **কুকুৰা কাটি শপত খাবলৈ** আগ বাঢ়িল।

**কুকুৰাৰ ঠেং কাটি মঙল চা**—( আহোমৰ নিয়মে মঙল চা )—খাইলুঙে **কুকুৰাৰ ঠেং কাটি মঙল চাই** কলে, 'স্বৰ্গদেউ, শত্ৰুক আক্ৰমণ কৰিবৰ সময় হ'ল।'

**কুকুৰী-কণা**—( গধুলি পৰত চকুৰে নেদেখা ৰোগ )—এই ল'ৰাটো **কুকুৰী-কণা**; তাক বেলিয়ে-পোহৰে পঠাই দিয়া।

**কুকুৰী পিটা দি**—( নিদাৰুণভাৱে মাৰ্ )—গৃহস্থে লগুৱাটোক **কুকুৰী পিটা দিলে**।

**কুকুৰে আঠুৰ তলতহে কামোৰ্**—( সামান্য মানুহে সামান্য অপকাৰহে কৰিবলৈ সক্ষম হ )—তাৰ যি ইচ্ছা, কৰক দিয়া; **কুকুৰে আঠুৰ তলতহে কামোৰে**।

**কুকুৰে কামোৰ্ ছৰালে দলিয়া**—( সামান্য মানুহৰ হাতত বৰকৈ লাঞ্ছিত হ )—'দুখৰে উপৰি দুখ পাৰেৱন্তী, দুখৰে উপৰি দুখ; **কুকুৰে কামোৰে ছৰালে দলিয়ায়**, কত্তো নিমিলয় সুখ।'

**কুকুৰে নৈ টান্**—( বৰ সৌভাগ্যৰ দিন উপস্থিত হ )—তইঁতৰ ঘৰত **কুকুৰেও নৈ টানে**; কাক নো ভয় কৰিবি?

**কুকুৰে লাই পালে মূৰলৈ জঁপিয়া**—( সামান্য লোকক বৰকৈ প্ৰশ্ৰয় দিয়াত অনিষ্ট হ )—ল'ৰাটো উদ্ধত হোৱা দোষটো কাৰ? তুমি জানো শুনা নাছিলা যে **কুকুৰে লাই পালে মূৰলৈ জঁপিয়ায়**?

**কুটা কঢ়িয়া**—( বাহ সাজি কণী পাৰিবলৈ খেৰ, জাবৰ আদি গোটা; খেৰ ব )—পাৰবোৱে **কুটা কঢ়িয়াব** লাগিছে; কণী পাৰিব।

**কুটা ছিণ্ডি এৰ্**—( সকলো সম্পৰ্ক ত্যাগ কৰ্ )—গিৰীয়েকে ঘৈণীয়েকক **কুটা ছিণ্ডি এৰিলে**।

**কুটি-খোৱা**—( মহা কৃপণ )—এনে **কুটি-খোৱা** লাখ-পতি দেখিছা? ঘিঁউৰ চিচাটলৈ চাই চাই ভাত খায়।

**কুটিল-কণ**—( কুটিল প্ৰকৃতিৰ )—ল'ৰাটো যেনেহে **কুটিল-কণ**, বুঢ়া হলে যে কি হয়, কব পৰা নাই।

**কুটুৰি থাক্**—( সকাতৰ প্ৰাৰ্থনা কৰি থাক্ )—তাক গৰুটো দিব লাগে বুলি সি এটা বেলা **কুটুৰি আছিল**; কৃপণে কিন্তু কেৰ্‌পাক দিও নাচালে।

**কুঠাৰ জৰা দি**—( অতি চোকা কথাৰে আক্ৰমণ কৰ্ )—বুঢ়ীয়ে তেওঁক আজি **কুঠাৰ জৰা দিলে**।

**কুঠাৰৰ জলাকো মজম্, বেজীৰ জলাকো মজ্**—( ধৰিব নলগা কথাত

ধৰি, মৰিব লগীয়াত্ পৰ্)—কৃপণে পইচ-পইচাটোকে বহুত বেচ দেখে; অথচ কেতিয়াবা মুঠিয়ে মুঠিয়ে ধন দলিয়াইও ভৰি নাপায়; তেনে মানুহে কুঠাৰৰ জলাকো নমৰে, বেজীৰ জলাকো মৰে।

কুঠীয়া ঠেহ—(লৰচৰ নকৰাকৈ পাতি থকা ঠেহ)—কি নো কুঠীয়া ঠেহখন পাতিলি? আজি ভাত নাখাৱ নেকি?

কুন্দত-কটা—(বৰ ধুনীয়া)—'মাকাল্দিৰি কইনাৰ মাক্ জোঁৱাই কুন্দত-কটা।'

কুমটিয়ে খলা দি—(পেটত বৰকৈ ভোক লাগ্)—মোৰ পেটত কুমটিয়ে খলা দিছে; কি আছে, খাবলৈ দিয়া।

কুমটিৰ দৰে মুৰ উলিয়াব নোৱাৰ্—(আলৈ-আহকাল আদিৰ বাবে বাহিৰলৈ ওলাই আহিবলৈ অক্ষম হ)—ধাৰত পৰি, তেওঁ কুমটিৰ দৰে মুৰ উলিয়াব নোৱাৰা হৈছে।

কুমাৰণীয়ে পঁইতা-চোবা নিয়া দি—(এজনে আন এজনক মন্ত্ৰমুগ্ধৰ দৰে কৰি লৈ যা)—আমাৰ মানুহকেইজনক তেওঁ আহি কুমাৰণীয়ে পঁইতা-চোবা নিয়া দিলে।

কুমাৰৰ চাক ঘূৰা দি—(বৰকৈ ঘূৰ্)—মোৰ মূৰটো আজি কুমাৰৰ চাক ঘূৰা দিছে।

কুম্‌জেলুকা খোৱা দি—(অতিশয় লাহে লাহে যা)—এই দৰে কুম্‌জেলুকা খোৱা দিলে নো কেতিয়া ঘৰ পাবাগৈ?

কুম্ভকৰ্ণৰ টোপনি—(বৰ দীঘলীয়া টোপনি)—কিনো কুম্ভকৰ্ণৰ টোপনি মাৰিছাহে, যে থিয়-দুপৰলৈ শুই থাকা?

কুকং-কাবাং কৰ্—(অলপ লৰচৰ কৰ; সামান্য মনোযোগ দি)—আজি দুদিনমান দেখোন তেওঁ। এই বিষয়ে কুকং-কাবাং কৰিছে।

কুৰু-পাণ্ডৱৰ যুদ্ধ—(ভয়ানক যুঁজ)—তেওঁলোকৰ ঘৰত আজি যেনেপ হোৱা লৈ কুৰু-পাণ্ডৱৰ যুদ্ধ লাগিছে।

কুকলি পিট্—(১। বৰকৈ মৰিয়া। ২। বৰকৈ হাই-উৰুমি কৰি দল কৰ্)—১। শাহুৱেকে বোৱাৰীয়েকক আজি কুকলি পিটিলে। ২। তইঁতে পঢ়া-শুনা কৰিবলৈ এৰি কিয় কুকলি পিটিব লাগিছ?

কুকুৰাৰ হাতৰপৰা পকচুৰীয়াৰ হাতত পৰ্—(এটা বিপদৰপৰা

আজোকে তাৰ বিপদত পৰ্)—নতুন লোকজনৰ ভিতৰত সাইলে কুকুৰাৰ হাতবন্ধা পঞ্চমুখীৰাৰ হাতত পৰা যেনেহে পাইছে।

কুলকে নষ্ট কৰ্—(বংশৰ দুৰ্নাম আন্)—এই কামেৰে তুমি আমাৰ কুলকে নষ্ট কৰিলা।

কুলাই পাচিয়ে মধবা হ—(অপৰিমিত দুখকষ্ট হ)—বানপানীৰ পিছত ৰাইজৰ দুখ কুলাই পাচিয়ে মধবা হৈছে।

কুলিৰ ভিজা যেন হ—(ববৈক ক'লা হ)—উত্তৰ-পশ্চিমে কুলিৰ ভিজা যেন হৈছে; ববৈক বৰষুণ দিব।

কুলিৰ বাহত কাউৰী বাহ্—(সম্পূৰ্ণ নিঃশব্দ কৰ্)—কলেৰা লাগিবলৈ পৰা, সাঁজ লাগিলেই এইখন গাঁৱত কুলিৰ বাহত কাউৰী বহা হয়; চিঞৰি মৰিলেও কাৰো একাষাৰ মাত নোপোৱা।

কুৰাঙে মাড়ী ছুৱা দি—(কুৰাং—বাং-কুকুৰ; ই বৰ হিংস্ৰক জন্তু। তাৰপৰা, কৃপণ। অতি কৃপণ স্বভাৱৰ মানুহৰ দৰে আচৰণ কৰ্)—বুঢ়াটো কম মানুহ নহয়; নাই বুলিলেও নেৰে; কুৰাঙে মাড়ী ছুৱা দিয়ে।

কুশ কাটি (বা ছিঙি) দি—(সম্পূৰ্ণকৈ সকলো সম্বন্ধ ত্যাগ কৰি ছোৱালী দান কৰ্)—'কুশ কাটি দিয়া, কুশ কাটি দিয়া, ওই বৰ সাদৰৰ ভাই।'

কুশৰ আগেদি খালেও খোৱা হ—(সামান্য খালেও খোৱাৰ নাম হ)—তেঁটি খোৱা মহা পাপ; তাক কুশৰ আগেদি খালেও খোৱা হয়।

কেঁকো-জেকোকৈ—(বৰ গধুৰ বস্তুৰ ভৰত কুঁজা হৈ)—বুঢ়াই কেঁকো-জেকোকৈ ভাৰখন লৈ আহিছিল।

কেঁকোৰা দুটাক বাঘ-মুখে লগা—(দুষ্ট মানুহে সাধিব নোৱাৰাকৈ জব কৰ্)—তাক যদি টকা লাগে, মাটিখিনি লিখি দিব কথা; তেতিয়াহে টকা দিবা। কেঁকোৰা দুটাক বাঘ-মুখেহে লগাব লাগে।

কেঁকোৰা খোলা দি—(সমূলকে খুলি খা; সমূলি নষ্ট কৰ্)—বুঢ়াই কলে, 'তইতে মোৰ কেঁকোৰা খোলা দি খালি; আৰ কি পাবলৈ বিচাৰিছ?'

কেঁকোৰা-গাঁত বিচাৰ্—(ভয়ত পলা—ব্যঙ্গাৰ্থত)—তোমাৰ ভয়ত কেঁকোৰা-গাঁতহে বিচাৰিব লাগিল দেখিছোঁ।

**কেঁকোৰ-পেঁখোৰ কৰ্**—(কোনো বিষয়ত কিছু অসন্মতি বা আপত্তি কৰ্)—এইখিনি সাহায্য দিবলৈ আপুনি **কেঁকোৰ-পেঁখোৰ নকৰিব।**

**কেঁকোৰাই চেপা দি**—(টানকৈ চেপি ধৰি)—কৃপণে ধনৰাটোক **কেঁকোৰাই চেপা দিছে।**

**কেঁকোৰা-মকৰাৰ দৰে লাগি থাক্**—(নিজৰ বাধা কষ্ট বা ক্ষতি স্বীকাৰ কৰিও কোনো কামত লাগি থাক্)—কামটোত লাগিলোঁ যেতিয়া, আনে এৰা দিলেও মই **কোঁকোৰা-মকৰাৰ দৰে** শেষলৈ **লাগি থাকিমেই।**

**কেঁকোৰা-মুঠিত ধৰ্**—(নাঙল লৈ খেতি কৰিবলৈ ধৰ্)—বহুত বামুণেও **কেঁকোৰা-মুঠিত ধৰিবলৈ** আগুৱাইছে।

**কেঁকোৰাৰ খোলা যেন হ**—(জোক বা নবিয়াত পেট চেপেটা খাই যা)—বাপু তই ভাত খোৱা নাছিলি নেকি? পেটটো দেখোন **কেঁকোৰাৰ খোলা যেন হৈছে।**

**কেঁচা আলিত ভৰি নিদি**—(কাৰো সামান্য অপকাৰো নকৰ্)—আমি কেতিয়াও কাৰো **কেঁচা আলিত ভৰি দিবলৈ** যোৱা নাই; তথাপি আনে হিংসা কৰে কিয়?

**কেঁচাই-খোৱা**—(বৰ উগ্ৰ বা চণ্ডাল প্ৰকৃতিৰ)—সেই **কেঁচাই-খোৱাটোক** নামাতিবা; তোমাকে খাব।

**কেঁচা কিল খা**—(মাৰত বৰকৈ কষ্ট পা)—তই যে **কেঁচা কিলবোৰ খাই** মৰিছ, গিৰীয়েৰৰ কথা কৈ নিদিয় কিয়?

**কেঁচা ৰণত পৰি মৰ্**—(নিশ্চিত মৃত্যু জানিও আগুৱাই গৈ মৰ্)—**কেঁচা ৰণত পৰি মৰাটো** কম সাহসৰ কথা নহয়।

**কেঁচু এবাৰ গাঁতৰপৰা ওলালে সোমাব নোৱাৰ্**—(দুৰ্বল লোকে এবাৰ কোনো সুবিধা এৰি দি পুনৰাৰ তাক নাপা)—তুমি এই মাটি বেচি এই টকাৰেই কিছুদিন পিছত আকৌ ভাল মাটি কিনিম বুলিছা হয়, ভাবি চাবা—**কেঁচু এবাৰ গাঁতৰ-পৰা ওলালে, সোমাব নোৱাৰে।**

**কেঁচু খান্দোঁতে সাপ ওলা**—(সামান্য লাভৰ আশা কৰোঁতে ডাঙৰ বিপদ হ)—**কেঁচু খান্দোঁতে সাপ ওলাল**; পকা আম পাৰোঁতে ভৰিখন ভাঙিলোঁ।

**কেঁচু গাঁতত সোমোৱা**—(শত্ৰু আদিৰ হাতৰপৰা সাৰি যা)—তাক এৰি দিলা; এতিয়া বিচাৰি ক'ত পাবা? এবাৰ **কেঁচু গাঁতত সোমালে** তাক পোৱা টান।

**কেঁচুটো হ**—(শক্তিহীন হৈ আনৰ বশ হ)—ঘৰতহে টমটমাইছ; বাহিৰ ওলালে এতিয়াই **কেঁচুটো হবি**।

**কেঁচুত শগুণ পৰ**—(ডাঙৰ মানুহে সামান্য বস্তুলৈ লোভ বা নজৰ কৰ)—**কেঁচুতো শগুণ পৰে**; চাকৰটোৱে ৰখী থাই ছুটা পুঠী মাছ পালেও হাকিমে তাৰে এটা লৈ যায়।

**কেঁচু মাৰ**—(ৰবকৈ তিতা লগা কথা ক)—মিঠা মুখে আজি তেওঁৰ **কেঁচু মাৰিছোঁ**।

**কেঁচু-লগা** (বৰ দুৰ্বল স্বাস্থ্য)—ল'ৰাটো সৰুৰেপৰা বৰ **কেঁচু-লগা** চেহেৰাৰ।

**কেঁত কৰ**—(কষ্ট পোৱাৰ ভাৱ প্ৰকাশ কৰ)—সি গছৰপৰা পৰাত আমি আটাই ধৰিলোঁ; কিন্তু সি **কেঁতকে নকৰিলে**।

**কেঁত কৰে**—(অকস্মাৎ কামোৰ মাৰি ধৰি)—কুকুৰটোৱে **কেঁত কৰে** হাঁহটো লৈ গ'ল।

**কেঁৰা-কুঁজা ভাঙ**—(কোনো কামৰ আসোঁৱাহ-বিসোঁৱাহ গুচা)—**কেঁৰা-কুঁজা ভাঙি** তোজ থাওঁতে ৰাতি পুৱাল।

**কেঁৰা-দুপৰীয়া**—(থিয়-দুপৰীয়াৰ অলপ আগৰ সময়)—এই **কেঁৰা-দুপৰীয়া** যাব নালাগে; থাই-বৈ জিৰাই-শঁতাই যোৱা।

**কেঁৰা লাগ**—(কেপা লাগ; খাঁৰ লাগ)—কামটো কৰোঁ বোলোঁতে মাজতে **কেঁৰা লাগিল**; এৰি পেলালোঁ।

**কেঁহা তামোলৰ চুণ নিদি**—(বৰ কিপিণালি কৰ)—তেওঁ কাকো **কেঁহা তামোলৰ চুণখিনিও নিদিয়ে**; কাৰে ধন সাঁচিছে, কব নোৱাৰোঁ।

**কেও-কিছু নোহোৱা**—(নিৰাশ্ৰয় আৰু সম্বলহীন)—তাক **কেও-কিছু নোহোৱা** বুলি নাভাবিবা; আন নহলেও মই আছোঁ।

**কেঞা-আঙুলিৰ সমান নহ**—(যা জোখ দন নোৱাৰ)—(সমুলি সমকক্ষ নহ)—সি আপোনাৰ **কেঞা-আঙুলিৰো সমান নহয়**; এনে হলত নো সি যুঁজিব আহিব লাগে নে?

**কেটাই-জেঙেৰীয়া**—( কেট্‌কেটাই থকা ; অলপতে খং উঠা )—ৰছিয়াৰপৰা উঠাৰ পিছত তেওঁ আগতকৈও বেছি **কেটাই-জেঙেৰীয়া** হ'ল ; মাতিবই নোৱাৰি।

**কেটেঙা-হুলা**—( বয়স আদিত বৰকৈ দুৰ্বল হোৱা আৰু সহজতে খং উঠা )—সেই **কেটেঙা-হুলাটোক** নামাতিবা।

**কেটেৰ-জেঙেৰ**—( কটু বাক্য ; বেয়াকৈ লগোৱা মাত )—আমি দুদিনলৈ আহিছোঁ ; আমাক **কেটেৰ-জেঙেৰ** কৰিলে মনত দুখ লাগে।

**কেতৰ-ক'লীয়া**—( ভূতৰ দৰে ; অতিশয় ক'লা )—তাৰ দৰে **কেতৰ-ক'লীয়া** মানুহ ক'তো দেখা নাই।

**কেত্‌-সন্ধানে**—( কিজানি ; সম্ভৱতঃ )—**কেত্‌-সন্ধানে** তেওঁ এতিয়ামানে পালেগৈ।

**কেনে বুলি চিনি নাপা**—( কেনে প্ৰকৃতিৰ, তাক নাজান্‌ )—মোক **কেনে বুলি চিনি পোৱা নাই** হব পায়,—আজি তোক এশিকনি দিছে এবাৰ।

**কেন্দীয়াৰ সহস্ৰ ঠেং থাক্‌**—( বাহিৰত নিৰাশ্ৰয় যেন দেখিলেও ভিতৰি যথেষ্ট শক্তিমান্‌ হ )—**কেন্দীয়াৰো সহস্ৰ ঠেং আছে ;** মাউৰাটোৰ হৈ মাতোঁতাও মেলত ওলাল।

**কেপ-কৰা**—( খাবলৈ থাকিবলৈ নোহোৱা বাবে আনৰ ঘৰত চাপি থকা কেলেহুৱা মানুহ )—সেই **কেপ-কৰাটোৰে** কেপ্‌কেপনি শুনচোন।

**কেপা-কানি**—( আফুৰ আঠা চুকি বা লাগি থকা কটাকানি )—কানীয়াৰ পক্ষে **কেপা-কানি** ডুখৰিয়েই আছিল আটাইতকৈ মূল্যবান সম্পত্তি।

**কেপেয়া-লাখুটি**—( পেং-লাখুটি ; মানুহে তাৰ ওপৰত উঠি খোজ কঢ়া দুডাল লাখুটি )—**কেপেয়া-লাখুটিৰে** সেই ডেকাজনে কেনেকৈ দৌৰিব, চাবা হ'বা।

**কেৰ-পাক দি (বা কৰি ) চা**—( ভ্ৰূক্ষেপ কৰ ; গণ্য কৰ্‌ )—মই ইমান কৈছোঁ ; কিন্তু তুমি দেখোন **কেৰ-পাক কৰিয়েই চোৱা নাই**।

**কেৰাহি কৰ্‌**—( সামান্যভাৱে গণ্য কৰ্‌ )—মোৰ কথালৈ সি **কেৰাহি কৰিছে** জানো ?

**কেৰেলাতকৈ গুটি দীঘল হ**—( মূল বস্তু বা বিষয়তকৈ আনুষঙ্গিক বস্তু বা বিষয়টো গুৰুতৰ হ )—কুৰি টকাৰ মোকৰ্দমাত পাঁচ শৰো বেছি খৰচ হ'ল ; **কেৰেলাতকৈ গুটি দীঘল হব** বুলি ভবা নাছিলোঁ।

**কেজি-কেন্দেজি**—(কামলৈ আওকাণ কৰি বেয়াজিৰে কথা কাঢ়িলা বা হাই-উকমি)—**কেজি-কেন্দেজি** কৰি ৰাতি কৰিলা; কামটো আধৰুৱা হৈ থাকিল।

**কেলেং বেলেং হ**—(ভোক, পিয়াহ, পৰিশ্ৰম আদিত বৰকৈ দুৰ্বল হ)—এদিন লঘোন থাকিয়েই ইমান **কেলেং বেলেং হলা** নে?

**কেলেপা লাগ্**—(বৰ কষ্টেৰে কাল কটা)—খাবলৈ নাপাই মানুহ কেইটা **কেলেপা লাগিছে**; তাতে পানীয়ে ঘৰ ডুবালে।

**কেন্নাৰ কৰ্**—(ডাঙৰ মানুহৰ ঘৰত গোলামৰ দৰে খাটি খা)—তেওঁৰ ঘৰত কিমান মানুহে **কেন্নাৰ কৰি** থাকে, তাৰ লেখ-জোখ নাই।

**কেহৰাজ-বটা যেন হ**—(বৰ ক'লা হ)—কথাটো শুনি তেওঁৰ মুখ **কেহৰাজ-বটা যেন হ'ল**।

**কোঁচ খা**—(১। সঙ্কুচিত হ। ২। নিৰুৎসাহ)—১। ধুলে কাপৰখন **কোঁচ খাব**। ২। তেওঁৰ কথা শুনি মনটোৱে **কোঁচ খালে**।

**কোঁচাই-গৰকি আন্**—(শস্য আদি চপা)—আহু ধানৰ হিচাপ এতিয়া নকৰিবা; **কোঁচাই- গৰকি আনিলেহে** জনা বুলি কবা।

**কোঁহ্ কোহাই উঠ্**—(অসম্মতি বা অসন্তোষ প্ৰকাশ কৰ্)—চাদা ভুজিবলৈ ডেকাসকল অহা দেখি কৃপণে **কোঁহ্ কোঁহাই উঠিল**।

**কোকামলে পি**—(চুঙাৰপৰা বৈ যোৱাৰ লিচিনাকৈ শব্দ কৰি; কোক্ কোক্কৈ পি)—তাইৰ বৰ পিয়াহ লাগিছিল; পানীলোটা **কোকামলে পিহে** শান্তি পালে।

**কোটি-কলীয়া**—(চিৰকলীয়া; অকহি-যুগীয়া)—**কোটি-কলীয়া** নীতিনীতি-বোৰ আজি এৰিবৰ সময় হ'ল।

**কোদাল শালেঁাতে মাহৰ বতৰ যা**—(কোনো কামলৈ আগ-যোগ কৰি থাকোঁতে কাম কৰাৰ সময় উকলি যা)—গাম চাবলৈ বুলি সাজ-কাচ কৰোঁতেই মেখোম **কোদাল শালেঁাতে মাহৰ বতৰ যায়** যেন পাইছোঁ।

**কোনে বোনে ক'লৈ যাব**—(অলপ সময়তে নথকা, তৎক্ষণাৎ)—তুমিও উঠি গ'লা; ইফালে, কোনে বোনে ক'লৈ যোৱা, বেমাৰীৰ অৱস্থাও সাংঘাতিক হৈ উঠিল।

**কোৰত-কোৰে**—(লোপত-লোপে; ক্ৰমে) বাৰপানী **কোৰত-কোৰে** বাঢ়ি আহিছে।

**কোৰত জোনাকী উকৰা**—(বৰ ভালকৈ কোনাই বিক্ৰী কৰ্)—

পিটিয়েকে কোনেও দৈনিকৰ কোনাকী উকৰালে; তাকবেহে তাইৰ তৎ আনিলে।

**কোবাই মৰা জবাই কৰা**—( অতিশয় উগ্ৰ আৰু অমানুষিক প্ৰকৃতিৰ )—সেই **কোবাই মৰা জবাই কৰা** মানুহটোলৈ ছোৱালীজনী নিদিবা।

**কোবা-কুবি**—( হাই-কাজিয়া )—তোমালোকে ভায়ে ভায়ে **কোবা-কুবি** কৰি থাকা; মই আহিলোঁ।

**কোমল-চাউল**—( বোকা-চাউল )—অসমীয়া মানুহে **কোমল-চাউলেৰে** জলপান খোৱা দেখি অনা-অসমীয়া মানুহে আচৰিত মানে।

**কোৰ মাত্**—( যি কাম কৰিলে মৰিয়া হয়, তেনে কাম কৰ্ )—আনক চিকুটি থাকিব নাপায়; তেনে কৰিলে **কোৰ মাতি** অনা হয়।

**কোৰা বাজ্**—( সাঙী কৰি ল )—কাঠডোখৰ দহজনমানে **কোৰা বাজিহে** নিব পাৰিবা।

**কোৰা-মুঠীয়াকৈ ধৰ্**—( কোনও ধৰাৰ নিচিনাকৈ টানকৈ মুঠি মাৰি ধৰ্ )—বাঁহডাল **কোৰা-মুঠীয়াকৈ ধৰা**, চাবা যেন নিপিছলে।

**কোলাই-বোকাই কৰি**—( নানা কষ্ট খাই বিশেষ যত্নেৰে )—মাক মৰিলত বুঢ়াই ল'ৰাছোৱালীছটাক **কোলাই-বোকাই কৰি** তুলিলে।

**কোলাৰ কাকত**—( বাতৰি-কাকতৰ লগত দিয়া অতিৰিক্ত কাকত; ক্ৰোড়-পত্ৰ )—আজিৰ 'নতুন অসমীয়া'ৰ লগত এখন **কোলাৰ কাকত** আছে।

**কোলাৰটো এৰি পেটৰটোলৈ আশা কৰ্**—( বৰ্তমান সম্বলৰ কথা এৰি ভৱিষ্যতলৈ আশা পালি থাক্ )—তেওঁ আশাবাদী হলেও **কোলাৰটো এৰি পেটৰটোলৈ আশা নকৰে।**

**কোৱাৰি চেলেক্**—( নিৰাশ বা নিৰুপায় হ )—আমি খাই শেষ কৰিলোঁ; তুমি এতিয়া **কোৱাৰি চেলেকা**; নহলে আঙুলিৰ মূৰকে খোৱা!

**কোৱাত কৈ বাতৰি দি**—( যেনে তেনে উপায়ে বাতৰি পঠা )—তেওঁ মোৰ ইমান আপোন যে **কোৱাত কৈ বাতৰি দিলেও** আহিব।

**কৌৰৱৰ লোণ খাই পাণ্ডৱৰ গুণ গা**—( অকৃতজ্ঞ হ )—তুমি মোৰ আশ্ৰয়ত থাকি মোকে বদনাম দিছা; **কৌৰৱৰ লোণ খাই পাণ্ডৱৰ গুণ গোৱাটো** উচিত নে?

# খ

**খঁৰা দা জোকাৰ্**—( দুৰ্বলী মানুহে ভয় দেখুৱা )—তোৰ নিচিনা হাল-ছিগা চিকচটোৱে **খঁৰা দা জোকাৰি** মোক ভয় দেখুৱাব নোৱাৰিবি।

**খঁৰা-খুন্**—( নিজে ভাল ভাবিলেও ত্ৰুটিযুক্ত খুন )—তোমাৰ এই **খঁৰা-খুনে** দেখি মানুহে হাঁহিব।

**খঁৰা-নকা**—( চুটি নাক থকা )—তেওঁক **খঁৰা-নকা** বুলি নাৰাছিবা; তেনে গুণী ডেকা কাচিৎহে মিলে।

**খঁৰা-ৰাৰী**—( নিৰাশ্ৰয়া বিধৱা )—এই **খঁৰা-ৰাৰীজনীৰে** পৰাখিতাপ চোৱাঁ।

**খঁৰা-মুৰা**—( আগ-গুৰি কটা; নেজ-মূৰ নথকা; ডাল-পাত নোহোৱা )—এই **খঁৰা-মুৰা** মাগুৰবোৰে মই কি কৰিম?

**খকৰা-মুকুটি**—( হাতৰ মুঠি মাৰি বুঢ়া আঙুলিৰ মূৰেৰে গালত মৰা খুন্দা )—তাই তোমাৰ কি কৰিছিল যে **খকৰা-মুকুটিটো** মাৰিলা?

**খকা-খুন্দা**—( উথনা-উথনি )—'পাছে জানো যতত লাগয় **খকা-খুন্দা**।'

**খকা-মকা**—( লৰালৰিত হোৱা বিশৃঙ্খল বা ভ্ৰম )—বিয়াৰ দিনা এসোপা কাকত পঠোৱাটো হয়; মনো **খকা-মকাত** ক'ত চহী দিলোঁ কব নোৱাৰিলোঁ।

**খং জাৰ্**—( ৰবকৈ খং কৰ্ )—অন্যায়ৰ প্ৰতিকাৰ কৰিব নোৱাৰি মিছাকৈ **খং জাৰিলে** কি হব? ছোৱালীজনীৰ গাত দোষ নাই।

**খঙত অগ্নিশৰ্মা হ**—( ৰবকৈ খং প্ৰকাশ কৰ্ )—মোৰ কথা শুনি তেওঁ **খঙত অগ্নিশৰ্মা হৈ উঠিল**।

**খঙত নিজৰ মঙহ নিজে খা**—( খঙত মতলীয়া আৰু বিহ্বল হ )—কোনো প্ৰতিকাৰ কৰিব নোৱাৰি পিতাকে **খঙত নিজৰ মঙহ নিজে খাবলৈ ধৰিলে**।

**খঙত পেট কাটি তুকলিত হুমাহ দি**—( খঙত মতলীয়া হৈ কোনো অনিষ্ট কৰি-নিজে কষ্ট পা )—খঙত মকটোকে কাটি পেলাইছিলা; **পেট কাটিছিলা**, এতিয়া **তুকলিত হুমাহ দিয়া**।

খং ধাৰ-কৰিব নালাগে—(খং সকলোৰে থকা হেতুকে আনৰপৰা ধাৰ কৰাৰ প্ৰয়োজন নহয়)—খং কোনোৱে ধাৰ কৰিব নালাগে; তোমাৰো আছে; তুমি অনৰ্থকহে খং কৰিছা।

খং মাৰে চণ্ডাল—(খং উঠিলে মানুহ চণ্ডাল-প্ৰকৃতিৰ হয়)—খং মাৰে চণ্ডাল; জানি শুনি খং কৰি নীচতাৰ পৰিচয় দিয়া কিয়?

খং-মাহ্‌মা—(মাহ্‌মা=ঠেহ, অভিমান। খং-ৰোহ)—যদি যাব নোৱাৰো। খং-মাহ্‌মা নকৰিবা।

খং-শিঙা বজা—(বিপদৰ সংকেত দি)—কোনো বিপদ্ ওচৰ চপা দেখিলে খং-শিঙা বজাবলৈ পহৰীয়াক কোৱা হৈছে।

খং সাৰ্—(খঙৰপৰা উদ্ধাৰ হ)—মই নাহিলোঁ হয়; তোমাৰ খং সাৰিবলৈহে আহিছোঁ।

খঙে চুলিৰ আগ পা—(বৰকৈ খং উঠ্)—টকা নাপাই তেওঁৰ খঙে চুলিৰ আগ পালেগৈ।

খচি-ক্ষেমেকি চা ·(হাত বা ভৰিৰে জল-ওপৰকৈ ভালকৈ মোহাৰি চা)—বোকাৰোৰ খচি কেমেকি চোৱাঁ, লোটাটো আছেই।

খটীয়া পাছ জঁপিয়া দি—(মেৰা-মেৰপৰাকৈ জঁপিয়াই থাক্)—মহৰ কামোৰত ৰাতি সকলোৱে খটীয়া পাছ জঁপিয়া দি আছিল।

খণ্ড-পুষ্প—(বৰ খণ্ডকীয়া)—ল'ৰাটো সৰু হলেও কামত বৰ খণ্ড-পুষ্প।

খত-কবীয়া—(খত বা দলিল সম্পাদনৰদ্বাৰা চুক্তিবদ্ধ)—মই তেওঁৰ বাপেকৰ কালৰ খত-কবীয়া বান্দী নহয় বুলি কবা।

খত-বাজ কৰ্—(অযাচিত মানুহক বৰকৈ ধৰি মেলি বাধ্য কৰ্)—কত খত-বাজ কৰাতহে তেওঁ বৰঙণিকেৰা দিলে।

খত-বাজ দি—(দলিলেৰে বন্ধাৰ দৰে বান্ধ বা চেপত পেলা)—তাক এইবাৰ মহাজনে খত-বাজ দি ধৰিছে, সাৰিব কেনেকৈ?

খতম কৰ্—(নীলামৰ দৰে শেষ-মূল্যত দি)—মাটিডোখৰ কিমান টকাত খতম কৰিলা?

খতৰ খা—(নিজৰ কথাতে অসাৱধানতাৰ বাবে ঘাটি খা)—এনেকৈ খতৰ খোৱাতকৈ অলপ সাৱধান হৈ কথা কোৱাই ভাল।

**খণীয়া-কাপোৰ**—( এমুৰে মূল থকা দীঘল, আৰু মুখামুখীয়া কৰি লব পৰা - কপাহী কাপোৰ )—তোমাৰ **খণীয়া-কাপোৰখন** বৰ ভাল লাগিছে ; এই কাপোৰ আজি কালি দেখিবলৈকে নোহোৱা হ'ল।

**খণ্ডীয়া-খুঁচৰীয়া**—( খণ্ডিবে খুঁচৰি উলিয়া, অৰ্থাৎ সৰু-মৰা ; অপ্ৰাসংগীক )—**খণ্ডীয়া-খুঁচৰীয়া** কথাবোৰ এৰি দিয়া ; মূল অভিযোগটোৰ বিচাৰ কৰা।

**খণ্ডীয়া-পাখি**—( খণ্ডিৰ দৰে আকৃতিৰ সৰু পাখি )—পাৰবোৰ বেছি ডাঙৰ হোৱা নাই ; মূঠে **খণ্ডীয়া পাখিহে** আহিছে।

**খন্দ মাৰ্**—( খেতিৰ এটা বডৰ টিকি থকা কৰ্ )—মাজলখন মূঠে **খন্দ মাৰিহে** পৰাহে হ'ল।

**খন্দ মাৰি দি**—( এটা নিৰ্দিষ্ট সময় বাৰি, বিশেষকৈ এটা খণ্ডতলৈ মাটি থাকলৈ দি )—মোৰ মাটি পূৰা ডেওক **খন্দ মাৰি দিলোঁ**।

**খন্দা-ছিন্দা**—( সীমা আদিৰে পৃথক্ হৈ থকা, লগা-লগি হৈ নথকা )—এনেকৈ **খন্দা-ছিন্দা** খেতি কৰি চলাজিবা কেনেকৈ?

**খন্দিয়াই সোধ্**—( গোপন কথা জানিবলৈ খণ্ড খণ্ডকৈ কঁহিয়াই প্ৰশ্ন সোধ্ )—সমজুৱাসকলে ভিকছুটোক **খন্দিয়াই সুধিবলৈ** ধৰিলে।

**খপি সোধ্**—'খন্দিয়াই সোধ্' চোৱা।

**খপুৰা বা**—( আনে নেদেখাকৈ, চাপৰ হৈ মাটিত হাতেৰে খোপিয়াই, চোৰ বা শত্ৰু, ধৰিবলৈ আগ বাঢ়্ )—আমি সেই নিশা বাৰীৰ মাজেদি **খপুৰা বাই** সেই চোৰটো ধৰিলোঁ।

**খবৰা-খবৰি**—( পৰস্পৰ বাতৰি লোৱা কাৰ্য )—নবিয়া কেনে হয়, **খবৰা-খবৰি** কৰিবা।

**খৰ-উশাহ ধৰ্**—( বৰকৈ লাগৰি বা মৰিবলৈ ওলাই বেগাই উশাহ ল )—গৰুটোৱে **খৰ-উশাহ ধৰিছে**, মৰেহে।

**খৰ খাই পৰ্**—( ভ'ৰ ওপৰলৈ কৰি মূৰ্চ্ছা খাই পৰ্ )—ল'ৰাটো মুখৰ আগতে **খৰ খাই পৰিল**, আমি চক খাই উঠিলোঁ।

**খৰ-খেদা কৰ্**—( বেগাবেগি কৰ্ )—**খৰ-খেদা কৰি** আহিবা, ৰাতি হৈছে।

**খৰচি মোহোৱা কৰ্**—( কটি বা অসম্পূৰ্ণ অংশ মোহোৱা কৰ্ )—টেঙাটো পিটিকি **খৰচি মোহোৱা কৰা**।

**খৰচি মাৰ্**—( বাকী নৰখাকৈ কৰ্ )—যি কামকে কৰা, **খৰচি মাৰি** কৰিবা।

**খৰ টান্**—( বস্তুৰ অভাৱ হ )—এইবাৰ বৰকৈ **খৰ টানিলে**; খেতি হব কেনেকৈ?

**খৰম-খুৰীয়া**—( ভৰিৰ তলুৱাৰ মাজভাগ মাটিত নলগা )—তোৱালীজনীৰ ভৰিদুখন **খৰম-খুৰীয়া**।

**খৰ মাৰ্**—( ১। 'খৰ টান্' চোৱা। ২। ওপৰলৈ ভৰি তুলি বাগৰ মাৰ্ )—১। বাৰিষা এনেকৈ **খৰ মাৰিলে** খেতিৰ হাহাকাৰ হয়।

**খৰ-মিহলি**—( সান-মিহলি; খেলিমেলি )—মজিয়াত বস্তুবোৰ **খৰ-মিহলিকৈ** কেইদিন থবা?

**খৰৰ দৰৰ খুখুন্দত খঁহ্**—( কোনো বস্তুৰ অপপ্ৰয়োগ কৰ )—**খৰৰ দৰৰ খুখুন্দত খঁহিলে** লাভতো নহয়েই, লোক্চান হোৱাৰো আশংকা আছে।

**খৰলি খা**—( বৰ কষ্টেৰে বাস বা প্ৰবাস কৰ্ )—আজি অত দিনে যে **খৰলি খাই** আছোঁ, কোনেনো খবৰ লৈছে?

**খৰলি-পাক**—( ঠাইতে বেগাই ঘূৰি মৰা পাক )—বুঢ়ীয়ে **খৰলি-পাক** মাৰি ঝলকিবলৈ ধৰিলে।

**খৰলি পিট্**—( বৰকৈ অসুখ অশান্তি প্ৰকাশ কৰ্; ধুম ধুপাল কৰ্ )—ভেউঁৰ সুপ দেখি বুঢ়ীয়ে **খৰলি পিটিব** লাগিছে।

**খৰিকা-চুঙা**—( দাঁত খচিবিয়া খৰিকা থোৱা চুঙা )—মানুহে খৰিকা লবলৈকে এৰিলে, **খৰিকা-চুঙাৰে** কি কৰিবা?

**খৰিকাত দি**—( শলাৰে মাছ বা মঙহ বিন্ধি জুইৰ তাপত সিজা। 'বিন্ধিত দিয়া'ও একে )—**খৰিকাত দি** মাছ বহুতে খায়।

**খৰিকা-বাৰি**—( মঙলাত পৰালিকৈ দিয়া ডাং )—যাওঁতে **খৰিকা-বাৰিডাল** দি যাবা।

**খৰিকা ল**—( খোৱাৰ পিছত মুখ ধোওঁতে খৰিকাৰে দাঁত পৰিষ্কাৰ কৰ্ )—আজি কালি মানুহে **খৰিকা লবলৈ** এৰিলেই।

**খৰিকা লগা**—( মূলাৰ কণী আৰু নকৈ জগা পচু থকা খৰিকা চোৰ গছত খাঁবি দি )—আজি আজি কালি মূলা নেদেখোঁ; কেনেকৈ **খৰিকা লগাবা**, কʼত দেখিবা?

**খৰি কাট্**—(১। জুই জ্বলাবলৈ খৰি, গছ আদি কাট্। ২। মৰা শ' পুৰিবলৈ খৰি কাটি ছিঙি উলিওৱা)—১। আমি হাবিলৈ **খৰি কাটিবলৈ** গৈছিলোঁ। ২। বুঢ়ী মৰে বুলি আমি **খৰি কাটিবলৈ** গলোঁ।

**খৰি চা**—(হাবি বা বাৰীত খৰি বিচাৰ্)—ল'ৰা দুটাই বাৰীত **খৰি চাই** ফুৰোঁতে বাঘ এটা দেখিলে।

**খৰি দে**—(মৰা শ' পোৰ্)—বুঢ়ীক **খৰি দিবলৈ** মতো গৈছিলোঁ।

**খৰি তোৰ্**—'খৰি চা' চোৱা। 'অৰণ্যৰ পশি সন্ধি, **খৰি তুৰি** যোজন বাঢ়ি।'

**খকৰা উঠ্**—(খকৰা = খলপা, খাপ, পুৰুষ। সাকৰা পাপ শেষ হ)—বহুদিন একে খেতি কৰি থকাত মাটিতোখৰৰ **খকৰা উঠিল**। আমাৰ বংশৰ **খকৰা উঠিল**; এজনো বুদ্ধিমান ল'ৰা নাই।

**খকৰা পৰ্**—(গছবোৰ বুঢ়া আৰু মাটি নীৰস হোৱা বাবে অধিক খাৰযুক্ত আৰু আকৃতিত সৰু হ—বেঙেনাত খাটে)—এতিয়া বেঙেনা **খকৰা পৰিছে**; এইবোৰ কিয় আনিলা?

**খবে খা**—(১। খৰ বোগে ধৰ্। ২। পৰৰ খজুৰতিত অস্থিৰ হোৱাৰ দৰে ব্যগ্র বা অতিষ্ঠ হ)—১। তোমাক দেখোন **খবে খালে**; দৰৱ নলগোৱা কিয়? ২। ৰবিচোন, বাৰ বাজিছেঁ। তোক নো কি **খবে খালে** যে উশাহ নোপোৱা হলি?

**খবে পৰ্** (বা ধৰ্)—(পুষ্টিৰ খাদ্যৰ অভাৱত পেটত অজীৰ্ণ ভাৱ হ)—তোমাৰ এইটো আচল পেটৰ অসুখ নহয়; **খবে পৰা** যেন হৈছে।

**খৰ্ব-নিখৰ্ব**—(বৰ চোকা; বৰ উদ্যোগী)—তোমালোক ডেকা মানুহ, **খৰ্ব-নিখৰ্ব** হব লাগে। তেহে কাম সিজে।

**খলক-খৰজি**—(বৰ ডাঙৰ হাই, কোলাহল)—যোৱা ৰাতি সেই গাঁৱত কি **খলক-খৰজি** লাগিছিল?

**খলক-লগা**—(কোলাহল কৰ্)—বুঢ়ীয়ে কথাটো শুনিয়েই গাঁৱত **খলক লগালে**।

**খল্বল্ কৰ্**—(ঈৰ্ষাত ছটফট কৰ্)—তোমাৰ সৌভাগ্যত সিহঁতে **খল্বল্ কৰিছে**।

**খলখা বাজ্** (বা নাচ্)—(গুজাই খলপ হ)—তেতে-পুঁৱে **খলখা বাজিছে**, ধুই দৰৱ লগোৱা।

**খজিত মহ**—( ব্যৰ্থ বা বিফল মহ )—সন্ন্যাসীৰ গাও **খজিত মহ'ল,** মিমিয়াই সদাগৰৰ গাও চুৰিলে।

**খজি পোত্**—( থাকিবলৈ বিগাজীকে ঠাই কৰি ল )—দুই এদিনৰ পিছতে মি ভালকৈ **খজি-পুতি** বহিল।

**খজি ল**—( সৰুকৈ অহা-যোৱা কৰ; থাকিবলৈ ঠাই ল )—তই এই গাঁৱত **খজি ললি** নেকি? পুৰাকণা বাস্তিজনেক যেখোন ইয়াতেই থাক।

**খজিহা-যথে ধৰ্**—( বৰকৈ ধীপাই যা )—বুঢ়ীয়ে মহল চাই কলে, 'মোৱালীজনীক খজিহা-যথে ধৰিছে।'

**খলৃতি-খোৱা**—( অতি দৰিদ্ৰ অৱস্থাৰ )—ভইতৰ এনে **খলৃতি-খোৱা** গৃহস্থালী নে, যে একঠা শালি-চাউলো ঘৰত নাই?

**খহনীয়া দে**—( আনৰ ঘৰত চপনীয়া হৈ থাক্—এনে মানুহে আনৰ গৃহস্থালী খহায় )—ভাল মানুহ হলে নো সি এই দৰে **খহনীয়া দি** থাকে নে?

**খহুৱা-তেকুলী**—( এনে তেকুলীৰ দৰে পেট-ডাঙৰ্ কদাকাৰ মানুহ )—সেই **খহুৱা তেকুলীটোক** দেখিলেই ঘিণ লাগে; তাক ধনী বুলি কব কোনে?

**খাই উঠি খাবৰ মন, দেউ-পথ যে বাকস-পথ**—( বৰ খঁকুৱা )—তেওঁক বিয়ালৈ নিহা, মালাগে নোযোৱে। **খাই উঠি খাবৰ মন, দেউ-পথ যে বাকস পথ?**

**খাই এপাৰি যা**—( উপাৰ ছাড়িৰ মোৱাবাটৈ যা )—আজি খাহী **খাই** তেওঁ **এপাৰি গৈছে।**

**খাই-কহ**—( 'বাকস' শব্দৰ অপভ্ৰংশ 'খাকস'। অতিশয় খঁকুৱা )—সেই **খাই-কহটো** মামাডিজনও আহিব।

**খাই তেল**—( মিঠা-তেল; সৰিয়হৰ তেল )—আজিকালি **খাই-তেলতে** মোজে আচাইতকৈ বেছি তেলাল।

**খাই ধৰ্**—( 'কাণ খাই ধৰ্' চোৱা )।

**খাই পাত কাট্**—( উপকাৰ পাহৰি যা )—উপকাৰীৰ অপকাৰ কৰা; কেতিয়াও **খাই পাত নাকাটিবা।**

**খাই-চুঁহবা**—( বৰ বেছিকৈ খোৱা অভ্যাসৰ বাবে চিনা যায় অকৰ্মণ্য মানুহ )—সেই **খাই-চুঁহবাটোক** এই কামতে নাপাচিবা।

**খাই মাৰ্**—(অতিশয় বিৰক্তি বা আহুকাল দে)—তোক ওকণীয়ে খাই মাৰিব।

**খাই-খুবা**—(বংশৰ আটাইবিলাক ধৰি খোৱাৰ পিছত অকলে জীয়াই থকা মানুহ; গুক-মুৰা)—সেই **খাই-খুবা** ল'ৰাটোৰে মৰণ্-বৰ নাই।

**খাওঁ খাওঁ মূর্তি**—(অতিশয় খঙুৱা স্বভাৱ)—খঙটোকে থওক, চাৱা কেনে **খাওঁ খাওঁ মূর্তি**।

**খাঁজ কাট্**—(খোপ কাট্)—বাঁহডালৰ মূৰত **খাঁজ কাটি** লোৱা; তেহে পাঁচিটো বব।

**খাঁজ খা (মূল)**—(খাঁজত বা খোলনিত বা খাঁতত আঁতত আট খাই থক্)—গাঁতটোত বহুত মাগুৰ মাছ **খাঁজ খাই** আছে।

**খাঁজ-খোপ্**—(যত যেতিয়া যেনে হব লাগে, ঠিক তেনেকৈ কওৱা আদি, ঠিকঠাক; জোখা-মাখা)—তেওঁ **খাঁজ-খোপ** লগাই কব পাৰে। সেইবাৰ বৰষুণ **খাঁজে-খোপে** খাই পৰিছে।

**খাঁজ লব্**—(লোলোক চোলোক হৈ থাক)—চুঙাটোত গজালবোৰ ভালকৈ বহুৱা; **খাঁজ লবিল** হব পায়।

**খাঁজি খোৱা**—(খাঁজি—এসাজি। ১। বাটৰুৱাই এসাজ খাই জিৰাবলৈ বাটত সাজি খোৱা ঘৰ। ২। ৰজাই অ'তে ত'তে গলে জিৰাবলৈ বাটত সাজি খোৱা ঘৰ)—আগৰ দিনত **খাঁজি-খোৱা** আমাৰ ৰাজ্যত বহুতো আছিল, বাটৰুৱা বা ৰজাই অ'তে ত'তে যাওঁতে ভাত খাব পাৰিছিল।

**খাজ্-মাছ**—(খৰ' অনুসৰি অবিবিধ মাছ)—আমি পিঠা খাওঁ, **খাজ্-মাছহে** দিয়া।

**খাটনি ধৰ্**—(কোনো উদ্দেশ্যে আমক বৰকৈ ধৰ)—আজি এমাহ **খাটনি ধৰিও** তেওঁৰপৰা এশ টকা ধাৰলৈ পোৱা নাই।

**খাটনিক লোটনি বোল্**—(খাটনি আৰু লোটনি একে)—তেওঁ যেনেকৈ সেনোঁ-টেকেলা হৈ খাটনি ধৰিছে, এই **খাটনিক লোটনিহে** বুলিব লাগে।

**খাটনি-লোটনি**—(বহুদিন বা অধিককৈ কৰা খাটনি)—তেওঁৰ **খাটনি-লোটনিত** এশ টকা দিবলৈ বাধ্য হলোঁ।

**খাড়া-পুৰা**—(পোপপটীয়া)—তেওঁ খাড়া-পুৰা কথাৰ মানুহ; অপ্রিয় সত্য হলেও কবই।

**খাণ্ডৱ-দাহ কৰ্**—(বিস্তৰ ক্ষতি সাধন কৰ্)—সিদিনাৰ জুয়ে খাণ্ডৱ-দাহ কৰিছিল।

**খানা-তালাচ কৰ্**—(চোৰাং বা নিষিদ্ধ বস্তু-বাহানিৰ বাবে ঘৰত বিচাৰি চা)—পুলিচে তেওঁৰ খানা-তালাচ কৰি একোকে নাপালে।

**খামিক খালেও খুঁটিয়া জীয়ে**—(সামান্য লোকৰ পক্ষে সামান্য লাভেই যথেষ্ট)—যিবি মাইল গলেই যদি চাৰি অনা পায়, সিও ক'বপৰা আছে। **খামিক খালেও খুঁটিয়া জীয়ে।**

**খামিকা পাত্**—(খলি ল, থাকিবলৈ ঠাই কৰি ল)—তোমাৰ ঘৰত তেওঁ **খামিকা পাতিলে** নেকি?

**খাম্চি পাত্**—(কোনো ঠাইত বিশেষ লাভৰ ব্যৱস্থা কৰ্)—সেই মানুহটোৱে তেওঁৰ ঘৰত ভালকৈ **খাম্চি পাতিছে**; যেতিয়া যাওঁ, তেতিয়াই সি তাতে।

**খাপ দে (বা ল)**—(কোনো উদ্দেশ্যে লুকাই বৈ চপ চাই থাক্)—বাঘটোৱে গৰুলৈ **খাপ দি** হাবিৰ দাঁতিত বহি আছিল।

**খাব-জীয়ৰ লখ থাক্**—(জীৱিকাৰ সাধাৰণ উপায় থাক)—সেই ডেকাটোৰ **খাব-জীয়ৰ লখ** সমূলি **নাই**, তাৰ হোৱালীগৰী দিয়া কেনেকৈ?

**খাবৰ পৰত কুকুৰ-দিয়া মহা**—(টানৰ পৰত এৰা দি সম্পদ বা লাভৰ সময়ত ঘনিষ্ঠতা লগ বলৈ চেষ্টা কৰা মানুহ)—আম পাকিবলৈ মাকোঁতে পলাইছিলা; এতিয়া পাকি অহা দেখি কাষ চাপিছা; **খাবৰ পৰত কুকুৰ-দিয়া মহাক** মোক নালাগে যোৱা।

**খাবৰ সময়ত কুকুৰকো চেই নোবোল্**—(খোৱাৰ পৰত কাকো টান কথা কব নাপায়)—**খাবৰ সময়ত কুকুৰকো চেই নোবোলে**,—তুমি তাইক ভাতৰ পাতত মাৰি বৰ পাপ কাম কৰিছা।

**খাম খাজ্ (বা আৰ্)**—(কুঁৰীয়া ভূমি পোট খাব—গাঁথীৰ ক্ষতি)—আজিৰ গাঁথীৰ কালিলৈ **খাম খাজিব।**

**খা-খাটি**—(শিকৰ কৰি বা এজেৱে পুৰি খোৱা এবিধ কুমাৰখাটি)—গৰ্ভৱতী তিৰোতাই **খা-খাটি** বৰকৈ বিচাৰে।

**খাজি-ভাঁট-** ( বুকু-ভাং; সাহিয়াল )—তেওঁ বৰ খাজি-ভাঁট মানুহ; ৰাতিখ'লৈ ভ'লৈ অকলে যায়।

**খাজি পুতি থৰ্**—( নিৰ্ভয়ে আৰু টানকৈ খোপনি পুতি থৰ )—**খাজি পুতি** ধৰিলে কে'নো কাম নিসিজাকৈ নাথাকে।

**খাজি হ**—'খাৰ্ খাজ্' চোৱা।

**খাৰ উঠ্**—( খাৰ গুণ যুক্ত হৈ পানী অপৰিষ্কাৰ বা অপেয় হ )—বিলত **খাৰ উঠি** মাছ মৰিছে।

**খাৰ-কড়া জিভা**—( শিষ্টাচাৰী আৰু মাৰ্জিত ভাষাৰ জিভা )—তেওঁৰ জিভাখন বৰ **খাৰ-কড়া জিভা**; কথা কব থাকিলে শুনি থাকিবৰ মন যায়।

**খাৰ কাঢ়্**—( টেঙাৰে খাৰ বা লোণৰ গুণ গুচা )—কুমুৰা-হুতাবোৰ অলপ পৰ টেঙাৰ পানীত পেলাই থৈ **খাৰ কাঢ়িবা**।

**খাৰ-খোৱা জিভা**—( অমাৰ্জিত বা অসতৰ্ক কথা কোৱা জিভা )—**খাৰ-খোৱা জিভা**, আই, কিবা কওঁতে কিবা আহে।

**খাৰ-ঘৰ**—( বহুত সংজুলি, বিশেষকৈ ছিটিৰ খাৰ ৰখা ঘৰ )—তেওঁলোকে **খাৰ-ঘৰত** জুই দিলে।

**খাৰ থাক্**—( অন্তৰত অপ্ৰিয় ভাব থাক্ )—পেটত সাত পাচি **খাৰ থাকিলেও** বিপদত পৰা মানুহক সহায় কৰিব লাগে।

**খাৰ-মাছ কৰ্**—( অতি শীঘ্ৰে সিদ্ধান্ত বা শেষ কৰ )—মেলখন তেওঁ তৎকালতে **খাৰ মাছ কৰি** পেলালে।

**খাৰ-মাটি**—( খাৰৰ গুণ থকা আৰু সততে চাপোনত ব্যৱহাৰ কৰা একবিধ মাটি; চাজি মাটি )—**খাৰ-মাটিৰেও** কাপোৰ ধুব পাৰি।

**খাৰ-মিঠা**—( নীৰস আৰু ৰসহীন )—দৈখিনি কেনে হৈ আছে; **খাৰ-মিঠা** যেন লাগে।

**খাৰি বান্ধ্**—( মন সংস্কাৰ বা ধাৰণা ডাঠকৈ বহ্ )—সদায় দেখি শুনি থকা কথা মনত **খাৰি বান্ধে**; সেই বাবে শুনি শিকাতকৈ দেখি শিকা ভাল।

**খাকৰা দে** ( বা ধৰ্ )—( খাকৰা পানীত মাছে কণাই বুলি কপাহি উঠ্ )—পুখুৰীত বহুত মাছে **খাকৰা দিছে**; এইবোৰ মাছ মৰিব।

**খাৰে ধৰ** —(মাটিত খাৰৰ ভাগ বেছি থকা কাৰণে উদ্ভিদ আদি শ্ৰীহীন হ বা মৰি যা)—শাকভাজী **খাৰে ধৰিলে** ; সোনকালে তুলি খোৱা।

**খাল-খোং** —(বিপদ্-আপদ ; ভাল-বেয়া)—**খাল-খোং** নোচোৱাকৈ হোতালী দিয়াটো কেতিয়াও পুণ্য-কাৰ্য হব নোৱাৰে।

**খাজৰ মখিনী** —(খলিহা লেটেৰা তিৰোতা)—সেই **খাজৰ মখিনীটোৰ** হাতে পানী এটোপাও পাব নোৱাৰি।

**খাহ-বাক** —(বোৱতী নৈৰপৰা দূৰত থকা ঠাইক খাহ বোলে ; গতিকে নগৰৰ পৰা দূৰত থকা, সাধাৰণ মনুহ বাস কৰা গাঁও ; পিছ-পৰা অঞ্চল)—আমি **খাহ-বাকত** থকা, **খাহ-বজীয়া** মানুহ, সেইভা ; চহৰৰ ভু-ভা একো নাপাওঁ।

**খিচা-গীত**—(বিয়াত কোনো লোকক ঠাট্টা-বিদ্ৰূপ কৰি গোৱা গীত)—ভদ্ৰসমাজত **খিচা-গীতৰ** আদৰ নাই।

**খিতিং-খাতাং**—(সাধাৰণ দন্দ-কাজিয়া)—সেইলোকৰ পৰিয়ালত সদায় **খিতিং-খাতাং** আছেই গিৰীঘৰৰ শান্তি নাই।

**খুঁটা-কণীয়াকৈ ধৰ্**—(এৰাব নোৱাৰাকৈ ধৰ)—তেওঁ যেনে **খুঁটা-কণীয়াকৈ ধৰিছে**, টকা নিদিও কেনেকৈ ?

**খুঁটাত বন্ধা হ**—(লৰচৰ কৰিব নোৱাৰা, আশানুৰূপ ফলদায়ক হ)—আপোনাৰ এপালি গৰুতে মৰিয়া **খুঁটাত বন্ধা হ'ল** ; যি মুখে গৰু দিছিল, সেই মুখেই কল ধৰিলে।

**খুঁটি খাব পৰা হ**—(নিজে আহাৰ খাব পৰা হ ; কিছু ডাঙৰ হ)—তেওঁৰ ল'ৰাটো কথমপি **খুঁটি খাব পৰা হৈছে**।

**খুঁটি-গছা**—(মাটিত পুতি থব পৰা সৰু গছা)—**খুঁটি-গছাখনত** চাকিটো থোৱা।

**খুঁটি-টান**—(১। টানকৈ খুঁটি পুতি থোৱা। ২। কোনো কথাত থিৰ সহজে এৰি নিদিয়া)—১। এইবাৰ ক'লোৰ **খুঁটি-টান** হলেহে ভাল। ২। তেওঁ বৰ **খুঁটি-টান** মানুহ ; লাগিলে সহজে এৰি নিদিয়ে।

**খুঁটি-ভাল না**—(আন মানুহে গম পোৱা-নোপোৱাকৈ সদায় কাজিয়া কৰি থাক্)—যাদেক-কনীয়েকে দিনে ৰাতি **খুঁটি-ভাল নাই** থাকে ; সেইডাকে শুনিলে একো-নাই হোৱা যুলি কা।

**ঘুঁটি পুৰি উজাই খা**—(নিজৰ কাৰ্যধাৰা নিজে ঘাটি খা)—তুমিয়ে সাথৰ পাৰি থৈছিলা; সেয়ে তোমাক কাটিলে; ইয়াকে **ঘুঁটি পুৰি উজাই খোৱা** বোলে।

**ঘুঁটি পোত্**—(থাকিবলৈ ঠাই ল)—তোমাৰ ইয়াতেই মাটিটোতে **ঘুঁটি** পুতিব খুজিছোঁ।

**ঘুঁটি বাছ্**—(কোনো বিষয়ে টানকৈ ঠেহ পাত্)—ল'ৰাটোৱে কিহৰ বাবে **ঘুঁটি বাছিছে?** ঘুঁটি বাচাবাচি মাৰিলে কি হ'ব?

**ঘুঁটি-মাল**—(কোনো বিষয়ে যেনে-তেনে ঠেহ ঠেহ পতা ল'ৰা বা ছোৱালী)—তোৰ দৰে **ঘুঁটি-মাল** দেখা নাই; সদায় কিবা এটা লৈ ঠেহ পাতিছেই।

**ঘুঁটিয়া-ঘুঁটি**—(জোকা-জুকি; মৰা-মৰি)—এটা আনৰ কৈ এনেকৈ **ঘুঁটিয়া-ঘুঁটি** নকৰিবা; আৰ আৰ আছে, আমি গোৱাগৈ।

**ঘুঁটিয়া গাঁথ্**—(ঘুঁটিয়া—ভাত বাকিবলৈ পোতা খুঁটি। ভাবপথা—সোনকালে নাহি পলমকৈ থাক্)—সি সেখোন এতিয়াই আহে বুলি গৈ **ঘুঁটিয়া গাঁথিলে** ফল পায়।

**ঘুঁটিয়া ম'হে আও বুৰা**—(নিজৰ আশ্ৰয়ত থকা লোকে অনিষ্ট কৰ্)—সকলপথা পুহি-পালি **ঘুঁটিয়া ম'হে আও বুৰাবি** বুলি ভৱা নাছিলোঁ।

**ঘুঁটি লাগি দে**—(গোপনি এৰি দে)—তুমি **ঘুঁটি লাগি নিদিলে** আনে তোমাক কেনেকৈ ধৰা কৰিব?

**ঘুকুৰিয়াই চা**—(মনৰ খুকুৰি ভচাবলৈ ভিতি মেলি চা)—কোনোবা আহিছে বুলি দুৱাৰ মেলি বুঢ়াই **ঘুকুৰীয়াই চালে।**

**ঘুচ্ ঘুচাবি নিয়াম, আজাহ পাবি তিয়াম**—(এজনে আনৰ অপকাৰ কৰি থাকিলে, আনেও তাৰ প্ৰতিশোধ দিয়ে)—সি মাৰিছে দেখি এতিয়া কান্দিছ; মাৰিবই তো; **ঘুচ্ ঘুচাবি নিয়াম, আজাহ পাবি তিয়াম।**

**ঘুন-ধৰা মপলা**—(খোৱা বস্তু নিজেই ভাল হোৱা বাবে অকণো তোক নুচক্)—কিয়ো দিলাহে, পেটৰ **ঘুন-ধৰাহেই মপলায়।**

**ঘুন খাই গোঁহ নষ্ট কৰ্**—(গোঁহ—পেট। কোনো বস্তু অতি সামান্য বাবে অবহেলা নিলে একো উপকাৰ নাপা)—দিনোপাহে খালোঁ, **ঘুন খাই গোঁহ নষ্ট কৰাহে** হ'ল।

**ঘুন-মগনীয়া**—( খুদ-কণ মাগি খোৱা মগনীয়া ; ডাল-কৰিয়া )—বামহুঁকৰীয়া সেই **ঘুন-মগনীয়াৰ** ভিক্ষিত মালা দিলে।

**ঘুন-বুদ্ধি**—( খাবলৈ ইচ্ছা )—যি হে মাছৰ আকাল, সেই মাছত মনৰ **ঘুন-বুদ্ধি** মপলায়।

**ঘুন্দ খা** ( ঠাহ খাই থাক, নিদকি হৈ ভৰি থাক )—গাঁৱৰ মানুহবোৰে '**ঘুন্দ** খাই' আছিলে।

**ঘুন্দাই-লাখুটি** ( টকটককৈ ঘূৰি ফুৰা, চাৰ বাকৰ, চুটি-চাপৰ মানুহ ) সেই **ঘুন্দাই-লাখুটিটো** মৰা কথাটো সকলোৱে অনুভৱ কৰিছে।

**ঘুন্দা খা**—( ১। ক'ৰবাত বেগেৰে ঠেকা খা। ২। কষ্ট পা, ঠেকা খা ; লাঞ্ছনা ভোগ কৰ ) মোৰ জীৱনটো **ঘুন্দা খায়েই** কটালো, হোৱাতো এখুন্দা, নোহোৱাতো এখুন্দা।

**ঘুন্দাত গাল খা**—( অ মন তিৰস্কাৰ বা অপমান সহ কৰিব লগীয়া হ )—কটাৰীখন নেহেৰুৱাবি, কেঁকালে **ঘুন্দাত** মোৰ **গাল খাব**।

**ঘুন্দা-ভজা**—( ১। সান্দহ, পিঠা আদি তৈয়াৰ কৰা কাম। ২। অনেক ঠাইত মিবাগ হৈ পোৱা কষ্ট )—১। পূজা আহিছে, তিৰোতাসকলে ঘৰে ঘৰে **ঘুন্দা-ভজা** কৰিছে। ২। আইশৈশৱৰ মাখান **ঘুন্দা ভজাৰ** মাজেৰে জীৱনটো কটাই আহিলোঁ।

**ঘুন্দা মাৰ**—( ১। খুঁন্দিয়া। ২। কষ্ট দে, অপমান দে )—১। বাঁহডালে যুবত **ঘুন্দা মাৰিলে**। ২। মই নো কি কৰিলোঁ যে যেয়ে পায় সেয়ে একো **ঘুন্দা মাৰিবলৈ** আহে ?

**ঘুম্পি তাও কৰ**— ধৰকৈ মাৰ-পিট কৰ )—তাক আজি লৰাবোৰে অকলে পাই **ঘুম্পি তাও কৰিলে**।

**ঘুম-মোহোৱা**—( পাগডালি নথকা, অসাধন )—গৰুটোকে বাৰিষ নাজান ; তোৰ দৰে **ঘুম-মোহোৱা** ল'ৰা মই দেখা নাই।

**ঘূৰে কাক্তি শখি চপা**—( দেখাত সামান্য অপকাৰৰ মাজেৰে ডাঙৰ অপকাৰৰ সূচনা কৰ )—এজনী ছোৱালী, তাইক পুহি থকাটো টান বুলি নকওঁ, কিন্তু আমোলা **ঘূৰে কাক্তি শখি চপোৱা হয়**।

**ঘেকাৰ-খোৱা**—( অতিশয় নীচ প্ৰকৃতিৰ মানুহ—গালি )—সেই **ঘেকাৰ-খোৱাটোৱে** গাঁওখন খালে।

**খেতা-খোৱা**—(তিৰস্কাৰ বা অপমানসূচক কথাৰ খোগা)—তোৰ ঘৰে 'খেতা-খোৱা মহা কৰ আছে; আৰ কোনে এনেকৈ ছোৱালীৰ মুখ জোকাই থাকে?

**খেতি-খোলা**—(খেলা—মৰণা মৰা ঠাই। কৃষিকাৰ্য)—আমি কিনি-কিনি খোৱা মানুহ; **খেতি-খোলা** নাই।

**খেদ্-খেদীয়া**—(ভাঠ মলিযুক্ত; মৰ লেভেৰা)—কঁহীখন **খেদ্-খেদীয়া** হৈ আছে; ধুই আনা।

**খেদা-কোবা**—(খেদিবলৈ পাছে পাছে লগা কাৰ্য)—বহুত **খেদা-কোবা** কৰিহে চোৰটো ধৰিলোঁ।

**খেদা খা**—(আন ঠাইলৈ যাবলৈ বাধ্য হ)—সি ক'তো থিতাপি হব পৰা নাই; য'লৈকে যায়, তা'ৰপৰাই **খেদা খায়**।

**খেদা-চিকাৰ**—(হাবিত বনৰীয়া হাতী খেদি নি গড়ত সুমাই ধৰা কাৰ্য)—অসমত **খেদা-চিকাৰত** বছৰি বহুত হাতী ধৰা হয়।

**খেদা-ভেকা**—(চলিত নিয়ম মতে অধিকাৰ হৰণ কৰা নথকা লোক)—আপুনি **খেদা-ভেকা**; সেই দেখি ৰাইজে আপোনাক অধিকাৰ নাপাতে।

**খেদা দে (বা মাৰ্)**—(লগ ধৰিবলৈ পাছে পাছে খেদ্)—দা এখন লৈ কুকুৰটোলৈ **খেদা দিলোঁ**।

**খেদি-খোৱা**—(বলেৰে খাঁটবাই খোৱা)—**খেদি-খোৱা** কোঁৱৰ বুলি ভেঁট বঙা হয় নোৱাৰিলে।

**খেম চা**—(কোনো কামৰ বাবে সুযোগ চা)—কামটো নকৰা কিয়? কিবা **খেম চাইছা** নেকি?

**খেপ কৰ্**—(খেপ—১। অন্তৰত থকা খং। ২। পাবলৈ লোভ। গতিকে, ১। খং সাৰিবলৈ ঢেলু বিচাৰ্। ২। পাবলৈ আগ্ৰহ কৰ্)—১। তোমাক ভেঁট বহুদিনৰ পৰা **খেপ কৰি** আছে, সুযোগ পালে অপমান দিব। ২। তেনে অসাৎ বস্তলৈ তই **খেপ কৰিব** নালাগে।

**খেৰ-খাটনি কৰ্**—(খাটিবত আনৰ বাবে পৰিশ্ৰম কৰ্)—আপোনাৰ **খেৰ-খাটনি কৰি** থাকিলে মোৰ পেট নভৰে।

**খেৰ-কুটা জ্ঞান কৰ্**—(সমূলি অৱজ্ঞা কৰ্)—বয়সত বুঢ়া হলেও জোৱাইয়ে তেওঁক **খেৰ কুটা জ্ঞান কৰে**।

• খেৰখাহুক বাজিলেহে খেৰখাহুও বাজে—(ইজনে সহায় কৰিলেহে সিজনেও সহায় কৰে)—তুমি যদি সহায় নকৰা, মইনো তোমাক সহায় কৰিম কিয়? খেৰখাহুক বাজিলেহে খেৰখাহুও বাজে।

খেৰ-পমী—(নিচেই সামান্য বস্তু)—'ভাই তই খেৰৰ-পমী, তাৰ্থা আছে পৰৰ কণি।'

খেৰ চাই বঠা মাৰ.—(চল চাই কাৰ্য সিদ্ধ কৰ.)—এই মাটিৰ ওপৰত কৃপণৰ চকু কেতিয়াবাৰপৰাই আছিল; এতিয়া খেৰ চাই বঠা মাৰিব খুজিছে।

খেৰ দে (নৈ পাৰ হ'বলৈ নাও মেল্)—ধুমুহাই পাম কটাত নাৱৰীয়াই খেৰ দিলে।

খেহ-মেজীয়া (বৰ দুৰ্বল; অতি সামান্য) সি খেহ-মেজীয়া মানুহ; টকা দিব কেনেকৈ?

খৈয়া কৰা—(আনৰ ঘৰত চাকৰ থাকি জীৱিকা উলিয়া)—গোটেই জীৱনটো খৈয়া কৰাহে কটালি নে? ঘৰ গৃহস্থালিও কৰিব লাগে।

খোঁকা পাত.—(কোনো বস্তু পাবলৈ আশা পালি থাক্)—তই খোঁকা পাতি বহি থাকিলেও, আজি তোক একোকে দিব নোৱাৰোঁ।

খোঁচনি-বিন্ধনি—(গাৰ ভিতৰত জোঙা অস্ত্ৰেৰে কৰা আঘাতৰ নিচিনা যন্ত্ৰণা)—ওৰে ৰাতি পেটৰ খোঁচনি-বিন্ধনিত তত্ পোৱা নাই।

খোঁচনি-মাৰি—(মানুহ মৰি দিওঁতে মৰা শ' চিতাত লগাই বা তুলি দিয়া বাঁহ বা মাৰি)—খোঁচনি-মাৰিৰে বিমান পাৰা খুঁচি থাকা, তেহে শ'টো সোনকালে পুৰিব।

খোঁচৰা-মাৰি—(পুৰণিত সাপহ আদি লগাই দিয়া, বাঁহৰ জোঙা মাৰি)—খোঁচৰা-মাৰি নহলে পুৰণিৰ সাপহ লগাই দিব কিহেৰে?

খোঁচা দে—(উৰুৱাৰি মাৰিবলৈ পুৰণি চাল, নতুন খেৰ দিয়াই মেৰামত কৰ.)—তেওঁ খোঁচা দিলে পুৰণি চালো নতুন যেন হয়।

• খোঁচা মাৰ.—(কথা প্ৰসঙ্গত নতুন কথা এটা উলিয়া)—আবেলি কথা পাতোঁতে, তেওঁলোকৰ মোকৰ্দমাৰ কথাটো খোঁচা মাৰিলোঁ।

খোঁটা দে—(উৰুকাৰ দে; পুৰণি কথা সোঁৱৰাই অপমান কৰ)—মই বহুতো খুলি শপত খাইছিলোঁ, তথাপি আহিলোঁ; তুমি খোঁটা দিবলৈ সুযোগ পালা, নহয়?

**খোঁৰাৰ ঠেং খালত**—(দুৰ্ভগীয়াক সকলো দুৰ্ভাগ্যই আগুৰি ধৰে)—এনেই নিঃকিন, তাতে ঘৰত বৈৰীৰেক দুকাল, হালৰ হালোৱা মৰিল; **খোঁৰাৰ ঠেং খালত পৰেই।**

**খোচামতি কৰ্**—(ধৰকৈ কাবৌ-কোকালি কৰ্)—তেওঁক কিমান **খোচামতি কৰিলোঁ**; তথাপি খাম এখোপ নিদিলে।

**খোজ-কাটল্**—(খোজ কঢ়াৰ ধৰণ)—ছোৱালীজনীৰ **খোজ-কাটল্** বৰ ভাল পোৱা নাই।

**খোজত পকৰা মৰ্**—(পকৰা মৰে, এই ভয়ত লাহে লাহে খোজা)—**খোজত পকৰা মৰে**. এই ভাব লৈ চলিলে মানুহে কেতিয়াও উন্নতি কৰিব নোৱাৰে।

**খোজ ধৰ্**—(ধৰিবলৈ পাছে পাছে যা)—আমিও হাতত সাবে ভৰিত সাবে ডকাইতহঁতৰ **খোজ ধৰিলোঁ।**

**খোজকীয়া-মগনীয়া**—(মাগি খোৱা মানুহ)—**খোজকীয়া-মগনীয়াৰ** বাবে এপাচি ধান উলিয়াই থোৱা।

**খোজ ল**—(১। বাবলৈ ধৰ্। ২। খোজ শিক্)—১। বেলি পৰাত আমি ঘৰলৈ **খোজ ললোঁ।** ২। তোমাৰ ল'ৰাটোৱে **খোজ ললে** নে?

**খোজ লবা**—(১। আক ফুৰ; পথাৰ ফুৰ্। ২। খোজ ল)—তোমাৰ চেউৰীজনীয়ে **খোজ লবোৱা** নাই। ২। মামাৰ ঘৰে মামাৰ কথা কোৱাতো ছোৱালীজনীয়ে কাহানিও শহুৰিকপৰা **খোজ লবালে।**

**খোজা বঢ়া কৰ্**—(বিয়া কৰাবলৈ ছোৱালী ধৰা-মেলা কৰ্)—ল'ৰাটোলৈ ছোৱালী **খোজা বঢ়া কৰিছোঁ**, পিছে ভাল ছোৱালী পোৱা নাই।

**খোজে পতি**—(প্ৰতি খোজত; ঘনাই ঘনাই; সামান্য কাৰণতে)—**খোজে পতি** তোমাক কোনে সহায় কৰি থাকিব?

**খোপ ছিঙ্**—(কোনো এটা মতৰপৰা আন এটা মতলৈ ঘূৰাই আন্)—তেওঁৰ কথাৰ **খোপ ছিঙিবলৈ** বহুত পৰ লাগিল; শেষত আমাৰ কথাত হয় দিলে।

**খোপনি পোত্**—(খুঁটি ল; টানকৈ লাগি ধৰ্)—সি তোমাৰ ঘৰত **খোপনি পুতিব** খুজিছে নেকি? গোটেই গছ হব চাবা।

**খোৰ ভঙা**—(গোপন কথা জনাজাত হ)—এতিয়াহে আচল কথাৰ **খোৰ ভঙাইছে।**

**খোজ ল**—( ১। অনুসন্ধান বা উদ্ধাৰিছ ল। ২। থাকিবলৈ ঠাই ল )—১। আচল কথাটো কি, **খোজ লবলৈ** যত্ন কৰা। ২। এইটো ক'ৰ মানুহ, এই গাঁৱত **খোজ লবলৈ** পাতিছে ?

**খোলাই পাতিলে যা**—( সমূলি নাশ হ )—আগেয়ে মাক মৰিল, অলপ পিছত কেঁচুৱাটোও মৰিল; বেচেৰী **খোলাই পাতিলে গ'ল**।

**খোলা উলিয়া**—( সাৰ পদাৰ্থ নাইকিয়া কৰ্; ধ্বংস কৰ্; নষ্ট কৰ্ )—নাৰিকল-কণা **খোলা উলিয়াই** থোৱা। অকৰ্মণ্য পুতেকহঁতে বুঢ়াৰ গৃহস্থালিৰ **খোলা উলিয়ালে**।

**খোলাকটিৰ তাল**—( নিষ্ফল কাম, প্ৰাৰ্থনা আদি )—'গালোঁ বালোঁ **খোলা-কটিৰ তাল**।'

**খোলা-খুলিকৈ**—( ঢাকঢুক নকৰাকৈ; স্পষ্টকৈ )—তেওঁক সকলো কথা **খোলা-খুলিকৈ** নোকোৱা কিয় ?

**খোলা-চপৰীয়া পিঠা** ( বা **খোলা-চাপৰি** )—( শুকান খোলাত ভজা, পিঠাগুড়িৰ এবিধ পিঠা )—**খোলা-চপৰীয়া পিঠা** কিছুমান লগত লোৱা; বাটত খাবা।

**খোলা তাৰ্**—( চিএৰ-বাখৰ কৰি অশান্তি দে )—এই বুঢ়ীজনীয়ে দিনে ৰাতি **খোলা তাৰি** থাকে।

**খোলা ফুৰ্**—( কোনো কাম আৰম্ভ কৰিবলৈ সুচল-বিচল চাই সাজু হ )—খেলুৱৈ-বিলাকে অলপমান **খোলা ফুৰি** চাইছে, এতিয়াই খেল আৰম্ভ হব।

**খোৱা-কামোৰা**—( দন্দ-খৰিয়াল; হিংসাহিংসি )—তোমালোকে **খোৱা-কামোৰাখন** এৰি মিলা-প্ৰীতিৰে থাকিব নোৱাৰা নে ?

**খোৱা-খুই**—( ১। একেলে আহাৰ লগত খোৱা-বোৱা কাৰ্য। ২। খোৱা-কামোৰা )—১। আমাৰ তেওঁলোকৰ লগত **খোৱা-খুই** নাই। ২। ভায়েক-ককায়েকৰ মাজত এনে **খোৱা-খুই** আৰু ক'ত দেখিছা ?

**খোৱা-থকা উঠ্**—( খোৱাই থকা বা বাস কৰাটো অসম্ভৱ হৈ উঠ্ )—চোৰৰ উৎপাতত মোৰ **খোৱা-থকা উঠিল**।

**খোৱা-ধোৱা**—( গা ধোৱা আৰু খোৱা কাৰ্য )—দুপৰীয়া **খোৱা-ধোৱা** কৰি জিৰাই-সঁতাই লোৱা।

**খোৱা-বোৱা**—(খাদ্য-খাদ্য)—**খোৱা-বোৱা** কৰি আবেলি আহিব।

**খোৱা-লোৱা**—(১। একেলগে আহাৰাদিৰে আনৰ লগত কৰা সংসৰ্গ। ২। মতা-তিৰোতাৰ সংসৰ্গ)—১। গাঁৱে তেওঁলোকক এৰি থৈছে; এনে ক্ষেত্ৰত আমি তেওঁলোকৰ লগত **খোৱা-লোৱা** কৰিব নোৱাৰোঁ। ২। সেই তিৰোতাজনী আৰু এই ডেকাহঁতৰ **খোৱা-লোৱাৰ** কথা সকলোৱে জানে।

**খোহা মাৰ্**—(১। খোঁচা মাৰি সুমাই থ। ২। অলপ দিনলৈ কাৰো ঘৰত সুমাই থাক্)—১। কাউৰীজনীয়ে চালত কিবা এটা **খোহা মাৰি** থলে। ২। কোনো ঘৰত **খোহা মাৰি** থকাতকৈ হোটেলত থকাই ভাল।

## গ

**গঁড় সিজোৱা জুই**—(বহুত খৰ জুই)—এই দাইল বেয়া; **গঁড় সিজোৱা জুই দিলোঁ**; তেও নিসিজে।

**গঁড়ে মাথায়, চেলেকি হাড় উলিয়ায়**—(বাহিৰে বন্ধুৰ ভাও দেখুৱাই লাহে লাহে সৰ্বনাশ কৰা)—**গঁড়ে মাথায়, চেলেকি হাড় উলিয়ায়**; তেওঁ হিতৈষীৰ ভাও লৈ ইখন সিখনকৈ হাত কৰি আমাৰ পিতৃসম্পত্তি চুঁচিবলৈ ধৰিলে।

**গগন ফটা (বা ফাল্)**—(টেটু ফালি চিঞৰ্)—সি চিঞৰত **গগন ফটাবলৈ** ধৰিলে।

**গঙ্গাৰো যাত্ৰা, মাহীৰো বতৰা**—(একে সুযোগতে কেবাটাও কাম কৰা)—নিমন্ত্ৰণো খাবা, মাহঁতটোকো লগ ধৰিবা, বাটত আহোঁতে চাপি গৰুটোও আনিবা; **গঙ্গাৰো যাত্ৰা, মাহীৰো বতৰা**,—এনে সুযোগ নেৰিবা।

**গচকত দুবৰি মৰ্**—(বৰ শক্তিমান হোৱা বাবে শক্তি প্ৰকাশ কৰ্)—ডেকাজনক কি চাবা, তেওঁৰ **গচকতে দুবৰি মৰে**; কিন্তু ভগৱানে তেওঁক আঁতৰাই নিলে।

**গছত-উঠা**—(তল-ওপৰ নাচাই কিতাহি মাৰি কাম কৰা প্ৰকৃতিৰ; উকা-দেও)—তই বৰ **গছত-উঠা** হ'বা; তল-ওপৰ নোচোৱাকৈ সকলো কামতে আগুৱাব লাগে নে?

**গছত কঁঠাল ওঁঠত তেল**—(কোনো কাম আৰম্ভ নোহওঁতেই তাৰ ফল লাভ হোৱা বুলি ভবা কাৰ্য)—পিৰালিকে গাই কিনিব, কি কি লাভৰ গাখীৰ খা, লৈপীলৈকে

তাকে ভাবিছে। ইয়াকে কোৱে,—'গছত কঁঠাল ওঁঠত তেল, গোঁফ খুটেই লেল-বেল।'

**গছত গৰু উঠা**—(অসম্ভৱ, অমূলক, অবাস্তৱ)—তোমাৰ এই **গছত গৰু উঠা** কথাবোৰ এৰি পেলোৱা।

**গছত তুলি গুৰিত কাট**—(কোনো কামলৈ আগুৱাই দি, পিছত বিপন্নতা বা বিশ্বাসঘাতকতা কৰ)—পিছত তুমি সহায় নকৰিলে বিপদ হব; **গছত তুলি দি গুৰিত নাকাটিবা**।

**গছত তুলি পেলাই যাব**—(বিপদজনক কামলৈ আগুৱাই দি সৰ্বনাশ কৰ)—তেওঁ বল দিছিলে মই এই কামলৈ আগুৱালোহেঁতেন; এনেকৈ **গছত তুলি পেলাই যাবিব** বুলি কোনে জানে?

**গছ মাৰি গোট ল**—(ফল পিটুতে গছজোপা মাৰ; যাৰপৰা কিবা বস্তু আদি পোৱা যায়, সেই গুৰিটোকে নষ্ট কৰ)—আপুনি মাটি বেচি মোক সহায় কৰিব নালাগে; মই **গছ মাৰি গোট লব** খোজা নাই।

**গছৰ আগ চা**—(সান্ত্বনাৰ বাবে নিঃসহায়ভাৱে বহুত দূৰলৈ চাই থাক)—মোৰ বাপা আজি অত বছৰে ঘৰলৈ ঘূৰাটিল; উপৰে মোক **গছৰ আগ চোৱা** কৰিলে।

**গছৰ আগত ক**—(কোনো মানুহক কথা কৈও শুনাবলৈ অসমৰ্থ হ)—তেওঁক এইবোৰ কৈ লাভ নাই; তাতকৈ, **গছৰ আগত কোৱাও** ভাল।

**গছৰ আগত চাউল**—(বহুত দূৰত থকা জীৱিকাৰ উপায়)—সেটো হ'লে **গছৰ আগত চাউল**; তোমাৰ ল'ৰাই দূৰ দেশলৈ যোৱাত বেজাৰ নকৰিবা।

**গছৰ গুটি খাই আম নক**—(ধৰা নপৰাকৈ কোনো অপৰাধ কৰ)—তুমি সতৰ্ক হৈ চলিবা; **গছৰ গুটি খাই আম নোকোৱাকৈ** কেই দিন থাকিবা?

**গছৰ পাত লগে মলৰ**—(সকলো মানুহ একেলগে মৰ)—**গছৰ পাত লগে মলৰে**; আমি এইবাৰ ৰ'লোঁ; তেওঁ গ'ল; আমিও যাম।

**গছ নবিলেও গুৰি মলৰ**—(বিপদ আহিলেও ধৈৰ্যচ্যুত নোহোৱাকৈ থাক)—**গছ নবিলেও গুৰি মলবে**, বিপদ অহা দেখিলেই হতাশ হোৱা কিয়?

**গজ-সুৰো**—(নিজৰ সকলো নদি বোৱাৰ পিছত জীয়াই থকা; কেও-কিছু নোহোৱা)—সেই **গজ-সুৰো** বুঢ়াটোক কিবা অলপ দিয়া।

**গজ-মূৰ্খ**—( হাতীৰ নিচিনা মূৰ্খ বা অজ্ঞানী )—এই **গজ-মূৰ্খটোক** মই শিকাব নোৱাৰোঁ।

**গজৰ-খাৱৈ**—( হাতীৰ সমান খোৱা, কিন্তু এলেহুৱা মানুহ )—এই **গজৰ-খাৱৈটোক** পুহি থকাতকৈ চাকৰ নৰখাই ভাল।

**গজৰ-খৈয়া**—( কাম-বন ভালকৈ নকৰা, কিন্তু গজ্‌-গজ্‌কৈ কথা কোৱা মানুহ ) - এই **গজৰ-খৈয়াটোক** মই নাৰাখোঁ; কামো নকৰে, কথা কলেও গা খেজ বেজাই যায়।

**গজ-হস্তী**—( কামত বৰ লেহেম; সহজে লৰচৰ কৰিব নোখোজা )—তাৰ দৰে **গজ-হস্তীক** কামটোলৈ পঠিয়াই নালাগিছিল।

**গজা-পোখা নহয়**—( সন্তি-সন্ততি নাথাক্ )—তেওঁৰ ধনে খাব খোজে; কিন্তু **গজা-পোখা** একো নাই।

**গজাল-ভূত**—( মমতা নোবোলাকৈ একে ঠিৰে বহি থকা মানুহ –) সেই **গজাল-ভূতটোক** মাতি থাকি লাভ নাই; আমি যাওঁ বলা।

**গড়-আবাদ**—( পতিত মাটি )—সেই **গড়-আবাদতোখৰ** কিনি মই কি কৰিম ?

**গড়-কাপ্তানী**--( যুদ্ধৰ সম্পৰ্ক নথকা, অৰ্থাৎ সাধাৰণ ঘাট, বাট, ঘৰ আদি সজা কামবিলাকৰ ভাৰ থকা চৰকাৰী বিভাগ )—আজি নতুন আলিটো জৰিপ কৰিবলৈ **গড়-কাপ্তানী** বিভাগৰ বিষয়া এজন আহিব।

**গড় খা**—( ১। থিৰ হৈ অৰ্থাৎ নলৰাকৈ থাক্। ২। সম্মত হ )—১। বাটিটো গড় খোৱা নাই। ২। ছোৱালীৰ বাপেকে টকা নহলে **গড় নাখায়**।

**গড়-খাৱৈ** --( গড়ৰ বাহিৰে দিয়া দীঘল, গহন আৰু দ' খাল )—আগেয়ে দুৰ্গৰ চাৰিওফালে একোটোকৈ নদী যেন **গড়--খাৱৈ** আছিল।

**গড়গঞ্জা কটাৰীৰ তাৰে কাট্**—( দেখাত শুৱনি, কিন্তু কামত মূল্যহীন )—**গড়গঞ্জা কটাৰীৰ তাৰে কাটে**; এই মানুহটোৰে যে এযোপীয়া কাম এখনো কিয় নোৱাৰে, কোনে ভাবিব ?

**গড়গঞ্জা মিস্তিৰ**—( মুখতহে মিস্তিৰালি কৰা মানুহ– ) তোমাৰ নিচিনা **গড়গঞ্জা মিস্তিৰ** মোক নালাগে।

**গড়-মিল**—( অমিল )—হিচাপৰ **গড়-মিলটো** ক'ত হ'ল বিচাৰি উলিয়া।

গড়-ধাৰক—(অসমৰ্থ; অনিপুণ)—কামটোৰ বাবে গড়-ধাৰক এজনক কিয় পাঁচিছা?

গড়-হাজিৰ—(কামৰপৰা অনুপস্থিত থকা কাৰ্য)—এই মাহৰ পাঁচ দিন তুমি গড়-হাজিৰ আছা; এই কেইদিনৰ দৰমহা নাপাবা।

গড়-হিচাপ—(কম-বেছ সংখ্যাৰ মুঠ ধৰি সমানে কৰা ভাগ; সম-লব্ধ)—গড়-হিচাপত এশজন মানুহৰ প্ৰতিজনৰ মাহিলি আয় ত্ৰিশ টকাকৈ।

গড়-গতি—(মতি-গতি; চলন-ফুৰণ)—লʼৰাটোৰ গড়-গতি ভাল নহয়।

গড়-শাল—(কঁহাৰৰ লাগতিয়াল সঁজুলিবোৰ)—গড়-শাল বেচি তেওঁ পাঁচশ টকা পালে।

গড়-শালি—(কঁহাৰে সাজ গঢ়া ঠাই)—মই নিজাকে গড়-শালি এটা সাজিব লাগিছোঁ।

গড়-শিকা—(গড়-শালিত কঁহাৰৰ লগত কাম কৰা পাগী)—মোৰ গড়-শিকা চাৰিজনৰ এজনহে বুদ্ধিমান্।

গঢ়ে-পিটে—(আকাৰে-প্ৰকাৰে; স্বভাৱ-চৰিত্ৰত)—লʼৰাটো গঢ়ে-পিটে বৰ মৰম লগা।

গণি-পিটি চা—(ভালকৈ লেখ-জোখ কৰ্)—বাকীবোৰ গণি-পিটি চোৱা কিমান টকাৰ হব।

গণ্য কৰ্—(বিবেচনা কৰ্, সন্মান কৰ্)—কোনোৱে তেওঁক পণ্ডিত বুলি গণ্য নকৰে।

গত লগা—(যেনেকৈ ৰখা উচিত, তেনেকৈ ৰাখ্; শৃঙ্খলাবদ্ধ কৰি থ)—পুলিচে এইবাৰ চোৰৰ গত লগালে। কিতাপবোৰ গত লগাই থোৱা।

গতিৰ গতি নোহোৱা হ—(অতিশয় দুখকষ্ট পা)—শাহুৱেকৰ অত্যাচাৰত বোৱাৰীজনীৰ গতিৰ গতি নোহোৱা হৈছে।

গতি লগা—'গত্ লগা' চোৱা। কেনো প্ৰকাৰে বোৱাৰীজনীক গতি লগালেঁ।

গতি লাগ্—(বিষম অৱস্থাত পৰ্)—ৰাতি কেনেকৈ যাবি? মোৰ আজি গতি লাগিল।

গতি হ—(মৃত্যু হ)—তাইৰ গতি হʼল; জীৱটোৱে উদ্ধাৰ পালে।

গটে গটে—( খঙ জেনেকৈ ৰাখিব লাগে তেনেকৈ )—কিতাপবোৰ গটে গটে থোৱা।

গৰু-কলাই—( কলাই )—গৰু-কলাই এবিধ দামী বস্তু।

গৰু-পহু—( মাইকী গৰু-কলাই উৎপন্ন হোৱা এবিধ পহু )—গৰু-পহু হিমালয় পৰ্বতত পোৱা যায়।

গন্ধৰ্ব-বিয়া—( ৰীতি-নীতি নমনাকৈ মতা-মাইকীৰ নিজৰ ইচ্ছামতে হোৱা বিয়া )—অনিৰুদ্ধৰ সৈতে উষাৰ গন্ধৰ্ব-বিয়া হৈছিল।

গপত গজাকৌপ্ হ—( অহংকাৰেৰে স্ফীত হোৱা )—গপত গজাকৌপ্ নহৈ কামত কৃতিত্ব দেখুৱাটোহে পুৰুষালি।

গপ মাৰ্—( বৰ কথা ক )—গপ মাৰিব নালাগে, আমটো পাৰি আনি দেখুৱা।

গপ মাৰি থাক্—( অহংকাৰ কৰি, কথা নকৈ মনে মনে থাক্; কাম নকৰি বৈ থাক্ )—গপ মাৰি থাকিলে আপুনি পেট নভৰে; খাব খুজিছা যদি, কাম কৰা।

গপাগপি কৰ্—( ইটোৱে সিটোৱে গপ মাৰি কোনো কথা আলোচনা কৰ্ )—এই মানুহবিলাকে কিহৰ এনে গপাগপি কৰিছে?

গপে খাব খোজ্—( বৰ গপাল প্ৰকৃতিৰ হ )—তেওঁৰ গপে তেওঁকে খাব খোজে; মই তেওঁক জানিম কেনেকৈ?

গপে সিদ্ধি আৰু তপে সিদ্ধি হ—( কোনো কাৰ্য গপ মাৰিয়েই, আৰু আন কোনো কাৰ্য তপস্যা অৰ্থাৎ ঐকান্তিক কষ্টেৰেহে সিদ্ধ কৰিব পাৰি )—গপে সিদ্ধি আৰু তপে সিদ্ধি হোৱাটো সঁচা, তেওঁ গপ মাৰিয়েই এই কাৰ্য সাধন কৰিলে।

গৰা মাৰি ধৰ্—( দুয়ো হাতেৰে আটি ধৰি মাৰি ধৰ্ )—চোৰটোক পহৰাৱালা গৰা মাৰি ধৰাত সি এৰাব নোৱাৰিলে।

গম ধৰ্—( আটকাল পা )—তেতিয়া সাৰে আছিলোঁ; মানুহ সোমোৱা গম ধৰিব পাৰিলোঁ।

গলা-গ্ৰহ—( গলা বোজ হোৱাৰ দৰে; কেনেই অকামিলা আৰু দুখ )—সেই মৰা গৰুটোক পঠালে কি হয়? তাৰ ফেঁকোল গাত-মূৰতেই থাকি।

গৰজীয়া-খেমালি—( গৰজীয়াই কৰা খেমালিৰ দৰে লগৰ ঠাইত কৰা খেমালি;

অৰ্থহীন আৰু অ'বাবতীয়া কাম)—গৰখীয়া-খেমালি কৰি সময় কটোৱা তোমাৰ কাম নহয়।

**গৰখীয়া-নাম**—(১) গৰখীয়া ল'ৰাই গোৱা গীতৰ নাম; (২) গৰখীয়া ল'ৰাই গাই উৎসৱ কৰা ফুৰ্তি-ধৰ্তি)—১। **গৰখীয়া-নামবোৰ** গোটাবলৈ চেষ্টা কৰা; এইবোৰো সাহিত্যৰ অঙ্গ। ২। আজি গধূলি **গৰখীয়া-নাম** পাতিছোঁ, আহিবাইক।

**গৰখীয়া আগে নৰা আগে একেলগে পাত্**—(কেবাটাও পৰস্পৰ সামঞ্জস্য থকা কাম একেলগে কৰ্)—এৰা, **গৰখীয়া আগে নৰা আগে একেলগে পাতিলোঁ**; ডাঙৰটো ল'ৰাৰ লগুণ-দিয়নি, মাজুটোৰ চূড়াকৰণ, সৰুটোৰ ভাত-খুৱনি একে দিনাই। এবাৰ যাবা।

**গৰখীয়া ভাল হলে গৰু ভাল হ**—(চলাওঁতা ভাল হলে চলোঁতা বেয়া হব নোৱাৰ্)—বোৱাৰীয়েৰাৰ বেয়া কথা কোৱাতো তোমাৰেই বেয়া; **গৰখীয়া ভাল হলে গৰু ভাল হয়** বুলি মানুহে জানে।

**গৰখীয়া-মেল**—(মূল্যহীন আলাপ-আলোচনা)—**গৰখীয়া-মেলেদি** আমাৰ পা চাক নাথায়; আমাৰ উঠাহে।

**গৰত থৈ কাট্**—(মাছ-মঙহ আদি কটাৰ দৰে নিষ্ঠুৰভাৱে কাটি মাৰি ফুলাযাৰ কৰ)—মানে অসমীয়া মানুহক **গৰত থৈ কাটিলে**।

**গৰাকী ধৰ্**—(স্বামী গ্ৰহণ কৰ্)—এই ছোৱালীজনীয়ে এতিয়াও **গৰাকী ধৰা নাই**।

**গৰাহ দি উঠ্**—(কামুৰিবলৈ মুখ মেলি উঠ্)—সেই কুকুৰটোৰ কাষলৈ মানুহ গলেই **গৰাহ দি উঠে**।

**গৰীয়াৰ পজ'ত কাহু পৰ্**—(কোনো কথা বা কাৰ্যকলাপ সমূলি বন্ধ হ)—সি চুৰ কৰা নাই বুলি চৰ্চাই আছিল; পিছে, তাৰ টোপোলাত চুৰি-মাল ওলাল, সি **গৰীয়াৰ পজ'ত কাহু পৰা** যেন হ'ল।

**গৰুও মৰ্ পোৰোকো মৰ্**—(সাতবনক নোহোৱা দেখি বন্ধুৱে এৰি দি)—তোমাৰ ধন-সম্পত্তি আছিল, বন্ধু-বান্ধৱো অনেক আছিল; ধনো নোহোৱা হ'ল; জোঁকলোকো পলাল। **গৰুও মৰিল, পোৰোকো মৰিল।**

**গৰু কিনি পঘা দি**—(কোনো কামৰ দায়িত্ব লৈ তাক সম্পাদন কৰ্)—

ঘোৰালী দিয়া আইয়াৰ ভূমি; কাপোৰ-কানিও দিব খুজিছাই ? গৰু-ছাগলীৰ পখা জিৰিবা কিয় ?

গৰু কোবোৱা দি—( বৰকৈ মাৰ্ )—বাপেকে পুতেকটোক আজি গৰু কোবোৱা দিলে।

গৰু খোজৰ পানী—( অতি অলপীয়া সম্বল )—তেওঁৰ নো ধন বিত্ত কিমান ? তেনেই গৰু-খোজৰ পানী।

গৰু চুৰ কৰি পখা ধৰিবলৈ লাজ পা—( কোনো ডাঙৰ দুষ্কৰ্ম কৰি তাৰ আনুষঙ্গিক সৰু কামটো কৰিবলৈ সংকোচ কৰ্ )—ভাই-বোৱাৰীয়েক মাৰিবলৈ লাজ নাপালা; এতিয়া মেললৈ আহিবলৈহে টান পাইছা। গৰু চুৰ কৰিলে পখা ধৰিবলৈ লাজ পাব নালাগে।

গৰু-চোৰ—( বৰ অসৎ আৰু কথাৰ সঁজাত নোহোৱা মানুহ )—তোৰ দৰে গৰু-চোৰক কোনে বিশ্বাস কৰিব ?

গৰু-চোৰৰ গঙ্গাস্নান—( মহাপাতক কৰি তাৰ খণ্ডন কৰিবলৈ কৰা কাৰ্য )—সেই মহাপাপীয়ে ব্ৰহ্ম ভোজন পাতিছে, গৰু-চোৰৰ গঙ্গাস্নানত কি লাভ ?

গৰু পেলাই গা ধো—( কোনো বিপত্তিজনক কাম কৰি দায় সাৰ্ )—সহজে নো তাল কাপোৰ কিয় দিব ? গৰু পেলাই গা ধুইছে।

গৰু বিচৰা দি—( হাবাথুৰি খাই বিচাৰ্ )—কলমটো গৰু বিচৰা দি বিচাৰিলোঁ; ক'তো নাপালোঁ।

গৰু হৈ ঘাঁহ খা—( মূৰ্খ হৈ মূৰ্খতাৰ পৰিচয় দি )—তোমাক সহায় কৰি গৰু হৈ ঘাঁহ খাইছোঁ বুজিছোঁ।

গল-কটা তেজ—( বৰ অপবিত্ৰ বস্তু—গাও দি কোনো জুলীয়া বস্তু খোৱাৰ কথা কওঁতে ব্যৱহৃত )—সৰু মাচাৰিলে গল-কটা তেজ খাবি ক'ৰপৰা ?

গল-কামোৰা—( ডিঙিত প্ৰায় আটি ধৰা )—হাবগহ গল-কামোৰা কৰিবা।

গল-চাপৰি ( গল-চাপলি, গল-বিচনী )—( গৰু ম'হ আদিৰ ডিঙিৰ তলত ওলমি থকা ডাঠ ছাল )—গল-চাপৰিয়ে লৈতে বলদটো বৰ ধুনীয়া দেখি।

গলত বান্ধ—( ডিঙিত বান্ধি ল )—কেঁচুৱাটোক নো বাপেকে গলত বান্ধি থাকিব পাৰে নে ?

**গলত ধাঁহ দি**—(জোৰকৈ কাম কৰিবলৈ বাধ্য কৰ্)—তোৰ যদি তোক খাটি খাবলৈ কোনে গলত ধাঁহ দিছিল?

**গল দি**—(ঘৰৰ কথা কোৱা; আগ বাঢ়ি যাব্)—কেইবাৰ কৈয়ো তুমি মোৰো বহুত কথা গল দি আছিলা। এনে সাহসৰ কামলৈ কোন ডেকাই গল দিব পাৰে?

**গলধন ধৰ্**—(ডেকা হৈ চিকণ বা পুষ্ট হ—ম'হ, গাই, ছাগলী আদিত ব্যৱহাৰ হয়)—ম'হটোৱে এতিয়াহে গলধন ধৰিবলৈ ধৰিছে।

**গলধনৰ গাগৰি**—(বহু কথা কবলৈ সংকোচ নকৰা মানুহ, ওকোন্দা জেন)—তোমাৰ গলধনৰ গাগৰিত কম কথা মানুহ আমি নহয়।

**গল-পতা**—(কোনো মূল্যবান ধাতুৰ চাকতিৰে কৰা, তিৰোতাই ডিঙিত পিন্ধা এবিধ অলঙ্কাৰ)—আজিকালি ছোৱালীবিলাকে গল-পতা পিন্ধিবলৈ এৰিলে।

**গল-বন্ধা**—(জাৰকালি ডিঙিত মেৰাই লোৱা গৰম কাপোৰ)—ৰাতি গল-বন্ধাখন ডিঙিত মেৰাই শুবা; নহলে ডিঙিৰ বিষ বেছি হব।

**গ'ল-ম'ল কথা**—(হৈ যোৱা কথা, গ'ল—গতিকে আলোচনা আদি নিষ্প্ৰয়োজন)—সেইবোৰ গ'ল-ম'ল কথা এৰি দিয়া, এতিয়া কি কৰিবা তাকে কোৱা।

**গল-বিচনী** -'গল-চাপৰি' চোৱা;

**গল ভাঙি চা**—(সন্মুখৰ ফালে ৰখনা বস্তু বা মানুহক ডিঙি ঘূৰাই আগ্ৰহেৰে চা)—তই গল ভাঙি চাব লাগিছ, কেউ বা তোৰ কাণে চোৱাই যাই।

**গলৰ কথাই ভাবুক হ**—(নিজৰ কথাৰে নিজে বিষম বিপদত পৰ্)—আজি তোৰ মন বুলি কৈ বিপদতে চপালোঁ; গলৰ কথাই ভাবুকে হ'ল।

**গলৰ হাৰ-মালা** (বা গলৰ মণি)—(কেতিয়াও পাহৰিব নোৱাৰা অৰ্থাৎ সকলোৰ মৰমৰ পাত্ৰ,—বিশেষকৈ সৰু ল'ৰা-ছোৱালী)—সোণ ল'ৰাটো ঘৰখনৰ গলৰ হাৰ-মালাহে হ'ল।

**গলে খুঁটাই খা**—(গুৰ আদি খুঁটিত বা চুটিকৈ খা)—গাইগৰু গলে-খুঁটাই খাইছিল দেখোন; বাটি গুৰ কেনেকৈ?

**গহ-গতি**—(গৰ-গতি; অৱস্থা-প্ৰকাৰ)—এইবাৰ মাহুতেটিলৈ যোৱাৰ গহ-গতি ভাল দেখা নাই।

**গা [illegible]**—(আনন্দত [illegible])—[illegible] ধৰিলে; নাচে নাচে নাচনিয়াৰবো গা আহিল।

**গা আলুলা দি**—(কোনো কামকাজত ঔদাসীন্য হ বা অমনোযোগ কৰ্)—এই আলোচনাৰ নেতৃত্ব কৰিবলৈ আগ বাঢ়ি এতিয়া আপুনি কিয় বা **গা আলুলা** দিছে?

**গাই গাই লাগ্, মাত-বোল নহ**—(ওচৰ-চুবুৰীয়া হৈও পিঠি-পিঠি কৰি থাক্)—তোমালোকৰ **গাই গাই লাগে**, তথাপি **মাত-বোল নাই**; কোনে বখানিব?

**গাই-গুটীয়া**—(অকলশৰীয়া; নিজানিজি)—এই কামত লাভ-লোকচান আমাৰ **গাই-গুটীয়া**, সমূহীয়া নহয়।

**গাই-গুৱালে মিল হ**—(দুয়ো পক্ষৰ মাজত বিশেষ সহযোগিতাৰে দৈনন্দিন আদি কৰ্)—**গাই-গুৱালে মিল হৈ** গাঁৱলীয়া বাইজে সকলো কাম কৰিছে।

**গাই-গোটা**—(১। অকলশৰীয়া। ২। স্বাৰ্থপৰ)—১। ভায়েক ককায়েক হৈও তেওঁলোক এতিয়া **গাই-গোটা**; প্ৰত্যেকে, নিজা নিজা কামত ব্যস্ত আছে। ২। 'পাইকৰ বেটা, **গাই-গোটা**'; সিহঁতৰ কাৰো লগত কাৰো মিল নাই।

**গাই-গোটা পেটে ভঁৰাল হ**—(কোনোৱে কাৰো লগত সহযোগিতা নকৰাকৈ সুকীয়া সুকীয়াকৈ খোৱা-থকাৰ ব্যৱস্থা কৰ্)—একে পৰিয়ালৰ মানুহে প্ৰত্যেকে **গাই-গোটা পেটে ভঁৰাল হৈ** থাকিলে কেতিয়াও উন্নতি নহয়।

**গাই-পতি**—(প্ৰতিজনে; জন-মূৰি)—**গাই-পতি** এটকাকৈ আনিবা।

**গাই-বাই চা**—(কাৰ্যসিদ্ধিৰ অৰ্থে সকলো প্ৰকাৰে চেষ্টা কৰি চা)—কিমানদিন বহুতো পোৱাই; এবাৰ **গাই-বাই নোচোৱা** কিয়?

**গাই মাত্**—(নানাবিধ লগীয়া কথাতো লাগি উত্তেজনাৰ সৃষ্টি কৰি ফুৰ্; উটনু স্বভাৱৰ পৰিচয় দি)—এই ডেকাজনে হক-নহক সকলো কথাতে লাগি ফুৰিছে কিয়? তেওঁৰ **গাই মাতিছে**।

**গাই-মুৰা**—(তিৰোতাৰ মুখৰ দৰে দাড়ি-গোঁফ নথকা)—মতাই সদায় **গাই-মুৰা** মানুহ দেখাটো বেয়া।

**গাই ল**—(শৰীৰেৰে সহি থাক্)—বোৱাৰীয়েক হ'ল বুলিও, এনে উৎপীড়ন তেওঁৰ **গাই** নো আৰু কিমান দিন সহি থাকিব?

**গা উঠ্**—(কোনো কামলৈ বিশেষ উৎসাহী বা ইচ্ছুক হ)—এটা খোৱা কিনিবলৈ মোৰো **গা উঠিছে**।

**গা-উঠনু**—( কিতাহি মাৰি কথা কওঁতা )—এনে গা-উঠনু মানুহক কোনেও ভাল নাপায়।

**গা-উঠা**— 'গা-উঠনু' চোৱা।

**গা এৰ্**—( গা খালাচ হ; প্ৰসৱ হ; গা সাৰ্ )—ডিবোতাকজনীৰ গা এৰিলে; এজনী ছোৱালী হ'ল।

**গা এৰা দি**—( 'গা আলগা দি' চোৱা। সকলো কামতে তেওঁ গা এৰা দি ফুৰে।

**গা এৰি দি**—( সময় বা কামৰ সোঁতত গাৰ প্ৰতি মনোযোগ এৰি দি )—এনেকৈ গা এৰি দি কাম কৰিছা হয়, নৰিয়া হ'লে তোমাক কোনে চাব ?

**গাঁও-ফুহিলা**—( একে গাঁৱত থকা মানুহ; ওচৰ-চুবুৰীয়া )— **গাঁও-ফুহিলাক** মাতি কথাটো কোৱা।

**গাঁওখন যে ফুঁইথন**—( মাজ-পথাৰত চিঞৰিলেও সাহায্য পোৱা টান; কিন্তু গাঁৱত এনে সাহায্য স্বাভাৱিকতে আশা কৰিব পাৰি। সেই দেখি গাঁৱত থকাতো এনে সাহায্য নোপোৱাত কোৱা হয় )—আতুৰত পৰি ইমান চিঞৰিলোঁ, তথাপি কেৱে যে কি হৈছে বুলিও নুসুধিলা, **গাঁওখন যে ফুঁইথন** ?

**গাঁও-পৰীয়া**—( গাঁৱত থকা )—আমি **গাঁও-পৰীয়া** মানুহ, নগৰৰ ফু-তা কি পাম ?

**গাঁও-বুঢ়া**—( ১। গাঁৱৰ বৰ-বুঢ়ীয়া লোক। ২। চৰকাৰে গাঁৱৰ ওপৰত পতা বিষয়া )—১। **গাঁও-বুঢ়াসকলক** মাতি পৰামৰ্শ লোৱা উচিত। ২। গাঁৱলীয়া ৰাইজে সেই ডেকাজনক **গাঁও-বুঢ়া** পাতিব খোজে।

**গাঁজাখুৰী গল্প**—( অমূলক কথা )—তাৰ **গাঁজাখুৰী** গল্প শুনি তুমিও ভোল গ'লা নে ?

**গাঁঠি-কটা**—( গাৰ কাপোৰৰ গাঁঠি মেলি বা কাটি বস্তু চুৰ কৰা মানুহ )—আজি-কালি আমাৰ ইয়াতো **গাঁঠি-কটা** দুই-এটা ওলাল।

**গাঁঠি খা**—( চৰ্চেপি খা )—তলা মুখত এনেকৈ ঘনাই ঘনাই **গাঁঠি** খাইছা কিয় ?

**গাঁঠিৰ ভৰা খাই খা**—( নিজা সম্বলেৰে কাৰ্য সম্পাদন কৰ্; আনৰ অভ্যৰ্থনাৰ অপেক্ষা নকৰ্ )—আপোনাসকলক আমি যোগ্য সমাদৰ কৰিব পৰা নাই; তথাপি যে নিজৰ **গাঁঠিৰ ভৰা খাই** আমাক আশীৰ্বাদ কৰি গ'ল, তাৰ বাবে আমি চিৰকৃতজ্ঞ।

**গাঁতৰ এন্দুৰ**—(বহিৰ্জগতৰ ভু-ভা নোপোৱা মানুহ)—তই গাঁতৰ এন্দুৰে কি জানিবি, জগতত কি হব লাগিছে ?

**গাঁতলৈ যা**—(১। মাটিৰ তললৈ যা। ২। মৃত্যু হ)—১। শত্ৰু সৈন্য দেখি আমাৰ সৈন্যবিলাক গাঁতলৈ গ'ল। ২। তাৰ উতঙালি বাঢ়ি গৈছে; গাঁতলৈ যাবলৈ বেছি দিন নাই যেন লাগিছে।

**গাঁৰি ধৰ্ (বা বাঢ়্)**—(মঙহাল হ)—তাৰ গাঁৰি দিনে দিনে বাঢ়ি গৈছে।

**গাঁৰি-মূৰে এবাৰ ঘোৰাব্**—(নানা প্ৰকাৰে এৰা দিবলৈ চেষ্টা কৰিও অকৃতকাৰ্য হ)—সি ইছল-সিছলকৈ যাব খুজিছিল; পিছে গাঁৰি-মূৰে এবাৰ ঘোৰাবিহে কামত ধৰিলে।

**গাঁৰি-ভৰাৰ**—(বন-বাবি নকৰি শুই সময় কটোৱা এলেহুৱা মানুহ)—তোৰ দৰে গাঁৰি-ভৰাৰক মই পুহি ৰাখিব নোৱাৰোঁ।

**গা কট্‌কটা**—(কোনো কামলৈ বৰকৈ আগ্ৰহান্বিত হ)—তেওঁলোক হাকোলা দিবলৈ গ'ল; ইফালে নবিনা পাটিতে বহৰাৰ গা কট্‌কটাবলৈ ধৰিলে।

**গা কৰ্**—(১। গাত ল, কোনো গৰজৰ বাবে জগৰীয়া থাকিবলৈ মান্তি হ। ২। চিকণ ধৰ্ বা পুষ্ট হ। ৩। হীন অৱস্থাৰপৰা উন্নত অৱস্থালৈ আহ্। ৪। কামত আগ বাঢ়্)—১। কলীবোৰ এৰি দিয় এই বুলি তেওঁ গা কৰি গ'ল। ২। নৰিয়াৰ পিছত এতিয়াহে তেওঁ গা কৰিবলৈ ধৰিছে। ৩। চোৰাং বজাৰত বহুতে গা কৰিলে, আমিহে এপইচাও ধৰিব নোৱাৰিলোঁ। ৪। কামটোত কেতিয়াবাই ধৰিলোঁ কিন্তু গা কৰিব পৰা নাই।

**গা খৰা**—(ঘনে ঘনে প্ৰস্ৰাৱ হ)—প্ৰায়েই তেওঁৰ এনেকৈ গা খৰে; তেওঁ ডাক্তৰৰ পৰামৰ্শ লোৱা উচিত।

**গা খহা**—(দৰৱ খাই বা খুৱাই গৰ্ভ নষ্ট কৰ্)—বিধবাজনীৰ গা খহাবলৈ ওজাজনে বৰকৈ চেষ্টা কৰিছে।

**গা খা**—(১। গা কট্‌কটা; কোনো কাম কৰিবলৈ উত্তেজিত হ। ২। প্ৰবৃত্তি হ)—১। লোকে দম কৰিছে; তই ভাত মাগিবলৈ কিয়ে গা খাইছে? ২। এনে ভাল আচাৰখন পেলাই দিবলৈ গা নাখায়।

**গা খালী (বা খালাচ) হ**—(গৰ্ভৰ সন্তান প্ৰসৱ হ)—যোৰকালে যে গা খালী হ'ল এয়ে সৌভাগ্য।

**গাখীৰতে ম'হৰ খুটি**—( সুখৰ ওপৰি সুখ ; অপৰিমিত সুখ )—তোমাৰ গাখীৰতে ম'হৰ খুটি ; এনে সৌভাগ্য আমাৰ কেনেকৈ হ'ব ?

**গা-গছে** ( বা **গাই-গছে** বা **গা-গাঁৰিয়ে** )—( ওখই আৰু ডাঙৰে )—মানুহটো গা-গছে কি চাবা ? কিন্তু কামৰ বেলিকা ঠন্‌ঠন্‌।

**গাগৰি দি** ( বা **মাৰ** )—( কাৰো আশ্ৰয় পাই সাহেৰে আনক ভাবি মাৰ্‌ বা গেঙেৰি দি )—কুকুৰটো কেনে সাহী চোৱাচোন ; তোমাৰ কাষ পাই কেনেকৈ গাগৰি দি উঠিছে ?

**গা-গাঁৰিয়ে**—'গা-গছে' চোৱা।

**গা-গধুৰ**—( এলেহুৱা প্ৰকৃতিৰ ; কাম কৰিবলৈ অনিচ্ছুক )—সি বৰ গা-গধুৰ মানুহ ; এনে খৰকৈ কেনেকৈ কাম কৰিব ?

**গা-গুটীয়া**—'গাই-গুটীয়া' চোৱা।

**গা গুৱাহটীয়া হ**—( একালৰ আহোমৰ ৰাজধানী শিৱসাগৰৰ ভাটিত গুৱাহাটী। গতিকে, গা ভাটি দি ; সোঁ-বয়স পাৰ হ )—লাহে লাহে আমাৰ গা গুৱাহটীয়া হৈছে।

**গা ঘাটি দি**—( শাৰীৰিক অৱস্থা হীন হ )—আমাৰ গা লাহে লাহে ঘাটি দিছে ; এতিয়া আগৰ জোৰ-বল নাই।

**গা ঘূৰা**—( অসুবিধাৰ মাজত থাকিও আন কোনো বিষয়ত মনোযোগ দি বা কাম কৰ্‌ )—মই আহিবলৈ বৰ যত্ন কৰিছিলোঁ, কিন্তু গা ঘূৰাব নোৱাৰিলোঁ।

**গা ঘেলা**—( বল-বাৰি নকৰি গা নচুৱাই আমনেৰে ফুৰ্‌ )—ডেকাসকলে বাটে বাটে গা ঘেলাই ফুৰিছে।

**গা চা**—( গাত টান পোৱা যাব বুলি কাম বন নকৰ্‌ )—ল'ৰাটোৱে বৰকৈ গা চায় ; তাক মই নাৰাখোঁ।

**গা চাই গামোচা**—( যথাযোগ্য বস্ত্ৰ )—তোমাৰ বাবে এই চাদৰখন জোখে-মাপে বৰ ঠিক হৈছে ; **গা চাইহে গামোচা।**

**গা চাই চুব্‌**—( বিপদত নপৰিবলৈ সাৱধানে চল্‌ )—ধাক্কি-বিয়াল ফুৰোঁতে অলপ **গা চাই চুবিবা।**

**গা চিকেহি মাৰি উঠ্‌**—( গা শিহৰি বা জিকাৰ খাই উঠ্‌ )—তোমাৰ এই ভয়ানক গল্পটো শুনি মোৰ **গা চিকেহি মাৰি উঠিছে।**

**গা চুৱা কৰ**—( অপমান আঁজিবাৰ শৰীৰ অপবিত্ৰ কৰ্ )—এই ঘৰত আপোনাৰ গাটো চুৱা কৰিব নোখোজোঁ?

**গা চুৱা যা**—( প্ৰসৱৰ পূৰ্বে স্ৰাৱ হ )—যদি গা চুৱা গৈছে, এই বস্তুটো খুৱাবা।

**গা-চোৱা**—( গা আৰু সাজ-পাৰ আদি পিন্ধাত আল-পৈচান ধৰা )—কুঁৱৰীক গা-চোৱা লিগিৰীজনী ক'লৈ গ'ল?

**গাজত লগা**—( অন্তৰত আঘাত দিয়া; মৰ্মভেদী )—তই এই আজি বৰ গাজত লগা কথা কলি; মই ইয়াক নমৰালৈ পাহৰিব নোৱাৰোঁ।

**গাজ ঘুৰা**—( ১। যেৰৰ গাজনি ঘনকৈ হোৱা সময়ৰ (পেট)। ২। গজোঁ গজোঁ হোৱা )—১। গাজ-ঘুৰা পেট, ল'ৰাটোক কম বেছিকৈ খুৱাবা। ২। বুটবোৰ গাজ-ঘুৰা দিছে, গজালি ওলাবই।

**গাজি-গুজা**—( সৰু মাতেৰে কোৱা, গতিকে ভালকৈ নুশুনা কথা )—বাহিৰত কিবা গাজি-গুজা শুনিছোঁ; কোন সেইবিলাক?

**গাজি গুঁড়া খুৱা**—( সগৰ্ভা তিৰোতাক পাঁচ মাহত পঞ্চামৃত আদি খুৱা )—ছোৱালীজনীৰ এতিয়া পাঁচ মাহ; গাজি-গুঁড়া খুৱাবলৈ যোগাৰ কৰা।

**গাজিয়া বাজ লাগ্**—( দেখাত সৰু কিন্তু প্ৰকৃততে টান বিপদ হ )—মোৰ এতিয়া এটা গাজিয়া বাজহে লাগিল। ছোৱালীজনী চপাই লৈ বিপদহে টপালোঁ।

**গা জিলিক্**—( গৰ্ভ হোৱাৰ চিন ওলা )—তিৰোতাজনীৰ যদি গৰ্ভ হৈছে, দুই এমাহতে গা জিলিকিব।

**গা জুৰা**—( সুখ বা শান্তি দি )—তোমাৰে যোৱাৰী মজিয়া শুৱনী, দেখিহে জুৰাব গা।

**গা জোঁকাৰি তুল্**—( কিন্তাহি মাৰি কথা কৈ তুল্ )—গা জোঁকাৰি তুলাই তোমাৰ অভ্যাস; সেইদৰে কাম নকৰা কিয়?

**গা জোঁকাৰ মাৰি উঠ্**—( বলবান্ হৈ উঠ্; হঠাৎ হীন অৱস্থাপৰা ভাল অৱস্থা পা )—সিহঁত আজিকালি গা জোঁকাৰ মাৰি উঠিল; এতিয়া আমাৰ কথা শুনিব কিয়?

**গা জোঁৰ্**—( আঁট্; যিমান লাগে সিমান বা যথেষ্ট হ )—এইখিনি হলেই মোৰ গা জুৰিব।

গা টঙা—(নৰিয়া আদিৰ বাবে শাৰীৰিক দুৰ্বলতাৰ পিছত সবল হ)—এই মহা-মূৰ্চ্ছা নৰিয়াৰ পিছত ছোৱালীজনীয়ে এতিয়াও গা টঙাব পৰা নাই।

গা টেঙা—(মনত বিতৃষ্ণা হ; খেজাৰ পা)—তাৰ ব্যৱহাৰত মোৰ গা টেঙাইছে।

গাটোৰ লগত ছাঁটো যা—(কোনো প্ৰধান কামৰ লগত আন কোনো আনুষঙ্গিক সৰু কাম অনায়াসে হ)—যদি যাওঁ, কাপোৰখনো লগে কিনিব পাৰিম; গাটোৰ লগত ছাঁটোও যোৱাৰ নে?

গাটো সাতখন আঠখন লাগ্—(মনৰ আনন্দত উঠল-পাঠল লাগ্)—বিয়াৰ নাম শুনিয়েই বুঢ়ীৰ গাটো সাতখন আঠখন লাগিল।

গাত কাপোৰ ল (বা গামোচা ল)—(এখনীয়া কাপোৰ এৰি ছোৱালীয়ে গাত আন এখন কাপোৰ ল; গাভৰু হ)—ভাল ছোৱালীজনী মৰিল; দুমাহমান আগেয়ে গাত কাপোৰ লৈছিল।

গাত গোসাঁই সোমোৱা হ—(ডাঙৰ বিপদত বৰ বিভ্ৰান্ত অৱস্থাত পৰ্)—খবৰ দুই লগাত বুঢ়াৰ গাত গোসাঁই সোমোৱা হ'ল।

গাত চিকুটিলে গম পা—(নিজৰ দুখেৰে বিয়াই পৰৰ দুখ অনুমান কৰ্)—দুখীয়াৰ দুখ তুমি ধনী হৈ বুজিবা কেনেকৈ? নিজৰ গাত চিকুটিলেহে চিকুটাৰ দুখৰ গম পোৱা যায়।

গাত চেঙা লাগ্—(জুইৰ তাপৰ দৰে কোনো কথাত কষ্ট অনুভৱ কৰ্)—মোৰ কথাত কোনো কোনোবাৰ গাত চেঙা লাগিবও পাৰে; কিন্তু মই সঁচা কথাহে কৈছোঁ।

গাত জুই জ্বল্—(বৰকৈ উত্তেজিত হৈ উচ্‌পিচ্ লগা)—বুঢ়ীৰ কথা শুনি তেওঁৰ গাত জুই জ্বলিবলৈ ধৰিলে; মামাকো বুলিও মাতিবলৈ বাধ্য হ'ল।

গাত দি—(বদনাম কৰ্; অপবাদ দি)—ছিৰোতাজনীয়ে দায়টো কাৰ গাত দিলে?

গাত পাখি গজ্—(ডাঙৰ-দীঘল হ; নিজৰ ভাৱধাৰা নিজে কৰিবলৈ সমৰ্থ হ)—তেওঁৰ গাত এতিয়া পাখি গজিছে; তোমাৰ কথা শুনিব কিয়?

গাত বিহ-কাঁড় লাগ্—(কোনো কথা, কাম আদিত অতিশয় যন্ত্ৰণা অনুভৱ কৰ্)—তোমাৰ উন্নতিৰ বাতৰি তেওঁৰ গাত বিহ-কাঁড় লগা যেন হৈছে।

গাত বিছ পৰা (বা লগা) দি—(অতিশয় কষ্ট পা)—মোৰ কথা শুনি তোৰ গাত বিছ পৰা দিলে কিয়?

গাত বিহু লাগ্—(১। বিহুৰ আমোদত উন্মত্ত হ। ২। বিহুৰ আমোদৰ সদৃশ আমোদত উন্মত্ত হ)—১। বিহু আহিল; সকলোৰে গাত বিহু লাগিল। ২। নাতিনীয়েকৰ বিয়াত বুঢ়ীৰ গাত বিহু লাগিল।

গাত ল—(১। দোষ স্বীকাৰ কৰ্। ২। কোনো কাম কৰিবলৈ সমত হ)—১। গৰুটো কোবোৱা বুলি সি নিজেই গাত লৈছে। ২। এই কাম কৰিবলৈ মই গাত লব নোৱাৰোঁ।

গাত লাগ্—(অনুভৱ কৰি কষ্ট পা)—লোকচান হোৱা বুলি এতিয়াহে গাত লাগিল নে?

গাত লেঠা হ—(সমর্থ হ)—ছোৱালীৰ গাত লেঠা হ'ল; এতিয়া দীঘ-বাটৰ খোজ কাঢ়ি যাব নালাগে।

গাত-লোৱা—(তিৰোতাই গাত মেৰাই লোৱা কাপোৰ; চিহা)—তোমাৰ গাত-লোৱাখন ক'ত এৰিলা? এইখন দুৰত লোৱাহে।

গাত শিপা গজ্—(বহুপৰ একে ঠাইতে থাক্)—তোমাৰ গাত শিপা গজিল নেকি? বহি দেখোন উঠিবই পাহৰিলা।

গাত নাতডুবা দুই জল্—(কোনো দুখ শোক আদিত অতিশয় কষ্ট অনুভৱ কৰ্)—বুঢ়ীয়ে এনেয়ে বেজাৰ বিবৰ্জিত হা-হুতাশ কৰি আছে, পুতেকৰ টান নৰিয়াৰ বাতৰি পাই তেওঁৰ গাত নাতডুবা দুই জলিবলৈ ধৰিলে।

গাত হাত দি—(কোনো শাৰীৰিক কাৰ্যেৰে অপমান কৰ্)—এনে এজন লোকৰ গাত হাত দি সি বৰ গৰ্হিত কাম কৰিছে।

গাত হাত বুলা (বা ফুৰা)—(সস্নেহ আচৰণ কৰ্)—তোমাৰ গাত হাত বুলাই তেওঁ তোমাৰ মাটিডৰা হাত কৰিবলৈ বিচাৰিছে।

গা থা—(পানীত ডুব নোযোৱাকৈ থাক্, থাউৰি পা)—পুখুৰীটোত গা নাথায়; সাৱধানে নামিবা।

গা ভাঙ্—(১। সোকাতৰ হ। ২। নৰিয়াৰপৰা উঠি সবল হ। ৩। হীন অৱস্থাৰপৰা উন্নত হ)—১। আজিৰ অৱস্থা বেয়া, কেতিয়াবা গা ভাঙিছে। ২। এনে টান নৰিয়াৰ পিছত গা ভাঙিবলৈ তেওঁৰ আৰু

কিছুদিন লাগিব। ৩। এইবাৰ কেনেকৈ ভোট দিছে, তেওঁলোকে আৰু সোনকালে গা ঢাকিব।

গা ডাঙি ক—(সাহ কৰি ক; চিন্তা নকৰি ভাঙি ক)—তুমি যদি কথাটো জানা, গা ডাঙি নোকোৱা কিয়?

গা দি—(১। ডাঙৰ-দীঘল হৈ আহিব ধৰা হ। ২। চেষ্টা বা শ্ৰম কৰ)—১। পুতেকে গা দিছে যেতিয়া, বাপেকৰ দুখ সোনকালে গুচিব। এইবাৰ বাৰীৰ দৰ পাই মানুহবোৰে গা দিলে।

গাদি-গুদা—(১। গুদাম ঘৰে সৰু আৰু অৱহেলাৰ বস্তু। ২। কণ কণ ল'ৰা-ছোৱালী—চেনেহত কোৱা হয়)—১। গাদি-গুদা মাইলে এনে কঠিন পৰিশ্ৰম কৰিব নোৱাৰি। ২। তোমাৰ গাদি-গুদা দুটি ভালে আছে নে?

গা ছুঁৱা—'গা চুঁৱা' চোৱা।

গা-ধন—(ছোৱালীৰ বাবে দৰাঘৰৰ পোৱা ধন)—ওৰ-গোৰ মাৰি পাঁচ শ টকা গা-ধন দিবলৈ ঠিক কৰা হ'ল।

গা ধৰ্—(পুষ্ট বা মঙহাল হ)—নিৰ্ণকণ্ঠীয়া ল'ৰাটোৱে দুমাহতে গা ধৰিলে।

গা ধুব লাগ্—(শৌচ কৰিব লাগ্)—আজি পেটৰ অসুখ হৈছে; আকৌ গা ধুব লাগিল।

গা অমুৰাই ফুৰ্—(কাম-বন নকৰি গা ফেলাই ফুৰ্)—ডেকা মানুহে যে গা অমুৰাই ফুৰে, তেওঁলোকৰ ভাত মিলে কেনেকৈ?

গা-ভৰিয়া—(গৰ্ভৱতী)—দেখিলেই তিৰোতাজনী গা-ভৰিয়া বুলি ক'ব পাৰি।

গাজী মাৰি হাত পোৱা—(তুচ্ছ লোকক শাস্তি দি নিজে কৃতাৰ্থ হ)—সেই ডিঙিহটোৰ অভাৱ চিন্তি, তুমি গাজী মাৰি হাত পোৱাৰ খুজিছা নেকি?

গাপ উঠ্—(বহাল বস্তু গাৰপৰা সামান্য ভাপ ওলা)—আমাৰ যোৰাখনৰ গাপ উঠিছে; আমবোৰ উলিয়াই এটা এটাকৈ থোৱা।

গাপ দি—(১। সোনকালে পকিবলৈ বা পকিবলৈ বস্তাহ নলগাকৈ ঢাকি থব্। ২। ভাপ লগাই কোমল কৰ্। ৩। গুপ্ত কৰ্)—১। বাৰীতুলিত কঁঠালবোৰ গাপ দি থোৱা; বেগে পকিব। ২। গাপ দিলেহে কাঁহডাল পোন কৰিব পাৰিবা। ৩। মাউবৰ কিছু গাপ দিয়া।

গাখীৰ জ্বাল্‌—(কোনো বা লেতেৰা খৰ চাক খাই বা ঠেকো খাই শৰীৰত গা জ্বলা উৎপন্ন হ)—ঠেকা খাবলৈ এনেকৈ খেলা কিয়? গাত্ৰ জ্বালা হ'ব।

গা পাতল—(লাহী শৰীৰযুক্ত)—ছোৱালীজনী গা-পাতল; মুখখন ছবিটোও ভৰদি।

গা পাতল লাগ্‌—(চিন্তা বা ৰোগ নোহোৱা হেতু মনত ভাল লাগ্‌)—কামটো হৈ উঠাতহে গা পাতল লাগিছে।

গা পাতি ল—(গাত ল, কোনো কথা বা কামৰ দায়িত্ব নিজে ল)—দোষটো তুমি কৰা নাই, তথাপি তুমি গা পাতি ললা কিয়?

গা পিন্ধ—(কোনো বিষয়ে প্ৰতিশ্ৰুতি দি)—তোমাক টকা দিবলৈ, সেইস্থলক ৰোগোপাকে মই গা পিন্ধিব নোৱাৰোঁ।

গা পেলাই দি—(চেষ্টা কৰিবলৈ এৰ্‌)—এবাৰ অকৃতকাৰ্য হওঁতেই গা পেলাই দিলা যে!

গা ব—(পেট চল্‌, অহনিত পৰ্‌)—শেষ নিশাৰপৰা তেওঁৰ গা বৈছে, দুপৰগতে অহনি আছিল।

গা-বৃদ্ধী—(সগৰ্ভা)—ছোৱালীজনী গা-বৃদ্ধী, এই মাহতে প্ৰসৱ হ'ব।

গা-বৃদ্ধ—(গৰ্ভাৱস্থা)—গা-বৃদ্ধ হলে তিৰোতাক সাৱধানে ৰখা উচিত।

গা বৃদ্ধন হ—(গৰ্ভৱতী হ)—গা বৃদ্ধন হলে তিৰোতাক পাঁচ মাহত পঞ্চামৃত খুৱাব লাগে।

গা বাজ্‌—('গাত লাগ' চোৱা। গালৈ গম আহ্‌)—বুহিৰ কিমান কতি হৈছে, এতিয়াহে তেওঁৰ গা বাজিছে।

গা বাচলি দি—(হঠাৎ ধুমুহালৈ ধৰ্‌)—ল'ৰাটোৱে এতিয়াহে গা বাচলি দিব।

গা ৰেজ্‌ৰেজা—(কোনো অপ্ৰীতিকৰ কথা বা কামত উত্তেজিত হ)—মই তেওঁকহে কৈছোঁ, তোমাৰ গা ৰেজৰেজায় কিয়?

গা-ভৰুণ—(গৰ্ভৱতী)—গা-ভৰুণ অৱস্থাত তেওঁ গধুৰ গাঁথীত নোহোৱাটো ভাল।

গা ভাগ্‌—(বীৰ্যস্খলন হ)—স্বপ্নদোষ কেতিয়া মানুহৰ গা ভাগে; ই বৰ বেয়া ৰোগ।

গা-ভাৰী—(গৰ্ভৱতী)—তিৰোতাজনী যে গা-ভাৰী, দেখিলেই বুজিব পাৰি।

**গাভিনী-শিয়াল**—(গা-গাধিয়ে শকত, কিন্তু লতচৰ কৰিব নোখোজা অকামিলা মানুহ)—সেই **গাভিনী শিয়ালটোক** লগত লৈ বহাটোৱেই ভাল আছিল।

**গাত্‌ বা দি**—(গৰুৰ অকালতে গৰ্ভপাত হ)—মোৰ গাইজনীয়ে **গাত্‌ বা দিলে**; এইবাৰ আৰ ঘৰত গাখীৰ নহব।

**গা-মাটি**—(আহোম ৰজাই পাইকক খাটনিৰ বাবে গাই পতি পাবলৈ দিয়া মাটি)—পাইকবিলাকে **গা-মাটিত** খেতি কৰি জীৱিকা চলাইছিল, কিন্তু তাক বেচা-কিনা কৰিব নোৱাৰিছিল।

**গা-মানুহ**—(কোনো মুখিয়াল লোকৰ অধীন, সহকাৰী বা ঘনিষ্ঠ মানুহ)—তেওঁৰ **গা-মানুহ** বহুত আছে; নিদানত সেইবিলাকে আগুৰি ধৰে।

**গা মাৰি যা**—(সমাজত কাৰো গাত মলগাকৈ কাপোৰ আদি কোঁচাই যা)—**গা মাৰি যাবলৈ** তোমাকো শিকাব লাগে নেকি?

**গা-মূৰ ধো**—(ঋতুস্নান কৰ্)—ঋতুমতী তিৰোতাই **গা-মূৰ ধুই** শুচি হয়।

**গা-মুৰি**—(১। এঙামুৰি। ২। গাইপতি)—১। তুমি ঘনে ঘনে **গা-মুৰি** দিয়া কিয়? অসুখ হৈছে নেকি? ২। **গা-মুৰি** কেইসেৰকৈ পালা?

**গায়নৰ ঘৰৰ কুকুৰে ৰাগ টান্**—(পৰিয়ালৰ মুৰীজন কোনো কামত পাকৈত হলে সেই ঘৰৰ সকলোৱে কিছু পৰিমাণে সেই কাম জান্। 'বামুণৰ শিয়ালেও মন্ত্ৰ বোল্' একে)—**গায়নৰ ঘৰৰ কুকুৰেও ৰাগ টানে**; সেই পৰিয়ালটো সকলোটিয়েই সম্পাদক, অন্ততঃ প্ৰত্যেকেই বাতৰি কাকতৰ কাম কিছু জানে।

**গায়নৰ জেঙা মাৰ্**—(কোনো জটিল বিষয়ৰ নিষ্পত্তি কৰ্)—তেওঁলোকক বেলেগ কথা বাদে **গায়নৰ জেঙা মৰা**। মই সেই কাম কৰিব নোৱাৰোঁ।

**গা যা**—(গা হুৰি যা; তিৰোতাৰ ৰক্তস্ৰাৱ হ)—ছোৱালীজনীৰ কেইমাহ ধৰি **গা যায়**; দৰৱ-পাতি নিদিয়া কিয়?

**গায়ে গায়ে**—(গাই পতি)—পিঠা কোনে কোনে খোৱা, **গায়ে গায়ে** দিয়াহি।

**গা খাঁটি ফুৰ্**—(কাজিয়া কৰাৰ চেষ্টা বিচাৰি ফুৰ্)—তাক কিহে পাইছে কব নোৱাৰোঁ; সদায় দেখোন **গা খাঁটি ফুৰিছে**।—

**গা ৰ**—(১। শান্তি বা সুখ পা। ২। হানি বা কষ্টদায়ক ফল পা; কথবণি মাৰ্ভ মকা পৰ্। ৩। তিৰোতাৰ ৰক্তস্ৰাৱ বন্ধ হ)—১। এই কাপোৰখন পিন্ধিলে তোক

গা মৰহ দেখি? ২। মাহ কিমান পালা? কমলি গা ধ'লে। ৩। আধুনিক চিকিৎসা কৰালোঁ; আজিহে ছোৱালীজনীৰ গা বৈছে।

**গাৰ কাঁটা মাৰি**—( কোনো একজনৰ লগত লগাই লাগি থকা মানুহ )—এই ল'ৰাটো মোৰ **গাৰ কাঁটা মাৰি** যেন হৈছে; মোক এৰি এখন্তেকো নাথাকে।

**গাৰ কেৰেপ নহ**—( ভ্ৰূক্ষেপ নকৰাকৈ অকাতৰে সহি থাক্ )—শিপীৰেক ইমান কিলায়; তাইৰ কিন্তু **গাৰ কেৰেপ নাই**।

**গা-ৰখীয়া**—( বিপদত ৰক্ষা কৰিবলৈ লগত থকা মানুহ )—ৰজাৰ **গা-ৰখীয়াহঁত** লগতে আছিল।

**গাৰ গোন্ধত মাছ ভূত পলা**—( শৰীৰ অতিশয় দুৰ্গন্ধযুক্ত হ )—তাৰ কাষত কোনে বহিব? **গাৰ গোন্ধত মাছ ভূত পলায়**।

**গাৰ ছাল কাঢ়ুৰি খা**—( বৰকৈ জুলুম কৰ্ )—আগৰ বাবে পুৰাকলা **গাৰ ছাল কাঢ়ুৰি খাইছিলি**; এতিয়া কিমান আৰু লাগে নে।

**গা ৰণজিত ৰণজিত কৰ্**—( ৰণ জিকাৰ দৰে আনন্দত গা নাচি উঠ্—'গা খিলাকত খিলাকত কৰ'—একে অৰ্থবাচক )—পৰীক্ষাত প্ৰথম হোৱাত তেওঁৰ **গা ৰণজিত ৰণজিত কৰিছে**।

**গাৰ নোম থিয় হ**—( বা 'গাৰ নোম ডাল ডাল হ—অকস্মাৎ ভয় খাই বা জ্বৰ খাই হোৱাৰ দৰে গা শিঁয়ৰি উঠ্ )—কলিকতাত যেনে কটাকটি হৈছিল, শুনিলে **গাৰ নোম থিয় হয়**।

**গাৰ নোম নেদেখা হ**—( সামান্য আন্ধাৰ হ; গধূলি হ )—**গাৰ নোম নেদেখা** হোৱাতহে তেওঁ আহি পালে।

**গাৰ নোমেও শত্ৰু হ**—( অতি আপোনজনেও শত্ৰুতা কৰ্ )—অলপ চাইচিন্তি ফুৰিবা; দেখিছাই নহয়, **গাৰ নোমেও শত্ৰু হৈছে**।

**গাৰ মলি**—( মূল্যহীন বুলি ভবা বস্তু )—তোমাৰ হেজাৰ টকা হানি হ'ল; এই টকা **গাৰ মলি** যেন ভাবা। পৰিশ্ৰম কৰা; দেহা আছে, নাথ আছে।

**গাৰ ৰজন্ যা**—( গা হুৰি যা )—তেওঁৰ **গাৰ ৰজন্** যোৱা কেৱাদিনা হ'ল; ডাক্তৰক দেখুৱা।

**গা বাইজাই কৰ্**—( দুৰ্বলতাত মূৰ ঘূৰা যেন হ )—তোমাক মোৰ **গা বাইজাই কৰিছে**।

গা ৰাখ্—(হানি বা বিপদৰপৰা নিজক ৰক্ষা কৰ্)—বেমাৰ কাষিয়ে বহ, মানুহ গা ৰাখি চলিবা। পৰীক্ষাত তেওঁ কথমপি গা ৰাখিলে।

গাৰি মেৰ খা—(বগলৈ ধৰা কাপোৰ টোলোঠাত মেৰাব পৰা হ)—মোৰ কাপোৰখন এতিয়াও গাৰি মেৰ খোৱা নাই।

গা লগা—(মনোযোগ দি; পৰিশ্ৰম কৰ্)—পৰীক্ষা আহিল; গা লগাই পঢ়া।

গা লৰ্—(প্ৰসৱৰ সময় উপস্থিত হ)—তেওঁৰ গা লৰিল কেতিয়াবাই; কিন্তু প্ৰসৱ হোৱা নাই।

গা লৰা—(কাম কৰিবলৈ তৎপৰ হ)—এনিৰ বেলি হেলি গ'ল, এতিয়াও গা লৰোৱাই নাই; কামটো কৰিবা কেতিয়া?

গালি আলি আলিয়ে যা—(গালিৰ একো অপকাৰ কৰাৰ শক্তি নাই—এই অৰ্থ)—তাই গালি পাৰিছে, পাৰক। তোমাৰ মাত দিয়াৰ সকাম নাই; গালি আলি আলিয়ে যাব।

গালিৰ বাহ—(সকলোৰে গালি বা নিন্দাৰ পাত্ৰ)—পুৱাৰপৰা গধূলিলৈ তাই গালিৰ বাহ হৈছে।

গালে গপ মাৰ্—(অসাধ্য হৈও কিতাহি মাৰি কথা ক)—গালে গপ মাৰি মাছ ধৰিবলৈ গৈছিলা; পিছে মাছ পালা কিমান?

গাটৈ সামৰ্—(কোনো বস্তু চপাই আনি আত্মসাৎ কৰ্)—দহজনীয়া বস্তু গাটৈ সামৰা তেওঁৰ অভ্যাস আছে।

গা লাখখন কৰ্—(বা 'গা সাতখন আঠখন কৰ্')—'গাটো সাতখন আঠখন লাগে' তোৰ।

গা সাৰ্—(প্ৰসৱ হ)—তেওঁ গৰ্ভৱতী, এই মাহতে গা সাৰিব।

গা-ছুতা—(কাপোৰ বোৱা খাপি-সুতা)—কাপোৰখনৰ গা-ছুতা বেলেগ ৰঙৰ দিবা।

গা ছুৰ্—(বা 'গা ছুৰি যা'—তিৰোতাৰ ৰজস্ৰাৱ হ)—কেবামাহ ধৰি তেওঁৰ গা ছুৰিছিল; ইয়াৰ ৰজস্ৰাৱ হোৱাত আজি ঢুকাল।

গা হ—(কাৰো হৈ কোনো কাম আগদি দায়িত্ব ল; জামিন হ)—আপুনি গা আহলে মোক ইহঁতে এৰি দিব।

গাহৰি-গঁড়াল—(অতি অপৰিষ্কাৰ বা অসুচ ঠাই)—ঠাইডোখৰ ঘৰটো ঘৰ নহয়, গাহৰি-গঁড়ালহে।

**গাহৰিলৈ আলু-কচু দিল্**—( পৃথিৱীৰ সকলো প্ৰাণীৰ বাবে জীৱিকাৰ কিবা এটা উপায় থাক্ )—**গাহৰিলৈও আলু-কচু দিলে ;** মোলৈ কিবা এটা নিমিলিব নে ?

**গিয়াভাল হ**—( সামাজিক অনুষ্ঠানেৰে গিয়াতিৰ সঙ্গ ল )-- গিৰীয়েকৰ মৃত্যুৰ পিছত ঘৈণীয়েকে আজি **গিয়াভাল হবলৈ** যো-যা কৰিছে।

**গিৰী-গছ**—( আশ্ৰয়ৰ স্থান বা গৰাকী ) এই ল'ৰাটোৰ **গিৰী-গছ** কোনো নাই নেকি ?

**গিৰী নহ**—( আশ্ৰয় দিবলৈ স্বীকৃত নহ ) তুমি যদি কুকুৰটোৰ **গিৰী নোহোৱা,** তাক মাৰি পেলোৱাহে ভাল।

**গিৰী নোহোৱা গৰু**—( অনাশ্ৰিত বা অৱহেলিত মানুহ বা বস্তু )--সি জানো **গিৰী নোহোৱা গৰু** হে হ'ল ? **গিৰী নোহোৱা গৰু,** ঢাকোন নোহোৱা চৰু।

**গিৰী-খুৱীয়াকৈ**--( পৰিয়ালে পতি )—লাৰুবোৰ **গিৰী-খুৱীয়াকৈ** পাঁচোটাকৈ ভগাই দিয়া।

**গিৰ্মিট দিয়া কুলী**—( আনৰ বাধ্যবাধকতাত চলা মানুহ ) – মই তোমাৰ **গিৰ্মিট দিয়া কুলী** নহয় যে তুমি যি কামলৈ পাঁচিবা তাকেই কৰিম।

**গিলি ধৰ্**—( সম্পূৰ্ণকৈ ঢাকি ধৰ্ )—এই চোলাটোৱে ল'ৰাটোক **গিলি ধৰে ;** আন এটা দিয়ক।

**গিলিপ মাৰি ধৰ্**—( তেনেই আগুৰি ধৰ্ )—গছ-গছনিয়ে **গিলিপ মাৰি ধৰা** সেই ঘৰটোত তেওঁলোক কেনেকৈ আছে ?

**গীত গাই থাক্**—( সদায় কৈ থাক্ )—তোমালোকৰ তালৈ যাম যামকৈ তাই **গীত গাই আছে।**

**গু-খোৱাৰ পো**—( অধম লোকৰ অধম সন্তান—গালিত ব্যৱহৃত )—**গু-খোৱাৰ পো** নাৰবীয়া আজিও নাহিল ?

**গু-জীৱন**—( অসাৰ্থক বা অধম জীৱন )—ধনত পিতাম দি থাকিও চুৰ কৰি লাজ নাপাৱ নে ? এনে **গু-জীৱন** ধৰি থকাতকৈ মৰি যোৱাই ভাল।

**গুটীয়া-ভকত**--( মহন্তৰপৰা নাম-কথা নোলোৱাকৈ নিজেই হোৱা ভকত )—**গুটীয়া-ভকত** হোৱাতকৈ মহন্তৰপৰা নাম-কথা লোৱাই ভাল।

**গুড় চেলেকা**—( নানা প্ৰলোভনেৰে ফুচুলা )—তুমি তাক **গুড় চেলেকাব** খুজিছা হয়, সি বৰ শিয়াল ল'বা।

**গুণ টান্** -( ১। উজাই নিয়া নাও পাৰেদি জৰীৰে টানি নি। ২। কোনো কামত প্ৰাণ-কাতৰে শক্তি প্ৰয়োগ কৰ্ )—১। দুজনে **গুণ টানাতহে** নাওখন উজাই গৈছে। ২। এনে টান কামত **গুণ টানিবলৈ** আপুনি নহলে আমি কেতিয়াও কৃতকাৰ্য হব নোৱাৰোঁ।

**গুণ ধৰ্** ( গুণদায়ক হ)—মোৰ পৰামৰ্শই **গুণ ধৰা** যেন লাগিছে।

**গুণ নাপালে ধৰম পা**—( ইহলোকত যশস্যা নাপালেও পৰলোকত পুণ্যফল ভোগ কৰ ) সজ পথ নেৰিবা, **গুণ নাপালেও ধৰম পাবা।**

**গুত চাউল তিতাই খা** ( জঘন্য কৃপণালি কৰ )—এনে **গুত চাউল তিতাই খোৱা** মানুহ ক'তো দেখা নাই।

**গুত পৰা গু** ( অতি ঘৃণনীয় মানুহ বা বস্তু ) সিনো ক'ত **গুত পৰা গুটো** যে তাক খিয়ালে বামাতিলা?

**গুমৰ ফঁাক হ** ( গোপন কথা সদৰী হ ) কথাটো ইমান দিনে গুমৰত ৰাখিছিলা, কিন্তু আজি **গুমৰ ফঁাক হ'ল।**

**গুৰি-কঠাল** ( শকত-আৱত, হৃষ্টপুষ্ট ) মানুহটো গা-গাঁথিয়ে **গুৰি-কঠাল।**

**গুৰি-কথা**—( কোনো কথা বা বিষয়ৰ আৰম্ভণি বা মূল )—কিতাপখনৰ **গুৰি-কথাখিনি** বৰ চিত্তাকৰ্ষক হৈছে।

**গুৰি-গছ** ( ১। গছৰ গুৰি ভাগ। ২। উৎপত্তি স্থান; ৩। উৎপত্তি বা জন্মৰ আদিস্থান )—১। গছজোপাৰ **গুৰি-গছডোখৰ** মই কিনিছোঁ। ২। কথাটোৰ **গুৰি-গছ** বিচাৰি বিচাৰি চাব লাগে। ৩। **গুৰি-গছ** ভাল চাইহে ছোৱালী আনিবা।

**গুৰিত কাটি আগত পানী ঢাল্** -( ভিতৰি মহৎ শত্ৰুতা কৰি বাহিৰত মিত্ৰতা কৰ )- তাৰ কথাত বিশ্বাস নকৰিবা; সি সদায় **গুৰিত কাটি আগত পানী ঢালে।**

**গুৰিত গাজ্**—( বায়ুকোণত মেঘে গাজ্ )—মেঘে **গুৰিত গাজিছে;** বৰষুণ হবই।

**গুৰি ধৰ্**—( ১। গুৰি চলাই নাৱৰ গতি ঠিক ৰাখ। ২। দিহা বুদ্ধি দি কোনো

কাম চলা)—১। ভৰা নৈত নাৱৰ **গুৰি ধৰিবলৈ** এজন পাকৈত নাৱৰীয়া বিচাৰি আনা। ২। আপুনি আমাৰ কামটোত **গুৰি ধৰিব** লাগে।

**গুৰি-বঠা ধৰ্**—'গুৰি ধৰ্' চোৱা।

**গুৰি-শকত**—(ভিতৰি ভাল মানুহৰ সাহায্য পোৱা)—সি বৰ **গুৰি শকত** মানুহ; তাক কেনেকৈ জব্দ কৰিবা?

**গুৰি-সদিয়া**—(পূৰ্ব পৰম্পৰা চলি অহা বংশগত আদৰ্শ)—তেওঁলোকৰ **গুৰি-সদিয়া** বিচাৰ নকৰাকৈ মই বিয়াত সন্মত হব নোৱাৰোঁ।

**গুৰু-গোসাঁই মানান্**—(অযথাভাৱে অভদ্ৰ হ)—তাক নামাতিবা; সি **গুৰু-গোসাঁই মানানে**।

**গুৰু ভকতৰ আঁৰ হ**—(মৰ)—আপোনাক যদি ফাঁকি দিছোঁ, **গুৰু-ভকতৰ আঁৰ হম**।

**গুৰু-মণ্ডলী কৰ্**—(কোনো কাৰ্যৰ সূত্ৰপাত কৰ্)—**গুৰু-মণ্ডলীয়েই কৰা নাই**; তুমি সুধিছা, কামটো আজি শেষ হব নে? তাই **গুৰু-মণ্ডলী কৰিছে**; দন্দ লগাইছে।

**গুৰু-সন্মুখীয়া হ**—(গুৰুৰ পৰা নাম-কথা ল)—এই বুঢ়া বয়সলৈ **গুৰু-সন্মুখীয়া হোৱা** নাই নে?

**গুৰু-সেৱা কৰ্**—(ইষ্টমন্ত্ৰ জপ কৰ্)—সি গুৰু-সন্মুখীয়া হৈছিল, পিছে **গুৰু-সেৱাহে** নকৰে।

**গুলি পানী পি**—(কোনো মানুহ বা বস্তুৰ অস্তিত্ব সমূলি নোহোৱা কৰ্)—তেওঁৰ আগত সৰলো কথা নোকোৱা কিয়? তোমাকতো তেওঁ **গুলি পানি পিব** নোৱাৰে।

**গুজুম বাজ্ (বা মাৰ্)**—(ঢাকি বা আগুৰি ধৰি অন্ধকাৰ বা অশান্তি কৰ্)—বাকৰি-ঘৰত ধোঁৱাই **গুজুম বাজিছে**; মানুহ সোমাব নোৱাৰি। হাবিয়ে **গুজুমে মাৰি** ধৰা ঘৰটোত তেওঁলোক কেনেকৈ থাকে?

**গুলৈয়া-নাও**—(বৰ ডাঙৰ ছৈৰে ছোৱা ডাঙৰ নাও)—এখন **গুলৈয়া নাৱত** পধালিকৈ আমি দহজন মানুহ শুই গৈছিলোঁ।

**গুৱাল-গালি**—(কাৰো নাম নধৰাকৈ পৰা গালি)—আইকো নধৰে, পিতাকো নধৰে, পাৰে যোক **গুৱাল-গালি**।

**গৃহস্থ-বস্তু**—(যাই পুৰুষ; ধৰ্মৰ যাই গৰাকী)—তেওঁলোকৰ বংশৰ **গৃহস্থ-বস্তুৰ** সোঁৱৰণী হিচাপে বছৰি একোখন মেলা তেওঁলোকে সদায় পাতি আহিছে। মহাপুৰুষীয়া ধৰ্মৰ **গৃহস্থ-বস্তু** শ্ৰীমন্ত শঙ্কৰমাধৱৰ অসমীয়াৰ চিৰ-পূজ্য।

**গেঁৰ ধৰ**—(ধান আদিৰ গৰ্ভত কোমল ফল বা ফুলৰ থোক ধৰ)—ধানে **গেঁৰ ধৰিছে**; বতাহত বাগৰি পৰিলে ধানবোৰ পতন্থৰা হব।

**গেঁৰ-মসৰা** (পেট ডাঙৰ হৈ থকা আৰু নিচেই কম বয়সৰ,—চৰাইৰ পোৱালিত খাটে)—এই **গেঁৰ-মসৰা** পাৰবোৰ কিয় আনিলা? ওভোতাই দিয়াগৈ।

**গেজেনা মাৰ**—(আনক হাব মাৰি টান কথা ক)—সি সদায় এনেকৈ **গেজেনা মাৰি** থাকে, মইনো বাৰু কিমান সহিম?

**গেজেৰা মাৰ**—(কেটেৰ-জেঙেৰকৈ টান কথা ক) তুমি এনেকৈ **গেজেৰা মাৰি** থাকিলে মই গুচি যামগৈ।

**গেদেৰা (বা গেদেৰি) কাট**—(কুঁহিয়াৰৰ ৰস আদি জুলীয়া বস্তু তপ-তাওতে ওপৰলৈ উঠি অহা মল চালনী আদিৰে তোল)—কুঁহিয়াৰৰ ৰস তপত হৈ আহিল; এতিয়াই চালনীৰে **গেদেৰা কাটিব** লাগিব।

**গেৰা-খোৱা**—(কুঁহিয়াৰৰ ৰসৰ গেদেৰা খোৱা: এৰেহা বা খাই পেলাই দিয়া বস্তু খোৱা)—**গেৰা-খোৱা** স্বভাৱটো এৰি পেলাই কাম-বন কৰি খাবলৈ ধৰা; তেতিয়াহে তুমিও যে মানুহ, এই কথাটো বুজি পাবা।

**গেৰা-খোৱা শিয়াল যেন হ**—(বৰ অপৰিষ্কাৰ অপৰিচ্ছন্নভাৱে থাক)—তইত **গেৰা-খোৱা শিয়াল যেন হলি**; গা-পা ধুই কাপোৰ-কানি সলাই আহগৈ যা।

**গেৰেউ-গেঁথেউ কৰ**—(১। সৰহকৈ খোৱাৰ ফলত গা গধুৰ হোৱাত লৰচৰ কৰিব নোখোজ। ২। কৰোঁ-নকৰোঁ কৰ; কামলৈ অনিচ্ছা কৰ)—১। তিৰোতাজনী এনেই গৰ্ভৱতী, তাতে এইমাত্ৰ খাই উঠিল; তেওঁ **গেৰেউ-গেঁথেউ কৰিবই**। ২। এই **গেৰেউ-গেঁথেউ কৰি** কাল কটোৱা মানুহটোৰে কামটো কেতিয়া হৈ উঠিব?

**গেৰেলা হালত বা**—(সম্বলযুক্ত মানুহক দেখি নিঃসম্বল মানুহেও সদৃশ কাম কৰিবলৈ গৈ হাস্যাস্পদ হ)—আনে কলেজত পঢ়ে; তাকে দেখি এওঁ **গেৰেলাকে হালত বাবলৈ** ওলাইছে।

**গেলা গপ**—( অসাৰ্থক অহংকাৰ )—তোৰ দৰে এনে ধুম মোহোৰা মানুহে এনে গপ কৰিলে **গেলা গপ** কৰাহে হয়।

**গেলা গপা কৰ্**—( গমি-পিটি ভালকৈ ভাবি চা )--আৰু **গেলা গপা কৰি** সময় নাই ; কিবা এটা সিদ্ধান্তলৈ আহা।

**গেলা-ডাৱৰীয়া**—( লানি নিছিগা বৰষুণ আৰু ডাৱৰীয়া বতৰৰ বাবে বাট-পদূলি বোকাময় হোৱা ) -এই **গেলা ডাৱৰীয়া** বতৰত কাথিৰ কুকুৰো নলৰে, আপুনি কেনেকৈ আহিল।

**গেলাত টেঙা দি**—( কষ্টৰ উপৰি কষ্ট দি )—বুঢ়ী এনেয়ে শোকত আধা-মৰা ; তাতে টান কথা কৈ **গেলাত টেঙা দিছা** কিয় ?

**গেলা-মাল** -( সহজে গেলি বা পঁচি যোৱা বস্তুবাহানি )—**গেলা-মালৰ** দোকান এখনকে দিওঁ বুলি ভাবিছোঁ।

**গেলেপা লাগ্**—( ঢাক বা হেঁচা খাই পঁচি নষ্ট হ ) -উখোৱা ধানখিনি আজি তিন দিনে শুকাব নোৱাৰিলোঁ, **গেলেপা লাগি** গ'ল।

**গোঁ-গোঁৱাই উঠ্**—( খঙেৰে গুঁজৰি উঠ্ )—মোক দেখিয়েই কেঁও **গোঁ-গোঁৱাই উঠিল** ; একো কবলৈ সাহ নহ'ল, উভতি আহিলোঁ।

**গোঁজৰা দি**—( খং উঠি থমকি ৰ )—তই দেখোন **গোঁজৰা দি** থাকিলি ; কামটো নকৰ নেকি ?

**গোঁজা-খা**—( ১। অলপীয়াকৈ হাৰ বা খোঁচ খা। ২। দোঁ খা ; হল্ ) ১। আহোঁতে ভৰিৰ তলুৱাত কিহবাৰ **গোঁজা খালোঁ**, এতিয়া খোঁৰাইছোঁ। ২। বাঁহডাল শুকাইছে ; এতিয়া গোঁজা নাখায়।

**গোঁজা মাৰ্**—( ১। লাহেকৈ ঠেলি সুমা। ২। মাটিত অলপকৈ পুতি থো )—১। খুঁটিটো **গোঁজা মাৰি** থোৱা, আকৌ লবাব লাগিব। ২। পুলিকেইটা **গোঁজা মাৰিহে** থৈছোঁ ; মৰিল নে জীলে চাব পৰাই নাই।

**গোঁজা মাৰি বহ**—( লাহেকৈ বহি তাতে বৈ থাক্ )—জাৰকালিৰ জুই দেখি কাষত **গোঁজা মাৰি বহিলোঁ** ; উঠি যাবলৈ পাহৰিলোঁৱেই।

**গোঁজা-মিল দি**—( মিমিলিলেও হেঁচা মাৰি মিলাই থ ; কোনো কাম ভিতৰি খুঁত ৰাখি দেখাত সম্পূৰ্ণ কৰ্ )—অংকটো সি **গোঁজা-মিল দি** কৰি আহিছে। দিন-হাজিৰা কুলীয়ে কামটো **গোঁজা-মিল দি** কৰিবলৈ বিচাৰে।

**গোঁফেই গজালি হ**—( আপাততঃ নিজৰ সা-সুবিধাৰ বাবে ৰখা মানুহ বা বস্তুৱেই পিছলৈ অপকাৰৰ কাৰণ হ )—তোমাৰ মাটিত তাক বহুৱাবা খুজিছা হয়; পিছত সি **গোঁফেই গজালি হব** চাবা।

**গোকুলৰ গোসাঁই** ( বৰ মৰমহেতু ক'ত থওঁ ক'ত ৰখওঁকৈ লৈ ফুৰা ল'ৰা-ছোৱালী বা বস্তু আদি ) · **গোকুলৰ গোসাঁইৰ দৰে** কেঁচুৱাটিক যে ইহঁতে কি কৰিব কি নকৰিব খুজিছে।

**গো-খুজীয়া**—( গৰুৰ ঘন ঘন খোজ পৰি বৰকৈ খলা-বমা হোৱা ঠাই )—**গো-খুজীয়াত** খোজ কাঢ়ি কাঢ়ি ভৰিৰ তলুৱা বিষাইছে।

**গোছ ল**—( ধান কৰলৈ আৰম্ভ কৰ্ )- 'বকুল নবাব **গোছ লনি** নে নাই?'

**গোট কৰ্**—( একে ঠাইতে গোটা; মুঠ কৰ্ )—বৰষুণ আহিব; খৰিবোৰ **গোট কৰা**। তুমি পাব লগা টকাখিনি **গোট কৰি** চোৱাচোন।

**গোট-কৰাই**—( গুৰি নকৰা কৰাই )—**গোট-কৰাইবোৰ** দাঁত নোহোৱা মানুহজনে কেনেকৈ খাব? গুৰি কৰাই দিয়া।

**গোট-কৰাই গোটে-গোটে খাই গুৰি-কৰাইত দাঁত ভাঙ্**—( ডাঙৰ ডাঙৰ কাম নিপুণভাবে কৰি সামান্য কামত পৰাস্ত হ )—**গোট-কৰাই গোটে-গোটে খাই গুৰি-কৰাইত দাঁত ভাঙি** ফিৰি যোৱা মানুহ মই নহয়; এই সামান্য কামটো মই এতিয়াই কৰিম।

**গোট-কাঠ**—( কাঠৰ দৰে অৰ্থাৎ কাণ্ডজ্ঞানহীন মানুহ )—এই **গোট-কাঠটোৱে** একো নুবুজে।

**গোট খা**—( একত্ৰিত হ )—ইমানবোৰ মানুহ ইয়াত **গোট খাইছে** কিয়?

**গোট খুৱা**—( একে ঠাইত লগ লগা; খুপুৰিয়া )—গঁওৰ বাইজক গধূলিহে **গোট খুৱাব** পাৰিম।

**গোট-গৰু**—( সম্পূৰ্ণ অজ্ঞান মানুহ )—এই **গোট-গৰুটোক** পঢ়ুৱাই কি লাভ?

**গো-টঙনা**—( শুকান আৰু অসাৰুৱা )—এই **গো-টঙনা** মাটিত ইমানকৈ ভাল খেতি কেনেকৈ হব?

**গোট ধৰ্**—( ১। গুটি ধৰ্। ২। ফল ধৰ্; লাভ হ )—১। গছজোপাই এতিয়াও **গুটি ধৰা** নাই। ২। তোমাৰ পৰিশ্ৰমে এতিয়াহে **গোট ধৰিব**।

**গোট-পিটকৈ**—( সম্পূৰ্ণকৈ, নিজাকৈ )—তই এতিয়াই **গোট-পিটকৈ** কাপোৰ ৰৱ পৰা হলি নে ?

**গোট মাৰ্**—( জুলীয়া গুটি টান হ )—জাৰকালি ইয়াত পানী **গোট মাৰি** বৰফ হয়।

**গোটা-কণীয়া**—( কাণ বা দাঁতিত ফুল, টো আদি একো নথকা )—মোলৈ **গোটা-কণীয়া** বাটি দুটা আনিবা।

**গোটা-খাৰ**—( খাৰ হোৱা ছাই, বা জুলীয়া খাৰৰপৰা কৰা ডোখৰ-খাৰ )—মোলৈ **গোটা-খাৰ** দুসেৰমান আনিবা।

**গোটা-ধঁপাত**—( মুখত-খোৱা ধঁপাত )—গুড় সানি চুঙাত খুন্দি খোৱা **গোটা-ধঁপাত** বৰ সোৱাদ।

**গোটা-সজীয়া** -( গোটা আকৃতিযুক্ত; প্ৰায় গোটা )—কাঠডোখৰ **গোটা-সজীয়াকৈ** কাটি উলিয়াবা।

**গোটে-গোটে**—( নভঙা-নিছিঙাকৈ ; ডোখৰ ডোখৰ নকৰাকৈ )—বাঁহবোৰ কাটি **গোটে-গোটে** উলিয়াবা।

**গোত-গিয়াতি**—( বংশ-পৰিয়াল , ইষ্ট-মিত্ৰ )—এই ঠাইত তোমাৰ **গোত-গিয়াতি** কোনো নাই ; বিপদে-আপদে কেনেকৈ চলিবা ?

**গোত-গিয়াতিৰ আলগ্ হ**—( কোনো মাৰাত্মক দোষৰ বাবে নিজৰ বয়-বংশৰ মানুহৰপৰা এঘৰীয়া হৈ থাক্ )—মই যদি কিবা কথা সমাজক জাঁৰ কৰিছোঁ, তেনেহলে অচিৰে **গোত-গিয়াতিৰ আলগ্ হম**।

**গোত্ৰৰ গালি**—( নিজ বংশৰ মানুহে পৰা গালি বা কৰা নিন্দা )—ৰাৱণে **গোত্ৰৰ গালিলৈ** ভয় কৰিয়েই সীতাক কিবাই নিদিলে।

**গোমা-মতা**—( গলধন ধৰা মতা ম'হৰ দৰে ছালি ধৰি, পৰাক্ৰমী বুলি বুজাবলৈ বুকু ফিন্দাই ফুৰা; অহঙ্কাৰী মানুহ )—**গোমা-মতাটোলৈ** ভয় কৰিয়েই কামটো এৰিবদিবা নে?

**গোপাল-ভোগ**—( হিন্দুৰ মতে গোপাল গৰু আৰু গৰখীয়াৰ ৰক্ষক দেৱতা; তেওঁৰ অৰ্থে এঁৱা গাখীৰ, আৰৈ চাউলৰ গুড়ি, কল আৰু চেনি সানি আগ বঢ়োৱা ভোগ )—বছৰি ৰহাগ মাহত আমি **গোপাল-ভোগ** দি আহিছোঁ।

**গো-পিঠি কৰ্**—( গৰুৰ পিঠিত হাত দি শপত খা )—তই যদি চুৰ কৰা নাই, তেনেহলে **গো-পিঠি কৰি** ক।

**গোপিনী-সবাহ**—(গোসাঁই-গোসাঁনীৰ নাম-কীৰ্ত্তন কৰা তিৰোতাৰ সবাহ)—ল'ৰাটোৰ নৰিয়াত **গোপিনী-সবাহ** কৰিম বুলি সৈছিলোঁ, তাকেই কৰিব পৰা নাই।

**গো-ফাংমা লাগ্** (গৰুৰ ডিঙিত টানকৈ কাঁচ লগাৰ দৰে বিপদ্ হ)—তেওঁৰ পৰা ধাৰলৈ টকা আনি **গো-ফাংমাহে লাগিল**।

**গোবৰ উঠ**—(পঁচি বা তিতি গোবৰ যেন হ) কাপোৰখন সুতকোৱাকৈ থৈছা, **গোবৰ উঠিল**।

**গোবৰ গোবৰ হ** 'গোবৰ উঠ' চোৱা।

**গোবৰ-খেপীয়া**—(এখেপা গোবৰৰ সমান আৰু তেনে কোমল—গেঁৰ নসৰা চৰাইত ব্যৱহাৰ কৰা হয়) পাৰঘোৰ **গোবৰ-খেপীয়াহে** হৈছে। উৰণ-তেকীয়া হোৱা নাই।

**গোবৰত পদুম ফুল্**—(ভাগ্য সুপ্ৰসন্ন হ)—তেওঁলোকৰ ঘৰত সেই ছোৱালী-জনী, যেন **গোবৰত পদুমহে ফুলিছে**।

**গো-বৰমে ব**—(গৰুৰ দৰে বৰ টান কাম কৰ্)—সি সেই পৰিয়ালতে **গো-বৰমে বৈ মৰে,** অথচ নাম-শলাগ নাই।

**গো-বাট** (গৰু আদি অহা-যোৱা কৰা বাট, অতিশয় বোকাৰনীয়া ঠাই)—পথাৰলৈ অহা-যোৱা কৰিবলৈ **গো-বাটটো** এৰিহে ঘৰ সাজিবা। এইখন চোতাল নহয়, যেন **গো-বাটহে** হ'ল।

**গো-বাজ্** (গৰুৰ বাজৰ, গতিকে কুৎসিত বা অকৰ্মণ্য মানুহ)—এই **গো-বাজটোক** চাকৰ ৰাখি লাভ নাই।

**গোম সাপৰ কণী আন্**—(শক্তিমন্ত লোকৰ দ্ৰোহ আচৰি বিপদ্ চপাই ল)—হাকিমৰ ল'ৰাক বেত দিয়া যে **গোম সাপৰ কণী অনা** তাক মই জনা নাছিলোঁ।

**গো-মাৰ্গী**—(গৰুৰ বিচিনা অৰ্থাৎ বুজ-বিবেচনা নোহোৱা মানুহ)—তোক এনে **গো-মাৰ্গী** বুলি জনা নাছিলোঁ। এনে সৰু কামটোকে নাজান যে?

**গো-মুখ**—'গো-মাগা' চোৱা।

**গোৰ দি**—(মৰা মানুহ পোত্)—শ'টো **গোৰ নিদি** পুৰি পেলোৱাই ভাল আছিল।

**গোৰ মাৰি গঙ্গাত পেলা**—(অপকাৰ কৰিব খোজোঁতে উপকাৰ কৰ্)—বেঙা-টোক মাৰোঁতে যদি তাৰ মাত ওলাল, তাক **গোৰ মাৰি গঙ্গাত পেলোৱাহে হ'ল।**

**গোৰে পোৰে তল যা**—(সমূলকে পতিত বা ভ্ৰষ্ট হ)—গিৰীহঁতৰ সেই অমানুষিক পাপত গোটেই বংশটো **গোৰে পোৰে তল গ'ল।**

**গোসাঁই এবা দিয়া সময়**—(ফুট-গধূলি)—এই **গোসাঁই এবা দিয়া সময়ত** খেদাখেদি নকৰিবা।

**গোসাঁই-গুৰুৰ ভেজে-ভাতে খা**—(মহাপাতক এটাৰে শপত খা)—তিৰোতাজনীয়ে কলে, -মই যদি গাখীৰ খাইছোঁ, **গোসাঁই-গুৰুৰ ভেজে-ভাতে খাইছোঁ।**

**গোসাঁইৰ কল**—(অতিশয় যত্নত তোলা ল'ৰা বা ছোৱালী) আবুঢ়েকে ল'ৰাটোক **গোসাঁইৰ কলহে** কৰিছে।

**গোসাঁয়ে কৰে**—(মঙ্গলসূচক কামনাবোধক)—**গোসাঁয়ে কৰে,** আজিৰপৰা তোমাৰ ল'ৰাটিৰ নৰিয়া কমিব।

**গৌৰীদান কৰ্**(আঠ বছৰতে ছোৱালী বিয়া দি)—এতিয়া আৰু **গৌৰী-দান কৰা** দিন নাই; মোৰ ছোৱালীজনীক সন্ধ্যহতে পঢ়ুৱামহে।

**গোহালিৰ গৰুৱে বাৰীৰ ঘাঁহে বাহি মাহ্**—(যাৰ লগত যাৰ মিল হোৱা উচিত, সেইটো নহৈ আনৰ লগত মিল হ)—আমাৰ আকৌ **গোহালিৰ গৰুৱে বাৰীৰ ঘাঁহে বাহি মহা** হৈছে। পুতেকে মাকক এৰি পাঁৱৰ আন এগৰাকী তিৰোতাকহে 'আই' বোলা হ'ল।

**গ্ৰহণে গিল্**—(সূৰ্যৰ পোহৰ অকণো নপৰ্)—তোমালোকৰ এই **গ্ৰহণে গিলা** ঠাইখনত আবকালি কেনেকৈ থাকা?

**গ্ৰাম্য কথা**—(১। কুৰুচিপূৰ্ণ কথা। ২। সাংসাৰিক কথা)—১। এনেকৈ **গ্ৰাম্য কথাত** সময় কটোৱাতকৈ বেডিওকে শুনা কিয়? ২। মহন্ত-জকতে **গ্ৰাম্য-কথালৈ** আওকাণ কৰি ধৰ্ম-কথাহে আলচে।

## ঘ

**ঘঁটা কোৰাই ফুৰ্**—(বিনাকামে টৌ-টৌকৈ ঘূৰি ফুৰ)—এই বাৰীজনীৰ ঘৰত একো কাম-বন নাই, পুৱাৰ পৰা **ঘঁটা কোৰাই ফুৰাই** তেওঁৰ কাম।

**ঘঁটা জোকৰা দি**—( খঙত কোনো মানুহক ধৰি জোকাৰ্ )বাপেকে পুতেকক ধৰি **ঘঁটা জোকৰা** দিলে।

**ঘঁাটি কঢ়া**—( নাকৰ নোম উঘলা সৰু চিমটা )—**ঘঁাটি কঢ়া** এপাট বহলে কাপৰ ভিতৰৰপৰা খানটো উলিয়াব নোৱাৰি।

**ঘঁৰিয়াল পৰা দি**—(দীঘল দি পৰি থাক্ )—সি **ঘঁৰিয়াল পৰা দি** শুই আছে।

**ঘন কাপোৰৰ বাত্তি জোৰ্**—( ঘনাই অহা-যোৱা কৰ্ )– তুমি নো কি **ঘন কাপোৰৰ বাত্তি জুৰিলা?** বহা যদি বহি থাকা, যাবা যদি যোৱাই।

**ঘনকৈ খুঁটিলে শিঙৰাও মাছ হ** -( সামান্য লাভ ঘনকৈ হলে ভাবেই বেছি লাভ হ )—নিতৌ অলপ-অচৰপ পাই থাকিলেই হব; **ঘনকৈ খুঁটিলে শিঙৰাও মাছ।**

**ঘন-চিৰিকাই বাজহঁাহৰ বুলন ধৰ**—( আনক অনুকৰণ কৰিবলৈ গৈ নিজৰ অস্তিত্বকো হেৰুৱাৰ উপক্ৰম হোৱাত হঁাহিয়াতৰ পাত্ৰ হ )—আনক দেখি তেৱোঁ ঠিকাদাৰ হওঁ বুলি ঠিকাদাৰ যে হব নোৱাৰিলেই, সাতামপুৰুষীয়া মাটিডৰাও বেচিবলৈ বাধ্য হ'ল; **ঘন-চিৰিকাই বাজহঁাহৰ বুলন ধৰিবলৈ** গৈ বিপাঙতহে পৰিল।

**ঘন জালৰ বাঘিনী যেন হ**—( বিপদত পৰি তাৰপৰা উদ্ধাৰ হবলৈ উধাতু খাই ফুৰ্ )—পুতেকক মাৰিবলৈ ষড়যন্ত্ৰ কৰিছে বুলি শুনি, পুতেক আহি নাপালে মানে মাকে **ঘন-জালৰ বাঘিনী যেন** হৈহে ঘূৰি ফুৰিছিল।

**ঘৰ উঠ্**( বিয়াৰ তিনদিন পিছত দৰা-কইনা ছোৱালীৰ বাপেক মাকৰ ঘৰলৈ প্ৰথম বাৰ যা )—আজি দৰা-কইনাই **ঘৰ উঠিব** খুজিছে।

**ঘৰ কৰ্**—( স্বামী ভাৰ্য্যা স্বৰূপে গৃহস্থালি কৰ্ )—বিয়াহে হৈছে, ছোৱালীজনী অত দিনে **ঘৰ কৰিবলৈ** নাহিল।

**ঘৰ খা**--( স্বামীৰ ঘৰত থাকিবলৈ মন বহুৱা )—ছোৱালীজনী **ঘৰ নোখোৱা** হৈছে।

**ঘৰ গছক্**—( বিয়াৰ পিছত কইনা প্ৰথম বাৰলৈ স্বামীৰ ঘৰত ভৰি দি )—**ঘৰ গছকিবলৈ** নৌপাওঁতেই ছোৱালীজনী বিধৱা হ'ল।

**ঘৰ-গিৰী**—( কোনো গৃহস্থালিৰ সকলো কাম চলোৱা খাই চাকৰ )—এই চাকৰটো আমাৰ পুৰণি **ঘৰ-গিৰী।**

**ঘৰ গুচি ধাঁহতল হ—** ( ঘৰৰ কাম-বনলৈ আওকাণ কৰাত ঘৰ শ্ৰীহীন হ )—এই সোণ-ৰূপৰ গৃহস্থালি তোমাৰ হাতত পৰি **ঘৰ গুচি ধাঁহতল হ'ল।**

**ঘৰ-গোনা—** ( ঘৰ এৰি যাবলৈ ভাল নোপোৱা )—অসমীয়া মানুহ বতাৰত **ঘৰ-গোনা।**

**ঘৰ-গৃহস্থালি কৰ্—** ( বিয়া-বাৰু কৰাই সংসাৰিক জীৱন যাপন কৰ্ )—এই বুঢ়া বয়স পালি, এতিয়াও **ঘৰ-গৃহস্থালি নকৰিবি** নেকি ?

**ঘৰ-ঘৰোৱাহ—** ( গোটেই পৰিয়ালটো )—**ঘৰ-ঘৰোৱাহকে** নিমন্ত্ৰণ কৰিলোঁ ; হেলা নকৰিব যাব।

**ঘৰ চেপি আহ্—** ( ঘৰলৈ খোঁদ আহ্ )—তই **ঘৰ চেপি** মাৰিবলৈ **অহাটো** উচিত হৈছে নে ?

**ঘৰ-চোতাল কৰ্—** ( মৰিয়াৰ পিচত অলপ-অচৰপ খোজ কাঢ়িব পৰা হ )—জ্বৰৰ পিচত তেওঁ এতিয়াও **ঘৰ-চোতাল কৰিব** পৰা হোৱা নাই।

**ঘৰ-চোতালৰ মানুহ—** ( অতি ওচৰৰ মানুহ )—**ঘৰ-চোতালৰ মানুহে** পিঠীয়া-পিঠি কৰি থকাটো ভাল নেদেখি।

**ঘৰ-জিনা—** ( ঘৰত প্ৰতিপত্তি কৰিব পৰা হোৱা )—**ঘৰ-জিনা** হোৱালী ; এতিয়া তেওঁক টান কথা কৈ লাভ নাই।

**ঘৰ-জীয়া থাক্—** ( নিজৰ ঘৰ আনৰ ঘৰত চপনীয়া থাক্ )—এই ডেকাটো সেই পৰিয়ালত **ঘৰ-জীয়া আছে।**

**ঘৰ-জোঁৱাই—** ( শহুৰেকৰ ঘৰত বাস কৰা জোঁৱাই )—সম্পত্তিটো পোৱাৰ আশাত বহুতে **ঘৰ-জোঁৱাই** হৰলৈ আহিব।

**ঘৰ ধৰ্—** ( গৃহস্থালি চলোৱাৰ দায়িত্ব ল )—তেওঁ **ঘৰ ধৰিব** পৰা হোৱালী বিয়া কৰাব খুজিছে।

**ঘৰ-নিবন্তৰে—** ( কোনো ঘৰ বা পৰিয়াল বাকী নথকাকৈ )—**ঘৰ-নিবন্তৰে** জ্বৰ হব লাগিছে।

**ঘৰ-পতা ককা—** ( দৰা-কইনা আদি ঠিক কৰি বিয়া ঘটাই দিয়া মানুহ )—তোমাকে **ঘৰ-পতা ককা পাতিলোঁ** ; বিয়াটো ঘটাই দিয়া।

**ঘৰ পাত্—** ( বিয়া-বাৰু কৰাই সাংসাৰিক জীৱন আৰম্ভ কৰ )—মাউৰা ল'ৰাটোৱে **ঘৰ পাতিব** খুজিছে ; সকলোৱে তাৰ বাবে হাত জোকৰা উচিত।

**ঘৰ-বৰ চা**—( ছোৱালীৰ পক্ষৰ লোকে দৰা আৰু তেওঁৰ ঘৰ আদি চাই-চিতি ল )—আমি কইনা চালোঁ; আপোনালোকে এতিয়া **ঘৰ-বৰ চায়** কেতিয়া?

**ঘৰ-বুঢ়া**—( গৃহস্থালি চলোৱা ঘৰত থকা বুঢ়া মানুহ ) - **ঘৰ-বুঢ়া** হৈ আছোঁ; মোৰতো কৰাৰ নাম নহবই।

**ঘৰ-বেৰা দি**—( শত্ৰুৱে ঘৰৰ চাৰিও ফালে বেৰি ধৰ্ )—ৰাতি পুওৱাৰ আগেয়েই পুলিচে **ঘৰ-বেৰা দি** আছিল।

**ঘৰ-ভঙা ককা**—( আনৰ গৃহস্থালিত বিশৃংখলা ঘটাই ফুৰা চুটকীয়া প্ৰকৃতিৰ মানুহ )—গাঁৱে গাঁৱে **ঘৰ-ভঙা ককা** আমাৰ মাজত আছেই।

**ঘৰ ভাগ্**—( ১। ঘৰৰ কাম কাজত বিশৃংখল ঘট্। ২। মতা-তিৰোতাৰ কন্দল লাগি এৰা-এৰি হ ) - ১। বুঢ়া মৰাৰ পিছত তেওঁলোকৰ **ঘৰ ভাগিল**। ২। সামান্য কথা এটাতে মতা-তিৰোতা হালৰ **ঘৰ ভাগিল**; দুয়ো এৰা-এৰি হ'ল।

**ঘৰ ভাঙ্**—( 'ঘৰ ভাগ' চোৱা—সকৰ্মক ৰূপ )।

**ঘৰ মচি দুৱাৰত লেচা থ**—( কোনো কাম কৰি সামান্য অৱশেষ এৰ্ )—ইমান দিন কামটো কৰি এতিয়া এবেলা বা এদিনৰ বাবে এইখিনি বাকী ৰাখি **ঘৰ মচি দুৱাৰত লেচা থৰা** নে?

**ঘৰ-মুৰি**—( ঘৰে প্ৰতি; প্ৰত্যেক পৰিয়ালে প্ৰতি )—**ঘৰ-মুৰি** একোজনকৈ মাতিবা।

**ঘৰৰ খাই বনৰ ম'হ খেদ্**—( নিজৰ স্বাৰ্থ ক্ষতি কৰি আনৰ কোনো কাম কৰ )—**ঘৰৰ খাই বনৰ ম'হ খেদি** ফুৰিলে তোমাৰ নিজৰ কাম-বন হব কেনেকৈ?

**ঘৰৰ মানুহ**—( ১। একে পৰিয়ালৰ। গিৰীয়েক বা ঘৈণীয়েক )—১। তেওঁ আমাৰে **ঘৰৰ মানুহ**; চাকৰ নহয়। ২। হেৰ মানুহজনী তোৰ **ঘৰৰ মানুহটো** ক'ত আছে কৈ দে।

**ঘৰ ল**—১। আনৰ ঘৰখনকে নিজৰ বুলি ভাবি থাকিবলৈ ধৰ্ ( জন্তুত খাটে )। ২। নকৈ সজা ঘৰত প্ৰথম থাকিবলৈ ল )—১। গাইজনীয়ে এতিয়াহে **ঘৰ লৈছে** বেশ পাইছোঁ।। ২। তোমালোকে কোন দিনা **ঘৰ লবলৈ** ঠিক কৰিলা?

**ঘৰা-কাতি**—( ঘৰাৰ দৰে বাগৰি যোৱা কাৰ্য; ঘৰা-মুটি )—ধূলিৰ ওপৰত **ঘৰা-কাতি** মাৰি কাপোৰ-কানি নষ্ট কৰিলা কিয়?

**ঘৰা-মুটি**—'ঘৰা-কাতি' চোৱা।

**ঘৰা-ঘুটি মাৰ্**—( ঠেলা মাৰি লুটি খুৱাই দি )—ল'ৰাটোক অনাহকত **ঘৰা-ঘুটি মাৰিলা** কিয় ?

**ঘৰে-পৰে**—( য'তে ত'তে : বাহিৰে ভিতৰে )—তুমি **ঘৰে-পৰে** মোৰ বদনাম ৰটি ফুৰা কিয় ?

**ঘলো-মলো** —( কাম-বন নকৰি গা ঘেলাই ফুৰা )—ডেকা মানুহে **ঘলো-মলো** কৰি ফুৰাটো কোনে ভাল পাব ?

**ঘাই-চুলিত ধৰ্**—( দুৰ্বল স্থানত ধৰি জব্দ কৰ্ )—উকীলে সাক্ষীজনৰ **ঘাই চুলিত ধৰি** তেওঁক জেৰা কৰিবলৈ ধৰিলে ; সঁচা কথাবোৰ টপ্‌টপ্‌কৈ ওলাই আহিল।

**ঘাই দি**—( যুঁজিবলৈ কেৰ পাত্ )—তাক কোনে কি ক'লে ? সি এনেকৈ **ঘাই দি** ফুৰিছে কিয় ?

**ঘাই পাত্**—(১। হাবিত কাণ পাতি, শিকাই লোৱা চৰাইৰ সহায়েৰে বনৰীয়া চৰাই ধৰ্। ২। পৰিয়ালত এটাৰ পিছত এটাকৈ মৰিয়া আদি হৈ থাক্ )—১। হাবিত **ঘাই পাতি** মানুহটো ওচৰতে লুকাই আছিল। ২। মৰিয়াই আমাৰ ঘৰত এইবাৰ **ঘাই পাতিছে** ; বুঢ়ী মৰৰেও, মৰতে'ও ; ইফালে এটা এটাকৈ বাগৰি পৰিছে।

**ঘাই-ঘুৰীয়া**- -( ঘাই বা মূৰী মানুহ )—মেললৈ **ঘাই-ঘুৰীয়াসকলক** মাতিলেই হব।

**ঘাউৰা পাত্**—( কোনো কাম আদিলৈ আসোঁৱাহ দেখুৱাই বা অমান্তি হৈ থাক্ )—তই নো কি **ঘাউৰা পাতিলি** ? বিয়ালৈ নগলে জানো ভাল হব ?

**ঘাঁহত ধৰ্**—( পিয়ন ছাৰি ঘাঁহ খাবলৈ ধৰ্—গৰু, ম'হ আদিৰ পোৱালিত খাটে ) —দামুৰিটোৱে **ঘাঁহত ধৰাই** নাই ; তাক মই বিকিনো।

**ঘাঁহ ধৰ্**—'ঘাঁহত ধৰ্' চোৱা।

**ঘাগৰি-গাভি**—( একালে কান্ধৰ ওপৰেদি নি সিকালে কাষলতি বা বাহুৰ তলেদি ওলোমাই মৰা কাপোৰ আদিৰ বান্ধ )—**ঘাগৰি-গাভি** মাৰি ক'লৈ বুলি ওলালা ?

**ঘাট-মাউৰা**—( ঘাটে বাটে পৰি থাকিলেও তত্ত্বাৱধান কৰিবলৈ কেও-কিছু নোহোৱা ; পিতৃমাতৃহীন )—এই **ঘাট-মাউৰা** ল'ৰাটোৰ কিবা উপায় কৰিব পাৰে নে ?

**ঘাটৰ চেলেকনা**—( নদীৰ ঘাটে ঘাটে খাদ্য বিচাৰি ফুৰা এবিধ মাছ। ইঘৰ-সিঘৰ কৰি কথা চোৰাই ফুৰা মানুহ,—বিশেষকৈ তিৰোতা )—আজি দেখোন **ঘাটৰ চেলেকনা** সেই তিৰোতাজনী নাই।

**ঘাটা মাৰ্**—(১। আকস্মিকভাৱে অশেষ লাভৱান হ। ২। ধৰা নপৰাকৈ সাৰি যা)—১। সি আজি **ঘাটা মাৰিলে**; মাছ ধৰিবলৈ গৈ এলাখ টকা পালে। ২। মই ঘৰত সোমালোঁ; সি বাৰীত সোমাই ভাগোল লৈ **ঘাটা মাৰিলে**।

**ঘাটি খা**—(বিপদ বা জগৰত পৰি জব্দ হ)—যি মানুহ যি কামত পাৰ্গত, তেওঁ তেনে কামত **ঘাটি নাখায়**।

**ঘাটিনামাটৈ যা**—(পৰাস্ত বা জব্দ হোৱাৰ নামল; সামান্যভাৱে হেৰ বা ক্ষতিগ্ৰস্ত হ)—মিটমাট কৰিবলৈ তেওঁ মেলখন মাতিলে বুলিয়েই **ঘাটিনামাটৈ যোৱা** হ'ল নে?

**ঘাটি মাৰ্**—(সাৰি যা)—আমি তেওঁৰপৰা এশ টকা লম বুলি আছিলোঁ; তেওঁ ঘৈণীয়েকৰ ছতুৰাই পঞ্চাশ টকা দিয়াই **ঘাটি মাৰিলে**।

**ঘাটি লাগ্**—(কোনো দেৱতাৰ অপৰাধত পৰ্)—শীতলা দেৱীৰ **ঘাটি লাগিছে**, সেই দেখিছে ল'ৰাটোৰ জ্বৰ এৰা নাই।

**ঘাৰ খা** (সন্মত হ; আপত্তি কৰিবলৈ এৰ্)—কত বুজালোঁ, তেওঁ কিন্তু এতিয়াও বিয়া কৰাবলৈ **ঘাৰ খোৱা** নাই।

**ঘাৰে হেঁচি কৰ** (শাৰীৰিক বল প্ৰয়োগ কৰি কৰ্)—ই **ঘাৰে হেঁচি কৰা** কাম নহয়; কৌশলেৰেহে কৰিব পাৰিবা।

**ঘিউ-মৌ পা** -(বৰ আকৰ্ষণীয় বস্তু বা বিষয় পা)—তই নো তাত কি **ঘিউ-মৌ পাইছ** যে পুৱাৰপৰা গধূলিলৈ সুঠাই হলি?

**ঘিউ-লোণ দি**—(ন বোৱাৰীয়ে পাগ-দিয়নিত মানুহৰ পাতে পাতে ঘিউ আৰু লোণ দি) ছোৱালীজনী ওলাই আহি এতিয়া **ঘিউ-লোণ দি** যাওক।

**ঘিটিং মাৰ্**—(হঠাৎ গুচি যা)—খোৱা-বোৱা হৈ গলেই তেওঁ **ঘিটিং মাৰিব**; তেতিয়া ক'ত লগ পাবা?

**ঘিলা-খোঁপা**—(ঘিলাৰ বিচিত্ৰা চেপেটা আৰু ঘূৰণীয়াকৈ বন্ধা খোঁপা)—**ঘিলা-খোঁপা** ছোৱালীৰ মূৰত এতিয়া দেখিছা জানো?

**ঘিলা-পিঠা**—(বহাগৰ দোমাহীত কৰা এবিধ চেপেটা আৰু ঘূৰণীয়া ঘিলা পিঠা) -দোমাহী আহিল; আমালৈ **ঘিলা-পিঠা** কৰিবা।

**ঘিলা-সংযোগ** (ডাঙৰ পেৰা আদিৰ তলত লগোৱা চকৰিৰ যন্ত্ৰ)—ইমান ডাঙৰ পেৰাটো ক'ৰবা. ঘিলা-সংযোগ নহলে অনা-নিয়া কৰিবা কেনেকৈ?

**ঘুঁকুচিয়াই থাক্**—(কোনো কথা বাৰে বাৰে, আঙুলি আদিৰে খোঁচা মাৰি সোঁৰৰাই থাক্)—পুৰণাপৰা সেই একে কথাটো **ঘুঁকুচিয়াই থাকি** তুমি দন্দ লগাবলৈ বিচাৰিছা নেকি ?

**ঘুগুলা ওলা** -(অতি দুৰ্বল বা সৰ্বস্বান্ত হ)- মোকদ্দমা খেলি খেলি এই গিৰী মানুহ **ঘুগুলা ওলাল**।

**ঘুটি পৰি চা**—(চকু নলৰোৱাকৈ বৰ আগ্ৰহেৰে চাই থাক্)—বুঢ়ীয়ে কেনেকৈ **ঘুটি পৰি চাই** আছে। কেঁচুৱাটি ভিতৰলৈ লৈ আহা।

**ঘুণ লগা** (ক্ষত বা কলঙ্কিত কৰ্)—ল'ৰা বজাই সকলো কৌৰৱৰ গাত **ঘুণ লগাবলৈ** পাঙিলে।

**ঘুণে খোৱা খুঁটা**-(ভিতৰি দোষযুক্ত হৈ থকা মানুহ) সেই ডেকাজনলৈ ছোৱালীজনী নিদিবা; তেওঁ তেনেই **ঘুণে খোৱা খুঁটা**।

**ঘুমটি-ঘূৰণ**—(এবিধ ৰোগ) এই ল'ৰাটোৰ **ঘুমটি ঘূৰণ** হৈছে। সি ঘূৰি ফুৰিছে, কিন্তু তৎ নাই।

**ঘুমটিত ভাত হেকৰা** (এলাহত সুযোগ থাবলৈ দি)-**ঘুমটিত ভাত হেকৰা**, লাজত কাজ হেকৰা একে কথা।

**ঘুমটিত মৰা শৰীৰ**—(গভীৰ টোপনিত মানুহ মৰাৰ দৰে নিতৎ হৈ থাকে)—দুৱাৰখন মাৰি থবা; **ঘুমটিত মৰা শৰীৰ**, কিবা সোমোৱাতো আটক নাই।

**ঘুমটীয়াক জগা** -(বিবেচনা বা তৎ নোহোৱা মানুহক কোনো বিষয়ে বোধ জন্মাই দি)- এইদৰে **ঘুমটীয়াক জগাই** মই সকলো কালে চম্ভালি থাকিব নোৱাৰোঁ।

**ঘুম মাৰ্**—(সৰ্বশৰীৰ কাপোৰেৰে ঢাকি ল)—**ঘুম মাৰি** শলা যে উশাহ-নিশাহ লবা কেনেকৈ ?

**ঘুমে খাইতী**—(এবিধ মাছ; খালৈ-ভাঙী)—**ঘুমে-খাইতী** হলেও মাছ; কিয় পেলাই দিয়া ?

**ঘুমে-খোৱা**—(বন-বাৰি নকৰি শুই সময় কটোৱা, গাঁড়ীয়া)—সেই **ঘুমে-খোৱা** মানুহটোৱে এই কাম কৰিব নোৱাৰে।

**ঘুমে-গাঁড়ীয়া**—'ঘুমে-খোৱা' চোৱাঁ।

**ঘুলি ল**—(১। ম'হে বোকাত ঘূলি কৰি লেটি ল। ২। কোনো পাপকাৰ্যত

সম্পূৰ্ণ লিপ্ত হ)—১। ম'হ কেইটাই কেনেকৈ ঘুলি লৈছে চোৰাচোৰ। ২। সিহঁতে অবস্ত মনোবৃত্তিত **ঘুলি লৈছে**; এইবোৰ যে গৰ্হিত কাৰ্য, বুজিব কেনেকৈ?

**ঘূৰ-ঘূৰী পকা**—(কোনো বিষয়ে ঘূৰি ঘূৰি লাগি থাক)—মোক মাত্তি কৰাবলৈ তেওঁলোকে **ঘূৰ-ঘূৰী পকাই** আছিল।

**ঘূৰ-পাক**—(ঠাইতে থৰকৈ মৰা পাক; ঘৰ্ণি-পাক)—বুঢ়ীয়ে তিনবাৰ মান **ঘূৰ-পাক** মাৰি মুখ মেলিলে।

**ঘূৰি-পকি**- (নানা প্ৰতিকূল অৱস্থাৰ মাজত মেৰ-পাক খাই, অৱশেষত)—আজিও দৰা আহি নাপালে; **ঘূৰি-পকি** বিয়াটো পৰে নেকি?

**ঘুৰ্মুটি খাই ফুৰ্** (বাট বা বস্তু বিচাৰি ঘূৰি ফুৰ)— **ঘুৰ্মুটি খাই ফুৰিও** দাখৰ নাপালোঁ।

**ঘেং কৰি উঠ্** (ঘেংঘেঙাই উঠ, ৰব খং কৰি ভেকাহি মাৰি দি)—তাক মাতিৰই নোৱাৰি, **ঘেং কৰি উঠে**।

**ঘেকেটা খা**- (বাৰে বাৰে অপদস্থ হৈ নিলাজ হ) বাৰে বাৰে অপমান পাই থাকিলে মানুহ **ঘেকেটা খোৱা** স্বভাৱৰ হয়ই।

**ঘেতা ধৰ**—(সামৰণি বাক্যেৰে নাম সামৰাৰ দৰে কোনো বিষয়ৰ অন্ত পেলা)—দিনটো দন্দ কৰি কৰি এতিয়া মোৰ মূৰত **ঘেতা ধৰবলৈ** আহিছ নেকি?

**ঘেতা মাৰ্**—(দীঘলীয়া বা বিৰক্তিজনক কোনো কথা সামৰ্)—তোমালোকৰ দন্দৰ এতিয়া **ঘেতা মৰাই** ভাল।

**ঘোঁক মাৰি পি**—(ৰবকৈ চুহি চুহি পি দামুৰি আদিয়ে পিয়াত খাটে)—দামুৰিয়ে **ঘোঁক মাৰি পিলেই**, গাই খীৰা'ল নো গাখীৰ কত পাবা?

**ঘোঁকা জাজি** (চল পাই সৰহকৈ নিয়া কাম)—**ঘোঁকা-জাজি** মাৰি প্ৰসাদখিনি অকল তোমালোকেই শেষ নকৰিবা।

**ঘোঁকো-মোকো** (অস্বাভাৱিক ব্যগ্ৰতাহেতু কৰা খৰ-ধৰ)—**ঘোঁকো-মোকো** নকৰি লাহে লাহে খোৱা, দি থাকিম।

**ঘোঁটে ঘোঁটে পানী খুৱা**—(ৰবকৈ বিপদত পেলা)—মোৰ লগত যুঁজিব খুজিছ যদি, **ঘোঁটে ঘোঁটে পানী খুৱাইহে** এৰিম।

**ঘোঁৰা-পাক খোৱা দি**—((শুকান গাৰ আৰু দীঘল ঠেঙৰ মানুহে বেগাই খা)—তেওঁ দেখোন আজি উত্তৰমুৱাকৈ **ঘোঁৰা-পাক খোৱা দিছে**।

**ঘোঁৰা-ৰাগৰ**—( নিচেই অলপ পৰ শোৱা কাৰ্য )—তুমি অলপ ৰহা ; মই এটা **ঘোঁৰা-ৰাগৰ** দি উঠোঁ।

**ঘোঁৰাৰ আগত দৌৰা**—( অতি সুনিশ্চিত )—তেওঁ যে পৰীক্ষাত উত্তীৰ্ণ হব ই **ঘোঁৰাৰ আগত দৌৰা** কথা।

**ঘোঁৰাৰ ঘাঁহ কাট্**—( মূল্যহীন কাম কৰি সময় কটা ) অত পৰ ক'ত ঘোঁৰাৰ ঘাঁহ কাটি আছিলি ?

**ঘোঁৰা-শিঙৰ কৰিয়া**—( অসম্ভৱ বস্তু )—তোমাক লাগে বুলিয়েই মই বাক **ঘোঁৰা-শিঙৰ কৰিয়াটো** ক'ৰপৰা আনিম ?

**ঘোচাম-গাঁঠি**—( সহজে সোলোকাব নোৱাৰা টান গাঁঠি )—কিনো **ঘোচাম-গাঁঠিটো** দিছাহে, সোলোকাব নোৱাৰোঁ।

**ঘোচামৰ জৰী**- ( সহজে নিছিগা বান্ধ—মৈত্ৰী ) মৈত্ৰীক এৰিম ক'ত ? তেওঁ যে **ঘোচামৰ জৰী**।

**ঘোপ-মৰা**—( চাৰিওফালৰপৰা ঢাকি ধৰা, গতিকে অতিশয় ( আন্ধাৰ )—এনে **ঘোপ-মৰা** আন্ধাৰত যাম কেনেকৈ ?

**ঘোপলা-ঘুপলি**—( ওখ চাপৰকৈ কটা—চুলি )—তোমাৰ চুলিকোঁচা **ঘোপলা-ঘুপলিকৈ** কটালা কিয় ?

**ঘোপা কৰ্**—( থৰেৰে তীব্ৰদৃষ্টিৰে চা )—তেওঁ মোৰ ফালে **ঘোপা কৰি** চাই থাকিল, মই আঁতৰি আহিলোঁ।

**ঘোৰ কৰ্**—( কেওফালৰপৰা ঢাকি আন্ধাৰ কৰ্ )—মেঘে **ঘোৰ কৰি** আহিছে, বৰষুণ আহেহে।

**ঘোৰ খা ( বা ল )**—( ভাজ বা দোঁ খা )—তোমাৰ পৰাকিটোৱে ভালকৈ **ঘোৰ খাখালে**।

**ঘোল-ঘুলীয়া**—( দৈ পুৰণি হৈ বেছি পনীয়া হোৱা )—এনে **ঘোল-ঘুলীয়া** গাখীৰ খাব নোৱাৰি।

**ঘোলা কৰ্**—( ১। পানী খচি বোকাযুক্ত কৰ্। ২। উদ্দেশ্য পণ্ড কৰ্ )—১। উটে পানী **ঘোলা কৰিছে** পায়। ২। মাছ মাৰিব নোৱাৰিলেও পানী **ঘোলা কৰিছে** এৰিম। সিহঁতৰ ষড়যন্ত্ৰ মই **ঘোলা কৰি** দিলোঁ।

# চ

**চং কৰ্**—(ভাও জোৰ্) নবিয়া বুলি এইদৰে **চং কৰি** থাকিলে থুৰাব কোনে ?

**চঁক ধৰ্**—(ভয় পাই শিং-মূৰ নিদি ৰৰ্)—বনৰীয়া মচে মানুহ দেখিলে **চঁক ধৰে**।

**চঁহা মেল্**—(গাৰপৰা এচকলা এৰি পৰিবলে যাট মেল্)—কলহটোৰ গাত **চঁহা মেলিছে**, বেলেগ এটা দিয়া।

**চঁহা যা**—(গাৰপৰ পাতল এচোপৰ ওঁৰ পৰ) পটাখন ভাল বুলিছা, কিন্তু তলৰ ফালে কেনেকৈ **চঁহা গৈছে** চোৱাচোন

**চক-চৰা** (নাও বন্ধা খৰণীয়া ঠাই মেৰ-চৰ)— আজিকালি **চক চৰাৰ** দিন নাই চেনাৰ আন।

**চকা-চৰাই ভঙা দি**—(ভয়োৰে তৎক্ষণাৎ ঠাইটোৰেই আঁতৰ হ)—শিক্ষক অহা দেখি ল'ৰা-ছোৱালীবিলাকে **চকা চৰাই ভঙা দি** ঘৰত সোমালে।।

**চকা যা** 'চিঃ গ' চোৱা।। টেকেলিটো বেয়া জুহত তুলি দিছুতেই **চকা গ'ল**।

**চকাৰকাৰ কৰ্** মুখটো ... যেন লাগ —বৰা মোৰ মুখটো **চকাৰকাৰ কৰিছে**।

**চকাৰ-বকাৰ**—(সামান্য সংসূত্ৰ)—মই কথাটোৰ **চকাৰ-বকাৰ** একো পোৱা নাই

**চকাহ দি**—(বৰষুণৰ বতৰত সামান্য ৰদ ওল)—এইখিনি পৰ **চকাহ দিছে** তোমাৰ ধানকেইটা উলিয়াই দিয়া।

**চকু কাণ কৰ্** (নজৰ ৰাখ অৱধান কৰ)—তুমি চকু-কাণ নকৰিলে এই কাম সিদ্ধ হোৱা টান

**চকু-কাণ মুদি থাক্**—(উদাসীন হৈ থাক)—ইমান বিপদ, তেও তুমি **চকু-কাণ মুদি আছা** কেনেকৈ ?

**চকু গজ**—(বুজন হ)—ল'ৰাটোৰ এতিয়া **চকু গজিছে**; মই নো তাক কি কম ?

**চকু-চৰহা**—( পৰশ্ৰীকাতৰ ; চকু-পোৰা )—গাঁৱত **চকু-চৰহা** মানুহ বহুত আছে।

**চকু-চাওঁতেই**—( চকুৰ পচাৰতে ; নিমিষতে )—**চকু-চাওঁতেই** ঘৰ-দুৱাৰ ছাই হৈ গ'ল।

**চকু চিপ্**—( সামান্য টোপনি মাৰ )—ৰাতিটো **চকু চিপা** নাই ; নবিয়াক পৰ দি আছিলোঁ।

**চকু জুৰা**—( চাই সন্তোষ পা )—ল'ৰাটো চায়েই মাকে **চকু জুৰাই** আছে।

**চকু-টোকা**—( চকুৰ পানী টোকা ; পৰশ্ৰীকাতৰ )—তোমাৰ এই **চকু-টোকা** ভাবটো বৰ বেয়া, তুমিও আনৰ দৰে উন্নতি নকৰা কিয় ?

**চকুত তেল দি কান্দ্**—( কন্দাৰ ভাও ধৰ্ )—খেতি নহ'ল বুলি তুমি আকৌ **চকুত তেল দি কান্দা** কিয় ? তোমাৰ দৰে ভাল খেতি কাৰ হৈছে ?

**চকুত থু দি কান্দ্**—'চকুত তেল দি কান্দ' চোৱা।

**চকুত ধৰ্** ( বৰ উজ্জ্বলতা বা তাপে চকুত আঘাত কৰ্ )—কাপোৰখনৰ ৰঙে বৰকৈ **চকুত ধৰে**।

**চকুত ধুলি মাৰ্** ( ফাঁকি দি ; প্ৰবঞ্চনা কৰ্ )—এইডোখৰ পিতল ; সি তোমাৰ **চকুত ধুলি মাৰি** সোণৰ দাম নিলে।

**চকুত পৰ্** ( নজৰত পৰ্ )—এইকালে হালে'ৱা গৰু এহাল আপোনাৰ **চকুত পৰিছে** নে ?

**চকুত লাগ্**—( বৰ ধুনীয়া হ )—তোমাৰ কামটো মোৰ **চকুত লাগিছে** ; ইমান ধুনীয়া হৈছে।

**চকু থাকিও কণা**—( লিখা-পঢ়া নজনা )—আমি লিখা-পঢ়া নাজানো, **চকু থাকিও কণা**।

**চকু থাকিও খালত পৰ্**—( জানি শুনিও নজনাৰ দৰে কাম কৰ্ )—এনে গোপনীয় কথাটো ভাঙি কৈ **চকু থাকিও খালত পৰিলা** কিয় ?

**চকু-দান**—( প্ৰতিমাৰ প্ৰাণপ্ৰতিষ্ঠা কাৰ্য )—**চকু-দানৰ** কাপোৰ এখন দিব লাগে।

**চকু দান দি**—( জ্ঞান দান কৰ্ )—গুৰুৱে শিষ্যক **চকু দান দিয়ে**।

**চকু দি**—( বিশেষ মনোযোগেৰে চা ; পাবৰ আশাৰে চা ) পৰৰ বস্তুলৈ **চকু দিয়া** জ্ঞানীলোকৰ কাম নহয়।

**চকু নাম্**—(চকু উখহি বঢ়া পৰা ৰোগ হ)—তোমাৰ **চকু নামিছে**; স্কুললৈ নাহিবা।

**চকু পকা**·(খং ভাৱ দেখুৱা)—মোৰ কথাত তেওঁ **চকু পকাই** উঠিল।

**চকু পৰ্**—(দেখি ভাল পোৱা ভাৱ প্ৰকাশ কৰ)—এই ছোৱালীজনীতকে তোমাৰ **চকু পৰিল** নে?

**চকু পেলা**—(কোনো ফালে চা)—ঈশ্বৰে মোৰ পিনে **চকু নেপেলাব** নে?

**চকু পোৰ্**—(আনৰ ভাল দেখি বেয়া পা)—আনৰ ভাল দেখি তাৰ **চকু পোৰে** কিয়? সিও ভাল কৰাহে উচিত।

**চকু-পোৰা**—'চকু-চৰহা' চোৱাঁ।

**চকু ফুৰা**—(ওপৰে ওপৰে চা)—মোৰ পুথিখন এবাৰ **চকু ফুৰাই** দিব নে?

**চকু মুদ্**—(১। টোপনি আন্। ২। মৃত্যু হ)—১। যোৱা ৰাতি মুৰৰ বিষত **চকু মুদিব** পৰা নাই। ২। পিতাকে **চকু মুদিলত** ল'ৰা দুটি নিৰাশ্ৰয় হ'ল।

**চকু মুদা, কাণ জাগা**—(সামান্য টোপনি)—মোৰ টোপনি অহা নাছিল, **চকু মুদা, কাণ জাগা,** এনেকৈ আছিলোঁ।

**চকু মুদা কুলি**—(প্ৰবঞ্চক)—সি **চকু মুদা কুলি**; স্বাৰ্থ-সিদ্ধিৰ বাবেহে নমতাকৈ আছে।

**চকু মুদি আধাৰ খা**—(অন্তৰত বুদ্ধি লুকাই ৰাখি বাহিৰত অজলাৰ ভাও জোৰা মানুহ; ঠগ) এওঁক অজলা বুলি নাভাবিবা; **চকু মুদি আধাৰ খায়**; চল পালে ঠগিব।

**চকু মেলি চা**—(কৃপাদৃষ্টি কৰ্)—ঈশ্বৰে কেতিয়া মোৰ পিনে **চকু মেলি চাব**?

**চকুৰ আগতে**—(১। মুখৰ আগতে। ২। চকুৰে চোৱামাত্ৰে; তৎক্ষণাৎ)—১। আমাৰ **চকুৰ আগতে** গৰুটো বাঘে মাৰিলে। ২। তোৰ নো **চকুৰ আগতে** ভোখা উঠে কিয়?

**চকুৰ কুটা**—(দেখিলে বিৰক্তি হোৱা বস্তু বা মানুহ)—মই সকলোৰে **চকুৰ কুটা** হাতৰ হল হৈছোঁ।

**চকুৰ চৰম এৰি দি**—(চকুৰ লাজ নোহোৱা হ)—তুমি নো **চকুৰ চৰম এৰি দি** ককায়েৰাৰ বিৰোধী হ'লা কেনেকৈ?

**চকুৰ পচাৰতে**—(নিমিষতে; তুৰন্তে)—মই **চকুৰ পচাৰতে** আহিম; তুমি অলপ ৰোৱা।

**চকুৰ পানীৰে বাট মেদেখা হ**—(কান্দি কান্দিও উপায়হীন হ)—এতিয়া পঢ়াশুনা নকৰা হয়; পিছত **চকুৰ পানীৰে বাট মেদেখা হবা।**

**চকুৰ পুতলা (চকুৰ মণি)**—(বৰ আদৰৰ বস্তু বা মানুহ) এই ল'ৰাটোৱেই মাকৰ **চকুৰ পুতলা।**

**চকু ৰাখ্**—(সতৰ্কদৃষ্টি ৰাখি থাক্)—মোৰ বাৰীখনত অলপ **চকু ৰাখিবা** চোন।

**চকুৰে দেখি নাকত আঙুলি ভৰা**—(অমনোযোগিতাৰ বাবে কি কৰা হৈছে নহৈছে তৎ নাপা)—তাৰ ওপৰত নিৰ্ভৰ কৰিলে কামটো নহব; সি **চকুৰে দেখি নাকত আঙুলি ভৰায়।**

**চকু-ৰোৱা**—(দেখিলেই চাই থাকিবলৈ মন যোৱা; বৰ শুৱনি)—তেওঁৰ বাৰীখন কি চাবা! চালেই **চকু-ৰোৱা** বাৰী।

**চকু লাগ**—(১। সামান্য টোপনি আহ। ২। কুনজৰত পৰি শ্ৰীহীন হ)—১। **চকু লাগিছিল** মাথোঁন, তেওঁ আহি মাতিলে। ২। খেতিডৰাত কোনোবাৰ **চকু লাগিল**, পুলিবোৰ মৰি যাব ধৰিছে।

**চকুৱে চকুৱে চাই থাক্**—(আন কালে নোচোৱাকৈ চাই থাক্)—মই তাৰ **চকুৱে চকুৱে চাই আছিলোঁ**; কিন্তু তথাপি লোটাটো সৰকালে।

**চকুৱে জুই-আঙনি দেখ্ (বা সৰিয়হ ফুল দেখ্)**—(বৰকৈ আঘাত আদি পোৱাত মস্তিষ্ক দুৰ্বল হ) শিলত খুন্দা খাই **চকুৱে জুই-আঙনি দেখিবলৈ** ধৰিলে।

**চগা পৰ্**—(অকস্মাৎ আহি, আনে ভগাই লব খোজা বস্তুৰ ভাগ ল)—আমবোৰ পাৰি আনি ভগাব খুজিছোঁ, এনেতে সিহঁত আহি **চগা পৰিল**; ভাগত দুই-এটাহে পালোঁ।

**চটহা মাৰ্**—(চটা বান্ধি টানকৈ লাগি ধৰ্)—বালতিটোত চূণে **চটহা মাৰিছে**, দাৰে একৰা।

**চটাই চৰা**—(বাও বন্ধা আৰু ওপৰত পাটি নলগোৱা ঢাৰি)—**চটাই চৰা** হলেও বহিবলৈ হব।

**চটাই পাখৰী**—(ধুন পেচ মাৰি চটচটাই ফুৰা বিলাসিনী)—এই **চটাই পাখৰীৰ** কান্ধত পৰিলে মস্কিল হব।

**চঠা-দিনা**—(পৰহিৰ আগৰ বা পাছৰ দিনটো)—তেওঁ **চঠা-দিনা** আহিছিল, তুমিও **চঠা-দিনাই** আহিবা।

**চটুৱাই জোল খা**—(মিছা প্ৰশংসাৰে কাৰ্যসিদ্ধি কৰ্)—তুমি যে **চটুৱাই জোল খাব** খুজিছা, তেওঁ সুৰুঙাকে পকা নাই।

**চঠিয়া কোবা**—(অনাৱশ্যকভাৱে চট্‌চট্‌কৈ কথাৰ উত্তৰ দি থাক্)—**চঠিয়া কোবাই** কি লাভ হ'ল? তেওঁৰ খং উঠিল, এপইচাও নিদিলে।

**চ'ত ফুৰ্**—(চ'ত মাহৰ পহিলা ছদিন সংস্কৃত টোলৰ ছাত্ৰসকলে ঘৰে ঘৰে আশীৰ্বাদ দি ধন সংগ্ৰহ কৰ)—আজিকালি টোলেই নোহোৱা হ'ল, **চ'ত ফুৰিব** কোনে?

**চ'তৰ বিহুলৈ ছমাহ থাকোঁতেই হাত মেলি নাচ্**—(আনন্দৰ কাৰণ উপস্থিত হোৱাৰ বহুত আগৰপৰা নৰ আনন্দ পা) নাতিনীয়েকৰ বিয়াৰ বছৰা পাই, **চ'তৰ বিহুলৈ ছমাহ থাকোঁতেই** বুঢ়ায়ে **হাত মেলি নাচিবলৈ** ধৰিলে।

**চতিয়া-চতি কৰ্**—(তিৰোতাৰ মাজত কামৰ অবিষয়-অ'ৰ লাগ্)—আজি নাম গাওঁতে কেইজনী তিৰোতাৰ মাজত **চতিয়া-চতি লাগিছিল**।

**চতীয়া বাও লাগ্**—(চ'ত মাহত পচোৱা বাও ব'ললে কেচুৱাই পাতলকৈ শৌচ কৰ)—তুমি ভয় নকৰিবা, ছোৱালীজনীৰ গাত **চতীয়া বাও লাগিছে**, ভাল হৈ যাব।

**চতুৰী-ভাজন-দৈ**—(নিজে কাম-বন নকৰি আনৰ কামত ছিদ্ৰ উলিয়াই ফুৰা তিৰোতা)—বোৱাৰী কালত কেনে আছিলা, আমি জানো, আজি শাহুৱেক হৈ **চতুৰী-ভাজন-দৈ** নহ'বা চোন।

**চতুৰ্ভুজৰ গাঁড়ীয়া** (নৰ সোবোপা)—সেই **চতুৰ্ভুজৰ গাঁড়ীয়াটোক** মই চাকৰ নাৰাখোঁ।

**চন বাৰীত** (বা **ভুঁইত**) **গু পৰা দি**—(ভুকু আদি মাৰি নৰ ডাঙৰ শক্ত হোৱাকৈ আঘাত কৰ)—মাকে আজি ছোৱালীজনীৰ পিঠিত **চন বাৰীৰ গু পৰা দিলে**, তাই এতিয়াও উঠিব পৰা নাই।

**চন ভুঁইৰ কালা, কোবাই-ধোবাই যি পালা**—(নাপাবলগীয়া ঠাইৰপৰা পোৱা সামান্য লাভ)—যি পালোঁ সেয়ে ভাল; সেয়ে **চন-ভুঁইৰ কালা, কোবাই-ধোবাই যি পালা**।

**চমজুৰ কৰ্**—(খঙত দুখ, কষ্ট বা বেয়া কথা কৈ বেজাৰ কৰ)—পৰিয়ালৰ কথা কৈ তেওঁ তেতিয়া **চমজুৰ কৰি** ব'হি আছিল।

**চন হ**—( মৰি-হাৰি সম্পূৰ্ণ ধ্বংস হ )—এই পৰিয়ালটো দুনছৰ আগেয়ে **চন হৈ গ'ল**; পিণ্ড দিবলৈও কোনো নাই।

**চন্দুৰা পৰ্**—( কোনো গৰ্হিত কাম কৰি লোকৰ আগত ওলাবলৈ লাজ পা )—চুৰ ক'ৰ **চন্দুৰা পৰিছ**, ওলাই আহঁচোন, মুখখন চাওঁ।

**চপ্ কৰে**—( অতি শীঘ্ৰে )—**চপ্ কৰে** আহিবা; গাৰী আছেই।

**চপাই কাট্**—( মাটিৰ ওচৰতে নিচেই গুৰিত কাট )—ধান **চপাই কাটিবা**; খেৰৰ বৰ আকাল।

**চপাই গৰকি আন্**—( শস্য আদি থুপুৰিয়াই আন্ )—ধান পকিল, এতিয়া **চপাই গৰকি আনিব** পাৰিলেই হয়।

**চক্কৰ ফুৰ**—( চৰকাৰী কৰ্মচাৰীয়ে চৰকাৰী কামত ফুৰিবলৈ যা )—শিক্ষা-সচিব নাই, **চক্কৰ ফুৰিবলৈ** গৈছে।

**চতিয়া খা** ( বা **পৰ** বা **চতিয়াৰ মুৰ খা** )—( দুৰ্বলতা বা এলাহৰ কাৰণে সোৰোপালি কৰ )—তই ডেকা মানুহটো এনে **চতিয়াৰ মুৰে খোৱা** হ'লি কিয়?

**চমকা মাৰ্**—( হাতৰ আঙুলিবোৰ মেলি খামোচ মাৰি আন )—**চমকা মাৰি** এচমকাকৈ প্ৰত্যেকক দিয়া।

**চমটা মাৰ্**—( উগ্ৰ শাস্তি দি )—মই নাযাওঁ বুলিছোঁ নাযাওঁ; কোনে মোক **চমটা মাৰিব**?

**চমৰা মাৰ**—( জলীয়া বস্তুৰ ওপৰত ডাঠ ছালৰ দৰে হ )—গাখীৰ **চমৰা মাৰি** উঠিছে।

**চমু চাপ্**—( ওচৰ পা )—পৰীক্ষা **চমু চাপিছে**।

**চয় দেখ্**—( স্বভাৱ চৰিত্ৰ সম্পৰ্কে আশংকা কৰ্ )—ঘৈণীয়েকৰ মতি-গতিলৈ চাই গিৰিয়েকে **চয় দেখিছে**।

**চয়-নিচয় কৰ্**—( সঁচা-মিছা নিৰ্ণয় কৰ্ )—সি যদি চোৰ, সেই কথাটো **চয়-নিচয় কৰা** ভাল।

**চৰ-খৰীয়াত পৰ্**—( হঠাৎ বিপদত পৰ্ )—ইমান দিনে নিৰাপদে থাকি আজি তেওঁ **চৰ-খৰীয়াত পৰিল**।

**চৰ খা**—( ১। আনে হাতৰ তলুৱাৰে গালত কৰা আঘাত পা। ২। ঘূৰি ঘূৰি

খাদ্য সংগ্ৰহ কৰ্)—১। তই ভাল হলে তেওঁৰ **চৰ খাব** কিয়? ২। কেইটামান **চৰ খাবলৈ** অহা পুঠিমাছ ধৰি আনিলোঁ।

**চৰগ্ পৰ্**—(বজ্ৰপাত হ)—এই ঢেৰেকণি এনেয়ে যোৱা নাই; ক'ৰবাত **চৰগ্ পৰিল**।

**চৰগ্ পৰা যেন হ**—(কোনো আকস্মিক বিপদ্ বা ভয়ত স্তব্ধ হ)—মহাত্মাজীৰ মৃত্যুত জগৎবাসী **চৰগ পৰা যেন হৈছে**।

**চৰচৰীয়া পৰ্**—(অলপ শুকা)—মাটিখিনি **চৰচৰীয়া পৰিলেহে** গুটি সিঁচিবা।

**চৰণে চপাই ধৰ্**—(বৰলোকে ইতৰ লোকৰ প্ৰতি সামান্য অনুগ্ৰহ কৰ্)—আপুনি **চৰণে চপাই নধৰিলে** এই দাসৰ আৰু উদ্ধাৰৰ উপায় নাই।

**চৰ পৰা মদী**- (ক্ষমতালুপ্ত নিঃসম্বল লোক)—মই এতিয়া **চৰ পৰা মদী**; মোৰ ওচৰলৈ আহিলে কি হব?

**চৰ পা**—(পেট ভৰাই ঘাহ আদি খাব পা)—আজি দেখোন এটা গৰুয়ো **চৰ পোৱা** নাই।

**চৰৰবাহকাৰ**- (নাবালকৰ অভিভাৱক)—তেওঁ আচল মৌজাদাৰ নহয়, **চৰৰবাহকাৰহে**।

**চৰহা মাৰ্ (বা মাৰি ধৰ্)**—'শুক'ই বা নীৰস হৈ কামোৰ মাৰি ধৰ)— ভাতখিনিয়ে কেৰাহীত **চৰহা মাৰি ধৰিছে**।

**চৰাই-কণীয়া** -(নিচেই সৰু শব্দকো বহুত দূৰৰপৰা শুনা পোৱা; পহু-কণীয়া)— তেওঁ বৰ **চৰাই-কণীয়া**, নিচেই সামান্য গোলমাল হলেও শুনে।

**চৰাইটো মাউমান, বাহটো হলে ডাঙৰ**—(দেখাত সৰু হলেও ডাঙৰ কথা কোৱা)—তুমি ল বাটো হৈ ইমান ডাঙৰ কথা কোৱা নে? **চৰাইটো মাউমান, বাহটো হলে ডাঙৰ?**

**চৰাইটো হৈ ধানটো খুঁটি নাখা**—(কাৰো সামান্য অপকাৰো নকৰা; নীৰিহ)—মই **চৰাইটো হৈ কাৰো ধানটো খুঁটি খোৱা নাই**, মোৰ লো কোনে কি অপকাৰ কৰিব?

**চৰা-মাও**—(আহোম ৰজাই খেমালি কৰিবলৈ সজা বৰ ওখ চিঙৰ নাও)—স্বৰ্গদেৱে খেমালি কৰিবলৈ ডাঙৰীয়াসকলে সৈতে **চৰা-মাওত** উঠিল।

**চৰাৰ ছয় ফুকন**—( আহোম ৰজাৰ দিনত ডাঙৰ মেল বিচাৰ কৰিবলৈ বহা ছজন ফুকনৰ মেল )—আপোনালোক **চৰাৰ ছয় ফুকনে** আজি আমাৰ মেলটো মাৰি দিয়ক ; বাইজৰ শান্তি হওক।

**চৰিয়াই গাল দোণ যেন কৰ্**--( বৰকৈ চৰ মাৰ )—তই ইমান মাত-মুখ নেদেখুৱাবি ; **চৰিয়াই গাল দোণ যেন কৰিম।**

**চৰিয়া মেল্** -( গুপ্ত বিষয় জানিবলৈ মানুহ নিযুক্ত কৰ )—গদাপাণিক বিচাৰিবলৈ ৰজাই **চৰিয়া মেলিলে।**

**চৰুক ক্ষুধি চাউল বহা**--( তলতীয়া মানুহৰো অনুমতি লৈহে কোনো কাম কৰ্ )—তেওঁৰ ল'ৰাই সেই ঘৰত বিয়া কৰাব নে নকৰে, তেওঁ নোসোধে ; তেওঁ বোলে **চৰুক ক্ষুধি চাউল নবহায়।**

**চৰুত খা ( বা হাড়ীত খা )**—বান্ধি থাকোঁতে বান্ধনীয়ে ওপৰে ওপৰে চুৰ কৰি খা )— তেওঁৰ ঘৈণীয়েকক বোলে **চৰুত খায়** ; তেওঁকেই ভাল বান্ধনী বোলা নে ?

**চৰুত বহাবলৈ চাউল নহ**—( তেনেই নিঃসম্বল )—গাঁৱৰ বহুতৰ **চৰুত বহাবলৈ চাউল নোহোৱা হৈছে।**

**চৰুলৈ জাল নাযা** –( ভাত নবন্ধা ; অনাহাৰে থকা )– আজি দুদিন এই গিৰী মানুহৰ **চৰুলৈ জাল যোৱা নাই** ; তোমালোকে নোচোৱা কিয় ?

**চৰ্বিত চৰ্বণ কৰ্**—( কোৱা কথাকে কৈ থাক্ )– **চৰ্বিত চৰ্বণ কৰি** থাকি কি হব ? নতুন কথা কোৱাঁ।

**চলক-চৌ**--( চৌৰ নিচিনা বাগৰি ফুৰা স্বভাৱৰ, চঞ্চল প্ৰকৃতিৰ )—সেই **চলক-চৌ** ভৰোতাকনী আজি দেখোন অহা নাই।

**চলক-ভলক**– ( চঞ্চল, অস্থিৰ, ৰব সঁজাত নোহোৱা )—তাৰ **চলক-ভলক** কথাত ভোল নাযাবা।

**চল-কৰ থাক্**—( অহা-যোৱা, খোৱা-বোৱা আদি সম্প্ৰীতি থাক্ )—তেওঁলোকৰ গাঁওখন আমাৰ নিচেই ওচৰত হলেও, আমাৰ গাঁৱৰ লগত **চল-কৰ নাই।**

**চল চাই কাণ কাট্**—( হেগ চাই জব্দ কৰ্ )—**চল চাইহে** বলবান শত্ৰুৰ **কাণ কাটিব** পাৰি।

**চল পাই চাপৰি বা**—( সুযোগ পাই আনন্দ প্ৰকাশ কৰ্ )—তুমি বিপদত পৰিহা দেখি শত্ৰুৱে **চল পাই চাপৰি বাইছে।**

**চলা জনা পুৰুষ**—( স্বৰ্গী হোৱা মান্যৱন্ত পুৰুষজন )—এই বংশৰ **চলা জনা পুৰুষ** বৰ খ্যাতিমন্ত লোক আছিল।

**চলি-কৰি**—( চল-কৰ কৰি থাকি, সক্ষম অৱস্থাত থাকি )—নেহক এদিনো পৰি নাথাকিল; তেওঁ **চলি-কৰিয়েই** পাৰ হৈ গ'ল।

**চলিহাই ধৰ্**—( বা **চলিহা লাগ্**)—( বুঢ়া বয়সত দৃষ্টিশক্তি ক্ষীণ হ )—মোৰ অলপ **চলিহা লাগিছে**; ৰাতি পুথি পঢ়াত টান পাওঁ।

**চলো-ভলো**—'চলক-ভলক' চোৱা।

**চলৌ-পাতী** ( আঁউৰ; অমনোযোগী; কোনো কামতে মন নবহা )—এতিয়া **চলৌ-পাতী** হৈ কাল নিয়ালে নহব; কাম-বনত মন দিয়া।

**চহ দি মহ মাৰ্**—( ফাঁকি দি নিজৰ উদ্দেশ্য সাধন কৰ )—তুমি **চহ দি মহ মাৰিব** খুজিলেও, তেওঁ যেনেহে সিয়ান, নোৱাৰিবা।

**চহ-মহ দি**—'চহ দি মহ মাৰ্' চোৱা।

**চহাই বেহা শিক্**—( সামান্য বা অজলা মানুহে উচ্চ কাম ক'ৰ কুটনি কৰ্ )—আজি কালি কিমান **চহাই বেহা শিকিছে**, তেওঁলোকক এতিয়া চহা নুবুলিবা।

**চহৰ ফুৰ্**—( গাঁৱে গাঁৱে ফুৰ্, বিশেষকৈ গুৰুৱে শিষ্যৰ ঘৰে ঘৰে, )গোসাঁই প্ৰভু নাই, বগা পাহাৰলৈ **চহৰ ফুৰিবলৈ** গৈছে।

**চহী-মোহৰী**—( দস্তখত আৰু মোহৰ থকা,—চৰকাৰী কাগজ )—এনেকৈ লিখা এইসোপা কি আনিছা? **চহী-মোহৰী** হলেহে আদালতে গ্ৰাহ্য কৰিব।

**চাই বাট বুল্**—( সাৱধানে কাম কৰ্ ) জীৱনৰ খলা-বমা বহুত আছে; **চাই বাট বুলিবা**।

**চাউডাং উঠ্**—( উগ্ৰভাৱে তনাস্তি কৰ্ )—তই **চাউডাং উঠিলি নে** কি, যে সোপাকে তনাস্তি কৰিব খুজিছ?

**চাউডাং মৰদ্**—( বৰ স্বাস্থ্যবান ডাঙৰ দীঘল মানুহ )—সেই **চাউডাং মৰদ-টোৱেও** বাটত অকলে যাব নোৱাৰে নে?

**চাউল উঠ্**—( ১। জীৱিকাৰ উপায় নোহোৱা হ। ২। আয়ুস টুট )—১। এই ঠাইত আমাৰ **চাউল উঠিল**। ২। তেওঁৰ যে **চাউল উঠি** আহিছিল, নিজে ভবাই নাছিল।

**চাউল-কঠীয়া**—( একঠা চাউলৰ ভাত খালে জোৰা,—সৰু মাছত খাটে )—**চাউল-কঠীয়া** মাছ এটা পালোঁ।

**চাউল খা**—( ভোগ কৰ্ ) —আমি তিনি বছৰৰ **চাউল খালোঁ।**

**চাউল-চক লৈ আহ**—( কিছুদিন দীঘলীয়াকৈ থাক )—আমাৰ ঘৰলৈ নবিয়া আ হলে **চাউল-চক লৈ আহে।**

**চাউল টুট্**— মৰণৰ ওচৰ চাপ )—আমাৰ **চাউল টুটি** আহিছে, তোমালোক ডেকাসকল সক্ষম হোৱা।

**চাউল ঢুকা**—'চাউল টুট্' চোৱা।

**চাউল মৰ্**—( জীৱিকাৰ উপায় নষ্ট হ )—নিজৰ কৰ্মদোষত এই ঠাইত মোৰ **চাউল মৰিল।**

**চাউল মাৰ্**—( জীৱিকাৰ উপায় নষ্ট কৰ )—মোৰ নিজৰ **চাউল** নিজে **মাৰিলোঁ,** আনৰ দোষ নাই।

**চাউল মোকলা** কষ্টেৰে জীৱিকা উপাৰ্জন কৰ )—গাঁৱত কথমপি **চাউল মোকলাব** পাৰিছোঁ।

**চাউল-সিজা**—( ভাত ৰান্ধ )—ৰাতি হৈ আহিছে, **চাউলমুঠি সিজাওক।**

**চাউল-সিজোৱা**—( ভাত )—সান্দহ খাই থাকিব নোৱাৰি, **চাউল সিজোৱা** এমুঠি যোগাৰ কৰা।

**চাও-চকলীয়া** – লম্বভাৱে কাঠ চাৰিটা পোন সীমাৰে আগুৰা )—মাটিডৰা **চাও-চকলীয়া** নহয়, কাটি-কুটি তেনে কৰি লবা।

**চাঙত তুলি থোঁৱা দি**—( অতি যত্নেৰে ৰাখ )—তুমি তোমাৰ খেলুৱৈবোৰক **চাঙত তুলি থোঁৱা দিবা.** দিয়া।

**চাং পতা কথা**—( অমূলক বা মিছা কথা )—তোৰ এই **চাং পতা কথাবোৰ** দিন-কণাইহে বিশ্বাস কৰিব।

**চাং-বঙলা**—( গোটেই ঘৰ জুৰি চাং পতা ঘৰ, চাং-ঘৰ )—তোমালোকৰ **চাং-বঙলাৰ** মজিয়াত থাকিও চাঙত থাকা, আমি মাটিৰ মজিয়াত চাং সাজি লওঁ।

**চাং ভাঙি খা**—( বন-কাম নকৰি শুই শুই খা )—**চাং ভাঙি খাব** পাৰিলে আমি জানো বন-কাম কৰিলোহেঁতেন ?

**চাং-মাই**—( বন-বাধি নকৰি গুই গুই খোৱা ভিৰোতা )—যোৱাবী ক'লে গৈছে, **চাংমাই** চাঙত উঠিছে।

**চাংমাই-শাল**—( আহোমবিলাকৰ বাছনি-ঘৰ )—**চাংমাই-শাল** আমাৰ বাছনি-ঘৰৰ দৰে একে ধৰণৰ।

**চাণ্ডিত উঠ**—( মৃত্যু হ )—তোৰ যে **চাণ্ডিত উঠিবলৈ** সময় দিয় নাই, বুজা নাই কৰ পাৰ।

**চাঁচৰি কোবা** ( সত্য লুকাবলৈ ঘূৰাই পকাই উত্তৰ দি )—**চাঁচৰি কোবা-বলৈ** এৰ : ক'চোন, কোনে টকা নিলে ?

**চাক-জালে বেৰা দি**—( চাৰিওফালৰপৰা আগুৰি ধৰ )—বাৰিষা পৰাৰ লগে লগে বেমাৰে **চাক-জালে বেৰা দিছে**।

**চাক ধৰ** ( হিলৈ বা কাঁড় টোঁৱা বা লক্ষ্য কৰ , চিপাহীবিলাকে **চাক ধৰা** দেখি মানুহ দশোদিশে পলাল।

**চাক-মৈয়া** ( নৈৰ পানীৰ সোঁতত হোৱা পাক )—**চাক-মৈয়াত** পৰি নাওখন ডুবিল।

**চাক-মৈয়াত পৰ**—( বৰ বিপদত পৰ )—জীৱনত যাতে **চাক-মৈয়াত নপৰা**, তালৈ লক্ষ্য ৰাখিবা।

**চাকলি-চৰা**—( ঘূৰ্ণীয়া বা চাৰিচুকীয়া সৰু এডনীয়া চৰা ) —**চাকলি-চৰা** বোৱাবো তোৰ ঘুম নাই নে ?

**চাকি চা**—( জুতি বুজ )—আজিখন কেনে হৈছে, **চাকি চাইছোঁ**।

**চাকিম মোহোৱা হ**—( থিতাপি মোহোৱা অৱস্থাত পৰ )—সাধাৰণ নিৰ্বাচন আহিল, প্ৰাৰ্থীসকলৰ **চাকিম মোহোৱা হ'ল**।

**চাকি পাত**—( কাপোৰত ঘূৰ্ণীয়া ফুল তোল )—ছোৱালীজনীয়ে কি ধুনীয়াকৈ **চাকি পাতিছে** চোৱা'। সেই দেখি কাপোৰখন সকলোৱে চাইছে।

**চাকি-শলাই**—( ওপৰ কাণত পিন্ধা, সোণৰ চাকলি এটাৰ অলঙ্কাৰ—চাইথালে )—আজিকালি ছোৱালীবিলাকে **চাকি-শলাই** নিপিন্ধে ; সেইযোৰ মাৰাথো'।

**চাট খা**—( চকুত এহাবি আদিৰ কোব খা )—বীহৰ জেওৰ **চাট খালোঁ** ; চকুটো উখহিছে।

**চাটৰ তলত পোত**—( চিতাৰ চাৰি চুকৰ বিচাৰৰ তলিত পোত : অপবিত্ৰ

বিপদত খৰচ কৰ্)—মোৰ হাতত **চাটৰ তলত পুতিবলৈও** মৰ পইচা এটাও নাই।

**চাটৰ তলত বঞ্চ্**—(কোনো লোকৰ অধীনত বাস কৰ্)—মই তেওঁৰ বা আন কাৰো **চাটৰ তলত বঞ্চা নাই**; মই কাৰো কথা নুশুনো।

**চাট স**—(ওচৰ চপাৰ গম পাইও বৈ থাক)—বনৰীয়া জন্তুৱে মানুহৰ **চাট সসয়**।

**চাত হ**—(একগোট হ)—গাঁৱৰ মানুহে সকলো ৰাজহুৱা কাম **চাত হৈ** কৰে।

**চান কাঢ়্**—(কোনো বস্তুৰ অলপমান নি)—ধান বেচি সকলো গৃহস্থই এচিমটা ধান **চান কাঢ়ে**।

**চান মাৰ্**—(চিন-চাব নোহোৱা কৰ্)—ভূইকঁপে এই চহৰখনৰ **চান মাৰিলে**।

**চান-মাৰি**—(এটা নিচান পুতি তালৈ লক্ষ্য কৰি হিলৈ মৰা অভ্যাস কৰা ঠাই)—গৃহ-ৰক্ষী বাহিনীক শিকাবলৈ **চান-মাৰি** ক'ত কৰিব?

**চান্দা-ভাহা দি**—(দুৰ্ভাগ্যৰ মাজত বিপাঙত পৰ্)—বুঢী **চান্দা-ভাহা দিলে**; তাইৰ একমাত্র পুতেকটোও ঢুকাল।

**চাম্বিৰ পাৰ্**—(তৰ্কিবলৈ সক্ষম হ)—সি যে চোৰ, মই **চাম্বিৰ পৰা** নাছিলোঁ।।

**চান্ধি-বান্ধি ধৰ্**—(আগৰপৰা আটকাল কৰি দোষীক ধৰা পেলা)—তুমি মোক **চান্ধি-বান্ধি ধৰিব** খুজিলেও, মই এই কথাৰ একো ভু নাপাওঁ।

**চাপৰি কাঢ়্**—(সাজ সাজিবলৈ কুমাৰ-মাটিৰ সৰু সৰু চপৰা কৰ্)—মই এতিয়া এই মাটিৰ **চাপৰি কাঢ়ি** থম।

**চাপৰি খোৱাকে কুঁজা বোল্**—(কোনো নিন্দনীয় কাম গোপনে গোপনে স্বীকাৰ নকৰি, আওপাকে মানি ল)—কামটো কৰিব নোৱাৰ, তাকে মোকে এতিয়া সময় নাই বুলি বাগি-বুগা কৰিছ; **চাপৰি খোৱাকে কুঁজা বোলে**, নহয় জানো?

**চাপৰিলে ৰবৰুণ নেৰ্**—'প্রতিকাৰৰ চেষ্টা নকৰি সহি থাকিলেই দুৰ্ভাগ্যৰ হাত সাৰিব নোৱাৰ্)—বিপদ্ আহিলে প্রতিকাৰৰ চেষ্টা কৰা; চকু মুদি 'থাকিলেই বিপদ্ নাঁতৰে; চাপৰিলে ৰবৰুণ নেৰে।

**চাপি খা**—(গৰাকীহীন অৱস্থাত আন ঠাইত আশ্রয় লৈ থাক্)—১। আমাৰ গাঁৱত দুটা **চাপি খোৱা** গৰু আছে। ২। তই যেখোন **চাপি খোৱা** মানুহৰ দৰে নোভাগ বাতিও ঘৰলৈ আহিব পাহৰা হলি।

**চাপি-চুপা**—( কোনো কাম প্ৰকাশ্যে নকৰি গোপনে ৰাখিবলৈ কৰা চেষ্টা )—**চাপি-চুপা** কৰি থাকিলে কি হ'ব ? তুমিও প্ৰাৰ্থী হোৱা বুলি সদৌকে নোকোৱা কিয় ?

**চাৰ কাট্**—( নাঙলৰ মুখত উঠা মাটি বা ভাৰৰ গুচা )—হাল বাওঁতে **চাৰ কাটিবলৈ** পাহৰিলে কেনেকৈ হাল বাবি ?

**চাৰ-খৰি**—( নৈত উটি অহা খৰি )—ডাঙৰ নৈৰ পাৰৰ মানুহে বাৰিষা বহুত **চাৰ-খৰি** খৰি যোগাৰ কৰে।

**চাৰ দি**—( বা **ধৰ্**)—( নাও চলাবলৈ বঠা মাৰ )—সকলোৱে একেলগে **চাৰ দিলেহে** নাও চলে।

**চাৰ দি ধৰ্**—( প্ৰমাণ নোহোৱাকৈ কোনো লোকক দোষী বুলি ধৰি পিছত জব্দ কৰি প্ৰমাণ উলিয়াবলৈ চেষ্টা কৰ )—সাক্ষী-সাবুদ নোহোৱাকৈয়ে দোষী বুলি তেওঁক **চাৰ দি ধৰাটো** উচিত নহয়।

**চাৰৰ বন নাই**—( ৰোৱা বা বিবেচনা কৰাৰ প্ৰয়োজন নাই – **চাৰৰ বন নাই**, উঠাহে খাবৰ হৈছে।

**চাবুক মাৰ্**—( শাস্তি দি —মই নাখাওঁ,—এই বাবে কোনে মোক **চাবুক মাৰিব** পাৰে ?

**চামদলা বাজ**— মলি জমি জমি গাৰ ছালৰ ওপৰত চকলা-চকলা হ )—তোৰ গাটোত যে **চামদলা বাজিছে**, কেইমাহ গা ধোৱা নাই ?

**চামনি উৰা**— গাখীৰৰ চামনি ওপঙাই থিয় তোল্ )—কৰবাত **চামনি উৰাইছে**, তুমিও গোন্ধ পোৱা নাই নে ?

**চামনি তোল্**—( গাখীৰৰ চামনি বেলেগকৈ উলিয়া )—আমি গাখীৰৰ **চামনি নোতোলোঁ**।

**চামনি বাজ** ( বা **মাৰ্** )—( ১। জুলীয়া বস্তুৰ ওপৰত তাল বান্ধি ছালৰ দৰে হ। ২। ছালৰ ওপৰত চাম বান্ধি ওলা )—১। গাখীৰৰ আজিও তালকৈ **চামনি বজা** নাই, আজি তুলি নষ্ট নকৰিবা। ২। তোমাৰ গাত কেৰ্থান ঘামচিয়ে **চামনি বাজিছে**।

**চামৰ পীৰা পাৰি দি**—( বিশেষ সন্ত্ৰম দেখুৱাই অভ্যৰ্থনা কৰ )—গৃহস্থই **ডকৰাক চামৰ পীৰা পাৰি দিলে**।

**চামে-চামে** –( জাকে জাকে )—**চামে-চামে** মানুহ আহি আছে, গৈ আছে।

**চাম্ৰম দি ধৰ্**—( ৰভাৰ দৰে আগুৰি এক্কাৰ কৰ )—জিকাবোৰে **চাম্ৰম দি ধৰিছে,** সেইদেখি গোট কম হৈছে।

**চাৰণ দি**—( মাজে সময়ে ধন-বিত্ত আদিৰে অলপ সাহায্য কৰ্ )—আপুনি **চাৰণ দি** নাথাকিলে মই আনো জীয়াই থাকিব পাৰিলোহেঁতেন?

**চাৰণ পৰ্**—( ওচৰৰ ঠাইৰপৰা উটি আহি সাৰ পৰ্; গোবৰ-জাবৰ আহি পৰি সাৰুৱা হ )—এনে **চাৰণ পৰা** মাটিতো খেতি নহব নে?

**চাৰণ পা** -'চাৰণ দি' চোৱা।

**চাৰণি ৰজা**—( যিমান ৰজাৰ লাগে, তাতকৈ বেছিকৈ ৰজা )—ঘৰীত ৪, ৮, ১২ বাজিলে নাঁচ কোবাওঁতে **চাৰণি ৰজায়।**

**চাৰি আলিৰ বটনি** —( বাহিৰা মানুহৰ নানা বিবেচনাহীন উক্তি )—তোমাৰ বিবেচনাৰে কাম কৰা, **চাৰি আলিৰ বটনিলৈ** কাণ নকৰিবা?

**চাৰি-থনীয়া**—( অধিকাৰ নহিবলৈ পাৰি দিয়া চোৰি, কঠ, থগা আৰু বাৰত,—এই চাৰিটা বস্তু )—অধিকাৰ আহি পায়হে, **চাৰি-থনীয়া** লৈ আহা?

**চাৰি চকুৰ মিলন হ**—( প্ৰথম দেখাদেখিতে ডেকা-গাভৰুৰ পৰস্পৰৰ প্ৰতি প্ৰেমভাৱ ওপজ্ ) -তেওঁলোকৰ চাৰি চকুৰ মিলন হ'ল, আমি সুখ পালোঁ।

**চাৰি চৰিয়াৰ কাছ ৰামত পৰি থাক্**—( শক্তিমন্ত লোকেও অৱস্থাৰ ফেৰ পাকত শক্তিহীন হ )—মই **চাৰি চৰিয়াৰ কাছ হৈও ৰামত পৰি আছোঁ;** তাকে জানি শত্ৰুৱে এই সময়তে তোমাক পীড়া কৰিবলৈ বিচাৰিছে।

**চাৰি চুকৰ এচুকো নেদেখ্**—( সংসাৰৰ আওভাও একোকে নাজান্ )—সি সৰু ল'ৰা, **চাৰি চুকৰ এচুকো দেখা নাই।**

**চাৰি চাপৰ ৰাজ** -( টোলৰ ৰাজ; সকলো প্ৰকাৰ সম্পৰ্কৰহিত )—১। ব্ৰহ্মভোজনৰ প্ৰদক্ষিণৰ সময়ত তেওঁলোক **চাৰি চাপৰ ৰাজত** ৰহে। ২। ৰাজহুৱা কামত তেওঁ সদায় **চাৰি চাপৰ ৰাজ।**

**চাৰি-থনীয়**—( চাৰিপৰ থাল পাতিৰ লগা শ্ৰাদ্ধ; নান্দীমুখ )—**চাৰি-থনীয়া শ্ৰাদ্ধ;** চাউল বোচ লাগিব।

**চাৰি দিনীয়া গা ধো**—( ৰজস্বলা হোৱাৰ চতুৰ্থ দিনা গা ধুই শুচি হ )—**চাৰি দিনীয়া গা ধুইহে** ঋতুমতী তিৰোতা শুচি হয়।

**চাৰি দিনীয়া ভকত হৈ ভাতক অন্ন বোল্**—( মিছা ভক্তিৰ

সেৱুৱা)--সৈন্য বিভাগত ভৰ্তি হৈয়েই সেখোন সেনাপতিৰ বাৰ পোৱা বুলি কৰটো বিচাৰিছা; **চাৰি দিনীয়া ভকত হৈ ভাতক অন্ন বোলা** হ'লা নে?

**চাৰি-প্ৰসঙ্গ**—(পুৱা, দুপৰীয়া, আবেলি আৰু গধূলি কৰা নাম কীৰ্তন)—সত্ৰত সদায় **চাৰি-প্ৰসঙ্গ** নিয়মিতভাৱে হৈ থাকে।

**চাৰি-বস্তু**—(শৰণ লগাওঁতে দিয়া নাম, গুৰু, ভকত, দেৱ—এই চাৰি নাম)—গুৰুজনাই **চাৰি বস্তুৰ** কথা শিষ্যক বিৱৰি বুজালে।

**চাৰি বেদ**—(ঋক্, যজুঃ, সাম, অথৰ্ব বেদ)—বামুণৰ ল'ৰা হৈ **চাৰি বেদৰ** ভু-ভা পোৱা উচিত।

**চাৰি ভাইৰ মুৰ পকা, কাকো কোনোৱে নোবোলে কাকা**—(প্ৰত্যেকে নিজেই জনা বুলি ভাবি কেৰে আৰু কাকো ডাঙৰ বা শ্ৰেষ্ঠ বুলিব নোখোজ্)—**চাৰি ভাইৰ মুৰ পকা, কাকো কোনোৱে নোবোলে কাকা**--এই ভাবৰ বাবেই আমাৰ দহজনীয়া কামবোৰ পণ্ড হয়।

**চাৰি সত্ৰীয়া**—(আহোম ৰজাই স্থাপন কৰা দক্ষিণপাট, আউনীআটী, গড়মূৰ, কুৰুৱাবাহী—এই চাৰিখন সত্ৰ সম্পৰ্কীয়)--গুৰুজনা **চাৰি সত্ৰীয়া** গোসাঁইৰ বংশধৰ।

**চাৰে-ধাৰে**--(১। ওখই আৰু শকত-আৱতে। ২। লাহে-লোকচান হ্ৰচাপ কৰি)—১। **চাৰে-ধাৰে** আছে হয়, পিছে হালোৱাটো কাটন নহয় যেন ন'গিছে। ২। **চাৰে-ধাৰে** কিমান টকা লাভ কৰিলা?

**চাল খা**—(চালনীত সৰক্)—জেকা পিঠাগুড়ি চালনী ভাল হলেও সহজে **চাল আখায়।**

**চাল দি**—(চালাকি কৰ)—চোৰৰ অনুসন্ধান পোৱা বুলি সি **চাল দি** কৈছে: কথাটো মিছা।

**চালনী-সৰকা**—(১। ভৰিৰ তলুৱাত চালনীৰ ফুটাৰ দৰে ফুট ফুটীয়া দি ছাল উঠি যোৱা। ২। দুই বাহুৰে বাহুলি ওলোমা দি তাৰ মাজেদি পাছলৈ ভৰি দুখন সৰকাই আলাসতে মৰা বাগৰ।) ১। ভৰিৰ তলুৱাত **চালনী-সৰকা** ওলাইছে; শিলৰ ওপৰত খোজ কাঢ়োঁতে দুখ পাওঁ। ২। দুপৰীয়া **চালনী-সৰকা** দিব নালাগে; পকা মাটিত পৰিলে লেকা পাবি।

**চালৰ ফুটা বেৰৰ মাটি**—(বিচেই সাধাৰণ বস্তুও মাজে সময়ে বৰ মূল্যবান বা হিতকাৰী হ)—ঔষধ বুলিলে **চালৰ ফুটা বেৰৰ মাটিয়েও** ঔষধ হয়।

**চালামৰ দুৱাৰে যা**—(অকাৰত হানি বা ক্ষতি হ)—কালি যে গিলাচ কিনিছিলা, আজি ভাগিল; পইচাখিনি **চালামৰ দুৱাৰে গ'ল।**

**চালি-জাৰি চা**—(বিশেষ মনোযোগেৰে ভাল বেয়া বিচাৰ কৰ্)—প্ৰস্তাৱটোৰ সপক্ষে বিপক্ষে সকলো কথা **চালি-জাৰি চোৱা হ'ক।**

**চালি-জাৰি থাক্**—(ঘূৰি ঘূৰি একে কথাকে আলোচনা কৰি থাক্)—তোমা-লোকে পুৱাৰপৰা এটা কথাকে **চালি-জাৰি আছা**; এতিয়াও সিদ্ধান্ত নহ'ল নে?

**চালি ধৰ্**—(ম'ৰা চৰায়ে পেখম ধৰাৰ দৰে ধুন মাৰি ফুৰ্)—গধূলি নৈৰ পাৰে পাৰে **চালি ধৰি ফুৰা** ডেকা-গাভৰুসকলক চাবাগৈ।

**চালু হ (বা কৰ্)**—(প্ৰচলিত হ)—এইবোৰ শব্দ আজিকালি অসমীয়াতো **চালু হ'ল।**

**চালে চকু ৰ**—(চালে চাই থাকিবলৈ মন যা; বৰ ধুনীয়া)—তোমাৰ ছবিখন বৰ ধুনীয়া হৈছে; **চালে চকু ৰয়।**

**চালে পানী কাট্**—(বৰ ডাঙৰকৈ বৰষুণ দি; বৰ ডাঙৰ বান-পানী হ)—১। যোৱা ৰাতি বৰষুণত **চালে পানী কাটি** তৰণি পোৱা নাছিল। ২। **চালে পানী কটা** বান-পানী অসমত দুই-এবাৰ হৈছে।

**চালে-বাৰে কোবা**—(সত্য লুকাবলৈ বা বিবুদ্ধি হৈ ই-সি কথা ক)—মোৰ প্ৰশ্নৰ উত্তৰ দিয়া; **চালে বাৰে কোবাবলৈ** এৰা।

**চাত্তেলি মাৰ্**—(গপ মাৰি ক)—তুমি **চাত্তেলি মাৰি** কথা কবলৈ এৰা।

**চাহ এৰা দি**—(লাহে লাহে অনাদৰ কৰি পিছত সম্পূৰ্ণ এৰি পেলা)—এই বাৰীখন তুমি **চাহ এৰা দিলা** নেকি? ইচোন বন বাৰীতকৈও হাবিয়া হ'ল।

**চাহ দি**—(চাহ—সহায়। অভাৱ দূৰ কৰ্)—এইবাৰ মোৰ পুৰণি ধান কেইটাই বৰ **চাহ দিলে**; নহ'লে ভোকাই মৰিলোহেঁতেন।

**চাহ মাৰ্**—(চাহপাত ছিঙি আনি মাৰি আৰু শুকাই খোৱাৰ উপযোগী কৰ্)—কল-ঘৰত **চাহ মৰা** কৌশলটো চোৱাঁহি।

**চাহীনী খা**—(লোকৰ ঘৰৰ সামান্য অংশ চুৰ কৰি খা)—এই মানুহটোৰ চাৰা; তাৰ **চাহীনী খোৱা** অভ্যাস আছে।

**চিকণ-চোৰ**—(চোৰ স্বভাৱ গোপন কৰি ভাল মানুহৰ ভাও ধৰি সৰু-সুৰা বস্তু চুৰ

কৰা মানুহ)—আমাৰ গাঁৱত চিকণ-চোৰ ওলাইছে; প্ৰত্যেক ব্যক্তি বাগৰাবোৰৰ পৰা এটা ছুটাকৈ কৰি মোহোৰা হব লাগিছে।

**চিকণ-চৈয়া**—(গাত বোকা নলগা এবিধ পানীত গজা বন। ভাৱপৰা, ভাল জুতিৰ পৰিষ্কাৰ পৰিচ্ছন্ন খাদ্যাদি ভাল পোৱা)—আজাৰখন ভিজা পাই নাখালি; তই বৰ চিকণ-চৈয়া হলি?

**চিকা-চম্বা**—(শুচি-অশুচি ভাল-বেয়া আদিৰ বৰকৈ বিচাৰ কৰা)—মোৰ মতে চিকা-চম্বা মানুহে য'তে ত'তে যেনে তেনেকৈ খোৱা টান।

**চিকা ফুৰা**—(১। চিকা উঠাৰ বাবে দুৰ্গন্ধ হোৱা। ২। স্বভাৱত চেকা লগা। ৩। চুন কৰাৰ অৱশিষ্ট)—১। চিকা ফুৰা এইবোৰ চাউল নাখাবিবা। ২। চিকা ফুৰা স্বভাৱৰ বাবে তেওঁক লোকে বেয়া পায়। ৩। আলু গোটেইবোৰ চোৰে নিলে; চিকা ফুৰা দুসেৰমান বুটলি আনিলোঁ।

**চিকা মাৰি হাত গোন্ধা**—(নগণ্য লোকক শাস্তি দি অপযশ পা)—মণ্ডল এজনক যথাৰ্থ কৰিবলৈ আপোনাৰ পক্ষে চিকা মাৰি হাত গোন্ধোৱাহে হব।

**চিকুটি লাও ফুটা কৰ্**—(সামান্য অপকাৰ কৰি শত্ৰুক সজাগ কৰ্)—এই ষড়যন্ত্ৰ তেওঁক পেলাব নোৱাৰা; বৰং চিকুটি লাও ফুটাহে কৰিবা।

**চিকুটি শিল ক্ষয় কৰিব নোৱাৰ্**—(ইতৰ লোকে বৰ লোকৰ অনিষ্ট কৰিবলৈ অপাৰগ হ)—চিকুটি শিল ক্ষয় কৰিব নোৱাৰি; তেওঁৰ তুল্য দেশ-পূজ্য লোকক তুমি কি কৰিবা?

**চিকেহি মাৰি উঠ্**—(ৰোমাঞ্চিত হৈ উঠ্; জিকাৰ খাই উঠ্)—জোক দেখিলেই মোৰ গা চিকেহি মাৰি উঠে।

**চিঞৰত গগন ফাল্**—(বৰ জোৰকৈ চিঞৰ্)—সি নো কিয় চিঞৰত গগন ফালিছে, কোনে ছুবিছা?

**চিঞৰত গছৰ পাত সৰা**—(বৰ জোৰকৈ চিঞৰ্)—তোৰ চিঞৰত গছৰ পাত সৰিব যেন লাগিছে।

**চিঞৰত টেটু ফাল্**—(ডিঙি ফালি যোৱা যেনেকৈ চিঞৰ্)—চিঞৰি টেটু ফালিলেও এই গাঁৱত তোক কোনোৱে সাহায্য নকৰে।

**চিত খা (যা হ)**—(চিত হৈ থাক্)—পোণতে চিত হৈ শুৱা।

**চিতপটাং হ**—(চিত হৈ পৰ্)—পিছল চোতালত তেওঁ চিতপটাং হৈ পৰিল।

**চিত্ত-তোলোতা দি**—( চিত্ত হৈ পৰ্ )—ডেউ লেখোৱ শেকেলিত **চিত্ত-তোলোতা দি** পৰি আছে ; অসুখ হৈছে নেকি ?

**চিত্ত হৈ মাৰলি গণ্**—( বা লেখ্ )—অনৰ্থক চিন্তাত সময় কটা ; ( মৰিলা পৰি থাক্ )—ঘৰৰ মূৰী মানুহটোৱে আজি দুখতে **চিত্ত হৈ মাৰলি গণিছে** ; টকাৰ বৰ টান হৈছে।

**চিন-চাব**—( সকলো প্ৰমাণ বা চিন )—কিতাপখন যে তোমাৰ বুলিছা, কিবা **চিন-চাব** আছে নেকি ?

**চিনৰ চাউল খা**—( যিটোৱপৰা উপকাৰ হয় বুলি জনাশুনা আছে, তাকেহে কৰ্ বা তাৰ ওপৰতহে নিৰ্ভৰ কৰ । "অচিন কাঠৰ খোৰা নলগা" একে ) —সুখ-শান্তি বিচাৰিলে, **চিনৰ চাউলহে খাব লাগে** ; কেতিয়াও অচিন কাঠৰ খোৰা লগোৱা উচিত নহয়।

**চিনাচিনি হ**-( ইজনে সিজনক ভালকৈ বুজ্ : পৰস্পৰৰ শক্তি-সামৰ্থ্য সম্বন্ধে বুজ পা )—আজি বাক গাৰিলি ; এদিন কিন্তু **চিনাচিনি হ'ম**, মনত ৰাখিবি।

**চিনা-জনা হ**—( পৰস্পৰ ঘনিষ্ঠ হ )—এদিন আমাৰ ঘৰলৈ আহিবা ; **চিনা-জনা হোৱাওতো** দৰ্কাৰ।

**চিনা-জোক**—( কাৰ্যসিদ্ধি নোহোৱা পৰ্যন্ত নেৰা-নেপেৰাকৈ লাগি থকা মানুহ—নিন্দাৰ্থক )—এই মানুহজন সাক্ষাৎ **চিনা-জোক** ; পাছ লাগিলে এৰা নিদিয়ে।

**চিনা-জোকৰ দৰে লিউ লিউ কৰি ফুৰ্**—( কিবা বিচাৰি ই'তে ত'তে কথাই ফুৰ্ )—ক'ত কি পায়, বিচাৰি বুঢ়ীয়ে দিনটো **চিনা-জোকৰ দৰে লিউ লিউ কৰি ফুৰে**।

**চিনা বামুণৰ লগুণ লালাগ্**—( যি লোকৰ বা বস্তুৰ গুণ-চৰিত্ৰ সম্পৰ্কে জনা-শুনা আছে, তাৰ বিষয়ে ওপৰুৱা চিন-চাবৰ দৰ্কাৰ নহ )—চন্দন-কাঠ এনেয়ে চিনিব পাৰি ; কোনোৱে তাক চিনাই দিব নালাগে ; **চিনা বামুণৰ লগুণ নালাগে**।

**চিনে-চাপে**—( সকলো প্ৰকাৰ চিনেৰে মিল হৈ )—**চিনে-চাপে** মিলিছে বুলিহে এই কাপোৰখন মোৰ বুলি কৈছোঁ।

**চিপক-চিপে**—( বা **চিপত-চিপে** )—( বাবে পতি ; ঘনে ঘনে )—**চিপক-চিপে** চাহ খাই থকা ভাল নহয়।

**চিপ কাঢ়্** ( বা **দ** )—( মৰিবৰ সময়ত টানি টানি উশাহ ল )—মানুহটোৱে **চিপ কাঢ়িব** লাগিছে ; মৰিছে।

**চিপ-জৰী**—(খোবোচা গাঁঠি লগোৱা জৰী)—১। মানুহটো চিপ-জৰীত ওলমি আছে। ২। চিপ-জৰীৰে পহু আদিও ধৰা হয়।

**চিপ টান্**—'চিপ কাঢ়্' চোৱা।

**চিপ পাত্**—(কিবা ধৰিবলৈ চিপ-জৰী পাত্; ফান্দ পাত্)—তুমি কিহৰ বাবে **চিপ পাতিছা?** কি চিকাৰ কৰিবা?

**চিপ মাৰ্**—(চিপ কাঢ়ি থাকি উশাহ নিশাহ বন্ধ হ বা মৰ্)—বুঢ়ীয়ে চিপ টানিছে; এতিয়াই **চিপ মাৰিব;** শীঘ্ৰে খোৱা-বোৱা সাৰবা।

**চিপ লাগ্**—(খোবোচাত চেপ খাই লাগি ধৰ্)—কোনো কোনোৱে **চিপ লগাই** চৰাই ধৰে।

**চিপিৰা-কটীয়া**—(কৃপণ প্ৰকৃতিৰ)—তুমি বৰ **চিপিৰা-কটীয়া** মানুহ; এপাচি প্ৰসাদৰ এমুঠিও তোমাৰ হাতত মুঠে নে?

**চিয়া-চৰিত**—(মূল চৰিত্ৰ; নিভাঁজ সত্য থকা পুথি)—১। গুৰুজনৰ **চিয়া-চৰিততহে** আচল কথা পোৱা যায়। ২। এইখনি পুথিকহে অসম বুৰঞ্জীৰ **চিয়া-চৰিত** বুলিব পাৰি।

**চিৰাল কটা-দি**—(ধৰকৈ কাট্)—তেওঁৰ ভৰি দুখন আৰকালি **চিৰাল কটা দিলে।**

**চিৰিং কৰি উঠ্**—(শোক, দুখ, ভয় আদিৰ কথা হঠাৎ দেখি, শুনি বা মনত পৰি গা আৰু বুকুত জোঙা অস্ত্ৰেৰে অকস্মাৎ খোঁচ মাৰি দিয়া যেন পা)—দেহকৰ মৃত্যুৰ বাতৰি শুনি বুকুখন **চিৰিং কৰি উঠিল।**

**চিলনী-আই**—(আকলী জীয়েকৰ টেঙৰী মাক)—আমাৰ বোৱাৰীয়ে **চিলনী আইকলৈ** বাতৰি পঠিয়াইছে; তেওঁ আহিলেহে কাম-বন কৰিব।

**চিলনী-জী**—(টেঙৰী মাকৰ আকলী জীয়েক)—'চিলনী-আই' চোৱা।

**চিলনী-সাঁতোৰ**—(পানীত চিত হৈ ওপৰলৈ মুখ কৰি দিয়া সাঁতোৰ)—**চিলনী-সাঁতোৰ** বহুতে নাজানে।

**চিলৰ পাখী বিলত চাল্**—(চিল—চমু। হাতত থকা বস্তু ব্যৱহাৰত নলগাই নষ্ট কৰি পেলা)—চেনিদেৱে যে আহোঁতে টোপোলাটো পানীত পেলাই দি সি **চিলৰ পাখী বিলত চালিব** পায় নে?

**চিলাই কাণ নিয়া বুলি কলেই পাছে পাছে খেদ্**—(কোনো

বিবেচনা নকৰাকৈ আনৰ কথাত মূৰ্খৰ দৰে আচৰণ কৰ)—কামটো লাভজনক হয় নে নহয়, নিজে বিবেচনা কৰি চোৱাঁ। **চিলাই কাণ নিয়া বুলি কলেই পাছে পাছে খেদা কিয়?**

**চিলাই ছাৱ নিয়া দি**—(কোনো বস্তু অকস্মাৎ খাপ মাৰি লৈ অনায়াসে অতি বেগেৰে গুচি যা)—বাঘে দামুৰিটো **চিলাই ছাৱ নিয়া দিলে।**

**চিলাই খাপ মাৰ্**—(অকস্মাৎ খাপ মাৰি লৈ বেগাই পলা)—ছাগলীটো বাঘে **চিলাই খাপ মৰা দিলে।**

**চিলাত কৈ বাতৰি পঠা**—(গোপনে দূৰণিলৈ বাতৰি পঠা)—ছোৱালীজনীয়ে শহুৰিৰপৰা কোনোবা **চিলাত কৈ এই বাতৰিটো পঠিয়াইছিল।**

**চিলাৰপৰা আনি বিলত ঢাল্**—(মাছ চিলাৰপৰা কাঢ়ি আনি বিলত এৰি দিয়াৰ দৰে, কোনো বস্তু আদি এঠাইৰপৰা যত্নেৰে আনি অনাহকত নষ্ট কৰ্)—পাখীবটোপা দামুৰিৰ মুখৰপৰা কাঢ়ি আনি বগৰাই পেলালা; **চিলাৰপৰা আনি বিলত ঢলাতকৈ** দামুৰিয়ে খোৱাই ভাল আছিল।

**চিলিম কামোৰ্**—(কোনো সংকেতেৰে ছোৱালীয়ে স্বামী নিৰ্বাচন কৰা কথাটো আনক বুজা)—তাই ডেকাজনক স্বামীস্বৰূপে বাছি লৈছে; চিঠিপত্ৰ লিখিয়েই তাই **চিলিম কামোৰা** যেন ব্যৱহাৰ কৰিছে।

**চিলিম ছিগ্**—(সকলো উপায় বা আশা নষ্ট হ)—ভৰ বতৰত গৰুটো মৰি, তাৰ খেতিৰ **চিলিম ছিগিল।**

**চিলো চিলো কৰ্**—(শোক দুখ আদিয়ে মন আকুল কৰ্)—শকুন্তলা পতি-গৃহলৈ যাব,—কণ্ব মুনিৰ মনটো **চিলো চিলো কৰিবলৈ** ধৰিলে।

**চুঁট-খৰে খা**—(আন্তৰিক উত্তেজনা উপস্থিত হ)—তাৰ দৈণীয়েকৰ মৰিয়া হৈছে; ঘৰৰ লৈ থাকিবলৈ তোৰ নো কি **চুঁট-খৰে খালে?**

**চুকত থাকি বুকত খা**—(আশ্ৰিত লোকে অপকাৰ কৰ্)—তোক মৰমেৰে পোহপাল দিলোঁ; এতিয়া তয়ে **চুকত থাকি বুকত খাবলৈ** ধৰিছ।

**চুকনীয়া খা**—(বছৰি কেৱল খাজনা শোধোৱা বন্দোবস্তত আনৰ মাটি খেতি কৰ্)—এই মোৰ মাটি নহয়; **চুকনীয়া খাইছোঁ।**

**চুকৰ ভেকুলী**—(বাহিৰৰ আওভাও নোপোৱা ঘৰ-সোমা মানুহ)—আমি

গাৰণীয়া মানুহ,চুকৰ ভেকুলী ; স্বাধীনতা থাৰ যে পিনে আমি নাজানো। চুকৰ ভেকুলীয়ে চুকতে মাথোন চিনে।

**চুক-সুন্দৰ**—( চুক শুৱনি কৰি থকা আৰু বাহিৰৰ আও ভাও নোপোৱা মানুহ)—আমাৰ ভাতৰ ঘোপা **চুক-সুন্দৰ** ; তেওঁৰ তুল্য লোক ক'ত আছে ?

**চুঙা চাই সোপা দি**—( অৱস্থা চাই ব্যৱস্থা কৰ্ ; যোগ্য প্ৰতিবিধান কৰ্ )—**চুঙা চাই সোপা দিব** জনা নাই দেখি, তেওঁ তোমাৰ বিৰোধিতা কৰিছে।

**চুঙা-ধঁপাত**—( মুখত খাবলৈ চুঙাত খুন্দি তৈয়াৰ কৰা ধঁপাত )—ভাল **চুঙা-ধঁপাত** গাঁৱত পোৱা যায়।

**চুঙা-পিঠা**—( গুড় গাখীৰ আদিৰে পিঠাগুড়ি সানি কোমল বাঁহৰ চুঙাত ভৰাই, সেই চুঙা জুইত পুৰি তৈয়াৰ কৰা অসমীয়া পিঠা )—খোলা-চাপৰি আৰু **চুঙা-পিঠা**, এই পিঠা আমি এৰিব নোৱাৰোঁ।

**চুঙাৰ কোঁপত হাত সুমাই থাক্**—( কাম-বন কৰিবলৈ হেলাৰ বাবে হাত লুকাই এলেহুৱা হৈ সময় কটা )—ডেকা একোজনে **চুঙাৰ কোঁপত হাত সুমাই থাকিলে** গৃহস্থালিৰ বন-কাম হব কেনেকৈ ?

**চুঙাৰ কোঁপত সোমাই থাক্**—'চুঙাৰ কোঁপত হাত সুমাই থাক্' চোৱা।

**চুঙাৰ বাদুলি**—( এবিধ বাঁহৰ কোঁপত থকা বাদুলি। তাৰ দৰে সংসাৰৰ আও-ভাও নোপোৱা মানুহ )—আমি **চুঙাৰ বাদুলি** ; চুঙাৰ বাহিৰে আৰু কিবা আছে বুলি আমি স্বীকাৰ নকৰোঁ।

**চুঙাৰ বাদুলিয়ে তোল যেন ভিৰা পাৰ্**—( অবিবেচিত কৰি কোনো কাম কৰ্ বা কথা ক )—**চুঙাৰ বাদুলিয়ে তোল যেন ভিৰা পাৰে**,—এনে কথা বকিতা লগাই ক'ত ত'ত কৈ ফুৰাই তেওঁৰ কাম।

**চুচি-মাজি ওলালে বান্দৰীও সুন্দৰী হ**—( চাফ চিকুণকৈ থাকি কুৎসিৎ লোকো ধুনীয়া হ )—পুৰি দিলেও ভূতে নোখোৱা এই মানুহবিলাকক বিয়েটোত কেনে ধুনীয়া দেখি! **চুচি-মাজি ওলালে বান্দৰীও সুন্দৰী হয়।**

**চুটি-কাপোৰ**—( তিৰোতাই কঁকালত পিন্ধা মেখেলা )—এইযোৰ **চুটি-কাপোৰ** ; তোমাৰ বাকচত সামৰি থ'বলৈকে দি দিয়া।

**চুটি পাঁতৰ এন্দুৰ**—( অকাৰণত বা মিছা কাম দেখুৱাই ঘনে ঘনে একে ঠাইতে

অহা-যোৱা কৰি থকা মানুহ)—তুমি নো কি চুটি পাঁতৰ এন্দুৰটো জোকাইছে? ঘনে ঘনে অহা-যোৱা নকৰিলে নহয় জানো?

চুতীয়া কৰ্—(উত্তৰ-চুটি কৰ্; কোনো মৰ্মকথা কৈ লজ্জা কৰ্)—সভাতে যেনেকিজনক চুতীয়া কৰি খেদি দিলে।

চুপ কৰি থ—(মাতিবলৈ হাক দি নিমাত কৰ্)—তুমি চুপ কৰি থৰ বুলিলা বুলিয়েই মই হক কথাত নমতাকৈ থাকিম নে?

চুপজা পাত্—(কিবা গোপন আশাৰে বহুত পৰ বৈ থাক্)—ইয়াত চুপজা পাতি থাকিলেও তোক ভাত দিব নোৱাৰোঁ।

চুপৰীয়া বনতো বাঘ থাক্—(দেখাত সামান্য যেন হলেও মূল্যবান বা গুণ-বিশিষ্ট হ)—সৰু কবিৰাজ হলেও তেওঁকে এবাৰ মতাই আনা; কব নোৱাৰি, চুপৰীয়া বনতো বাঘ থাকে।

চুপাই-বাছে—(পৰিয়ালৰ গোটেইখিনিকে; হা-হলিয়ে; দলে-বলে)—তেওঁলোকে চুপাই-বাছে আহি আমাৰ ঘৰত থিতাপি লৈছে।

চুৰ্ কৰ্—(আনৰ বস্তু মনে মনে নি)—তোমাৰ কঠালখোৰ কোনে চুৰ কৰিলে ভু পালা নে?

চুৰ মোৱৰা হ—(বঙ্গবলা হ)—পৰহি ছোৱালীজনী চুৰ মোৱৰা হৈছে; আমাৰ ভাত বকা মানুহ নাই।

চুকলী-কুকুৰ—(পদূলি মুখি ফুৰা মানুহ; লোকৰ চুৱা চেলেকি ফুৰা লোক)—চুকলী কুকুৰে আত্মসন্মানৰ কথা কোৱাটো শোভা নাপায়।

চুকপা খা—(কোনো বস্তুৰ ভাল অংশ নিজে লুকাই খা)—এঁৱা গাখীৰ তপতাই থলো, চামনি নাই কিয়? মাউ-বাপাই চুকপা খালে।

চুলি ছিঙি কাতৰ কৰ্—(অতি সকৰুণভাৱে কাকুতি কৰ্)—লৰাটিৰ জীৱন ভিক্ষা কৰি মাকে দেৱতাৰ ওচৰত চুলি ছিঙি কাতৰ কৰিছে।

চুলি ছিৰা ধাৰ—(চুলিকো দুফাল কৰিব পৰা ধাৰ)—কটাৰীখন শালাখিনা; চুলি ছিৰা ধাৰ উঠিছে।

চুলিয়ে ধাতু খা—(বৰ ভয় লাগ্)—আমি অলপ-বয়সীয়া মানুহ; এইবোৰ শুনিলে চুলিয়ে ধাতু খায়।

চুলিৰ আগে জীউ খা—'চুলিয়ে ধাতু খা' চোৱা।

**চুৰুং-মুৰীয়া**—(একান্তে চুৰা-চকা বা কোনো কাম কৰিবলৈ লাহ লথকাত গোপনে ভেমে কৰি চুৰা প্ৰকৃতিৰ)—ল'ৰাটো বৰ **চুৰুং-মুৰীয়া**; লোকৰ আগত ওলাবলৈও লাজ কৰে।

**চুৰজিত ৰ'দ উঠ্**—(ভাগ্য সুপ্ৰসন্ন হ)—আপোনাৰ পদাৰ্পণ আমাৰ ঘৰত **চুৰজিত ৰ'দ উঠা** যেন হৈছে।

**চুৱা খা**—(অপবিত্ৰ বস্তু খা বা ভেমে ঘৃণনীয় কাম কৰ্)—পাছত পৰৰ চৰ্চা কৰা আৰু চুৱা খোৱা একে কথা।

**চুৱা খোলা যেন হ**—(নিচেই অনাদৃত বা মূল্যহীন হ)—আমাৰ টকা টকাই নহ'ল নে? **চুৱা খোলা যেনহে হ'ল**।

**চুৱা-গন্ধা**—(স্পৰ্শ কৰা কাৰ্য)—বাহী কাপোৰেৰে নৈবেদ্য **চুৱা-গন্ধা** নকৰিবা।

**চুৱা পাত চেলেক্**—(আনৰ অনাদৃত বস্তু ঘৃণনীয়ভাৱে বিচাৰি ফুৰ্)—**চুৱা পাত চেলেকিবলৈ** এৰি স্বাধীনভাৱে জীৱিকা নিৰ্বাহ নকৰা কিয়?

**চুৱা যা**—(১। অপবিত্ৰ বা অশুচি হ। ২। প্ৰথম ঋতুমতী হ। ৩। কোনো প্ৰতিশ্ৰুতি দি তাক ৰাখিবলৈ সক্ষম নহ)—১। গৰুটো আনিবলৈ গৈ **চুৱা গলোঁ**; মোক নুচুবা। ২। ছোৱালীজনী এতিয়াও **চুৱা যোৱা** নাই। ৩। টকাখিনি দিব নোৱাৰি তেওঁৰ মনত **চুৱা যাই** আছোঁ।

**চুৱা হ**—(চুব নোৱৰা হ; ৰজস্বলা হ)—তিৰোতাজনীৰ **চুৱা হৈছে**; আজি ৰান্ধনি তুমি।

**চুহা আমৰা যেন হ**—(ৰঙকৈ খীণাই যা)—ডেকা মানুহ, তথাপি তেওঁৰ মুখটো **চুহা আমৰা যেন হৈছে**।

**চূড়াকৰণ কৰ্**—(কোনো উদ্ভিদ আদি নঠাইকৈ কাটি বা খা)—তোমাৰ গাইজনীয়ে শাক-পাচলিৰ **চূড়াকৰণ কৰিলে**।

**চূণ-খাৰ কৰ্**—(কাকো অপদস্থ বা অপ্ৰস্তুত কৰ্)—সমজুৱাসকলে তেওঁক আজি চূণ-খাৰ কৰি পেলালে।

**চূণত পাণ পিছলা**—(ওলোটা কামেৰে আনৰ অহিত চিন্তা কৰ্)—কাকো **চূণত পাণ পিছলোৱাকৈ** এই বয়স পালোঁহি; বাকী দিনকেইটা ভালে ভালে গলেই হয়।

**চূণৰ চকত হাত দি আছ্**—(কপালত দুৰ্ভাগ্য সানি আছ্)—পূৰ্বে **চূণৰ চকত হাত দি আছিলা**; আজি সৌভাগ্য পাবা ক'ত?

**চুণৰ কৌটাত মাৰ্**—(সম্পূৰ্ণ ঠিকভাৱে কোনো কাম কৰ্)—কামটো তেওঁ সম্পূৰ্ণ নিয়াৰিকৈ কৰিব ; তেওঁৰ কৰ্মপটুতা **চুণৰ কৌঁটাত মাৰিব পৰা।**

**চেঁচনি দি**—(শান্ত হবলৈ বুজনি দি)—বিয়াজেই **চেঁচনি দিয়া,** মাকৰ মন শান্ত হব কেনেকৈ ?

**চেঁচেঁৰা কোৱা**—(আওকাণ বা অৱহেলা কৰ্)—সকলো কামতে যে **চেঁচেঁৰা কোৱাই** থাক, কি কৰি খাবি ?

**চেঁচেঁৰাত পৰ্**—(বিপদত পৰ)—এই পাপ কামৰ বাবে সি এদিন নহয় এদিন **চেঁচেঁৰাত পৰিবই।**

**চেঁচেঁৰা পৰ্**—(চেঁচা বা জেকা পাই কমকৈ জ্বল্)—জুইকুৰা **চেঁচেৰা পৰি** গ'ল ; জ্বলাই দিয়া।

**চেঁচেঁৰা খা**—(কষ্ট পা)—এই অপৰাধৰ বাবে কাটকৰ হাত সাৰিলেও সি এইবাৰ **চেঁচেঁৰা নোখোৱাকৈ** নাথাকে।

**চেঙক ছাই দি ধৰ্**—(দুষ্ট লোকক কৌশলেৰে আয়ত্ত কৰ্)—**চেঙক ছাই দি ধৰাৰ** দৰে কৌশলেৰেহে সেই দুৰ্বৃত্তটোক জব্দ কৰিব পাৰিবা।

**চেং-পিছল**—(বৰ দুষ্ট প্ৰকৃতিৰ)—সি বৰ **চেং-পিছল** মানুহ ; তাৰপৰা এনে সহজে টকা আদায় কৰিব নোৱাৰিবা।

**চেংমাছ জঁপিয়া দি**—(বৰ কষ্ট পাই ছট্‌ফট্ কৰ্)—বেয়াৰ কোবত সি **চেংমাছ জঁপিয়া দিবলৈ** ধৰিলে।

**চেঙালুটি পাৰ্**—(কষ্ট বা বেদনাত চেংমাছৰ দৰে লুটি বাগৰ খা)—মৌমাখিৰ কামোৰত ল'ৰাটোৱে **চেঙালুটি পাৰিছিল।**

**চেমাৰী পৰ্**—(দুয়ো দলক ভাল লগাবলৈ গৈ দুয়ো দলৰ সন্দেহত পৰ্)—সকলোৰে প্ৰিয় হবলৈ চাওঁতে **চেমাৰী পৰিবা** চাবা।

**চেমেহৰ চুমাই মাকতি ছিঙ্**—(মিত্ৰতাৰ দেখুৱাই শত্ৰুতাচৰণ কৰ্)—তোমাক তেওঁলোকে বৰ মৰম কৰিবলৈ ধৰিছে ; কিন্তু **চেমেহৰ চুমাই মাকতি ছিঙিব** চাবা।

**চেপত পৰ্**—(ঠেকত পৰি সাৰিবৰ বাট নোপোৱা হ)—এইবাৰ **চেপত পৰিছে** সি তোমাৰ কাষ চাপিছে।

**চেপা খা**—'চেপত পৰ্' চোৱা।

**চেপাৰ মুখত পৰ্**—(সাৰিবৰ উপায় নোহোৱা হ)—সি এইবাৰ চেপাৰ মুখত পৰিছে; কেনেকৈ সাৰে দেখা যাওক।

**চেপি আন্**—(ক্ৰমে শক্তিহীন কৰ)—ৰোগে তেওঁক দিনে দিনে চেপি আনিছে।

**চেৰ পৰ্**—(আনতকৈ নিকৃষ্ট হ)—শ্ৰেণীত প্ৰথম হোৱা ল'ৰাটো এইবাৰ চেৰ পৰিছে।

**চেৰা-কণী**—(আটাইতকৈ পিছত পৰা কণী)—এইবোৰ চেৰা-কণী; উম দিলেও নজগে।

**চেৰা-ঘাম**—(দুৰ্বলতা আদিৰ বাবে গাত ওলোৱা অস্বাভাৱিক ঘাম)—ৰোগীটো চেৰা-ঘামে ঘামিছে; ডাক্তৰক মাতা।

**চেৰা-চুলি**—(ওপজি আহোঁতে থকা চুলি)—চেৰা-চুলিবোৰ খুৰাই দিলেহে ভালকৈ চুলি গজে।

**চেৰা পৰ্**—(শক্তি, সৌন্দৰ্য, মূল্য আদি কমি অহাত উপেক্ষিত বা অনাদৃত হ)—তোমাৰ আগৰ কলমটো কি হ'ল? চেৰা পৰিল নেকি?

**চেৰা-খাল**—(কম বোৱা, পুৰণি খাল)—চেৰা-খালটো এৰি নতুন খাল এটা লগোৱা।

**চেৰা-বলিয়া**—(আধা-পগলা)—সেই চেৰা-বলিয়াটোৰে সৈতে ল'ৰাটো অপঠৰা।

**চেৰা-শালি**—(প্ৰসৱ কৰা ঘৰ)—চেৰা-শালিতে মাক আৰু কেঁচুৱাটোৰ মৃত্যু হ'ল।

**চেৰা-শালিত পৰ্**—(প্ৰসৱ কৰ্)—তেওঁৰ চেৰা-শালিত পৰিবৰ সময় হৈ আহিছে দেখি নিজেই সচেষ্ট হব লাগিছে।

**চেলাই বা তেলাই ডাক্**—(বেদনা বা কষ্টত বৰ অস্থিৰ হ)—চেলাই খোৱা তেলাই ডাকা মানুহৰ দৰে দুপৰাহ খায়েই উঠিলা কিয়? কিবা অসুখ হৈছে নেকি?

**চেলেকনা-মাহু**—(চেপ্‌চেলীয়া স্বভাৱৰ সামান্য মানুহ)—এই চেলেকনা-মাহুটোৱে এই দৰে দুৱাৰে দুৱাৰে কথা চোৰাই ফুৰেই।

**চেলেকা-চুমুৰা**—(সমান নোহোৱা; চকাচকা—ৰং দিয়া, বেৰা লিপা আদিত

খাটে)—বেঙাখন কেনেকৈ নিগিলা? চেলেকা-চুটুকা হ'ল; সমান আৰু নিয়ম হলেহে ভাল দেখি।

**চৈত্ৰালি গা**—(টোলৰ ছাত্ৰই চ'ত মাহৰ প্ৰথম দুদিন শ্লোক মাতি ঘৰে ঘৰে ভিক্ষা কৰি ফুৰ্)—আজিকালি টোলেই নাই, **চৈত্ৰালি গাব** কোনে?

**চৈধ্য ভুৱন দেখুৱা**—(নানা দুৰ্গতিত পেলা)—এই বাৰ সি কেনেকৈ সাৰিব? তাক **চৈধ্য ভুৱন দেখুৱাইছে** এবাৰ।

**চোৎ মৰা**—(থকা ঠাই পৰিবৰ্ত্তন কৰ্)—তাই আজি **চোৎ মৰালে**; মাকৰ লগতহে বোলে থাকিব।

**চেঁচনি ধৰা**—(খোবোচা গাঠি লাগ্)—কবীগছ নাটানিবা; **চেঁচনি লাগিব।**

**চেঁচ পৰ্**—(১। ঘা শুকাই মঙহেৰে পূৰ্ণ হৈ আহ্। ২। নদী শুকাই ভথাং হ)—১। ঘাডোখৰৰ চোকোৰা একবাই নিদিবা; **চেঁচ পৰি** আহিছে, সোনকালে শুকাব। ২। জেঠমহীয়াও নৈ এনেকৈ **চেঁচ পৰে** নে?

**চেঁচা মাৰ্** (বা ল)—(খেদা মাৰ্)—ম'হটোৱে আমাৰ কালে **চেঁচা মাৰিলে**; আমি গছত উঠিলোঁ।

**চোকৰ-তৰোৱাল**—(বৰ ধাৰ থকা মানুহ কটা অস্ত্ৰ)—পগলাটোৱে এখন **চোকৰ তৰোৱাল** লৈ ফুৰিছে; সকলোৱে সাৱধানে থাকিবা।

**চোকৰ-ধৰা**—(তৰোৱালধাৰী)—এই **চোকৰ-ধৰা** মানুহবোৰ ক'ৰপৰা কিয় আহিল?

**চোকা-টেকেলা**—(নেৰা-নেপেৰাকৈ লাগি থকা টান মুখৰ মানুহ)—অলপমান ভিৰাই লৈ যাম বা; তই নো ক'ৰ **চোকা-টেকেলাটো** আহিলি?

**চোকোৰা এৰা সাপ**—(দুৰ্বল বা নিঃসম্বল হোৱা মানুহ)—সম্পত্তি হেৰুৱাই মানুহটো **চোকোৰা এৰা সাপহে** হ'ল।

**চোট-ঘাত**—(বধৰ কাৰ্য)—সৰু ল'ৰাটোৰে **চোট-ঘাত** দেখি ভয় খাইছোঁ; মাকক কেনেকৈ মাৰিলে?

**চোতাল-ঘৰ কৰ্**—(ধনিয়া আদিৰ পিছত সানাত সবল হ)—ভেউন ধনিয়া এতিয়া নাম কাঢ়িছে; কিন্তু এতিয়াও **চোতাল-ঘৰ কৰিব** পৰা হোৱা নাই।

**চোতাল-ঘৰৰ মানুহ**—(নিচেই ওচৰৰ মানুহ)—**চোতাল-ঘৰৰ মানুহৰ** মাজত এনে দন্দ-খাই হব নালাগে।

চোতালৰ আগৰ দুবৰি—(বহু অত্যাচাৰ সহিও ধৈৰ্য্যৰে থকা মানুহ)—তেওঁ চোতালৰ আগৰ দুবৰি; চুবুৰীয়াৰ এনে উৎপীড়ন তেওঁ সদায় সহি আহিছে।

চোতালৰ ব'ৰ চেঙা লাগ্—(মূল্যবান বস্তুও থকা কালত মূল্যহীন হ)—নিজৰ ঘৰত মাছ গাখীৰ আছে দেখি খাবলৈ ইচ্ছা নকৰা,—চোতালৰ ব'ৰ চেঙা' লাগেই।

চোতাললৈ যা—(প্ৰস্ৰাৱ কৰিবলৈ বাহিৰলৈ যা—তিৰোতাৰ ভাষা)—তয়ো চোতাললৈ যাব নেকি? নহলে মই দুৱাৰ মাৰিম।

চোপনা পাত্—'চুপনা পাত্' চোৱা।

চোপা দি (থাক)—(ধৰিবৰ কাৰণে লুকাই বৈ থাক্)—তাক মাৰিবলৈ শত্ৰুবিলাকে কেবাদিনো চোপা দি আছিল।

চোপা পাত্—(ফিৰা পোৱাৰ আশাৰে বৈ থাক্)—তই চোপা পাতি থাকিলেও মই টকা দিব নোৱাৰোঁ।

চোৰা-চেলেকা—(আনৰ অনুগ্ৰহপ্ৰাৰ্থী নীচ প্ৰকৃতিৰ মানুহ)—তই এনে কৰ্মী পৰিয়ালত উপজিও চোৰা-চেলেকা হলি কিয়? নিজে আৰ্জি খাবলৈ তোৰ কি নাই?

চোৰা-ধৰা—(কুঁহিয়াৰ-শালত কুঁহিয়াৰ পেৰোঁতে জাবৰি বা ভাবহি ধৰা মানুহ—কাঠৰ পেৰাত এনে মানুহ লাগিছিল)—আজিকালি কুঁহিয়াৰ পেৰোঁতে চোৰা-ধৰাই জাবৰি ধৰি বহি থাকিব নালাগে।

চোঙা কৰ্—(কোনো দোষ কৰা বুলি সন্দেহ কৰ্)—চুৰ কৰা বুলি গাঁৱৰ মানুহে তাক চোঙা কৰিছে।

চোৰক মেলে দুৱৰা—(হানিকৰ কামত সময় দিওৱা অযুক্ত)—আমি বেলিয়ে-পোহৰে ঘৰ পাব লাগিব; সোনকালে উঠা, চোৰক মেলে দুৱৰায়।

চোৰক মোৰে পা—(এটা চোৰক ঠগাই আন এজনে তাৰ চুৰ কৰা বস্তুকে লৈ যা)—চোৰক মোৰে পালে; চুৰ কৰি অনা গৰুটো টেঁটাৰে তাক ঠগাই লৈ গ'ল।

চোৰ কিলা দি—(বকৈ মাৰধৰ কৰ্)—তই নো নিজৰ ল'ৰাটোকে চোৰ কিলা দিছ কিয়?

চোৰ পলে চুপাচুপিয়া—(বেজিয়াৰ বিকাৰ, তেজিয়া তাক কৰবি দিছে

অসাৰ্থক চেষ্টা কৰ্‌ বা সাহ দেখুৱা )—আমি ন আমি চিন্তাত তুলি দিছোঁ, এতিয়া তই আহিলেও হব ; **চোৰ গলে চুপচুপিয়াৰ লাগিছে কিয় ?**

**চোৰ গলে বুদ্ধি**—( কোনো অনিষ্ট হৈ যোৱাৰ পিছত সেই অনিষ্ট নিবাৰণৰ উপায় চিন্তা কৰ্‌ )—পগলা কুকুৰটো পলাল ; এতিয়া টোকোন বিচাৰি কি হব ? **চোৰ গলে বুদ্ধি** উলিয়াৰ বা ৰবৰুণ গলে জাপি বিচৰাৰ আৱশ্যক নাই।

**চোৰ-চৰিয়া**—( চোৰাং-চোৰা )—সিহঁত বজাই পদাপাণিক বিচাৰিবলৈ **চোৰ-চৰিয়া** মেলিলে।

**চোৰ-চাং**—( শোৱা চাঙৰ ওচৰতে চাঙৰ ওপৰত শকত বেৰ দি মূল্যবান বস্তু-বাহানি থবলৈ কৰা চাং )—আজিকালি মানুহে **চোৰ-চাং** নকৰে ; কাৰণ আজিকালিৰ চোৰৰ হাতৰপৰা এনে উপায়ে কোনো বস্তু ৰক্ষা কৰিব নোৱাৰি।

**চোৰ-পহৰা**—( গৰুৰে মুৰ সোলোকা দিব নোৱৰা, ভিতিৰ ওচৰত খালখৰি থকা পথ )—গাইজনীক বাতি **চোৰ-পহৰাৰে** বান্ধিবা ; তাই সদায় মুৰ সোলোকা দি পলায়।

**চোৰ বুলিলে ওৰ**—( দোষীৰ পক্ষৰ যুক্তি-তৰ্কৰ মূল্য নাই )—**চোৰ বুলিলে ওৰ**,—সি ঘৰৰ ভিতৰত ধৰা পৰিছে ; আমি তাৰ আন কথা নুশুনো।

**চোৰ বেছি হলে কিলৰ সৰহ**—( সৰহ—সহজ। কোনো কামত মানুহ বেছি হলে সেই কামৰ কষ্ট বা দায়িত্ব প্ৰত্যেকৰ ভাগত কমকৈ পৰে )—আলিটো বান্ধোতে যদি সি চুবাৰ মানুহেও যোগ দিয়ে, ভালহে ; **চোৰ বেছি হলে কিলৰ সৰহ।**

**চোৰৰ মেলে গা চাক মাৰা**—'চোৰক মেলে সুধো' চোৱা।

**চোৰৰ ন দিন গৃহস্থৰ এদিন**—( অপকৰ্মৰ পৰাচিত এদিন হবই )—তোমাক যি অত্যাচাৰ কৰক, তুমি সহি থাকা ; মনত ৰাখিবা, **চোৰৰ ন দিন, গৃহস্থৰ এদিন** ; এদিন সিও তোমাৰ হাতত পৰিব।

**চোৰৰ শপত**—( মিছা শপত )—ঘনে ঘনে যি মানুহে শপত খায়, তাৰ শপত **চোৰৰ শপত** বুলি ধৰি লবা।

**চোৰৰ সাক্ষী মাতাল**—( এটা দুষ্টই আন এটা দুষ্টৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ চেষ্টা কৰেই )—তোৰ কথা আমি বিশ্বাস নকৰোঁ ; **চোৰৰ সাক্ষী মাতাল হবই।**

**চোৰ-হাত লাগ্‌**—( চোৰে চুৰ কৰা কোনো বস্তু আদি নষ্ট হ )—**চোৰ হাত লাগি** মুখবিধযোগ্যৰ কলবোৰ চেষ্টা হ'ল।

**চোৰাং কৰ্**—( মনে মনে কোনো কাম কৰ )— আম খাব খুজিছা, দেখাদেখিকৈ খোৱা ; **চোৰাং কৰিব** লাগিছে কিয় ?

**চোৰাং-চোৰা**—( গুপ্তচৰ ; চোৰ-চৰিয়া )—চৰকাৰে **চোৰাং-চোৰা** মেলি চোৰাং কাৰবাৰৰ ভু লৈছে ।

**চোৰাত মেল্**– ( চোৰাতেহে কোৱাই পানী ঢালি উগ্ৰ শাস্তি দি )—কোনো কোনো দুষ্ট তিৰোতাক গিৰীয়েকে **চোৰাত মেলে** ।

**চোৰে চোৰে পিতল গঢ়া**—( কোনো বিষয়ে গৰাকীয়ে নজনাকৈ বা তেওঁৰ মত নোলোৱাকৈ, সম্পৰ্ক নোহোৱা মানুহে মিলি কোনো কাৰ্য কৰ )— গৰাকীয়ে নজনাকৈ তোমালোকে দেখোন আম পাৰি **চোৰে চোৰে পিতল গঢ়াব লাগিছা** ।

**চোৰে নিয়া গৰুৰ বাটে বাটে আধাৰ**—( খাব খিতাপি নোচোৱা লোকে যতে ত'তে যেনে তেনেকৈ খোৱা-বোৱা আদি কৰ )— **চোৰে নিয়া গৰুৰ বাটে বাটে আধাৰ** ; সিও গিৰীহঁতক খুজি দুগৰাহ খাই খেৰৰ ওপৰতে ৰাতিটোলৈ শুই পৰিল ।

**চৌখাম কৰ্**—( নিজে নগৈ আনৰদ্বাৰা বাতৰি পঠিয়া )—বিদ্ৰোহী নগাবিলাকে চৰকাৰৰ ওচৰলৈ **চৌখাম কৰিব** খুজিছে ।

**চৌগুণ-চোলা**—( পুৰণি কালত অসমৰ গাঁৱলীয়া লোকে ব্যৱহাৰ কৰা, ভিতিৰপৰা কঁকাললৈ ওলমি থকা চুটি চোলা )—**চৌগুণ-চোলাৰ** ব্যৱহাৰ আজিকালি নাই ।

**চৌ-চিৰলা মেল্**—( দীঘে-পথালিয়ে বৰ বেছিকৈ ফাঁট )—খুটাটো যেনেকৈ **চৌ-চিৰলা মেলিছে**, তাক কিনি কি হব ?

**চৌ-ঠেঙীয়া কৰ্**—( বৰকৈ নিৰুপায়ত পেলা বা অপদস্থ কৰ )—ইমান দিনে টকাখিনি খাব খুজিহে মোক তুমি **চৌ-ঠেঙীয়া কৰিলা** ।

**চৌতাং মাৰ্**—( ডাঙৰ ডাঙৰ কথা কৈ মিছাতে ঘূৰি ফুৰ )—এনেকৈ **চৌতাং মাৰি** ফুৰিলে তোমাৰ দৰে ভেকাৰ ভাত মিলিব কেনেকৈ ?

**চৌ-মুখীয়া হ**—( চাৰিও ফালৰ কোনো একালৈ যাবলৈ সদায় সাজু হৈ থাক্ বা যা )—খোৱা-বোৱা কৰি সি দিনটোলৈ **চৌ-মুখীয়া হল** ; ঘৰত আৰু তাক দেখা নোপোৱা ।

**চৌবাঢ়ী কৰ্**—( দুৰ্বলতা আদিৰ বাবে হাত-ভৰি আৰু মূৰ অৱশ হ )—নিজৰ নিবে মোক সিদিনা **চৌবাঢ়ী কৰি** পেলাইছিল ।

**ছুঁয়া কাট্**—( নবি বা বেগাই বাওঁতে নিজৰ হাঁটো বা বাটত আন কিবা দেখি হঠাৎ একলীয়া হৈ যা )—হাতীটো বেগাই গৈ আছিল, এনেতে বেগাই অহা মোটৰখন দেখি **ছুঁয়া কাটিলে।**

**ছুটৰ-বটৰ**—( এবাৰ সঁচা, এবাৰ মিছা,—এনেকৈ কোৱা কথা ; লৰক-ফৰক কথা )—তাৰ কথাত সঁজাত নাই, **ছুটৰ-বটৰ** কথা কৈয়েই সি ভাল পায়।

**ছত্ৰভঙ্গ দি**—( বিশৃঙ্খল হৈ আঁতৰি যা )—বন্দুক লৈ চিপাহীবিলাক অহা দেখি উন্মত্ত জনতাই **ছত্ৰভঙ্গ দিলে।**

**ছন-ভুঁইত জুই পেলোৱা দি**—( বৰ ডাঙৰ ডাঙৰকৈ ভুকু মাৰ্ )—মাকে' ল'ৰাটোক নো কি সন্তেবে **ছন ভুঁইত জুই পেলোৱা দিলে ?**

**ছন ভুঁইৰ কালা**—( কালা—খেচাৰি কলাই। য'বপৰা একোকে পোৱা সম্ভৱ নাছিল, ত'বপৰা পোৱা সামান্য বস্তুও যথালাভ )—যদি সম্পত্তিৰ দাবী কৰি এপুৰা মাটিও পোৱা, সেয়ে লাভ। **ছন ভুঁইৰ কালা,** কোবাই-খোবাই যি পালা, সেয়ে জানো কম লাভ ?

**ছয় চতিয়া ছয় পুত**—( কৰ্মেন্দ্ৰিয়ৰোৰ পুত্ৰতুল্য )—মানুহৰ **ছয় চতিয়াই ছয় পুত ;** সেইদেখি যি মানুহ চতিয়াৰ মুৰ খোৱা, সিহে হতভাগ্য।

**ছয় পো ৰাৰ নাতি দেখ্**—( অতিশয় দীৰ্ঘজীৱী আৰু ভাগ্যবান হ )—এইজন বুঢ়া বৰ ভাগ্যবান ; **তেওঁ ছয় পো বাৰ নাতি দেখিছে।**

**ছল-ছুন্দ**—( ছলনা বা প্ৰতাৰণা )—**ছল-ছুন্দ** কৰি তাক ধৰি আনিবা।

**ছলত কাণ কাট্**—( বিশেষ কৌশলেৰে শত্ৰুক অপদস্থ কৰ্ বা নিজৰ অভিপ্ৰায় সিদ্ধ কৰ্ )—থাবলৈ মাতি নি তেওঁ যে মোৰ **ছলত কাণ কাটিব,** বুজাই নাছিলোঁ।

**ছলাহ-মলাহ**—( কাঁকিফুঁকা )—**ছলাহ-মলাহ** এৰি দিয়া ; মন পুতি কাম কৰা।

**ছলাহ মাৰ্**—( প্ৰতাৰণা কৰ্ )—সি মোৰপৰা টকাকেইটা **ছলাহ মাৰি** নিলে।

**ছলি-ধৰীয়া**—( কেঁচুৱা থকা মাইকী )—তেওঁ **ছলি-ধৰীয়া** মাইকী, তোমাৰ দৰে ঢাং-মুঠীয়া নহয় ; আহোঁ বুলিয়েই এই বাৰিষা সতকাই অহা টান।

**ছলি ধৰক, বেজৰ প্ৰজাপ চা**—( বৰ ডাঙৰ শক্তি থকাৰ বৰিও কোনো

কাম কৰিবলৈ উদ্যত হ)—মোৰ টকা হেজাৰ যায় যদি যাব; সি বাক তথা ব্ৰহ্মপুত্ৰটো সাঁতুৰি পাৰ হৈ দেখুৱাওক। **ছলি মৰক, বেজৰে প্ৰমাণ চাওঁ।**

**ছলিৰ মেল, কলৰ তেল**—(মূল্যহীন কথা, কাম বা বস্তু)—তোমালোকে অভিজ্ঞ লোক এজনক সুধাই লোৱাঁ; নহলে তোমালোকৰ এই কাম **ছলিৰ মেল কলৰ তেল** বুলি লোকে উলাই কৰিব।

**ছলে-বলে**—(ছল চাতুৰী বা শাৰীৰিক শক্তি প্ৰয়োগ কৰি; যি কোনো উপায়ে)—**ছলে-বলে** শত্ৰুক অপদস্থ কৰাই তেওঁলোকৰ উদ্দেশ্য।

**ছহ দি**—(মান্তি কৰিবলৈ মিছা আশা দেখুৱা)—ভাল গাই এজনী দিম বুলি তেওঁ **ছহ দি** মোৰপৰা দহ টকা আগ-ধন নিছিল।

**ছাঁ চাই নাচ্**—(মিছা অনুমানৰ ওপৰত কোনো কাম কৰ্)—মিছাতে মোক শত্ৰু ভাবি **ছাঁ চাই নাচিছা**; পিছতহে বুজিবা।

**ছাঁটোক নধিয়ালে, ছাঁটোৱে নধিয়া**—(যাক যেনে ব্যৱহাৰ কৰা যায়, তাৰপৰা তেনে ব্যৱহাৰ পা)—তুমি তেওঁক হেই হেই কৰিছা; সি তোমাক শ্ৰদ্ধা কৰিব কিয়? **ছাঁটোক নধিয়ালে ছাঁটোৱেও নধিয়ায়।**

**ছাঁটোকে বাঘ যেন দেখ্**—(অমূলকভাৱে ভয় পা) পৰীক্ষালৈ ভয় কিহৰ? পঢ়াশুনা কৰা; **ছাঁটোকে, বাঘ যেন দেখাৰ** একো কাৰণ নাই।

**ছাঁত ডাঙৰ হ**—(কষ্ট নোপোৱাকৈ বয়সত বাঢ়্)—ইমান দিনে **ছাঁত ডাঙৰ হৈছা**; সংসাৰৰ দু তা পোৱা নাই।

**ছুঁতে শুকোৱা, মুঠিতে লুকোৱা**—(সুকোমল আৰু মিহি বা ধুনীয়া)—অসমীয়া শিপিনীসকলে **ছুঁতে শুকোৱা, মুঠিতে লুকোৱা** কাপোৰ বব পাৰে।

**ছুঁতো ভৰি জিজি**—(কোনো সম্পৰ্ক নাথাক্)—'শিশুপাল বধাৰ মই **ছুঁতো জিজিও ভৰি।**'

**ছুঁহা-ৰাহা**—(হা-হুমিয়ে গোটেই পৰিয়ালটো)—পূজাৰ বন্ধত তেওঁলোকৰ **ছুঁহা-ৰাহাই** আমাৰ ঘৰলৈ আহিছিল।

**ছাই-আজি**—(অপদাৰ্থ বা অসাৰ বস্তু; বালিৰ বাব)—ধন-সম্পত্তি **ছাই-আজি**; জ্ঞানহে থাকী সম্পদ।

**ছাই ধাবলৈ হৈ হৰিণা ফান্দত পৰ্**—(লোভত পৰি বিপদত পৰ্)—

ছাই খাবলৈ গৈ ৰবিণা কান্দত্ পৰিছিলি ? অইতো জানো দুঁহিয়াৰ খাইছিল যে আমাৰ দুঁহিয়াৰ খাবলৈ গৈছিলি ?

**ছাই খেঁচৰ্**—(অন্যায় উপায়েৰে উপাৰ্জন কৰ্)—দুঁহাই খেঁচৰা কৰাৰে সেই কৃপণটোৰ ধনত গৰুৰ পোক সৰে।

**ছাই ছটিয়া দি**—(ৰৰ অনাকৈ পৰ্—মহ চেকেৰা আদি)—এহে ৰোমহা খাতি **ছাই ছটিয়া দিছিল।**

**ছাইমুঠি ধৰিলে সোণমুঠি হ**—(ভাল দিনত সকলো কামে ভাল হ)—তেওঁলোকৰ এতিয়া সকলো কামে জয়জয় ময়ময়; এনেকি **ছাইমুঠি ধৰিলেও** সেয়ে **সোণমুঠি হয়।**

**ছাই-ধুৱা কৰ্**—(কথা বা কামেৰে অপদস্থ কৰ্)—জেৰত সভাতে কেই আষাৰ-মান কৈ বুঢ়ায়ে তেওঁক **ছাই-ধুৱা কৰিলে।**

**ছাইৰে জুই ঢাকিব নোৱাৰ্**—(সত্য লুকাই ৰাখিব নোৱাৰি)—মানুহটো কোনে মাৰিলে, আজি নহলেও এদিন আপুনি সদৰী হব; **ছাইৰে জুই ঢাকিব নোৱাৰি।**

**ছাগৰ যিমান ভয়, বাঘৰো সিমান ভয়**—(শত্রু হলে সৰুৰ যিমান ভয় বা চিন্তাৰ কাৰণ থাকে, ডাঙৰ বা বলৱানৰো সিমান থাকে)—তেওঁ তোমাৰ অপকাৰ কৰিব বুলি তুমি যিমান ভয় কৰিছা, তোমাকো তেওঁ সিমানে ভয় কৰিছে; **ছাগৰ যিমান ভয়, বাঘৰো সিমান ভয়।**

**ছাগল চাৰি ফুৰ্**—(নিৰৰ্থ নোহোৱাকৈ দিনটো ঘূৰি ফুৰ্)—দিনটো **ছাগল চাৰি ফুৰিছ;** এতিয়া সাজ-পতুলিতে বিছনাত পৰিলি; পঢ়িবি কেতিয়া ?

**ছাগল-চোকাৰী**—(চেঁচেপ্তৈ কথা কৈ যিনা সকালে ঘূৰি ফুৰা মানুহ)—তোমাৰ দৰে **ছাগল-চোকাৰী** মানুহৰ ঘূৰি ফুৰাৰ বাহিৰে আন কাম কি আছে ?

**ছাগল বাৰ দি**—(কোনো কাৰ্যৰ নিমিত্তে নেবা নেপেৰাকৈ ধৰ্)—তেওঁ টাকাৰ বাবে কেনেকৈ **ছাগল বাৰ দি** ধৰিব; তুমি একবাৰ কেনেকৈ ?

**ছাগলী মৰিবৰ বাৰ বছৰ হোৱাতহে ছাগলীয়ে বেবা**—(কোনো কথা আও-পুৰণি হ'ল, সেই কথা অনাহকত উথাপন কৰ্)—এই মাটি তেও তুমি বছৰ আগেয়ে আনৰ হাতত গ'ল, এতিয়া তাক বিচাৰিলে পাবা কেনেকৈ ? **ছাগলী মৰিবৰ বাৰ বছৰ হ'ল, এতিয়াহে সেই ছাগলী বেবায় যে ?**

**ছাগলীয়ে আখায় কি, পগলাই অকয় কি**—(মনত যি আহে, বিবেচনা নকৰাকৈ তাকে কৰ্)—তাৰ কথাত কাণ নিদিবা; নিজৰ বিবেচনাৰে কাম কৰা; তাৰতো জানাই, **ছাগলীয়ে আখায় কি, পগলাই অকয় কি**?

**ছাগলীয়ে পাণ খোৱা দি**—(বৰ খৰকৈ আৰু বৰ আগ্ৰহেৰে কথা ক)—তেওঁ কথা কবলৈ ধৰিলে **ছাগলীয়ে পাণ খোৱা দিয়ে**।

**ছাগলীৰ কাণ মল্**—(দুৰ্বলক ওপৰত অত্যাচাৰ কৰি অসাৰ্থক পুৰুষালি কৰ্)—**ছাগলীৰ কাণ মলিব** পাৰি; সি নিচেই হাল-হিগা; তাক অপমানিত কৰাটো বীৰত্ব চিন নহয়।

**ছাগে বাঘে একে ঘাটতে পানী খা**—(তন্ত স্বাভাবিক শত্ৰুতা পাহৰি মিত্ৰভাৱে থাক)—ৰজাৰ প্ৰতাপত সেই দিনত **ছাগে বাঘে একে ঘাটতে পানী খাইছিল**।

**ছা-ছলি**—(বা **ছায়-ছলি**)—(সঁঝা-কোৱালী)—**ছা-ছলিয়ে** আজি আমাৰ ঘৰলৈ আহিবা।

**ছাট মাৰ্** (১। পানীয়ে ঢাকি ধৰ্ বা বুৰাই পেলা। ২। বৰ উজ্জ্বল কিৰণৰ দ্বাৰা দেখা হ)—১। বানপানীয়ে গাঁওখন **ছাট মাৰিলে**। ২। দুৱাৰখন জপাই দিয়া, পোহৰে **ছাট মাৰি** ধৰে।

**ছাটি ধৰ্**—(চাৰিওফালে আগুৰি বা বেৰাই ধৰ্)—মুহূৰ্ততে জুয়ে ঘৰটি **ছাটি ধৰিলে**।

**ছাটি-ফুটি কৰ্**—(শাৰীৰিক বা মানসিক কষ্টত ছট্‌ফটা)—তেওঁ বিছনাত পৰি **ছাটি-ফুটি কৰি** আছিল।

**ছাটি মাৰ্**—(ছটিয়াৰ দৰে কৰ্; বহলাই নিক্ষেপ কৰ্)—১। গৰুটোৱে নেজেৰে **ছাটি মাৰি** মহ খেদিছে। ২। পানী এচলুৰে **ছাটি মাৰি** দিয়া।

**ছাটি খা**—(চাৰিওফালে বিয়প্ বা আগুৰি পৰ্)—১। সি চোৰ বুলি তাক **ছাটি খৈছে**। ২। খাজিটোৰ ভিতৰতে পানী **ছাটি খ'লে**।

**ছান্দী-ফৰী**—(গাই খীৰাওতে পাছ ঠেংদুখন বান্ধি থোৱা ৰছী)—গাইজনী ভালেই পাব; **ছান্দী-ফৰীও** নালাগে; যেনে তেনে খীৰাব পাৰে।

**ছান্দি-বান্ধি ধৰ্**—(একেন মোহৰাকৈ সম্পূৰ্ণ এবাপসহ জব কৰ্)—এই বাদি

টকা চুৰ কৰিছোঁ, ছাম্বি-বাম্বি মৰবা কিয় ? তাকে মৰণি কনুৱাৰ বটি ভুৰাটো মই বেচা পাইছোঁ।

ছাম্পি-বোকা—(কাপোৰেৰে বান্ধি পিঠিত লোৱা কেঁচুৱাৰ বোকোচা)—জনজাতীয় মানুহৰ মাজত এতিয়াও ছাম্পি-বোকা লোৱা দেখা যায়।

ছাল কাট—(সাপ, পৰু আদিয়ে মোট সলা)—সাপটোৱে বেছিকৈ ৰকচম কৰিব পৰা নাই; এইমাত্ৰ ছাল কাটিছে।

ছাল কাঢ়ি লোণ দে—(আনক কষ্ট আৰু বিশেষ ক্ষতিগ্ৰস্ত কৰিও নিজৰ স্বাৰ্থ সাধন কৰ্)—কৃপণে টকা নাপাই মানুহটোৰ ছাল কাঢ়ি লোণ দিব বুলি প্ৰতিজ্ঞা কৰিছে।

ছাল-ছিগা—(চুৰিকৈও গাৰ ছাল পৰ্যন্ত কাটি লোৱা; তেনেই নিচলা)—ছাল-ছিগা ভিকহু এটাক মাৰি অপৰাধ কৰিলা।

ছাল-ছিগা-ঢেকুৰা—(তেনেই দুৰ্বল, গতিকে ঘৃণা বা উপহাসৰ পাত্ৰ)—সেই ছাল-ছিগা-ঢেকুৰাটোক কৈ দিবা, সি কি পাৰে কৰক, মই ভয় নকৰোঁ।

ছাল-ছিগা ঢেকুৰাৰ বাঘবায় আম—(আনে স্বীকাৰ নকৰিলেও নিজকে নিজে কোনো বিষয়ে বৰাই কৰ্)—তোমালোকে নামানিলেও, তাৰ মানত তাৰ সমান বলবান কেও নাই; ছাল-ছিগা ঢেকুৰাৰো বাঘবায় আম সে ভাল পায়।

ছাল-বাকলি নোহোৱা হ—(তেনেই নিঃসম্বল হ)—ধাৰত ভেটৰ ছাল-বাকলি নোহোৱা হ'ল।

ছাৰ-ছলি—'ছা-ছলি' চোৱা।

ছাৰধৰীয়া বাঘ—(পৰৰ অপকাৰ কৰিবলৈ ছল চাই থকা মানুহ)—সি ছাৰধৰীয়া বাঘ; তাক বিশ্বাস কৰিলে বিপদত পৰিবা।

ছাৰলে মাৰলক বাজ্—(সামান্য মানুহে ডাঙৰ কাম বা অপদস্থ কৰ্)—এই পৰবীয়াটোৱে তাৰ গৰুৰে ধান খুৱাই মোৰ গৰুৱে খোৱা বুলি ছাৰলে মাৰলক বাজিবলৈ আহিছে।

ছিকো ছিকো নাৰিকল, তিনকহে উভয় কল—(বিভিন্ন লোকৰ বিভিন্ন ৰুচি, বান্দৰেও তিনকহে ভাল পায়)—তোৰ দৰে মানুহে পাগল বোলা বোলাটো স্বাভাৱিক; কথাতে কয়,—ছিকো ছিকো নাৰিকল, তিনকহে উভয় কল।

ছিগা (বা) জগা হাড় লোৱা মাজাল্—(এবাৰ মনোবিচ্ছেদ হলে মুলাই মনৰ

সম্পূৰ্ণ মিল হয়)—ছিগা হাড় যোৰা লাগালে; তালৈকইতো মিল হুলাই কেনেকৈ হ'ব?

**ছিটা দি**—(পাব হ'ল কালি বসন্তৰোগৰ বীজ লগা)—বসন্ত ৰোগ নিৰ্মূল কৰিবলৈ চৰকাৰে সকলো মানুহকে **ছিটা দিবলৈ** স্থিৰ কৰিছে।

**ছিটা পৰ**—(১। তুলীয়া বস্ত হটিয়াই দিয়াত বা এনেয়ে ছিটিকণি পৰ। ২। ঠেকা লাগ)—১। পুৰোহিতে শান্তি কৰিলে হয়; ৰোগ শান্ত হলে পানীৰ এটা **ছিটাও নপৰিল**। ২। সেই কামটোৰ **ছিটা** তেওঁৰ গাতো **পৰিল**।

**ছিটা পৰিবলৈ নিদি**—(কোনো দোষ বা নিন্দনীয় কামে যাতে স্পৰ্শ কৰিব নোৱাৰে, তাকে কৰ)—পুতেকৰ নাম ওলালেই মাকে জঁাপ মাৰি উঠে, পুতেকৰ গাত **ছিটা পৰিবলৈকে** নিদিয়ে।

**ছিটিকি ফুৰ**—(কোনো প্ৰকাৰৰ উত্তেজনাৰ বাবে একে ঠাইতে থাকিব নোৱাৰি অস্থিৰ হৈ ফুৰ)—কথাটো শুনিলেই তেওঁ খঙত **ছিটিকি ফুৰিবলৈ** ধৰিলে।

**ছিদ্ৰিৰ ধৰ**—(আনৰ দোষ, ভগৰ বা দায় বিচাৰি বিচাৰি উলিয়া)—আনৰ **ছিদ্ৰিৰ ধৰি** ফুৰা লোকক কেৱে ভাল নাপায়।

**ছুই খাই আমা**—(ছুবলৈ বা ওচৰলৈ আহিবলৈকে নিদি, মানকে দুগুণ)—তোমাৰ সহায় কথাটোত তেওঁ **ছুই খাইয়ে আমাৰ**।

**ছুই নিকিলা**—(যাব-খব মকলাকে গালি-শপনি পাৰিলেই নিজোৱাৰ দৰে অপমানিত কৰ)—তেওঁ ছোৱালীজনীক **ছুই নিকিলালে**; তাই কান্দি কাটি উভতি আহিছে।

**ছুবলৈ পালে খাবলৈ পা**—(কোনো অধিকাৰ কিছু পালে কালক্ৰমে সকলো অধিকাৰ পা)—এতিয়া সামান্য অংশ পালেও সকলোখিনি কালক্ৰমে তোমাৰ হাতলৈ আহিব। **ছুবলৈ পালে খাবলৈ পায়**, তুমিও পাবা।

**ছুটিন মাপা**—(কামকাজ আৰু মাপা)—তবে দিনটো **ছুটিন পোৱা নাই**; এতিয়া অলপ জিৰাও বুলিছোঁ।

**ছুটি লাগ**—(আনৰ সম্পৰ্কত অহাত বৰিয়া আদি হ)—সেই ছিমোজনীয়ে তোমাৰ নিমকপৰা কেঁচুৱাটোৰ দিনা **ছুটি লাগিল**; যথিমাই নেমাই হ'ল।

**ছেই ছেই ছেই ছেই কৰ**—(মনকে দুখৰ ভাব প্ৰকাশ কৰ)—তোমাৰ এই দু-অৱস্থাৰ বাবেই মানুহে তোমাক **ছেই ছেই ছেই ছেই কৰে**।

হেই-নেহেই কৰ্—(খোৱা-বোৱাত ঘৃণাৰ ভাৱ প্ৰকাশ কৰ্)—ভাত খাওঁতে তুমি সদায় হেই-নেহেই কৰা কিয় ?

হেঁপ মাৰি—(হুচল পালে; মাজে সময়ে)—১। হেঁপ মাৰি তেওঁ সকলো কাম নিয়াৰিকৈ কৰে। ২। হেঁপ মাৰি আছি থাকিবা।

হেপা-চোবোকা—(এঠাইত হোৱা এঠাইত নোহোৱা)—আহুখেতি এইবাৰ ভাল হ'ল; দুই-এঠাইত হেপা-চোবোকাকৈ হৈছে।

হেদ-ভেদ নাই—(বিপত্তি, বিভ্ৰাট বা ভয় নাই)—তাৰ কথাৰ কোনো নিজা হেদ-ভেদ নাই; কথটো ধৰিলে কি থাকে, কিন্তু সাৰ-মৰ্ম একোকে নোপোৱা।

হেদি-ভেদি ক—(খাটাংকৈ ক)—তুমি যাবি হ'লা নে নাই, হেদি-ভেদি নোকোৱা কিয় ?

হেদেলি-ভেদেলি হ—(ছিন্নভিন্ন হৈ যা)—আমাৰ সৈন্যৰ আক্ৰমণ সহিব নোৱাৰি শত্ৰুসৈন্য হেদেলি-ভেদেলি হৈ গ'ল।

হেমুখ তোল্—(বিৰোধ কৰ্; বিদ্ৰূপ কৰ্)—কাম কৰাৰ সাধ্য নহলেও তই কিন্তু মাতৰ হেমুখ তোলাত বৰ কাজী।

হেলো-বেলো—(নিষ্ফল; বৰ নিপুণ নোহোৱা; অসাধন)—১। কামটো বৰ হেলো-বেলো হ'ল। ২। তেওঁ হেলো-বেলোকৈ কিবাকিবি কৰে।

হেলো-মণি—(কামত সাধন লগাব নোৱাৰি লেবেৰা লেবেৰি কৰা মানুহ)—কামটো কৰিব নোৱাৰিলে; হেলো-মণিয়ে এতিয়া কি কৰে ?

হেলোৱা কপৌ—(অতি ক্ষীণ মানুহ)—ল'ৰাটোৰ গাটোত একো নাই; এটা হেলোৱা কপৌহে।

হেলোৱা লাগ্—(নিবাৰণ বা অকৃতকাৰ্য হ)—কামত আগবাঢ়িব নোৱাৰি হেলোৱা লাগিছে।

হৈ-পিঠিয়া লাগ্—(বৰ প্ৰখৰ ৰ'দত আধা-পোৰা হ)—কেঁচুৱাটো এনে ৰ'দত হৈ-পিঠিয়া লগাইছা কিয় ?

# ঝ

**ঝাঁম (বা ঝাঁই) পৰ্**—(১। লেবেলি যা। ২। লাজ, খংবাগ আদিত তলমূৰ কৰ্)—১। এদিন এই গৃহস্থালি উজ্জ্বল আছিল; আজি **ঝাঁম পৰি** গ'ল। ২। ছোৱালী-জনী বেজাৰত **ঝাঁম পৰি** গ'ল।

**ঝাঁক উঠ্**—(খং উঠ্, উত্তেজিত হ)—কৈচুৱাটোৰ বৰ **ঝাঁক উঠিছে**; পিছুৱাই গুৱাই থোৱা।

**ঝাঁক দি**—(খঙত বা বিহ লাগি বিকাৰগ্ৰস্ত হ)—আমাৰ গাঁৱত কুকুৰ এটা **ঝাঁক দিছে**; সি কেইবাজনো মানুহ কামুৰিলে।

**ঝাঁকি উঠ্**—(১। অকস্মাৎ খং কৰি উঠ্। ২। মৰিয়া আদি উক দি)—১। মোৰ প্ৰস্তাৱত তেওঁ **ঝাঁকি উঠিল**। ২। বাৰী বাই তাৰ মৰিয়া **ঝাঁকি উঠিছে**।

**ঝাঁট ভাঙ**—(আউল ভঙা; বিশৃঙ্খলা আঁতৰ কৰ্)—১। মৰাপাটখিনি **ঝাঁট ভাঙি** থোৱা। ২। কাজিয়াৰ **ঝাঁট ভাঙোঁতে** ভাঙোঁতে ৰাতি পুৱাই গ'ল।

**ঝাঁট লাগ্**—(আউল লাগ্)—১। সূতাৰ **ঝাঁট লাগিল**; মই হলে ভাঙিব নোৱাৰোঁ। ২। কথাৰ পাকত কিবা **ঝাঁট লাগিল**; দুয়ো খণ্ডাখণ্ডিকৈ উঠি গ'ল।

**ঝাঁটিয়া গোসাঁয়ে বাহ ল**—(চুলিত বৰকৈ ঝাঁট বাৰ)—ছোৱালীজনীৰ মূৰত **ঝাঁটিয়া গোসাঁয়ে বাহ লৈছে**। ঝাঁট ভাঙি দিয়া।

**ঝাঁৰিবৰ ভূৰ খা**—(বৰ বিমোৰত পৰ, ত্ৰাস লাগ)—উকীলৰ জেৰাই বৰ চতুৰ মানুহকো **ঝাঁৰিবৰ ভূৰ খুৱাব** পাৰে।

**ঝকাৰ কাৰ দি ধৰ্**—(বহুত মানুহে আগুৰি ধৰি চাৰিও কাষৰপৰা ডাঙৰ ডাঙৰকৈ কথা সোধ্)—তোমালোকে মোক **ঝকাৰ কাৰ দি ধৰিলা** কিয়? কব লাগিছোঁ, ধৈৰ্য ধৰি শুনা।

**জগতৰ মূৰত ভৰি দি**—(ৰাজপাটত উঠ্)—কোঁৱৰে ষোল বছৰ বয়সত **জগতৰ মূৰত ভৰি দিলে**।

**জপাজি-মোহন**—( সাজ-সিহনি )—বাৰবোৰ ৰিবে ৰিবে সাজে তুমি নেখোন জপাজি মোহন কৰিলা !

**জপা-কাঠ**—( পানীৰ তলত পৰি থকা কাঠৰ দৰে নৰচৰ নকৰাকৈ পৰি থকা অকামিলা মানুহ )—সি এপেট খাই পৰি থাকে ; এনে জপা-কাঠক মই চাকৰ ৰাখাবোঁ।

**জকল-বকাহ**—( লেতেৰা আৰু পাৰিপাটী নোহোৱা মানুহ )—সেই জকল-বকাহটোক মই শহৰ বুলিব নোৱাৰোঁ।

**জড়-ভৰত**—( লৰচৰ নকৰাকৈ বহি থকা, অকামিলা, একো নজনা মানুহ )—কেউ কেনেকৈ ইমান ধন আৰ্জিলে ? মানুহজনক জড়-ভৰত যেন দেখি।

**জধা-মূৰ্খ**—( অতিশয় মূৰ্খ লোক )—সেইটো জধা-মূৰ্খ ; তাক সহায় কৰি লাভ নাই।

**জধে-মধে**—( বিবেচনাহীনভাৱে ; পাৰিপাটী বা শৃঙ্খলা নোহোৱাকৈ )—কাপোৰবোৰ জধে-মধে কিলাই দিদিলা ; কাক কি দিব লাগে, মই চাই-চিন্তি দিম।

**জনত থাকি মনত ৰ**—( কোনো কাৰ্যত উপস্থিত থাকি বা আন উপায়ে বাহ্যিক সহানুভূতি দেখুৱা )—এতিয়া কেউ জনত থাকি মনত ৰখাৰলৈহে আহিছে ; সহায় কৰিবলৈ অহা নাই।

**জনম-জাতি ক**—( খাঁতি-ভুৱি ক )—এই মানুহটোৰ জনম-জাতি কোনোৱে কব নোৱাৰে।

**জনমটি যা**—( গোটেই জীৱন দুখত অতিবাহিত হ )—ইয়াৰ চৰ তাৰ ভুল খাই বেচেৰীৰ জনমটি গ'ল।

**জনম-কাটক**—( চিৰজীৱনলৈ হোৱা কাৰাদণ্ড )—মানুহটো কটা যাবে তাৰ জনম-কাটক হৈছে।

**জনম-দুৰীয়া**—( এটা জীৱনৰ পৰিমিত থকা )—যদিহে জনম-দুৰীয়া হ'ল ; মোৰ পিছত যেয়ে যি কৰে, কৰিব।

**জনমৰ দুখীয়া**—( আজন্ম দৰিদ্ৰ )—মই জনমৰ দুখীয়া ; দুখতে জীৱন যাব।

**জল-বুৰি**—( জলে পৰি )—জল-বুৰি পাঁচ পণ্ডাইক লাৰবোৰ ভগাই দিলা।

**জলাজাত দি**—( সকলোৰে জনাজনাকৈ জাতক ধৰি পানি পাৰ )—পাপকীৰ্তিয়ে ৰৌজাবাৰক আজি জলাজাত দিলে।

**জনাৰ ভাত-মাছ, নজনাৰ গলগ্ৰহ**—(জনা মানুহৰ পক্ষে প্ৰত্যেক কাম সহজ, নজনাৰ পক্ষে বৰ কঠিন)—এই কামত মোৰ দুদিন লাগিল; তুমি এদিনতে কৰিলা; **জনাৰ ভাত-মাছ, নজনাৰ গলগ্ৰহ,**—মোলৈ সেয়ে হ'ল।

**জব জোহোৱা কৰ্**—(কাৰোবাক উপদ্ৰৱ কৰি ব্যস্ত কৰ)—পুৱাৰপৰা বিহুৱাবোৰ ঘটি ঘটি ইহঁতে **তাৰ জব জোহোৱা কৰিছে।**

**জপ-মালা**—(১। জপ কৰোঁতে হাতত লৈ গণি থকা মালা। ২। সদায় বুকুত লাগি থকা বা আদৰৰ বস্তু আদি)—১। সন্ন্যাসীয়ে **জপ-মালা** লৈ জপ কৰি আছিল। ২। মোৰ ল'ৰাটোৰ মাকৰ লগত সম্বন্ধ নাই; সি আবুৰেকৰ **জপ-মালা** হৈছে।

**জপা-পিৰা**—(বহুত জপাৰ ভিতৰত থাকি পুৰণি হোৱা)—এই **জপা-পিৰা** কাপোৰখন ইমান দামত কিনিব নোৱাৰি।

**জপাৰ কাপোৰ পোকে কুট্**—(সুযোগ থাকোঁতে তাৰ সদ্ব্যৱহাৰ নকৰিলে সেই সুযোগ নাথাক্)—কাম-বন কৰিবলৈ সুচল থাকোঁতেই কৰি লোৱাঁ; সুচল সদায় নাথাকে; **জপাৰ কাপোৰো পোকে কুটে।**

**জপাৰ ভিতৰত সোমাই থ**—(কোনো বস্তু বৰ নিৰাপদে ৰাখ্)—গাঁৱত বেমাৰ-আজাৰ হ'ল বুলি ল'ৰা-ছোৱালীকেইটাক নো ক'ত **জপাৰ ভিতৰত সোমাই থবা?**

**জবান-চোৰ**—(নিজৰ বাক্য বা অঙ্গীকাৰ ৰাখিবলৈ অসমৰ্থ)—ঘৰৰ দুখীয়া হ'লা বুলিয়েই **জবান-চোৰ** হবা নে?

**জমক উঠ্**—(জঁক উঠ্; উত্তেজিত হ)—তাৰ নো কি **জমক উঠিছে;** কোনে তাক কি কলে?

**জহ্জহ্ কৰ্**—(কাৰোবাক বেদনা বা দুৰ্বলতা অনুভৱ কৰ)—মূৰটো মোৰ **জহ্জহ্ কৰিছে;** অলপ শোওঁ বলা।

**জয় কামত জয় জোহোৱা হ**—(সৌভাগ্যৰ দিনত কোনো বিষয়ত খাটি যোৱাৰ শঙ্কা নোহোৱা হ)—**জয় কামত জয় জোহোৱা হয়;** তেওঁ যি কামতে হাত দিয়ে, তাতেই সুখ্যাতি হয়।

**জয়-ঘণ্টা লাৰ্**—(কোনো মানুহক চুলিত ধৰি ঘণ্টা জোকৰা দি)—মানুহটোৱে সমাজৰ মাজতে গাঁওবুঢ়াৰ **জয়-ঘণ্টা লাৰি** দিলে।

**জয় জয়—মৰ মৰ**—(সকলো প্ৰকাৰে প্ৰভুত্ব)—তেওঁলোকৰ এতিয়া সৌভাগ্যৰ দিন, সকলো কামতে **জয় জয়—মৰ মৰ।**

**জয়ঢোল কোবা**—( কোনো সৌভাগ্যৰ বাবে উচ্চ স্বৰেৰে গৌৰৱ বা আনন্দ প্ৰকাশ কৰ্ )—তুমি যো কি ভাল কামটো কৰিলা যে **জয়ঢোল কোবাই** ফুৰিব লগীয়া হৈছে ?

**জয়েকেউ-কাকুতি**—( অতি আগ্ৰহ আৰু আন্তৰিকতাৰে কৰা কাকুতি )—তেওঁৰ **জয়েকেউ-কাকুতিত**, সকলোৱে বুলিও মানিবলৈ বাধ্য হ'ল।

**জয় পাতে ক্ষয়**—( সৌভাগ্যৰ অলপ পিছতে অৱনতি )—এবছৰৰ ভিতৰতে ইমান ধন আৰ্জি আজি তেওঁৰ **জয়পাতে ক্ষয়** হ'ল।

**জয়যাত্ৰা কৰ্**—( মঙ্গল কামনাৰে কোনো কাৰ্য আৰম্ভ কৰ্ )—মানুহৰ বেলেগা লাগিল ; আমাৰ কৰবলৈকেই **জয়যাত্ৰা কৰিব** পৰা নাই।

**জয় ৰাম বোল্ জয় হৰি বোল্**—( কোনো কাৰ্য শেষ কৰ্ )—আৰ একটামান দৈৰ্য ধৰা ; **জয় ৰাম জয় হৰি বুলিবৰ** সময় হৈ আহিছে।

**জয়ে-জয়ে** ( বা **জয় জয়তে** )—ভগৱানক সুঁৱৰি কোনো কাৰ্য আৰম্ভ কৰোঁতেই ; আৰম্ভণিতে )—**জয়ে জয়ে** আমি বাইজৰ ওচৰত মুখ দেখুৱাইছোঁ।

**জৰা-থৰা**—( জৰা—সং—ক্ষয় হোৱা। থৰাং : শুকাই খীণাই যোৱা ; থৰ কট-কৰ্ )—এই চাৰি দিন **জৰা-থৰা** লগোৱা খাটিব লাগিব।

**জৰা বেত অহা দি**—( খং উত্তেজিত হৈ বেগাই আহ্ )—খাবলৈ পকৰে থাকা বুলি শুনি গৰাকীয়ে **জৰা বেত অহা দিছে**।

**জৰা হাত**—( মাৰ-ধৰ কৰাত খং বেছিকৈ চলা হাত )—তাৰ **জৰা হাত** ; যাকে তাকে মাৰি ফুৰে ; সেইদেখি তাক মানুহে ভয় কৰে।

**জৰীত ধৰি বল নিদি**—( মানুহক দেখুৱাবলৈ কামত ধৰি তাক আন্তৰিকতাৰে নকৰ্ )—সি কেতিয়াও **জৰীত ধৰি বল নিদিয়ে** ; তেনে মানুহেদি মোৰ কাম হৈ উঠিব।

**জৰী বৰকৈ টানিলে ছিগ্**—( কোনো কাৰ্য বৰ তাললৈ কৰিবলৈ অতিৰিক্ত শক্তি প্ৰয়োগৰদ্বাৰা কামটো নষ্ট কৰ্ )—**জৰী বৰকৈ টানিলে ছিগি যায়** ; তোমাৰ ল'ৰাকো এনে কঠোৰতাৰে শাসন কৰিবলৈ যাওঁতে শাসনৰ ডোল ছিগি যাব চাবা।

**জৰীডালেই সাপ হ**—( অমূলক বিষয় বা বস্তুৱেই সঁচা বুলি ভ্ৰম হ )—দুৰ্বল মনৰ মানুহৰ পক্ষে **জৰীডালেই সাপ হয়**, আৰু তেনে সাপবলয়া বস্তু পৰিবৰ্তনেকেই হাহাকুৰি খাব লগীয়া হয়।

**জলক-তবক দি**—( ভয় বা বিমৰ্ষ হৈ নথকা বা চৌপাশৰ উপদ্ৰৱত বহি থাক্ )—গৰুটোৱে আজি ঘাঁহ-পানী খোৱা নাই; **জলক-তবক দি** আছে।

**জলকীয়াৰ জলাকেই সোৱাদ পা**—( কোনো অনিষ্টকৰ বস্তু বা কাৰ্যৰো তাৰ কোনো এটা আকৰ্ষণীয় শক্তিৰে আমাক আকৰ্ষণ কৰ্ )—জুৱাখেল তুমি বেয়া বুলিলেও তেওঁ তাক এৰিব নোৱাৰে; **জলকীয়াৰ জলাকেই সোৱাদ পোৱাৰ** দৰে তেৱোঁ তাক ভাল পায়।

**জল্জল্-পট্পট্**—( স্পষ্ট; সকলোৱে জনা বা বুজি পোৱা )—তেওঁ কি কাম কৰিছে, তাৰ প্ৰমাণ এতিয়াও **জল্জল্-পট্পট্** হৈ পৰি আছে।

**জল-জীয়াত**—( ১। জীৱিত। ২। সকলোৱে জনা )—১। শহুৰেক **জল-জীয়াত** থাকোঁতে তেওঁৰ সম্পত্তি ভবিষ্যতে কোনে খাব ভাবিব নালাগে। ২। এনে **জল-জীয়াত** ঘটনা এটা লুকাব পাৰে কোনে?

**জলত দি থলত দি**—( নানা ঠাইত নানা প্ৰকাৰে দান দি বা ব্যয় কৰ্ )—বিয়াত মূল খৰচৰ বাহিৰেও **জলত দিওঁতে থলত দিওঁতে** আৰু বহুত খৰচ লাগিব।

**জল-পটি**—( পানীত ধুৱাই ধুৱাই তিয়াই মূৰ বা আন ঠাইত তাপ কমাবলৈ পাৰি দিয়া এটা কাপোৰ )—বেছি জ্বৰ উঠিলে মূৰত **জল-পটি** দি দি থাকিবা।

**জলপান খা**—( বা কৰ্ )—( ভাত-আঞ্জাৰ বাহিৰে আন কিবাকিবি লঘু আহাৰ কৰ্ )—ভাত খাবলৈ নাথাকা যদি, অলপ **জলপান কৰি** যোৱাঁ।

**জলপানী পা**—( বৃত্তি লাভ কৰ্ )—ল'ৰাটোৱে দহটকীয়া **জলপানী** এটা **পাইছে**।

**জলম কাট্**—( পকিবৰ সময়ত বীজলীয়া নাল উলিয়াই দি—মূগাত খাটে )—মূগা পলুবোৰ পকিবলৈ পলম নাই; **জলম কাটিব** লাগিছে।

**জলম-জটম**—( জলমৰ দৰে লোলোক-চোলোক; গাত তালকে নাখাই ওলমি পৰা )—এইটো কেনে চোলা আনিলা? কিবা **জলম-জটম** হ'ল।

**জলম বাট্**—( অতিৰঞ্জিত কৰ্ )—**জলম বাটি** কথা কোৱাটো মানুহৰ প্ৰকৃতিগত অভ্যাস।

**জলম লগাই ক**—( জলম বাটি ক )—বুঢ়ীয়ে ইঘৰৰ কথা সিঘৰত **জলম লগাই** কৈ ফুৰে।

**জলা-কলা কৰ্**—( ধৰকৈ আমনি কৰ্ বা কষ্ট দি )—গৃহস্থালিৰ নানা সমস্যাই মোক জলা-কলা কৰিলে।

**জলাঞ্জলি দি**—( একেবাৰেই এৰ; সম্পূৰ্ণৰূপে ত্যাগ কৰ্ )—তেওঁৰপৰা সেই টকা কেতিয়াও নাপাওঁ বুলি আজি জলাঞ্জলি দিলোঁ; তাৰ মায়া আৰু নকৰোঁ।

**জলা-তিতা সহ**—( সামান্য কষ্ট বা অপ্ৰিয় ব্যৱহাৰো সহ্য নকৰ্ )—তোমাক তো কোনোৱে মাৰ-কিল কৰা নাই যে ইমান খং কৰিব লাগে; সামান্য জলা-তিতাও নোসোৱা হ'লি নে ?

**জলা মৰ**—( দেখা বা নাম আদি শুনামাত্ৰকে উত্তেজিত হৈ উঠ্ )—সি মোক ইমান বেয়া পাইছে যে এনেকি জলাকে মৰয়।

**জলাহ-যমুনা হ**—( পানীৰে উপচি পৰ্ )—বাৰিষা এইবোৰ ঠাই জলাহ-যমুনা হয়; মানুহে নাৱেৰেহে অহা যোৱা কৰে।

**জলো-থলো**—( জুলীয়াও বুলিব পাৰি, গোটাও বুলিব পাৰি, এনে অৱস্থা; কিছু পনীয়া )—বংশ-লোচন বাঁহৰ ভিতৰত থাকে; ই প্ৰায়েই জলো-থলো।

**জলো-জপো** ( বা **জলো-মলো** )—( কানি-কাপোৰ লোৱাও অপৰিপাটি )—বুঢ়ীক জলো-জপোকৈ জুইৰ কাষলৈ আহিব নিদিবা; দূৰতে বহুৱাঁ।

**জলো-পলো**—( থাকিবলৈ ঠাই নোহোৱা; নিৰাশ্ৰয় )—বিধৱা হোৱাৰ লগে লগে বুঢ়ীজনী বৰ জলো-পলো অৱস্থাত পৰিল; পুতেকহঁতে বুঢ়ীক নাচায়।

**জলো-থথো**—( ১। কিছু পনীয়া; জলো-থলো। ২। অস্থিৰ বা কঁপি থকা )—১। আঞ্জাখন বৰ জলো-থথো হৈ থাকিল; আৰু কিছু জাল লাগিছিল। ২। বুঢ়ীয়ে জলো-থথোকৈ কিবাকিবি কব যোৱোঁতে উকীলৰ জাৰি খাই একোকে নকওঁ বুলি নিমাত হৈ থাকিল।

**জলো-জোৱা**—( ধৰকৈ ফটা—কাপোৰ )—এই জলো-জোৱা কাপোৰখন পিন্ধি মই বাহিৰলৈ ওলাম কেনেকৈ ?

**জহ খা**—( জহকালি ৰাতি চোতালত বহি বা শুই গা শাঁত লগা )—চোতালত জহ খাই আছোঁ, মুখৰ আগতে এটা সাপ ওলাল।

**জহৰ-মহৰ তোল্** ( বা দা )—( অতিশয় জুলুম বা বিৰক্ত কৰ্ )—ছোৱালীজনীয়ে খামুচি, কামুৰি, কিলাই, ভুকুৱাই মোক জহৰ-মহৰ তুলিলে।

**জঁাই ধৰ**—(বং, শোক আদিত মূৰ্চ্ছা যোৱাৰ উপক্ৰম হ)—কান্দোতে-কান্দোতে ছোৱালীজনীৰ **জঁাই ধৰিছে।**

**জাকত জিলিকা**—(বহুতৰ মাজত বৰ গুণি; প্ৰখ্যাত)—মোৰ গৰুটো **জাকত জিলিকা** নহলেও বৰ বেয়া নহয়।

**জাক ল**—(জাকৰ লগত লগ ল)—কিনি অনা গৰুটোৱে এতিয়াও **জাক লোৱা** নাই।

**জাক মাতোৱা**—(কেবাদিনো ৰেখা-ৰেপেৰাকৈ আহি থকা বৰষুণ)—এই বাৰৰ **জাক-মাতোৱাত** মানুহৰ চাউল-খৰি নোহোৱা হৈছে।

**জা, কাষত থবি দা**—(আনেকবিলাকৰ কোনোৱে কাকো বিশ্বাস নকৰে)—**জা, কাষত থবি দা**; মইনো তাইক বিশ্বাস কৰিম কিয়?

**জাং-দীঘল**—(জাং আঁঠুৰ তলৰ ভাগ। দীঘলীয়া গঠনযুক্ত)—ল'ৰাটো **জাং-দীঘল**; কিন্তু সেই অনুপাতে তাৰ গা নাই।

**জাং-সৰীয়া লাগ্**—(বহুত দিন লৰচৰ নকৰা বাবে অঙ্গ প্ৰত্যঙ্গ অবশ হ)—পাইকনী গোহালিত বন্ধা ভালেই হৈছে; পিছে, **জাং-সৰীয়া লাগিব** চাবা।

**জাকি খা**—(শৃঙ্খলা লাগ্ বা খাপ খা)—দিনে-ৰাতিয়ে কাম কৰিছা হয়, তোমাৰ কামে **জাকি খোৱা নাই**; সেইদেখিহে তং নোপোৱাকৈ কৰিব লগীয়া হৈছে।

**জাকি মাৰ**—(কোনো প্ৰবল উত্তেজনাত জিকাৰ খাই উঠ্)—কব উঠে দেখি? গাটো **জাকি মাৰি** আহিছে।

**জাকুৰাই খঁকুৰাই সমাজ**—(খঁকুৰাৰ দৰে জাককৈ মানুহকো বহুত বস্ত লাগে)—হুসৰ মাংসই তেওঁলোকৰ পৰিয়ালত কি ঢুকিব? **জাকুৰাই খঁকুৰাই সমাজ।**

**জাটৈ মাৰে, ঢুকৰ নাম**—(কাম কৰোঁতাৰ নাম নহৈ আনৰ নাম হ)—কিতাপ লিখিলে ছাত্ৰজনে; নাম হ'ল অধ্যাপকৰ; ইয়াকেই বোলে **জাটৈ মাৰে, ঢুকৰ নাম হয়।**

**জাটৈকা ছোৱালী**—(বাহিৰত জাটৈ মথা আদি নানা কাম-বন কৰি ফুৰা ছোৱালী)—তোমালোক শিক্ষিত ডেকা; **জাটৈকা ছোৱালী** বিয়া কৰাবা জানো?

**জাপ দি**—(পানীৰ তলৰপৰা ওলা—ঠাইত থাক)—বানপানী কত কমিছে? গাঁওবোৰ এতিয়াও **জাপ দিয়া** নাই।

**জাপ দি পকা**—( গাখাত জাপ বা উম লগাই পকা )—এইবোৰ কল জাপ দি পকোৱা ; ইয়াক নিকিনো।

**জাপান পাত্**—( একেবাহে বৰষুণ দি থাক্ )—বৰষুণে জাপান পাতিছে ; পাঁও-ভূঁইলৈ ওলাব নোৱৰা হ'ল।

**জাপনি দি**—( মহ, অপদেৱতা আদি খেদিবলৈ বৰ ধোঁৱা কৰি দি )—তুমি কিবা জাপনি দিলা নেকি ? ধোঁৱাৰ জাপত ৰ'ব নোৱৰা হলোঁ।

**জাপাৰ-জিপিৰ কৰ্**—( বৰকৈ হুলুস্থুল কৰ ; হাবাশাস্তি কৰ )—ডেউৰ মণিলাই আমাৰ পৰিয়ালটোক **জাপাৰ-জিপিৰ কৰিলে**।

**জাঙুৰ খা**—( ১। খং কৰ্। ২। উজাব খা )—১। কুকুৰটোক নেজেঁকাবা ; সি **জাঙুৰ খালে** কামুৰিব পাৰে। ২। মৌ-মাখিবোৰে **জাঙুৰ খাই** উঠিল কিয় ? সাপ-কটাই মৌ খাবলৈ আহিছে নেকি ?

**জাঙুল খা** ( বহুতে একে ঠাইত গোট খা ; জাক পাত্ )—খাইলে মেলত বহিছে ; ল'ৰা-ছোৱালীইতে ইয়াত **জাঙুল খাই** বহিল কিয় ?

**জাজ্‌মা দি**—( অপমান কৰিবলৈ বা লাজত পেলাবলৈ পূৰ্ব দোষ বা ত্ৰুটিৰ কথা সোঁৱৰাই দি )—সদায় এনেকৈ **জাজ্‌মা দি** বোৱাৰী ৰাখ নোৱাৰি ; বোৱাৰীজনেকেও মাত দিব।

**জাজৰণি মাৰ্**—( নাক বা মুখেৰে উচ্চ শব্দ কৰি উগ্ৰ খং প্ৰকাশ কৰ্ )—ম'হটোৱে **জাজৰণি মাৰি** উঠা দেখি মই লৰি পলালোঁ।

**জাত ইচ্ছাই পাত্ বিধান ইচ্ছাই ভাত**—( মাক-বাপেক চাই ল'ৰা-ছোৱালী )—লেতেৰী মাকৰ ল'ৰা-ছোৱালী লেতেৰা নহৈ কি হব ? **জাত ইচ্ছাই পাত্ বিধান ইচ্ছাই ভাত**।

**জাত এৰ্**—( ১। নিজৰ কুল বা ধৰ্ম পৰিত্যাগ কৰ্। ২। বিজাতীয়া হ—গাত মাৰি )—১। সি **জাত এৰি** খ্ৰীষ্টান হ'ল। ২। আমজোপাই **জাত এৰিলে** ; এতিয়া আগৰ দৰে ডাঙৰো নহয়, সোৱাদো কমিল।

**জাত ওকোট্**—( কোনো মানুহক তেওঁৰ বংশৰ খাঁতি-গুৰি বিচাৰি নিন্দা কৰ্ )—হাজাৰ হলেও তেওঁৰ দৰে মানী লোকৰ **জাত ওকোটা** তোমাৰ পক্ষে উচিত হোৱা নাই।

**জাত চাই কঠিয়া**—'জাত ইচ্ছাই পাত, বিধান ইচ্ছাই ভাত' চোৱা।

**জাতত তোল্**—(নুমাই নিজৰ পূৰ্বৰ জাতলৈ আন্)—অধ্যাপকে ব্যৱস্থা দি বিধৱা-জনীক আকৌ **জাতত তুলিলে**।

**জাত-ভগীয়া**—(সম্পূৰ্ণ নিৰ্বোধ আৰু অসাধৰ)—সি **জাত-ভগীয়া**; এইটো কাম কেনেকৈ কৰিব?

**জাত মাৰ্**—(নিজৰ জাতি নষ্ট কৰ্)—কোনোৱে বললে কাৰো **জাত মাৰিব** নোৱাৰে; জাতি-ধৰ্ম কচুপাতৰ পানী নহয়।

**জাতি-জনম**—(জনম বাঁতি-গুৱি আৰু বংশৰ আদৰ্শ)—খোৱা-বোৱাত আজিকালি কোনোৱে **জাতি-জনমলৈ** লক্ষ্য নকৰা হৈছে।

**জাতি-মহত্ত**—(জাতিগত নৈতিকতা)—য'তে ত'তে খাই **জাতি-মহত্ত** খেদালি।

**জাম-মাজাম**—(অনুভৱ কৰিব পাৰিও নোৱাৰিও; অতি সামান্য)—এইটো বাটি সিটোতকৈ **জাম-মাজাম** পাতল।

**জামতা মামা**—(বৰ জনা বুলি নিজাকৈ গপ মাৰি ফুৰা মানুহ)—আমাৰ গাঁৱতো **জামতা মামা** এজন আছে; পৃথিৱীৰ কোনো কথাকে তেওঁ নজনা নাই।

**জানি শুনি বৰাহ পাগল হ**—(কোনো কথা নিজে জানিও একোকে নজনা মানুহৰ দৰে আচৰণ কৰ্)—তোমাৰ দৰে পণ্ডিতে কোষ্ঠী চাবলৈ সেই অধা-মূৰ্খটোক মাতি **জানি শুনি বৰাহ পাগল হোৱাৰ দৃষ্টান্তহে** দেখুৱাইছা।

**জাপ-জুৱাৰ**—(ওলমি থকাকৈ লগোৱা জুৱাৰ)—ঘৰটোত **জাপ-জুৱাৰ** দিলে কিছু সস্তা হব।

**জাপি-টোকোনে ওলাই যা**—(সম্পত্তিৰ অংশ বা আন সা-সম্বল নোহোৱাকৈ ঘৰপৰা ওলাই হ)—সি যদি মোৰ লগত নাথাকে; **জাপি-টোকোনে ওলাই যাওক**; তাক মই একো নিদিওঁ।

**জাপিৰ ঠাই**—(এচৰকা ঠাই; নিচেই তাকৰীয়া মাটি)—যুঠে এটা **জাপিৰ ঠাই**; তাতে কেচুপামান পালেং শাক।

**জাপি, লাঠি, টমা—ইয়াক মহলে দিয়তে কথা**—(টমা—ছুলোমূৰে খোৱাৰ দৰে সিয়া এবীয়াৰ পাবোতা। মানুহৰ পক্ষে অপৰিহাৰ্য সম্বল)—**জাপি, লাঠি, টমা—ইয়াক মহলে দিয়তে কথা**। এই দেখি আগৰ কালৰ মানুহে এই তিনিওটা বস্তু নোহোৱাকৈ বাহিৰলৈ নোলাইছিল।

**জাপে-জলে**—( বিহুকে পাৰ কৰাকে )—সি **জাপে-জলে** খাইহে মৰিলাহেঁতে বেছি কৰিছে।

**জাপে-জুৰে**—( লপটিয়াই; সকলোখিনি একেলগ কৰি )—এটা এটাকৈ চাই সময় কটাব নোৱাৰোঁ; **জাপে-জুৰে** কিনাৰ আনিছা কোৱা।

**জাবৰ-জোঁথৰ**—( জাবৰ আৰু সেই বিধৰ পেলনীয়া বস্তু )—**জাবৰ-জোঁথৰ** সকলোবোৰ পচন-সাৰৰ খালত পেলাই দিয়া; উপকাৰত আহিব।

**জাবৰি চেপিলে ৰস নোলা**—( য'ত যি বস্তু পোৱা নাযায়, তাত সেই বস্তুৰ বাবে চেষ্টা কৰা বৃথা )—এই চাল-ছিগা ভিকহু, ক'ৰপৰা ইমান টকা দিব? **জাবৰি চেপিলে ৰস নোলায়।**

**জাব-কেঁকোৰা**—( জাবত কেঁকাই কোঁচমোচ খাই থকা মানুহ )—আজিকালি এতিয়াও পোৱাহি নাই, এতিয়াই **জাব-কেঁকোৰা** হলে পিছলৈ কি কৰিবা?

**জাব-গেনেৰা** —( জাব জাব বুলি বহি থকা অকামিলা )—সি বৰ **জাব-গেনেৰা** মানুহ, জাবত হাত-ভৰি লৰাবও টান পায়।

**জাব-বামাহ**—( নানা বিপদ-আপদ, কোনো কামৰ বাবে হোৱা কষ্ট বা পৰিশ্ৰম )—বিয়াৰ সকলো **জাব-বামাহ** মোৰ ওপৰেদি যাওক, তোমালোকে সান্দহ-পিঠা খাই আনন্দ কৰা।

**জাবৰ ছাতা**—( সামান্য আৰু তাৰ )—**জাবৰ ছাতা** পৰোঁতেই গৰম চোলা লগ লাগে নে?

**জাব-লোগোমা**—'জাব-গেনেৰা' চোৱা।

**জাৰি-জোকাৰি**—( চালি-জাৰি; তালকৈ অনুসন্ধান কৰি, অলপো নৰখাকৈ শেষ অংশখিনি )—১। কথাটো **জাৰি-জোকাৰি** চোৱা, কিবা সত্য আছে নে নাই; ২। যদি এমুঠি আছে, তাকে **জাৰি-জোকাৰি** দিয়া।

**জালত পৰা পছু**—( অকলশৰীয়া অৱহাত শত্ৰুৰ মাজত থকা মানুহ )—এই ভাবে গলোঁ যে **জালত পৰা পছুটোহে** হলোঁ, প্ৰত্যেকে নানা প্ৰকাৰে মোক আক্ৰমণ কৰিলে।

**জালত পৰা বাঘ**—( অতিশয় উগ্ৰ আৰু উত্তেজিত )—পুতেকৰ বিৰুদ্ধে শত্ৰুৰ ষড়যন্ত্ৰৰ গম পাই বাপেক **জালত পৰা বাঘ** যেন হ'ল।

**জালত লগা শিঙৰা**—(ঠেকত পৰি বল হেৰুৱা বিমোৰত পৰা মানুহ)—ফকাৰেক ঢুকোৱাৰ পিছত তেওঁ এতিয়া জালত লগা শিঙৰা যেন হৈছে।

**জাল দি**—(১। জলা আৰু থাবলৈ দি। ২। সিজা বা ভপত কৰ্)—১। পোৱাতী-মলীক এটা জাল দিবা; তেহে গাব বিষ মৰিব। ২। আৰু আগবন্ত আৰু অলপ জাল দিবা; বহুত পানী আছে।

**জাল নেদেখা মুচাক জাল দেখুৱা**—(নজনা মানুহক ঠগ্)—এইটো মাহতে দহ টকা বুলি কৈ জাল নেদেখা মুচাক জাল দেখুৱাবলৈ আহিছা নেকি?

**জাল পাত্**—(১। মাছ, চৰাই বা জন্তু ধৰিবলৈ জাল তৰিব। ২। ক্ষতি কৰিবলৈ ষড়যন্ত্ৰ কৰ্)—১। পানী আহিছে; খালৰ মাজত জাল পাতিলে মাছ পাবা। ২। তোমাক পেলাবলৈ সিহঁতে জাল পাতি থুৰিছে।

**জাল পিট্**—(পৰশ্ৰীকাতৰ হ)—সেই পৰিয়ালৰ ল'ৰাজনে বৃত্তি পোৱাত এই পৰি-য়ালৰ বুঢ়ীজনীয়ে দিনে ৰাতি জাল পিটিব লাগিছে।

**জাল পেলা**—'জাল পাত্' চোৱা।

**জাল কাটি হৰিণা যা**—(শত্ৰুৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি বিপদৰপৰা উত্তীৰ্ণ হ)—গাঁৱৰ মানুহে তেওঁক পেলাবলৈ জাল পাতিছিল; পিছে, জাল কাটি হৰিণা গ'ল।

**জাল মাৰ**—'জাল পেলা' চোৱা। (জলা গুণ নষ্ট কৰ্)—ঘাতোখৰৰ জাল মাৰিবলৈ এটা দৰৱ লগোৱা।

**জাল-মোৱা দি**—(বৃথা টকা-পইচা পোৱাৰ আশা কৰ্)—সি তোমাৰ টকা দিব, জাল-মোৱা দি থোৱা।

**জালৰ মাউ**—(যৰ যেছিকে দিশ বা জুলুম সহ্য কৰিব লগা মানুহ)—ল'ৰা-ছোৱালী আছে বুঢ়ীক পুৱাবেলা জালৰ মাউ কৰি থাকে।

**জালি-পাখী**—(বাহা আৰু শাৰীৰিক গঠন)—ল'ৰাটো বুদ্ধিমান, কিন্তু তেওঁৰ জালি-পাখী বৰ ভেলাল নহয়।

**জালিম মেল্**—(গাত জালিম জাপি শাতি দি)—কোনো কোনো শাহৰেক বোৱাৰীয়েকক জালিম মেলিছিল।

**জালিম মেল হ**—(বহুত বৰ উত্তেজিত হ)—ভাইক দেখি পিতাক জালিম মেল হ'ল; বীয়েক কান্দি কাটি ভুটি আহিল।

**জালিৰ মূৰ খা**—( জুই বা ৰদৰ তাপত বা বৰ পৰিশ্ৰম কৰি অতিশয় কষ্ট পা )—গোটেই দিন অত খাটি তেওঁ **জালিৰ মূৰ খাইছে**।

**জালী-কটা**—( জলা বা ফুটা কাটি কাটি জালৰ নিচিনা কৰা, এতেকে বৰ দুখীয়া—অলংকাৰত থাকে )—**জালী-কটা** মাদুলি আজিকালি নাই।

**জালী-গাঁত**—( মানুহ একে ঠাইতে জুই থাব পৰাকৈ ওচৰা-ওচৰিকৈ খন্দা কেবাটাও গাঁত )—এইটো কেনে গাঁত খান্দিলা? **জালী-গাঁত** যেন হ'ল; গড় পগাৰবোৰতহে এনে গাঁত খন্দা হয়।

**জালুক খাই তোল্**—( বৰ চোকা প্ৰকৃতিৰ কোনো সন্তান প্ৰসৱ কৰ্ )—ল'ৰাটো কিমান চোকাৰ চোকা; মাকে তেওঁক **জালুক খাই তুলিব** পাব।

**জালুক-পাণ কাট্**—( ঘোৰ শত্ৰুতা আচৰণ কৰ্ )—এই দুটা পৰিয়ালৰ পৰস্পৰে **জালুক-পাণ কটাকটি** কৰিছে।

**জাহ দি**—( ১। জুই, পানী আদিত জাঁপ দি আত্মহত্যা কৰ্। ২। খাৰত পানী দি খাৰণি কৰা। ৩। অপবাদ দি; বদনাম তোল্ )—১। গিৰীয়েকৰ অত্যাচাৰত থাকিব নোৱাৰি ঘৈণীয়েকে নদীত **জাহ দিলে**। ২। ছাইখিনি এতিয়া জীণ দি থোৱা; অলপ পিছত **জাহ দিলে** খাৰণি ওলাব। ৩। তেকোজনক জব্দ কৰিবলৈ সিহঁতে মিছাকৈ নি চোৰ বুলি **জাহ দিছে**।

**জাহ নি**—( জীৰ্ণ কৰ্ বা ক্ষয় কৰ্ )—এই দৰবে তেওঁৰ পেটত থকা শাহ **জাহ নিব**।

**জাহ যা**—( ১। তললৈ যা; নাহি যা। ২। নাও আদি পানীত বুৰ্ )—১। তাৰ পেটটো এতিয়াহে **জাহ গৈছে**। তাৰ পেটত কথা **জাহ নাযায়**। ২। ব্ৰহ্মপুত্ৰত আজি নাও **জাহ গৈ** বহুত মানুহ মৰিল।

**জিঁজিৰি মূৰ খা**—( মূৰত আঘাত লাগি বা আঘাত লগা যেন হৈ কাণ জ্বলা মাৰি ধৰ্; ভয় হ )—লেহেকৰ বিয়োগ বাতৰিত সকলোৱে **জিঁজিৰি মূৰ খালে**।

**জিকা-জৰী**—( বৰ কট্ কিপা )—সি যেনেহে **জিকা-জৰী**, সি জানো টকা দিব?

**জিকাই-বুৰাই**—( তিতা গা আৰু তিতা কাপোৰেৰে )—বাপ-মাকৰ মৃত্যুত পুতেকে **জিকাই-বুৰাই** থাকি ব্ৰত কৰিব লাগে।

**জিকাৰ খা**—( অকস্মাৎ দুখ, ভয় বা জাৰত গা কঁপি উঠ্ )—সাপটো বিছনাৰ তলত দেখি মোৰ গা **জিকাৰ খাই** উঠিল।

**জিভাৰ মাৰ্**—'জিভাৰ ধাৰ' চোৱা।

**জিভ কৰ্**—(শান্ত কৰ্)—কেঁচুৱাটোৱে বৰকৈ কান্দিছে; পিয়াহ খুৱাই তাক জিভ কৰা।

**জিভা উলিওৱা**—(বা মেল্)—(ভাৱৰ বিপদত পৰি আতুৰ হ)—এতিয়াহে অকৰ্মাইছ; ভেঁউ ধৰিব লাগিলে **জিভা উলিয়াবি**।

**জিভা কোঁচা**—(খোৱাৰ লোভ কৰা)—**জিভা কোঁচাৰ** লোৰ্ৱা যদি, উৱৰ খোৱাৰ প্ৰয়োজন নাই।

**জিভা-কটা**—(খোৱা বস্তু দেখিলেই চাকি চাব খোজা; লুভীয়া)—মোৰ ল'ৰাটো বৰ **জিভা কটা**; সুখৰমান পিঠা তালৈ দিও।

**জিভা কাটি পেলা**—(কথা লবা)—জানো বুলি কৈ এতিয়া **জিভা কাটি পেলাব** নোৱাৰোঁ।

**জিভা ঘূৰা**—(এবাৰ এক ৰকমে কৈ পিছত সলাই ক)—যই যি কৈছোঁ, তাকে কম; **জিভা ঘূৰোৱা** অভ্যাস মোৰ নাই।

**জিভাত কেঁকিলাৰ ডাঁড় মাৰ্**—(লুভীয়া জিভা দমন কৰি বস্তু খোৱাৰপৰা বিৰত কৰ্)—মাহী-মাকে কলে,—এই পিঠা খালে তোৰ **জিভাত কেঁকিলাৰ ডাঁড়** মাৰিম।

**জিভাৰ পানী পেলা**—(খাবলৈ বৰ আগ্ৰহ কৰি থাক্)—তোমাৰ বিয়াৰ বাতৰি পাই আমি **জিভাৰ পানী পেলাই** আছোঁ।

**জিভাৰ হাড় নহ**—(কথা সলাই কৈ মিছা কাৰণ দেখুৱা)—সি'দিনা টকা দিম বুলি কৈ আজি সি দিব নোৱাৰে বুলি কলে; মানুহৰ যে **জিভাত হাড়** নাই।

**জিভা লবা**—(১। একাণ কৰ্। ২। কথা সলাই ক)—১। কথাটো কলোঁ হয়, কাকো এতিয়া **জিভা নলবাবা**। ২। আগেয়ে কথাটো দ'চা বুলি কৈ এতিয়া **জিভা লবালো** কিয়?

**জিভা লাব্**—'জিভা লবা'ৰ একৰ অৰ্থ চোৱা।

**জিৰণীয়া বৌ**—(বিয়াৰ পিছত দুই-এদিনলৈ পলা বৌ-মাখি; অৰ্থাৎ, আয়াসীয়াৰে খকা কোনো মানুহ)—আই মাকাদিবা, ভাই মাকাদিবা, মাৰি জিৰণীয়া বৌ।

'জীউ টোপোলাত বান্ধ—(বৰ আপাই সাঁচি থৈ থাক্)—মৈনা আছিল বুলি তদি গাঁৱৰ মানুহে জীউ টোপোলাত বান্ধিছে।

জীউ-থাকা—(কণ্ঠাকণা থকোৱা বল)—বুঢ়াৰ জীউ-থাকাৰ কালেৰি কোনো নাই।

জীউৰ থাজি নাই—(অলপ পৰো স্থিৰে থাকিবলৈ সক্ষম নহয়)—এই ল'ৰাটো যে মোৰ কি হ'ল! পুৱাৰপৰা পধূলিতে ইয়াৰ জীউৰ থাজি নাই।

জীউৰ মুঢ়া—(জ্ঞানীৰ দৰে কথা কোৱা সৰু ল'ৰা-ছোৱালী)—ল'ৰাটি জীউৰ মুঢ়া; কি সুন্দৰ কথা কৈছে শুনাচোন।

জীউ-লাউ—(বৰ মৰমৰ পাত্ৰ কোনো মানুহ)—সেই ল'ৰাটিয়েই বুঢ়াৰ জীউ-লাউ।

জীণ যা—(১। হজম হ। ২। প্ৰকাশ নোহোৱাকৈ থাক্। ৩। মিলিজুলি থাক্)—১। পেটৰ খাদ্য জীণ গলেহে তেওঁ ভাল পাব। ২। ত'ৰ আগত একোকে নকবা; তাৰ পেটত কথা জীণ নাযায়। ৩। সি সমাজত জীণ যাব নোৱাৰে।

জীপ আহ্—(মাটি আৰ্দ্ৰত ৰস চাপ্)—আজিৰ বৰষুণহে মাটিত অলপ জীপ আহিছে।

জীপ দি—(পানীৰে তিয়াই থ)—চাউলখিনি এতিয়া জীপ দি থোৱা; অলপ পিছত খাব লগাবা।

জীপ ধৰ্—(ৰস পাই গছ আদি জীপাল হ)—বৰষুণ পাই পুলিবোৰে জীপ ধৰিছে।

জী মৰা জোঁৱাই—(মৰম-চেনেহৰপৰা বঞ্চিত হোৱা মানুহ)—আমি এতিয়া জী মৰা জোঁৱাই, আমাক কোনে সুধিব?

জীয়ন্তে মৰা—(জীয়াই থাকোঁতেই মৃতপ্ৰায় হোৱা)—সেইকণ বৃত্তান্ত আবদ্ধ-বাসীয়ে জীয়ন্তে মৰা যেন পালে।

জীয়াই জীয়াই ছাল কাঢ়্—(উগ্ৰ শাস্তি দি; অমানুষিক অত্যাচাৰ কৰ)—খাজনা সময়তে শোধাব নোৱাৰিলে সেই জমিদাৰটোৱে দুখীয়া ৰায়তৰ জীয়াই জীয়াই ছাল কাঢ়িছিল।

জীয়া খোৱা—(কেঁচাই খোৱা প্ৰকৃতিৰ; .বৰ. উগ্ৰ স্বভাৱৰ)—সেই জীয়া-খোৱা মানুহটোৰ কথা কোনে নামানে? তাক কোনে হোৱাৰী দিব?

**জীয়া-জুই**—(দেখিলে বৰ দুখ লগা বিপদগ্ৰস্ত বা দুৰ্ভগীয়া আত্মীয় লোক)—বিধৱা জীয়েকজনী বাপেকৰ পক্ষে **জীয়া-জুই** একুৰাহে হৈছে।

**জীয়াততে ৰাঁৰী হ**—(কোনো বস্তু আদি থকাতে, ক্ৰুটি বা দোষ আদিৰ বাবে,—নথকাৰ দৰে অসাৰ্থক হ)—খাকচটো কিয় কিনিলা? কাঠবোৰ কটা-ছিৰা **জীয়াততে ৰাঁৰী হৈ আছে।** .

**জীয়াততে শিয়াল-কুকুৰে খা**—(জীয়াই থাকোঁতেই মৰাৰ দৰে নিঃসহায় বা নিৰাশ্ৰয় হ)—তোৰ মুখটো নহলে তোক **জীয়াততে শিয়াল-কুকুৰে** খালেহেঁতেন।

**জীয়াত যম**—(প্ৰাণ নাশ কৰিব পৰা কোনো উগ্ৰ প্ৰকৃতিৰ প্ৰাণী)—মহৰ কাষলৈ মই কেতিয়াও নাযাওঁ; **জীয়াত যমত** কি বিশ্বাস?

**জীয়া-ৰাঁৰী**—(স্বামী বৰ্তমান, কিন্তু কোনো কাৰণে স্বামীসুখৰপৰা বঞ্চিত তিৰোতা)—গিৰীয়েকৰ অত্যাচাৰত থাকিব নোৱাৰি ছোৱালীজনীয়ে **জীয়া-ৰাঁৰী** হৈ দিন কটাইছে।

**জীয়া-ভূত**—(১। ভূতৰ দৰে উপদ্ৰৱ কৰি ফুৰা উগ্ৰ লোক। ২। বৰ খঙুৱা মানুহ)—১। সেই **জীয়া-ভূতটোৰ** উপদ্ৰৱত গাঁৱৰ মানুহ শান্তিৰে থাকিব নোৱৰা হৈছে। ২। সি যেনে **জীয়া-ভূত**, ভাত-আঞ্জা সোপাকে খাব খোজে।

**জীয়া-যম**—(মাৰাত্মক শত্ৰু)—সি আমাৰ পক্ষে **জীয়া-যম**; আমি কাহানিও তাৰ লগতে অহা-যোৱা বা মিত্ৰতা নকৰোঁ।

**জীয়া-কলীয়া**—(সদায় গাত ৰোগ থকা)—ডেকাজন **জীয়া-কলীয়া**, সদায় কিবা নহয় কিবা এটা অসুখ আছেই।

**জীৱনত কাম নহ**—(জীৱন অসাৰ্থক হ)—খবীৰ এনে টান কথা শুনি থকাত **জীৱনত কাম নাই।**

**জীৱে উজান ভাটি কৰ**—(বৰ বিপদত পৰি জীৱ যাওঁ যাওঁ হ)—ডাকত-ঘৰত জুই লগা দেখি খোঁৱাৰ **জীৱে উজান ভাটি কৰিবলৈ** ধৰিলে।

**জুই উঠ**—(বৰ খোক বা খঙত উত্তেজিত হ)—১। পুতেকৰ লেলাটো দেখি বাপেকৰ **জুই উঠিল**; হাত-ভৰি কঁপিবলৈ ধৰিলে। ২। তাৰ কাম দেখি মোৰ **জুই উঠিল**; তৎক্ষণাৎ খেদি দিলোঁ।

**জুই-উঠা**—(বৰ খুঙঠ বা ডকাৰ)—এই **জুই-উঠা** ধীৰৰ বাও কৰিলে তো দুৱাৰ কেনেকৈ?

**জুইক কাপোৰেৰে ঢাকিব নোৱাৰ্**—(মহৎ গুণ যেনে তেনে প্ৰকাশ হবই)—**জুইক কাপোৰেৰে ঢাকি ৰাখিব নোৱাৰি**; তেওঁৰ সৎ গুণৰ প্ৰশংসা এদিন হবই।

**জুই খালেহে এঙাৰলৈ ভয়**—(পাপ কাম কৰিলেহে কু-ফললৈ ভয় কৰিব লাগে)—যদি চুৰ কৰা নাই, শপত খাবলৈ কিহৰ ভয়? **জুই খালেহে এঙাৰলৈ** ভয় কৰিব লাগে।

**জুই-ছাই**—(১। জুই আৰু জুই ধৰা বস্তু। ২। অতিশয়, অতিৰিক্ত)—১। এই দিনত মাটিয়েদি জুই খুলে; **জুই-ছাই** অতি সাৱধানে চাবা। ২। এই **জুই-ছাই** টেঙা মই নাখাওঁ।

**জুই-জলা**—(১। জুই হব্। ২। হাই-কাজিয়া বা অশান্তিৰ সৃষ্টি কৰ্)—১। এই জাৰত চোতালত **জুই** একুৰা **নজলালে** কোনে এনেকৈ বহি থাকিব? ২। বুঢ়ী য'তে থাকে, ত'তে **জুই জলায়**।

**জুই জ্বাল্ পানী ঢাল্**—(হাই-কাজিয়াৰে সদায় অশান্তিৰ সৃষ্টি কৰি থাক্)—পিতাকে ল'ৰা-ছোৱালীকেইটাৰ মাজত সদায় **জুই জ্বালি পানী ঢালি** থাকে।

**জুই-জাল খা**—(বল-খবিয়াল বা হাই-উকমি কৰি থাক্)—দিনে-ৰাতিয়ে **জুই-জাল খাই** থাকিলে কোনে তোমাক ভাল পাব?

**জুইত খেৰকুটাও নিদি**—(সমূলি দেখিব নোৱাৰ্)—জোঁৱায়েকে শাহু-দেৱৰ মৰত **জুইত খেৰকুটাও নিদিয়ে**।

**জুইত জঁপ দি**—(নিশ্চিত ভাৱে বিপদৰ সন্মুখীন হ)—যি মানুহে এশ টকাও আঢ়িব নোৱাৰে, তেওঁ হেজাৰ টকা খৰচ কৰিবলৈ ওলোৱাটো **জুইত জঁপ দিয়াৰ** বাহিৰে আন একো নহয়।

**জুইত ধৰি কিৰা কাঢ়্**—(এনে কৰি বৰ ভাৱে শপত খা)—মই যদি চুৰ কৰা নাই, **জুইত ধৰি কিৰা কাঢ়্**।

**জুই-পানী বৰ্জিত (বা আলগ) কৰ্**—(সম্পূৰ্ণভাৱে সমাজৰপৰা একঘৰীয়া কৰ্)—গাঁৱৰপৰা তেওঁক **জুই-পানী বৰ্জিত কৰা** হৈছে।

**জুই-পানীয়ে খা**—(বৰ ভগতে থাকোঁতে ভাত খা)—এনে **জুই-পানীয়ে** ভাত খালে আজ্ৰাৰ কি নোৱাৰ পাবা?

জুই খাব্—(লোভা ৰাব লোৱনি ওচা)—ৰাজেশ্বৰৰ জুই খাবিৰলৈ এই বয়সটো লগাৰা।

জুইৰ কাষৰ ঘিঁউ—(ওচৰ সম্পৰ্কৰণৰা পৰস্পৰৰ উত্তেজিত হৱা পৰা কোনো বস্তু, মানুহ আদি)—সহ-শিক্ষা ভাল বুলিলেও ডেকা-গাভৰু পৰস্পৰে জুইৰ কাষৰ ঘিঁউ; সেই দেখি সদায় চোকা নজৰ ৰাখিব লাগে।

জুইৰ ওৰি তপত ভাত বিচাৰ্—(কেবাটাও সুবিধা একেলগে পাবলৈ ইচ্ছা প্ৰকাশ কৰ্)—তোমাক ধুনীয়া আৰু শিক্ষিতা ছোৱালীও লাগে; শহুৰেৰাও ধনী হব লাগে; এনেকৈ জুইৰ ওৰি তপত ভাত বিচাৰিলে ক'ত পাবা?

জুইৰ দৰে দৰ—(কিনো বুলি কাৰলৈ যাব নোৱৰা দৰ)—আমাৰ ইয়াতো আজিকালি মাছৰ জুইৰ দৰে দৰ।

জুইৰ ভয়ত উধাম পলা—(কষ্ট বা পৰিশ্ৰমলৈ ভয় কৰি কৰ্ত্তব্যপথ বিৰত হ)—পঢ়াশুনাত টান পাইছা; বেছি মনোযোগেৰে পঢ়া; জুইৰ ভয়ত উধাম পলায় জানো?

জুইৰ মাজত উধানৰ বাস—(কৰ্ত্তব্যৰ কঠোৰ কষ্টৰ মাজেদি মানুহ উত্তীৰ্ণ হব লাগে)—কৰ্ত্তব্যপথ পলাই থাকি মানুহ হোৱাৰা কেনেকৈ? কৰ্ত্তব্যৰ মাজেদিহে মনুষ্যত্বৰ বিকাশ হয়; জুইৰ মাজতহে উধানৰ বাস।

জুই-লগা-(১। দুৰ্ভগীয়া। ২। অতিপাত খৰচ কৰি ধন-সম্পত্তি উৰোৱা। ৩। একো পাবলৈ নাইকিয়া)—১। মোৰ জুই-লগা কপাল; ক'তো একো মিলি নাহে। ২। মোৰ জুই-লগা হাত; পৈত্ৰিক মাটি-সম্পত্তি মোৰ হাতত পানী-ভাত উটিল। ৩। এইখন জুই-লগা ঠাই; মাছ-পুঠি এটাও পাবলৈ নাই।

জুইশালত পঢ়িলেহে কামাৰশালত পঢ়িব পাৰ্—(সকলো ডাঙৰ কামতে সৰুকৈ আৰম্ভ কৰিলেহে কৰিব পাৰি)—জুইশালত পঢ়িলেহে কমাৰ-শালত পঢ়িব পাৰি; গাঁৱলীয়া সভা-সমিতিত কথা কবলৈ শিকিলেহে ডাঙৰ সভাত বক্তৃতা দিব পাৰিবা।

জুতি চা—(সোৱাদ ল; ভাল বেয়া প্ৰমাণ চা)—আজাৰণ কেনে হৈছে, জুতি চাওঁ; জলপানৰ দিয়া। মাতলখৰ আটিহে উলিয়ালোঁ, এতিয়ো বাই জুতি চাব পৰা নাই।

জুতি-যুক্তি জান্—(কোনো কামৰ ঢঙ্গ আৰু কৌশল জান্)—সকলো কামকে নিয়াৰিকৈ কৰিবলৈ জুতি-যুক্তি জানিব লাগে।

জুটি ল—'জুটি ল' বোলা।

জুটি লাগ্—(তৃপ্তিকৰ হ)—কেঁচা জলকীয়া হলেহে মোৰাত জুটি লাগিব।

জুৰা গা—(যে যে বহুত পৰলৈ কান্দি বা ভেকে কৰি থাক্)—পুৱাই মাকে এটা চাপৰ মাৰিলে; ছোৱালীজনীয়ে তাৰে জুৰা গাই আছে গধূলিলৈ।

জুপুকা মাৰ্ (বা লাগ্)—(১। নিচেই চাপৰ হ। ২। জনালৈ মুখ কৰি মনে মনে বহি থাক্)—১। তুমি নো এইটো কি জুপুকা মৰা ঘৰ সাজিলা? বা-বতাহ সোমাব জানো? ২। তেওঁ জুপুকা মাৰি বহি থাকিল; ভালবেয়া কোনো কথাৰ ৰাৱ-বাৱ নকৰিলে।

জুম খা (বা পাত্ বা বান্ধ্)—(একে ঠাইত জাক পাতি গোট খা)—সেই ঠাইত ইমান মানুহে জুম খাই কি চাইছে?

জুম-খেতি—(পৰ্বতত কাঠনি মাটি জুৰি কৰা যায় খেতি)—জুম-খেতিৰ ফলত অসমৰ পৰ্বতবোৰত কাঠ-কুঠ নোহোৱা হৈ গৈছে, বৰষুণো কমি আহিছে।

জুম ল—(পকিবলৈ লৰচৰ নকৰাকৈ যে থাক্—মুগা পলুত খাটে)—মুগা-পলুবোৰে জুম লৈছে; পকিবৰ সময় হৈ আহিছে।

জুমা-জুম—(বহুত জাক)—মানুহখিনিয়ে জুমা-জুম হৈ আজি ক'লৈ যায়?

জুমা-জুমি—(জাক পাতি ঘনে ঘনে জুমি চোৱা কাৰ্য)—ইমান জুমা-জুমি কৰি কি চাইছা? এতিয়া সকলো ঘৰাঘৰি যোৱা।

জুমি-জামি—(ওচৰলৈ গৈ ভালকৈ মূৰ দোঁৱাই চাই)—বুঢ়ীয়ে দ'বাটিৰ কাষলৈ গৈ তাক জুমি-জামি চাইহে পতিয়ালে যে সি তেওঁৰ নাতিয়েক হয়।

জুমুখি পোৰ—(মৃতকৰ শ দহাপে যেনে খাঁটি পোৰ্)—এই অজলাটি জিলা জুমুখি পুৰি কৰিব লাগিব।

জুমুৰি দি—(ভুম বলাৰ দৰে হ)—আমজোপা জুমুৰি দি পকিছে।

জুমুৰি দি ধৰ্—(চাৰিও কাষৰপৰা জাক পাতি আগুৰি ধৰ্)—বিপদে মোক জুমুৰি দি ধৰিছে; কি কৰোঁ, দিকপাৰ নোহোঁ।

জুৰ পৰ্—(১। বৰষুণ তাপৰ পাছৰ কাট্। ২। হাই-উৰুমি ভাটি পাত হ)—১। এই বছৰ কেনেকৈ যাবা? জুৰ পৰিলে পিছত যাবা। ২। ইমান হাই-উৰুমিৰ মাজত কেনেকৈ থাকিবা? দ'বা-ছোৱালীবোৰ গ'ল; এতিয়াহে ঘৰটোত অলপ জুৰ পৰিছে।

**জুৰ ল**—(বঁহকণা খাঁতৰি দিবা)—ইয়াত কি কৰিছা? বাহিৰে ঘূৰি অলপ **জুৰ লৈছোঁ।**

**জুৰি ক**—(নিজে সাজি কোনো কথা ক)—এইবোৰ **জুৰি কোৱা** কথা; তাই কেতিয়াও টকা নিয়া নাই।

**জুকলি-জুপুৰি**—(বৰকৈ ভিজা)—বৰষুণত ল'ৰাবোৰ **জুকলি-জুপুৰি** হ'ল, হাঁচিয়া কৰিবলৈহে বাকী দিবা।

**জুৰে-শাঁতে**—(চেঁচা হলে; লাহে-ধীৰে)—খোৱা-বোৱা **জুৰে-শাঁতে** কৰিলেহে খাই ভাল লাগে।

**জুলুকা লাগ্**—(সমস্যা সাবোলাকৈ বহি থাক্)—ল'ৰাটো **জুলুকা লাগি** বহি আছে; টোপনি আহিব; শুৱাই থোৱাগৈ।

**জুলুম-বাজ**—(আমনি কৰাত বা দিগ দিয়াত পটু)—এই ল'ৰাটো বৰ **জুলুম-বাজ** হ'ল; পঢ়াশুনাও নকৰে, আন একোকে নকৰে।

**জুৱা-চোৰ**—(মহা ঠগ; প্ৰৱঞ্চক)—সি এটা **জুৱা-চোৰ**; তাৰ কথাত বিশ্বাস নকৰিবা।

**জেউৰ ধৰ্**—(কোনো বিষয়ে ঠেহ পাতি থাক্)—চুঙা-পিঠাৰ বাবে ল'ৰাটোৱে **জেউৰ ধৰিছে**, নিদিয়া মানে শান্ত নহয়।

**জেউৰা খুৰা**—(গৰ্ভৱতী তিৰোতাক পকাবৃত্ত খুৰা)—হোৱালীজনীক **জেউৰা খুৰাবলৈ** দিন-বাৰ চোৱা।

**জেঙা-জ'ট ভাঙ**—(সকলো বাধা নোমাকিত দূৰ কৰ)—বিয়াৰ আগতে গাঁৱৰ মাজত সকলো **জেঙা-জ'ট ভাঙি** লোৱা উচিত।

**জেঠৰ বাৰ-খৰ**—(জেঠ মাহত হোৱা, বৰ চোকা কেৰাহিনীয়া বদ)—এইবাৰ কাতি মাহতো **জেঠৰ বাৰ-খৰ** হোৱা যেন লাগিছে।

**জেঠমহীয়া পকা আম যেই সেই জোপাই লোৱাৰ হ**—(একো একো সময়ত প্ৰত্যেকৰে কিবা এটা আকৰ্ষণীয় গুণ হ)—**জেঠমহীয়া পকা আম যেই সেই জোপাই লোৱাৰ** হয়; প্ৰত্যেক হোৱালীৰে জেনে একোটা সময় থাকে।

**জেঠী-জেঙৰীয়া**—(কাণ বাজ্যৰ)—সেই **জেঠী-জেঙৰীয়া** ল'ৰাটোৰে পৰাবিভাগ চোৱা; সি যত্নকো নেৰ বোবোলা হ'ল।

**জেঠীয়ে টিক্‌টিকা**—(সঁচা হোৱা বুলি প্ৰমাণ পা)—**জেঠীয়ে টিক্‌টিকাইছে**; সি কথা হোৱা মই দেখিছোঁ।

**জেঠুৱা মোৰ ভাঙ্**—(জেঠত ওপজা লৰাক বছৰি সেই মাহৰ পহিলা তাৰিখে লোকাচাৰ অনুসৰি সৰুৱা কৰ্)—তোমাৰ ল'ৰাটো জেঠত উপজিল; তুমি এতিয়া বছৰি তেওঁৰ **জেঠুৱা মোৰ ভাঙিব** লাগিব।

**জেৰবাৰ হ**—(হাৰাশাস্তি হ)—মোকৰ্দমাত তেওঁ **জেৰবাৰ হ'ল**; মা-সম্পত্তি সকলো গ'ল।

**জেৰেঙাতলৈ নি**—(গুৰুতৰ শাস্তি দি; প্ৰাণদণ্ড দি)—আহোম ৰজাৰ দিনত সামান্য অপৰাধতে দোষীক **জেৰেঙাতলৈ নিয়া** হৈছিল।

**জেলুকীয়া লাগ্**—(চেঁচুক বা জেকা ঠাইত হোৱা বাবে মৰি যা)—বেঙেনাজোপা **জেলেকুৱা লাগিছে**; পানীখিনি কাটি উলিয়াই দিয়া।

**জেলেং দি**—(চাৰিবে যতৰ সাজি সোঁতৰ পানীত মাছ ধৰ্)—নদীত আজি **জেলেং দি** বহুত মাছ মাৰিছে।

**জোং বঢ়াই দি**—(আনক জুলুম কৰিবলৈ দুৰ্বলক প্ৰৰোচিত কৰ্)—ৰূপাক জুলুম কৰিবলৈ ডেকাইতক তেওঁ **জোং বঢ়াই দি** চাই আছিল।

**জোঙৰ মূৰত থিয় মাৰ্**—(নিশ্চিত বিপদৰ সম্মুখীন হ)—ইয়াৰ টকা ধাৰ কৰি হোৱাক পঢ়ুৱাটো মোৰ পক্ষে **জোঙৰ মূৰত থিয় মৰাহে** হৈছে, এই কথা নাপাহৰিবা।

**জেঁট (বা জঁট) ধা (বা বান্ধ্ বা লাগ্)**—(আউল লাগ্; পাক খা; মেৰাই ধৰ)—১। বাঁহটো উলিয়াব নোৱাৰি; আগলিটো **জেঁট খাইছে**।

**জেঁট (বা জঁট) ভাঙ্**—(আউল গুচা; বিশৃঙ্খলা দূৰ কৰ্)—১। সূতা নাইতে **জেঁট ভাঙিব** নোৱাৰি ছিঙি পেলাব লাগে নেকি? ২। গৃহস্থালিৰ **জেঁট** নিজে নিজে **নাভাঙিলে** আৰু আন মানুহে কেনেকৈ ভাঙিব?

**জেঁট-পোট**—(১। আউল হোৱা অৱস্থা। ২। কামৰ টনাটনি বা হেঁচা)—১। বিয়াৰ পিছত গৃহস্থালিৰ বস্তু-বাহানিৰ **জেঁট-পোট** ভাঙিবই পৰা নাই। ২। বহুত **জেঁট-পোটত** ব্যস্ত হৈ আছিলোঁ, সেইকাৰণে আহোঁতে পলম হ'ল।

**জেঁটা-পুটি (বা পোটা)**—(দুজন বা বেছি মানুহ উমৈহতীয়া বা একেলগে

মধ্যমণি দৃশ্য কাৰ্য)—মুহাৰ মোৰ লগত কথা পাতি আছিল; হঠাৎ মুহাৰে জেঁটা-পোটা লাগিল; মইহে মধ্যমণিটো একৰাই দিলোঁ।

**জেঁটা-শলীয়া**—(কোনো কাৰ্য কৰিবলৈ জেঁটা-শালী বা লগ ধৰা)—কামটো কৰিলে মনে মনে কৰিম; **জেঁটা-শলীয়াক** কাকো লগত নলওঁ।

**জোঁৰ কাট্** (বা বা)—(বাস্তি পানীত ওপৰত জোঁৰ ধৰি তাৰ পোহৰত মাছ মাৰ্)—আজি **জোঁৰ কাটি** তেওঁ কেবাটাও ডাঙৰ মাছ পাইছে।

**জোঁৰ পুৰি হাতত লাগ্**—(কোনো সকট নিচেই ওচৰ চাপি আহ্)—বানৰ বিহা কথা; **জোঁৰ পুৰি হাতত লাগোঁ** লাগোঁ হৈছে, ছুদিনমানৰহে চাউল আছে।

**জোঁৰৰ আগত শলাৰ পোহৰ**—(কোনো এবিধ ডাঙৰ তুলনাত তেনেই নিকৃষ্ট)—আগৰ জনা প্ৰধান মন্ত্ৰীৰ তুলনাত বৰ্তমান প্ৰধান মন্ত্ৰী **জোঁৰৰ আগত শলাৰ পোহৰ** বুলিহে কব পাৰি।

**জোঁৱাইক দিলেও দিয়া যমক দিলেও দিয়া**—(যদি ছোৱালী আৰু বিয়া দি উলিয়াই দিলাও একে বুলি কোৱা হৈছে)—জোঁৱায়ে যদি ছোৱালীজনীক আহিবলৈ নিদিয়ে, দুখ কৰি কি কৰিবা? ছোৱালী **জোঁৱাইক দিলেও দিছোঁ, যমক দিলেও দিছোঁ**, এই ভাবি সান্ত্বনা লোৱা।

**জোকৰ মুখত চুণ দি**—(চোকা কথাৰে নিমাত কৰ্)—সি টপ্‌টপাই আছিল; মই এষাৰ কথাৰে **জোকৰ মুখত চুণ দিলোঁ**।

**জোকাৰ দি**—(টকনী দি)—মগুল পাতোঁ; অলপ জোকাৰ দিবক।

**জোকে তেজটোপা জিপি**—(সাংসাৰিক দুখকষ্ট পোৱা)—এতিয়াও **জোকে তেজটোপা পিয়া নাই**; এনে ডেকা বয়সতে কামলৈ হেলা কিয়?

**জোকে ধৰা দি**—(লেবা-লেপেৰাকৈ লাগি থাক্)—মানুহজনে **জোকে ধৰা দিছে**; গাৰীৰটোপা খালেই।

**জোকোৰা মাৰ্**—(মেটৈৰা মাৰি উঠ্)—ফুল আছে বে বুলি সোণোঁতে হিমোতাধনীয়ে **জোকোৰা মাৰি উঠিল**; মই উভতি আহিলোঁ।

**জোখ-পোত** (বা **জোখ-মাক**)—(কোনো বস্তু বা বৰ আদি সজা কাৰ্যত আগধৰি হিচাপ কৰি লোৱা মাপ আদি)—**জোখ-পোত** নোহোৱাকৈ ঘৰখন বনাটিয়া; মই নিৰ্দিষ্টকৈ বাতি আনোঁগৈ।

জোটোৰ-পোটোৰ—'খেঁচা-পোচা' চোৱা।

জোন দি (বা লগা)—(পূৰ্ণিমা কোনো মুখত অৰ্ধচন্দ্ৰৰ আকৃতিৰ জে লগাই দি)—কথাৰ হতুৱাই কোনোবাও জোন দি লব লাগিল; এটা বুঢ়া কোনেবে কাম নহয়।

জোন ধৰ্ (বা মাৰ খা)—(খাঁটলী হ)—জোন ধৰিবলৈ আৰু কেইদিন আছে?

জোনাকত হেঁকুৱাই আন্ধাৰত বিচাৰ্—(সুচল বা সুযোগ থাকোঁতে অৱহেলা কৰি পিছত সুচল বিচাৰি হাবাথুৰি খা—) ডেকা কালত যোগ্যতা আৰ্জিবলৈ হেলা কৰিলা; এতিয়া দুখ কৰিলে কি হব? জোনাকত হেঁকুৱাই আন্ধাৰত কোনো বস্তু বিচাৰি কি লাভ?

জোনাকী পৰুৱাৰ পা পোহৰ হ—(সামান্য মানুহে অকণীয়া সৌভাগ্যতে মত্তলীন হ)—ভাল-মৰিব এটা লটাৰীত টকা পালে; তাতেই জোনাকী পৰুৱাৰ পা পোহৰ হ'ল।

জোপা-জোপে—(কেবা ঠাইতো আৰু সৰহীয়াকৈ—চোপ লৈ থকা মানুহত খাটে)—মানুহবোৰে জোপা-জোপে বাটৰ কাষে কাষে কিয় এনেকৈ আছে?

জোপাল—(খাপ লৈ থাক্)—বাঘটোৱে গছৰ তলত হাবিত জোপা লৈ আছিল।

জোবোবা মাৰ—(পানীত গা বুৰাই ভয়ানকৈ গা ধো)—খৰ জাৰ; জোবোবা মাৰি আহাগৈ।

জোৰণ পিন্ধা—(ছোৱালীক খা-অলঙ্কাৰ পিন্ধাই বিয়া কৰাবলৈ ঠিক কৰ্)—ছোৱালী ঠিক হ'ল; এতিয়া জোৰণ পিন্ধাবা কেতিয়া?

জোৰা আছ—(ল'ৰা আৰু ছোৱালীৰ কোষ্ঠিৰ ৰাশিচক্ৰ আদিৰ মিল হ)—এই দুখন কোষ্ঠি চাওকচোন, জোৰাটো আছে নে নাছে?

জোৰাই জোখাই—(যেনে হব লাগে ঠিক তেনেকৈ; উচিত বা উপযুক্তভাৱে)—কইনাৰ সাজ-পাৰ সকলোবিলাক জোৰাই-জোখাই মিলিছে।

জোৰা কৰ্—(দিহা বা যোগাৰ কৰ্; আয়োজন কৰ্)—দুপৰীয়া হৈ আহিল; আহাৰ-পাচলিৰ বা কি জোৰা কৰিলা?

জোৰা দুৱা—(১। মেলা কৰ্। ২। মিল বা সমত কৰ্)—কাঠবোৰ

জোৰা খুৰালা হয়, মিল হোৱা নাই। ২। এই শব্দকেইটাৰ জোৰা খুৰাই এটা বাক্য ৰচনা কৰা।

**জোৰা দি**—(১। সংলগ্ন কৰি মিল কৰ্। ২। অতিৰঞ্জিত কৰ্)—১। কাঠ দুডোখৰ ভালকৈ **জোৰা দিবা**। ২। তেওঁৰ জবানবন্দীত বহুত কথা **জোৰা দিয়া** হৈছে।

**জোৰা মৰ্**—(১। মিল হ; সঙ্গত হ। ২। আঁট্; যথেষ্ট হ)—১। আঙঠিৰ **জোৰাটো** ভালকৈ **মমৰিল**। ২। ভোজত এইখিনি বস্তুৰে **জোৰা মৰিব** নে?

**জোৰা মাৰ্**—(যথেষ্ট হোৱাকৈ মিলা বা যোগাৰ কৰ্)—সাত ঠাইত সাত **জোৰা মাৰি** খুওৱা যেন পাইছে; আজিৰপৰা একোকে নকৰোঁ।

**জোৰা লগা**—(জোখা খুৰাই সম্পূৰ্ণ এক কৰ্)—কলা বাঁহ **জোৰা লগাবা** কেনেকৈ?

**জোৰা লৰ্**—(জোৰা ঢিলা হ)—মোৰ খাটৰ **জোৰাটো লৰিছে**, খোল কাঢ়ি মোৰাবোঁ।

**জোৰা লাগ্**—(মিল হ; কেবাডোখৰ গুচি এডোখৰ হ)—এই বৰহটো বান্ধি ৰখালে তোমাৰ ভগা হাড় **জোৰা লাগিব**।

**জোল গুলা**—(বৰ কষ্ট পা)—চোৰাং কাঠ কাটিবলৈ গৈ সিহঁতৰ **জোল গুলাইছে**; এবাৰলৈ শিক্ষা পালে।

**জোল কৰ্**—(১। জুলীয়া আঞ্জা ৰান্ধ্। ২। মাৰমাৰি হাড়-মূৰ ভাঙ্; খুন্দি-ভাঙি নষ্ট কৰ্)—১। মাংস গোটেইখিনি **জোল নকৰিবা**; থাহি থাহি অলপ ভাজিবাও। ২। গৰুটো মাৰিয়াই দেখোন **জোল কৰিলি**? সি আৰু জীব নে?

**জোলোঙা কোবা**—(খোলাদি কৰি ঘূৰি ফুৰ্)—**জোলোঙা কোবাই** দুটা টকা পাইছিলোঁ, সিও গ'ল?

**জোৱাৰ উঠ্**—(১। সাগৰৰ পানী ওফন্দি উঠ্। ২। বৰকৈ কামৰ হেঁচা পৰ্)—১। সাগৰত **জোৱাৰ উঠিছে**; চোৰোপ কেনেকৈ পাৰলৈ বাগৰি আহিছে, চোৱাঁ। ২। বিয়াৰ বাবে বহুত কামৰ **জোৱাৰ উঠিছে**, কবি শেষ কৰিব নোৱাৰি।

**জোৱাৰ-ভাটা**—(১। সাগৰৰ পানীৰ বাঢ়তি-টুটতি। ২। জীৱনৰ

সৌভাগ্য-দুৰ্ভাগ্য)—সাগৰৰ দৰে জীৱনতো জোৱাৰ-ভাটা আছে; তাক খাটিব পাৰিলেহে পৰা।

জাতিয়ে অগা-তৈটা নকৰিলে গঙ্গা পা—(জাতি-কুটুম্বপৰা বাধা নাহলে উন্নতি কৰিবলৈ সক্ষম হ)—জাতিয়ে অগা তৈটা নকৰিলে কুকুৰেও গঙ্গা পোৱাৰ দৰে, জাতি-হিংসা নহলে তেওঁ বহুত উন্নতি কৰিব পাৰিলে-হেঁতেন।

জানে-গৰকা—(বহুত জান থকা)—নিৰক্ষৰ হলেও বুঢ়াজন বৰ জানে-গৰকা পুৰুষ।

জৰ উঠ্—(১। জ্বৰে আক্ৰমণ কৰ্। ২। কঁঠাল পকো পকো হ্)—১। তেওঁৰ জৰ উঠিছে, শুই আছে। ২। কঁঠালটোৰ জৰ উঠিছে; কালিলৈ পকিব।

জৰ-ঘামে আঁঠি মাৰ্—(শাৰীৰিক বা মানসিক উত্তেজনা বা অস্থিৰতা হেতু বৰকৈ ঘাম ওলা)—প্ৰশ্নটোৰ উত্তৰ দিব নোৱাৰাত তেওঁক জৰ-ঘামে আঁঠি মাৰিবলৈ ধৰিলে।

জৰতকৈ দাহ বেছি হ—(যিমান হব লাগে, লোকক দেখুৱাবলৈ তাতকৈ বেছি কৰ্)—শোক-সভাত বক্তৃতা দিওঁতে প্ৰত্যেকে আগৰ জনতকৈ পিছৰ জনে বেছিকৈ কান্দিলে; কিয় বাৰু? জৰতকৈ দাহ বেছি হয়, জানাই দেখোন।

জবৰ দবৰ থবত ঘঁহ্—(অজনা ভুৱনাকৈ কোনো কাম কৰি বিপদত পৰ্)—জবৰ দবৰ থবত ঘঁহি তেওঁ ল'ৰাটো মাৰিব ধৰিছিল; ভাগ্যেহে ৰক্ষা পৰিল।

জবৰ দাহত বেবক লথিয়া—(কাৰোবাৰ খং আন কাৰোবাৰ ওপৰত জাৰ্)—জীয়েকৰ ওপৰত খং কৰি বৈণীয়েকে নিৰ্দোষী ল'ৰাটোক মাৰিলে। কিন্তু জবৰ দাহত বেবক লথিয়াটো জানো ভাল কথা?

জালত দিয়া সোপ—(বৰ উদ্ধৰ বা অৱধি)—জোৱালীজনী কি জানো, যেন জালত দিয়া সোপহে।

# ট

**টং কৰ্**—(আট্কাল কৰ্; লক্ষ্য কৰ্)—কামটো যে ছুটা, তুমি টং কৰা নাই হব পাৰ।

**টক লাগ্**—(তধা লাগি চাই থাক্)—সি যেনেকৈ খপ্‌খপাই গছত উঠিলে, আমি টক লাগি চাই আছিলোঁ।

**টকচালি কৰ্**—(যা পাব্, যা খাব্)—(কাম-বন নকৰি গা জোকাৰি ফুৰ্)—এনেকৈ টকচালি কৰি ফুৰিলেই তোমাৰ ভাত মিলিব নে?

**টকলিয়াই থাক্**—(ভোগ কৰি সুখ পাবলৈ আশা পালি থাক্)—খাটীটো দেখি মানুহবিলাকে টকলিয়াই আছে।

**টকা জোৰাই ফুৰ্**—(কাম-কাজ নোহোৱাকৈ আৰু খাবলৈ নাপাই ঘূৰি ফুৰ্)—দিনে ৰাতি টকা জোৰাই ফুৰোঁতেই তাৰ জনমটো গ'ল।

**টকাত শিতান দি থাক্**—(বৰ ধনবান হ)—তেওঁৰ কিহৰ অভাৱ? টকাত শিতান দি থাকে।

**টকাৰ মুত ঘোঁৰাৰ আগত যা**—(ঘোঁৰাই বিমান বেগেৰে দৌৰে, খাবলৈ পোৱা টকাৰ মুত তাতোকৈ বেছি বেগেৰে যায়)—তেওঁৰ টকা চুলে মৰিবা; তেওঁৰ টকাৰ মুত ঘোঁৰাৰ আগত যায়।

**টকাৰে মঠ বান্ধ্**—(অসীম ঐশ্বৰ্যশালী হ)—মই জানো টকাৰে মঠ বান্ধি থৈছোঁ যে দিনে দিনাই পাচিয়ে পাচিয়ে ধন বিলাব পাৰোঁ?

**টকালি পাৰি (বা টকলিয়াই) খা**—(বৰ আগ্ৰহেৰে খা)—তুমি দিয়া খাজটো আমি টকালি পাৰি খাইছোঁ।

**টগৰ-বগৰ কৰ্**—(এবাৰ এক প্ৰকাৰে কৈ পাছত আৰু এক প্ৰকাৰে কথা ক বা কাৰ্য কৰ্; সঁচাত নোহোৱা আচৰণ কৰ্)—আমাৰ লগত ভালকৈ থাকিবা; টগৰ-বগৰ কৰিলে সিজিলাই ইয়াৰপৰা উলিয়াই দিম;

**টঙলা ঘোঁৰা খোৱা দি**—(বৰ বেয়াই খা)—ঘূৰাক হুচা হুবুলিবা; তেওঁ এতিয়াও টঙলা ঘোঁৰা খোৱা দিয়ে।

**টঙালি বান্ধি উঠ**—(কোনো কাম কৰিবলৈ সাজু হ)—পৰীক্ষালৈ টঙালি বান্ধি উঠিবৰ সময় হ'ল।

**টটাটিঙআ কৰ্**—(কৃপালি কৰ্; এককথা কৰ্)—গিৰীহঁতে খোৱা-লোৱাৰ সকলো সম্ভাৰ প্ৰচুৰকৈ আনিছে; তোমালোকে বিলাই দিওঁতে টটাটিঙআ কৰা কিয়?

**টটি পাত্**—(ঠেহ পাত্; বিৰোধিতা কৰ্)—'যাসৰ কাষত বহা নাই, মাপাতিবা টটি।'

**টটুৰা পৰি থাক্**—(ৰবড়াকৈ সৰু হৈ থাক্)—গছজোপা কাটি দিয়া; নহলে তাৰ তলিও কালৰ এই পুলিবোৰ টটুৰা পৰি থাকিব।

**টটুৰা বেং**—(এবিধ সৰু, নিকৃষ্ট বিষৰ ভেকুলী; ভাবার্থ,—নিকৃষ্ট, নগণ্য মানুহ)—মই হলোঁ। সাত কালৰ ভেং; মোক কথা তুমি টটুৰা বেং?

**টটুৰা মৰে পা**—(খীণাই খোৱা ৰোগে ধৰ্)—জোৱানীজনীক কিবা টটুৰা মৰে পালে; খায় দায়, তথাপি খীণাই যায়।

**টনা-আঁজোৰা**—(টনাটনি; কিছু প্ৰতিকূল অৱস্থা)—বহু টনা-আঁজোৰাৰ মাজেদিহে কামটো কৰিব লগীয়া হৈছে।

**টপ্ তৈয়াৰ কৰ্**—(সম্পূৰ্ণৰূপে সাজু কৰি ৰাখ্)—আপোনালোকৰ খোৱা-বোৱা সকলো টপ্ তৈয়াৰ কৰি ৰাখিছোঁ।

**টপা মুৰ ঢাক আমা**—(হামী অভাৱ পূৰণ নহ)—অজিৰি দুখিবলৈ একোৱেই নাই; লুক-ঢাক কৰিলে কি হব? টপা মুৰ ঢাক আমাৰ।

**টভং খা**—(স্তব্ধ হ; বিস্মিত হ)—ল'ৰাটোৰ এনে বহুৱা ধাৰহাৰত আমি টভং খালোঁ।

**টলকা মাৰ্**—(অলপ সময় নিস্তব্ধ বা নিতব্ধ হ)—ল'ৰাটোৱে গান বিৰত টি-একি আছিল; এতিয়াহে অলপ টলকা মাৰিছে।

**টলো-টলোকৈ ঘূৰি ফুৰ্**—(অযথা সময় কটা)—ডেকাটোৱে টলো-টলোকৈ ঘূৰি ফুৰি নিজৰ সৰ্বনাশ কৰিছে।

**টহল দি ফুৰ্**—(বাৰে-বাৰে নোহোৱাকৈ ঘূৰি ফুৰ্)—পুৰাকালৰ পহৰীবিলাকে টহল দি ফুৰাই তাৰ প্ৰমাণ।

**টাং-ভাঙি নাই ফুৰ্**—(অসার্থক কাম কৰি মূল্যবান সময় নষ্ট কৰ্)—তোমাৰ টাং-ভাঙি নাই ফুৰোঁতে পৰ; এতিয়া ভেকোটে খোজ আনিবা।

**টাং টিঙালি কৰ্**—(নকক-বকক কথা ক; মিছামিছা বকাবকি হ)—এখাটো কাম নহয়; **টাং টিঙালি কৰি** দুখাই তাৰ কাম।

**টাং বাং কৰ্**—(মিছাকৈ কোনো কাম নকৰাকৈ অনৰ্থক পলম কৰ)—কাম যদি দিব খোজা, আমবণখাই দিয়া; মিছাকৈ অত দিন **টাং বাং কৰিছা** কিয়?

**চঁাই-চুঁই কৰ্**—(অবিৰাম পিছত লাগ'লগাকৈ লৰচৰ কৰিব পৰা হ)—হোজানী-কলীৰ কেবাদিনো মৰা-মূৰ্চ্ছা হয়; আজি দুদিনহে অলপ **চঁাই-চুঁই কৰিছে।**

**টাই-বাই চা**—(সকলো প্ৰকাৰে চেষ্টা কৰি চা)—তেওঁলোকৰ মূল টকাখিনিকে সৰকাবলৈ **টাই-বাই চালোঁ**, নোৱাৰিলোঁ।

**টাক লাগ্**—(বৰকৈ দুৰ্লভ হ)—চেনিৰ **টাক লাগিছে**: দুটকা দিলেও পাবলৈ নাই।

**টাকুৰী (বা টকুৰা) ঘূৰা দি**—(বৰকৈ ঘূৰ্)—আজি চাৰি দিন **টাকুৰী ঘূৰা দি** গছটো বিচাৰিলোঁ; আৰু কিমান বিচাৰিম?

**টাঙোন জোকাৰ্**—(মাৰিম বুলি ভয় দেখুৱা)—বাৰু কোনোবাই খাব? বুঢ়াই **টাঙোন জোকাৰি** ৰ'দত বহি আছে।

**টাঙী দি**—(চুৰী, কৰণী আদিৰে শাৰপৰা তেজ উলিয়া)—**টাঙী দি** চুলেমানে তেজ উলিয়াইহে তেওঁ-চকু মেলিলে।

**টাটক-মাটক**—(ফাকি-ফুঁকা; লগ্নীয়া মিছা কথা)—**টাটক-মাটক** কি, তাই কোনো দিনো জনা নাই।

**টানত পৰি মান ল**—(টান পালে বাপ বোল্)—সি যে মোৰ কাষ চাপিছে, **টানত পৰিহে মান লৈছে**, জানিবা।

**টানত পৰি জোৰ লব্**—(বিপদত অসহায় হৈ দুৰ্বলতা স্বীকাৰ কৰ্ বা লেও হ)—সি তোমাক এনেয়ে অনুৰোধ কৰিবলৈ অহা নাই; **টানত পৰিহে জোৰ লবিছে।**

**টান ধৰ্**—(১। কুলীয়া ভাত গোটা হবলৈ ধৰ্; খাঁট খাই ধৰ্। ২। বৰকৈ পিয়াহ লাগ্)—১। মাটিখিনি একিনাৰে **টান ধৰিছে**; অলপ পিহে জকাব। ২। বেমাৰটোৰ বাবে পানীৰ **টান ধৰিছে**; পানী খাই খাই পেটটো জোল জোল হৈছে।

**টান পা**—(কষ্ট পা)—ভাই অলপ খানত বৰ **টান পালি**; একিনা দিয়া।

টান মাৰ্—( গোট বান্ধি টান হ। )—মাটিখিনি টান মাৰিলে পুতলা গঢ়িবা কেনেকৈ ?

টান মুখ—( দৃঢ়তাসূচক কথা )—টান মুখেৰে সকলে ভাবখনা এই কাম কৰাৰ পৰা টান।

টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ—( টানকৈ লাগি-লেহে কাৰ্যসিদ্ধি হয় )—টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ; তেওঁৰ পৰা টকা আদায় কৰিবলৈ লৈছা; এই কথা মনত ৰাখিবা।

টাপি-টুপি—( খব টনাটনিকৈ; খব কষ্টেৰে )—টাপি-টুপি তইতক পঢ়ালোঁ; এতিয়া তইঁতে মোৰ কাৰণে গৃহস্থালিৰ বোজাটো তুলি ল।

টাপি-মাপি—( কোনো প্ৰকাৰে; মুখামুখিকৈ )—ধান টাপি-মাপিহে বছৰ যোগ হয়।

টানে-মখিলে—( বিপদে আপদে )—কাপোৰখন থৈ দিলা; টানে-মখিলে ই তোমাক আগুৰিব।

টাৰ্-চিলিঙি—( গুৰুজনৰ আজ্ঞাত সমাজৰ পৰা বাজ কৰা মানুহৰ ঘৰৰ আগত পোতা খুঁটা )—সৌ যে পদূলি-মুখত খুঁটাটো দেখিছা, সেইটো টাৰ্-চিলিঙি; সমাজে সেই পৰিয়ালটোক গুৰুজনৰ আজ্ঞাৰে এৰবীয়া কৰি থৈছে।

টাবুৰি-ভাবুৰি—( কাঁকাৰি-মুঁকুচা )—টাবুৰি-ভাবুৰি এৰি পেলোৱা; মন পূৰি কাম কৰা; পেটৰ ভাত আপুনি মিলিব।

টালি-বালি—( বা টালি-বালি )—( ফাঁকি দিয়া কথা; নবক-বৰক )—তোমাৰ টালি-বালি মই নালাগে; গছলোপা কাটিবি নে নাকাটি ক।

টিংখপ মাৰ্—( ১। ভেও পাৰি কপকৈ বুৰ্। ২। বকবকী কথাৰ মাজত অনাবশ্যকীয় নতুন কথা ক )—১। টিংখপ মাৰি বুৰ দিলি; কামটো কৰি নেদেখুৱালি কিয়? ২। আমাৰ কথাৰ মাজত কিয়নো টিংখপ মাৰিবলৈ আহিলা? তুমি এতিয়া যোৱা।

টিঁয়াই কটা ঊ—( অনাদৃত বস্তু বা মানুহ )—আমি যেখোন ইয়াৰ পিছে টিঁয়াই কটা ঊহে আছিলোঁ; আমি ভোট দিয়াৰ সময়তহে তাওঁবীয়াৰ মনত পৰিলোঁ নে?

টিঁয়াই ভাতৰ ধমকা—( পওয়ান কৰ্; কোনো সুবিধা আদায় কৰ )—দিনে

শিপাই পৰিশ্ৰম কৰিলোঁ, কিন্তু হাত হ'ল খালৰ; কিঁয়াই লাভৰ ধন খালে।

**টিক্‌টি** (বা **টিক্‌টি-বিক্‌টি**) **উঠ্**—(খঙত উগ্ৰমূৰ্তি হ)—তেওঁক এনে কথাই নোৱাৰি,—**টিক্‌টি-বিক্‌টি উঠে।**

**টিক ধৰ্**—(দৰা কইনাৰ চুলি লগ লগাই দিল, তিল আদি তাত দি মন্ত্ৰ পঢ়ি দুয়োকে বিবাহ-বন্ধনত দৃঢ়)—'সোণে ৰূপে **টিক্ ধৰা** খাঁজলি ভৰিয়া।'

**টিক্‌টিক্ কৰে**—(ৰং ধুনীয়া দেখাত বগা বং দুখাৰ)—বিলাইতীবোৰ দেখিলেই খাবলৈ মন যায়; কেনে **টিক্‌টিক্ কৰে** বগা! **টিক্‌টিকীয়া** বগা।

**টিক্‌টিকা**—(কোনো কথা সঁচা বা ঘটিব বুলি মনত আপুনি ধাৰণা জন্ম্)—তেওঁ আজি আহিব বুলি মোৰ মনে **টিক্‌টিকাইছে।**

**টিক্‌টিকীত দি**—(অপৰাধীক বান্ধিবলৈ সজা কাঠৰ যন্ত্ৰত বান্ধি বেত্ৰে কোবা)—আগৰ দিনত উগ্ৰ অপৰাধীক **টিক্‌টিকীত দি** গুৰুতৰ শাস্তি দিয়া হৈছিল।

**টিকনিৰ আগত খহ উঠ্**—(খঙে তৎক্ষণাৎ চুলিৰ আগ পা)—এই সামান্য কথাটোতে তোমাৰ **টিকনিৰ আগত খহ উঠিব** লাগিছিল।

**টিকৰ স্বামী**—(শাস্ত্ৰসন্মত বিধানেৰে বিয়া কৰোৱা স্বামী)—**টিকৰ স্বামী** সতী তিৰোতাৰ মানত দেৱতা।

**টিকা কৰ্**—(আন্দাজ কৰ্; মনেৰে ঠাৱৰ কৰ্)—সেইটোৰ ফুলবাত এইটো মাহত কিমান দিব পাৰি, **টিকা কৰাচোন।**

**টিকা কোবা**—(বা **চপৰিয়া**)—(অতিশয় আনন্দ প্ৰকাশ কৰ্)—বাজিয়েকে ভাতৰ পানী পাইছে বুলি শুনি বুঢ়াই **টিকা চপৰিয়াবলৈ** ধৰিলে।

**টিকাত কিলাই**—(অলপো কম নকৰাকৈ; সম্পূৰ্ণ পৰিমাণে)—সি তাৰ ধন টকা **টিকাত কিলাই** আদায় কৰিলে।

**টিকা পা**—(মূল্য আদি ঠাৱৰ কৰাত নিখুঁত অনুমান কৰিবলৈ সক্ষম হ)—আন্দাজ দিবলৈ তোমাৰ **টিকা নাপাওঁ,** আপুনি দিয়ক।

**টিকা-কটা**—(ৰং তোকা—ৰঙত খাটে)—এই **টিকা-কটা** ৰঙৰ কাৰ কৰিলে ভাল হয়।

**টিকাৰ কাজি বুকত দি হাঁহ**—(অন্যায়ভাৱে আনক কষ্ট দি উপহাস কৰ্)—তুমি এনে গৰ্হিত কাম কৰিলে সকলে **টিকাৰ কাজি বুকত দি হাঁহিব।**

**টিকাৰ ছাল এভৰপ যা**—(কোনো কাম কৰ কষ্টেৰে বহুদিন লাগি থাকি কৰ্)—এই কিতাপখন লিখোঁতে তেওঁৰ **টিকাৰ ছাল এভৰপ গৈছিল।**

**টিকাৰ ছাল ছেলিলেও কথা নেৰ্**—(অশ শাস্তি দিলেও নিজৰ মতত লাগি থাক্)—**টিকাৰ ছাল ছেলিলেও** সি নিজৰ কথা নেৰে, গতিকে তাক বুজাই বঢ়াই লাভ নাই।

**টিকে চুলিয়ে লগ লগা**—(কোনো প্ৰকাৰে বিয়াৰ কাৰ্য সমাধা কৰ্)—বিয়াৰ বাবে বেছি যোগাৰ কৰিব নালাগে; কোনোমতে **টিকে চুলিয়ে লগ লগাই** দিয়াৰ ব্যৱস্থা কৰা।

**টিঙত-কোবোৱা**—(দুঃসাহসী)—সি **টিঙত-কোবোৱা** ল'ৰা; একোতে ভয়-সংশয় নাই।

**টিঙমা মাৰত ওপৰ-ভৰা হ**—(যি ভাৰ বা দায়িত্ব [চলাবলৈৰ যোগ্যতা আছে তাতকৈ বেছি দায়িত্ব পৰ্)—তেওঁৰ ওপৰত এটা এটাকৈ কিমান দায়িত্ব জাপি দিব খুজিছা? **টিঙমা মাৰত ওপৰ-ভৰা হব** পাৰে, তালৈ চাবা।

**টিঙিতকৈ খং উঠ্**—(তৎক্ষণাৎ খং উঠ্)—কথাটো নোকোঁতেই তোমাৰ **টিঙিতকৈ খং উঠে কিয়?**

**টিঙিৰি-তুলা**—(খৰ খঙাল মানুহ)—নবিতাকণৰ উঠি ল'ৰাটো **টিঙিৰি-তুলা** হ'ল; তাক মাতিবই নোৱাৰি, টিঙিতকৈ খং উঠে।

**টিপ খা**—(হেঁচা পাই চাপ হ—মাটিত লাগে)—মন তেওঁটো **টিপ খোৱা** নাই; ন-ৰটীয়া তেটিত পাতবোৰ দ'কৈ থাকিবা।

**টিপ-চহী**—(লেখক দিব নোৱাৰা মানুহে হাতৰ বুঢ়া আঙুলিৰ পেটত চিয়াঁহী আদি লগাই কাকত-পত্ৰত দিয়া স্বীকৃতিৰ চিন)—এইয়া **টিপ-চহী** দিলা দিব নাই; মতবতটো পিছি লোৱা।

**টিপ-টাপ**—(কথা লুকোৱাৰ চেষ্টা; চাকচুক)—কামটো **টিপ-টাপকৈ** কৰা; মনৰী নকৰিবা।

**টিপত বুকো**—(বিচেই সব হ)—সেইটোকো মাছ খোৱা নে? তেনেই **টিপতে বুকোৱা** পুঠি এটা।

**টিপ মাৰ্**—(১। চকুৰ ইংগিতেৰে কথা বুজা। ২। একেক চকু মুদি চোঁপৰি বা। ৩। মাকে বন্দীৰ চোঁপত খেট্)—১। তেওঁ **টিপ মাৰি** কি কলে, বুজিলা।

২। মোৰ বাঢ়ি টিপ মাৰিবই পৰা নাই; এতিয়া শোৱাবে। ৩। বলী হৈ গৈছিলোঁ, মনে টিপেই মাৰাবিলে।

**টিপা মাৰ্** (বা মাৰি চা)—(মনৰ ভাব বুজ্)—বিয়াৰ প্ৰস্তাৱত তেওঁ মান্তি আছে নে নাই কথাটো টিপা মাৰিবাচোন।

**টিপিটাপি চা**—(ভাল্‌কৈ পৰীক্ষা বা বিবেচনা কৰ্)—কামটো উচিত হব নে অনুচিত হব, এতিয়াই টিপিটাপি চোৱাঁ।

**টিপিয়াটিপি কৰ্**—(পৰস্পৰে চকুৰ ঠাৰেৰে মনৰ ভাবৰ আদান প্ৰদান কৰ)—টিপিয়াটিপি কৰিব নালাগে, কি হৈছে ভাঙি কোৱা।

**টিলিকতে উৰাই দি**—(সম্পূৰ্ণ অৱজ্ঞা কৰ্; নিমিষতে অস্বীকাৰ কৰ্)—তুমি যাকে তাকে **টিলিকতে উৰাই দিয়াই**; কিন্তু তুমি নো কিমান ডাঙৰ!

**টুকুৰিয়াই চা**—(মনৰ ভাব বুজ্)—এই বিষয়ত তেওঁৰ মতামত কি, টুকুৰিয়াই জনাচোন।

**টুটকীয়া মহলে গাঁও মৰহ্**—(টুটকীয়া মানুহবোৰ আতঙ্ক থাক্)—টুটকীয়া বুলি তেওঁক নিন্দা নকৰিবা; **টুটকীয়া মহলে গাঁও মৰহে।**

**টুটকীয়া মাৰ**—(লগৰীয়া কথা কৈ কাজিয়া লগাই দিয়া মানুহ)—তেওঁৰ দৰে **টুটকীয়া মাৰ** এই অঞ্চলত আৰু কোনো নাই; তেওঁ য'লৈ যায়, তাতেই কাজিয়া লগাই থৈ আহে।

**টুটবি লাগ্**—(টটুৱা পৰ্; শুকাই খীণাই মৰ হ)—শাকবোৰ ৰদ চোতাত **টুটবি লাগিল।**

**টুপাই মুৰ মাৰ্**—(মমুনি মোহোহো হ বা মিছা মাত্)—সকলো কথাতে **টুপাই মুৰ মৰাত** তেওঁ বৰ পাৰ্গত।

**টুবুং ভুটুং কৰ্**—(ডুবঁা ডুবোঁ কৰ্)—এই মাহত ব্ৰহ্মপুত্ৰ পাৰ হবলৈ মোৰ সাহ নাই; নাৱেহে **টুবুং ভুটুং কৰিছে**, ক'ত ডুবে ঠিক নাই।

**টেঁটুৱা লাগ্** (বা ধৰা)—(ডিঙিত টানকৈ চেপা খাই থৰ্)—আইজনীৰ পাণবহু খাই দিলা; **টেঁটুৱা লাগিছে।**

**টেকেলি দি**—(ৰোষণ পিতাবৰ পিছা দয়া-দেৱপদা কইনাৰ ঘৰলৈ পাৰী-তোলা টেকেলি দৈ যা)—দেশ-বহুৰ অনুসৰি আপোনালোকে বিয়াৰ আগদিনা কইনাৰ ঘৰলৈ **টেকেলি দি** পঠাব।

**টেকেলি-পেটা**—(বৰ পেটাল)—মানুহটো বৰ টেকেলি-পেটা, খায়ও বহুত।

**টেঙৰৰ ভিতিত তোল লাগ্**—(বৰ চতুৰালি কৰোঁতে ও বৰ বিপদত পৰ্)—চুটকীয়া ন হ'বি বুলিছো যে, টেঙৰৰ ভিতিত তোল লাগিব চাবা।

**টেঙা আম এবাৰহে বেচিব পাৰ্**—(মুঠালি কৰি মানুহক এবাৰহে ঠগাব পাৰ্)—টেঙা আম এবাৰহে বেচিব পাৰি; এবাৰ তোমাৰ হাতত ঠগি দুনাই তোমাক কোনে বিশ্বাস কৰিব?

**টেঙা খোৱা যেন হ**—(লাজ হ; বিমোৰত পৰ্)—মেনেকিয়ে আচাৰ্যীৰ শিষ্যাবিতাৰ বিষয়ে কৈ আছিল, এনেতে আচাৰ্যীৰ পত্নী ভেটি খোৱা বুলি সমজুৱাৰ এজনে কৈ দিলে; মেলেকি টেঙা খোৱা যেন হ'ল।

**টেঙা দি যো লগা**—(বিৰক্তি বা বেজাৰ দি)—তাৰ ব্যৱহাৰে মোৰ মনত বৰকৈ টেঙা লগালে।

**টেঙাৰ আজাৰ মাছ ধৰি খাব নাজানে**—(তেনেই অজলা (বিদ্ৰূপ অৰ্থত); আচলতে বৰ সিয়ান)—তুমি যাক ভিৰৈ পাবা, সেই টেঙাৰ আজাৰ মাছ ধৰি খাবও নাজানে; তেওঁৰ লগত সাৱধানে চলিবা।

**টেটাৰ-বাজি**—(টালি-বাজি)—তোৰ টেটাৰ-বাজি মই বুজিছো; খাবলৈ আহিছোঁ, বাৰি।

**টেটুত খুব দিলেও ফুটা কড়ি এটা নোলা**—(বৰ টোকোনা বা কৃপণ মানুহ) ১। সি ডাল-দৰিদ্ৰ, তাৰ টেটুত খুব দিলেও ফুটা কড়ি এটা নোলায়। ২। সি যেনেহে বৰ, তাৰ টেটুত খুব দিলেও ফুটা কড়ি এটা কাহানিও নোলাব।

**টেটেৰা পৰ্ (বা লাগ্)**—(চেঁৰেলা হ; খীণাই যা)—এদিন লঘোনে থকোতেই টেটেৰা পৰিলা দেখোন।

**টেপৰ ঠুকা দি**—(মুখৰ আগতে বৰ টোকা কথাৰে নিন্দা কৰ্)—তাক আজি টেপাৰ ঠুকা দিলোঁ; ছল-কুৰ মাৰাটি বহি আছিল।

**টেপৰ খুঁচা**—(নিজে থাকি থাকি আনৰ মাজত বাজিৱা লগা)—ভাই-ককাইৰ মাজত টেপৰ খুঁচাৰ কাম সে কোনে? তই বহুত নে?

**টেপাল দি (বা পৰ্)**—(পোৰ-বাজত ভাৰ এৰি কোচ খা)—দুখীয়ে কেত ধনাকে কলে; সি টেপাল দিবলৈ বাধ্য হ'ল।

**টেপলা পৰি যা**—(ক্ৰমে অৱনতিৰ ফালে যা)—টেপৰ ঢেঁকী থাকিলে গৃহস্থালি টেপলা পৰি যায় বুলি লোকে কয়।

**টেপাই-চেলাই**—(মিছাকৈয়ে সৰ কথাকে বুলি দেখুৱা কাৰ্য)—**টেপাই-চেলাই** কৰি নাথাকিবা; তুমি কিয়াৰ কান্দা, আমি বুজি পাইছোঁ।

**টেপাই মাৰ্**—(বেয়াকৈ কাম কৰি ফাঁকি দি)—পইচাৰ বাবে কাম কৰা মানুহে **টেপাই মাৰিবই**; সেই দেখি কামটো দিয়ে চাই থাকি কৰাব লাগিছিল।

**টেপা খা** (খা হ)—(অলপ কোচ খাই মনে মনে থাক্)—শিক্ষক অহা দেখি ল'ৰাবিলাকে **টেপা খালে**।

**টেমী-গলা**—(গাল দুখন টেমী যেন হ)—ছোৱালীজনী **টেমী-গলা** বুলি তেওঁলোকে হাঁহিলে।

**টেমী যেন কৰ্**—(মখিয়াই টেমীৰ মিচিনাই ওখহাই তোল্)—মাকে চৰিয়াই চৰিয়াই ধীৰেনৰ গালদুখন **টেমী যেন কৰিছে**।

**টেৰা-টেৰি**—(টেৰাকৈ চাৰ অসৰল বা গোপনভাৱে চোৱা কাৰ্য)—মোক আহিবলৈ দেখি দুয়োয়ে **টেৰা-টেৰি** লগালে; অলপ পৰ থাকি মই উভতি আহিলোঁ।

**টেৰা-বেঁকা**—(বহুত ভাঁজ থকা)—আলিটো ভালেঁতে বাটে অলপো **টেৰা-বেঁকা** নাই, তাতে লক্ষ্য ৰাখিবা।

**টেৰি-মেৰি**—(খেঁকোৰা-পকোৰা বা অসৰল কথা)—তোৰ **টেৰি-মেৰি** শুনিবলৈ আহৰি নাই; আজি পুনি মোৰ পাওনাখিনি দিবই লাগিব।

**টোকনী-কাকত**—(ব্লটিং কাকত)—**টোকনী-কাকতেৰে** কেলৈ চিঁহি তুমি পেলোৱা।

**টোকাৰী বাই ফুৰ্**—(বিনাকামে ঘূৰি ফুৰ্)—ডেকা মানুহে **টোকাৰী বাই ফুৰিলে** কোনে ভাল পাব?

**টোকোনতে ইমান, ঢেঁৰ পাছে আছেই**—(তেনু নোপাওঁতেই কাণে আক্ৰমণ কৰিব খোজ্)—মোৰ পক্ষ ভাব থাকৰ ওচৰলৈকেই যোৱা নাই, আগতেই মানিবলৈ নাহে; **টোকোনতে ইমান, ঢেঁৰ পাছে আছেই**।

**টোঁকোৰ মাৰ্**—(খোকনীৰ কাষত বহে বহে ঘূৰি ফুৰ্)—**টোকোৰ মাৰিবলৈ** আমাক লাগে; নাম কিছু আমৰহে।

**টোকোৰা-পঁজা**—( নিজৰ সৰু ঘৰ )—মোৰ টোকোৰা-পঁজাটোতে এবাৰ আহিব নে ?

**টোকোৰা নথিয়া দি**—( বহুতে একেলগে হাৰ-পিট কৰ )—মোৰ দেউতাক সকলোৱে টোকোৰা নথিয়া দিবলৈ ধৰিলে।

**টোটক-মাটক**—( লগনীয়া বা নবৰ নবৰ কথা কোৱা অভ্যাস )—টোটক-মাটক কি আমি নাজানো ; যি দেখিছোঁ, তাকে কৈছোঁ।

**টোপনি-পধুৰা** ( বা **দণ্ডৱা**, বা **বঠীয়া** )—বৰ বেছি টোপনি যোৱা অভ্যাসৰ )—ডেকা মানুহ ইমান টোপনি-পধুৰা হোৱাটো বৰ লাজৰ কথা।

**টোপনিত ভোজ হেকৰা**—( অলসতা বা হেলাৰ বাবে সুযোগ নষ্ট কৰ্ )—পোৱা সুযোগ গ্ৰহণ কৰা ; টোপনিত ভোজ হেকৰাটো বিবেচক লোকৰ কাম নহয়।

**টোপনিয়ে জোকা**—( টোপনি ধৰ্ )—ল'ৰাটোক টোপনিয়ে জোকাইছে ; তাক শুৱাই থোৱা।

**টোপনিয়ে ৰবি-ৰকৰা মাজাম্**—( টোপনি ধৰিলে গঁতে ভাতে শুই পৰ )—যি ঠাইত শুলোঁ, দেখিলেও ধু পেলাব লাগে ; কিন্তু কি কৰোঁ ? টোপনিয়ে মাজামে ৰবি-ৰকৰা।

**টোপনিৰ জেলেকা লাগ্**—( টোপনি অহাৰ উপক্ৰম হ )—মোৰ অলপ টোপনিৰ জেলেকা লাগিছে ; মই শোওঁ, তুমি বহা।

**টোপ পৰিবলৈ নিদি**—( সামান্য কষ্ট পাবলৈ নিদি ; বৰ চেনেহেৰে লালন পালন কৰ্ )—মাকে ল'ৰাটিক টোপ পৰিবলৈ নিদিয়াকৈ ৰাখিছে।

**টোপ পেলা**—( কাৰ্যসিদ্ধিৰ বাবে প্ৰলোভন দেখুৱা )—আমাৰ পক্ষলৈ কোনো কোনো আহে ; এতিয়াও কম নোৱাৰোঁ ; এইমাত্ৰ টোপ পেলাইছোঁহে।

**টোপা-ডাঁড় থোৱা দি**-( বৰ বেগাই ৰ )—পুতেকৰ টাৰ ধৰিলা বুলি শুনি পিতাক টোপা-ডাঁড় থোৱা দিছে।

**টোপা-থেকেচা দি**—( থেকেচি থেকেচি মাৰ্ )—সামান্য দোষতে মাকে ল'ৰাটোক টোপা-থেকেচা দিলে।

**টোপোলা-কটা**—( চুৰণিয়া ; একে দেখাদিয়ে ধৰা )—এই টোপোলা-কটা হাবিয়ে মাৰ ধাকে বুলি কোনে জানে ?

**টোপোলা দেখি টুপনি নাহ**—( আন বিভিন্ন দেখুৱালেও নিজৰ

নিজিনাদি দেখুৱা )—হেঙুলোৱাজন কিয় একো নিচিনো, বুজিছা? চৌপোৱালা দেখিলেহে টুপনি যাচে; ন'হ চৌপোৱালা, থগ দি আছে।

চৌ-খুঁটিয়া মাৰ্—( ভাত মাৰ্ )—আপুনি এতিয়া যাব নালাগে; চৌ-খুঁটিয়া মাৰক।

চৌ খুঁটিয়া লৈ আছ—( কাংলীয়াকৈ থাকিবলৈ আছ্ )—আমাৰ ঘৰতে নবিয়া আহিলে সদায় চৌ-খুঁটিয়া লৈ আছে।

## ঠ

ঠগ কৰ্—( ঠকনা কৰ্ )—আনক ঠগ কৰি ভুৱা মানুহৰ মঙ্গল নহয়।

ঠগ দি—( ভেম কৰি নবাজৰ ঠকবাকৈ থাক্ )—কিহৰ বাবে ঠগ দি থাকিছ? ভাঙি-চুটি নকৰা কিয়?

ঠগ ধৰ্ ( বা লগ )—নিজৰ স্বাভাবিক গড় এৰি আনৰ গড় ল )—ন'বাটোৱে মোমায়েকৰ ঠগ লৰে।

ঠগা বাটি—( খাল বাটি )—অসমতহে ঠগা-বাটি পোৱা যায়।

ঠগুৱা খা—( মাৰ দিলে ধৰণা আদি ভোগ কৰ্ )—লোকৰ ঠগুৱা খাই তাই ইমান দিন কটালে।

ঠঠ-মঠ খা—( বিস্মিত আৰু নিৰুত্তৰ হ )—তাৰ কাণ্ড দেখি আমি ঠঠ-মঠ খালোঁ।

ঠঠি পাত্—( ঠেহ পাত্ )—'বাঘৰ কাষত বহা নাই আপাতিৰা ঠঠি।'

ঠঠীয়া উত্তৰ দি—( চোকা চোকাকৈ প্ৰতি কথাৰ উত্তৰ দি থাক্ )—দেউতাৰেকে ঠঠীয়া উত্তৰ দি থকাটোহে দিতীয়েকৰ খং উঠিছিল।

ঠঠীয়া কোবা—( কোবো একাবে দৈবায় বটে চোকা উত্তৰ দি থাক্ )—তুমি শিক্ষকৰ লগত এনেকৈ ঠঠীয়া কোবোৱা উচিত হোৱা নাই।

ঠমঠম্ মদন গোপাল—( নিবিৰ চৰিৰ গোসাঁৱা অকামিলা মানুহ )—তোমাৰ কাম-বন নাই হব পাৰ যে ঠমঠম্ মদন গোপাল হৈ বহি আছা?

ঠমক ধৰ্—( কাৰৰ মাজত বা কাণতে মাজে মাজে ৰ )—কামটো কৰিবলৈ লৈছা যেতিয়া, একেবাৰে কৰি পেলোৱা; ঠমক ধৰি ধৰি সদায় কটোৱা কিয়?

**ঠৰঙা-পাচলা**—(কাম-বন কৰিবলৈ ইচ্ছা নথকা, অকামিলা মানুহ)—ঠৰঙা-পাচলা হৈ কিমান দিন থাকিবা? কাম-বনত লগা।

**ঠৰ পৰ্**—(বা লাগ্)—১। ৰক্তৰ চলাচল নকৰাকৈ থকাত ঠৰা হ। ২। শৰীৰ বা মনৰ বিকাৰৰ হেতুকে অভিভূত হৈ নিচুকি বা নিমাত হ)—১। ভৰি দুখনত দিনটোৱাকৈ তেল ঘঁহা; কেইমাহো বিছনাত পৰি থকাত ঠৰ লাগিছে। ২। বেচুৰাটো কান্দি কান্দি ঠৰ পৰিছে; লওঁতা কোনো নাই নে?

**ঠৰিহ দি**—(ঠেৰেহা মাৰ্; জাৰত হাত-ভৰি অৱশ হ)—এই জাৰত বুঢ়া মানুহ ঠৰিহ দিব।

**ঠাই ঠাই**—(থান থান)—ভাই হলে ঠাই ঠাই; তোমালোক বেলেগ হোৱাটো আচৰিত নহয়।

**ঠাই দি টপ্‌টপনি শুন্**—(অভিপ্ৰেত মানুহৰপৰা অপকাৰ পা)—তোৰ ঠাই দি টপ টপনি শুনিম বুলি ভবা নাছিলোঁ।

**ঠাই নাই**—(বা ঠাই নাইকিয়া বা ঠাই নোহোৱা হ)—অতিৰিক্ত বা অসংখ্য বা অতিশয় হ)—১। তুমি নগলা, মেলৰ থলত ঠাই নাই। ২। তুমি যিমান কৰিছা, ঠাই নাই, নকবা। ৩। আম পকি ঠাই নোহোৱা হৈছে।

**ঠাই-সৰী**—(ঠাই সৰা তিৰোতা)—ঠাই-সৰীজনীক মাতা; চোতালখন সাৰি দিয়ক।

**ঠাক-বাজি মাৰ্**—(ইঙ্গিত বা সংকেতেৰে কোনো কথাৰ আভাস দি)—সভাখন মাজতে আচাৰীটোক ঠাক-বাজি মাৰি দিবা কৈ তেওঁ গুচি গ'ল।

**ঠাকক-ঠিয়াঁৰে**—(সম্পূৰ্ণ ঠিকঠাকে)—স'ৰ টোৰে সকলো কথাকে ঠাকক-ঠিয়াঁৰে কৈ দিছে।

**ঠাট-কটক**—(সৈন্য আৰু সৈন্যৰ লগত যোৱা মানুহৰ দল)—দিনকদিনে যেখোন আজি ঠাটে-কটকে আহিছে; কথা বা কি?

**ঠাঠুৰি মাৰ্**—(কোনোৱে কাম কৰি তাতকৈ কথা বুলি দেখুৱা)—ঠাঠুৰি মাৰি মোক যো সেইবৰ কি দা গঢ়ি দিছ?

**ঠাল-জাল**—(জালী-জালী)—বামাৰ মুখুকৈ কথা কৈ দি কেনেকৈ ঠাল-জাল দিব লাগিছে তোৱাতোৰ।

ঠাঁৰ-ঢুকো—( আলী-গলী, বিশেষকৈ হাতেৰে কৰা গলী )—চোৰ সোৰ-পাচ কৰা দূৰ কৰা, দুখাই ঠাঁৰ-ঢুকো দিবলৈ ধৰিলে।

ঠাৰে-চিয়াঁৰে—( ঠাৰ দি ; ইঙ্গিতেৰে )—ঠাৰে-চিয়াঁৰে তাক কিবা কৈ দি গুচি গ'ল।

ঠাৰে-ঠোৰে—( ভঙ্গি অৰ্থাৎ আকাৰে ইঙ্গিতেৰেহে প্ৰকাশ কৰা অৱস্থাত )—কথাটো এতিয়াও ঠাৰে-ঠোৰে আছে ; সদৰী হোৱা নাই।

ঠাহাৰ-ঠুহৰ—(কৰোঁ নকৰোঁকৈ থকা)—খোৱা যদি খোৱাই, ঠাহাৰ-ঠুহৰকৈ থাকা কিয় ?

ঠিক চাই টোকোৰ পোত্—( বিশেষ সঠিকতাৰে, নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে কোনো কাম কৰ্ )—আমি যাওঁ বুলি খোজ লব খুজিছোঁ ; ঠিক চাই টোকোৰ পুতি মগনীয়াটোৱে কিবা পাবলৈ হাতখন মেলিছে।

ঠিকনা চা—( গণনা কৰি ভৱিষ্যতে হব লগা ঘটনা আদি কথা ক )—গণকটো ক'ত বিচাৰি পাওঁ, তাৰে ঠিকনা চোৱাবলৈ আহিছোঁ।

ঠিকনা নোহোৱা—( স্থিৰতা বা নিশ্চয়তা নথকা )—মই নতুবাৰে ঠিকনা নোহোৱা অৱস্থাত আছোঁ ; তোমালোকৰ কামৰ দায়িত্ব মই লব নোৱাৰিম।

ঠিলা-মেলা—( সূতা আদিৰ ঠিলা উলিওৱা পাক-ভোঁৰা )—ঠিলাটো এনেই কেনেকৈ উলিয়াবা ? ঠিলা-মেলাটো আনা।

ঠুঁটিয়াই থাক্—( ঠোটেৰে অলপ অলপকৈ খোৱাৰ দৰে খাই বা খুৱাই থাক )—পুৱাৰপৰা পখুলিটো এইদৰে ঠুঁটিয়াই থকাই তাৰ অভ্যাস।

ঠুক ভাঙৰে—(সংক্ষেপে)—কথাটো ঠুক ভাঙৰে কোৱাঁ ; আমি লিখি লওঁ।

ঠেং আগ বঢ়াই দি—( তাতৰে সকল অনুগ্ৰহ দেখুৱাই উদ্ধাৰ কৰিবলৈ সমৰ্থ হ )—তেওঁক কিমান কাকুতি কৰিলোঁ, তেও ঠেং আগ বঢ়াই নিদিলে।

ঠেং গজ্—( খোজ কাঢ়িবপৰা হ )—কেঁচুৱাটোৰ ঠেং গজিলেহে তাক আওৰা চাম হব।

ঠেং-ভঙা খোৱা—( দুৰ্ঘাত পৰি বিকল )—সি তোমাৰ ঠেং-ভঙা খোৱা মানুহ ; তাৰ লগত ঘূঁৰিলে লোকে তোমাক নিন্দিব।

. **ঠেং ভাঙ্**—(১। বহিবা হোৱা বাবে বিপদত পৰ্। ২। গাইয়ে গাখীৰ দিবাৰ নিদিয়া হ)—১। আমাৰ গোৱালীয়ে কালিৰপৰা **ঠেং ভাঙিছে**। ২। গাইকেইজনীয়ে **ঠেং ভাঙিলেহে**; এতিয়া গাখীৰৰহে হাহাকাৰ হয়।

**ঠেং ভাঙি থাক্**—(যাওঁ যাওঁ বুলি আগ্ৰহ দেখুৱাই থাক্)—ল'ৰা-ছোৱালীহঁতে বিয়াতে যাওঁ বুলি **ঠেং ভাঙি আছেহি**।

**ঠেং-মচুৰা**—(এলাহেৰে কাল কটা)—পিতাকে অতুল সম্পত্তি এৰি থৈ গৈছে, পুতেকে **ঠেং মচুৰাই খাইছে**।

**ঠেং-আমৰি (বা ঠেং-পচা)**—(ভৰি-পথাৰ)— যাৰ মূল-পিতামহৰ বাৰ নাজানো, তোমাৰ হকে তেনে মানুহৰ **ঠেং-পচাইদিও** গৈছোঁ।।

**ঠেং পাক মাৰি বহ্**—(কোনোৱে অনুগ্ৰহ প্ৰাৰ্থনা কৰিলে গৰ্বেৰে অনুগ্ৰহ দেখুওৱাবলৈ অস্বীকাৰ কৰ্)—তুমি যিমানে ওচৰ চাপিব খুজিবা, তেওঁ তিমানে **ঠেং পাক মাৰি বহিছে**।

**ঠেক আঙৰ্**—(টানত সহায় কৰ্)—মোৰ এই **ঠেকটো** তুমি কেনে তেনে **আঙৰি** দিয়া, নহলে মই নিৰুপায়।

**ঠেকত পৰ্**—(বিপদ, কষ্ট বা নিৰুপায় অৱস্থাত পৰ্)—**ঠেকত পৰিছে** সি তোমাৰ ওচৰ চাপিছে, পাৰা যদি সহায় কৰা।

**ঠেকত পেলা**—(বিপদগ্ৰস্ত কৰ্)—টকাখিনি দিব নোৱাৰিলে তেওঁৰ **ঠেকত পেলোৱা** হব।

**ঠেক দি**—(১। সমানে সমানে চল্। ২। বিপদ বা টান আঙৰিবলৈ সক্ষম হ)—১। সি তাৰ লগত কোনো কামতে **ঠেক দিব** নোৱাৰে। ২। তুমি বহু টকা দিলাই, মোৰ অভাৱত সেই টকাই কি **ঠেক দিব**?

**ঠেক পা**—(কোনো বস্তু অনাটন হোৱাত অসুবিধাত পৰ্)—বিয়াত গাখীৰৰ বাবে বৰ **ঠেক পাব** লগীয়া হৈছিল।

**ঠেকা খা**—(ধুলা খা; ঠেকত পৰি কষ্ট পা; কষ্ট পাই শিক্)—সিবাৰ **ঠেকা খাইছে** এইবাৰ তেওঁ তোমাৰ কাষ চাপিছে।

**ঠেকাৰ-মেকাৰ**—(নানা কষ্ট বা অসুবিধা)—এনে **ঠেকাৰ-মেকাৰ** কৰি মই ব্যৱস্থা কৰিব নোৱাৰোঁ।।

**ঠেঙত চুলি নেৰাই ফুৰ্**—(প্ৰাৰ্থনা লৈ বহি এঘৰৰপৰা আন এঘৰ

জপতেন দৈ দুখ)—কেইজনৰ ঠেঙত ধুলি লেৰাই ফুৰিলোঁ, কোনোৱে আনো এমুঠি চাউলো দিছিলা? মোৰ বাবা অনাহাৰত মৰিল!

**ঠেঙত ধৰ্**—(অনুগ্ৰহ প্ৰাৰ্থনা কৰ্)—মোৰ ভৰি এতিয়া **ঠেঙত ধৰিবলৈ** লাজ কৰিব নালাগে।

**ঠেঙৰ ওপৰত ঠেং তুলি খা**—(আৰামেৰে কাল কটা)—তোমাৰো পিতাৰ ধন-সম্পত্তি থকা হলে তুমিও ঠেঙৰ ওপৰত ঠেং তুলি খাব পাৰিলাহেঁতেন।

**ঠেঙান দি (বা পিট্)**—(কৰিব লগীয়া কোনো কাম নকৰি দিয়া দি বৈ থাক্)—তোক তেতিয়াই সেই কামটোলৈ পঠিয়ালোঁ; তুই দেখোন **ঠেঙান দিহে** থাকিলি।

**ঠেঙুমীয়া-মেঙুমীয়া**—(ঠেঙুৰিৰ দৰে; ৰব সৰু বা পাতল)—আম এইবাৰ ধৰেই; কথাত **ঠেঙুমীয়া-মেঙুমীয়া** দুই-এটাহে পালোঁ।

**ঠেঙে-হাতে জঁপিয়া**—(বৰ উতং আচৰণ কৰ্)—ধন সম্পত্তিৰ গৰ্বত সি **ঠেঙে-হাতে জঁপিয়াইছে।**

**ঠেক-ছিগা**—(অৱলম্বনহীন; নিৰাশ্ৰয়)—ককাৰ মৃত্যুৰ পিছত ল'ৰাটো **ঠেক-ছিগা** হ'ল; সি এতিয়া যায় ক'লৈ?

**ঠেকেহা মাৰ্**—(নপকি বা নিমিজি টান হৈ থাক্)—এইজোপা বেলৰ কলবোৰ ভালকৈ নপকে, কিবা দেখোন **ঠেকেহা মাৰি** থাকে।

**ঠেলা-মৰা**—(পৰোক্ষভাৱে আক্ৰমণমূলক)—তোমাৰ এনে **ঠেলা-মৰা** কথাই। চিধাচিধিকৈ কব নোৱাৰা নে?

**ঠেলাৰ মাৰ বাবাজী**—(ঠেলাত পৰিহে কথাৰ প্ৰকৃত মৰ্ম বুজি পা)—চৌধুৰীৰ আগত সিহঁত ভিজা মেকুৰী যেন হ'ল; সেয়েতো **ঠেলাৰ মাৰ বাবাজী।**

**ঠেলাৰ মুখত পৰ্**- (ঠেক বা সংকটত পৰ্)—সেইবাৰ মৰাত পুতেকৰ মামলা কথাত **ঠেলাৰ মুখত পৰি** চৌধিলে আতাৰ লেখিবলৈ ধৰিলে।

**ঠেলেঙা-ঠেলেঙি**—(ঘেঁৰি পাৰ ভেদি পৰা; বিশৃঙ্খল)—খবিবোৰ সৰিকৈ কব নোৱাৰিলা নে? কেলে **ঠেলেঙা-ঠেলেঙি** হৈ থাকিল?

**ঠেহ পাত্**—(খেহ কৰ্)—সি পুৰাকেপনা কিবা **ঠেহ পাতিছে**; নাখাওঁ, নাখাওঁ।

**ঠেহেৰা মাৰ্**—(লেহেৰা মাৰি ক)—শাহুৱেকে মধ্যে **ঠেহেৰা মাৰিহে** বোৱাৰীয়েকক মৰমৰ কথা কয়; বোৱাৰীয়েকৰ ৰং উঠে।

ঠেঁট কোবা—(দোকা দোকা কথাৰে তৰ্কাতৰ্কি কৰ্)—অনাহকত ঠেঁট কোবাই থাকি একো লাভ নাই; নিজ নিজ কামলৈ যোৱা।

ঠেঁট-মুখ চেলেক্—(লাজত পৰি নিকত্তৰ বা অপ্ৰস্তুত হ)—এবা পৰি বলুৱাই ঠেঁট মুখ চেলেকিবলৈ ধৰিলে।

ঠেঁটা মুখ তোঁটা হ—(আমৰণৰ কিবা আশা কৰি থাকি সমূলি নিৰাশ হ)—ভাই গাখীৰ বিচাৰি আহিছিল; দিব নোৱাৰোঁ বুলি কোৱাত ঠেঁটা মুখ তোঁটা হৈ গুচি গ'ল।

ঠেঁটা-যোজা লাগ্—(বাগ্যাবাচি; উৰণা উৰণি লাগ্)—মানুহ মাত্ৰেই এনে ঠেঁটা-যোজা লাগে; সেই বুলি ম'লো চিৰ শত্ৰু হব লাগে?

ঠেঁটঠোৱা একৰা—(খুন্দিয়াই গাৰ মঙহ ছিঙ্; ঘৃণকৈ অপমান কৰ)—তেতিয়াই কৈছোঁ, মোৰ কাষে থাতৰি দা; খবৰ পালিলে ঠেঁটঠোৱা একৰাইছে এৰিব।

ঠোকোনাত গাল খা—(অতিশয় অপমান বা গঞ্জনা ভোগ কৰ্)—এই কথা সি শুনিলে ঠোকোনাত তইতে গাল খাব।

ঠোতোৱা-মোতোৱা—(অভদ্ৰ মাত-কথা; গালি-গালাজ)—তোমালোকৰ এই ঠোতোৱা-মোতোৱা লোকে শুনিলে কি বুলিব?

## ড

ডঠুৰ কৰ্—(টান কথাৰে কোনো কামলৈ বাধ কৰ্)—তুমি ডঠুৰ কৰিলে মই কামটো নকৰোঁৱেই।

ডবলিকৈ খা—(অতিৰিক্ত পৰিমাণে ভোজন কৰ্)—ইমান মানুহে ডবলিকৈ খোৱাতো ভাত-আঞ্জা পেলনিহে গ'ল।

ডবাই ধৰ্—(ভালদৰে হেঁচা মাৰি ধৰ্)—বাহুতান ডবাই ধৰা, ভেন্নে ইটো মুখ ওপৰলৈ উঠিব।

ডবা-কাঁহীয়া—(ডাঙৰ কাঁহীয়া)—এসময়ত এনে এনে ডবা-কাঁহীয়া আছিল যে ভেঁটু দিলে-একোটাতে আকিং খাইছিল।

ডলাৰ বৰ্বৰী—(ধাৰ-নিত নোহোৱা মানুহ; বিশেষকৈ, মগজ দিব্য নোহোৱা

মানুহ)—ৰফিলাবাসী মানুহে ভলাৰ বসবী; এনে মানুহে কাৰ্য্যকাৰণ বাজে নীতিৰ পৰিৱৰ্ত্তন কৰে।

**ডাইনা-পালী**—(ওজাৰ সোঁহাতে থাকি গীত গোৱা আৰু সেই গীতৰ অৰ্থ ভাঙি কোৱা পালী)—ওজা চাৰজন থাও বলা; বৰ ভাল **ডাইনা-পালী** আহিছে বোলে।

**ডাং-কটা**—(বৰ দুষ্ট)—সেই **ডাং-কটা** চোৰটো যোৱা ৰাতি হাতে হাতে ধৰা পৰিছে।

**ডাং-কোবা**—(ডেকা মানুহে দুষ্টামি কৰি ফুৰ্)—সি দিনে ৰাতিয়ে **ডাং-কোবাই** ফুৰে; ভাল মানুহে তাক ছোৱালী দিব নোখোজে।

**ডাং-জাপি**—(হাতিৰ পিঠিৰাকে ডাং থকা জাপি)—তোমাৰ **ডাং-জাপিটো** মলেই হব; ছাতি কেলেই লাগিছে?

**ডাং-ঠেৰীয়া**—(চপীয়া, মিহি সূতাৰ নোহোৱা)—**ডাং-ঠেৰীয়া** সূতাৰ এই মাপোৰখন তিনি টকাত কিনিব নোৱাৰি।

**ডাং-ধৰীয়া**—(ডাকোপ মৰা)—**ডাং-ধৰীয়া** কথা যে কব পাৰ, কয় কথাৰ ভুল নাই কিয়?

**ডাং-বৰলা**—(বহুত বয়সতে বিয়া-বাৰু নোহোৱা)—তোৰ ঘৰে **ডাং-বৰলাৰ** কৰলৈ কিহৰ চিন্তা?

**ডাং-ঘূৰীয়া**—(সৰু নখা-ছোৱালী নথকা; নিষ্কণ্টকীয়া)—তুমি **ডাং-ঘূৰীয়া** মানুহ, সোনকালে আহিব পাৰা, মই নোৱাৰোঁ।

**ডাঁৰ-পৰ**—(সময় বিফলণ কৰা ঘৰ)—পুৰণি আমহতো সময় নিৰ্দি কাৰবাজে একো একো বিধৰ **ডাঁৰ-পৰ** আছিল।

**ডাঁৰৰ বাদুলি ডাঁৰে ডাঁৰে দি থাক্**—(অমাই মকলো বাৰ্তাৰ লগাই থাক্)—পৰিয়াৰ কথা নাভাবিবা; আমি তোমাক **ডাঁৰৰ বাদুলি ডাঁৰে ডাঁৰে দি থাকিম।**

**ডাকৰ নোঁৱা**—(বৰ বেলাই চৌ-চৌকৈ ঘূৰি ফুৰা মানুহ)—এই **ডাকৰ নোঁৱা**; তোৰ ঘৰে ঘূৰিলে আমি ধৰি থাব।

**ডাঙৰ-আই**—(বেমাৰ)—আমাৰ **ডাঙৰ-আই** নিজৰ শাইকৈক পোঁহ কৰিছিল।

**ডাঙৰ গছত আউজ্**—(আশ্ৰয় বাবে ডাঙৰ মানুহৰ ওচৰ চাপ্)—বিপদত পৰিছোঁ; **ডাঙৰ গছত আউজিবই** লাগিব; নহলে ৰক্ষা পৰিব কেনেকৈ?

**ডাঙৰ গছত বতাহ লাগ্**—(মূখী বা মুখিয়াল লোকে আনৰ হৈ সকলো বিপদৰ সন্মুখীন হ)—আপুনি মুখিয়াল লোক; বিপদলৈ ভয় কৰিলে কেনেকৈ হব? **ডাঙৰ গছত বতাহ লাগেই।**

**ডাঙৰ গছ পাত্**—(ডাঙৰ বুলি মান্; আশ্ৰয় বাবে কোনো মানুহৰ ওচৰ চাপ্)—আপোনাক **ডাঙৰ গছ পাতিছোঁ**, আপুনি কিবা এটা উপায় দিয়ক।

**ডাঙৰ পিতা**—(জেঠা)—**ডাঙৰ পিতাতকৈ** পিতা পাঁচ বছৰে সৰু।

**ডাঙৰি কাপোৰ**—(ডাঙৰি সূতাৰে বোৱা কাপোৰ)—**ডাঙৰি কাপোৰ** হলেও ইয়াৰ কিন্তু বৰ পাগ।

**ডাঙৰৰ দায় পিছলি যা**—(ডাঙৰ মানুহে কৰা অপৰাধ তেনে বুলি গণ্য নহয়)—**ডাঙৰৰ দায় পিছলি যায়**; এই গুৰুতৰ দোষ কৰিও ৰক্ষা সাৰি গ'ল; আন হোৱা হলে ভেটি উছন হ'লহেঁতেন।

**ডাক্কা উঠ্**—(বদনাম উঠ্)—সেই তিৰোতাজনীৰ চৰিত্ৰ সম্পৰ্কে **ডাক্কা উঠিছে।**

**ডাক্কা ছাট্**—(বদনাম বিয়পি পৰ্)—তোৰ গুণ-চৰিত্ৰৰ **ডাক্কা ছাটি** গৈছে।

**ডাক্কাৰ বিল**—(ডাকা—মানুহৰ মাজত ধৰকৈ জনাজাত। সকলোৱে মাজত ধৰ নাম থকা ঠাই, কিন্তু সাধাৰণতঃ তাৰ ওলোটা ফল পোৱা ঠাই)—**ডাক্কাৰ বিলত** নাবাবি; ডাকাৰ তিৰী নানিবি।

**ডা-ডাঙৰীয়া**—(ডাঙৰীয়াসকল আৰু অন্যান্য মুখ্য লোক)—আমাৰ **ডা-ডাঙৰীয়াসকলে** এই মতে কলে।

**ডাপি (বা ডাবি) যা**—(তলৈ বহি যা; অৱস্থাৰ হ্ৰাস হ)—১। এই খুঁটাটো তিনি ইঞ্চিমান **ডাপি গ'ল**; সোনকালে তুলি দিয়া। ২। পিতাকৰ মৃত্যুৰ পিছত তেওঁলোকৰ গৃহস্থালি **ডাপি গ'ল।**

**ডাব কাট্**—(ডাঙৰকৈ প্ৰতিজ্ঞা কৰ্)—এদিন মহা এখন ভোজ দিবাৰ, আমি **ডাব কাটিলোঁ।**

**ডাবৰ মাৰি কৰ্**—(নানা কাৰণ দেখুৱাই দেৰি কৰ্)—গৃহস্থালিৰ কামো আহৰণৰ কাৰণে তেওঁ **ডাবৰ মাৰি** কিমান কাম কৰতে নোৱাৰে।

**ডাবিত হুবোহুব মাৰ কঁপ্‌**—(বৰকৈ ভয়ৰা)—তোমাৰ **ডাবিত হুবোহুব মাৰ কঁপাই** দিলা; এ মইকৈ ল'ৰাটোক কি শিকাবা?

**ডাবি মাৰ্‌** (বা দি)—(খঙেৰে ডাঙৰকৈ চিঞৰাৰ কৰ্‌; তেকাহি মাৰ্‌)—
১। ল'ৰাটোক পিতাকে বৰকৈ **ডাবি দিলে**; সি কম্বলাবুৰা হৈ থাঁতৰি গ'ল।
২। তেওঁক কিবা সুধিলেই **ডাবি মাৰি** উঠে।

**ডাবে কাট্‌**—(এজনৰ প্ৰসিদ্ধি বা সুখ্যাতিৰ গুণে নিজৰ সুখ্যাতি অথবা আন এজনো সুখ্যাত হ)—গড়গঞা কটাৰী; তাৰ **ডাবেও কাটে**। ভায়েক বম হৈছে; ককায়েক সমাজৰ বৰমূৰীয়া হৰই।

**ডাল কটা ভাটৌ**—(আশ্ৰিত হৈও সুযোগ পালে বিশ্বাসঘাতকতা কৰা মানুহ)—সকলোপিনা তুলি-তালি তাক সকলো বিষয়ত বিশ্বাস কৰিছিলোঁ; সি যে **ডাল কটা ভাটৌ** হয়, মই ভাবিবই পৰা নাছিলোঁ।

**ডাল কোবা**—(ডালে ডালে অৰ্থাৎ ল'ৰা ঠাইত ঘূৰি ফুৰ্‌)—পুৱাবেলা এই দৰে **ডাল কোবাই** ঘূৰি ফুৰা; পঢ়াশুনা কৰাতহে মন দিয়া।

**ডাল-চোৰ**—(ডগৰা চোৰ)—সেই **ডাল-চোৰটোক** চাকৰ ৰাখিছা কিয়?

**ডাল ধোৱা দি**—(মোহাৰোক চুৰি কৰ)—তোমাৰ এইবোৰ **ডাল ধোৱা দিয়া** কথা আমি পতিয়াব নোৱাৰোঁ।

**ডাল-ডগুৰা**—(ল'ৰা-ছোৱালী বা আন কেও অথবা বয়স মানুহ)—**ডাল-ডগুৰা** এটাই গৃহস্থালিৰ দুখ কি বুজিব?

**ডাল-দবিত্ৰ**—(নিচেই দুখীয়া)—মই **ডাল-দবিত্ৰ** লোক; আপোনালোকক মই কিহেৰে তুষিম?

**ডাল-ধোৱা দি**—(আগেয়ে তিয়াই নোখোৱাকৈ থুই আন্‌)—চাউলবিলি **ডাল-ধোৱা দিবা**; আগবেলা তিয়াই থলে মাখন ডাল নহয়।

**ডাল-পাচলা মাৰ্‌**—(কলপহুৰে কোবোৱাৰ দৰে হৰকৈ মাৰ-পিট কৰ্‌)—চোৰটোক ধৰি বাইৰে তাক **ডাল-পাচলা মাৰিলে**; সেই চোৰটোকে বৰ দুখি পুলিচে গোৰৰ কৰিছে।

**ডাঙৰ কাউৰী**—(অতি দিব ঘূৰি ফুৰা মানুহ)—**ডাঙৰ কাউৰী** জাল; •তোমাক বাতি এৰ পালেও ভাল।

**ডাতে-ডুতে**—(পাক-পাচলি আদিৰ একো অংশ বাদ নিদিয়াকৈ; সম্পূৰ্ণৰূপে)—

শাক তুলিবলৈ গৈ **ডালে-মূলে** চাঁহি-চুঁহি আনিলা, পিছে শাক হ'ল বুলিও **ডালে-মূলে** খাব পাৰি জানো?

**ডিঙি পাতি থ**—(ডাঙৰ বিপদৰ সন্মুখীন হবলৈ সাজু হৈ থাক্)—এই কাম কৰাৰ সকলো দায়িত্বৰ বাবে **ডিঙি পাতি থৈছোঁ**।

**ডিমকৰ ফুল**—(অসম্ভৱ বস্তু)—**ডিমকৰ ফুল** বিচাৰি লাভ নাই, যিটো সম্ভৱপৰ, তাকেহে কৰিবলৈ আগ বাঢ়া।

**ডিমা এৰা গৰৈ**—(অতিকৈ শুকাই খীণাই যোৱা মানুহ)—বিমাৰ পিছৰপৰা গাটো **ডিমা এৰা গৰৈ** যেন হৈছে।

**ডিমাত আঁহ উলিওৱা**—(যতে ততে দোষ ধৰি ফুৰ)—তেওঁ **ডিমাতো আঁহ উলিয়াব** খোজে, আমাৰ কামত খুঁত বিচৰাটোত আচৰিত নহবা।

**ডিবা-হিবা**—(ডিবা-বিবহিত। ল'ৰা-ছোৱালী ডাঙৰ হোৱা তিৰোতা)—তুমি **ডিবা-হিবা** মানুহ, এদিন আমাৰ সান্দহকেইটা কুটি দিয়া।

**ডুখৰি-পীৰা**—(এক ডোখৰ কাঠৰপৰা কৰা সৰু পীৰা)—**ডুখৰি-পীৰা** কইখন তুলি থোৱা, এনে সৰু পীৰাত বহিব নোৱাৰি।

**ডুখৰি পীৰাৰে মাৰ্**—(ঢুকি পোৱাত থকা যেই সেই বস্তুৰে নৰকৈ মাৰ)—তোমাৰ ঘৰলৈ আহিলোঁ বুলিয়েই **ডুখৰি পীৰাৰে মাৰিবা** নে?

**ডুব মাৰ**—(১। বুৰ মাৰি পানীৰ তললৈ বা তলমূৰে যা। ২। সম্পূৰ্ণ অস্বীকাৰ কৰ্।) **ডুব মাৰি** তেওঁ বহুত পৰলৈ উঠি নাহিল, আমি মৰা বুলি ভাবিলোঁ। । তেওঁ এই বিষয়ে কি জানে সোধামাত্ৰেই তেওঁ পোণছাটে **ডুব মাৰিলে**।

**ডুব মাৰি পানী খা**—(গোপনে কোনো কাম কৰি নাই কৰা বুলি ক)—তেওঁক ধৰিবা কেনেকৈ? সদায়ে **ডুব মাৰি পানী খায়েই** আছে, কিন্তু প্ৰমাণ পাবা ক'ত?

**ডুলি-পেটা**—(বৰ ডাঙৰ পেটৰ)—সৌ যে **ডুলি-পেটা** মানুহজন বহি আছে, তেৱেঁই দবাৰ দেউতাক।

**ডুলি যেন হ**—(বৰ ডাঙৰ হৈ উঠ্—পেটত খাটে)—পানী খাই খাই ৰোগীৰ পেটটো **ডুলি যেন হৈছে**, তেও পানী খায়েই আছে।

**ডেও পাৰ্**—(আগ-পাছ নুগুণি কাম কৰ্)—এনেকৈ **ডেও পাৰি** ফুৰিলে বিপদত পৰিবা।

**ভেও দি** (বা মাৰ্)—(জঁপিয়াই বা)—ক'ৰবাত অশুচি হয় বুলি ভেঁও ভেও দিহে খোজ কাঢ়ে।

**ভেং মেল্**—(দীঘলকৈ খোজ দি বা লাহেকৈ জঁপিয়া)—ভেং মেলি খাৱৈটো পাৰ হব পাৰি।

**ডেকা-কুৰি**—(কুৰিতকৈ কিছু কম)—ছাগলীজনীৰ দাম কুৰি টকা নহয়, ডেকা-কুৰি।

**ডেকা কঢ়ে যা**—(ডেকা কালতে মৰ্)—যেৰ ডেকা কঢ়ে যোৱা, এই ঠিক-ঠিক দুপৰীয়া ক'লৈ যাব?

**ডেকা-ডঙুৰা**—(ডেকা বয়সৰ আৰু ডঙুৰা প্ৰকৃতিৰ)—তোমালোক ডেকা-ডঙুৰা মানুহ, কামলৈ ভয় কৰা কিয় ?

**ডেকুৰ দি**—(১। জন্তুৰ ঠেঙত চুটি এৰাল দি ৰাখ্। ২। উত্তালি দমোৱাৰ উপায় কৰ্)—১। দামুৰিটো ডেকুৰ দি থোৱা; নহলে গাৰীয়ে চেপিব পাৰে। ২। ছোৱালীজনীক ডেকুৰ দিবলৈ মাকে উপায় চিন্তিছে।

**ডেৰ-কেঁচীয়া হ**—(কোনো ফলৰ কিছু অংশ পকি কিছু নপকাকৈ থাক্)—কঁঠালটো ভালকৈ পকক দিয়া; এতিয়া ডেৰ-কেঁচীয়া হৈছে, খাবলৈ সোৱাদ হোৱা নাই।

**ডোঙা বান্ধ্**—(পানী আদি একে ঠাইত গোট খাই সৰু খাল যেন হ)—১। ইমান বৰষুণ, বাটে-পথে ডোঙা বান্ধিলে। ২। কলিকতাত সেইবেলি ৰাজ-বাটতে ডেৰৰ ডোঙা বান্ধিলে।

**ডোবা খচা দি**—(খটি-সাৰি বিশৃঙ্খল কৰ্)—শেতেলিখন মই জাৰি-জোকাৰি থৈ গলোঁ; কোনে আহি ডোবা খচা দিলে?

**ডোম-চোৰ**—(অখাইত চোৰ)—সি যে ডোম-চোৰ তুমি জনা নাই নে?

**ডোম-জ্বৰ**—(দুদিনৰ পিছত তৃতীয় দিন উঠা জ্বৰ)—তোমাৰ ডোম-জ্বৰ ডাক্তৰি চিকিৎসাত ছুটচে বুলি কোনে কলে?

**ডোমৰ ঢেঁকী**—(চুটি-গপৰ মানুহ—বিশাৰ্দ)—সেই ডোমৰ ঢেঁকীটোৰ কোনো কামতে সাৰম নাই।

**ডোমৰ দবাহ**—(বৰ হাই-উৰুমি)—তোমালোকে যে ইমান কি ডোমৰ দবাহখন পাতিছা হে? মানুহ সেপোন থাকিবই নোৱাৰি।

**তোল ছিঙি ঘাঁহ খা**—(শাসন এৰাই উচ্ছৃংখল আচৰণ কৰ্)—এনে কাম নকৰিবলৈ বাৰে বাৰে হাক দিছোঁ; তথাপি যদি **তোল ছিঙি ঘাঁহ খাৱ**, শাস্তি পাবই।

## চ

**চক চুট্**—(ভাগৰ বা ভোক পিয়াহত আতুৰ হৈ মূৰ্চ্ছা যাবৰ উপক্ৰম হ)—দুমাইল খোজ কাঢ়োঁতেই ডেকা একোজনৰ **চক চুটিব** নালাগে।

**চক পিট্**—(পৰিশ্ৰম ৰ'দ আদিৰ বাবে কোঁপা)—ৰ'দত গৰুটোৱে **চক পিটিছে**; ছাঁত বান্ধা।

**চক ফুট্** (বা **উঠ্**)—(ৰবকৈ ব্যাপ্ত বা প্ৰকাশ হ)—তোৰ গুণ-চৰিত্ৰ **চক ফুটি** ওলাইছে।

**চকা-গলতি**—(চৰ-চাপৰ, বিৰক্তি বা অনিচ্ছাৰে কৰা অলপীয়া সাহায্য)—কেবাজনৰ **চকা-গলতিৰ** মাজেদিহে কামটো হৈ উঠিল।

**চকা-চমকা** (বা **চমকা**)—(মেঘৰপৰা অলপ ওলায়েই মাৰ যোৱা)—এনে **চকা-চমকা** ৰ'দত ধান কেনেকৈ শুকাব?

**চকা-ভাত**—(খাই এৰা ভাত—গালিত খাটে)—তোৰ দৰে **চকা-ভাত** খাই ফুৰা মানুহে কেনেকৈ মানুহ বোলাবি?

**চপলা পিট্** (বা **মাৰ্**)—(দুয়ো হাত মেলি নিজৰ কৰতলত চপৰিয়া—দম্ভ কৰা তিৰোতাত খাটে)—সাহে-পিছে এই তিৰোতাজনী অলাজাত; দম্ভ কৰোঁতে কেনেকৈ যে **চপলা পিটে**!

**চবাই-মবাই পৰ্**—(দুখ বা ভাগৰত চলা বা মাটিত বাগৰ খাই পৰ্)—একালে দুদিন খোৱা নাই, আৰু কালে কুৰি মাইল বাট ফুৰি খাই আহিছে; আহি পায়েই তেওঁ **চবাই-মবাই পৰিল**।

**চৰা খাৰ**—(ভাত খাবেদি ৰখা বৰ চোকা খাৰ)—এনে **চৰা খাৰেদি** ভাত খোৱা আমাৰ অভ্যাস নাই; আজি খোৱাত পেট কামুৰিছে।

**চৰা-চাপৰ**—(বৰ ডাঙৰকৈ মৰা চাপৰ)—বুজাক বুজাবা ইঙ্গিতে আকাৰে; সুবুজাক বুজাবা **চৰা-চাপৰে**।

**চৰা লঘোন**—(পানী এটোপাও নোপোৱাকৈ দিয়া লঘোন)—এই জেঠমহীয়া ৰ'দত **চৰা লঘোন** দিয়াটো মুখৰ কথা নহয়।

**চঁৰি-ৰাজ** (বা **চঁৰিয়া-ৰাজ**)—(চ'ৰিয়া বা গলিয়াৰ নিচিনা বৰ টেঙৰ) তাৰ দৰে **চঁৰি-ৰাজ** ক'ত পাবা? প্ৰতি কথাতে কিমান যে ৰাগৰ মাৰে!

**চল আহ্**—(নদীৰেদি উজনিৰ বহুত পানী আহ্)—আজি নদীত **চল আহিছে**, বান পানী হব পাৰে

**চলা-বিছনা**—(বাঁহৰটৈ পাৰি দিয়া বহল বিছনা) বৰ-যাত্ৰী বহিবলৈ **চলা-বিছনা** পাৰি দিয়া।

**চাঁচ কৰে পৰ্**—(গধুৰ বস্তু মাটিত পৰি অকস্মাৎ কৰা শব্দৰ দৰে শব্দ কৰি বাগৰি পৰ্) কলগছীয়া মৰদটো **চাঁচ্ কৰে** চোতালত **পৰি** মুচ্ছা গ'ল, ঘৰত অকলে বৈণীয়েক।

**চাঁহি-চুঁহি** (টানি-আঁজুৰি, বৰ কষ্টেৰে)—মাকে চাৰিও কাষৰপৰা **চাঁহি-চুঁহি** আৰু ল'ৰা-ছোৱালীকেইটিক পোহপাল দিছে।

**চাঁহি-মুহি**—(একেবাৰে ছিঙি-ভাঙি; একো-নাইকীয়া কৰি) কেৰেলা চাওঁতে গোটেইখন **চাঁহি-মুহি** উজাৰ কৰিব লাগে নে?

**চাক-চুক** (লুকাচুৰিক; কথা গোপন কৰা কাম)—**চাক-চুক** নকৰাকৈ সকলো কথা বাইজৰ আগত কোৱা।

**চাক-চুক কি** (কথা গোপন কৰি লাভ কি? বুলি কবলৈ চলে)—**চাক-চুক কি**, মোৰ বৰ ভোক লাগিছে; যি আছে তাকে দিয়া।

**চাট-কপাল** (বা **চাৰ্-কপাল**)—(দুকপাল; মন্দ ভাগ্য)—মোৰ **চাট-কপালত** নো এনে সৌভাগ্য কাচাঁবিনা হব নে?

**চাপত পৰা**—(১। আপুৰি হোৱা। ২। থিলজীয়া নোহোৱা—বিলাৰ্থত বাহুকত খাটে) ১। **চাপত পৰা** শাকৰ সোৱাদ নাই। ২। **চাপত পৰা** ডাঙৰ মানুহ দেখিছ," তেওঁ এজন।

**চাপলি মেল্**—(বৰ বেগেৰে লৰ মাৰ)—চোৰটোৱে **চাপলি মেলি** নিমিষতে দিগন্ত পালেগৈ।

**চামা ধৰ্**—( বহু লোকৰ পৰা স্বাৰ্থ সাধন কৰিবলৈ অতিশয় হীনভাৱে তেনে লোকৰ সকলো কাম কৰ )—ডাঙৰ মানুহৰ **চামা ধৰি** নিজেও ডাঙৰ হোৱা মানুহ আজি কালি সমাজত অনেক।

**চাবি-পাটি**—( শোৱা বিছনা )—উঠা দিকিসাই **চাবি-পাটি** এৰি।

**চাবিত হগা ছুলি**—( কোনো বুকায় লুকায় সোমোৱাব লাগত পৰা মানুহ )—সি কলখোক কাটিবলৈ ধৰোঁতেই মই দেখিলোঁ, সি **চাবিত হগা ছুলিৰ** দৰে সেমেনা-সেমেনি কৰিবলৈ ধৰিলে।

**চাবিৰ আঁৰত ৰজাকো চৰ্চ্**— ( পাছত ডাঙৰ মানুহকো সমালোচনা বা নিন্দা কৰ্ )—পাছত কোনে কি কয়, নুশুনিবা; **চাবিৰ আঁৰত ৰজাকো চৰ্চে।**

**চাল খা**—( একাললৈ হেলনীয়া বা কাতি হ )- মানৱ সমাজে এতিয়া গণতন্ত্ৰৰ ফালে **চাল খাইছে।**

**চাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰ**- ( পূৰ্বৰ কলীয়া গৌৰৱৰ কথা কৈ ফিতাহি মৰা মানুহ )- লাচিত বৰফুকনে শৰাইঘাটৰ যুঁজত জিকিছিল, আমাৰ **চাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰসকলেও** তেনে যুঁজকে এতিয়াও জিকে।

**চাল ল**—( কোনো একাললৈ গতি কৰ্ )—কাকতি-ফুকনলোকে কোনো অসমলৈ **চাল লৈছে।**

**চিমিক-চামাক কৰ্**— ( এবাৰ এলপীয়াকৈ জ্বলি এবাৰ নুমাই যোৱা )— চাকিগছে **চিমিক-চামাক কৰিছে**, অলপ তেল দি শলিতাগছি বঢ়াই দিয়া।

**চিমিকি-চিমিকি**—( অতিশয় ক্ষীণ বা দুৰ্বলভাৱে—জ্বলা, পোহৰ হোৱা বা উশাহ লোৱাত খাটে )—ৰোগীজনে **চিমিকি-চিমিকি** উশাহ লৈছে; ডাক্তৰে আশা এৰি দিছে।

**চিলা আদা পাই কটিত মচি খা**—( সৰল প্ৰকৃতিৰ বা সাধু স্বভাৱৰ মানুহক যেনে তেনে ব্যৱহাৰ কৰ্ )—তেওঁক **চিলা আদা পাই কটিত মচি খাব খুজিছা**, এইবাৰ কিন্তু তোমাক সহজে নেৰিবোঁ।

**চিলা কাট্**—( চিলাই দি )—আগেয়ে পুঁচি-টানটৈক ধৰি এতিয়া সকলোৱে **চিলা কাটিলে** কামটো হব কেনেকৈ?

**চিলা পালে ঢিলা মাৰ** য'ত স্বাৰ্থসিদ্ধ কৰা সহজ, তাতেহে মানুহে সুযোগ

নয়)—**ঢিলা পালে ঢিলা** মৰা মানুহৰ কথাৰ; তোমাক সহজে পাই তেওঁলোকে দহ ঢকা দিলে; আনবোৰে কিমান দিলে?

**ঢিলা মাটিতহে বিড়ালীয়ে হাগ্**—(সহজ পালেহে আনে স্বাৰ্থসিদ্ধিৰ সুযোগ লয়)—**ঢিলা মাটিতহে বিড়ালীয়ে হাগে**; তুমি যদি ঢিলাই দিদিয়া, সিহঁত ঠোঁটা মুখ ভোঁটা হৈ গুচি যাব।

**ঢুকি পা**—(১। হাতেৰে লগ পা। ২। বুজি পা)—১। অথলা বহলে কোমোৰাটো **ঢুকি নাপাওঁ**। ২। আপোনাৰ কল-কৌশল মোৰ বুদ্ধিয়ে **ঢুকি পোৱা** নাই।

**ঢুলীয়া-চুমটি**—(গভীৰ টোপনি)—সি **ঢুলীয়া-চুমটিত** পৰিছে; ইমান সহজে সাৰ পাব নে?

**ঢুলিয়াৰ তাৱৰীয়া**—(বৰকৈ খুহুতীয়া কথা কৈ হঁহুৱাব পৰা মানুহ)—এই ল'ৰাটো এটা **ঢুলিয়াৰ তাৱৰীয়া**; তাৰ কথা শুনি হাঁহি বাগৰি পৰিব লাগে।

**ঢেং জোৰ্**—(তাও জুৰি পৰি থাক)—তাই বোলে নবিয়াৰ **ঢেং জুৰিছে**; তেনেহলে ডাক্তৰ আনা কিয়?

**ঢেং দি**—(দীঘল দি এলাহত পৰি থাক)—সি পুৱাবেলা **ঢেং দি** আছে; দুপৰীয়া খাই উঠি আকৌ বিচনাত পৰিব।

**ঢেঁকীত মহে খা, উৰালত কৰ্‌কৰা**—(অসাৰ্থকতাৰে কোনো কথা গা পাতি ল)—মই কৈছোঁ তাক, তোমাৰ কি হ'ল? **ঢেঁকীত মহে খায়, উৰালত কৰ্‌কৰায়**।

**ঢেঁকী-পুৰীয়া বুদ্ধি**—(মোটা বুদ্ধি)—তাৰ যিহে **ঢেকী-পুৰীয়া বুদ্ধি**, সি জানো এই পৰীক্ষাত পাছ কৰিব?

**ঢেঁকী-পুৰীয়া মাৰ**—(গুৰুতৰ মাৰ-পিট)—বাইজে চোৰটোক **ঢেঁকী-পুৰীয়া মাৰ** শোধালে।

**ঢেঁকী-খোৱা পাৰি নাক কাট্**—(বৰকৈ নিন্দা বা অপমান কৰ)—তুমি এই কাম কৰিলে সমাজে **ঢেঁকী খোৱা পাৰি তোমাৰ নাক কাটিব**।

**ঢেঁকী দি**—(ঢেঁকীৰে খুন্ বা পৰিষ্কাৰ কৰ্)—চাউলবোৰ এবাৰ **ঢেঁকী দি** লোৱাঁ; পৰিষ্কাৰ হ'ব।

**ঢেঁকী ঢুৱা**—(লাহে লাহে ঢেঁকীৰে পৰিষ্কাৰ কৰ্)—চাউলখিনি এবাৰ **ঢেঁকী ঢুৱালে** পৰিষ্কাৰ হ'ব।

**ঢেঁকীৰ গৰিক**—( অমূলক গৌৰৱ )—ব্ৰহ্মপুত্ৰত সোণৰ দুৰ্গাপ্ৰতিমা ওপোৱাটো **ঢেঁকীৰ গৰিকহে**; আন একো নহয়।

**ঢেঁকীশালৰ চৌকা**—(আলধপথা খুজি মাগি খোৱা; বৰ দুখীয়া—নিলাৰ্থত)—এনে ঢেঁকী নোহোৱা **ঢেঁকীশালৰ চৌকা** মানুহলৈহে আই-বোপায়ে যোৰ বিয়া দিলেনে ?

**ঢেঁকীশাল ডুবিলে খুদকণৰ আকাল নহয়**—( সামান্য মানুহৰ সামান্য অভাৱ যতে ততে পূৰণ হয় )—তুমি সহায় নকৰিলেও নমৰোঁ; **ঢেঁকীশাল ডুবিলে খুদকণৰ আকাল নাই।**

**ঢেঁকী স্বৰ্গলৈ গলেও ধান বানে**—( অসৎ লোকে সাধু সমাজত থাকিও অসৎ কৰ্ম কৰে )—জগন্নাথলৈ গলেও সি চোৰহে; কপৰ চোকা এটি সৰকালে। **ঢেঁকী স্বৰ্গলৈ গলেও ধান বানে।**

**ঢেকলি মাৰ্**—( পানীৰে ঢাকি ধৰ্ )—পথাৰখন পানীৰে **ঢেকলি মাৰিছে**; কঠিয়াবোৰ পচি যাব।

**ঢেকুৰী কোবোৱা দি**—( ৰবকৈ মাৰি অপমানিত কৰ্ )—জীয়েকক নিয়ৰ ছাৰি মাককে পিটাইতে **ঢেকুৰী কোবোৱা দিলে।**

**ঢেঙাকাৰ দি**—( মৰাৰ পিছত উখহি বহ ডাঙৰ হ )—ইমান ডাঙৰ মাছবোৰ মৰি পানীত ওপঙি **ঢেঙাকাৰ দি আছে।**

**ঢেপ তোল**—( খটি বা ক্ষতি পূৰণ কৰ্ )—যোৱা বাৰৰ খেতিৰ **ঢেপ** এইবাৰে **তুলিব** পৰা নাযাব।

**ঢেবাই মেবাই পৰ্**—'চবাই-মবাই পৰ্' চোৱা।

**ঢেকন্না দি**—( ভেল-পানী খোহোৱাকৈ গাটো উখহি উঠ্ )—ল'ৰাটো **ঢেকন্না দিছে** কিয় ? গাল দুখনো উখহা যেন লাগিছে।

**ঢেকন্না লাই দিজা**—( অকুলনক বা কষ্টেৰে কোনো পদাৰ্থ দি সাঁত বা সৈমান কৰ্ ) এইবিলাক মানুহক লেখৰ কথা বুজোৱাটো **ঢেকন্না লাই দিজোৱাহে।**

**ঢেবেকা-পোৱা**—( আধা-পোৱা বা আধা-ভজা )—**ঢেবেকা-পোৱা** পিঠা খাই কইনা চাই আহিলোঁ।

**ঢেল ওপঙা দি**—( মৰাৰ নিচিনা পানীত ওপঙ্ )—কিবা এটা মৰা **ঢেল ওপঙা দি** আহিব লাগিছে।

**চেল খা**—(চকুৰ মণিৰ চাৰিওকালৰ বগা ভাগ পতাৰ বাহিৰলৈ ওলা)—কুকুৰটো দেখোন **চেল খাই** পৰি আছে, মৰিল নেকি?

**চেলা-চকুৱা**—(বগা ভাগ বেছিকৈ ওলোৱা চকুৰে)—ল'ৰাটো ধুনীয়া, কিন্তু **চেলা-চকুৱা**।

**চেলুক চেলুক জীৱ থাক্**—(জীৱনৰ যৎসামান্য লক্ষণ থাক্)—ছাগলীজনী এতিয়াও মৰা নাই; **চেলুক চেলুক জীৱ আছে**।

**চেলুক চেলুক লাগ্** (বা **কৰ্**)—(বৰকৈ চিন্তিত হ)—তাৰ নবিয়াৰ কথা শুনি মোৰ মনটো **চেলুক চেলুক লাগিল**।

**চোঁহোৰ-মোহোৰকৈ**—(উচিত-অনুচিত একোকে নভবাকৈ, বিশৃঙ্খলভাৱে; বিমোৰত পৰি)—শুই আছিলোঁ, তেওঁ অহা শুনি **চোঁহোৰ-মোহোৰকৈ** শুদা গাৰেই ওলাই আহিলোঁ।

**চোকা চাপ্** (বা **লাগ্**)—(সন্দেহ, আশঙ্কা বা ধাৰণা ওপজ)—মই ভাবো মগলোকটো চোৰ, কিবা এটা **চোকা চাপিছে** মনোঁ।

**চোকাত কল ৰ, কলত চোকা ৰ**—(পৰস্পৰে পৰস্পৰৰ সহায়ত বৰ্তি থাক্)—গঞা বাইজে বুজা উচিত যে **চোকাত কল** যেনেকৈ ৰয়, তেনেকৈ **কলতহে চোকা ৰয়**; কোনোৱে কাকো সহায় নকৰিলে কোনেও তিষ্ঠিব নোৱাৰিব।

**চোকা থাক্**—(ধাৰৰ তীব্ৰতাৰে চপনীয়া হৈ থাক্)—সি আমাৰ এই ঠাইৰ মানুহ নহয়, ক'ৰবাৰপৰা আহি সেই ধাৰীজনীৰে **চোকা আছে**।

**চোকা দি**—(সহায় কৰ, আশ্ৰয় দে)—আজি সহায় কৰিলোঁ, কালিলৈও কৰিম, কিন্তু মই তোমাক সদায় **চোকা দি** থাকিব নোৱাৰিম।

**চোকা দিয়া কল**—(আনৰ আশ্ৰয় বা বলত মানুহ হোৱাই থকা মানুহ)—মোৰ ওপৰত বেছিকৈ নিৰ্ভৰ নকৰিবা; মই নিজেই **চোকা দিয়া কল**।

**চোকে চোকে পানী খুৱা**—(সম্পূৰ্ণৰূপে জব্দ বা পৰাস্ত কৰ্)—তেওঁৰ লগত যুঁজি কেনে পালা? **চোকে চোকে পানী খুৱালে**; কাটকলৈ যে নগ'লা, সেয়ে সৌভাগ্য।

**চোপ ফলিয়া দি**—(অনায়াসে ফলিয়া)—দুইবোণী কলাটো সি **চোপ ফলিয়া দিলে**।

**চোপা-কলি**—(ফুলিবলৈ ধৰা ফুলৰ কলি)—ফুলবোৰতে আহিবা, **চোপা-কলিবোৰ** নিচিঙিবা।

**চোপা পৰ্**—(ফুলিবলৈ ধৰ) ক'লবোৰ **চোপা পৰিছে**; দুই একদিনতে ফুলিব।

**চোপা-চালি**—(মেঘবৰণা ডোৱা আন্ধাৰ) এতিয়াও ৰাতি হোৱা নাই; **চোপা-চালিৰ** মানেহে এন্ধাৰ হৈছে।

**ঢোল পিটি দি**—(কোনো কথা সবাকে প্ৰচাৰ কৰ) তেওঁ হাকিম হোৱা বাতৰিটো কৰায়েকে **ঢোল পিটি দিছে**।

**ঢোল মাৰিলেহে মাতম আহ্**—(দুটা ঘনিষ্ঠ সম্বন্ধ থকা কথা বা কামৰ প্ৰথমটো হলেহে পিছৰটো সম্ভৱপৰ হ)—ডাঙৰলোকে পাৰ্টিৰ ধ'ৰলেও ঢাকীয়া-পালীয়ে তেওঁৰ গুণকীৰ্তন কৰাটো যিমান মুখৰকৈ এতিয়া কৰ গোৱাবে ওলাই গীত গালে লগে লগে সেইবোৰ আপুনি ওলাই আহে, **ঢোল মাৰিলেহে মাতম আহে**।

**ঢোলৰ লগৰ টেমেকা**—(ডাঙৰ মানুহৰ লগত থকা সামান্য মানুহ)—আমাৰ দেশত **ঢোলৰ লগৰ টেমেকা** হৈ থকা মানুহ বহুত আছে।

**ঢোলে-দগৰে**—(সৰ্ব সমাৰোহেৰে) শিষ্যসকলে গুৰুজনাক **ঢোলে-দগৰে** আদৰি আনিলে।

**ঢৌ উঠ্**—(ডাঙৰ বা নতুন ঘটনা হ) সেই গছিত কাম কৰা নাই যদি, এনেয়ে **ঢৌ উঠিছে** নে?

**ঢৌ কাট্**—(গাত ঢৌ তুলি গঢ়)—বটাটোৰ কাপত ধনীয়াকৈ **ঢৌ কাটিবা**, যেন পদুম ফুল এটি হয়।

**ঢৌ খেল্**—(১। পানীত ঢৌ উঠি খেমালি কৰা যেন লাগ্। ২। পানীত হাত আদিৰে ঢৌ তুলি খেমালি কৰ্। ৩। দমে দমে খৰচ কৰ)—১। নৈৰ বুকুত কেনেকৈ **ঢৌ খেলিছে** চোৱাচোন। ২। পুখুৰীত **ঢৌ খেলি** খেলি তেওঁ বৰ আনন্দ পায়। ৩। ধনেৰে তেওঁ **ঢৌ খেলিছে**, কিন্তু এই ধন কেইদিন থাকিব?

**ঢৌ-ছিৰা**—(এখৰণৰ আম যিবলৈ কটা) -**ঢৌ-ছিৰা** বাটিটো মোক নালাগে।

**ঢোঁটোকে বোটো কৰ**—(কোনো অমূলক বা সামান্য কথাকে ডাঙৰ বুলি ধৰ্)—তাৰেক কৰায়েকৰ মাজত এনে কাজিয়া কাৰ লাগে? তাকে **ঢোঁটোকে বোটো কৰাৰ** কোনো কাৰণ নাই।

**ঢৌতে বঁৰ মাৰ্**—(নানা আহকালৰ মাজতো চল চাই কাৰ্যসিদ্ধি কৰ্)—**ঢৌতে বঁৰ মাৰিব** নোৱাৰিলে জীৱনত সুযোগবোৰ আপুনি আগ বাঢ়ি নাহে।

**ঢৌ ফুট্**—(১। ঢৌ উঠ্; বদনাম ৰটনা হ। ২। ঢৌ কাটি ফুলৰ নিচিনাকৈ মেল খা)—১। সি চুৰ কৰা বুলি **ঢৌ ফুটিছে**। ২। পানীত শিলগুটি একোটাকৈ দলিয়াই দিলে কেনেকৈ **ঢৌ ফুটি** লাহে লাহে মেল খাই যায়, দেখিছা নে?

**ঢৌ-বাজাহ**—(ধুমুহাৰ দৰে উঠা বদনামৰ ঢৌ)—ছোৱালীজনীৰ এইবোৰ **ঢৌ-বাজাহ** দূৰৰেপৰা শুনি আছোঁ।

**ঢৌ বাজ্**—(পানীজোলা বাজ্)—পোৰামাত্ৰেই পোৰা ঠাইডোখৰত এই তেলটো লগাই দিলে **ঢৌ বজাৰ** ভয় নাথাকে।

**ঢৌ লেখ্**—(কাম-বন নকৰি অযথাত সময় কটা)—**ঢৌ লেখিও** গাৰ ভাত মিলে, সি কাম কৰিব কিয়?

## ত

**তই-তোকৰা লগা**—(মই, তোক আদি কথাৰে অপমানিত কৰ্)—সি আজি তাৰ পুৰোহিতক **তই-তোকৰা লগাইছিল**; পুৰোহিতে অপমান পাই গুচি গ'ল।

**তই মাছ মই মাছ হ**—(মাছময় হ, মাছেৰে ভৰি পৰ্)—চাৰিওফালে **তই মাছ মই মাছ** হৈছে; আগিহে কানী-মৰিকণা এটাও দেখা নাপাওঁ।

**তকলতি কৰ্**—(অৰ্থহীন উখলা-উখলি কৰ্)—**তকলতি কৰি** একো লাভ নাই; এতিয়া যাওঁ বলা।

**তচো-মচো**—(বিশৃংখলতা, খেলিমেলি; উত্ৰাৱল বা অস্থিৰ অৱস্থা)—১। ল'ৰা-ছোৱালী কেইটাই ঘৰৰ বস্তুবাহানি **তচো-মচো** কৰি থাকে। ২। এই বানত ইহঁত **তচো-মচো** অৱস্থা হবই।

**তং কৰ্**—(১। জ্ঞান বা চৈতন্য লভ্। ২। কথাৰ ভাৱ বুজ্)—১। কোন ঠাইত দুখ পাইছ, **তং কৰি** কচোন। ২। তুমি **তং কৰিছা** নে নাই, মই হলে বুজিলোঁ, কেঁও দিয়া নকৰাত।

**তং পা**—(১। চৈতন্য পা। ২। কথাৰ বুজ পা। ৩। কষ্ট বা পৰিশ্ৰমৰ পৰা সকাহ

পা)—১। বেমাৰটোৱে আজি দুদিন পিছত এতিয়াহে **ভং পাইছে**। ২। সি যে দোষী, মই **ভং পাইছোঁ**। ৩। পুতেকৰ মৰিবা চিলোৱাতহে বাপেকে অলপ **ভং পাইছে**।

**ভং-বুদ্ধি হেৰুৱা**—(ধৈৰ্য্যশূন্য বা বিবুধি হ)—বিপদৰ নাম শুনিয়েই মানুহে **ভং-বুদ্ধি হেৰুৱাব** নালাগে।

**ভং-ভুৰ**—(আগ-গুৰি; সম্ভেদ)—কথাৰ **ভং-ভুৰ** নোপোৱাকৈ তুমি নো এইবোৰ কি কৈছা?

**ভং ল**—(১। চৈতন্য ফিৰাই আন্। ২। খন্তেক ৰ; ধৈৰ্য্য ধৰ্। ৩। সাৱধান হ)—১। তুমি অলপ **ভং লোৱাচোন**; পানী খাবা নেকি? ২। এনে খৰ-খৰ কৰিছা কিয়? অলপ **ভং লোৱা**। ৩। সি তোমাৰ অনিষ্ট কৰিবলৈ বিচাৰিছে; অলপ **ভং লৈ** থাকিবা।

**ভং হেৰুৱা**—(১। চৈতন্য লোপ হ। ২। অধৈৰ্য্য হ)—১। মূৰবপৰা বাগৰি পৰিয়েই তেওঁ **ভং হেৰুৱালে**। ২। ভাতলৈ **ভং হেৰুৱাইছা** কিয়? ভাত দিয়েছে।

**ভতত ধৰ্**—(মৰ্ম্মস্থানত আঘাত কৰি জব্দ কৰ্)—উকীলে যেতিয়া সাক্ষীটোৰ **ভতত ধৰি** জেৰা আৰম্ভ কৰিলে সি বিবুধি হৈ যি পায় তাকে কলে।

**ভতত পৰি মোম সৰ্**—(বে-কায়দাত পৰি জব্দ হ)—সি যে আজি থাইকৰ আগত মত্তা নাই, কিয় জানা? **ভতত পৰি** তাৰ **মোম সৰিছে**।

**ভতৰ মাৰ্**—(অভাৱ পূৰণ কৰ্; সঙ্কটত উদ্ধাৰ কৰ্)—আজি মোক নালাগে হয়; টানত পৰিলে **ভতৰ মাৰিবলৈ** এদিন মোক লাগিবই।

**ভথাউৰি** (বা **ভথামুৰি**) **খা**—(বিভ্রান্ত হ; বিবুধি হ)—তাৰ উত্তৰগানি দেখি সকলোৱে **ভথাউৰি খালে**।

**ভত্ৰা খা**—(কোনো আঘাতাদি পাই মূৰ্চ্ছা যা বা তব হ)—একে কোবেই কুকুৰটো **ভত্ৰা খাই** বাগৰি পৰিল।

**ভপাত পিণ্ড**—(মৃতকক দাহ কৰি উঠিয়েই দিয়া পিণ্ড)—পিতাক মৰাৰ আগেয়ে পুতেকে পুৰাই খোৱা হেতুকে তেওঁ আজি **ভপাত পিণ্ড** দিব নোৱাৰিলে।

**ভপাত পিণ্ড ধুৱা**—(মৃতকক দাহ কৰি উঠিয়েই পিণ্ড দি—শোধাৰ্থক)—তই মোক **ভপাত পিণ্ড ধুৱাব** নালাগে; জীউ থাকোঁতে যি কৰিছ; তাকেই সন্তুষ্ট হৈছোঁ।

**তপত বাঁৰী**—( মুঠে কেদিনমান আগেয়ে স্বামী মৰা তিৰোতা ) —তেওঁ **তপত-বাঁৰী** ; যাত্ৰাৰ সময়ত উপস্থিত নথকাই ভাল।

**তপত ভাতৰ ধোঁৱাই খা**—( সকলো সুখৰ মাজতো কাল্পনিক ক্লেশ পা )—বুঢ়ীয়ে নিজৰ পুতেকতকৈও তাক বেছি মৰম কৰে; তাক কিন্তু **তপত ভাতৰ ধোঁৱাই খাইছে** ; সি বোলে পেহীয়েকৰ তালৈহে যাব।

**তপত ভাতে ছুইৰ গুৰিয়ে বিচাৰ্**—( সকলো প্ৰকাৰ সুখ একেলগে ভোগ কৰিবলৈ বাঞ্ছা কৰ )—জীৱনত সুখ দুখ সকলোৰে আছে ; তুমি **তপত ভাতে ছুইৰ গুৰিয়ে বিচাৰিলাই**, পাবা ক'ত ?

**তপতে তপতে**—( অলপো পলম নকৰাকৈ ) —**তপতে তপতে** মোৰ প্ৰশ্নটোৰ উত্তৰ দিয়া।

**তপ মাৰি থাক্**—( তপস্যা কৰাৰ দৰে লৰচৰ নকৰাকৈ নমতা-নোবোলাকৈ থাক্ )—জাৰ বুলি **তপ মাৰি থাকিলে** পেট ভৰিব নে ?

**তপিনাত গোৰ লগাই নাচ্**—(অতিশয় আনন্দ কৰ্)—প্ৰমোচন পৰীক্ষাত প্ৰথম হৈয়ে **তপিনাত গোৰ লগাই নাচিলে** নহব ; শেষ পৰীক্ষাতো প্ৰথম হবলৈ চেষ্টা কৰা।

**তপিনা-পৰা**—( কোনো কাম সতকাই কৰিব নোৱৰা ; চেপেটা স্বভাৱৰ )—সেই **তপিনা-পৰা** বাকৰিটোক নামাতিবা ; তেওঁ লৰচৰ কৰিবই নোখোজে।

**তম-গম**—( তল-ওপৰ ; তাল-বেহা ; মনোযোগ ; পাৰিপাটি )—কাম কৰাত **তম-গম** নোহোৱা মানুহ মোক নালাগে।

**তমোময় দেখুৱা**—( বিপদে নিৰুপায় অৱস্থাত পেলা )—ল'ৰাটোৰ নৰিয়াই মাক বাপেকক **তমোময় দেখুৱালে**।

**তমোবোল লাগ্**—( বৰ হাহাকাৰ বা হৈ-চৈ লাগ )—এই দোভাগ ৰাতি তেওঁলোকৰ ঘৰত কিহৰ **তমোবোল লাগিল** ?

**তছ-নছ কৰ্**—( দুৰ্গতি কৰ ; বৰ ক্ষতি বা হানি কৰ )—ল'ৰাটোৱে গিলাচ-কেইটা **তছ-নছ কৰিলে** ; ভঙা কাঁচবোৰ সোনকালে পেলাই দিয়া।

**তছ-নছ মাৰ্**—( ডেও পাৰি ফুৰ্ ; অস্থিৰভাৱে চল্ )—দিনে ৰাতি **তছ-নছ মাৰি** ফুৰাই তাৰ কাম ; পঢ়াশুনাত পিঠি দিছে।

**তমা-তোকা কৰ্**—( 'তই' আদি মাতেৰে অশ্ৰদ্ধা কৰি কথা ক)—গুৰুজনক **তমা-তোকা কৰিব** নাপায় ; তোমালোকক তাকো শিকাব লাগে নে ?

**তয়া-তোকা লাগ্**—(অপমানজনক উধমা-উধনি লাগ্)—তেওঁলোকৰ মাজত কিবা **তয়া-তোকা লাগিছিল**; সিদিনাৰপৰাই মতামতি নাই।

**তয়া-ময়া কৰ্**—(অ'ৰ ত'ৰপৰা আনি যোগাৰ কৰ)—সাত **তয়া-ময়া কৰিহে** টইতক পুহি আছোঁ।

**তয়া-ময়া**—(দুজনৰ মাজত টানকৈ লগা কাজিয়া)—ভাই-ককাইৰ মাজত এই দৰে **তয়া-ময়া** লাগি থকাটো বৰ অমঙ্গলীয়া কথা।

**তৰক ধৰ্**—(তৰ্কিব পাৰ)—মেকুৰীটোৱে কেতিয়া গাখীৰ খাব **তৰক ধৰিবই** নোৱাৰ।

**তৰ-চেঙেলী**—(ৰৰকৈ ছট ফটাই ফুৰা)—ল'ৰাটো বৰ **তৰ-চেঙেলী**; এখন্তেকো সুস্থিৰে থাকিব নোৱাৰে?

**তৰ পৰ্**—(পানী শুকাই যাম হ, পানী নোহোৱা হ)—বান পানী গ'ল, কিন্তু ধানবোৰ এতিয়াও **তৰ পৰা** নাই।

**তৰ পা**—(পানীৰপৰা ৰাম পা)—দুমাইল পানী ভাঙি এতিয়াহে **তৰ পালোঁ**।

**তৰপা-তৰপি**—(কেবা তৰপা বা থলপ ওপা-ওপৰিকৈ থকা অৱস্থা)—ধানবোৰ **তৰপা-তৰপি** কৈ পৰি আছে; একালৰপৰা কাটি যোৱা।

**তৰপা মাৰ্**—(এতৰপৰ লগত আন তৰপ লাগি ধৰ্)—ধঁপাতৰ পাতবোৰ **তৰপা মাৰিছে**, একবাৰ খুঁচলে ফালি যায়।

**তৰা চোৱা লঘোন**—(পুৱাৰপৰা গধূলিলৈ দিয়া উপবাস)—তুমি **তৰা চোৱা লঘোন** দিলেই হব; তৰা চাই ভাত খাবা।

**তৰা খুলো দি**—(তৰ্জাটি কৰ; বৰ উতপালি কৰ্)—ল'ৰাবিলাকে অমিতা যে খালেই, গছবোৰো **তৰা খুলো দিলে**।

**তৰা-জৰা ছিটি**—(সকলো বাধা-বিঘিনিৰ মাজেদি আৰু বৰ বেগাই)—বাৰ ওলোৱা শুনিলেই সি **তৰা-জৰা ছিটি** ঘৰলৈ লৰ মাৰিলে।

**তল-ওপৰ কৰ্**—(ওপৰৰ ভাগৰ লগত তলৰ ভাগ সান-মিহলি কৰ্)—মাহচাউলখিনি আলকে **তল-ওপৰ কৰিছে** বিলাৰা; লোণ আৰু আদা ওপৰতে আছে।

**তল-ওপৰ লাগ্**—(তোলপাৰ লাগ্; হুলস্থুল লাগ্)—এই সম্প্ৰদায়ৰ মানুহক দল-সল কৰাৰ প্ৰস্তাৱত এসময়ত সমাজত **তল-ওপৰ লাগিছিল**।

**তলক টেঁপাল দি**—(ক'ব লগীয়া কথা নকৈ মনে মনে থাক্)—মোৰো কথা গম দি আহিছিল; পিছে, সাত-পাঁচ ভাবিহে **তলক টেঁপাল দি** থাকিলোঁ।

**তল-খুচৰীয়া**—(ভিতৰৰ কথা খুচৰি খুচৰি মনে মনে আনৰ বিৰুদ্ধে কৈ ফুৰা স্বভাৱৰ)—সেই বুঢ়ীজনী **তল-খুচৰীয়া** স্বভাৱৰ, অ'ৰ কথা ত'ত কৈ কাজিয়া লগাই ফুৰে।

**তল-গৰীয়া**—(১। পানীত মোপণ্ডা। ২। পানীৰ নিচেই তলত থকা—মাছত খাটে)—১। এইবোৰ অকাঠী হলেও **তল-গৰীয়া কাঠ**; নাৱেৰেহে নিব লাগিব। ২। কিছুমান মাছ **তল-গৰীয়া**; দ' পানীত নিচেই তলত থাকে; জালেৰে মাৰিব নোৱাৰি।

**তল-ঘূণীয়া**—(ভিতৰ তৰপৰ, গোপন)—**তল-ঘূণীয়া** মেল এৰা; কি কৰ খোজা, সদৰীকৈ কোৱা।

**তল-চেৰীয়া**-(চালনী আদিৰ তলত বাগৰি থকা) -ওপৰ-চেৰীয়া চাউলখিনি প্ৰসাদলৈ থৈ **তল-চেৰীয়াখিনি** লাকৰ বাবে ৰাখা।

**তল পৰ**—(১। ডুব যা। ২। তল খাপলৈ যা। ৩। পাহৰণিত পৰ্)—১। মানুহটো অলপ পিছত **তল পৰিল**; নদীত জাল মাৰিও তাক পোৱা নগ'ল। ২। চালনী ঘূৰালে চাউলবোৰ আপুনি **তল পৰে**, আৰু সৰি পৰে। ৩। কথাটো কেইদিনমান **তল পৰিছে**, কাৰো মুখত শুনা নাযায়।

**তল-পৰা**—(বিছনাৰ ওপৰত পৰা কাপোৰ)—পৰিষ্কাৰ **তল-পৰাখন** দে'খ বিছনাখনো পৰিষ্কাৰ মুনি ধৰি নলবা।

**তল-মূৰা হ**—(১। নিমাত বা বিষন্ন হ। ২। নামিবলৈ ধৰ্)—১। শহুৰেকৰ কথা শুনি তেওঁ **তল-মূৰা হ'ল**; অলপ পিছত উঠি গ'ল। ২। বস্তুবাহানিৰ দৰ **তলমূৰা হোৱাৰ** একো চিন নাই, ক্ৰমাৎ উজাইহে আছে।

**তল-মূৰৰ বাহিৰে ওপৰ-মূৰ নকৰ্**—(অভদ্ৰ বা অশিষ্ট আচৰণ নকৰ্)—এ'যাটো বৰ ভদ্ৰ; গুৰুজনৰ আগত কেতিয়াও **তল-মূৰৰ বাহিৰে ওপৰ-মূৰ নকৰে**।

**তলৰ জিভা ওপৰ কৰ্**—(গোপন কথা ভাঙি ক)—এইবোৰ কথা গোপনে ৰাখিবা; কাৰো ওচৰত **তলৰ জিভা ওপৰ নকৰিবা**।

**তলৰ দাঁতি ওপৰ কৰ্**—(কঠোৰ পৰিশ্ৰম কৰ্)—যেনেদ হোৱাৰ

পিছত সি **তলৰ মাটি ওপৰ কৰিব** লাগিছে; আগেয়ে টঙালপাট বুচৰিও মাজানিছিল।

**তলতৈ টান্**—(ক্ৰমাৎ শ্ৰীহীন বা দুৰ্বল হ)—ল'ৰাটোক ইমান যত্নেৰে প্ৰতিপাল কৰিছোঁ, তথাপি সি **তলতৈহে টানিছে**।

**তলতৈ যা**—(অধঃপাতে যা)—পিতাকৰ মৃত্যুৰ লগে লগে তেওঁৰ গৃহস্থালি **তলতৈ গ'ল**।

**তল-সৰা**—(১। গছৰপৰা সৰি তলত পৰা। ২। মূল্যহীন; এনেই পোৱা)—১। **তল-সৰা** ফুলবোৰ বুটলি আনা। ২। গছৰপৰা পাণ এপাতো ছিঙা নাই; দুপাতমান **তল-সৰা** বুটলি আনিছোঁ।

**তল-সুঁতীয়া**—(তলেদি সোঁত বৈ থকা)—ফল্গু নদী কেনো **তল-সুঁতীয়া**, শুকান বালি খান্দিলে পানী পোৱা যায়।

**তল-সুৰীয়া**—(সৰু মাতেৰে কোৱা বা গোৱা)—তল-ঘুণীয়া মেল আৰু **তল-সুৰীয়া** কথাই গৃহস্থালি খালে।

**তল-সুতা কাট্**—(গোপনে কথা লগা)—তেওঁ তলে তলে **তল-সুতা কটাত** কাজী, য'তে থকে, ত'তে কিবা অঘটন ঘটায়।

**তল-হাত**—(আনৰ মতামত মানি চলিব লগা অৱস্থা)—কইনাৰ বাপেকৰ **তল-হাত** এই কথা সকলোৱে জানে।

**তলা-উদী**—(ধন-বিত্ত নথকা)—আমি **তলা-উদী** মানুহ; ইমান টকা একে দিনে ক'ত পাম?

**তলা-ওপৰা**—(১। ওলট-পালট হোৱা। ২। ইটোৰ ওপৰত সিটো)—১। ভঁৰাল ভঙাত ধানবোৰ যেনেকৈ **তলা-ওপৰা** হ'ল। ২। কাঠবোৰ **তলা-ওপৰাকৈ** জাপি থোৱা।

**তলা ওলা**—(১। একো নাথকিয়া বা দুখীয়া হ। ২। গোপন কথা প্ৰকাশ হ)—১। কুৰি টকীয়া ধানৰ বজাৰত আমাৰ গৃহস্থালিৰ **তলা ওলাল**। ২। তুমি কথাটো গোপনে ৰাখিব খুজিছিলা; কিন্তু তালো **তলা ওলাল**।

**তলাতল মাৰ্**—(সকলো ঠাইতে বিচাৰ্)—বাটিটো কোনে নিলে, বিচাৰি **তলাতল মাৰিলোঁ**।

**তলা-মলা পা**—(গোপন কথাৰ সন্ধান পা; প্ৰকৃত অৰ্থ বুজ)—তেওঁলোকৰ গোপন আলোচনাৰ একো তলা-মলা নাপালোঁ।

**তলা পা**—(গুপ্ত কথাৰ বুজ পা)—এদিনতে তেওঁলোকৰ গৃহস্থালিৰ কি **তলা পাবা**?

**তলি-উদং**—(সা-সম্বলহীন; ভিতৰ-ফোঁপোলা)—আমি **তলি-উদং** মানুহ, বৰগুণীখিনি অলপীয়া হলেও যোগাৰ কৰোঁতে পলম লাগিব।

**তলি-ফুটা চুঙা**—(তেনেই সা-সম্বল নোহোৱা)—সেই ধান শেষ হ'ল; **তলি-ফুটা চুঙা**; যিমানে আনা, তিমানে নাটে।

**তলে গো-বধ, ওপৰে ব্ৰহ্ম-বধ**—(উভয়সঙ্কট)—কি যে কৰোঁ, উপায় পোৱা নাই। **তলে গো-বধ, ওপৰে ব্ৰহ্ম-বধ**; গলেও বিপদ, নগলেও বিপদ।

**তলে তলে**—(গোপনে)—**তলে তলে** কাঁড় মাৰাচি প্ৰকাশ্যে শত্ৰুতা নকৰা কিয়?

**তলে তলে হুল দি**—(গোপনে শত্ৰুতা কৰ)—সি মোৰ লগত মুখামুখিকৈ শত্ৰুতা কৰা নাই, **তলে তলেহে হুল দি** ফুৰিছে।

**তলে পুতল দি**—(গোপনে ষড়যন্ত্ৰ কৰ)—তোমাৰ শত্ৰুপক্ষই **তলে পুতল দি** ফুৰিছে, সতৰ্ক হৈ চলিবা।

**তলে শিল ওপৰে কিল**—(কেউফালৰপৰা পোৱা কঠোৰ শাস্তি বা যন্ত্ৰণা)—তোমাক নো কোনে **তলে শিল ওপৰে কিল** মাৰিছে যে যাওঁ যাওঁ লগাইছা?

**তহিকত কৰ**—(অস্বাভাৱিকৰূপে মাৰিলে হাৰ ভগা ক'ৰ শেষ কৰ)—পুলিচে **তহিকত কৰিলেহে** শ'টো দেখিলে গা ঘূৰ লাগিব।

**তহিলং কৰ**—(ভাঙিছিঙি নাই কৰ)—ষাঁড়টোৱে মাটিৰ সাজনোৰ **তহিলং কৰিলে**; দুখীয়া পৰিয়ালটোৰ মূৰত টাঙোন পৰিল।

**তাইতুই কৰ**—(নৰিয়া আদিৰ পিছত সামান্য বল পা)—ল বাঢ়িয়ে আজি দুদিন মানহে **তাইতুই কৰিছে**, ভাল হৈ উঠোঁতে বহুত দিন লাগিব।

**তাইম নাই**—(নিশ্চয়তা নাই)—সি কেতিয়া আহিব, তাৰ একো **তাইম নাই**; তুমি যোৱাহে ভাল।

**তাই-মুকৌৱা**—(গোপনে আনৰ দুৰ্ণাম কোৱা, লগৰীয়া)—তোমাৰ লগৰটো **তাই-মুকৌৱা** স্বভাৱৰ, তাক খেদি দিয়াই ভাল।

**তাও কৰ্**—(মাৰি চেপেটা কৰ্)—গিৰীয়েকে ঘৈণীয়েকক মাৰি **তাও** কৰিলে; তাই এতিয়াও চোতালত পৰি আছে।

**তাঁতীৰ কি ঘোঁৰা বোৱা**—(যাৰ যিটো কৰ্ত্তব্য নহয়, তাকে কৰি বিপদ্ চপা)—তুমি মোটৰ চলাবলৈ গৈ নিজেই বিপদ্ মাতি আনিছিলা; **তাঁতীৰ কি ঘোঁৰা বোৱা?**

**তাড়কা ৰাক্ষসী**—(বৰ টোকা মুখৰ আৰু উগ্র প্রকৃতিৰ তিৰোতা)—ছোৱালী-জনী **তাড়কা ৰাক্ষসী**; তাইক কোনে বিয়া কৰাব?

**তাড়কা ৰাক্ষসী উঠা দি**—(কোনো তিৰোতাই বৰ উগ্রমূৰ্ত্তি ধাৰণ কৰ্)—বোৱাৰীয়েকক নিবলৈ অহা বুলি শুনি শাহুৱেকে **তাড়কা ৰাক্ষসী উঠা দিলে।**

**তাপ মাৰ্**—(শুদ্ধ হ; নিজম পৰ্)—সভাখন সেথোন **তাপ মাৰিলে**; কাৰো মাত-বোল নোহোৱা হ'ল।

**তাম-তুলসী নামান্**—(পাপাচাৰী হ)—আজি-কালিৰ ডেকাবিলাক **তাম-তুলসী নমনা** হ'ল,—বুঢ়াই কলে।

**তামৰ গাড়ু যেন হ**—(গাড়ু = জাৰি লোটা। উখহি বৰ ডাঙৰ হ)—মাকে ল'ৰাটোক বৰকৈ মৰিয়ালে; তাৰ গাটো **তামৰ গাড়ু যেন হৈছে।**

**তামা-কাঁহা**—(তমোময় বা অতিপাত ত্ৰাস লগোৱা কাৰ্য)—গাইজনী এবাৰ পৰিব লাগিলে **তামা-কাঁহা** দেখুৱাই এৰিব।

**তামুলী-চ'ৰা**—(ডাঙৰ মানুহৰ বাহিৰৰ চ'ৰা-ঘৰ)—**তামুলী-চ'ৰাত** বহি ডেকা অধিকাৰে কথা পাতি আছিল।

**তামুলীৰ কাষত বহি বিলাহী আম**—(মানিক মানুহৰ আশ্রয় লৈ মানিক হোৱা কাৰ্য)—তেওঁ কেনে সাহিত্যিক, আমি জানো; পিছে, **তামুলীৰ কাষত বহি বিলাহী আম** লৈছে।

**তামোল-কটা**—(ডাঙৰ মানুহক তামোল কাটি যোগাওঁতা)—এই **তামোল-কটাটো** পিছত তামুলী-ফুকন হ'লগৈ।

**তামোল-পানমোচা**—(খাবলৈ তামোল পাণ আদি বান্ধি লগত লৈ ফুৰা গামোচা)—বুঢ়াই এতিয়াও **তামোল-পানমোচাখন** এৰা নাই; তাতে তামোল খোৱাৰ সকলো যোগাৰ আছে।

**তামোল-পাণ কাটু**—(বিয়াৰ বন্দবস্ত হলে দেশ-ৰকমতে ধ্যাধৰণৰা তামোল-

পাণৰ তাৰ দি বাইজক মাতি তামোল দি হোৱালী খোজ্)—জোৰা-কোঠ চাই, তামোল-পাণ কাটিবলৈ এটা দিন চোৱাঁ।

**তামোল-পাণ দি জনা**—( সসন্ত্ৰমে নিবেদন কৰ্ )—সাউদে ৰজাক তামোল-পাণ দি এই কথা জনালে।

**তামোল-পাণ দি মাত**—( সসন্ত্ৰমে নিমন্ত্ৰণ কৰ্ )—বিয়ালৈ তামোল-পাণ দি মাতি গৈছে, নগলে বেয়া পাব।

**তামোলৰ বেটু পঁচ্, কথাৰ বেটু নপঁচ্**—(মনৰ আঘাত চিৰস্থায়ী হ)—তোমাৰ এই সব কথাটো চিৰদিন মনত থাকিব ; তুমিতো জানাই, **তামোলৰ বেটু পঁচে, কথাৰ বেটু নপঁচে।**

**তাৰাংতিৰিং কৰ্**—( চক খাই বা উদ্বিগ্নভাৱে যনাই ইকালে সিকালে চা )—১। বাঘৰ মাতে কিহবাৰ শব্দ পাই গৰুটোৱে **তাৰাংতিৰিং কৰিছে।** ২। মই যোৱা দেখি তেওঁ **তাৰাংতিৰিং কৰিবলৈ** ধৰিলে।

**তালক তালে**—( ঠিক সময়ত ; অলপো ত্ৰুটি নকৰাকৈ )—আমিও যাওঁ বুলি ওলাইছোঁ ; তেওঁ **তালক তালে** আহি পালে।

**তাল দি**—( কামত সহায়তা কৰ্ ; মনোযোগ দি )—১। মই সাত ঠাইত সাতোটা কামত **তাল দিব** নোৱাৰোঁ। ২। আমাৰ কথাত **তাল দিয়া** তোমাৰ কৰ্ত্তব্য নহয়।

**তাল ধৰ্**-( ১। গীতৰ তালে তালে তালেৰে বাজনা বজা। ২। মনৰ কথা বুজিবলৈ কোনো কথা সমৰ্থন কৰাৰ ভাও জোৰ্ )—১। মই কেতিয়াও বাম গোৱাত **তাল ধৰি** পোৱা নাই। ২। তেওঁ গৃহস্থালিৰ কথা উলিয়ালে ; ময়ো **তাল ধৰিলোঁ।** কথাষেকৰ কথা কি কয় বুজিবলৈ।

**তাল পৰা দি**—( বৰ আঘাত পোৱাৰ দৰে হ ; স্তব্ধ হ )—ডেকাজনক গাৰীয়ে কাটিলে বুলি শুনি আমি আটায়ে **তাল পৰা দিলোঁ।**

**তাল প্ৰমাণে বাঢ়্ তিল প্ৰমাণে টুট্** (ৰোগ আদি হঠাৎ বৰ ভয়ানকৰূপে বাঢ়ি অতিশয় লাহে লাহে শাম কাট্)—মৰিয়া একেদিনাই মৰকে ; **তাল প্ৰমাণে বাঢ়ি তিল প্ৰমাণেহে টুটে।**

**তাল বা**—(তালে বাজনা বজা)—সবাটোৱে **তাল বাবও** জানে, নাম গাবও পাৰে।

**তাল-বাল খা**—( বিকল বা বুদ্ধিহীন হ )—বাহিৰত বাৰৰ গোলমাল,—ঘৰৰ ভিতৰতে **তাল-বাল খালোঁ।**

**তাল-কাল লাগ্**—( অস্থিৰ বা উত্তেজিত হ )—খাবলৈ নাপাই তাৰ **তাল-কাল লাগিছে।**

**তাল-মৰা**—( আধা-মৰা, নিস্তেজ )—এই **তাল-মৰা** মানুহটোৱে আপুনি পঢ়া বুজিছে নে?

**তাল-মৰা দি**—( আকস্মিক শাৰীৰিক বা মানসিক আঘাত পাই মৃতপ্ৰায় হ )—ঘৰ ওলোৱাৰ সময়ত এনে দুৰ্ঘটনা হোৱাত **তাল-মৰা দিলোঁ।**

**তাল মাৰি ধৰ্**—( ডাঙৰ শব্দ আদি শুনি কাণেৰে শুনা বন্ধ হ )—ঢোলৰ কোবত কাণত **তাল মাৰি ধৰিছে**, ইয়াত বহ নোৱাৰি।

**তাল-মুৰীয়া**—( সকলো প্ৰকাৰে তুল্য )—এই ল'ৰা দুটা **তাল-মুৰীয়া**, কোন ডাঙৰ কোন সৰু কব নোৱাৰি।

**তাল লাগ্**—( বৰকৈ অভাৱ হ )—আমাৰ ইয়াত চেনিৰ **তাল লাগিছে**; এতিয়াও পাবলৈ নাই।

**তালা-ঘাটা মাৰ্**—( ভাল বুজি বা চল চাই সকলো বন্দবস্ত দি )—তোমালোকে চোতালত শুই থাকিছা, সিফালে বাৰীত চোৰে **তালা-ঘাটা মাৰিলে।**

**তালি মাৰ্**—( তাপলি মাৰ )—তেওঁৰ চোলাটোলৈ চোৱা, কিমান যে **তালি মাৰিছে।**

**তালু ফুটি জীউ যা**—( মৰাৰ দৰে বৰ ভয় পা )—বেলবন দেখিলেই আমাৰ দৰে অলপ-খতুৱা মানুহৰ **তালু ফুটি জীউ যাব** খোজে।

**তালুৱে জিভাই লাগ্**—( অতিশয় বিস্মিত হ )—এনে দুৰ্ঘটনা দেখিব নালাগে, শুনিলেও আমাৰ **তালুৱে জিভাই লাগে।**

**তালে-মাতে**—( ঠিক সময়ত )—**তালে-মাতে** চপাই আনিব পাৰিলে সহযোগ-মান সবিষহ পায়।

**তালে-তালে**—( গীতৰ তাল অনুসৰি )—যেনেকৈয়ে কথা পকাই পকাই মুখি আছে, মঞা **তালে-তালে** ঘূৰি আছোঁ।

**তালে-তিলে**—( সৰু বৰ একোকে নেৰাকৈ; সম্পূৰ্ণৰূপে )—**তালে-তিলে** সকলোবিধি শস্য ৰজেৰে খুপুৰিয়াই আনা।

**তালে-মালে**—( সকলো প্ৰকাৰে মিল ৰাখি )—**তালে-মালে** গৃহস্থি চলোৱাটো সুখৰ কথা নহয়।

**তাৰৰ মাৰ্**—( তচৰ মাৰ্; জোৰা মাৰ্ )—গৃহস্থালি যে কেনেকৈ **তাৰৰ মাৰি** চলাব লগীয়া হৈছে, তুমি কি বুজিবা?

**তিগ্ৰমাত্তি খং**—( তিগ্ৰমাত্তি = অত্যুগ্ৰ মূৰ্তি। বৰ খং )—তাৰ দৰে **তিগ্ৰমাত্তি খঙৰ** মানুহ দেখা নাই।

**তিত-পখিলা**—( পখিলাৰ দৰে যেগাই ঘূৰি ফুৰা মানুহ )—তাইৰ দৰে **তিত-পখিলাৰ** এইখিনি বাওঁতে কিমান পৰ লাগিব?

**তিতা-টনি খট্**—( বা **তিতা-টঙালি** )—( পিতৃমাতৃৰ মৃত্যুত তিতা কাপোৰ পিন্ধি ব্ৰত কৰ্ )—তেওঁৰ পিতাক ঢুকাইছে; সেই দেখি **তিতা-টনি খটিছে**।

**তিতা দি**—( বৰকৈ বেজাৰ বা দুখ দি )—তাই মোক বৰকৈ **তিতা দিছে**, মৰিলেও নাপাহৰোঁ।

**তিতা-মুৰীয়া লাগ্**—( ভোকত মূৰ ঘূৰাই আলকাল দি; ভোক-মূৰীয়া লাগ্ )—দিনটো লঘোণে থকাত তাৰ **তিতা-মুৰীয়া লাগিছে**।

**তিতা লগা**—'তিতা দি' চোৱা।

**তিথিৰ মূৰত পানীচলু দি**—( নিৰ্দিষ্ট তিথিত মৃতকৰ উদ্দেশে জলাঞ্জলি দি )—আন একো কৰিব নোৱাৰিলেও, **তিথিৰ মূৰত পানীচলু দিবলৈ** তেওঁ হেলা নকৰে।

**তিনি ঘৰজীয়াৰ মাটিত শগুনেও ন' মাৰা**—( ঘৰজীয়া থকাৰ মান ভুলনীয় কাম নহয় )—**তিনি ঘৰজীয়াৰ মাটিত শগুনেও ন' মাৰায়**; ঘৰজীয়াক কোনে মানুহ বোলে?

**তিনি টকালি মাৰি খা**—( লোভাৰ পাই বৰ আগ্ৰহেৰে খা )—আজি তোমাৰ ঘৰত **তিনি টকালি মাৰি খালে**, কাইলৈ তোমাকো ঘূৰাব পাৰিম নে?

**তিনি তিলিকতে**—( অতি শীঘ্ৰে )—তুমি দেখোন **তিনি তিলিকতে** আহি পালা? তালৈ নগ'লাই নেকি?

**তিনি তেজালি মাৰি খা**—( বৰ আগ্ৰহেৰে দিব কটা )—পাত ওপৰত **তিনি তেজালি মাৰি খাব** নালাগে; দিয়ে আৰ্মি ফুটনি কৰাহে।

**তিনি-চিৰীয়া গা খো**—(ঋতুৰ তৃতীয় দিনা গা ধুই শুচি হ)—**তিনি-চিৰীয়া গা ধুই** তিৰোতাই নদী পাৰ হব নাপায়।

**তিনি-দুপৰীয়া**—(ঠিক দুপৰীয়া)—এই **তিনি-দুপৰীয়া** এনেই যাব নালাগে; খাই বৈ যোৱা।

**তিনি মাচ মাৰ**—(আনন্দত উত্ৰাৱল হ)—তোমাৰ বিয়া পাতিলে আমিতো **তিনি মাচ মাৰিমেই।**

**তিনি পাক খাই পৰি মৰ**—(খব দুৰ্বল হ)—জৰ এবাৰ ইমান দিন হ'ল; এতিয়াও **তিনি পাক খাই পৰি মৰ** কিয়?

**তিনিও প্ৰসঙ্গত**—(পুৱা, দুপৰীয়া আৰু গধূলি; সদায়)—তুমি **তিনিও প্ৰসঙ্গত** মোক এই দৰে বিৰক্ত কৰি নাথাকিবা।

**তিনি কুৰি বছৰতো তিৰীৰ আঁচলে হাঁহ**—(বুঢ়ালো বিলাসিতা বা সৌন্দৰ্যলিপ্সা থাক্)—ডেকাটোৱে বুঢ়ীক বিয়া কৰালে কিয়? কাৰণ, **তিনি কুৰি বছৰতো তিৰীৰ আঁচলে হাঁহে।**

**তিনি কাল পৈ একালত লাগ**—(শৈশব, যৌৱন আৰু বাৰ্ধক্যৰ পিছত মৰাকাল উপস্থিত হ)—**তিনি কাল পৈ একালত লাগিল**, এনে দুকাও কোনো দিনো দেখা নাছিলোঁ।

**তিনি কুল নষ্ট কৰ**—(পিতৃকুল, মাতৃকুল, স্বামীকুল—এই তিনিও কুলৰ দুৰ্নাম আন্)—অসতী তিৰোতাই **তিনি কুলকে নষ্ট কৰে।**

**তিনি-গধূলি**—(ঠিক ঠিক সন্ধিয়া)—এই **তিনি গধূলি** কিয় বাব লাগিছে? বাতি চাকি ডাঁৰ থাকি থোৱা।

**তিনি জাঁপ মাৰ**—(অতিশয় আনন্দিত হ)—পূজাৰ বন্ধত দেউতাকে ল'ৰা-ছোৱালীহঁতক কলিকতালৈ নিব বুলি শুনি সিহঁতে **তিনি জাঁপ মাৰিলে।**

**তিনি তিলিকি মাৰ**—'তিনি জাঁপ মাৰ' চোৱা।

**তিনি টেলেঙনি খা**—(বিপদত জুৰুলা হ)—মাকৰ মৃত্যুৰ পিছত সি **তিনি টেলেঙনি খাইছে।**

**তিনি পৰৰ ভাটিত**—(শেষ মুহূৰ্তত; আন উপায় নহলে)—**তিনি পৰৰ ভাটিত**, আন নহা দেখি তেওঁ আহিল।

**তিনি পৰীয়া বেলি**—'তিনি পৰৰ ভাটিত' চোৱা।

**তিনি পাইকৰ [illegible]বাৰ ধৰা**—'ঢাল-তৰোৱাল নহোৱা নিধিৰাম চৰ্দাৰ' তোৰা।

**তিনি-ঘুনি বাট**—(তিনিটা বাট লগ হোৱা ঠাই; তেবাটা)—থিয় দুপৰীয়া কেঁচুৱাটো লৈ **তিনি-ঘুনি বাটলৈ** নাযাবা।

**তিনি-মুৰীয়া**—(আঁঠুৰ মাজত মূৰ সোমোৱা; বৰ বুঢ়া)—মানৰ দিনৰ কথা আমাৰ গাঁৱৰ **তিনি-মুৰীয়া** বুঢ়াটোৱে জানে।

**তিনি সইত খা**—(তিনি বাৰ সপত খা)—**তিনি সইত খাইছোঁ**, মই তেওঁক আজি দেখাই নাই।

**তিপচি-তজা**—(নগণ্য বা যৎসামান্য উপহাৰ)—গুৰুৱে গোপালৰ গাথীৰ টেকেলি **তিপচি-তজা** জ্ঞান কৰিলে।

**তিপচিয়ে গৰুড়ৰ উৰাও মাৰিব খোজ**—(অসম্ভৱ কাম কৰিবলৈ আগ্ৰহ কৰ)—তেওঁক দেখি তুমি এনে কাম কৰিব খুজিছা হয়, **তিপচিয়ে গৰুড়ৰ উৰাও মাৰিব** পাৰে জানো?

**তিবিণ কুটা হিবিণ নকৰ**—(তিবিণ—তৃণ; হিবিণ—হীন, ক্ষয়। তৃণকুটা লোহোৱাকৈ বা একো নকৰাকৈ থাক)—আজি তিন দিন বহি আছোঁ, **তিবিণ কুটাও হিবিণ কৰা নাই**।

**তিৰী বধ, গো বধ, সাত কপিলা বধ**—(বৰ ডাঙৰ শপত)—**তিৰী বধ, গো বধ, সাত কপিলা বধ**, মই হাক দি পঠোৱা কামবোৰ কেতিয়াও নকৰিবা।

**তিৰী বৈৰী, জীয়া বৈৰী**—(বৰ ডাঙৰ শত্ৰু)—**তিৰী বৈৰী, জীয়া বৈৰী**,—এনে মানুহৰ মাজত মিত্ৰতা কেতিয়াও নহয়।

**তিৰী-মতীয়া**—(দুৰ্বল মনৰ)—গা-গাঁঠিৰে শকত হলেও সি **তিৰী-মতীয়া** মানুহ; তাক ক্ষমা কৰা।

**তিৰীৰ চৰিত্ৰ পত্তা খা**—(তিৰোতাৰ বাধ্য হৈ যি কয় তাকে কৰ)—কত ডাঙৰ মানুহেও **তিৰীৰ চৰিত্ৰ পত্তা খায়**, সেইটো ধকল তোমাৰহে নে?

**তিৰীৰ ভুতুৰ**—(তিৰোতা-সেৰুৱা মানুহ)—ঘৈণীয়েকে বহু কাম নকৰিলেও **তিৰীৰ ভুতুৰটোৱে** একোকে নামাতে।

**তিৰী-লগীয়া**—(ভাৰ্য্যা থকা)—**তিৰী-লগীয়া** চাকৰ পালে ৰাখোঁ; তিৰোতা-জনীৰ যাতে কাম যোৰ আছে।

**তিৰোতা-লেকৰা**—(ঘৈণীয়েকৰ বাধ্যত চলা; স্ত্ৰৈণ)— **তিৰোতা-লেকৰা** মানুহ আনৰ উপহাসৰ পাত্ৰ হয়।

**তিলকে তাল কৰ্**—(সামান্য কথাকে অতিৰঞ্জিত কৰ্)— **তিলকে তাল** কৰি ক'ৰ কথা ত'ত কোৱাই বুঢ়ীৰ কাম।

**তিলখুন্দমান**—(অতিশয় অলপমান)—চেনি আজি **তিলখুন্দমানো** নাই; কিহেৰে চাহ খাবা?

**তিল-তণ্ডুল**—(অলপো কম-বেছ নকৰাকৈ ভগা)—আমি তোমালোকৰ **তিল-তণ্ডুলকৈ** বেলেগ কৰিবলৈ অহা নাই।

**তিল-পৰিমাণে**—(বৰ কমকৈ, বৰ লাহে লাহে)—নৰিয়া বেল-পৰিমাণে বাঢ়ে, **তিল-পৰিমাণে** টুটে।

**তিল-মাহ খা**—(স্বামী ভাৰ্যা হবলৈ সাধি খাহ)—তেওঁৰ **তিল-মাহ খাই** আহিছা যদি, তেওঁক স্বামী পাবাই।

**তিলে তিলে**—(১। লাহে লাহেকৈ, বৰ কম পৰিমাণে। ২। মিনিটে পতি; বাৰে বাৰে)—১। তেওঁৰ জীৱন-বন্তি **তিলে তিলে** নুমাই আহিছিল। ২। **তিলে তিলে** উঠা বহা লগাইছা কিয়? চকু মুদি শোৱা।

**তিহ্‌তিহাই উঠ্**—(ধৰকৈ খং কৰ্)—পাতত ভজা মাছ নেদেখি সি **তিহ্‌তিহাই উঠিল**।

**তিহ-বিহ কৰ্**—(চোকা বিষ গাত লগাৰ দৰে অস্থিৰ হ)—তোমাৰ ধন-দৌলত দেখি বুঢ়ীয়ে **তিহ-বিহ কৰি** মৰিছে।

**তীখা উঠ্**—(তৎক্ষণাৎ খং উঠ্)—যি সেই কথাতে তোমাৰ **তীখা উঠে** কিয়?

**তীখা দি**—(চোকা কথাৰে আঘাত দি)—**তীখা দিয়াত** কাজী আহিলা, কাম কৰিবলৈহে সাধন নাই।

**তীখা-মোখৰা**—(১। বৰ চোকা মুখৰ। ২। বৰ উগ্ৰ)—১। এনে **তীখা-মোখৰা** মানুহক কোনেও ভাল নাপায়। ২। এই **তীখা-মোখৰা** ম'হত এতিয়া নাবাবা।

**তুঁহত হগা বোন্দা যেন হ**—(কোনো কুকৰ্ম কৰি ধৰা পৰাত অপদস্থ বা লজ্জিত হ)—বাৰীত বাঁহ কাটোতে মোক দেখা পাই সি **তুঁহত হগা বোন্দা যেন হ'ল**।

**তুঁহ-তুঁহকৈ**—( অকণ অকণকৈ)—অকণমান এখন পিঠা ; তাকে **তুঁহ-তুঁহকৈ** সকলোটিয়ে ভগাই খালে।

**তুঁহৰ জুই উমাই পোৰ্**—( পাপকাৰ্যৰ শাস্তি লাহে লাহে পা )— **তুঁহৰ জুই উমাই উমাই পোৰে** ; অধৰ্মই মানুহক কেনেকৈ সৰ্বনাশ কৰে, তাকো লাহে লাহে দেখিবা।

**তুমি-তুমা কৰ্**—( সমনীয়াৰ দৰে ব্যৱহাৰ কৰ্ )—আজি নহয়, মই তেওঁক সদায় **তুমি-তুমা কৰিহে** মাতোঁ।

**তুৰি-ভুৰি কৰ্**—( নিৰূপিত নিয়ম বা আজ্ঞাৰপৰা লৰচৰ বা ইফাল সিফাল কৰ্ )—মই যি কৈছোঁ, তাকে নকৰি **তুৰি-ভুৰি কৰিলে** চাবি।

**তুলসীৰ লগত কল পটুৱাৰ মুক্তি হ**—( মহৎ লোকৰ সঙ্গত থাকি সামান্য লোকো উদ্ধাৰ হ )—ফুকন ডাঙৰীয়াৰ সঙ্গ পাই সেই লগুৱাটোৱো **তুলসীৰ লগত কল-পটুৱাৰ মুক্তি হ'ল**।

**তুলা ধুনা দি**—( বৰকৈ কোবাই কষ্ট দি )—বিষত মুখটো **তুলা ধুনা দিব** লাগিছে।

**তুলা মুলা পা**—( বৰ দুৰ্গতিত পেলা ; বৰ কষ্ট দি )—মই চাইহে আছোঁ, ধৰিব লাগিলে **তুলা মুলা পাই** এৰিব।

**তুলি আকাল্**—( নবিয়া আদিয়ে অসীম কষ্ট দি )—ন-বোৱাৰীজনী আহিবৰে পৰা গৃহস্থালিখন **তুলি আকালিব** লাগিছে।

**তুলি ধৰ্**—( ১। দাঙি ধৰ্ ; সমৰ্থন কৰ্ । ২। ওপৰ বা শ্ৰেষ্ঠ কৰ )— ১। তেওঁৰ কথাটো আমি **তুলি ধৰিলোঁ** ; বিপক্ষদল নিমাত হ'ল। ২। দহজনে **তুলি নধৰিলে** কোনো মানুহ ডাঙৰ হব নোৱাৰে।

**তুলি ল**—( তোলনীয়া কৰ্ )—মাউৰা ল'ৰাটোক বুঢ়ীয়ে **তুলি লব** খুজিছে।

**তুৰাই আন্**—( অভাব পূৰণ কৰ্ )—দশোদিশৰপৰা এনেকৈ যোগান ধৰিও জানো **তুৰাই আনিব** পাৰিছা ?

**তৃণ-তুচ্ছ জ্ঞান নকৰ্**—( সৰু বুলি উপেক্ষা কৰ্ )—সি পিতাকক **তৃণ-তুচ্ছ জ্ঞান নকৰে**।

**তেঁতেলি-খাটনিয়াৰ**—( তৃতীয় পক্ষ হৈ খাটি খুৱোঁতা—নিস্বাৰ্থ )—তোৰ বিয়া হওক বা নহওক, তোক নো কোনে **তেঁতেলি-খাটনিয়াৰ** ধৰিলে ?

**ভেইচ মাৰ্**—(মূল মাৰি খা বা দি)—শাকভাত খাই সোমাই আহি বেজেনা বোৰ **ভেইচ মাৰিলে**।

**তেজক পানী কৰ্**—(ঘৰকৈ পৰিশ্ৰম কৰি কষ্ট পা)—**তেজক পানী** কৰি তেওঁ যি দুটা টকা পায়, তাৰে এই গৃহস্থালিখন চলাব লাগে।

**তেজ খা**—(১। বিষ শুহা। ২। অনিষ্ট কৰ্; কষ্ট দি)—১। ইহঁতৰ ঠাইতোখৰত এই দবৰটো ঘঁহিবা; **তেজ খাব**, আমনি যাব। ২। সি যদি মোৰ অহিত আচৰে, মৰো তাৰ **তেজ খাম**।

**তেজ-গোৰা**—(বগাৰ লগত মিহলি ৰঙা বৰণৰ)—ছোৱালীজনী ঠিক বগা নহয়, **তেজ-গোৰা**।

**তেজ ধৰ্**—(স্বাস্থ্যবান বা পুষ্ট হ)—ডেকা বয়সত সকলোৱে **তেজ ধৰে**; এওঁ দেখোন খীণাইহে গৈছে।

**তেজ থুলে উঠ্, মঙহ থুলে ছুট্**—(সৌভাগ্যৰ কথা সহজে পাহৰি গৈ দুৰ্ভাগ্যৰ কথাহে সুঁৱৰি থাক্)—**তেজ থুলে উঠে, মঙহ থুলে ছুটে**; তুমিও তোমাৰ অস্থায়ী দুৰ্ভাগ্যৰ কথা পাগুলি অধীৰ হৈছা; লগতে তোমাৰ সৌভাগ্যৰ কথাও নাভাবা কিয়?

**তেজ-পম**—(তেজ-পানী; বল-শক্তি)—ছোৱালীজনী **তেজ-পম** নাইকিয়া; আন একনী চোৱাঁ।

**তেজ-পানী নোহোৱা**—(স্বাস্থ্যহীন)—ল'ৰাটো দেখোন **তেজ-পানী নোহোৱা**, কিবা বেমাৰ আছে নে কি?

**তেজ পি**—(তেজ চুহি খাই মাৰি পেলা)—যোৱা ৰাতি বাঘে এটা গৰু **তেজ পিলে**।

**তেজ-পিয়া**—(জেঠীজাতীয় এবিধ বিষাক্ত সৰীসৃপ)—**তেজ-পিয়াই** নিজৰ গাৰ বৰণ সলায়।

**তেজৰ টান**—(আপোনজনলৈ স্বাভাৱিক মৰম)—সি মিমান অন্যায় কৰিছে, তাৰ দুৰ্ভাগ্যত মই নহৈ আন হোৱা হলে আনন্দ কৰিলেহেঁতেন; কিন্তু মোৰ প্ৰাণে নসয়; কি কৰিম? **তেজৰ টান**।

**তেজে ফুটোঁ ফুটোঁ কৰ্** (**বা তেজে মুখে ফুটি যা**)—(বৰ সুখী আৰু তেজাল হ)—ছোৱালীজনী কি চাবা, **তেজে ফুটোঁ ফুটোঁ কৰে**।

**তেভূত কৰ্**—( বৰ চোকা কথাৰে ভূতৰ দৰে ৰমতা বোবোলা কৰ্ )—সকলো গুণৰ কথা কৈ তাক আজি **তেভূত কৰিলোঁ।**

**তেল-ফুৰ**—( তেল আৰু তাৰ লগত মিহলোৱা গাত ঘঁহা ঔষধ মচলা আদি )—**তেল-ফুৰ** সদায় ঘঁহি থাকিলে অকল চৰ্মৰোগেই নহয়, আৰু নানাবিধ ৰোগৰ হাত সাৰিব পাৰি।

**তেল-ক'লীয়া**—( বগা বৰণৰ লগত ঈষৎ ক'লা মিহলি থকা )—ছোৱালীজনী **তেল-ক'লীয়া**, কিন্তু বৰ গুৱনী আৰু স্বাস্থ্যৱতী।

**তেল কাঢ়্**—( ১। তেলৰ ভাগ আঁতৰা। ২। সেকা দি )—১। বাঘৰ **তেল কাঢ়িব** জানা? এই তেল দৰৱত লাগে। ২। কথা সুশুনি জঁপিয়াই ফুৰিছ, তোৰ আজি **তেল কাঢ়িম।**

**তেল কোঁহা কাঢ়্**—'তেল কাঢ়্' চোৱা।

**তেল-গছ**—( তেল পেৰা কতৰ )—**তেল-গছৰ** প্ৰ'ভটো যতনৰ অলপকৈ কাটি আনিবা; মই দৰৱ দিম।

**তেল-গাজ**—( ধূন-পেচ মাৰি ফুৰা বিলাসী ডেকা )—ছুপৰীয়া-মধাম নাই; **তেল-গাজটো** টোটৌকৈ ঘূৰি ফুৰে।

**তেল-গামোচা**—( বিয়াত দৰাই পিন্ধি গা ধোৱা কাপোৰ )—ভেউঁৰ বিয়া আহিলেই; তোমাৰ **তেল-গামোচা** নোলাল দেখোন।

**তেল-চিকটি**—( তেল লাগি গাত বা কাপোৰত বহা হোৱা মলি )—খাৰেৰে নিসিজালে কাপোৰখনৰ **তেল-চিকটি** নেৰিব।

**তেল-টেঙা ঘঁহ্**—( মন যোগাই আৰমণৰা কোনো কাৰ্য সাধনৰ বাবে নিন্দনীয় কাৰ্য কৰ্ )—এই দৰে **তেল-টেঙা ঘঁহি** ফুৰিলে তোমাৰ সন্মান থাকে নে টুটে?

**তেলত মাৰ্**—( ঔষধ আদি তেলত সিজা )—এই দৰৱটো **তেলত মাৰি** চেঁচা হলে গুঁড়ি কৰি খাবা।

**তেল-তামোলে ছিৰী**—( গাত তেল ঘঁহিলে আৰু মুখত তামোলৰ ৰং বোলালেহে মানুহক শুৱনি দেখি )—**তেল-তামোলে ছিৰী**; তুমি আকৌ মুখোটাকেই এৰি চাহাব হ'লা।

**তেল থাকোঁতে চাকি নুমা**—( অকালত থাকোঁতেও মৃত্যু হ )—মানুহটোক চিকিৎসা নকৰিলে **তেল থাকোঁতেও চাকি নুমাব** পাৰে।

**তেল দি**—'তেল-টেঙা ঘঁহ' সোৰা।

**তেল মাইকিৰাত কঁপৰীয়া হ**—(অৱস্থা হীন হোৱাতো হীন হোৱা বুলি স্বীকাৰ নকৰি আন প্ৰকাৰে ক)—**তেল মাইকিৰাত কঁপৰীয়া হোৱা** বাবে দুখীয়া নুবুলিবাচোন।

**তেল-পানী দি**—(তেল আৰু পানী দি মগজু ঠাণ্ডা কৰ্)—বহুত পৰ **তেল-পানী দিয়াতহে** তেওঁ ভৎ পালে।

**তেল পিছলা দি পিছল্**—(বৰ টেঙৰ স্বভাৱৰ হ)—তেওঁ **তেল পিছলা দি পিছলে**; তুমিও টকা সৰকাৰ পাৰিলেহে পাবা বুলি কয়।

**তেল ফুট্**—(চৰি বেছি হৈ মৰ্)—আমাৰ খাহীটোৰ কেতিয়াবা **তেল ফুটেহে**; ইয়াৰ ডাঙৰ খাহী দেখাই নাই।

**তেল বাঢ়্ (বা ফাট্)**—(আনন্দত মতলীয়া হৈ ডেও পাৰি ফুৰ্)—ইয়াৰ গালি-শপনি খাইও তোৰ দেখোন **তেল বাঢ়িছে** গৈছে।

**তেল বেছি হলে বালিত ঢাল্**—(মূল্যবান বস্তু অযথাত নষ্ট কৰ্)—চাবি বহুতো আছে বুলিয়েই ৰ'দে বৰষুণে পেলাই থোৱা কিয়? **তেল বেছি হলে বালিত ঢালে** কোনে?

**তেল মাৰ্**—(দৰৱ, মচলা আদি তেলত সিজাই তেল তৈয়াৰ কৰ্)—এই দৰৱটো মিঠা-তেলত ভাজি **তেল মাৰিবা**; দৰৱটো পেলাই দি সেই তেল বহুত ঘঁহিবা।

**তেল-মুৰুলি**—(কুলীয়া বস্তুৰে পাত্ৰৰ মুখলৈ, জল-পূৰ)—কলহটো **তেল-মুৰুলি** কৰিলা যে দিবা কেনেকৈ?

**তেলৰ কাম্মোৰ**—(সুখাদ্যৰ বাবে কৰা পোকৰ বা উহতালি)—এই ডেকাটোৰ **তেলৰ কাম্মোৰ** কিমান সহি থাকিবা?

**তেলৰ ভাৰ**—(বিয়াৰ আগ দিনা তেল, তেল-কাপোৰ, আ-অলংকাৰ আদিৰে দৰাঘৰপক্ষই কইনাৰ ঘৰলৈ পঠোৱা ভাৰ)—বিয়াত **তেলৰ ভাৰ** পঠোৱা কেৱল দস্তুৰ নহয়, উপকাৰীও।

**তেলৰ ভাৰ হ**—(কেবাবিধ বস্তু একেলগে নিব লগীয়া হোৱাত বৰ কষ্টকৰ হ)—শাকে, মাছে, পাণে, তামোলে, শাৰীৰে,—এইবোৰ চাইকেলত নিম কেনেকৈ? এখন **তেলৰ ভাৰহে** হ'ল।

**তেলীৰ মূৰত তেল দি**—(যাৰ যি বস্তুৰ অভাৱ নাই, তাক তেনে বস্তু দি)—তেলীৰ মূৰত তেল দিবলৈ কৰা এই আইনখনৰ বাইজৰ একো উপকাৰ নহয়।

**তেলে কামোৰ ধৰ্**—(সুখাদ্য আৰু মনৰ স্ফূৰ্তিৰ বাবে আনন্দত উত্ৰাৱল হ)—তোৰ তেলে কামোৰ ধৰিছে হয়, এই কামোৰ ভাললৈ নহয়।

**তেলে টেকেলিয়ে মিল হ**—(যাৰ লগত যাৰ স্বাভাৱিক আকৰ্ষণ আছে, তাৰ তাৰ মাজত মিলন ঘট্)—বিয়ৈ বিয়নী,—আপোনালোকে বিয়নী-মেল পাতিলে, আমি জাৰত কঁপি মৰিছোঁ; তেলে-টেকেলিয়ে মিল হবই; আমি যেনেবাধিনি আঁতৰি থোৱাহে উচিত।

**তেলে ধৰ্**—'তেলে কামোৰ ধৰ্' চোৱা।

**তেলে পানীয়ে মিহলি নহ**—(বিভিন্ন প্ৰকৃতিৰ মানুহৰ মাজত আন্তৰিক মিল নহ)—তেলে পানীয়ে মিহলি নহয়; এই দুৰ্বৃত্তটোৰ লগত তেনে ঋষিতুল্য লোকৰ বন্ধুত্ব কেনেকৈ সম্ভৱ হ'ল?

**তোম বান্ধি নৈত উটাই দি**—(অতি উগ্ৰ দণ্ড দি)—সমাজে এই দৰে এজন মানুহক অত্যাচাৰ নকৰি ধৰ: তোম বান্ধি নৈত উটাই দিয়াও ভাল।

**তোলনি-বিয়া**—(ছোৱালীৰ পুষ্পোৎসৱ)—তেওঁৰ ছোৱালীজনী পুষ্পিতা হৈছে; তোমাক তোলনি-বিয়ালৈ মতা নাই নে?

**তোল-মোতোল কৰ্**—(এজনক ডাঙৰ এজনক সৰু পাতি অনৰ্থক অশান্তিৰ সৃষ্টি কৰ্)—গাঁৱত তোল-মোতোল কৰি ফুৰাই তেওঁৰ একমাত্ৰ কাম।

**তোল-পাৰ লাগ্**—(হুলস্থুল বা বৰ উত্তেজনাৰ সৃষ্টি হ)—পঞ্চায়তৰ নিৰ্বাচন আহিছে; গাঁওবোৰত তোল-পাৰ লাগিছে।

**তোলা-মহা মাপা**—(কথাৰ একো বুজ বাপা)—এই কাজিয়াখনৰ তোলা-মহা মই একো পোৱা নাই; এনে ক্ষেত্ৰত মই কেনেকৈ মধ্যস্থতা কৰিম?

**তৌবা তৌবা দেখুৱা**—(কোনো কাৰ্যৰদ্বাৰা ৰবকৈ বিস্মিত কৰ্)—ডেকাটোৱে উত্তালিয়ে সকলোকে তৌবা তৌবা দেখুৱালে।

**ত্ৰাহি ত্ৰাহি কৰ্ (বা লগা)**—(বিপদৰপৰা উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰ্; নিৰুপায়ত পৰ্)—ঘৰত আটাই কেইজনৰ অসুখ; ইফালে চাউল এমুঠিও নাই; লগতে আহিল বান পানী; মুঠাই ত্ৰাহি ত্ৰাহি কৰিলে।

**ত্ৰাহি মধুসূদন দেখ্**—(বৰকৈ ভয় পা; বাপ বাপ সোঁৱৰ্)—মোতাম বান্ধি ডকাইতহঁতক বোৰ পিটাইছে ত্ৰাহি মধুসূদন দেখিলে।

# থ

**থকা ভুই বাৰ বাৰ, মথকা ভুই একেবাৰ**—(অপদাৰ্থ লোকে জীয়াই থাকি বাৰে বাৰে দুখ দিয়াতকৈ মৰি গৈ এবাৰ দুখ দিয়াই ভাল)—কু-পুত্ৰ জীয়াই থকাতকৈ মৰি যোৱাই ভাল, **থকা ভুই বাৰ বাৰ, মথকা ভুই একেবাৰ।**

**থকা-থমকা (বা থকা-থৈয়া) কৰ্**—(কামৰ মাজত থমক খাই ৰ)—কামটোত ধৰিছা যেতিয়া, **থকা-থমকা কৰা** কিয়? একেবাৰে কৰি পেলোৱা।

**থকা-সৰকা**—(১। মাজে মাজে ৰিষ্কা থকা আৰু মাজে মাজে নথকা ২। অপদস্থ কৰা)—১। এই **থকা-সৰকা** কাঠডোখৰেৰে মোৰ একো কাম নহয়। কাঠডোখৰ থৈয়াই থৈয়াই **থকা-সৰকা** কৰিলা; এতিয়া খৰিহে হব। ২। তেওঁ কথাৰে ডেকাটোক **থকা-সৰকা** কৰিলে।

**থণ্ডা-সমীয়া**—(থণ্ডাত আসন পাতি অৰ্থাৎ কাম-বন নকৰি কটোৱা)—ভাল-মন্দ একোটা **থণ্ডা-সমীয়া** হৈ থাকিলে গৃহস্থালি তললৈ যায়।

**থমক ধৰ্**—(অসন্তোষ বা খোহ পাতি হৈ থাক্)—কাম জানে যদিও, মানুহটোৱে মাজে মাজে **থমক ধৰে।**

**থমকা খা**—(বাধা বিঘিনি দেখি আগ নবঢ়াকৈ থাক্)—ডাঙীটো গৈ আছিল, হঠাৎ **থমকা খালে**; প্ৰথমে একো বুজা নাছিলোঁ।

**থমকা মাৰ্**—(আগ নবঢ়াকৈ থাক্)—কামটোৰ মাজতে **থমকা মাৰিলা** কিয়? কিবা লাগে নেকি?

**থম থম কৰে**—(স্থিৰভাৱে)—তেওঁ মাত-বোল নকৰাকৈ **থম থম কৰে** বহি থাকিল।

**থমথমাত উঠ্**—(খোহ পাত)—আমাৰ ন-বোৱাৰী কালিৰপৰা **থমথমাত উঠিছে**; ৰাতি ভাতো খোৱা নাই।

**থৰ-কাছুটি এৰ্**—(অধৈৰ্য বা বিকল হ)—বিপদ আহিল বুলিয়েই এনেকৈ **থৰ-কাছুটি এৰিব** লাগিলনে?

**থৰ-মুওতি এৰ্**—(অধৈৰ্য হৈ বিবেচনা এৰ্)—কোনোবাই বিৰোধিতা কৰিছে বুলিবহে লাগে, সিপিনে তেওঁ **থৰ-মুওতি এৰিলেই।**

**থবক্-ববক্ কৰ্**—(স্থিৰতা হেৰুৱা)—লাকবোৰ ভগাই দিওঁতে **থবক্-ববক্ কৰিছা** কিয়?

**থৰ্থৰি লাগ্**—(কঁপিবলৈ ধৰ্)—বাঘটো দেখি তেওঁৰ **থৰ্থৰি লাগিল।**

**থৰহৰি কম্পমান**—(ধৈৰ্য হেৰুৱাই কঁপিবলৈ ধৰা)—ডকাইত অহা শুনি সকলো মানুহ **থৰহৰি কম্পমান** হ'ল।

**থল গৰক্**—(খিতাপি হৈ প্ৰতিপত্তি বিস্তাৰ কৰ্)—নতুন ঠাইলৈ আহিল বুলিও **থল গৰকিবলৈ** আপোনাৰ বেছি দিন নালাগে।

**থল চাই কঠিয়া পাৰ্**—(লাভৰ বাবে লক্ষ্য কৰি কোনো কাম কৰ্)—**থল চাই কঠিয়া পাৰিব** জানিলেহে জীৱনত সুখী হব পাৰি।

**থলী দাঙি**—(থলীত একো নথকাকৈ; উৰাবি)—মাহচাউলখিনি **থলী-দাঙি** ভগাই দিয়া; এমুঠিও ৰাখিব নালাগে।

**থলে-কঠিয়াই আঁট্**—(প্ৰয়োজনৰ জোখাৰে সফল হ)—গাখীৰ ক'মা হোৱা নাই, বেছিও নহ'ল; **থলে কঠিয়াই আঁটি** গৈছে।

**থাউনি পা**—(বিপদত ৰক্ষাৰ উপায় পা)—মহৰ কামোৰত **থাউনি নোপোৱা** হলোঁ।

**থাং থাং কৰ্**—(সমূলি নাশ কৰ্)—বিলনীয়া গৃহস্থালিটো এবছৰ নৌহওঁতেই পুতেকে **থাং থাং কৰি** পেলালে।

**থাকবি মোহোৰা**—(শক্তিশালী ভিত্তি মোহোৰা)—**থাকবি মোহোৰা** গৃহস্থালিত যিমানে আৰ্জিবা, তিমানে নটা হৈয়েই থাকিব।

**থাকাৰ-পুতুৰ**—(ধুছক-থাবাক)—লৰাটিৰ **থাকাৰ-পুতুৰ** কথাবোৰ শুনি বৰ ৰং লাগে।

**থাম-থাম হ**—(নানা ঠাইত সিঁচৰতি হ)—ভায়েক-ককায়েকহঁত বেলেগ হৈ **থাম-থাম হ'ল।**

**থাম-খিত নোহোৱা হ**—(স্থায়ীভাৱে এঠাইত নাথাকি নানা ঠাইত ঘূৰি ফুৰ্)—বেলেগ হোৱাৰ পিছত সকলো ভায়েকে **থাম-খিত নোহোৱা হৈ ফুৰিছে।**

**থাক-বৰণ**—( বিয়াত বৰপক্ষলৈ কন্যাপক্ষৰ পুৰোহিতক দিয়া ধন )—**থাক-বৰণৰ** কুৰিটা টকা দিব লাগে।

**থাক-থাক হ**—'থাক থাক হ' চোৱা।

**থানৰ দেৱতা থানে থানে যা**—( কাৰ্যশেষত যথাবিধি যা )—পুজি **থানৰ দেৱতা থানে থানে গ'ল**; নবিয়া-পাতিও তেওঁ পৰি থাকিল।

**থান হেৰুৱালে মান হেৰুৱা**—( নিজ ঠাই এৰি আন ঠাইলৈ গলে তাৰ স্বীকৃতি বা সন্মান নাপা )—**থান হেৰুৱালে মান হেৰুৱাব লাগে**; তাকে জানি য'তে আছা, ত'তে থাকা।

**থাপতে উৰা**—( কোনো বস্তু অতি শীঘ্ৰে শেষ কৰ্ )—গ্ৰাহকসকলে পাঁচমোণ চেনি **থাপতে উৰালে**।

**থাপ দি থোৱা চিলাই পাখি লোপাছে পা**—( ধীৰে ধীৰে কোনো কাম নকৰাকৈ অস্থিৰভাৱে ক'ৰলে লাভৱান নহ )—পঢ়া যদি, মন পুতি সদায় পঢ়া; কেৱল পৰীক্ষাৰ সময়ত পঢ়িলে একো ফল নহয়, **থাপ দি থোৱা চিলাই পাখিলোপাছে পায়**।

**থাপ মাৰ্** ( ১। অকস্মাৎ আহি লৈ যা। ২। খন্তেকৰ নিমিত্তে কৰ্ বা ধৰ্ )—১। থ'ৰা, আমবোৰ মই তলাই দিওঁ, মাজতে কোনোবাৰে **থাপ মাৰিবা**। ২। কামটো লাগি ছাটি কৰিব পৰা নাই; **থাপ মাৰিহে** কৰি আছোঁ।

**থাপি থুপি থ**—( হাই-কাজিয়াৰ সংক্ষেপ আপোষ নিষ্পত্তি কৰ্ )—তোমালোকৰ বেলেগ হোৱাৰ কাল হোৱা নাই; আমিও **থাপি-থুপিহে থৈ** যাব খুজিছোঁ।

**থালী ভগা খুদে খেদ্**—( বিপদে অকস্মাৎ প্ৰবলভাৱে আক্ৰমণ কৰ্ )—মানুহজনৰ বিপদত অং পোৱা নাই; তেওঁলোকক **থালী ভগা খুদে খেদি** হুৰুলা ক'ৰলে।

**থিও আটাহ থিও সেৱি**—( মন্ত্ৰপাঠ বৰ ভাবেকৈ কৰা চিঞৰ-বাখৰ )—ঘাটোৱৰৰ বিষয়ে তাৰ **থিও আটাহ থিও সেৱিত** ঠাই লোহোৱা হৈছে।

**থিয়ই থিয়ই স্বৰ্গ লৈ যা**—( মৰবাকৈ স্বৰ্গলৈ যা; অতি পুণ্যবান হ )—তুমিয়েই **থিয়ই থিয়ই স্বৰ্গ লৈ যাবা** দিলা; আমি নাযাওঁ।

**থিয়ই মৰ্**—( সম্পূৰ্ণ নিৰুপায় হ )—হাতীটো কেনেকৈ এনা পৰিল? এতিয়াহে **থিয়ই মৰিলোঁ**।

থিয়-কাণ—( সজাগ বা সতৰ্ক )—কিয় জানো, হৰিণাটোৱে থিয়-কাণে শব দিলে।

থিয়-কিল—( বৰ ডাঙৰ কিল বা চেকনে আঘাত )—ল'ৰাটোক তাৰ ওচৰলৈ পঠিয়াই থিয়-কিলকেইটাহে খুৱালোঁ।

থিয়-গোৰ—( বৰ ডাঙৰকৈ ভৰিৰ গোৰোহাৰে কৰা আঘাত )—একেটা থিয়-গোৰতে তিৰোতাজনী মৰিল।

থিয়-চকু—( খঙাল চকু )—তোমাৰ থিয়-চকু চাব নোখোজোঁ, যাবা নে নোযোৱা?

থিয়-ঠেঙাৰ দি ( বা কৰ্ )—( অ'ত ত'ত থিয় হৈ সময় কটা )—এনেকৈ থিয়-ঠেঙাৰ দি ফুৰিলে ঘৰৰ কাম-বন কোনে কৰিব?

থিয়-দণ্ডা দি—( দুৰ্বলতাৰ পিছত বা কেঁচুৱা দুই এখোজ কাঢ়িব পৰা হ )—ছোৱালীজনী এতিয়াহে অলপ থিয়-দণ্ডা দিছে।

থিয়-দি—( ১। শুই বা বহি থাকি ভৰিৰ ওপৰত পোন হৈ ৰ। ২। অলপ সময় থাক্ )—১। বহি নাথাকি থিয় দিয়া। ২। আপুনি এবাৰ থিয় দি আহিলেও হব।

থিয়-দুপৰীয়া—( ভৰ দুপৰীয়া )—এই থিয়-দুপৰীয়া, মগনীয়াটোক কিবা এবিধ দিয়া।

থিয়-নাম—( থিয় হৈ ধৰা নাম )—পাঠকক কোৱাঁ, আমাক থিয়-নাম দেখুৱাওক।

থিয়-পোহাৰী—( ঘৰে ঘৰে বস্তু বেচি ফুৰা তিৰোতা )—থিয়-পোহাৰী-বিলাকে এনে গোটা গাৱঁ বেচি ফুৰে।

থিয়া-থি—( অতি সোনকালে )—তুমি থিয়া-থি আহিবা; নহিলে বৰ টান।

থিয়া-থি কৰ্—( থিয় হৈ কটা )—কামটো কৰিবাই লাগিলা, থিয়া-থি কৰি কি হব?

থিৰ-থুৰ—( স্থিৰ; শান্ত )—মানুহজন বৰ থিৰ-থুৰ প্ৰকৃতিৰ; সকলো কাম লাহে ধীৰে বিচাৰিকৈ কৰে।

থিৰে-থুৰে—( লাহে লাহে; ধীৰে সুস্থিৰে )—অন্ততঃ কামকেইটাকে থিৰে-থুৰে কৰা।

**থুহুতি পেলা**—(কৰ্কশভাবে অভিশাপ দিয়া কৰ্)—মুখৰ আগতে **থুহুতি পেলালোঁ**; কোনোৱে নামাতিলে।

**থু দি**—(বৰকৈ নিন্দা কৰ্)—তুমি এনে কাম কৰিলে লোকে তোমাক **থু দিব**।

**থুম-পাক**—(চোচনী জৰী টানি মেলিব আৰু জপাব পৰা সৰু মোনা)—**থুম-পাকত** টকাকেইটা ভৰাই বুঢ়াই মোনাখন কঁকালত বান্ধি ললে।

**থুনুক-থানাক**—(কেঁচুৱাৰ গোনেই ফুটা অস্পষ্ট মাত)—কেঁচুৱাটোৱে কথা কব পাৰে; **থুনুক-থানাক** কৰি কিমান যে কয়!

**থুপৰি হ' দি**—(থুপৰি হ' বে থুপৰি হ' আদি গীতেৰে আঘোণৰ পূৰ্ণিমাৰ গধূলি মহ খেদি ফুৰ্)—সেই বাৰ **থুপৰি হ' দি** স্কুলীয়া ল'ৰাবিলাকে কিছু টকা গোটাইছিল।

**থু পেলাওঁতে**—(তৎক্ষণাৎ)—আপুনি যেনেকৈ **থু পেলাওঁতেই** মোক টকা দিছিল, তাক মই কেতিয়াও নাপাহৰোঁ।

**থুৰীয়া ধৰ্**—(পোৱালি মৰা ম'হৰ গাখীৰ উলিয়াই থাক্)—সকলো গুৱালে **থুৰীয়া ধৰিব** নাজানে।

**থুৰ্থুৰীয়া লাগ্**—(বুঢ়া, দুৰ্বল বা ভয় পাই হাত ভৰি কঁপ্)—জৰতে **থুৰ্থুৰীয়া লাগিছে**, তাকে নকৈ কৈছা, বৰ জাৰ লাগিছে।

**থুপাৰ কুকুৰ**—(লেতেৰা স্বভাৱৰ, ঘৃণনীয় লোক)—তোৰ দৰে **থুপাৰ কুকুৰক** কোনে সোধে?

**থুল-মূল**—(মুঠ মাঠ)—**থুল-মূলে** কিমান মানুহক খুৱালা?

**থেঁতেলা কোবা**—(কোনো কাম ভুলতে নকৰি হেলা কৰ্)—সি এই কামটো কৰিবলৈ **থেঁতেলা কোবাইছে** কিয়?

**থেঁতেলা খা**—(১। খুন্দা খাই মঙহৰ বহল ঠাইত আঘাত পা। ২। অনেক বাৰ অপমানিত হ)—১। ইটা এডোখৰ পৰি ভৰিত **থেঁতেলা খালোঁ**। ২। ইমান বাৰ **থেঁতেলা খাইও** তাৰ লাজ নহ'ল।

**থেকেচ-মেকেচ কৰ্**—(১। খঃ বা অসন্তোষেৰে য'ত ত'ত দলিয়ে থ। ২। গালি-শপনি পাৰি মাত্)—১। কিতাপবোৰ **থেকেচ-মেকেচ** কৰি নষ্ট নকৰিবা; আঁতিপাতিকৈ থবিবা। ২। তুমি কিয় **থেকেচ-মেকেচ কৰিব** লাগিছা চাকৰটো কেতিয়াবা থাকে।

খেকেচা খা—(১। আহাৰ খাই পৰ্। ২। কষ্ট ভোগ কৰ্)—১। চোতালত খেকেচা খাই পৰাত কঁকালখন বিষাইছে। ২। নৰিয়াত মানুহজনে বৰ খেকেচা খালে।

খেকেচি পেলা—(বৰ কষ্ট দি; উগ্ৰ দণ্ড দি)—সমাজে এইবাৰ তোমাক খেকেচি পেলাব।

খেকেৰা ঠহা দি—(বৰকৈ তিৰস্কাৰ কৰ্)—মেলেকি খুৰাক ডেকাফিলাকে খেকেৰা ঠহা দিলে।

খেকেৰা-ফুল—(অতি গোপনীয় কাৰ্য)—তেওঁৰ সকলো কাম ঠিক যেন খেকেৰা ফুলহে; তাৰ কথা কোনে জানিব?

খেম খেম মেম মেম—(অলপীয়া অসুখ; তাৰ বাবে হোৱা শাৰীৰিক অশান্তি)—আজি কেবাদিনো গাটো খেম খেম মেম মেম হৈ আছে; একোতে ভাল লগা নাই।

খেৰো-গেঁৰো—(কি কৰিব নকৰিব স্থিৰ কৰিব নোৱৰা অৱস্থা; দৃঢ়তাহীনভাৱে)—১। ছোৱালীজনীয়ে খেৰো-গেঁৰোকৈ ভাতমুঠি বাঢ়িছে। ২। সি সকলোতে সদায় এনে খেৰো-গেঁৰো।

খৈয়া-অখৈয়া—(গাত তৎ নোহোৱা হয়,—এনে বিধৰ কাজিয়া আদি)—সিহঁতৰ ঘৰত আজি খৈয়া-অখৈয়া কাজিয়া লাগিছে।

খোঁতা-মোকা লাগ—(কথা কওঁতে অস্পষ্ট হৈ ওলা)—তাৰ ইমান খোঁতা-মোকা লাগে যে মাতকে চিন নোৱাৰে।

খোক কাট্ (বা ধৰ্ বা পেলা)—(একেডাল ঠাইতে খোপা পাতি ফলিবলৈ ধৰ্)—নাৰিকল জোপাত এইবাৰহে খোক পেলাইছে।

খোকা-খুকি—(তালকৈ মুখুটা; অস্পষ্ট)—খোকা-খুকি মাতেৰে সি কিবাকিবি কলে, মই একোকে ধৰিব নোৱাৰিলোঁ।

খোকা দি—(মাছৰ মতা মাইকী একে ঠাইতে থাক্)—দুটা বৰালি মাছে খোকা-দিছিল; একে বাৰে সৰকাই লৈ আহিলোঁ।

খোপ হ (বা খোপা খা)—(একে ঠাইতে গোট খা)—তোমালোকে বাটে বাটে খোপা খাই কি আলচিছা?

খোপা কৰ্—(কোঁচাই একে লগ কৰ্)—জৰীবোৰ খোপা কৰি থৈ দিয়া।

**খোপে-খোপে**—(ভালকৈ হুবুজোৱাকৈ)—তুমি **খোপে-খোপে** কি কব খুজিছা, মই হলে একো বুজা নাই।

**খোপোৱা লাগি থাক্**—(কোনো ঠাইত মলগাকৈ বা কেৱে নিবিচৰা অৱস্থাত থুপ খাই থাক্)—দোকানত এইবোৰ বস্তু বহুদিনৰপৰা **খোপোৱা লাগি আছে।**

**খোৰ ভাঙ্**—(১। চুৰিয়া মুঠিয়া। ২। গোপনীয় কথা প্ৰকাশ কৰ্)—১। চুৰিয়াখন **খোৰ ভাঙি** কোচাই দিয়া। ২। বুঢ়ীয়ে সকলো কথা **খোৰ ভাঙি** কবলৈ ধৰিলে; সমাজ স্তব্ধ হ'ল।

**খোৰ্খোৰ বাটি**—(সুবিধাই; মেৰ খাই; মমতা নোখোলাকৈ)—লখাটো **খোৰ্খোৰ বাটি** বহি থাকিল; শিশুকে কোনো উপায়ে মুখৰ মাত উলিয়াব নোৱাৰিলে।

**খোল-ভলীয়া**—(সিজি বা পকি গলিয়ম বা কোমল হোৱা)—**খোল-ভলীয়া** হোৱা আম বৰ সোৱাদ।

**খোহ-মোহ খা**—(লাজ বা ভয়ত নিকত্তৰ বা বিবুদ্ধি হ)—অসমীয়া ল'ৰাই অচিনাকী মানুহৰ আগত **খোহ-মোহ খায়।**

**খৌকি-বাখৌ**—(প্ৰবল উত্তেজনা বা আলোড়ন)—এই ঘটনাত গোটেই গাঁৱতে **খৌকি-বাখৌ** লাগিছে।

## দ

**দইত পৰ্**—(লোকচান বা হানি হ)—বাৰ পানীয়ে সৰ্বনাশ কৰিলে; গাঁৱৰ মানুহ-বিলাক তেনেই **দইত পৰিল।**

**দঁকত পৰ্**—(দোহ পাত্)—কথাটো লোৰ্থোতেই **দঁকত পৰিব** লাগে নে?

**দগধা চোৰ**—(বৰ কুখ্যাতি থকা চোৰ)—সেই **দগধা চোৰটোক** ধৰা; গাঁৱলৈ যেতিয়া ইহঁতে নিহলে অহা-যোৱা লগাইছে।

**দগৰ চুৰা**—(অভিশাপ চুৰা)—**দগৰ চুৰাটোৰ** লৈছিল, পা-পা দুই আছহে।

**দগৰ-পঁইহা দি**—(ধনকৈ খাই অধিক কৰ্)—১। পাকঘৰা ধৰতে **দগৰ-পঁইহা দিলে।** ২। পাঁচুৱা লোকেৰাত ধৰে আমাক **দগৰ-পঁইহা দিলে।**

**দগৰ পিটা দি**—( ধৰকৈ মাৰ-পিট কৰ্ )—মাকে আজি ল'ৰাটোক **দগৰ পিটা দিলে।**

**দগৰি পিট্**—'দগৰ পিটা দি' চোৱাঁ।

**দগৰি পেলা**—'দগৰ পিটা দি' চোৱাঁ।

**দগৰীয়া হ**—( মাৰ খাওঁতে খাওঁতে মাৰ-পিট সহিব পৰা হ; অতিপাত ধৃষ্ট হ )—দুই-চাৰিটা চৰ-ভুকুলৈ সি কেৰেপ নকৰে; মাৰ খাওঁতে খাওঁতে তেনেই **গৰীয়া হ'ল।**

**দগা-পথৰা কৰ্**—( মাৰপিট কৰি গোটেই গা পথৰা কৰ; ধৰকৈ মাৰ্ )—দুষ্টালি কৰি সেকা পালি নে? বাইজে মৰিয়াই তোক দেখোন **দগা-পথৰা কৰিলে।**

**দণ্ডা-মুঠিয়াকৈ**—( লগত বস্তু-বাহানি নিনিয়াকৈ )—মিতিৰৰ ঘৰলৈ যোৱা; **দণ্ডা-মুঠিয়াকৈ** যোৱা কিয়? কিবাকিবি লৈ যোৱাঁ।

**দণ্ড-বন্ধ**—( নিৰূপিত শাস্তি )—সমাজে **দণ্ড-বন্ধ** নকৰাকৈ তাক লৈ কোনে খাব?

**দণ্ডিত বান্দৰ নাচ্**—( শাস্তিৰ ভয়ত নকৰিব খোজা কামো কৰ্ )—সি এনে কাম কৰাত আচৰিত নহবা; **দণ্ডিত বান্দৰ নাচে।**

**দণ্ডি ধৰ্**—( হাবিত হাতী যোৱা বাট চাই চাই বিচাৰি যা )—চিকাৰীবিলাকে **দণ্ডি ধৰি** হাবিৰ মাজে মাজে যাব'ল ধৰিলে।

**দম টানি খা**—( পেট পুৰাই খা )—সি **দম টানি খালে**; এতিয়া উপাহ বিপাহ নোপোৱা হৈছে।

**দমা ওলম্**—( কাপোৰ কানি ডোৰা ওলম্ )—**দমা ওলমা** কাপোৰখন এৰি, ভাল এখন পিন্ধা।

**দন্দ কৰিবলৈও লগ লাগ্**—( মানুহ নহলে মানুহে থাকিব নোৱাৰ্ )—মই সমাজক উপেক্ষা কৰি অকলশৰীয়াকৈ থাকিব নোৱাৰোঁ; **দন্দ কৰিবলৈও লগ লাগে।**

**দন্দ কিল্**—( আনক লোকাই কাজিয়া লগা )—তই এনেকৈ **দন্দ কিলি** ফুৰিছ কিয়? সমাজে তোক দোষ দিদি কাক দিব?

**দন্দ জোকা**—'দন্দ কিল্' চোৱাঁ।

**দন্দ-বাদ্**—( হাই-কাজিয়া )—**দন্দ-বাদ-ত** সময় নকটাই নিজৰ কাম কৰা।

**দকা বকা হ**—( আধ্যা চুকা ; বিপদ্ উপস্থিত হ )—তেওঁৰ **দকা বকা হ'ল** ; বানে খেতি খালে, ভঁৰালৰ ধানমুঠিও চোৰে নিলে।

**দকে দকে**—( ঘাৰে ঘাৰে )—**দকে দকে** কাৰ কিয়াৰ বেমাৰ চোৰাম ? ধিৰতি লাগিছে।

**দবলি পিটা দি**—( দবা কোবোৱাৰ দৰে বৰকৈ মাৰ্ )—শিয়াল জন্ত এটাক এইদৰে **দবলি পিটা দিছা** কিয় ?

**দবলি পিটি খা**—( বৰ বেছিকৈ খা )—**দবলি পিটি খাই খাই** এতিয়া মৰিলি !

**দবৰা-দবৰি**—( আঁজোৰা-আঁজুৰি ; পৰস্পৰ টনাটনি কৰা কাৰ্য )—ডকাইতহঁতে ডকা দি অনা বস্তুবোৰ লৈ হাবিৰ মাজত **দবৰা-দবৰি** লগাইছিল।

**দবা কোবোৱা দি**—'দবলি পিটা দি' চোৱা।

**দবা দি ধৰ্**—( ১। হঠাৎ বলেৰে গৰা মাৰি ধৰ্। ২। কোনো প্ৰমাণ নোহোৱাকৈ চাৰ দি ধৰ )—১। পগলাটোৱে তেওঁক **দবা দি ধৰাত** পুতেকহঁতেহে তেওঁক কথমপি ৰক্ষা কৰিলে। ২। সমাজে **দবা দি ধৰিলেও** ডেকাজনে ধৰ্ম সাক্ষী কৰি কলে যে তেওঁ নিৰ্দোষী।

**দবা-প'ৰ'লি**—( ঘৰৰ চাউনি ডাঠ হবৰ কাৰণে চালৰ মুখত ৰখা চাপলি )—**দবা-প'ৰ'লি** নিদিলে চালৰ চাউনি ডাঠো নহয়, ধুনীয়াও নহয়।

**দবা-পিটা**—( বৰকৈ বা বেছি পৰিমাণে পৰা বা মাৰ-কিল কৰা )—১। সি তেওঁক **দবা-পিটা** দিলে। ২। যোৱা নিশা **দবা-পিটা** বৰষুণ হৈছিল।

**দম ল**—( বৰ পৰিশ্ৰম কৰি জুৰুক জিৰা )—বৰ ভাগৰ লাগিছে যদি, অলপ **দম লোৱাঁ** ; পিছত আকৌ ধৰিবা।

**দমলা বাজ্**—( বা মাৰ্ )—( ভালেখিনি ঠাই আগুৰি হাল উখহি উঠ্ )—মোৰ কি হৈছে চাওকচোন, ৰাতিটো বোলোঁতেই গোটেই গাটো এইদৰে **দমলা বাজি উঠিছে**।

**দবক মাৰ্** ( বা ল )—( ১। পানীৰ ওপৰলৈ আহি মলৰা মচৰাকৈ থাক্—মাছত খাটে। ২। মাষাতি চুবুলি হৈ থাক্ )—১। মাছবোৰে কেনেকৈ **দবক মাৰি** হৈ আছে, চোৱাচোন। ২। তোক কাম কৰিবলৈ পাচিলোঁ, তই দেখোন **দবক মাৰি** থাকিলি।

**দৰ কৰ্ (বা মাৰ্)**—(বস্তুৰ মূল্য নিৰূপণ কৰ্)—মাছটোত কি দৰ কৰিছা?

**দৰ লগা**—(যোগ্য ব্যৱহাৰ কৰ্—যেনেতাজৰ বা শাস্তি দিয়াত খাটে)—ৰবকুকনে কত ঠাইতে হেনো কথা সৈন্যবিলাকক দৰ লগালে।

**দৰৱ মাদে পানী-ভাত কৰ্**—(সকলো প্ৰকাৰ দৰব দিও বিফল হ)—ৰখিয়া কিমান চাম? **দৰৱ মাদে পানী-ভাত কৰিলোঁ**, তেও যদি শাম কাটিছে!

**দবা দেখুৱাই ছৰাগুৰি তোল্**—(কোনো কাম অতি গলমকৈ কৰ্)—সভাপতি আহিলেহে হেনো মানুহবিলাকক বহিবলৈ দিয়া হব; এওঁলোকে **দবা দেখুৱাই ছৰাগুৰি তুলিব** খুজিছে।

**দবা-ধৰা**—(বিয়াত দবাৰ ভাৰখান লওঁতা)—**দবা-ধৰা** ইমান লাজুৱা হয় নে?

**দবে-তাওৰে মিল্**—(বহু কিলা-বেচাত দুয়ো পক্ষৰ চৰ্তৰ মিল হ)—**দবে-তাওৰে মিলিছিলে** নো গৰুটো কিনো কেনেকৈ?

**দম টানিলে মাগুৰ খা**—(কষ্ট কৰিলেহে সুখ ভোগ কৰিবলৈ সমৰ্থ হ)—কামটো টান বুলি টেটাইছা; কিন্তু কৰিব পাৰিলে কিমান লাভবান হবা ভাবিছানে। **দম টানিলেহে মাগুৰ খাব** পাৰি।

**দল্‌দল্ কৰে**—(চপৰাবলিৰ দৰে লৰচৰ নকৰাকৈ)—এনে **দল্‌দল্ কৰে** পাঠীৰ, তাকো তুমি বেয়া বুলিছা।

**দলমিত পোৱা খেল্**—(বিবাহৰ অনুষ্ঠানত খেলা)—মাক মৰিলত মাউৰা ছোৱালীকেইজনী **দলমিত পোৱা খেলা** যেন হ'ল।

**দল্‌কলীয়া হ**—(বেছিকৈ ডাল-পাত ওলাই জীৱন্ত হ)—পুলিবোৰ অতি সোনকালে **দল্‌কলীয়া** হৈ আহিছে।

**দলাহ-দপাহকৈ**—(দুখী হৈ; নিৰ্বিয়ে)—পৰিয়ালটো **দলাহ-দপাহকৈ** আগুৱাই গৈছে।

**দলা-দলি**—(একে জাতৰ মানুহৰ মাজত হোৱা বিৰোধ বা অমিল)—এই সৰু ঠাইখনিতে ইমান **দলা-দলি** হলে ইয়াত কি ভাল কাম হব?

**দলি পৰা দি**—(চপৰাবলি পৰা যেন হৈ থাক্)—কাৰো কোনো নাই, তেওঁৰ কিন্তু **দলি পৰা দিছে**।

দলি-মৰা—( অনিশ্চিত )—দলি-মৰা ধৰণৰ ওপৰত নিৰ্ভৰ কৰি কথা-বতৰা নকৰিবা।

দলিয়াই পেলা—( উপেক্ষা কৰ্ )—মোৰ পৰামৰ্শটো দলিয়াই নেপেলাই ভাবি চাবা।

দলে-বলে—( সৈন্য সামন্তৰে ; সকলো আহিলা-পাতিৰে ; বহুতে এক গোট হৈ )—১। ৰজাই দলে-বলে ৰাজধানী আক্ৰমণ কৰিলে। ২। তোমালোকে দেখোন দলে-বলে ওলাইছা? ক'লৈ যোৱা?

দশ-তাণ্ডৱ—( বিয়াৰ বয়স পোৱা ; পুষ্পোৎসৱ হোৱা )—বিয়া কৰাবলৈ আজি-কালি দশ-তাণ্ডৱ ছোৱালীহে মানুহে বিচাৰে।

দশ পা—( কন্যাকাল হ )—তেওঁৰ ছোৱালীজনীয়ে দশ পাইছে, সেই দেখি দৰা বিচাৰিছে।

দশৰথৰ এগছ চুটী চুগছ মকৰ্—( সমূলি কাম-বন নকৰাকৈ থাক্ )—দশৰথৰ এগছ চুটী চুগছ মকৰা যদি, খাবা ক'ৰপৰা?

দশা কাট্—( ভাল বেয়া গণি কোষ্ঠিত বিতংকৈ দেখুৱা )—কোষ্ঠিৰ দশা কাটি ভালকৈ কষিবা।

দশা পৰ্—( কোষ্ঠি চাই ভাল বেয়া নিৰূপণ কৰ্ )—দশা পৰি চাওঁকচোন, মোৰ নো ভাল দিন কেতিয়ালৈ আছে।

দহখন মুখেৰে ক—( দহাই দহাই ক )—দহখন মুখেৰে কলেও তোৰ কথাত সঁহাৰি নাই।

দহখন মুখেৰে কথা ক—( কেৱা জনে কেৱা ধৰণে অৰ্থাৎ নানাই নানাই ক )—দহখন মুখেৰে কথা কলে কাৰ কথা মানো?

দহ জোৰা মাৰ্—( নানা উপায়ে বা কিহাবে কোনো কাৰ্য সিদ্ধ কৰ্ )—তই বহি থাকিবি, আৰু মই দহ জোৰা মাৰি তোক খুৱাই থাকিম নে?

দহটকীয়া হ—( উপাৰ্জন ব্যতিৰে সম্বলযুক্ত হ )—তেওঁ এতিয়া দহটকীয়া হৈছে, সামান্য বুলি উপেক্ষা নকৰিবা।

দহ নখৰ বাৰি—( দহো আঙুলিৰে সমানে কৰিহে সমাধা কৰিব পৰা কাম ; কষ্টসাধ্য কাৰ্য )—এনে কাম বুলিলে দহ নখৰ বাৰি ; মোৰ এজন মানুহ লাগেই।

**দহম-বহম**—(শ' নিয়া আৰু পোৰা কাৰ্য)—**দহন-বহন** কৰা কেৱলক এলাজ খুৱাবা।

**দহ মখে খাজুচিলেহে পেট ভৰ্**—(বৰ কষ্টেৰে কাম কৰিলেহে জীৱিকাৰ উপায় মিল্)—বহি খোৱাৰ সৌভাগ্য আমাৰ নাই; **দহ মখে খাজুচিলেহে** আমাৰ কথমপি **পেট ভৰে**।

**দহ খুলিলে দহ পঁচিশ খুলিলে পঁচিশ হ**—(ইচ্ছা অনুসৰি শীঘ্ৰে তেনে কাম হ)—তেওঁৰ সৌভাগ্যৰ কথা কি কবা? **দহ খুলিলে দহ পঁচিশ খুলিলে পঁচিশ হয়**।

**দহ ভকতৰ আঁৰ হ**—(চুকা)—মিছা কলে সি **দহ ভকতৰ আঁৰ হব** বুলি শপত খালে।

**দহ ভকতৰ আশীৰ্বাদ**—(ৰাইজৰ শুভেচ্ছা)—**দহ ভকতৰ আশীৰ্বাদত** মই যেন কৃতকাৰ্য হওঁ।

**দহ ভকতৰ দোষে চু**—(দূষণীয় কাৰ্যৰ বাবে ৰাইজৰ ওচৰত বিৰক্তিভাজন হ)—আলিৰ দাঁতিত বাহ কলে তোমাক **দহ ভকতৰ দোষে চুব**।

**দহৰ লাও ভৰেদিও যা**—(বহুতে মাৰ বাকি কৰি বৰ ডাঙৰ কামো কৰিবলৈ সমৰ্থ হ)—তেওঁলোকৰ পৰিয়াল ডাকডীয়া; আটায়ে ধৰি কামটো কৰিলে। সেই বুলি মই কেনেকৈ কৰিম? **দহৰ লাও ভৰেদিও যায়**, এজনৰ লাও পানীতেদিও নাযায়।

**দহৰ লগত মৰিবলেও চকু মুদ্**—(ৰাইজে কৰা কাম মনে নকলেও সমৰ্থন কৰ্)—তুমি সাত-পাঁচ নাভাবিবা; ৰাইজৰ লগত যোগ দিয়া; **দহৰ লগত মৰিবলেও চকু মুদিব** লাগে।

**দহৰ লগত হয় হয় কৰ্**—'দহৰ লগত মৰিবলেও চকু মুদ্' চোৱা।

**দহৰ লাঠি একৰ বোজা**—'দহৰ লাও ভৰেদিও যা' চোৱা।

**দহিদল কৰ্**—(কাটি খাতাং কৰ্; শাসনেৰে দমন কৰ্)—১। সৈন্যবিলাকে জংঘল কাটি **দহিদল কৰিলে**। ২। চৰকাৰে পাইকাৰী জৰিমানা লগাই ৰাইজক **দহিদল কৰিলে**।

**দহে চোৰ বুলিলে যোগীও চোৰ হ**—ৰাইজে যি কয় সেয়ে সঁচা বুলি গণ্য হ)—তৰ্ক কৰি লাভ নাই; সমাজে যি কয় শুনা। **দহে চোৰ বুলিলে যোগীও চোৰ হয়**।

**দহো কুৰি**—(১। অতথা. লোকোৰাকৈ; তেনে তেনে। ২। দৃঢ় কৰি; ছুনাই ছুনাই)—১। তুমি **দহো কুৰি** আহিবা। ২। তোমাক **দহো কুৰি** কৈছোঁ, কাম শেষ হলেই মোক জনাবা।

**দাও দাওকৈ**—(বৰ প্ৰবলভাৱে; অতিশয় উজ্জ্বল হৈ)—**দাও দাওকৈ** জুই জ্বলি উঠিল।

**দাং খা**—(অলপ উধা; লগালগি নহৈ ওপৰ হৈ থাক্)—১। সাৱধানে যাবা; কাঠ-ডোখৰ এমূৰে **দাং খাইছে**। ২। গজাল কেনেকৈ মাৰিলা? কাঠচটা সেথোন **দাং খাই** থাকিল।

**দাং খাই উঠ্**—(খঙত উত্তেজিত হ)—মোক দেখিয়েই সি নবিয়া গাকেও **দাং খাই উঠিল**।

**দাং মাৰ্**—(ওপৰলৈ তোল্)--বাকচটো অলপ **দাং মাৰা**; গাঁঠিটো দি লওঁ।

**দাঁড়ৰ বাতৰি দাঁড়ে দাঁড়ে ক**—(বনাই বনাই বাতৰি দি থাক্)—ল'ৰাটোৰ বিষয়ে তুমি অকণো নাভাবিবা; আমি **দাঁড়ৰ বাতৰি দাঁড়ে দাঁড়ে কৈ** থাকিম।

**দাঁড়ে খিচি কিয়াঁ কৰ্**—(টান কথা কৈ আঘাত দি)—সি মোক মাতিবলৈ আহিছিল; মযো পূৰ্বকথা সোঁৱৰাই **দাঁড়ে খিচি কিয়াঁ কৰিলোঁ**।

**দাঁত উঠ্**—(ওপজা দাঁত সৰি আটাইবোৰ নতুন দাঁত গজ্—জন্তুত খাটে)—গৰুটোৰ **দাঁত উঠিছে**।

**দাঁত কৰচ্**—(খঙত বা নৰিয়াত দাঁতেৰে কৰ্ কৰ্ শব্দ কৰ্)—১। সদায় **দাঁত কৰচি** থাকি তই জানো সুখ পাব? ২। ল'ৰাটোৱে ৰাতি **দাঁত কৰচি** থাকে!

**দাঁত কামোৰ্**—(খঙত বা অধিক বল পাবলৈ তেনে কৰ্)—মোক দেখি সি **দাঁত কামুৰি** উঠিল। ২। মই **দাঁত কামুৰিও** শিলটো দাঙিব নোৱাৰিলোঁ।

**দাঁত গজ্**—(সাহ বা ক্ষমতা পা)—মোক মাৰিবলৈ তোৰ দাঁত গজিল নে?

**দাঁত চোবা**—(১। দাঁত কৰচ্। ২। গালি শপনি পাৰ্)—১। ছোৱালী-জনীয়ে ৰাতি **দাঁত চোবায়**। ২। পুৱাবেলা গধূলিলৈকে ল'ৰাটোক **দাঁত চোবাই** থাকা কিয়?

**দাঁত মেলা**—(১। হাঁহোতে দাঁত উলিয়া। ২। পৰাস্ত বা নিৰুপায় হ)—

১। দাঁত হেলাই ইহাঁতো অজলা নহয়। ২। কামটো বোলে পাৰ? এতিয়া দাঁত হেলাইছ কিয়?

দাঁতত তোল্—( মৰকৈ গালি পাৰ্; শাও দি)—ল'ৰাটোক যেই সেই কথাতে দাঁতত তুলি নাথাকিবা।

দাঁতত দাঁত দি থাক্—( খাবলৈ নাপাই বৈ থাক্)—মাউৰা ল'ৰাটোৱে দিনৰ দিনটো দাঁতত দাঁত দি পেটত হাত দি বৈ থাকে।

দাঁতত ভাত লাগ্—( অতি সামান্য কাৰণ বা কথা উপস্থিত হ)— দাঁতত ভাত লাগিলেও তেওঁ সদায় শোক কয়।

দাঁত থাক্—( শক্তি থাক্)—মোক অপমান কৰিবলৈ তাৰ দাঁত আছে নে?

দাঁত দি—( নজৰ কৰি কোনো বস্তুৰ অনিষ্ট হোৱাকৈ বখান্)—মোৰ গাইজনীতহে তই দাঁত দিব পাৰ নে?

দাঁত-ধাৰা—( কোনো বস্তু খাবলৈ বৰ আগ্ৰহেৰে বৈ থাক্)—খাইটো খাবলৈ সৱাইতে দাঁত ধাৰাই আছে।

দাঁত নিকটা— ( ১। পৰাস্ত হ। ২। মৰ্)— ১। বলে নোৱাৰি দাঁত নিকটাইছা কিয়? ২। মৰা শ'ৰোৰ এতিয়াও দাঁত নিকটাই পৰি আছে।

দাঁত মোহোৰা সাপ—( অনিষ্ট কৰিব পৰা শক্তি লোপ হোৱা মানুহ)— বুঢ়াই এতিয়া কৰে। বুলিও একো কৰিব নোৱাৰে; দাঁত মোহোৰা সাপহে হৈছে।

দাঁত ভঙা সাপৰ ফোঁপনিয়েই সাৰ হ—'দাঁত মোহোৰা সাপ' চোৱা।

দাঁত ভাগ্—( জন্তুৰ পিয়াহ-খোৱা দাঁত সৰিবলৈ ধৰ্)—দমৰাটোৰ দাঁত ভাগিছে।

দাঁতি উঠ্—( নতুন দাঁত গজি হালৰ উপযুক্ত হ)—দমৰাটো দাঁতি উঠিল; সোনকালে হাল শিকোৱা।

দাঁতি-পাৰ—( নগৰৰ পৰা বহুত দূৰত থকা ঠাই)—আমি দাঁতি-পাৰৰ মানুহ; নগৰৰ আওভাও একো নাপাওঁ।

দাঁতে ওঁঠে লাগ্—( সামান্য কাজিয়া হ)—ইমান বছৰে আমাৰ এদিনো দাঁতে ওঁঠে লগা নাই।

দাঁতে ওঁঠে খবৰ নাপা—( খোৱা বস্তু অতিশয় কিঞ্চিৎ হ)—কি নো আৰু খুৱালে? দাঁতে ওঁঠে খবৰ নাপালে।

দাঁতে জাপৰে লগ লগা—( মৰকে বীণা )—দুখিৰ অৱস্থা দেখোন দাঁতে জাপৰে লগ লাগিল।

দাগনা দি—( পুৰি দাগ দিয়াৰ দৰে শাস্তি দি )—তোৰ উৎপাতত মই লোৰবা হলোঁ ; কোনোবা দিনা দাগনা দিবহে লাগিব।

দাণ্ডা-পাৰা কৰ্—( তোল-মোকোল কৰি মনোবিচ্ছেদ কৰ্ )—আমি দুয়ো ভাই মিলি জুলি আছোঁ ; আমাক দাণ্ডা-পাৰা কৰিবলৈ নাহিবা।

দাঙি চা—( ওজন বুজ, শক্তিৰ পৰীক্ষা কৰ্ )—১। কাঠডোখৰ দাঙি চোৱা-চোন, অকলে নিব পাৰিবা নে ।২। কথাৰ ছলেৰে তেওঁ আমাক দাঙি চালে, পেঁচত পেলাব পাৰে নে নোৱাৰে।

দাতা-কৰ্ণ—( কৰ্ণৰ দৰে মহাদানী লোক )—এই মহৎ দানেৰে চিত্তবাবুৱে দাতা-কৰ্ণ নাম পালে।

দাতা-কৰ্তা বিধাতা—( বিধাতাৰ দৰে দিবও পৰা, নিবও পৰা ক্ষমতাৰ লোক )—তুমি নো মোৰ এনে দাতা-কৰ্তা বিধাতাটো ওলালা যে যে খোৱা-লোৱা সকলোতে এনে হকা-বধা কৰি থাকিবা ?

দাতাই দিলেও বিধাতাই নিদিয়ে—( কোনো বস্তু পাইও নেপোৱা )—দাতাই দিলেও বিধাতাই নিদিয়ে ; মাছটো গাৰীৰপৰা কোনোবাই নিলে।

দাদৰি-খোৱা—( নেওচা খোৱা ; অভিশপ্ত )—দুখীয়া নিচলাৰ দাদৰি-খোৱা জীৱনৰ মূল্য কি ?

দাদাৰ ভাড়িয়েই মোৰ ভাড়ি হ—( কোনো আপোন-জনৰ গুণ বা ক্ষমতা থকা বাবেই নিজেও গুণী বা ক্ষমতাবান বুলি গৰ্বিত হ )—ককায়েক মন্ত্ৰী হোৱাত অথাইত ভায়েকে দাদাৰ ভাড়িয়েই মোৰ ভাড়ি হোৱা বুলি ভাবি গঞা মাইকক ভাবা-কাহা দেখুৱাবলৈ ধৰিলে।

দাম কাট্—( বেপাৰীকপৰা কৰ ল )—হিন্দুস্থান আৰু পাকিস্তানৰ সীমাত বেপাৰীকপৰা দাম কাটিবলৈ চৰকাৰী বিষয়া থাকে।

দাম চাই দক্ষিণা—( যথোচিত কাৰ্য )—পঞ্চাশ টকা দৰ্মহা এই কামৰ জোখাৰে কম নহয় ; দাম চাইহে দক্ষিণা।

দামত প্ৰাণ হেৰুৱা—( আনৰ উপকাৰ সাধোঁতে নিজে সৰ্বস্বান্ত হ )—ধীৰে এটা দিলে নো তুমি দামত কি প্ৰাণটো হেৰুৱাবা ?

**দান-মান কৰ্**—(মান-অমান। সম্ভ্ৰম দেখুৱাই পিছত অসম্ভ্ৰম দেখুৱা)—এইদৰে **দান-মান কৰি** ফুৰিলে তোমাক কোনে ভাল পাব?

**দান-মান সাধ্**—(যথাযোগ্যভাৱে আনৰ সন্তোষ সাধন কৰ্)—ল'ৰাছোৱালী-হঁতৰ **দান-মান সাধি** আহোঁতে পলমেই হ'ল।

**দানৰ গৰুৰ দাঁত নাচা**—(অযাচিতে পোৱা বস্তুৰ ভাল বেয়া বিচাৰ নকৰ্)—গিৰীহঁতে দান কৰি এখন ধুতি দিলে; তাকে আকৌ খুলি-মেলি পিটিকি চাইছা কিয়? **দানৰ গৰুৰ দাঁত চাব নাপায়।**

**দানবো নহ, পুণ্যবো নহ**—(অসাৰ্থক জীৱন ধৰ্)—**দানবো নহলোঁ পুণ্যবো নহলোঁ,** কিয় জনম দিলা আই?

**দানি পৰ্** (বা খা)—(১। পাশাটি বা কড়ি খেলত বাৰে বাৰে জয় হোৱাকৈ চাল পৰ্। ২। ব্যৱসায়ত যথেষ্ট লাভ হ)—১। পাশাটি খেলত সদায়ে তেওঁৰ **দানি পৰে।** ২। ধানৰ কাৰবাৰত এইবাৰ তেওঁৰ **দানি পৰিছে।**

**দাঁতে তৃণ তুলি ধৰ্**—(শৰণাগত হ)—**দাঁতে তৃণ তুলি ধৰিছোঁ,** মোক ৰক্ষা কৰক।

**দাপণি-মুৱা**—(বৰ উজ্জ্বল আৰু ধুনীয়া মুখৰ)—**দাপণি-মুৱা** জোঁৱায়েৰাক চোৱাচোন।

**দাকি-মৰা**—(অনিশ্চিত ফলদায়ক)—**দাকি-মৰা** দুই-চাৰি পালি নধৰত কি গুণ পাবা?

**দাবলি-ভাৰ**—(মাকৰ চিনস্বৰূপে বিয়াৰ যন্ত্ৰ-বস্ত্ৰ ভৰাই নিয়া ভাৰ)—নবাৰ লগত কেবাখনো **দাবলি-ভাৰ** পঠোৱা হৈছে।

**দায়ে-ভাওৰে আহ্**—'দৰে-ভাওৰে মিল্' চোৱা।

**দাম চাই কাম**—(পাৰিশ্ৰমিকৰ অনুপাতে কাম)—পকাশ টকাত যে তুমি কিংবা যতে সৎ-সুন্দৰ কাপোৰ এখন কেনেকৈ পাবা? **দাম চাইহে কাম।**

**দামত বহা**—(আটাইতকৈ ভাল)—তুমি কিনেটোহে **দামত বহা** আৰু আনিছা!

**দামা খেল হ**—(বেছিকৈ খাই বা উৰহি পেট ওলা)—গাইজনীয়ে এবাৰ খাই **দামা খেল হৈছে।**

**দাম লাগিলেহে দাম ভাঙ্**—(প্ৰয়োজন হলেহে বুধি ওলা বা সাহ হ)—

সেইডাল থকা কালত পুতেকৰ গাত একো দাগেই পৰা নাই; সেইদেখি তেওঁৰ দাৰিদ্ৰ্যজ্ঞান থকা-নথকাৰ একো প্ৰমাণ হোৱা নাই; দায় লাগিলেহে দায় ভাঙে,—তেওঁৰ ওপৰত দাৰিদ্ৰ পৰিলেহে বুজিবা তেওঁৰো দাৰিদ্ৰ্যজ্ঞান আছে নে নাই।

**দাৰৰ মুখেদি বিষ মৰা**—(অপকাৰ যেনেকৈ হৈছিল, তেনেকৈ তাৰ প্ৰতিকাৰ কৰ্)—তয়ে তাক মাৰিবলৈ ষড়যন্ত্ৰ কৰিছিলি; এতিয়াও তয়ে তাক উদ্ধাৰ কৰিব লাগিব; **দাৰৰ মুখেদিহে বিষ মৰোৱা** উচিত।

**দাক কৰ্**—(আহুদি কৰ্)—এই তিৰোতাজনীয়ে বোলে গিৰীয়েকক কিবা **দাক কৰিছে**; সি বলিয়াৰ দৰে হৈছে।

**দাৰে পাৰোঁতে কুঠাৰ লগা**—(সাধাৰণ প্ৰতিকাৰেই যথেষ্ট হোৱাতো ডাঙৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰ্)—ল'ৰাটোৰ বিৰুদ্ধে তোমাৰ অভিযোগটো শিক্ষকক দিলেই হ'ব; ডাইৰেক্টৰলৈ লিখিব নালাগে। **দাৰে পাৰোঁতে কুঠাৰ লগায় নে?**

**দাহ ধৰ্**—(ঈৰ্ষাত অশান্তি পা)—তোমাৰ উন্নতি দেখি ককায়েৰাৰ **দাহ ধৰা** উচিত নহয়।

**দিও মৰ্, খাইও তৰ্**—(কোনো অশুচি বা অহিতকৰ বস্তু খাওঁতাৰ দোষতকৈ দিওঁতাৰ দোষ বেছি হ)—তেওঁ আমাৰ পাগত খাব খুজিলেও আমি দিব নোৱাৰোঁ; **দিও মৰে খাইও তৰে।**

**দিন উঠ্**—(ভোগৰ দিন অন্ত হ)—মন্ত্ৰীপদ যোৱাৰ বাবে দুখ নকৰিব; আপোনাৰ **দিন উঠিছে।**

**দিন-কণা**—(দিনৰ পোহৰতো নেদেখা; চকু থাকিও কণা)—আজিৰ জগতত কি হ'ব লাগিছে, **দিন-কণাইহে** নেদেখে।

**দিন-কৰ্**—(দিন ধাৰ্য কৰ্)—বিয়াৰ **দিন কৰিলা** নে নাই?

**দিন চা**—(কোনো শুভ কাৰ্যৰ বাবে উপযুক্ত দিন হিচাপ কৰি উলিয়া)—**দিন চাই** উঠি বিয়াৰ যোগাৰ কৰা।

**দিনটো বা ৰাতিটো আমা**—(মুহূৰ্তৰ ভিতৰতে বিপদ্ উপস্থিত হোৱাৰ সম্ভাৱনা থাক্)—বিপদ্ কেতিয়া আহে, কব নোৱাৰা। **দিনটোও যাব পাৰে, ৰাতিটোও আমাৰ পাৰে।**

**দিনতে আন্ধাৰ দেখ্**—(নিৰুপায় বা নিৰাশ্ৰয় অৱস্থাত পৰ্)—বাপেক মৰিলত পুতেকে **দিনতে আন্ধাৰ দেখিবলৈ** ধৰিলে।

দিন-দুপৰতে—( দিনৰ কটকটীয়া পোহৰ থাকোঁতেই )—দিন-দুপৰতে নো কোনে খাবাৰ টেবিলৰপৰা ঘড়ীটো নিলে ?

দিন দেখি বেশ ল—( সময়লৈ লক্ষ্য কৰি কৰ্ত্তব্য নিৰূপণ কৰ্ )—সদায় দিন দেখি বেশ লবা ; নহলে বাইৰৰ লগত খাপ খাবা কেনেকৈ ?

দিন নিয়া—( কাল কটা )—বুঢ়ীয়ে শোকেৰে দিন নিয়াবলৈ ধৰিলে।

দিন পৰ্—( নিৰ্দিষ্ট দিনত নহৈ কোনো কাৰ্য স্থগিত থাক্ )—মোকদ্দমাৰ বিচাৰ আজি নহ'ল ; দিন পৰিল ; আচাৰ্যীয়ে দিন পেলালে।

দিন পালে ক্ষণ পা—( সময় পালে সুযোগ পা )—দিন পাইছা যেতিয়া, ক্ষণ পাবাই ; পাঁয়ে খাটি টকা পূৰাই লোৱাঁ।

দিন-ৰাব চা—'দিন চা' চোৱাঁ।

দিন ভিক্ষা প্ৰাণ ৰক্ষা—( দিনে খুজি দিনে খাই ৰক্ষা পৰ্ )—মোৰ কথা কি কয় ? কোনোমতেহে দিন ভিক্ষা প্ৰাণ ৰক্ষা কৰি আছোঁ।

দিন মন্দ হ—( অশুভ কাল আহ্ )—দিন মন্দ হলে ভাল কৰিলেও বেয়া হয়।

দিন ল—( কোনো কামলৈ সময় ল )—টকাখিনি যদি আজি দিব নোৱাৰা, দিন লোৱাঁ।

দিনৰ দিনটো—( ওৰে দিন )—দিনৰ দিনটো বুঢ়াই পদূলিত বহি পুতেকলৈ চাই আছিল।

দিনৰ পৰ্বত ৰাতিৰ জুই—( দূৰৰ পৰা বস্তুও ওচৰত পৰা যেন দেখ্ )—দিনৰ পৰ্বত ৰাতিৰ জুই, তাক নেদেখি থাকিবা শুই।

দিনে আনি দিনে খা—'দিন ভিক্ষা প্ৰাণ ৰক্ষা' চোৱাঁ।

দিনে নাট্—( আয়ুস্ চুকাই আহ্ )—তল-ওপৰ নোচোৱাকৈ কাম কৰিলে মানুহৰ দিনে নাটে।

দিব্-চকু—( কাঁচৰ চশমা ; দিব্য-চকু )—বুঢ়া মানুহে দিব-চকু নলে ভাল নেদেখে।

দিবস-ৰাতি—( ভাতৰ থালী )—ভাই এনেহে দিবস-ৰাতিটো ভাঙিলি,—পূহৰে নোখাওঁতেই পাক খুঁটা পৰক বেঁচিলি।

দিলে পা—( দিলে দিলেহে আনেও দি )—দিলে পায়, ৰলে খায়। তাকে জানি পৰস্পৰ মিত্ৰতা ৰাখি চলিবা।

**দিহ-ভোল**—( দিক্-ভ্ৰম )—আজি দিন-দুপৰতে মোৰ **দিহ-ভোল** হৈছিল, উত্তৰকে দক্ষিণ বুলি ভাবিছিলোঁ ;

**দিহা-দিহি**—( নানা দিশলৈ ; নানা ঠাইলৈ )—মেল শেষ হ'ল ; মেলোৱাসকল **দিহা-দিহি** গ'ল।

**দিহা-পোহা** ( বা **দিহা-যুগুতি**—( কোনো কামৰ দিহা-পৰামৰ্শ )—আপুনি **দিহা-পোহা** দি থাকিব, হাতেৰে আমি কৰিম।

**দিহিঙে-দিপাঙে**—( বহুত দূৰৰ অনিশ্চিত আৰু বিপদ্ বহুল ঠাইত )—তেওঁ বহুত দিন **দিহিঙে-দিপাঙে** ঘূৰি ফুৰিছে।

**দীঘ-বাট**—( বৰ দীঘলীয়া বাট )—এই **দীঘ-বাটখন** খোজ কাঢ়ি কেনেকৈ যাম ?

**দীঘ-বাৰ পাৰ্**—( ডাঙৰ আৰু দীঘলকৈ বহুত পৰলৈ কান্দি থাক্ )—ছোৱালী-জনীয়ে **দীঘবাৰ পাৰিছে** কিয় ?

**দীঘল-চামেকীয়া**—( দীঘল আকৃতিৰ )— পীৰাখন **দীঘল-চামেকীয়া** হলে বেছি শুৱনি হ'লহেঁতেন।

**দীঘল-ঠেঙীয়া**—( ৰবঘূণ—খেমালিত )—আমাৰ বাটত **দীঘল-ঠেঙীয়াই** পালে বিপদ্ হব।

**দীঘল দি পৰ্**—( সম্পূৰ্ণ সেও হ )—সাৰিবৰ উপায় নেদেখি সি ভৰিত **দীঘল দি পৰিল।**

**দীঘল-সজীয়া**—( দীঘল গঢ়ৰ )—চাৰিখন **দীঘল-সজীয়া** কৰিবা।

**দীঘলী-বাট**—( খোঁটালীৰ মাজৰ বা ইংৰাজপথা সিৰলৈ যাবলৈ চালৰ তলেদি থকা বাট )—**দীঘলী-বাটটোত** বাতি চাকি জ্বলাবা, তেতিয়া ৰবঘূণ হলেও বাটই অহা-যোৱা কৰি অতিথিসকলক সোধ-পোচ কৰিবলৈ ভাল হব।

**দীঘ-লেচাৰি**—'দীঘল-সজীয়া' চোৱা।

**দীপ-খেৰ**—( পলিতা )—**দীপ-খেৰডাল** শলতাকৈ দিয়েহে চাকিটো ভালকৈ জ্বলিব।

**দীপ-চকু**—( দিঙ-চকু )—**দীপ-চকু** মহলে বাতি সহজে পঢ়িব নোৱাৰে।

**দীপ-জিপ**—( কান্তিযুক্ত ; বৰ শুৱনি )—ছোৱালীজনী বৰ **দীপ-জিপ** আৰু বাধ্যবতী।

**দীৰ্ঘ-ব্যয়**—'দীঘ-বাৰ পাৰ্' চোৱা।

**দীৰ্ঘ-সূত্ৰী**—(কৰিম কৰিম বুলি কাম পেলাই থওঁতা)—**দীৰ্ঘ-সূত্ৰী** লোকে কেতিয়াও উন্নতি কৰিব নোৱাৰে।

**দু-আঁচলীয়া**—(দু-আৰবীয়া; দু-তলীয়া; সলাই সলাই কথা কোৱা মানুহ)—সি বৰ **দু-আঁচলীয়া** মানুহ; তাৰ কথাত সঁজাত নাই।

**দু-আৰবীয়া**—'দু-আঁচলীয়া' চোৱা।

**দুই কলম**—(দুটা ভাষা—অথবা অৰ্থত)—তোমাৰ ইংৰাজী হিন্দী—**দুই কলম** চলে নে?

**দুই কাট্**—(দ্বিতীয় বাৰ মোট সলা)—পলুবোৰে এতিয়াও **দুই কটাই** নাই।

**দুই তাল বজা**—(দো-তলীয়া কথা ক)—বুঢ়ীয়ে এইদৰে **দুই তাল বজাই** কাজিয়া লগাই ফুৰে।

**দুই নাৱত দুই ভৰি**—(দোধোৰ-মোৰত পৰা)—মোৰ **দুই নাৱত দুই ভৰি** হৈছে; গলেও বিপদ, নগলেও লোকচান।

**দুই বাঘে খাব মোৱৰা**—(বৰ শকত-আৱত)—এই **দুই বাঘে খাব মোৱৰা** বুঢ়ীজনী ক'ৰপৰা আহিল?

**দুই হাতে আঁজোৰ্**—(অতিশয় পৰিশ্ৰম কৰ্)—পুৱাৰপৰা গধূলিলৈ **দুই হাতে আঁজুৰিও** ভাত মিলাব নোৱাৰোঁ।

**দুই হাতে সাবট্**—(অতি হেঁপাহেৰে ধন-বস্তু গোটা)—এইদৰে **দুই হাতে সাবটি** এই ধন-বস্তুবোৰ লগত লৈ যাবা নেকি?

**দুঃশাসনে ধৰা দি**—(বৰকৈ মাৰ-পিট কৰ্)—মই ধৰিলে **দুঃশাসনে ধৰা দিম**; তেতিয়া বুজিবি মাহৰ কেই দিন যায়।

**দুখ কৰিলেহে সুখ ভৰ্**—(পৰিশ্ৰম কৰিলেহে সুখ হ)—পৰিশ্ৰম নকৰাকৈ পাছ কৰিবা কেনেকৈ? **দুখ কৰিলেহে সুখ ভৰে**।

**দুখনীয়া কাছুটি পিন্ধ্**—(সলাবলৈ আৰু এখন কাপোৰ লগাৰ বয়স পা)—তেওঁৰ ল'ৰাটো **দুখনীয়া কাছুটি পিন্ধাৰ** বয়স পাইছে।

**দুখনীয়া পিন্ধ্**—(গোমোচা লবৰ বয়স পা; পাট-গাভৰু হ)—ছোৱালীজনীয়ে দুবছৰ আগেয়ে **দুখনীয়া পিন্ধিছে**।

**দুখৰ ৰাতিৰ ওৰ পৰ্**—(দুৰ্ভাগ্যৰ অন্ত হ)—মোৰ যে কাহানি **দুখৰ ৰাতিৰ ওৰ পৰিব**, তাৰি পোৱা নাই।

**দুখে কুলাই পাচিয়ে মথবা হ**—( অতিশয় দুখ কষ্ট পা )—মাউৰা ল'ৰাটোৰ **দুখে কুলাই পাচিয়ে মথবা হৈছে।**

**দু-তলীয়া** ( বা **দো-তলীয়া** )—'দু-থাঁচলীয়া' চোৱা।

**দুধ-কটীয়া পৰ্**—( মাকৰ পিয়াহ যথেষ্ট নোপোৱা হ )—মাকৰ পিয়াহ কম; ল'ৰাটো **দুধ-কটীয়া পৰিছে।**

**দুধ-কৌৰৱ**—( বেছিকৈ গাখীৰ খাবলৈ ভাল পাওঁতা—বেমালিৰ হলেও )—আমাৰ **দুধ-কৌৰৱক** গাখীৰ এটুপি দিয়া; মাছে-মঙহে তেওঁৰ পেট নভৰে।

**দুধ-দানী** ( বা **দুধ-দানী** )—( কেঁচুৱাক গাখীৰ খুওৱা চিচা )—কটনা চাই লো তুমি **দুধ-দানী** হে দিব পোৱা নে?

**দুনে-দুনে**—( মূলৰ দুগুণ পৰিমাণে )—সি ধাৰে দিয়া টকা সদায় **দুনে-দুনে** তুলিবলৈ বিচাৰে।

**দুপতীয়া হ**—( ছোৱালী পুষ্পিতা হ )—আজি-কালি ছোৱালী **দুপতীয়া হোৱাৰ** পিছতহে ছোৱালী বিয়া দিয়া হয়; এপতীয়া ছোৱালী কোনোৱে বিয়া নিদিয়ে।

**দুপতীয়াতে জঁয় পৰ্**—( সম্পূৰ্ণ বয়স নোহওঁতেই মৰহি যা )—বকৰা ডাঙৰীয়াৰ প্ৰতিভা **দুপতীয়াতে জঁয় পৰি** গ'ল।

**দুপৰীয়া-টেঙা**—( পাতে-গজা; পাতৰপৰা পুলি হোৱা এবিধ শাকজাতীয় উদ্ভিদ )—**দুপুৰীয়া-টেঙাৰ** পাতবোৰ হেনো দুপৰীয়াহে টেঙা হয়।

**দুপৰীয়া-ভিঙা**—( সুবিধা চাই পক্ষ লোৱা মানুহ; সুবিধাবাদী )—সি **দুপৰীয়া-ভিঙা**, পাৰ পালে ইপাৰৰ, পাৰ পালে সিপাৰৰ, তাৰ কথাত নিৰ্ভৰ নকৰিবা।

**দুপৰীয়া-মধ্যম**—( দিনৰ মাজভাগ )—**দুপৰীয়া-মধ্যম** নাই; সদায় এনেকৈ বাৰীয়ে বাৰীয়ে ঘূৰি ফুৰ কিয়?

**দুমুখীয়া সাপ**—( মুখৰ আগত এক ধৰণে কৈ পাছত আন প্ৰকাৰে কোৱা অবিশ্বাসী মানুহ )—সি **দুমুখীয়া সাপ**; তাক পেটৰ কথা ভাঙি নকবা।

**দুমুৰি মাৰ্**—( মাজেদি কটা কাপোৰৰ দুয়ো মূৰ লগ লগাই সিলাই দি )—ধুতিখন **দুমুৰি মাৰিলে**, আৰু কেইদিনমান পিন্ধিব পাৰি।

**দুমুৰীয়া মাৰ**—'দুমুৰি মাৰ' চোৱা।

**দুয়োতকৈ দুয়ো চৰা**—( দুয়ো সমানে চৰা )—দুয়ো সতিনীয়েকক কি চাবা? দুয়ো কথাত **দুয়োতকৈ দুয়ো চৰা।**

**দুৱা-কাহুৰ মিচিকা বাজিত কণী পাৰ্‌**—(অদৃষ্টত যি আছে সেয়ে হওক বুলি এৰি থ)—মাক-বাপেকে ল'ৰা-ছোৱালীহঁতক **দুৱা-কাহুৰ মিচিকা বাজিত কণী পৰাৰ** দৰে এৰি গ'ল।

**দুৱা-পিঠীয়া**—(মাজটো ওখ, চাৰিওকালে এচলীয়া)—**দুৱা-পিঠীয়া** চোতাল বৰষুণতো খট্‌খটীয়া হৈ থাকে।

**দুৰ্বাদল-ঘাঁহ**—(প্ৰচুৰ ঘাঁহ)—সেইবোৰ ঠাইত গৰু চৰা সহজ; সকলো কালে **দুৰ্বাদল ঘাঁহ**।

**দুৰ্বাদল-দন্দ**—(খেদাখেদিত হুৰহি মৰা দন্দ)—দুয়ো বুঢ়ীৰ **দুৰ্বাদল দন্দ** লাগিল; আমি গুচি আহিলোঁ।

**দুৰ্বাদল বৰষুণ**—(দুৰ্—অতিশয়; বাদল—মেঘ। বৰ ডাৱৰীয়া বতৰৰ ডাঙৰ বৰষুণ)—গোটেই দিনটো **দুৰ্বাদল বৰষুণ**; পথাৰবোৰ ডুবি গৈছে।

**দুৰ্বাদল-ৰণ**—'দুৰ্বাদল দন্দ' চোৱা।

**দুৱাদাবি হ (বা দুৱাদাৱ হ)**—(এবাৰতে হোৱা কাম আকৌ কৰিব লগীয়া হ)—বেৰাখন লোলোকাই পেলোৱা; তোমাক কৰিবলৈ কৈ অনৰ্থক **দুৱাদাবিহে হ'ল**।

**দুৱাৰ-গঁথিলা**—(ওখ হৈ উঠা ডাঙৰ ঢৌ)—সাগৰৰ **দুৱাৰ-গঁথিলাবোৰ** চাই চাই আপোন-পাহৰা হৈ আছিলোঁ।

**দুৱাৰ-গৰিয়া**—(দুৱাৰ-মুখত মাটিত পথালিকৈ লগোৱা কাঠ বা বাঁহ)—আগৰ কালত ঘৰৰ দুৱাৰ-মুখত **দুৱাৰ-গৰিয়া** লগোৱা অভ্যাস আছিল।

**দুৱাৰ-ডলি**—'দুৱাৰ-গৰিয়া' চোৱা।

**দুৱাৰ-ডাং**—(ভিতৰৰ ফালেদি দুৱাৰত পথালিকৈ যি দুৱাৰ মেলিব নোৱাৰা কৰা ডাং)—দুৱাৰ বান্ধিলো হয়, **দুৱাৰ-ডাং** দিবলৈ পাহৰিলোঁ।

**দুৱাৰ চুকি ফুৰ্‌**—(পাব খাব বুলি ইফাল-সিফালে ফুৰ্‌)—ডেকা মানুহে পুৱাবেলা পদূলিতে পৰৰ **দুৱাৰ চুকি ফুৰাটো** কেনে কথা?

**দুৱাৰ-বন্ধা**—(১। দুৱাৰ-ডাং। ২। বিয়াৰ এটা সামাজিক স্ত্ৰী-আচাৰ)—১। একো নাপাই **দুৱাৰ-বন্ধাডালকে** লৈ খেদা মাৰিলোঁ। ২। **দুৱাৰ-বন্ধা** তোলোন-পাণ যি দিয়োতা-সকলক দাব কৰা।

**দুৱাৰ-ধৰা**—(বিয়াৰ এটা শেষ কাৰ্য। কইনাৰ মাকে দুৱাৰত হাত মেলি দুৱাৰ-

মুখত দিব নল। সোঁহাতৰ তলেদি লবা, বাওঁহাতৰ তলেদি দিয়া অৰ্থাৎ ঘোচ)—আমাৰ সমাজত চুৰাব-লৰকাব প্ৰচলন নাই।

**চুৰাব-হেঙাব**—'চুৰাব-ডাং' চোৱা।

**ছুৰণ ধৰ্**—(দোষ ধৰ্; খুঁত উলিয়া)—সকলো কামতে ছুৰণ ধৰি থাকিলে কাম কৰিব কেনেকৈ?

**ছুৰণিত পৰ্**—(দুৰ্যোগ লগীয়া হ; অপযশীয়া হ)—এনে গৰ্হিত কাম কৰিলে খাইঁৰ ছুৰণিত পৰিবা।

**দুষ্টৰ একাল, সন্তৰ সৰ্বকাল**—(দুষ্ট লোকৰ সৌভাগ্য খন্তেকীয়া; সজ্জনলোকহে সদায় সুখী)—দুদিন দুষ্টৰ প্ৰতাপ দেখি আচৰিত নহবা; **দুষ্টৰ একাল, সন্তৰ সৰ্বকাল।**

**দুষ্টৰ লট্‌পট্, সন্তৰ মৰণ হ**—(দুষ্টই দুষ্টালি কৰিও সাধু বা, সন্তই শান্ত হৈ থাকিও শান্তি পা)—**দুষ্টৰ লট্‌পট্, শান্তৰহে মৰণ হয়**; তাৰ লগত তুমি তই কেতিয়াবা নৰিবি।

**দুৰ দুৰ কৰ্**—(ঘৃণাভাৱ প্ৰকাশ কৰ্)—তাক দেখিলে সকলোৱে **দুৰ দুৰ কৰে**; তেও তাৰ বিকাৰ নাই।

**দূৰৰ গঙ্গা ওচৰত মিল্**—(সহজে কাম্য বস্তু লাভ কৰ্)—ইমান দূৰলৈ আহিয়েই তোমাক কেনেকৈ লগ পাওঁ, তাকেই ভাবি আহিছোঁ; পিছে তুমি আহিলাই, **দূৰৰ গঙ্গা ওচৰতে মিলিল।**

**দূৰৰ পৰ্বত দেখিবলৈ ধুনীয়া হ**—(আঁতৰৰ পৰিচয়ত সকলো ভাল যেন বোধ হ)—কলিকতাৰ কথা নকবা; দুৰ্গন্ধি-বটীয়া ঠাই; **দূৰৰ পৰ্বত দেখিবলৈহে ধুনীয়া হয়।**

**দূৰৰ পৰ্বত মিটোল হ**—'দূৰৰ পৰ্বত দেখিবলৈ ধুনীয়া হ' চোৱা।

**দূৰৰ বৌ-বৰালি**—(বহু কষ্টেৰে পাব পৰা বা অনিশ্চিত কোনো লাভ)—**দূৰৰ বৌ-বৰালিলৈ** লোভ নকৰিবা; ওচৰৰ পুঠি-খলিহাই ভাল। সামান্য হলেও সহজলভ্য লাভ এৰি নিদিবা।

**দেউকি খা (বা হ্)**—(ভয়ত উচপ খাই উঠ্)—সি আজি সাপটো দেখি **দেউকি হৈছে**; ৰাতি ভাত খাবলৈ নিদিবা।

**দেউতা আহ্যা দি**—(অযোগ্যৰ—সদিচ্ছা প্ৰাৰ্থনা। বিনীতভাৱে কথাষা

আদি কৰ্)—সদায় দেউতা আখ্যা দি থাকিও তেওঁৰ ভাল মুখৰ মাত নাপাওঁ।

**দেউতা-ঈশ্বৰ**—(অতি সম্ভ্ৰান্ত লোকৰ প্ৰতি বিনয় বচন)—**দেউতা-ঈশ্বৰে** যি কৰিবলৈ কয়, আমি তাকেই কৰিম।

**দেউতা বিধাতা বুলি ফুৰ্**—(পৰক কাবৌ-কাকুতি কৰি ফুৰ্)—কত জনক **দেউতা বিধাতা বুলি ফুৰিলোঁ**; বিপদত কাৰো সহায় নাপালোঁ।

**দেও ইচ্ছাই পূজা**—(যথাযোগ্য কাৰ্য; সমুচিত প্ৰতিকাৰ)—বাইজে চোৰটোক চূণৰ ফোঁট দি গাঁৱে গাঁৱে ঘূৰাইছে; তাৰ আজি **দেও ইচ্ছাই পূজা** হৈছে।

**দেও উঠ্**—(খং আদিত বলিয়াৰ দৰে আচৰণ কৰ্)—তোৰ নো কি **দেও উঠিল** যে একাষাৰ কথাতে পুৰাৰপৰা নাচি আছ?

**দেও-কটা**—(দেও-ভূত লগিব নোৱাৰিব বুলি তিৰোতা মানুহে লগত যথা কটাৰী—সাধাৰণতে অকাটন)—এই **দেও-কটা** কটাৰীৰে তামোল কাটিব নোৱাৰোঁ।

**দেও চাই বলি**—'দেও ইচ্ছাই পূজা' চোৱাঁ।

**দেও-জঁক দি**—(জলাতঙ্ক ৰোগ হ; পগলা কুকুৰ আদিয়ে কামোৰাত পগলা হ)—তেওঁৰ ভায়েকটো **দেও-জঁক দি** মৰিল।

**দেও-দৰিদ্ হ**—(দেৱতাৰো নোপোৱা হ)—মাছৰ নো এনে **দেও-দৰিদ্ হব** পায় নে যে পুঠি এটাও নোপোৱা হ'ল?

**দেও দেও কৰ্**—(আচৰিত হৈ দেৱতাৰ নাম ল)—এই বিৰাট আকাৰৰ জন্তুটো দেখি মানুহবিলাকে **দেও দেও কৰিবলৈ** ধৰিলে।

**দেওধাই (বা দেওধনী) উঠ্**—(১। নিজৰ গাত দেৱতা লম্ভা বুলি সৰ্বজ্ঞানী কথা ক। ২। খং আদিত বলিয়ালি কৰ্)—১। তেওঁলোকৰ আজি মাৰৈ-পূজা; **দেওধনীও উঠিব**। ২। এই সামান্য কথাটোতে **দেওধাই উঠিলা** কি বাবে?

**দেও লাগ্**—(১। ভূতে ধৰ্। ২। কুকুৰ শিয়াল আদি বলিয়া হ)—১। সি **দেও-লগা** টকা তুলিবলৈ যাওঁতে মৰিল। ২। কুকুৰটো **দেও লাগিছে**; তাক মাৰি পেলোৱা।

**দেখ-দেখ**—(সকলোৱে বিদিত)—আজি-কালি সকলো কামতে যে ভেটি দিব লাগে ই **দেখ-দেখ** কথা।

**দেখন-দৰ্পণ**—( দেখিবলৈ পোৱা আকৃতি বা চেহেৰা )—ছোৱালীজনী দেখন-দৰ্পণে ধুনীয়া; ভিতৰত যদি কিবা দোষ আছে, নাজানো।

**দেখন-শুনন**—( দেখিবলৈ শুৱনি )—গাইজনী দেখন-শুননহে; গাখীৰ নাই।

**দেখনিয়াৰ কৰি**—( মানুহক দেখুৱাবলৈ )—খোৱাৰ যদি ইচ্ছা নাই, দেখনিয়াৰ কৰি খাব নালাগে।

**দেখ-নেদেখ**—( সামান্যভাবে দেখাৰ পিছতে নেদেখা হোৱা )—হাবিৰ মাজত দেখ-নেদেখ কিবা এটাই মোক চক খুৱালে।

**দেখ-নেদেখিল**—( নিমিষতে নেদেখা হোৱা; দেখ-নেদেখ )—পখীৰ উৰা আকাশৰ দেখ-নেদেখিল দৃশ্য।

**দেখা কথা**—( সকলোৱে জনা কথা )—এইটো দেখা কথা, অসমীয়া খেতিয়কৰ অৱস্থা অতিশয় শোচনীয়।

**দেখা কথাত পাট-মঙল চা**—( স্বতঃসিদ্ধ কথা জানিবলৈ আকৌ কিয় উপায় ল )—পঢ়াশুনা কৰা নাই, ফেল কৰিবই; তাক জানিও চিকনা চাই, দেখা কথাত পাট-মঙল চোৱাত লাভ কি?

**দেখাত-দেখিত ছুতা নেবিয়া**—( কাৰণ দুবুদ্ধি ধৰ অনুকৰণ কৰ )—সকলো কথাতে আনৰ দেখাত-দেখিত ছুতা নেবিয়ালে বিপদহে হয়।

**দেখাতে চিতল পিঠিলৈকে কাঁইট হ**—( বাহিৰ দৃষ্টিত আকৰ্ষণীয় হলেও ভিতৰি বৰ কষ্টদায়ক হ )—এই চাকৰি লব খুজিছা হয়, ভাবি চিন্তি চাবা; ই দেখাতে চিতল হলে পিঠিলৈকে ইয়াৰ কাঁইট আছে।

**দেখা যম**—( যমৰ দৰে অত্যাচাৰী; জীৱন্ত যম )—সেই দেখা যমটোলৈ ছোৱালীজনী নিদিবা।

**দেখিব জোৱাৰ**—( মুঠে অল মাপা )—এই দুটীজনীক মই চকুৰ পলকতে দেখিব জোৱাবোঁ।

**দেখিব জোৱাবি কৰিবা কি, বাটত থাকিব ঠেঙাল দি**—( বিৰক্তিজনক কাৰণবশতঃ অব্যাহতি নোপোৱা হ )—তুমি মোক ভাল নোপোৱা, নাপালা বাৰ; মই কিন্তু তোমাক নেৰোঁ। দেখিব জোৱাবি কৰিবা কি, বাটত থাকিব ঠেঙাল দি।

**দেখিলে চোৰ নেদেখিলে সাধু**—(ভিতৰি অসৎ-প্ৰকৃতিৰ লোক)—তেওঁ **দেখিলে চোৰ, নেদেখিলে সাধু**; মালা জপা দেখিয়েই সাধু বুলি নাভাবিবা।

**দেখিলে লেখ্**—(কোনো কাৰ্যৰ ফল চাইহে হিচাপ কৰ্)—বাৰী পাতিব খুজিছা পাতা; লাভৰ হিচাপটো **দেখিলেহে লেখা** ভাল হব।

**দেদেৰা খা (বা পৰ্)**—(যঁহনি লাগি গাৰ ছাল ছিগি যা)—কাঠতোখৰত লাগি ভৰিত **দেদেৰা খালোঁ**; এতিয়া চেক্‌চেকাইছে, পানীও ওলাইছে।

**দেৱতাই দিলেও বিধাতাই নিদি**—'দাতাই দিলেও বিধাতাই নিদি' চোৱাঁ।

**দেৱতো নলগা ভকততো নলগা**—(অগ্ৰহণীয় বস্তু)—**দেৱতো নলগা ভকততো নলগা** এই মাছটো কিয় আনিলা? আমাৰ কোনোৱে ইয়াক নাখায়।

**দেৱৰ দুৰ্লভ হ**—'দেও দৰিদ্ হ' চোৱাঁ।

**দেশ ছাড় দি**—(দেশ এৰি যা)—এই দেশত সমাজৰ এলাগী হৈ থাকোঁ কিয়? তাতকৈ **দেশ ছাড় দিয়াই** ভাল।

**দেশ-ত্যাগন্**—(মানুহে দেশ এৰি যোৱা ঘটনা)—**দেশ-ত্যাগনত** অসমৰ বহুত পৰিয়াল বঙ্গদেশলৈ গৈছিল।

**দেশৰ মাজে**—(দেশৰ সমানে; দেশ জুৰি)—**দেশৰ মাজে** সকলোৱে এই দৰে ভাবিছে।

**দেহ-লাউ**—(জীউ-লাউ; অতি মৰমৰ বস্তু)—বুঢ়ীৰ **দেহ-লাউ** সেই ল'ৰাটিকো যমে মাৰি নিলে।

**দেহাই নাটান্**—(কোনো কাম কৰিবলৈ শাৰীৰিক শক্তিৰ অভাৱ হ)—মোক কামটো কৰিবলৈ কৈছা, মোৰ কিন্তু **দেহাই নাটানে**, এই কথা নুবুজা।

**দেহাত লাগ্**—(নিজৰ বাবে ব্যৱহাৰ কৰ্)—মাছটো বেচিব খোজাছিলোঁ, **দেহাতে লগাই** দিলা।

**দেহা থাকিলে বেহা**—(সুখ-সন্তোষেৰে জীৱন কটাবলৈ নিৰোগী শৰীৰটোহে একমাত্ৰ সম্বল)—**দেহা থাকিলেহে বেহা**; সেই দেখি দেহা মাৰি কাম নকৰিবা।

**দেহা থাকিলে লাখ থাক্**—(শৰীৰ ভালে থাকিলে লাখ টকা ঘটাব পৰা হ)—ধনসম্পত্তি গ'ল বুলি দুখ নকৰিবা; **দেহা আছে** যেতিয়া, **লাখ আছে**।

**দেহা-ভূৰা**—(ডাঙৰে অতি সৰুলৈকে সকল কথা মাত)—আপুনিয়েক মাতিলো, মোৰ দেহা-ভূৰাটোৱেই ক'ত?

**দেহা মাটি কৰ্**—(অতিশয় পৰিশ্ৰমেৰে শৰীৰ নষ্ট কৰ্)—আজি অত বছৰে দেহা মাটি কৰিলোঁ; পিছে, কাম বাবে?

**দেহা মাৰ্**—(শৰীৰৰ শক্তি কম কৰ্)—ইমান পৰিশ্ৰম কৰি দেহা নামাৰিবা।

**দেহা মাৰি ভক্তি কৰ্**—(অতিশয় কষ্ট কৰি আনক সন্তুষ্ট কৰ্)—বুঢ়াই দেহা মাৰি ভক্তি কৰি আছে বুলিহে এই গৃহস্থালি হৈ আছে।

**দেহিজুখৰি (বা দেহিখাখি)**—(বৰ বেয়াকৈ বিশেষকৈ ল'ৰা-ছোৱালীক বকা মাত)—মোৰ দেহিজুখৰি ক'লৈ গ'লা? আহাচোন এটা চুমা খাওঁ।

**দেহে-কুশল**—(বিজয় প্ৰাৰ্থনৈ চাই মঙ্গলৰ কথা)—সি গ'ল নে মোৰ দেহে কুশল হ'ল।

**দেহে-কেহে**—(কায়মনোবাক্যে)—পৰীক্ষাত ভাল কৰিব খুজিছা যদি, এইবেলাহে দেহে-কেহে পঢ়া।

**দৈত্যকুলত প্ৰহ্লাদ**—(অধম বংশত উত্তম সন্তান)—তেওঁ সাক্ষাৎ দৈত্য-কুলত প্ৰহ্লাদ; এনে অৱাইত চোৰৰ ঘৰত এনে প্ৰতিভাবান ল'ৰা ওলাব বুলি কোনে ভাবিছিল?

**দৈ-দুধৰ আশা মোহোৱা বাজী গাই পুহি মৰ্**—(নিস্ফল কাম কৰ্)—সি ঘ'ৰ কাম-বন নকৰে, তাক পুহি থাকা কিয়? দৈ-দুধৰ আশা মোহোৱা বাজী গাই পুহি মৰাহে হৈছে।

**দৈৱকীৰ গৰ্ভুৱা ল'ৰা**—(সৰ্বত্ৰ জনাজাত মানুহ)—দৈৱকী গৰ্ভুৱা ল'ৰা মহাকাব্যলাগে নিজৰ প্ৰতিভাৰে সমগ্ৰ বিশ্বক চমৎকৃত কৰিলে।

**দৈৱতো বাধা নহ**—(সুনিশ্চিত হ)—বেমাৰীটো যে মৰিব, তাত দৈৱতো বাধা নাই।

**দৈৱ-বাসনা ভঙ্গ কৰা**—('দৈৱ' আৰু 'বাসনা' একাৰ্থক। সকলো সৌভাগ্য নাশ হ)—দৈৱ-বাসনা ভঙ্গ গলে ধন-সোণ নাশ হওঁতে কেই দিন?

**দৈৱৰ বিৰুদ্ধ গতি**—(অপ্ৰত্যক্ষ শাপ)—দৈৱৰ বিৰুদ্ধ গতিত ডেকাৰ সোণ-বৰণ গৃহস্থালি খাস্তিটো চোৱাঁতেই নাশ হ'ল।

**দৈৱ-সংযোগে**—( দৈৱক্ৰমে )—দৈৱ-সংযোগে মই বিচাৰি ফুৰা মানুহটোক বাটতে লগ পালে।

**দো-কৰ হ**—( দুবাৰ কৰিব লগীয়া হ )—তাক কৰিবলৈ দি মোৰ পক্ষে কামটো দো-কৰহে হ'ল।

**দোকোলা-চঁকা**—( দুয়ো পাৰ উপচি যোৱা )—এই দোকোলা-চঁকা বান-পানীত ল'ৰাবোৰ কেনেকৈ স্কুললৈ আহিব ?

**দো-খলীয়া হ**—( এটা তিথি দুয়ো দিন থাক্ )—আজিৰ পূৰ্ণিমা দো-খলীয়া হৈছে ; কালিলৈও পূৰ্ণিমা থাকিব।

**দো-ঘৰা**—(দুই ঘৰৰ মাজৰ ঠেক ঠাই)—তোমাৰ দো-ঘৰাত এখন টিনৰ মাওৰা দিয়া।

**দোচ্‌বালি পৰ্‌**—( প্ৰতিজ্ঞা ভঙ্গ হোৱাত দোষী হ )—যাওঁ বুলি কৈ নগলে দোচ্‌বালি পৰিবা।

**দো-চেপা**—( ১। দুটাৰ মাজৰ নিচেই ঠেক ঠাই। ২। একবাৰ মোৰবা অৱস্থা )—১। আমৰ দো-চেপাত টেঙা জোপা মৰিব। ২। সি এইবাৰ দো-চেপাত পৰিহে দোষ স্বীকাৰ কৰিলে।

**দো-টানত পৰ্‌**—( বিপৰীত আকৰ্ষণত বিমোৰত পৰ্‌ )—এই মোকৰ্দমাত মই দো-টানত পৰিছোঁ। আচামী পেহা, ফৰিয়াদী ভাগিন।

**দোণ-দুবীয়া**—( কাণতকৈ ওৰ হৈ উপচি পৰা,—শস্য আদি )—এইটো খৰাহিৰে দোণ দুবীয়াকৈ ধান দিছোঁ।

**দো-ভনীয়া**—'দু-ভনীয়া' চোৱা।

**দোধোৰ-মোৰ**—( বিমোৰ বা বিব্ৰত অৱস্থা )—মই 'দোধোৰ-মোৰত' পৰিছোঁ,—যাওঁ নে নাযাওঁ।

**দো-মনৰী কৰ্‌ ( বা দো-মনৰীত পৰ্‌ )**—( কোনটো কাম হাতত লোৱাত মন কুলুমত পৰ্‌ )—ধনা-ঘৰৰ আৰু কইনা-ঘৰৰ সকলো কামকে চম্ভালিব লগীয়া হৈছে,—মই 'দো-মনৰীত' পৰিছোঁ।

**দোপ খা ( বা লা )**—( ভলটৈ বেঁকা পাই অলপ ৰহ্‌ )—ইয়াৰ ভাঙৰ কাঠজোপৰ,—যি সি উঠিলে ইও 'দোপ খায়'।

**দোপত দোপে**—( ক্ৰমান্বয়ে ; দোপত দোপে )—অত্যাচাৰী মানুহে 'দোপত দোপে' আগবাই যায়।

**দোপাত্তিয়াত বহ্**—(সকলো কালেদি মিলন হুবিধা হোৱা অৱস্থাত পৰ্)—কেউ সম্প্ৰতি 'দোপত্তিয়াত বহিছে' তোমালোকে ফিটোকে কৰা, তাতেই কেউৰে লাভ। 'ধাৰেও কাট্ বাৰেও কাট্' একে।

**দোপ দি (বা মাৰ্)**—(ওপৰত থিয় হৈ তৰিৰে হেঁচ্ বা চিপ্ মাৰ্)—কাঠ-চটাৰ ইটো মূৰত 'দোপ দিলে' সিটো মূৰ আপুনি উঠি যাব।

**দো-পৰীয়া**—'দুপৰীয়া ভিঙা' চোৱা।

**দোপাল-পিটা**—(ধাৰাষাৰে পৰা আৰু প্ৰবল—বৰষুণত খাটে)—যোৱা ৰাতি বৰ 'দোপাল-পিটা' বৰষুণ হৈছিল, বাট-পথ ডুব গৈছে।

**দো-বিয়াৰ**—(পুষ্পিতা হোৱা; কৈশোৰ্চৰ যোগ্য)—আজি-কালি বামুণেও 'দো-বিয়াৰ' ছোৱালীহে বিয়া কৰায়।

**দো-ভাচলীয়া**—(দুটা ভাবা অৰ্থাৎ দুই ৰকমে কথা কোৱা; দু-কলীয়া)—সেই 'দো-ভাচলীয়া' মুচাৰ কথা শুনি কাজিয়া নকৰিবা।

**দোমন-দোহত্ত**—(দোধোৰ-মোৰত পৰা)—পেহীকো এখি ৰাব দোৱাথি; নগলেও সিকালে ৰবচ কোনো নাই; 'দোমন-দোহত্ত' হৈছোঁ।

**দো-মাদলীয়া**—(হেহোঁ-নেহোঁ; কৰোঁ-নকৰোঁ; অনিশ্চিত)—কামটো কৰিবা নে নকৰা? 'দো-মাদলীয়া' কথা কৈ সময় নকটাবা।

**দোমাহী**—(দুই মাহৰ মিলনৰ ঠাই; প্ৰথমটো মাহৰ শেষৰ দিন; সংক্ৰান্তি)—'দোমাহী'-তিথিয়ে গধূলি নাম-প্ৰসঙ্গ কৰিবা।

**দো-মুৰীয়া**—'দু-মুৰীয়া' চোৱা।

**দোমোজাত পৰ্**—(দুটা সমভাব সম্মুখীন হ; কি কৰোঁ কি নকৰোঁ অৱস্থাত পৰ্)—স'বাটো পঢ়ুৱাওঁ নে কিবা কামতে কৰিবলৈ দিওঁ, তাকে 'দোমোজাত পৰিছোঁ'।

**দোবোল খা**—(১। ভাঁজ লগা। ২। অৱশে অৱশে ওপৰা-উপৰি হৈ থাক্)—১। কামীচটো বৰ ভাঁজ হ'ল; 'দোবোল খাবাৰ'। ২। থাল কি লাগা? 'দোবোল-খাই' পৰি আছে।

**দোবোলা-দোবোলী**—(একৰপৰ ওপৰত আন এভাগ পৰি থকা)—এনে 'দোবোলা-দোবোলী' থাঁহত শাইৰ গাধীয় হবই।

**দোলা পৰ্**—(মাজজোৰবত চাপৰি বা)—চালবন মাজতে 'দোলা পৰিল'; এইজোৰৰ দোমকালে পাচিব?

**দোণাৰ নামেৰে শিকিয়াত খা**—(ভাগৰ নামৰ সহায়েৰে অলপীয়া সমলেৰিও সুখ্যাতি লাভ কৰ্)—সোণাৰ নামেৰে মানুহে শিকিয়াতো খায়; আমি খোৱা পাখীবো অনা-সৰ-তোলা।

**দোৱণী (বা দুৱণী) গাইৰ লাথি খাব পাৰ্**—(উপকাৰ পালে কষ্টও সহিবলৈ সমৰ্থ হ)—তেওঁ আমাৰ যিমান উপকাৰ কৰি আছে, তাকে চাই তেওঁৰ এইখিনি টান কথা সহ্য কৰিবই লাগিব; 'দোৱণী গাইৰ লাথি খাব পাৰি'।

**দোৱা-ডাঁৰ**—(অনৰ্থক কষ্ট বা ভৰণি)—কামটো আকৌ কৰিব লাগিল; সভাকে কথাবলৈ বিচাৰি 'দোৱা-ডাঁৰহে' হ'ল।

**দোৱাম দি**—(সুঁহুজা ধৰণে বা অস্পষ্টকৈ ক)—'দোৱাম দিবলৈ' এৰা; সকলো কথাকে লাহে লাহে কবলৈ অভ্যাস কৰা।

**দোৱা-বাৰ**—(দ্বিতীয় বাৰ)—এইমাত্ৰ গৈ আহিলোঁ; 'দোৱা-বাৰ' যাব নোৱাৰোঁ।

**দোৱা-ভজা**—(দুবাৰ ভজা—সাপহ)—'দোৱা-ভজাৰ' জুতি সকলোৱে নাপায়।

**দো-ভাষী**—(দুই ভাষা জনা মানুহ; ইজনৰ ভাষা সিজনক বুজাই দিওঁতা)—ৰাজ-পালৰ বক্তৃতা 'দো-ভাষীয়ে' ৰাইজক বুজাই দিলে।

**দোহবীয়া পিয়া**—(দোহবীয়া=দুবাই এবছৰ। দ্বিতীয় বছৰতো গাখীৰ দি থকা—গাইত খাটে)—মোৰ গাইজনীয়ে 'দোহবীয়া পিয়াইছে'; নহলে এটোপাও গাখীৰ নাথাকিলহেঁতেন।

**দোহাই দি**—(ঈশ্বৰ,দেৱতা, ৰজা বা কোনো মহৎ লোকৰ নাম লৈ নিষেধ বা ৰক্ষাৰ প্ৰাৰ্থনা কৰ্)—ভগৱানৰ 'দোহাই দিছোঁ', মোৰ গছ কোনোৱে নাকাটিবা।

**দোহাই-শৰণ দি**—(ধৰ্ম্ম নামে নিষেধ কৰ্)—মই হলে 'দোহাই শৰণ দিছোঁ', তইও তাতে নাযাবি।

**দোহাৰি দি**—(সমৰ্থন কৰ্)—তেওঁৰ প্ৰস্তাৱত 'দোহাৰি দিবলৈহে' থিয় দিছোঁ।

**দৌজা কেঁকোৰা দি**—(কাঁচ বা কোঁচ খাই দোলাৰ দৰে হ)—বুঢ়াটো আকৌ 'দৌজা কেঁকোৰা দিছে'।

## ধ

**ধক ছুট**—(১। ভয়, পৰিশ্ৰম আদিত কোঁপা। ২। উত্তেজনাত বলিয়াৰ দৰে হ)—১। ঘোঁৰাটোৰ 'ধক ছুটিছে', তাক জিৰাবলৈ দিয়া। ২। এনে সামান্য কথাটোতে সি 'ধক ছুটি' যাবৰ লাগে নে?

**ধক সহ**—(লাজ বা অপমানৰ জ্বালা সহ)—ইমান গালি খাইও হাঁহিছ যে? তোৰ দৰে 'ধক নোহোৱা' মানুহ দেখা নাই।

**ধক পিট্**—(কোঁপা)—গাইজনীয়ে ৰ'দত 'ধক পিটিছে'।

**ধক পুৰি খা**—(নিলাজ বুলি পৰিচয় দি)—এই 'ধক পুৰি খাইছ' নে যে বেয়া বুলিলে বেয়া নাপাৱ?

**ধন-ভুটৈ**—(ধনৰ বখীয়া এবিধ দেও,—তাৰপৰা অতি কৃপণ লোক)—এই বুঢ়াজনী আমাৰ গাঁৱৰ 'ধন-ভুটৈ'।

**ধনঞ্জয় ঢোল কোবা**—(বৰ আড়ম্বৰেৰে কোনো কথা প্ৰচাৰ কৰ)—জীয়েকৰ বিয়ালৈ এমাহ আগৰপৰাই বাপেকে 'ধনঞ্জয় ঢোল কোবাই' আছিল।

**ধনঞ্জয় বায়ু**—(উণপঞ্চাশ বায়ুৰ এটা; শেষৰটো প্ৰাণবায়ু)—কৃপণৰ জীউ যায় যায়; তথাপি যমোগোৱাত কেই অৱা গ'ল, পুতেকক সোধে; মৰিলেও 'ধনঞ্জয় বায়ুৱে' নেৰিব খোজে।

**ধনত পিতাম দি থাক্**—(বহুত ধনৰ গৰাকী হ)—'ধনত পিতাম দি থাকিও' চুৰ কৰিলি নে?

**ধন দিলে সোণ, সোণ দিলে দঁতাল হাতীও পোৱ**—(ধনেৰে সকলো মহৎ কাৰ্য সাধন কৰিবলৈ সক্ষম হব পাৰি)—'ধন দিলে সোণ, সোণ দিলে দঁতাল হাতীও পোৱা' যায়, এনে হয়ত তাৰ দৰে ধনীয়ে ধনৰ বলেৰে মন্ত্ৰী-উপমন্ত্ৰীক উঠা বহা কৰোৱাটো কি আচৰিত কথা দেখিলা?

**ধনৰ পঁহু**—(অলবিধিভ ধন পোৱাৰ উপায়)—মোৰ 'ধনৰ পঁহু' আছে বহুত, সেই পঁহু মোকাৰি মোকাৰি তোক টকা দিয়েই থাকিম!

**ধন আছে ধন বাছে, ধন হলে তাল মাছে**—'ধন দিলে সোণ' চোৱা।

**ধমকৈ খোজ**—(ধমকৈ বৰ আক্ৰোশ কৰ্)—বুঢ়া হ'লাহি; এতিয়াও 'ধমকৈ খোজিলেই' থাকিবা নে?

**ধন হলে সোণ হ**—(ধনৰ বলেৰে মহৎ কাৰ্য সাধন সম্ভৱ হ)—তেওঁ দাতাকৰ্ণ নাম পোৱাটো কি আচৰিত কথা? 'ধন হলে সোণ হয়'।

**ধনিয়ে কোবা**—(ধনি=ধ্বনি। দূৰণিৰ কোনো কাৰ্যদ্বাৰা প্ৰভাৱান্বিত হ)—জো শোষণাগাৰৰ আন্দোলনৰ ধনিয়ে অসমৰ চুকে-কোণে কোবাইছে।

**ধনী নিৰ্ধনীৰ কিহৰ মাতামাতি, বলী নিৰ্বলীৰ কিহৰ হাতাহাতি**—(সমানে সমানে বন্ধুত্ব কৰাহে শোভনীয়)—'ধনী নিৰ্ধনীৰ কিহৰ মাতামাতি, বলী নিৰ্বলীৰ কিহৰ হাতাহাতি'? হেন জানি, সেই জমিদাৰৰ ছোৱালীজনীৰ লগত বিয়া পতাৰ প্ৰস্তাৱ পৰিত্যাগ কৰা।

**ধনেই ধৰ্মৰ মূল**—(ধন হলে সকলো ভাল কাম কৰিব পাৰি)—'ধনেই ধৰ্মৰ মূল'; আমি নিধনীয়ে কেনেকৈ ধৰ্ম সাধন কৰিম?

**ধনে কিনা পৈ**—(ধনেৰে কিনা অৰ্থাৎ হীন মনোবৃত্তিৰ স্বামী)—"ধনে কিনা পৈৰ" সম্মান নাই; এই কথা জানিও ছোৱালীৰ লগতে ধনকৈ খোঁকা পাতিছা কিয়?

**ধনে খায় খোজ্**—(প্ৰচুৰ ধনৰ গৰাকী হ)—মহন্ত ডাঙৰীয়াৰ ধনৰ কি লেখ লবা? তেওঁৰ 'ধনে খায়, খোজে'।

**ধনেহি মঠ (বা দৌল) বান্ধ্**—(অপৰিমিত ধনৰ গৰাকী হ)—তেওঁৰ যি কালে চোৱা, সেই কালেই ধন; 'ধনেহি মঠ বান্ধিছে'।

**ধনেহি মৰিশালি সাজ্**—(ধনৰ সদ্ব্যৱহাৰ নকৰ্; কৃপণালি কৰ্)—দুৰ্ভিক্ষৰ বাবে দান বিচাৰি তেওঁৰ ওচৰলৈ নাযাবা; তেওঁ 'ধনেৰে মৰিশালি সাজিব'।

**ধনে ধমকৈ খোজ্**—(ধনীৰ হাতত্হে ধন জমা হ)—পানী পানীলৈ যোৱাৰ দৰে 'ধনে ধমকৈ খোজে'।

**ধমক মাৰ্**—(সামান্য হ্ৰাস হ)—ধন একেবাৰে এধা নাই; অলপ 'ধমকহে মাৰিছে'।

**ধমকা-ধমকিকৈ**—(অলপ অলপ সময় উলিয়াই)—এই কাম মই একেবাৰে কৰিব পৰা নাই; 'ধমকা-ধমকিকৈহে' কৰিছোঁ।

**ধৰ জৰী, মাৰ টাঙোন**—(ততাতৈয়াকৈ কোনো কাৰ্য কৰ্)—মানুহটো দোষী নে নিৰ্দোষী তাক বিচাৰ নকৰাকৈ মাৰ-পিট নকৰিবা; 'ধৰ জৰী মাৰ টাঙোন' মানুহৰ কাম নহয়।

**ধৰণা দি**—(দীঘল হৈ পৰি কাতৰ প্ৰাৰ্থনা কৰ্)—বৈদ্যনাথত 'ধৰণা দি' তেওঁ জটিল ৰোগৰপৰা মুক্তি পালে।

**ধৰণা ধৰি থাক্**—(কোনো গুৰু দায়িত্ব বহন কৰি থাক্)—বুঢ়াই 'ধৰণা ধৰি আছে' হয়, তেওঁৰ ওপৰত ভাৰভাৰ এৰি দি বহি নাথাকিবা।

**ধৰণী বাজ্**—(বিষ উজাব নোৱাৰাকৈ বাজ দি)—ওজাই মাৰে সময়ে ভূতেকেও 'ধৰণী বাজে'।

**ধৰ দি**—(পক্; মাছ মাৰিবলৈ জুৰ দ—পলুত থাকে)—মোৰ পলুবোৰে 'ধৰ দিছে'; কেইদিনমান মই লৰিব নোৱাৰোঁ।

**ধৰম চিয়া**—'ধৰ্মক সুঁৱৰি সত্য কবলৈ ক)—বিচাৰকে 'ধৰম চিয়াই' আচামীক প্ৰশ্ন কৰিলে।

**ধৰম-বিয়া**—(শাস্ত্ৰ নোহোৱা ছোৱালীৰ বিয়া)—আজি-কালি বামুণৰ মাজতো 'ধৰম-বিয়া' নাই।

**ধৰমৰ-খুঁটি**—(যাক আশ্ৰয় কৰি ধৰ্ম প্ৰবৰ্ত্তি থাকে, তেনে স্থিৰ প্ৰকৃতিৰ মানুহ বা গুণ)—কৰ্ত্তব্য-পৰায়ণতাই আমাৰ মাজত 'ধৰমৰ খুঁটি'।

**ধৰা দি**—(নিজে ইচ্ছা কৰি আনক ধৰিবলৈ দি)—জয়মতীৰ দুখ সহিব নোৱাৰি গদাপাণিয়ে 'ধৰা দিবলৈ' আহিল।

**ধৰা ধৰি কৰ্**—(১। এটাই আনটোক ধৰ্। ২। একেটা বস্তুকে বহুতে ধৰ্)—
১। আন্ধাৰ ৰাতি সাঁকোখন ইটো সিটোৱে হাতত 'ধৰাধৰি কৰিহে' পাৰ হলোঁ।
২। 'ধৰাধৰি কৰি' খ'টো ৰাখিবলৈ আনিলোঁ।

**ধৰা-পৰ্**—(লুকাই কাম কৰোঁতে ধৰা বা দেখা পোৱা হ)—চোৰে একো নিব নোৱাৰিলে; বাকচত হাত দিওঁতেই 'ধৰা পৰিল'।

**ধৰা-বন্ধা**—(সুনিশ্চিত)—তুমি যদি বিয়ালৈ গাঁৱৰ যোগাৰ পাবা, এটা 'ধৰা-বন্ধা' কথা।

**ধৰি অনা বান্দৰ**—(নিচিনা-নজনা ঠাইত সাধু হৈ বহি থকা অভিলাষী লোক)—লৰাটো 'ধৰি অনা বান্দৰ' হেন হৈ বহি আছে; নতুন ঠাইত একো আও-ভাও পাই উঠা নাই, সেই দেখি তেনেকৈ আছে।

**ধৰি আনি পুৰি খা**—(বাছ-বিচাৰ নকৰাকৈ গ্ৰহণ কৰ্)—সকলো কথাতে 'ধৰি-আনি পুৰি খোৱাই' আজি-কালিৰ মানুহৰ স্বভাৱ।

**ধকৰাৰ ধাৰ মাৰ্**—(কোনো কাম পাচ মাৰি বা পা মলগোৱাকৈ কৰ্)—চাকৰে কাম কৰোঁতে প্ৰায়েই 'ধকৰাৰ ধাৰ মাৰিবলৈছে' বিচাৰে।

**ধৰোঁ মাছ নোছোঁওঁ পানী**—(বিনাকষ্টে কাৰ্যসাধনৰ চেষ্টা কৰ্)—তুমি ওপৰে ওপৰে লাভ কৰিব খুজিছা,—'পানী নোছোৱাকৈ মাছ ধৰিব' খুজিছা; পাৰিবা জানো?

**ধৰ্ম-ডাক দি**—(ঈশ্বৰৰ দোহাই দি কোনো কাম কৰিবলৈ ক)—সি যে নাছে, জনা কথা; তথাপি এবাৰ 'ধৰ্ম-ডাক দিয়া' ভাল।

**ধৰ্মত ঠাই থাক্ অধৰ্মত ঠাই নাথাক্**—(কৰ্তব্য বা ন্যায়পথা চ্যুত নহলে কিবা উপায়ে আশ্ৰয় পা)—আজি অভাৱত থাকিও কষ্ট পাইছা বুলি ধৈৰ্যচ্যুত নহবা; 'ধৰ্মত ঠাই আছে, অধৰ্মত ঠাই নাই'; এদিন তোমাৰো সৌভাগ্য আহিব।

**ধৰ্ম-দণ্ড**—(ধৰ্মৰ নামত দিয়া দণ্ড)—তেওঁৰপৰা সমাজে 'ধৰ্ম-দণ্ড' বুলি এশ টকা ললে।

**ধৰ্ম-পত্নী**—(ধৰ্ম সাধনৰ অৰ্থে শাস্ত্ৰমতে গ্ৰহণ কৰা ভাৰ্যা)—'ধৰ্ম-পত্নীক' উপেক্ষা কৰি অন্য পত্নী গ্ৰহণ কৰা পাপ।

**ধৰ্ম-পিতৃ**—(ধৰ্মতঃ পিতৃ স্বৰূপে গ্ৰহণ কৰা হয় যাক)—আজিৰপৰা আপুনি মোৰ 'ধৰ্ম-পিতৃ' হ'ল; মোক ৰক্ষা কৰক।

**ধৰ্ম-যুধিষ্ঠিৰ**—(যুধিষ্ঠিৰৰ সদৃশ ধাৰ্মিক লোক,—সাধাৰণতঃ বিদ্ৰূপাৰ্থত ব্যৱহৃত)—তেওঁ যে 'ধৰ্ম-যুধিষ্ঠিৰটো' ওলাল; এবাৰ কোৱা কথাবাৰ সদায় নোৱাৰে।

**ধৰ্মৰ গৰুৰ সদায় ৰক্ষা**—(ধৰ্মবাটে উপাৰ্জন কৰা বা ধৰ্মত প্ৰবৰ্তি থকাজনক সদায় ঈশ্বৰে ৰক্ষা কৰে)—এই মহামাৰীত কোনে ক'ত পলাই সাৰিব? 'ধৰ্মৰ গৰুৰ সদায় ৰক্ষা'; আমি ইয়াতে থাকিম।

**ধৰ্মৰ তোলেৰে বান্ধ্**—(ধৰ্মভাৱেৰে সংযত কৰ্)—এইবোৰ জাতিক 'ধৰ্মৰ তোলেৰে বান্ধি' শাসন কৰাই তেওঁৰ নীতি আছিল।

**ধৰ্মৰ ঢোল আপুনি বাজ**—(সত্য আপুনি সৰ্বী হ)—'ধৰ্মৰ ঢোল আপুনি বাজে'; লুকালো মৰণ কালত গোৱৰৰ কথাটো সৈ ললে।

**ধৰ্মৰ তুলাচনী**—(ধৰ্মাধৰ্ম বিচাৰৰ সূক্ষ্ম উপায়)—'ধৰ্মৰ তুলাচনী ভগৱানে লৈ আছে; তুমি কাম কৰি যোৱা; ধৰ্মাধৰ্ম তেওঁ বিচাৰ কৰিব।

**ধৰ্মৰ মৌজ বাঢ়্**—(প্ৰচুৰ ধৰ্ম উপাৰ্জন কৰ্)—"বাছিলে ধৰমৰ মৌজ অতি পাপী কৰি।"

ধৰ্মৰ সূক্ষ্ম গতি—(ধৰ্মৰ গতি বীৰ সূক্ষ্মত অব্যাহত)—অধৰ্মৰ পথিক অকালতে মৃত্যু হয়; 'ধৰ্মৰ সূক্ষ্ম গতি'; তাৰ প্ৰভাৱ এদিন আপুনি ফুটি উঠিব।

ধৰ্মে গজ দি—(সত্য কথা আপুনি প্ৰকাশ পা)—'ধৰ্মে গজ দিলে'; লিখিলেও কথা সৈ নলে।

ধৰ্মে ঠাই নিদি—(অধৰ্মৰ অৱগতি হবই)—তই পাপ-পথ লৈছ হয়, 'ধৰ্মে ঠাই নিদিব'।

ধৰ্মে বিদিত কৰ্—(ধৰ্মকথা প্ৰকাশ হ)—গো-বধ মহা পাপ; সি তাক লুকাবলৈ বিচাৰিছিল, কিন্তু 'ধৰ্মে বিদিত কৰিলে'।

ধল ওলা—(বগা কুষ্ঠ ৰোগে ধৰ্)—সেই মানুহটো 'ধল ওলোৱা' মহৰ; পাণ্ডু-বৰ্ণীয়া।

ধল পুৰা—(মিচেই পুৰা; পুৰে বগা দাগ দিওঁতেই)—আমি 'ধল-পুৰাতে' ওলালোঁ। তেতিয়া কোনো উঠা নাছিল।

ধাঁচ্ কৰে—(ধাঁচ্ শব্দ কৰি—ৰাতিত পৰাত থাকে; মৃতপ্ৰায় হৈ)—মানুহজনী 'ধাঁচ্ কৰে' পৰি গ'ল; আমি মৰা বুলি ভাবিলোঁ।

ধাইয়ে ধৰ—(ধাই—কেঁচুৱাৰ তদাৰক কৰা এগৰাকী গোসাঁনী। কেঁচুৱাই টোপনিত হাঁহ্ বা কান্দ্)—সেই ছোৱালীজনীক 'ধাইয়ে ধৰিছে', সদায় টোপনিত হাঁহে।

ধাতু উৰ্—(প্ৰাণবায়ু যোৱা যেন হ)—যুঁৱৰ আগত বাঘ দেখি তাৰ 'ধাতু উৰিল'।

ধান কটা মৰা—(আদৰ নোহোৱা বস্তু বা মানুহ)—এনেই বুঢ়া বোঁৱাৰেক, তাতে জীয়েক মৰিছে; এতিয়া সো শাহুৱেকে তেওঁক কিহৰ খবৰ লব? 'ধান কটা মৰা,' আৰু 'জী মৰা বোঁৱাই' সমান।

ধান খায় ধান খায় কৰ্—(আন্তৰিকতা নোহোৱাকৈ কোনো কাম কৰ্)—আমাৰ সেই বিপদত তেওঁ এদিন 'ধান খায় ধান খায় কৰি' খবৰ লবলৈ আহিছিল।

ধান খেৰৰ জুই—(ক্ষণস্থায়ী আকৰ্ষণ বা পৰিমাণ বস্তু)—ধন-গৰ্ব 'ধান খেৰৰ জুইহে'; কিমান দিন থাকিব?

ধান খেৰেৰি উজান যাব্—(সাধাৰণ ধ্যান কৰি বেছি লাভবান হোৱাৰ চেষ্টা কৰ্)—এই গাখীৰেৰি ইমান মানুহৰ মাটি; তুমি 'ধান খেৰেৰি উজান যাবলৈ' বিচাৰিছা।

**ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো**—( বেলেগ বেলেগ মানুহৰ বেলেগ বেলেগ মন হ )—'ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো' ; কাৰ মনত কি আছে কেনেকৈ জানিবা ?

**ধান পকে মানে টুনীৰ মৰণ হ**—( ১। কোনো বিষয়ে আশা পালি থাকোঁতে নিজৰ বিপদ্ চাপি আহ্। ২। কোনো বস্তুৰ প্ৰতি যিমানে লোভ বাঢ়ি যায়, সিমানে লুভীয়াৰ বিপদ্ চাপি আহ্ )—১। তুমি এমাহ পিছতহে টকা দিবা, তেতিয়াহে ধান কিনিম ; 'ধান পকে মানে টুনীৰ মৰণেই হব'। ২। ইমান মাছ খাইও তৃপ্তি হোৱা নাই নে ? 'ধান পকে মানে টুনীৰ মৰণ হয়' ; এইবাৰ মাছেও মানুহ মাৰিব।

**ধান-পুৰীয়া**—( এপুৰা ধান যাৰ মূল্য )—এই 'ধান-পুৰীয়া' কঠালটো তুমি অকলে খাব পাৰিবা নে ?

**ধান-পুৰীয়া কঠাল পাতৰ আঁৰত লুকা**—( কোনো প্ৰধান মানুহ বা বস্তুও চকুত নপৰাকৈ থাক্ )—তেওঁ নিমন্ত্ৰণ পোৱা নাই হেনো ; 'ধান-পুৰীয়া কঠালো পাতৰ আঁৰত লুকাল হবলা'।

**ধান বনাদি বান্**—( বৰ ভয় বা বেজাৰ আদিত বুকুত স্পন্দন হ )—বাঘৰ নাম শুনি তাৰ বুকুত 'ধান বনাদি বানিছে'।

**ধান মাৰি জাতিয়াৰে পিৰী হ**—( বলেৰে অধিকাৰ কৰ্ )—মাকে পিয়াহ খুৱাই থকা কেঁচুৱাটোক ঠেলি থৈ সখীয়েকৰ ল'ৰাটোৱে পিয়াহ খাব খোজাত 'ধান মাৰি জাতিয়াৰে পিৰী হব' খোজা বুলি মাকে হাঁহিলে।

**ধান মেলি দিয়া যেন হ**—( গোটেই ঠাই আগুৰি পৰ্ )—পথাৰত পুঠি মাছ কিমান ধৰিবা ? 'ধান মেলি দিয়া যেন হৈছে'।

**ধানৰ পেটত চাউল থাক্ পতানৰ পেটত একো নাথাক্**—( সাৰ্থক পৰিশ্ৰম আদিৰহে সুফল হ )—তেওঁ য'তে খনে, ত'তেই সোণ আৰ্জে ; তুমি একোকে নোপোৱা ; কিয় জানা নে ? 'ধানৰ পেটতহে চাউল থাকে, পতানৰ পেটত একো নাথাকে'।

**ধানো কেঁকোৰা, বৰাও খঁকুৱা**—( কোনো বস্তু নিকৃষ্ট হলেও অগত্যাই নিজৰ অভাৱ কথমপি পূৰণ কৰ্ )—আন সময়ত এনে মাছ এনেও নাপোৱা, আজি কিনি আনিলোঁ। 'ধানো কেঁকোৰা, বৰাও খঁকুৱা।

ধান নদিলেও ছুটী নহয়—(কাৰ্য কৰোঁতা নদিলেও কাৰ্য শক্তিৰ সাল-সলনি নোহোৱাকৈ থাক্)—মই গলেও মোৰ সিদ্ধান্তৰ পৰিৱৰ্তন নহয়; 'ধান নদিলেও ছুটী নহয়'; হাকিম নদিলেও হুকুম নহয়।

ধামখুমীয়াত পৰ্—(প্ৰবল বিপদৰ মাজত পৰ্)—চাই-চিন্তি কাম নকৰাৰ ফলত এতিয়া তেওঁ 'ধামখুমীয়াত পৰি' জিৰতে আকাৰ দেখিছে।

ধামুহ দি খা—(বলেৰে কোনো কাম কৰ্ বা বস্তু আন্)—তাক মিঠিও বুলিলেও সি সদায় 'ধামুহ দি খাবই'।

ধাৰ উঠ্—(চোকা হ)—দাখন ভালকৈ ধৰোৱাঁ; 'ধাৰ উঠা' নাই।

ধাৰ খা—(ধাৰ পৰিশোধ নকৰাকৈ থাক্)—মোৰ টকাখিনি 'ধাৰ খাই' লোক মাৰিবি নে?

ধাৰত ভিতিলৈ পোত খা—(বহুত টকাৰ ধৰুৱা হ)—'ধাৰত মোৰ ভিতিলৈ পোত গৈ' আছে; আকৌ ধাৰ কৰোঁ কেনেকৈ?

ধাৰত পৰ্—(ধৰুৱা হ)—মই এইবাৰ এহেজাৰ টকাৰ 'ধাৰত পৰিছোঁ'।

ধাৰ দি—(চোকা কৰ্)—ছুৰীখনত 'ধাৰ দিয়া'।

ধাৰ ধৰ্—(১। ধাৰ পৰিশোধ কৰিবলৈ ক। ২। পানীত সোঁত বা তেনেকৈ আহ্)—১। মই তেওঁৰ ঘৰলৈ পুৱাই 'ধাৰ ধৰিবলৈ' গৈছিলোঁ। ২। জোতালেদি পানীৰ দৰে মানুহ 'ধাৰ ধৰিছে'। ৩। তেওঁৰ ঘৰলৈ ভাৰে-তেঁটিয়ে 'ধাৰ ধৰিছে'।

ধাৰ পৰ্—(১। সোঁত হ। ২। ভোঁটা হ)—১। জোতালেদি পানীৰ 'ধাৰ পৰিছে'। ২। কটাৰীখনৰ পাগ ভঙা হৈছে; সোনকালে 'ধাৰ পৰে'।

ধাৰ বাগৰ্—(১। পানীৰ সোঁত বৈ যা। ২। পাগ দিয়া হোৱা বাবে অস্ত্ৰৰ ধাৰ ভালকৈ ফুট্)—১। খেতি-পথাৰৰ ওপৰেদি বান-পানীৰ 'ধাৰ বাগৰি' গলে মাটি সাৰুৱা হয়। ২। কটাৰীখন নতুনকৈ পাগ দি দিয়া; 'ধাৰ বাগৰে'।

ধাৰ বুজি খেৰ দি—(সুযোগ বুজি কাম কৰ্)—'ধাৰ বুজি খেৰ দিব' পাৰিলে সকলো কাম সহজে কৰিব পাৰি।

ধাৰ মৰ্—(ঋণ নাইকিয়া হ)—এইবাৰহে মোৰ পুৰণি 'ধাৰবোৰ মৰিল'।

ধাৰৰ জাল ফাঁসা দি—(ফাটেক কঁপ্)—ধাৰ দেখি সি 'ধাৰৰ জাল ফাঁসা' দিলেহি ধৰিলে।

ধাৰটোৱ দি—(১। কিবাই দিয়াৰ চুক্তত দি। ২। বাকীকৈ দি)—১। মই ভেটিক

ধান পাঁচ-পুৰা 'ধাৰতহে দিছোঁ'। ২। দোকানীয়ে মাহেকটোৰ বস্তুবোৰ 'ধাৰতে দিয়ে', মাহৰ শেষত গ্ৰাহকবিলাকে সেই ধাৰ মাৰে।

**ধাৰ শুজ্**—(১। লিয়া বস্তু ওভোতাই দি; লিয়া বস্তুৰ সমান মূল্য শোধা। ২। প্ৰতিশোধ ল। ৩। ধাৰ এবাৰতে আন্তৰিকতা নোহোৱাকৈ কাম কৰ্)—১। মোৰ টকাখিনিৰ 'ধাৰ শুজিবা' কেতিয়া? ২। তোৰ কৃতঘ্নতাৰ "ধাৰ" এদিন 'শুজিবই' লাগিব। ৩। তইতো কাম কৰিবলৈ অহা নাই, 'ধাৰ শুজিবলৈহে' আহিছ।

**ধাৰেও কাট্ বাবেও কাট্**—(সকলো ফালেদি স্বাৰ্থ ৰক্ষা পৰ্)—দিন ভাল হলে মানুহ 'ধাৰেও কাটে বাবেও কাটে'; তেওঁবো এতিয়া যিফালেদি চোৱা, সেই ফালেদি লাভহে।

**ধাৰে কাটিলেও কটা, পাৰিয়ে কাটিলেও কটা**—(বিভিন্ন উপায়ে হলেও শেষ ফল একেই হ)—ভালকৈ পঢ়াৰ গুণেই হোৱা, বা প্ৰশ্ন-কাকত বৰ সহজ হোৱাৰ গুণেই হোৱা, তেওঁ পৰীক্ষাত প্ৰথম হ'ল। 'ধাৰে কাটিলেও কটা, পাৰিয়ে কাটিলেও কটা'।

**ধাৰে খা**—(১। ধাৰতে আনি খা। ২। বস্তু-বাহানি বাকীকৈ খা)—১। খাবিবা ধান 'ধাৰে খাইছোঁ'; খেতি চপালে ধাৰ শুজিম। ২। দোকানৰপৰা 'ধাৰে খাইছোঁ'; মাহৰ শেষত টকা দিব লাগিব।

**ধাৰে দি**—'ধাৰতে দি' চোৱাঁ।

**ধাৰে ধাৰে পিতলৰ বিৰি পিন্ধ্**—(অৱস্থাহীন হৈও আপচুতাৱে আনন্দ কৰি ফুৰ্)—সোণ নাই; 'ধাৰে ধাৰে পিতলৰ বিৰি পিন্ধাগৈ'; তথাপি নাচিবা নে?

**ধাৰাৰ উপৰি ধাৰা**—(ধাৰা = বেগাই অহা মাহুহ। তাগিদৰ পিছত তাগিদ)—জিনাবলৈ পোৱাই নাই, 'ধাৰাৰ উপৰি ধাৰা' আহিব লাগিছে, এতিয়াই যাব লাগে।

**ধিকাৰ ছাৰ্**—(বিৰক্তিত কোনো কাম নকৰোঁ নকৰোঁ কৰ্)—তোমাৰ চাইকেলখন মি ঘূৰেৰে যাব খাওক, 'ধিকাৰ ছাৰিলোঁ'।

**ধিকাৰ ছাৰ দি**—(দুখ বা বিৰক্তি ভৰি বা বা ধীতল হ)—গৰুক যেনে অত্যাচাৰ কৰিছিলা, মি 'ধিকাৰ ছাৰ দিলে'; মৰি নাইকিয়া হ'ল।

**ধিকাৰ সহ**—(অপমান বা মান-অপমানৰ জ্বালা সহ)—ইমান গালি খাইও তাতে থাকি নে? তোৰ যদে 'ধিকাৰ নোহোৱা' দেখা নাই।

**ধিকাৰ-ধিকাৰ চিত্**—(কোনো কাম কৰি বৰ কষ্ট পা বা অনুতপ্ত হ)—এই

হোৱালীজনী চলাই আনি 'খিকাব-খিকাব চিঞৰ' লাগিছেঁ ; মোৰ পৰিয়ালটোৱে তাই খুই থলাইছে।

খিত্-পিপিজিত্তা—( খিজিতালি কৰি ফুৰা ডেকা ল'ৰা )—এই 'খিত্-পিপিজিত্তা' ডেকাবোৰে কি কৰি খায় ?

খিয়াল লাগ্—( খ' লাগি চা )—১। সেই কালে কিহটো 'খিয়াল লাগি' চাইছা ? ২। "লাগিল খিয়াল', সভাৰয় আন, যত সমজ্যাৰ লোক।"

ধী-খিয়া—( চিন্তিত হ ; খুহুৰলি লাগ্ )—তেওঁ কি যে ঠাবে-ঠিঞাবে কৈ গ'ল, একোকে ছুবুজিলোঁ ; কথাটো জানিবলৈ মনটো 'ধী-খিয়াই' আছে।

ধুই পানী খা—( বিশেষ মূল্যবান বা গুণদায়ক বস্তু হিচাপে ব্যৱহাৰ কৰ্ )—মোৰ কটাবীখন নিদিলি ; যা যা, তাকে ধুই 'ধুই পানী খাই' থাকগৈ।

ধুম ছিটিক্—( ধুম মাৰিবলৈ এৰ্—ব্যঙ্গাৰ্থত )—ডেকাজনৰ 'ধুম ছিটিকিল' যেন পাইছোঁ ; আজি সেখোন সক চ্যাবলৈ আহিছে।

ধুমে-ধুপোল মাৰ্—( ধুম মাৰি কিতাহি মাৰি ফুৰ্ )—ডেকাবিলাকে 'ধুম-ধুপোল মাৰি' গা খেলাই ফুৰিছে ; তেওঁলোকক এবাই বোৱাই ভাল।

ধুম-পেচ মাৰ্—( ধুনীয়া আৰু পেচুৱাকৈ সাজ পাৰ পিন্ধ্ )—ডেকা মাহুহে 'ধুম-পেচ মাৰিব' বিচৰাটো স্বাভাৱিক ; কিন্তু সেয়ে ডেকা বয়সৰ উদ্দেশ্য হব নালাগে।

ধুম মাৰ্—'ধুম-পেচ মাৰ্' চোৱাঁ।

ধুপাজি পাৰ্—( একত্ত উঠি খবকে খচ্ )—যেবৰ পুঁজিটোত 'ধুপাজি পাৰাহিবা' ; যেবৰবোৰ বাগৰি পৰিব।

ধুম-কজা—( কাণেৰে একোকে শুনো ; দখা-কলা )—সেই 'ধুম-কজা' মাহুহটোৰ লগত কেনেকৈ কথা পাতিবা ? শুধিবা এটা, কব এটা।

ধুম-ধুপোল—( বা ধুম-ধুপোলনি )—গৰ বা আন কাৰণে কৰা হাই-উৰুমি )—সেই পৰিয়ালটোত কিবা 'ধুম-ধুপোল' পুৰাবপৰাই শুনি আছোঁ।

ধুম-মাৰ্চ্ছ—( সম্পূৰ্ণ উজন )—সেই 'ধুম-মাৰ্চ্ছ' পগলাটো খেদি দিয়া।

ধুম-পিটা—( খবকৈ মনিবেৱা কাৰ্য )—চোৰটোক মাইকেন কেৱলমাত্ৰ, 'ধুম-পিটা' দিলে।

ধুমা-ধুমি ( বা ধুমা-ধুমা বা ধুমা-পিটা )—( ধুমা বা পিটাৰ্ শিলিলা আৰু পৰ আৰু হাই-উৰুমি )—এই দুপনীয়া তৰ্কৰ কিবল 'ধুমা-ধুমি' লাগিছে।

**ধুমুহে-জিহ্বা**—( ধুমুহ=ধূম্ৰ। তেনেই জিহ্বা )—সি 'ধুমুহ-জিহ্বা' কৈছে; তাৰ কথাত পতিয়ন নাযাবা।

**ধুৰা পাত্**—( ধুৰা=আশ্ৰয়। অস্থায়ীভাৱে জিৰণি ল )—এই দৰে 'ধুৰা পাতি' কেই দিন থাকিবা? কাম-বন বিচৰাহে ভাল।

**ধূমকেতু পৰ্**—( ডাঙৰ অমংগল বা অনিষ্ট হ )—সি আহি আমাৰ গাঁৱত থিতাপি ললে নে 'ধূমকেতুহে পৰিল'।

**ধূলি উঠ্**—( শুখ হ )—চাউলবোৰ চৰোঁতে দেখোন 'ধূলি উঠি' গ'ল।

**ধূলি-মাকতি**—( ধূলি আৰু সেই বিধৰ বস্তু )—ঘৰটো 'ধূলি-মাকতিৰে' ভৰি আছে; সাৰি মচি পৰিষ্কাৰ কৰাগে।

**ধূলিৰ জৰী**—( দুৰ্বল ভেটি বা তেনে গাঁথনিৰ কোনো অসাৰ্থক বস্তু )—'ধূলিৰ জৰী' পকাই সময় কটালে কাৰ কি লাভ হব?

**ধূলীয়া কঠীয়া**—( শুকান মাটিত পৰা কঠীয়া )—'ধূলীয়া' কঠীয়া বহাগ মাহতে পাৰে; ইয়াৰে মানুহে আহু ধান বোৱে।

**ধূলীয়া ৰাঠ**—( অম্বুবাচীৰ তিনদিন আগেয়ে হোৱা অলপীয়া বৰষুণ )—এইবাৰৰ অম্বুবাচীত 'ধূলীয়া ৰাঠ' নহ'ল!

**ধেই দাও ঘূৰিলেই মণিকূট পা**—( একে চাৰে শেষ পা )—কাম আৰম্ভ কৰিয়েই ইমান সোনকালে শেষ কৰিব খুজিছা নে? 'ধেই দাও ঘূৰিলেই মণিকূট পায়' জানো?

**ধেধেৰা পৰ্বত**—( মানুহৰ সমাজৰ সোমোৱা দূৰণি বটীয়া আওহতীয়া ঠাই )—সিহঁতৰ লগত কাজিয়া লাগিল ঘূৰিলেই 'ধেধেৰা পৰ্বতলৈ' পলাবা নেকি?

**ধেন দি**—( ধেন=ধেনু, পোৱালি। পোৱালি জগা—গৰু আদি চাৰি ঠেঙীয়া জন্তুত খাটে )—এইবাৰ আমাৰ দুমনী গাই 'ধেন দিলে'; গাখীৰ হলে এটোপাও নাই।

**ধেনু চাৰিৰ মাথায় যাদু কোন ৰকসাৰ পো**—( নিজৰ কৰ্তব্য আনৰ লোকেও নকৰাকৈ নাথাক )—সকলো আধী লোকে সকলো একাৰৰ কৰ্তব্যকে অসংকোচে কৰে; দুৰ্থহীতে লাভ কৰে। 'ধেনু চাৰিৰ মাথাৰ যাদু কোন ৰকসাৰ পো'?

**ধেনুত ধৰি বল দিয়**—( আন্তৰিকতাৰে কাম নকৰি লোকক দেখুৱাবলৈ বা পাল মাৰিহে কৰ্ )—'ধেনুত ধৰি বল দিলে' কামো নহয়, কৰোঁতাৰো দুৰ্নাম।

**ধোঁৱা ভাঙ্**—( বিৰ কৰ্ )—১। "আজি বাবে 'ধোঁৱা ভাঙি' নীতাক ঠেলা যায়।" ২। এই মোৱামীৰ 'ধোঁৱা' কোনো মেৰিয়া 'ভঙা' কৰ পৰা নাই।

**খেল ওপঙা খা**—( চকু মুদি খাই আধা-মৰা হৈ থাক্ )—বাতি ভোৰ খাই শিয়ালটো পলাল ; আজি চাওঁ যে বাৰীৰ মূৰত 'খেল ওপঙা খাই' আছে ; মূৰত কোবাই তাক সিকলীয়া কৰি আহিলোঁ।

**খেল ওপঙা দি**—( আধা-মৰা হৈ ওপঙি থাক্—মাছত খাটে )—ঘৰৰ তাপত পুখুৰীৰ মাছবোৰ 'খেল ওপঙা দি' আছে ; এতিয়াই ভুলি অনাহে ভাল।

**খোঁওতে পিছল্**—( পোৱা মাছ খোঁওতে হাতৰপৰা পিছলি পানীত পৰাৰ দৰে, দুৰ্ভাগ্য হ'লে সকলো অসম্ভৱ কাৰ্যও সম্ভৱ হ )—দিনটো মাগি ঘূৰি চাউলমুঠি আনিলোঁ, সিও 'খোঁওতে পিছলি' গ'ল ; অনাহাৰ শিশুটোক কি দিওঁ ? পাইজনীয়ে একে চেনেকাতে খবাহিটো ওলা কৰিলে।

**খোঁৱা-খোৱা**—( মলা খপাতৰ খোঁৱা হপি খোৱা বস্তু ; হোকা )—মোৰ 'খোঁৱা-খোৱাটো' ক'ত ? খপাত এচিলিম লগাই আনা।

**খোঁৱা-খোৱা ধৰ্**—( ডাঙৰ লোকৰ আল-পৈচান কৰ্ )—পিছৰ কালৰ এই প্ৰতিভাশালী মানুহগৰাকীয়ে ল'ৰা কালত এজন ধনী মানুহৰ 'খোঁৱা-খোৱা ধৰিছিল'।

**খোঁৱা-চাং**—( জুহালৰ ওপৰৰ সৰু চাং )—এইবোৰ পুঁথি বহুত দিন আমাৰ 'খোঁৱা-চাঙত' আছিল।

**খোঁৱা-মলা**—( ঘৰৰ ভিতৰৰ খোঁৱা ওলাই যাবলৈ মগোৱা মলা )—'খোঁৱা-মলা' দিব খুজিছা, কিন্তু খেৰী ঘৰত ই বৰ বিপদজনক হ'বও পাৰে।

**খোদৰ পচলা**—( শকত আৰু এলেহুৱা মানুহ ; গাঁড়ি-গুৱাৰ )—সেই 'খোদৰ পচলাটোক' অকাৰণত পুহি নাথাকিবা।

**খোবাই খোৱা দি**—( চাঁহি-মুহি খাবাং কৰ্ )—আম পকিবলৈ নাপালেই ; ল'ৰাইতে 'খোবাই খোৱা দিলে'।

**খোবাং জোৰ্ ( বা দি )**—( তাপৰ বা অসুখৰ বাবে হাত-ভৰি দীঘল দি পৰ্ )—সি কেথোন হাল মেলি আহিয়েই 'খোবাং দি' পৰিল।

**খোবাৰ পাট**—( ১। খোবাই বাপোৰ খোৱা কাঠৰ পাট । ২। ভেমেই টকলা )—
১। 'খোবাৰ পাটবোৰ' চোৱা ; তাত পথালিকৈ কিমুমান শীকলু কটা আছে।
২। খেতিয়কা এবাল খোৱা গৰুৱে বাৰিটো খোলোঁতেই 'খোবাৰ পাটহে' কৰিলে।

**খোবাৰ লাহ-তেহ ভাঁতীৰ ওপৰত**—( এজনৰ পৰিশ্ৰমৰ ফলেৰে আন এজনে ফিকাহি যাব্ )—তুমি হাড়-ভঙা পৰিশ্ৰম কৰি থাকা ; তেওঁ বাবুয়ানি

কৰক। 'ঘোৰাৰ নাক-তেহ ভাতীৰ ওপৰত' চলি থাকক। 'মাণীৰ ফুলেশি দেউৰী ওৱা'ও একে।

**ধোৱা-বছা কৰ্**—(একেটা কথাকে পিটিকি পিটিকি আলচি থাক্)—পুৱাৰপৰা একেটা কথাকে কিমান 'ধোৱা-বছা কৰিবা'? কিবা এটা সিদ্ধান্তলৈ আহা।

**ধোৱা-তুলো**—'ধোৱাৰ পাট'ৰ ২য় অৰ্থ চোৱা।

**ধো ধো কৰে**—(অতিশয় পৰিষ্কাৰ বা নিৰ্মল)—তেওঁৰ ঘৰ-দুৱাৰ কি চাবা? চাৰিও কালে 'ধো ধো কৰে'।

**ধ্যান লাগ্**—('ধ' লাগি থাক্)—তাত কিহত 'ধ্যান লাগিল'? আমি যাওঁ আহা।

## ন

**নকটা খেৰৰ ন খ**—(কাম নোকৰোঁতেই ফলৰ হিচাপ)—'নকটা খেৰৰ ন খ' লেখি থকা মানুহে কোনো দিনো উন্নতি কৰিব নোৱাৰে।

**নকৰিবৰ চকৰি কৰ্**—(অশেষ যাতনা দি)—মাহী-মাকে ল'ৰাটিক 'নকৰিবৰ চকৰি কৰিলে'।

**নকল-নবিছ**—(এখন কাকতৰ লিখা চাই তাকে নকল কৰা কেৰাণী)—'নকল-নবিছে' হুকুমৰ নকল লিখি উলিয়াইছেহে পাবা।

**নখৰ পিঠি যেন হ**—(ভাইকৈ বোৱাত ঘৰ খট্খটীয়া হ—কাপোৰত থাটে)—তেওঁ কেনে বোৱনী চোৱা, কাপোৰখন 'নখৰ পিঠি যেন হৈছে'।

**নখৰ মূৰত তেল দি খা**—(বৰ দুখেৰে দিন নিয়া)—অধ্যাপক দেউ বৰ ভাগ্যবান্ পুৰুষ আছিল; তেওঁ গোটেই জীৱনটো 'নখৰ মূৰত তেল দি খাইছিল'।

**ন-খোৱা**—(খেতি চপোৱাৰ পিছত নতুন শস্যেৰে তৈয়াৰ কৰা খাদ্য খোৱা উৎসৱ; নবান্ন)—ঘৰত 'ন-খোৱা' পাতিছে; খোৱাবলৈকো আহিব।

**নগৰক নাগৰ নাগৰক নগৰ কৰ্**—(বৰ কিতাহি মতা বহুত কথা কৈ সময় কটা;—তেওঁ তাতেই বহি 'নগৰক নাগৰ নাগৰক নগৰ কৰিব' লাগিছে; মই আমনি লাগি উঠি আহিলোঁ।

**নগাক বেচ্**—( অকামিলা হেতুকে খাঁজৰ কম্ )—আৰু দুষ্টামি কৰিলে তোক 'নগাক বেচি' আলু-কচু খাম।

**নগা মতা দি**—( আসৈ মাত্ )—হাতে হাতে ধৰা পৰিও হাকিমৰ আগত সি 'নগা মতা দিছে'।

**নগাৰ নিৰ্মালি**—( অযোগ্যক ভাল বস্তু দিয়া কাৰ্য )—সোণা মূঢ়াটোক নাৰিকল চোবাবলৈ দিয়াটো 'নগাৰ নিৰ্মালিহে' হ'ল।

**নগাৰ বাট চাং-তলে হ**—( বৰবগৰা এলাবলৈ বাট নথকা যেন হ )—তোমালোকে অলপ আহল-বহল ঠাইত ঘৰ সাজাগৈ; ইয়াত 'নগাৰ বাট চাং-তলে হোৱা' যেন হৈছে।

**নগাৰ সংক্ৰান্তি**—( অধাৰ্মিক মানুহৰ ধৰ্মানুষ্ঠান )—অত বছৰে নাম-কাম একো নাই; আজি নো 'নগাৰ সংক্ৰান্তিটো' সি কিয় পাতিলে?

**নগুৰ-শাস্তি**—( অতিশয় উগ্ৰ শাস্তি )—আগৰ কালত দোষীক 'নগুৰ-শাস্তি' দিয়া হৈছিল।

**নটৈ গৰখীয়াৰ বাতৰি ক**—( আন্দাজত নানা কথা ক )—তেওঁ ইংলণ্ডৰ বৰ্ণনা দিলে হয়, ই 'নটৈ গৰখীয়াৰ বাতৰি কোৱাহে' হৈছে।

**নঘট-ঘট লগা**—( নঘটিব লগা ঘটনাও নিজৰ মূৰ্খামি হেতুকে লগাই বিপদত পৰ্ )—য'তে ত'তে 'নঘট-ঘট লগাই' ফুৰিবলৈ কোনে কৈছিল, বিপদত পৰি কাষ চাপিলেও মই একোকে কৰিব নোৱাৰোঁ।

**নজনাৰ তোল ঠেঙত, জনাৰ তোল গলত লাগ্**—( নজনা মানুহে দোষ কৰিলে নজনাৰ বাবে তেনে মানুহক ক্ষমা কৰা হয়, কিন্তু জনা মানুহে ভুল কৰিলে তেনে মানুহক কোনোৱে সহানুভূতি নেদেখুৱায় )—তুমি জানিও এনে দোষ কৰিলা, কিন্তু তেওঁ কৰিলে নাজানি; সেই দেখি বাইৰে তোমাক গুৰু শাস্তি বিহিলে; 'নজনাৰ তোল ঠেঙত আৰু জনাৰ তোল গলত লাগে'।

**নজৰ-বন্দী**—( কতাৰ বা গতি-বিধিৰ ওপৰত নজৰ ৰাখি চকুৱে এৰি দিয়া দোষী )—কম বয়সৰ দ'বা বুলি হাকিমে তাক কাটক নিদি 'নজৰ-বন্দীৰ' হুকুম দিলে।

**নজৰ লাগ্**—( আনৰ চকুত পৰি শ্ৰীহীন হ )—শাইকনীৰ 'নজৰ লাগিল'; পানী জাৰি দিয়া।

**নতে ন-দাঁবা পুৰণি হলে ছ-দাঁবা**—( পুৰণি হলে অনাদৰ হ )—তুমি খোৱাই

হলেও পুৰণি হ'লা; এতিয়া তুমি ন-জোঁৱাইৰ দৰে মৰম নোপোৱা; 'নতে ন-ধঁৰা, পুৰণি হলে হ-ধঁৰা'।

**নতে ন চূড়ী, পুৰণি হলে কাৰ কোলে?**—'নতে ন-ধঁৰা পুৰণি হলে হ-ধঁৰা' চোৱা।

**নথৈ ভকতি কৰ্**—(১। বৰকৈ মিনতি কৰ্। ২। বৰকৈ তিৰস্কাৰ বা অপদস্থ কৰ্—বিপৰীত অৰ্থত)—১। মই তেওঁক 'নথৈ ভকতি কৰিলোঁ'; তেও মুখীয়াৰ প্ৰতি চকু মেলি নাচালে। ২। তেওঁ ধাৰ সাধিবলৈ গ'ল; সি তেওঁক বহিবই নিদিলে, 'নথৈ ভকতি কৰি' খেদি দিলে।

**নদন-বদন**—(১। বৰ শ্ৰীমন্ত। ২। চাৰিও কালে ভৰপূৰ বা অপৰিমিত—ধন বস্তু থাকে)—১। খেতি-পথাৰবোৰ নানা শস্যেৰে 'নদন-বদন' হৈছে। ২। তেওঁৰ গৃহস্থালি কি চাবা, যিকালে চোৱা, সেই কালেই 'নদন-বদন'।

**ন দি ক**—(ভাঠি ক)—এই যুঁজত তুমি পৰাস্ত হবাই; মই 'ন দি কৈছোঁ'।

**নদী নৌপাওঁতেই কাপোৰ সলা**—(কোনো কামৰ সময় নোহওঁতেই সাজু হ)—বিপদ্ যেতিয়া আহে, তাৰ প্ৰতিকাৰ তেতিয়া কৰিবা; 'নদী নৌপাওঁতেই কাপোৰ সলোৱা' কিয়?

**নদী যিকালে যায়, শিহু-ঘঁৰিয়ালো সেই কালে যা**—(যাৰ আশ্ৰয়ত থাকি থকা যায়, তেওঁৰ লগে লগে আশ্ৰিত সকলো ঘূৰ্)—তেওঁ যদি তোমাক ভোট দিয়ে, আমবিলাকেও তোমাকেই দিম: 'নদী যিকালে যায়, শিহু-ঘঁৰিয়ালো সেই কালেই যায়'।

**নদীৰ-হাজা পাইকৰ থাজা**—(ডাঙৰ বিপদৰ প্ৰচুৰ সম্ভাৱনা থকা ক্ষেত্ৰ)—ফৌজদাৰী মোকদ্দমাত পৰিলা; এতিয়া গা চম্ভালি চলিবা; 'নদীৰ হাজা পাইকৰ থাজা' বৰ ডাঙৰ বিপদৰ ঠাই।

**নধৰ-নপৰ লগা (বা কৰ্)**—(আদৰ আদিত বৰ উত্যক্ত হ)—মই যোৱা দেখি গোটেই পৰিয়ালটোৱে 'নধৰ-নপৰ লগালে'; সিদিনা মোক আহিবই নিদিলে।

**ন-আড়ী উজাৰ দি আহ্**—(ঘৃণাৰ ভাৱ উদ্ৰেক হোৱাত পেটত থকা সকলোবিলাক বাজ হব খোজ্)—তুমি মোক খোৱাৰ কথা বুলিছা; মনত পৰিলেই মোৰ 'ন-আড়ী উজাৰ দি আহে'; সেইবোৰ নে মিঠিতে কেনেকৈ খাম!

নপাতা ফুলকৰ্—(মিছাকৈ মহতালি কৰা মানুহ)—তোমাৰ দৰে 'নপাতা ফুলকবিলাকৰ' মুখখনেই সৰল।

ন পাখী পাই যোৱা-পখলা কৰ্—(সুযোগ পাই আনন্দ বা উদং মাৰধৰ কৰ্)—ঘৰটো নতুনকৈ সাজি উলিয়াইছে, কিছুদিন ঘৰ কৰোঁতে সকলো কামে নটি-কাটি থাকিবই সকলোৰে 'ন পাখী পালে যোৱা-পখলা কৰে।'

নপুংসকৰ পুংসৱন—(অসম্ভৱ কোনো কথা বা কাৰ্য)—যেৰৰ পঁজাহুতোখৰিকে ৰাখিব নোৱৰা হৈছোঁ, তুমি আকৌ চিৰৰ ঘৰ সাজিবলৈ উঠিছা; 'নপুংসকৰ-পুংসৱন' পাতিব খোজা যেনহে হৈছে।

ন-পুৰণি কৰ্—(নতুন হৈ পুৰণিক কামত লগা)—সকলো বস্তুৰ 'ন-পুৰণি কৰাহে' ভাল গৃহস্থৰ লক্ষণ।

নমৰা নিজীয়া হ—(ৰোগ আদিত বৰ কষ্ট পা)—মই 'নমৰা-নিজীয়া হ'লোঁ'; সিপাৰ হব পাৰিলেহে ভাল।

নমৰিলেও দহ জনৰ লগত চকু মুদ্—(অন্তৰেৰে সমৰ্থন কৰিব নোৱাৰিলেও বাহ্যিকভাৱে বাইজক সমৰ্থন কৰ্)—নিজৰ আপত্তি থকাতো তথাপি বাইজৰ মতকে সমৰ্থন কৰিলোঁ; 'নমৰিলেও বাইজৰ লগত চকু মুদিব' লাগে।

নমো নমো পাৰিজাত—(অতিশয় পবিত্ৰ বা শুদ্ধাচাৰী)—তেওঁ 'নমো নমো পাৰিজাত'; গা ধুই আহিছে; কেৰে ছুঁচুবা।

নৰকত পৰ্—(পাপ কাৰ্যৰ বাবে কষ্ট পা)—মই যদি মিছা কৈছোঁ, মই 'নৰকত পৰিম'।

নৰাও শুকা মাড়ীও শুকা—(প্ৰয়োজনৰ যোগাৰে নিজে উপাৰ্জন কৰা খাদ্যশস্য তেনেই কম হ)—এইবাৰ থান মাৰেই; কি দেখিছোঁ, 'নৰাও শুকাৰ মাড়ীও শুকাৰ'।

নৰিয়া চাই পথীয়া—(প্ৰয়োজন চাই ব্যৱস্থা)—ডাক্তৰটো কেনে? ঠিক গৃহস্থ যেনে; 'নৰিয়া চাইহে পথীয়া লাগে'।

নলগা ঠেঙাত লাগ্—(নিজৰ অবিবেচনা হেতুকে বিপদ মাতি আন্)—কাৰ গৰুৱে কাৰ ধান খালে, তোৰ কি হ'ল? 'নলগা ঠেঙাত লাগি' কোঁৱলাবী লোকৰ মাত খালি।

নলগা ডাঙোলত খাঁটি বান্ধ্—(নকৰিব লগীয়া কাম কৰি বিপদত পৰ্)—এতিয়াহে বুজি পালোঁ, 'নলগা ডাঙোলত খাঁটি বান্ধিলে' লোকজনহে আহে, লাভ নাই।

নল-জোৰা দি—(নানা প্ৰকাৰে নানা কথা বা ঘটনা যোগা লগাই একোটা জটিল কথা

বা বিজ্ঞ-সাজি ক)—সি এইবোৰ কথা 'নল-জোৰা দি' কৈছে; তাৰ কথাত পতিয়ন নাযাবা।

**নল-মৰি গজালি ওলা**—(পো-পোৱালিয়ে পূৰ্বৰ ঠাই অধিকাৰ কৰ্)—বুঢ়া মৰিলত পুতেকে সকলো কাম চলালি ললে; 'নল মৰি গজালি ওলাল'।

**নলে গলে লগা**—(ঘৰ বন্ধুভাবাপন্ন)—দুয়ো 'নলে গলে লগা' বন্ধু; কাকো এৰি কোনো নাথাকে।

**ন শ মৰিয়াই হ শ খাজ পা**—(মৰিয়া = পিতলৰ সাজ গঢ়া মানুহ। কোনো কাৰ্য কৰি সমূলি ক্ষতিগ্ৰস্ত হ)—মোৰ বেপাৰৰ কথা নকবা; 'ন শ মৰিয়াই হ শ খাজ পোৱা' যেন হৈছে।

**নহৰটেল হ**—( অসাধাৰণভাৱে শ্ৰীমন্ত হ )—তেওঁৰ খেতিডৰা কি চোৱা? 'নহৰটেল হৈছে।'

**নাইকিয়াৰ মাক**—(১। নিঃসন্তান তিৰোতা। ২। সকলো কথাতে 'নাই' বুলি কোৱা তিৰোতা)—১। তেওঁৰ সন্তি-সন্ততিৰ কথা কি কয়? তেওঁ 'নাইকিয়াৰ মাক'। ২। সদায় তেওঁ নাই নাই কৰে; তেওঁৰ দৰে 'নাইকিয়াৰ মাক' দেখা নাই।

**নাই-চোৰোকাটৈকে**—(নাইটো ওলাই থকাকৈ—চুৰিয়া পিন্ধাত খাটে)—'নাই-চোৰোকাটৈকে' চুৰিয়া পিন্ধোতে পিন্ধোতে পেটটো ওলাই গৈছে।

**নাই ভাই নাই মাই বুলি লাগ্**—(ভয়ানক যুঁজ লাগ্)—'নাই ভাই নাই মাই বুলি লাগি' সিহঁতে কাজিয়া পাতিলে।

**নাইত হাত দি**—(সকলোতে 'নাই' বুলি ক)—সদায় 'নাইত হাত দি' থকা ভাল নহয়; থকা বস্তু থকা বুলি কবা; লাগে নিদিবা।

**নাই নাই চাউলপাত বহাই দিয়া ওলা ভাত**—(কিবা বস্তু নাই বুলি কলেও যেনি আন প্ৰকাৰে যোগ্)—তুমি যেনে-তেনেকৈ 'নাই নাই চাউলপাত, বহাই দিয়া ওলা ভাত' বুলি কৈছা হয়; মোৰ হাতত আজি টকা এটাও নাই; তোমাক দিব ক'ৰপৰা?

**নাই-হুই কৰ্**—(নাই বুলি ক; আসে নাত্)—আমাৰ বেকুৰীটো তেওঁলোকৰ ঘৰত মতা দেখিছোঁ; বুঢ়ীয়ে কিন্তু 'নাই-হুই কৰিলে'।

**নাই-হুই হ**—(নিভাজে বোহোৱা হ)—কটাৰীখন এতিয়াই আছিল; নিভাজে 'নাই-হুই হ'ল' কেনেকৈ?

নাই সৌকাটোঁতেই খোবোচ্ কৰ্—(কোনো কাৰ্যৰ ফল লাভৰ বাবে অধৈৰ্য হ)—'নাই সৌকাটোঁতেই খোবোচ্ নকৰিবা'; সকলো কাৰ্যতে ধৈৰ্য ধৰিবা।

নাই বুলিও—(অতি কমেও)—মাছ 'নাই বুলিও' এসাজৰ পালোঁ।

নাই বুলিলেও হাতীৰ শুঁড়ত একলহ পানী থাক্—(সম্পন্ন মানুহৰ হাতত সদায় নাই বুলিও কিছু সম্বল থাক্)—'নাই বুলিলেও হাতীৰ শুঁড়ত একলহ পানী থাকে'; তেওঁৰ হাতত এপইচাও নাই বুলিলে কোনে পতিয়াব?

নাই বুলিলে সাপতো বিষ নাই—(নাথাকিলে একো নাই)—যেনে যেনেকৈ ভাবে, তেনেকৈ ফল পায়; 'নাই বুলিলে সাপতো' হেনো 'বিষ নোহোৱা' হয়।

নাই ভূমি চতুৰ্সীমা—(নথকা মানুহে কিবা বস্তু আদি থকা বুলি কল্পনা কৰি অবাস্তৱ চিন্তা কৰ্)—মাজ-মূলে টকাই নাই; মাটি কিনিম, ঘৰ সাজিম আদি কথা ভাবো কেনেকৈ? 'নাই ভূমি, চতুৰ্সীমাৰ' কথা ভাবি কি হব?

নাই মৰা বুলি জানো মৰাও দেখা নাই—(নিজৰ অভিজ্ঞতা নাথাকিলেও আনক দেখি কোনো কথা শিক্)—নিজে মোটৰ চলোৱা নাই, কিন্তু আনক চলোৱা দেখিছোঁ,—তালকৈ চলোৱা যেনেকৈ চলোৱা বুজিব পৰা হৈছোঁ; 'নিজে নাই মৰা বুলি জানো মৰাও দেখা নাই'?

নাই-মামাতকৈ কণা মামাও ভাল—(মুঠেও নোহোৱাতকৈ সামান্যভাৱে বা নিকৃষ্টভাৱে থকাও ভাল)—মাছ যি পালা সেয়ে উপকাৰত আহিব; 'নাই-মামাতকৈ কণা মামাও ভাল'।

নাইৰ ওপৰত হাত দি—'নাইত হাত দি' চোৱা।

নাই বতাবাটি নাই ভৰাহাতী বুলি কৰ্—(প্ৰাণৰ মমতা এৰি কৰ্; প্ৰাণ টাকি কৰ্)—কামত ধৰিছা যেতিয়া, 'নাই বতাবাটি নাই ভৰাহাতী বুলি কৰিবা'; তেহে কৃতকাৰ্য হবা।

নাইৰ মূৰে—(তলা পেটে; পুৱাকণৰা একো নোখোৱাকৈ)—গা ধুইছাই; এতিয়া 'নাইৰ মূৰে' ধাৰ নালাগে; এমুঠা সাদহকে খাই লোৱা।

নাও কাটোঁতে নাকো হ—(বৰ আড়ম্বৰেৰে কৰা কাৰ্যৰ শেষত সামান্য ফল হ)—আজাৰ সৰেৱৰ কথা নোকোৱাই ভাল; 'নাও কাটোঁতে নাকো হ'ল'।

নাওঁ-নিচিত কৰ—(অতি সামান্যভাৱে বা কেৱল নামৰ নিমিত্তেহে কৰ্)—

সোঁসৰীটোৰ তোগ দিব খুজিছোঁ; বাৰজনী পাইৰ পাখীৰ লাগে; 'নাও-মিমিত কৰি' দিলেও হব।

**নাও-পেটা**—(বৰ ডাঙৰ পেটৰ)—সেই 'নাও-পেটা' মানুহটো মই পুহি থাকিব নোৱাৰোঁ।

**নাও বাই চৰিব শুঁতা খা**—(কামত সহায় কৰিবলৈ গৈ তিৰস্কৃত হ)—তোমাক সহায় কৰিবলৈ আহি 'নাও বাই চৰিব শুঁতা খাবলৈহে' আহিছিলোঁ।

**নাও বুৰি তল পালেও টিঙৰপৰা নানামে**—(সৰ্ব্বস্বান্ত হলেও অহংকাৰ নেৰ)—এদিন ডাঙৰ মানুহ আছিল; তথাপি আজি ডাল-দৰিদ্ৰ; কিন্তু 'নাও বুৰি তল পালেও তেওঁ টিঙৰপৰা নামিব' খোজা নাই।

**নাওঁৰান**—(নিচেই অলপ)—মোক 'নাওঁৰান' লোণ দিয়ক, দৈখিনি খাওঁ।

**নাওৰ বাৰত টুকুৰিয়ালেই বুজ**—(সামান্য সংকেত বা চিনতে সকলো কথা বুজি পা)—মই 'নাওৰ বাৰত টুকুৰিয়ালেই' সকলো কথা 'বুজি' পাওঁ; মোৰ প্ৰতি তোমাৰ কেনে ভাব, তাক বহলাই নকলেও হব।

**নাক উলিয়াব নোৱৰা হ**—(সমাজত ওলালেই লাজ পাব লগীয়া হ)—আমি যে তাৰ কাৰণে সমাজত 'নাক উলিয়াব নোৱৰা হৈছোঁ', সি নো এতিয়াও বুজে নে?

**নাক-কটা**—(নিলাজ)—সি বৰ 'নাক-কটা'; লাজ দিলেও লাজ নাপায়।

**নাক কাট**—(লাজ দি; নিন্দা কৰ)—চুৰ কৰি ধৰা পৰিলত সকলোৱে তাৰ 'নাক কাটিবলৈ' ধৰিলে।

**নাক-কাণ কাট**—'নাক কাট' চোৱা।

**নাক-কাপোৰীয়াকৈ**—(মুখৰ ওৰণীৰে নাকলৈ ঢাকি)—'নাক-কাপোৰীয়াকৈ' আহি তেওঁ নো কি কৈ গ'ল?

**নাক কোঁচা**—(ঘৃণা প্ৰকাশ কৰ)—তাৰ নাম শুনিলেই মানুহে 'নাক কোঁচায়'।

**নাক-খাৰ খা**—(লজ্জিত হ)—তোৰ গুণ-চৰিত্ৰত আমাৰ 'নাক-খাৰ' সোপাই গ'ল।

**নাক-চকু নথকা মানুহ**—(আনৰ দৰে একে সাধাৰণ স্তৰৰ মানুহ; একো বিশেষত্ব নথকা মানুহ)—আনৰ দৰে তেওঁ এজন 'নাক-চকু নথকা মানুহ'; তেওঁৰ বিষয়ে এয়ে।

**নাকটো শুৰি চপাই কাট**—(অতিশয় লাজ দি)—তোমালোকে তাৰ 'নাকটো শুৰি চপাই কাটিব' খুজিছা, সি কিন্তু সহজে পাহৰি যাব।

**নাকত কলা খাব দি**—( বৰকৈ লজ্জিত আৰু অপদস্থ কৰ্ )—যাইতে কিমান বাৰ যে 'নাকত কলা খাব দিছে', সি কেৰেপকে কৰা নাই।

**নাকত কাপোৰ দি**—( আনৰ বেয়া কাম দেখি লাজ পা )—তোৰ কাণ্ড-কাৰখানা বোৰ দেখি লোকে 'নাকত কাপোৰ দিয়ে', তেতিয়া তই কেনে পাৱ?

**নাকত তেল দি শো**—( নিশ্চিন্ত মনেৰে সময় কটা )—তাক আৰু পাবিবলৈ পঠাই তুমি 'নাকত তেল দি শুই' আছা; তাৰ কি হৈছে জানা নে? সি গছৰপৰা পৰি তলত পৰি আছে।

**নাকত বাত্তি লগাই আহ্**—( সন্ধিয়া আন্ধাৰ-হতীয়া হোৱা সময়ত আহ্ )—এদিন পুৱাই আহিবা; এনেকৈ 'নাকত বাত্তি লগাই নাহিবা'।

**নাক মহ**—( সমূলি লাজৰ ভাব নথকা )—সি নো এনে 'নাক মোহোৱা' হ'ল যে যে সেই মাগনী বুঢ়ীৰপৰা চাউল ধাৰ কৰিবলৈ গ'ল?

**নাকনি-কাণনি কৰ্**—( গালি বা অপমানেৰে মাতিব নোৱৰা কৰ্ )—তেওঁ চাৰি এখন বিচাৰি আনি নিজেই বহিল; বুঢ়ীয়ে তেওঁক সোধ-পোচ নকৰি 'নাকনি-কাণনি কৰিবলৈ' ধৰিলে।

**নাক-ফুল**—( নাকত পিন্ধা এবিধ সোণৰ অলঙ্কাৰ )—আজি-কালি তিৰোতাবিলাকে 'নাক-ফুল' নিপিন্ধে।

**নাক-বালি**—( নাকৰ ফুটাত পিন্ধা আঙঠিৰ নিচিনা এবিধ অলঙ্কাৰ )—কোনো ঠাইত ছোৱালীবিলাকে 'নাক-বালি' পিন্ধে।

**নাক-মুখ কৰ্**—( বিশেষ চিন বা প্ৰমাণৰ উপায় কৰ্ )—তেওঁক যদি টকা দিয়া, 'নাক-মুখ কৰিহে' দিবা।

**নাক মা**—'নাক-মাৰ মা' চোৱা।

**নাকৰ ওপৰত মহাত্ত পাৰী**—( কোনো কষ্টসাধ্য কাৰ্য কৰা আগতীয়াকৈ হিচাপ কৰা ভাৱ )—কাৰবাৰত কিমান লাভ হব বুজিছা; মোৰ 'নাকৰ ওপৰত এতিয়াও মহাত্ত পাৰী' আছে।

**নাকৰ কাৰ্নি-হাড় ভাগ্**—( কোনো কাম কৰোঁতে বৰ কষ্ট পা—ব্যঙ্গাৰ্থক )—কাম কৰোঁতে তোমাৰ 'নাকৰ কাৰ্নি-হাড় ভাগিল'; আজিলৈ বোলা!

**নাকৰ তলে ভুঁক্**—( মুখেদি খা—বিদ্রূপাৰ্থক )—আহাৰ বহি, আলাপে; 'নাকৰ তলেৰি ভুঁকি লে'।

নাকৰ পানী চকুৰ পানী একে হ—(বৰকৈ কান্দ্)—মাক মৰা শুনি ল'ৰাটিৰ 'নাকৰ পানী চকুৰ পানী একে হ'ল'।

নাক-হুচা—(নাকেদি তেজ ওলোৱা ৰোগ)—ল'ৰাটোৰ নাকেদি কেইবাবাৰো তেজ গ'ল; 'নাক-হুচাৰ' দৰব যা কোনে জানে?

নাকান্দ ছলি পাবি, বাপেৰে গৈছে কল কৰলৈ, থোক পৰিলে খাবি—(মিছা আশা দেখুৱা কাৰ্য)—আমি গুৱাহাটীত মাটি কিনিব খুজিছোঁ; তাতে ঘৰ সাজি বেড়িয়া আমি তাত থাকিমগৈ, তেতিয়া নিতৌ চিনেমা চাব পাৰিবা; 'নাকান্দ ছলি পাবি, বাপেৰে গৈছে কল কৰলৈ, থোক পৰিলে খাবি'।

নাকাল কৰ্—(বৰকৈ লাঞ্ছিত কৰ্)—মেলেকি খুৰাক কায়দাত পাই সমাজে সিদিনা 'নাকাল কৰিছে' এৰি দিলে।

নাকী লগা—(সম্পূর্ণৰূপে আয়ত্ত ৰাখ্)—তাক 'নাকী লগাইছোঁ'; সি মোৰ কথা পেলাব নোৱাৰে।

নাখাই খুৱা—(উপায়হীন হৈও বৰ কষ্টেৰে আনক সহায় কৰ্)—মই তাক 'নাখায়ো খুৱাইছোঁ', সি যদি মানুহ হয়, মোৰ শলাগ পুৰি থাব নোৱাৰে।

নাখালে কৰিব নোৱাৰা, খালে লৰিব নোৱাৰা—(সকলো সময়তে অকৰ্ম'ণ্য বা এলেহুৱা স্বভাৱৰ)—মোৰ চাকৰটো বৰ কামিলা; সি 'নাখালে কৰিব নোৱাৰে, খালে লৰিব নোৱাৰে'।

নাগ-ফুটোৱা—(পাতাল-ফুটা; বৰ দ')—তেওঁৰ পুখুৰীটো 'নাগ-ফুটোৱা', পানীও বৰ ভাল।

নাগেৰা চটাই খা—(চটা=জিভা। পেট ভৰাই গিল্)—সি আজি মাছ-মঙহ পাই 'নাগেৰা চটাই খালে'।

নাগেৰা পিটা দি—(বৰকৈ মাৰ্)—বাপেকে পুতেকক 'নাগেৰা পিটা দিলে', তেও যদি কথা শুনে!

নাঙল ধোৱা পিঠা—(হাল উঠাৰ দিনা খোৱা পিঠা-পনা)—আজি আমাৰ হাল উঠিল; 'নাঙল ধোৱা পিঠা' খাবলৈ তুমিও আহিবা।

নাচনৰ ধন কাছৰত যা—(এনেকৈ আয় হলেও আন ফালেদি উভালে খৰচ হ)—একোটা বাড়িতে চাৰিকাল কিমান আৰ্জিছে, তাৰকুৰে দেখিছা; কিমান গৈছে, তাকো চোৱা; দেখিবা, 'নাচনৰ ধন কাছৰত যায়'।

নাচ-বাগ কৰ্—(গীত, নাচ আদিৰে আনন্দ কৰ্)—লগা-লৰাহঁতে 'নাচ-বাগ কৰিবই'; আমি বুঢ়াবিলাকে তাত বিৰক্ত হব নালাগে।

নাজল-নাখল—(নাদাই-নাথাদি; নিৰাশ্ৰয়)—মাউৰাটো 'নাজল-নাখল' হৈছে।

নাটনি-হকুৱা—(সদায় অভাৱত থাকিব লগীয়া ভাগ্যৰ)—এই পৰিয়ালটোৱে ইমান খাটে, তথাপি সদায় খাবলৈ নোজোৰে কিয়? পৰিয়ালৰ কোনোবা 'নাটনি-হকুৱা' আছে।

নাড়ী-কপটীয়া—(কপটী)—তেওঁ 'নাড়ী-কপটীয়া' মানুহ; পেটৰ কথা নোপোৱা।

নাড়ী-ছিগা—(খাবলৈ নাপাই নাড়ী শুকাই যোৱা)—'নাড়ী-ছিগা' ল'ৰাটোৱে নো কেই গৰাহ ভাত খাব?

নাড়ী-জ্ঞান কৰ্—(হাতৰ নাড়ী টিপি চাই শৰীৰৰ অৱস্থা নির্ণয় কৰ্)—কবিৰাজে 'নাড়ী-জ্ঞান কৰি' কলে বেমাৰীটো ভাল নহয়।

নাড়ীত বহি জাবি ওকোট্—(পূৰণি বহুত দিনৰীয়া কথা ক)—জীয়েকক দেখা পাই বুঢ়ীয়ে 'নাড়ীত বহি জাবি ওকোটিবলৈ' ধৰিলে।

নাড়ী-নক্ষত্ৰ বিচাৰ কৰ্—(কোনো মানুহৰ বিষয়ে জ্যোতিষৰ বিচাৰ কৰি চা)—'নাড়ী-নক্ষত্ৰৰ বিচাৰ নকৰি' বিয়াটো পতাই ভাল।

নাড়ী পখাল দি—(সম্পূর্ণৰূপে সকলো অংশ পৰিষ্কাৰ কৰি দে)—আজি পুৱাৰপৰা 'নাড়ী পখাল দিওঁতে' এদিনৰ বেলি হেলি গ'ল।

নাড়ী পাক খা—(১। পেটত এবিধ ৰোগ হ। ২। লঘোন দি দি বৰ কষ্ট পা)—১। ডাক্তৰে চাই কলে যে মানুহটোৰ 'নাড়ী পাক খাইছে,' অস্ত্ৰোপচাৰৰ বাবে গুৱাহাটীলৈ নিব লাগে। ২। বাপুৰ আজি 'নাড়ী পাক খাইছে'; এদিনো লঘোন টানিব নোৱাৰা নে?

নাড়ী-মৰা—'নাড়ী-ছিগা' চোৱা।

নাড়ী শুকা—(লঘোনে থাক্)—তেওঁক চাই 'নাড়ী শুকাব' নালাগে; তুমি লোৱা নাহি।

নাতি-নতিকাৰ—(নাতি-পুতি)—বুঢ়াৰ 'নাতি-নতিকাৰ' অনেক; কিন্তু মৰাৰ সময়ত কাৰো মুখ দেখা নাপালে।

নাতি-পুতি—(নাতি আৰু বংশৰ বাঢ়ি যোৱা আন মানুহবিলাক)—'নাতি-পুতিৰে' বেঢ়ি থাকিলে বুঢ়াই বল বং পায়।

নাপুকাৰ কৰ্—(হুই কৰ্; অস্বীকাৰ কৰ্)—গিৰীহঁতে তাক আমোলন গছতে ধৰিলে; এতিয়া সি 'নাপুকাৰ কৰিলে' কোনে পতিয়াব?

নাদৰ ভেকুলী—(ঘৰপৰা নোলোৱা মানুহ)—আমি 'নাদৰ ভেকুলী'; বাহিৰৰ একো তু-তা নাপাওঁ।

নাদনা দবা—(নমতাকৈ অহা মানুহ; আদৰ নোহোৱা অতিথি)—এই ঠাইত মই 'নাদনা দবা'; মোৰ প্ৰতি কোনে মনোযোগ দিব?

নাম্-বামী—(চেম্‌বেলাই ঘুৰা ফিৰোতা)—সেইজনী 'নাম্-বামী', য'ত যি পায়, তাকে কয়।

নানান পটন্তৰে ক—(বিভিন্ন প্ৰকাৰে বা কৌশলেৰে)—মই তেওঁক 'নানান পটন্তৰে কৈ' চালোঁ, কিন্তু তেওঁ একোতে খাব নাখালে।

নাম্ভং-সবম্ভং—(সম্পূৰ্ণ নিঃসম্বল)—এনে 'নাম্ভং সবম্ভং' হৈ জীৱন ধৰাত কাম নাই।

নাপাই-নথৈ—(উপায়ান্তৰ নোহোৱা হৈ)—'নাপাই-নথৈ' তোমাৰ ওচৰলৈ আহিছোঁ; কিবা এটা কৰা।

নাবা বুলিলেও চাবি চাপৰি যা—(উন্নাসত অতিৰিক্তকৈ কোনো কাৰ্য কৰ্)—'নাবা বুলিলেও' সি 'চাবি চাপৰি যায়'; সি কামত ধৰিলে অলপ চতাল কৰিবা।

নাবাজ-বাজ—(নানাবিধ নগীয়া বজ্ঞাল)—অনাহক 'নাবাজ-বাজত' পৰি হাৰাশাস্তি হলোঁ।

নাভূত-নাশ্ৰুত—(নোহোৱা-নুশুনা; অতিশয় অসম্ভৱ)—এনে 'নাভূত-নাশ্ৰুত' কথা কলে কোনে পতিয়াব?

নাম-কটা চিপাহী—(কাম-কাজ নকৰি ঘূৰি ফুৰা মানুহ)—মই এতিয়া 'নাম-কটা চিপাহীৰ' নিচিনাই হলোঁ; কিবা এটা কৰিবলৈ লাগিব।

নাম-কথা—(গুৰুৱে গোপনে শিষ্যক দিয়া ধৰ্ম-উপদেশ)—গুৰুজনাই 'নাম-কথা' দিছাব; তাক কাকো নকবা।

নাম কৰ্—(প্ৰখ্যাত হ)—পৰীক্ষাত এইবাৰ তেওঁ 'নাম কৰিলে'; আগেয়ে তেওঁক কোনে জানিছিল;

নাম-কৰণ—(কেঁচুৱাৰ নামকৰা উৎসৱ; পাৰ্টি)—তোমাৰ ল'ৰাটোৰ, 'নাম-কৰণ' নাপাতা নে?

নাম কাট্—(নাম বা পদবপৰা নাম গুচা)—বিবেক বৰুৱা কেতিয়াও অহা নাই, সিহঁতৰ 'নাম কাটি' দিয়া।

নাম কাঢ়্—(নাম উচ্চাৰণ কৰ্)—বয়সিয়াল লোকৰ 'নাম কাঢ়িব' নাপায়।

নাম কাঢ়িব নোৱাৰি তাতৈ বোল্—(উপায় নাপাই সন্মান প্ৰকাশ কৰ্)—সি তোমাৰ ওচৰত এনেয়ে সেও হোৱা নাই, 'নাম কাঢ়িব নোৱাৰিহে তাতৈ-বুলিছে'।

নাম খাৰিজ কৰ্—(পঞ্জীয়নৰ পৰা নাম কাট্)—এই মাটি তেওঁৰ দখলত নাই দেখি তেওঁৰ 'নাম খাৰিজ কৰা' হৈছে।

নাম-ঘৰ—(বৈষ্ণৱসকলে ঈশ্বৰৰ নাম লোৱা ঘৰ)—আমাৰ 'নাম-ঘৰ'টো তেতিয়া গাঁৱৰ পাৰে আছিল।

নাম-চাপৰি দি—(নাম-কীৰ্ত্তন পাতি সমাজক সন্মান কৰ্)—তেওঁ আমাক 'নাম চাপৰি' এটা 'দিব', আমি সকলো দোষ মাৰ্জনা কৰিলোঁ।

নাম জ্বলা—(প্ৰখ্যাত হ)—তেওঁৰ তৃতীয়া পুতেকে 'নাম জ্বলালে'; সকলোৱে তেওঁৰ প্ৰশংসা কৰিছে।

নাম জাৰি কৰ্—(পঞ্জীত নাম ভৰ্ত্তি কৰ্)—মাটিতোখৰ কিনি উঠি 'নাম জাৰি কৰাই' লবা।

নাম ডাক্—(নাম-কীৰ্ত্তন আৰম্ভ কৰ্)—পূজা শেষ হ'ল; এতিয়া 'নাম ডাকক'।

নাম ডুবা—(দুৰ্নাম কৰ্)—তাৰ এই অপকৰ্মই গোটেই বংশৰ 'নাম ডুবালে'।

নাম তলতৈ দি—'নাম ডুবা' চোৱা।

নাম থ—(১। নাম লোৱা শেষ কৰ্। ২। কোনো বস্তু বা মানুহক আনুষ্ঠানিক নাম ৰাখ্)—১। ৰাতি বহুত হ'ল, এতিয়া 'নাম থওক'। ২। ল'ৰাটোৰ কি 'নাম থলা'?

নাম-দাঁতি—(১। পৰ্বতৰ নামনিৰ অংশ। ২। পৰ্বতৰ কাষত থকা সমান ঠাই)—১। পৰ্বতৰ 'নাম দাঁতিতহে' হাবি-বননি, ওপৰত আগ উদং। ২। 'নাম-দাঁতিৰ' খেতিৰ উপযোগী মাটিত সমৃদ্ধিশালী গাঁওবোৰ।

নাম ধৰ—(চাপৰি বজাই নাম গা)—মই 'নাম ধৰিবলৈ' নাজানো।

নাম-নাচনলগে—(অলপকৈ; সামান্যভাৱে)—'নাম-নাচনলগে' লিখাপঢ়া কৰি দূৰৰ বাট চলোৱা।

নাম ফুটা—(১। নাইকিয়া হ। ২। সন্মান নষ্ট হ)—১। 'আমিকেইজনা' তেওঁৰ

'নাম ডুবাব,' তেওঁৰ বংশৰ আৰু কোনো নাই । ২। মোৰ এই কামে বংশৰ 'নাম ডুবালে'।

নাম-কলি খোঁটা—(আখৰ খোঁটাবলৈ শিক্)—ল'ৰাটোৱে এতিয়াহে 'নাম-কলি খোঁটাব' লাগিছে।

নাম কাটি-চুটি যা—(বিশেষ বদনাম হ)—কুপুত্ৰৰ গুণে তেওঁৰ 'নাম আজি কাটি-চুটি গৈছে'।

নাম মাত্—(তালিকাৰপৰা নাম ওলা)—কোন কোন আহিছে, 'নাম মাতি' চোৱা।

নাম মাত্ৰ—(১। অলপ, সামান্য। ২। নামতহে, কামত নহয়)—১। পাখীৰ নামেই, 'নাম মাত্ৰহে' পালোঁ। ২। ইংলণ্ডৰ ৰজা 'নাম মাত্ৰ' ৰজা; সকলো ক্ষমতা পাৰ্লিয়ামেণ্টৰ হাতত।

নাম মুৰি (বা মুৰে)—(জৰে পৰি)—'নাম মুৰি' কুৰিটাকৈ আম দি যোৱা।

নামৰ মুখে থাক্—(নাম লোৱাৰ পিছত একো নোখোৱাকৈ থাক্; অনাহাৰে থাক্)—নাম-ঘৰৰপৰা আহি শুনিলোঁ, খাবলৈ একো নাই; সেই দেখি 'নামৰ মুখে আছোঁ'।

নাম ল—(১। ঈশ্বৰৰ নাম কীৰ্ত্তন কৰ্। ২। মনত পেলা। ৩। আশ্ৰয় প্ৰাৰ্থনা কৰ্)—১। পা দুই উঠি 'নাম লব' লাগিছে। ২। এদিন মোৰ 'নাম লবই' লাগিব। ৩। সি এতিয়া টানত পৰিহে মোৰ 'নাম লৈছে'।

নাম লগা—(নাম ভৰ্ত্তি কৰ্)—আজি ল'ৰাটোৱে স্কুলত নাম লগাইছে।

নামলৈ খেদ্—(খ্যাতিলৈ হাবিয়াস কৰ্)—তেওঁ 'নামলৈ খেদিছে', সেই দেখি ধন পুঁজি পাতিছে।

নাম শুনিলে মাটিত দাঁত কিলা যা—(কোনো বস্তু বা মানুহ আদি বিৰক্তি বা অসন্তোষৰ কাৰণ হোৱা হেতুকে, সেই নাম বা পেলাই দিয়া মাত্ৰকে খঙত উত্তেজিত হ)—দুয়োই বিয়াত তেওঁৰ নামটো; তেওঁৰ 'নাম শুনিলেই মাটিত দাঁত কিলা যাবে'।

মাতাতি-জিভা—(বৰ কথকী স্বভাৱৰ হোৱা)—তেওঁলোকজনী কিছু 'মাতাতি-জিভা'; কিন্তু মনতো কাহাৰো বেয়া নাপাবে।

মাতাতি বগ জিল্—(মাত-বোল নকৰাকৈ স্বাৰ্থসিদ্ধি কৰ্)—'মাতাতি বগ জিলিকাই' জিলাটো বগ তাৰ কৌশল।

**না মামাৰ ঘৰ না পাকঘৰৰ ভাল হ**—( নিবাসৰ অসুবিধা পৰ্ )—এই গাঁৱত বসতি কৰিবলৈ আহি 'না মামাৰ ঘৰ না পাকঘৰৰ ভাল' যেনেহে হলোঁ; গাঁৱৰ পুৰণি মাটিও বেচিলোঁ, কিন্তু ইয়াতো কিমান সুযোগ পোৱা নাই।

**নামে কাট্**—( পুৰণি প্ৰখ্যাতিৰ গুণেই আদৃত হ )—তেওঁৰ নিজৰ পণ্ডিতালিযশৰ নাই; অধ্যাপকৰ পুতেক বুলি 'নামে কাটিছে'।

**নাথাওঁ-মথাওঁকৈ**—( অনিচ্ছাৰে )—তেওঁ 'নাথাওঁ-মথাওঁকৈহে' কামটোলৈ আগবাঢ়িছে।

**নাৰদ নাম**—( শুভকাৰ্যত হঠাৎ কিবা বিঘিনি বা অমঙ্গল হ, বা কাজিয়া লাগ্ )—বৰ ওলাবৰ সময়ত 'নাৰদ নামিল'; বৰযাত্ৰীবিলাকৰ মাজত কিহবাৰ বাক্-বিতণ্ডা লাগিল।

**নালত চা নে দাপোণত চা**—( বৰ ধুনীয়া বা মূল্যবান হলেও, সেইটো এৰি যিটো বস্তু বা বিষয় যি কামৰ উপযোগী, সেইটোৰেহে কাৰ্য সমাধা কৰ্ )—লোক ভাল কিন্তাপহে লাগে, ধুনীয়াকৈ মেকোৱা হলে ভাল, নহলেও নাই; নই 'নালত চাব নে দাপোণত চাব', কওকচোন।

**নাল লগোৱা কথা**—( বঢ়াই কোৱা মিছা কথা )—তেওঁৰ এইবোৰ 'নাল লগোৱা কথা'; যেয়ে বিশ্বাস কৰে, তেওঁ নিজতে কণা।

**নালটৈ চা নে দাপোণটৈ চা**—( সংশ্লিষ্ট দুটা বা কেইটা বিষয়ৰ সৰুটো বা সৰুবোৰ প্ৰথমতে এৰি ডাঙৰটোৰ বিষয়ে প্ৰথমে বিবেচনা কৰ্ )—বিয়নীয়ে মোক বিধিবিধি কথা শুনালে, মই তাৰ সমুচিত উত্তৰ দি তেওঁৰ মুখ মাৰিব পাৰিলোহেঁতেন; কিন্তু ছোৱালী একনী দিছোঁ,—সাতাম পুৰুষীয়া কুটুম; সেই দেখি একো নকৈ উভতি আহিলোঁ; মানুহে 'নালটৈ চায় নে দাপোণটৈ চায়'?

**নালে পাতে যা**—( ১। বৰকৈ খটুৱা। ২। বৰকৈ তিৰস্কাৰ কৰ্ )—১। তেওঁ চাকৰক 'নালে পাতে যায়'; সেই দেখি কোনো চাকৰ বেছি দিন নাথাকে। ২। কাম যদি বা, নহলে 'নালে পাতে যায়'।

**নাৱৰ বল বঠা, খাজৰ বল কঠিয়া**—( উপযুক্ত যোগাৰ থাকিলেহে সফলতা লাভ ভালকৈ কৰিব পৰা যায় )—ভাল চাই বাহ এটা আৰু চোকা দা এখন আনা; নহলে কেনেকৈ এনেয়ে হব নে? 'নাৱৰ বল বঠা, খাজৰ বল কঠিয়া'।

**নাৱৰ ফুটুত চকি মাৰ্**—( যঁত যি কৰিলে কাৰ্যসিদ্ধি হয়, তাকে অলপি আগতে কিবা কৰ্ )—পুলিচটোক ভৰিত আগ-পোৰৰ কিবি কুকি-মিৰা কৰ্ত? নাৱৰ ফুটুত চকি নামাৰি 'নাৱৰ ফুটুত চকি মাৰে কোনে'?

**নাৱে-ভৱে**—(পাৰীয়ে পাৰে)—সেই দিনত 'নাৱে-ভৱে' অসমৰপৰা জগন্নাথলৈ যাওঁতে কেৱা মাহো লাগিছিল।

**নাহৰ গছ কাট্**—(অতিশয় টান কাম কৰ্)—তই নো ক'ব 'নাহৰ গছ কাটিবলৈ' গৈছিলি যে আঘালি-আঘালি লাগিল?

**নাহৰতকৈ হুকাঠী ওলা**—(ডাঙৰতকৈও ডাঙৰ ওলা—বিদ্রূপ অৰ্থত)—তেওঁ 'নাহৰতকৈও হুকাঠী ওলাইছে'; আমাৰ দৰে নব-মনিচে তেওঁৰ মহিমা কেনেকৈ বুজিব?

**নাহৰৰ গুৰি কাট্**—(বৰ টান কাম কৰ্)—এনে কাম কৰাতকৈ 'নাহৰৰ গুৰি কটাও' ভাল।

**নাহৰৰ গুৰি (বা জাৰ) পোৱা**—'নাহৰৰ গুৰি কাট্' চোৱা।

**নিগনি চিং হৈ মৰ্**—(নিগনিকেও খুদ-কণ নোপোৱা দুখীয়া অৱস্থাৰ হ)—আপোনাক পাঁচ টকা নালাগে পাঁচ পইচাও দিব নোৱাৰোঁ; মোৰ গৃহস্থালি কেনে জানে নে? ইয়াত 'নিগনিও চিং হৈ মৰিব' লগীয়া হৈছে।

**নিগমে মৰ্**—(সম্পূৰ্ণ নিৰুপায় হ)—মই বাবু মুখৰপৰা মাৰি খাওঁ কেনেকৈ? এতিয়াতে 'নিগমে মৰিলোঁ'।

**নিচলা পিছলা**—(গাত সমূলি কাপোৰ নথকা)—সেই 'নিচলা-পিছলা' ল'ৰাটোৱে জাৰত কেনেকৈ কঁপিছে!

**নিচান-চহী**—(দস্তখত নাজানি তাৰ সলনি দিয়া চিন)—আজি-কালি বুঢ়া-মেথাবো দস্তখত দিয়ে; তই নো 'নিচান-চহীকে' দি থাকিবি নে?

**নিছিৰী কৰ্**—(সেঠা মাৰাথি শেষ কৰ্)—বহিছোঁ যেতিয়া, সেইটো 'নিছিৰী কৰি' উঠাহে ভাল হব; সাপ মাৰি নেজত বিষ এৰা উচিত নহয়।

**নিজৰি পৰ্**—(মল বা লেদ তলত গৈ নিৰ্মল হ)—পানী কলহ 'নিজৰি পৰিলে' ব্যৱহাৰৰ উপযোগী হয়।

**নিজৰ দি**—(হাই কৰিবলৈ এৰ্)—বোপাইক, গৰুকেইটা অলপ 'নিজৰ দেচোন'; চোতালত বহি অলপ জহ পা।

**নিজম পৰ্**—(হাই নোহোৱা হ)—সাঁজ-বোৱালীৰ উকলে; ঘৰটো এতিয়াহে অলপ 'নিজম পৰিছে'।

**নিজৰ গাটোকে বলে নোৱাৰ্**—(বল দুৰ্বল হ)—বহিলাই মোক পাৰি পেলাইছে; 'নিজৰ গাটোকে বলে নোৱাৰা' হৈছোঁ।

**নিজৰ চাবি পুৰা বাব বান্দৰে খা**—(নিজৰ বস্তু নিজে চলাব নোৱাৰা হেতুকে বিত্তৰ ক্ষতি হ)—আনৰ কাম কৰিবলৈ মোৰ সময় ক'ত? 'নিজৰ চাবি পুৰাকে বাব বান্দৰে খাব' লাগিছে।

**নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰ্**—(শত্ৰুৰ অনিষ্ট কৰিবলৈ নিজেই নিজৰীৰ কাম কৰ্)—তুমি কব খোজা গহজোপাই তোমাৰ শত্ৰুৰ পৰিয়ালৰ অপকাৰ কৰিব, কিন্তু তোমাৰো নিজৰ কম অপকাৰ নহব; তেনে হলে, তাক কই 'নিজৰ নাক কাটি শত্ৰুৰ যাত্ৰা ভঙ্গ কৰিবলৈ' ওলাইছা কিয়? .

**নিজৰ মেওঠনীত তেল দি**—(নিজৰ কৰ্তব্যত মনোযোগ দি)—আনে কি কৰা উচিত অনুচিত, তাকে ভাবি মূৰ ঘমোৱা কিয়? 'নিজৰ মেওঠনীত তেল দিলেহে' নিজৰ উপকাৰ হব।

**নিজৰ বঢ়া ভাত আনে কাঢ়ি খা**—(নিজৰ প্ৰাপ্যৰপৰা বঞ্চিত কৰ্)—মই 'আনৰ বঢ়া ভাত কাঢ়ি খাবলৈ' যোৱা নাই; তেন্তে দলত আনে মোৰ অপকাৰ কৰে কিয়?

**নিজৰ ৰাৰী ভাল হলে আনৰ ছাগল নাহ্**—(পৰা পক্ষত নিজকে কোনো কথাত অপৰাধী কৰিও শাস্তি স্থাপন কৰিবলৈ বিচাৰ্)—সি তোক মাৰিলে, সেই বুলি দোষ অকল তাৰেই নে? তইনো তাৰ লগ লাগিছিলি কিয়? 'নিজৰ ৰাৰী ভাল হলে আনৰ ছাগল আহিব নোৱাৰে।'

**নিজৰ বেলি আতিপতি পৰৰ বেলি চুৱা মাটি**—(আপোন-পৰ ভাৱ কৰি নিজক ভাওৰ বা মূল্যবান পাতি আনক উপেক্ষা বা তাচ্ছিল্য কৰ্)—কোনো কথা বা কামতে 'নিজৰ বেলি আতিপতি পৰৰ বেলি চুৱা মাটিৰ' ভাৱ নেদেখুৱাবা; নিজলৈ চাইহে আনৰ প্ৰতি ব্যৱহাৰ কৰা উচিত।

**নিজৰ ভৰিত নিজে কুঠাৰ মাৰ্**—(নিজে নিজৰ অপকাৰ কৰ্)—এতিয়া উদুল-বুলকৈ সময় কটাব পাৰিবা; কিন্তু 'নিজৰ ভৰিত নিজে কুঠাৰ মৰাহে' হব

**নিজৰ মঙহ নিজে খা**—(আনক অনুচিত শাস্তি দিবলৈ যাওঁতে নিজৰে অনিষ্ট কৰ)—মাহুতটোৱে সমাজ একঘৰ অপমান কৰি নিৰ্দিষ্ট শাস্তি পাঁজ, আৰু এই কাপুৰুষটোক চাই থাকিল; নবিয়া-পাটিতে কথাটো শুনি বহুতো অৱশেষত 'নিজৰ মঙহ নিজে খাবলৈ' ধৰিলে।

**নিজৰ মুখৰ ঢেকা, হাতেপাতেত চাবি চল্**—(নিজৰ বোজনা কথা যদি আনক

জপৰীয়া কৰ্)—মোৰ গৰুটোৱে তেওঁৰ পকা ধান খালে, সেই উপৰি গৰুটো জখিল; এতিয়া দোষী মই নে তেওঁ ? 'নিজৰ মুখ বেঁকা' জানিও কোনোবাই 'দাপোণত চাবি চৰ' মাৰিব পাৰে; মই নামাৰোঁ।

**নিজৰ লগুণ পৰক দি বামুণ হতাশমৰি হ**—(হতাশন হ = হা-হুতাশ কৰ্। আনক সহায় কৰি নিজে নিঃসম্বল হ)—মগনীয়াটোক গাৰ চোলাটোকে দানেকাই দি তেওঁ জাৰত কঁপিবলৈ ধৰিলে। 'নিজৰ লগুণ পৰক দি বামুণ হতাশন হ'ল'।

**নিজাম পৰ্**—'নিজম পৰ্' চোৱা।

**নিজান কাটক**—(উগ্ৰ দোষীক অকলশৰীয়াকৈ ৰাখি দিয়া কাটক)—সাধাৰণ দোষত 'নিজান কাটক' খাব বুলি সি ভাবিবই পৰা নাছিল।

**নিজাৰ দি পক্**—(গছৰ আটাইবোৰ ফল একেলগে পকিবলৈ ধৰ্)—এই আমবোৰ জেঠ মাহতে 'নিজাৰ দি পকে'; আহাৰলৈ এটাও নাথাকে।

**নিজাৰ পৰ্**—(পাত, ফুল আদি সৰি নঠা হ)—এই গছবোৰ বছৰৰ কোনো সময়তে 'নিজাৰ নপৰে'; ধুনীয়া পাতবোৰ সদায় থাকে, মাজে মাজে বৰণ সলায়।

**নিজীউ-নিপুত্ৰী**—(সন্তি-সন্ততি নথকা)—অৱশেষত নাতিয়েকটোৱেও এৰা দিলে; বুঢ়ী 'নিজীউ-নিপুত্ৰী' হ'ল।

**নিজীউ-নিপুই**—'নিজীউ-নিপুত্ৰী' চোৱা।

**নিটাল মাৰ্**—'নিজম দি' চোৱা।

**নিঠৰুৱা হ**—(আশ্ৰয়হীন বা নিঃসম্বল হ)—পুতেকটো অকালতে মৰিল; কাণী বুঢ়ী 'নিঠৰুৱা হ'ল'।

**নিচালে পৰ্**—(নবিয়া আদিত সকলো বাগৰি পৰ্)—এই জ্বৰত ঘৰ নিয়মে সকলো 'নিচালে পৰিছে'।

**নিত-বাট**—(চলিত নিয়ম)—তুমি জেনে কৰিব খুজিছা; কিন্তু 'নিত-বাট' এইটোহে।

**নিদানৰ মাত**—(ডাঙৰ বিপদত বন্ধুৰ সহানুভূতি)—তেওঁৰ এনে বিপদ; তুমি এবাৰ যোৱা; 'নিদানৰ মাত' আকাশৰ তৰাৰ দৰে বৰ মূল্যবান।

**নিনিউঁ-মেৰেঁটিক**—(বহুত বেছি মূল্য)—'নিনিউঁ-মেৰেঁটিকে' তেওঁৰপৰা পাঁচ টকা লবকালোঁ।

**নিনিৰৰ দেওধাৰ**—(কোনো বস্তু আদি নিৰ্বিবাদে ধৰিবলৈ উঠিলা দিয়া কথা)—যতদূৰ নিতাদি তেওঁৰ কাষলৈ যোৱা; নেদিবা, তিতাল যে 'নিনিৰৰ দেওধাৰ' উঠিলাৰ।

**জিজিৰক কুটুম থাকক তাতে, তাক পাব মই জিকাব কালত**—(আপোনাৰ জন সদায় সহানুভূতিশীল নহলেও বিপদে আপদে এদিন আশ্ৰয় দিব হ)—তেওঁ তোমাৰ ভেনেই আপোন ; আজি নহলেও কেতিয়াবা এদিন তোমাৰ সহায় হব পাৰে ; সেই দেখি জ্ঞানী লোকে কয়,—'জিজিৰক কুটুম থাকক তাতে, তাক পাব মই জিকাব কালত'।

**জিজিয়া-গাঁত**—( অতিশয় কৃপণ লোক )—সেই মহ-মুৰুব্বজন 'জিজিয়া-গাঁত' ; কাকো কাহানিও ছাই এমুঠিও নিদিয়ে।

**জিজিলে বজিব লাগ্**—( কৃপা কৰা লোকক প্ৰশংসা কৰিবলৈ বাধ্য হ )—এসময় নিন্দা কৰি থাকিলেও আজি তাৰ কাষ চাপিবলৈ বাধ্য হলোঁ ; 'জিজিলে বজিব লাগে',— এই কথা মনত পৰিল।

**জিধাতু খা**—( পৰিশ্ৰম আদিত উৎসাহ-উদ্দীপনা নোপোৱা হ )—দৌৰি দৌৰি 'জিধাতু খাইছোঁ'।

**জিপয়হ মাৰ**—( সান্ত্বনা নোহোৱা হ )—পিতৃহীনে 'জিপয়হ মাৰিলে' ; চোৰ বাটৰপৰা ওলাল।

**জিবুকীয়ে পাঁও ভাঙ্**—( দেখাত বৰ সৎ লোকে ভিতৰি ডাঙৰ অনিষ্ট কৰ্ )—তেওঁৰ এই কামত আচৰিত নহবা ; 'জিবুকীয়ে পাঁও ভাঙে'।

**জিবোকা চাবোম**—( চাবোম—এটা দেও। বৰ কৰ্কশ কথা কোৱা মানুহ )—সেই 'জিবোকা চাবোমটো' কিয় বা আহিল ? আজি কিবা কব নেকি ?

**জিমখ-হাবাম**—( অকৃতজ্ঞ লোক )—সি বৰ 'জিমখ-হাবাম' ; তেনে মানুহে কাৰ সহায় পাব ?

**জিয়াও-মাও**—( মানুহৰ শব্দ নথকা ; নিৰ্জন )—তেওঁ থকা ঠাইখন বৰ 'জিয়াও-মাও' ; দগৰৰ হাই-উৰুমিয়ে নাপায়।

**জিয়াত পক ও নোয়াত কাল হ**—'জিবুকীয়ে পাঁও ভাঙ্' চোৱা।

**জিয়াতী কন্যা**—( মনকে কথা নোকোৱা পৰীৰ ছোৱালী )—আমি বা কি জানো, আমাৰ 'জিয়াতী কন্যাই' কেতিয়া মাত দিয়ে !

**জিমুৰ-মুৰীয়াকৈ**—( ১। ঠাল ঠেঙুলি মাৰাবি উকলাকৈ। ২। সহায় সম্বল নথকাকৈ। ৩। অকণো সময় আদি হাতত নথকাকৈ )—১। গছজোপা 'জিমুৰ-মুৰীয়াকৈ' মৰিলাকা। ২। মাজ লোক 'জিমুৰ-মুৰীয়াকৈ' এৰি গ'ল। ৩। এনে 'জিমুৰ-মুৰীয়াকৈ' মই কাপোৰখন কাতিব ভিতৰত কেনেকৈ বই দিব ?

**জিভুৱে-মুৱীয়া হ**—(সকলো বলি-বলি অপমানীয়া হ)—পানিয়াসৰ সকলোটি ক'লাবকত হুকাল; বুঢ়ী 'জিভুৱে-মুৱীয়া হ'ল'।

**জিৰৰ-ভঙা**—(১। জলৰ আগ-ঠেং দুখনৰ মাজেদি আগ বাঢ়ি থকা তিতিৰ জনৰ ভাগ। ২। দবাৰ লগত বাতি জিৰৰ ভাতি কইনাৰ খবলে যোৱা বাবে খোৱা তামোল-পাণ, তোৰ আদি)—১। কলা গৰুৰ 'জিৰৰ-ভঙাটো' বৰ চকুত পৰা। ২। আমাক 'জিৰৰ-ভঙা' লাৰ আৰু তামোল-পাণ দিয়ক।

**জিয়াৰিব মুৰত মাৰ্**—(যত কেনেকৈ কহিলে কামটো ভাল হয়, ঠিক তেনেকৈ কৰ্)—তাক সংকেত কৰি বাখিবলৈ কলা নাই দেখি পৰা নাই; 'জিয়াৰিব মুৰত মাৰিলেহে' সো সহজে গড় দিব পাৰি।

**জিয়াৰিব মুৰত মৰি হ**—(ঠেকত পৰিলেহে সকলো দুষ্ট মানুহো বশ হ)—সো জিয়াৰিব মুৰত পোৱা হয়; তেনেকৈ 'জিয়াৰিব মুৰতহে' মানুহো 'মৰি চৰ

**জিয়াৰিব মুৰ পা**—(ঠেকত পৰ্; ইকাতি সিকাতি কৰিও একবাৰ যোৱা হ)—পৰীক্ষা চাওঁতে চাওঁতে আহি পালে, মযো 'জিয়াৰিব মুৰ পাই' পঢ়াত মন দিবলৈ বাধ্য হলোঁ।।

**জিবহ-জিপাৰী**—(১। বস বা পানী নথকা; ঘন। ২। টানি-টুনি খৰচ কৰা। ৩। নিদ'ৰ, পৰিপাটি)—১। আজাৰৰ বৰ 'জিবহ-জিপাৰী' হ'ল, অলপ বস থকা হলে ভাল আছিল। ২। খৰচৰ ভাৰটো তেওঁক দিয়া, তেওঁ সদায় এই বিষয়ত 'জিবহ-জিপাৰী'। ৩। তেওঁৰ সকলো কাম সম্পূৰ্ণ 'জিবহ-জিপাৰী'।

**জিবহ-জিবহকৈ**—(লাহে লাহে আৰু স্পষ্টকৈ—কথা কোৱাত খাটে)—হোৱালী-জনীয়ে 'জিবহ-জিবহকৈ' সৰু এটি বক্তৃতা দিলে; শুনি ভাল লাগিল।

**জিবহ পৰ্**—(অলপ শুকা; পানী নিগৰি সৈ কৰ্জনীয়া হ)—বীহবোৰ পাকত ভুলি থোৱা, 'জিবহ পৰিলে' দিবা।

**জিলগতে হেই হেই কৰ্**—(যথেষ্ট দুখ পা)—তাক দেখিলে সকলোৱে 'জিলগতে হেই হেই কৰে'।

**জিলগৰ চৌ জিলগতে মাৰ দিয়া**—(জিলগৰ দুখত বাধা দি)—দি হৰৰ হ'ল; 'জিলগৰ চৌ জিলগতে মাৰ দিওঁ'; ওপৰ লাগিলে সৰ্বনাশ হব।

**জিলুৰৰ মাৰ্**—'জিলগত মাৰ্' চোৱা।

**জিহ্‌পানী দি**—(বোৰ জৌপনিত পৰ্)—জেতিয়া যোজনাৰ দিনা; সকলোৱে 'জিহ্‌পানী দিলে'।

ছুই কৰ্—(মহৰ বুলি ক; আঁচি মাত্)—তুমি 'ছুই' কৰিলেও, সিহঁতে কেতিয়াও পাছত তোমাক কোনোমতে বিশ্বাস নকৰে।

ছুছুৰে মাতে যা—(শেষ মুহূৰ্তলৈ চেষ্টা কৰি থাক্)—হতাশ নহ'বা; 'ছুছুৰে মাতে যাই থাকা', কি জানি পাৰ পাৰ পাবাই।

ছুৱাৰৰ আগতে চাকি জ্বল্—(সৰ্বনাশ হোৱাৰ আগ মুহূৰ্তত সৰ্বাধিক উন্নতি হোৱা দেখ্)—তাৰ ঘৰৰ হুবাতাৰীৰ উন্নতি দেখি ভয় লাগিছে; 'ছুৱাৰৰ আগতে চাকি জ্বলেই'।

ছুৱোৱা অগণি জলা—(পাহৰি যোৱা লোকৰ কথা মনত পেলা)—পুস্তকৰ কাপোৰবোৰ ফিৰত দি বুঢ়ীৰ 'ছুৱোৱা অগণি নজলাবা'।

জেওচা-কেওচা—(বৰ বিৰক্তি বা ঘৃণাৰ যোগ্য)—"জেওচা-কেওচা মেচাও তাৰ মুখ।"

জেওচাত পৰ্—(পাও-পগদি খা)—এনে ঘৃণনীয় কাম কৰি যাইতৰ 'জেওচাত পৰা' কিয়?

জেওচা খা—'জেওচাত পৰ্' চোৱা।

জেওৰ-কটা—(বৰ দুষ্ট)—সি 'জেওৰ-কটা' চোৰ্, তাক ঠাই দিয়া কিয়?

জেওৰ কটা বাঘ—(বৰ দুষ্ট আৰু নৃশংস লোক)—এবাৰ মানুহ মাৰি মাৰি সি এটা 'জেওৰ কটা বাঘহে' হ'ল।

জেওৰ কাটি বাঘ এৰি দি—(পূৰ্বতকৈও ধডান আৰু নৃশংস কৰি তাৰ পিছত মকেলহা দুবিধলৈ দি)—চোৰ ধৰিছা, থানাত গতাই দিয়া; তাকে মকৰি এৰি দিলা; অৰ্থাৎ 'জেওৰ কাটি বাঘ এৰি দিলা'; এতিয়া চাই থাকা, কাক ক'ত খায়।

জেওৰ ছিগা লৰ দি—(ধৰকৈ বেগাই দৌৰি যা)—বৰদুৱা এদিনতে দুয়োই আমবোৰ বুটলিবলৈ 'জেওৰ ছিগা লৰ দিলে'।

জেওৰত ধৰি ওলম্—(আনৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি থাক্)—কাৰো 'জেওৰত ধৰি ওলমিবলৈ' নাযাওঁ, যি পাওঁ নিজেই কৰিম।

জেওৰ পকা—(কৰ্তব্য কৰাৰ বাবে আৰুক তাগিদা দি)—কাম হওক বা নহওক, মই এবেলাৰ তাৰ 'জেওৰ পকাই' থাকিম লোৱাৰ্থে।

জেওৰ পকাই বহ্—(কাম এৰি দিয়া)—কামটো আধা-কৰা হৈ থাকিল; তই কেনেকৈ 'জেওৰ পকাই বহিছিলি'।

জেওৰৰ দুই হাতে ছুৱা—(নিজৰ বিপদ নিজে মাতি আনা)—১। তোমাৰ জেওৰত

ভুই' তোমাৰ 'হাতে ছুৱোৱা'; সেয়ে আমে আজো ছুৱাই দিব? ৪। "হুকুমৰ ভাই, 'নেগুৰৰ ভুই হাতে ছুৱালে' আৰু ছুৱাওঁতা নাই।"

**নেজ দীঘল হলে পাৰি বহ্**—(প্ৰত্যেক বস্তু কিম্বা একোটা প্ৰয়োজনত লাগ্)— ছৰ বাৰীত হাবি দেখি বিৰক্ত হৈছা; কিন্তু এই হাবিৰো প্ৰয়োজন আছে; 'কুকুৰৰ নেজ দীঘল হলে পাৰি বহে'।

**নেজৰ ভুই মুখে ছুৱা**—'নেগুৰৰ ভুই হাতে ছুৱা' চোৱা।

**নেদেখা-জমা**—(পৰমেশ্বৰ)— আনে নেদেখিলেও 'নেদেখা-জমাই' দেখিছে, মই একো পাপ কৰা নাই।

**নেদেখিলে এৰাঁ চৰ্**—(দেখা পালেহে ধৰকৈ তিৰিক্ত হ)—তাক 'নেদেখিলে তোমাৰ 'এৰা চৰিব' নালাগে; সি এতিয়াই আহিব।

**নেপাই-মধে**—(আন একো উপায় নাপাই)—'নেপাই-মধে' গাভৰুজনীয়ে বাও ছুবিলে।

**নেকানেক কৰ্**—(টানি-আজুৰি বিশৃঙ্খল কৰ্— চুলি আদিত খাটে)—সুতাবোৰ ওকাৰলৈ দিছিলোঁ; কোনে আহি 'নেকানেক কৰিলে'?

**নেমাওঁ-মখওঁকৈ**—(মৰ অনিচ্ছাৰে)— সি 'নেমাওঁ-মখওঁকৈ' গ'ল; খাবীয়ে পাৰ নে নাপাব কৰ পৰা নাই।

**নেমাত-নুপুৰাত**—(মৰ দীঘল আৰু বেগাই শেষ নোহোৱা যেন লাগ্)—অশৌচৰ নিয়মেইটা 'নেমাত-নুপুৰাত' যেন লাগিব বুলি ভাবিছিলোঁ, পিছে কেনেকৈ গ'ল গমেই নাপালোঁ।

**নেৰ-পেটীয়া**—(দাড়ী ওলোৱা; ক্ষীণ আৰু 'দুৰ্ব্বল')—এই 'নেৰ-পেটীয়া' কুকুৰ-পোৱালিটো মোক নালাগে; লৈ যা!

**নেৰ-তেৰ**—(লেটি-পেটিকৈ মজিয়াই পেলোৱা; বিশৃঙ্খল)—গোবৰবোৰ 'নেৰ-তেৰ' কৰিলে কোনে? এবাৰক মন ছুবাব কৰিব লাগিব।

**নেৰা-নেপেৰা**—(কেতিয়াও নেৰা; লেৰ-লেৰ নোহোৱা)—'নেৰা-নেপেৰা' চেষ্টাৰ আন নাম অধ্যৱসায়; অধ্যৱসায় সাফল্যৰ চাবি-কাঠি।

**নেৰিয়া-নেৰি**—(গাত গা লগাই ৰঙ্গ দেখুৱা ভাৱ)—দাদুৰিতোৰে বেয়েকৈ 'নেৰিয়া-নেৰি লগাইছে দেখাজোন।

**নেৰেঁা-টেকেলা**—(স্বাৰ্থ সিদ্ধি নোহোৱা পৰ্য্যন্ত লাগি থকা মানুহ)—তেওঁ বৰ 'নেৰেঁা-টেকেলা'; দুটা টকা দিয়ে এৰিলে।

**নেৰেঁা-পাখি**—'নেৰেঁা-টেকেলা' চোৱা।

**নেজী ল**—(চিকাৰ ধৰিবলৈ খাপ লৈ থাক্)—বাঘটোৱে 'নেজী লৈছে', সাৱধানে ওলাবা।

**নেহাঁহিবি লোক হুঁচৰিব তোক**—(প্ৰত্যেকৰ জীৱনত বিপদ্ আছে; তাকে দেখি বিপদত কাকো বিদ্ৰূপ কৰা অনুচিত)—আনৰ বিপদত নাহাঁহিবা, সেই বিপদ্ তোমাৰো এদিন হব পাৰে। সেই দেখি কয়, 'নেহাঁহিবি লোক, হুঁচৰিব তোক'।

**নৈ নোপাওঁতেই মঠা হ (বা কাপোৰ সলা)**—(কোনো প্ৰয়োজন উপস্থিত হোৱাৰ বহুত আগবেপৰা সাজু হৈ থাক্)—লোকদ'ৰা কৰিব বুলিয়েই কৰিব পাৰে নে? যদি কৰে, যেতিয়া যি ব্যৱস্থা কৰিব লাগে কৰিবা, 'নৈ নোপাওঁতেই মঠা হৈ' থকাৰ সকাম নাই।

**নোম-টেঙৰ**—(অতিশয় টেঙৰ প্ৰকৃতিৰ)—সি যেনেহে 'নোম-টেঙৰ,' তাক ভাঁৰিবা কেনেকৈ? তাওকৈ পিঠা এখন দিয়াই ভাল।

**নোম-দৰিদ্ৰ**—(বৰ দুখীয়া মানুহ)—আমাৰ দৰে 'নোম-দৰিদ্ৰক' কিবি চাব কোনে?

**নোম-মেওৰ বৰ্জিত**—(সম্পূৰ্ণ নিঃসম্বল)—জগতে এনে 'নোম-মেওৰ বৰ্জিত' লোকৰ খবৰ নাৰাখে।

**নোৱনি-ঘৰ**—(বিয়াত দৰা বা কইনাক গা ধুওৱা ঘৰ; বেই-ঘৰ)—কামৰূপত বিয়াত 'নোৱনি-ঘৰ' সজাৰ দস্তুৰ নাই।

**নোৱনি-বিয়া**—(প্ৰথম ঋতুমতী ছোৱালীক চাৰি দিন বা সাত দিনৰ দিনা গা ধুৱাই শুচি কৰা উৎসৱ)—কামৰূপৰ ফালে 'নোৱনি-বিয়াক' তুলনিও বোলে।

**নোৱাই-তোলনি বিয়া**—'নোৱনি-বিয়া' চোৱা।

**নোৱৰা হ**—(ঋতুমতী হ)—তেওঁ আজি 'নোৱৰা হৈছে', ভাত ৰন্ধাৰ ভাৰ মোৰ ওপৰতে।

**নৌকোঁওঁতে কৰিয়াই মাত্**—'নৈ নোপাওঁতেই মঠা হ' চোৱা।

# প

**পইৰা দি**—( মাটি বোকা কৰি ধান সিঁচ্‌ )—এইডৰাত পানি কম হোৱাৰ; সেই দেখি 'পইৰা দিলোঁ'।

**পং-কথা**—( অতিৰঞ্জিত বা অলংকাৰযুক্ত কথা )—তোমাৰ 'পং-কথাত' আমি নির্ভৰ কৰিব নোৱাৰোঁ।

**পং-পণ্ডাই ফুৰ্‌**—( বেমিয়ে ভেমিয়ে ঘূৰি ফুৰ্‌ )—'পং-পণ্ডাই ফুৰি' থাকিলেই ভাত নিমিলে।

**পঁইতা-চোৰা**—( মটীয়া বৰণৰ পাখিৰে সৈতে মানুহৰ পেৰা আদিত থকা এবিধ পকৰা )—'পঁইতা-চোৰাক' আমি তেল-চকুৰা বোলোঁ।

**পঁইতা ভাতত খৰিকা মাৰ্‌**—( বৰ কৃপণালি কৰ্‌ )—এনে কৃপণ আমি দেখা নাই; তেওঁ 'পঁইতা ভাতত খৰিকা মাৰে'।

**পক উঠ্‌**—( পকি কোমল হ )—কোঁহাটো কালিলৈ 'পক উঠিব'।

**পকতীয়া পৰ**—( পাত পকিবলৈ ধৰ্‌ )—শাকবোৰ এহ'ল; 'পকতীয়া পৰি' গ'ল।

**পক ধৰ**—( পকিবলৈ ধৰ্‌ )—কলডাই 'পক ধৰিছে'; ভালকৈ আল-পৈচান ধৰিবা।

**পকনীয়া পৰ্‌**—( পানীৰ পাক পৰ্‌ )—তাত 'পকনীয়া পৰিছে'; নাও সাৱধানে নিবা।

**পকা আমৰ বেলিকা ডুঁলা মহা ওলা**—( লাভ দেখিলে পুতো কৰিব লগীয়া মিত্ৰিৰে আগুৰি ধৰ )—'পকা আমৰ বেলিকা ডুঁলা মহা ওলাবই'; কিন্তু দুৰ্দিনত পৰিলে কোনে কাক কিবি চায়?

**পকাই-খোৱা**—( পকিলেহে খাব উপযুক্ত হোৱা )—এইটো কঠাল 'পকাই-খোৱা' নহয়; কেঁচাই খাবা।

**পকা চুলিত সিন্দুৰ পিন্ধ্‌**—( বৰ বুঢ়া কালতহে সধৱা হৈ থাক্‌ )—বুঢ়ীজনী চোৱাঁ,—চাৰি কুৰি পাৰ হ'ল; তেও 'পকা চুলিত সিন্দুৰ পিন্ধিছে'; কম ভাগ্যৱতী নে বাৰু?

**পকা তেল**—( ১। উতলোৱা তেল। ২। ভজা সৰিয়হ আদি পেৰি উলিওৱা তেল )—১। কেৰাহীত 'পকা তেল'; জুই কমাই দি পাচমিথিমি চালি দিয়া। ২। 'পকা

তেল' মচমচকৈ পোৱা যায় ; আজিকালি কাঠৰ পেৰাত কেঁচা সৰিয়হ পেৰি তেল উলিয়ায়।

**পকা ধানত মৈ দি**—( সহায় কৰাৰ ছলেৰে অপকাৰ কৰ্ )—'পকা ধানত মৈ দিয়া' মিত্ৰৰ বহুতো পাবা।

**পকা-মিঠৈ**—( তপত গুৰত পিঠাগুড়ি বা কড়াইগুড়ি মিহলাই কৰা এবিধ মিঠৈ )—সৰুতে পূজাত বৰপেটীয়া বেপাৰীবোৰৰ 'পকা-মিঠৈ' কিনি খাইছিলোঁ ; আজিকালি সেইবোৰ পাবলৈ নাই।

**পকিল কল সোৱাদহে হ**—( যিবোৰ ভাল হব লাগে, তাতোকৈ বেছি ভাল হ )—ভিৰিছিয়েৰে আহি পালে ; তোমালৈ জোতাও আনিছে। হয় নেকি ? 'পকিল কল সোৱাদহে হ'ল'।

**পকিল-টেঙা**—( পকিলেও টেঙা )—এইজোপা আমৰ ফলবোৰ 'পকিল-টেঙা' ; মিঠা কাহানিও নহয়।

**পকোৱা-পকি**—( ১। একা-বেঁকা ; বহুত ভাঁজ থকা। ২। জটিল ; সোজপটীয়া নোহোৱা )—১। পাহাৰীয়া বাটবোৰ বৰ 'পকোৱা-পকি'। ২। তোমাৰ 'পকোৱা-পকি' কথাবোৰ মই একো বুজা নাই।

**পথৰা ভঙা**—( গলা কুষ্ঠ হ )—ছোৱালীজনীৰ 'পথৰা ভঙাইছে' ; শীঘ্ৰে চিকিৎসা কৰোৱা।

**পথৰা-চিতৰা**—( নানা বৰণ সিঁচৰিত হৈ থকা )—গাইজনী 'পথৰা-চিতৰা' ; বৰ-ধুনীয়া দেখি।

**পথৰা ধুন**—( অতিৰিক্ত বিলাসিতা )—বাপেকে বহুত ধন এৰি গৈছে ; এতিয়া পুতেকে 'পথৰা ধুন' মাৰিছে।

**পথৰা-পাথৰি**—'পথৰা-চিতৰা' চোৱা।

**পথৰা পিৰা**—( আগৰ কালত লোকক বেঁতেলিয়াবলৈ ব্যৱহাৰ কৰা এবিধ পিৰা )—এইটো 'পথৰা পিৰা' ; পূৰণি কালত ইয়াতে লোকক পূজা হৈছিল।

**পথাল ভুৰ্**—( শৌচ কৰিবলৈ যা )—তেওঁ 'পথাল ভুৰিবলৈ' গৈছে ; আপুনি অলপ বহক।

**[illegible]**—( পাতল আৰু বগা চিকিমিকি কৰা ফটিক )—[illegible] '[illegible] ফটিক' অলপ পকা আছে।

**পখা-খোৱা**—(পখা কাচুৰি ছিঙা গৰুৰ দৰে বৰ দুষ্ট মানুহ)—তোমাৰ চাকৰটো 'পখা-খোৱা' বুলি বিয়াতি আছে; সাৱধানে ৰাখিবা।

**পঘেৰ-ঠেঙা**—(বৰ দীঘল আৰু মঙহ নোহোৱা ঠেং)—মানুহটো বৰ 'পঘে-ঠেঙা'; বৰ ওখও।

**পচতি দি**—(উগ্ৰ শাস্তি বিহ্)—তোক আজি 'পচতি দিম'; ইমান দুষ্ট হৈছ!

**পচলা কুটা দি**—(ডোখৰ ডোখৰকৈ কাট্)—ডকাইতে তেওঁক 'পচলা কুটা দিলে'; নাবাঁচে।

**পচলাত দাঁত ভাঙ্**—(সহজ কামতে পৰাস্ত হ)—এই অকটো নোৱাৰাটো আচৰিত কথা; 'পচলাত দাঁত ভঙা' কেনে মহৰ জানো?

**পচাৰত কথা ক**—(ঠাৰে ঠিঁয়াৰে ক)—সি 'পচাৰত' কি 'কথা কৈ' গ'ল? কাষত থাকিও ধৰিব নোৱাৰিলোঁ।

**পচোৱা বতাহৰ লগত লৰ্**—(বৰ চোকা আৰু খৰ)—ল'ৰাটো বৰ ভাল; সকলো কামতে 'পচোৱা বতাহৰ লগত লৰে'।

**পজালি-গেলা**—(হেঁইত থাকোঁতেই পঁচা)—এই 'পজালি-গেলা' মাহবোৰ কিনি কি কৰিব?

**পঞ্চম-দিনা**—(আজিৰপৰা আগৰ বা পিছৰ পঞ্চম দিনটো, চৌথা দিনাৰে আগৰ বা পিছৰ দিনটো)—তেওঁ 'পঞ্চম দিনা' আহিছিল; আকৌ 'পঞ্চম দিনা' আহিব।

**পঞ্চ-মকাৰ**—(বামাচাৰী শাক্তবিলাকৰ উপাসনাৰ প্ৰধান পাঁচটা বস্তু:—মদ, মাংস, মাছ, মুদ্ৰা (ভজা চাউল, ঘুটমাহ, গোম-ধান আদি) আৰু মৈথুন)—তেওঁ ধনী জমিদাৰ; 'পঞ্চ-মকাৰ' সাধনা কৰি কাল কটাইছে।

**পটা-ভাটি**—(পটাত বস্তু পিহা গোটা দীঘল-সজীয়া শিল)—তোমাৰ পটাৰ লগত 'পটা-ভাটিৰ' মিল হোৱা নাই।

**পটাত পিহা দি**—(বধকৈ মাৰ্)—বাপেকে ল'ৰাটোক 'পটাত পিহা দিলে'; সি আধা-মৰা হ'ল।

**পটুৱা ছিৰা দি**—(ফালি ছিৰাছিৰ কৰ্)—হাতীটোৱে মানুহটোক 'পটুৱা ছিৰা দিলে'; আনবিলাকে পলাই পত্ৰং দিলে।

**পটুৱা বা**—(কল গছৰ দোখাৰ মাৰ বান্ধি পানীত চাৰি কৰোৱা মাছ ধৰ্)—জালুৱাবোৰে 'পটুৱা বাই' আজি বহুতো মাছ পাইছে।

পাচি-তাঙী—(আগৰ দিনৰ এবিধ দোলা)—'পাচি-তাঙী' এতিয়া দেখিবলৈও নাই; আহোম ৰজাৰ ডাঙৰীয়াসকলে এই দোলাত উঠি ফুৰিছিল।

পাচি-দোলা—(আগৰ দিনীয়া এবিধ দোলা)—'পাচি-দোলা' এখন সেই সত্ৰাধিকাৰ জনাৰ ঘৰত আছে, তেওঁৰ দেউতাকে হেনো সেই দোলাত উঠি অ'ত ত'ত গৈছিল।

পতং (বা পতঙ্গ) দি—(মাইকিয়া হ)—বাঘ দেখি মানুহবোৰে পলাই 'পতং দিলে'; বুঢ়ী বিপদাপন্ন পৰিল।

পতাম ধাৰেৰে ভঁৰাল ভৰা—(অলাগতিয়াল বস্তু খুপুৰিয়াই চহকী হোৱা)—তাঁতশালৰ চকুৱাবোৰ ঘৰৰ বাহিৰত থোৱা, 'পতাম ধাৰেৰে ভঁৰাল ভৰাব' নালাগে।

পতাল-গাজনি—(১। ভূঁইকঁপৰ ঠিক আগতে মাটিৰ তলৰপৰা হোৱা গম্ভীৰ শব্দ। ২। দূৰণিৰপৰা অহা মেঘৰ গম্ভীৰ গৰ্জন)—১। ভূঁইকঁপৰ আগতে 'পতাল-গাজনি-টোৱেই' মানুহৰ বুকু কঁপাই তুলিছিল। ২। ঘনে ঘনে 'পতাল-গাজনি' মাৰিছে; দবা-পিটা বৰষুণ হব।

পতাল-ফুটা—(যি দ'—পুখুৰী বা নাদত থাকে)—শিৱসাগৰ পুখুৰীটো 'পতাল-ফুটা' বুলি প্ৰসিদ্ধি আছে।

পতি কৰ—(বশ কৰ)—গৰুটো ভালকৈ 'পতি কৰা', ই নমৰে।

পতি ভুবে জিলি লেখুকে—(বাবে বাবে লাভৰ আশা কৰ)—এবাৰ লটাৰীত টকা পাই, 'পতি ভুবে সিলি লেখুক' পাবলৈ হাবিয়াস কৰিছা নেকি?

পতি পতিকৈ—(বাবে বাবে)—'পতি পতিকৈ' কিয়নো আলোচনা নাই থকা?

পথাৰ ফুৰ—'আক ফুৰ' চোৱা। গাইজনীয়ে 'পথাৰ ফুৰিছে'; পথাৰৰ ফুকলি ঠাইত, খুঁটি মাৰি বান্ধি থোৱা।

পথালি-কোমোৰা বহা দি—(বা শকত-আবত হ)—বুঢ়ীজনী 'পথালি-কোমোৰা বহা দিছে'।

পথালি কোলাটোৰ কাম—(আলসত বহি থকাৰ হাবিয়াস কৰ)—হাতত ধৰি দিওঁতাই নাই; তুমি আজো 'পথালি কোলাটোৰ কামিছা'!

পথালি-মতুৱা—(মানুহ)—বাট হেনো 'পথালি-মতুৱাৰ' হাতত পৰিলেহে মাৰ খাব লাগে।

পদ-শিলা—( দেৱতা বা গোসাঁইৰ ভৰিৰ চিন থকা শিল )—হৰিদেৱৰ 'পদ-শিলা' বহুবি সত্রত আছে।

পদানত হ—( বশ্যতা স্বীকাৰ কৰ্ )—মাটিৰ লোভত জেঠেই সেই কণোচটোৰ 'পদানত হল'।

পদাপাল দেখ্—( বৰকৈ ভয় পা )—কেঁটা-সাপটো দেখি ল'ৰাবিলাকে 'পদাপালহে দেখিলে'; কোনে কেনিয়ে পাৰ পলাল।

পদূলি-মুখা—( কাম-বন নকৰি ঘৰে ঘৰে ফুৰি থকা চুলুং স্বভাৱৰ মানুহ )—"ঘৰে টকলি পুতা, ঘৰে 'পদূলি-মুখা'।"

পদে-পদে—( প্ৰতি খোজতে; সদাই সদাই )—এই দৰে 'পদে-পদে' দোষ ধৰি থাকিলে একো কাম কৰিব নোৱাৰি।

পদে-প্ৰমাণে—( সকলো প্ৰমাণেৰে )—'পদে-প্ৰমাণে' লগাই দিয়াতহে পুলিচে আচামীক গ্ৰেপ্তাৰ কৰিলে।

পনীয়ল পিটিকা দি—( বৰকৈ থেঁতেলিয়া )—বাইজে চোৰটোক 'পনীয়ল পিটিকা দিলে'; সি মৰিব।

পনীয়া-ভৰা—( উকা )—বাতি 'পনীয়া-ভৰা' বহি পৰা দেখা যায়।

পনীয়াৰ গা ধহা দি—( বৰ সহজে ধহি বা মুকলি পৰ্ )—দুষ্টবোৰৰ পাক আছেই; 'পনীয়াৰ গা ধহা দিয়ে'; ইয়াকে কালোৰ কথা কেনেকৈ?

পনীয়া লগা—( চুটকীয়া কথাৰে মন ভাঙ্ )—বুঢ়ীয়ে তোমাৰ কাণে কাণে কি কয়? 'পনীয়া লগাবলৈ' বিচাৰিছে নেকি?

পম খেদ্—( ১। পাছে পাছে খেদি যা। ২। কথাৰ উহ ধৰি অনুসন্ধান কৰ্ )—১। 'পম খেদি' সি বহুত আলু গোটালে। ২। ইয়াৰ 'পম খেদি' লাভ নাই; তাক পুলিচত দিয়া।

পম-ধৰ্—( পিছা পৰিবলৈ ধৰ্ )—গছজোপাই 'পম ধৰিছে'; মৰিব।

পমা কাট্—( নানা প্ৰকাৰ ৰবিতা বা বিপদ্ আহিবলৈ উপায় কৰ্ )—সকলোবোৰে 'পমা কাটি' আহুৰ কৰিলোঁ; আজি সোৰ মুখ দেখি উঠাই দিলোঁ।

পমা লাগ্—( পমা লোগ হ )—নাৰিকটোৰ 'পমা লাগিছে'; আতঙৰ কেতুৰা।

পৰক কাল পা—( মৃত্যু হ )—চীন স্বৰ্বসুমান ভুবাই ১০ তাৰিখ মনুৰা ১৩৬০ চনৰ ৫ জুলাই তাৰিখে জাহাজীৰ বাবত 'পৰ কাল পালে'; তেওঁৰ আত্মাই চিৰ শান্তি পাওক।

**পৰ-চিত্ত অন্ধকাৰ**—(আনৰ মনৰ কথা বুজিব নোৱাৰি)—পাপ বুদ্ধিৰে যে পুণ্য কৰিছে তেনে লাগে; 'পৰ-চিত্ত অন্ধকাৰ'; আমি কেনেকৈ জানিম?

**পৰত আশ বনত বাস**—(আনৰ ওপৰত নিৰ্ভৰ কৰি চলিলে বিপদত পৰিব লাগে)—'পৰত আশ বনত বাস', যদি মানুহ হোৱাৰ খুজিছা, আনৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ ভৰিত থিয় হবলৈ শিকা।

**পৰত কৰিলে ঘৰত মিলে**—(আনৰ প্ৰতি যেনে কৰা, তোমালৈও এদিন তেনে হ'ব)—নৰিয়া হোৱা দেখি আনক হাঁহিছিলা, এতিয়া তোমাৰ কেনেকা? 'পৰত কৰিলে ঘৰত মিলে', তোমাকো হাঁহিব।

**পৰ দি**—(কাষত থাকি শুশ্ৰূষা কৰ্)—ৰোগীৰ অৱস্থা বেয়া, ৰাতি 'পৰ দিবলৈ' মানুহ মাতা।

**পৰ দেশত মৰ তেল ধৰ্**—(বিদেশত কাৰো সৈতে দন্দ কাজিয়া নাপাতি)—বিদেশত ফুৰা লোকে 'পৰ দেশত মৰ তেল ধৰে'।

**পৰ-পালি দি**—(শুশ্ৰূষা কৰ্)—নৰিয়া টান, 'পৰ-পালি দি' থাকিবা।

**পৰৰ ওপৰত খা**—(পৰৰ ধনেৰে নিজে ভোগ কৰ্)—'পৰৰ ওপৰত খোৱা' আৰু ভটিয়া নাৱত যোৱা একে কথা, ধন উপাৰ্জনত কেনে কষ্ট, তেনে মানুহে কেনেকৈ বুজিব?

**পৰৰ ওপৰত পচলা কুট্**—(আনক কষ্ট দি নিজৰ স্বাৰ্থ-সিদ্ধি কৰ্)—'পৰৰ ওপৰত পচলা কুটিব' নালাগে; নিজে পৰিশ্ৰম কৰি বিচাৰ পাৰা ভোগ-বিলাস কৰা; তেতিয়া আমি নামাতোঁ।

**পৰৰ ওপৰত পাই ধন বাপ পোৱে কীৰ্ত্তন**—(আনৰপৰা সা-সম্পত্তি লাভ কৰি ৰং-ৰহছে সৈতে আনন্দেৰে ভোগ কৰ্)—নিপুত্ৰী খুড়াৰ সকলো সম্পত্তি তেওঁ পালে; তেনেকৈ 'পৰৰ ওপৰত ধন'-সম্পত্তি 'পাই বাপ-পোৱে কীৰ্ত্তন' লগাইছে।

**পৰৰ ওপৰত পাই ভিজি মৰাহ পানী চাকিও খা**—(আনৰ কণেৰি পালে কষ্টেৰেও সেই সুযোগ গ্ৰহণ কৰ্)—তেওঁ 'পৰৰ ওপৰত পালে ভিজি মৰাহ পানী চাকিও খায়'; আমি এনে সুযোগ এৰিব কিয়?

**পৰৰ চকুৰেদি বাট চল্**—(নিজে বিবেচনা নকৰি আনৰ পৰামৰ্শ অনুসৰি চল্)—নাইকলী জিনিস বুজিছা যদি, 'পৰৰ চকুৰেদি বাট চলুঁ' নিজে লৈ চাই-চিন্তি চলাহে।

**পৰৰ বোজখাই**—(আনৰ ধন আনৰ, অকল সময়ে বিনা প্ৰয়োজন খা অমিতি খাব

পৰা মানুহ বা বস্তু আদি)—যাকে সেয়ে লৰা-ছোৱালীহঁত যে আহাগে; 'পৰৰ কেৰাহ', তালে কুশলে গতাই দিব পাৰিলেহে ভাল।

**পৰৰ মাটিত (বা বাটিত) বাট-ঘৰা বান্ধ্**—(আনৰ ওপৰত নিৰ্ভৰ কৰি তাওঁৰ মানুহ বোলা)—ঠাই অলপ ঠেক হলেও নিজৰ চোতালতে বিয়াটো পাতিম; আহল-বহল ঠাই বিচাৰি 'পৰৰ মাটিত বাট-ঘৰা বান্ধিবলৈ' যাম কে?

**পৰৰ মূৰত কঠাল ভাঙ্**—(আনক দুখ দি স্বাৰ্থসিদ্ধি কৰ্)—'পৰৰ মূৰত কঠাল ভাঙিব' খুজিছা; নিজৰ মূৰত ভাঙি চোৱা, কেনে লাগে।

**পৰ হাতী পৰ-ভাতী হ**—(সম্পূৰ্ণৰূপে আনৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈ বৰ কষ্টত পৰ্)—'পৰ-হাতী পৰ-ভাতী হলে' জীৱনত কাম নাই; মাউৰাটিৰো সেয়ে হ'ল।

**পৰাই-নোৱৰাই**—(ভালকৈ নাজানিলেও বা শক্তিৰে নুকুলালেও)—'পৰাই-নোৱৰাই' কামটো কৰিলোঁ; বেয়া হলেও দায়-দোষ নধৰিব।

**পৰাল পৰ্**—(অন্ত হ)—কামটোৰ 'পৰাল পৰিলেই'; এতিয়া কামত ধৰি বায় কৰিব নালাগে বোৱা।

**পৰালি পৰ্**—(ক্ষতি হ)—এই বাৰৰ বেপাৰত বৰকৈ 'পৰালি পৰিছে'; মূল-ধাৰী ঘূৰিবহে পাৰি।

**পৰি মৰ্**—(বৰকৈ যত্ন কৰ্)—বুঢ়ীয়ে নাতিনীয়েকলৈ 'পৰি মৰে'।

**পৰি মৰা**—(তেনেই নিশকতীয়া; তেনেই ভাঁহোলা কৰিব লগীয়া)—গাইজনী বৰ ভাল নহলেও তেনেই 'পৰি মৰা' বিধৰ নহয়; কিনাটো বেয়া নহয়।

**পৰুৱাই পৰ্বত বহা**—(সামান্য শক্তিৰেও অধ্যৱসায়ৰ সহায়েৰে মহৎ কাম কৰিবলৈ সক্ষম হ)—'পৰুৱাই পৰ্বত বহায়'; তেওঁ অকলেই ওবে জীৱন পৰিশ্ৰম কৰি এই বিৰাট অনুষ্ঠানটো পাতিছিল।

**পৰুৱাই পা**—(আচল বাট বাছি উলিয়াবলৈ অক্ষম হ)—১। মানুহক বোলে যাৰ পথাৰত দিন দুপৰতে 'পৰুৱাই পায়', বাট বিচাৰি ঘূৰি ফুৰে। ২। বোকো 'পৰুৱাই পাইছে'; অত দিন ঘূৰি ফুৰিছোঁ, অথচ একোকে কৰিব পৰা নাই।

**পলাই পজৰ দি**—'পজৰ দি' চোৰ'। পুলিচ অহা গম পাই চোৰহঁতে বস্তু-বাহানি এৰি 'পলাই পজৰ দিলে'।

**পলাই বাট্ মাৰ্**—(বাটত লোকাই সবাৰ ধৰে পলা)—পুলিচ দেখি জুৱাৰীবোৰে 'পলাই বাট্ মাৰিলে'।

**পলাৰ বাসৰ পাছু মতাৰ**—(ভাত বিভত হৈ পৰা)—বাঘ দেখি মোৰ অৱস্থা যি হ'ল, কি কম? 'পলাৰ বাসৰ পাছু মতাৰ'; যি বুজা, বুজা।

**পলিতা দি**—(উত্তেজনাৰ কাৰণ যোগা)—তাক পাছ কৰিবা কেনেকৈ? পাছৰপৰা 'পলিতা দি' থাকিলে সি বুজনি লব কেনেকৈ?

**পলুৱে পাত খোৱা দি**—(বৰ খৰকৈ ক)—কথাবোৰ লাহে লাহে কোৱা; 'পলুৱে পাত খোৱা দিলে' কোনে কি বুজিব?

**পলুৱে মুখেৰে সূতা কাটি মৰ্**—(নিজৰ কাৰ্যদ্বাৰা নিজৰ সৰ্বনাশ কৰ্)—'পলুৱে মুখেৰে সূতা কাটি মৰে'; তুমিও নিজে পতা জালত নিজে বাজে পৰা, তাকেহে চাবা।

**পহৰা দি**—(সতৰ্ক হৈ চাই থাক্)—তোমাৰ ল'ৰাই ক'ত কি কৰি ফুৰে, মই জানো 'পহৰা দি' থাকিব পাৰোঁ।?

**পহল কাট্**—(কলা কাঠৰ দাঁতি চাচি সমান কৰ্)—মিস্ত্রীবিলাকে আগেয়ে কাঠবোৰ 'পহল কাটি' লৈছে; তাৰ পিছতহে ভাগে ভাগে কাঠ কাটিব।

**পহু-কণীয়া**—(বৰ চোকা কাণৰ; অতি সৰু শব্দও শুনা)—তই বৰ 'পহু-কণীয়া'; ক'ত নো কি শুনিলি?

**পহু খেদা দি**—(চাৰিও ফালৰপৰা হৈ চৈ কৰি খেদ্)—মানুহবিলাকে শিয়ালটোক 'পহু খেদা দিলে'; বপুৰা নিৰুপায় হ'ল।

**পহুৰ তেলেকা-তেলেকি, গৰুৰ চেলেকা-চেলেকি**—(যেয়ে যেনেকৈ পাৰে, তেনেকৈ পৰস্পৰৰ প্ৰতি সহানুভূতিশীল হ)—'পহুৰ তেলেকা-তেলেকি, গৰুৰ চেলেকা-চেলেকি'; গঞা ৰাইজেও পৰস্পৰৰ প্ৰতি তেনে সহানুভূতিৰ ভাৱকেই পোষণ কৰা উচিত।

**পাইকৰ বেটা পাই গোটা**—(সামান্য হৈও বৰালি কৰ্)—সি নো তোমালোকৰ সৰু কথা কিয় শুনিব? সি যে 'পাইকৰ বেটা পাই গোটা', কাক পৰোৱা কৰে?

**পাং পাত্**—(কন্দি পাত্)—সিহঁতে মোক ঠেকত পেলাবলৈ কিবা 'পাং পাতিছে'।

**পাঁজৰ বহ্**—(বৰ কষ্ট পা)—আজি বুঢ়াই পাঁচ টকা বৰঙণি দিয়েই 'পাঁজৰ বহা' যেন পাইছে।

**পাক খা**—(ঘেৰ প; ঘূৰ্)—১। নদীখন ঠাইটোত 'পাক খোৱা' নাই। ২। ঘূৰীয়া উঠোঁতেই তিনি 'পাক খালে'।

**পাক-ঘূৰণি**—(বেছিকৈ হোৱা ঘূৰ-ঘূৰণি ৰোগ)—তোমাৰ 'পাক-ঘূৰণি'টোৰ চিকিৎসা লোৱা।

**পাক-চক্ৰ**—(ঘটনা-চক্ৰ; দৈৱৰ গতি)—দিনৰ 'পাক-চক্ৰত' সেই সাধুস্বভাৱীও দোষী প্ৰমাণিত হ'ল।

**পাকতে ঘূৰ্**—(অতি শীঘ্ৰে কাৰ্য সমাধা কৰি আহ্)—তোমালোকে কথাৰ যোগাৰ কৰা; মাংস লৈ মই পাকতে ঘূৰি আহিম।

**পাক দি**—(১। বেঁক দি। ২। কথা ঘূৰাই ক। ৩। পেট পকা। ৪। অলপ নাচ্)—১। কবীতালত আৰু অলপ 'পাক দিয়া'। ২। সি নিৰ্দোষী বুলি সাৰি যায়; মই 'পাক দি' উঠিলোঁ; বপুৰা ভুৱা পথা দিলে। ৩। আজি পেটটোৱে বাৰেবাৰে 'পাক দিছে'। ৪। ইয়াকো নাচন বোলে নে? দুটামান 'পাক দিয়েই' এৰিলে।

**পাক পৰ্**—(পানীত চাকনৈয়াৰ দৰে হ)—সেই ঠাইত বৰকৈ 'পাক পৰিছে'; নাও ভালে মিলিবা।

**পাক-পাকী কৰ্**—(কোনো কাৰ্য সম্পূৰ্ণকৈ সম্পন্ন কৰ্)—কামত ধৰিলে তাক 'পাক-পাকী কৰিহে' এৰিবা।

**পাক পাৰ্**—(পকাই পকাই কথা কৈ থাক্)—পুৰণপন্থা 'পাক পাৰি' আছা হয়, মই আজি একো দিব নোৱাৰিম।

**পাক-ভেঁাহৰ**—(পকাই কুটা কৰা এবিধ বিন্ধনা)—'পাক-ভেঁাহৰেৰি' কাঠ সহজে কুটাব পাৰি।

**পাক মাৰ্**—(১। বেঁক দি বা ঘূৰা। ২। অলপ ঠাই ঘূৰি ঘূৰ্)—১। কবীতাল এই কালে 'পাক মাৰা'। ২। তেওঁ গাঁৱৰ ঘূৰেৰি 'পাক মাৰি' আহিল।

**পাক লাগ্**—(১। বেঁক খা। ২। বেঁক খাই গাঁঠি লাগ্। ৩। জোঁৰ বা জ্বৰ লাগ্)—১। কবীতালত বেছিকৈ 'পাক লাগিল'। ২। সূতাবোৰত 'পাক লাগিল'। ৩। মোৰ কথাত তেওঁৰ কিবা 'পাক লাগিল' যেন পাইছোঁ।

**পাকে পতি**—(ঘনে ঘনে)—'পাকে পতি' কিয়াৰ তামোল খোৱা?

**পাকে পাকে**—'পাকে পতি' চোৱা।

**পাকে প্ৰকাৰে**—(একালেদি বিবেচনা কৰিলে)—'পাকে প্ৰকাৰে' এই আলোচনা মোৰ পক্ষে লাভজনক হৈছে।

**পাখি ভঙা কপৌ**—(বল-শক্তি হীন হোৱা বা নিঃসকল হোৱা মানুহ)—মই এতিয়া 'পাখি ভঙা কপৌ'; তোমাক কেনেকৈ সাহায্য কৰিম?

**পাখিৰ ছাঁৰ**—(আশ্ৰয়)—সি যতদিন 'পাখিৰ ছাঁত' আছিল; মাক মৰিলত নিৰাশ্ৰয় হ'ল।

**পাখিৰে ঢাক্**—(লুকাই লৈ বিচাৰ্)—মাকে 'পাখিৰে ঢাকিলেও' সি এইবাৰ ধৰা পৰিছে; আমিও দেখোঁ।

**পাখি সৰাই দি**—(পুৰণি পাখি সাৰ নতুন পাখি গজ্)—হাঁহবোৰে 'পাখি সৰাই দি' উঠিছে; সেই দেখি ঘৰ ধুনীয়া দেখি।

**পাগ আহ্**—(১। ভগত হবলৈ ধৰ্। ২। ধান সিজাওঁতে ওপৰলৈকে ভগত হৈ উঠ্)—১। ইমান কাপোৰ দিছোঁ, সেকা-পোৰা কৰিছোঁ, তথাপি ভৰিৰ ফালে 'পাগ অহা' নাই। ২। ধানৰ 'পাগ আহিছে', এতিয়া পাগ জুই দিয়াহি।

**পাগ জুৰি খা**—(গৃহস্থালিৰপৰা বেলেগ হৈ যোৱাৰ আগেয়ে সুকীয়াকৈ খোৱা-বোৱা কৰ বা)—তুমি 'পাগ জুৰি খালা'; বুঢ়া-বুঢ়ীৰ কি ব্যৱস্থা কৰিলা?

**পাগ জোৰ্**—(১। বেলেগে খোৱা-বোৱা কৰ্। ২। বেলেগে খোৱা-বোৱা কৰি খাই গৃহস্থালিৰপৰা বেলেগ হোৱাৰ ভাৱ কৰ্)—১। ছুপৰীয়া ক'ত 'পাগ জোৰো'? মতো মাউৰেই দিয়া, এতিয়াই ঘৰ পাবগৈ। ২। আমাৰ আতৰ ল'ৰাটোৱে 'পাগ জুৰিলেই'।

**পাগ-টান**—(ধৰ বা বেহি পাগত পৰা—অন্নত খাটে)—কটাবাখৰ 'পাগ-টান' হৈছে, ওকাৰ বাহ কাটোঁতে মুখটো ভাগিব চাবা।

**পাগত উঠ্**—(উপযুক্ত তাপ পা—অন্নত খাটে)—এইখন কটাৰী 'পাগত উঠিছে', এই-খনেৰে মই নলোঁ।

**পাগত তোল্**—(সমাজে খোৱা-বোৱা খা)—ছোৱালীজনীক 'পাগত তোলা' হৈছে নে?

**পাগত দ**—'পাগত তোল্' চোৱা।

**পাগ তোল্**—(ধান সিজাওঁতে ওপৰলৈ ভগত হৈ উখহি উঠিলে চাৰিও ফালে আবৰণৰ ধান-খেৰাবে সেপেটিয়াই ওপৰলৈ তুলি দি)—ধানৰ পাগ আহিল; এতিয়া 'পাগ তোলাহি'; অলপ পিছতে নাঢ়িব লাগিব।

**পাগ-দি**—(১। উপযুক্ত তাপ দি। ২। সমাজে খোৱা-বোৱা খাই সমাজত তোল্)—১। দাখন 'পাগ-অনা' হৈছে; ভালকৈ 'পাগ দিয়া'। ২। আজি-কালি ম-ছোৱালীক 'পাগ দিয়া' মন্ত্ৰটো উঠিলেই গ'ল।

**পাগ-জিৰণি**—( জিৰ লগাই অথবা ঘোৰাটোক পাগত তোলা বা পাগ দিয়া কাৰ্য )—আজি আমাৰ 'পাগ-জিৰণিতে' ঘৰ-ঘৰোৱাহঁতক মাতিছোঁ, যাব।

**পাগ ধৰ্**—( ১। ধৰতে ঠিক লাগ্। ২। উপযুক্ত তাপ পাই টান হ )—১। ঘৰ 'পাগ ধৰিছে', লেপখন গুচাই থওঁ। ২। গুৰখনে ঠিক 'পাগ ধৰা' নাই, মুঠু বান্ধা দিয়ে।

**পাগ মাৰ্**—( সুকীয়াকৈ বহা-বঢ়া কৰি থ )—গুৰুজনাই 'পাগ মাৰি' থাওঁতে এদিন বেলি হেলি গ'ল।

**পাগ-মাৰি**—( কাঁহীতে ভাত লগাই দিয়া মাৰি )—একাল 'পাগ-মাৰি' কৰা; ভাত লাগিবলৈ লাগে!

**পাগৰ বাহিৰ হ**—( বতুৰতা হ )—তেওঁ 'পাগৰ বাহিৰ হৈছে'; কথা-বতৰা কৰে কোনে?

**পাগ ল**—( ১। ভালকৈ বহা হ। ২। উপযুক্ত তাপ পাই টান বা ঢোকা হ )—১। আজ্ঞাবনে 'পাগ লোৱা' নাই; আৰু সিজোৱা। ২। চুৰীখনে 'পাগ লৈছে', খব ঢোকা হৈছে।

**পাগ-শালি**—( কুমাৰে মাজ গঢ়া ঠাই )—কুমাৰৰ 'পাগ-শালিত' একোটা ডাঙৰ চকা থাকে।

**পাগলৰ গো-বধেই আনন্দ হ**—( পগলাইহে নিন্দনীয় কাম কৰিও আনন্দ পা )—পৰীক্ষাত নকল কৰি ওলাই আহিলি; সেই কথাকে গৌৰৱেৰে কৈ ফুৰিছ; 'পাগলৰ গো-বধেই আনন্দ হয়'।

**পাগলে মকৰ কি**—( হিতাহিত বিবেচনা নথকা মানুহে যি পা তাকেই ক )—তাৰ কথাত খং নকৰিব; 'পাগলে মকৰ কি', ছাগলে নাখায় কি?

**পাচন ঘি**—( কাম কৰিবলৈ খুঁচি থাক্ )—যাৰ কাম কৰিবলৈ আগ্ৰহ নাই, তাক 'পাচন ঘি' থাকিলে কি হব?

**পাছ-কথা**—( পিছত ভাবিব বা কৰিব লগীয়া কাম বা কথা )—'পাছ-কথা' হুকণাকৈ কোনো কাম নকৰিবা।

**পাছ-ভাজি মাৰ্**—( কোনো কাম শেষ হবৰ সময়ত আহি থকবকৈ থ )—আমি কামটো শেষেই কৰিলোঁ; তুমি 'পাছ-ভাজি মাৰি' কাম কৰিবলৈ আহিলা নেকি?

**পাছ দি**—( ১। পিঠিৰ ফালে থাক্। ২। পটা নকৰ্ )—১। বাইজক 'পাছ দি' বহিব নাপায়। ২। তেওঁ বেমাৰীক 'পাছ দিলে'; মোকামলৈ গুচি গ'ল।

পাছ দিলে পৰ্বতলৈ পিঠি—( পাছৰ কালে থকা দিনৰ বা কথা অগ্ৰাহ্য কৰ্, বা পাহৰি যা )—ঘৰ এৰি আহিলোঁ। দেখিলা, ঘৰৰ কথা আৰু নাভাবোঁ; যেনেকৈ থাকে, থাকিব। 'পাছ দিলে পৰ্বতলৈ পিঠি'।

পাছ পৰ্—( পাছত থাক্ )—সকলোৰে আগ বাঢ়িলে; মইহে 'পাছ পৰিলোঁ'।

পাছ-বলী—( ১। পাছৰ কালে শকত। ২। পাছত সহায় থকা )—১। হাজোৰাটো ভাল নহয়; 'পাছ-বলী'। ২। তেওঁ অকলশৰীয়া হয়, কিন্তু 'পাছ-বলী'।

পাছ-বিয়া—( দ্বিতীয় বিবাহ )—আজি-কালি 'পাছ-বিয়া' প্ৰায়েই পতা নহয়।

পাছ ভৰি কৰ্—( পাছ হোঁহক বা অনিচ্ছুক হ )—কামটো কৰিম বুলি কৈ, এতিয়া 'পাছ ভ'ৰি নকৰিবা'।

পাছ মুখ দি—( ১। পাছ দি। ২। অৱজ্ঞা কৰ্ )—১। চকুত পোহৰ বেছিকৈ পৰিছে, সেই দেখি 'পাছ মুখ দিছোঁ'। ২। 'পাছ মুখ দিব' নালাগে, কামটো ভালকৈ কৰা।

পাছ ল—( পাছে পাছে যা )—পুলিচে ডকাইতটোৰ 'পাছ ললে'।

পাছ লাগ্ ( কু অভিপ্ৰায়েৰে পাছে পাছে যা; অনুসৰণ কৰ্ )—সি তোমাৰ 'পাছ লৈছে'; সাৱধানে চলিবা।

পাছ হোঁহক্—( পাছলৈ যা )—কামত আগুৱাবকে লাগে; 'পাছ হোঁহকা' কিয়?

পাছুৱা আন্ —( প্ৰথম ভাৰ্যা মৰাৰ পিছত বিয়া নকৰোৱাকৈ দ্বিতীয় ভাৰ্যা গ্ৰহণ কৰ্ )—সি বোলে বিয়া নকৰায়; 'পাছুৱা আনিবলৈ' এজনী ছোৱালী চাইছে।

পাট-ঘৰ—( ১। আহোম ৰজাই সভাসদেৰে সিংহাসনত উঠিবলৈ অহাৰীতাৰে সজোৱা ঘৰ )—ৰজাৰ অভিষেক উৎসৱ চাবলৈ 'পাট-ঘৰ' চৌদিশে প্ৰজাৰ হেন্দোলমেলা লাগিছিল।

পাটিয় দি—( উদাহৰণ বা পটন্তৰ দি )—আমি দুখীয়া মানুহ; ধনীৰ 'পাটিয় দিলে' কি হব?

পাটিয় পাৰ্—'পাটিয় দি' চোৱা।

পাট-আখ—( মাটিৰ চাকেৰে কৰা আখ )—আজি-কালি 'পাট-আখ' দিদি মানুহে কমি-বাবলৈ দিব লাগিছে।

পাট-গো—'পটা-গুটি' চোৱা।

পাট-মাইক—( ১। ময়ূৰী চৰাই। ২। ৰজাৰ ঘাই মহিষী )—১। 'পাট-মাইকী' চৰাই বৰ ধুনীয়া। ২। ৰজাই সকলোতকৈ মহিষীক 'পাট-মাইকী' পাতিলে।

**পাট-হাতী**—( ৰজাৰ প্ৰধান হাতী )—'পাট-হাতীটো' চুকালত ৰজাই বৰ দুখ পালে।

**পাটী-মোচপোৱা**—( বিয়া নোহোৱা )—বুঢ়ী হʼলাহি; এতিয়াও 'পাটী-মোচপোৱা' বুলি নাম মোচপোৱা নে?

**পাটী-মৰণে মৰ্**—( স্বাভাৱিকভাৱে মৰ্ )—মানুহে 'পাটী-মৰণে মৰিবলৈ' বিচাৰে কিন্তু সি মৰিল পথাৰ মাজত। চোৱাচোন, কি দুৰ্ভাগ্য!

**পাটীৰ তিৰোতা**—( বিয়া কৰাই গ্ৰহণ কৰা ভাৰ্য্যা )—'পাটীৰ তিৰোতা' আৰু পাট্টাৰ মাটি একে।

**পাণ-কঁকলি**—( কঁকালৰ দুয়ো কাষৰ কোমল ঠাই )—'পাণ-কঁকালত' মাৰিবা মৰি যাব।

**পাণ কটা শত্ৰু**—( মাৰাত্মক শত্ৰু )—সি মোৰ 'পাণ কটা শত্ৰু'; তাৰ লগতে মিত্ৰতা কৰিবলৈ কোৱা নে?

**পাণ ছিৰ্**—( পাণ এখিলা ছিৰি স্বামী-ভাৰ্য্যা সম্বন্ধ ত্যাগ কৰ্ )—গিৰীয়েকে ঘৈণীয়েকক 'পাণ ছিৰি' এৰিলে।

**পাণত চুণ পিহলা**—( সামান্য দোষকে ধৰি মনোমালিন্যৰ সৃষ্টি কৰ্ )—মই কাৰো 'পাণত চুণ পিহলাব' খোজা নাই; তথাপি মোৰ কথাকে বাৰে বাৰে আলোচনা কৰিছা কিয়?

**পাণ-খোৱা**—( এবিধ সৰু কাঁহী )—মোক কাঁহী নালাগে; 'পাণ-খোৱা' এখন দিয়া।

**পাণ-বটা**—( তামোল দিয়া সৰু বটা )—ডাঙৰ বটাটো থোৱা; 'পাণ-বটাটো' আনা।

**পাণ-মচলা**—( তামোলৰ লগত খোৱাৰ উপযোগী মচলা )—পুজাতে 'পাণ-মচলাও' আনিবা।

**পাণি গ্ৰহণ কৰ্**—( বিয়া কৰা )—ৰজাই অযোধ্যাৰ ৰাজকুঁৱৰীৰ 'পাণি গ্ৰহণ' কৰিলে।

**পাতা উঠা দি**—( খপকে উত্তেজিত হৈ উঠ্ )—ৰণাৰঙ্গী বিৰতৈ উঠি তেকাহলে 'পাতা উঠা দিলে', মানা বুজনিতো উত্তেজনাৰ পাৰ নাকাটিল।

**পাতা কঁপা দি**—( খপকে কঁপিবলৈ ধৰ্ )—বাঘ অহা শুনি মুঠিয়ে ঘৰৰ ভিতৰতে 'পাতা কঁপা দিবলৈ' ধৰিলে।

**পাত এৰ্**—( খোৱা কাৰ্য শেষ কৰ্ )—মই 'পাত এৰিলোঁ'; পানীখিনি দিয়া।

**পাত কটা ষাঁড়**—( ষাঁড়ৰ দৰে খা-খাই লেহেলীয়া মানুহ )—তেওঁক 'পাত কটা ষাঁড়'; এই মোকামীকলী তেওঁলৈ দুখজাৰ।

**পাতক পাত্ৰ তাতক তত্ৰ বোল্‌**—(নিজা পণ্ডিতালি কৰ্‌)—তেওঁ 'পাতক পাত্ৰ তাতক তত্ৰ বোলে'; এনে, তেওঁ বৰ ডাঙৰ পণ্ডিত!

**পাত-পাতক**—(পাতক হওঁ হওঁ হোৱা হোৱাধী)—হোৱাধীজনী 'পাত-পাতকতেই' হোৱা নাই; এতিয়াই বিয়া দিবা নে?

**পাত মৰ্‌**—(কেঁচা চাহ-পাত মেলা ঘৰ)—বাগানলৈ গলোঁ; কিন্তু 'পাত-মৰত' কেঁচা চাহ পাত কেনেকৈ মেলি থয়, চোৱা নহ'ল।

**পাতত দি**—(পাত মেৰাই জুইত পুৰি সিজা)—এইবিধ মাছ 'পাতত দিয়া'; খাবলৈ বৰ সোৱাদ হব।

**পাতমি জোকৰা**—(এবিধ ডাঙৰ জাতীয় মাহ শস্য)—'পাতমি-জোকৰা' বৰ পুষ্টিকৰ খাদ্য।

**পাতনি মেল্‌**—(সূচনা বা আৰম্ভ কৰ্‌)—কৃষিৰ আৱিষ্কাৰে মানৱ-সভ্যতাৰ 'পাতনি মেলিলে'।

**পাত পাৰ্‌**—(ভোজন কৰ্‌)—এই ঘৰ মিতিৰৰ ঘৰিয়াত মই কোনো দিনে 'পাত পাৰি' পোৱা নাই।

**পাত পাৰি ভাত না পা**—(বৰ দুৰ্ভগীয়া হ)—'পাত পাৰি ভাত নোপোৱা' হলোঁ মোৰেও অদৃষ্ট।

**পাতল পৰ্‌**—(১। কম হ। ২। লাজ পাই)—১। আম এতিয়া 'পাতল পৰিছে'; ক'ৰবাতহে দুটা এটা আছে। ২। মকিয়া অলপ 'পাতল পৰিল' নে?

**পাতলিত পৰ্‌**—(আৱৰণে আহ)—ল'ৰাটো এতিয়া তোমাৰ 'পাতলিত পৰিল', ভালকৈ ৰাখিবা।

**পাতনি-তামোল**—(ভাল মানুহক দিবলৈ পাতত মেৰাই লগামাখি কৰা চুণ-খিলিয়া তামোল)—'পাতনি-তামোলখিনি' কণৰ বটাটোত দি আহা; এই টেবিলত থোৱাহি।

**পাতা-বীজনা**—(সৰু কথা লৈ বহ-বেমালি কৰ্‌)—তেওঁ মুখত গঁঠা, মই তাক আৰু ভক্তি কৰোঁ; তথাপি তেওঁ বেছিকৈ 'পাতা-বীজনাৰ,' তেওঁক সমনীয়া নেপাওঁ।

**পাতাল-ফুটা**—(বৰ দ')—এই 'পাতাল-ফুটা' নাদটো, ইয়াতো এটোপা পানী নাই।

**পাতি-কাউৰী**—(এবিধ সৰু জাতৰ কাউৰী)—'পাতি-কাউৰী' ঢোৰা-কাউৰীৰ দৰে দুষ্টালি আৰু ভয়ানক নহয়।

**পাতি-কাৰী**—(চালত এটাৰকৈ পাৰি দিয়া সৰু কাৰী; জাপ-কাৰী)—'পাতি-কাৰী'বোৰ বাঁহৰ কাঠী পকাই গুঁথি লোৱা।

**পাতি-পইচা**—(পইচা নামৰ মুদ্ৰা)—'পাতি-পইচা' এটা পুৰি পানীত পেলাই দি সেই পানী খাবা।

**পাতি-হাঁহ**—(ঘৰচীয়া সৰু হাঁহ)—'পাতি-হাঁহ' আমাৰ গাঁৱত আছে, ৰাজ-হাঁহ নাই।

**পাতে-গজা**—(১। চুপৰীয়া-টেঙা নামৰ টেঙাচী পাতৰ উদ্ভিদ। ২। ঘৰ চুই)—১। 'পাতে গজাৰ' পাত খেঁতেলিয়াই জল-পেটত তবণ দিয়া। ২। ছোৱালীজনী ঘৰ 'পাতে গজা'; কথা কলে ভ্ৰু-ভঙ্গ নকৰে।

**পাথৰ-কলাই**—(টিঙিৰি ফুলাবে জুই ধৰি মৰা এবিধ পুৰণি হিলৈ)—'পাথৰ-কলাই' নামৰ আগৰ দিনীয়া হিলৈ মই দেখা নাই।

**পানী-আঠা**—(চৰাই ধৰিবলৈ তৈয়াৰ কৰা এবিধ পনীয়া আঠা)—চৰাই ধৰিবলৈ 'পানী-আঠা' ব্যৱহাৰ কৰা হয়।

**পানী উঠ্**—(১। নোহোৱা হ। ২। ধ্বংস হ)—১। সেইজন বেজৰ হাতত পৰিলে এই ৰোগ নিমিষতে 'পানী উঠিব'। ২। তেওঁলোকৰ সাতাম পুৰুষীয়া গৃহস্থালি 'পানী উঠি' গ'ল।

**পানী কৰ্**—(নাশ কৰ্)—বাপেকৰ মা-সম্পত্তি পুতেকে 'পানী কৰিলে'।

**পানী কৰি বুজা**—(অতি সৰলকৈ বুজাই ক)—এই শিক্ষকজন বৰ জনা মানুহ; সকলো কথাকে 'পানী কৰি বুজাব' পাৰে।

**পানী-কাজ**—(পেচাব কৰা কাৰ্য)—তেওঁ বোৱা নাই; 'পানী-কাজলৈ' গৈছে।

**পানী কাট্**—(১। পানী বগৰাই দি। ২। মন্ত্ৰ মাতি পানী জাৰ্)—১। ইয়াৰ ৰখনুৱে চালে 'পানী কাটি' জলপি পোৱা নাই। ২। শনিবাৰে মই আহি 'পানী কাটি' দি যাম; সেই পানীৰে ল'ৰাটোক গা ধুৱাবা।

**পানী-কাছুৱা**—(বৰুণৰ পূজা কৰা ঘৰৰ চাৰিও কাষে ওলোৱা পাত কাটৰ মখল)—'পানী-কাছুৱা' দিছে; বৰুণ হব।

**পানী-কেঁচুৱা**—(মিছাই কেঁচুৱা)—পানী-কেঁচুৱাটো এদিন মাক মৰিল; বাপেক মিছলাৰ হ'ল।

**পানী-খাড়া**—(জ্বৰ বৈ যা মাথাত জ্বৰ ধৰে বগাইলে উঠা পানী)—'পানী-খাড়া' একোটা জ্বৰ ধৰে হে মাথাত উঠে, তেতিয়া অপূৰ্ব দুখৰ সৃষ্টি হয়।

**পানী-গাভিনী**—( অলপতে গৰ্ভৱতী হোৱা ছেঁৰী )—এইজনী ছোৱালী গুণিলৈ 'পানী-গাভিনী'; তাইক নেবেচিবা।

**পানী-গামোচা**—( তাতৰ আৰু গা ধোওঁতে ব্যৱহাৰ কৰা গামোচা )—এইখন ধুতি নহয়, 'পানী-গামোচাহে'।

**পানী-ঘাট চুব্**—( শৌচ কৰিবলৈ যা )—তেওঁ 'পানী-ঘাট চুবিবলৈ' গৈছে; অলপ ৰহক।

**পানী চৰা**—( মূল্যবান ধাতু গলাই তাৰে সামান্য ধাতু চাকি অলঙ্কাৰ আদি দেখিবলৈ শুৱনি বা বহুমূলীয়া যেন কৰ্ )—এইযোৰ খাৰু সোণৰ নহয় সোণৰ 'পানী চৰোৱাহে'।

**পানী-চাং**—( পানীৰ কলহ আদি থোৱা চাং )—'পানী-চাং' এখন পাতি পানীৰ কলহবোৰ থোৱা কৰা।

**পানী-চাৰবি**—( মুক্তি-আই )—ই তাতৰ বসন্ত নহয়, 'পানী-চাৰবিহে'।

**পানী-চালি**—( মিছাই গপ মৰা মানুহ )—সেই 'পানী-চালিটোৰ' আন কাম নাই; সদায় চালি মাৰি ফুৰাই তাৰ কাম।

**পানী ছো**—( শৌচ কৰ্ )—তেওঁ 'পানী ছুবলৈ' গৈছিল; এনেতে অতিথিজন আহিল।

**পানী-জোলা**—( গাৰ ছালৰ তলত হোৱা পানীৰে ভৰ্তি জোলা বা ঘা )—আগ পুৰিছে হয়, 'পানী-জোলা' বহা নাই।

**পানীত থাকি পিয়াহত মৰ্**—( কমিত অভাৱত কষ্ট পা )—তেওঁৰ ভঁৰাল উপচি আছে; তথাপি খাই নাইহে কৰিছে, এনেকৈ 'পানীত থাকিও পিয়াহত মৰা' মানুহ দেখা নাই।

**পানীত পৰা দি**—( সম্পূৰ্ণ নিতাল যাব্ )—তেওঁ অহা বাবেই সকলোৰে 'পানীত পৰা দিলে'।

**পানীত পৰা মানুহে খেৰ-কুটাকো ধৰ্**—( বিপদত পৰিলে বহুতে তুচ্ছ আশ্ৰয় বিচাৰ্ )—'পানীত পৰা মানুহে খেৰ-কুটাকো ধৰে', ভদ্ৰলোকজনে বিপদাত দুই টকাৰ বাবে আপোনা মুঠীজনীকো বন্ধকি চালে।

**পানী তললৈহে ব**—( স্বভাৱ নিম্নগামী হ )—'পানী তললৈহে বয়'; মানুহৰ মনটোৱো সদায় বেয়াৰ ফালেহে যাব খোজে।

**পানীত হাঁহ নচৰা হ**—( বৰ ডাঙৰ বিপদ্ হ )—বাইবৰ সময়ত গোটেই হাহাকাৰ, 'পানীত হাঁহ নচৰা' অৱস্থা 'হৈছিল'।

**পানী তোল্**—( মৰা-কইনাক ধুৱাবলৈ শাহুৱেকে পানী আন্)—"পানী তুলিবাকে' যাবি নে মাথাৰি, আমাৰে আগতে ক।"

**পানী দি**—( ধীবাৰৰ বাবে পানীৰ মাৰি আহ্)—দামুৰিয়ে পিলেই পাইকলীয়ে তাকৰ 'পানী দিদিয়ে'।

**পানী-মলৰকা**—( অলপো জটি নথকা; নিসৰীয়া)—তেওঁ 'পানী মলৰকাকৈ' কথা কয়, গুনি থাকিবলৈ মন যায়।

**পানী-পৰঠুৱা**—( প্ৰায়েই পানীত জল গৈ থাকি মানুহৰ দুৰ্গতিৰ কাৰণ হোৱা—ঠাইত থাকে)—এই গাঁওবোৰ থাকিবা সবায় 'পানী-পৰঠুৱা', বাৰলৈ বাট-পথ নোহোৱা হয়।

**পানী-পাচ**—( ধৰৰ চালৰ দিচেই তলৰ অংশ)—'পানী-পাচৰ' মাৰকিচো সলাই দিয়া।

**পানী পানী কৰি পিকা**—(১। বৰ সহজবোধ্য কৰি পিকা। ২। বৰকৈ খাওৱা দি)—১। তেওঁ ছাত্ৰহঁতক সকলো কথা 'পানী পানী কৰি পিকায়'। ২। তোক মই 'পানী পানী কৰি পিকাই' এৰিম।

**পানী পিয়া দি**—( বৰ থৰকৈ কৈ থাক্)—কথা কবলৈ ধৰিলে তেওঁ 'পানী পিয়া দিয়ে', অলপো নৰয়, ক'তো থকজাও নালাগে।

**পানী-পেটা ল'ৰা**—( সৰু ল'ৰা)—এই 'পানী-পেটা ল'ৰাটোৱে' সাতীত মলৰা কথা শুনাছোন।

**পানী বচা দি**—( বৰকৈ বেগাই যাচ্)—১। হোৱালীজনী 'পানী বচা দিছে'। "পানী বাচনীয়া' থাকিলি মাউঁ যাই, দিবাহৰ থাকৰি পাই।"

**পানী-ভাত তোল্** ( বা কৰ্)—( মৃতি শ্ৰাদ্ধ কৰ্)—কলাধিবোৰা কমুলীয়া মৃ-সম্পত্তি বুৰাবা পুতেকে এবছৰতে 'পানী-ভাত তুলিলে'।

**পানী-বুঁৰজি**—( পানীৰ বাবে মল মলা ঠাই)—'পানী-বুঁৰজিত' দিন ট্ৰে কি কথা? পা ধুই আহা।

**পানীতে থা**—( ১। পানীত নষ্ট কৰ্। ২। বেলা মাটিত দুধি তলিত থাক্)—১। আহ ধান এইবাৰ 'পানীতে থাই' সৰ্বনাশ কৰিলে। ২। মই বোৰ মাটি ইমান দূৰ বাব নোৱাৰোঁ; তৰি 'পানীতে থাইছে'।

**পানীতে মৰা মাও**—( বৰ কষ্ট পোৱা দুৰ্বল মানুহ)—থাৰি 'পানীতে মৰা মাও'; আমাকে থাকিবলৈ কি টান?

**পানীৰ ঔ তৈলা**—( অবাস্তৱ কথা বা কাৰ্য )—তোমাৰ কথাটো 'পানীৰ ঔ তৈলাহে'; আমি তাক বিশ্বাস নকৰোঁ।

**পানীৰ তলৰ কাঁইট**—( গুপ্ত শত্ৰু )—সি যে মোৰ 'পানীৰ তলৰ কাঁইট', জনা নাছিলোঁ।

**পানীৰ তলে লাঠী জাল বাব পাৰ্**—( বৰ চতুৰ আৰু নিপুণ হ )—তেওঁক সাধাৰণ বুলি উলাই নকৰিবা; তেওঁ 'পানীৰ তলে লাঠী জাল বাব পাৰে'।

**পানীৰ মিঠৈ**—( সাৰহীন বা গুণহীন বস্তু )—এই গাখীৰ আৰু 'পানীৰ মিঠৈ' একে কথা; তাক নিকিনিবা।

**পানী লাগ্**—( সাধাৰণ ঘৰকাহ হ )—তেওঁৰ 'পানী লাগিছে'; সেই দেখি নাহিল।

**পানী-শৰাধ**—( মৃতকৰ কাৰণে বছৰি কৰা শ্ৰাদ্ধ )—দেউতাৰ 'পানী-শৰাধ' কাইলৈ; আপোনাক নিমন্ত্ৰণ কৰিলোঁ।

**পাপৰ পৰাচিত্ত হ**—( কুকৰ্মৰ বাবে যোগ্য শাস্তি হ )—দোষ কৰিছিলা, শাস্তি পালা; 'পাপৰ পৰাচিত্ত হ'ল'।

**পাপীৰ মন পিঠাত**—( সাধুসকলো পাপীৰ মন পাপকাৰ্যত থাকে )—'পাপীৰ মন পিঠাত'; সিও ভকতসকলৰ লগত মণ্ডলাবলৈ যাওঁতে কঁহবাখনৰ কণৰ বোকা এটা হাত কৰিলে।

**পাপীৰ লগত যমদূতৰ শাস্তি হ**—( সজলোকত পৰি কষ্ট পা )—চোৰ লগত পৰি আমাৰো 'পাপীৰ লগত যমদূতৰ শাস্তি হ'ল'; তেই চুৰ কৰি ধৰা পৰিলি; আমাকো সকলোৱে সন্দেহ কৰিলে।

**পাৰত-গজা**—( ১। অকাজৰ ভিত্তিহীন। ২। বৰ দুষ্ট )—১। তোমাৰ এইবোৰ 'পাৰত-গজা' কথা; কোনে পতিয়াব? ২। ল'ৰাটো বৰ 'পাৰত-গজা'; তাক কেনেও শাসন কৰিব নোৱাৰে।

**পাৰৰ মাছত বগলী কণা হ**—( উপস্থিত থকা সুযোগ গ্ৰহণ কৰিবলৈ অক্ষম হ )- এইটো টকাপাবৰ সুবিধা, কিন্তু 'পাৰৰ মাছত বগলী কণা হ'ল'; তেওঁ এই সুযোগটো হাত-ছিপা হৈ থাকিল।

**পাৰ্বতী চাহ**—( সৰু চপৰ চাহ )—'পাৰ্বতী চাহ' একাপ খালে ইটো-সিটো সদাই কৰ পাৰি।

**পাৰ খা** (বা খৰ্)—আন ঠাইত মাটি লৈ থাকি খেতি কৰ্)—এই গাঁৱৰ বহুত মানুহে 'পাৰ খাবলৈ' মাটি বিচাৰি ফুৰিছে।

**পাগ্ পা**—(উচ্চ পদ পাই দম্ভালি কৰ্)—তুমি 'পাগ্ পোৱা' যেন পাইছা, আমিও তোমাৰ গতি-গোত্ৰ চাই আছোঁ।

**পাৰ কৰ্**—(১। ইপাৰৰপৰা সিপাৰলৈ নি। ২। বিপদৰপৰা উদ্ধাৰ কৰ্। ৩। যাপি নি)—১। তুমিয়েই এই নৈত 'পাৰ কৰা' নে? ২। তুমি আমো মোক এই সংকটত 'পাৰ কৰিবা'? ৩। ঈশ্বৰে 'পাৰ কৰিলে' বৰ সুখ পাওঁ; জী থাকিবলৈ আৰু ইচ্ছা নাই।

**পাৰ-ঘাট**—(নৈ আদি পাৰ হোৱা ঘাট)—এই 'পাৰ-ঘাটত' পইচা দিব লাগে।

**পাৰ-নাও**—(ঘাটত পাৰ কৰা নাও)—ঘাটৰ 'পাৰ-নাওখন' বৰ সৰু।

**পাৰ পা**—(১। পানী পাৰ হৈ যাব পা। ২। উদ্ধাৰ হ। ৩। শেষ বা অন্ত পা। ৪। সম্যক্ বুজি পা)—১। তৰা নদীত পাৰ হওঁতে বৰ ভয় লাগিছিল; 'পাৰ পাইহে' শান্তি পালোঁ। ২। এই বিপদত 'পাৰ পাওঁ' কেনেকৈ? ৩। তোমালোকে তোমাৰ বেপাৰৰ কথা যিমানেই আলোচনা নকৰা কিয়, তাৰ 'পাৰ নোপোৱা'। ৪। তুমি আমাৰ আলোচনাৰ 'পাৰ নোপোৱা'।

**পাৰ পালে ইপাৰ পাৰ পালে সিপাৰ**—(সুবিধা বুজি ইপক্ষ বা সিপক্ষ লোৱা কাৰ্য)—তেওঁক বিশ্বাস নকৰিবা; তেওঁ 'পাৰ পালে ইপাৰ পাৰ পালে সিপাৰ হয়'।

**পাৰ পালে কুমী কুম্ভত লাথি মাৰ্**—(অকৃতজ্ঞ হ)—তেওঁৰ আচৰণত বিস্মিত নহবা; 'পাৰ পালে কুমীৰে কুম্ভত লাথি মাৰেই'।

**পাৰ-ঘূৰীয়া**—(পৰস্পৰ প্ৰতি বৰ মৰম-চেনেহ থকা)—এই পৰিয়ালটি 'পাৰ-ঘূৰীয়া' প্ৰকৃতিৰ; কাকো এৰি কোনোৱে নাথাকে।

**পাৰ হ**—(১। ইপাৰৰপৰা সিপাৰলৈ যা। ২। বিপদৰপৰা উদ্ধাৰ হ। ৩। মৃত্যু হ)—১। সোনকালে 'পাৰ হব' পাৰিলে ভাল; তৰা নৈ, গধূলি হৈ আহিছে। ২। এই বিপদত 'পাৰ হওঁ' কেনেকৈ? ৩। ঈশ্বৰৰ কৃপাত সোনকালে 'পাৰ হবলৈহে' কামনা কৰিছোঁ।

**পাৰাপাৰ নহ**—(ইপাৰ-সিপাৰ নহ; সীমা বা অন্ত নহ)—১। নৈ তদি 'পাৰাপাৰ নোহোৱা' হৈছে। ২। তোমাৰ বেপাৰ এটা বৰ দাৰুণ সমস্যা; ইয়াৰ 'পাৰাপাৰ নাই'।

পাৰা-পাৰি—( অৰিয়া-অৰি )—'পাৰা-পাৰি' কৰি অনৰ্থক টকা ভৰিব লাগিল।

পাৰি-খুঁটা—( হাতিত দিয়া খুঁটা, পানী-পাচৰ খুঁটা)—মকাল বাঁহৰ ভৰিবোৰ কাটি 'পাৰি-খুঁটা' দিয়াই ভাল হয়।

পাৰিত পকে—( যিমান দূৰ পৰা যায় )—কামটো 'পাৰিত পকে' সকৰাকৈ নেৰোঁ।

পাৰি দি—( নাও মেলি ইপাৰৰপৰা সিপাৰলৈ যা )—টুলুঙা নাও এখনত্ আৰু মাহুক ভৰা নদীত ডেও অকলে 'পাৰি দিলে'।

পাৰি-পৰিজ্ঞমে—( শক্তি অনুসাৰে, পাৰিত পকে )—'পাৰি-পৰিজ্ঞমে' তোমাক সহায় কৰিম, নোৱাৰিলে নাই।

পাৰে মাৰে—( যিমান পাৰি )—তেওঁ যোৱা নিশা বৈ আনিব 'পাৰে মাৰে' মাছ ধৰিলে।

পাল খা ( আক মুৰ—গৰুত খাটে )—গাইজনীয়ে মাকত 'পাল খাইছিল'; এই মাহতে, পোৱালি দিব।

পাল-মাৰ—( কেবা দিনো একেবাৰে ধৰি থকা মাৰ )—এই পীড়ত বহুবি 'পাল-মাৰ' একেবাহে সাত দিনলৈ ধৰে।

পাল পা—( গাভিনী হ—গৰুত খাটে )—গাইজনীয়ে 'পাল পাইছে'; পোৱালি জগিব।

পাঁজ-আচৰি—( আল-পৈচান )—'পাল-পাঁচনি' কৰোঁতেই সময় যায়; পঢ়িব কেতিয়া?

পাল মাৰ্—( ১। নিজৰ পালৰ কাম কৰ্ । ২। নিজৰ পাল কটাবলৈ অমনো-যোগিভাবে কাম কৰ্ )—১। মই আজি 'পাল মাৰিবলৈ' গৰু চৰাব লাগিব। ২। 'পাল মাৰি' কাম নকৰি মনোযোগ দি ভালকৈ কৰা।

পাল ল—'পাল খা' চোৱা।

পাল ভাঙ্—( ১। পালৰ সময় শেষ হ। ২। আয়ুস অন্ত হ )—১। এবেলা কাম কৰিলোঁ, মোৰ 'পাল ভাঙিল'; এতিয়া যাওঁ। ২। বুঢ়াই বুজিছিল যে তেওঁৰ 'পাল ভাঙি আহিছে'।

পাল ভঙা—'পাল মাৰ' চোৱা।

পাতি-পাতি কৰি দিয়া—( সৰু বেছিকৈ আহকাল দি )—ই মোক 'পাতি পাতি কৰি দিয়াৰ' লাগিছে; ইয়াক দেখিবকে নাপাম।

**পানী চাইহে বাগ টান্**—(কোনো কামত আগৰ কিমান সহায় বা সমৰ্থন পোৱা যায়, তাকে চাইহে কোনো কাম কৰ্)—এই কাম যে কৰিব খুজিছা, লোকে তোমাক সমৰ্থন কৰিব নে? 'পানী চাইহে বাগ টানিবা'।

**পানী-পহৰী** (বা **পহৰীয়া**)—পান পাঁত পহৰা দিয়া মানুহ)—"পানী-পহৰীয়া সৰে দিয়া গৈলা, উপজিলা জগন্নাথ।"

**পালে পালে**—(১। পাল অনুসৰি। ২। জাকে জাকে)—১। 'পালে পালে' আলপৈচান ধৰিবলৈ মানুহ ঠিক কৰি থৈছোঁ। ২। 'পালে পালে' লৰা আহি আছে, কিমানক দিব?

**পাৰ-পোচ**—(ভৰিৰ ধূলি মচিবলৈ দুৱাৰ মুখত থোৱা সৰু দলিচা)—'পাৰ-পোচখনত' বহুত ধূলি জমিছে; বাহিৰত জোকাৰি আনা।

**পাহৰা ধানৰ ভাত খা**—(কোনো কথা বাৰে বাৰে পাহৰ্)—তুমি 'পাহৰা ভাত খাইছা'; সেই দেখিহে পাহৰি কিতাপখন দিবে এৰি আহিছা।

**পাহাৰ দি**—'পানী দি' চোৱা।

**পাহি লৰ্**—(লঙণৰ এন্দুৰ ছিগ্)—তোৰ লঙণটোৰ 'পাহি লৰিছে'; নতুন এটা লোৱা।

**পিক-ছাই**—(পিক বা থু পেলোৱা ছাই)—ৰোগীক এই ছাইত পিক বা থু পেলাব দিবা; আৰু 'পিক-ছাইখিনি' নিতৌ পুৱা পেলাই দি নতুনকৈ ছাই দিবা।

**পিক-দান** (বা **পিক-দানি**)—পিক বা থু পেলাবলৈ ছাই থোৱা পাত্ৰ)—আগৰ দিনত 'পিক-দান' একোটা বিচনাৰ শিতানৰ কাষত ৰখা হৈছিল।

**পিট-কাপোৰ** -(দীঘল সূতা দিয়োৱা, বাণিৰ সূতা দিনিসোৱাকৈ মেৰা দিয়াই থোৱা চলীয়া কাঠ কণাহী কাপোৰ)—বাকচ ভৰিবলৈ 'পিট-কাপোৰ এখন' কিনি আনিবা।

**পিট খা**—(হেঁচা, খুন্দা আদিত কাঠ বা টান হ)—মাটিডোখৰ 'পিট খাওক'; এই বছৰ তাত ঘৰ নাসাজিবা।

**পিটিকাত তিনি ভুৰ লোণ খা**—(কম বয়স কৰোঁ তোমাতকৈ বেছি বয়স হ)—কণমানি কৰোঁতে হুলি থক হ'ল; 'পিটিকাত তিনি ভুৰ লোণ খোৱা' যেন হ'ল।

**পিটিকা মাৰ্**—(আঙুলিৰে টিপি দি, পিটিক্)—দিয়োৱা আঙুলটো 'পিটিকা মাৰি' ভাবে হুলহুলাব বাৰো।

**পিটিকি চা**—( ১। টিপি পৰীক্ষা কৰ্। ২। সম্পূৰ্ণৰূপে বিবেচনা কৰ্ )—১। ভালকৈ কেইটা 'পিটিকি' কি 'চাইছা'? ২। কথাটো 'পিটিকি চাইহে' সিদ্ধান্ত কৰিবা।

**পিটিকি থাক্**—( ১। টিপি টিপি পৰীক্ষা কৰ বা সময় কটা। ২। অনিচ্ছাৰে লাহে লাহে কৰ্ )—১। তাত কেইটা মুখৰ আগত মই 'পিটিকি আছা' কিয়? খোৱাৰ নেকি? ২। কামত ধৰিলে 'পিটিকি থকাই' তাৰ অভ্যাস।

**পিঠা-খোৱা**—( গাল উখহা ৰোগ; শিয়াল-গধা )—'পিঠা-খোৱা' হলে ভগত পিঠাৰে সেকি দিব লাগে।

**পিঠা-পনা**—( পিঠা আৰু তাৰ লগে আন খাদ্য )—দোৱাহী আহিল; 'পিঠা-পনা' জোগাৰ নকৰিবা নে?

**পিঠা হ**—( হেঁচা বা খুন্দাত চেপেটা হ )—১। ইহঁতৰ গছকনিত খেৰখোৰ 'পিঠা হ'ল'। ২। মাৰ-কিলত ল'ৰাটো 'পিঠা হ'ল'।

**পিঠি খজুৱা**—( মাৰ-কিল খাবলৈ ইচ্ছা কৰ )—তোৰ 'পিঠি খজুৱাইছে' হব পায়, সেই দেখিহে কথা-বতৰা শুনা নাই।

**পিঠি ছিড্** ( বা **কাল্** )—( বৰকৈ কোবা )—বাপেকে ল'ৰাটোক কোবাই 'পিঠি ছিঙিলে'।

**পিঠিত চকুৱা বাজ্**—( বৰকৈ মাৰ-কিল খাবলৈ সাজু হ )—তোৰ দুষ্টামিৰ শিক্ষা দিম; 'পিঠিত চকুৱা বাজ্'।

**পিঠিত তেল দি**—'পিঠিত চকুৱা বাজ্' চোৱা।

**পিঠিত বাবৰি ফুল বাহ্**—( বৰকৈ মাৰ-কিল কৰি পিঠিত দাগ বহুৱা )—বাপেকে তাৰ 'পিঠিত' আজি 'বাবৰি ফুল বাহিছে'; সি আধা-মৰা হৈছে।

**পিঠিত বাইজাং কাল্**—( বাইজাং—ভাৰ বোকা লাঠি। উঠাই দুখাই কোবা )—দোষ চাইহে দণ্ড দিব লাগে; এই দোষত তাৰ 'পিঠিত বাইজাং কলাটো' উচিত হোৱা নাই।

**পিঠিত হাত ফুৰা** ( বা **ফুৰা** )—( মৰম ভাব প্ৰকাশ কৰ্; সান্ত্বনা দি )—ল'ৰাটোৰ 'পিঠিত হাত বুলাই' তেওঁ আপোনা পাঁচ টকা দিলেহি।

**পিঠি দি**—( ১। ওলোটা কালে মুখ ঘূৰা। ২। অৱহেলা কৰ্ )—১। পূবলৈ 'পিঠি দি' বহা। ২। তুমি আমাক 'পিঠি দিব' কিয়? আমাৰ দুখীৰ কথা মনত কৰিবা নেকি?

**পিঠীয়া-পিঠি**—(১। একেলে আন জনলৈ পিঠি দিয়া কাৰ্য। ২। অমিল, বিৰোধ)—১। 'পিঠীয়া-পিঠি' হৈ বহিলা কিয়? মুখামুখিকৈ বহা। ২। তোমালোক ভাই-ককাইৰ মাজত 'পিঠীয়া-পিঠি' এৰি দিয়া।

**পিঠিৰ খজুৱতি উঠ**—'পিঠি খজুৱা' চোৱা।

**পিণ্ড খা**—(১। মৃতকৰ উদ্দেশে দিয়া পিণ্ড সেই মৃতকে গ্ৰহণ কৰ্। ২। ভাত বা তেনে খাদ্য খা—অসন্তোষ বা বেজাৰত কোৱা হয়)—১। তোৰ 'পিণ্ড খাবলৈ' মই আশা কৰা নাই। ২। 'পিণ্ড খাই' আহোঁ ৰবা, তুমি অলপ বহা।

**পিণ্ড লোপ হ**—(পিণ্ড দিবলৈ কোনো নাইকিয়া হ, বংশ লোপ হ)- বংশৰ একেটা ল'ৰা সিও ঢুকাল; বংশৰ 'পিণ্ড লোপ হ'ল'।

**পিতপিতাই ফুৰ্**—(১। উত্ৰাৱল হৈ ফুৰ্। ২। পাত পাতকৈ চাই ফুৰ্)—১। পগলাৰ দৰে 'পিত্‌পিতাই ফুৰিছা' কিয়? ২। পুলিচে চোৰ বিচাৰি নে আন কিবা বিচাৰি 'পিত্‌পিতাই ফুৰিছে'?

**পিত্ত মৰ্**-(পৰিপুষ্টিৰ অভাৱত বা দাৰুণ পৰিশ্ৰমত শক্তিহীন হ)—১। খাবলৈ নাপাই তাৰ 'পিত্ত মৰিছে।' ২। দিন-ৰাতিৰ হেঁচ লোহোৰাকৈ কাম কৰোঁতে তেওঁৰ 'পিত্ত মৰিছে'।

**পিতাকৰ শ্ৰাদ্ধত বহ্**—(পিতাকৰ নাম ধৰি কোনো মানুহক গালি-শপনি পাৰ্)—মোক তেনে বুলি সি চৰি পোৱা নাই হব পায়। তাৰ 'পিতাকৰ শ্ৰাদ্ধত বহিলে' কেনে পাব?

**পিন্ধি-উৰি**—(ভালকৈ কাপোৰ-কানি পিন্ধি)—এইদৰে আহিলা কিয়? 'পিন্ধি-উৰি' অহালাগে।

**পিয়াহ ছাৰ্**—(মাকৰ পিয়াহ খাবলৈ এৰ্—জন্তুত খাটে)—দামুৰিটোৱে 'পিয়াহ ছাৰা' নাই, এতিয়াই তাক বচিবা কেনেকৈ?

**পিয়াহ দি**—(পোৱালি জনা—জন্তুত খাটে)—গাইজনীয়ে কেই 'পিয়াহ দিছে'?

**পি খা**—(খীৰাবলৈ নোপাওঁতেই দামুৰিয়ে গাখীৰ খাই শেষ কৰ্)—গাখীৰ আজি এটোপাও নাপালোঁ; দামুৰিটোৱে 'পি খৈছে'।

**পিয়া-পি দি**—(চাৰিও ফালে বিয়পি পৰ্)—চোৰ 'পিয়া-পি দিছে'; ৰাতি সাৱধানে থাকিবা।

**পিয়াহ-উঠিয়া পৰ্**—(মাকৰ গাখীৰ ভালকৈ খাবলৈ নোপাই ক্ষীণাই যা; ক্ষুদ্ৰ-ক্ষীণ পৰ্)—ল'ৰাটো 'পিয়াহ-উঠিয়া পৰিছে'; গৰম গাখীৰকে খুওৱাৰ দিহা কৰা।

**পিয়াহ-খঁতা**—( ১। পিয়াহ খোৱা খাত কথা, গতিকে মিছেই দহ—লাজ বা লোকনিন্দিত খাটে। ২। মচুৰকৈ চলোৱা বা উলিওৱা—যাত-কথাত খাটে )—১। এই 'পিয়াহ-খঁতা' ল'ৰাটোৱে গৰু চৰাব কেনেকৈ? ২। আজি-কালিৰ ডেকাবোৰৰ 'পিয়াহ-খঁতা' কথাবোৰ আমি বুজি নাপাওঁ।

**পিয়াহ-শিৰা**—( জৰৰ বিৰ হোৱা ৰোগ, শিৰ-কোৰ ৰোগ )—জিৰোতাজনীয়ে 'পিয়াহ-শিৰাত' ভুং পোৱা নাই।

**পিৰালি-কঁইটা**—( পিৰালিৰ বাঢ়িৰ-কাণ, পানী-পোতা )—কেঁচুৱাটো 'পিৰালি-কঁইটাত' বাগৰি গ'ল; চাবিখন চাপি এই কালে আজা।

**পিৰিক-পাৰাক কৰ্**—( ১। চকু মেলা-মুদা কৰা। ২। চিমিক-চামাক কৰ্ )—১। সি সদায় 'পিৰিক-পাৰাক কাৰ' থাকে; চোৰ যেন লাগে। ২। চাকিটো জ্বলাৰ; 'পিৰিক-পাৰাক কৰিছে'।

**পীৰি উঠ্**—( একে পুৰুষৰ মানুহ গোহোৱা হ )—ডেওঁ চুকোৱাৰ লগে লগে সেই বংশৰ বুঢ়াবিলাকৰ 'পীৰি উঠিল'।

**পুং বচা**—( সব কথা বহলাই মিছাই ডাঙৰ কৰ্ )—সকলো কথাতে 'পুং বচাই দি' লেকত গোলমাল লাগিলে ডেওঁ আঁতৰ হয়।

**পুখুৰীত বিহ দি**—( গোপনে ডাঙৰ শত্ৰুতা কৰ্ )—এই যে তোমাৰ 'পুখুৰীত বিহ দিলা' যে ডেক-মঙহৰ সৰুও অৱজ্ঞা কৰিব খুজিছা?

**পুটুং কৰে**—( অকস্মাৎ আগে মজলোৱাকৈ )—'পুটুং কৰে' ক'পলা জনালাহি? এবাৰ এটাও দিব নোৱাৰিলা নে?

**পুটুক্ পুটুক্ কৰে**—( ঘনে ঘনে )—লাকবোৰ 'পুটুক্ পুটুক্ কৰে' খাই থাকাখিয়; পেটৰ অসুখ হব, এৰা লাক।

**পুঠি মাছৰ চৰ্চবিয়ে সাৰ হ**—( দুৰ্বল লোকৰ দতালি অৰ্থহীন হ )—'পুঠি মাছৰ চৰ্চবিয়ে সাৰ হোৱাৰ' দৰে তোমাৰ দৰে দুখীয়াৰ এই আস্ফালন অৰ্থহীন নহয় নে?

**পুঠি মাছৰ জীউ**—( নিতান্ত সামান্য বা অতেকীয়া শক্তি )—এনে বল দেখুৱাইছা; 'পুঠি মাছৰ জীউ' বুলি ভাবিবা।

**পুতলা নচুৱা দি**—( নিজৰ আমৰত বাখি নিজৰ ইচ্ছা মতে চলা )—খাইৰক ডেওঁ 'পুতলা নচুৱা দিয়ে'; উঠ্ বুলিলে উঠে, বহ্ বুলিলে বহে।

**পুৰচ্-বিয়া**—(পাছ-বিয়া, শান্তি-বিয়া)—'পুৰচ্-বিয়া' আজি-কালি উঠি গ'ল, কাৰণ পুষ্পিতা হলেহে ছোৱালী বিয়া দিয়া হয়।

**পুলিচত দি**—(দোষ কৰা বাবে কোনো মানুহক পুলিচক গতাই দি)—বাইজে ডাক, চোৰ বুলি, 'পুলিচত দিলে'।

**পুলি-পোখা উভাল্**—(সমূলে ধ্বংস কৰ্)—১। শাক তুলিবলৈ যৈ বুঢ়ীয়ে 'পুলিয়ে-পোখাই উভালি' আনিলে। ২। বজাই সেই বংশৰ 'পুলিয়ে-পোখাই উভালিছিল'।

**পুলুং-পালাং কৰ্**—(মনোযোগেৰে কাম নকৰি ইফালে সিফালে চাই সময় কটা)—কামটোত ধৰি 'পুলং-পালাং কৰি' থকা দেখোন।

**পুলুকা মাৰ্**—(কামকাজ পা এৰা দি পলা)—তোমালোকক কামটো গতাই দিলোঁ; 'পুলুকা মাৰি' কাম এৰি গ'লা কিয়?

**পুৱা হলে নাও যেনি যা**—(অস্থায়ীভাৱে থকাৰ ঘৰে থাকি চিৰ-চাৰ বেৰাকে আঁতৰি যা)—তেওঁ 'পুৱা হলে নাও যেনি যায়'। দিনটো দেখা দেখি নাই; ক'লৈ যায় তেওঁহে জানে।

**পুৰুষ পা**—(দোষণীয় তিথি, বাৰ, নক্ষত্ৰত মৃত্যু হ)—তেওঁ পূৰ্ণ 'পুৰুষ পালে'; দিবংগতৰ শান্তিৰ বাবে কিৰাকিৰি কৰা উচিত।

**পুৰুষ-বিয়া**—(পুংসৱন্)—'পুৰুষ-বিয়া' সমাজখনৰ প্ৰায়েই উঠি গ'ল।

**পুবৰ বেলি পশ্চিমে ওলা**—(অসম্ভৱ কাৰ্য হ)—আজি দেখোন 'পুবৰ বেলি পশ্চিমে ওলাল'; তুমি আহিলা।

**পুবৰ বেলি পশ্চিমে যা**—(বহুত পলম হ)—'পুবৰ বেলি পশ্চিমে গ'ল'; তেওঁ ঘূৰি নাহিল।

**পূৰ দি (বা পূৰ দি ধৰ্)**—(১। গাৰ গোটেই বল দি হেঁচ্—হাতী আহিলে পূৰ, দাঁত আহিলে হেঁচি ধৰাত খাটে। ২। চাপি বা ব্যগ্ৰভাৱে ধৰ্ বা প্ৰাৰ্থনা কৰ্)—১। হাতীয়ে বোকাত 'পূৰ দি' ধৰিলে, শিলৰ বেৰা ভাগি পৰিল। ২। কামত ধৰিলে 'পূৰ দি ধৰিবা', তেহে কাম সিজিব।

**পূৰ্ণহস্তীয়া** (১। গাৰ সম্পূৰ্ণ বল প্ৰয়োগ কৰা—টাংগোন আহিলে মৰাত খাটে। ২। ফুলে হাতেৰে বা গোটেই ভৰাই—খোৱাত খাটে। ৩। সম্পূৰ্ণ আত্মবিশ্বাস প্ৰকাশ কৰি, ফুলে হাতেৰে মাৰটো মাৰি)—১। তেওঁৰ 'পূৰ্ণহস্তীয়া' কোবত বাঘটো মাথমি পৰিল।

২। আজি তেওঁৰ ঘৰত 'পূৰ্ণহতীয়া' খাওন খাওঁ। ৩। আনন্দৰাম বৰুৱাই ভোতিয়াৰ অসমত 'পূৰ্ণহতীয়া' সম্বৰ্ধনা পোৱা নাছিল।

**পূৰ্ণাহুতি দি**—(১। যজ্ঞ শেষ কৰ্। ২। কোনো ডাঙৰ কাৰ্য সমাধা কৰ্)—১। এতিয়া 'পূৰ্ণাহুতি দিলেই' যজ্ঞ শেষ হব। ২। তেওঁৰ জনাত কলিকতাৰ বৈঠা ভেজেবে স্বাধীনতা যজ্ঞৰ 'পূৰ্ণাহুতি দিলে'।

**পৃষ্ঠ-পোষক**—(সহায় বা সমৰ্থন কৰোঁতা)—অনুষ্ঠানটোৰ 'পৃষ্ঠপোষক' কোন কোন?

**পৃষ্ঠ-ভঙ্গ দি**—(হাৰ মানি আঁতৰি যা)—শত্ৰু সৈন্যই দিনটো যুঁজি শেষত 'পৃষ্ঠ-ভঙ্গ দিলে'।

**পেঁচ-কচ**—(পেঁচ গজাল কচিবলৈ লোৰ যতন)—'পেঁচ-কচ' নোহোৱাকৈ পেঁচ-গজাল বহুৱাবা কেনেকৈ?

**পেঁচত পেলা**—(ঠেকত পেলাই জব্দ কৰ্)—ডেকাজনক 'পেঁচত পেলাই' সিহঁতে টকা আদায় কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল।

**পেঁচ দি**—(১। মেৰ বা পাক দি। ২। কথাৰে পকাই ধৰ্)—১। চিতালপাট আৰু এবাৰ 'পেঁচ দিয়া'; তেহে মাকটো আঁটি ধৰিব। ২। সি বিৰোধী যুক্তি খাজাচ পায়; মাইক লিয়াত; মেলেকি ঘুৰাই 'পেঁচ দি' উঠিল।

**পেঁচ পাত্**—(১। কথাৰ পাক দি। ২। বোহ পাত্)—১। কেনেকৈ আছিলা? তেওঁ কথাৰ 'পেঁচ পাতিলে' নহয়? ২। ল'ৰাটোৱে কিবা কথাত 'পেঁচ পাতিলে'; তাক বুজাই মচাই, আহোঁতে পলম হ'ল।

**পেঁচ লাগ্**—(১। জৰী আদিৰ মেৰ খা। ২। কথাৰ পাক লাগ্। ৩। বোহ লাগ্)—১। গাইজনীৰ 'পেঁচ লাগিছে'; একৰাই দিয়া। ২। সবাজত কথাই কথাই 'পেঁচ লাগিল'; মেল মাৰোঁতে ৰাতি পুৱাই গ'ল। ৩। তাৰ যে কিহত 'পেঁচ লাগিল', কোনে জানে?

**পেঁপা কাঢ়্**—(দুখ পাই কেঁকা)—বহুত তেওঁ 'পেঁপা কাঢ়িছে'; দুখত বিহি দিলা।

**পেঁপা বজ্**—(ঢোল হৈ বাঢ়ি যা)—খাই খাই তোৰ 'পেঁপা বজি' গৈছে, নহয়?

**পেকতহে পদুম ফুল্**—(দুখীয়াৰ ঘৰত যে মহাপুৰুষ জন্ম্)—দুখীৰ ঘৰত জন্মা কলকণীয়া লৰা কাহানি ক'ত উপজিছে? 'পেকতহে পদুম ফুলে'।

**পেকৰ কচু**—(তেনেই দুৰ্বল বা লেকো-সেকো)—ল'ৰাটো দেখাতহে ডাঙৰ,—সি তেনেই 'পেকৰ কচুহে'; এদাৰ মাৰাতেও মৰিব লোৱাতে।

**পেটে কটিয়াই খিল্**—(প্ৰয়োজনৰ যোগানে আটি-খুটি ধৰা)—গাঁৱৰে আটিৰ সে মাই, চোৱা ; 'পেটে কটিয়াই খিলিব'।

**পেছ্ কৰ্**—(ডাঙৰ বিষয়াৰ আগত কাকত-পত্ৰ বজাই দি)—অহা মিটিঙত এই কাকতবোৰ 'পেছ কৰিবা'।

**পেটক আঁটি, চকুক নাটে**—(খাব নোৱাৰিলেও লাগে বুলি ক)—সি খঁকুৰা মানুহ, 'পেটক আঁটিলেও চকুক নাটে' ; সদায় খুজি লয়, কিন্তু ইমান খাব নোৱাৰে।

**পেট-কপটিয়া**—(কপট স্বভাৱৰ)—তাৰ দৰে 'পেট-কপটীয়া' মানুহ দেখা নাই।

**পেট কামোৰা মানুহে মাটিতো বাগৰ, পাটিতো বাগৰ্**—(বিপদত অধৈৰ্য হৈ নানা অকাৰ্য কৰ্)—'পেট কামোৰা মানুহে মাটিতো বাগৰে, পাটিতো বাগৰে' ; ঘৰত জুই লগাত পগলাৰ দৰে সিও কাৰ হাতত ধৰিছে, কাৰ ভৰিত ধৰিছে, তাকে কৈ হাঁহিব লাগে নে ?

**পেট-কুলি**—(পেট-কপটীয়া)—তেওঁ যে কপট স্বভাৱৰ আছিল দেখি মানুহে তেওঁক 'পেট-কুলি' বুলিছিল।

**পেট গেৰেও-গেৰেও লগা**—(অতিৰিক্ত ভোজনৰ বাবে অশান্তি পা)—খাই খাই তেওঁৰ পেট 'গেৰেও-গেৰেও লগাইছে' ; এতিয়া তেওঁ কেনেকৈ বেছিকৈ ভক্ষণ কৰিব ?

**পেট চল্**—(বেছিকৈ শৌচ কৰ্) শেষ মিঠাবোৰ খাই তেওঁৰ 'পেট চলিছে' ; ডাক্তৰ আনিবলৈ যাওঁ।

**পেটত দুখ থাক্**—(গোপন শত্ৰুতা থাক্)—'পেটত দুখ থাকিলেও' এই বিপদত তেওঁ যথেষ্ট সহায় কৰিছে।

**পেটত গৰল মুখত মৌ**—(গোপনে শত্ৰুতাৰ ভাব ৰাখি বাহিৰত মিত্ৰতা প্ৰকাশ কৰা কাৰ্য)—যাৰ 'পেটত গৰল মুখত মৌ', সিয়ে মাৰাত্মক শত্ৰু।

**পেটত বাৰু দি থাক্**—(নোখোৱাকৈ কাম-বন কৰি থাক্)—দুখীয়াসকলে 'পেটত বাৰু দি থাকি' কেনেকৈ কামটো শেষ কৰিব ?

**পেটত ভোক মুখত লাজ**—(লাজত অভাৱ ইচ্ছা অথবা খোৱা নকৰা কাৰ্য)—ন-বোৱাৰী বুলি 'পেটত ভোক মুখত লাজ' কৰি থাকিলে কষ্ট পাবা দুখীয়া।

**পেটত মাত পাতি থাব থাক্**—'পেটত দুখ থাক্' চোৱা।

**পেটত হাত দি থাক্**—(খোৱা বাবে কষ্ট পাই পেটত হেঁচি ধৰি থাক্)—মানুহে-

চোৱে দিনটো 'পেটত হাত দি থাকিও' তোমাৰ কাম কৰিছে; এতিয়াও কাম দিলিয়া নে ?

**পেটত হাত-ভৰি লুকো**—( বৰ ভয় পা )—সোপা-থৰা কাহিনী শুনি ল'ৰাবোৰৰ 'পেটত হাত-ভৰি লুকাল'।

**পেট দি**— গোপন কথা কোৱা )—তেওঁ নানান কথা কলে, কিন্তু নিজৰ 'পেটটো নিদিলে'।

**পেট থুই আহ্**—( সম্পূৰ্ণ ভৰা পেটে আহ্ )—তোমাৰ নিমন্ত্ৰণ খাবলৈ আমি 'পেট থুই আহিছোঁ'।

**পেট পকা**—( পেটত বাড়ী পকোৱা যেন লাগ )—ভৰা পেটত মধুৰি-আম খালে 'পেট পকায়'।

**পেট পা**—( অন্তৰৰ কথা জান্ )—অত দিনে একেলগে থাকিও তেওঁৰ 'পেট নাপালোঁ'।

**পেট-পূজা কৰ্**—( খা )—সকাম-নিকামতে নহয়, 'পেট-পূজা কৰিবলৈকেই' এইবোৰ কৰিছে।

**পেট পেলাই খা**—( বৰ বেছিকৈ খা )—পৰৰ ওপৰত 'পেট পেলাই খোৱাত' তেওঁ পটু।

**পেট পেলাই থাক্**—( ১। পেট ওলটাই কৰি শো। ২। খাবলৈ নাপাই তেনেকৈ শো )—১। শোওঁতে 'পেট পেলাই নাথাকিবা'; পেটত হেঁচা পৰা ভাল নহয়। ২। লাগিলে সি 'পেট পেলাই' দিনটোও 'থাকিব'; তথাপি কাম-বন নকৰে।

**পট পোহ্**—( কথমপি খাই লৈ থাক্ )—এই দৰে দিনে 'পেট পুহি' থাকিলে মোৰ নচলে; মোৰ এখন গৃহস্থি আছে।

**পেট প্ৰবৰ্ত্তন কৰ্** 'পেট পোহ্' চোৱা।

**পেট কাটিলেও ক এটাও নোলা**—( সম্পূৰ্ণ নিৰক্ষৰ )—তাৰ 'পেট কাটিলেও ক এটাও নোলায়'; সি কেনেকৈ দস্তখত কৰিব ? টিপ-চহী লোৱা।

**পেট ৰ**—'পেট চৰ' চোৱা।

**পেট-মচা**—( ছুৱলীয়া, গোটেই শেষত ওপজা )—এই পুত্ৰকটো বুঢ়ীৰ 'পেট-মচা' সন্তান।

**পেটৰ খহুৰেতি মাৰ্**—( কিবাকিবি খাই পেটৰ কলকলনি ভগা )—পিঠাগুড়ি এমুঠি খাই 'পেটৰ খহুৰেতি মাৰিছোঁ'।

**পেটৰ পোক ( বা পোৱালী )**—( নিজৰ সন্তান )—'পেটৰ পোক' হৈ এনে ব্যৱহাৰ কৰিব বুলি ভুলিও ভবা নাছিল।

**পেটৰ ভাতে, চাউল হ**—(ধৰাকৈ চিহ্নিত হ বা ধৰা পৰ)—কথাটো শুনিবলৈ পোৱা 'পেটৰ ভাতে চাউল হৈছে'।

**পেটৰ ভোক মুখলৈ যা**—(খোৱাৰ নিৰ্দিষ্ট সময় কেতিয়াবাই পাৰ হৈ যা)—এতিয়াও গা ধুবই পৰা নাই; 'পেটৰ ভোক মুখলৈ যোৱা' বুলি কব পৰা নাই নে?

**পেট ল**—(মনৰ অভিপ্ৰায় জান্)—তেওঁৰ 'পেটটো লবাচোন', এই কামত তেওঁ কাক লব খোজে।

**পেটা উঠ্**—(হেঁচাত পিঠা হ—প্ৰাণীত খাটে)—এৰীবোৰ 'পেটা উঠি' যদি আছে।

**পেটা কৰ্**—(হেঁচি বা চেপি পিঠা কৰ্—প্ৰাণীত খাটে)—তইতৰ গৰুকণিয়ে মাছবোৰ 'পেটা কৰিলে'।

**পেটা-জৰী**—(১। জলত আধাখিনিয়ে সৈতে চাৰিও কালে থকা জৰীৰে কলহ আদি ওলোমাই দিব পৰা জৰীৰ খণ্ড। ২। ধোঁৱাৰ জীন ধৰা জৰী, পেটী)—১। 'পেটা-জৰী' নহলে কলহটো দিব নোৱাৰি। ২। 'পেটা-জৰী' নহলে জীন ধাৰিবা কেনেকৈ?

**পেটা তোল্**—'পেটা কৰ্' চোৱাঁ।

**পেটুৱা মহাদেৱ**—(ডাঙৰ পেটৰ মানুহ)—সেই 'পেটুৱা মহাদেৱটো' ক'লৈ ওলালহি? খায় বা কেই থালী?

**পেটে ওলা**—(মাজেদি বাহিৰ হ)—ধবাপৰতে হাবিৰ 'পেটে ওলাই' কিছু মানুহ কাটিলে।

**পেটে কঁকালে লাগ্**—(বহুত দিন অনাহাৰে থকাত পেট বহি কঁকালত লাগ্)—ল'ৰাটোৰ 'পেটে কঁকালে লাগিছে', যেন কেৰা দিনো খোৱা নাই।

**পেটেকা উঠ্**—'পেটা উঠ্' চোৱাঁ।

**পেটে খালে পিঠিয়ে ল**—(খাবলৈ পালে মাৰ খাবও পাৰ্; লাভ হলে কষ্ট কৰিবলৈও সমৰ্থ হ)—মানুহটোৱে তোমাৰ কিমান কাম-বন কৰি থাকে দেখিছাই; দি দিবা এটা বেলাকৈ কলেও সহ্য কৰিবা। 'পেটে খালে পিঠিয়ে সব পাৰি।'

**পেটে ভঁৰাল পাই জপা হ**—(তেনেই নিলেখ হ; খাটি কৰিবলৈ একো নাই)—আমাৰ কথা? আমাৰ দুখৰ কথা কবলৈ, আমাৰ 'পেটেই ভঁৰাল পাই জপা হৈছে'।

**পেটে ভাতে যা**—(কথমপি খাই-বৈ যা)—এই মানুহবিলাকক কোনো মতে 'পেটে ভাতে যাই আছে'।

**পেটো-কাকত**—(আহোম ৰজাৰ দিনৰ মাটি আৰু মানুহৰ লেখ থকা কাকত,

গছিৰে পেড়াত ভৰাই থোৱা কাকত)—আমাৰ 'পেড়া-কাকত' আৰু জমাহ কৰি আছে।

**পেপুৱা লাগ্‌**—(ঠেকত পৰ্‌; বিবুদ্ধি হ)—খাব কিনে কিয়েবে, তাকে আমি যি 'পেপুৱা লাগিছে'; খিকিন্দিলে থাম কি?

**পেলনি যা**—(১। অপবাদ হ। ২। অশুচি বা দূষিত হ)—১। বহুত আত 'পেলনি গ'ল'। ছিচাপ নকৰাকৈ থাকিছিলা কিয়? ২। মোৱালীজনী কালি 'পেলনি গৈছে'; কেই দিন পিছত বা শুচি হয়?

**পেলাই গছকা**—(বৰ নিৰ্জ্জ্)—দ'বাটো বৰ 'পেলাই গছকা' প্ৰকৃতিৰ; কাৰো কথাকে কাণ নকৰে, শাৰজাৰে নিজৰ কাম কৰি যায়।

**পোখা ভাঙ্‌**—(পাতৰ ভৰিয়েদি ওলোৱা গজালি ছিঙি পেলা)—ধঁপাতজোপাক 'পোখা ভাঙি' দিয়া; নহলে পাতবোৰ পাতল হৈ যাব।

**পোটক তোল্‌**—(প্ৰতিশোধ ল)—মোৰ এই অপমানৰ 'পোটক তুলিছে' এদিন।

**পোটোকা পৰ্‌**—(হেঁচা খাই থাই থাল পৰ্‌)—গৰুজোপাৰ এইখিনিত 'পোটোকা পৰিছে' কিয়?

**পোটোকা পা**—(প্ৰতিফল পা)—তাৰ অন্যায় কৰিছিলা; সেই বাবে আজি 'পোটোক পালা'।

**পোতনি খেকেচা দি**—(উগ্ৰ শাস্তি দি) মাষ্টৰে চোৰটোক 'পোতনি খেকেচা দিলে'।

**পোতা কথা উজাব্‌**—(পূৰ্ব্বৰ কথা উলিয়াই কাজিয়া লগা)—যোৱা কথা গ'ল; এতিয়া 'পোতা কথা উজাৰি' লাভ নক'ৰিবা।

**পোতা পুখুৰীৰ বৰালী**—(নিজৰ ঠাইতহে ভাল)—তুমি 'পোতা পুখুৰীৰ বৰালী' হৈ থাকাগৈ; ইয়াত নাহিবা।

**পোতা মোচৰা দি**—(ধৰকৈ মাৰ-পিট কৰ্‌) মাষ্টৰে তাক 'পোতা মোচৰা দিলে'; কিন্তু সি দোষ স্বীকাৰ নকৰিলে।

**পোন আঙুলিৰে ঘিঁউ নোলায়** (সুচল কথাৰে মানুহৰ পৰা সকলো সময়তে উপকাৰ পাবলৈ অসম্ভৱ হ)—তেওঁলোকে যেতিয়া অন্যায় কৰিব লাগিলে বলী সাজিব লাগিব; 'পোন আঙুলে ঘিঁউ নোলায়'।

**পোন-পুনাই**—(তৎক্ষণাৎ)—তেওঁ 'পোন-পুনাই' কথাৰ উত্তৰ দিব নোৱাৰিলে।

**পোন চকুৰে চা**—( কৃপাদৃষ্টি কৰ্ )—মই মৰিলোঁ প্ৰভু, 'পোন চকুৰে চোৱাঁ'।

**পোন ছাটে**—'পোন-ধুলাই' চোৱাঁ।

**পোন দাহে**—'পোন ছাটে' চোৱাঁ।

**পোন-পটীয়া**—( সৰল )—তেওঁ কাহানিও 'পোন-পটীয়া' কথা কৈ পোৱা নাই।

**পো-নাইকিয়াৰ ভাগিন পোহ্**—( ফলহীন চেষ্টা কৰ )—মোৰ খেতিৰ কথা নকবা; দেখাত খেতি কৰি পৰিশ্ৰম কৰিছোঁ, কিন্তু ফচল নাই। 'পো-নাইকিয়াই ভাগিন পোহা' যেন হৈছে।

**পোনে-গুছিয়ে ডুব মাৰ্**—( সত্য কথা সম্পূৰ্ণ লুকা; আগে মাত্ )—কলযোক কেনে মিছে সি জানে; কিন্তু সমাজে লোখাত সি 'পোনে-গুছিয়ে ডুব মাৰি.ল'।

**পোলা কটা**—(ধেৰ কাটি লোমোৱা চোৰ)—'পোলা-কটা' বুলি এবাৰ সি কাটক খাইছিল।

**পোহ উঠ্** ( বা ধৰ্ )—( ভাল বতৰ পাই পুষ্ট হ )—খাৰ লৰালৈ পাই এতিয়াহে লৰাটোৰ 'পোহ উঠিছে'।

**পোহ তোল্** ( বা ধৰা )—( ভালকৈ যত্ন কৰি হৃষ্টপুষ্ট কৰ্ )—গিৰীহঁতে হোৱালী-জনীক 'পোহ তুলিছে'; তাই এতিয়া ধুনীয়া আৰু স্বাস্থ্যৱতী হৈছে।

**পোহ দি**—( যে গাখীৰ টেঙা মহৰলৈ ভাৰ লগত এধাঁ গাখীৰ মিহলা )—তোমাৰ গাখীৰত 'পোহ দিয়া' নেকি? নতুন গাখীৰ যেন নালাগে।

**পোহনীয়া কুকুৰ, সঁচনীয়া কাপোৰ**—( বিশেষ মূল্যবান আৰু বিপদৰ বন্ধু )—মোৰ আন একো নহলেও পোহনীয়া কুকুৰ এটা আছে; তাকেই মূল্যবান বুলি ভাবিছোঁ। মানুহে দেখোন কয় যোলে 'পোহনীয়া কুকুৰ আৰু সঁচনীয়া কাপোৰ' একে।

**পোহ-পাল দি**—( প্ৰতিপাল কৰ্ )—মই তাইক 'পোহ-পাল দিছোঁ', যেনেহীৰ কেও নাই।

**পোহ ( বা পোহৰ ) দ**—( ৰঙচীয়া হ )—পুৱাৰে সোৱকালে 'পোহ দলৰ'।

**পোহাৰী-চুপতি**—( নিৰৰ্থক আৰু অভদ্ৰ তৰ্কাতৰ্কি )—'পোহাৰী-চুপতিৰ' এৰা; বাতি হ'ল, এতিয়া ঘৰলৈ যাওঁ।

**পোহাৰীৰ সাখী চৈলেক**—( দুষ্টৰহে দুষ্ট লোকে সাখী হ )—তোৰ ঘৰে ঘৰাইত চোৰে সি চুৰ নকৰা বুলি কলে কোনে পতিয়াব? 'পোহাৰীৰ সাখী চৈলেক'।

**পোহাৰী-লেখ**—( নিবকৰ লোকে কৰা নিৰৰ হিচাপ )—তুমি আকৌ 'পোহাৰী-লেখত' বহিলা কিয়? ভালকৈ হিচাপ কৰাচোন।

**কটং-গিৰী**—(বৰ গুণী মানুহ)—সেই ‘কটং-গিৰীটোৰ’ গুণেই সাৰ; তাৰ কমিবৰ্জন সাধন নাই।

**কটা কাঁথাত সোণ থাক্**—(সামান্য মানুহতো মূল্যবান গুণ থাক্)—হাল-হিংসা বুলি তাক উলাই নকৰিবা; ‘কটা কাঁথাতো সোণ থাকে’।

**কটা কাঁথা তিতে মাজে পাটেহে গধুৰ হ**—(১। কবিৰ লগীয়া তাৰ নকৰি পেলাই থলে তাৰ বোজা বাঢ়ি যা। ২। মূল্যহীন বস্তু খাঁতবাই নেপেলালে বৌদ্ধ অভাৱৰ কাৰণ হ)—১। ‘কটা কাঁথা তিতে মাজে পাটেহে গধুৰ হয়।’ ধাৰ সোনাই দিবা; নহলে বেছি হৈ যাব। ২। গৰুটোক বেমাৰে ধৰিছে; তাক সোনকালে বেচি পেলোৱা, ‘কটা কাঁথা তিতে মাজে পাটেহে গধুৰ হয়।’

**কটা (বা কলা) বাঁহ জোৰা আলাপ্**—(মনৰ অমিল মুহুৰ্ত)—এবাৰ মন ভাগিছে বোপাই, তেওঁলোক যেনেপ জোৰাহে আল: ‘কলা বাঁহ জোৰা নালাগে।’

**কটা মুখ মেল্**—(মনৰ ভাৱ ব্যক্ত কৰ্)—সমাজনে আহিছেঁ। বেজিয়া বলো ‘কটা মুখ মেলিব খুজিছেঁ।’।

**কটা মুখেদি মটৈক জোৱাব্**—(মনৰ ভাৱ ব্যক্ত কৰিবলৈ বাধ্য হ)—যেনে পালেও ‘কটা মুখেদি মটৈক জোৱাবেঁ।’ সমাংৰ এই বাৰ বৰ অত্যাচাৰমূলক হৈছে।

**কটা হওক ছিটা হওক পাটৰ টঙালি**—(মূল্যবান বস্তু বা মানুহৰ বস্তু হীন বা উপেক্ষিত অৱস্থাত পৰিলেও পূৰণি মূল্য বা গৌৰৱ কিছু হৈ থাক্)—‘কটা হওক ছিটা হওক পাটৰ টঙালি’; কণা হওক কুঁজা হওক ফুকনৰ পোৱালি।

**কটুৱাই কটা দি**—(তৰি কটাৰ দৰে কাটি দিয়াহিব হ—নাটিত খাটে)—এই ধকাং কতৰত বেতি কেনেকৈ কৰিবা? নাটি ‘কটুৱাই কটা দিছে’।

**কতোৱা জাৰি কৰ্**—(আদেশ দি—আপত্তিজনক)—সম্পাদকে যোগে ‘কতোৱা জাৰি কৰিছে,’ সভাসকলে ছুটিকাকৈ বৰঙণি দিব লাগে।

**কণ্ডাই-ঘি কোৱা**—(ডাঙৰ অপৰাধ কৰ্)—এনে কথা মুখাই নকৰি; 'কণ্ডাইঘি কোৱাৰ'।

**কন্দী কৰ্ (বা পাত্)**—(কৌশল উলিয়া ; গোপন উপায় উলিয়া)—বামুণক হাৰলী লৈ অহা দেখি তিনিও টেঙৰে 'কন্দী পাতিলে'।

**কন্দে-কান্দে**—(কোনো কন্দী কৰি ; ফান্দত পেলাই ; ছলে-বলে)—তেওঁ তাৰপৰা 'কন্দে-কান্দে' টকা উলিয়াবই।

**কপৰীয়া হ**—(নিঃকিন অৱস্থাত পৰ্)—আজি 'কপৰীয়া হৈছোঁ,' কোনে লোক খাঁতিৰ কৰিব ?

**কবিং ছিটিকা দি**—(ৰং বা আন উত্তেজনাত জঁপিয়াই ফুৰ্)—১। তেওঁ খঙত 'কবিং ছিটিকা দিবলৈ' ধৰিলে। ২। আজি জাত পুঠীমাছে 'কবিং ছিটিকা দিছে'।

**কবিং-ফুটা**—(বৰ উজ্জ্বল—পোহৰত থাকে)—এই 'কবিং-ফুটা' জোনাকত চোতালত চাকি কিয় লাগিছে।

**কবিতা-আহ দি**—(প্ৰাণটো সংশয় এৰি কোনো কাৰ্য কৰ্)—টকা পাওঁ ক'ত ? 'কবিতা-আহ দিবলৈহে' বাকী আছে।

**কমু'টি মাৰ্**—(অনিশ্চিতভাৱে কোনো কাৰ্য কৰ্)—বেমাৰীটোৰ যদি চিকিৎসা লৈছা, ভালকৈ খবৰ দিয়া ; 'কমু'টি মাৰি' দুপালি দিলে কি হব ?

**কলি ল**—(আখৰ লিখা শিকিবলৈ ধৰ্)—ল'ৰাটোৱে এতিয়াহে 'কলি লৈছে'।

**কাই উঠ্**—(খৰকৈ উত্তেজিত হ)—কি কথাত নো তেওঁৰ 'কাই উঠিল' ? আমিতো একো কোৱা নাই।

**কাইদাং মাৰ্**—(ফুটি যা)—কাম কৰাৰ আগেয়ে টকা দিলাই ; সিও টকা লৈ 'কাইদাং মাৰিলে'।

**কাং ফুৰ**—(ধাকিফুঁকা)—আজি-কালি সকলো কথাতে 'কাং ফুৰ' ; গা লগাই কাম কৰে কেইজনে ?

**কাংবাজী মাৰ্**—(মিছা কৈ ধাকি দি)—সি 'কাংবাজী মাৰি' নানা কথা কবলৈ ধৰিলে ; বুঢ়ীয়ে তাৰ কথাত ভোল গৈ এসাজ খুৱালে, টকা পাঁচটাও দিলে।

**কাঁক-তাল মাৰ্**—(ধাকি দি কাৰ্যসিদ্ধি কৰ্)—কাম-বন নকৰাকৈ 'কাঁক-তাল মাৰি' কিমানে যে ধন আনিছে, কোনেনিবা নে ?

**কাঁকডি-ফুঁফুৱা**—(ধাকিফুঁকা)—'কাঁকডি-ফুঁফুৱাৰ' কথা নকৰ, কামটো কৰি দেখা নগদ পঞ্চাশ টকা পাবা।

**কাকি জোৰ্**—(ভাও জোৰ্)—ভাৰ বন উঠা নাই ; 'কাকি জুৰিছে'।

**কাঁকি দি**—(মিছা ক ; ছলনা কৰ্)—কামটো নকৰা যদি, কবিৰ মুলি 'কাকি-দিছিলা' কিয় ?

**কাঁকি-ফুঁকা**—'কাকতি-ফুঁকুতা' চোৱাঁ।

**কাচ্-কুচ্ কৰ্**—(কাণে কাণে ক)—'কাচ্-কুচ্ কৰি' থাকিলে কি হব ? সকলোৱে শুনাকৈ কৈ দিয়া।

**কাচাং-কুচুং কৰ্**—'কাচ্-কুচ্ কৰ্' চোৱাঁ।

**কাট মাৰ্**—(পলাই কোনোৱে নজনা হওনা হ)—পুলিচৰ নাম শুনিয়েই সি পলাই 'কাট মাৰিলে'।

**কাট মেল্**—(অলপ অলপ কাট্)—পকী মজিয়াখনত 'কাট মেলিছে'।

**কাটি-ছিটি যা**—(কাটি ছিবাছিৰ হ ; নষ্ট হৈ যা)—কাঠজোখৰ যাঁতত পৰি বকাত 'কাটি-ছিটি গ'ল'।

**কাটি-ফুটি যা**—(বহুত দুখলৈ বিষম্ ; মনতে সনৰী হ)—কালিৰ ঘটনাটো গোটেই দেশতে 'কাটি-ফুটি গৈছে'।

**কাম কাম কৰ্**—(ভাল ভাল কৰ্)—যেৰযোৰ 'কাম কাম কৰিও' আচৰিত পোৱা নগ'ল।

**কাছুত উবোৱা দি**—(মিমিৰতে নাই-নুই কৰ্)—বাপেকৰ অতুল ঐশ্বৰ্য, পুতেকে এবছৰতে 'কাছুত উবোৱা দিলে'।

**কাফত পৰ্**—(১। ধৰিবলৈ পাতি থোৱা যন্ত্ৰত বাজ্ খা। ২। গোপন কৌশল বা ষড়যন্ত্ৰত ধৰা পৰ্)—১। হাতী এটা থোৱা বাড়ি 'কাফত পৰিছে'। ২। বৰ বুদ্ধিয়ক হলেও চোৰটো শেষত 'কাফত পৰিল'।

**কাফত পেলা**—(১। কৌশলেৰে ধৰ্। ২। গোপনে ষড়যন্ত্ৰ কৰি জব্দ কৰ্)—১। বাঘটো এতিয়াও 'কাফত পেলাব' পৰা নাই। ২। তাক 'কাফত পেলাবলৈ' তেওঁলোকে নানা ষড়যন্ত্ৰ কৰিছে।

**কাপৰ ওকট্**—(নানা অজুহাত আদি দেখুৱাই বিতাপি লগা বা বদ্ধৃবল কৰ্)—আমাৰ 'কাপৰ ওকটোঁতেই' সময় যায় ; নিজৰ কাম কৰিবা কেতিয়া ?

**কাপালত পৰ্**—(দুৰ্বল বা নিৰুপায় হ)—মানুহটো জেনেই 'কাপালত পৰিল' ; সি ঘোৰ ভাল চাপিবলৈ বাধ্য হ'ল।

**কাপৰী কঠিয়াৰ গঁচ মৰ**—( বেয়া বস্তু সমূলি নাশাৰ্ )—মানুহে 'কাপৰী কঠিয়াৰ গঁচ মৰা'; তুমিও এই ৰোগ নিৰ্মূল কৰা।

**কাপৰে খা**—( গা ধৰ্ )—১। গাৰ ছালৰ চোকোৰা উঠ্। ২। দুৰ্বল হ )—১। কুকুৰটোক 'কাপৰে খালে'। ২। একালত ধনী হলেও এতিয়া তেওঁক 'কাপৰে খালে' খুজি ভাত নোপোৱা হ'ল।

**কা-কুকৰ**—( কুকুৰকে আদি কৰি )—তেওঁলোকৰ ঘৰলৈ 'কা-কুকুৰসকল' আহিছিল।

**কাল গচেঁাতে মাহৰ বতৰ যা**—( কোনো কামলৈ সাজু হওঁতে কামৰ সময় উকলি যা )—তোমাৰ চুঁচা-মাৰা কিছু সংক্ষেপ কৰি যোৱা; 'কাল গচেঁাতে মাহৰ বতৰ গলে' মস্কিল হব।

**কালৰি কাট্**—( একলীয়া কাঠি আঁতৰি যা )—তেওঁ 'কালৰি কাটিলেই'; তোমালোকেই কামটো শেষ কৰা।

**কালৰি মাৰ্**—'কালৰি কাট্' চোৱা।

**কালি-কৌচ মাৰ্**—( ধুনীয়াকৈ সাজ-কাচ কৰ )—সভালৈ যাবলৈ ককাইদেৱে 'কালি-কৌচ মাৰিব' লাগিছে।

**কালি-কৌচে নমস্কাৰ**—( সাজ-কাচ দেখি সন্মান কৰিব লগীয়া, কিন্তু ভিতৰি তেনে গুণ নথকা )—মানুহজন 'কালি-কৌচেহে নমস্কাৰ'; টকাত সাত পাচি গোবৰ; পিছহে বুজিলোঁ।

**কালেঙী মাৰ্** ( ফাঁকি দি )—সি কাম এৰি 'কালেঙী মাৰি' গুচি গ'ল।

**কালেঙীয়া কথা ক**—( ফাঁকি দিয়া কথা ক )—'কালেঙীয়া কথা কব' নালাগে, আহিবা নে নাহা কোৱা।

**কিচিঙা-কিচিঙি**—( ইজনে সিজনলৈ চাই চকুৰ ঠাৰেৰে কথা কৈ খিচিকা-খিচিক কৰ্ )—তোমালোকে কিহৰ বাবে 'কিচিঙা-কিচিঙি' লগাইছা, আমাক নোকোৱা কিয়?

**কিতাহি মাৰ্**—( মন কথা ক )—তেওঁ 'কিতাহি মাৰি' কথা কোৱাত পটু, কিন্তু কামৰ বেলিকা?

**কিৰিকতিৰপৰা খাণ্ডৱ ডাহ**—( সামান্য কাৰণতে বিবাদ কৰ )—'কিৰিকতিৰপৰা খাণ্ডৱ ডাহ' হয়; তোমালোকৰ এই কাজিয়া যদি এতিয়াই নামাৰা, পিছত হৈ ইয়াতো মাৰামাৰি কৰা হব।

**ফুকুৰৰ টেকেলা**—( বৰ লোক-মুখীয়া মানুহ )—এই লম্পটোক কথাৰে বশ নোৱাৰিবা ; তেওঁ 'ফুকুৰৰ টেকেলা'।

**ফুট কাঢ়্**—( অলপকৈ উজ্জ্বল—সাপহঁৰ থানত থাকে )—থামখিনি 'ফুট কাঢ়ি হৈছে' তাক চোৱা নাছিল ; সেইদেখি সাপহ বেয়া হৈছে।

**ফুট-খাব**—( মিহি ছাইকপৰা কৰা খাব )—এই শাক 'ফুট-খাব' দি খাবলৈহে যোৱাব।

**ফুট-গধূলি**—( অলপ গধূলি )—এই ফুট-গধূলিতে' পোহৰ নোহোৱাকৈ যাব নোৱাৰিবা নে ?

**ফুট চিন্**—( ভিতৰুৱা কৌশল বা কথা বুজ )—তেওঁৰ কথাৰ বুজিবলৈ পলম আছে ; এতিয়াও তুমি 'ফুট-চিনা' নাই।

**ফুট-ছাই**—( তুঁহ আদি পুৰি হোৱা মিহি ছাই )—তুকুৰে 'ফুট-ছাই' এবিধ যোৱাবে।

**ফুট তোল্**—'ফুট কাঢ়্' চোৱাঁ।

**ফুটনিত বেঙেনা ভাজ্**—( কথাৰে ফুটনি মাৰি ক )—'ফুটনিত বেঙেনা ভাজিব' নালাগে, কাম কৰি দেখুৱা।

**ফুটনি মাৰ্**—( কিতাহি মাৰ্ )—'ফুটনি মাৰিলে' কি হব ? এদিন কাহি খুৱাবালোম।

**ফুট পা**—( কৌশল জান্ )—কুঁহিয়াৰৰ ৰস পগাই চেনি কৰা 'ফুট' মই 'পোৱা' নাই।

**ফুট-কাট পা**—( সন্ধেদ পা )—চোৰৰ 'ফুট-কাট পালেও' মানুহে কথাৰ সাৰ নকৰে।

**ফুট ল**—( গোপনে সন্ধেদ ল )—কোনে এই কাম কৰিলে, 'ফুট লবলৈ' চেষ্টা কৰা।

**ফুটা-কড়ি**—( অতি সামান্য সম্বল )—মোৰ হাতত 'ফুটা-কড়ি' এটাও নাই, কি দিওঁ ?

**ফুটা কলহত পানী ভৰা**—( নিস্ফল কাম কৰ্ )—তাক সহায় কৰিলে একো ফল নহয় ; 'ফুটা কলহত পানী ভৰোৱাহে' হব।

**ফুটা চকুত ফুটা পৰ্**—( বিপদৰ উপৰি বিপদ হ )—এনেয়ে তেওঁৰ খাবলৈ নাই ; তাতে আকৌ চোৰে কাঁহী-বাটি নিলে ; তেওঁৰ 'ফুটা চকুত' এনে দৰে 'ফুটা পৰিব' পাৰ নে ?

**ফুটিয়া গাখীৰ**—( ফেনে ভৈতে থকা এবাঁ গাখীৰ )—তেওঁ 'ফুটিয়া গাখীৰ' খাবায়, সেহে খায়।

**ফুটুকাৰ ফেন**—( কোনো কামত অলপ বল )—মানুহবোৰে সকলো কামকে 'ফুটুকাৰ ফেন' যেন দেখে।

**ফুৰত উৰা**—( ফুৰহৰাৰ কৰ্ )—মোৰ সকলো সহায় আছি তুমি 'ফুৰত উৰাই' দিব নোৱাৰা।

ফুৰা হ—( শৌচ কৰ্ )—ল'ৰাটোৱে 'ফুৰা হোৱা' নাই ; সেই বাবে পেটটো বিষিছে।

ফুল কাট্—( ফুলৰ ছবি কাঠ, বাহ, ধাতু আদিত কাট্ )—দুৱাৰত 'ফুল কাটিছে' কোনে?

ফুল ডালী—( ফুলদানি )—গাঁৱৰ প্ৰতি পৰিয়ালতে একোখনি 'ফুল-ডালী' আছে।

ফুলতে ঝঁৰী হ—( স্বামীসহ যোগোৱাকৈ বিধবা হ )—ছোৱালীজনী 'ফুলতে ঝঁৰী হৈছিল,' তাইৰ যে কাৰ লগত বিয়া হৈছিল পাহৰিলেই।

ফুল তোল্—( ১। ফুল ছিঙি আন্। কাপোৰ আদিত ফুলৰ ছবি তৈয়াৰ কৰ্ )—১। গোসাঁই পূজাতে 'ফুল তুলিলা নে?' ২। ছোৱালীজনীয়ে কাপোৰখনত বৰ ধুনীয়া 'ফুল তুলিছে'।

ফুল দি—( ১। ফুলৰ আকৃতি তোল্। ২। বসন্ত ভালকৈ ওলা )—১। এইখন কাপোৰত কোনে 'ফুল দিছে'? ২। আইয়ে কালিলৈহে ভালকৈ 'ফুল দিব'।

ফুল বস্ত্ৰ—( ফুলৰ বিচিত্ৰ পবিত্ৰ, বা সাধাৰণ বস্ত্ৰ )—তামোল 'ফুল-বস্ত্ৰ'; ইয়াক বাহী গাৰেও খাব পাৰি।

ফুল বাছ্ 'ফুল দি' চোৱাঁ।

ফুলৰ ঠাৰিতো কাঁইট থাক্—( দুখ-কষ্টৰ মাজতহে সুখ থাক্ )—দুৰ্ভাগ্য পোৱা বুলি হাবাথুৰি খাইছা কিয়? দুখৰ মাজেদিহে সুখ পোৱা যায়; 'ফুলৰ ঠাৰিতো কাঁইট থাকে'।

ফেউ ফেউ কৰ্—( মূল্যহীন কথা কৈ থাক্ )—মই কলে কোনে শুনিব? 'ফেউ ফেউ কথা' বুলিহে কয়।

ফেঁচা-মকা—( চেপেটা, অশুৱনি মানুহ )—ল'ৰাটো 'ফেঁচা-মকা' বুলি তেওঁ বিয়াত বহিবলৈ অমান্তি হৈছে।

ফেঁচু খলা হ—( পলম হোৱা বাবে একেবাৰ প্ৰাপ্য সন্মান আৰু একেবাৰে লোপ কৰ্ )—তেওঁক সভাপতিত্ব কৰিবলৈ মতা হৈছিল; আহি পোৱাত পলম হোৱাত 'ফেঁচু খলা হব' লগীয়া হলেঁ।

ফেঁটি সাপৰ পোৱালি পোহ্—( শত্ৰুক মৰম কৰ্ )—ল'ৰাটোক চাকৰি দিয়া যে ফেঁটী সাপৰ পোৱালি পোহাহে' হ'ল।

ফেঁহু-জালি দি—( পূবে পোহৰ হ )—আজি 'ফেঁহু-জালি দিওঁতেই' উঠি আহি বহিছোঁ।

**কেচ্ কেচ্ কৰ্**—(বিৰক্তিসূচক কথা কৈ থাক্)—যুৱাজনে কোনো কামতে মুখ নাপায়, পুতেকজনক 'কেচ্‌কেচাই থাকে'।

**কেটা-পৰা**—(মেচ খোৱা ; বৰ গধুৰ)—সি 'কেটা-পৰা' ভাৰ এখন লৈ আহিছে।

**কেটা-কেটি কৰ্**—(১। মেৰেটা-মেৰেটি কৰ্। ২। কামটো অনিচ্ছা কৰি কৰি থাক্)—১। পাইজনীৰ কি হৈছে? 'কেটা-কেটি কৰিছে' কিয়? ২। তুমি দেখোন কামটো দেখি 'কেটা-কেটি কৰিবলৈছে' ধৰিলা!

**কেদেলী পুৰাণখন সামৰ্**—(অনাগতিয়াল দীঘল কথা এৰ্)—তুমি 'কেদেলী পুৰাণখন সামৰা'; বেমাৰীটোলৈহে মন কৰা।

**কেনে কোটকাৰে**—(কেন আৰু উতলা পানীৰ ফুটৰ বিচিনা বস্তু আদিৰে—বাহুলী পানীও থাকে)—বন্দী বাতিৰ বোলোঁতে 'কেনে কোটকাৰে' ভৰি আছিল!

**কেপেৰি পাত্**—(১। গেঙেৰি দি। ২। কেৰ পাত)—১। তাক মাৰোঁতে কলে; সি দেখোন 'কেপেৰি পাতি' উঠিল। ২। বাঘটো নপলাল; 'কেপেৰি পাতি' উঠিল।

**কেৰ কৰ্**—(লক্ষ্য কৰ বা টোঁৱা)—বাটিপাট বাঘটোৱে 'কেৰ কৰি' চিকাৰীজনে খিয় দিলে।

**কেৰ ধৰ্**—(পুষ্ট বা স্ফীত হ)—বৰষুণ পাই ধানবোৰে 'কেৰ ধৰি' আহিছে।

**কেৰ পাত্**—(যুঁজিবলৈ সাজু হ)—কথা কলেই তুমি 'কেৰ পাতি' উঠা কিয়?

**কেৰ মাৰ্**—(১। ডঙ্গু' আদিৰ চুবোকালে গধুৰতা সমান কৰ্। ২। প্ৰতিযোগিতা কৰ)—ভুলাচাকিখনৰ 'কেৰ মাৰি' লোৱাঁ। ২। মই আকৌ তেওঁৰ লগত 'কেৰ মাৰিম' কি সাহেৰে?

**কেৰ মেল্**—(বহল হৈ যা)—গছৰ ডালবোৰে বৰকৈ 'কেৰ মেলিছে'; কিছু কাটি দিয়া।

**কেৰিয়া-কেৰি**—(অৰিয়া-অৰি)—মন পূতি কাম কৰা; 'কেৰিয়া-কেৰি' এৰি পেলোৱাঁ।

**কেৰেকা-কোলা**—(ভৰি দুখন কেৰেকা কৰি লোৱা কোলা)—লʼৰাটো 'কেৰেকা কোলাত' লৈ খোজ কাঢ়ি কাঢ়ি মোৰ কঁকাল বিষাইছে।

**কেৰেঙণী মেল**—(একে ঠাইতে দুটা বা কেইটাও ডাল ওলা)—'কেৰেঙণী মেলেলা' হলে গছজোপাৰ ডাল বহুত ওলালহেঁতেন।

**কেঁটি দি**—(কপালত কেঁটি দি বিয়ালৈ ছোৱালী ঠিক কৰ্)—আমাৰ ভাইৰ লʼৰাটোৰ বাবে আজি সেই ছোৱালীজনীক 'কেঁটি দিব'।

**ফেঁট মচ্**—(বিধৱা হ)—গিৰীয়েক মৰিল; বোৱাৰীয়ে 'ফেঁট মচিলে'।

**ফোঁপ-চুঙা**—(জ্ঞান-বুদ্ধি নথকা, মূৰ্খ)—সি 'ফোঁপ-চুঙা'; এইবোৰ কথা নুবুজে।

**ফোঁপ-ডাং**—(গপ্পী মানুহ)—সেই 'ফোঁপ-ডাঙৰ' কথা এৰা; সি একো কৰিব নোৱাৰে।

**ফোঁপ-মৰী**—(নিজৰ প্ৰশংসা নিজে কৰা)—তেওঁ কিছু 'ফোঁপ-মৰী'; এয়ে ডাঙৰ দোষ।

## ব

**বং দি**—(কথা জোৰা দি ক)—'বং নিদিয়াকৈ' আচল কথাটো সংক্ষেপে কোৱাঁ।

**বং লগা**—'বং দি' চোৱাঁ।

**বংশ ছেদ হ**—(নিৰ্বংশ হ)—১। সি মৰিলত সেই পৰিয়ালৰ 'বংশ ছেদ হ'ল'। ২। যেনে দোষ এনে কৰিলে, তাৰ 'বংশ ছেদ হওক'।

**বংশ-লোচন**—(বাঁহৰ ভিতৰত থকা ধপ্ধপীয়া বীজল বস্তু)—'বংশ-লোচন' দৰৱত লাগে।

**বঁটা দি**—(১। পুৰস্কাৰ দি। ২। প্ৰশংসা কৰ্)—১। ভাল কামৰ বাবে তেওঁক এই 'বঁটা দিয়া' হৈছে। ২। এনে কাম কথা বুলি জানিলে কোনে তোমাক 'বঁটা দিব'?

**বঁটা পোৱা কাম কৰ্**—(প্ৰশংসনীয় কাৰ্য কৰ্)—যুজাক মাৰিলা, 'বঁটা পোৱা কাম' বুলি ভাবি তাকে আকৌ কৈ ফুৰিবা!

**বঁটা-বাহন**—(পুৰস্কাৰ হিচাপে উঠি ফুৰিবলৈ দিয়া যান-বাহন)—ৰজাই ভাওৰীয়াক 'বঁটা-বাহন' দি উৎসাহিত কৰিলে।

**বকটা-বকট**—(বখলা-বখল; চেপেটা বস্ত কাটি পেলোৱা কাৰ্য)—কাঠ-ফকলাডালক কাটি 'বকটা-বকট' কৰি থৈছে,—কোনে কৰিলে?

**বক-ধাৰ্মিক**—(ভণ্ড লোক)—'বক-ধাৰ্মিক' মানুহ সমাজত বহুত আছে; তেওঁলোকক চিনা টান।

**ব-কলম**—(সলনি; লিখিব নজনা মানুহৰ সলনি আন একনে লিখি দিয়া কাৰ্য)—তেওঁ লিখিব নাজানে; তুমিয়েই 'ব-কলমে' লিখি দিয়া।

**বকলা মেল্**—( ১। চাকৰী তথা পুথি পঢ়িবলৈ আৰম্ভ কৰ্। ২। কথাই কথাৰ আৰম্ভ কৰ্ )—১। আজি ৰামায়ণৰ 'বকলা মেলাই' থাক; আপুনি পঢ়ক, আমি শুনো। ২। তুমি কথাৰ 'বকলা মেলিলা' হয়, পাৰী আহিবৰ হ'ল।

**বক্ৰ পৰ্**—( অশুভ গ্ৰহই অনিষ্ট কৰাৰ দৰে কৰ্ )—ভাতৰ পাতত বহিছোঁহে, ক'ৰপৰা নো 'বক্ৰ পৰিল', জেঠী-এটা গাত উঠিল।

**বখলা-বখল কৰ্**—( চেপেটা বস্তু পাতল পাতলকৈ কাটি ডোখৰ ডোখৰ কৰ্ )—কাঠডোখৰ 'বখলা-বখল কৰি' ৰ'দত শুকাবলৈ দিয়া।

**বগৰি-বুটলা**—( ভেনেই সৰু; বুজন নোহোৱা )—এই 'বগৰি-বুটলা' ল'ৰাবোৰক চতাল দি থকাটো মূৰৰ কথা নহয়।

**বগলি-ভকত**—( ভণ্ড )—সেই বুঢ়াটো যে 'বগলি-ভকত', কোনে জানিছিল?

**বগা ওলা**—( শেত কুষ্ঠ ৰোগে ধৰ্ )—ল'ৰাটোৰ 'বগা ওলাইছে' দেখি মাপেক-মাকৰ বৰ অশান্তি।

**বগা কাউৰী ওলা**—( সাজ-পাৰেদি বিশেষত্ব দেখুৱাবলৈ বিচাৰ্ )—'বগা কাউৰী' বহুত 'ওলায়', কিন্তু কোনে তেওঁলোকক প্ৰশংসা কৰে?

**বগা ভাত পেলালে কাউৰীৰ আকাল নহয়**—( সম্পদত বন্ধুৰ আকাল নহয় )—ধন-সম্পত্তি থাকে মানে ঢেৰ বন্ধু-বান্ধৱ পাবা; 'বগা ভাত পেলাৰ পাৰা মানে কাউৰীৰ আকাল নাই'।

**বগিয়া-বগি**—( বাগৰা-বাগৰি; ওজৰ-আপত্তি দেখুৱাই কোনো কামলৈ পলম কৰা কাৰ্য )—'বগিয়া-বগি' কৰিব নালাগে; কামটো সোনকালে শেষ কৰা।

**বগুৱা বা**—( আঁঠু আৰু হাতেৰে চুঁচৰি যা )—ৰবিয়াত সি উঠিব নোৱৰা হৈছিল; আমি যোৱা শুনি কথমপি 'বগুৱা বাই' ওলাই আহিল।

**বগুৱা লাগ্**—( ভয়ত বিহ্বল হ )—তেওঁৰ 'বগুৱা লাগিল'; থৰথৰকৈ কঁপিবলৈ ধৰিলে।

**বগে নিবামহী খা**—( দুষ্ট মানুহে স্বাৰ্থসিদ্ধিৰ বাবে সাধু আচৰণ কৰ্ )—তেওঁৰ সাধুতাত ভোল নাযাবা; 'বগে নিবামহী খাইছে', চিকাৰ পালেই পাৰণ কৰিব।

**বগুহ যা**—( অকালত গৰ্ভ নষ্ট হ )—তিৰোতাজনীৰ পাঁচ মাহ আছিল; যোৱা ৰাতি 'বগুহ গ'ল'।

**বগুহৰ দেও**—( এপৰ ঠেঁৰ আহোমৰ ভাৰাই যাগীক যজা মাত )—জয়মতীয়ে গদাপাণিক ক'লে, "বগুহৰ দেও, আপুনি এতিয়াই পলাওক!"

**বঙহে মঙহ খা**—(আপোন জনে অপকাৰ কৰ্)—মোৰ ভতিজাৰ আচৰণত মই আচৰিত হোৱা নাই; 'বঙহে মঙহ খায়' বুলি কোনে নাজানে?

**বঙাল-খা**—(উপদংশ, গৰ্মি)—'বঙাল-খা' আগেয়ে আমাৰ দেশত নাছিল, এতিয়াও গাঁৱত কম।

**ব-চুঙা**—(১। ব তোলাত ব্যৱহাৰ কৰা বাঁহৰ চুঙা। ২। অতিশয় খোলা অন্তৰৰ মানুহ)—১। কটা 'ব-চুঙাটো' এৰি ভাল এটা লোৱাঁ। ২। সেই 'ব-চুঙাজনক' এইবোৰ নকবা; তেওঁ কোনো কথা লুকাব নোৱাৰে।

**বছৰ-উদাজি**—(এবছৰলৈ বন্দবস্ত কৰা)—মাটিডোখৰ 'বছৰ-উদাজিকৈ' তেওঁক দিছোঁ; বছৰৰ শেষত আকৌ নতুন বন্দবস্ত কৰিব লাগিব।

**বছৰ-পিয়লী** (বা **বিয়লী**)—(প্ৰতি বছৰে পোৱালি দিয়া)—মোক 'বছৰ পিয়লী' গাই নালাগে।

**বছৰ-বৰ্ত্তীয়া**—'বছৰ-উদাজি' চোৱাঁ।

**ব-ছিগা**—(গলধন বা কান্ধত ঘা থকা)—হালোৱাটো 'ব-ছিগা'; বাহিবা বাবা কেনেকৈ?

**ব-ছেৰা**—(১। আপোন জনৰ মৰম নোপোৱা। ২। নিজৰ জাত বা বংশতকৈ নিকৃষ্ট হোৱা)—১। অত দিনে ঘৰৰপৰা দূৰত থকাত ল'ৰাটো সমূলি 'ব-ছেৰা' হ'ল। ২। মাক ভাল জাতৰ গাই; কিন্তু দামুৰিটো 'ব-ছেৰা' হ'ল।

**বজৰ্ লেপ দি থৰ্**—(দেৰা-দেপেৰাকে লাগ্)—সি এনে 'বজৰ্ লেপ দি থ'বিলে' যে নাগে নোৱাৰিলোঁ।

**বজাই চা**—(ভাল বেয়া পৰীক্ষা কৰ্)—তেকাজনৰ ভিতৰত কিমান মচলা আছে, অলপমান 'বজাই চাবোঁ'।

**বজাই বাথ্**—(বলৎ বাথ্; বন্দ কৰ্)—সদায় জানো তোমাৰ কথাকে 'বজাই বাখিবা'?

**বজ্ৰ-কীট** (বৰ কৃপণ লোক)—সেই 'বজ্ৰ-কীটটোৰপৰা' ছুটকাও উলিয়াব নোৱাৰিলোঁ।

**বজ্ৰ-বটালী**—'বজ্ৰ-কীট' চোৱাঁ।

**বটালীৰ মূৰত টঙনিয়া**—(জনা দূৰ্বক বৰ কষ্টেৰে শিকা)—'বটালীৰ মূৰত টঙনিয়াই' তাক মই শিকাব নোৱাৰোঁ।

**বটীৰ তলত খোৱা**—বাকৰ অহুপমুক—বাহৰ বাটে)—ইমান দাহ পাইও 'বটীৰ তলত খোৱা' এযুগিয়াৰ দিছিল।

বঢ়া-কথা—(বৰ বঢ়াই কথা)—সদায় 'বঢ়া-কথা' কোৱাই তোমাৰ স্বভাৱ হৈছে।

বঢ়া জোৰ—(বানিবলৈ খুৱলিত ধান গোটাই ল)—ছোৱালীজনীয়ে 'বঢ়া জুৰিছে', অলপ ৰহক।

বঢ়া-টুটা দোষ—(বেছি বা কম হোৱা বাবে হোৱা দোষ)—বিজলীয়াক 'বঢ়া টুটা দোষে' নোহোৱক।

বঢ়া-বচন বোল—(নকৰ গৰ্হীয়া কথা ক)—'বঢ়া-বচন বুলি' তেওঁৰ মনত আঘাত দিছা কিয়?

বঢ়া ভাত কাঢ়ি খা—(আনৰ হাতৰ প্ৰাপ্য বলেৰে ভোগ কৰ)—তেওঁ কাৰো 'বঢ়া ভাত কাঢ়ি খোৱা নাই'; গতিকে ভগৱানে তেওঁক সহায় কৰিবই।

বঢ়াৰ পো—(আগ বাঢ়ি বা বেছিকৈ কাম কৰা প্ৰকৃতিৰ মানুহ)—সকলো কামতে 'বঢ়াৰ পো' বুলি তেওঁ জনাজাত আছিল।

বঢ়া সিজ—(খুৱলিত বানিবলৈ লোৱা ধানৰ চাউল গুজা)—ঢেঁকীত 'বঢ়া সিজিছে'; খোৰাটো সজাই দিয়া।

বতৰ দাঙ—(ডাৱৰীয়া গুচি বতৰ ফৰকাল হ)—বুকু খাকিলাই বৰষিছে; আজি 'বতৰ দাঙিব'।

বতৰৰ কথা আগেয়ে ক—(ভবিষ্যত বাণী কৰ)—'বতৰৰ কথা আগেয়ে কোৱা' বাবে তেজাৰ নাপাবা; এদিন তুমি নিজৰ কম দোষত কষ্ট পাবাই।

বতাহত উৰা—(অতি লাহী বা ক্ষীণ আৰু চঞ্চল)—সেইজনী 'বতাহত উৰা' ছোৱালী। বয়স হৈছে, কিন্তু গা নধৰিলে, বতাহো ধীৰ গম্ভীৰ নহ'ল।

বতাহত হলা-জলা—(লাহী আৰু গুৱনী—ছোৱালী)—এনে 'বতাহত হলা-জলা' ছোৱালী প্ৰায়েই দেখা যায়; তেওঁৰ বৰ পছন্দ হৈছে।

ব তোল—(ডাঙৰ দীঘল দুতাকোৰ ব'ৰ মাৰত হুলা)—কাপোৰ এতিয়াই কলাৰ কে? এতিয়াহে 'ব তুলিব' লাগিছোঁ।

বত্ৰিশ লক্ষণ—(মহাপুৰুষৰ লক্ষণবোৰ—প্ৰায়েই বিদ্ৰূপাৰ্থক)—তেওঁ 'বত্ৰিশ লক্ষণ' ল'ৰা—তেওঁৰ গুণ-চৰিত্ৰ কিয়াৰ বৰ্ণাম?

বদা-কেঁচুত শাতুৰ পৰ—(মহৎ লোকে নিচেই সৰু কথাত মনোযোগ দি)—স্বামী এনাবাকীয়ে এইবোৰ কথাত হস্তক্ষেপ কৰে কিয়? 'বদা-কেঁচুত শাতুৰ পৰাটো' বেয়া দেখি।

বধ দি—(বৰ কৰা দোষে চুৰ বুলি শপত দি)—'বধ দিছোঁ', মোক এমুঠি চাউল দিয়া।

**বধৰ ভাগী হ**—(বধ কৰা দোষৰ দৰে দোষত পৰ্)—চোৰটো পিঞ্জৰাত থাকিলে মৰি যাব; তাক এৰি দিয়া; কিয় মিছাকৈ 'বধৰ ভাগী হোৱা'?

**বধ ল**—(কাৰো দুৰ্গতি বা মৃত্যুৰ কাৰণ হ)—অমাহকত মোৰ 'বধ লোৱা' কিয়? এই খাতই মোক মাৰিব।

**বধ লাগ্**—(বধ কৰাৰ দোষে ছোঁ)—'বধ লাগিব', মোক এমুঠি ভাত দিয়া।

**বধে ছোঁ**—'বধ লাগ্' চোৱা।

**বন কৰ্**—(১। কাম কৰ্। ২। কাপোৰ বা অলঙ্কাৰত নক্সা তোল্)—১। এতিয়া কি 'বন কৰিছা'? ২। সোণাৰীয়ে অলঙ্কাৰত 'বন কৰিছে'।

**বন-ঘোষা**—(১। গৰু চৰাওঁতে গৰখীয়া ল'ৰাই হাবিত গোৱা গীত। ২। গাঁৱলীয়া সুৰৰ গীত)—১। গ্ৰাম্যলোকৰ দুৰ্ণীয়া চলেও 'বন-ঘোষাও' এক শ্ৰেণীৰ সাহিত্য সম্পদ। ২। আজি-কালি 'বন-ঘোষাৰ' শ্ৰেণীৰ গীতবোৰে সমাজত যথেষ্ট আদৰ পায়।

**বনত জুই দি জুহবিয়া**—(আনৰ অপকাৰ কৰি আনন্দ পা)—'বনত জুই দি জুহবিয়াবলৈ' নিবিচাৰিবা; সেই জুয়ে তোমাকো পুৰিব পাৰে।

**বন-বৰাগী**—(বৰাগীৰ দৰে যেনি পায় তেনি ঘূৰি ফুৰা মানুহ)—সেও 'বন-বৰাগী', এতিয়া ক'ত আছে, কেনেকৈ কম?

**বন-বাৰি**—(ঘৰুৱা কাম কাজ)—'বন-বাৰি' কৰি গুলোৱা; ময়ো ওলাই আহোঁগৈ।

**বন-ঘোন্দা**—(বন-বাৰি নকৰি ঘূৰি ফুৰা মানুহ)—সেই 'বন-ঘোন্দাটোক' পুহি থাকিব নোৱাৰোঁ।

**বন-ভোজ**—(হাবিত ভোজ-ভাত খাই কৰা আমোদ)—ছাত্ৰবিলাকে 'বন-ভোজ' খাবলৈ বছৰি একোবাৰ যায়।

**বন-বৰা**—(বাঘ)—'বন-বৰালৈ' আমি বছৰি একোখন মৈৰেজ আগ বঢ়াওঁ।

**বন-লগা**—(গৰুক হাল-বৈ চাৰিবলৈ শিকা)—দমৰাটো ডাঙৰ হ'ল; 'বন-লগাবলৈ' দিছোঁ।

**বলুৱা বৰা**—(বুজ-বিবেচনা নোহোৱা পৰিশ্ৰমী মানুহ)—সি সাক্ষাৎ এটা 'বলুৱা বৰা' কাম কৰে, কিন্তু বিবেচনা শক্তি নাই।

**বন্তি পোৰ**—পোহৰ দেখুৱাই বাতি মাছ মাৰ্; জোৰ কাঢ়্)—আজি-কালি 'বন্তি পুৰিও' মাছ পোৱা নাযায়।

**বনজত পৰ্**—(১। মুকলি ঠাইডাৰে চলিব নোৱৰা হ। ২। লাহৰি থাক্)—

১। 'বয়সত পৰি' ল'ৰাটোৱে আগতকৈ পঢ়াশুনা কৰিছে। ২। ছোৱালীজনী 'বয়সত পৰি' দেখিবলৈও বৰ ধুনীয়া হ'ল, কাম-বনতো পাকৈত হৈ উঠিল।

**বন্ধা থাক্**—( আগ-ধন লৈ বিশেষকৈ খেতিৰ কাম কৰিবলৈ কাৰো ঘৰত থাক্ )—দুশ টকা লওঁ ; এই বছৰ বৰুৱাৰ ঘৰত 'বন্ধা থাকিম'।

**বন্ধাৰ হলোবাৰি**—( বুদ্ধি-বিবেচনা নোহোৱা আৰু কোনো কামত দক্ষতা নথকা মানুহ )—সি ডেমেই 'বন্ধাৰ হলোবাৰি' ; একো কাম নিজ বুদ্ধিৰে কৰিব নোৱাৰে।

**বৰলা পৰ্**—( কোনো কামত সমূলি অকৃতকাৰ্য হ )—সি কাৰবাৰত ডেমেই 'বৰলা পৰিল'।

**বমকি উঠ্**—( ১। অকস্মাৎ বৰকৈ খং কৰ্। ২। জ্বৰ আদি চাৰ হ বা উক দি )—১। মোক দেখি তেওঁ কিয় যে 'বমকি উঠিল,' বুজিব নোৱাৰিলোঁ। ২। টেঙা খাই দিয়াত তেওঁৰ জ্বৰ 'বমকি উঠিল'।

**বম-ভোলা**—( ভলুভলীয়া, পেটত কথা নথকা )—তেওঁক এইবোৰ নকবা, তেওঁহে 'বম-ভোলা,' সকলোকে কৈ ফুৰিব।

**বয়স পা**—( যোগ্য বয়স হ )—তেওঁ ষাঠি বছৰত চুকাল ; স্বাস্থ্যলৈ চাই 'বয়স পোৱা' বুলি কব পাৰি।

**বয়সৰ বুলবুলী**—( বেছি বয়স হোৱা কঁটীয়া ঠিবোঙা )—তেওঁ 'বয়সৰ বুলবুলী,' ইমান বয়স হোৱা বুলি কোনে অনুমান নকৰে।

**বৰ কথা ক**—( গপ মাৰি ক )—'বৰ কথা কলে' কি হব ; কাম কৰি দেখুৱা।

**বৰ কলাৰ হৰ্হৰি শুনি মনুহে বেত-মেলা দি**—( কোনো [illegible] কাম আদিত ডাঙৰ লোকক সেও হোৱা দেখি সৰুৱে আপুনি আগুৱাই গৈ সেও হ )—এই কামত মাইজ উঠিছে ; বৰ বৰ লোকে স্ব-ইচ্ছাৰে আন্দোলনত যোগ দিছে ; ইতৰ লোকসকলে, যমৰ ভয়-আপত্তি একাষৰীয়া কৰি থৈ সহৰ নামত চকু মুদিছে ; 'বৰ কলাৰ হৰ্হৰি দেখি মনুহে বেত-মেলা দিছে'।

**বৰ-কাঁহ**—( এবিধ কাঁহৰ বাটি )—মোৰ গোসাঁই-ঘৰলৈ 'বৰ-কাঁহ' এটা আনিবা।

**বৰ-কাপোৰ**—( তাঁতত ভৰা মুকলীয়া কপাহী কাপোৰ )—এইখন আমৰ দিদীয়া 'বৰ কাপোৰ' ; আজি-কালি ইয়াক কোনে খুবে।

**বৰ গছত আউজ্**—( ডাঙৰ আশ্ৰয় লব্ )—মোৰ দৰে মানুহে এনে বিপদত 'বৰ গছত আউজিলেহে' ৰক্ষাৰ উপায় পাব পাৰোঁ।

**বৰ গছ পাত্**—(ডাঙৰ বুলি মানি ওলম চাপ্)—আপোনাক 'বৰ গছ পাতিলে আমাৰ মেলখন মানি দিয়ক।

**বৰ গছৰ টোপালে পা ভিজা**—(ডাঙৰ লোকৰ সাধাৰণ কাৰ্য্যো ইতৰ লোকৰ পক্ষে গুৰুত্বপূৰ্ণ হ)—'বৰ গছৰ টোপালেও পা ভিজায়,' আপুনি এবাৰ কৈ দিয়ে হৈ আছিলেও বাইজে বৰ উৎসাহ পাব।

**বৰ গছৰ তলত জিৰা**—(সকলে ডাঙৰৰ আশ্ৰয় ল)—জিৰালে 'বৰ গছৰ তলত জিৰাম'; তোমাক ডাঙৰ পাতি কি লাভ?

**বৰ-গিৰী**—(বৈণীয়েৰৰ ককায়েক, জেঠেৰি)—তেওঁ শহুৰৰ ডাঙৰ পুতেক, মোৰ 'বৰ-গিৰী'।

**বৰ-গীত**—(শঙ্কৰ-মাধৱে ৰচনা কিছুমান উচ্চাঙ্গৰ ভক্তিমূলক গীত)—'বৰ-গীত' অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

**বৰ ঘৰ**—(গৃহস্থৰ থাই ঘৰ)—"বৰ-ঘৰ' গুৱনী জীয়ৰী কোৱালী, উলিয়াই দিবলৈ টান।"

**বৰ চুবিয়াৰ কেৰ মাৰ্**—(সাজপাৰেদি ডাঙৰ বোলাবলৈ চেষ্টা কৰ্)—ভগবান মহন্তে 'বৰ চুবিয়াৰ কেৰ মাৰি' ফুৰিলেই মানুহে ডাঙৰ বোলোৱে।

**বৰ জনা**—(স্বামীৰ ককায়েক; ভাই-শহুৰ)—বুঢ়ী বিধৱা হৈ ভৰণ-পোষণৰ বাবে 'বৰ-জনাৰ' আশ্ৰয় চাপিল।

**বৰ-জাপি**—(ডাঙৰ লোকৰ সন্মানৰ বাবে ব্যৱহাৰ কৰা জাপি)—এইটো আমাৰ আগৰ কালৰ 'বৰ-জাপি'; ডাঙৰ মানুহ অ'লৈ ত'লৈ গ'লে মূৰৰ ওপৰত ধৰা হৈছিল।

**বৰ টানে**—(টানি-মানি; কষ্টেৰে)—শাৰীৰ 'বৰ টানে' সুযোগ-মতে দিব পাৰিম।

**বৰ ডাঙুৰীক ভাতে মাৰ্**—(বৰকৈ পৰিশ্ৰম কৰি আমাৰ বিৰুদ্ধে উপাৰ্জন কৰিবলৈ চেষ্টা কৰোঁতে মূল আৱশ্যকীয় বস্তুৰ অভাৱত পৰ্)—দিনে ৰাতিয়ে পৰিশ্ৰম কৰি কি ফল পালা? সাজো হাতেদি পাইতে পথাৰৰ ধানমুঠিও ভালকৈ নাপালা; 'বৰ ডাঙুৰীক ভাতে মাৰিলে'।

**বৰণ কৰ্**—(মঙ্গলাৰে কোনো কাৰ্য্য ভাৰ দি)—পুৰোহিতক 'বৰণ কৰা'; তেওঁ পূজাত বহক।

**বৰত ধৰ্** (বা পাত্)—অনুৰোধত তেওঁ 'বৰত ধৰিছে,' ভাত খাবাৰ।

**বৰ তেল লৌহা মাৰিব পৰ্**—(বৰ মূল্যৱান বস্তু বা সুযোগ হঠাৎ নষ্ট হ)—তাক হাতত দুটিও পাইও এদি দিব পাৰিলে? 'বৰ তেল লৌহা মাৰিব পৰিল।'

**বৰ-দিন**—( যীশু খৃষ্টৰ জন্মোৎসৱৰ পৰ্ব দিন )—'বৰ-দিন' উপলক্ষে স্কুল এসপ্তাহ বন্ধ থাকিব।

**বৰ-দেউৰী**—( মন্দিৰৰ সেৱা-পূজা চলোৱা পূজাৰী )—মন্দিৰৰ সেৱা-পূজা চলোৱা দেখি এই মাটি 'বৰ-দেউৰীয়ে' ভোগ কৰে।

**বৰ-দৈ-চিলা**—( এই নামৰ একজনা দেৱী; ভাবপৰা, বহাগ মাহত হোৱা ডাঙৰ ধুমুহা )—আজি বতৰ বৰ বেয়া; 'বৰ-দৈ-চিলা' আহিব লাগে।

**বৰ-খেমালি**—( গায়নে নাচে বায়নে নাচি বজোৱা বাজনা )—আৰু অলপ পৰ থোৱা; 'বৰ-খেমালি' চাই যোৱা।

**বৰ নাৱৰ কাণ্ডাৰী, ৰজা-ঘৰৰ ভাণ্ডাৰী**—( সদায় ডাঙৰ হবলৈ আকাঙ্ক্ষা কৰ্ )—কেতিয়াও সৰু হৈ নাথাকিবা, সদায় 'বৰ নাৱৰ কাণ্ডাৰী, ৰজা-ঘৰৰ ভাণ্ডাৰী' হবলৈ বিচাৰিবা।

**বৰ-নৈ**—( অসমৰ ডাঙৰ নৈ, অৰ্থাৎ ব্ৰহ্মপুত্ৰ )—অসমৰ বেছিৰ ভাগ নদী 'বৰ-নৈত' পৰিছে।

**বৰ-ফুটীয়া**—( ডাঙৰ বিধৰ,—বালি অধিক থাকে )—মোক 'বৰ-ফুটীয়া' বাছিহে লাগে, সৰু-ফুটীয়া আছেই।

**বৰ-বিহ খা**—( তৎক্ষণাৎ আত্মঘাতী হ )—তাৰ কথাত মোৰ 'বৰ-বিহ খাবলৈ' ইচ্ছা হৈছে।

**বৰ-মুৰীয়া**—( প্ৰধান, মূখ্যমান )—আমাৰ 'বৰ-মুৰীয়া'সকলে যি কয়, তাকেই কৰিম।

**বৰৰ দোষ পিছলাই দি**—( ডাঙৰৰ দোষ আওকাণ কৰ্ )—'বৰৰ দোষ পিছলাই দি' সৰু লোকত হেঁচা মাৰি ধৰিলে কোনে মানি থাকিব?

**বৰলৰ বাহত খোঁচা মাৰ্ (বা খুঁই দি)**—( খঙক উত্তেজিত কৰ্ )—কথাটো উলিয়াবহে পালোঁ, 'বৰলৰ বাহত খোঁচা মৰা' যেন হ'ল; সেই অহিতলৈ হৈ উঠিল।

**বৰলা ভাত খা**—( বিনা বোজাবোৱাকৈ খা—মজা মাৰ্ )—আজিকালি 'বৰলা ভাত খাই' আছা; ছোৱালী যাপালা কিয়?

**বৰলাৰ বৰত তকাৰ ধান বিচাৰ্**—( অসম্ভৱ বস্তু বিচাৰ্ )—আমাৰ ঘৰত কোনো কালেও তকত নাই; অনাহক মানাও নাই। 'বৰলাৰ বৰত তকাৰ ধান বিচাৰিলে' ক'ত পাবা?

**বৰষুণ গলে জাপি ল**—(বিপদৰ পিছত ৰক্ষাৰ উপায় বিচাৰ্)—জাৰ গ'ল; এতিয়া জাৰ-কাপোৰ নালাগে; 'বৰষুণ গলে জাপি লয়' কোনে?

**বৰ সৰাইহঁতে মন কৰ্**—(সম্বলহীন হৈও ডাঙৰ আকাংক্ষা কৰ্)—এসাজৰ পিছত আন সাজলৈ ভাবিব লাগে; আমি 'বৰ সৰাইহঁতে মন কৰিম' কেনেকৈ?

**বৰাই কৰ্**—(ডাঙোপ মাৰ্)—আমি লথ-জোপ নোহোৱা মানুহ; 'বৰাই কৰিম' কিহেৰে?

**বৰাই নোখোৱা কচু**—(অতিশয় দুষ্ট প্ৰকৃতিৰ লোক)—তোৰ চাকৰটো কেনে জানিছ নে নাই? সি 'বৰাই নোখোৱা কচু', য'তে থাকে ত'তে খাই এৰে; তাক খেদিছে নে?

**বৰাই-বুজাই**—(বুজনিৰে সম্মত কৰি)—আন কেও নোহোৱাত ল'ৰাটোকে 'বৰাই-বুজাই' ঘৰত থৈ আহিছোঁ।

**বৰাগী-নাম**—১। বৰাগীয়ে গোৱা নাম-গীত। ২। শিৱৰ গুণ বৰ্ণাই গোৱা নাম)—
১। অসমৰ চুকে-কোণে 'বৰাগী-নাম' বহুতো শিক্ষিত সমাজৰ চকুত নপৰাকৈ আছে।
২। আজি শিৱৰাত্ৰি উপলক্ষে পাৰিলে 'বৰাগী-নাম' গোৱাৰ দিহা কৰা ভাল।

**বৰাৰ ঘৰত ভৰাৰ গাঁঠি দি**—(অমনোযোগিতা বা অৱহেলাৰ বাবে ডাঙৰ কামো সাধাৰণভাৱে সম্পন্ন কৰ্)—তুমি ইমান ডাঙৰ মিস্ত্ৰী, পিছে তোমাৰ ঘৰটো কিয় এনে ভগা-ভোঁহৰা? তুমিও 'বৰাৰ ঘৰত ভৰাৰ গাঁঠি দিছা' নেকি?

**বৰাৰ ভাত মাহৰ শাক**—(শাক=আঞ্জা। অতি উপাদেয় ভোজন)—আমি কেনে খালোঁ, শুনিছা? 'বৰাৰ ভাত, মাহৰ শাক'।

**বৰালৈ আলু কচু মিল্**—(ঈশ্বৰে সকলোৰে জীৱিকাৰ উপায় কৰ্)—চিন্তা নকৰিবা; 'বৰালৈও আলু কচু মিলে', আমালৈ নিমিলিব নে?

**বৰীয়া বাঁক**—(ব্যভিচাৰী লোকক দণ্ড দি কৰা শাস্তি)—সি বাৰে বাৰে চুৰ কৰাত সমাজে তাৰ চুলি খুৰাই দিলে; এনে 'বৰীয়া বাঁক' লৈ সি দেশান্তৰী হ'ল।

**বকৰা খাৱতে খা**—(ডাঙৰ খাবন খা)—আজি ঘৰত বৰাকৈ খুৱালা; সঁচাকৈ 'বকৰা খাৱতে খালোঁ'।

**বকৰাবো এদিন ধকৰাবো এদিন**—(সকলোৰে ভাগ্য পৰিৱৰ্তন হয়)—সেই ধনীজনে বাৰ্ষিক এদিন ধুমধাম কৰি জাক কৰিছিল; আজি চোৱাঁ, অৱস্থাৰ ভেটি কাৰো কৰি চুচিছে। সমত বাধিবা, 'বকৰাবো এদিন, ধকৰাবো এদিন'।

**বৰ্ষাৰ যা**—( নষ্ট হৈ যা )—ধানখোৰ কেঁচাই জাপি থৈছিলা ; এতিয়া লোণাই 'বৰ্ষাৰ গ'ল' ; ইয়াক গৰুৱেও নাখায়।

**বলাই-বটাই**—( উপগণিৰে কৈ যেলি )—সি নাখায় ; 'বলাই-বটাইহে' পঠালো।

**বলি-বাসৱৰ যুদ্ধ**—( তুমুল যুঁজ)—'সিহঁতৰ ঘৰত ভায়েক-ককায়েকৰ মাজত 'বলি-বাসৱৰ যুদ্ধ' চাই আহিলোঁ, ককায়েকৰ আঘাত গুৰুতৰ।

**বলিৰ পাঁঠা**—( বলীৰ হাতত জব্দ হৈ ডাঙৰ বিপদৰ সন্মুখীন হবলৈ বাধ্য হোৱা মানুহ )—দেশত যুদ্ধ লাগিল ; দেশৰ ডেকাসকলে দেশ মাতৃকাৰ নামত যুঁজ দিবলৈ 'বলিৰ পাঁঠাৰ' দৰে দলে দলে আহিবলৈ ধৰিলে।

**বলীয়ে নিৰ্বলীয়ে হাতাহাতি কৰ্**—( অসমান মানুহৰ মাজত কাজিয়া কৰ্ )—তোমাৰ লগত মোৰ পাতিম কেনেকৈ ? 'বলীয়ে নিৰ্বলীয়ে কিহৰ হাতাহাতি' ; ধনীয়ে নিধ'নীয়ে কিহৰ মাতামাতি ?

**বলে মোৰৰা শিলক পৰি নমস্কাৰ কৰ্**—( বলবানৰ ওচৰত সেও হ )—তেওঁৰ ওচৰত সেও নহয় কোনে ? 'বলে মোৰৰা শিলক' সকলোৱে দেৱতা জ্ঞানে 'পৰি নমস্কাৰ কৰে'।

**বলে পাৰ**—( শক্তিৰে সমকক্ষ হ )—তেওঁ টকাৰ শকত-আৱত ; মই তেওঁক 'বলে পাৰিম' নে ?

**বল্লভা হ**—( প্ৰিয়-পাত্ৰ হ )—আমকেইটা দি 'বল্লভা হব' ন লাগে বা ; মোৰ ওচৰলৈ নাহিবি।

**বসন্তৰ কুলি, হেমন্তৰ কোন**—( সম্পদ্ কালত বন্ধু ঢাপি আহ্ )—'বসন্তৰ কুলি, হেমন্তৰ কোন' ? যেতিয়ালৈকে ধন-বিত্ত আছিল তেতিয়ালৈ মোৰো বন্ধু-বান্ধৱৰ লেখ-জোখ নাছিল ; আৰু এতিয়া ? এতিয়া কোনে মোৰ খবৰ লয় ? মই যে হাল-হিগা হলোঁ।

**বহনি কৰ**—( দিনৰ পোন প্ৰথমে যাত্ৰাৰম্ভ বা কোনো কাৰ্যৰ আৰম্ভণিতে মঙ্গল ধৰি লৈ যাত্ৰা কৰ্ )—তোমাৰ ওচৰত ঢোলাটো বেচিহে আজি 'বহনি কৰিলোঁ'।

**বহনিত পাৰ্**—( বেলে দৰব দিওঁতে গৃহস্থকণ্যা নতুন কাপোৰ এখন লৈ দেৱতালৈ আগ কৰি দৰব দি )—'বহনিত পাৰিবলৈ' গামোচা এখন দিয়ক।

**বহা কৰ্**—( অস্থায়ীভাবে থাক্ )—গুৱাহাটীত তুমি ক'ত 'বহা কৰিছা' ?

**বাহি খা**—( বাহ-বন নকৰাকৈ খা )—'বাহি খালে' তোমাৰ এই বন কেইটা দিন টিকিব ?

**বহি খাবৰ নথ যাব্**—( নথ=সমল। সমূলি নিঃকতীয়া বা নিঃসম্বল হ'ব্ )—তোক চাইহে আছোঁ; খবিব লাগিলে 'বহি খাবৰ নথ যাবিয়' ।

**বহি খালে কুবেৰৰ ধনেও নাটে**—( আ-উপাৰ্জন নকৰাকৈ খাই থাকিলে ধনৰ অক্ষয় ভঁৰালো শেষ হ )—এনেকৈ খালে বাপতি সাহোঁৱা তোমাক কেই দিন আটিব? 'বহি খালে কুবেৰৰ ধনেও নাটে' ।

**বহি খোৱা কুকুৰ**—( ডাঙৰ মানুহৰ দৰে কাম-বন নকৰাকৈ খাই থকা মানুহ )—তেওঁ আমাৰ ঘৰৰ 'বহি খোৱা কুকুৰ'; তেওঁ তিনিবিণ কুটাও চাৰিবিণ নকৰে।

**বহিব আহিলে শুবও আহে**—( সামান্য সুযোগকে কৌশলেৰে ডাঙৰ সুযোগত পৰিণত কৰ্ )—কলেজত কোনোপ্ৰকাৰে ভৰ্তি হ'লে টকা পাবে, পিছৰ কথা নাভাবিবা; 'বহিব আহিলে শুবও আহিব' ।

**বহিব জানিলে মাটিয়েই পীৰা হ**—( সামান্য সম্বলেৰেই ডাঙৰ সুখ পা )—'বহিব জানিলে মাটিয়েই পীৰা হয়'; আমাৰ খাদ্যো শুখীয়া বিধৰ হলেও বৰ তৃপ্তিদায়ক হৈছে।

**বহি-বুঢ়া**—( এলেহুৱা মানুহ )— সেই 'বহি-বুঢ়াটোৱে' বহি বহি পেট পোহে; একোকে নকৰে।

**বহি-বজা**—( নিজে কাম-বন নকৰি আনক চলোৱা ডাঙৰ মানুহ )—সমাজৰ 'বহি-বজাবিলাক' পৰৰ ওপৰত খোৱা মানুহ।

**বহ চুঁইৰ বহ জাবৰ**—( ডাঙৰ কামত বেছি জঞ্জাল )—বিয়া-সবাহ সকলে পতাই জান; 'বহ চুঁইৰ বহ জাবৰ'।

**বহু-বতী**—( বিভিন্ন সময়ত বিভিন্ন বতাহ লোৱা )—তেওঁ 'বহু-বতী' মানুহ; সুবিধা বুজি বতাহ সলায়।

**বহু-বৰ্ণী**—'বহু-বতী' চোৱা।

**বহুৱা তোল্**—( চুৰ্তি-বুদ্ধি লোৱা কৰ্ )—দ'বাৰোৰে তোকাই তাক 'বহুৱা তুলিলে'।

**বহুৱালি কৰ্**—( বহুৱাৰ আচৰণ কৰ্ )—এই সময়ত 'বহুৱালি কৰাটো' তোমাৰ শোভনীয় নহয়।

**বাইচ মাৰ্**—( সুযোগ বুজি সুবিধা ল )—আজকালি এবি খাবলৈ আহোঁতে এজনে খোৱা সময়ত 'বাইচ মাৰিলে'।

**বাইকটক চৰা**—( শৰৰ তাল দেখি দিহৰ তামোলক তাল কৰিলে সিজাঁৰ

আগতকৈও বেয়া হ)—'বাইচকৈ চৰা' কৰিবলৈ বিচাৰোঁতে তোমাৰ সৰ্ব্বনাশহে হ'ল; আগৰ যিখিনি আছিল, সিও এতিয়া যায়।

বাইলুং কোবা—(অজ্ঞান হৈ যি পায় তাকে কৰ্)—তাৰ কৰ মূৰত উঠিছে; 'বাইলুং কোবাইছে'।

বাউলি পাক মাৰ্—(কষ্টেকষ্টে পাক মাৰি আহ্)—গাইকমীয়ে সদায় এবাৰ 'বাউলি পাক মাৰিহে' গোহালিলৈ আহে।

বাও কণী পাৰ্—(অসাৰ্থক কাম কৰ)— তোমাৰ এই পৰিশ্ৰমখিনিৰে কাৰ কি উপকাৰ হব? ই 'বাও কণী পৰাহে' হৈছে।

বাং কেক—(অজীৰ্ণ পাওকী; কাৰো লগত মিলিজুলি থাকিব নোৱৰা মানুহ)—'বাং কেক' কাৰো ওচৰত কৃতজ্ঞ নহয়; তাৰ 'কাৰো বন্ধু নাই'।

বাং পিটা দি—(বেছিকৈ মাৰ-পিট কৰ)—গৰুটোক 'বাং পিটা দিছ' হয়, মৰিলে গো-বধী হবি।

বাং-কতীয়া—(নানা ধৰণৰ)—মই এনেকুৱা 'বাং-কতীয়া' কথা শুনি থাকিব নোৱাৰোঁ।

বাঁটি খালে আটি যা—(বন্ধুতাৰে সকলোকে সমানে ভোগ কৰিবলৈ সমৰ্থ হ)—বন্ধুভাৱ থাকিলে এটা তিলকো সাত ভায়েকে ভগাই খাব পাৰে; 'বাঁটি খালে' সকলো বস্তু 'আটি যায়'; লুকাই খালেহে চুকাই যায়।

বাঁহৰ আগ তল নাওক, কাউৰীৰ বহ চা—(আনৰ সৰ্ব্বনাশ চাই নিজে আনন্দ পাবলৈ বিচাৰোঁতে নিজৰে সৰ্ব্বনাশ হ)—আনৰ ঘৰত চুৰ হোৱাত তুমি আনন্দ পাইছা; কালিলৈ সেই চোৰ তোমাৰ ঘৰত সোমাব; তেতিয়া কি কৰিবা? 'বাঁহৰ আগ তল পৰে কাউৰীৰ বহ চাবলৈ' তুমি ক'ত থাকিবা?

বাঁহৰ গছৰ তোল—(প্ৰয়োজনীয় অথচ কোনোৱে ভোগ কৰিব নোৱৰা হৈ থকা বস্তু বা মানুহ)—'বাঁহৰ গছৰ তোল' হৈ থাকি কি কৰা? একোলে খিলাপি লোৱাঁ।

বাঁহী-মকা—(বৰ ধুনীয়া মানুহ)—কেকোজন বৰ ধুনীয়া, 'বাঁহী-মকা'।

বাক্যবাণ হান্—(আঘাত লগা কথা ক)—তুমি যে আজি 'বাক্যবাণ হানিলা', তাৰ দুখ কেতিয়াও পাহৰিব নোৱাৰোঁ।

বাঘৰ উঠ্—(বিষিকত বং উঠ্)—তোক দেখোন বাঘিজনীহে 'বাঘৰ উঠে'।

**বাখৰ পাত্**—(অলংকাৰ আদিত বাখৰ খটুৱা)—আঙঠিটোত 'বাখৰ পাতিলেহে' ধুনীয়া হ'ব।

**বাখৰ-মুখো**—(চোকা মুখৰ; দন্দুৰা)—ল'ৰাটো বৰ 'বাখৰ-মুখা' দেখি সকলোৰে অপ্ৰিয়।

**বাখান চৰ্**—(সুখ্যাতি বাঢ়্—বিদ্ৰূপ অৰ্থত)—বয়স হয় মানে আমাৰ বোপাৰ 'বাখান চৰি গৈছে', পুৰা আঠ বজাৰ আগেয়ে শেতেলি নেৰেই।

**বাগতি খেল্**—(সঁচা কথা লুকাবলৈ বাহিৰা কথাৰে চাচৰি কোৱা)—'বাগতি খেলি' সাবিব নোৱাৰিবা; আচল কথাটো কোৱা।

**বাগৰ খা**—(১। লুটি খা। ২। আন কাৰো ওচৰ চাপ্)—১। পিছল বাটত 'বাগৰ খাই' পৰিলোঁ। ২। ভেঁও এতিয়া বকৰাৰ কালে 'বাগৰ খাবই'; বতাহ যি পিনে বয়, ভেঁও সেই পিনেই যায়।

**বাগৰ দি**—(অলপকৈ শো)—খাই বৈ 'বাগৰ দিছোঁ'; টোপনি অহা নাই।

**বাগৰ মাৰ্**—(১। অলপকৈ শো। ২। বাগি দি)—১। 'বাগৰ মাৰি' উঠা; বাৰহে লাগে। ২। সি কথাটো লুকাবলৈ 'বাগৰ মাৰিলে'।

**বাগৰ ল**—(বাগ সলা; ঘূৰ)—খুঁটাটোৱে 'বাগৰ লৈছে'; ঘূৰাই ঠিককৈ দিয়া।

**বাগৰ সলা**—(ইকাতিৰপৰা সিকাতি হ)—'বাগৰ সসলোৱাকৈ' ওৰে ৰাতি শোৱা কেনেকৈ?

**বাগৰা-বাগৰি কৰ্**—(১। লুটিয়া-লুটি কৰ্। ২। কোনো কথা বা কামৰপৰা এৰা দিবলৈ চেষ্টা কৰ্)—১। ল'ৰাহুটাই 'বাগৰা-বাগৰি কৰিবলৈ' ধৰিলে; পিছে, কাৰো মনৰ নহ'ল। ২। 'বাগৰা-বাগৰি কৰিলে' কি হ'ব? টকাছটা কোনে নিলে?

**বাগি কুঠাৰ মাৰ**—(মহৎ অনিষ্ট কৰ্)—বৰ আশাৰে কামটোত ধৰিছিলোঁ, তুমি 'বাগি কুঠাৰ মাৰিলা'।

**বাগি দি**—(সাৰিবলৈ মিছা ক)—সঁচা কলে কি হ'ব? 'বাগি দিছিবা'।

**বাগি ধৰ্**—(ভাগ ধৰ্; এজনে নকৰিলে আনজনে নকৰা হ)—এনে 'বাগি ধৰাৰ' অৰ্থ হৈছে তুমি কামটো নকৰা।

**বাগি মাৰ্**—'বাগি দি' চোৱা।

**বাগি ল**—(সাৰিবলৈ কাৰেদি ঘূৰি যা)—বাঘ দেখি আমি পথৰ সিকাদেদি 'বাগি ললোঁ'।

**বাঘ ককা বৰা ককাৰ হৰা-জিকা চা**—(শত্ৰুক উচটাই যুঁজ পাত্)—আই-

কৰাইৰ এই কাজিয়াত বহুতে 'বাঘ কৰা বলা কৰাৰ হৰা-জিকা চাই' ৰং পাইছে; কিন্তু অপকাৰ হৈছে আমাৰহে।

**বাঘ-জৰী**—(ঘোঁৰাৰ লেকাম)—সাৰথিয়ে সাৱধানে 'বাঘ-জৰী' ধৰি ৰথ চলাবলৈ ধৰিলে।

**বাঘ-জালী**—(ষড়যন্ত্ৰমূলক কাৰ্য)—সিহঁতৰ 'বাঘ-জালীত' পৰিব লাগিলে ৰখিবা।

**বাঘ-চকা**—(ডাঙৰকৈ মৰা চকা)—তুমি যে তাক উপৰ-চাপৰ লোচোৰাকৈ 'বাঘ-চকাটো' মাৰিলা, শিলত পৰিলে কি হ'ল হয়?

**বাঘ-তেলে খা** (বা ধৰ্)—(দুৰ্দ্দম দৰে আচৰণ কৰ্)—তোক 'বাঘ-তেলে খাইছে' নেকি যে এনে উৎপাতখন লগালি?

**বাঘ নৌমৰোঁতেই ছাল কাঢ়্**—(শক্তিমান পুৰুষ বৰ্ত্তমানেও শত্ৰুপক্ষই আক্ৰমণ কৰ্)—মই জীয়াই থাকোঁতে তোৰ গাত হাত দিবলৈ সাহ কাৰ? 'বাঘ নৌমৰোঁতেই ছাল কাঢ়িব' পাৰে নে?

**বাঘ-বচা বোৱনী**—(তাঁতশালত অতীব পাৰ্গতালি থকা তিৰোতা)—মোহনীজনী 'বাঘ-বচা বোৱনী'; তেওঁৰ কাপোৰ সকলোৱে প্ৰশংসা কৰে।

**বাঘ-বৰাৰ যুঁজ**—(ভয়ানক যুঁজ)—ভাই-ককাইৰ মাজত এনে 'বাঘ-বৰাৰ যুঁজ' লাগি থকাতকৈ বেলেগ হোৱাই ভাল।

**বাঘ-ভালুক দেখুৱা**—(নানা প্ৰকাৰ ভয় দেখুৱাই নিৰুৎসাহ কৰ্)—মই নানা 'বাঘ-ভালুক দেখুৱালোঁ'; সি কিন্তু মোৰ হকা-বধা নামানিলে।

**বাঘ-তোল**—(এবিধ খেল)—'বাঘ-তোলত' পাৰ্গতালি দেখুৱাই পেটৰ ভাত মিলাব নোৱাৰি।

**বাঘ-তোলৰ থাই চেকা দি**—(আলি আদি বন্ধ কৰাকৈ অথালি-পথালিকৈ বন্ধা)—আজি দুৰ্বৃত্তে আলিবে দেশখন 'বাঘ-তোলৰ থাই চেকা দিলে'।

**বাঘৰ আগত ছাগে তেৰা-তেৰি কৰ্** (বা লগা)—(বলবানৰ আগত দুৰ্বলে কেৰ পাত্)—তোমাৰ লগত যুঁজিম কেনেকৈ? 'বাঘৰ আগত ছাগে তেৰা-তেৰি কৰাহে' হব।

**বাঘৰ আগ-তেল খা**—(বৰ সাহসী হ)—এওঁ 'বাঘৰ আগ-তেল খাই' আহিছে হব পায়; নহলে কো জীয়াত বন এই কেঁচী সাপটো ধৰিবলৈ খেদি যায় নে?

**বাঘৰ চকুৰে চা**—(উগ্ৰভাৱে শাসন কৰ্)—অপৰাধক তেওঁৰ মনত আমাটৈ মৰম আছিল; কিন্তু দুলত 'বাঘৰ চকুৰে' চাইছিল।

**বাঘৰ ছাৱ**—(ক্ষমতাশালী লোকৰ ক্ষমতাশালী সন্তান)—চৌবিশ বছৰীয়া পিট ইংলণ্ডৰ প্ৰধান মন্ত্ৰী হ'ল; সকলোৱে বুজি পালে যে ডেকাজন কেৱল 'বাঘৰ ছাৱেই' নহয়, নিজেই বাঘ।

**বাঘৰ চুলিয়াব**—(বাবাৰ আচৰিত কাম কৰি বা কথা কৈ বাঘকো মুহিব পৰা শক্তিৰ মানুহ)—ল'ৰা হলেও, সি 'বাঘৰ চুলিয়াব' কেইটা পটলে কথা কব,—মানুহে থ' লাগি চাই থাকে।

**বাঘৰ তেল খা**—(বৰ সাহসৰ বা বীৰত্বৰ পৰিচয় দি)—দেখাত মানুহটো ডেকেই ঘুট মুটীয়া, কিন্তু তেওঁৰ সাহ-পিত্ত বিস্ময় মানিব লগীয়া,—যেন 'বাঘৰহে তেল খাইছে'।

**বাঘৰ নেগুৰেদি কাণ খজুৱা**—(শক্তিমন্ত লোকক জোকাই নিজৰ বিপদ্ মাতি আন্)—এই গধুৰ যে পাজন তাকে সি বুজিব খুজিছে, কিন্তু তাকে কৰোঁতে যে 'বাঘৰ নেগুৰেদি কাণ খজুৱা' হৈছে, তাক বোধ হয় বুজা নাই।

**বাঘৰ মুখলৈ যোৱা যেন লাগ্**—(ওচৰ চাপিবলৈ বৰ ভয় পা)—সেইভাই মোক ডেঙেৰৰ ওচৰলৈ পঠিয়াইছে, মোৰ আকৌ ডেঙেৰৰ ওচৰ চাপিব লাগিলে 'বাঘৰ মুখলৈ যোৱা যেন লাগে'।

**বাঘৰ লগত কুটুম কৰ্**—(বৰ মাৰাত্মক প্ৰকৃতিৰ লোকৰ সৈতে মিত্ৰতা কৰ্)—তুমি যে তেওঁৰ লগত ইমান মেল-মেল কৰিব লাগিছা, চাবা যাতে 'বাঘৰ লগত কুটুম কৰি' নিজে সৰ্বনাশত নপৰা।

**বাঘৰ লগত ধেমালি কৰ্**—'বাঘৰ লগত কুটুম কৰ্' চোৱা।

**বাঘ হেন দেখ্**—(বৰকৈ ভয় কৰ্)—সেই শিক্ষকজনক ল'ৰাবিলাকে 'বাঘ হেন দেখিছিল'।

**বাঘে-খোৱা**—(বাঘৰ পেটলৈ যোৱাৰ যোগ্য—গালিত খাটে)—'বাঘে-খোৱা', তই যেখোন ল'ৰাটো মাৰি পেলালি।

**বাঘে ঘাঁহ নাখা**—(মহৎ লোকে প্ৰাণ গলেও হীন মনোবৃত্তিৰ নহয়)—অভাৱত পৰিলা বুলিয়েই সেই পাপীটক সমৰ্থন কৰি স্বাৰ্থসাধন কৰিবা নে? অনাহাৰে থাকিলেও 'বাঘে' কাহানিও 'ঘাঁহ নাখায়'।

**বাঘে ছাগে একে ঘাটতে পানী খা**—(অতি কৌচ-কোচ থাই শাসনিক দক্ষতা পাই নিৰ্ভয়ে থাক্)—তেওঁৰ কাম চলিবা কেনেকৈ? তেওঁৰ আমোলত 'বাঘে ছাগে একে ঘাটতে পানী খায়'।

**বাঘে ধৰা গঞ্জৰ দৰে**—(বৰ উজ্জ্বল হৈ)—পুতেকৰ মৰিবাৰ খবৰটো পাই বুঢ়ীয়ে খাড়ি চাপি তাঁৰ 'বাঘে ধৰা গৰুৰ দৰে' কটালে।

**বাঘে ধৰা দি**—(১। প্ৰবলভাৱে আক্ৰমণ কৰ্। ২। বলেৰে দিয়া, অন্তৰ্ভুক্ত বা লোৱা কৰ্)—১। তেওঁ শিক্ষক হিচাপে বৰ ব্যক্তিত্ব কিন্তু সংবাদ দাতাই আহিলে 'বাঘে ধৰা দিয়ে'। ২। এই ওল খাবা কেনেকৈ? 'বাঘে ধৰা দিলে'।

**বাঘে পোৱালি পোৱা হাবি**—(বৰ ডাঠ হাবি)—সৰুতে আমি সেই 'বাঘে পোৱালি পোৱা হাবি' পালোঁ; ৰাতিটো যে কেনেকৈ কটাওঁ, তাৰে চিন্তাত হলোঁ।

**বাঙী কটা দি**—(হিবাহিব হৈ কাট্)—ভিতোভাজনীৰ তাৰ তুলন বিকি 'পাছী কটা দিছে'; তাই নাবাঁচে।

**বাহেঁ'তে বাহেঁ'তে গেলা বৰালিত হাত পৰ্**—(ভাল বিচাৰি ফুৰোঁতে বৰ বেয়া বস্তু পা)—তেওঁ বিয়া কৰোৱা ছোৱালীজনীক ছোৱালী বুলিব নোৱাৰি; 'বাহেঁ'তে বাহেঁ'তে' তেওঁৰ 'হাতখন গেলা বৰালিতহে পৰিল'।

**বাজ ফুৰ্**—(শৌচ কৰিবলৈ যা)—আজি পেটৰ অসুখ হৈছে; পাঁচ বাৰ 'বাজ ফুৰিবলৈ' গলোঁ।

**বাজলৈ উলিয়া**—(মৰিবলৈ ধৰা মানুহক বাহিৰলৈ আন্)—তেওঁ [illegible] কাঢ়িলে; 'বাজলৈ উলিয়া' হ'ল।

**বাজি উঠ্**—(এক পক্ষৰহে কথা ক)—তেওঁ আচামীৰহে 'বাজি উঠিছে'; ফৰিয়াদীৰ পক্ষে নকয়।

**বাজি মাৰ্**—(বা বাঘ্)—(আমি যাম)—সেই 'বাজি মাৰিছোঁ' বুলি পৰীক্ষাত পাছ কৰিবাই।

**বাজীয়ে পোৱতীৰ মোল বুজুক**—(নিজৰ অভিজ্ঞতাৰেহে আনৰ কষ্টৰ বুজ পা)—হুঁচীয়া ছোৱা যে কি বিষাক্ত কষ্ট, তাক জীয়ে কেনেকৈ বুজিব? 'বাজীয়ে পোৱতীৰ মোল বুজুৱে'।

**বাঢ়োঁ বাঢ়োঁ**—(কঁঠা ঢলপাতে; অতি মোলোমোলোৱাকৈ)—১। এই চেঙেলিৰ [illegible] 'বাঢ়ো বাঢ়ো' আহিছে। ২। এই 'বাঢ়ো বাঢ়ো' [illegible] আহিলোঁ।

[illegible]—([illegible])—[illegible]

বাট উঠ্—(১। গাইৰ ওহাৰত গাখীৰ নাহ্। ২। অহা-যোৱা বন্ধ হ)—১। গাইজনীৰ গাখীৰ আছে, কিন্তু দুহ নবে; দামুৰি পিয়ালেও 'বাট উঠে'। ২। বীৰেন মৰিল; পিতাকৰো 'বাট উঠিল'।

বাট এৰ্—(আহিবলৈ এৰ্)—আপোনাক দেখিবলৈকে যোগোৱা হলোঁ; আমাৰ ঘৰলৈ 'বাট এৰিলে' কিয়?

বাট এৰি অবাটে যা—(অবাঞ্ছনীয় কাৰ্য কৰ্)—'বাট এৰি অবাটে গৈ' এই ল'ৰাটো নষ্ট হ'ল।

বাট চুৰি যা—(ঘলাই ঘলাই চুৰকৈ কষ্ট কৰি অহা যোৱা কৰ্)—'বাট চুৰি যাই' এই দৰে পঢ়া শুনা কৰিবা কেনেকৈ?

বাট-কেঁৰা লাগ্—(কণামুৰি লাগ্)—বাৰ মাজাজিতে বহল বাটতো 'বাট-কেঁৰা লাগে'।

বাট কোৰা—(বহুত বাট খোজ কাঢ়্)—আজি বহুত 'বাট কোৰাই' আহিছোঁ; এতিয়া বাব নোৱাৰোঁ।

বাট-ঘৰা (বা চৰা)—(পদূলিৰ ওচৰতে সাজি থোৱা ঘৰ)—আগৰ কালত প্ৰত্যেকটো পৰিয়ালৰ একোটাকৈ 'বাট-ঘৰা' আছিল।

বাট চা—(বৈ থাক; অপেক্ষা কৰ্)—মই তোমালৈ 'বাট চাই' আছোঁ।

বাটত ঘপৰি-জেং দি—(বাট-জেটা দি)—তোমাৰ উন্নতিৰ 'বাটত ঘপৰি-জেং দিব' নোখোজোঁ; মই আজিয়েই আঁতৰ হম।

বাট বুল্—(১। খোজ কাঢ়ি যা। ২। অনুসৰণ কৰ্)—১। তেওঁৰ ইমান দূৰ 'বাট বুলা' অভ্যাস নাই। ২। পৰৰ চকুৰেদি 'বাট বুলিব' নালাগে; নিজে ভাবি চিন্তি কৰা।

বাট-ভাৰী হ—(মাজতে অপৰীয়া হোৱা)—আমকেইটা ইমান কষ্ট কৰি আনিছোঁ; তুমি 'বাট-ভাৰী হব' খুজিলেও তোমাক দিব নোৱাৰোঁ।

বাট মৰ্—(অহা-যোৱা বন্ধ হ)—তেওঁৰ মৃত্যুৰ পিছত সেই পৰিয়ালটোলৈ আমাৰ 'বাট মৰিল'।

বাটৰ কচু গাত ঘঁহ্—(ইচ্ছাকৈ অজান বা বিপদত পৰ্)—কোনে আম চুৰ কৰিলে, ধান কৰিবলৈ তোমাক কিহে পাইছিল? 'বাটৰ কচু গাত ঘঁহিলা'; এতিয়া খোকৰ'খাত উফাল-জাপ কৰি থাকা।

বাটৰ কুকুৰে বাট নেৰ্—(অভাৱ দুৰ্ভিক্ষ পৰ্)—এতিয়া মোৰ দাল-পিঠা একো নাই; সেই দেখি 'বাটৰ কুকুৰেও বাট এৰি' দিছিলা হ'ব; এতিয়া মই বাব কোন?

বাটর বজিরা—( কাতলার গোহোরা মানুহ )—এই জাগা 'বাটর বজিরা' সে কারে তাকে গালি পারির ?

বাটর বাটকরা—( সম্পূর্ণ মিলনীয়া মানুহ )—'বাটর বাটকরাগো' তোমার কাও এদি মারত হাত দিয়ে।

বাটকরা ঘর—( বাটকরার তিবপি ঘর )—অশোকে বাটে বাটে 'বাটকরা ঘর' পাতি দিলে।

বাটনু-গুটারা—( চুটি-চাপর কঁটারা মানুহ )—সেই 'বাটনু-গুটারা' ল'বাটোর পারা-খিতাপ চাচোন।

বাটে-বাটে—( ব'তে ত'তে )—'বাটে-বাটে' মোক চটি কুবাটোরেই তার অভ্যাস।

বাটে পোরাজি মেল্—( বিকালে গিকালেদি বার পরা হ ; খবাজি হ )—তেজিরা খবাজি ; 'বাটে পোরাজি মেলিছে' দেখি আমার বাট-কৈরা লাগিছিল।

বাটে-টোকা ( মানুহ )—( ডেও পাবি ফুবা, দুষ্ট )—এই 'বাটে-টোকা' ল'বাটোর উৎপাতত আমি অস্থির হৈছোঁ।

বাণি-কটা—( দাঁতিত কাঁট খকা—মানুহ খাটে )—মাওবন 'বাণি-কটা'; তাক মিকিনিবা।

বাজ-বাকী—( বিধিমি বাকী থাকে ; অবশিষ্ট )—খোরাব পিছত 'বাজ-বাকীবিলি' পুতি থবা।

বাজল জোব্—( মদিরা বা অচেতন হোরা তাও জোব্ )—কাম দেখি 'বাজল জুবিছে'।

বাজাবল কাট্—( বহুদিনীয়া মজি ভগাই পকিবার বব্ )—চোতাল-বব সাবি মতি 'বাজাবল কাটে'তে' বহুত দিন গ'ল।

বাজি জোব্—'বাজল জোব্' চোৱা।

বাহুলি ওলোৱা দি—( ওলমি থাক্ )—পহর ডালত সেইটো 'বাহুলি ওলোৱা দি' কি ?

বাহুলি-চাকি—( ওলোমাই থব পরা এবিধ জাতির চাকি )—বিজুলী চাকি কত পাম ? 'বাহুলি-চাকিকে' জলাইছোঁ।

বাহুলি-গাঁজাব—( ওলমি থকা জল )—ইয়ার ডাতন কমবতা 'বাহুলি-গাঁজাটো' কোন কেনেকৈ কাটিলে ?

বাঘ পৰ্‌—(অতি সৰহীয়াকৈ হ)—এইবাৰ টোপা-খহৰ 'বাঘ পৰিছে'; এতিয়া পৰিয়ালতো এই বেমাৰ আছেই।

বাঘ খা—(বহুত মানুহে নিজৰীয়া পাৰীত বেছি মাছ মাৰ্‌)—'বাঘ খাই' মাছ আনি গওঁৱাই তেওঁৰ ভোজটো খালে।

বাঘে খাই খাক্‌—(একেবাৰে মৰি যা)—পুৰাবলৰা 'বাঘে খাই আহা'; মুখ দিব উঠা নাই নে?

বাঘ-খাটি—(দুখ লগোৱা খাটি)—চাহ বাগিচা বহুতে 'বাঘ-খাটি' ব্যৱহাৰ কৰে।

বাঘ-বাখিৰা—(পানীত উপচি থকা বাখিৰা কাল)—এই 'বাঘ-বাখিৰা' ল'ৰাছোৱালী-চুটি এৰি যাকে ইমান দিনতো থাঁতৰি থাকিব নোৱাৰে।

বাটে বাটে—(জাকে জাকে; চাৰে চাৰে)—'বাটে ঘাটে' কৰিং আহি ধানবোৰ খাই পেলালে।

বাটে মৰা বোৱা—(মাথা দুৰ্বোধ বা বিপদত ক্ষতিগ্ৰস্ত হোৱা মানুহ)—মাউৰা ল'ৰাজনিয়ে চুটকাহে দিব পাৰিলে; 'বাটে মৰা বোৱা' বুলি মাইয়ে সিহঁতক কথা কৰি তাকেই শুকচিতে দৈ খাওক।

বান্দৰ চৰিয়া দি—(ঘৰৈ আৰু টানকৈ চৰ মাৰ্‌)—তেওঁ ল'ৰাটোক 'বান্দৰ চৰিয়া দিলে'; এতিয়াও তাৰ গাল উখহি আছে।

বান্দৰ নচুৱা দি—(আনক সম্পূৰ্ণ নিজৰ ইচ্ছামতে চলা)—যৌতাগাৰে এইবাৰ তেওঁক 'বান্দৰ নচুৱা দিছে'; তেওঁৰ এতিয়া নিজৰ অস্তিত্ব নুবুলি নাই।

বান্দৰৰ ঘা—(ক্ৰমে বাঢ়ি যোৱা কোনো অশুভ কথা বা কাৰ্য)—এই কথাটো তেওঁৰ পক্ষে 'বান্দৰৰ ঘাহে' হ'ল; তেওঁ এই মাইই এৰি যাবলৈ বাধ্য হ'ল।

বান্দৰৰ ডিঙিত মুকুতাৰ মালা পিন্ধা—(অপাত্ৰক কোনো মূল্যবান বস্তু দি)—আপোনালোকে 'বান্দৰৰ ডিঙিত মুকুতাৰ মালা পিন্ধাইছে' ডিঙিৰিয়ে; মই এই সভাৰ যোগ্য নহওঁ।

বান্দৰৰ তেজা ধুক্ৰা মহ—(দুই প্ৰকৃতিৰ লোকে ঘাপৰ ধৰে লগে একাক পৰিবৰ্তে মধ্যাকে দুৰ্মতি কৰি থাক্‌)—এই দুটা বয়সতো দি একেযোগ দুপাৰ্শ্ব কৰে দিন কটিছিল। 'বান্দৰৰ তেজা ধুক্ৰা নাই'-মাৰাৰ নে?

বান্দৰৰ মুখৰ কল পুছুকালে মৰ্‌—(অতি কৃপণ লোকৰ লোকৰ কৰ

কাৰ্য্যৰ আমাৰ কৰ্)—তেওঁ বহুবাৰেই জেউতিপাৰা একোকে সংশোধিল; [illegible] মুখৰ কল ডুবুৱালেহে সৰে।

**বামুণৰ হাত পুৰুলে ভাল কোবাই খা**—(বহু দিনৰ প্ৰকৃতি ভাল কদাপিও নেৰ্)—'বামুণৰ হাত পুৰুলে ভাল কোবাই খায়'; নি লেখা-পঢ়া শিকিলে বুলিয়েই তাৰ মাতাৰ পুৰুষীয়া চোৰ-প্ৰকৃতি পাহৰি যাব নে?

**বামুণীও সুন্দৰী হ**—(কুৎসিত ৰূপ বা প্ৰবৃত্তি লুকাই ভাল দেখুৱাবলৈ চেষ্টা কৰ্)—আনৰ প্ৰশংসা পাবলৈ সকলোৱে চেষ্টা কৰে; বুঢ়ি-আইও 'বামুণীও সুন্দৰী হয়'।

**বান্দীৰ কান্ধা যোগ**—(নিঃকিন লোকৰ পক্ষে বিফল ভত লদন)—বাপেকটোৰ চোকা বুধিৰ কথা কৈছে হয়; পিছে, 'বান্দীৰ কান্ধা যোগ' হলে কি লাভ?

**বান্দীৰ বাঢ়নীতে গপ**—(নিঃকিন লোকেও তাৰ সীমিত্ৰাৰ উপায়ক আৰম্ভ কৰিলেই গপাল কথা ক)—কথমপি ভাতমুঠা নিজাৰ পৰা হৈছেই আকৌ বাবুৱী হ'লা নে? 'বান্দীৰ বাঢ়নীতে গপ' হ'ল।

**বাৰ এৰি তুম্বা, তুম্বা এৰি বাৰ্**—(কৌশল উপাৰি লৈ, বাৰে বাৰে নানা-প্ৰকাৰে চাৰি অনুৰোধ বা হক কথা কাৰ)—মানাই বুলিছিলোঁ; কিন্তু মাথাৰ কেনেকৈ? তেওঁ আছি 'বাৰ্ এৰি তুম্বা, তুম্বা এৰি বাৰ' নিয়মে ধৰিলে; বাবলৈ বাধ্য হলোঁ।

**বাৰ্-কাৰি**—(বাবি তুলনিকো সাৰথি লোৱা প্ৰকৃতিৰ কৃপণ লোক)—সেই 'বাৰ-কাৰিটোৰ' কোনো দিনো কামো এটা ফুটা কড়িও দিয়া নাই।

**বাৰুত বাগৰা**—(আনৰ প্ৰতি যেনে কঠোৰ ব্যৱহাৰ কৰে, নিজেও তেনে কঠোৰ ব্যৱহাৰ সহিব পৰা)—তেওঁ 'বাৰুত বাগৰা' মানুহ; তিনি কথাতে কোনো তৈয়াৰ কৰিব নোৱাৰা।

**বাৰ থ**—(বাজি মাৰ্)—এই 'বাৰ থৈছোঁ'; তেওঁ পৰীক্ষাত পাছ কৰিবই।

**বাৰ খেলা**—'বাৰ থ' চোৱা।

**বাপ চাই বেটা**—(পিতাকৰ সদৃশ পুত্ৰ)—বাপেকটো ভাল মানুহ নিছিল; তেন এই বেটা হৈছে।

**বাপতি সাহন (বা সাহোন)**—(পৈত্ৰিক ধন-সম্পত্তি)—তেওঁৰ 'বাপতি সাহন' একো নাই; সকলোখিনি নিজে অৰ্জিছে।

**বাপ-মাৰ দি**—(কোনো মানুহক পিতৃৰূপ ভাবি আশ্ৰয় ল)—সেই যুৱতীজনীয়ে মোক 'বাপ-মাৰ দিছে'।

**বাপ বাপ সোঁৱৰ্**—(বৰ ভয় বা কষ্ট পাই বিকলাং হ)—তাক ধৰিব লাগিলে 'বাপ বাপ সুঁৱৰিব'।

**বাপ-ভাই**—(ইষ্ট-মিত্ৰ আদি)—'বাপ-ভাইসকলে' যি কয়, তাকেই মানিম।

**বাপৰো বাপ থাক্**—(দুষ্ট বা বলৱানতকৈও বেছি দুষ্ট বা বেছি বলৱান থাক্)—সি যে বৰ চতুৰ বুলি ফিতাহি মাৰে, সি জানো নাজানে যে 'বাপৰো বাপ থাকে'? তাতকৈও চতুৰ আন অনেক আছে।

**বাপু-চাং**—(বৌদ্ধ ধৰ্মৰ আচাৰ্য থকা চাংঘৰ;—'বাপু-চাঙত' বৌদ্ধ সন্ন্যাসীসকল আছিল।

**বাপুৰ গাত বাঢ়নী লাগ্**—(ডাঙৰ লগৰ লাগ্—বিদ্ৰূপাৰ্থত)—তেওঁ দেখোন মোহ-ঘৰত পৰিল; 'বাপুৰ গাত বাঢ়নী লাগিল' নে কি?

**বাপেকৰ বিয়া দেখুৱা**—(বৰ ডাঙৰ দুৰ্গতি বা কষ্টত পেলা)—তেওঁৰ বিৰুদ্ধে নানা কথাত লাগি ফুৰা দেখি তেওঁ তাক কেবা বাৰো সতৰ্ক কৰি দিছিল; তথাপি সাৱধান নোহোৱাত শেষত তেওঁ তাক 'বাপেকৰ বিয়া দেখুৱাই' দিলে। তাৰ চাকৰি গ'ল, সমাজেও এৰি থলে; মানুহটোৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল।

**বাব কাট্**—(কোনো ঠাইত দাগ কাটি হিচাপ ৰাখ্)—আমি লিখা-পঢ়া নজনা মানুহ; আতা-পিতাৰ দিনৰপৰা এইদৰে 'বাব কাটি' সকলো হিচাপ ৰাখি আহিছোঁ।

**বা-বিছনী**—(কান্ধৰ পাছৰ কাষৰ চেপেটা বহল ভাগ)—তেওঁৰ 'বা-বিছনীত' কোঁহা এটা হৈছে; সেকি দিয়া।

**বাবু-ভায়া**—(ভাল ভদ্ৰলোক)—এতিয়াই 'বাবু-ভায়াসকল' আহি পাব। এইকোঠাক পুৰাই ঝুলি ঠাইখন পৰিষ্কাৰ কৰি থোৱা।

**বামত সাঁতোৰ্**—(হুঁচৰি-বাগৰি ফুৰ্; অশেষ কষ্ট পা)—সকলোৰে 'বামত সাঁতুৰি' কিমান যে ঘূৰিছোঁ, তাক ঈশ্বৰেহে জানে?

**বাম-ধৰিয়া**—(বাটে বাটে ঘোৰা)—আমি 'বাম-ধৰীয়া' মানুহ; পানীত জল মাগে।

**বা-মাৰলি**—(বেলেগে বুলি ওপৰলৈ উঠা বতাহ)—সাগৰৰ পাৰৰ 'বা-মাৰলি' বৰ প্ৰচণ্ড আৰু মাৰাত্মক।

**বামুণ চাই দক্ষিণা পথক চাই ভোজনী**—(সময়োচিত ব্যৱস্থা বা কাৰ্য)—

সভাপতি হবলৈ যাজিছা ; পিছে 'বামুণ চাই দক্ষিণা পৰক' তাই তোমালোকৰ হিচা কৰিলা।

**বামুণ-ভেকোলাত শগুণ পৰ্**—( কোনো কাৰ্য কৰিহীন মনোবৃত্তিৰ পৰিচয় দি )—কাৰ সৰত কি দাঁতে-ওঁঠে লাগিল, এনেধৰণৰ কথা খুঁচৰি সুধাটো তোমাৰ পক্ষে শোভনীয় নহয় ; 'বামুণ-ভেকোলাতো শগুণ পৰে' নে ?

**বামুণৰ বকৰা শূদিৰৰ পকৰা**—( বিপৰীত কাৰ্য )—তোমাৰ পক্ষে এই কাৰ্য শোভনীয় নহয় ; 'বামুণৰ বকৰা শূদিৰৰ পকৰা' অবিহিত কথা।

**বামুণেৰো একিম বহুৱাৰো একিম**—'বকৰাৰো একিম পকৰাৰো একিম' চোৱা।

**বামুণে হাল বা**—( অসম্ভৱ বা অবিহিত কাৰ্য কৰ্ )—আজি দেখোন 'বামুণে হাল বোৱা' যেন হ'ল ; মাষ্টৰে যে গৰু চৰাবলৈ আহিল !

**বাঘে মাও চলা**—( গাৰ বলেৰে কোনো অবিহিত বা অশোভনীয় কাৰ্য কৰ্ )—এই অশৌচত বিয়া পাতিলে 'বাঘে মাও চলোৱা' হব।

**বাঘৰৰ বাৰীৰ শিয়ালেও বাগ টান্**—( ডাঙৰক দেখি সৰুৱেও তেনে কাৰ্য কৰি হাস্যাস্পদ হ )—গিৰীয়েক এজন প্ৰসিদ্ধ সাহিত্যিক ; সেই দেখি ক খ নপঢ়া ঘৈণীয়েকেও সাহিত্যৰ কথা দুই-চাৰিটা কবলৈ বিচাৰে ; তাতেই নহয় যে 'বাঘৰৰ বাৰীৰ শিয়ালেও বাগ টানে'।

**বায়ু ঘূৰ্**—( বায়ু-ৰোগীৰ দৰে কথা ঘূৰি যা )—বুঢ়াটোৰে পুৰণিকলৰ 'বায়ু ঘূৰি' আছে ; কিমান মইহে ধৈৰ্যৰে সহি থাকিবা কেনেকৈ ?

**বাৰ কৰ্**—( ভয় কৰ্ ; মান্ )—সি বৰ উদ্ধত লৰা ; কাকো 'বাৰ নকৰে'।

**বাৰ কুৰি**—( বহুসংখ্যক, অসংখ্য )—মোৰ 'বাৰ কুৰি' চেঠা ; কেনেকৈ আহিম ?

**বাৰ-ঘেৰ**—( কত কষ্ট )—'বাৰ-ঘেৰ' মিছিলাত সোমাবলৈকে সাজি কাচি হৈ থাকিল।

**বাৰ জোখা দি**—( নানাপ্ৰকাৰে জোখা দি সজা )—তুমি 'বাৰ জোখা দি' কথাটো ক'লা ; আমি আচল তথ্যটো নাপালোঁ।

**বাৰটা বাঘৰ ভাগিন**—( বহু বাঘিনৰ কাম চলা এজন মানুহ )—এই সভাত 'বাৰটা বাঘৰ ভাগিন' হৈ থাকিব লাগে ; তুমি নাথাকিলেই আমাৰ কেনেকৈ ?

**বাৰটা মাহত তেৰটা জগৰ**—( সদায় নানাপ্ৰকাৰ সৌষ্ঠৱ বাতচ বৰা কাৰ্য )—তেওঁৰ জীৱনত শিকলি নাই ; 'বাৰটা মাহত তেৰটা জগৰ' সদায় লাগিয়েই আছে।

**বাৰ হাবত**—( কেৱা বিলো যতনা )—'বাৰ-হাবৰ' পাঁচ জোৰা আনিলা ; আমাক জানিব।

**বাঘ বিহাৰ বাতি জোৰ্**—(অন্ধকাৰ একাকীত বা কোনো অজ্ঞাত অলপত হোৱাৰ যুক্তি দেখুৱাবলৈ মাথা ঢাকি-ঢুকি কথা ক ; বগিলা-বগি কৰ্)—তাক বুজাবলৈ কওঁ ; সি 'বাঘ বিহাৰ বাতি বুলিলে'।

**বাঘৰ যুঁজি**—'বাঘ যুঁজি' চোৱা।

**বাঘ বৈৰীৰ কামোৰ**—(শত্ৰুৰ মাৰা বকৰা বা গালি-শপনি আদি)—বাটত পৰি অনিৰ্থকে তাড়িলোঁ ; ঘৰ পাই দেখিলোঁ, কেঁচুৱা মানুহটোও নাই ; ঘৰ অশান্তি লাগিছে ; 'বাঘ বৈৰীৰ কামোৰত' ঘৰ যোৱাৰ উপক্ৰম।

**বাঘ তৈতালি পা**—(মাৰা জাবাৰ অৰ্থাৎ মাৰা বিকল কৰা তৈ তৈ উত্তেজিততাৰে বকি থাক্)—তেওঁ গৃহস্থালিৰ কথা কৈ 'বাঘ তৈতালি পাই' আছে ; কিমান শুনি থাকিম ? গুচি আহিলোঁ।

**বাঘ আহী**—(কোনো শক্তি জিযোৱা বা মন পূৰণে যাহে যাহে কৰা কাৰ্য বৰ্ণাই লোৱা গীত)—বাঘ-সীতাৰ 'বাঘ-আহীবোৰ' সবাতুৰ বৰ আদৰৰ বস্তু।

**বাঘ-বিহুলি**—(মাৰা বিধীয়া ; বহুত বস্ত্ৰ আদিৰ বিস্তাৰ)—'বাঘ-বিহুলি' থান এই বস্তু কিনিব নোৱাৰি।

**বাঘ শাহ**—(কেৰা বিষ শত্ৰু)—১। জনাত 'বাঘ শাহ' দিবা। ২। 'বাঘ শাহৰ' যেতি নকৰি দুই-এবিধ কৰা।

**বাঘ যেবীৰা কাঁহীত দুধ-ভাতৰ ভাত দি**—(বিভিন্ন কাৰ্য মাজত সামঞ্জস্য বা মিল নথকাত হাস্যাস্পদ বা অপদস্থ হ)—সকলোৰে কথা আৰু কাৰ্য সামঞ্জস্য ৰাখিব লাগে ; তাকে নকৰি 'বাঘ যেবীৰা কাঁহীত দুধ-চাউলৰ ভাত দিলে' কামটো শোভনীয় হয় নে ?

**বাঘ হাত কেৰেঙাৰ তেৰ হাত ভৰি**—(অপৰিমিত কাৰ্য বা অভাৱযুক্ত)—তাৰ নিজাস্থীত সৰা নাই ; কিন্তু কথা কি শুনিবা ? 'বাঘ হাত কেৰেঙাৰ তেৰ হাত ভৰি'।

**বাঘী জুৰ্**—(পৌচ কৰিবলৈ বা)—তেওঁৰ পেটৰ অসুখ হৈছে ; কেৱা বাজে 'বাঘী জুৰিছে' ?

**বাঘী যুঁজ**—(বাঘীত মত আদি থাই যুদ্ধ)—"বাঘী যুঁজ শুনি সৰ আহিলে পলাই।"

**বাঘে-যুঁজি**—'বাঘ যুঁজি' চোৱা।

**বাঘে-কাজলুৱা**—(মাৰা জাতিৰ বা জাতৰ বিশেষ)—'বাঘে-কাজলুৱা' আজুৰিকাকৰ ঠাই দিয়া আন যোৱা নাই।

বাৰেৰ-আজহু—( বান্ধ প্ৰকাৰৰ, অদ্ভুত অৰ্থত খাটে )—'বাৰে-অজহ' কথাৰে পিয়াজৰ পেট ভৰে; খাওঁ বলা।

বাৰে-ভজৰা—( বাবে বাবে মনাই কোৱা, বজিকে মূল্যহীন—অৰ্থত খাটে )—'বাৰে-ভজৰা কথা কৈ থাকিলে কোনে তোমাক সন্মান কৰিব ?

বাৰে-মতৰা—( বিহুলিকৈ দিবা আখৰ )—ইয়াৰ আজৰ কথাটোৰে এতিয়াও 'বাৰে-মতৰাকে' পঢ়িব নোৱাৰে নে ?

বাৰে-ৰহীয়া—(বা বাৰ-ৰহীয়া)—(নানা বৰণ)—এইটো 'বাৰে-ৰহীয়া' আলি বৰণ।

বাৰে-বিহঙ্গি—'বাৰ-বিহঙ্গি' চোৱা।

বালিচাহীৰপৰা গজহস্তীলৈকে—( সৰু-বৰ সকলো প্ৰাণীক ধৰি )—'বালিচাহীৰপৰা গজহস্তীলৈকে' সকলো প্ৰকৃতিৰ অধীন।

বালি-ভেটা—( বালিৰ বান্ধ; অসাৰ্থক উপায় )—১। 'বালি-ভেটাৰে' আপদক ৰোধ কৰিবা কেনেকৈ ? ২। তোমাৰ এই চেষ্টাও 'বালি-ভেটাহে' হৈছে।

বালীৰ শৰে সুগ্ৰীৱৰ শৰ হ—( একৰ পক্ষে বিপদৰ কাৰণটোৱেই আনৰো বিপদৰ কাৰণ হ )—তুমি আজি ককায়েৰাৰ পক্ষ লৈ ভতিজা-ল'ৰাটোক প্ৰৱঞ্চনা কৰিলা হয়; এই কাৰণেই তোমাৰো এদিন এনে অপকাৰকে কৰিব; 'বালীৰ শৰে সুগ্ৰীৱৰ শৰ হব', আজিয়েই কৈ থলোঁ।

বাৰ-ছিটা—( বতাহে কোবাই অনা পানীৰ ছিটিকণি; আহাযেকণি )—ধাৰাসাৰ বৰষুণ আহা; 'বাৰ-ছিটা' গাত পৰিছে।

বাহনা কৰ—( ভাও ধৰ; ফাঁকি দি )—তাৰ একো নাই হোৱা; 'বাহনা কৰিছে', মানুহ থাওঁৰি পৰেই উঠি বহিব।

বাহ বান্ধ—( ১। একে ঠাইত গোট খা। ২। ভাঠ চাকৰীৰে আবদ্ধ হ )—১। ভাইহঁতে একে ঠাইতে 'বাহ বান্ধিলি' কিয় ? পাতল হৈ বহ। ২। এতিয়াৰ উঠিছে; এতিয়া 'বাহ বান্ধিব' ?

বাহ ল—( বাহ বান্ধি থাকে বা—অৰ্থত খাটে )—শাহবোৰে সেই ঘৰত 'বাহ লল'।

বাহী-বৰ—( ভিতৰলৈ পা খোৱাৰ আগতে পুৱাই বনা ঘৰ-বাৰী )—'বাহী-বৰ' কৰি এতিয়াও পা খুৱ পৰ নাই নে ?

বাহী-বিয়া—( বিয়াৰ পিছ দিনা বাতিপুৱা কৰা বিয়াৰ কাম )—কোনো কোনো ঠাইত 'বাহী-বিয়াৰ' প্ৰচলন আছে।

**বাহী-বিঠা**—(অতিশয় ঘৃণাসূচক কোনো বস্তু আদি)—এই টকা তোৰ মাজত 'বাহী-বিঠা'; সৈ যোৱা।

**বাহু তাপৰি মাৰ্**—(বলৰ অহংকাৰ কৰ্)—'বাহু তাপৰি মাৰিছা' হয়, তেওঁৰ আগত লেও হবা।

**বিহাত বৰলে ডাক্**—(দুখৰ উপৰি দুখ দি)—তেওঁৰ ওৰে জীৱনটো 'বিহাত বৰলে ডাকি' আছে; আৰু কিমান সহিব?

**বিজতীয়া তাঙ্**—(বহাগ-বিহুত নতুন কাপোৰ ল)—এইখন গামোচাৰে তুমি 'বিজতীয়া তাঙিবা'।

**বিজল ধৰ্**—(পৰিহাসৰ উদ্দেশ্যে বাধাৰ প্ৰশ্ন কৰ্)—তেওঁ আচল কথাকে কৈছে; তুমি 'বিজল ধৰি' তেওঁক তাচ্ছিল্য কৰা উচিত নহয়।

**বিজুলী-সঞ্চাৰে**—(বৰ বেগাই, তুৰন্তে)—তেওঁৰ বিয়োগ-বাতৰি 'বিজুলী-সঞ্চাৰে' দেশত ৰাষ্ট্ৰ হ'ল।

**বিড়ালৰ ব্ৰহ্মচৰ্য**—(ভণ্ড আচৰণ)—এইটো তেওঁৰ 'বিড়ালৰ ব্ৰহ্মচৰ্য'; ইয়াত ভোল গলে তোমাৰ বিপদ্।

**বিড়ালী চালে বাঘ চাব নালাগ্**—(একে জাতীয় জীৱ-জন্তু বা বস্তু আদিৰ এটা চালেই সেই জাতীয় সকলোবোৰ বিষয়ে সম্যক্ জ্ঞান হ)—চোৰ খুঁজলে সকলো একে; এটাৰ প্ৰকৃতি বা কৌশলৰ কথা জানিলেই আনবিলাকৰ বিষয়ে সহজে অনুমান কৰিব পাৰি; 'বিড়ালী চালে বাঘ চাব নালাগে'।

**বিত-চকু**—'দিব-চকু' চোৱা।

**বিত্‌বিত্‌কৈ**—(অনবৰতে, পিটিকি পিটিকি)—'বিত্‌বিত্‌কৈ' চাইও মোৰ কটাৰীখন নাপালোঁ।

**বিদ্যাপতি পা**—(বহুমতে প্ৰকাশ কৰ্)—তাৰ গুণ-চৰিত্ৰৰ কথা কিমান দিন ঢাকি থাকিব? আজি সভাতে 'বিদ্যাপতি পাই' দিলোঁ।

**বিদায় কৰ্**—(খাই বা ভাত-চিৰা সমূলি নষ্ট কৰ্)—দুঁহিয়াকৰ বোৱা ভাতি উৱৰ পৰ লোৱাল; পুলিয়ে পোৱাই 'বিদায় কৰিলে'।

**বিদুৰ-ভাৰনা**—(বা-বোৱাৰ মধ্যত নানা কষ্টেৰে কৰা কোনো কাৰ্য)—তাৰ বিয়া সে 'বিদুৰৰ ভাৰনাহে'; কথমপি নমাৰা হৈ গ'ল, কেনে বৰা।

**বিদুৰৰ খুদ্যা**—(বৰ কষ্টেৰে যোৱা-খকা কাৰ্য)—মোৰ ঘৰত 'বিদুৰৰ খুদ্যা'

বাণিজ্যটো কৰাৰ নলীয়া হোৱাত আপোনাৰ যথ কষ্ট হৈছে ; এই 'কিন্তু বিকপাৰ'।

**বিধাতাই দিলেও তিৰোতাই নিদি**—(পৰাকীয়ে দিলেও মানুহ মানুহে বঞ্চিত কৰ্)—'বিধাতাই দিলেও তিৰোতাই নিদিয়ে'। তেওঁৰ যোগাৰ বিশেষ ভাল হৈছিল ; আমি হলে তালৈকে খাবলৈ নাপালোঁ।

**বিধি-পথালি দি (বা হ)**—(কোনো কামত কিবা তাৰ অন্তৰায় হ)- যাম বুলি ভাবিছিলোঁ। কিন্তু আয়ে 'বিধি-পথালি দিলে'।

**বিমচ্ কৰ্ (বা দি, বা পোৱা)**—(অকালত যথা পোৱালি প্ৰসৱ কৰ্—জন্তুৰ খাটে)—গাইজনী বেচিবহে লাগে ; তাই 'বিমচ দিলে'।

**বিনামেঘে বজ্ৰপাত হ**—(কোনো আগ-জাননী নোহোৱাকৈ তাৰ বিপদ্ ঘট্)—সেইকৰ মৃত্যু সমগ্ৰ জগত জুৰি 'বিনামেঘে বজ্ৰ পাত হোৱা' যেন হ'ল।

**বিন্দু-বিসৰ্গ**—(এধানমান ; অকণমান)—এই ঘটনাৰ 'বিন্দু-বিসৰ্গও' মই নাজানো।

**বিয়নী-মেল পাত্**—(বহু থমিতভাৱে নানা কথা-বতৰা দীঘলীয়াকৈ পাত্)—তোমালোকে কি 'বিয়নী-মেল পাতিলা'? বেলি ভাটি দিলে ; যাওঁ আহা।

**বিয়ল দি**—(দাঁত ভাগি সম্পূৰ্ণ বয়স পা—জন্তুৰ খাটে)—দমবাটোৱে একবছৰ পিছতহে 'বিয়ল দিব'।

**বিয়াজত মাহ্**—(ছটাৰ মাজত তুলনাত তেনেই নিকৃষ্ট হ)—তোমাৰ গাইজনী মোৰ জনীৰ 'বিয়াজতো মাহে'।

**বিয়াত বহি হাগা লাগ্**—(কোনো কাম আৰম্ভ কৰাৰ পিছতহে আৰু কোনো অপৰিহাৰ্য কথা মনত পৰ্)—পৰীক্ষা আৰম্ভ হয়েই ; কলমত যে চিয়াঁহী নাই, এতিয়াহে মনত পৰিল নে? 'বিয়াত বহিহে হাগা লাগিল'।

**বিয়া-কমীয়া**—(হোৱালীৰ বিয়াত উৰহে পাৰ লগা নাম)—আজি-কালি বিয়াত উকজনক 'বিয়া-নমীয়া' দিয়া নহয়।

**বিয়াদাৰ দি**—(চৌদিশে ঘূৰি)—হোৱালী বিচাৰি তেওঁ 'বিয়াদাৰ দি' ফুৰিছে।

**বিয়াৰ ৰাতি ৰাঁড়ী হ**- (সুখ-সন্তোষ আৰম্ভ হৈছেই অন্ত হ)—এইটো কি বাৰ্ষ-পতোৱা আজিও আহিলা? বাৰষটো এৰি পৰিল ; 'বিয়াৰ ৰাতিয়েই ৰাঁড়ী হ'ল'।

**বিৰৈ-বাঁজী**—(কাউৰী-বাঁজী)—এই তিৰোতাজনী 'বিৰৈ-বাঁজী' ; এজনী হোৱালীৰ বাহিৰে আৰু সন্তান তেওঁৰ নহ'ল।

**খিৰ্‌ খি**—(চুলিৰ মাজেদি আঙুলিৰে কাটি খাই উলিয়া)—তেওঁ একণি চাৰেঁটা মোৰ মূৰত 'খিৰ্‌ খিয়েছে'; এনেতে শাহুৱেক আহি পালে।

**খিৰ্‌ খি বাট মাৰা**—(বন হাবি বা মানুহৰ ভিৰৰ মাজেদি বাট কাটি খৰকৈ অকম হ)—জনতা ইমান বেছি হৈছিল যে আমি 'খিৰ খিও বাট মোলোৱা' নেব পালোঁ।

**খিৰা দি**—(কাজিয়া বা যুঁজৰ মাজত সোমাই অধিক উত্তেজনাৰ সৃষ্টি কৰ্)—তাৰেক-ককায়েকে দন্দ কৰিছে; তুমি আকৌ 'খিৰা দিবলৈ' আহিলা কিয়?

**খিখিণাৰ চুপাই বাঘ হ**—(অমূলক ভয় পা)—এই সামান্য পৰীক্ষাটোলৈ ভয় কৰা তোমাৰ পক্ষে শোভনীয় নহয়; তোমাৰ আগত 'খিখিণাৰ চুপাইতো' কেতিয়াও 'বাঘ হোৱা' নাছিল।

**খিখিং-গুটি**—(বৰ চোকা প্ৰকৃতিৰ)—তেওঁক দ'বা বুলি উলাই নকৰিবা 'খিখিং-গুটি' বুলিহে ভাবিবা।

**খিলাত-বাকী**—(কাৰবাৰত বাহিৰৰপৰা পাব লগীয়া ধন)—দোকানত পাঁচ হেজাৰ টকাৰ মাল-বস্তু আৰু সাত হেজাৰ টকাৰ 'খিলাত-বাকী' আছে।

**খিজি কৰ্**—(এজাৰ কৰ্; খিলাই ফুৰ্)—কথাটো মই তোমাক গোপনেহে কৈছিলোঁ, 'খিজি কৰিবলৈ' দিয়া নাছিলোঁ।

**খিটৈৰ খিটৈ মোহোৱা হ**—(অতিশয় দুৰ্দশাগ্ৰস্ত হ)—বাক মৰাৰ পিছত হোৱালীজনীৰ 'খিটৈৰ খিটৈ মোহোৱা হ'ল';

**খিৰকা খা**—(বাৰ তোপ কৰ্)—যুদ্ধৰ ভিতৰত তেওঁৰ পিতাকে বহুবাৰ 'খিৰকা খাইছিল'।

**খিহকৰ্মাৰ খুঁটি**—(অতৰ টোলোঠা বৰি থকা খুঁটা)—'খিহকৰ্মাৰ খুঁটি' দুটা সলাই দিবা; এই দুটা ভাগি আছে।

**খিহ খাই খিহ তুলি মৰ্**—(নিজৰ কুকৰ্মৰ বাবে কষ্ট পা)—হোৱালীজনী ঢপাই খাবি মই 'খিহ খাই খিহ তুলি মৰিব' লাগিছোঁ।

**খিহ-টেকেৰী হ**—(সম্পূৰ্ণ পক্ক হ)—মই তোমাৰ কথাত 'খিহ-টেকেৰী হৈছোঁ'; বাকলি খাবলৈ লাগিল।

**খিহৰ গুটি**—'খিখিং গুটি' চোৱা।

**খিয়া লাগ্**—(আশৰ হকিকতে পূৰ্ণ হ)—কিয় আমি তোমাইতোক তোমাৰ খাত 'খিয়া লাগিল' নে?

বীজ মৰ্—(সমূলে নষ্ট হ ; বংশ মৰ্)—মখিয়াৰ 'বীজ মৰিব' লাগে ; খাটিতে আমাৰ উক দিব।

বী-বিয়া—(নদিয়া বা টোপনিত অস্পষ্ট কথা ক)—সি কিয় 'বী-বিয়াব' লাগিছে চাচোন।

বীৰৰ ওপৰত বীৰ গজ্—(শক্তিমানতকৈও বেছি শক্তিমান হ)—নাই যে এই গাঁৱত আছোঁ, 'বীৰৰ ওপৰত বীৰ গজিছে' থাই আছোঁ ; অকল-শকুৱা মানুহে চিকিব নোৱাৰে।

বীৰা লগা—(ভূত লগা)—তিৰোতাজনীক বোলে কোনোবাই 'বীৰা লগাইছে'।

বুকু খালিয়াই ধৰ্—(আকাশৰ বুকুত থকা সকলোখিনি যেনে খবুণ খাল্)—যোৱা ৰাতি 'বুকু খালিয়াই ধৰিছে' ; আজি বতৰ ভাঙিব লাগে।

বুকু ভুমুকিয়াই থা—(অভিলাষ সন্তোষেৰে খিয়াল ইচ্ছা ভিয়াৰ থা)—এই বয়সত 'বুকু ভুমুকিয়াই থাব' পৰিলেহে তেওঁ সুখ পায়।

বুকু জুৰাবৰ ঠাই নহ—(শান্তি পাবৰ উপায় নোহোৱা হ)—জীৱেকজনীৰ মৃত্যুৰ পিছত অকণ শান্তি পাইছিল ; জীয়েক মৰাত তেওঁৰ 'বুকু জুৰাবৰ ঠাই নোহোৱা' হ'ল।

বুকু-ফাটা—(সাহিয়াল)—তেওঁ বৰ 'বুকু-ফাটা' মানুহ ; বাঘ দেখি অকণো ভয় নাখায়।

বুকু ফাটি ক—(নির্ভয়ে ক)—সি যে চোৰ, মই হাকিমৰ আগত 'বুকু ফাটি কলোঁ'।

বুকুত কাপোৰ পিন্ধ্—(বা দে)—(কন্যাকাল পা)—ছোৱালীজনী ডাঙৰ, 'বুকুত কাপোৰ পিন্ধিছে'।

বুকু ফালি দেখুৱা—(অকণো গোপন নৰখাকৈ প্ৰকাশ কৰ্)—মই যে তোমাক ভাল পাওঁ, 'বুকু ফালি দেখুৱালেহে' বিশ্বাস কৰিবা নে?

বুকু ফিন্দাই ক—(গৰ্ভ মাৰি ক)—'বুকু ফিন্দাই কলে' কি হব? কাম কৰি মানুহ প্ৰমাণ দিয়া।

বুকুৰ তেজ পানী কৰ্—(অতিশয় পৰিশ্ৰম কৰ্)—দেউতাকে 'বুকুৰ তেজ পানী কৰি' বেছি থলে।

বুকু ভৰা কৰ্—(ধৰৰ পাৰ্বৰ বাঁধবাই দি)—দিনৰ সকলোই তিৰোতাজনীৰ 'বুকু ভৰা কৰি' একমাত্ৰ পুত্ৰটিক ৰাখি দিলে।

বুজ দি—(বুজা ; কোনো বিষয়ে বাখ্যা কৰা)—অনেক দিন ধৰি তেওঁ আমাক 'বুজ দিলে'।

**বুজন-নিৰ্গত**—(জানি বুজিও চুটালি কৰা প্ৰকৃতিৰ)—তাক বুজালে কি হ'ব? তাৰ দৰে 'বুজন-নিৰ্গত' মানুহ দেখা নাই; বুজিও চুটালি কৰে।

**বুজন হ**—(কথা-বতৰা বুজা বয়স পা)—ল'ৰাটো কিছু 'বুজন হৈছে'।

**বুজনি দি**—(১। বুজা। ২। প্ৰবোধ বা সান্ত্বনা দি)—১। তুমি 'বুজনি দিয়া' হয়, তোমাৰ আঁচনিখন আমাৰ গ্ৰহণযোগ্য হোৱা নাই। ২। মাকক নানানভাৱে 'বুজনি দিলেও' তেওঁ পুত্ৰশোক পাহৰিব কেনেকৈ?

**বুজ পা**—(সন্ধান পা; গম পা)—চোৰটো এই গাঁৱত আছে বুলি পুলিচে 'বুজ পাইছে'।

**বুজ-বাজ**—(খবৰ; অনুসন্ধান)—ঘটনাটোৰ 'বুজ-বাজ' আমি একো পোৱা নাই।

**বুজ ল**—(অনুসন্ধান ল)—কথাটো আচলতে কি, 'বুজ লবলৈ' আহিছিলোঁ।

**বুজা-বুজি**—(১। এজনে আন পক্ষৰ কথা বুজা কাৰ্য। ২। এজনে আন এজনৰ শক্তিৰ পৰীক্ষা কৰা কাৰ্য)—১। কামটো কেনেকৈ কৰা হ'ব, এই বিষয়ে তেওঁৰ লগত মোৰ একো 'বুজা-বুজি' হোৱা নাই। ২। কোন বেছি শক্তিমান্ সোনকালে 'বুজা-বুজি' হোৱা উচিত।

**বুটা তোল্ (বা দি)**—(কাপোৰত বেজী আদিৰে ফুল তোল্)—মোলৈ এখন 'বুটা তোলা' চাদৰ আনিবা।

**বুঢ়া-তামোল**—(মাটিত পুতি থোৱা পকা তামোল)—চুপাৰিতকৈ 'বুঢ়া-তামোল' খাবলৈ বেছি সোৱাদ।

**বুঢ়া-মুৰা পৰ্**—(মুখৰ বুঢ়াৰ দৰে হ)—সেই 'বুঢ়া-মুৰা পৰা' ডেকাটোলৈ ছোৱালীজনী নিদিবা।

**বুঢ়া-মেখা**—(কিছু পৰিমাণে বুঢ়া হোৱা মানুহ)—বতাহ-বৰষুণ কাটি কৰি 'বুঢ়া-মেখা' সকলো আহিছিল।

**বুঢ়ী-আই**—(আবু; পিতামহী বা মাতামহী)—আমাৰ 'বুঢ়ী-আই' কেতিয়াবাই ঢুকাল।

**বুঢ়ী হাঁহনীৰ (বা হাঁহিনীৰ) লগত মাহদোপৰ ব্যয় হ**—(কোনো নিষ্ফল কাৰ্যত অসাৰ্থক পৰিশ্ৰম কৰ্ বা ক্ষতিগ্ৰস্ত হ)—মাটিতোখৰত খেতি কৰি অনৰ্থক ধনো খৰচ কৰিলোঁ, পৰিশ্ৰমো কৰিলোঁ; 'বুঢ়ী হাঁহনীৰ লগত মাহদোপৰহে' ব্যয় হ'ল।

**বুঢ়ী শালিকীয়ে মাত দিব্**—(কোনো কাৰ্য গধূলিকৈ আৰম্ভ কৰা বাবে অসুবিধা হ)—'বুঢ়ী শালিকীয়ে মাত দিলে'; এই মুহূৰ্তকিনাকত কেনেকৈ নিমন্ত্ৰণ দিবা?

ঘূৰ্ণী-সূতা—( অপেৰৰী সূতা )—মতাহঁত উঠি অহা 'ঘূৰ্ণী-সূতা' যেতি সূতা ৰঙাও পৰে।

ঘুৰি উলিয়া—( উপায় বাহিৰ কৰ্ )—আমি পলাবলৈ এটা 'ঘুৰি উলিয়ালোঁ'।

ঘুৰি কৰ্ ( বা লাজ্ )—'ঘুৰি উলিয়া' চোৱাঁ।

ঘুৰি দি—( পৰামৰ্শ বা কৌশল কৈ দি )—সি যি কৰে কৰক, তুমি 'ঘুৰি দিবিয়া'।

ঘুন্দাসাব কৰ্—( সমূলি নাশ কৰ্ )—শত্ৰুৱে মোৰ পাৰবোৰ 'ঘুন্দাসাব কৰিলে'।

ঘু-ঘু বা-বা কৰ্—( কিছু অস্পষ্টভাৱে গোপন কথা কাণাকাণি কৰ্ )—মাহুহবিলাকে কিবা 'ঘু-ঘু বা-বা কৰিছে' মই বুজিব পৰা নাই।

ঘূৰ খা—( বা খা )—( সম্পূৰ্ণভাৱে পানীৰ তলত যা )—নাওখন 'ঘূৰ খালে' আমাক চোৱে বগৰাই ক'ৰবালৈ নিলে।

ঘূৰ দি ( বা মাৰ্ )—পানীত 'ঘূৰ মাৰিলেই' গা ধোৱা হয় নে?

ঘূৰঘূৰণি ( বা ঘূৰ ঘুৰি ) কাঢ়্—( মূৰ্চ্ছিত হৈ মুখেদি ফেন উলিয়া )—সি মাটিত পৰি 'ঘূৰঘূৰণি কাঢ়িবলৈ' ধৰিলে।

ঘূকনি খেৰ—( ঘৰৰ চালৰ পুৰণি খেৰ )—তোমাৰ চালত কেলোৱা 'ঘূকনি খেৰ' আৰু আছে নে?

ঘুলঘী কাপোৰ—(মাটিত ভৰি মলগাকৈ খোজ কাঢ়ি যাব পৰাকৈ পাৰি দিয়া কাপোৰ)—মন্ত্ৰীক বঢ়া 'ঘুলঘী কাপোৰ' ওপৰেদি যাবলৈ ধৰিলে।

ঘুলঘী ঘৰ—( এটা ঘৰৰপৰা আন এটা ঘৰলৈ যাবলৈ সৰু ঠেকবীয়া ঘৰ )—মানত 'ঘুলঘী ঘৰ' এটা সজাই দিয়া; বঁদ বৰষুণত কষ্ট নহব।

ঘুলঘী চেও—( দবাই কভাৰ ঘৰলৈ ওলাওঁতে চুলীয়াই ধৰা ঢোলৰ চেও )—ধৰা যাবলৈ ওলাল; 'ঘুলঘী চেও' মাৰা।

ঘৃণিছেদ কৰ্—( সমূলি নাশ কৰ্ )—শত্ৰুৱে মাহতো 'ঘৃণিছেদ কৰিলে'।

বৃন্দাবন এৰি মথুৰালৈ যা—( যেনেদি এৰি আজন কৰালৈ যাহ্ )—এতিয়া 'বৃন্দাবন এৰি মথুৰালৈ যোৱাহে' ভাল। সভা আৰম্ভ কৰোঁ; আৰু কথা এলেহ।

ঘেই-ঘৰ—( মোৰণি-ঘৰ )—হোৱালীজনী যেনে ধুনীয়া, তেনে ধুনীয়াকৈ 'ঘেই-ঘৰ' এটা সজোৱা।

ঘেঁউকলীয়া খা—( যোচোকা খা )—তদিখনত 'ঘেঁউকলীয়া খালোঁ'; অলপ-খন্তেক মিলন।

ঘেং-মুঠা—( পানীত থকা কণী ফাটি বা লাফি বৰ সীমান্তীয় হয় )—সৰু সৰু ঘেং পানীত যেনেকৈ দেখিছা, সেইটো 'ঘেং-মুঠা'—প্ৰায় মানত থকা কণী আছে।

**বেং-ছাতা**—(ছাতিৰ আকৃতিৰ কাঠ-ফুলা)—'বেং-ছাতা' বৰ মিঠাও হয়; কিন্তু বৰ ধুনীয়া।

**বেং-ছাতা পৰ**—(বৰ মলিয়ন বা অপৰিষ্কাৰ হ)—সেইলোকৰ দোকান-ঘৰ 'বেং-ছাতা' পৰি আছে।

**বেঁকোৱা-বেঁকুৰি**—(বৰ বেঁকা-বেঁকি; বেঁকোৱা-বেঁকুৰি)—এই 'বেঁকোৱা-বেঁকুৰি বাঁহডোখৰ কামৰ নহয়।

**বেঁত মেল**—(বা মেলা দি)—(সকলোকে ফাট মেল্)—টেবিলখনে দুদিনতে 'বেঁত-মেলিলে'; বেয়া কাঠ দিছিলা।

**বেকেটা-বেকেটি কৰ**—(মুখেৰে নানাভাৱে বিৰক্তি বা ঘৃণাৰ ভাব প্ৰকাশ কৰ)—তেওঁ বক্তৃতা দিব বুলি শুনিয়েই মুখ 'বেকেটা-বেকেটি কৰিছা' কিয়? শুনাইচোন, কি কয়।

**বেগাৰ খাট**—(বিনা পাৰিশ্ৰমিকে কাম কৰি দি)—এনেকৈ 'বেগাৰ খাটি' ফুৰিলে তোমাৰ ঘৰ-সংসাৰ চলিব কেনেকৈ?

**বেগাৰ ধৰ**—(এনেয়ে কাম কৰি দিবলৈ মানুহ ধৰ)—ৰজাঘৰত কাম কৰিবলৈ মন্ত্ৰীয়ে 'বেগাৰ ধৰিবলৈ' মানুহ পঠালে।

**বেঙেটি চোবা**—(পোন-পটীয়াকৈ সঁচা কথা নকৈ অইন কথা ক)—'বেঙেটি চোবাব' নালাগে; আচল কথাটো কৈ দিয়া।

**বেঙেনাৰ গছত হাঁকুটি লগা**—(কোনো সাধাৰণ কামেই দুৰ্বল মানুহৰ পক্ষে বৰ ডাঙৰ যেন হ)—সৰু কাঠডোখৰকে দাঙিব নোৱাৰা দেখি তুমি হাঁহিছা; কিন্তু মোৰ এতিয়া 'বেঙেনাৰ গছতে হাঁকুটি লগাৰ' দশাহে হৈছে কি কৰিবা, দিন-কাল একে নাথাকে।

**বেঙে মুতা পকা যেন হ**—(খপি খপি বিকৃত হ)—ঘাঁ দেখি দি 'বেঙে মুতা পকা যেন হল'।

**বেজী দি**—(বেজীৰে গাঁত কৰা দলাই দি)—আগে কৰি 'বেজী দিবৰ'; নহিলে মৰিবহে লাগে।

**বেজীৰ কাণেদি সৰক্**—(বৰ চতুৰ হ)—মুখটো বৰ বুদ্ধিমান্, 'বেজীৰ কাণেদি সৰকিবও' পাৰে।

**বেঁজেকা-বেজেকি**—(পৰস্পৰ মাজত হোৱা বেজাৰ ভাব)—তেওঁলোকৰ আগত বন্ধু আছিল; এতিয়া আকৌ 'বেজেকা-বেজেকি' হৈছে।

বেজেৰীয়া কথা ক—(কিছু বিৰক্তিৰ ভাৱ প্ৰকাশ কৰ্)—তুমি যে 'বেজেৰীয়া কথাবোৰ' কিয় 'কোৱা', মই বুজা নাই।

বেটীক মাৰি বোৱাৰীক টক বুজা—(আওপকীয়াকৈ সতৰ্ক কৰি দি)—তেওঁ যে গৰাল-গালি পাৰিলে, কিয়, বুজিলা নে? 'বেটীক মাৰি বোৱাৰীক টক বুজালে'। তুমি বুজি-বাজি সতৰ্ক হৈ চলিবা।

বেটা-পাত—(বেটু-পাত)—(পুথিৰ মাই চাকনিৰ ওপৰত থকা কাঠ পাত)—পুথিখনৰ 'বেটা-পাতত' এইবাৰ কথা লিখা থাকিব।

বেড়ি খ—(পুষ্পিতা হোৱা ছোৱালীক আগে নেদেখাকৈ ৰাখ্)—তেওঁৰ ছোৱালীজনী ছুৱা গ'ল, 'বেড়ি খৈছে', ভাল যোগ পাইছে বোলে।

বেত-জৰা দি—(বেত জাৰি তাৰে হেবোৱা বস্তু উলিয়া)—মোৰ ঘৰীটো হেৰাল; 'বেত-জৰা দিব' পৰা মানুহ বিচাৰি আহিছোঁ।

বেতাল-চণ্ডী—(বৰ উগ্ৰ আৰু দুষ্ট প্ৰকৃতিৰ মানুহ)—তাক সকলোৱে 'বেতাল-চণ্ডী' বুলি ভয় কৰে।

বেতালৰ হাতত পৰ্—(বৰ দুষ্ট মানুহৰ হাতত পৰ্)—এইবাৰ 'বেতালৰ হাতত পৰিছা', সাৰিব পাৰিলেহে ৰক্ষা।

বেতেৰি চোবা—(একে কথাকে ধৰি থাক্)—সমাজে দি কৈছে শুনা; 'বেতেৰি চোবাই থাকিলে' তোমাৰ অনিষ্ট হব।

বেতেৰি-বচীয়া—(১। জটিল বা মেৰ-পাক খোৱা কথাত থাকে। ২। নিজৰ মত লৰা)—১। এই 'বেতেৰি-বচীয়া' কথাটো আমি ভালকৈ বুজিব পৰা নাই। ২। তোমাৰ দলে 'বেতেৰি-বচীয়া' যদি সকলো মানুহ হয়, তেনেহলে সমাজ টিকিব নে?

বেথাৰূপে—(সৰবৰ চিৰৰূপে; বিনামূল্যে)—মাছ দহ টকাৰ কিনিলোঁ; 'বেথাৰূপে আৰু দুটামান দিলা।

বেথা লাগ্—(চেনেহ লাগ্)—"মুখখানি পূৰ্ণিমাৰ চান্দ 'বেথা লাগে' তোক।"

বেদখল দি—(কোনো অধিকাৰৰকণ্ডা উচ্ছেদ কৰ্; খেদি পঠিওৱা)—১। তেওঁ কিমা মাটিৰ দখল লবলৈ আহিছিল; আমি 'বেদখল দিলোঁ'। ২। তেওঁ খীজল ধৰিবৰ আহিল; মই আহি 'বেদখল দিলোঁ'।

বেৰ-বাখাৰ উলিয়া—(ভাল বেয়া বিচাৰ কৰ্)—আজি যায় বুলি ভাবিছিলোঁ; মামা কলে 'বেৰ-বাখাৰ উলিয়ালে'; আজি যোৱাৰ দিন নাই।

**বেজ লাগ্‌**—( যোগ আদিয়ে ধৰ্‌ )—বেঙেনাবোৰ ফুলিছিল ; পিছে কিনা 'বেজ লাগিল' ; মৰি যাবলৈ ধৰিছে।

**বেজ্‌না বা**—( বকি থাক্‌ )—দিনটো 'বেজ্‌না বাই' আছা ; আৰু নো কিমান বকিবা ?

**বেমীয়া লাগ্‌**—( হতশ্ৰী হ )—ভাবোলজোপাত 'বেমীয়া লাগিছে' ; মৰিব।

**বেমুৱা লাগ্‌**—( ভয়ত বিবুদ্ধি হ )—পগলা হাতী দেখি আমাৰ 'বেমুৱা লাগিল'।

**বেয়া কৰ্‌**—( অনিষ্ট কৰ্‌ )—আনৰ 'বেয়া কৰিলে' নিজৰো বেয়া হয়।

**বেয়া পা**—( অসন্তুষ্ট হ )—মোৰ কথাত আপুনি 'বেয়া পালে' নেকি ?

**বেয়া লাগ্‌**—( শৰীৰ বা মনত অশান্তি পা )—মুখখন 'বেয়া লাগিছে' ; টেঙা এটা দিয়ক।

**বেৰ-কাপোৰ**—( আঁৰ-কাপোৰ )—আগৰ দিনত ডাঙৰ ঘৰৰ তিৰোতাবিলাকে বাহিৰলৈ ওলালে 'বেৰ-কাপোৰ' ধৰা হৈছিল।

**বেৰ-চালবো চকু-কাণ থাক্‌**—( কোনো কথা গোপন ৰাখিব নোৱাৰি )—কথাটো এদিন নহয় এদিন সদৰী হবই, 'বেৰ-চালবো চকু-কাণ আছে'।

**বেৰ-পেটি**—( পিন্ধা কাপোৰৰ কঁকালত থকা মেৰ )—'বেৰ-পেটিত' টকা দুটা আছিল ; এতিয়া দেখোন নাই।

**বেৰাই শহ খা**—( ৰক্ষকে ভক্ষক হ )—এতিয়াৰ দিন কেনে, জানা ? আজি-কালি 'বেৰাই শহ খায়'। সেই বেৰাক চম্ভালিবলৈ আৰু নতুন ব্যৱস্থা কৰিব লগীয়া হৈছে।

**বেল-বৰণ**—( বিল্ব-বোধন ; দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনৰ পদূলিৰ পূজা )—'বেল-বৰণ' কালিলৈ ; বেল এযোৰ আনিবা।

**বেলাই-পোহৰে**—( বেলিৰ পোহৰ থাকোঁতে )—'বেলাই-পোহৰেহে' এইবোৰ কাম কৰিব পাৰি ; ৰাতি কৰা টান।

**বেলিয়ে কটা সূতা**—'অপেশৰী সূতা' চোৱা।

**বেলিয়ে কাৰো বাট নাচা**—( সুযোগ ৰৈ নাথাক্‌ )—যেতিয়াৰ যিটো কাম, তেতিয়াই তাক কৰি যাবা। 'বেলিয়ে কাৰো বাট নাচায়'।

**বেশ-ছুন ( ভেশ-ছুন )**—( ছদ্মবেশ )—ৰজাই ফকিৰৰ সাজেৰে 'বেশ-ছুন' কৰি দেশ ফুৰিবলৈ ওলাল।

**বেতাৰ একাদশী**—( ভণ্ড আচৰণ )—তেওঁৰ মুখত ধৰ্মকথা,—কিন্তু তেওঁৰ 'বেতাৰ একাদশী'। মৃত্যু ওচৰ চাপিছে দেখিহে মালা জপিছে।

**বেহা নেপুৰা**—(বাট বা উপায় নেপুৱা)—আৰ পাৰি 'বেহা নেপুৱালা'; এতিয়া গৰখীয়া ল'ৰাই খাই শেষ কৰিলে।

**বেহা বঢ়া**—'বেহা নেপুৰা' চোৱা।

**বেহা পা**—(আশৰ পা; সাহ পা)—এবাৰ পিঠা খাই 'বেহা পালি' হব পাৰ; বা, আৰু বিচিও।

**বৈকুণ্ঠলৈ যাবলৈ দুৱৰ খোৱাব কিবা দি**—(বিশেষ হিতকৰ কামকো নানা প্ৰকাৰে বুজাই বঢ়াইহে কৰাব লগীয়া হ)—ল'ৰাই পঢ়াশুনা কৰিলে মঙ্গল হব ল'ৰাৰে; কিন্তু তেনে কামো বুজাই বঢ়াইহে কৰাব লগীয়া হৈছে, 'বৈকুণ্ঠলৈ যাবলৈও দুৱৰ খোৱাব কিবা দিব লাগে'।

**বৈকুণ্ঠৰ ধূমকেতু**—(বৰ অথাইত লোক বা জন্তু)—এই ল'ৰাটো কি যে 'বৈকুণ্ঠৰ ধূমকেতু' ওলালহি। সি যি পায় তাকে কৰিব, কাকো নেও নোবোলে।

**বৈ-জামা** (পানী বৈ যোৱা সৰু বাট)—বাৰণাৰীয়ে চোতালেদি এটা 'বৈ-জামা' খান্দিছে।

**বোকা-চাউল**—(কোমল-চাউল)—'বোকা-চাউলৰ' জলপান বৰ উপাদেয় আৰু পুষ্টিকৰ।

**বোকা-ডাৱৰা**—(পেক-ডাবৰা; জন্মাষ্টমীৰ পিছত বোকাৰে কৰা খেমালি)—সেইবাৰ বৰপেটাৰ 'বোকা-ডাৱৰা' নিজ চকুৰে দেখিছোঁ।

**বোজা খা**—(হোৱালী দিবলৈ বস্তু-বাহানি গ্ৰহণ কৰ)—আজি-কালি কইনা-ঘৰীয়াই 'বোজা খোৱা' দিব নাই।

**বোজাত ছুৰবি মৰ্**—(বৰ ডাঙৰ বোজা দিব পৰা অৰ্থাৎ ধনবান্—গতিকে তেনে বোজা পৰিলে ধাঁহ-ধন মৰ্)—তেওঁৰ ধনৰ কথা কি কবা? 'বোজাত ছুৰবি মৰে'।

**বোজা পেলা**—(হোৱালী ধৰি কইনা-ঘৰীয়াক বস্তু-বাহানি দি)—ধনাঢ্যই পাৰ্বতীক বিয়া কৰাবলৈ হেমন্তৰ ঘৰত 'বোজা পেলাবলৈ' ধৰিলে।

**বোজাৰ ওপৰত শাকৰ আঁটি দি**—(বহুত ডাঙৰ দায়িত্ব থকা মানুহৰ ওপৰত আকৌ সৰু-সুৰা বুলি আন দায়িত্ব দি)—'বোজাৰ ওপৰত শাকৰ আঁটি' আৰু কিমান 'দিব' খোজা? ইমানবোৰ দায়িত্ব মই কেনেকৈ বহন কৰিম?

**বোন্দা-কাঁহ**—(বেয়া বিধৰ কাঁহ)—এইধৰ 'বোন্দা-কাঁহৰ' শাহক লোক নালাগে।

বোম্বা থেকেচা দি—(কটৈ থেকেচি মাৰ-পিট কৰ্)—বাইমে চোৰটোক 'বোম্বা থেকেচা দিলে'।

বোম্বা-পৰ দি—(বহুত সময়লৈ চুপি বা মৈ থাক্)—ইয়াত 'বোম্বা-পৰ দি' লাভ নাই; বাউহে বলা।

বোপা-ককা—(পূৰ্ব পুৰুষসকল)—'বোপা-ককাৰ' দিনৰপৰা আমি এনে কাম কৰা নাই।

বোপা-কালৰ—(পূৰ্ব পুৰুষসকলৰ দিনৰ)—'বোপা-কালৰ' অলপ মাটি আছিল, তাকো বেচিলোঁ।

বোবাৰ শত্ৰু নাই—(মনে মনে থকাই নিৰাপদ)—তুমি বেছিকৈ কথা কোৱা, সেইদেখি শত্ৰুও সৰহ; 'বোবাৰ শত্ৰু নাই'।

বোম-ভোলা—'বম-ভোলা' চোৱাঁ।

বোল খুৱা (বা দি)—(ৰং লগা)—কাপোৰখনত ৰঙা 'বোল খুৱালে' ধুনীয়া হব।

বোল ধৰ্—(বৰণ ধৰ)—পুখুৰীৰ পানীয়ে কজলা 'বোল ধৰিছে'; সেই পানী কোনে খাব?

বোল-মাত—(গালি-শপনি)—পুৱাৰপৰা গধুলিলৈ 'বোল-মাত' খাই মই ইয়াত নাথাকোঁ।

বোৱাৰী-পুৱা—(নিচেই পুৱা বেলা)—এই 'বোৱাৰী-পুৱাতে' তুমি ক'ৰপৰা আহিলা?

ব্যাসৰ মুদ্ৰা হেৰা—(ব্যাস—ব্যাস গোৱা ওজা। মুদ্ৰা—বজাই দিয়া, মানুহৰ মূৰ্তিৰ দৰে পিতলৰ মূৰ্তি)—(কোনো বৈশিষ্ট্যসূচক মূল্যবান সম্পদ হেৰা)—তোমাৰ নো কি 'ব্যাসৰ মুদ্ৰা হেৰাল' যে ঘৰৰ বস্ত-বস্ত ওকট-পাকট কৰি বিচাৰিব লাগিছা?

ব্ৰহ্ম-আকাল—(বৰ ডাঙৰ আকাল)—এনে 'ব্ৰহ্ম-আকাল' এই দেশত কেতিয়াও হোৱা নাছিল।

ব্ৰহ্মৰথ দি—(বৰ ডাঙৰ শপত দি)—সি আহি 'ব্ৰহ্মৰথ দি' ধৰিলে, এবাৰ নোৱাৰি চাউল এদোণ দিলোঁ।

## ভ

**ভংভঙীয়া**—(পেটত কথা নথকা)— তেওঁ বৰ 'ভংভঙীয়া' মানুহ; পেটত কথা ৰাখিব নোৱাৰে।

**ভকত-গাঁঠি**—(ভকতৰ অপৰাধৰপৰা হোৱা দুৰ্গতি বা বিপাক)—ভকতক দুখ দিছিলা; এতিয়া তোমাৰ 'ভকত-গাঁঠি' লাগিল।

**ভকত মাতাগি দায় ভাগ্**—(জগৰ লাগিলে আঁতৰি থগে দায় যায়)—'ভকত মাতাগি দায়হে ভাগিব' লাগে; তুমিও আঁতৰি থগে সবাজৰ ওচৰত দোষ হোৱা।

**ভকত-সেৱা**—(নাম-কীৰ্ত্তন, ভোজন আদিৰে ভকতক সন্তুষ্ট কৰা কাৰ্য)— 'ভকত-সেৱা' কৰিলেহে তোমাৰ ভকত-গাঁঠি ভাগিব।

**ভকতীয়া ঠেলা**—(ভকতৰ দৰে অতি বিনীতভাৱে বিবদ-বিপাবীকে কথা কোৱাৰ ধৰণ)— তেওঁ যেনেহে 'ভকতীয়া ঠেলাত' কথা কয়, শুনি থাকিবৰ মন যায়।

**ভকতীয়া বাজ**—(কোমল আৰু মজ কথাৰে কোনো এজনক বাধ্য কৰিবলৈ চেষ্টা ধৰা কাৰ্য)—তেওঁ 'ভকতীয়া বাজেৰে' আমাক ধৰিবলৈ চেষ্টা কৰিলে, আমিও পাকে পাকে এৰাই গলোঁ।

**ভকৰা মাত**—(বেজাৰ লগোৱা কথা)—তোমাৰ 'ভকৰা মাতে' তেওঁক বেজাৰ দিলে।

**ভক্তিত মুক্তি মিল্**—(শ্ৰদ্ধাৰেহে কৰ্ত্তব্য সুসিদ্ধ হয়)—পৰীক্ষাত বেয়া কৰি দুখ কৰিছা; পঢ়িছিলা কিমান, তাৰি চোৱাচোন; 'ভক্তিতহে মুক্তি মিলে'।

**ভগৱতী ওলা**—(বসন্ত ৰোগে ধৰ্)—ঘৰত 'ভগৱতী ওলাইছে'; কেতিয়াবান টকা দিব নোৱাৰোঁ।

**ভগা সভাত মাগ টান্**—(শেষ হব লগীয়া কাৰ্যত ধৰি নাম কৰাৰ চেষ্টা কৰ্)— আমি কামটো কৰিলোঁৱেই; তুমি এতিয়া 'ভগা সভাত মাগ টানিলেও', কামটো নহা বাবে অভিমানা দিব লাগিব।

**ভটা-ভটিয়া**—(সৰু কিছু চতুৰ্—সংসাৰত থাকে)—আমাৰ 'ভটা-ভটিয়াটোৱে' এইকেইটা মাছ মাৰি আনিলে।

**ভঠেলি ভাঙ্**—(এদলে আন দলক বৰকৈ মাৰ্)—খেলত হৰা দলে আন দলৰ 'ভঠেলি ভাঙিলে'।

**ভণ্ডল কৰ্**—(উৎপাত বা উদ্ভণ্ডালি কৰ্)—তইতে পঢ়াশুনা এৰি ঘৰটোত 'ভণ্ডল কৰিবলৈ' ধৰিছ, নহয় ?

**ভনী-জোঁৱাই**—(সৰু ভনীৰ স্বামী—প্ৰায়েই তিৰোতাই ব্যৱহাৰ কৰে)—বুঢ়ীৰ 'ভনী-জোঁৱায়েক' আহিছে ; বুঢ়ীয়ে তেওঁক ভনীয়েকৰ কুশল-বতৰা সুধিছে।

**ভৰৰা-ভৰৰি দি**—(গাৰ নোম অ'ত ত'ত থিয় হ)—গাইজনীয়ে 'ভৰৰা-ভৰৰি দিছে' কিয় ?

**ভৰৰি উঠ্**—(খঙত বা ভয়ত গাৰ নোম থিয় হ)—১। তোমাৰ জ্বৰ উঠিব : নোমবোৰ 'ভৰৰি উঠিছে'। ২। মোক দেখি তেওঁ 'ভৰৰি উঠিল', ভাগ্যেহে ৰামাৰিলে।

**ভমকা-ফুলীয়া**—(ডাঙৰ ডাঙৰ ফুল থকা)—মোক এই 'ভমকা-ফুলীয়া' কাপোৰখন নালাগে।

**ভমলা (বা ভোমোলা) ভকতি**—(১। ডাঙৰ ডাঙৰ ফুটা থকা। ২। ভিতৰত দোষ থকা, পতিকে কৃত্ৰিম বা ভণ্ড)—১। কাপোৰখন ছুদিনতে তোৰ হাতত 'ভমলা-ভকতি' হ'ল। ২। তোমাৰ 'ভমলা ভকতিত' আমি মুগ্ধ নহওঁ।

**ভস্মা পৰ্**—(ফলহীন বা ব্যৰ্থ হ)—১। লাও-কোমোৰা ইমান কলোঁ, সকলোবোৰ 'ভস্মা পৰিল'। ২। আমাৰ 'ভস্মা পৰা' কপাল, সেই দেখি ক'তো একো মিমিলে।

**ভয়ত কেঁকোৰাৰ গাঁত বিচাৰ্**—(বৰকৈ ভয় পা—বিদ্ৰুপাৰ্থক)—সি মৰিব খুজিছে নেকি ? মই তেনেহলে তাৰ 'ভয়ত কেঁকোৰাৰ গাঁত বিচাৰিবহে' লাগিব।

**ভয়ত পেটত হাত ভৰি লুকো**—(বৰকৈ ভয় পা)—চোৰৰ লগত যুঁজ লগাত 'ভয়ত' মানুহৰ 'পেটত হাত ভৰি লুকাইছিল'।

**ভয়ত থৰহৰ কঁপ্**—(বৰকৈ ভয় পা)—ডকাইত দেখি 'ভয়ত' আমাৰ 'থৰহৰ কঁপিবলৈ' ধৰিলে।

**ভয়-ভীত**—(ভয়ৰ ভাৱ)—তই যে মোকটো হাতেৰে মৈ আহিছ ; 'ভয়-ভীত' নাই নেকি ?

**ভৰক কৰ্**—(ঠেহ পাত্)—বাপুৰে বা আজি কি বাবে 'ভৰক কৰিছে' ? আমাতে খোৰোজে কিয় ?

**ভৰক মাৰ্**—(বৰ কথা ক)—তেওঁ কাম নকৰে ; এই দৰে 'ভৰক মাৰিয়েই' থাকে।

**ভৰ খা**—( খিত্ খা )—তেওঁলোকৰ ঘৰত লক্ষ্মী 'ভৰ খাইছে'; সকলো কামে ধন-জন ময় ময়।

**ভৰ দি**—( ১। ভৰ খা। ২। সমৰ্থন কৰ্ )—১। তেওঁৰ ঘৰত সৰস্বতী 'ভৰ দিছে', পঢ়া-শুনাত কিমান নাম কৰিছে চোৱাঁ। ২। আমি তেওঁৰ কথাতে 'ভৰ দিছোঁ'।

**ভৰ পক**—( সৰহকৈ পকাৰ সময়,—বিশেষকৈ পলুত খাটে )—এটা সুপাৰ 'ভৰ-পক' খাই।

**ভৰ মাৰ্**—( ভৰ ঘূৰাই পাত্ৰত চক্ৰ আঁক্ )—বাটিটো ভালকৈ 'ভৰ মাৰি' জাটি বেলা দিম।

**ভৰা দি**—( বোজাই কৰ্ )—নাও 'ভৰা দি' তেওঁলোক আহি পালে।

**ভৰা ভাখৰিত ফুল দলিয়া**—( অভাৱ নোহোৱা মানুহক অধিক দি )—এই এইমাত্ৰ ঘৰত খাই বই আহিলোঁ; ইয়াত আকৌ কেনেকৈ খাওঁ? 'ভৰা ভাখৰিত ফুল দলিওৱাহে' হব।

**ভৰি চেলেক্**—( অযথভাৱে বশ্যতা স্বীকাৰ কৰ্ )—তুমি যে তেওঁৰ 'ভৰি চেলেকা,' লাজ নোপোৱা নে?

**ভৰিত তেল ঘঁহ**—( নীচভাৱে কাকৌ-কোকালি কৰ )—এই সামান্য অনুগ্ৰহ পাবলৈ তেওঁ কৃপণটোৰ 'ভৰিত' ইমান দিনে 'তেল ঘঁহি' আছে।

**ভৰিত তেল-টেঙা ঘঁহ**—( পৰিষ্কাৰ পৰিচ্ছন্নভাৱে থাক্ )—আমালোক ধনী, 'ভৰিত তেল-টেঙা ঘঁহি' বহি থাকিব পাৰা; আমি থাকিলে খাম ক'ৰপৰা?

**ভৰিত ধৰ্**—( সম্পূৰ্ণ সেও হ )—সি এতিয়া টানত পৰিছে, 'ভৰিত ধৰিবই'; কিন্তু অলপ পিছত মূৰত ধৰিব।

**ভৰি দাঙ্**—( অপমান কৰিবলৈ উদ্যত হ )—তাওবলৈ 'ভৰি দাঙিব' পাৰ নে?

**ভৰি মচুৱাই খা ( বা থাক্ )**—( বহি থাকি জীৱিকা মিলা )—বাপেকে ধন-সম্পত্তি এৰি গৈছে; পুতেকে এতিয়া 'ভৰি মচুৱাই খাইছে'।

**ভৰি-পথাৰ**—( ঠেং-আমনি )—তাওবক 'ভৰি-পথাৰত' বাধি সুতবা।

**ভৰি মাৰি যা**—( নিঃশব্দে খোজ কাঢ় )—চোৰটোৱে এনেকৈ 'ভৰি মাৰি গৈছিল' যে কোনেই গমকে নাপালে।

**ভৰিৰ আঙুলিৰে টিপা মাৰি বো**—( সামান্য মনোযোগ দিও তাৰ উপকাৰ সাধিবলৈ সক্ষম হ )—আপুনি মহৎ লোক; আমাৰ দৰে সামান্য মানুহক উপকাৰ কৰা। বুলিলে 'ভৰিৰ আঙুলিৰে টিপা মাৰিও কৰ পাৰে'।

**ভৰিৰ জোতা গ'লত বান্ধি ল**—( নিজৰ দোষত সৰু বিপদকে ডাঙৰ কৰি তোল্ )—এনে যাজহুৱা কাম এটাৰ দায়িত্ব কিয় তুমি উপযাচি লবলৈ গৈছিলা ? 'ভৰিৰ জোতা গলত বান্ধি লৈছা,' এতিয়া গা চলাবিলা।

**ভৰিৰ ধূলি**—( অতি নগণ্য প্ৰাণী )—আপোনালোকৰ আগত আমি 'ভৰিৰ ধূলিহে'।

**ভৰিৰ ধূলি দি**—( অনুগ্ৰহ কৰ্ )—মই বৰ বিপদত পৰিছোঁ। 'ভৰিৰ ধূলি দি' ৰক্ষা কৰক।

**ভৰিৰ ধূলি ল**—( প্ৰণাম কৰ্ ; আশীৰ্বাদ ল )—যাবৰ সময়ত পুতেকে মাকৰ 'ভৰিৰ ধূলি ললে'।

**ভৰি হাত ধো**—( প্ৰস্ৰাৱ কৰ্ )—তেওঁ 'ভৰি হাত ধুবলৈ' বুলি দুৱাৰ মেলোঁতেই চোৰটোৱে লৰ মাৰিলে।

**ভাই-বোৱাৰী**—( সৰু ভায়েকৰ স্ত্ৰী )—তেওঁৰ মাজু 'ভাই-বোৱাৰীয়েক' চুকাল।

**ভাই-ভাগী**—(পিতৃ-পক্ষৰ বন্ধু-বংশ)—'ভাই-ভাগীয়ে' কিবা দোষ পাই তেওঁক এৰি থৈছে।

**ভাই-শহুৰ**—( স্বামীৰ ককায়েক )—বুঢ়ীৰ 'ভাই-শহুৰেক' এজন আছে।

**ভাউতি জোৰ্**—( বাদি কৰ্ )—তাইৰ একো হোৱা নাই ; 'ভাউতি জুৰিছে'।

**ভাও জোৰ্** ( বা ধৰ্ )—'ভাউতি জোৰ্' চোৱা।

**ভাও দেখুৱা**—( অভিনয় কৰ্ )—আজি থিয়েটাৰত তেওঁ ৰামৰ 'ভাও দেখুৱাব'।

**ভাও ল**—'ভাও দেখুৱা' চোৱা।

**ভাগৰিব খালো আজৰি নকৰ্ ন'বাকো ভকাই নাজাব্**—( অপৰিহাৰ্য্য খৰচতো অতিশয় কৃপণালি কৰ্ )—'ভাগৰিব খালো আজৰি নকৰা' অথচ 'ন'বাকো ভকাই নধৰা' কিছুমান মানুহ আছে ; তেওঁলোকক কোনোৱে মিতব্যয়ী কোনোৱে কৃপণ বোলে।

**ভাগ ধৰ্**—( এজনে নকৰিলে আনজনে নকৰোঁ বুলি থাক্ )—তেওঁৰ 'ভাগ ধৰি' থাকিলে আমাৰহে লোকচান ; কামটো কৰোঁ আহা।

**ভাগী-গোটি**—( ভাগী আৰু বংশৰ অন্যান্য মানুহ )—'ভাগী-গোটিক' মাতি কামটো সমাধা কৰা।

**ভাগীৰ ভাগ**—( পাব লগীয়া অংশ )—আনে এৰিলেও আমি নেৰোঁ ; 'ভাগীৰ ভাগ' আমি নিলেই।

**ভাং ভাজি খাবৰ খোলা মোচহোৰা**—( নিজেই মুখীয়া )—সেই 'ভাং ভাজি খাবৰ খোলা মোচহোৰা' ডেকাটোলৈ এই ছোৱালীজনী বিয়া দিয়া উচিত হোৱা নাই।

**ভাঙক ছিঙক মব মাৰৰ খোলা**—( নিজেই নিঃকিন অৱস্থাতো মহৎ লোকৰ মহৎ ৰৈ থাক্ )—তেওঁ আজি সকলোৰে অৱজ্ঞাৰ পাত্ৰ হৈছে যদিও, মনৰ উদাৰতালৈ লক্ষ্য কৰা; নিজৰ একো নাই, তথাপি আনৰ প্ৰতি দয়াশীল; এয়ে 'ভাঙক-ছিঙক মব মাৰৰ খোলা'।

**ভাঙি আনি ছিঙি খা**—( চাঁহি-মুচি খা )—এই দৰে 'ভাঙি আনি ছিঙি খালে' তোমাৰ বাৰীৰ পাণ কেইদিন থাকিব?

**ভাজনৰ ভোজন অভাজনৰ গলগ্ৰহ**—( একে বস্তুৱেই যোগ্যতা অনুসৰি বিভিন্ন লোকৰ পক্ষে বিভিন্ন সুখ বা দুখৰ কাৰণ হয় )—ৰাণী ভিক্টোৰিয়ালৈ এবাৰ হেনো বাছক-বনীয়া ভাৰতীয় আম উপহাৰ পঠোৱা হৈছিল; আম কেনেকৈ খায়, তেতিয়া ৰাণী বা তেওঁৰ বন্ধু-বান্ধৱীয়ে জনা নাছিল; পিছত ডিউক অৱ ওৱেলিংটনেহে সেই সমস্যাৰ সমাধান কৰি আমৰ খোৱাৰ কৌশল ৰাণীক শিকাই দিলে। সেই আমেই 'ভাজনৰ ভোজন অভাজনৰ গলগ্ৰহ' হৈ উঠিছিল।

**ভাটি-উজানি কৰ্**—( ঘনাই অহা-যোৱা কৰি থাক্ )—তুমি দেখোন পুৱাৰপৰা 'ভাটি-উজানি কৰি আছা'; মোৰ লগত কিবা সকাম আছে নেকি?

**ভাটৌ পঢ়ুৱা দি**—( একে কথাকে বাৰে বাৰে শিকাই তেনেকৈ, কথাটো পাৰ্থক কৰ্ )—উকীলে সাক্ষীজনক 'ভাটৌ পঢ়ুৱা দিলে'; তাৰ পিছত তেওঁলোকক কাছাৰীলৈ লৈ আহিল।

**ভাত উঠ্**—( খোৱাৰ দিন অন্ত হয় )—জীয়েক মৰিল; তেওঁৰো 'ভাত উঠিল'; বুঢ়া আন ঠাইলৈ গ'ল।

**ভাত-কাপোৰীয়া**—( কেৱল ভাত আৰু কাপোৰৰ সলনি কাম কৰা )—তেওঁ বৰ ভাগ্যবান; এই 'ভাত-কাপোৰীয়া' চাকৰটোৱে পিৰী তুলিলে।

**ভাত খাওঁতে পানী খা**—( তেনেই উভু কাম কৰ্ )—আলকম ছোৱাটো তুমি 'ভাত খাওঁতে পানী খোৱা' যেন পইছা নে কি? কামটো ইমান সহজ নহয়।

**ভাত খাব দি হাত খাব নিদি**—( আনক উপকাৰ কৰোঁতে নিজৰ অপকাৰ নকৰ্ )—তোমাক লাও পাৰি নিবলৈ দিছোঁ, ছিঙি ভাঙি নষ্ট কৰিবলৈ দিয়া নাই। 'ভাত খাব দিব পাৰি, হাত খাব দিব নোৱাৰি।'

**ভাত খাবলৈ দি আঙুলি খাবলৈ দিব নোৱাৰ্**—'ভাত খাব দি হাত খাব নিদি' চোৱাঁ।

**ভাত-ঘৰ**—(অতি ঘনিষ্ঠ সম্পৰ্ক থকা ঠাই)—পাটাছাৰকুছি এসময়ত বঙালীৰ 'ভাত-ঘৰ' আছিল।

**ভাত-ঘুমটি**—(ভাত খোৱা বাবে অলপ পিছত অহা টোপনি)—গিৰীহঁত 'ভাত-ঘুমটিত' পৰিল, চোৰেও সিন্ধি দিলে।

**ভাত-চুৰুনি**—(অন্নপ্ৰাশন)—'ভাত-চুৰুনিলৈ' চাৰিটা ভাওৰ খাহী অনোৱা।

**ভাত-জাৰ**—(জাৰ কালি ভাত খোৱাৰ পিছত ধৰা জাৰ)—জাৰ চাৰি বিধৰ,—'ভাত জাৰ', ভূত জাৰ, উৎপত্তি জাৰ আৰু প্ৰলয় জাৰ।

**ভাতত হাত দি**—(জীৱিকাৰ উপায় নষ্ট কৰ)—তেওঁক যি শাস্তি দিব খোজে দিয়ক, কেৱল 'ভাতত হাত নিদিব'।

**ভাত নিমিলা হ**—(জীৱিকাৰ উপায় নোহোৱা হ)—দিনে ৰাতি দুয়ো হাতে খাটুচি আছোঁ, তথাপি ভাত নিমিলা হ'ল।

**ভাত নোহোৱা খাটত থ**—(সহজে জীৱিকা মিলাব নোৱৰা কৰ্)—গোসাঁয়ে মোক 'ভাত নোহোৱা খাটত থলে'; হাড় ভগা পৰিশ্ৰম কৰিও দুবেলা দুমুঠি মিলাব নোৱাৰোঁ।

**ভাত-ভাৰী**—(ভাত খোৱাত বাহিৰে আন কামত অপটু)—মানুহটো 'ভাত-ভাৰী'; তাৰদ্বাৰা আপোনাৰ একো কাম নহয়।

**ভাত মৰ্**—(জীৱিকাৰ উপায় নষ্ট হ)—সকলো কামত সোমোপাণি কৰিছা হয়, ক্ৰমে তোমাৰ 'ভাত মৰি' আহিছে।

**ভাত মাছ খোৱা কথা**—(অতি সহজ সাধ্য কাম)—এইখন প্ৰশ্নৰ উত্তৰ কৰাটো তেওঁৰ পক্ষে 'ভাত মাছ খোৱা কথা'।

**ভাতৰ আকাল হলেও মাতৰ আকাল নহ**—(হেজাৰ দুখীয়া হলেও মন কথাৰ দুখীয়া নহ)—মানুহক মিঠা মুখে মাতিবা। 'ভাতৰ আকাল হলেও মাতৰ আকাল হব নোৱাৰে।'

**ভাতে হেঁচা**—(বেছিকৈ ভাত খোৱাত চুটি চাপৰ হৈ থকা আৰু অপৰিপক্ক বুদ্ধিৰ)—এই ল'ৰাটো 'ভাতে হেঁচা'; তাক কিছু কমকৈ খুৱাবা আৰু নিয়মিত পৰিশ্ৰম কৰিবলৈ দিবা।

**ভাদত ক'লী গাই জগ্‌**—(অমংগলৰ সূচনা কৰ্‌)—তোমালোকৰ মতি-গতি দেখিয়েই বুজিছোঁ, এইবাৰ 'ভাদত ক'লী গাই জগিছে'।

**ভাদ মহীয়া কাউৰী**—(বৰকৈ কোঢ়াল কৰি থুৱা মানুহ)—বুঢ়ী যেন 'ভাদ মহীয়া কাউৰীহে'; তেওঁৰ চিঞৰ-বাখৰত মানুহ পলাব লাগে।

**ভাদ মহীয়া শালিকা**—(হাড়ে ছালে লগা বৰ মিচলা আৰু দেখিবলৈ কুৎসিত মানুহ)--তোমাৰ ল'ৰাটো 'ভাদ মহীয়া শালিকাটো' যেন হ'ল কিয়? আগেয়ে দেখোন বৰ ধুনীয়া আছিল।

**ভাপত দি**—(তপত পানীৰপৰা উঠা ভাপত সিজা)—চাউখিনি ধুই 'ভাপত দিয়া'; তাৰ পিছত কল গাখীৰ সানি খাবা।

**ভাপ তোল্‌**—(পানী তপত কৰি অলপকৈ সিজা)—চাউখিনি 'ভাপ তুলি' লোৱা; খাবলৈ বৰ ভাল হব।

**ভাপ লাগ্‌**—(১। তাপ লাগ্‌। ২। ক্ষুণ্ণ কৰ্‌)—১। ইয়াত ব'দৰ 'ভাপ লাগে'; ঘৰৰ ভিতৰত বহা। ২। আমি দেখোন তেওঁৰ কথাহে কৈ আছোঁ; তোমাৰ গাত নো কিহৰ 'ভাপ লাগিল'?

**ভায়া-জিমা কৰ্‌**—(আপোন-পৰ বা অসমান ব্যৱহাৰ কৰ্‌)—বাৰুমীয়ে ভাত-আঞ্জা দিওঁতে 'ভায়া-জিমা কৰা' অনুচিত।

**ভাৰ-পাচি**—(ভাৰত বস্তু নিবলৈ সজা পাচি)—মোলৈ 'ভাৰ-পাচি' দুটা কিনিবা।

**ভাৰ পেলা**—(ছোৱালীৰ বাবে দৰাৰ পক্ষৰপৰা বস্তু-বাহানি দি; যোজা পেলা)—তেতিয়াৰ দিনত তাওৰ ছোৱালী থাকিলে কিমানে যে 'ভাৰ পেলাইছিল'!

**ভাৰ-বোজাৰ বস্ত**—(কষ্টসাধ্য কার্য)—তোমাক এটা দিয়াচলাই কিনিবলৈ কৈ কি নো 'ভাৰ-বোজাৰ বস্তলৈ' পঠিছিলোঁ?

**ভাল-অভাল**—(বিপদ্ সম্পদ্)—মোৰ 'ভাল-অভালত' থাকে পাওঁ, তাকে এই সম্পত্তি দিম।

**ভাল আজাক ভাতে মাট্‌**—(সুখতো বিঘিনি থাক্‌)—ভাল ঘৰ-বৰ চাই ছোৱালীজনী বিয়া দি দেউতাকে বং পালে। পিছে, 'ভাল আজাক ভাতে মাটে'; সেই বাবৰ ভুঁইকঁপত গিৰীয়েকৰ প্ৰাণ লোৱা হ'ল।

**ভাল বোলোঁতে ভজি যা**—(প্ৰশংসাত নষ্ট হ)—বহুত হায় 'ভাল বোলোঁতে ভজি যায়'; তেওঁলো সেয়ে হ'ল।

**ভাল (বা ভালৰি) বোলা**—(প্ৰশংসাভাজন হবলৈ কোনো কাম কৰ্‌)—'ভালৰি বোলাবলৈ' এই কামত যোগ দি বিপদহে মাতি আনিলা।

**ভাল-ভলুকো**—(মহো-হো দিওঁতে কলা-ঠকলাৰ চোলা পিন্ধাই সজোৱা ভালুক)—'ভাল-ভলুকাক' লৈ নাচি ফুৰোঁতে কেনেবাকৈ ভালুকৰ গাত জুই লাগিল।

**ভাল মুখৰ মাত**—(মিঠা মাত; মধুৰ মাত)—দিনে ৰাতি দেহা মাৰি খাটিও তেওঁৰপৰা এবাৰ 'ভাল মুখৰ মাত' নাপালোঁ।

**ভাল মুখে**—(মিঠা মাতেৰে)—'ভাল মুখে' যি কাম কৰাব পাৰি, টান মুখে তাক নোৱাৰি।

**ভালৰো ভাল**—(বহুতো বহু)—তেওঁক 'ভালৰো ভাল' দৈ জলপান দিলোঁ; তাৰে অলপ খালে।

**ভালুক-জ্বৰ**—(ৰবকৈ কঁপনিৰে উঠি অলপ পিছত এৰা জ্বৰ)—তাৰ এইটো 'ভালুক-জ্বৰ'; পাওঁ কঁপা দি উঠিব, আৰু অলপ পিছত এৰিব।

**ভালুকৰ সাঙী হ**—(বৰ গধুৰ আৰু অসুবিধাজনক হ—কোনো দায়িত্ব)—বাজহুৱা এই কামটো মোৰ পক্ষে 'ভালুকৰ সাঙী হ'ল'; এৰিবও নোৱাৰোঁ, কৰিবও নোৱাৰোঁ।

**ভালুকৰ হাতত খন্তা দি**—(অসৎ লোকৰ হাতত ক্ষমতা দি)—গঞাৰ ভঁৰালী তাক পাতিলা; 'ভালুকৰ হাতত যে খন্তা দিয়া হ'ল, তাক নাভাবিলা কিয়?

**ভালে খা**—(কাপোৰ সলাই শুচীভাৱে খা)—যিবিলাকে 'ভালে খায়', তেওঁলোক এই ফালে বহিব।

**ভালে-দিন**—(বহুত দিন)—তুমি যেখোন 'ভালে-দিন' অহা নাছিলা; কিবা হৈছিল নে কি?

**ভালে ভালক জাবৰে খালক পা**—(যোগ্য সম্বন্ধ ঘট্‌)—'ভালে ভালক জাবৰে খালক পায়'; তাই যেনে জিভা-কটা তিৰোতা, তাইৰ গিৰীয়েকো দগধা চোৰ; দুয়ো ভাল মিলিব।

**ভালে ভালে**—(১। নিৰাপদে। ২। আপদ বা অপমান নোহওঁতেই)—১। আমি 'ভালে ভালে' আহি পালোঁ। ২। টকাখিনি 'ভালে ভালে' দিব যদি দিবি, নহলে কথা বেয়া হব।

**ভালেমান**—(বহুত)—বৰশীত 'ভালেমান' মাছ পালোঁ; তুমিও অলপ নিয়া।

**ভাৰঁৰী পকীয়া**—(বৰ মেৰ-পাকৰ কথা কোৱা)—তেওঁ বিহে 'ভাৰঁৰী-পকীয়া' মানুহ, কথাৰ পেঁচ সোলোকোৱাই টান।

**ভাৱ-চিন্তা নহ**—(চিন্তাহীন হ)—ইমান বাতি আহিলি; এতিয়া গাইজনী ক'ত বিচাৰি পাবি? এনে 'ভাৱ-চিন্তা নোহোৱা' মানুহো থাকে নে?

**ভাৱনাৰ ছো**—(দেখাতহে মানুহ, কামত অপাৰগ)—আমাৰ বোৱাৰীৰ কথা নকবা; 'ভাৱনাৰ ছোহে' আনিলোঁ।

**ভাৰে পৰ্**—(বিনয় কৰ্)—ল'ৰাটোৱে যেনেকৈ 'ভাৰে পৰিল', তাক সহায় কৰিবলৈ বাধ্য হলোঁ।

**ভাৰেৰে কলে পকা ধানে বাট দি**—(বিনয় কৰিলে কঠোৰ প্ৰকৃতিৰ লোকো সৈমান হ)—'ভাৰেৰে কলে পকা ধানেও বাট দিয়ে'; নম্ৰভাৱে কথা, তেন্তেঁ তোমাক সহায় কৰিব।

**ভিকাচন ভাঙ্**—(উপায় নষ্ট কৰ্; লাভৰ বাট মাৰ্)—তেওঁৰ অনুগ্ৰহত ভাতমুঠি খাইছিলোঁ, আজি তাৰো 'ভিকাচন ভাঙিলোঁ'।

**ভিজাই-বুৰাই**—(সম্পূৰ্ণকৈ গা আৰু কানি-কাপোৰ তিয়াই উঠি তেনে অৱস্থাত)—'ভিজাই-বুৰাই' পানী একলহ আনা।

**ভিজা-জৰী**—(অতিশয় কৃপণ; কটুকটীয়া)—সেই 'ভিজা-জৰীটোৰপৰা' একো নাপাবা।

**ভিজা মেকুৰী যেন হ**—(ভয়ত কোঁচমোচ খাই থাক্)—ঘৰত টৰটৰাই থাকা; তেওঁৰ আগত 'ভিজা মেকুৰী যেন হোৱা' কিয়?

**ভিজা হাত বুলা**—(সৌহাৰ্দ্যসূচক ব্যৱহাৰ কৰ্)—আগে অপমান কৰি এতিয়া 'ভিজা হাত বুলাই' মিত্ৰতা কৰিবলৈ আহিছা।

**ভিৰ খা (বা লা)**—(১। ভাঁজ লা। ২। নম্ৰ হ, সৈমান হ)—১। কাগিটো আৰু চাচিবা; তেহে 'ভিৰ খাব'। ২। তাক ইমান বুজালোঁ, কিন্তু সি এতিয়াও 'ভিৰ খোৱা' নাই।

**ভিৰ দি**—(কেঁচা দি)—বেছিকৈ 'ভিৰ দিলেহে' লোহাতাৰ ভাঁজ লগাব পাৰিবা।

**ভিৰ ভাঙ্**—(চৰিত্ৰৰ উগ্ৰতা বা উদ্ধতালি ভাৱ সংযত কৰ্)—তাক ভালকৈ শাসন কৰিবা; তেহে যদি 'ভিৰ ভাঙিব' পাৰা।

**ভিৰ মাৰৰ্**—(শক্তিহীন হ)—ডেকা কালত তেওঁ বৰ উগ্ৰ আছিল; এতিয়া বুঢ়া হৈহে 'ভিৰ মাৰিছে'।

**ভিৰাই (বা ভিৰি) লৰ মাৰ্‌**—(উলটি বেগাই লৰ্‌ বা)—বাঘ দেখি গৰুটোৱে 'ভিৰাই লৰ' মাৰিলে।

**ভীম-কলৰ ভৰিতহে সাৰ চপাই দি**—(দুষ্ট লোকক প্ৰশ্ৰয় দি বা যত্ন কৰ্‌; গাখীৰ খুৱাই সাপ পোহ্‌)—সেই ডাং-কটা মানুহটোক তুমি ইমান সহায় কৰিছা কিয়? 'ভীমকলৰ ভৰিত সাৰ চপাই দিলে' তাৰপৰা জানো ভাল ফল পোৱা যায়?

**ভীম-দল হ**—(উখহি ডাঙৰ হ)—খুন্দা খাই তেওঁৰ আঁঠুটো 'ভীম-দল হৈছে'।

**ভীষ্মৰ প্ৰতিজ্ঞা**—(দৃঢ় সংকল্প)—মোৰ এই কথা 'ভীষ্মৰ প্ৰতিজ্ঞা' বুলি জানিবা তুমি আজিৰপৰা নাহিবা; মই তোমাক একো সহায় কৰিব নোৱাৰোঁ।

**ভুকা কুকুৰে নাকামোৰ্‌**—(মুখেদি বেছিকৈ কলে সেই অনুসাৰে কাম সাধিত নহয়)—তোমাৰ কৰ্তব্য তুমি কৰি যোৱা। তাৰ ঢোকা কথাতে কাণ নিদিবা; 'ভুকা কুকুৰে নাকামোৰে'।

**ভুকুত কল নপক্‌**—(হঠাৎ কোনো কাম সিদ্ধ নহয়)—লাগ বুলিলেই পাবা নে? 'ভুকুত কল নপকে'।

**ভুচুং পহু**—(উপহাসৰ পাত্ৰ, অকামিলা মানুহ)—সি 'ভুচুং পহু'; এই বিষয়ে সি কি কৰ?

**ভুৱা পৰা দি**—(উপায়ান্তৰ নেদেখি বশ মান্‌)—চোৰটো আজি 'ভুৱা পৰা দিছে'; আজি তাৰ বৰ কথা নাই।

**ভূইকঁপত মূলা তোল্‌**—(বিশেষ সুযোগৰ সুবিধা লৈ কাৰ্যসিদ্ধি কৰ্‌)—মানুহটোক জিৰাবলৈ দিয়া; তাক পাই আজি পকা তামোল পৰাই 'ভুঁইকঁপত মূলা তুলিব' নালাগে।

**ভুঁই-চাল**—(১। ভুঁইকঁপ। ২। আলোড়ন)—১। গোৱালপাৰাৰ কোনো কোনো ঠাইত ভুঁইকঁপক 'ভুঁইচাল' বোলে। ২। সিটোৰ ঘৰত আজি কিহৰ 'ভুঁইচাল' লাগিছে?

**ভুঁই-চাল লাৰ্‌**—(আলোড়ন বা উত্তেজনাৰ সৃষ্টি কৰ্‌)—তেওঁলোকে কণাকাণিকৈ কিবা কৈ আছিল; মই 'ভুই-চাল লাৰি' দিলোঁ; আটাইবোৰ পলাল।

**ভুঁই-ফুটা**—(বাঁহ আদিৰ ভৰিত নোলাই দুবেৰি মাটি ফুটি ওলোৱা গজালি বা তেনে পুঠ বাঁহ)—এইটো 'ভুঁই-ফুটা' বাঁহ; ইয়াৰ খুঁটা বৰ ভাল হয়।

**ভুঞা-ফুটা**—(ভুঁই-ফুটা বাঁহৰ দৰে শক্তিমান্‌ আৰু দাম্ভিক প্ৰকৃতিৰ মানুহ)—এই কৰ্মচাৰীজন যথেষ্ট বিচক্ষণ, কিন্তু কিছু 'ভুঞা-ফুটা' প্ৰকৃতিৰ।

**ভূঁই-মাৰি কোবা**—(ভয় দেখুৱাবলৈ মাটিত ডাঙৰ টোকোনেৰে কোবা)—আজি 'ভূঁই-মাৰি কোবাবলৈ' ধৰিলোঁ ; বাঘটো আঁতৰি গ'ল।

**ভূঁইৰ হো**—(দেখাতহে মানুহ, কিন্তু কামৰ অলায়ক)—এই মানুহটোৰ কোনো কামতে সাধন নাই, 'ভূঁইৰ হো' এটাকে ইমান দৰ্মহা দি ৰাখি লাভ নাই।

**ভূঁই ৰো**—(ধানৰ পুলি ৰো)—এতিয়া 'ভূঁই ৰুব' লাগে ; কিন্তু পথাৰত পানী নাই।

**ভূঁহৰাত ৰ'দ দি (বা পৰ্)**—(অবহেলিত ক্ষেত্ৰত সৌভাগ্যৰ উদয় হ)—তেওঁলোকৰ 'ভূঁহৰাত ৰ'দ দিলে' ; ল'ৰাটোৱে বংশৰ নাম উজ্জ্বল কৰিলে।

**ভূত-জ্বৰ**—(বৰ কঁপনি ধৰি হোৱা জ্বৰ)—মোৰ কিবা 'ভূত-জ্বৰ' লগা যেন হৈছে ; কঁপনিত তৰণি পোৱা নাই।

**ভূতৰ ওপৰত দানহ**—(এটা লেঠাৰ ওপৰত আন এটা ডাঙৰ লেঠা)—মই নিৰুপায় হৈছোঁ ; 'ভূতৰ ওপৰত দানহ' লাগিছে ; কঞ্জালৰ উপৰি জঞ্জাল।

**ভূতৰ মুখত ৰাম নাম**—(দুষ্ট লোকৰ মুখত সজ কথা,—কপট আচৰণ)—কোনো দিনো দান-দক্ষিণা নিদিয়া এই কৃপণে আজি এই বৰঙণি আপুনি যাচিছে কিয়? 'ভূতৰ মুখত ৰাম নাম' শুনিলে সন্দেহ হয়েই।

**ভূত লগা দি**—(নেৰা-নেপেৰাকৈ লাগ্)— তুমি 'ভূত-লগা দিলা' দেখোন ; মই তোমাক কি উপায় দিম?

**ভূতীয়াই পৰত নাপালে ঘৰত খা**—(দুষ্ট স্বভাৱৰ মানুহে পৰক নাপালে নিজকে অপকাৰ কৰ্)—'ভূতীয়াই পৰত নাপালে ঘৰতে খায়' ; সিও আন উপায় নাপাই পিতাকৰ বাকচকে ভাঙিলে।

**ভূতে খোৱাদি খা**—(অপৰিমিতভাৱে খা)—সেই মানুহটোৱে 'ভূতে খোৱাদি খাইছে' ; বোধ হয়, কেবাদিনো খোৱা নাছিল।

**ভূমি ছুই কাণত হাত দি**—(পৃথিৱীক সাক্ষী কৰি এনে-তেনে কথা শুনাও পাপ বুলি ক)—মই তাক চোৰ বুলি কলোঁ ; সি বাৰ বাৰ কৰি 'ভূমি ছুই কাণত হাত দিলে'।

**ভেকাহি মাৰ্**—(১। ডাবি মাৰ। ২। নোৱাৰোঁ বুলি ডাবি মাৰি ক)—১। তেওঁক কথাটো সোধোঁতেই 'ভেকাহি মাৰি' উঠিল। ২। কামটোলৈ তাক পাচিলোঁ ; সি 'ভেকাহি মাৰি' গুচি গ'ল।

**ভেকুৰি-ভজৰ কথা**—(অতিশয় গোপন কথা)—তেওঁলোকৰ 'ভেকুৰি-ভজৰ কথা' খুঁচৰি আমাৰ লাভ কি?

**ভেকুলীৰ ছাল**—(অকামিলা বস্তু)—এই 'ভেকুলীৰ ছালসোপা' খুপুৰিয়াই কি কৰিবা? আমাক নালাগে, আনক লাগে যদি দিয়ক।

**ভেকুলীৰ পিঠিত নোম গজ্**—(টোকোনা মানুহে সামান্য লাভ পা)—সি নো বেপাৰ কৰি কিমান আৰ্জে? কেতিয়াবা 'ভেকুলীৰ পিঠিত নোম গজিলেও' তাৰে তাৰ সংসাৰ নচলে।

**ভেকো ককা**—(অসংখ্য দুষ্ট বা দুৰ্গত লোকৰ মাজত এজন সজ বা সবলযুক্ত মানুহ)—এই আকালত তেওঁ কিমানক সহায় কৰিব? অকল এজন 'ভেকো ককাই' কিমানক তৰাব?

**ভেকো ককা মোকো দি**—(বিপদৰপৰা উদ্ধাৰ কৰিবলৈ কাতৰ প্ৰাৰ্থনা কৰ্)—অসংখ্য লোকে 'ভেকো ককা মোকো দি' বুলি আৰ্তনাদ লগাইছে; কিন্তু এনে বিপদত কোনে কাক কিবি চায়?

**ভেকো-ভাওনা**—(আপচু কাম; অসাৰ্থক কাৰ্য)—আমাৰ অভিনয় মুঠে ভাল নহ'ল; 'ভেকো-ভাওনা' কৰি লাজহে পালোঁ।

**ভেজা দি**—(সহায় কৰ্)—আপুনি 'ভেজা নিদিলে' মই এই কামত কৃতকাৰ্য হোৱা টান।

**ভেট-গুটি**—(নিচেই সৰু—ল'ৰাত খাটে)—'ভটা-গুটীয়া' চোৱা।

**ভেট-চকুৱা**—(১। ভোটা দৃষ্টিৰ। ২। ভোটা বুদ্ধিৰ)—১। তই 'ভেট-চকুৱা' নেকি? আমটো দেখা নাই? ২। ল'ৰাটো 'ভেট-চকুৱা'; তোমাৰ কথা সি একো বুজা নাই।

**ভেট ভেটীয়া**—(উখহি শেতা পৰা)—মাছবোৰ মৰি 'ভেট ভেটীয়া' হৈছে।

**ভেটি উছন হ**—(মৰি নিৰ্মূল হ)—বন্যাৰোগত সেই পৰিয়ালটোৰ 'ভেটি উছন হৈছে'।

**ভেটি উঠ্** (বা মৰ্)—'ভেটি উছন হ' চোৱা।

**ভেটিত ভিতা লাও গজ্**—(ভেটি উছন হ)—সি যিমান জঁপিয়াব লাগিছে, তাৰ 'ভেটিত' সোনকালে 'ভিতা লাও গজিব'।

**ভেটিত দুবৰি গজ্**—'ভেটি উছন হ' চোৱা।

**ভেটিত হুহু পৰ্**—'ভেটি উছন হ' চোৱা।

**ভেটি মৰ্**—'ভেটি উঠ্' চোৱা।

**ভেড়া-খুঁটি পাত্**—(কোনো কথাত খাঁকোৰ-খজাকৈ লাগি থাক্—ল'ৰা-ছোৱালীত খাটে)—কিনো 'ভেড়া-খুঁটি পাতিলি'? পিঠা একিয়া নাই; পিছত আহি দিম।

**ভেড়া-ঘৰ**—( কাহুৰাৰ আগ দিয়া গধূলি ছাগলী এটা ভিতৰত থৈ জুই লগাই দিবলৈ সজা সৰু ঘৰ )—কাহুৰা আহিল ; কোনে কি কৰিবা, জগাই লোৱা ; মই 'ভেড়া-ঘৰটো' সজাই দিম।

**ভেড়াৰ পাল**—( ভীৰু স্বভাৱৰ মানুহৰ জাক )—তোমালোক মানুহ নে 'ভেড়াৰ পাল' ? দোকানীয়ে কেনেকৈ ঠগি খাব লাগিছে, তোমালোকে মুখ ফুটাই কব নোৱাৰা নে ?

**ভেদত লগাকৈ ক**—( মৰ্মকথা ক )—'ভেদত লগাকৈ নকলে' তেওঁক নিৰুত্তৰ কৰিব নোৱাৰি।

**ভেদ ভাঙ**—( গোপন ৰহস্য প্ৰকাশ কৰ )—মই 'ভেদ ভাঙি' কলোঁ, সেই দেখি শত্ৰু হলোঁ।

**ভেন্ভেনীয়াই জনা**—( অ'ত ত'ত নানা কথাৰ উহ লৈ ফুৰা মানুহে খাতৰি দি )—আমি বৌ-মাছ অনা বুলি নো কোন 'ভেন্ভেনীয়াই' তইতক 'জনালেগৈ' ?

**ভেবা ( বা ভেবুৰা বা ভেবেকা ) লাগ**—( হতবুদ্ধি হ )—মোটৰৰ আগত পৰি তেওঁ 'ভেবা লাগিল'।

**ভেমটো ভেমটো কলহৰ কাণটো**—( অসাৰ্থক ভেম )—ডাঙৰ বংশৰ বুলি ভেম কৰি থাকিলে কি হব ? এই 'ভেমটো' এতিয়া 'ভেমটো' হৈ নাথাকি 'কলহৰ কাণটোহে' হ'লগৈ।

**ভেম ধৰ ( বা মাৰ )**—( ফিতাহি মাৰ ; বৰ লোকৰ গঢ় ধৰ )—'ভেম ধৰি' ডাঙৰ মানুহ হব নোৱাৰি ; গুণেৰেহে মানুহ ডাঙৰ হয়।

**ভেৰ উঠা**—( আগৰ ক্ষতি পূৰ কৰ )—তেওঁ এইবাৰৰ বেপাৰত ভাল লাভ কৰিলে ; আজি দুবছৰৰ 'ভেৰ উঠালে'।

**ভেৰণীয়া ধৰ**—( কোনো কাম কৰিবলৈ মানুহ লগা )—তোমাক তেওঁৰ ওচৰলৈ পঠালোঁ ; তোমাৰ যাবলৈ সাহ নহ'ল, 'ভেৰণীয়া ধৰি' আন এজনকহে পঠালা।

**ভেৰ-পেটী বোৱা**—( পেটটো সাৰ—অপদাৰ্থ মানুহ )—সি খায় আৰু শোৱে, আন একো কাম নাই ; এনে 'ভেৰ-পেটী বোৱাটো' মই পুহি থাকিব নোৱাৰোঁ।

**ভেৰাকুটি কৰ**—( হাত মুখ আদি বিকটাই কোনো মানুহৰ লগত ধেমালি কৰ—সৰু ল'ৰা-ছোৱালীত খাটে )—এতিয়া 'ভেৰাকুটি কৰিবলৈ' এৰা, তুমি অলপ পঢ়াগৈ ; মই বজাৰৰপৰা আহোঁতে তোমালৈ ছবি আনিম।

**ভেৰ্ঘেঁঠ জোৰ্ (বা পাত্)**—(ঠেহ ধৰি কাম কৰিবলৈ অসন্মত হ)—ছোৱালীজনীক আৰু বুটলিবলৈ মাতিলোঁ ; তাই 'ভেমেঁঠ জুৰিলে'।

**ভেলা-ঘৰ**—(১। মেজি। ২। ডাঙৰ-দীঘল কিন্তু কামত ধৰ ঢিলা মানুহ)—১। এই বাৰ মাঘৰ দোমাহিলৈ কেইটা 'ভেলা-ঘৰ' সাজিলা? ২। মানুহটো কাম-কাজত মুঠেই পাকৈত নহয়, দেখাতহে 'ভেলা-ঘৰ'।

**ভেলা ভাহা দি**—(নিৰুপায় বা আশ্ৰয়হীন হৈ অনাই বনাই ফুৰ্)—সেউতা ঢুকাল, আমি তেতিয়া নিচেই সৰু ; ভাই-ভনী কেওটি 'ভেলা ভাহা দিবলৈ' ধৰিলোঁ।

**ভেলা শাৰী ধৰ্**—(শাৰী পাতি বহুত পৰ বৈ থাক্)—ইয়াত মিস্ত্ৰীক চাই দেখোন তইতে 'ভেলা শাৰী ধৰি' থাকিলি! কাম-বন নাই নে?

**ভেলেকী লগা পহু**—(বিপদৰ কথা পাহৰি আপোন-পাহৰা হৈ বৈ থকা মানুহ)—'ভেলেকী লগা পহু', ভেলেকী লাগিল নে কি? বিপদ্ যে আহি পালে, গম পোৱা নাই নে?

**ভেশছদ্ম কৰ্**—(ছদ্মবেশ ল)—বঙ্গাই 'ভেশছদ্ম কৰি' গাঁৱে গাঁৱে ফুৰিবলৈ ধৰিলে।

**ভেশ ধৰ্ (বা ল)**—(ভাও ল ; ছদ্মবেশ ধৰ্)—পুলিচটোৱে সন্ন্যাসীৰ 'ভেশ ধৰি' গাঁৱত সোমাল।

**ভোক চৰ্**—(বৰকৈ ভোক লাগি পিছত ভোক নাইকিয়া বা দুৰ্বল হ)—এই পথুলিটো লঘোনে থকাত তাৰ 'ভোক চৰিছে' ; দুগৰাহমানহে খালে।

**ভোকত পেটৰ কেঁচু-কুমটি মৰ্**—(অতিশয় ভোক লাগ্)—মোৰ 'ভোকত পেটৰ কেঁচু-কুমটি মৰিব' লাগিছে ; যি আছে তাকে খাবলৈ দিয়া।

**ভোকত ভাত পিয়াহত পানী**—(প্ৰয়োজনমতে সহায় কৰ্)—'ভোকত ভাত পিয়াহত পানী' নিদি আৰু কিবা যাঁচিলে কোনে সন্তোষ পাব? তেওঁ বিচাৰিছে চাকৰি, তুমি কৈছা ব্যৱসায় কৰিবলৈ। তেওঁ হতাশ হ'বই।

**ভোক-পিয়াহ টুট্**—(মনটো আন কামে আকৃষ্ট হোৱাত ভোক-পিয়াহৰ কথা পাহৰ্)—ছোৱালীজনী এনে ধুনীয়া, দেখিলেই 'ভোক-পিয়াহ টুটে'।

**ভোক-মুৰীয়া লাগ্**—'ভোক চৰ্' চোৱা।

**ভোকৰ ভাতত কুকুৰ বৈৰী হ**—(কোনো আকাঙ্ক্ষা পূৰ্ণ হোৱা বাটত অন্তৰায় উপস্থিত হ)—মাছ ধৰি উভতিছোঁ, এনেতে পুলিচ দুটা ওলালহি ; চৰকাৰী বিলত হেনো মাছ ধৰিছোঁ, সিহঁতক টকা লাগে। 'ভোকৰ ভাতত কুকুৰ বৈৰী হোৱাত' ঘৰ ধং উঠিল।

**ভোক-বিহা**—( উপবাসৰ পিছত গালে গাত লগা ভাগৰ )—খোৱাৰ পিছত ল'ৰাটোৰ 'ভোক-বিহা' লাগিছে ; শোৱক দিয়া।

**ভোকোহা এন্দুৰ**—( আগটী আৰু ঘিণ লগা মানুহ )—সেইটো অতা 'ভোকোহা এন্দুৰ', তাতৈ কোৱালী পোৱা টান।

**ভোকেহে ভাতৰ আঞ্জা**—( ভোক লাগিলে যেই সেই খাদ্যই তৃপ্তিদায়ক হ )—আঞ্জাৰ কথা কব নালাগে, আমাৰ যিমান ভোক লাগিছে, সেই 'ভোকেই ভাতৰ আঞ্জা' হব।

**ভোগাই নাম লৈ পানী-কাঁহুদিবে খা**—( বাহিৰত ধনী বুলি কিতাহি যদি ভিতৰি নিঃসম্বল হৈ থাক্ ) তেওঁক মানুহে ধনী বুলিয়েই জানে। পিছে প্ৰকৃততে তেওঁ 'ভোগাই নাম লৈ পানী-কাঁহু দবে খাই' আছে।

**ভো-চক্ৰ পাত্**—( নানা কথাৰ দীঘলীয়া মেল পাত্ )—পুৰাকণা 'ভো-চক্ৰ পাতি' বহি আছা, ঘৰত মেকুৰীৰ মুখত কোবাবলৈও এড়ালা খৰি নাই।

**ভোজ খাবলৈ আহি পাটী পাৰ্**—( অস্থায়ীভাৱে আহি স্থায়ী হৈ বহ খোজ্ )—মোগল বাহিনীৰ লগত অসমলৈ যুঁজ দিবলৈ আহোঁতে বহুতে 'ভোজ খাবলৈ আহি পাটী পাৰি' অসমত বৈ গ'ল।

**ভোজ-খোৱা ঢেকুৰা**—( সুবিধা পাই আনৰ ওপৰত বৰ্ত্তি থকা মানুহ )—'ভোজ খোৱা ঢেকুৰাৰ' সংখ্যা সমাজত যেতিয়া কমি আহিব, তেতিয়াহে সমাজৰ উন্নতি হব।

**ভোজ খোৱা শিয়াল**—'ভোজ খোৱা ঢেকুৰা' চোৱা।

**ভোজনতকৈ বচন মিঠা পা**—( খুৱন-ধুৱন আদিতকৈ ব্যৱহাৰত বেছি সন্তুষ্ট হ )—মানুহে 'ভোজনতকৈ বচনহে' বেছি 'মিঠা পায়'। সেই দেখি, ইমান ভালকৈ খাইও মানুহে তোমাৰ ব্যৱহাৰত বেয়া পাইছে।

**ভোজনত নীচ নে বচনত নীচ**—( ব্যৱহাৰেহে মানুহৰ ভাল-বেয়া নিৰূপণ কৰ্ )—একল ভাল খুৱাই প্ৰশংসা পাব নোৱাৰি ; সেই দেখিহে ভাল খুৱাওঁতো তেওঁক সকলোৱে নিন্দা কৰে। 'ভোজনত নীচ নে বচনত নীচ ?'

**ভোজনত বহি কুলৰ বাতৰি লোধ্**—( সময় উকলি যোৱাৰ পিছত কোনো কথাৰ অনুসন্ধান কৰ্ )—বিয়া পৰহিলৈ ; আজি সম্বন্ধ বিচাৰিলে কি হব ? 'ভোজনত বহি কুলৰ বাতৰি লোধা' কিয় ?

**ভোজৰ খাহী**—( শকত-আৱত কিন্তু অকৰ্মা মানুহ )—তোৰ দৰে 'ভোজৰ খাহীটোক' এই বান-বাখিৰা কোনে পুহি থাকিব ?

**ভোজৰ ভাতেদি আকাল তৰ্**—( ক্ষণস্থায়ী সুযোগৰ চেলু লৈ বিপদ্ পাৰ হ )—'ভোজৰ ভাতেদি আকাল তৰিবলৈ' বিচাৰিলে কি হব ? আমি যি দুখীয়া দুখীয়াই; তুমি এসাজ খুৱালাই, কি উপকাৰ হব ?

**ভোটৰ কুকুৰ**—( কথা-বতৰা বুজি কাম আৰম্ভ কৰোঁতে পলম কৰা মানুহ )—সি গাঁৱলীয়া ল'ৰা, নগৰলৈ আহি 'ভোটৰ কুকুৰ' নহৈ কি হব ? কিছুদিন পিছতহে স্বাভাৱিকৰূপে কাম-বন কৰিব পাৰিব।

**ভোটা তৰা যেন জ্বল্**—( বিশেষ নামজ্বলা হ )—অসমীয়া সাহিত্য আকাশত হেমচন্দ্ৰ বৰুৱা চিৰ দিন 'ভোটা তৰা যেন জ্বলি' থাকিব।

**ভোলানাথ পুৰুষ**—( বৰ সৰল অন্তৰৰ আৰু সজগুণী লোক )—তেওঁ 'ভোলানাথ পুৰুষ', যি কোৱা, তাতেই সন্তুষ্ট হয়।

## ম

**মকৰা-হিচাপ**—( এটা বস্তুৰ মূল্য ধৰি অনেক বস্তুৰ মূল্য নিৰূপণ কৰা কাৰ্য )—ঐকিক নিয়মৰ হিচাপকে 'মকৰা-হিচাপ' বুলিব পাৰি।

**মকৰাই চুহ্ ( বা টুক্ )**—( কাণৰ দাঁতিত খজ্-খজীয়া ডি এবিধ ঘা হ )—ল'ৰাটিৰ দুয়ো কাণত 'মকৰাই টুকিছে', দৰৱ দিয়া।

**মগৰ মুলুকে পা**—( যিহকে ইচ্ছা তাকে কৰিবলৈ সুযোগ পা )—তেওঁ 'মগৰ মুলুক পাইছে' নে কি ? এইবোৰ কথা আমি সহি নাথাকোঁ।

**মগ্ বান্ধি কৰ্**—( কথা-বতৰা দুগুনা বতাৱৰ হৈ কৰ্তব্যক আওকাণ কৰি ফুৰ্ )—'মগ বান্ধি কৰি' ল'ৰা কাল কটাইছিলা; এতিয়া কি উপায়েৰে জীৱিকা আৰ্জিবা ?

**মৰা পৰ্**—( ১। তৰা পৰ্। ২। কোনো কাৰ্যত নিষ্ফল হ )—১। মাছডবাত হেঁই মাকাটিলে; 'মৰা পৰিল'। ২। ভাগ্যোলৰ বেপাৰ কৰিলোঁ, তাতো 'মৰা পৰিল'।

**মৰা মাৰ্**—( নিজে খাই থ )—তেওঁ বাজহুৱা ধন লোপাকে 'মৰা মাৰিলে'।

মঙহ খা—( বৰ অনিষ্ট কৰ্ )—তই গৰুটো এৰি দি মোৰ 'মঙহ খালি'; এতিয়া কৰোঁ কেনেকৈ ?

মঙহ গোজা—( স্বভাৱতে নিজৰ জন বুলি চিনি পা )—'মঙহ গোজাৰ', তোমাক দেখিয়েই আমাৰ কোনোবা আপোন বুলি ভাবিছিলোঁ।

মঙহ ধৰ্—( পুষ্ট হ )—নবিয়াৰ পিছত মানুহটোৱে লাহে লাহে 'মঙহ ধৰিবলৈ' ধৰিলে।

মঙ্গল চা—( শুভাশুভ গণনা কৰ্ )—বছৰটো মোৰ পক্ষে কেনে হব, 'মঙ্গল চাই' কওকচোন।

মঙ্গল মাৰ্—( আগ-ঠেং ছুটাৰে মাটিত খাঁচোৰ্ )—মেকুৰীজনীয়ে 'মঙ্গল মাৰিছে'; কোনোবাই মাছ আনে নেকি ?

মজা কৰ্—( সুখ ভোগ কৰ্ )—বুঢ়াই টকা আৰ্জি থৈছে, পুতেকহঁতে 'মজা কৰি' খাইছে।

মজা দি—( দুখ-কষ্ট দি )—গিলাচটো ভাঙিলি; এতিয়া বুঢ়ীয়ে 'মজা দিব' ৰবি।

মজা পা—( দুখ পা)—তেতিয়া হাক নুশুনিলি, এতিয়া কেনে 'মজা পালি' ?

মজা পোকে কামোৰ্—( বিভ্ৰত বা ধৈৰ্যহীন হ )—তুমি নো আহিয়েই যাওঁ যাওঁ লগাইছা ? কিনো 'মজা পোকে কামুৰিলে' ?

মজা মাৰ্—'মজা কৰ্' চোৱাঁ।

মঠ জোৰ (বা ধৰ্)—( থং কৰি কোনো কাৰ্য নকৰোঁ বুলি থাক্ )—তেওঁ বোলে নাখায়, কাপোৰ কানি সোলোকাই থৈ 'মঠ জুৰি' বহি আছে।

মণি পিন্ধা—( আঙঠি পিন্ধা; কৌট দি )—আমাৰ ডাঙৰ ল'ৰাটোলৈ তেওঁৰ ছোৱালী-জনীক 'মণি পিন্ধাব' খুজিছোঁ।

মত্-গজ—( শকত-আৱত; ভব্য )—সেই 'মত্-গজটোৱে' কৰোঁ বুলিলে কি কৰিব নোৱাৰে ?

মতা-তিৰি চা—( বীৰত্বৰ পৰীক্ষা কৰ্ )—কামটো কৰিবলৈ দি তোমাৰ 'মতা-তিৰিহে চাইছোঁ'।

মতি-গতি—( মনৰ চাল আৰু গতি )—ল'ৰাটোৰ 'মতি-গতি' ভাল নহয়; কত বাটে সদায় পিঠি দিহে ফুৰিছে।

মতি-বুদ্ধি—( বুজ-বিবেচনা )—সৰুৰেপৰা 'মতি-বুদ্ধি' ভাল আছিল দেখিহে ডাঙৰতো তেওঁৰ সুনাম বাঢ়ি ছুটি গৈছে।

**মথনিত ঘিউ বাঢ়্**—( অনুশীলনতে ব্যুৎপত্তিৰ উৎকৰ্ষ হ )—'মথনিতহে ঘিউ বাঢ়ে'; তুমিও কৰ্ত্তব্যত যিমানে মনোযোগ দিবা, তিমানে বুদ্ধিৰ বিকাশ ঘটিব।

**মথুৰা পাগ**—( বৰ ডাঙৰ পাগুৰি )—'মথুৰা পাগে' সৈতে সেইজন কোন হে? হেজাৰৰ মাজত জিলিকি উঠিছে।

**মদত-খানা**—( কাণি খোৱা আড্ডা )—কাণীয়াটোক বিচাৰি বিচাৰি গাঁৱৰ 'মদত-খানা' পালোঁগৈ।

**মদত দি**—( ভিতৰি পৰামৰ্শ বা আশ্ৰয় দি )—তাক এইবোৰ কামত 'মদত দিছে' কোনে? নিজে এনে উদ্ধতালি সি কেতিয়াও কৰিব নোৱাৰে।

**মদকৰা পৰ্**—( বিবৰ্ণ হ )—তোমাৰ আঙঠিটো সোণৰ হোৱা হলে দুদিনতে 'মদকৰা পৰিব' কিয়?

**মদাৰ গছৰ পাণ পাৰ্**—( বৰ কষ্টকৰ কাৰ্য কৰ )—তুমি নো ক'ৰ 'মদাৰ গছৰ পাণ পাৰি' আহিলা, যে চেৰ মেৰকৈ বাগৰি পৰিলা?

**মধুকলৰ ঢেঁকী**—( শকত-আৱত কিন্তু অকামিলা মানুহ )—গা-গাঁডিয়ে থাকিলে কি হব? মানুহটো 'মধুকলৰ ঢেঁকী'; একোতে তাৰ সাধন নাই।

**মন উঠ্**— উৎসাহিত হ )—তাৰ দেখোন দোকান দিবলৈকেই 'মন উঠিছে'।

**মন ওফৰ**—( মন পিছল্ )—কামটোত ধৰি এতিয়া 'মন ওফৰালে' ইটোও নহল, সিটোও নহব, য'তে আছা, ত'তে মন পুতি কৰা।

**মন কৰ্**—( ১। ইচ্ছা কৰ্। ২। মনোযোগ দি; লক্ষ্য কৰ্ )—১। গাইজনী কিনিবলৈ 'মন কৰিছোঁ'। ২। তেওঁ কি কৈছে, মই 'মন কৰা' নাই।

**মন কৰিলে ছুন কৰিব পাৰ্**—( ইচ্ছা কৰিলে সকলো টান কামো কৰিবলৈ সক্ষম হ )—মানুহে নোৱাৰে কি? 'মন কৰিলে ছুন কৰিব পাৰি'। কথা হৈছে, প্ৰ:ত্যকটো কামলৈ আমি কেনেকৈ মন কৰোঁ?

**মন খা**—( পছন্দ কৰ্; ভাল পা )—এই কাপোৰখনলৈ তেওঁৰ বৰকৈ 'মন খাইছে'।

**মন গা উধা**—( উৎসাহযুক্ত হ )—যি কামকে কৰা, 'মন গা উধাই' কৰিবা; তেহে কাম সিজিব।

**মন-চিত পা**—( অন্তৰৰ কথা বুজ্ )—আজি দুবছৰেও তেওঁৰ 'মন-চিত নাপালোঁ'।

**মন-ডাঠ্**—( দৃঢ়মনা; সাহসী )—তেওঁৰ দৰে 'মন-ডাঠ' মানুহ মই দেখা নাই।

**মনত চুৱা খা**—( প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ অক্ষম হ )—কবুলমতে টকাখিনি পৰিশোধ কৰিব নোৱাৰি তেওঁৰ 'মনত চুৱা খাই' আছেঁ।।

**মন দি**—( মনোযোগ দি )—পঢ়াশুনাত 'মন দিয়া' ; পৰীক্ষা আহিল।

**মন পতিয়া**—( মনক বুজনি দি )- মাকৰ মৃত্যুত তেওঁৰ 'মন পতিয়াব' পৰা নাই।

**মন পা**—( ১। অন্তৰৰ কথা বুজ। ২। আশ্বাস পা )—১। মানুহটো কেনে স্বভাৱৰ, আমি এতিয়াও 'মন পোৱা' নাই। ২। তাক সকলোৱে মৰম কৰে দেখি সি 'মন পাই' গৈছে।

**মন পুতি লাগ**—( মনোযোগ দি ধৰ্ )—যি কামত লাগা, 'মন পুতি লাগিবা'।

**মন পোত্**—'মন পুতি লাগ' চোৱাঁ।

**মন পোৰ্**—( মনত কষ্ট বা শোক পা )—ছোৱালীজনীলৈ মোৰ 'মন পুৰিছে'।

**মন বঢ়া**—( মন মেল্ )—সকলো কথাতে 'মন' যিমানে 'বঢ়াবা', সিমানে বাঢ়িব।

**মন-বঢ়া**—( উদ্ধত, দেও-পৰা )—তোমাৰ 'মন-বঢ়া' স্বভাৱ এৰি পেলোৱা।

**মন-বলী**—( সাহিয়াল ; উচ্চাকাঙ্ক্ষী )—ৰবস্ৰা ডাঙৰীয়া সকলোপৰা ৰব 'মন-বলী' আছিল।

**মন বাগৰ্**—( মন ঘুৰ্ )—বৰ চেষ্টা কৰাতো পঢ়াশুনালৈ ল'ৰাটোৰ 'মন বাগৰা' নাই।

**মন বাঢ়**—( অধিক ইচ্ছা হ )—জুৱাত টকা পোৱাত, জুৱালৈ তেওঁৰ 'মন বাঢ়ি' গৈছে।

**মন বান্ধ্**—( মন কোঁচা ; সংযত কৰ্ )—মই এতিয়া 'মন বান্ধিছো' ; এইবাৰ প্ৰলোভনে মোক টলাব নোৱাৰে।

**মন বুজা**—( প্ৰবোধ দি )—মৰা মানুহ জীয়াব নোৱাৰি ; তাকে ভাবি 'মন বুজাইছোঁ'।

**মন ভাগ্**—( আগ্ৰহহীন হ )—মই আৰু কাম কৰিব নোৱাৰোঁ ; 'মন ভাগি' গৈছে।

**মন-মৰা**—( বিমৰ্ষ )—ল'ৰাটো সদায় 'মন-মৰা' ; তাৰ হাঁহি দেখা নাই।

**মন মাৰ**—( নিৰানন্দ হ )—'মন মাৰি' বহি থাকা কিয় ? ফুৰি আহোঁ আহা।

**মন যা**—( ইচ্ছা কৰ্ )—বৌ-বিভাগত সোমাবলৈ তেওঁৰ 'মন গৈছে'।

**মন যোগা**—( কাৰো ইচ্ছা অনুসৰি কাম কৰ্ )—মই সদায় তেওঁৰ 'মন যোগাই' থাকিব নোৱাৰিলোঁ ; সেই দেখি তেওঁ অসন্তুষ্ট হৈছে।

**মনৰ কথা মনতে থাক্**—( মনৰ ভাব ব্যক্ত নকৰ্ )—সাত-পাঁচ ভাবি মনতাকে ভাবি আছিলোঁ ; 'মনৰ কথা মনতে থাকিল'।

**মন লাগ্**—'মন যা' চোৱাঁ।

**মন হলে হুম কৰিব পাৰ্**—(ইচ্ছা থাকিলে সকলো সম্ভৱ হয়)—'মন হলে হুম কৰিব পাৰি'; মন নোহোৱাতহে তুমিও কামটো কৰিব পৰা নাই।

**মণি হেৰোৱা ফণী**—(অপূৰণীয়ভাৱে ক্ষতিগ্ৰস্ত হোৱা মানুহ)—বুঢ়া-বুঢ়ীৰ শোক বৰ্ণাব নোৱাৰি; পুতেকৰ মৃত্যুত দুয়ো 'মণি হেৰোৱা ফণী' যেন হৈছে।

**মনে আঠু কাঢ়্**—(মনেৰে শৈশৱ কাল ঘূৰাই পাবলৈ হাবিয়াস কৰ্)—যিমানে বয়স বাঢ়ি গৈছে, তিমানে 'মনে আঠু কাঢ়িছে'; কিন্তু শৈশৱ জানো আকৌ ঘূৰাই পাব পাৰি?

**মনে খন্দা পুখুৰীত পানী খাবলৈ নাপা**—(বৰ আশাৰে কল্পনা বা কাৰ্যৰ ফল ভোগ কৰিবলৈ নাপা)—ভাবিছিলোঁ, সুখৰ সংসাৰ এখন পাতিম, সুখেৰে খাই-বই থাকিম; কিন্তু 'মনে খন্দা পুখুৰীত পানী খাবলৈ নাপালোঁ'।

**মনে-চোৱা**—(কল্পনাৰে চুকি পোৱা)—তুমি দিয়া বৰ্ণনাটো মোৰ 'মনে-চোৱা' হোৱা নাই।

**মনেদি ৰজা হব খোজ্**—(মনত ডাঙৰ আশা কৰ্)—অকল 'মনেদি ৰজা হব খুজিলেই' নহয়; সেই জোখাৰে অধ্যৱসায়ো লাগে।

**মনে-পতা**—(মনেৰে সাজি লোৱা; কাল্পনিক)—মোৰ 'মনে-পতা' ৰাজ্যখন কেতিয়া বাস্তৱত পৰিণত হব?

**মনে-মুখে**—(কথাই-কামে)—তেওঁ 'মনে-মুখে' কেতিয়াও একে নহয়।

**মনে-সজা**—'মনে-পতা' চোৱাঁ।

**মন্ত্ৰ দি**—(১। গোপন পৰামৰ্শ দি। ২। দীক্ষা দি)—১। বুঢ়ীয়ে নো তোমাক কি 'মন্ত্ৰ দি' গ'ল? বন-বাৰিবোৰৰ কথা হ'লা। ২। এইজনা গোসাঁয়ে তেওঁক 'মন্ত্ৰ দিছে'।

**মন্দ-ভাগী**—(দুৰ্ভগীয়া)—"শুনিয়োক ৰামী 'মন্দ-ভাগী' আমি সহিবো কত বিকাৰ"।

**মন্দ-মতি**—(দুৰ্বুদ্ধিযুক্ত)—'মন্দ-মতি' লোকে বাট এৰি অবাটে যাবই।

**মন্দ-ৰোগী**—(পেটৰ ৰোগ থকা)—তেওঁ 'মন্দ-ৰোগী'; এইবোৰ একোকে নাখায়।

**ম-ম কৰে**—(সুগন্ধযুক্ত হৈ)—সুৱদ-পোৱা ধঁপাতখিনি 'ম-ম কৰে' গোন্ধাইছে; খাবৰ মন যায়।

**ম-মৰা হ**—(বৰ মিলাপ্ৰীতিযুক্ত হ)—দুয়োটি পৰিয়াল আকৌ 'ম-মৰা হৈছে'।

**ময়-মত্ত**—(মদ-মত্ত)—'ময়-মত্ত' প্ৰকৃতিৰ লোকে ক'তো মান নাপায়।

**মৰ-খাঁউসী**—( অমাৰত্তা )—আজি ৰাতি 'মৰ-খাঁউসী' ; জাত থাকি ।

**মৰং-ঘৰ**—( ১। শৌচ কৰা ঘৰ। ২। চাং-ঘৰ )—১। ঘৰে ঘৰে 'মৰং-ঘৰ' একোটা সাজি লবা ; যঁতে তঁতে শৌচ কৰা বেয়া। ২। নগাবিলাকে 'মৰং-ঘৰত' থাকে।

**মৰং-চোৱা**—( শৌচ কৰা ঘৰ চাঁতোৰা মানুহ ; মেথৰ )—এটা 'মৰং-চোৱা' নিযুক্ত কৰা ; নহলে শৌচ কৰা ঠাই পৰিষ্কাৰ কৰিব কোনে ?

**মৰং লাগ**—( ব্যাপকভাবে কলেৰা লাগ্ )—গাঁৱত 'মৰং লাগিছে' ; ডাক্তৰে বেজী দি ফুৰিছে।

**মৰ-কামোৰ**—( মৰোঁ-জীওঁকৈ কৰা কাৰ্য )—সকলো কামতে 'মৰ-কামোৰ' দি ধৰিছে হে কৃতকাৰ্য হব পাৰি।

**মৰ-কুঁচীয়া লাগ্**—( লাহে লাহে শুকাই-খীণাই যা )—গছজোপাত কিবা 'মৰ-কুঁচীয়া লাগিছে', নানা আপডাল কৰিছোঁ ; তথাপি ভলকৈহে চানিছে।

**মৰ-গেনেৰা পৰ্**—( শ্ৰীহীন হ )—ইমান খায়, তথাপি গৰুটো 'মৰ-গেনেৰা পৰি' গৈছে কিয় ?

**মৰতে মৰা**—( জহনীত যোৱা—গালিত থাটে )—এই ছুপৰীয়া 'মৰতে মৰা' কলৈ গ'ল ?

**মৰ-চেঙঁৰা**—( মৰা শ'ৰ গাত লাগি দিয়া পাতল কাপোৰ )—মোলৈ 'মৰ-চেঙঁৰা' ৰব লাগিছোঁ, তই ধৰিবি কিয় ?

**মৰ-চেবেলা**—( শুকাই খীণাই মৰিবৰ নিচিনা হোৱা )—এই 'মৰ-চেবেলা' গাইজনী মোক নালাগে।

**মৰ-জাহ দি**—( মৰোঁ বুলি কোনো বিপদজনক কামত ধৰ্ )—কামটোত তেওঁ 'মৰ-জাহ দি' ধৰিছে।

**মৰ্-চেং জোৰ্**—( মৰাৰ ভাও জোৰ্ )—হাঁলোৱাটো ছুলে-পৰীয়া ; সেই দেখি বোকাত বাগৰি পৰি 'মৰ-চেং জুৰিছে' ; এৰি দিলে উঠি লৰ মাৰিব।

**মৰ্-চেং দি**—( প্ৰাণৰ বিনিময়ত হলেও কোনো অনুৰোধ ৰক্ষা কৰিবলৈ সকাতৰ প্ৰাৰ্থনা কৰ্ )—ছুপৰীয়া সি 'মৰ-চেং দিলেহি' ; গিৰীয়ৰ হেনো ছুদিন লঘোনে আছে ; নিৰুপায় হৈ এদোণ চাউল দিলোঁ।

**মৰণতকৈ নাখি খোৱাও ভাল**—( ছুটা বিপদ্ বা কঠিন সমটো গ্ৰহণ কৰাই শ্ৰেয়ঃ )—পুলিচত দিব নালাগে ; ভাতকৈ গধাই ভাবপৰা টকা এশকৈ লওক। 'মৰণতকৈ নাখি খোৱাও ভাল।'

**মৰণত শৰণ দি (বা লৈ)**—(মৰোঁ-জীওঁকৈ কোনো কামত ধৰ্)—'মৰণত শৰণ দি' দোভাগ ৰাতি অকলে ওলালোঁ।

**মৰণা মৰা দি**—(১। সমূলি বিশৃঙ্খল কৰ্ ।২। বহুত উপাৰ্জন কৰ্)—১। তামোলবোৰ ঘৰে-চোতালে দলিয়াই 'মৰণা মৰা দিলে' কোনে? ২। এইবাৰৰ ঠিকাত ভেণ্ড টকা 'মৰণা মৰা দিলে'।

**মৰণা মাৰ্**—(১। গৰুৰে গছকাই শস্যৰ গুটি বেলেগ কৰি উলিয়া। ২। বিশৃঙ্খল কৰ্)—১। ধানৰ ডাঙৰি বহুত জমা হ'ল; কেটামান 'মৰণা মাৰিব' লাগিব। ২। বালিবোৰ দমাই থৈছোঁ; তোমালোকে আকৌ ধেমালি কৰি 'মৰণা নামাৰিবা'।

**মৰদ কহ্লা**—(মতা মানুহ অৰ্থাৎ শক্তিমান্ বুলি ৰবাই কৰ্)—এই কামটোলৈকেই সাহে নাটিলে নে? এনেকৈয়ে 'মৰদ কহ্লাব' খুজিছা!

**মৰদ-দাখিল**—(ডেকা কাল বা অৱস্থা)—এতিয়া 'মৰদ-দাখিলত' পৰিলা; বয়সৰ লগে লগে দায়িত্বজ্ঞানো বাঢ়িব লাগে।

**মৰ-বল দি**—(সকলো শক্তি প্ৰয়োগ কৰ্)—গৰুটোৱে 'মৰ-বল' দি পঘাডাল ছিঙিলে।

**মৰ-ভেশ**—(মৰাৰ ভাও; অতিশয় সাহসহীন অৱস্থা)—পৰ-দেশত জ্ঞানী লোকে 'মৰ-ভেশ' ধৰি থাকে।

**মৰম পতিয়া**—(পুতৌ বা সহানুভূতি প্ৰকাশ কৰ্)—সি মাউৰা ল'ৰা; কিন্তু বুঢ়ীয়ে 'মৰম পতিয়াই' এধাৰো মিঠা কথা কোৱা নাই।

**মৰমৰ চুমাই নাকটি ছিঙ্**—(মিত্ৰভাৱে শত্ৰুতা কৰ্)—ধৃতৰাষ্ট্ৰৰ 'মৰমৰ চুমাই' যে ভীমৰ 'নাকটি ছিঙিব'. এই কথা পাণ্ডৱবিলাকেও তৰ্কিব পাৰিছিল।

**মৰমৰ মিছা কথাত চিত্ৰগুপ্তই হাঁহ্**—(১। যাক মৰম কৰা হয়, তাক মিছাকৈ মৰিবলৈ শাও দি ।২। যাক মৰম কৰা হয়, তাৰ সলনি নিজেই মৰিম বুলি মিছাকৈ ক)—১। বুঢ়ীয়ে নাতিয়েকক মেলেখি পাগলীৰ দৰে গালি ধৰিলে,—হেৰৌ মৰংত মৰা, ক'লৈ গলি? 'মৰমৰ মিছা কথা শুনি চিত্ৰগুপ্তই হাঁহিলে।' ২। মাকে কলে, ঈশ্বৰে মোৰ বাপাক এৰি মোকে মাৰি নিয়ক। 'মৰমৰ মিছা কথাত চিত্ৰগুপ্তই হাঁহিলে।'

**মৰম লগা**—(চেনেহৰ পাত্ৰ হ)—'মৰম লগাবলৈ' জানিবও লাগে; নহলে মৰম পাবা কেনেকৈ?

**মৰলী পাক**—( বা-মাৰলিৰ দৰে বৰ বেগাই মৰা পাক )—যুটীয়ে 'মৰলী পাক' দি গাঁৱৰপৰা গাখীৰ আনিলেগৈ।

**মৰ-শ্ৰী**—( মৰিবৰ আগে ধৰা শ্ৰী )—মৰিবলৈ বুলিয়েই নে কি, আজি দুবছৰৰপৰা সি 'মৰ-শ্ৰী' ধৰিছিল।

**মৰ-সাহ**—( মৰিবলৈও ভয় নকৰা সাহ )—এনে 'মৰ-সাহ' কৰি বাঘ গুলীয়াব নাৱাৰা।

**ম'ৰাক দেখি ঘন-চিৰিকাই পেখম ধৰ্**—( কিতাহি মাৰিবলৈ তাওৰক অনুকৰণ কৰি হাঁহিয়াতৰ পাত্ৰ হ )—সকলোৱে ঠিকাদাৰি কৰি ধন আৰ্জে, তুমিনো ৰহি থাকিবা নে? কলত পৈত্ৰিক মাটি দুবিঘাও হেৰুৱালা; 'ম'ৰাক দেখি ঘন-চিৰিকাই পেখম ধৰিবলৈ' গৈছিলা কিয়?

**মৰাক মাৰ্**—( নিশকতীয়াক অপকাৰ কৰ্ বা কষ্ট দি )—'মৰাক মাৰিব' পাৰিবা, কিন্তু তাত বীৰত্ব কিহৰ? বলবানৰ লগতহে যুঁজিব লাগে।

**মৰা-গৰু**—( অতি অপবিত্ৰ বস্তু )—মাছ পালা নে? নাই, 'মৰা গৰু', এটাও নাপালোঁ।

**মৰা গৰুক ঘাঁহ যোগা**—( সময় পাৰ হৈ যোৱাৰ পিছত সহায় দি )—যেতিয়া সময় পাৰ হওঁ হওঁ; চৰকাৰে এতিয়া দিয়া বিধান-ধানে আমাৰ কি উপকাৰ সাধিব? 'মৰা গৰুক ঘাঁহ যোগালে' কি হব?

**মৰা গৰু মাৰি বাদ ল**—( দুৰ্বলক অপকাৰ কৰি বা আন কোনো সাধাৰণ অবিহিত কাৰ্য কৰি অপযশ ল )—চোৰাং বজাৰত কাহানিও তেওঁ একো কিনা নাই; আজি এসেৰ চেনি যাঁচি দিয়াতো নাৰাখিলে; 'মৰা গৰু মাৰি বাদ লব' খোজা নাই।

**মৰা গৰুৰ ছালে বেৰা**—( উপকাৰী লোকৰ মৃত্যুৰ পিছত তেওঁৰ আদৰ্শয়ো হিত সাধ্ )—'মৰা গৰুৰ ছালেও বেৰায়'; তেওঁৰ আদৰ্শয়ো আজিলৈকে সকলো গঞাকে অনুপ্ৰাণিত কৰি আছে।

**মৰা মাখি**—( অতি নিশকতীয়া মানুহ )—গাঁৱত যি দুটা 'মৰা মাখি' আছোঁ, মিলিজুলি থাকিলে সেয়ে আমাৰ বল।

**মৰা-পিটা কৰ্**—( পাব লগীয়া আৰু দিব লগীয়া ধনৰ হিচাপ কটাকটি কৰি ধাৰ শুজ্ )—দুয়োকে 'মৰা-পিটা কৰিবলৈ' দিলোঁ; এঘণ্টাৰ মূৰত ককায়েকে ভায়েকক দহ টকা উলিয়াই দিলে; কাজিয়াৰ নিষ্পত্তি হ'ল।

**ম'ৰা-পীৰা** –( এডোখৰ কাঠৰপৰা কাটি উলিওৱা ফুলাম পীৰা )—বৰ বহিবলৈ এখন ভাল 'ম'ৰা-পীৰা' কৰা।

**মৰা-মুখত চুমা দি**—( দুখীয়া মানুহক মৰম চেনেহ নকৰ্ )—আমি মৰা-মানুহ; 'মৰা-মুখত' কোনোৱে 'চুমা নিদিয়ে'।

**মৰা মুগা যেন হ**—( অতিশয় দুৰ্বল হ )—এই কেদিনৰ জ্বৰত ল'ৰাটো 'মৰা মুগা যেন হৈছে'।

**মৰা-মূৰ্ছা**—( বৰ মাৰাত্মক—নৰিয়াত খাটে )—তেওঁ এমাহ 'মৰা-মূৰ্ছা' অৱস্থাত পৰি থাকি এতিয়াও গা টঙাব পৰা নাই।

**মৰা-মুৰা**—( নিস্তেজ আৰু বিমৰ্ষ )—ছোৱালীজনী পুৱাৰপৰা 'মৰা-মুৰা' হৈ আছে কিয়?

**মৰাৰ আধকৰা**—( মৰি-হাজি যোৱাৰ পিছত জীয়াই থকা—মানুহত খাটে )—'মৰাৰ আধকৰা' ল'ৰাছুটিয়ে এতিয়া খায় থাকে কেনেকৈ?

**মৰাৰ খৰি বজাৰ কড়ি**—( যি কোনো উপায়ে কৰিব লগীয়া কৰ্ত্তব্য )—খাজনা দিবলৈ টকা নাই বুলিলেও দিবই লাগিব; 'মৰাৰ খৰি, বজাৰ কড়িৰপৰা' কোনোৱে ৰেহাই নাপায়।

**মৰাৰ ছাল টান্**—( অত্যন্ত কদৰ্য কৃপণালি কৰি নিঃসম্বল লোকৰপৰাও ধন-বিত আদায় কৰ্ )—সি আজীৱন 'মৰাৰ ছাল টানি' আহিছে; তাৰ নিয়া অভ্যাসহে আছে; দিয়া অভ্যাস নাই। সি আজি দান কৰিব নে?

**মৰাৰ বঢ়া গালি নহ**—( মৰিবলৈ শাও দিয়াটোৱেই আটাইতকৈ ডাঙৰ গালি হ )—'মৰাৰ বঢ়া গালি নাই'; মৰিবলৈ কোৱা দেখি বুঢ়ীয়েও খং কৰিছে।

**মৰাৰ মুৰে**—( উত্তৰৰ কালে মুৰ কৰি )—'মৰাৰ মুৰে' শুব নাপায় বুলি কয়।

**মৰা শ'**—( মৰা মানুহৰ শৰীৰ )—'মৰা শ' পেলোৱা ঠাই গাঁৱৰপৰা দূৰত কৰিব লাগে।

**মৰা সাপ গলত আঁৰি দি**—( আনক অন্যায়ভাৱে অপমান কৰি নিজৰ বিপদ্ মাতি আন্ )—সমাজৰ মাননীয় লোক এজনৰ গালৈ জোতা দলিয়াই তাৰ সমুচিত শাস্তি পালা। যাৰ 'গলত মৰা সাপ আঁৰি দিয়া', তেওঁ তোমাক শাপিবই।

**মৰা হাড়ত ঠক্‌ঠকা**—( তেনেই উপায়হীন লোকৰপৰাও কিবা পাবলৈ বিচাৰ্ )—'মৰা হাড়ত ঠক্‌ঠকালে' কি পাবা? আমাৰ পৰিয়ালটোৱে তিনি দিন একো খোৱা নাই; তোমালোকক ধন-বিত ক'ৰপৰা দিম?

**মৰা হাতী**—( দাঁত নথকা মতা হাতী )—'মৰা হাতীতকৈ' দঁতাল হাতীক বেছি ধুনীয়া দেখি।

**মৰিও অমৰ হ**—( মৃত্যুৰ পিছতো স্মৰণীয় হ )—সত্যবাদী লোক 'মৰিও অমৰ হয়'।

**মৰি যা**—( মৰিবাৰ আগতে হাবি কাটি পিছত তাতে খেতি কৰ্ )—পাম ধৰিবলৈ আহিছোঁ, 'মৰি নাথালে' কেনেকৈ খেতি কৰিম ?

**মৰি-পৰি**—( ১। প্ৰাণ টাঁকি। ২। টানি-মানি )—১। 'মৰি-পৰি' কাম কৰিলে কৃতকাৰ্য হবাই। ২। ধান অতি কম পালোঁ; 'মৰি-পৰি' ছমাহো খাব নোৱাৰোঁ।

**মৰি পাতাললৈ যা**—( বৰ কঠোৰ শাস্তি দিয়া যেন পা )—কিবা এটা কামলৈ পঠিলে সি 'মৰি পাতাললৈ যোৱা' যেন পায়।

**মৰিবৰ ঔষধ গলত বান্ধ্**—( নিজৰ অবিবেচনাৰে ডাঙৰ বিপদ্ চপাই আন্ )—মন্ত্ৰৰ পৰীক্ষা কৰিবলৈ সাপ ধৰি 'মৰিবৰ ঔষধ গলত নাবান্ধিবি'।

**মৰিবৰ থললৈ জিৰাবলৈ যা**—( য'ত ডাঙৰ বিপদ্ হব পাৰে, তাতে আশ্ৰয় ল )—সেই আড্ডালৈ নাযাবি ; 'মৰিবৰ থললৈ জিৰাবলৈ যাব' নালাগে।

**মৰিবলৈ গল-বাঁহ আঁৰ্**—( অহিতকৰ কাম কৰি নিজৰ বিপদ্ মাতি আন্ )—এনে গুৰুতৰ দায়িত্ব মই লব নোৱাৰোঁ; আপুনি কলেও 'মৰিবলৈ গল-বাঁহ আঁৰি' লবলৈ সম্মত হব নোৱাৰিম।

**মৰিবলৈ-জীৱলৈ**—( মিছা কলে মৰিম, সঁচা কলে জীম,—এই বুলি শপত খোৱা কাৰ্য )—'মৰিবলৈ-জীৱলৈ' মাছ মুঠে ছুটাহে পালোঁ।

**মৰি মৰ-কামোৰ দি**—( প্ৰাণ পণ কৰি )—'মৰি মৰ-কামোৰ দি' কামত লাগি থাকিলে সকলো টান কামকো কৰিব পাৰি।

**মৰি মৰ-জাহ দি**—'মৰি মৰ-কামোৰ দি' চোৱাঁ।

**মৰি মাটি মাপা**—( অতিশয় হতভাগা হ )—জীয়াই থাকোঁতেই পৈত্ৰিক সম্পত্তি ছুকঠা মাটি সিও গ'ল ; এতিয়া 'মৰিও মাটি নাপাম' যেন পাইছোঁ।

**মৰি-মুৰি**—( প্ৰাণ টাঁকি ; যি কোনো উপায়ে )—'মৰি-মুৰি' এই টানৰ মাজেদি বাৰিবাটো কটোৱা ; থবালি ভাল দিন আহিব।

**মৰিয়তি পৰ্**—( আপুনি মৰি শুকাই থাক্—থৰিত থাটে )—থৰি লাগে যদি, তেওঁৰ বাৰীলৈ যোৱা ; 'মৰিয়তি পৰি' আছে।

**মৰি যাওঁ মৰি যাওঁ কৰ্**—( জীৱনত কাম নোহোৱা যেন লাগ্ ; জীৱনৰ ওপৰত বীতশ্ৰদ্ধ হ )—ইহঁতৰ মতি-গতি দেখি মোৰ অন্তৰে 'মৰি যাওঁ মৰি যাওঁ কৰিছে'।

**মৰি যোৱা যেন পা**—( বৰ লাজ পা )—কৰাইজেঁউৰ গুণ-চৰিত্ৰ দেখি 'মৰি যোৱা যেন পাইছোঁ'।

**মৰি বৰং দেখুৱা**—( আনক সুখ বা আনন্দ দিবলৈ কঠোৰ পৰিশ্ৰম কৰ্ )—তেওঁ দিনে ১৮ ঘণ্টাকৈ সোতৰ বছৰ কঠোৰ পৰিশ্ৰম কৰিছিল; ‘মৰি বৰং দেখুৱাবলৈ’ এনেকৈ কাম কৰাত তেওঁৰ জীৱন-বন্তি নুমাই গ’ল।

**মৰিলেও ধনঞ্জয় বায়ুৱে নেৰ্**—( প্ৰকৃতিৰ পৰিবৰ্তন নহয় )—চোৰে চোৰ-ই বৃত্তি এৰিব কেনেকৈ? সেই দেখি তীৰ্থলৈ গৈও সি কপৰ হোঁকাটো সৰকালে। ‘মৰিলেও ধনঞ্জয় বায়ুৱে নেৰে।’

**মৰিলেও মৰ-কামোৰ নেৰ্**—( প্ৰাণ গলেও কৰিবলৈ লোৱা কাম নেৰ )—এইটো কাম তেওঁহে পাৰিব; তেওঁ কামত লাগিলে ‘মৰিলেও মৰ-কামোৰ নেৰে’।

**মৰিলে গাঁতে আট্ জীলে ভাতে আট্**—( মৰিবলৈ বা জীৱলৈ ভয় নহ )—মই মোৰ কথা ভৰা নাই; ‘মৰিলে’ মোক ‘গাঁতে আটিব, জীলেও ভাতে আটিব’; তোমাৰ কথাহে ভাবিছোঁ।

**মৰিলে ভোজ খা নমৰিলে আম খা**—( আনক বিপদজনক কাম কৰিবলৈ দি নিজৰ স্বাৰ্থসিদ্ধি কৰ্ )—তোমাৰ ঘৰৰে ল’ৰা; তাক নো এনে কামত উদগনি দিছা কিয়? গিয়াতিৰ ল’ৰা ‘মৰিলে ভোজ খাবা, নমৰিলে আম খাবা’,—এয়ে নহয় জানো?

**মৰিলে যম জীলে ঈশ্বৰ হ**—( নিজৰ স্বাৰ্থলৈ চাই আনক প্ৰশংসা বা নিন্দা কৰ্ )—আমি সদায় নিজৰ স্বাৰ্থলৈ চাইহে আন লোকক ভাল বা বেয়া পাওঁ। একে জনেই আমি ‘মৰিলে যম’ আৰু ‘জীলে ঈশ্বৰ হয়’।

**মৰি-শাজি ( বা হাজি )**—( কেৰাটাও ওপজা আৰু মৰাৰ পিছত )—‘মৰি-হাজি’ তেওঁৰ একেটি পুতেক আছে।

**মৰোঁ-জীওঁ নোঁ-আধিকৈ**—( মৰা আৰু জীয়াৰ সম্ভাৱনা সমান ভাবি; প্ৰাণ টাঁকি )—কেকোৰাই ‘মৰোঁ-জীওঁ নোঁ-আধিকৈ’ বগলীৰ ডিঙিত চেপি ধৰিলে।

**মৰোঁ বুলি হ**—( বৰকৈ হ—খেতিত থাকে )—এইবাৰ ধান ‘মৰোঁ বুলি হৈছে’; খেতিয়কে খেতি দেখি আচনক মানিছে।

**মলং-গিৰি**—( ওখ ডাঙৰ টিং থকা—মাৰত থাকে )—বাৰ পাষী চাৰলৈ তেওঁৰ ‘মলং-গিৰি’ মাওৰৰ লৈ যাত্ৰা কৰিলোঁ।

**মলমা কৰা**—( লোণ কণ আদি খটোৱা; পানী চৰোৱা )—লোণৰ ‘মলমা কৰা’ কটাৰী হুখন আমাৰ ঘৰলৈ বাদচাহলৈ পঠালে।

**মলুৱা বান্দৰ**—(উপদ্ৰৱ কৰি আনৰ বস্তু খাই ফুৰা মানুহ)—তাক যে দেখিছা, সি এটা 'মলুৱা বান্দৰ'; তাৰ উৎপাতত গাঁৱৰ মানুহে ত্ৰাহি ত্ৰাহি কৰে।

**মলুৱা মাৰি খা**—(সোপা মাৰি মুখত ভৰাই দি)—তই যে 'মলুৱা মাৰি' লাৰু কেইটা 'খালি', সিহঁতলৈ ৰখম নালাগিল নে ?

**মহডীয়া লোণ**—(অতিশয় দুষ্প্ৰাপ্য বস্তু)—যুদ্ধৰ কালত লোণ প্ৰকৃততে 'মহডীয়া-লোণেই' হৈছিল।

**ম'হ-টোকোন**—(বৰ ডাঙৰ টোকোন)—তুমি নো এই 'ম'হ-টোকোনডাল' লৈ ফুৰা কিয় ? এডাল সৰু চাই লৰা।

**মহতকৈ শিং চৰা হ**—(চলাবিব নোৱৰা বস্তু বা বিষয় চলাবিব লগীয়া হ)—মোক আপোনালোকে এই বাবটো দিব খুজিছে হয়, মোৰ পক্ষে ই 'ম'হতকৈ শিং চৰা হ'ব।

**মহন্তৰ চিন মাহনিত পা**—(সজ মানুহৰ চিন অসজ ঠাইত পা)—এইমাত্ৰ বাজহুৱা ধন এমোনা তেওঁৰ হাতত দিয়া হ'ল; এতিয়াহে বুজা যাব, তেওঁ কিমান সজ। 'মহন্তৰ চিন মাহনিতহে পোৱা' যায়।

**মহবিৰ তলৰ মহ**—(সম্পূৰ্ণকৈ পৰৰ আয়ত্ত থকা মানুহ)—তিৰোতা এদিন 'মহবিৰ তলৰ মহ' আছিল; আজি নহয়।

**মহলা খুৱা**—(কটা কাণি মেৰাই তাতে কেঁচুৱাক গাখীৰ খুৱা)—মাক মৰি যোৱাত বুঢ়ীয়ে কেঁচুৱাটোক 'মহলা খুৱাই' পালিবলৈ ধৰিলে।

**মহলাত উঠ্**—(ওপৰলৈ উঠ্; পৰীক্ষাত উত্তীৰ্ণ হ)—তেওঁ পঢ়াশুনা কৰা আছিল দেখি 'মহলাত উঠিব' নোৱাৰিলে।

**মহলা ধৰ্**—(আৰিয়া ধৰি পোহৰ কৰ্)—এই আন্ধাৰত 'মহলা ধৰাতহে' আমি বাব পাৰিলোঁ।

**মহলা পাত্**—(গোপন আলোচনা কৰ্)—সিহঁতে যোৱা ৰাতি কিহৰ 'মহলা পাতিছিল' তত্ লবা।

**মহলা মাৰ্**—(কাম নকৰি কথা চোবাই ফুৰ্)—'মহলা মাৰি' ফুৰিলেই পেটো নভৰে, প্ৰশংসাও পোৱা নাযায়।

**মহটৈ মাৰি মহটৈ মৰ্**—(প্ৰকৃত প্ৰয়োজনতকৈ বদনামলৈ লক্ষ্য কৰি কোনো কাৰ্য কৰ্)—দুই-এক মানুহে 'মহটৈ মাৰি মহটৈ মৰে'; তেওঁ, এই দহ হেজাৰ টকীয়া ঘৰটো, নিজৰ বিশেষ আৱশ্যকীয় নহলেও, বদনামৰ বাবেহে সজাইছে।

**মহাদেৱ ভিক্ষালৈ মগলে ঢেঁকেলি কাটি হ**—(মিল-ভিকাৰে প্ৰাণ ৰক্ষা কৰ)—অনুষ্ঠানটোৰ বাবে মই খাটিম; কিন্তু ‘মহাদেৱ ভিক্ষালৈ মগলে ঢেঁকেলি কাটি হয়’; এই কথা আপোনালোকে নাপাহৰিব।

**মহাদেৱৰ ধন কুবেৰ ভঁৰালী হ**—(আনৰ ধন কৃপণৰ হাতত পৰ)—বোৰ্ডৰ ধন ৰাইজৰ হিতৰ বাবে খৰচ কৰিব লাগে; তাকে নকৰি চেয়াৰমেনে ধনৰ মোনাটো বুকুত বান্ধি বহি আছে। ‘মহাদেৱৰ ধন, কুবেৰ ভঁৰালী হৈছে।’

**মহাদেৱৰ ধন বন-কুকুৰাই খা**—(অতুল ধন-সম্পত্তি বেয়ে পা খাই শেষ কৰ)—ৰাইজে বহুত টকা তুলি দিছিল কামটো কৰিবলৈ; কাম আৰম্ভ কৰাই নহ'ল, ‘মহাদেৱৰ ধন বন-কুকুৰাই খাই’ পেলালে।

**মহাদেৱে কৃষি কৰ**—(অমনোযোগী লোকে বিশেষ মনোযোগৰ প্ৰয়োজন হোৱা কাম কৰ)—বুঢ়া বয়স পালেহি, ঘৰ-সংসাৰলৈ ভাৱ-চিন্তা নাই; এই বাৰ দেখোন ‘মহাদেৱে’ কি ভাবি ‘কৃষি কৰিবলৈ’ ওলাল!

**মহাপাপীৰ লগত যমদূতৰ শাস্তি হ**—(সঙ্গত থাকিব লগীয়া হোৱাত নিৰীহ লোকেও কষ্ট পা)—তোমাৰ বৰ কষ্ট হৈছে, বুজিছোঁ; মই ‘মহাপাপীৰ লগত’ তোমাৰ ‘যমদূতৰ শাস্তি হ'ল’।

**মহিমূৰ দি**—(মখিমূৰ কৰ)—গৰুৱে মাহডৰা ‘মহিমূৰ দিলে’।

**মহীয়া ধন**—(মাহৰ দৰমহা)—বঙালী চিপাহীক ‘মহীয়া ধন’ দিবলৈ নাই।

**মহে (বা জোঁকে) এটোপা তেজ খা**—(সংসাৰৰ দুখকষ্টৰ অভিজ্ঞতা লহ)—‘মহে’ ডেকাজনৰ ‘এটোপা তেজো’ অত দিনে ‘খাব পৰা নাছিল’; সেই দেখি দেউতাকৰ মৃত্যুৰ পিছত তেওঁ বৰ কষ্ট পাইছে।

**মহে বগলীয়ে দুকুৰি কৰ**—(মিল বা সদৃশ্য নথকা বস্তুক একেলগে সান্)—খেতিৰ বস্তবোৰ ভিন্নে ভিন্নে পৰিপাটিকৈ ৰাখিবলৈও শিকাব লাগে নে? আমাৰ বোৱাৰীজনীয়ে কি কৰিছে চোৱাগৈ। ‘মহে বগলীয়ে দুকুৰি কৰি’ থৈছে।

**মহো-হো দি**—(১। আঘোণৰ পূৰ্ণিমাৰ নিশা গধূলি মহ খেদা উৎসৱ কৰ। ২। বেছি মানুহে লৰা-ধপৰাকৈ কোনো কাৰ্য কৰ)—১। আজি-কালি ল'ৰাবিলাকে আগৰ দৰে ধুম ধামেৰে ‘মহো-হো দিবলৈ’ এৰিলে। ২। এই দৰে ‘মহো-হো দিলে’ কথা কাম নকৰাৰ দৰে হয়; কম মানুহে লাহে ধীৰে কৰা।

**মাইকীৰ চিত কৃপণৰ বিত্ত**—(বৰ চেষ্টা কৰিও পোৱা টান বস্তু বা বিষয়)—বুঢ়া

সাক্ষাৎ যম; তেওঁৰপৰা এহেজাৰ টকা বিচাৰিছা? 'মাইকীৰ চিত্ত কৃপণৰ বিত্ত' কোনোবা ভাগ্যবানে পোৱাও টান।

**মাকতকৈ জীয়েক কাজী হ**—(অভিজ্ঞ মানুহতকৈও অনভিজ্ঞ মানুহে বেছি পাৰ্গতালি দেখুৱাবলৈ গৈ হাস্যাস্পদ হ)—'মাকতকৈ জীয়েক কাজী হবলৈ' গৈ কেনে পালা? তেৱোঁ গ'ল, তুমিও কামটো নোৱাৰিলা।

**মাকৰ আগ-বিয়া পাছ-বিয়া দেখুৱা**—(মণ্ড শাস্তি দি)—সি যদি মোৰ-লগত যুঁজিবই খুজিছে, মই তাক 'মাকৰ আগ-বিয়া পাছ-বিয়া দেখুৱাই' এৰিম।

**মাকালে খা**—(পাবলৈ নাইকিয়া হ)—আগেয়ে আম কঠাল অপৰ্যাপ্ত আছিল; এতিয়া বছৰি 'মাকালে খাই' নিব লাগিছে।

**মাকো মাৰ্**—(ঘনাই অহা-যোৱা কৰ্)—মানুহৰ মাজেদি 'মাকো মাৰিবলৈ' এৰা।

**মাকো যেন চলন-ফুৰণৰ হ**—(চঞ্চল আৰু ক্ষিপ্ৰ স্বভাৱৰ হ)—'মাকো যেন চলন-ফুৰণৰ' এই ছোৱালীজনী কথাত যেনে কামতো তেনে, পঢ়াশুনাতো বৰ চোকা।

**মাখি-পাত**—'বেটা-পাত' চোৱা।

**মাখিৰ মুখৰ ঘিউ কাঢ়্**—(কণ কণকৈ গোটাই মূল্যবান বস্তু যোগাৰ কৰ্)—আমি নিঃসম্বল মানুহ; 'মাখিৰ মুখৰ ঘিউ কাঢ়ি' আহি দহ বছৰে দুশ টকা জমাইছোঁ, মাটি এবিঘা কিনিব খোজোঁ।

**মাগ্‌মাৰ কড়ি**—(খোজোঁতে পোৱা মূল্যবান বস্তু)—'মাগ্‌মাৰ কড়ি' পাইছা নে কি যে লাগ বুলিলেই বাঁহ বিচাৰি মোৰ বাৰীত সোমাবা?

**মাগুৰ কচা দি**—(বৰকৈ মাৰ-ধৰ কৰ্)—তিৰোতাজনীক বিনাদোষত গিৰীয়েকে 'মাগুৰ কচা দিলে'।

**মাঘ-বিহু**—(পুহৰ শেষৰ সংক্ৰান্তিত পালন কৰা অসমীয়া জাতীয় উৎসৱ; ভোগালি বিহু)—'মাঘ-বিহু' আহিল; কিন্তু বিহু খাবলৈ একোৱেই নাই।

**মাঘৰ জাৰে ম'হৰ শিং কঁপা**—(শক্তিমানেও প্ৰকৃতিৰ প্ৰকোপ সহিবলৈ অক্ষম হ)—'মাঘৰ জাৰে ম'হৰ শিঙো কঁপায়'; নিঃসম্বল লোকে সহ্য কৰিবলৈ টান পাবই।

**মাছক-মাছে খোৱাখুই কৰ্**—(আপোন জনৰ মাজত সৰ্বনাশী শত্ৰুতা আৰম্ভ কৰ্)—ভাই-ককাইৰ মাজত এনে কাজিয়া কৰি 'মাছক-মাছে খোৱাখুই কৰাহে' হৈছে।

**মাছ-খোৱা উদ্**—(মাছলৈ বৰ লুভীয়া মানুহ)—ল'ৰাটো 'মাছ খোৱা উদ'; ক'ত মাছ ক'ত মাছকৈ ঘূৰে।

**মাছ-বাকলীয়া**—( মাছৰ বাকলিৰ আকৃতিৰ চকুৰ মণি ঢাকি ধৰা এডোখৰ ছাল বা খণ্ড )—তেওঁৰ চকুত 'মাছ-বাকলীয়া' পৰিছে, ডাক্তৰে তুলি দিব খুজিছে।

**মাছ-বুলি নাখাই জি-জি বুলি খা**—( কোনো কাম পোনপটীয়াকৈ নকৰি আওপাকে কৰ্ )— যি কোনো প্ৰকাৰে হওক, এই কামত তোমাৰ সহযোগিতা আমাক লাগে; লাগে য'দ, 'মাছ বুলি নাখাই জি-জি বুলিয়েই খোৱা'।

**মাছৰ গা ধোৱা**—( তেনেই অনাৱশ্যকীয় কাম )—সি আঁউসী-একাদশীত উপবাসে থকা 'মাছৰ গা ধোৱা' হেন কথা; বাৰিষা এনে উপবাস তাৰ ভাগ্যত সদায় আছেই।

**মাছৰ তেলেদি মাছ ভাজ্**—( বৰ ডাঙৰ অভাৱৰ মাজতো কথমপি নিজৰ গুমৰ ৰক্ষা কৰি থাক্ )—'মাছৰ তেলেদি মাছ ভাজি' আছোঁ; ভিতৰত যে গৃহস্থালিৰ কেনে অভাৱ, মইহে জানো।

**মাছৰ বল পানীত**—( ক্ষেত্ৰবিশেষেহে শক্তিৰ পৰিচয় দিবলৈ সক্ষম হ )—'মাছৰ বল পানীত'; থানালৈ গলেহে পুলিচৰ শক্তিৰ পৰিচয় পাবা।

**মাছ-বহীয়া**—( মাছৰ লগত বাহি অহা অৰ্থাৎ মাছ মৰাত পাৰ্গত )—সি বৰ 'মাছ-বহীয়া' মানুহ; বন্দবস্ত কৰি গৈ মাছ মাৰি আনে।

**মাজ-মুৰত**—( ১। মাজতে। ২। মূলতে। ৩। তালুত )—১। কলীয়া ভোমোৰা বৰফুকনে ব্ৰহ্মপুত্ৰত শিল-সাঁকো দিবলৈ ধৰিছিল; 'মাজ-মুৰতে' তেওঁ ঢুকাল ২। 'মাজ-মুৰত' মাট পাই, কঁবীয়া লৈ ছুবলৈ যায়। ৩। 'মাজ-মুৰত' লাগে খালে, ধৰণী ৰাখো ক'ত?

**মাজ-মূলে**—( সমূলি; মূলতে )—'মাজ-মূলে' পাইয়ে নাই, গাখীৰৰ কথা সুধিছা।

**মাজৰ ভাগ ল**— ( নিৰপেক্ষভাৱে বিচাৰ কৰ্ )—আমাৰ কাজিয়াৰ কথা আঁতি-গুৰি লগাই কলোঁ; এতিয়া তুমিয়েই 'মাজৰ ভাগ লোৱাচোন', দোষী কোন।

**মাজ-সাগৰত নাও বুৰ্**—( সাৰিব নোৱাৰা বিপদত পৰ্ )—ভৰ-বাৰিষা হালোৱা গৰু মৰিল; মোৰ ভাগ্যত 'মাজ-সাগৰত নাও বুৰিল'।

**মাজে-মধ্যে**—( মাজে মাজে )—'মাজে-মধ্যে' আহি থাকিবা, তুমি আকৌ নহাই হলা।

**মাজে-মূৰে**—( আগ-গুৰি নোহোৱাকৈ )—তেওঁ 'মাজে-মূৰে' কিবাকিবি কলে; বুজিব নোৱাৰিলোঁ।

**মাজে-সময়ে**—'মাজে-মধ্যে' চোৱা।

**মাটি-কঁঠাল**—(সঁফুৰি-কঁঠাল ; আনাৰস)—সিঙাপুৰী 'মাটি-কঁঠাল' বৰ ভাগৰ আৰু মিঠা।

**মাটি কৰ্**—(১। মাটিৰ গৰাকী হ। ২। নাশ কৰ্, নষ্ট কৰ্)—১। পাৰা যদি, দুই-এবিঘা 'মাটি কৰা' ; নহলে সদায় কিমানখান কিনিবা ? ২। পায়স খাদ্যৰ বাবাৰা ? সকলো 'মাটি কৰিলা' !

**মাটি খা**—(১। মাটি ভক্ষণ কৰ্। ২। আনৰ মাটিত চহ কৰ্)—১। কোনো কোনো গৰ্ভৱতী তিৰোতাই 'মাটি খায়'। ২। মই তেওঁৰ 'মাটি খাই' বহি আছোঁ।

**মাটি খোৱা কৰ্ম কৰ্**—(অজ্ঞান বা মূৰ্খৰ দৰে কৰ্)—তোমাক বিশ্বাস কৰি মই 'মাটি খোৱা কৰ্ম কৰিছোঁ'।

**মাটি-পানী ল**—(শৌচ-প্ৰস্ৰাৱ কৰি মাটিৰে ঘঁহি পানীৰে ধুই পৰিষ্কাৰ কৰ্)—শৌচ কৰি 'মাটি-পানী লোৱা' নিয়ম বৰ বিজ্ঞানসম্মত।

**মাটি-মাহ**—(মুগজাতীয় এবিধ কলচীয়া বৰণৰ মাহ)—'মাটি-মাহ' বৰ পুষ্টিকৰ খাদ্য।

**মাটি-মিঠা**—(সাদ-সোৱাদ নথকা মিঠা)—এইজোপাৰ আমবোৰ 'মাটি-মিঠা'।

**মাটি-যেন**—(পৃথিৱীৰ দৰে সহনশীল ; বৰ শান্ত)—তেওঁ 'মাটি-যেন' মানুহ ; কোনো দিনো খং উঠা দেখা নাই।

**মাটিয়ে বেটীয়ে কন্দাব মূল**—(সকলোতকৈ ভাগৰ কাজিয়াবোৰৰ ভুমিত মাটি নাইবা তিৰোতা)—'মাটিয়ে বেটীয়ে কন্দাব মূল' ; তেওঁলোকৰ এই কাজিয়াৰ ভুমিত ছোৱালীটো।

**মাটি হ**—(১। লোকচান হ। ২। নষ্ট হ। ৩। অধঃপতিত বা ক্ষতিগ্ৰস্ত হ)—১। কাৰবাৰত মোৰ বহুত টকা 'মাটি হ'ল'। ২। আগ্ৰাখন 'মাটি হ'ল' ; ইয়াক কোনে খাব ? ৩। তই নিজৰ দোষত 'মাটি হলি'।

**মাটীয়া চাং**—(মাটিৰপৰা সামান্য ওখকৈ সজা চাং)—সেউতাবাৰ বহুবেকীয়া পথাৰ সাবায় মানে তুমি চাঙত শুব নোৱাৰা ; সেই দেখি এপন 'মাটীয়া চাঙকে' সাজি লোৱা।

**মাটীয়া তেল**—(খনিৰপৰা স্বাভাৱিক অৱস্থাত পোৱা তেল)—কাঠত 'মাটীয়া তেল' ঘনাই দি থাকিলে সেই কাঠ বহুত দিনলৈ টিকে।

**মাটুল পৰ্**—(শাম কাট্—বৰত খাটে)—তেওঁৰ বৰ আজি অলপ 'মাটুল পৰিছে'।

**মাঠি-মুঠি**—(গণি-পিতি ; ভাবি-চিন্তি)—তুমি 'মাঠি-মুঠি' কোৱাচোন, ঘটনাটো কি।

**মাড় দি**—(মাড়ত দৃতা দিয়া)—দৃতাবোৰ 'মাড় দিয়াত' ভাল হোৱা নাই।

**মাণিকী-মাকৰ কঁৰীয়া**—(বৰ ধুনীয়া বস্তু বা মানুহ)—ধীটাটো চাই থাকিবলৈ

মন যায়, যেন 'মাণিকী-মাধৱ কঁৰীয়াহে' ।

**মাত-কথা**—( ১। মুখৰ মাত ।২। কথা-বতৰা ।৩। কেটেৰা-জেঙেৰা মাত )— ১। বোৱাৰীটো অজ্ঞান হৈ আছে ; 'মাত-কথা' নাপালোঁ। ২। তুমি অলপ ৰোৱা, মই তেওঁক 'মাত-কথা' লগাই আহোঁ। ২। মই তোমাৰ 'মাত-কথা' শুনিবলৈ অহা নাই।

**মাত-কথা খা**—( গালি-শপনি খা )—তেওঁৰ ঘৰত কাহানিও নাযাবা ; মই 'মাত-কথা খাব' নোৱাৰোঁ।

**মাত কাঢ়্**—( মনৰ কথা ফুটাই কৰ পৰা কৰ্ )—মই তাক লিখা পঢ়া শিকালোঁ। সে 'মাত কাঢ়িলোঁ'।

**মাত খা** - 'মাত-কথা খা' চোৱা।

**মাত দি**—( ১। মাত লগা ।২। দেখা কৰ্ ।৩। উত্তৰ দি )—১। আহিবৰ পৰত তেওঁক 'মাত দিব' পাহৰিলোঁ। ২। তেওঁক কেবা দিনো দেখা নাই ; আজি 'মাত দি' আহোঁ ।৩। তেওঁৰ কথাত 'মাত দিবলৈ' বাধ্য হলোঁ।

**মাত দি মাত কাঢ়্**—( নিজে কৈ আনকো উত্তৰ দিবলৈ বাধ্য কৰ )—তুমি এবাৰ কলা, তেওঁ তাতে কিমান গালি পাৰিলে। মাত দি 'মাত কাঢ়িবলৈ' কিয় গৈছিলা ?

**মাত ধৰ্**—( মাত শিক্ )—মোৰ টিয়াটোৱে 'মাত ধৰিছে' ; দুই-এষাৰ কথা কয়।

**মাত ফুট্**—( কথা ওলা )—কেঁচুৱাটোৰ 'মাত ফুটিছেহে', বুজিব নোৱাৰি।

**মাত-বোল**—'মাত-কথা' চোৱা।

**মাত মৰ্**—( নিমাত হ )—মোৰ কথাত তেওঁৰ 'মাত মৰিল'।

**মাত মাত্**—( ১। কথা ক ।২। তিৰস্কাৰ কৰ্ )—১। তুমি এইটো কি 'মাত মাতিলা' ? বুজি নাপালোঁ ।২। তুমি আজি মোক যি 'মাত মাতিলা,' তাক মৰিলেও নাপাহৰোঁ।

**মাত মাতোঁতে** - ( কথাষাৰ কওঁতেই ; তৎক্ষণাৎ )— মই সিদিনে, 'মাত মাতোঁতে' তোমাক কোনে টকা এশ দিলে ?

**মাত মাৰ্**—( নিমাত কৰ্ )—এষাৰ কথাৰে মেলেকিৰ 'মাত মাৰিলোঁ' ; তেওঁ উঠি গ'ল।

**মাতৰ হেজা-হুচা**— ( বিকৃত উচ্চাৰণৰ মাত )— তেওঁৰ 'মাতৰ হেজা-হুচা' কথাকে বুজিব নোৱাৰে।

**মাত ল**—( আন জন্তুৰ মাত অনুকৰণ কৰিবলৈ পাৰ্গত হ )—এই ল'ৰাটোৱে কেৱা বিধো জন্তুৰ 'মাত লৈছে'।

**মাত লগা**—( ১। সম্বোধন কৰ্। ২। দেখা-সাক্ষাৎ কৰ্ )—১। বাটত হঠাৎ লগ পাই ময়ে তেওঁক 'মাত লগালোঁ'। ২। তেওঁক আজি কেবা দিনো লগ পোৱা নাই; আজি এবাৰ 'মাত লগাই' আহোঁ।

**মাত হৰ্**—( উত্তৰ-চুটি কৰ্; নিমাত কৰ্ )—তেওঁৰ কথাবাৰে সকলোৱে 'মাত হৰিলে'; সকলো নিমাত হ'ল।

**মাতিলে কিলো খা নামাতিলে ভোজো নাখা**—( সহায় বিচাৰিলে ক্ষতি স্বীকাৰ কৰিও আনক সহায় কৰ্, অনুৰোধ নকৰিলে নিজৰ লাভ হোৱা ঠাইলৈকো নাযা )—'মাতিলে কিলো খাব' লাগে; 'নামাতিলে ভোজ খাবলৈও' যাব নালাগে। সেই দেখিয়েই তেওঁ খুলশালীয়েকৰ বিয়ালৈ নগ'ল; ৰবং দহ মাইল দূৰৰ এজন দুখীয়া বন্ধুৰ ঘৰলৈ গৈ তেওঁক পঞ্চাশ টকা সাহায্য কৰি আহিল।

**মাতে মাতে**—( ১। প্ৰত্যেক শব্দৰ অৰ্থ ধৰি। ২। মাতৰ অনুসৰণ কৰি )—১। পুথি ভাঙোতে 'মাতে মাতে' ভাঙিলে পঢ়ি ভাল নালাগে। ২। তেওঁৰ 'মাতে মাতে' আমি হাবিৰ মাজেদি যাব ধৰিলোঁ।

**মাদা-পুৰ**—( হৃষ্টপুষ্ট; বলবান্ )—বাঁহটো দেখাত সৰু, কিন্তু বৰ 'মাদা-পুৰ'।

**মাধ-মাৰ**—( বৰ মাৰ-কিল )—সি কথাটো সৈ নোলোৱাত বাইজে তাক 'মাধ-মাৰ' লগালে।

**মান কৰ্**—( যথাযোগ্য সন্মান দেখুৱা )—মই তেওঁক পিতৃতুল্য 'মান কৰি' আহিছোঁ।

**মান খা**—( সমাজত সন্মানৰ যোগ্য বুলি কাপোৰ আদি বস্ত্ৰ পা )—বিয়াৰ শেষত কন্যা পক্ষৰ মাননীয় ব্যক্তিসকলে পৰাপৰা 'মান খালে'।

**মান দি**—( নাম-প্ৰসঙ্গৰ অন্তত প্ৰসাদৰ একোভাগ মাননীয় লোকসকলক মানৰ চিনস্বৰূপে দি )—ৰাজহুৱা নামত 'মান দিয়াৰ' আৱশ্যক নাই।

**মান দিলেহে মান পা**—( আনক সন্মান দেখুৱালেহে নিজেও সন্মানিত হ )—'মান দিলেহে মান পায়'; তুমি মাননীয়সকলক কোনো দিনো মান কৰা নাছিলা; সেই দেখি ডেকাসকলে তোমাকো আজি মান কৰা নাই।

**মান ধৰ্**—( কাপোৰ আদি দি সন্মান কৰ্ )—সবাই মাননীয়সকলক 'মান ধৰিলে'।

**মানসি দি**—( মান কৰি বস্ত্ৰ-বাহানি বা ধন দি )—বৰৰ কাটিলে 'মানসি দিব' লাগে; গামোচা এখনকে দিয়া।

**মান-ভাগ**—( মাননীয় হিচাপে কোনো লোকক সমাজত দিয়া ভাগ )—সকলো সামাজিক কাৰ্যত তেওঁ 'মান-ভাগ' পাই আহিছে, আজিও পাব লাগিব।

**মান ভাঙ্**—( মোহ ভঙা )—তেওঁ খং কৰি গুচি গ'ল; 'মান ভাঙি' ওভোতাই আনোতে বহুত পৰ লাগিল।

**মান-মাটি**—( সন্মানৰ চিনস্বৰূপে দিয়া মাটি )—বেলেগ হোৱাৰ সময়ত ককায়েকক এপুৰা 'মান-মাটি' দিয়া হৈছিল।

**মানস কৰ**—( ইচ্ছা কৰ্; সংকল্প কৰ্ )—পুতেকৰ নৰিয়া আৰোগ্য হলে কামাখ্যালৈ পঠা এটা দিবলৈ মাকে 'মানস কৰিছে'।

**মানিলে ধান নামানিলে পভান হ**—( সামান্য যোগ্যতাৰ গৰাকী হ )—মোৰ কথা শুনিবও পাৰে; কাৰণ মই তেওঁলোকৰ মানত 'মানিলে ধান নামানিলে পভান'।

**মানুহৰ লগৰ মানুহ**—( প্ৰকৃত যোগ্যতা থকা লোক )—লিখা-পঢ়া জানিলেও তেওঁ 'মানুহৰ লগৰ মানুহ' নহয়।

**মানুহ-মুৰা হ**—( মানুহ নামৰ যোগ্য হ )—ইহঁত যে কেতিয়া 'মানুহ-মুৰা হয়', কব নোৱাৰোঁ।

**মানুহ হ**—( ১। প্ৰখ্যাত হ। ২। ছোৱালী পুষ্পিতা হ )— ১। ডাঙৰ পুতেকে ডাঙৰ চাকৰি পাইছে; তেওঁলোক এতিয়া 'মানুহ হ'ল'। ২। তুমি বিয়া কৰাব খোজা ছোৱালীজনী দুবছৰ আগেয়ে 'মানুহ হৈ' আছে।

**মানে মানে**—( নিজৰ মান ৰাখি )—আপুনি 'মানে মানে' গুচি যাওক, ইহঁত বেয়া মানুহ।

**মানে-যত্নে আছ্**—( মান আৰু যশস্যাৰ লগত মিলি থাক্ )—'মানে-যত্নে আছিলেহে' তেওঁ কামটো কৰিব, নহলে নকৰে।

**মান্ধাতাৰ আমোলৰ**—( অতি পুৰণি )—'মান্ধাতাৰ আমোলৰ' এইবোৰ ৰীতি এতিয়া এৰিবৰ সময় হ'ল।

**মাৰ খা**—( ১। কিল খা। ২। জাঁপ খা )—১। সিহঁতৰ হাতত 'মাৰ খোৱাৰ' কি কাৰণ আছিল? ২। দুৱাৰখন আপুনি 'মাৰ খালে'।

**মাৰণ-হতীয়া**—( মাৰিবলৈ হাত দাঙি থকা প্ৰকৃতিৰ )—তই যে 'মাৰণ-হতীয়া' হৈ থাক, মাৰিব পাৰিছ কিমানক?

**মাৰ-মাও**—(এখনৰ ঠাইত আন এখন ৰাখি লোৱা যোৰ-মাও)—আগেয়ে এই ঘাটত 'মাৰ-মাৱেৰে' গাৰী পাৰ কৰা হৈছিল।

**মাৰ-পিট কৰ্**—(বৰকৈ প্ৰহাৰ কৰ্)—পুলিচে চোৰটোক 'মাৰ-পিট কৰাৰ' কি প্ৰমাণ আছে?

**মাৰ বান্ধ্**—(একত্ৰ হ)—বাইজে 'মাৰ বান্ধি' এই কামটো কৰিছে।

**মাৰ যা**—(১। অস্ত যা। ২। বন্ধ হ; নাইকিয়া হ)—১। বেলি তেতিয়াও 'মাৰ যোৱা' নাছিল। ২। গাঁতটো আপুনি 'মাৰ যাব'।

**মাৰৰ বিয়া দেখ্**—(বৰ দুৰ্গতিত পৰ্)—তোমাৰ কামৰ কথা পুলিচে জানিলে 'মাৰৰ বিয়া দেখিব' লাগিব।

**মাৰলি গণ্**—(নানা দুখ-দুৰ্গতিৰ কথা ভাবি বিছনাত পৰি নিষ্ক্ৰিয় হৈ থাক্)—তেওঁ কি কৰিছে বুলি কওঁ? তেওঁ সপ্তাহতে 'মাৰলি গণিছে'।

**মাৰি খোৱা হাঁহক চাৰি পাৰি বহুৱা**—(অপকাৰ কৰিবলৈ উদ্যত হোৱা জনৰ প্ৰতি কৃত্ৰিম সন্মান বা দয়া দেখুৱা)—তোমালোকে মোক অপমান কৰিবলৈ পাৰিছা; বহিবলৈ দি, 'মাৰি খোৱা হাঁহক চাৰি পাৰি বহুৱাব' নালাগে।

**মাৰি তৈয়াম কৰ্**—(বৰকৈ মাৰ-পিট কৰ্)—গাঁৱৰ মানুহে চোৰ দুটাক ধৰি বান্ধি 'মাৰি তৈয়াম কৰিলে'।

**মাৰীচৰ মায়া**—(ষড়যন্ত্ৰমূলক কাম গোপন ৰাখিবলৈ বাহিৰত দেখুৱা আকৰ্ষণীয় আচৰণ)—তোমাৰ মিত্ৰতা যে 'মাৰীচৰ মায়াহে' এই কথা কোনে বুজে? সেই দেখি তুমি মানে মানে আঁতৰি যোৱাই ভাল।

**মাকক মৰে**—(মাৰোঁ বুলি; সাংঘাতিকৰূপে)—তেওঁক মৰিয়াই এইবাৰ 'মাকক মৰে' ধৰিছে।

**মাৰ্কা মৰা**—(নাম থকা; ভুৱা-ভুৱা—নিন্দার্থত)—সৌ গাইজনী বেয়া জাতি খেতি খোৱাত আমাৰ গাঁৱত 'মাৰ্কা মৰা'।

**মাৰ্গৰ তলে যা**—(অধঃপাতে যা)—এনে সুবিধা পাইও পঢ়াশুনা নকৰিলে 'মাৰ্গৰ তলে যাবা'।

**মাৰ্ধাত মাৰ্**—(চুৰ কৰি বা বলেৰে নি ধৰ অপকাৰ কৰ্)—তেওঁৰ ধানবোৰ চুৰ কৰি চোৰে তেওঁক ইমান 'মাৰ্ধাত মাৰিলে'।

**মাল-মাটি ল**—( মাল লাগিবৰ সময়ত গৰু আদিয়ে শিঙেৰে মাটি খান্ )—এই ষাঁড়টো বৰ যুঁজাৰু ; অচিনাকী গৰু দেখিলেই 'মাল-মাটি লয়'।

**মাল-যুৰীয়া**—( পৰস্পৰে যুঁজিব পৰা ; সমকক্ষ )—দুয়োজন ডেকা 'মাল-যুৰীয়া' ; ইজন সিজনতকৈ দুৰ্বল নহয়।

**মালাগছ ল**—( এজনৰ আদৰ্শ বা দক্ষতা আন এজনে সম্পূৰ্ণভাৱে ভোগ কৰ্ )—আইনজ্ঞ হিচাপে বৰুৱা ডাঙৰীয়াৰ 'মালাগছ' এদিন চৌধুৰীয়ে 'লব' পাৰিব।

**মালা জপ্**—( মালাৰ গুটি গণি ইষ্ট দেৱতাৰ নাম ল )—বুঢ়ায় সদায় 'মালা জপি' বহি থাকে।

**মালা দি**—( ছোৱালীয়ে কোনো ডেকাৰ ডিঙিত মালা আঁৰি দি স্বামীৰূপে গ্ৰহণ কৰ্ )—তেওঁৰ ছোৱালীজনীয়ে হেনো গাঁৱৰে ডেকা এজনক 'মালা দিবলৈ' ঠিক কৰিছে।

**মালিহা মাৰ্**—( অমূলক কথা কৈ ফুৰ্ )—কথাৰ 'মালিহা মাৰি' ফুৰাই তেওঁৰ একমাত্ৰ কাম।

**মালিনীয়ে ফুলৰ শোক নাপাহৰ্**—( জীৱিকাৰ প্ৰধান উপায় নষ্ট হোৱাত শোক কৰ্ )—'মালিনীয়ে ফুলৰ শোক নাপাহৰে।' তুমি মোৰ ভাত মাৰিলা ; মই জানো পাহৰিব পাৰোঁ ?

**মালীৰ ফুলে দেউৰী শুৱা**—( এজনৰ দক্ষতা বা সুখ্যাতিৰ আলম লৈ আন এজনে গৌৰৱ কৰ্ )—ভায়েক ডাঙৰ মানুহ হ'ল ; ককায়েকে তেওঁৰ নামতে সমাজৰপৰা সন্মান পায়। এনেকৈয়ে 'মালীৰ ফুলে দেউৰী শুৱায়'।

**মালোৰ চাৰ**—( অতি উপাদেয় বস্তু। মালো নামৰ ঠাইৰ গাখীৰ বিখ্যাত আছিল )—তোমাৰ খাৰখটোৱে, বিশেষকৈ গাখীৰে, 'মালোৰ চাৰৰ' কথা সোঁৱৰাই দিছে।

**মাৰ হৈ ননদ-চোৰ বোল্**—( আপোন জনে অপবাদ ৰট্ )—আনে যি কয় কওক, মোৰ সহোদৰ ভাই হৈ সি মোৰ বদ্‌নাম ৰটিছে ; 'মাৰ হৈ ননদ-চোৰ বোলে', এয়ে দুখৰ কথা।

**মাৰে চায় মুখলৈ**—( মাতৃস্নেহ অতুলনীয় )—পুতেকে জলপান খাবলৈ পথাৰৰপৰা আহি নোপোৱাত মাকে ডিঙ্‌বিহাই আছে। যেতি হওক নহওক, পাছ কথা ; 'মাকে' সদায় পুতেকৰ 'মুখলৈহে চায়'।

**মাহ খোৱা টেকেলিয়া**—( ঘাঁহত বৰা দামুৰি মাহ খোৱাত বৰ উৎপাতীয়া। মানা

খাত যত খাই উৎপাত কৰি ফুৰা ল'ৰাহোৰালী )—এই 'মাহ খোৱা টেকেলিয়াইতক' কোনে মাতিছে ? তইত ইয়াৰপৰা যা।

**মাহ খোৱা বান্দৰ**—( য'তে ত'তে মাৰ্ উৎপাত কৰি ফুৰা মানুহ )—সেই 'মাহ খোৱা বান্দৰটোৰ' উৎপাতত গাঁৱৰ মানুহ অতিষ্ঠ হৈ উঠিছে।

**মাছৰ মাৰ দেখি তিতে বেঁত জেল্**—( বলৱানৰ কষ্ট দেখি দুৰ্বল আপুনি সেও হ )—'মাছৰ মাৰ দেখি তিতে বেঁত মেলাৰ' দৰে, চোৰৰ পিটিত পৰা কিলৰ গম পাই, তাৰ কুকাৰ্যৰ সঙ্গী-আটাইকেইজনে আপুনি সৈ কাঢ়িলে।

**মাছৰ শাক ৰবাৰ ভাত**—( শাক=আঞ্জা। অতি উপাদেয় খাদ্য )—সিদিনাৰ খাৱন পাহৰিব নোৱাৰোঁ ; 'মাছৰ শাক ৰবাৰ ভাতৰ' দৰে তৃপ্তিদায়ক হৈছিল।

**মাহে-পষে**—( মাহত এবাৰ দুবাৰ ; মাজে সময়ে )—'মাহে-পষে' মিতিৰৰ ঘৰলৈ যাওঁ।

**মিছা কথাৰ ঠেং চুটি**—( মিছাক আশ্ৰয় কৰি সাৰিব নোৱাৰি )—তুমি নিজৰ অপকৰ্ম লুকাবলৈ কিমান মিছা কবা ? 'মিছা কথাৰ ঠেং চুটি' ; সত্য আপুনি প্ৰকাশ হব।

**মিছা কথাৰ ডোম**—( মিছা কোৱা অভ্যাস কৰি নৈতিক অধঃপতন হোৱা লোক )—তাৰ কথাত বিশ্বাস কৰিলে তুমি দিনতে কণা ; 'সি মিছা কথাৰ ডোম'।

**মিছা কথা সিঁচা পানী সমান হ**—( মিছাৰে কোনো উপকাৰ নহ )—'মিছা কথা সিঁচা পানী সমান' ; মিছা আঁতৰি যাব, সঁচা আপুনি প্ৰকাশ হব।

**মিছাত নাম্**—( মিছা কথা কোৱা অভ্যাস কৰি অধঃপতিত হ )—তুমি যেতিয়া 'মিছাত নামিলা' ; তোমাৰ কুখ্যাতিতো হলেই, বংশৰো মৰ্যাদা হানি হ'ল।

**মিছাত ফুৰ্**—মিছা কথাত প্ৰৱৰ্তন কৰ্ )—'মিছাত ফুৰিলে' মানুহৰ সন্মান হানি হয়।

**মিছাৰ বাহ**—( সম্পূৰ্ণ মিছলীয়া প্ৰকৃতিৰ মানুহ )—সি 'মিছাৰ বাহ' ; এবাৰ কথাতো সঁচাত নাই।

**মিছাৰ ভঁৰাল**—'মিছাৰ বাহ' চোৱা।

**মিঠা-তেল**—( সৰিয়হৰ তেল ; খাই-তেল )—মাৰোৱাৰীবিলাকে 'মিঠা-তেলৰ' সলনি নাৰিকলৰ তেল খায়।

**মিঠা পুখুৰীত বিহ দি**—( কোনো লোকৰ সুখৰ সংসাৰত জানি অপকাৰ কৰ্ )—মই তোমাৰ 'মিঠা-পুখুৰীত' কেতিয়া 'বিহ দিছিলোঁ' যে তুমি মোৰ এনে অপকাৰ কৰিছা ?

**মিঠা-বচন**—( অতি মধুৰ বা অতি কঁপা নোহোৱা বচন )—হোৱাটীজনী 'মিঠা বচনৰ' ; তেওঁৰ ল'ৰাটোৰ লগত বিলিব।

**মিঠা-মুখে**—( সন্তোষজনক কথা )—তেওঁ 'মিঠা-মুখে' মোক শত্ৰু পাতিলে।

**মিতিৰ-ঘট ধৰ্**—( মিত্ৰ হ'বলৈ স্বীকাৰ কৰি বিয়াত ধৰ্ম-ঘট ধৰ্ )—তোমাৰ বিয়াত তেওঁ 'মিতিৰ-ঘট ধৰিব' খোজে ?

**মিতিৰৰ আগত মাত্**—( বন্ধু মানুহৰ আগত অন্তৰৰ কথা ভাঙি ক। 'ইষ্টৰ আগত মিঠ কথা'ও একে )—তোমাক টকা দিব পাৰোঁ; কিন্তু এই টকাৰ বাবে ভৱিষ্যতে যাতে মিত্ৰতা নষ্ট নহয়, তাৰে ব্যৱস্থা কৰা। 'মিতিৰৰ আগত মাতিব' লাগে, সেই দেখিহে কৈছোঁ।

**মিত্ৰই কন্দা শত্ৰুৱে হঁহা হ**—( বৰ দুখ বা লাজ, অপমান আদিৰ কাৰণ হ )—আমাৰ 'মিত্ৰই কন্দা শত্ৰুৱে হঁহা দিন হৈছে'; পিতাৰ মৃত্যু হ'ল, ককাইদেউ বেলেগ হ'ল, ঘৰত দিনে নিশাই কাজিয়া।

**মিত্ৰ-কলহ**—( বিয়াত সখিয়েকে ধৰা ধৰ্ম-ঘট; মিতিৰ-ঘট )—'মিত্ৰ-কলহৰ' পানীৰে দৰা-কন্যাক শান্তি কৰা।

**মিনা কৰ্**—( সোণ, ৰূপ আদি মূল্যবান ধাতুৰ অলঙ্কাৰৰ ওপৰত কাঁচৰ বিচিত্ৰ জলজলীয়া এবিধ নানা ৰঙৰ বস্তু খটা )—মোলৈ নীলা ৰঙৰ 'মিনা কৰা' আঙঠি এটা আনিবা।

**মিহ খা**—( মিহলি খা; মিশ্ৰিত হ )—দৰৰখিনি 'মিহ খোৱা নাই'; আৰু বাঁটিব লাগিব।

**মুকলি ফুৰ্**—( বাহিৰত শৌচ কৰগৈ )—এইবোৰ মানুহে 'মুকলি ফুৰিবলৈ' বহুত দূৰলৈ যায়।

**মুকলি-মুৰ্**—( স্বাধীন অৱস্থা; কাম-কাজ বা দায়িত্বৰ বোজা নথকা অৱস্থা )—'মুকলি-মুৰে থকাৰ' সুখো আছে, দুখো আছে।

**মুকুতা নহৈ শোকোতা হ**—( মূল্যবান নহৈ মূল্যহীন হ )—বৰ আশাৰে কামটো কৰিছিলোঁ, কিন্তু তাৰ ফল 'মুকুতা নহৈ শোকোতাহে হ'ল'।

**মুক্ত-কণ্ঠে**—( সৰলভাৱে; ডাঙৰকৈ )—তেওঁ যে নিৰ্দোষী, এই কথা সকলোৱে 'মুক্ত-কণ্ঠে' স্বীকাৰ কৰিছে।

**মুক্তা এৰি ভেকুলা ল**—( ভেকুলা—শুক্তি, শামুক। মূল্যবান বস্তু এৰি মূল্যহীন বস্তু গ্ৰহণ কৰ্ )—ডেকা কাল সকলো প্ৰকাৰে সুখ্যাতি উপাৰ্জন কৰাৰ কাল; তাকে নকৰি বিলাসিতাত সময় কটালে 'মুক্তা এৰি ভেকুলা লোৱা' হব।

**মুখ-আগলিকা**—( মুখ-চোকা, দন্দুৰা )—এই 'মুখ-আগলিকা' ছোৱালীজনী নানিবা।

**মুখ-আজ্ঞাৰি লাগ্**—( পুত্ৰ বা গধূলি না-আন্ধাৰ না-পোহৰ হ )—এতিয়া 'মুখ-আন্ধাৰি লাগিল'; টকা কালিলৈ নিবাহি।

**মুখ উজ্জ্বল কৰ্**—( নাম ফলা )—তেওঁৰ সৰু পুতেকে বংশৰ 'মুখ উজ্জ্বল কৰিলে'।

**মুখ উলিয়াব নোৱৰা হ**—( লাজ লগা অৱস্থাত পৰ্ )—ধাৰৰ টকাবোৰ দিব পৰা নাই; 'মুখ উলিয়াব নোৱৰা হৈছোঁ'।

**মুখ ওফোন্দা**—( অসন্তোষ মনেৰে থাক্, বিৰক্তি বা খং মনেৰে খোহ পাতি থাক্ )—তাই দেখোন 'মুখ ওফোন্দাই' আছে, কি হৈছে নাজানো।

**মুখ ওলোমা**—'মুখ ওফোন্দা' চোৱাঁ।

**মুখ কৰ্**—( মুখ দুৱা )—পুৱতে 'মুখ কৰি' বহা।

**মুখ-কাটন**—( চোকা মুখৰ )—'মুখ-কাটন' হলেই নহয়, হাত-চোকা হলেহে ভাল।

**মুখ কোঁচা**—( খোৱাত সংযমী হ )—তুমি সদায় 'মুখ কোঁচাই' খাব নোৱাৰা, নহলে কি উপকাৰ কৰিব ?

**মুখ খজুৱা**—( উত্তৰ-উত্তৰি কৰি লাগি থাক )—মোৰ লগত 'মুখ খজুৱাই' থাকিব নালাগে; তোমাৰ প্ৰাপ্যখিনি মই দি দিওঁ, তুমি আঁতৰি যোৱা

**মুখ-চতুৰ**—'মুখ-কাটন' চোৱাঁ।

**মুখ-চন্দ্ৰিকা**—( বিয়াৰ পিছত দৰা-কন্যাৰ মাজত প্ৰথম দৃষ্টি )—'মুখ-চন্দ্ৰিকাৰ' সময়তহে দৰাই বুজি পালে যে ছোৱালী বেয়া বুলি তেওঁক লগোৱা কথাবোৰ মিছা।

**মুখ-চন্দ্ৰিকা বিয়া**—( তোলনি-বিয়াৰ দিনাই দৰা-কন্যাক বিয়া দিয়া এটা প্ৰথা )—'মুখ-চন্দ্ৰিকা বিয়াও' কেৰা বিধো বিয়াৰ এবিধ।

**মুখ চম্ভালি ক**—( সংযতভাৱে কথা ক )—'মুখ চম্ভালি' কথা 'কবা'; নহলে বিপদ হব।

**মুখ চা**—( পুত্ৰে). দয়া বা শ্ৰদ্ধাৰ ভাব ৰাখ্ )—মানুহৰ 'মুখ চাই' কথা কলে কোনে তোমাক বেয়া বুলিব ?

**মুখ চাই দাপোণ**—( যোগ্য কাৰ্য বা বস্তু )—চোলাটো তেওঁলৈ খব ভাল হব; 'মুখ চাইহে দাপোণ'।

**মুখ-চানি ( বা চাৱনি )**—ধন ধাৰ কৰাত বা মাটি লোৱাত ধন বা মাটিৰ গৰাকীক সন্মান দেখুৱাই দিয়া ধন বা বস্তু )—এশ টকা ধাৰতে লগেও তেতিয়া দহ টকা 'মুখ-চানি' দিব লাগিছিল।

**মুখ-চাৱনি**—'মুখ-চানি' চোৱাঁ।

**মুখ-চোকা**—'মুখ-কাটৰ' চোৱা।

**মুখ জুৰা**—( বন্ধুৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শান্তি পা )—দুখৰ কথা কৈ বুঢ়ীয়ে 'মুখ জুৰালে'।

**মুখত ধৰ্**—( আনক কথা কোৱাত বন্ধ কৰ্ )—কাৰ 'মুখত ধৰি' কেইজনক বন্ধ কৰি ফুৰিবা ?

**মুখত কোবোৱা দমৰা হেন হ**—( কোনো কামত বেয়াকৈ বাধা পাই জব্দ হৈ উভতি আহ্ )—আনৰ পুখুৰীত মাছ মাৰিবলৈ গৈ 'মুখত কোবোৱা দমৰা হেন হৈ' উভতি আহিলি কিয় ?

**মুখত পানী আহ্**—( ঘোৰ চিন্তা বা উদ্বেগৰ মাজত অলপ আশ্ৰয় বা উদ্ধাৰৰ উপায় পা )—ধাৰিবা পৰিয়ালটো কেনেকৈ পুহিম, ভাবি উপায় পোৱা নাছিলোঁ ; হঠাৎ পুৰণি ধাৰ এশ টকা আদায় হোৱাতহে 'মুখত পানী আহিল'।

**মুখত পানী নোহোৱা হ**—( চিন্তা বা উদ্বেগত মুখ শুকা )—বান-পানীয়ে গাঁও খহাই আহিছে ; আমাৰ 'মুখত পানী নোহোৱা হ'ল'।

**মুখত পিঠা ভৰাই ক**—( অন্তৰৰ কথা স্পষ্টকৈ নকৈ অস্পষ্টকৈ ক )—সাক্ষ্য দিবলৈ আহিছা ; 'মুখত পিঠা ভৰাই নকৈ' সকলো কথা স্পষ্টকৈ কোৱা।

**মুখত মাৰি নি**—( চাই থাকোঁতে লৈ যা )—আমকেইটা সি 'মুখত মাৰি নিলে' ; তই কি কৰিছিলি ?

**মুখত সোপা দি**—( মুখ বন্ধ কৰ্ )—ভেঁটি দি তেওঁৰ 'মুখত সোপা দিবলৈ' যাওঁতে বিপদতে হ'ল।

**মুখত হৰি নাম হাতত কৃত্য কাম**—( একেলগে ঈশ্বৰ-চিন্তা আৰু কৰ্তব্য সম্পাদন )—'মুখত হৰি নাম' লবা, 'হাতেৰে কৃত্য কাম' কৰিবা,—এয়ে আদৰ্শ জীৱন।

**মুখতে ঘিউ-মৌ সোপাকে দি**—( নভবা নিচিন্তাকৈ তৎক্ষণাৎ কিবা ভাল কাম কৰিম বুলি প্ৰতিশ্ৰুতি দি )—তেওঁ সদায়ে 'মুখতে ঘিউ-মৌ সোপাকে দিয়ে' ; কিন্তু দিবৰ সময়ত কৈকোৰ-পৈথোৰ কৰে।

**মুখতে ধৰ্**—( এজনৰ কথাৰ মাজতে কথা ক )—তুমি সদায় মানুহৰ 'মুখতে ধৰা' কিয় ? সিজনৰ কথা শেষ হলেহে কবলৈ শিকিবা।

**মুখ থেকেচা খা**—( ১। তলৈ মুখ কৰি পৰ্। ২। কোনো কামত জব্দ হ )—

১। 'মুখ ঢেকেচা খাই' পৰাত তাৰ নাকটো ভাগিল। ২। এবাৰ 'মুখ ঢেকেচা খাই' এতিয়া তেওঁ কিছু সতৰ্ক হৈছে।

**মুখ দি**—(১। ওলাবলৈ বাট দ। ২। খাবলৈ মুখ লগা)—১। কোঁহাটোৱে 'মুখ দিছে'; ফাটিব। ২। চাহৰ কাপত 'মুখ দিছেঁহে', তেওঁ আহি পালে।

**মুখ দি মুখ বঢ়া**—(মাত দি আনকো মাতিবলৈ বাধ্য কৰ্)—'মুখ দি মুখ বঢ়াইছা', আজি তাই দন্দুৰী হ'ল কাৰ দোষত?

**মুখ-পত্ৰ**—(কোনো অনুষ্ঠান আদিৰ মত প্ৰকাশ কৰা কাকত)—'কাষ বেছ্' হিন্দু সমাজৰ এখন 'মুখ-পত্ৰ'।

**মুখ-পাত**—(১। মুখ-পত্ৰ। ২। বাহিৰৰ কাল; সকলোৰে প্ৰথমে দেখা অংশ)—১। আমাৰ সংঘৰ 'মুখ-পাত' হিচাপে এখন আলোচনী উলিয়াব খুজিছোঁ। ২। ভিতৰি যেনে নহওক, 'মুখ-পাতটো' ভাল কৰিবা।

**মুখ-পাত্**—(কোনো কথাৰ প্ৰতিবাদ কৰ্)—ভালৰ বাবেহে মই ল'ৰাটোক কৈছোঁ; তাতে তুমি 'মুখ পাতা' কিয়? এনে কৰিলে ল'ৰাই লাই পাব।

**মুখ-পাতা**—(বাহিৰৰ অংশ)—'মুখ-পাতাটো' ধুনীয়াকৈ কাটি উলিয়া; ভিতৰৰ কালটো তেনেকৈয়ে থাওক।

**মুখ পাতি উঠ্** (বা ধৰ্)—'মুখ পাত্' চোৱা।

**মুখ-পাত্ৰ**—(মুখিয়াল লোক; দলৰ প্ৰতিনিধি হিচাপে কোৱা মানুহ)—তেওঁ আমাৰ 'মুখ-পাত্ৰ'; তেওঁকহে সোধক।

**মুখ কালি তীখা দি**—(স্পষ্টভাৱে চোকা মন্তব্য কৰ্)—'মুখ কালি তীখা দিয়া' বাবে বেজাৰ নাপাবা; তোমাৰ ভাললৈহে কৈছোঁ।

**মুখ বজা**—(বৰকৈ কথা ক; দন্দ কৰ্)—'মুখ বজাই' নাথাকি কাম কৰাগৈ; তেতিয়া দন্দো ভাগিব, কামো হব।

**মুখ-বলী**—(চোকা মুখৰ)—মানুহটো অকল 'মুখ-বলীয়েই' নহয়, হাতো সমানে চোকা।

**মুখ বা**—'মুখ বজা' চোৱা।

**মুখ বান্ধ্**—'মুখ কোঁচা' চোৱা।

**মুখ ভাঙ্**—(মন্ত্ৰ মাতি মুখ লগা ৰোগৰ বিকাৰ ভগা)—ল'ৰাটোৰ মুখ লাগিছে; 'মুখ ভাঙিবলৈ' শনিবাৰ মঙলবাৰে তিনি দিন ৰাতিপুৱাই পানী জাৰি দিব, তাৰে গা ধুৱাব লাগিব।

**মুখ ভেঙুচিয়া**—( মুখ বিকটাই বা মাত মাতি ইতিকিং কৰ্ )—তুমি 'মুখ ভেঙুচাইছা' দেখিহে তেওঁৰ খং উঠিছে।

**মুখ মছা কৰ্**—( সম্পূৰ্ণ নিৰাশ কৰ্ )—তেওঁৰপৰা দুশ টকা পাম বুলি ভাবিছিলোঁ; কিন্তু তেওঁ মুৰকত এটকাও দিব নোৱাৰে বুলি কৈ মোক 'মুখ মছা কৰিলে'।

**মুখ মৰ্**—( ১। নিমাত হ। ২। খাবলৈ ৰুচিহীন হ )—১। মোৰ কথাত তাৰ 'মুখ মৰিল'। ২। বহুত দিন নৰিয়াত পৰি থকাত তেওঁৰ 'মুখ মৰিছে'; খাব পৰা হওঁতে পলম লাগিব।

**মুখ মাৰ্**—( ১। নিমাত কৰ। ২। ৰুচিহীন কৰ্ ৩। মন মাৰ্ )—১। মোৰ কথাই তেওঁৰ 'মুখ মাৰিলে'। ২। নৰিয়াই তেওঁৰ 'মুখ মাৰিছে', আজি দুগৰাহো ভাত খাব নোৱাৰিলে। ৩। তেওঁ দেখোন 'মুখ মাৰি' বহি আছে।

**মুখ মেল্**—( ১। হত বুদ্ধি হ ২। কবলৈ আৰম্ভ কৰ্ )—১। 'মুখ মেলি' কি চাইছা? কি কৰা, সোনকালে কৰা। ২। মই 'মুখ মেলিলে' জানোৱা আপুনি বেয়া পায়, সেই দেখিহে মনে মনে আছোঁ।

**মুখ মেলি থাক্**—( আনৰ অনুগ্ৰহলৈ আশা কৰি থাক )—আনলৈ 'মুখ মেলি থাকিলেই' পেট নভৰে; নিজে কাম কৰা।

**মুখ মেলি দি**—( সম্পূৰ্ণভাৱে পৰাস্ত, জব্দ বা বিবুদ্ধি হ )—১। সি বোলে চুমোণী ভাৰ নিব পাৰে, পিছে এতিয়া ডেৰ মোণতে 'মুখ মেলি দিলে' দেখোন। ২। বিপদ্ আহিলে 'মুখ মেলি দিয়া' কিয়? প্ৰতিকাৰৰ চিন্তা কৰাহে উচিত।

**মুখ মেলিলে গৰ্ভ দেখ্**—( কবলৈ ধৰিলে সকলো গোপন কথা প্ৰকাশ হ )—তই ইয়াৰপৰা গুচি যা; মই 'মুখ মেলিলে' মানুহে 'গৰ্ভ দেখিব'।

**মুখৰ কথা**—( ১। মুখৰ মাত। ২। আন্তৰিকতা নোহোৱা কথা। ৩। সহজ কাম )—১। দুখীয়া হ'লা বুলি 'মুখৰ কথাষাৰকো' দুখীয়া হলা নে? ২। তেওঁৰ 'মুখৰ কথাত' মুগ্ধ নহবা; পেটটো কোন ফালে, লক্ষ্য কৰিছা নে? ৩। জীৱনত কৃতকাৰ্য হোৱা 'মুখৰ কথা' নহয়।

**মুখৰ খেজুৰেতি তোল্**—( খাবলৈ হেঁপাহৰ সৃষ্টি কৰ্ )—কিমো আম ধুৰালাহে। 'মুখৰ খেজুৰেতি তোলাহে' হ'ল, আম হলে খোৱা নহ'ল।

**মুখৰ খেজুৰেতি পেলা**—( বা মাৰ্ )—( ১। কথা কোৱাৰ ইচ্ছাৰ উপশম কৰ্;

২। খোৱাৰ ইচ্ছাৰ উপশম কৰ্‌)—১। 'মুখৰ খজুৱতি পলাবলৈ' ৰন্দ কৰিব লাগিলে খোৱা। ২। আমটো খাই 'মুখৰ খজুৱতি পলালা' নে?

**মুখৰ ছাই** (বা **'ছাই-মাটি'**) **গুচা**—(মৃতকৰ প্ৰেতকৰ্ম কৰ্‌)—তেওঁৰ মাকৰ মৃত্যু হ'ল; কেনেকৈ 'মুখৰ ছাই গুচায়', ভাবি জিকপায় হৈছে।

**মুখৰ বাটে ওলা**—(বঢ়িয়াই দি)—আম খাবলৈ আনৰ বাৰীয়ে বাৰীয়ে ফুৰাৰ মজা পালি নে? গিৰীহঁতে সাতাম পুৰুষকো উদ্ধাৰ কৰিবলে, তোমো আম 'মুখৰ বাটে ওলাল'।

**মুখৰ ভাত কাঢ়্‌**—(জীৱিকাৰ উপায় নষ্ট কৰ্‌)—মোৰ 'মুখৰ ভাত' তুমি 'কাঢ়িছিলা', কিন্তু সেই বুলিও মই মৰি যোৱা নাই।

**মুখৰ মহলা মাৰ্‌**—(ছলাহি মাৰি কথা ক)—আজিকালি 'মুখৰ মহলা মাৰি' খোৱা দিন আৰু নাই; কাম নকৰিলে কোনোৱে খাব নোৱাৰে।

**মুখৰ মাখি খেদিব নাজান্‌**—(সংসাৰৰ আওভাও একোকে নাজান্‌)—ল'ৰাটোৰ বুজন হোৱা বয়স হৈছে, কিন্তু 'মুখৰ মাখিও খেদিব নাজানে'; কেনেকৈ যে পিতাকৰ সম্পত্তি ৰক্ষা কৰিব, মই ভাবি পোৱা নাই।

**মুখৰ মাততে**—(প্ৰতি কথাই)—'মুখৰ মাততে' গালি-শপনি খাই থাকিব কোনে?

**মুখৰ মেহাৰ**—(মুখেৰে কোৱা মিঠা মাত-কথা)—এই কামটো 'মুখৰ মেহাৰতে' কৰালোঁ, পইচা ভৰা নাই।

**মুখ ৰাখ্‌**—(কোনো কাৰ্যৰ্দ্বাৰা সন্মান ৰক্ষা কৰ্‌)—পিছত যি কথা কৰিবা, আজি এবাৰ গৈ আহি মোৰ 'মুখ ৰাখা'।

**মুখ ল**—(ওলাবলৈ বাট ল—পুঁজ আদিত খাটে)—ফোঁহাটো কাটিল, 'মুখ লৈছে' দেখিছা নে?

**মুখ লাগ্‌**—(কু-চকু বা কু-দৃষ্টিত পৰ্‌)—বুঢ়ীয়ে কেনেকৈ ৰ' লাগি কেঁচুৱাটোলৈ চাই আছে! 'মুখ লাগিব' পাৰে, তাক আঁতৰাই নিয়া।

**মুখ লিখ্‌**—(আনে কোৱা কথা লিখি ৰাখ্‌)—আজিৰ বক্তৃতাত তেওঁৰ 'মুখ লিখিব' লাগিব; কোনে পাৰিবা?

**মুখ লেখ্‌**—(মুখে মুখে কৰা হিচাপ)—আমি 'মুখ-লেখতে' কৰিছোঁ, তুমি কাকতত হিচাপ কৰি চোৱাচোন।

**মুখলৈ চা**—(মৰম বা শ্ৰদ্ধা কৰ্‌)—তেওঁৰ 'মুখলৈ চোৱা' হলে এনে কথা নকলাহেঁতেন।

**মুখ শুকাই আমঠু (বা টেঙি) যেন হ**—(ভয় বা ভোকত মুখ শুকা বা হতবুদ্ধি হ)—সঁচা কথা কবলৈ ভয় কিহৰ? কাছাৰীলৈ যাব লাগিল বুলিয়েই 'মুখ শুকাই আমঠু যেন হব' লাগিল নে?

**মুখ-শুদ্ধি**—(মুহদি কৰিবলৈ চোবোৱা তামোল আদি)—"কৰ্পূৰ তাম্বুল আদি 'মুখ-শুদ্ধি' দিলা।"

**মুখ হৰ্**—(অনুৰোধ বা প্ৰাৰ্থনা নাৰাখ্)—তেওঁ তোমাৰ 'মুখ হৰিলেও' মোৰ 'মুখ হৰিব' নোৱাৰে।

**মুখ-হাত ধো**—(শৌচ বা প্ৰস্ৰাৱ কৰ্)—বুঢ়াই 'মুখ-হাত ধুবলৈ' বাহিৰলৈ যাওঁতে পিছলি পৰিল।

**মুখা পিন্ধ্**—(নিজৰ সুবিধাৰ বাবে কোনো ভাব বা মতৰ পোষকতা কৰ্)—আজি কালি এনে সাজ-পাৰ পিন্ধিলে বহুত সুবিধা আছে, সেই দেখি তেওঁ 'মুখা পিন্ধিছে'।

**মুখা-মুখি**—(১। দেখা-দেখি; আগা-আগি। ২। উত্তৰা-উত্তৰি)—১। 'মুখা-মুখি' হলেই তেওঁলোকৰ কাজিয়া লাগে। ২। পুৱাৰপৰা গধূলিলৈ এই দৰে 'মুখা-মুখি' কৰি থাকোঁতে মুখৰ বিষ নুঠে নে?

**মুখেন মাৰিতং জগৎ**—(মুখেদিহে পাৰ্গত)—অকল 'মুখেন মাৰিতং জগৎ' হলেই আজি-কালি ভাত নিমিলে, কাম কৰিব লাগে।

**মুখে মুখে**—(১। বহু লোকৰ মুখেৰে। ২। কথাই কথাই। ৩। মুখৰ আগতে ৪। মুখৰ সমানে)—১। এইবোৰ কথা মানুহৰ 'মুখে মুখে' চলি আহিছে। ২। প্ৰতি বাবে 'মুখে মুখে' উত্তৰ কৰা দেখি তেওঁৰ খং উঠিল। ৩। ডাঙৰ মানুহৰ 'মুখে মুখে' এনে কথা কব নাপায়। ৪। কলহবোৰ 'মুখে মুখে' পানীৰে ভৰি আছে।

**মুখেৰে লাও হাল বা**—(কিন্তাহি মাৰি ক)—'মুখেৰে লাও হাল বালেই' খেতি হব নে? কাম কিমান কৰা?

**মুগৰ পাজি হেন**—(খব পৰিষ্কাৰ বা ধুনীয়া)—তোমাৰ আখৰবোৰ 'মুগৰ পাজি হেন।'

**মুগা কাট্**—(মুগাৰ বাহ সিজাই তাৰপৰা মুগা সূতা উলিয়া)—আজি-কালি মানুহে 'মুগা কাটিব' নজনা হ'ল।

**মুগা-বজীয়া**—(মুগা আৰু কপাহী সূতা মিহলাই বোৱা)—এখন 'মুগা-বজীয়া' মেখেলা দিয়া; শুধ্ মুগাৰ কিনিবলৈ পইচা নহব।

**মুচৰি সামৰি খাটলৈত থ**—(শক্তিহীন কৰ্; সম্পূৰ্ণ জব্দ কৰ্)—আপুনি ‘মুচৰি সামৰি খাটলৈত থব’ খুজিলেও আমি সেইমান হব নোৱাৰোঁ।

**মুচি পেলা (বা মেল্)**—(কঠালৰ কলি ওলা)—এইজোপা কঠালে এইবাৰহে ‘মুচি পেলাইছে’।

**মু’-চোৰা**—‘মুখ-চাৰনি’ চোৱা।

**মুঠ ধৰ্**—(১। যোগ কৰ্; সমষ্টি উলিওৱা। ২। গোট হ)—১। কিমান খৰচ হ’ল, ‘মুঠ ধৰি’ চোৱা। ২। বাইজে ‘মুঠ ধৰিলে’ চৰকাৰে আপত্তি শুনিবলৈ বাধ্য হব।

**মুঠ বান্ধ্**—(একগোট হ)—বাইজে ‘মুঠ বান্ধি’ কাম কৰিলে সকলো কাম সহজে কৰিব পাৰি।

**মুঠিতে লুকো**—(বৰ সৰু বা লাহী হ)—তেওঁৰ কঁকালখন ‘মুঠিতে লুকায়’ বুলি কব পাৰি।

**মুঠি মাৰ্**—(হাতৰ আঙুলি জপাই আঁটি ধৰ্)—কাক মাৰিবলৈ ‘মুঠি মাৰি’ ভুকু দাঙিছা?

**মুঠি-মুঠি**—(বহুত মুঠি; বহুত পৰিমাণে)—তেওঁ বছৰি দুখীয়াৰ মাজত ‘মুঠি-মুঠি’ ধন বিলায়।

**মুঠি ল**—(শস্যৰ গুটি মাটিত সিঁচ্)—এতিয়া খেতিৰ বতৰ, খেতিয়কে আহু ধানলৈ ‘মুঠি লৈছে’।

**মুঢ়া আমৰ হছু**—(সম্পূৰ্ণ নিষ্ক্ৰিয় হৈ বহি থকা মানুহ)—ইমাত ‘মুঢ়া আমৰ হছু হৈ’ থাকি কি কৰোঁ? মই যাওঁৱেই দিলা।

**মুঢ়াত আগুন লাগ্**—(টান কামৰ সন্মুখীন হ)—বছৰি কিবা উপায়ে প্ৰমোচন পাই আছিলোঁ; এতিয়াহে ‘মুঢ়াত আগুন লাগিল’; শেষ পৰীক্ষাটো পাৰ হওঁ কেনেকৈ?

**মুদা মাৰ্**—(বাট মাৰ্; উপায়হীন কৰ্)—কাৰো জীৱিকাৰ ‘মুদা নামাৰিবা’।

**মুদা মাৰি খা**—(খাই নাইকিয়া কৰ্)—সকলো বস্তুকে ‘মুদা মাৰি খোৱা’ ভাল গৃহস্থৰ লক্ষণ নহয়।

**মুনি-চুনি**—(গধূলি পৰৰ না-আন্ধাৰ না-পোহৰ সময়)—‘মুনি-চুনিত’ কোন আহিছিল, মই মণিব নোৱাৰিলোঁ।

**মুনিহ হি**—(কেচ লৈ আনৰ ধান কাট্)—এইবোৰ মানুহে বছৰি মুনিহ হিয়েই জীৱিকা আৰ্জে।

**মুৰেল খাবে**—( একেবাহে আক বেছি পৰিমাণে—যৰবুণত খাটে )—শেষ নিশাকপৰা 'মুৰল খাবে' যৰবুণ দিছে।

**মুখচ কৰ্**—( ঘৰৰ মুখ ছা )—ঘৰটোৰ 'মুখচ কৰা' ; যৰবুণ ধৰিলে অসুবিধা হব।

**মুখচ পেলা**—( অন্ত কৰ্ ; শেষ কৰ্ )—ল'ৰাইতে আমৰ 'মুখচ পেলালে'।

**মুধা ছুট্**—( অতিশয় ভাগৰ লাগ্ )—আটাহ পাৰোঁতে পাৰোঁতে তাৰ 'মুধা ছুটিল'।

**মুধো-ছুট হ**—( বিচূৰ্ণি হ )—সিহঁতৰ কটাকটি দেখি বুঢ়া 'মুধা-ছুট হ'ল' ; বাগৰি পৰিল।

**মুধো-ফুটা**—( নাম-ধৰা )—তেওঁ 'মুধা-ফুটা' হ'ল বুলিয়েই আমাক এনেকৈ কব নে ?

**মুধা মাৰ্**—'মুখচ কৰ্' চোৱাঁ।

**মুৰ কৰ্**—( কোনো এথালটৈ মূৰ পোনা )—উত্তৰলৈ 'মূৰ কৰি' শুব নাপায়।

**মুৰ খজুৱা**—( কি কৰোঁ কি নকৰোঁকৈ চিন্তা কৰ্ )—মই টকা খোজাত তেওঁ 'মূৰ খজুৱাবলৈ' ধৰিলে।

**মুৰ খা**—( ১। মাউৰা হ। ২। অপকাৰ বা মৃত্যুৰ কাৰণ হ )—১। আই-বোপাইৰ 'মূৰ খাইছোঁ' ; মোৰ কোনো নাই। ২। ল'ৰাটোক নাই দি তাৰ 'মূৰ খাইছা'।

**মুৰ-গা ধো**—( স্নান কৰ্ )—ছোৱালীজনী 'মূৰ-গা ধুই' উঠক ; চাবি দিন পিছত বিবহি।

**মুৰ ঘমা**—( বৰকৈ চিন্তা কৰ্ )—তাইৰ হৈ তুমি 'মূৰ ঘমাব' নালাগে ; মই যি কৰোঁ কৰিম।

**মুৰ ঘূৰা**—( বেজাৰ বা চিন্তাত পোঁজা মাৰি থাক্ )—তেওঁৰ বা কি হৈছে, পুৱাৰপৰা 'মূৰ ঘূমাই' আছে দোখোৰ।

**মুৰ-ঘূৰণি**—( মূৰ ঘূৰি থকা যেন পোৱা অসুখ ; আচন্ত্ৰাই )—কবিৰাজী তেলত মোৰ 'মূৰ-ঘূৰণি' ভাল হ'ল।

**মুৰ-জাল পাৰ্**—( বেজাৰ লগা কথাৰে আনকো বিৰক্ত কৰ্ আৰু নিজেও উত্তেজিত হৈ থাক্ )—নিজে বাতি 'মূৰ-জাল পাৰি' থকাটো মই সহ্য কৰিব নোৱাৰোঁ।

**মুৰ জোকাৰ্**—( অসম্মত হ )—একো টান কাম কৰিবলৈ কোৱা নাই বোৱা, 'মূৰ জোকাৰিব' নালাগে।

**মুৰ-টাঙি মাৰ্**—'মূৰ জোকাৰ্' চোৱা।

**মুৰত উঠ্**—( ১। মূৰ আক্ৰমণ কৰ্। ২। লাই পা )—১। তাৰ খৰ 'মূৰত উঠিছে' ; পাখী চালা। ২। ল'ৰাটো যৰৰ পাই 'মূৰত উঠিছে' ; তাক শাসন কৰা।

**মূৰত চৰগ পৰ্**—(কোনো কথা বা কাৰ্যত স্তম্ভিত হ)—তেওঁৰ মৃত্যুত দেশবাসীৰ 'মূৰত চৰগ পৰিল'।

**মূৰত চলুৰে চলুৰে পানী ল**—(বৰ বেজাৰ পা)—তেওঁৰ বৰ পোৱা গুটি বুঢ়ীয়ে 'মূৰত চলুৰে চলুৰে পানী লবলৈ' ধৰিলে।

**মূৰত চাউল দি**—(বিবাহ সম্পন্ন কৰ্)—পুৰোহিতে দৰা-কন্যাৰ 'মূৰত চাউল দিলে'; আমি বৰাবৰি আহিলোঁ।

**মূৰত টাঙোন মাৰ্**—(ডাঙৰ অন্যায় কাৰণ হ)—তেওঁ নাকি মোৰ 'মূৰত টাঙোন মাৰিলে'; মই এতিয়া কি কৰোঁ?

**মূৰত চাকি খা**—(প্ৰচুৰ পৰিমাণে কোনো বস্তু থকাত অতিশয় উদাৰভাৱে খৰচ কৰ)—যোৱা বাৰ গুড় বহুত পাই 'মূৰত চাকি খালোঁ'; এই বাৰ কুঁহিয়াৰ মুঠে নহ'ল, কি কৰোঁ?

**মূৰত থলে উকণীয়ে খা মাটিত থলে পৰুৱাই খা**—(বৰ মৰমৰ পাত্ৰ হ)—বুঢ়া বয়সৰ একমাত্ৰ পুত্ৰক; বুঢ়া-বুঢ়ীয়ে ভাবে, তাক 'মূৰত থলে উকণীয়ে খাব, মাটিত থলে পৰুৱাই খাব'।

**মূৰত ধৰ্**—(অপমানসূচক ব্যৱহাৰ কৰ্)—তেওঁৰ কথা নকবা; তেওঁ একে কোবেই ভৰিত ধৰে, আৰু 'মূৰতো ধৰে'।

**মূৰ দাঙ্**—(দুৰ্বল অৱস্থাৰপৰা সবল হ)—১। বেমাৰীটোৱে কেতিয়া 'মূৰ দাঙে', কব পৰা নাই। ২। এই পৰিয়ালটোৱে এবছৰতে 'মূৰ দাঙি' উঠিল।

**মূৰ দাঙি চা**—(অনুগ্ৰহ বা কৃপা কৰ্)—মোৰ এই বিপদত 'মূৰ দাঙি চোৱাঁ', প্ৰভু।

**মূৰ দুপিয়া**—(মূৰ তললৈ দোপ মাৰি সম্মতি জনা)—মোৰ প্ৰস্তাৱত তেওঁ 'মূৰ দুপিয়ালে'।

**মূৰ ধৰ্**—(সূচনা হ)—কাৰবাৰত এই বছৰো লাভ হোৱাৰ 'মূৰ ধৰা' নাই; আৰু এবছৰমান চাব লাগিব।

**মূৰ নোহওঁতেই মূৰৰ বিষ হ**—(অকাৰণ বা অবাস্তৱ চিন্তা কৰি কষ্ট পা)—বাৰিষা বান-পানী আহিলে কি উপায় কৰিবা, এতিয়া খৰালিতে ইমান ভাবিছা কিয়? 'মূৰ নোহওঁতেই মূৰৰ বিষ হোৱাৰ' কাৰণ নাই।

**মূৰ পৰ্**—(অন্ত পৰ্; শেষ হ)—আমাৰ কথাৰ 'মূৰ পৰিল'; বৰাবৰি আহিলোঁ।

**মূৰ পাতি ল**—( বিনীতভাৱে গ্ৰহণ কৰ্ )—আপোনালোকৰ আশীৰ্বাদ মই 'মূৰ পাতি লৈছোঁ'।

**মূৰ পুতি কৰ্**—( একান্ত মনেৰে কৰ্ )—'মূৰ পুতি কৰিলে' টান কামো সিজে।

**মূৰ পেলা**—( ১। অন্ত কৰ্। ২। ডাল-পাত হালি পৰ্ )—১। কামৰ 'মূৰ পেলালোঁ'; এতিয়া বানচ দিয়ক। ২। গছজোপাই 'মূৰ পেলালে' কিয়?

**মূৰ পোলোকা দি**—( ১। পথাৰপৰা মূৰ পিছলাই ওলা। ২। দায়িত্ব এৰাই আঁতৰি যা )—১। গাইজনীয়ে বাতি 'মূৰ পোলোকা দি' ওলাই আহিছিল। ২। সি 'মূৰ পোলোকা দি' কাম এৰি পলাল।

**মূৰ ঘূৰা**—( মূৰ ঘূৰা )—মোৰ মূৰ ঘূৰাইছে, সেই দেখিহে শুইছোঁ।

**মূৰ ভৰ কৰ্**—( মূৰটো গধুৰ যেন লাগি অসুখ বোধ কৰ্ )—ডাৱৰীয়া বতৰ দেখি মোৰ আজি 'মূৰ ভৰ কৰিছে'।

**মূৰ ভাঙ্**—( সকলোতকৈ আগেয়ে কোনো টান কাম কৰি দেখুৱা )—ময়ে 'মূৰ ভাঙি' দিওঁ, তোমালোকে বাক পিছত কৰিবা।

**মূৰ মৰ্**—'বাট মৰ্' চোৱা।

**মূৰ মাৰি কান্দ**—( মূৰ আকালি কান্দ )—পুতেক মৰাত মাকে 'মূৰ মাৰি কান্দিবলৈ' ধৰিলে।

**মূৰৰ ওপৰত সাত চৰি পানী**—( এতিয়াও বহুত বিপদ্ অতিক্ৰম কৰিবলৈ বাকী )—খেতিৰ খবৰ সুধিছা? এতিয়াহে কঠ মোৱাৰিছোঁ; এতিয়াও 'মূৰৰ ওপৰত সাত চৰি পানী' আছে।

**মূৰৰ ওপৰেদি তিনি চলু পানী যা**—( বৰ বিপদৰপৰা ত্ৰাণ পাই শান্তি পা )—সি পৰীক্ষাত পাছ হ'ল নে? মোৰ 'মূৰৰ ওপৰেদি তিনি চলু পানী গ'ল।'

**মূৰৰ চুলিৰ সমানে আয়ুস হ**—( বহুত বছৰলৈ জীয়াই থাক্—আশীৰ্বাদ )—বোপাৰ মোৰ 'মূৰৰ চুলিৰ সমানে আয়ুস হওক।'

**মূৰৰ লেউতা**—( আলো-কলা ; আতা )—আমাৰ 'মূৰৰ লেউতাক' বজাই এই মাটি দিছিল।

**মূৰৰ বীজ ছুওচা**—( নিচেই সৰু )—এই 'মূৰৰ বীজ ছুওচা' ল'ৰাটোক ইমান বৰ হাত মই নাৰাখোঁ।

**মূৰ লুকাবৰ ঠাই নহ**—(সম্পূৰ্ণ আশ্ৰয়হীন হ)—জোঁৱায়েক মৰিলত বুঢ়ীৰ 'মূৰ লুকাবৰ ঠাই নোহোৱা' হ'ল।

**মূৰ-শিতান**—(শোওঁতে মূৰ থোৱা ঠাই বা কাষ)—ডাঙৰ মানুহৰ 'মূৰ-শিতানত' বহিব নাপায়।

**মূৰ গুজা**—(আশ্ৰয় ল)—'মূৰ গুজাবলৈ' তাৰ এটা ঘৰো নাই; বৰপুত বিয়া পাতিছে ক'ত?

**মূৰা-পাক দি**—(পাক দি ঘূৰি আহ)—গাইজনীয়ে নিতৌ গধূলি এবাৰ 'মূৰা-পাক দিবই'।

**মূৰা-পাক মাৰ**—"মূৰা-পাক দি' চোৱা।

**মূৰা-বাগৰা**—(নানা ঠাইত আশ্ৰয় লৈ ফুৰা; কথা বা কামৰ থান-থিত নোহোৱা)—সি 'মূৰা-বাগৰা' মানুহ; থকা বা কথা-বতৰাৰ একো থান-থিত নাই।

**মূৰে কপালে হাত দি**—(বৰকৈ দুখ কৰ)—তাৰ কাণ্ড দেখি পিতাকে 'মূৰে কপালে হাত দিলে।'

**মূৰে টোপনিয়া**—'মূৰ গুজা' চোৱা।

**মূৰে ভৰি কাঢ়**—(উভতালি কৰ; বিপৰীত কাৰ্য কৰ)—তই যেনেকৈহে 'মূৰে ভৰি কাঢ়িব' লাগিছ, তোৰ দিন বেয়া হৈ আহিছে।

**মূৰে মাটি ছলুক্**—(বৰকৈ পৰিশ্ৰম কৰ; অনেক কাম কৰ—বিদ্ৰূপাৰ্থত)—পুৱাৰপৰা 'মূৰে মাটি ছলুকি আহা', এতিয়া ভাত সাজি-পাৰি খৈছোঁ খোৱাহি।

**মূৰে মূৰে**—(১। কোনোমতে জোৰাকৈ। ২। কাণ কাণে মাৰি)—১। গাখীৰে 'মূৰে মূৰেহে' আটিলে; কম হব বুলিয়েই ভয় কৰিছিলোঁ। ২। মই 'মূৰে মূৰেহে' পাৰি গলোঁ; এক মিনিট পলম হলে গাড়ীয়ে চেপে।

**মূৰ্খ বৈদ্য যম সম**—(অজ্ঞানী বেজ যমৰ দৰে, পণ্ডিতক পৰিহাৰ্য)—ভাল ডাক্তৰ একজন আনা; 'মূৰ্খ বৈদ্য যম সম'; এনে চিকিৎসা তুমিও কৰোৱা নে?

**মূৰ্তি দেখি চুৰ্তি হেৰা**—(ভয়ত বিচুৰ্তি হ)—কি দবৰ দিব, ৰোগীৰ 'মূৰ্তি দেখি' ওজাৰ 'চুৰ্তি হেৰাল'; ওজা পলাল।

**মূল-ধন**—(১। বেপাৰত খটোৱা পুঁজি ধন। ২। সুদলৈ ধাৰে দিয়া ধন)—১। এই কাৰবাৰত স্বীকৃত 'মূল-ধন' এক কোটি টকা। ২। 'মূল-ধন' পাঁচ শ টকা হলে শতকৰা ১৫৲ টকা সুদৰ হাৰে চাৰি বছৰ পাঁচ মাহত সুদে-মূলে কিমান হব?

**মূল-মাথা (বা মাথী)**—(মূল-ধনো হেৰুৱাব লগীয়া)—'মূল মাথী' কাৰবাৰ কৰি বহুত টকা মাটি কৰিলোঁ; সেই দেখি কাৰবাৰ এৰি খেতি কৰিম বুলি ভাবিছোঁ।

**মূল-মন্ত্ৰ**—(১। বীজ-মন্ত্ৰ; ইষ্ট-মন্ত্ৰ। ২। ঘাই মন্ত্ৰ। ৩। কোনো কাৰ্য কৰিবলৈ কৰা দৃঢ় কল্পনা বা প্ৰতিজ্ঞা)—১। সন্ন্যাসীয়ে 'মূল-মন্ত্ৰ' উচ্চাৰণ কৰি ধ্যান কৰিবলৈ ধৰিলে। ২। প্ৰত্যেক দেৱতাৰ একোটাকৈ 'মূল-মন্ত্ৰ' আছে। ৩। সদায় সত্য কথা কোৱাই তেওঁৰ জীৱনৰ 'মূল-মন্ত্ৰ' আছিল।

**মূলে-মূলে**—(কোনোমতে লোকচান নোহোৱাকৈ)—বেপাৰত লাভ নহল; 'মূলে-মূলে' বস্তু বেচি গুচি আহিলোঁ।

**মৃত-কল্প**—(মৰাৰ তুল্য)—কথাটো শুনি 'মৃত-কল্প' হলোঁ; তেওঁলৈ ভাবি বেয়া লাগিল।

**মৃত্যুৰ মুখত পৰ্**—(মৰ্)—ডেকা বয়সতে তেওঁ 'মৃত্যুৰ মুখত পৰিল'।

**মেকুৰী জোলোঙাৰপৰা ওলা**—(আচল কথাটো ব্যক্ত হ)—তেওঁ সাক্ষ্য দিয়াতহে 'মেকুৰী জোলোঙাৰপৰা ওলাল'; চোৰ কোন বাইজে বুজি পালে।

**মেকুৰীৰ মূৰত কোবাবলৈও খৰি নহ**—(ঘৰত এডাল সৰু খৰিও নহ)—দুখীয়া হৈ আছিল; ইফালে 'মেকুৰীৰ মূৰত কোবাবলৈও খৰি' এডালো 'নাই'; তাত বাকো কিহেদি?

**মেখেলা-তলীয়া**—(তিৰোতাৰ বশ; স্ত্ৰৈণ)—সেই 'মেখেলা-তলীয়াটোক' সুধি একো লাভ নাই; ঘৈণীয়েকক নোসোধাকৈ সি একো কব নোৱাৰে।

**মেখেলা-পিন্ধা**—(তিৰোতাৰ দৰে সাহ-পিত নাইকিয়া)—আজি-কালিৰ যুগত এনে 'মেখেলা-পিন্ধা' মানুহৰ ঠাই নাই; তেওঁ ঘৰৰপৰা ওলাবলৈকে সাহ নকৰে।

**মেখেলা-তাৰী**—(আনৰ সম্পত্তিৰ বাবে বৰ নীচ কাম কৰা মানুহ)—এনে নীচ কাম তাৰ বাহিৰে-আনে কৰিব নোৱাৰে; তাক মানুহে 'মেখেলা-তাৰী' বোলে।

**মেখেলাৰ বল-গুটি**—'মেখেলা-তলীয়া' চোৱাঁ।

**মেৰ চাই পাজৰি**—(যথাযোগ্য কাৰ্য)—তাৰ দৰে ল'ৰা একজনে ইয়াতকৈ বেছি কাম কেনেকৈ কৰিব? 'মেৰ চাইহে পাজৰি'।

**মেৰে পাজিলে এৰ্**—(কোনো কামত শেষলৈকে লাগি থাক্)—তেওঁ ধৰিছে, বেতিয়া, এতিয়া এৰিব জানো? 'মেৰে পাজিলেহে এৰিব'।

**মেট-মৰা**—(কাণ-বাবিৰে মেট্ মেট্ কৰা; বৰ পদুৰ)—শহুৰেকৰ ঘৰলৈ ধনীয়াকে এখন 'মেট-মৰা' তাৰ পঠিয়াইছে।

**মেটেলি মাৰ্**—( মোকোৰা মাৰি থা—জামোল আদি )— ধটাটোৰ পাণ-জামোল সোপাকে 'মেটেলি মাৰি' থাকা নে কি ?

**মেঠলি মাৰ্**—( মেখেলা মুহুত চুলি পিন্ধ্ )—'মেঠনি মাৰি' তাই ধান দাবলৈ ধৰিলে ।

**মেধি মাটিত বহিলে আমে গাঁত খান্দিবহে লাগ্**—( ডাঙৰে ভেম এৰি সাধাৰণৰ শাৰীলৈ নামি আহিলে সাধাৰণে তাতোকৈ তললৈ নামিবলৈ বাধ্য হ )— 'মেধি যদি মাটিত বহিল আমি গাঁত খান্দিবহে লাগিল।' ইন্‌স্পেক্টৰে স্কুল চাবলৈ আহি পোনতে ঘৰটো সাৰিবলৈ ধৰিলে ; শিক্ষকসকলে, আৰু তাতোকৈ, ছাত্ৰবিলাকে এতিয়া কি কৰে ?

**মেধী ম'হ খীৰা**—( ধন-সম্পত্তি চুঁচি আন্ )— তিনিহিলেকৰ ঘৰত এবছৰ তেওঁ মেধী ম'হ খীৰালে' ; এতিয়া তেওঁৰো জো-জোৰা সম্পত্তি ।

**মেৰ-গোম**—( বেছিকৈ খোৱা বাবে লৰচৰ কৰিব নোৱৰা মানুহ )— সেই 'মেৰ-গোমটোৱে' খোৱাৰ পিছত দুঘণ্টা শুবই ; লৰচৰ কৰিব কেনেকৈ ?

**মেৰ-ঘৰ**—( ঘূৰণীয়াকৈ সজা ঘৰ )—লখিন্দৰৰ 'মেৰ-ঘৰ' ক'ত আছিল জানা নে ?

**মেৰ-চৰা**—( ঘূৰণীয়াকৈ সজা চাৰি )—এইখন আগৰ দিনীয়া 'মেৰ-চৰা' ; আজি-কালি পাবলৈ নাই ।

**মেৰ-পাক**—( পাক লগা কথা বা কাৰ্য )—তোমালোকৰ ঘৰুৱা কাজিয়াৰ 'মেৰ-পাকত' মই সোমাব নোখোজোঁ ।

**মেৰুগিৰি খহা দি**—( ডাঙৰ পতন হ )—মন্ত্ৰী মহাশয়লৈ চোৱাঁ ; কালি কি আছিল আজি কি হ'ল ? 'মেৰুগিৰি পৰ্বত খহা দিলে' ।

**মেৰেটা-মেৰেটি ( বা মেটা-মেটি )**—( আগ-পাছ গুণি থাকি কোনো কামলৈ হেলা বা অনিচ্ছা প্ৰকাশ কৰা কাৰ্য )—এনেকৈ 'মেৰেটা-মেৰেটি' কৰি থাকিলে কাম সিজিব কেনেকৈ ?

**মেল কৰ্**—( ১। ৰাইজে গোট হৈ সমূহীয়া কাৰ্যৰ আলোচনা কৰ্ । ২। ৰাইজে গোচৰ তোল )—১। গঞা ৰাইজে সময়ে সময়ে 'মেল কৰি' গঞাৰ সমূহীয়া সমস্যা-সমূহ আলোচনা কৰাটো বৰ শুভ লক্ষণ । ২। সি চুৰ কৰা বুলি অভিযোগ হোৱাত গঞাই তাৰ ওপৰত 'মেল কৰিছে' ।

**মেল চপা ( বা পাত্ বা মাত্ )**—( কেনুৱে মাতি গোচৰ দি )—তাৰ গৰুৱে যদি তোৰ ধান খাইছিল, তই কাজিয়া নকৰি 'মেল চপাবহে' লাগিছিল ।

**মেল মাৰ্**—(১। মেলুৱে বহি গোচৰ নিষ্পত্তি কৰ্। ২। মেলুৱে হৈ গোচৰ সুধি ফুৰ্। ৩। অদৰকাৰী কথা কৈ ঘূৰি ফুৰ্)—১। সমাজে তাৰ 'মেলটো মাৰিলে'। ২। সমাজৰ যি কোনো 'মেল মাৰিবলৈ' তেওঁক লাগিবই। ৩। তাই পুৱাতে ওলাই ঘৰে ঘৰে 'মেল মাৰি' ফুৰে।

**মেলা-চিকাৰ**—(ঘৰচীয়া হাতীৰে বনৰীয়া হাতী খেদি ধৰা কাৰ্য)—তেওঁৰ হাতী দুটাই 'মেলা-চিকাৰত' এই বাৰ চাৰিটা বনৰীয়া হাতী ধৰিছে।

**মেলা-ডোল পা**—(মুকলি মূৰীয়া হৈ ফুৰিবলৈ সুযোগ পা)—পিতাক ঘৰত নাই, পুতেকে 'মেলা ডোল পাই' অৱশেষত পঢ়া চুৰ কৰিলে।

**মেলা দি**—(তেলৰ পেৰাত তেল বৈ আহিবলৈ বাট মোকোলাই দি)—'মেলা দিবৰ' সময়ত মোক মাত দিবা; এতিয়া দূৰাই থাকা।

**মেলা মাৰ্**—(হাতেৰে দূৰলৈ মাৰি পঠিয়া)—তেওঁৰ হাত ইমান ঠিক, 'মেলা মাৰি' যাঠিৰে বাঘটো মাৰিলে।

**মেলা-মোৰ**—(মুকলি অৰ্থাৎ কামৰপৰা অব্যাহতি)—বাইজে মোক এই কামৰপৰা 'মেলা-মোৰ' দিছে।

**মোক খা মোক খা কৰ্**—বাৰীত আমবোৰ পকি 'মোক খা মোক খা কৰি' আছে।

**মোট-মৰা**—(বৰ ডাঠ বা গহীন—হাবিত খাটে)—যিহে 'মোট-মৰা' হাবি, তাৰ মাজেদি যাবলৈ সাহ নহয়।

**মোটাত পৰ্**—(টান বা দুখত পৰ্)—সি এতিয়া 'মোটাত পৰিছে'; তাক কোনে ফিৰি চাব?

**মোৱা সি থ**—(ধন পাম বুলি বৰ আশা কৰি থাক্—বিদ্রূপাৰ্থত)—তেওঁক ধাৰলৈ দিয়া টকা পাবা, 'মোৱা সি থোৱা'।

**মোমাই মৰিলে ভূতক পা**—(কোনো অপকাৰ হৈ যোৱাৰ পিছত তাৰ প্রতিকাৰৰ চেষ্টা কৰ্)—চোৰ অহা গম পাইও সুমিলা; এতিয়া 'মোমাই মৰিলেও ভূতক পাবা' নহয়? ভয় কিহৰ?

**মোৰ ধৰ্ (বা পা)**—(থাতি-ভূমি পা)—এই ঘটনাটোৰ 'মোৰ ধৰিব' পৰা নাই; ইয়াৰ ভূমিত কোন?

**মোৰ বোল্**—(অনুগ্ৰহ কৰ্)—ঈশ্বৰে তেওঁক 'মোৰ বুলিলে'; তেওঁৰ দুদিন উন্নতি আহিল।

**মোৰ মোৰ কৰ্**—(মৰম কৰ্)—মই যিমানে 'মোৰ মোৰ কৰোঁ', সি সিমানে মোক শত্ৰু বুলি ভাবিছে।

**মোৰ হেৰা**—(খাঁত হেৰুৱা; বিবুদ্ধি হ)—এই সমস্যাত কি কৰোঁ? মই 'মোৰ হেৰুৱাইছোঁ'।

**মোৰে ধৰ্**—(মোৰ ৰোগৰদ্বাৰা পীড়িত হ)—তাক 'মোৰে ধৰিছে', চিকিৎসা কৰোৱা।

**মোৰোকনি মাৰ্**—(অসন্তুষ্ট হৈ কাম এৰি গুচি যা)—কামৰ মাজত তেওঁ কিয় 'মোৰোকনি মাৰিলে'?

**মৌ-অঁতোৱা**—(ধাৰাসাৰে পৰি থকা—বৰষুণত খাটে)—যোৱা ৰাতিকণা 'মৌ-অঁতোৱা' বৰষুণ; খেতি-পথাৰবোৰ ডুবি গৈছে।

**মৌ-চেপা**—'মৌ-অঁতোৱা' চোৱা।

**মৌ দেখিলে মাখি পৰ্**—(স্বাৰ্থ সাধনৰ সুযোগ দেখিলে চাপি আহ)—বন্ধু-বান্ধৱৰ সমাগমত ভোল নাযাবা; 'মৌ দেখিলে মাখি পৰেই'।

**মৌ-বৰষা**—(মিঠা; ভাল লগা)—তেওঁৰ 'মৌ-বৰষা' কথাত সকলো সন্তুষ্ট হয়।

**মৌ-সনা**—'মৌ-বৰষা' চোৱা।

## য

**যখে ধৰ্**—(১। বৰকৈ খীণাই যা। ২। বৰ কৃপণ হ)—১। ছোৱালীজনীক 'যখে ধৰিছে', দিনে দিনে খীণাই যাব লাগিছে। ২। বুঢ়াক 'যখে ধৰিছে' পাই-পইচা এটা খৰচ কৰিব লাগিলেও মৰিব খোজে।

**যৎপৰোনাস্তি**—(যাৰ বেছি নাই; অতিশয়)—তেওঁ পুতেকক আজি 'যৎপৰোনাস্তি' গালি পাৰিলে।

**যত কুটৰ ঘাই (বা মাধ)**—(সকলো অনিষ্ট বা গোলমাল আদিৰ মূল)—'যত কুটৰ ঘাই' এই বুঢ়ীজনী। বুঢ়ীয়েহে কন্দল লগালে।

**যত দোষ নন্দ ঘোষ**—(সকলো নিন্দা, বদনাম, গালি-শপনি আদিৰ ঠাই)—কামটো বেয়া কৰিলে কোনে? ল'ৰাটোৱে। অমুক কৰিলে কোনে? সেই ল'ৰাটোৱে। সকলো বদনামৰ ভাগী ল'ৰাটো। 'যত দোষ নন্দ ঘোষ।'

**য'তে-ত'তে ( য'ত-ত'ত )**—( যি সেই ঠাইত )—ধান কিনিব বুলিও, 'যতে ততে' ধানৰ বিচাৰ লব পাৰি নে ?

**য'তে বাঘৰ ভয় ত'তে ৰাতি হ**—( বিপদৰ উপৰি বিপদ হ )—বাৰিষাৰ দিন, এনেয়ে নানা আলৈ-আহকালৰ সময় ; তাতে ল'ৰাটোৰ সাংঘাতিক জ্বৰ হ'ল, আই মৰিল, ধাল-পানী আহিল। 'য'তে বাঘৰ ভয় ত'তেই ৰাতি হ'ল।'

**য'তে ৰাতি ত'তে কাতি হ**—( থান-থিতাপি নোহোৱাত য'তে ত'তে আশ্ৰয় ল ) মোৰ কথা নাভাবিলেও হব ; আপোনালোকৰ নিজৰ নিজৰ দিহা কৰক ; মোৰ নো কি ? মোৰ 'য'তে ৰাতি হয়, ত'তে কাতি হওঁ।'

**যথা তথাৰূপে**—( কোনো প্ৰকাৰে, যি কোনো উপায়ে )—'যথা তথাৰূপে' শব্দৰটো কথা ; মানুহ-দুনুহ মাতিব নালাগে।

**যথা-লাভ**—( যিমান পোৱা যায়, সেয়ে লাভৰ কথা )—তাৰপৰা পাঁচ টকা পালোঁ,—সেয়ে 'যথা-লাভ' বুলি ভাবিছোঁ।

**যথা-সৰ্বস্ব**—( সকলো সা-সম্পত্তি )—মোকৰ্দমাত তেওঁ 'যথা-সৰ্বস্ব' হেৰুৱালে।

**যদি হয় মুনিজন, তেওঁ সোধে তিনিজন**—( জ্ঞানী লোকেও কোনো কাম কৰাৰ আগেয়ে অনেক সোধা-মেলা কৰে )—ল'ৰাটো আমেৰিকালৈ পঠাব খুজিছা, ডাঙৰ কথা ; তথাপি দুই এজনক সুধি চোৱাঁ। 'যদি হয় মুনিজন, তেওঁ সোধে তিনিজন।'

**যমক লাই দি**—( মৰিবলৈ ওলা ; সময়-সুযোগ থাকোঁতেও কাম-বন নকৰি সময় কটা ; নিজৰ দুৰ্দশা বা মৃত্যু মাতি আন্ )—ডেকা মানুহ একোজনে এনেকৈ 'যমক লাই দিলে' গৃহস্থালি উঠে নে পৰে ?

**যম-কুন্দা দি**—( কঠিন ৰোগত মৃত্যুৰ আগতে ভৰিৰ তলৰ ফালে শোথ হ )—ই সাধাৰণ শোথ নহয় ; 'যম-কুন্দা দিছে' ; মানুহটো নাবাঁচে।

**যমপুৰীৰপৰা ফিৰি আহ**—( কথমপি মৰবাকৈ ৰক্ষা পৰ্ )—ল'ৰাটোৰ কথা কি কবা ? সি এইবাৰ 'যমপুৰীৰপৰা ফিৰি আহিছে', এতিয়াও গা টঙাব পৰা নাই।

**যম যাতনা**—( অতিশয় কষ্ট )—বুঢ়াই মৰিবা-পাটিত পৰি 'যম-যাতনা' ভুগিব লাগিছে।

**যমৰ দক্ষিণ-দুৱাৰ**—( ১। বৰ কৃপণ লোক। ২। দুৰ্যোগ কষ্টৰ ঠাই )—১। তেওঁৰপৰা এপইচাও নোপোৱা ; তেওঁ সাক্ষাৎ 'যমৰ দক্ষিণ-দুৱাৰ'। ২। সেই গাঁৱত থাকিবা থাকিবা কেনেকৈ ? খৰালিতে 'যমৰ দক্ষিণ-দুৱাৰ'।

**যমৰ মাকত দুজি খোজ**—( অতিশয় কৃপণ লোকৰ ওচৰত সাহায্য ভিক্ষা কৰ্ )—

তুমি সাত দিন খোৱা নাই; মৰিবলৈ ওলাইছা; কিন্তু সেই যমটোৱে তোমাক আকৌ এমুঠি চাউল দিব? 'যমৰ মাকত হুলি খুজিলে' ক'ত পাবা?

**যমৰ মুখলৈ যা**—(বৰ ভয়ৰ বা বিপদৰ কাৰণৰ আগত উপস্থিত হ)—মই তেওঁৰ আগলৈ গলে 'যমৰ মুখলৈ যোৱা' যেন পাওঁ।

**যমে ধৰা দি**—(বৰকৈ শাস্তি দি)—ল'ৰাক শাসন কৰিলা বুলিয়েই 'যমে ধৰা দিব' লাগিল নে?

**যমে নিলেও নিয়া জোঁৱায়ে নিলেও নিয়া**—(ছোৱালী বিয়া দিয়া আৰু মৰা একে হ—ছোৱালীয়ে শহুৰিত অশেষ কষ্ট পাই মৃত্যুতুল্য হ)—ছোৱালীজনীৰ কথা চাই ভাবিবলৈ এৰি দিছে; তাই শহুৰিত যমৰ যাতনা পাব লাগিছে; সেইদেখি বুঢ়াই ভাবিছে, ছোৱালী 'যমে নিলেও নিছে; জোঁৱায়েকে নিলেও নিছে।'

**যমে-মানুহে টনাটনি লাগ্**—(কথমপি মৃত্যুৰ মুখৰপৰা ৰক্ষা পৰিবলৈ চেষ্টা কৰ্):—ৰৈণীয়েকৰ মৰিয়াত 'যমে-মানুহে টনাটনি লাগিছিল'; এই বাৰলৈ কথমপি ৰক্ষা পৰিল।

**যমে শুদা ভাত খা**—(যমে নমৰাকৈ এৰি থ)—'যমে শুদা ভাত খাব' লাগিছে কিয়? মোকে মাৰি নিলে হয়।

**যাউতি-যুগীয়া**—(১। বহুকাললৈ থকা; যুগমীয়া। ২। বহুকালৰপৰা থকা; চিৰকলীয়া)—১। তোমাৰ ঘৰটো 'যাউতি-যুগীয়া' হ'ল। ২। এইবোৰ সামাজিক নীতি 'যাউতি-যুগীয়া'; আজি এৰোঁ বুলিলেও এৰিব নোৱাৰি।

**যাঁকাত দি**—(জুইৰ তাপ লগাই শুকা)—ধানবোৰ 'যাঁকাত দিয়া,' নহলে পচিব।

**যাঁকি দি**—'যাঁকাত দি' চোৱা।

**যাঁকি দি আহ্**—(গাৰ নোম থিয় হৈ উঠ্)—মোৰ গাটো আজি বাৰে বাৰে 'যাঁকি দি আহিছে'; জ্বৰ উঠে নে কি?

**যাঁকি দি উঠ্**—(আকে সৈতে উত্তেজিত হৈ উঠ্)—বাঘ আহা; দেখিছা নে, মোমাখিবোৰে 'যাঁকি দি উঠিছে'?

**যাঁকি মাৰি উঠ্**—'যাঁকি দি উঠ্' চোৱা।

**যাঁচনিয়াৰ কুকুৰ**—(মমতাকৈ খাই ফুৰা হীন প্ৰকৃতিৰ লোক)—তেওঁলোকে মোক মতা নাই; এনেয়ে গলে 'যাঁচনিয়াৰ কুকুৰহে' হব লাগিব।

**যাঁচা-ভঙা দি**—(মাক-বাপেক মৰা মানুহক মিত্তিৰ-কুটুমে যাঁচি কৰা পিঠাগুড়ি দি)—বাপেক মৰাৰ তিন দিনৰ দিনা আমি তেওঁলোকক 'যাঁচা-ভঙা দি' আহিছোঁ।

**যাঁচা সোণৰ মূল্য নহ**—( যাঁচি দিলে মূল্যবান বস্তুও মূল্যহীন হ )—ইমানবোৰ সজ পৰামৰ্শ যে মানুহক দি ফুৰিছা, কোনে শুনিছে? কিয় জানা? 'যাঁচা সোণৰ মূল্য নাই'।

**যাঁচি কিল খা**—( নিজৰ কাৰ্যৰ দোষত নাপাব লগীয়া কষ্ট পা )—সিহঁত যেনেকৈ মৰে মৰক; 'যাঁচি কিল খাবলৈ' গৈছিলা কিয়?

**যাঁচি খা**—( নমতাকৈ খাই ফুৰ্ )—'যাঁচি খোৱা' মানুহে ক'তো সন্মান নাপায়।

**যাগ দি**—( বা যাগনি দি )—( কল পকাবলৈ বা মহ খেদাবলৈ ঘৰকৈ ধোঁৱা দি )—১। আৰকালি এইটো কিহৰ 'যাগনি দিছা'? ২। এইবোৰ 'যাগ দি' পকোৱা কল, পুৰঠ হোৱাত পকা নহয়।

**যাতো গুণে**—( যিহেতু )—'যাতো গুণে' মই, সেই দেখিহে তাৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিব পাৰিলোঁ।

**যাত্ৰা কৰ্**—( ১। যাবলৈ বা কিবা কাম কৰিবলৈ ওলা। ২। বহনি কৰ্ )—১। আমি 'যাত্ৰা কৰি' ওলালোঁ, তেওঁ আহি পালে। ২। কামটো কৰিম কৰিম বুলি আজিও 'যাত্ৰা কৰিবই' পৰা নাই। ৩। তোমাৰ ওচৰত এইখন কাপোৰ বেচিহে আজি 'যাত্ৰা কৰিলোঁ'।

**যাদু-ঘৰ**—( পৃথিৱীৰ নানা আচৰিত আৰু পুৰণি কলীয়া বস্তু-বাহানি ৰখা অনুষ্ঠান );—অসমৰ 'যাদু-ঘৰ' গুৱাহাটীত। তাত বহুতো চাব লগীয়া বস্তু আছে।

**যাৰ শিতানেদিও যাব নালাগে, তাৰ তৰি-পথানেদিও যা**—( নিতান্ত নগণ্য লোককো কাবৌ-কাকুতি কৰ্ )—তোৰ কাৰণে মই কি কৰা নাই; 'যাৰ শিতানেদিও যাব নালাগে, তাৰ তৰি-পথানেদিও গৈছোঁ'।

**যি দেৱৰ যি পূজা**—( যথাযোগ্য ব্যৱহাৰ )—তোক তেওঁ চৰিয়ালে, নহয় জানো? ভাল হৈছে, 'যি দেৱৰ যি পূজা'।

**যিমান গাজনি তিমান নবৰষ্**—( চিঞৰ-বাখৰ কৰি দিয়া ডাবি ধমকি বিশেষ ভয়ৰ কাৰণ নহ )—তেওঁৰ ডাবিত ভয় খাইছা নে কি? ভয়ৰ কাৰণ নাই; 'যিমান গাজনি হয়, তিমান নবৰষে'।

**যিমান নাম্ তিমান তিত্**—( যিমানে কু-কৰ্ম কৰ্ তিমানে অধঃপতিত হৈ শাস্তি পা )—মানুহে যেতিয়া কু-কৰ্ম কৰে, তেতিয়া ভাবি নাচায় যে 'যিমানে নামি' গৈছে, 'তিমানে' বেছিকৈ 'তিতিব' লাগিছে।

**যি হৰ লগা হ**—(হৰ লগীয়া হৈ অন্ত হ)—'যি হৰ লগা' আছিল, 'হৈ' গ'ল ; এতিয়া মন পুতি পচা।

**যুঁজ-বাগ (বা বাগৰ)**—(জোঁটাপুটি ; কটা-কটি, মৰা-মৰি)—দুয়ো দেশৰ মাজত সৰুৱে ডাঙৰে 'যুঁজ-বাগ' ঘনাই হৈ আছে।

**যুঁজৰ কুকুৰা**—(দেখাদেখি হলেই কাজিয়া কৰা মানুহ)—এই ল'ৰাদুটা 'যুঁজৰ কুকুৰাহে' হ'ল ; লগা-লগি হলেই কাজিয়া লাগে।

**যুঁজৰ সময়ত মহৰ শিং ঠাক**—(যুঁজিবৰ সময়ত দুৰ্বলীও বলবান হ)—সি তেওঁৰ লগত যুঁজিব কেনেকৈ, সুধিছা? 'যুঁজৰ সময়ত ম'হৰ শিং ঠাক' হয়।

**যুগ তললৈ যা**—(বহু দিন অতিবাহিত হ)—শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পিছত 'যুগ তললৈ গ'ল' ; আজিও তেওঁৰ সাহিত্যসম্পদ্ ৰাইজৰ আদৰণীয় বস্তু।

**যুগ-ধৰ্মৰ বল**—(একোটা সময়ত স্বাভাৱিকতে হব লগীয়া কাৰ্যৰ প্ৰভাৱ)—মানুহৰ প্ৰকৃতি আজি কিয় এনে হ'ল? ইও এটা 'যুগ-ধৰ্মৰ বল'।

**যুগ যুগান্তি পুত পুতান্তি হৈ থাক্**—(চিৰ কাললৈ বৈ থাক্)—তুমি আজি যি কাম কৰিলা, তাৰ নাম 'যুগ যুগান্তি পুত পুতান্তি হৈ থাকিব'।

**যোঁত-জৰী (বা যোঁতনী-জৰী)**—(গৰুৰ ডিঙিৰে সৈতে যুঁৱলি বন্ধা জৰী)—'যোঁত-জৰী' নহলে যুঁৱলিৰপৰা গৰু এৰা দিব পাৰে।

**যোগ্যতাৰ মূৰ খা**—(অসাধাৰণ পৰিচয় দি)—এই সাধাৰণ কামটোকে কৰিবলৈ তই 'যোগ্যতাৰ মূৰ খালি' নে?

**যোৰকো যোৰ পাত যোৰ**—(সম্পূৰ্ণভাৱে মিল হ)—ল'ৰাই ছোৱালীয়ে মিলি গৈছে ; 'যোৰকো যোৰ পাত যোৰ' হৈছে।

**যোৰ দি**—(বা ল)—(সমকক্ষ হ)—মই এই বিষয়ত তেওঁৰ লগত 'যোৰ দিব' নোৱাৰোঁ।

**যোৰা আহ্**—(বিয়াত কোষ্ঠিৰ মিল হ)— এই ছোৱালীজনীৰ লগত ল'ৰাটোৰ 'যোৰা আহিব'।

**যোৰাই দি**—(সম্বন্ধ নথকা মানুহৰ মাজত সম্বন্ধ লগাই মাত্)—সি তেওঁক তাৰ পিতাক 'যোৰাই দিছিল' ; সেই দেখিহে মাৰিলে।

**যোৰা চা**—(বিয়াত দৰা-কন্যাৰ কোষ্ঠিৰ মিল-অমিল গণনা কৰ্)—এই দুয়োৰ কোষ্ঠি লৈ 'যোৰাটো চাই' দিয়ক।

**ৰোৱা-আম**—( বিয়াত দৰা-কন্যা আদিক ৰোৱাই গোৱা আম )—সিদিনা বিয়াত গোৱা 'ৰোৱা-আমবোৰ' বৰ শুৱলা হৈছিল।

**ৰোৱা মাৰ্**—( সকলোৰে অভাৱ ভুচাই কাৰ্য সম্পন্ন কৰ্ )—সাত ঠাইৰপৰা সাত 'ৰোৱা-মাৰিহে' মানুহ দুজনক খুৱালোঁ।

**ৰোৱা মাছটো ডাঙৰ**—( নোপোৱা বস্তুটো মূল্যবান বা ভাল বুলি ক )—তেওঁ কাৰবাৰ কৰিছিল; নৰিয়া পৰি নথকা হলে একে বছৰতে লাখপতি হ'লহেঁতেন। 'ৰোৱা মাছটো' সদায় ডাঙৰেই।

## ৰ

**ৰইজাইদি কোঁচা**—( প্ৰচুৰভাৱে পা )—যুদ্ধৰ সময়ত তেওঁ টকা 'ৰইজাইদি কোঁচাইছিল'।

**ৰং চোৱা কাপোৰ**—( এদিনীয়া বা অস্থায়ীভাৱে উপকাৰ কৰা মানুহ )—আমি দূৰৰ মিত্তিৰ, 'ৰং চোৱা কাপোৰ'। ওচৰৰ মানুহ শত্ৰু হলেও, তেওঁলোকহে তুমি বিপদে আপদে পাবা।

**ৰং-শিঙা বজা**—( আনন্দৰ জাননী দি )—যুদ্ধত জিকি সৈন্তবিলাকে 'ৰং-শিঙা বজাবলৈ' ধৰিলে।

**ৰগ চিন্**—( মেজাজ বুজ্ )—'ৰগ চিনি' নোপোৱাকৈ তেওঁৰ লগত কেতিয়াও কথা নকবা।

**ৰগত ধৰ্**—( কাৰো ভিতৰুৱা দুৰ্বলতাৰ কথা ক )—মই যেতিয়া 'ৰগত ধৰিলোঁ', মানুহটোৰ মাত-বোল নোহোৱা হ'ল।

**ৰঙৰ কিলত ভুকলা-ভুকল হ**—( আনন্দৰ মাজেদি বৰকৈ কিল খাইও সহ্য কৰ্ )—তোৰ কি হৈছে, হৰিহা? 'ৰঙৰ কিলত ভুকলা-ভুকল হৈ' পৰি আছোঁ।

**ৰঙা ক'লা তিন বৰণীয়া হ**—( আনৰ উন্নতি বা সৌভাগ্যৰ কথা শুনি খং, দুখ, বেজাৰ আদি ভাৱত কষ্ট পা )—তোৰ ভাল শুনিলেই তাই 'ৰঙা ক'লা তিন বৰণীয়া হয়'।

**ৰঙা ঘোঁৰাত উঠি আছ্**—( উগ্ৰ মেজাজৰ পৰিচয় দি )—তুমি আজি 'ৰঙা ঘোঁৰাত উঠি আছিহা' দেখোন; যাকে য'তে পাইছা, গালি-শপনি মাৰ-ধৰ কৰিবলৈ আৰম্ভ কৰিছা।

**ৰঙা ধঙা পাৰি দি**—(বৰকৈ মান কৰ্)—সমাজে তেওঁক 'ৰঙা ধঙা পাৰি দি' অভ্যৰ্থনা জনাইছিল।

**ৰঙা পৰ্**—(খঙত বা লাজত মুখ ৰঙা হ)—মই মাতিলোঁহে, তেওঁ 'ৰঙা পৰি' মোলৈ খেদি আহিল।

**ৰচক-পচক**—(ধুনি মাৰি গা খেলাই ফুৰা কাৰ্য)—পুৱাতপৰা 'ৰচক-পচককৈ' ফুৰোঁতেই ডেকাদেওৰ দিনটো যায়।

**ৰজাই ভাল পালে ঢেঁকী-পথালি নালাগ্**—(মহৎ লোকৰ অনুগ্ৰহ পালে সকলো দুখকষ্টৰ অন্ত হ)—তেওঁৰ কথা নকবা, তেওঁ মুখ্য মন্ত্ৰীৰ প্ৰিয় পাত্ৰ; গতিকে এনে সৰুসুৰা অভাৱ তেওঁৰ নাই। 'ৰজাই ভাল পায় যাক, ঢেঁকী-পথালি নালাগে তাক।'

**ৰজাই মাৰে সমুদ্ৰে বুৰায়**—(শক্তিমানৰ কোপত পৰি দুৰ্বলৰ সৰ্বনাশ হ)—মই ইয়াৰপৰা আঁতৰি নগলে কেতিয়াবা নবাবৰ আক্ৰোশত পৰি সৰ্বস্বান্ত হব লাগিব; কথাতে কয়, 'ৰজাই মাৰে সমুদ্ৰে বুৰায়'।

**ৰজাকো দেও নোবোল্**—(শক্তিমানৰ আগতো সৈমান নহ; অতিশয় উদ্ধত হ)—তুমি 'ৰজাকো দেও নোবোলা' স্বভাৱৰ হোৱা দেখি আমি চিন্তিত হৈছোঁ।

**ৰজাৰ আক্ৰোশ বজাৰ আক্ৰোশ**—(ৰজা আৰু নিঃসন্তান লোকৰ খিলাৰ অন্ত নহ)—তেওঁ নিঃসন্তান, সেই দেখিয়েই তেওঁৰ আক্ৰোশ ইমান; 'ৰজাৰ আক্ৰোশ আৰু বজাৰ আক্ৰোশ' অসীম।

**ৰজাৰ জী আইদেউ**—(ৰন-বাৰি কৰিব নোৱৰা সুকোমল ছোৱালী)—আমাৰ বোৱাৰীয়ে এইবোৰ কাম কৰিব নে? তেওঁ যে 'ৰজাৰ জী আইদেউ'।

**ৰজাৰ দণ্ডিত কটা যা**—(ৰজাই দিয়া মৃত্যুদণ্ডও লবলৈ বাধ্য হ)—সৰ্বশক্তিমান্ ৰজাই কি কৰিব নোৱাৰে? মানুহ 'ৰজাৰ দণ্ডিত কটা যায়'; সেই মতে তিৰীৰ দণ্ডিত পৰা যায়।

**ৰজাৰ ধনৰ ওপৰত ভোট পিৰীহঁত ওলা**—(একজনৰ ঠাইত আন একজনে দাম্ভিকভাৱে কৰ্তৃত্ব কৰ্)—তেওঁক ভঁৰালী পতাৰ ফল এনে হ'ল যে তেওঁ 'ৰজাৰ ধনৰ ওপৰত ভোট পিৰীহঁত ওলাল'।

**ৰজাৰ লগত হাল লগ কৰ্**—(শক্তিমানৰ লগত বিজিয়ালি কৰ্)—ইমান ডাঙৰ পৰিয়ালৰ ছোৱালী বিয়া কৰাই আমি থাউবিম কেনেকৈ? 'ৰজাৰ লগত হাল লগ কৰি জানে বোলাবলৈ দুখাকাথা মকৰাহে ভাল।

**ৰটনা-ৰচনা**—( নিন্দাজনক কাৰ্যৰ ব্যাপক আলোচনা )—তুমি যদি ভালেই, মানুহে ইয়াৰ 'ৰটনা-ৰচনা' কৰে কিয় ?

**ৰণক-জনক**—( অলঙ্কাৰ জোকাৰ খাই হোৱা শব্দ )—'ৰণক-জনক' কৰি নাচনী ওলাই আহিল ; জনতা নিস্তব্ধ হ'ল ।

**ৰণ-চণ্ডী**—( উগ্ৰ স্বভাৱৰ তিৰোতা )—বুঢ়ীৰ মুখ মোজোকাৰা ; তেওঁ সাক্ষাৎ 'ৰণ-চণ্ডী' ।

**ৰণ-চণ্ডী লাগ্**—( মতলীয়াৰ দৰে উগ্ৰ স্বভাৱৰ পৰিচয় দি )—তাৰ গাত যে কি 'ৰণ-চণ্ডী লাগিল' যাকে ব'তে পায় মাৰিবলৈ ধৰিলে ।

**ৰণ-জিত ৰণ-জিত কৰ্**—( বা লগা )—( মনত ৰব ৰং লাগ্ )—এই কিতাপখন হাতত ললেই গাটো 'ৰণ-জিত ৰণ-জিত কৰে' ।

**ৰণ-জেউতি**—( যুদ্ধ কৰিবলৈ হোৱা উৎসাহ )—মানুহৰ মনত 'ৰণ-জেউতি' লাগিল, লাখে লাখে মানুহে উপৰাচি সৈন্যবিভাগত ভৰ্তি হবলৈ ধৰিলে ।

**ৰণত পৰি কলীয়া হ**—( দুৰ্ভাগ্যত পৰি অৱস্থাহীন হ )—শিলটো দাঙিবলৈ মোক' কৈছা ; কি কৰিম, 'ৰণত পৰি কলীয়া হৈছোঁ' ।

**ৰণ-ভগনীয়া**—( ৰণত হাৰি পলাই আন দেশলৈ যোৱা মানুহ )—আমাৰ দেশৰ এই মানুহবিলাক তাহানি বঙ্গদেশৰপৰা অহা 'ৰণ-ভগনীয়া' ।

**ৰণ-শিঙা বজা**—( পেঁপা বজাই যুদ্ধৰ জাননী দি মানুহক উৎসাহিত কৰ্ )—পাকিস্তানৰ কোনো কোনো নেতাই 'ৰণ-শিঙা বজাইছে' ।

**ৰ'দ-কাঁচলি ( বা কাঁচিয়লি )**—( অলপকৈ ৰ'দ পৰা ঠাই )—'ৰদ-কাঁচলিত' বহি তেওঁ পুৱাৰ ৰ'দ পুৱাই আছিল ।

**ৰ'দ-খাই**—( বেছিকৈ ৰ'দ পৰা )—'ৰ'দ-খাই' ঠাইতকৈ দখিণ-হায়াহে এই খেতিৰ বাবে উপযোগী ।

**ৰমক-জমক**—( অতি শোভনীয় )—ফুলনিত নানা ফুল 'ৰমক-জমক' হৈ ফুলি আছিল ।

**ৰসতে ৰাম খা**—( ভাগৰ লগাৰ আগেয়ে বা বিৰস নোহওঁতেই এৰ্ )—তেওঁৰ গুণ-চৰিত্ৰৰ বিষয়ে বেছি আলোচনা নকৰি 'ৰসতে ৰাম খোৱাই' ভাল ।

**ৰস-পয়**—( জীৱিকাৰ উপায় )—'ৰস-পয়' নাইকিয়া এনে মানুহটো এই দুৰ্দিনত কেনেকৈ জীব, ভাবি নাপাওঁ ।

**ৰসাতললৈ যা**—( অধঃপতিত হ )—পঢ়া-শুনা নকৰি 'ৰসাতললৈ যাবি' নে কি ?

**ৰহ দি**—(পকি ৰঙাল হ)—কলঢাবে দুই-এদিনতে 'ৰহ দিব'; তাৰ আগেয়ে ৰ'দত দুদিনমান শুকাই লোৱা; নহলে পঁচি যাব।

**ৰহী-পাট**—(পেৰাবপৰা কুঁহিয়াৰৰ ৰস বাগৰি পৰিবলৈ দিয়া পাট)—'ৰহী-পাটখন' ভালকৈ থুৱাই দিয়া; ৰস মাটিত বাগৰি পৰিছে।

**ৰহী-ভাত**—(কুঁহিয়াৰৰ ৰসত সিজোৱা ভাত)—'ৰহী-ভাত' খাইছা নে? কুঁহিয়াৰ পেৰাৰ সময়ত এদিন খাই চাবা।

**ৰহীয়া পৰ্**—(কটা কুঁহিয়াৰ কেবাদিনো নেপেৰাকৈ থকাত ৰস বেয়া হ)—বৰষুণৰ বাবে কুঁহিয়াৰবোৰ 'ৰহীয়া পৰে', ৰ'দ দিলেহে ৰক্ষা।

**ৰক্ষকে ভক্ষক হ**—(ৰাজহুৱা দায়িত্ব থকা লোকে সকলো সা-সুবিধা নিজৰ স্বাৰ্থ সাধনৰ বাবে গ্ৰহণ কৰি ৰাজহুৱা স্বাৰ্থৰ ক্ষতি কৰ্)—যিফালে চোৱা, সেই ফালেই দেখিবা, 'ৰক্ষকসকলেই ভক্ষক হৈ' উঠিছে। ফলত ৰাজহুৱা স্বাৰ্থৰ সমূহ ক্ষতি হৈছে। এই যুগটো বেৰাই শহ খোৱা যুগ।

**ৰক্ষা কৰ্**—(বিপদত নপৰাকৈ ৰাখ্ বা বিপদৰপৰা তৰা)—এই বিপদত কোনে মোক ৰক্ষা কৰিব?

**ৰক্ষা পৰ্**—(বিপদত নপৰাকৈ ৰ বা বিপদৰপৰা উদ্ধাৰ পা)—এই বিপদত 'ৰক্ষা পৰোঁ' কেনেকৈ?

**ৰক্ষা বান্ধ্**—(কৱচ আদি বান্ধি আপদৰপৰা ৰক্ষাৰ উপায় কৰ্)—তোমাৰ কোনো বিপদ্ নহয়, মই 'ৰক্ষা বান্ধিলোঁ'।

**ৰাঁই-জাঁই লাগ্**—(আচম্ৰাই কৰ্; শৰীৰে ধৰা যেন বোধ হ)—মোৰ গাটো 'ৰাঁই-জাঁই লাগিছে', অলপ শোওঁ দিয়া।

**ৰাইজ উঠ্ (বা হ)**—(বিদ্ৰোহ কৰিবলৈ ৰাইজ গোট খা)—সিবাৰ 'ৰাইজ উঠি' খাজনা দিয়া বন্ধ কৰিছিল।

**ৰাইজ ও ৰজাৰ শৰণ**—(বৰ বিপদত উদ্ধাৰলৈ এবাৰ ৰাইজক এবাৰ ৰজাক মতা কাৰ্য)—তাক ডকাইতে ধৰিলত সি 'ৰাইজ ঐ ৰজাৰ শৰণ' বুলি চিঞৰিবলৈ ধৰিলে।

**ৰাইজ ডাঙৰ নে ৰজা ডাঙৰ**—(ৰজাতকৈও ৰাইজহে বেছি শক্তিমান্)—ৰাইজৰ ইচ্ছা অনুসৰি ৰজা চলিবলৈ বাধ্য। 'ৰাইজ ডাঙৰ নে ৰজা ডাঙৰ'?

**ৰাইজ চাক দি**—(বহুত মানুহ একত্ৰ হৈ আহ্)—মহাত্মাজীক চাবলৈ বহুতো দিশৰপৰা মানুহে 'ৰাইজ চাক দি' আহিছিল।

**ৰাইজৰ লগত নমৰিলেও চকু মুদ্**—(আন্তৰিক ইচ্ছা নহলেও দহৰ লগত একমত হ)—'ৰাইজৰ লগত নমৰিলেও চকু মুদিব' লাগে ; তুমি বিৰোধিতা কৰিছা কিয় ?

**ৰাইজে নখ জোকাৰিলে নৈ ব**—(প্ৰত্যেকে অলপকৈ কৰিলেও সমূহীয়াকৈ বহু হ)—কামটো বৰ ডাঙৰ হলেও, সকলোৱে সহায় কৰিলে অতি সহজে হৈ উঠিব ; 'ৰাইজে নখ জোকাৰিলে নৈ বয়' ।

**ৰাইজে ৰজা**—(ৰজাৰ ৰাজশক্তি প্ৰকৃততে ৰাইজৰ হাতত্হে)—ৰাইজে যি কয়, সেই অনুসৰি চলিবা ; কাৰণ 'ৰাইজেই ৰজা' । ৰাইজৰ বিপৰীতে চলিলে ৰজাৰো বিপদ্ হয় ।

**ৰাই-কই**—(অতি সামান্য শব্দ)—পহু চিকাৰ কৰিবলৈ গৈ ক'তো 'ৰাই-কই' নুশুনিবি:লা ।

**ৰাউত-মুৰা হৈ উঠ্**—(বৰ থং কৰি ৰঙা পৰি উঠ্)—কথাটো কবলৈ নাপালোঁৱেই, তেওঁ 'ৰাউত-মূৰা হৈ উঠিল' ।

**ৰাও জোৰ্ (বা পাৰ্ বা ৰাজ্)**—(আটাহ পাৰি কান্দ)—ল'ৰাটোৱে পুৱাৰপৰা 'ৰাও জুৰিছে' কিয় ?

**ৰাও বাজি কান্দ্**—(নেৰা-নেপেৰাকৈ ডাঙৰকৈ কান্দি থাক্)—ছোৱালীজনীয়ে কিহৰ বাবে দিনটো 'ৰাও বাজি কান্দি' আছে ?

**ৰাং-চালী**—(বৰ ৰঙিয়াল—তিৰোতা)—ছোৱালীজনী বৰ 'ৰাং-চালী' ; তাইক মৰম নকৰা মানুহ নাই ।

**ৰাং দি টাং সলা**—(মূল্যবান বস্তুৰ সলনি মূল্যহীন বস্তু ল)—কাঁহৰ বাচনবোৰ দি এনামেল কৰা এইবোৰ কিয় আনিলা ? 'ৰাং দি টাং সলাবলৈ' কোনে কৈছিল ?

**ৰাং-বৈয়া**—(ৰাং পাতৰ দৰে ফিৰ্‌ফিৰ্ কৰে পাতল)—এই 'ৰাং-বৈয়া' কাপোৰখন উৰ্গাত দিলে মানুহে তোমাক নিন্দা কৰিব ।

**ৰাখ-ঢাক নহ**—(সাঁচি-ৰাখি থবলৈ চেষ্টা নহ)—তেওঁলোকৰ উপাৰ্জন আছে, কিন্তু গৃহস্থালিত অলপো 'ৰাখ-ঢাক নাই' ।

**ৰাখিলে ঈশ্বৰ মাৰিলে যম হ**—(নিজৰ স্বাৰ্থৰ কাৰণে চাই আনক ভাল বা বেয়া বুলি ক)—কাৰো প্ৰশংসাত ভোল নাযাবা । একে সভাতীয়ে 'ৰাখিলে ঈশ্বৰ মাৰিলে যম হয়' । সেই দৰে সভাৰ প্ৰশংসা পাই থাকিবলৈ আশা নকৰিবা ।

**ৰাখে হৰি মাৰে কোন**—(একমাত্ৰ ঈশ্বৰেহে ৰক্ষা কৰিবলৈ সমৰ্থ হ)—সদায় ঈশ্বৰত বিশ্বাস ৰাখি চলিবা ; 'ৰাখে হৰি মাৰে কোনে' ?

**ৰাগ টান্**—( চিঞৰি গীত গা )—সেই জন কোন ? পুৱাই 'ৰাগ টানিছে' ?

**ৰাজ-কাপোৰ**—( পুৱা আৰু গধূলি ওলোৱা পূৰ্বৰ ৰঙা ৰশ্মি )—বেলিয়ে 'ৰাজ-কাপোৰ' পিন্ধিলে, এতিয়াও তুমি উঠা নাই নে ?

**ৰাজ-তগৰ**—( শত্ৰুৰ আক্ৰমণত ৰাজ্যত হোৱা হুলস্থূল )—সেইবাৰ 'ৰাজ-তগৰত' কোন মানুহ কেনি গ'ল, তাক কোনে লেখিব ?

**ৰাজ-তোল গজ-তোল**—( শক্তিমানে আনৰ উপকাৰৰ কথা পাহৰি সামান্য অপকাৰকো মনত ৰাখ্ )—বৰুৱা ডাঙৰীয়াক তুমি উপকাৰ কৰিছিলা, আৰতো কৰিবাই; কিন্তু এবাৰমানো অপকাৰ কৰিছিলা কিয় ? সেই অপকাৰৰ কথা তেওঁ পাহৰিব নোৱাৰে; কিয় জানা ? 'ৰাজতোল গজ-তোল'।

**ৰাজ-মিস্ত্ৰী**—( ইটা বা শিলৰ কাম কৰা মিস্ত্ৰী )—ইটা আনিছোঁ, কিন্তু 'ৰাজ-মিস্ত্ৰী' পোৱা নাই।

**ৰাজহ-ভতহ** ( বা **ৰাজহি-ভতহি** )—নিজৰ ঘৰুৱা লেঠাৰ বাহিৰে আন চৰকাৰী বা ৰাজহুৱা লেঠা )—মোৰ ঘৰুৱা লেঠাকে সামৰিব নোৱাৰোঁ, 'ৰাজহ-ভতহলৈ' মন দিম কেনেকৈ ?

**ৰাজহুৱা কথাই কটা জালে সমান হ**—( বহুজনীয়া কথা বা কাম বিফল হ )—'ৰাজহুৱা কথাই কটা জালে সমান'; আমাৰ কামটোতো বহুজনৰ বহমত হৈছে কেনেকৈ হব ?

**ৰাজী-নামা**—( সম্মতি-পত্ৰ )—দুয়ো পক্ষই মিটমাট কৰিম বুলি এখন 'ৰাজী-নামা' লিখি দিলা।

**ৰাতিক দিন কৰি**—( অশেষ পৰিশ্ৰম কৰি )—'ৰাতিক দিন কৰি' তেওঁ অনুষ্ঠানটোৰ উন্নতিৰ হকে খাটিছে।

**ৰাতি দুপৰত সাত হাল বা**—( অলীক কল্পনা কৰি সেই অনুসৰি কাম কৰিবলৈ হেদা কৰ্ )—'ৰাতি দুপৰত সাত হাল বাই' পুৱা দুপৰলৈ শুলে উন্নতি কৰিবা কেনেকৈ ?

**ৰাতিটোকে হাতীটো যেন দেখ্**—( ৰাতিৰ কালটো মাথো ভয়ৰ কাৰণ হ )—গাঁৱত চুৰাইতি হোৱাৰ পিছত গাঁৱৰ মানুহে ৰাতিটোকে হাতী যেন দেখিছে।

**ৰাতি-চুৰা**—( ৰাতি পহৰা দিয়া মানুহ )—এই ঠাইত 'ৰাতি-চুৰা' ৰখা উচিত, তেতিয়া চোৰৰ ভয় কৰিব।

**ৰাধা-পটি বাট**—( বহল মুকলি বাট )—পকা পথৰ মাজেদি মই কাকো 'ৰাধা-পটি বাট' দিব নোৱাৰোঁ।

**ৰাঘনীক উচটাই জোল খা**—( উচটাই স্বাৰ্থসিদ্ধি কৰ্ )—তুমি 'ৰাঘনীক উচটাই জোল খাব' বিচাৰিলেও, মই তনি উদংকৈ খৰচ কৰিব নোৱাৰোঁ।

**ৰাঘনী-বেলি**—( ৰাঘনীয়ে বাহিৰলৈ যাবৰ পৰ )—এতিয়া 'ৰাঘনী-বেলি' হ'ল; গা ধুই খাই লৈ যোৱা।

**ৰা-বাঁহৰ চেপা**—( কণা বাঁহেৰে দিয়া চেপা; উগ্ৰ শাস্তি )—আগেয়ে উগ্ৰ দোষীক 'ৰা-বাঁহৰ চেপা' দি দোষ সৈ কৰোৱা হৈছিল।

**ৰা-ৰা**—( মাত-কথা )—তাৰ 'ৰা-ৰা' একো নুবুজোঁ; মই বাতি কেনেকৈ চলাম?

**ৰাম-চৰ**—( বৰ টানকৈ মৰা চৰ )—ডেকাজনে চোৰটোক 'ৰাম-চৰ' এটা মাৰিলে; তাৰ দুটা দাঁত সৰিল।

**ৰাম-টাঙোন**—( বৰ ডাঙৰ টোকোন )—আম খাবলৈ কেনেকৈ যাবা? বুঢ়াই 'ৰাম টাঙোন' জোকাৰি বহি আছে।

**ৰামতো ভকত হৰিতো ভকত হ**—( সুবিধাবাদী হ )—তেওঁ 'ৰামতো ভকত হৰিতো ভকত' হৈয়ে কাল কটাইছে; যিকালে আশ্ৰয় ললে স্বাৰ্থসাধন হয়, সেইকালে বাগৰ লোৱাই তেওঁৰ প্ৰকৃতি।

**ৰাম নহৈ যম হ**—( সাধু পুৰুষ হৈও ডাঙৰ অপকাৰ কৰ্ )—বিপদত তেওঁৰ কাষ চাপিলোঁ; কিন্তু তেওঁ মোৰ পক্ষে 'ৰাম নহৈ যমহে হ'ল'।

**ৰাম-ভাৰথা পাত্**—( দন্দ খৰিয়াল কৰ্ )—পুৱাৰপৰা নো কি 'ৰাম-ভাৰথাখন পাতিলা?'

**ৰামৰ কাৰ্যলৈ বৈষ্ণৱ বৰ হেলা হ**—( অন্তৰত বিৰোধ ভাৱ থকা লোকে সৰু কামতেও নানা ওজৰ আপত্তি দৰ্শাই হেলা কৰ্—ৰাইজৰ পক্ষে হিতকৰ হলেও, এই কামটোত তেওঁৰ আন্তৰিক আপত্তি আছে; সেই দেখিয়েই নানা ওজৰ আপত্তি দৰ্শাই এৰা দিবলৈ বিচাৰিছে। আমাই বহুত 'ৰামৰ কাৰ্যলৈ বৈষ্ণৱ বৰ হেলা হৈছিল'।

**ৰামৰ খাই ৰাৱণৰ গীত গা**—( অকৃতজ্ঞ আচৰণ কৰ্ )—তুমি যাৰ অনুগ্ৰহত কণা পাই আছা, তুমি তেওঁকে আকৌ নিন্দা কৰিছা কিয়? 'ৰামৰ খাই ৰাৱণৰ গীত গোৱা' কৃতঘ্ন লোকৰহে স্বভাৱ।

**ৰাম-ৰাজ**—(চিৰ সুখ-শান্তিৰ ৰাজ্য)—বাপুজীয়ে 'ৰাম-ৰাজৰ' সপোন দেখিছিল; সেই সপোন কেতিয়া দিঠকত পৰিণত হ'ব?

**ৰাম-ৰাৱণৰ যুদ্ধ**—(ডাঙৰ কাজিয়া)—তাহেঁত ককায়েকৰ মাজত 'ৰাম-ৰাৱণৰ যুদ্ধ' লাগিছে। মই আঁতৰি থকাই ভাল।

**ৰামে মাৰিলেও মৰ, ৰাৱণে মাৰিলেও মৰ**—(একো ফালে বিপদৰপৰা নিস্তাৰ নাপা)—'ৰামে মাৰিলেও মৰিম, ৰাৱণে মাৰিলেও মৰিম; গতিকে ঘৰত থাকি শুকাই মৰাতকৈ যুঁজলৈ গৈ থাই মৰাই ভাল।

**ৰামো নাই অযোধ্যাও নাই**—(সুখশান্তিৰ কাল ঘূৰাই নাপা)—অতীতৰ কথা কৈ কি লাভ? 'ৰামো নাই অযোধ্যাও নাই'; কঠোৰ বাস্তৱৰ সন্মুখীন হৈ নিজ কৰ্তব্যত মনোযোগ দিয়া।

**ৰাৱতে শিয়াল পথৰা বুলি চিন**—(কোনো মানুহৰ স্বৰূপ তাৰ কাৰ্যকলাপ চিনি পা) 'ৰাৱতে শিয়াল পথৰা বুলি চিনিব' পাৰি; তেওঁ দু-আষাৰ কওঁতেই তেওঁৰ মনোভাৱৰ বিষয়ে বুজি পাইছোঁ।

**ৰিপুৰা ধৰ (বা মেল)**—(গুপ্তচৰ নিযুক্ত কৰ)—ৰজাই পলাতকক বিচাৰিবলৈ 'ৰিপুৰা মেলিলে'।

**ৰিহা ধৰ**—(এজনে নকৰিলে আন এজনে নকৰোঁ বুলি থাক; ভাগ ধৰ)—'ৰিহা ধৰি' থাকিলে কামটো নহ'ব, তেওঁ নকৰে নাই; আমিয়েই কৰোঁ দিয়া।

**ৰুজি মাৰ**—(জীৱিকাৰ উপায় নষ্ট কৰ)—সি ডাঙৰ দোষ কৰিলেও মই তাৰ 'ৰুজি মাৰিব' খোজা নাই।

**ৰুজি-ৰোজগাৰ**—(আয়-উপাৰ্জন)—আজি-কালি 'ৰুজি-ৰোজগাৰ' একো নিমিলা হ'ল; ইমান চান্দা কেনেকৈ দিম?

**ৰুণ-ঝুন (বা ৰুণুক-ঝুনুক)**—(অলংকাৰ আদি জোকাৰ খাই হোৱা শব্দ)—'ৰুণ-ঝুন' কৰি সেয়া কোন আহিছে?

**ৰুণ দি**—(সামান্য বেলিৰ পোহৰ ওলা)—দুৱাই পুৱে 'ৰুণ দিওঁতেই' তেওঁ আহিছিল।

**ৰুন্দি-ঘুন্দি**—(বকি-মচি)—এই ছুৱাহ 'ৰুন্দি-ঘুন্দি' খাই এৰিয়াই সি পলাল।

**ৰুলা পৰ**—(বোজোৰা হ)—যোৰ কৰিয়া কিছু 'ৰুলা পৰিব'; দিব পাৰিবা নে?

**ৰূপত গুণে বিন্ধ**—(গুণগৌৰৱ নিষ্ফল বা অসাৰ্থক হ)—হোৱাপীজনী পৰম গুণৱতী, কিন্তু তেওঁৰ 'ৰূপত গুণে বিন্ধিলে'; অকালতে বিধৱা হ'ল।

**ৰূপত বাহ চৰা**—(ধুনত ধুন বঢ়া)—ধুনীয়া বৰ:টাৰ চুড়াটো লগাইছে, এটা আৰু ৰং দিয়াওক, তেতিয়া 'ৰূপত বাঃ চৰোৱা' হব।

**ৰূপ মাৰ্**—(ৰূপৰ মোহত ভোলাব কৰ্)—ৰত্নাই নিজৰ মাদেবে 'ৰূপ মৰাইছিল'।

**ৰূপহী দেখি চুপতি কৰ্**—(ভাল বস্তুলৈ লোভ কৰ্)—মহৎ লোকেও কেতিয়াবা 'ৰূপহী দেখি চুপতি কৰে'; পকা আম দেখি তেওঁ হাত মেলি এটা ছিঙি আনিলে।

**ৰেখ কৰ্**—(নিৰীক্ষণ কৰ্)—তোৰ গতি-গোত্ৰ মই কেবাদিনৰপৰা 'ৰেখ কৰি আছোঁ'।

**ৰেচত পেঁচ**—(ধুনত ধুন)—আজি এই বৰযুগত 'ৰেচত পেঁচ' নামাবিলে নহয় নে?

**ৰেপি-কটা**—(বাৰে বাৰে আৰু লাহে লাহে একে ব্যঙ্গসূচক কথা কৈ আনক কষ্ট দিয়া স্বভাৱৰ)—মানুহজন বৰ 'ৰেপি-কটা' স্বভাৱৰ; বাকবাণেৰে আনক আঘাত কৰাত বৰ পাৰ্গত।

**ৰেলত বজাৰ দিনত**—(যাতায়াত আয়োজনত; অতি পুৰণি কালত)—'ৰেলত বজাৰ দিনত' কি আছিল, কৈ লাভ নাই; এতিয়াৰ কথা কোৱা।

**ৰেৱ মাৰ্**—(জুইত তপতোৱা কাঁহৰ চপৰা হাতুৰীৰে কোবা)—কঁহাৰবিলাকে এতিয়া 'ৰেৱ মাৰিব', তোমাক দেখুৱাম বলা।

**ৰেহ-ৰূপ চা**—(স্বভাৱ-চৰিত্ৰ লক্ষ্য কৰ্)—তোমাৰ 'ৰেহ-ৰূপকে চাইছোঁ', দিনে দিনে কেনে হৈছা, ভাবিছোঁ।

**ৰৈ-ৰৈ যা**—(উপচি পৰ্)—তাৰ সুখ্যাতি দেশত 'ৰৈ-ৰৈ গৈছে'।

**ৰৈ-ৰমলি**—(আনন্দত হাঁহি-মাতি ফুৰা কাৰ্য)—ল'ৰাছোৱালীহঁতৰ 'ৰৈ-ৰমলি' শুনিবলৈ বেয়া পোৱাটো বৰ অমানুষিক কথা।

**ৰোজ দি (বা ধৰ্)**—(দৈনিক দিহা যোগা)—ৰোজনীক 'ৰোজ দিবলৈ' চাউল উলিয়াব লাগিছে।

**ৰোজা ধৰ্**—(মুছলমানে ৰমজান মাহত দিনটো লঘোন দি)—মুছলমানবিলাকে এই মাহত 'ৰোজা ধৰিছে'।

**ৰোৱ বুজ্**—(আনক অসন্তুষ্ট নকৰাকৈ কথা কবলৈ জান্)—তেওঁ 'ৰোৱ বুজে', তেৱেঁহে এই কথা মাকিয়ক কব পাৰিব।

**ৰোৱ ৰাখ্**—(লোকৰ মান ৰাখি কথা ক)—'ৰোৱ ৰাখি' কথা কলে সকলোৱে সন্তোষ পায়।

**ৰৌজাল-ৰৌজাল কৰ্**—( বৰকৈ চিঞৰ-বাখৰ কৰ্ )—পুৱাৰপৰা তোমালোকে 'ৰৌজাল-ৰৌজাল কৰিছা' কিয় ?

**ৰৌটোকে চৌটো কৰ্ ( বা চৌটোকে ৰৌটো কৰ্ )**—সাধাৰণ কথাকে বৰ ডাঙৰ কৰি ক )—'চৌটোকে ৰৌটো কৰাই' তেওঁৰ অভ্যাস ; এনে কথাত সঁচাত নাই ।

**ৰৌঢ়ি উঠ্ ( বা ফুট্ )**—( বৰকৈ সদৰী হ — যেনে কথাত খাটে )—তাৰ কু চৰিত্ৰৰ 'ৰৌঢ়ি উঠিছে' ।

**ৰৌৱা-চৌৱা**—( বৰ হাই ; চিঞৰি কোৱা মিছৰ দুখ বা হাঁহিৰ কথা )—টকাছটা হেৰুৱালা বুলিয়েই এনে 'ৰৌৱা-চৌৱা' কৰিব লাগে নে ?

## ল

**লকৰ-থকৰ**—( থৰক-বৰক ; দুৰ্বল আৰু অস্থিৰ )—বুঢ়ীয়ে 'লকৰ-থকৰ' হাতেৰে যে এই মুঠি বাখি থুৱালে, তাৰ বাবে আমি তেওঁৰ ওচৰত কৃতজ্ঞ ।

**লকৰ-পকৰ**—( অঠিক ; বিশ্বাসৰ অযোগ্য )—তাৰ 'লকৰ-পকৰ' কথাত বিশ্বাস নকৰিবা ; মই এতিয়াই ল'ৰাটোৰ অসুখৰ বাতৰি লৈ আহোঁগৈ ।

**লখ-জীপ নহ**—( জীৱিকাৰ একো সম্বল নহ )—মানুহটোৱে 'লখ-জীপ নোহোৱাকৈ' এই দৰে জীয়াই থাকিব কেনেকৈ ?

**লখিমী আন্**—( ধানৰ আগ আন্ )—ধান কাটিবলৈ হ'ল ; 'লখিমী আনিবলৈ' দিন-বাৰ চোৱা ।

**লগত যা**—( ১। সঙ্গী হ । ২। সদায়লৈ সঙ্গী হৈ থাক্ )—গুৱাহাটীলৈ মোৰ 'লগত যাব' কোন ? ২। মোৰ এই অসুখ 'লগত যাব' ; মিছাতে চিকিৎসা কৰি টকা নভৰিবা ।

**লগ দি**—( ১। সঙ্গত ল । ২। অংশীদাৰ কৰ্ । ৩। লগ ধৰ্ )—১। কামাখ্যালৈ যাওঁতে মোকো 'লগ দিবা' নে ? ২। তোমাৰ কাৰবাৰত মোকো 'লগ দিয়া' । ৩। আজি আবেলি এবাৰ মোক 'লগ দিবাচোন' ।

**লগ ধৰ্**—( ১। পিছত গৈ সঙ্গ ল । ২। একেলগে যাবলৈ মাত্ )—১। তোমালোকে

আগ বাঢ়া, মই চাইকেলেদি গৈ তোমালোকৰ 'লগ ধৰিম'। ২। ঘৰ-ভাত খাবলৈ কোন কোন যাব, 'লগ ধৰি' ফুৰিছোঁ।

**লগৰী (বা লাগৰী) খৰি**—(বুই জ্বলাবলৈ প্ৰথমে ব্যৱহাৰ কৰা শুকান খৰি)—'লগৰী খৰি' অলপ হলে পিছত এই খৰিৰেই বাঢ়িৰ পৰা যাব।

**লগৰীয়া কথা ক**—(অ'ৰ কথা ত'ত কৈ ফুৰ্)—'লগৰীয়া কথা কৈ' আনৰ শান্তি ভঙ্গ কৰি তুমি কি সুখ পোৱা?

**লগ নেৰ্** (সদায় লগত থাক্)—এই কুকুৰটোৱে কেতিয়াও তেওঁৰ 'লগ নেৰে'।

**লগ পা**—(দেখা পা, দেখা দেখি হ)—গলোঁ যদি, তেওঁক 'লগ নাপালোঁ'।

**লগ-বোকা দি**—(একেদিনাই বাই-মৈয়াই কৰলৈ দি)—মাটিডোখৰ বাই-মৈয়াই মাৰি লোৱা; 'লগ-বোকা দি' খেতি কৰিলে খেতি ভাল নহয়।

**লগ-ভাগ**—(বা **লগ-যোগ**)—(লগৰীয়া)—'লগ-ভাগ' কোনো নাই; মাছলৈ কেনেকৈ যাওঁ?

**লগ-ভাত**—(বহুত মানুহ লগ লাগি আনন্দ কৰি খোৱা ভোজ)—ডেকাসকলে আজি 'লগ-ভাত' খাবলৈ খাহী আনিছে।

**লগ ল**—(১। সঙ্গী হ। ২। সঙ্গীৰূপে লগত হ)—১। বাটত এজন অচিনাকী মানুহৰ 'লগ ললোঁ'। ২। কাৰবাৰত মযো তেওঁৰ 'লগ ললোঁ'।

**লগ লগা**—(একত্ৰ কৰ্)—গাঁৱৰ মানুহকেইজনক 'লগ লগাই' কথাটো সুধি চোৱা।

**লগ লাগ্**—(একত্ৰিত হ)—আটাইকেইজনে 'লগ লাগি' থকাতহে পৰিয়ালটোও ডাঙৰ হৈ আছে, আনেও গণ্য কৰি চলিছে।

**লগ হ**—(১। সঙ্গী হ। ২। বেলেগে থাকিবলৈ এৰ্)—১। বেলত কোনোবা এদিন আমি দুয়ো 'লগ হৈছিলোঁ'। ২। বেলেগ হৈ কেবা বছৰ থকাৰ পিছত আমি আকৌ 'লগ হলোঁ'।

**লগা ভগা**—(কিছু আত্মীয়তা থকা)—এই গাঁৱত তোমাৰ 'লগা-ভগা' কোনো নাই নে?

**লগাই-ভগাই**—(লগৰীয়া কথা কৈ)—পুৰাবপৰা 'লগাই-ভগাই' ফুৰাই তেওঁৰ কাম।

**লগা-লগি**—(১। ওচৰা-ওচৰি। ২। দেখাসাক্ষাৎ)—১। আমি দুয়ো পৰিয়াল 'লগা-লগি' হৈ আছোঁ। ২। আমি দুয়ো যোৱা ত্ৰিশ বছৰ 'লগা-লগি' হোৱা নাই।

**লগুণ-গাঁঠি**—(দৰা-কইনাৰ কাপোৰৰ আঁচল লগ লগাই বিয়াৰ শেষত দিয়া গাঁঠি)—বিয়া হৈ গ'ল, 'লগুণ-গাঁঠি' বান্ধিলে; আমি যাওঁ বলা।

**লগুণ-ফিৰফিৰি** - ( বামুণৰ ল'ৰাক লগুণ দিয়া কাৰ্য )—ল'ৰাটো ডাঙৰ হ'ল ; 'লগুণ-ফিৰফিৰি' নাপাতো নে ?

**লগে-ভাগে**—( একেলগে ; আনৰ সঙ্গত )—'লগে-ভাগে' নাহি পাছ পৰাতহে মোৰ বিপদ্ হ'বলৈ পালে ।

**লঘু কৰ্**—( লাজ বা অপমান দি )—সমাজৰ মাজত তেওঁক 'লঘু কৰাটো' অন্যায় হৈছে ।

**লঘু পৰ্**—( শাম কাট্—নিবিয়াত থাটে )—খৰ কিছু 'লঘু পৰিছে', চিন্তাৰ কাৰণ নাই ।

**লঘু হ**—( লজ্জিত বা অপদস্থ হ )—নিজৰ মূৰ্খামিত নিজে 'লঘু হলোঁ', আনৰ দোষ নাই ।

**লঘোন দি**—( উপবাসে থাক্ )—দুবাই খাই আছা ; 'লঘোন দি' শুচি হোৱা ।

**লঘোন লাগ্**—( ১ । উপবাসে থাকিব লগীয়া হ । ২ । বজৰ্লা হ )—১ । অশুচি বস্তু চুলে শাস্ত্ৰমতে 'লঘোন লাগে' । ২ । তিৰোতাজনীৰ 'লঘোন লাগিল' ; ভাত ৰান্ধে কোনে ?

**লঙ্কা-কাণ্ড**—( ১ । ৰাম-ৰাৱণৰ যুদ্ধৰ দৰে ধ্বংস কাৰ্য । ২ । পুৰি ছাৰখাৰ কৰা কাৰ্য )—১ । সিহঁতৰ পৰিয়ালত আজি 'লঙ্কা-কাণ্ড' ঘটিছে । ১ । কেমেৰাকে জুই লাগি গোটেই গাঁৱত 'লঙ্কা-কাণ্ড' ঘটিল ।

**লঙ্কা পালে সকলো ৰাক্ষস হ**—( ঠাইৰ কু-প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত হ )—তেওঁ বৰ সাধু শান্ত লোক ; কিন্তু তেৰোঁ 'লঙ্কা পাই ৰাক্ষস হ'ল' ; সকলোৰে টকা খাইছে ; তেওঁ নাখাব কিয় ?

**লঙ্কাৰ পাৰৰপৰা আহ্**—( ৰাক্ষসৰ দৰে লুভীয়া হ )—তেওঁ নো কিয়ান খাব হে ? 'লঙ্কাৰ পাৰৰপৰা আহিছে' নে কি ?

**লঙ্গৰ পেলা**—( ১ । জাহাজে বন্দৰত আশ্ৰয় বা জিৰণি ল । ২ । দুৰ্বলতা বা অক্ষমতাৰ বাবে কাৰ্যৰ সামৰণি মাৰ্ )—১ । বিলাত-মুৱা জাহাজখনে চৌৰ ওপৰেদি নাচি নাচি গৈ এডেন বন্দৰত 'লঙ্গৰ পেলালে' । ২ । শক্তি-সামৰ্থ্য টুটি আহিছে ; তাৰ ল'গত আৰু কিমান যুঁজিম ? ভাবি ভাবি 'লঙ্গৰ পেলালোঁ' ।

**লচ্‌পচ্ কৰ্**—( ৰং-স্ফূৰ্তিৰে চল্ )—পৈত্ৰিক দহ হেজাৰ টকাৰে দুবছৰমান 'লচ্‌পচ্ কৰি' এতিয়া খুজিও ভাত যোগোৱা ক'লাহি ।

**লটি-ঘটি**—( বিলাই-বিপত্তি )—জীৱনত বহুত 'লটি-ঘটিৰ' মাজেদি তেওঁ সুখ্যাত হৈছে ।

**লটি-জাগৰা**—( লটি-ঘটি ; দুখ-কষ্ট )—শহুৰিত বহুতো ছোৱালীয়ে নানান 'লটি-জাগৰা' সহিব লগীয়া হয় ।

**লঠৰা-মূৰা**—(ডালৰ ভগা মূৰ থকা)—সেই 'লঠৰা-মূৰা' বুঢ়াটো আহিছে নে?

**লঠীয়া গোলাম হ**—(শকত আৰু বলী হৈও এনেয়ে খাটি মৰ্)—আনৰ ঘৰত 'লঠীয়া গোলাম হৈছা', নিজৰ ঘৰখনলৈ নোচোৱা কিয়?

**লঠীয়া দি**—(প্ৰতিবন্ধক জন্মা)—তুমি নিজেও একোকে নকৰা, আনকো 'লঠীয়া দি' ফুৰা কিয়?

**লতাকানি-কটাকানি**—(ফটা-ছিটা ভগা-ছিগা অকামিলা বস্তু-বাহানি)—এই 'লতাকানি-কটাকানিবোৰ' এৰি থোৱা; অনাহকত মাছুল ভৰা কিয়?

**লতা কোবা**—(লতাৰ দৰে বগাই যা)—জলকীয়াজোপাই 'লতা কোবাৰ', বহলকৈ পাই দিয়া।

**লতা-পতা**—(১। ফটা কাপোৰৰ দৰে অকামিলা বস্তু। ২। নিলগীয়া সম্বন্ধ। ৩। নিলগ সম্বন্ধৰ মানুহ)—১। 'লতা-পতা' বুলি এইবোৰ বস্তু নেপেলাবা; থৈ দিয়া, কেতিয়াবা কামত লাগিব। ২। 'লতা-পতা' বিচাৰি মিতিৰ থাই ফুৰাত তেওঁ পাকৈত। ৩। এওঁ আমাৰ কিবা 'লতা-পতা'; পিছে, ল'ৰাটো ভাল দেখিহে আপোনাক কৈছোঁ।

**লতা পা (বা লাগ্)**—(সোৱাদ পাই এৰিব নোৱৰা হ)—এদিন পকা কঠাল খাই গাইজনীয়ে 'লতা পালে'; কঠাল বিচাৰি ঘৰ সোমায়।

**লতাৰ নহ**—(উদ্দেশ বা শুংসূত্ৰ নোহোৱা হ)—গাইজনী হেৰাল; আজি সাত দিন একো 'লতাৰ নাই'।

**লতাৰ বলা**—(হাবি কাটি তাৰ মাজেদি ঠেক বাট উলিয়া)—খৰি-কটীয়াই 'লতাৰ বলাইছিল'; হাবিৰ মাজৰ সেই পচিয়েদি আমি যাবলৈ ধৰিলোঁ।

**লতা-লোহি**—(সতি-সন্ততি)—বুঢ়াগৰাকী বৰ দয়াশীল পুৰুষ; কিন্তু তেওঁৰ 'লতা-লোহি' একো নাই।

**লপ্‌লপ্‌ কৰে**—(ঘনকৈ ওঁঠ আৰু জিভা লৰাই আৰু শব্দ কৰি)—১। 'লপ্‌লপ কৰে' কি খাব লাগিছা? ২। 'লপ্‌লপ্‌ কৰে' কলেই নহয়, ভাল আৰু লাগ-বান্ধ থকা কথাহে কব লাগে।

**লপাই-টুপুঙা**—(লপ্‌লপ্‌ কৰে কথা কোৱা আৰু চঞ্চল)—'লপাই-টুপুঙা' ল'ৰাটো কেনি গ'ল?

**লপা-থপা কৰ্ (বা মাৰ্)**—(সকৈ মাৰ্)—ল'ৰাটোৰ দোষ পাই 'লপা-থপা কৰিলোঁ', সেই দেখি বাপেকে লৈ গ'ল।

**লকা খোৱা দি**—(ভেকেই কাটি বা খাই নষ্ট কৰ্—শস্যত খাটে)—পকয়ে ধানখিনি 'লকা খোৱা দিলে'।

**লয়-লক্কৰ**—(১। সৈন্যৰ লগত থকা বস্তুৱা হুমুৱা। ২। চাকৰ-বাকৰ)—১। মোগল সৈন্যৰ লগত অহা 'লয়-লক্কৰ' বহুত আমাৰ দেশত ৰৈ গ'ল। ২। 'লয়-লক্কৰ লৈ' গোসাঁয়ে আমাৰ গাঁৱত ৰহৰ পাতিছেহি।

**লৰক-ফৰক**—(১। সোলোক-ঢোলোক। ২। অনিশ্চিত, সঁজাত নোহোৱা। ৩। ইকালৰপৰা সিকাললৈ লৰি থকা কাৰ্য বা অৱস্থা)—১। কৰাংমাৰ কেনেকৈ বান্ধিলা? 'লৰক-ফৰক' হৈ থাকিল দেখোন। ২। 'লৰক-ফৰক' কথা মই ভাল নাপাওঁ; ৰোৱা যদি, ৰলা। ৩। খুঁটাটোৱে 'লৰক-ফৰক' কৰিছে কিয়?

**লৰ-চৰ কৰ্**—(১। এঠাইৰপৰা আন ঠাইলৈ যা; কাণ্ডি-কুণ্ডা কৰ্। ২। সলনি বা পৰিবৰ্তন কৰ্)—একে ঠাইতে বহি থাকাকি অলপ 'লৰ-চৰ কৰিলেহে' গা পোনাব পাৰিবা। ২। মোৰ মত আগেয়ে দিছোঁ; এতিয়া তাক 'লৰ-চৰ কৰিব' নোৱাৰোঁ।

**লৰ দি**—(বা ধৰ্ বা মাৰ্)—(দৌৰাই যা)—দেউতা অহা শুনি আমি আটায়ে পদূলিলৈ 'লৰ ধৰিলোঁ'।

**লৰ-ধৰ কৰ**—(অলপীয়া কামত সহায় কৰ্)—মোৰ কামটোত তুমি অলপ 'লৰ-ধৰ কৰিলে' বৰষুণ অহাৰ আগেয়ে শেষ কৰিব পাৰোঁ।

**লৰ-ফৰ কৰ্**—(জোকাৰ খাই ওলমি থাক্)—হাতখন ছিগি যোৱা নাই, 'লৰ-ফৰ কৰি' আছে।

**ল'ৰাই পানী পেলা, ডাঙৰে পিছলি পৰ্**—(ল'ৰা-ছোৱালীয়ে কৰা হাই-কাজিয়া আদিৰপৰা ডাঙৰৰ মাজত খুঁজ-বাগৰ আদি লাগ্)—ল'ৰাক ল'ৰাই গালাগালি লাগিছে; সিহঁতক খাঁতবাই মিমি ডাঙৰবিলাকে যোগ দিলে কিয়? 'ল'ৰাই পানী পেলায়, ডাঙৰে পিছলি পৰে', তোমালোকৰো সেয়ে হৈছে।

**লৰা-ধৰা কৰ্**—(খৰ-খেদা কৰ্)—অলপ 'লৰা-ধৰা কৰা'; নহলে বাটত বৰষুণে পাব।

·**লৰা-মতীয়া**—(১। দেখাত ল'ৰাৰ নিচিনা। ২। ল'ৰাৰ মনৰ দৰে চঞ্চল মনৰ)—১। তেওঁ বুঢ়া হলেও তেনেই 'ল'ৰা-মতীয়া'; দেখিলে বুঢ়া বুলি কব নোৱাৰা। ২। 'ল'ৰা-মতীয়া' মানুহ, সি কি কলে, তাৰ বাবে ক্ষমা খুজিছে; আপোনালোকেও মাৰ্জনা কৰক।

**ল'ৰা-মাইকী**—(লৰা সন্তান থকা মাইকী)—যি 'ল'ৰা-মাইকীৰ' এটা সন্তানো হানি হোৱা নাই, তেওঁহে এই কাম কৰিবৰ লায়ক।

**লৰা-যম**—(বেগাই অহা মৃত্যু)—মোটে 'লৰা-যম' নাহে কিয়?

**ল'ৰাৰ মেল কলৰ তেল**—(অসাৰ্থক কাম বা কথা)—সিহঁতৰ আলোচনাৰ কথা এৰি দিয়া; 'ল'ৰাৰ মেল' বুলিলে 'কলৰ-তেল'।

**ল'ৰা লুৰি**—(ল'ৰা-ছোৱালীৰ গোট)—তেওঁলোকৰ 'ল'ৰালুৰি' উনৈশটা।

**লৰ্বাং-ভৰ্বাং** (বা **লৰ্বাং-লাঘুটি**)—(বিশৃঙ্খল; সিঁচৰতি)—ঘৰৰ আটাইবোৰ বস্তু দেখোন 'লৰ্বাং-ভৰ্বাং' হৈ আছে; চোৰ সোমাইছিল নে কি?

**ললা বা**—(লতা বগাই যা)—বিহ-আলুবোৰে পাণত 'ললা বাইছে', কাটি দিয়া।

**লৰজ লাগ্**—(লাগি ধৰ্)—কাগজবোৰ এখিলা এখিলা কৰিব নোৱাৰি; আটাইবোৰ 'লৰজ লাগিছে'।

**লৰ-লেশ**—(১। নিচেই কম।২। অলপো; অকণমানো)—১। গাখীৰ 'লৰ লেশহে' আছে; পিও সানিবলৈও নাটিব। কিবা আনিম বুলি বিচাৰিলোঁ, 'লৰ-লেশ' নাপালোঁ।

**লক্ষ্মণৰ শক্তিশেল**—(নিদাৰুণ সঙ্কট)—মই 'লক্ষ্মণৰ শক্তিশেলত' পৰিছোঁ; উদ্ধাৰৰ উপায় পোৱা নাই।

**লক্ষ্মণ হেন ভাই**—(অসীম স্নেহময় বন্ধু)—তুমি মোৰ ভাই নহলেও 'লক্ষ্মণ হেন ভাই'; তোমাক পাহৰিম কোন সত্তেৰে?

**লক্ষ্মীয়ে মোৰ বোল্**—(ভাগ্য সুপ্ৰসন্ন হ)—তেওঁৰ পৰিয়ালত কি চাবা? 'লক্ষ্মীয়ে মোৰ বুলিছে'; সকলো ফালে ৰাজ-হাউলীৰ দৰে বিৰন্দীয়া।

**লক্ষ্মীৰ বৰপুত্ৰ**—(পৰম সৌভাগ্যবান; শ্ৰীমন্ত)—তেওঁ আছিল 'লক্ষ্মীৰ বৰপুত্ৰ'; দুয়োহাতে ধন বিলাইছিল।

**লক্ষ্মী-সৰস্বতীৰ মিল নহ**—(ধন-সম্পদ আৰু বিদ্যাৰ স্বাভাৱিক বিৰোধ থাক্)—লক্ষ্মী-সৰস্বতীৰ মিল নাই; অতুল ধনী হলেও তেওঁৰ একো ল'ৰাও শিক্ষিত হব নোৱাৰিলে।

**লাই-খুঁটা**—(কাপোৰ মেৰিয়াই নতুন ঘৰত প্ৰথমে পোতা খুঁটা)—নৈবেদ্য আগ বঢ়াই 'লাই-খুঁটাটো' সহ ন বজাত পুতিবা।

**লাই-জাল বা**—(কঠোৰ ব্যৱহাৰেৰে অশান্তিৰ সৃষ্টি কৰ্)—ল'ৰাকিজাকে কাম কৰিছে; তুমি আকৌ 'লাই-জাল বাবলৈ' আহিছা কিয়?

**লাই-জুলীয়া**—(লাই শাকৰ জোলৰ দৰে; ক'ল-পতীয়া ৰঙৰ জুলীয়া বস্তু)—কিবা এবিধ 'লাই-জুলীয়া' আঞ্জা খাই আছিলোঁ।

**লাই দি**—(আশ্ৰয় বা প্ৰশ্ৰয় দি)—'লাই দি দি' ল'ৰাটো বেয়া কৰিব লাগিছা।

**লাই পা**—(প্ৰশ্ৰয় পা)—'লাই পালে' কুকুৰে মূৰলৈ জঁপিয়ায়।

**লাই পালে কুকুৰে মুকুটলৈ (বা মূৰলৈ) জঁপিয়া**—(শাসন নাপালে তলতীয়া লোকেও ডাঙৰক বা গৰাকীক অৱজ্ঞা কৰ্)—সি তোমাৰ চাকৰৰ ল'ৰা; তাক লাই দিছা হয়, সি এদিন তোমাকো অৱজ্ঞা কৰিব। 'লাই পালে কুকুৰে মুকুটলৈ জঁপিয়ায়'।

**লাই-পো**—(বৰ মৰমৰ আৰু প্ৰশ্ৰয় পাই নষ্ট হোৱা পুত্ৰ)—তোমাৰ 'লাই-পো' এতিয়া ক'ত? সি বোলে তোমাৰ টেটু চেপি টকা নিলে?

**লাই-লেঠীয়া**—(ল'ৰা ভিৰোতাৰ লেঠা নথকা)—বৈষ্ণৱ 'লাই-লেঠীয়া' মানুহ; তেওঁৱে আমাৰ হৈ এই কামটো কৰক।

**লাউৰে লাউৰে (বা লাওৰে লাওৰে) পানী খা**—(বৰ কষ্ট পৰ্)—মোকৰ্দ্দমাত তেওঁ এই বাৰ 'লাউৰে লাউৰে পানী খালে'।

**লাউ-ওলোৱা (বা লাও-ওলোৱা)**—(অতিশয় ক্ষীণ)—এই 'লাউ-ওলোৱা' হালোৱাটোৱে তোমাৰ কাম নহ'ব।

**লাউ (বা লাও) ডাঙৰ হলেও পাতৰ তল হ**—(সন্তান হেজাৰে ডাঙৰ বা জনা-বুজা হলেও পিতৃমাতৃৰ তুলনাত সৰু আৰু তেওঁলোকৰ অধীন)—চাদাৰ কথা দেউতাক কওক। টকা মই দিম; কিন্তু তেখেতে কওক কিমান দিম। 'লাউ ডাঙৰ হলেও পাতৰ তল'। দেউতাই নক'লে মই দিব নোৱাৰোঁ।

**লাউ-(বা লাও) পাত কচু-পাত**—(বৰকৈ কথা কোৱা; নন্দুৱা)—কোন ছোৱালীজনীৰ কথা কৈছা? সেই 'লাউ-পাত কচু-পাতজনী' নে? সেইজনীক মোৰ ঘৰলৈ আনিলে ঘৰ শুচি বাহ-তল হ'ব।

**লাউ-(বা লাও-) পানী**—(চাউলৰপৰা কৰা দেশী মদ)—সি এটোপা 'লাউ-পানী' ধৰি আছিছে; বাওক দিম।

**লাউ-(বা লাও-) মূৰা**—(শিং নথকা—গৰুত খাটে)—গাইজনী ভাল, কিন্তু 'লাউ-মূৰা'।

**লাউ-(বা লাও-) লোৱা**—(বৰ দুখীয়া)—সেই 'লাউ-লোৱা' তেকাটো এদিন অতুল সম্পত্তিৰ গৰাকী আছিল।

**লাং খাই পৰ্**—( অৱশ হৈ মাটিত দীঘল দি পৰ্ )—বহু মাইল খোজ কাঢ়িয়েই 'লাং খাই পৰিলা' নে ?

**লাংখা মাৰ্**—( নতুবা নিচিন্তাকৈ ওপৰে ওপৰে খাপ মাৰি দি )—লাকবোৰ মই ভগাই দিওঁ ; কোনোৱে 'লাংখা নামাৰিবা' ।

**লাংখা-লিংখিকৈ**—( বিশৃংখলকৈ )—ধানবোৰ 'লাংখা-লিংখিকৈ' কাটি আজৰি কৰিব লাগিছা কিয় ?

**লাংলাং-থাংথাং**—( বিশৃংখল ; সিঁচৰতি )—পুথিবোৰ 'লাংলাং-থাংথাং' হৈ আছে ; সজাই থোৱা ।

**লাকটি-পাকটি**—( যেনি তেনি পৰি থকা অকামিলা বস্তু )—ব্যৱহাৰ কৰিব জানিলে 'লাকটি-পাকটিবোৰো' কামত আহে ।

**লাক-পাক**—( ইটো-সিটো ; ইহি-তিহি )—বুঢ়ীয়ে 'লাক-পাক' কৰি থাকিলে, ভালকৈ খালোঁ ।

**লাক-পাক কৰ্**—( নজনাকৈ সৰুসুৰা বস্তু সৰকা )—বুঢ়ীজনীক নজৰত ৰাখিবা ; তেওঁ সুবিধা পালে লাক-জিলাপি 'লাক-পাক কৰিব' ।

**লাক-লতীয়া**—( লাগ-বাক নাইকিয়া )—তোমাৰ 'লাক-লতীয়া' কথা এৰি পেলোৱা ; খোৱা-মোখোৱা, থাটাংকৈ কোৱা ।

**লাখ-টকীয়া**—( মূল্যবান )—কাম হওক বা নহওক, 'লাখ-টকীয়া' জীৱনটো দিব নোৱাৰোঁ ।

**লাথৰ-থাথৰ কৰি**—( মতেৰে গা নচুৱাই )—'লাথৰ-থাথৰ কৰি' দিন কটাব পাৰিবা ; কিন্তু ভৱিষ্যতে কি কৰিবা ?

**লাগ-বান্ধ নহ**—( পাৰিপাট্য বা শৃংখলা নহ )—তেওঁ বক্তৃতা দিলে হয়, একো 'লাগ বান্ধ নাই ।'

**লাগ-ভাগ**—( সহায় ; হাত-উজান )—'লাগ-ভাগ' দিয়াৰ দিহা কৰা ; নহলে সি অকলে এই কাম কৰিব নোৱাৰে ।

**লাগাম ধৰ্**—( শাসনত ৰাখ্ ; সংযত কৰি ৰাখ্ )—তাক কাম কৰিবলৈ দিলে এজনে 'লাগাম ধৰি' থাকিব লাগিব ।

**লাগি থাকিলে মাগি নাখা**—( ধৈৰ্যৰে কাম কৰি থাকিলে নিজৰ অভাৱত নপৰ্ )—'লাগি থাকিলে মাগি খাব নালাগে' । তুমিও মন পুতি কাম কৰি থাকা ; অভাৱ আপুনি আঁতৰিব ।

**লাগিলে মৰ্, জন্মিলে মৰ্**—(সকলোৰে মৃত্যু বা শেষ অৱশ্যম্ভাৱী)—'লাগিলে মৰে, জন্মিলে মৰে',—এই ভাবি তুমিও পুত্ৰশোকত সান্ত্বনা লোৱা।

**লাঙনি-কাঙনি**—(নানা দুখ দি আখেজ পূৰোৱা কাৰ্য)—শত্ৰুৰ 'লাঙনি-কাঙনিত' তেওঁ বহুত দিন কষ্ট পালে।

**লাঙনি-পাঙনি**—(লাচনি-পাঁচনি; গৃহস্থালিৰ সকলোবা কাম)—'লাঙনি-পাঙনি' কৰিবলৈ মোক এটা সৰু ল'ৰা লাগে।

**লাণ্ডে-লাণ্ডে**—(দীঘল দীঘল টুকুৰা কৰি)—তেওঁ মুখত-খোৱা বঁ'পাত 'লাণ্ডে লাণ্ডে' খায়।

**লাচ খা (বা ল)**—(দোঁ খাই আকৌ পোন হ)—বাঁহডাল 'লাচ খালত' সি ছিটিকি পৰিল।

**লাচনি-পাঁচনি**—'লাঙনি-পাঙনি' চোৱা।

**লাজ-কথা**—(অশ্লীল ভাষা)—ইহঁতৰ মুখৰপৰা 'লাজ-কথা' শুনিব কেতিয়া?

**লাজ-কাষ এৰ্**—(লাজৰ বোধ বা অপমানৰ ভয় খাঁওৱা)—'লাজ-কাষ এৰি' মই কামটোত ধৰিব লাগিল; তেতিয়াহে আনেও ধৰিব।

**লাজ-কুৰীয়া**-(লাজুক)—ল'ৰাটো বৰ বুদ্ধিমান্ কিন্তু বৰ 'লাজ-কুৰীয়া'।

**লাজত কাম হেৰুৱা**—(সঙ্কোচ বা লাজৰ বাবে স্বাৰ্থহানি হ)—ঠেলা-মাৰি মানুহৰ মাজেদি গাৰীত উঠাগৈ; নহলে গাৰী এৰি দিব। 'লাজত কাম হেৰুৱাবা'।

**লাজত ভাত মৰে বোজাত হাড় ভাঙ্**—(লাজ বা সঙ্কোচৰ বাবে কষ্ট পা)—চন বাৰীৰ মাজেদি নিশা অকলে আহিবলৈও সাহ নাই; ইফালে মানুহ এজনক মাতি আওৱাই থবলৈ কোৱাটোতো লাজ লাগিল; পিছত চকু-মুখ মুদি লৰ মাৰোঁতে গছত খুন্দা খাই কষ্ট পালে কোনে? 'লাজত ভাত মৰে বোজাত হাড় ভাঙিলা' নিজৰ দোষত।

**লাজ দি**—(লজ্জিত কৰ্)—আপুনি তাক অলপ 'লাজ দিলে' আমোতা ল'ৰাটো ভাল হ'বই।

**লাজ পা**—(লজ্জিত হ)—সমাজত তেওঁ যদি বোলা বেন 'লাজ পালে'; এই অপমান কেনেকৈ পাহৰি থাকিব?

**লাজ-বিজ**—(লাজ-কাষ; লাজ বা অপমানৰ ভয়)—তাৰ 'লাজ-বিজ' নাই; যি কৰিবলৈ কোৱা, তাকে কৰিব।

**লাজ লাগ্**—(লজ্জিত বোধ কৰ্)—খণ্ডতে তেওঁক তেনেকৈ কলোঁ হয়, পিছত বৰ 'লাজ লাগিল'।

**লাজুৱা বামুণে কাহ্‌লা চোৰ**—(বামুণে লাজ কৰি মাত-বোল নকৰিলে আৰু চোৰে কাহি থাকিলে স্বাৰ্থসিদ্ধিত ব্যাঘাত ঘটে)—তুমি পুৰোহিত হৈ লাজ কৰিলে কেনেকৈ হব? 'লাজুৱা বামুণ, কাহ্‌লা চোৰ'—দুয়োৰে স্বাৰ্থহানি হয়।

**লাজে-লাজে**—(মান ৰাখি; লাজ নোপোৱাকৈ)—'লাজে-লাজে' আমি ইয়াৰপৰা যাওঁ বলা।

**লাটুমা বান্ধ্**—(গোট মাৰি লাটুমৰ দৰে হ; টেমুনা বান্ধ্)—মচলাখিনি পানীত গুলিহে আঞ্জাত দিবা; নহলে 'লাটুমা বান্ধি' থাকিব।

**লাটুমা-লাটুম**—(কেবাটা টেমুনা বা লাটুমৰ দৰে হৈ থকা)—আলুবোৰ ভালকৈ পিটিকি দিয়া, যাতে 'লাটুমা-লাটুম' হৈ নাথাকে।

**লাৰি-চাৰি খা**—(নানা প্ৰকাৰে বৰ জুলুম কৰ্ বা কষ্টৰ কাৰণ হ)—সেই বুঢ়ীজনীয়ে আমাৰ পৰিয়ালটো 'লাৰি-চাৰি খাব' লাগিছে।

**লাক দি**—(পিঠাগুড়ি আদিৰ লাক পানীৰ তলত থৈ জুলুকিৰে মাছ ধৰ্)—'লাক দি' অলপ মাছ পাইছোঁ।

**লালকাল দি**—(ভাগৰ বা টোপনিত অৱশ হ)—ল'ৰাটোৱে ভাগৰত 'লালকাল দিছে'; সি অলপ শোওক দিয়া।

**লাল পৰ্**—(কাৰবাৰত ৰবকৈ লাভ কৰ)—সি এইবাৰ কাৰবাৰত 'লাল প'ৰিছে'; সেই দেখি ঘৰ সজাবলৈ মাটি কিনিছে।

**লালুকীলৈ তপত পানী নালাগ্**—(দুৰ্বলক মাৰিবলৈ বেছি শক্তিৰ প্ৰয়োজন নহয়)—'লালুকীলৈ তপত পানী নালাগে'; মোক অপকাৰ কৰিবলৈ ইমান ষড়যন্ত্ৰৰ প্ৰয়োজন কি?

**লালোতিতি হ**—(নানান প্ৰকাৰে হায়ৰান হ)—ল'ৰাটোৰ নৰিয়াত গোটেই পৰিয়ালটো 'লালোতিতি হলোঁ'।

**লাহ-বিলাহ**—(লাহ-লোটন; ধুন-পেচ)—ডেকা কাল 'লাহ-বিলাহৰ' কাল; সেই বুলি নিজৰ কৰ্ত্তব্য পাহৰি ধুন-পেচত লাগি থাকিলে ডাঙৰ ভুল হব।

**লাহ-লোটন**—(১। ধুন-পেচ। ২। ৰং-ধেমালি)—১। 'লাহ-লোটন' এৰি পঢ়াশুনাতহে

মনোযোগ দিয়া উচিত। ২। সিহঁত নিচেই সৰু ল'ৰা, 'লাহ-লোটনৰ' মাজেদি নানান কথা শিকাবলৈ যত্ন কৰা।

**লাহে-ধীৰে**—(ধীৰে-সুস্থিৰে)—নিজৰ কাম 'লাহে-ধীৰে' কৰি যোৱা, খৰ-খেদা কৰাৰ সকাম নাই।

**লাহে লাহে**—(১। ধীৰে ধীৰে। ২। ক্ৰমে, অলপ অলপকৈ আগ বাঢ়ি। ৩। দুৰ্বলৈ সুস্থনাকৈ)—১। 'লাহে লাহে' যাবা, বাট বৰ পিছল। ২। এনে নৰিয়াৰ পিছত তেওঁ 'লাহে লাহেহে' গা টঙাব পাৰিব। ৩। 'লাহে লাহে' কোৱা, সেই কোঠালীত মানুহ আছে।

**লিখিত বাঘে খা**—(অসম্ভৱ কায হ)—গো-পুত্ৰীয়াত পিছলি পৰি লৰাটো মৰিল; এনে দৰে 'লিখিত বাঘে খাব' বুলি কোনে জানিছিল?

**লিখিত বুলিও খোঁট নামাৰ**—(কৰিবই লাগিব বুলি জানিও কোনো কৰ্তব্য নকৰাকে থাক্)—তাৰ অমনোযোগিতাৰ বাবে শ্ৰীমন্ত পৰিয়ালটো ক্ৰমাৎ শ্ৰীহীন হৈ যাব লাগিছে, ঘৰৰ কাম-কাযত সি এতিয়াও 'লিখিত বুলিও খোঁট নামাৰে'।

**লিপা-পোচা**—(১। লিপি-মচি পৰিষ্কাৰ কৰা। ২। ক'তো আগৰ কামৰ দাগ বা চিন-চাব নথকা)—১। তেওঁৰ ঘৰ-দুৱাৰবোৰ চোৱাঁগৈ, 'লিপা-পোচা' কৰি কেনে ধুনীয়াকৈ ৰাখিছে। ২। চোৰহঁত কোন ফালেদি কেনেকৈ সোমাল, একো ধৰিব নোৱাৰিলোঁ, গিৰীহঁতে 'লিপা-পোচা' কৰি থৈছে। সিদিনা যিখিনি পঢ়ালোঁ, অলপো মনত নাই নে? এনে 'লিপা-পোচা' কৈ থাকিলে পঢ়াত আগ বাঢ়িবা কেনেকৈ?

**লিপিত খা**—(টানকৈ লাগি ধৰ)—মাটিবোৰ 'লিপিত খাই' ধৰি শিল যেন হৈছে।

**লিৰিকি-বিদাৰি**—(ঘনে ঘনে পিটিক পিটিকি)—এই দৰে 'লিৰিকি-বিদাৰি' থাকিলে খাডোখৰ বাঢ়িহে যাব।

**লীন যা (বা হ)**—(আন এটা বস্তুত মিলি লয় হ, নোহোৱা হ)—ব্ৰহ্মপুত্ৰৰ বুকুত বছৰি বহুতো সমৃদ্ধিশালী গাঁও 'লীন যাব' লাগিছে।

**লীলা-খেলা**—(১। ৰং-ধেমালি। ২। জীৱনৰ নানা কাৰ্য)—১। 'লীলা-খেলাত' মগ্ন থাকি ডেকা কাল নষ্ট নকৰিবা। ২। তেওঁৰ 'লীলা-খেলাৰ' সামৰণি পৰিল।

**লীলা-মালা যা**—(নানা প্ৰকাৰৰ দুখ-দুৰ্গতি যা)—ছোৱালীজনীৰ অতীত কালচোৱাত বহুতো 'লীলা-মালা গৈছে', এতিয়াহে তাই অলপ সুখ পাইছে।

**লুইত প্ৰসন্ন হলে ভগা নাৱেৰেও পাৰ হব পাৰ**—(ঈশ্বৰে অনুগ্ৰহ

কৰি সামান্য সম্বলেৰেও ডাঙৰ কাম কৰিবলৈ সমৰ্থ হ)—'লুইত প্ৰসন্ন হলে ভঙা নাৱেৰেও পাৰ হব পাৰি।' ঈশ্বৰে অনুগ্ৰহ কৰিলে মন্নো এই পুৰণি ৰথলাৰেই পাণ পাৰিব পাৰিম।

**লুইত ফুৰিলে গাটি চিকণ হ**—( বৰ লোকৰ আশ্ৰয়ত থাকি শ্ৰীমন্ত হ)—বৰুৱাৰ লগত থাকি ল'ৰাটোৰ ভাগ্য পৰিবৰ্ত্তন হ'ল; 'লুইত ফুৰিলে গাটি চিকণ হয়', তাকেই সেয়ে হ'ল।

**লুইতেহে বঠাৰ কোব ( বা বঠা কিমানলৈ বহে) জান্**—( ভুক্ত-ভোগীয়েহে কষ্টৰ বুজ পা)—'লুইতেহে বঠাৰ কোব জানে'; ধনীয়ে দুখীয়াৰ দুখ কি বুজিব?

**লুক-চুক ( বা চুক ) কৰ্**—( ১। লুকাই বা অন্যায়ৰূপে আনৰ বস্তু আন্। ২। আনৰ অজ্ঞাতে কোনো কাম কৰ্)—১। 'লুক-চুক কৰি' এনেকৈ যে খাইছ, অভ্যাস কেতিয়াবা গুচাব পাৰিছ নে? ।২। 'লুক-চুক নকৰি' সদৰীকৈ নকৰা কিয়?

**লুকাই খালে চুকাই যা**—( আনক বঞ্চিত কৰি কোনো বস্তু গ্ৰহণ কৰিলে নিজেও অভাৱগ্ৰস্ত হ)—আমডুটা সাঁচোৱানে ভগাই খোৱা; লুকাই নাখাবা, 'লুকাই খালে চুকাই যায়।'

**লুকা ভাকু ( বা লুকাচালি বা লুকালুকি ) খেল্**—( আঁৰৰূপৰা এবাৰ দেখা দি আকৌ লুকাই আনক বিচাৰিবলৈ দি)— মেঘৰ মাজত জোন-বাইয়ে আজি 'লুকাভাকু খেলিছে'।

**লুটৰি পা**—( এবাৰ লুটি খাবলৈ পাই আশয় পা)—সিদিনা এবা দি খান খাই গাইজনীয়ে 'লুটৰি পালে'; তাইক সাংৰি দিবহে লাগিল।

**লুটি-বাগৰ দি**—( ইলুটি-সিলুটিকৈ বাগৰ্)—ঘোঁৰাটোৱে 'লুটি-বাগৰ দিব' লাগিছে।

**লুটিয়া-লুটি কৰ্**—( ধৰাই ইলুটি-সিলুটি কৰ্)—ল'ৰাদুটাই মাৰামাৰি কৰি বোকাত 'লুটিয়া-লুটি কৰিব' লাগিছে।

**লুটুং-টুঙীয়া**—( একো নথকা; সম্পূৰ্ণ দৰিদ্ৰ)—বুঢ়াটো 'লুটুং-টুঙীয়া'; মোৰ বুলিবলৈ তাৰ কেও কিছু নাই।

**লুতুৰ-পুতুৰ**—( বোকা বা ধূলি আদিত সম্পূৰ্ণ লেট-পেট হোৱা)—বাছটো গৈ দেখোন পেঁকত 'লুতুৰ-পুতুৰ' হৈ আছিলি।

**লুপ লুপাই থাক্**—( ধৰাই চেলেকি বা খাই থাক্)—ল'ৰাটো বৰ খঁকুৱা; দিনটো ইটো-সিটো 'লুপ লুপাই থাকে'।

**লেই লেই ছেই ছেই কৰ**—( বৰ ঘৃণাৰে আঁতৰলৈ খেদ্ )—কিছুদিন পিছত বুঢ়াৰ সা-সম্পত্তি হাত কৰি লৈ তেওঁ বুঢ়াক 'লেই লেই ছেই ছেই কৰিবলৈ' ধৰিলে।

**লেংটি বেচা যা**—( নিচেই নিঃসম্বল হ ; বৰকৈ ধাৰত পৰ্ )—ভেঁটি খাই ধন ঘটিবলৈ আকাংক্ষা কৰোঁতে বিলম্বাজনৰ 'লেংটি বেচা যাব' লগীয়া হ'ল।

**লেকাত লাগ্**—( দুখ-ভাগৰত ক্লান্ত হ )—অনাহাৰে অনিদ্ৰাই থাকি ল'ৰাটো গিৰীশতৰ দুৱাৰ-মুখত 'লেকাত লাগি' বাগৰি পৰিল।

**লেখ-জোখ নহ**—( ১। সীমা-সংখ্যা নহ। ২। প্ৰচুৰ হ )—১। কিমান মানুহক খুৱালোঁ, 'লেখ-জোখ নাই'। ২। তেওঁৰ ধন-সম্পত্তিৰ 'লেখ-জোখ নাই'।

**লেখত হ জোখত নহ**—( হিচাপত থাকিলেও যোগ্যতাত নহ )—মাছ পালোঁ দহোটা, কিন্তু 'লেখতহে আছে, জোখত নাই'।

**লেখা-পঢ়া বৰ্জিত হৰমোহন পণ্ডিত**—( বাহিৰত গুণী যেন দেখিলেও ভিতৰি সম্পূৰ্ণ গুণহীন হ )—তেওঁৰ ভায়েকজনক কি চাবা, দেখিলে এজন ডাঙৰ বিষয়া বুলি কবা ; কিন্তু আচলতে তেওঁ 'লেখা-পঢ়া বৰ্জিত হৰমোহন পণ্ডিত'।

**লেঙ্ লেঙ্ কৰ**—( বৰ ওখ বা দীঘল )—'লেঙ লেঙ্ কৰা' সেই ডেকাজন কোন? ইমান ওখ মানুহ ইয়াত কোনো নাই।

**লেঙেৰা লেঙেৰি**—( খোঁৱাই অহা-যোৱা কৰ )—তই দেখোন 'লেঙেৰা-লেঙেৰি' লগাইছ, ভৰিত কিবা হৈছে নেকি ?

**লেছেৰি বুটল্**—( অলপ অলপকৈ পৰি থকা বস্তু বুটলি গোটা )—পুহ মহীয়া, গাঁৱৰ কোনো কোনো ল'ৰাই 'লেছেৰি বুটলি' বহুত ধান গোটায়।

**লেজুত ( বা জৰীত ) ধৰি বল দি**—( আন্তৰিক সহানুভূতি নোকোৱাকৈ, কেৱল মানুহক দেখুৱাবলৈহে কোনো কাৰ্যত যোগ দি )—সি শকত-আৱত হলে কি হব ? 'লেজুত ধৰি বল দিদিয়া' মানুহেৰে আমাৰ কাম নহয়।

**লেট খা**—( সান-মিহলি হৈ তৰপে তৰপে লাগ খাই থাক্ )—এই বাৰ ধানৰ খেতি কি চাবা ? পথাৰত 'লেট খাই' পৰি আছে।

**লেট ( বা লেটি ) ল**—( বোকা বা ধূলিত বাগৰ্ )—ম'হবোৰে বোকাত 'লেটি লৈ' গা ধুৱায়।

**লেটা কুম্পা**—( ১। নিজৰ মুখৰ সূতাৰে নিজে বন্ধ হ। ২। কু-কাৰ্যকাৰী নিজৰ

বিপদ্ চপা)—১। পলুবোৰ পৰিছে; এতিয়া 'লেটা কুন্দাৰ'। ২। তুমি মোক কামত পেলাব খুজিছা হয়, মোৰ বোধেৰে নিজেহে 'লেটা কুন্দাইছা'।

**লেটি-পেটি (বা লেট-পেট)**—(ভাল-বেয়াই সান-মিহলি)—মাছবোৰ 'লেটি-পেটি' নকৰিবা; বাছি উলিয়া টান হব।

**লেঠু দেখুৱা**—(বুঢ়া আঙুলি দেখুৱাই তুচ্ছজ্ঞান বা অৱজ্ঞা কৰ্)—সমাজক 'লেঠু দেখুৱাই' উদ্ধত ডেকাজন গুচি গ'ল।

**লেতেৰ-পেতেৰ কৰ্**—(মলিন বা অশুচি বস্তুৰ লগত সান-মিহলি কৰ্)—বগৰীবোৰ বোকাত 'লেতেৰ-পেতেৰ কৰিলা'; কেনেকৈ খাবা?

**লেথেৰ-গোবৰ হ**—(সম্পূৰ্ণ লেতেৰা হ)—বৰষুণত তিতিলা বুলিয়েই এনে 'লেথেৰ-গোবৰ হব' লাগে নে?

**লেদেমা ওকট্**—(গু-মুত আদি ধুই আল-পৈচান ধৰ্)—নাৰিয়াত পৰি আছিলা যেতিয়া, তেতিয়া 'লেদেমা ওকটিবলৈ' কোন আহিছিল?

**লেম ছেলা**—(যৰম লগাবলৈ কোমল আৰু দীঘলকৈ মাত্—নিন্দাত)—গালি পাবি, এতিয়া 'লেম ছেলাবলৈ' আহিছ, নহয়?

**লেম-দেম কৰ্ (বা ৰাখ্)**—(কোনোপ্ৰকাৰ সংসগত থাক্)—দুষ্টৰ লগত 'লেম-দেম কৰিলে' শান্তও এদিন বিপদত পৰে।

**লেমৈ-ভাদৈ**—(লেনিয়াই কথা কোৱা আলসুৱা ছোৱালী)—তোমালোকৰ সেই 'লেমৈ-ভাদৈজনী' ক'লৈ গ'ল? তাইক নমতাকৈ যাম নে?

**লেপাচ-গাঁঠি**—(নেৰা-নেপেৰাকৈ লাগি থাকি আমনি কৰা মানুহ)—সেই ল'ৰাটো 'লেপাচ-গাঁঠি', সি ধৰিলে জোঁকতকৈও বেছিকৈ ধৰে।

**লেপেট খা**—(লেওৰ নিচিনাকৈ লাগি ধৰ্)—দৰবটো ঘাডোখৰত 'লেপেট খাই' ধৰিছে; এৰুৱাওঁ কেনেকৈ?

**লেপেটা কাচি বহ্**—(দুই ভৰি কোঁচাই তপিনা পাৰি বহ্)—'লেপেটা কাচি' মাটিত বহি কাপোৰখন নষ্ট কৰিলি।

**লে (বা ললা বা লৰ) খা**—(চুঁচৰি বা বগাই দীঘল হৈ আগ বাঢ়্)—কেঁচুৱাটোৱে আঁঠু লোৱা নাই, কিন্তু 'লে খাই' বহুত দূৰলৈ যায়।

**লেৰাই শামুকে পাকজন্তৰ বংশ বুলি ক**—(ইতৰ লোকে ডাঙৰৰ লগত মিছা সম্বন্ধ দেখুৱাই ডাঙৰ হোৱা)—আমাৰ উপৰি-পুৰুষ এগৰাকী কাণ্যকুব্জৰ

আছিছিল বুলি কলে আপোনালোকে মোক 'লেবাই শাহুকে পাকজন্তুৰ বংশ বুলি কোৱা' বুলি নাভাবিব।

**লেবেলা পৰা লোক, চেবেলা পৰা গৰু**—(গৰুও দুৰ্বল সবলযুক্ত নিৰ্জীৱী মানুহ)—ৰাবিষাৰ দিন, সা-সৱলো নাই; কোনো উপায়ে ঘৰ-কামটো কৰি পেলোৱা; 'লোকও লেবেলা পৰা, গৰুও চেবেলা পৰা'।

**লেল-পেল মিছিগা**—(লাগ-বান্ধ নোহোৱা দীঘলীয়া—কথাত খাটে)—'লেল-পেল মিছিগা' কথা কৈ আৰু কিমান পৰ কটাবা?

**লেলাই-খেলাই**—(বৰ কষ্টেৰে)—গাঁৱত কোনো প্ৰকাৰে 'লেলাই-খেলাই' দিন কটাইছোঁ।।

**লৈ-লৈ থৈ-থৈ**—(বৰ আপদ্ বা দুৰ্গতি)—মিতিৰ থাবলৈ আহি বৰ 'লৈ-লৈ থৈ-থৈ খনতহে' পৰিলোঁ।

**লোকৰ আঙুলি জুইত দি খা**—(কৌশলেৰে আনৰ হতুৱাই কষ্ট কৰাই নিজৰ স্বাৰ্থসিদ্ধি কৰ্)—'লোকৰ আঙুলি জুইত দি খোৱা' স্বভাৱৰ মানুহ সমাজত অনেক আছে।

**লোকৰ ওপৰত উশাহ ল**—(পৰৰ অনুগ্ৰহেৰে জীয়াই থাক্)—আপুনি খুৱাই আছে হয়, এনেকৈ 'লোকৰ ওপৰত উশাহ লৈ' থকাটো মোৰ পক্ষে উচিত হোৱা নাই।

**লোকৰ চৰাত বহা বৰ মানুহ**—(আনক আশ্ৰয় কৰি ডাঙৰ হোৱাৰ খোজা মানুহ)—বুঢ়াজন আছিল 'লোকৰ চৰাত বহা বৰ মানুহ', নিজৰ গুণ-গৰিমা, ধন-বিত্ত একোৱে নথকাতো আনৰ ওপৰেদি ভেওঁ সদায় ডাঙৰ মানুহ হৈ আছিল।

**লোকৰ মূৰত কঠাল ভাঙ্**—'লোকৰ আঙুলি জুইত দি খা' চোৱাঁ।

**লোকলৈ বুলি হুল চাঁচি নিজে ফুটি মৰ্**—(আনলৈ ষড়যন্ত্ৰ কৰি নিজে সেই ষড়যন্ত্ৰত ক্ষতিগ্ৰস্ত হ)—শিয়ালে 'হৰিণালৈ হুল চাঁচি নিজে ফুটি মৰিল'; হৰিণা সাৰি গ'ল, সি নিজে মৰা পৰিল।

**লোণ খালে গুণ গা**—(উপকাৰী লোকৰ শলাগ ল)—'যাৰ লোণ খাবা, তাৰ গুণ গাবা।' অশলাগী লোক মহা পাপত লিপ্ত হয়।

**লোণ ঘুটি ভাত খা**—(অতি কষ্টেৰে জীৱিকা চলা)—সিহঁত বৰ দুখীয়া; 'লোণ ঘুটি ভাত খায়'।

**লোণ নোহোৱাকৈ খেকেৰা কুট**—(সা-সৰল নোহোৱাকৈ কোনো কাম

কৰিবলৈ অগ্ৰসৰ হ)—শিক্ষকেই যদি নোপোৱা, স্কুল পাতিবা কেনেকৈ? 'লোণ নোহোৱাকৈ থেকেৰা সুকুটিবা।'

**লোণ-পাত চেলেকা**—(নানা প্ৰলোভনেৰে বশ কৰ্)—সি বৰ উগ্ৰ প্ৰকৃতিৰ; 'লোণ-পাত চেলেকাৰ' পাৰিলেহে পৰা।

**লোণভাৰ পেলাই মাটিভাৰ আন্**—(লাভ এৰি অলাভৰ পথ ল)—তুমি সেই চাকৰি এৰি এইটো ললে 'লোণভাৰ পেলাই মাটিভাৰ অনাহে' হব।

**লো পুৰিলেহে তীখা হ**—(কষ্টৰ মাজেদিহে গুণ-গৰিমা চৰ্)—দুখকষ্টলৈ ভয় নকৰিবা; 'লো পুৰিলেহে তীখা হয়'।

**লোভে পাপ, পাপে মৃত্যু**—(লুভীয়া মানুহে মৃত্যু মাতি আন্)—'লোভে পাপ, পাপে মৃত্যু'; সেই দেখি অনৰ্থক লোভ কৰি মৃত্যু চপাই নলবা।

**লোৰ গুড়িকৰাই গালে গালে খা**—(বৰ টান কায সমাধা কৰ্)—এই কামটো এমাহত শেষ কৰা, আৰু 'লোৰ গুড়িকৰাই গালে গালে খোৱা' একে কথা।

## শ

**শক পা**—(কোনো কাম কৰাৰ দিহা বা বুধি পা)—'শক নাপালে' কোনো কাম কৰিব নোৱাৰি।

**শকুনি-বুদ্ধি**—(দুৰ্যোধৰ ষড়যন্ত্ৰমূলক আৰু ধ্বংসাত্মক পৰামৰ্শ)—তাৰ 'শকুনি-বুদ্ধি' শুনি নিজৰ বিপদ মাতি নানিবা।

**শক্তৰ ভক্ত দুৰ্বলৰ যম**—(বলীৰ ওচৰত সেও হৈ দুৰ্বলৰ ওপৰত অত্যাচাৰ কৰা লোক)—তেওঁ তোমাক বাঘে ধৰা দিছে হয়, শক্তিমান লোকৰ আগত তিতা মেকুৰী যেন হয়। তেওঁ স্বাৰ্থসিদ্ধিৰ বাবে সদায় 'শক্তৰ ভক্ত, দুৰ্বলৰ যম'।

**শক্তি ইচ্ছাই ভক্তি**—(সাধ্য অনুসৰি কাম)—তুমি কলেজলৈ চাঁদা এইখিনি দিলেই হব; 'শক্তি ইচ্ছাইহে ভক্তি'।

**শক্তি-শেলত পৰ্**—(টান নৰিয়াত লৰ-চৰ কৰিব নোৱৰাকৈ পৰি থাক্)—আজি দুমাহ 'শক্তি-শেলত প'ৰ' আছোঁ; ডাক্তৰে কেতিয়া এৰি দিয়ে নাজানো।

**শ' খোৱা শগুণ**—(অতি লোভী আৰু নীচ প্ৰকৃতিৰ মানুহ)—খাবৰ ওলালে যে 'শ' খোৱা শগুণৰ' দৰে আহে, কাম ওলালে এটাকো নাপাওঁ কিয়?

**শগুণ মুকুত পৰ্**—(মৃত্যু হ—পাও)—তাৰ কেতিয়া 'শগুণ মুকুত পৰে', তাকেহে চাইছোঁ।

**শগুণৰ শাপত বুঢ়া গৰু মৰব্**—(স্বাৰ্থপৰ আৰু লোভী মানুহৰ ইচ্ছামতে কোনো কাৰ্য নহয়)—তোমাৰ শাওতলৈ মই ভয় কৰা নাই; 'শগুণৰ শাপত বুঢ়া গৰু মৰেনে'।

**শগুণে শ' খালেও পাখিৰে ঢাকি খা**—(শঁকুৰাই খোৱাৰ সময়তো আনক নেদেখুৱাকৈ খা)—'শগুণে শ' খালেও পাখিৰে ঢাকি খায়'; তুমি নো কেঁচুৱাটো অলপ আঁৰ-বেৰ কৰি লব নোৱাৰা নে?

**শঠাই-নৰকী**—(মহাপাপী লোক)—মিছলীয়া মানুহ 'শঠাই-নৰকী'; তাৰ কোনো কালেও ভাল নাই।

**শঠা-মিত্র**—(কপটীয়া বন্ধু)—'শঠা-মিত্র' শত্রুতকৈও ভয়ানক; এনে লোকৰপৰা আঁতৰি থাকিবা।

**শত্রুক হঁহুৱা মিত্রক কন্দুৱা**—(বৰ ডাঙৰ বিপদত পৰি শত্রুৰ আনন্দৰ আৰু মিত্রৰ দুখৰ কাৰণ হ)—তোৰ এই কু-কাৰ্যবোৰৰদ্বাৰা 'শত্রুক হঁহুৱাব' আৰু 'মিত্রক কন্দুৱাব' লাগিছ।

**শত্রু পাৰ্ (বা শাল্)**—(শত্রুতা সাধনৰ বাবে প্ৰতিশোধ ল)—তেওঁ মোক মিত্রভাবে, বিয়াত গাখীৰ দিব বুলি নিদি, 'শত্রু পাৰিলে'।

**শত্রুৰ ছাগলীৰ কাণ মুছৰিও সুখ পা**—(যি কোনো প্ৰকাৰে শত্রুপক্ষৰ বিৰক্তিৰ কাৰণ হৈ ৰং পা)—গাইজনীয়ে তোমাৰ একো অনিষ্ট কৰা নাছিল; তথাপি তোমাৰ শত্রুৰ গাই বুলি দুটা কোব মাৰিলা। সামান্য মনৰ মানুহে এই দৰে 'শত্রুৰ ছাগলীৰ কাণ মুছৰিও সুখ পায়'।

**শদিয়াৰপৰা ধুবুৰীলৈ**—(গোটেই দেশ জুৰি)—বৰদলৈৰ মৃত্যুত 'শদিয়াৰপৰা ধুবুৰীলৈ' হাহাকাৰ উঠিল।

**শ-নামে গৰখীয়া-নামে একেলগে পাত্**—(এটাৰ লগত আন এটা জঞ্জালৰপৰা একেলগে উদ্ধাৰ হ)—তেওঁ 'শ-নামে গৰখীয়া-নামে একেলগে পাতিছে'। আজি সৰু ল'ৰাটোৰো গণনি; আৰু ডাঙৰ ল'ৰাটোৱে পৰীক্ষা পাছ কৰা বাবে চাহ-মেলনলৈও বন্ধু-বান্ধৱক মাতিছে।

**শনিপাট**—(উগ্ৰ আৰু দুষ্ট প্ৰকৃতিৰ লোক)—সেই মিঠা-মুখীয়া মানুহটোক 'শনিপাট' বুলিহে জানিবা।

**শনিয়ে ধৰ্** (বা পা)—(দুৰ্বুদ্ধিয়ে লগ দি)—তাক টকা দিবলৈ মোক 'শনিয়ে ধৰিছিল'।

**শপত কৰ্** (বা কাঢ়্ বা খা)—(দেৱতা, ধৰ্ম, পৱিত্ৰ বস্তু বা মৰমৰ মানুহৰ নাম লৈ বা চুই অঙ্গীকাৰ কৰ্)—তই যদি চুৰ কৰা নাই, তেনেহলে গীতাশাস্ত্ৰ চুই 'শপত কৰ্'।

**শপত দি**—(দেৱতা, ধৰ্ম, পৱিত্ৰ বস্তু বা মৰমৰ মানুহৰ নাম আদিৰে অঙ্গীকাৰ কৰিবলৈ ক)—বিচাৰকে সাক্ষীক ধৰ্মৰ নামে 'শপত দিলে'।

**শব্দ উঠ্**—(জনাজাত হ)—তই তামোল চুৰ কৰা বুলি 'শব্দ উঠিছে'।

**শব্দত খোঁক্**—(সামান্য উমান পায়েই চেঁচি বা চেপি ধৰ্)—লাহ নো কোনে দিলে, তই যে 'শব্দত খুঁকিবলৈ' আহিছ? আমি লাহৰ নামেই উলিয়া নাই; লাহৰ কথাহে কৈছিলোঁ।

**শয়ন দি**—(গধূলি দেৱতাৰ বিগ্ৰহক সেৱা-অৰ্চনা কৰি শুৱাই থ)—মই ঘৰলৈ যাওঁতে পলম হব; তুমি গৈ আমাৰো গোসাঁইক 'শয়ন দি' আহিবা।

**শয়ন্তৰী হ**—(স্বামীৰ চিতাত শুই পোৰা যা)—আজি-কালিও দুই-এজনী তিৰোতা 'শয়ন্তৰী হোৱা' শুনা যায়।

**শৰ-কাঠী**—(তাঁত-শালত ব্যৱহাৰ কৰা সৰু দীঘলীয়া জোঙা কাঠী)—নতুন 'শৰ-কাঠী' কেঁড়ালমান চাচি লোৱা; পুৰণিবোৰ চুটি হব।

**শৰণ দি**—(১। ধৰ্মৰ মন্ত্ৰ বা দীক্ষা দি। ২। অন্যায়ৰপৰা ৰক্ষা পাবলৈ দেৱতা বা ৰজাৰ দোহাই দি)—১। শঙ্কৰদেৱে তেওঁলোকক 'শৰণ দিছিল'। ২। চৰকাৰত 'শৰণ দি' সি লাঠি লৈ দুৱাৰ মুখত থিয় দিলে।

**শৰণ পশ্**—(আশ্ৰয় ল)—"তোমাৰ চৰণে 'শৰণ পশিলোঁ' ইবাৰ ৰাখিয়ো হৰি।"

**শৰণ ল**—(আশ্ৰয় ল। ২। ধৰ্মৰ মন্ত্ৰ ল)—১। আপোনাত 'শৰণ লৈছোঁ', আপুনি যি কৰে কৰক। ২। আমাৰ উপৰি-পুৰুষে হৰিদেৱত 'শৰণ লৈছিল'।

**শৰণ লগা**—(ধৰ্মৰ মন্ত্ৰ দি)—তেওঁ সেই ঠাইত বহুতক 'শৰণ লগাই' বৈষ্ণৱ কৰিলে।

**শৰ-মালা**—(বিয়াত পদূলি-মুখত আঁৰি দিয়া গছৰ ফুল, পাত আৰু মাটিৰে সজা ফুলেৰে সজা মালা)—বিয়াৰ দিনা পুৱাই পদূলিত আৰু ঘৰ-ঘৰৰ দুৱাৰ-মুখত 'শৰ মালা' আঁৰি দিবা।

**শৰ-শয্যাত পৰ্**—'শক্তি-শেলত পৰ্' চোৱা।

**শৰাই ভাঙ্**—(দৰাঘৰৰপৰা হোৱালী খুজিবলৈ আগ বঢ়োৱা তামোল-পাণৰ শৰাই গ্ৰহণ কৰ্)—বৰ বৰকৰাই 'শৰাই ভাঙিলে', দৰা-ঘৰীয়াই হোৱালী চাই বৰ সন্তোষ পালে।

**শৰাধ কৰ্**—(সম্পূৰ্ণ নাশ কৰ্)—গৰুৱে আজি শাকৰ 'শৰাধ কৰিলে'।

**শৰাধ চাৰিখনীয়া কৰ্**—(ব্যঙ্গাৰ্থত—অনাচাৰী হ)—বুঢ়াৰ পুতেক আছে হয়, পিছে দেউতাকৰ 'শৰাধ চাৰিখনীয়াকৈ কৰে'।

**শৰাধত বহ**—(বৰকৈ তিৰস্কাৰ কৰ্)—বুঢ়ীয়ে ৰাহ চুৰ কৰা গম পালে তোৰ সাতাম পুৰুষৰ 'শৰাধত ব'হব'।

**শল-ঠেকত পৰ্**—(এবাৰ নোৱৰা বিপদত পৰ্)—দত দিনে টেঙৰালি কৰি ফুৰি আজি সি 'শল-ঠেকত পৰিছে'; গ ণাই তাক শুদাই নেৰে।

**শল-মাৰি ভাঙ্**—(সমাজৰ শৃঙ্খলা নষ্ট কৰি পলা)—এই ছুইটোৱে 'শল-মাৰি ভাঙি পলায়' দেখি সমাজে তাক এৰি থৈছে।

**শ'লৰ পেটত শাল ওপজ্**—(সজ লোকৰ ঘৰত অসৎ প্ৰকৃতিৰ লোক ওপজ্)—তেওঁৰ পুতেকৰ কথা নকবা; 'শ'লৰ পেটত শাল উপজিছে'; বুঢ়া দেউতাক পুতেকৰ স্বভাৱ-চৰিত্ৰ দেখি মৰ্মাহত হৈছে।

**শ'লৰ মাজৰ চেনাৰ**—(সজ প্ৰবৃত্তিৰ বহুতৰ মাজত এজন অসৎ প্ৰবৃত্তিৰ লোক হ)—সেই পৰিয়ালত সি 'শ'লৰ মাজৰ চেনাৰ'; অকল সিয়েই পৰিয়ালটোৰ দুৰ্নাম আনিছে।

**শলাগ পা**—(প্ৰশংসা লাভ কৰ)—সজ গুণৰ বাবে তেওঁ সকলোৰে 'শলাগ পায়'।

**শলাগ পুৰি খা**—(আগৰ উপকাৰ পাহৰি যা; অকৃতজ্ঞ হ)—'শলাগ পুৰি খোৱা' আজি কালি বহুতৰ লক্ষণ; কিন্তু তেনে অশলাগীৰ মঙ্গল নাই।

**শলাগ ল**—(উপকাৰ স্বীকাৰ কৰ্; প্ৰশংসা কৰ্)—আপোনাৰ বদান্যতাৰ 'শলাগ লৈছোঁ'।

**শলাগোঁতে শলা-গাঁঠি লাগ্**—(শলাগনি পাই অকৰ্মণ্য হ)—তোমালোকে 'শল'গোঁতে' ল'ৰাটোৰ 'শলা-গাঁঠি লাগিল'; সি এতিয়া পঢ়াশুনা কৰিবলৈ এৰি দিলে।

**শলাৰ শিল**—(অতিশয় উগ্ৰ দণ্ড)—গভাইত চোৰটোক ৰাইজে 'শলাৰ শিলেৰে' খুন্দিলে।

**শ'-মুৰা হ**—(মুখটো মৰা মানুহৰ মুখৰ দৰে জ্যোতিহীন হ)—ৰবিয়াৰ অৱস্থা বিশেষ নাজানো; কিন্তু মানুহটো 'শ-মুৰা হৈছে'।

**শহ-চোৰৰ-ভলা**—( ৰৰণ-ভলা )—'শহ-চোৰৰ-ভলা' লৈ মঙ্গল উৰুলীৰে তেওঁলোকে দৰাক আদৰি আনিলে।

**শহা-কণীয়া**—( সামান্য শব্দ হলেও শুনা )—বুঢ়ী বৰ 'শহা-কণীয়া'; ৰাতি সামান্য শব্দ হলেও হেঃ কৰি উঠে।

**শহুৰৰ জীয়েক**—( বৈণী—গিৰিয়েকে কয় )—এই কথা মই কব নোৱাৰোঁ; 'শহুৰৰ জীয়েক' সোধা।

**শহুৰৰ পুতেক**—( স্বামী—বৈণীয়েকে কয় )—'শহুৰৰ পুতেকে' মোক শুনাই গালি পাৰে, তাকেহে সহিব নোৱাৰোঁ।

**শহুৰি খাট্**—( শহুৰৰ ঘৰত অৰ্থাৎ স্বামীৰ ঘৰত বাস কৰি পৰিশ্ৰমৰ মাজেদি দিন কটা )—ছোৱালীজনীয়ে বৰ দুৰ্ভাগ্যৰ মাজেদি 'শহুৰি খাটিছে'।

**শাওণ-ভাদ-মহীয়া মানুহ**—( বৰ কৰ্মব্যস্ত লোক )—'শাওণ-ভাদ-মহীয়া' মানুহৰ দৰে তেওঁ মূৰ তুলিও নাচায়; কেৱল পঢ়িছেহে।

**শাও দি**—( অভিশাপ দি )—ঋষিয়ে 'শাও দি' তেওঁক শিলামূৰ্ত্তি কৰিলে।

**শাও লাগ্**—( অভিশাপত পৰ্ )—দেৱতাৰ 'শাও লাগি' তেওঁলোক উষা-অনিৰুদ্ধ হৈ উপজিল।

**শাও-শপনি**—( গালি-শাপ )—ইমান বুঢ়ীৰ 'শাও-শপনি' খাই থকাতকৈ মোৰ পক্ষে যোৱাই ভাল।

**শাঁও-বৰণীয়া**—( বৰ বগা নোহোৱা; তেল-কলীয়া )—ছোৱালীজনী তেনেই ক'লা নহয়, বগাও নহয়, 'শাঁও-বৰণীয়া'।

**শাঁখে-সেন্দুৰে**—( সধৱা অৱস্থাৰে )—'শাঁখে-সেন্দুৰে' শহুৰিত ৰাজ-ৰাণী হৈ থাকিবলৈ মুনিয়ে তেওঁক আশীৰ্বাদ দিলে।

**শাঁতৰি পৰ্**—( ভাগৰ বা অৱসাদ শুচি শান্তি পা )—বৰ ভাগৰ লাগি ল'ৰাটো শুইছে; অলপ 'শাঁতৰি পৰক' দিয়া, নামাতিবা।

**শাক খোৱা পাত খোৱা কথা**—( মূল্যহীন বাজে কথা )—'শাক খোৱা পাত খোৱা কথা' কৈ থাকিলে কাৰ কি লাভ হয়? অথচ পুৱাৰপৰা তাকেই কৈ আছা।

**শাকত লোণ মাখা**—( অতিশয় কৃপণালি কৰ্ )—তেওঁ বৰ কট্‌কিনা মানুহ; 'শাকতো লোণ মাখায়'।

**শাক বাজিবলৈ খুন নাই, ভোজ বাজিবলৈ হুঁহুঁ কৰ্**—( অকৰ্ম্মা

লোকে ডাঙৰ কামৰ দায়িত্ব ল )—সি পাৰে বুলি কলেও এনে কাম এটাৰ দায়িত্ব তাক দিব নোৱাৰি; তাৰ 'শাক বাছিবলৈকে খুদ নাই', তথাপি সদায় এনেকৈ 'তোৰ বাছিবলৈ হুঁ হুঁ কৰেই'।

·**শাকে কচুৱে খা**—( অতি দুখীয়াভাৱে দিন কটা )—'শাকে কচুৱে খাই' কথমপি জীয়াই আছোঁ।

**শাকে শোকোতাই ভক্ষণ**—( সুলক্ষণীয়া লোকে যিহকে পা তাকে খাই সন্তোষ পা )—ইটো নাখাওঁ, সিটো নাখাওঁ—এইবোৰ কেনে কথা? 'শাকে শোকোতাই ভক্ষণ' কৰাহে সুপুৰুষৰ লক্ষণ।

**শান্তি-বিয়া**—( কেশাৰ্চন; পাছ-বিয়া )— লাহে লাহে 'শান্তি-বিয়াৰ' প্ৰথা লোপ পাই আহিছে।

**শাপত্ত কথা**—( সুনিশ্চিত কথা )—বুঢ়ীয়ে যদি নাৰিকলৰ খোলটৈ চায়, তেওঁ পাছ দিয়াৰ লগে লগে খোলে সৈতে খহি পৰিব,—এইটো 'শাপত্ত কথা'।

**শাপে বৰ হ**—( অমঙ্গলৰপৰা মঙ্গল হ )—এবাৰ তেওঁক বৰলে কামুৰি আধা-মৰা কৰিছিল; কিন্তু সেয়ে তেওঁৰ পক্ষে 'শাপে বৰ হ'ল'; তেওঁৰ কেবা-বছৰীয়া মেলেৰিয়া আঁতৰিল।

**শাম কাট্‌**—( লাঘৱ হ; কম পৰ্‌ )—বৰষুণ 'শাম কাটিছে'; যাওঁহে।

·**শামুকৰ পেটত মুক্তা ওপজ্‌**—( সামান্য পৰিয়ালত সুলক্ষণীয়া লোকৰ জন্ম হ )—পৰিয়াল বা গাঁওলৈ চালে তেওঁ 'শামুকৰ পেটত মুক্তা উপজিছে'।

**শামুকৰ সাহ**—( অলপো সাহ নথকা স্বভাৱ )—তাৰ যিহে 'শামুকৰ সাহ', সি এই বাতি শ' দিব, নৈছে।

·**শামুকীয়া গতি**—( নিতান্ত ধীৰ বা মন্থৰ গতি )—সকলো কামতে তোমালোকৰ এই 'শামুকীয়া গতিৰে' কি আগুৱাবা?

**শামুকীয়া লাগ্‌**—( পানীয়ে খাই থাকিবা ভৰিৰ আঙুলিৰ মাজবোৰত ঘা হ )—তেওঁৰ ভৰিত 'শামুকীয়া লাগি' উথহি উঠিছে।

**শাৰী পূৰা**—( অযোগ্য লোকে বৰ লোকৰ লগ হৈ সেখাত অভাৱ পূৰণ কৰ্‌ )—এই কামত মোৰ যোগ্যতা নাই; এনেয়ে আপোনালোকৰ 'শাৰী পূৰাবলৈহে' এই আসনত বহিলোঁ।

**শালক শিঙিয়ে ঘিণা**—( নিজে ঘৃণনীয় হৈ আনক ঘৃণা কৰ্‌ )—তই নিজে চোৰ; তয়ে আৰু ডকাইতটোক নিন্দা কৰিছ; 'শালক শিঙিয়ে ঘিণায়েই'।

**শাল-চকুৱা**—(চোকা বুদ্ধিৰ; টেঙৰ)—তেওঁ বৰ 'শাল-চকুৱা' মানুহ; হাজাৰে গোপন কৰিলেও তেওঁ তাৰ ভং পাবই।

**শালত (বা শালে) কটা**—(একেবাৰে নতুন—কাপোৰত খাটে)—কাপোৰখন পুৰণি নহয়; তেনেই 'শালত কটা'।

**শালত দি**—(থিয়কৈ পোতাশালত বহুৱাই বধ কৰ্)—পুৰণি কালত উগ্ৰ দোষীক 'শালত দিয়া' হৈছিল।

**শাল মাৰি ধৰ্**—(শাল মাৰিলে হোৱা কষ্টৰ নিচিনা কষ্ট দি)—মোৰ আজি বুকুৱে পিঠিয়ে 'শাল মাৰি ধৰিছে'; উশাহ-নিশাহকে লব নোৱাৰোঁ।

**শালৰ মাজৰ শিঙি** (মিলিব নোৱৰা সঙ্গত সোমোৱা মানুহ)—এই সমাজত তেওঁ 'শালৰ মাজৰ শিঙিহে' হৈছে।

**শালৰ হাতী মুকলি হ**—(মুকলিকৈ এৰি দিব নোৱৰা মানুহো মুকলি হ)—আজি স্বাধীনতা উৎসৱ, 'শালৰ হাতীও মুকলি হয়', মইহে ওলাব নোৱৰা হৈছোঁ।

**শালিকাই চুঁচোতে মাজোঁতে ফেচু বজা হ**—(আয়মেৰে সাজ কাচ কৰোঁতে কোনো কামৰ সময় উকলি যা)—যোৱা যদি, ওলোৱা; 'শালিকাই চুচোঁতে মাজোঁতে ফেচু বজা হয়' যেন পাইছোঁ; গাৰী আছিলে তোমালৈ বৈ নাথাকে।

**শালিকাই মূৰৰ চুলি নিয়া দি**—(বৰকৈ চিঞৰ বাখৰ কৰি বাৰ বাৰ একে অনুৰোধেৰে জুলুম কৰ)—টকাছটা নিদিলোঁ। মানে তাই মোক 'শালিকাইহে মূৰৰ চুলি নিয়া দিলে'।

**শালিকা-চিনান কৰ্**—(নামমাত্ৰ গা ধো)—তুমি 'শালিকা-চিনান ক'ৰি' আহিলা নে কি? পলকতে গা ধোৱা হ'ল নে?

**শাস্তি-শলা**—(শূলত দিয়া আদিৰ অনুৰূপ গুৰু-দণ্ড)—ছোৱালীজনীক 'শাস্তি-শলা' নিদিবা, তাই নিৰ্দোষী।

**শাস্ত্ৰ-সমস্তকৈ**—(কোনো প্ৰকাৰে শাস্ত্ৰৰ বিধান মানি)—মানুহ-দুনুহ মাতিৰ নালাগে; 'শাস্ত্ৰ-সমস্তকৈ' শৰাধটো কৰা।

**শিং গজ্**—(বিশেষ লাভৱান হ—ব্যঙ্গাৰ্থত)—দোকান দি, তাৰ 'শিং গজিছে'; সি এতিয়া মহাজন।

**শিং থাকিলে হালত বাব পাৰ্**—(গৰুৰ লগত পাৰ্থক্য নহ)—সি এজন বৰ ভাল মানুহ; 'শিং থকা হলে হাল বাব পৰা' গ'লহেঁতেন।

**শিং ধৰাই থাক্**—(যুঁজোঁ যুঁজোঁকৈ সাজু হৈ থাক্)—মোৰ লগত তই 'শিং ধৰাই আছ'; যুঁজি চাবি নেকি?

**শিং ভাঙি দামুৰি হ**—(বুঢ়া বয়স লুকাই ডেকা হবলৈ ব্যৰ্থ আকাঙ্ক্ষা কৰ্)—ককাইদেৱে সাজি-কাচি ওলাওঁতে এনেলা যায়; তেওঁ 'শিং ভাঙি দামুৰি হব খুজিছে'।

**শিকলি দি**—(১। নজনা কথা বুজা। ২। শাস্তি দি)—১। পিতাকে ল'ৰাটোক নানা প্ৰকাৰৰ 'শিকলি দিছে'। ২। সি হাক-বাধা নমনা হৈছে; তাক এটা 'শিকলি দিবহে' লাগিল।

**শিকিত দিয়া মাছ যেন হ**—(সম্পূৰ্ণৰূপে অৱশ বা কাতিকুণ্ডা কৰিব নোৱৰা হ)—বাস্তিটো গাৰ বিষত টোপনি যাবিৰ পৰা নাই; 'শিকিত দিয়া মাছ যেন হৈ আছে'।

**শিখা বান্ধ্**—(গায়ত্ৰী বুলি টিকনিত গাঁঠি দি)—বামুণে 'শিখা বান্ধি' ৰক্ষা-কৱচ লয়।

**শিঙৰা-মুৰীয়া**—(শিঙৰাৰ মূৰৰ দৰে জোঙা মূৰৰ)—ল'ৰাটো 'শিঙৰা-মুৰীয়া,' দেখিবলৈ অশুৱনি।

**শিঙৰি-ঘৰত উঠ্**—(বিধি অনুসৰি ৰজা হ)—বুঢ়া ৰজা মৰা হলত কোঁৱৰে 'শিঙৰি-ঘৰত' উঠিল।

**শিঙা হোপা দি**—(ভেনেই চুহি খা)—এই টকাখিনি শীঘ্ৰে পৰিশোধ কৰা; নহলে সেই ধনীটো যেনে প্ৰকৃতিৰ, সি তোমাক 'শিঙা হোপা দিব'।

**শিঙিৰ মাজৰ মাগুৰ**—(বহুত দুষ্ট লোকৰ মাজৰ অকলশৰীয়া সাধু লোক)—তেওঁ এই গাঁৱত 'শিঙিৰ মাজৰ মাগুৰহে' হৈছে; দিনে নিশাই সকলোৱে তেওঁক নানা শাস্তি-শলা দিছে।

**শিতান দি**—(১। মূৰ দৈ শো। ২। শোৱাৰ দৰে বৈ থাক্)—১। উত্তৰৰ ফালে 'শিতান দিব' নাপায়। ২। বানপানী চোতালত উঠা নাই,—বাটত অ'হি 'শিতান দিছে'।

**শিপা কাট্**—(অতি গোপনে শত্ৰুতা কৰ্)—তেওঁৰ লগত মিতিৰালি কৰিছা হয়, সাৱধানে চলিবা; তলে তলে 'শিপা কাটি' মানুহক অপকাৰ কৰাত তেওঁ বৰ ওস্তাদ।

**শিপা গজ্**—(লৰচৰ কৰাৰ শক্তি ৰহিত হ)—তোমাৰ 'শিপা গজিল' নেকি? পুৱাৰ পৰা বহি থাকি দেখোন মুঠাই হ'লা?

**শিমলুৰে কৰ দেখি পখীয়ে ৰখি থাক্**—(মিছাকৈ আশা পালি থাক্)—'শিমলুৰ কৰ দেখি' খাম পাম বুলি 'পখীয়ে ৰখি থকাৰ' দৰে, তুমিও মোকপৰা সহায় পাবা বুলি আশা পালি আছা; কিন্তু সেই আশা এৰা; সহায় যেয়ে দিব পাৰে তাৰ ওচৰ চাপাগৈ।

**শিয়াল-গলা**—(গাল উখহা ৰোগ)—'শিয়াল-গলা' সংক্ৰামক ৰোগ, তপত পিঠাৰে সেকিলে ভাল হয়।

**শিয়াল-তামুলী**—(ঘৰকৈ তামোল খোৱা মানুহ)—বুঢ়াটো আঁতৰাই খোৱা; সেই 'শিয়াল তামুলীটোৱে' অকলে এবঁটা তামোল শেষ কৰিব।

**শিয়াল-বাগি দি**—(ধৰিবলৈ চল নিদি বাগি দি ফুৰ্) -সি কামৰপৰা এৰাবলৈ 'শিয়াল বাগি দি' ফুৰিছে।

**শিয়ালৰ জাক জাক শিংহৰ এক**—(সংখ্যাতকৈ গুণৰ মূল্যহে বেছি)—আজি হেজাৰ-বিজাৰ লোকে যি কামটো কৰিব পৰা নাই, এজনে সেই কাৰ্য সম্পাদন কৰি দেশৰ সন্মান ৰক্ষা কৰিলে। সেই দেখিয়েই কয়, 'শিয়ালৰ জাক জাক সিংহৰ এক'।

**শিয়ালৰ ডিঙিত মঙহৰ ভাৰ দি**—(যি যি বস্তুৰ শঁকুৱা, তাক সেই বস্তুৰ তত্বাৱধানত ৰাখ্, উদক ভেটা-ৰখীয়া পাত্)—লংবাইতক ৰসোগোল্লা ৰখাৰ ভাৰ দিয়া আৰু 'শিয়ালৰ ডিঙিত মঙহৰ ভাৰ দিয়া' একে কথা।

**শিয়ালৰ পাছত কুকুৰে ভুক্**—(কোনো কাৰ্য নকৰিবলৈ অসাৰ্থকভাৱে বাৰে বাৰে কৈ থাক্)—তাক এই কাম নকৰিবলৈ কত বাৰ কলোঁ; সি শুনেনে,—যেন 'শিয়ালৰ পাছত কুকুৰেহে ভুকিছোঁ'।

**শিয়ালৰ শিং দেখ্**—(অতি আচৰিত ঘটনা দেখি মতলীয়া হোৱাৰ দৰে হ)—ডেকাগৰে কি যে 'শিয়ালৰ শিং দেখিছে,'—ইমান হাক দিছোঁ, তথাপি গুভত-গোৰে নাচি ফুৰিছে।

**শিৰ-কোৰ উঠ্**—(ডিবোতাৰ বৰ উখহা হ)—তেওঁৰ যদি **শিৰ-কোৰ উঠিছে,** সেই ওজাজনে জাৰিলে এতিয়াই ভাল পাব।

**শিৰ চাই টোকৰ মাৰ্**—(ঠিক বেৰে কৰিলে কাৰ্য সাধন হয়, তাকে কৰ্)—কৃপণকপৰা টকা আদায় কৰিবলৈ তেওঁহে উপযুক্ত লোক; তেওঁ **শিৰ চাই টোকৰ মাৰিব** জানে।

**শিৰত তুলি ল**—(সসম্ভ্ৰমে গ্ৰহণ কৰ্)—আপোনালোকৰ আশীৰ্বাদ মই **শিৰত তুলি লৈছোঁ।**

**শিৰ-ফুটা**—(সম্পূৰ্ণ পৈণত; সুপ্ৰসিদ্ধ)—যেন মৰাত **শিৰ ফুটা** যেলেকিসকলৰ মাতি আনা।

**শিৰ বিক্**—(শিষ্য হ)—সি সেই চোৰটোৰ ওচৰত **শিৰ বিকিছে;** তাৰ লগ এৰিব কেনেকৈ?

**শিল খাই ঘঁৰিয়াল তললৈ যা**—(নানা কথা গমি মনে মনে থাকিবলৈ বাধ্য হ)—মই মুখ মেলিব পাৰিলে দেখিলাহেঁতেন; পিছে **শিল খাই ঘঁৰিয়াল তললৈ গৈছোঁ।**

**শিল চিকুটিলে নখহে ক্ষয় হ**—(দুৰ্বলে সবলৰ অপকাৰ কৰিবলৈ গৈ নিজে ক্ষতিগ্ৰস্ত হ)—সি নো তোমাৰ দৰে মানুহৰ কি অপকাৰ কৰিব পাৰে? **শিল চিকুটিলে নখহে ক্ষয় হয়।**

**শিল গিলিলে জীৰ্ণ নাযা**—(পাপ হজম কৰিবলৈ অক্ষম হ)—সি যিবোৰ অনাচাৰ কৰিব লাগিছে, এইবোৰে তাৰ অধঃপতন ঘটাব; **শিল গিলিলে জীৰ্ণ নাযায়।**

**শিলত মূৰ আকাল্**—(মৰ্ণান্তিক শোক বা বেজাৰ পাই মৃত্যুলৈ ভয় নকৰ্)—পুতেকৰ মৃত্যুত বুঢ়ীয়ে **শিলত মূৰ আকালি** কান্দিছে।

**শিল পৰা কপৌ যেন হ**—(কোনো মানসিক আঘাত পাই স্তব্ধ হ)—পুতেক-হঁতৰ সৰ্বনাশ৷ কাজিয়া দেখি বুঢ়া **শিল পৰা কপৌ যেন হৈছে।**

**শিলৰ খুঁটি**—(অচল-অটল)—মোৰ কথা **শিলৰ খুঁটি;** কথা লৰোৱা মোৰ প্ৰকৃতি নহয়।

**শিলৰ দৈ টান্**—(বৰ কঠোৰ পৰিশ্ৰমৰ কাম কৰ্)—সেই দক কামটোকে পাতোতে তোমাক নো কি **শিলৰ দৈখন টানিবলৈ** কৈছিলোঁ যে নকৰিলা?

**শিলৰ ৰেখা**—(নবচৰ হব নোৱৰা কথা বা কাৰ্য)—আপোনাৰ আদেশ মোৰ পক্ষে **শিলৰ ৰেখা;** তাৰ অন্যথা মই কেতিয়াও নকৰোঁ।

**শিলেৰে খুন্দ্**—(বৰকৈ মাৰ-কিল কৰ্)—তিৰোতাজনীক বেলিকা সিহঁতে **শিলেৰেহে খুন্দিছে।**

**শিয়ৰ কাষত কালী**—( বৰ ধুনীয়া ডেকাৰ লগত কুৎসিত কদাকাৰ ডিবোঙা )—তেওঁ সেইজনী কি ছোৱালী বিয়া কৰালে ? যেন **শিয়ৰ কাষত কালীহে**।

**শিশু-মায়ক কাম**—( অনভিজ্ঞ লোকে অনিপুণভাৱে কৰা কাম )—ল'ৰাছুটিয়ে যি পাইছে, তাকে আনি আপোনালোকৰ অভ্যৰ্থনা কৰিছে ; **শিশু-মায়ক কাম** বুলি নিজগুণে সন্তুষ্ট হওক।

**শিশুপাল-খেদা**—( ভয়ত আতুৰ হোৱা মানুহক দূৰলৈ খেদি নিয়া কাৰ্য )—চোৰটোক গঞাই **শিশুপাল-খেদা** দিলে ; সিহঁত আতুৰ হৈ ঘৰৰ মাজত সোমাইহে সাৰিল।

**শীতল-সন্নিপাত** - ( বাহিৰত শান্ত শিষ্ট, কিন্তু ভিতৰি বৰ ভীষণ প্ৰকৃতিৰ লোক )—তেওঁক কম বুলি নাভাবিবা, সাক্ষাৎ **শীতল-সন্নিপাত**।

**শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে**—( কাম-বন নকৰা মানুহে কোনো সুফল নাপায় )—পঢ়াশুনা নকৰাকৈয়ে পৰীক্ষাত পাছ কৰিবা নে ? **শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে**।

**শুইন-কলা**—( শুনিও কলাৰ দৰে থকা মানুহ )—সি প্ৰকৃত কলা নহয়, **শুইন-কলাহে**।

**শুই-হগা**—( খোদৰ নিচিনা, এলেহুৱা )—সেই **শুই-হগা** মানুহটো তুমি ৰাখি কি কৰিবা ? সি একোকে নকৰে।

**শুং-সুত্ৰে**—( আঁতি-গুৰি ; উদ্দেশ্য )—চোৰ কোন, তাৰ একো **শুং-সুত্ৰে** পোৱা নগ'ল।

**শুকান জেওৰা-খৰি**—( ৰস-পম নোহোৱা ; নিঃকিন )—সি **শুকান জেওৰা-খৰি** ; খাব-লবৰ লৎ-জীপ নাই ; ক'ৰপৰা চান্দা দিব ?

**শুকান জেওৰাৰ ৰস উলিয়া**—( অসমৰ্থ লোকৰপৰাও কিছু আদায় কৰ )—চৌধুৰী ডাঙৰীয়াও এনে কথকী যে সেই ভিকহটোৰ নিচিনা **শুকান জেওৰাৰো ৰস উলিয়ালে** ; সিও এটকা চান্দা দিলে।

**শুকান বালি তিয়াব নোৱাৰ**—( নিজৰ সম্বল নাথাকিলে আনে সাময়িক সাহায্য কৰিও ভৰাবলৈ অক্ষম হ )—তোমাক সাহায্য কৰি আছোঁ যদিও, নিজে যদি অলপো উপাৰ্জন নকৰা, মই **শুকান বালি তিয়াব পাৰিম নে** ?

**শুদা মুখত মাখি নপৰ**—( পোৱা-খোৱাৰ আকৰ্ষণেহে বন্ধু চপাই আন )—

ইমানবোৰ কাম কোনে খাতিৰত কৰি দিব? এটা খাহী আনি খাৱল পাতা; **শুদা মুখত মাখি নপৰে।**

**শুদ্ধি-সবাহ**—(সন্তান ওপজাৰ পিছত অশৌচ ষোৱাৰ সমস্ত কথা সবাহ)—তেওঁৰ ল'ৰা ওপজাৰ কথা মই নাজানো; মোক **শুদ্ধি-সবাহলৈও** মতা নাই।

**শুব বা**—(কোনো বস্তুৰ মাজেদি লতা বাই বগাই যা)—কোমোৰাজোপা ঘৰলৈহে **শুব বাই** যাব লাগিছে।

**শূদ্ৰৰপৰাও বেদ শিক্**—(তলৰ শ্ৰেণীৰ লোকৰপৰাও জ্ঞান লাভ কৰ্)—জ্ঞান-পিপাসুসকলে **শূদ্ৰৰপৰাও বেদ শিকে।**

**শেওৰা ছুপতীয়া নৌহওঁতেই যখিনীয়ে বাহ ল**—(নিচেই কোমল বয়সতে কু-মতিয়ে লগ দি)—এই পিয়াহ-দাঁত নসৰা ল'ৰাটোৱে মুখত কেনে কথা? **শেওৰা ছুপতীয়া নৌহওঁতেই যখিনীয়ে বাহ ললেহি।**

**শেতেলি ভাঙি খা**—(কাম-সন নকৰি নিকৰ্মা হৈ থাক্)—গোৰাবী আছিল, ঘৰ-বনত অলপ সহজ পাম ক'ত,—**শেতেলি ভাঙি খাব** লাগিছে।

**শেনটো হৈ আহি ফেঁচাটো হৈ যা**—(কোনো কামলৈ বৰ আগ্ৰহেৰে আৰু বেগাই আহি তাক কৰিব নোৱাৰি লাজ-অপমানত মুখ ওলোৱাই উভতি যা)—কামটো পাৰিবা নে নোৱাৰা, ভাবি-চিন্তি চোৱাঁ। পাৰিম বুলি **শেনটো হৈ আহি** নোৱাৰিলে **ফেঁচাটো হৈ যাব** লাগিব; তেতিয়া কেনে হব?

**শেন মেলি বহ চা**—(এটাক মাৰিবলৈ আৰু এটাক জপাই দি তাকে চাই আনন্দ কৰ্)—ভায়েকৰ বিৰুদ্ধে ককায়েকক জপাই দি তুমি এতিয়া **শেন মেলি বহ চাইছা**; নহয় জানো?

**শেন যোৱা দি যা**—(বেগাই শেদি যা)—ল'ৰাটোক কোনে মাৰিলে বুলি মাকে **শেন যোৱা দি গ'ল।**

**শেনৰ এজাত**—(দুভঁজীয়া বা দুটা অৰ্থ থকা কথা)—**শেনৰ এজাত** বুলি কৈ সাৰিব নোৱাৰা, সন্দেহ গুচাই কথাটো ভাঙি কোৱাঁ।

**শেনৰ চকুৰে চা**-(বৰ তীব্ৰ দৃষ্টিৰে লক্ষ্য কৰ্)— শিক্ষকজনে পৰীক্ষাৰ্থীসকলক **শেনৰ চকুৰে চাই আছে।**

**শেৰ জোৰ**—(নীৰৱ দি শুই পৰ্)—মানুহে খেদি যোৱা দেখি চোৰটোৱে কুঁহিয়াৰণিত **শেৰ জুৰিলে।**

**শেৰ-পেট খা**—(পেট পেলাই দীঘল দি)—লেপৰ তলত বান্দৰটো **শেৰ-পেট খাই** শুই আছিল; পুলিচে সি শুই থকা বুলি ভাবিছিল।

**শেৰ খা**—(পেট পেলাই চুঁচৰি যা)—জোকটোৱে মাটিত **শেৰ খাই** যাব লাগিছে।

**শেৰ হ**—(কাতি হৈ বা দীঘল দি পৰ্)—সি আহি মোৰ ভৰিত **শেৰ হৈ** পৰিল।

**শেলুক খোঁটা দি**—(বৰ দনকৈ খা)—তুমি তামোল **শেলুক খোঁটা দি** থাকা; কিছু কমোৱা।

**শেলুকীয়া লাগ্**—(শেলুকৰ দৰে কোমল হ)—মোৰ বুঢ়া তামোলবোৰত **শেলুকীয়া লাগিছে**, খাবলৈ বেয়া লাগে।

**শেষ ৰক্ষা মান ৰক্ষা**—(শেষটো ভাল হলেই কথমপি সন্মান ৰক্ষা পৰ্)—আগেয়ে যি হ'ল হ'ল; শেষ পৰীক্ষাটোত ভাল কৰিব পাৰিলে এটা উপায় হয়। **শেষ ৰক্ষা মান ৰক্ষা।**

**শেহাই-ফোঁপাই আহ্**—(কোনো বস্তু পাবৰ আশাৰে কোৰ লৈ আহ্)—**শেহাই-ফোঁপাই আহিছা** হয়, মই তোমাক আজি এটকাও দিব নোৱাৰোঁ।

**শোকোতা-পোহাৰীকো লাগ্**—(তেনেই নিচলা লোকৰো প্ৰয়োজন হ)—**শোকোতা-পোহাৰীকো** এদিন লাগে; সেই দেখি সকলোৰে প্ৰতি সহানুভূতিৰ চকুৰে চাবা।

**শোধ সোঁৱৰা**—(পূৰ্বৰ অপকাৰৰ প্ৰতিশোধ দি)—আজিৰ কথা মই মৰিলেও নাপাহৰোঁ, এদিন তোমাক **শোধ সোঁৱৰাম।**

**শোৱা-শেৰেলুৱা**—(শোষ ৰোগে ধৰাৰ দৰে নিস্তেজ)—ডেকা ল'ৰাটো এনে **শোৱা-শেৰেলুৱা** কিয়?

**শোৱন-খাৱন নহ**—(অলপো আজৰি নাপা)—এনে **শোৱন-খাৱন নোহোৱা** পৰিশ্ৰম কিমান দিন কৰিবা?

**শোহনি থাক্**—(আৰ্থিক দুৰৱস্থা যদিও পূৰ্বৰ বৰলোকালি দেখাকৈ থাক্)—আগৰ অৱস্থা নাই, তথাপি বুঢ়াৰ **শোহনি আছে।**

**শ্ৰাদ্ধত মেকুৰী বান্ধ্**—(নিৰৰ্থক পুৰণি প্ৰথা চলাই থাক্)—আজি-কালিৰ দিনত পাছ-বিয়া পতা আৰু **শ্ৰাদ্ধত মেকুৰী বন্ধা** একে; এইবোৰ এৰিবৰ সময় হ'ল।

**শ্ৰীমন্তৰ আপদ্ নহ**—(ভালৰ বেয়া ক'তো নহ)—তেওঁৰ ভাগ্যাকাশ প্ৰসন্ন হৈছে; এতিয়া কোনো কামেই তেওঁৰ বেয়া নহয়। **শ্ৰীমন্তৰ আপদ্ নাই।**

**শ্ৰীবৎসৰ পোৱা-মাছ**—( দুৰ্ভাগ্য হলে অসম্ভৱো সম্ভৱ হ )—তোমাৰ এতিয়া দুৰ্ভাগ্যৰ দিন ; নিজৰ সামান্য সা-সম্বল আছে, তাক বিশেষ সাৱধানে ৰক্ষা কৰিবা, যাতে **শ্ৰীবৎসৰ পোৱা-মাছৰ** দৰে হাতৰপৰা পিছলি নাযায়।

## ষ

**ষাঁড় মেল্**—( উদ্ভণ্ডালি কৰিবলৈ শাসনৰ বান্ধ ঢিলাই দি )—বাজহুৱা কামটোৰ ভাৰ দি গঞাই তইঁতক **ষাঁড় মেলি** দিয়া নাই।

## স

**সংসাৰ কৰ্**—( ঘৰ গৃহস্থালি কৰ্ )—ৰজাই ভাবিলে, কোঁৱৰে **সংসাৰ কৰিলে** মনৰ এই ভাৱ আঁতৰিব।

**সংসাৰী হ**—'সংসাৰ কৰ্' চোৱা।

**সংহৰি ক**—( ভাঙি-পিটি ক ; নিশ্চয়কৈ ক )—ঘটনাৰ আঁতি-গুৰি কোনে **সংহৰি কব** পাৰে ?

**সঁচাৰ-কাঠী**—( চাবি )—**সঁচাৰ-কাঠী** নহলে তলাৰে কি কৰিম ?

**সঁচাৰ কাষলৈ নাযা**—( অলপো সঁচা কথা নক )—এই ল'ৰাটোৱে কোনো কথাতে **সঁচাৰ কাষলৈ নাযায়**।

**সঁচা-সঁচি**—( যথাৰ্থতে )—**সঁচা-সঁচি** কৈছোঁ, পৰীক্ষাত মই ফেল হৈছোঁ।

**সঁচি কৰি**—( সঁচাসঁচিকৈ ; আচলতে )—বাৰীত **সঁচি কৰি** কিমান বাঁহ শুকাই পঁচি যাব লাগিছে ; এটা ভাল বাঁহ আনি তাৰে পাচি-খৰাহি নকৰি এইটো কেনে বাঁহ কাটিলা ?

**সঁচি-ধন**—( নগদ ধন ; সাঁচি থোৱা ধন )—তেওঁৰ অহবোৰ **সঁচি-ধন** পুতেকে কি কৰিলে ?

**সঁজাত পা**—( বিশ্বাস পা )—নতুন চাকৰটো কেনে, তাৰ এতিয়াও **সঁজাত পোৱা** নাই।

**সঁজাত বুজ**—( বিশ্বাসৰ পাত্ৰ হয় নে নহয়, প্ৰমাণ চা )—তাৰ **সঁজাত বুজিবলৈহে** গাৰুৰ তলত টকাখিনি থৈছিলোঁ।

**সঁজাল ধৰ**—( ঠন ধৰ—নতুনকৈ ৰোৱা উদ্ভিদত খাটে )—আমাৰ ৰোৱাবোৰে **সঁজাল ধৰিছে।**

**সঁতা ধৰ**—( একেবাহে ৰবৰুণ হৈ থাক্ )—ৰবৰুণ নেৰাই হ'ল ; **সঁতা ধৰিলে।**

**সঁপি দি**—( কাৰো দায়িত্বৰ ভাৰ আনক গতাই দি )—ল'ৰাটো আপোনাক **সঁপি দিলোঁ,** আপুনি তাক নিজৰ ল'ৰাৰ দৰে ৰাখিব।

**সঁফুৰি-আম**—( মধুৰি-আম )—শাওণ-ভাদত **সঁফুৰি-আম** পকে।

**সঁফুৰি-কঠাল**—( মাটি-কঠাল )—তেজপুৰৰ **সঁফুৰি-কঠাল** বৰ সোৱাদ।

**সইত খা**—( শপত খা )—তাক নামাতোঁ বুলি মই **সইত খাইছোঁ।**

**সকীয়াই থ**—( ভবিষ্যতলৈ কোনো কথা সাক্ষী কৰি বা ডঢ়াই কৈ থ )—চৰকাৰৰ এই আঁচনি কাৰ্যকৰী হোৱা নাই, আমি এই কথা বাইজক **সকীয়াই থলোঁ।**

**সখি কৰ** ( বা **বান্ধ** )—( কোনো লগত সখি-সম্বন্ধ কৰ্ )—আমি দুয়ো সৰুতে **সখি বান্ধিছিলোঁ।**

**সঙ্গতি লাগ**—( যোগাৰ হ )—ল'ৰাটোলৈ ছোৱালীৰ **সঙ্গতি লগা** নাই ; বিয়া পাতা ক'ত ?

**সচং ল**—( মহাপুৰুষীয়া ধৰ্মলৈ ভকত হ )—চাকৰি এৰি তেওঁ **সচং লৈছে।**

**সজ হ**—( অভ্যাস হ )—নতুনকৈ পাগুৰি মাৰিছে হয়, এতিয়াও তেওঁৰ **সজ হোৱা** নাই।

**সজাই-পৰাই**—( পিন্ধাই-উৰাই )—মাকে ছোৱালীজনীক **সজাই-পৰাই** শহুৰিয়ৈ পঠালে।

**সজে-সজে**—( ভালে থাকোঁতেই, অশুচি নোহওঁতেই )—**সজে-সজে** নামটো পতাই ভাল হব।

**সঠং জোৰ**—( হাত-ভৰি এৰি মৰাৰ দৰে পৰি থাক্ ; মৰাৰ ভাও জোৰ্ )—শিয়ালটো **সঠং জুৰি** পৰিল ; মানুহ আঁতৰি যোৱাত উঠি লৰ দিলে।

**সঠং দি**—( অৱশ হৈ হাত-ভৰি এৰি পৰ্ )—একালে দিনটো একো খোৱা নাই ; আৰ কালে কুৰি মাইল বাট খোজ কাঢ়ি আহিছে ; সেই দেখি এতিয়া সি **সঠং দিছে।**

**সণ্ডল-মণ্ডল কৰ্** (বা পা)—(চুৰা-ভাল সমান কৰ্)—তইত ইয়াৰপৰা গুচ্, **সণ্ডল-মণ্ডল** নকৰিবি।

**সৎকাৰ কৰ** -(১। সন্মান কৰ। ২। অন্ত্যেষ্টি কাৰ্য কৰ্)—১। গুৰুজনক যথাযোগ্য **সৎকাৰ কৰিবা**। ২। গঙ্গাৰ ঘাটত শ'টোৰ **সৎকাৰ কৰা** হ'ল।

**সৎকাৰ দি**—(১। মাননীয় লোকক সন্মান কৰি কাপোৰ আদি দি। ২। অপমানিত কৰ্)—১। বিয়াৰ শেষত দ'ৰাই মাননীয়সকলক **সৎকাৰ দিলে**। ২। মই চাইহে আছোঁ, মুখ মেলিব লাগিলে মেলেকিইতক ভালকৈ **সৎকাৰ দিম**।

**সত্ যা**—(প্ৰবৃত্তি হ)—তাৰ অন্যায় কৰিবলৈ মোৰ **সত্ নাযায়**।

**সত্ সৰ্বস্ব**—(সা-সম্পত্তি)—**সত্-সৰ্বস্ব** লৈ ছোৱালীজনী মাকৰ ঘৰলৈ আহিল।

**সতৰ-নতৰ কৰ্**—(সঙ্গত অসঙ্গত নানা উপায়েৰে কোনো কাৰ্য সিদ্ধ কৰ)—বুঢ়ীয়ে **সতৰ নতৰ কৰি** এটা বাইজ-নামৰ যোগাৰ কৰিলে।

**সতিনীৰহীয়া পৈ**—(কেবাজনী যৈণীয়েকৰ মৰম পোৱা স্বামী)—দুজনী যৈণীয়েকক লৈ সি **সতিনীৰহীয়া পৈ** হৈ সুখেৰে দিন কটাইছে।

**সতি-সন্ততি** (বা **সন্তান**)—(পো-জী, ল'ৰা-ছোৱালী)—তেওঁলোকৰ **সতি-সন্ততি** নাই, সেই দেখি সকলো সম্পত্তি স্কুললৈ দান কৰিলে।

**সতী-দাহ** (মৃত স্বামীৰে সৈতে যৈণীয়েকে স্ব-ইচ্ছাৰে পুৰি মৰা প্ৰথা)—লৰ্ড বেণ্টিকে **সতী-দাহ** প্ৰথা উঠাই দিছিল।

**সতী যা**—(মৃত স্বামীৰ চিতাত পুৰি মৰ্)—আগৰ একালত ভাৰতত **সতী যোৱা** প্ৰথা আছিল।

**সত্যনাৰায়ণৰ ভতিজা**—(অতিশয় সত্যবাদী মানুহ—বিদ্ৰূপাৰ্থত)—তেওঁ **সত্য-নাৰায়ণৰ ভতিজাক**,—কেতিয়াও মিছা নকয়, সঁচাৰ কাষলৈকেও নাযায়।

**সত্ৰ একৰা**—(দেশান্তৰ কৰ; নিজৰ ঠাই এৰিবলৈ বাধ্য কৰ্)—সি বৰ অথাইতং মানুহ; সেই দেখি ৰাইজে তাক **সত্ৰ একৰালে**।

**সথা থ**—(দেৱতাৰ পূজালৈ প্ৰতিশ্ৰুতি স্বৰূপে ধন-সোণ আদি আঁতুৰাই থ)—গা ভাল হ'লে পূজা কৰিবা।

**সথাৰ টৈমি**—(নামতহে, কোনো কামৰ যোগ্য নহয়, এনে মানুহ)—সি **সথাৰ টৈমি**,—শাৰী পূৰাবলৈ আহিছে, একো কৰিব নোৱাৰে।

**সন্ধ-কৰ**—(১। ঘৰ ছোৱা খেৰৰ ওপৰত লগোৱা কৰ। ২। খেৰ ইকৰা আদি থকা

ভূ-সম্পত্তি )—১। এইবাৰ চৰকাৰে **সম-কৰ** ৰেহাই দিব, গতিকে ঘৰ হোৱা খেৰ সস্তাত পোৱা যাব পাৰে। ২। **সম-কৰ** হিচাপে তেওঁৰ বহুত মাটি আছে।

**সজিৱ বাঁহ বুদ্ধিৰে কাট্**—( অতিশয় টান কাম কৌশলেৰে কৰ্ )—এই কাম যেনে তেনেকৈ কৰিবা কেনেকৈ ? **সজিৱ বাঁহ বুদ্ধিৰেহে কাটিব** পাৰি।

**সৰাহৰ কল**—( খুজিলেই পোৱা, অলপীয়া মূল্যৰ বস্তু )—কিতাপবোৰ **সৰাহৰ কল** পাইছা নেকি যে যেয়ে ইচ্ছা কৰা, লৈ যাবা ?

**সভা-শুৱনি**—( বৰ ধুনীয়া বা দেখনিয়াৰ )—শ্ৰীতালুকদাৰ বৰ **সভা-শুৱনি** পুৰুষ ; হেজাৰৰ মাজত থাকিলেও তেওঁৰ ওপৰতহে সকলোৰে চকু পৰে।

**সময় থাকোঁতে নাম ল**—( বিপদ নৌহওঁতেই উদ্ধাৰৰ উপায় চিন্তা কৰ্ )—বাৰিষা আহিল ; ঘৰ-দুৱাৰবোৰ মেৰামত কৰোৱা ; **সময় থাকোঁতে আম লবলৈ** পাহৰা কিয় ?

**সময়ৰ এক শৰ, অসময়ৰ দহ**—( সময়ৰ কাম সময়ত কৰি অনৰ্থক দহ গুণ ভৰণিৰ পৰা সাৰ্ )—**সময়ৰ এক সৰ, অসময়ৰ দহ**। খৰালিতে বাৰিষাৰ বাবে ধান কিনি লোৱা ; বাৰিষা দুগুণ দাম দিও ধান পোৱা টান হব।

**সময়ৰ শৰ**—( সময়ৰ উপযোগী কাৰ্য )—**সময়ৰ শৰ** বুজে যেয়ে, তেওঁহে কৃতকাৰ্য হব পাৰে।

**সময়ৰ শৰ সময়ত মাৰ্**—( উপযুক্ত সময়ত উপযোগী কাম কৰ্ )—তেওঁ **সময়ৰ শৰ সময়ত মাৰে**, সেইদেখি সকলো কামতে সিদ্ধহস্ত।

**সমানে সমানে কাম কৰ্**—( সমান যোগ্যতা থকা লোকৰ লগত লেন-দেন বা মিতিৰালি কৰ্ )—**সমানে সমানে কৰিবা কাম**, হাৰিলে জিকিলে নাই লাজ।

**সমাৰ বা**—( মাটিত দ্বিতীয় বাৰ হাল বা )—এতিয়া **সমাৰ বাই** থৈ দিয়া, বনবোৰ পঁচি উঠক।

**সমাৰ মাৰ্ ( বা মৈয়া )**—( সকলো সমান কৰ্ ; চুৰা-ভাল সমান কৰ্ )—সবাইতে চুৰা-গজা কৰি গাজি-প্ৰসাদ **সমাৰ মাৰিলে**।

**সমিল-মিল কৰ্**—( মিলা-প্ৰীতি কৰ্ )—সিহঁতৰ কাজিয়া ভাঙি **সমিল-মিল কৰি** দিয়া।

**সমুখ ( বা সন্মুখ ) সমৰ**—১। সমুখা-সমুখি যুঁজ। ২। মুখামুখি অৱস্থা )—১। **সমুখ-**

সমৰত যুঁজি আমাৰ সৈন্যসকলে শত্ৰুপক্ষক বহু কটা দিলে। ২। এইবোৰ কথাৰ সিদ্ধান্ত আগেয়ে কৰিব নোৱাৰি; সন্মুখ-সমৰত যি হয় হব।

**সম্পদতহে ভাই ভনী**—( সম্পদৰ সময়তহে কৰা মিত্ৰিতালি )—**সম্পদত ভাই-ভনী** বহুতো পোৱা যায়; বিপদত কাৰ কোন, তেতিয়াহে বুজিব পাৰি।

**সম্পদীয়া পাৰ**—( সম্পদৰ বন্ধু )- **সম্পদীয়া পাৰ** বহুত পাবা; কিন্তু বিপদত কেইজনে ওচৰ চাপে ?

**সৰত কাণ দি**—( কথা নুশুনি বাটলৈ কাণ দি; নুশুনা ভাও জোৰ্ ) - মই ইয়াৰ বুজালোঁ, কিন্তু তাই **সৰত কাণ দিলে**; মোৰ বাধা নামানি গুচি গ'ল।

**সৰ ফাল্** ( বা **ভাঙ্** )—( শস্য বা হাবি কাটি পটি উলিয়া )—পকা ধানৰ মাজেদি যে কোনে কিমান **সৰ ফালিছে**, দেখিলেহে বুজিবা।

**সবৰ-জান**--( ভূত-ভবিষ্যত আদি সকলো বিষয়ে জনা মানুহ )—বলবাৰীত তেতিয়া এজন **সবৰ-জান** ওলাইছিল; তেওঁ হেনো সকলো মানুহৰে ভূত-ভবিষ্যতৰ কথা কব পাৰিছিল।

**সবৰ-ন**—( একেবাৰে নতুন )—এবীয়া কাপোৰখন **সবৰ-ন**, দামো বৰ কম।

**সবৰ-বহী**—( সকলোৰে প্ৰিয় )—তেওঁৰ দৰে **সবৰ-বহী** লোক আমাৰ ইয়াত কোনো নাই।

**সৰা কাঁচিদি নাক কাট্**—( ৰবকৈ লাজ দি বা অপমানিত কৰ্ )—সেই কাম কৰা বাবে তাক সকলোৰে **সৰা কাঁচিদি নাক কাটিলে**, তেও তাৰ লাজ নাই।

**সৰা-পোঁচা কৰ্**—( বাঢ়নী আদিৰে সাৰি, মাটিৰে লিপি পৰিষ্কাৰ কৰ্ )—ঠাইডোখৰ চাচি-চুকবি কেবাদিনো **সৰা-পোঁচা কৰা**; তেতিয়াহে মানুহ বহুৱাব পাৰিবা।

**সৰাল দি**—( পুৰণি পাখি বা শিং সৰি নতুনকৈ গজ্ )—পাৰটোৱে এতিয়া পাখি **সৰাল দিছে**।

**সৰি কৰ্**—( ১। চিজিল বা শৃঙ্খলাবদ্ধ কৰ্। সংযত কৰ্ )—১। খৰিবোৰ **সৰি কৰি** চাঙত থোৱা। ২। ল'ৰাটোক এতিয়াই **সৰি নকৰিলে** নহৈছে।

**সৰিয়হত ভূতে ধৰ্**—( নিপুণ লোকো ভুল হ )—**সৰিয়হতো ভূতে ধৰে**; ওস্তাৰ নাকতো ধৰে খাস্; তেওঁৰ দৰে পাৰদৰ্শী লোকেও সিদিনা সেই সৰু কথাটোতে ভুল কৈ গ'ল।

**সৰিয়হৰ জনম লৈ বেটেৰিৰ চেপাৰে ভয় নকৰ্**—( নিৰূপিত কামলৈ ভয় নকৰ্ )—চহাৰ ঘৰত উপজি খেতিয়কৰ কষ্টলৈ নাভাবো; **সৰিয়হৰ জনম লৈ বেটেৰিৰ চেপাৰে ভয় কৰিলে** কি হব?

**সৰিয়া-সৰি কৰ্**—( ১। সমান কৰ্। ২। ঘন-পাতল মাৰ্ )—১। মাটি ডোখৰ **সৰিয়া-সৰি কৰি** লৈহে পুলি ৰুবা। ২। তোমালোকে অলপ **সৰিয়া-সৰি কৰি** বহাচোন; ইয়াতে আৰু কেজনমানে বহিব পাৰিব।

**সৰি হ**—( ১। শৃংখলাবদ্ধ হ। ২। শাসন পাই সংযত হ )—১। খৰিবোৰ কেনেকৈ থলা? **সৰি নহ'ল**। ২। সিদিনা পিটনি দিয়াতহে সি অলপ **সৰি হৈছে**।

**সৰু-জন**—( কোনো বিষয় থাকলৈ বৰ্তমানৰ পিছৰ জন )—বুঢ়া অধিকাৰ আছে; **সৰু-জনে** এতিয়া কাশীত বেদ পঢ়িছে।

**সৰুতে সাপে খালে ডাঙৰত কেঁচুলৈও ভয় হ**—( এবাৰ ডাঙৰ বিপদত পৰিলে পিছত কল্পিত বিপদতে ভয় পা )—বৰ উখৰ দিন; জুই-ছাইলৈ চাবা। মোক **সৰুতে সাপে খাইছিল**; সেই বাবে **ডাঙৰত** এতিয়া **কেঁচুলৈও ভয় লাগে**।

**সৰু-ধন**—( ভঙনীয়া )—মোক দহ টকাৰ **সৰু-ধন** লাগে।

**সৰু মাৰত বৰ ভৰা দি**—( সামৰ্থৰ নোৱৰা দায়িত্ব দি )—আপোনালোকে **সৰু মাৰত বৰ ভৰা দিলে**; পিছে মোৰ দৰে নাৰ্‌পেনীয়া মানুহে পাৰিম জানো?

**সৰু-পানী হো**—( প্ৰস্ৰাৱ কৰ্ )—তেওঁ এতিয়াই আহিব, **সৰু-পানী** ছুৰলৈ গৈছে।

**সৰু ভাই-শহুৰ দেখি মূৰত কাপোৰ নল**—( সৰু বুলি উপেক্ষা কৰ্ )—তেওঁক চুটি-চাপৰ দেখি উপেক্ষা নকৰিবা; **সৰু ভাই-শহুৰেকক দেখি** কোনে বাৰু মূৰত কাপোৰ নলয়?

**সৰু-সূতা কাট্**—( মিহি বা টান বস্ত কৰ্ )—এনেকৈ সদায় **সৰু-সূতা কাটি** তেওঁ এইবোৰ কামত পাকৈত হৈ উঠিছে।

**সৰু-সূতাৰ তাঁত ব**—'সৰু-সূতা কাট্' চোৱা।

**সৰু হৈ সৰক্**—( সেও হৈ বিপদৰপৰা উদ্ধাৰ পা )—বুদ্ধিমান মানুহে সদায় **সৰু হৈ সৰকে**, কাৰণ ডাঙৰ হৈ থাকিলে বিপদে হেঁচি ধৰে।

**সৰ্ব-চাক**—( সকলোকে আগুৰি ধৰা ; সকলোৱে প্ৰতিকাৰ কৰা )—মই **সৰ্ব-চাক** মন্ত্ৰইদি পানী জাৰি দিম ; তোমাৰ অসুখ ভাল হৈ যাব।

**সৰ্ব-সন্মতিক্ৰমে**—( সকলোৱে মত অনুসাৰে )— **সৰ্ব-সন্মতিক্ৰমে** তেওঁক সভাপতি পতা হ'ল।

**সৰ্বে-সৰ্বা**—( সকলো বিষয়ত প্ৰধান )—এই ঠাইত তেওঁ **সৰ্বে-সৰ্বা** ; তেওঁৰ ওপৰত মাতোঁতা কোনো নাই।

**সলি-মাটি**—( হাল-কোৰ মাৰি চাহ কৰা মাটি )—টকা পৰিশোধ কৰিলেও **সলি-মাটি-ডোখৰ** মই এই বাৰৰ চহ দুটাকৈ এৰি দিব নোৱাৰোঁ।

**সলি-সিয়ান**— ( বৰ টেঙৰ )— সি যেনে সলি-সিয়ান, তোমালোকৰ ফন্দী সহজে বুজি পাব।

**সস্তাত পা**—( ১। কম দামত পা। ২। অনায়াসে পা )—১। **সস্তাত পাই** মাছটো আনিলোঁ। ২। বাঁহ লাগিলেই মই দিব লাগে ; মোৰ বাঁহ **সস্তাত পাইছ**, নহয় ?

**সস্তাৰ তিন অৱস্থা**—( সস্তাত কৰিবলৈ বিচাৰোঁতে অধিক ক্ষতিগ্ৰস্ত হ )—সস্তাত কামটো কৰিবলৈ গৈ দুগুণৰো বেছি ভৰণি হ'ল ; **সস্তাৰ** সদায় **তিন অৱস্থা**।

**সহস্ৰ-গাঁঠি**—( বহুত গাঁঠি থকা অৰ্থাৎ ঘৰ )—**সহস্ৰ-গাঁঠিৰ** তলত থাকি মই মিছা কথা কব নোৱাৰোঁ।

**সাউত্ কৰে**—( বেগাই ; একে চোচাই ) —তাৰ নাম উলিয়াওঁতেই সি **সাউত্ কৰে** গুচি গ'ল

**সাউদ সদাগৰ নহ**—( অতুল ধনসম্পত্তিৰ গৰাকী নহ )—আমি ইমান খৰচ কেনেকৈ কৰিম ? আমিতো **সাউদ-সদাগৰ নহওঁ** যে হেজাৰে হেজাৰে টকা ভাঙিব পাৰোঁ।

**সাং হ**—( অন্ত পৰ্ )—আমাৰ কাম **সাং হ'ল** ; এতিয়া যাওঁ বলা।

**সাঁচক-পিটে লগাই দি**—( নিৰ্ভুল প্ৰমাণ দি সঁচা বুলি প্ৰতিপন্ন কৰ্ )—সি কেনেকৈ ক'বপৰা কেইটা কল খালে, সক ছোৱালীজনীয়ে **সাঁচক-পিটে লগাই দিলে**।

**সাঁচত-বৰা**—( বৰ ধুনীয়া )—ল'ৰাটোৰ মুখখন **সাঁচত-বৰা** যেন ; চাই থাকিবলৈ মন যায়।

**সাঁচনৰ ধন কাছুমত যা**—(বৰ যত্নেৰে জমাই থোৱা বস্তুৰ অপব্যয় হ)—বুঢ়াই মাথাই ধন সাঁচিছিল, পুতেকৰ হাতত **সাঁচনৰ ধন কাছুমত গ'ল**।

**সাঁচি-ধন পঁচি যা**—'সাঁচনৰ ধন কাছুমত যা' চোৱাঁ। কলকেইটা মাথাই পূজালৈ থলোঁ, ৰাতি জিনাৰে খাই শেষ কৰিলে। **সাঁচি-ধন পঁচি গ'ল**।

**সাঁচে-কাটে**—(অলপো পৰিৱৰ্তন বা গঢ়-মিল নোহোৱাকৈ)—ছোৱালীজনীয়ে সকলো কথা কৈ **সাঁচে-কাটে** দেখুৱাই দিলে, সি ক'ৰপৰা কেনেকৈ টকা নিছিল।

**সাঁজ কৰা**—(এসাঁজ খাবলৈ দি)—মাগনী বুঢ়ীজনীক **এসাঁজ কৰাই** দুটা টকা দিলোঁ।

**সাঁজ গঢ়**—(সাঁজ লাগি কিছু পৰ যা)—তেওঁ যেতিয়া আহি পালে, তেতিয়া **সাঁজ গঢ়ি** গৈছে।

**সাঁতুৰিব নাজানিলে বাপে খন্দা খালতে ডুবি মৰ**—(চলাই মিলাই ভোগ কৰিব নাজানিলে নিজৰ বস্তুৰে নিজে ক্ষতিগ্ৰস্ত হ)—বাথানৰ এপাল ম'হৰ মাজত জীৱনটো সুখেৰে থাকি বুঢ়া মৰিল; পুতেকক আকৌ বাপেকৰ আটাইতকৈ মৰমৰ ম'হজনীয়েই খুঁচি মাৰিলে। **সাঁতুৰিব নাজানিলে বাপেকে খন্দা খালতে** পুতেক **ডুবি মৰিব** পাৰে।

**সাঁৰিয়া মাত**—(কামত সহায় কৰিবলৈ মাত)—কাকো **সাঁৰিয়া মামাতোঁ**, অকলেই কৰিম।

**সাখী (বা সাক্ষী) গোপাল**—(কোনো কামত সাধন নোহোৱা, অথচ কাম কৰিবলৈ অহা মানুহ)—তুমি **সাখী-গোপাল** হৈ শাৰী পুৰাই থাকিব নালাগে, গুচি যোৱা।

**সাখীয়ে চাবুকে**—(পলে-প্ৰমাণে)—**সাখীয়ে চাবুকে** বাইজে প্ৰমাণ কৰি দিলে যে সন্ন্যাসীটো কেৱাৰ আচামী।

**সাগৰক নগৰ নগৰক সাগৰ কৰ**—(বহুত আচৰিত আৰু অবাস্তৱ দীঘলীয়া কথা ক)—তেওঁ কথা কব ধৰিলে কেনেকৈ উঠি আহিবা? কিমান যে **সাগৰক নগৰ নগৰক সাগৰ কৰে**!

**সাগৰত কাঠি-জাল মাৰ**—(ডাঙৰ কাৰ্যত নগণ্য চেষ্টা কৰ)—এই কাৰ্যত মোৰ চেষ্টাটো **সাগৰত কাঠি-জাল মৰাহে হব**; তথাপি যথাসাধ্যে কৰিম।

**সাগৰে তিতাৰ চুৰ নকৰ**—(মহৎ লোকে সামান্য অপৰাধৰ কাম নকৰ)—

তোমাৰ দৰে মৰা মাখিক তেওঁ কেতিয়াও নামাৰে, সাগৰে তিতাৰ চুৰ কৰি অপযশ নলয়।

**সাঙীত নলবা**—(গুৰুত্বপূৰ্ণ; মূল্যবান)—ল'ৰা হলেও, তেওঁ **সাঙীত নলবা** কথা কয়।

**সাঙীয়ে-পাচিয়ে**—(বহুত পৰিমাণে, অপৰ্যাপ্তভাবে)—মই সেনু টেঙা এটাকে খুজিছোঁ, কিবা **সাঙীয়ে পাচিয়ে** দিম নে?

**সাঙীৰ ভাৰ ডিঙিত আঁৰ্**—(বৰ নোৱৰা বৰ ভাৰৰ দায়িত্ব ল)—কামটো যদি অকলে কৰিব নোৱাৰা, **সাঙীৰ ভাৰ ডিঙিত আঁৰিবলৈ** তোমাক কোনে বধ দিছিল?

**সাঙোৰত ডিঙি ছিঙ্**—(আনৰ লগত কাম কৰিবলৈ গৈ বিপদত পৰ)—তোমাক লগত লৈ আহি **সাঙোৰত ডিঙি ছিঙিব** লগীয়াহে হ'ল; তোমাৰ গাৰীভাড়া, বাট-খৰচ,--এইবোৰ মই ক'ৰপৰা দিম?

**সাঙোৰ পিট্** (কাৰো লগত ক'ৰবালৈ ওলা)—মই কেনেকৈ যাম? যাওঁ বুলিলেই ইহঁত **সাঙোৰ পিটি** ওলায়।

**সাজ চাই চাপৰি বা**—(লাভলৈ লক্ষ্য কৰি কাম কৰ্)—মানুহে **সাজ চাইহে চাপৰি বায়**; ইয়াত বেছি মাছ নাই যেন দেখি পানী সিঁচিবলৈ হেলা হৈছে।

**সাজ হলে দেউৰী লাগ্**—(ধন হলেহে খৰচ কৰিবলৈ পৰাকীৰ প্ৰয়োজন হ)—**সাজ হলেহে দেউৰী লাগে**; যাৰ ধন নাই, তাৰ পক্ষে উদাৰতা দেখুৱাৰ সুযোগ ক'ত?

**সাজি-কাচি ওলালে বান্দৰীও সুন্দৰী হ**—(কুৎসিত লোকেও পিন্ধন-উৰণ ভালকৈ কৰি দেখনিয়াৰ হ)—বিয়াৰ বৰ, ধুনীয়া দেখিবাই; **সাজি-কাচি ওলালে বান্দৰীও সুন্দৰী হয়।**

**সাজি-সখি**—(এসাজ কাপোৰ দি নোৱাই-ধুৱাই কৰা সখি)—'নবোৱা দেখিব **সাজি-সখি** চামগুৰীয়া মেখি।'

**সাত কালৰ চেং**—(বহুত অভিজ্ঞতা থকা বৰ সিয়ান মানুহ)—মিঠা কথাৰে তেওঁৰপৰা টকা উলিয়াবা নে? তেওঁ যে **সাত কালৰ চেং**, তুমি নাজানিলেও আমি জানো।

**সাতখন গাঁৱলৈ যা**—(সকলো ঠাইতে প্ৰচাৰ হ)—তোৰ দুৰ্নাম **সাতখন গাঁৱলৈ গৈছে।**

**সাতখন পৰগণা মাৰ্**—(কোনো উদ্দেশ্যে বহুত ঠাইত ঘূৰি ফুৰ্)—গাইজনী বিচাৰি **সাতখন পৰগণা মাৰিলোঁ**, ক'তো নাপালোঁ।

**সাত খলপীয়া সক**—(বহুত সক)—চোলাটো ভালৈ **সাত খলপীয়া সক**; এটা ডাঙৰ চাই আনিবা।

**সাত গণ্ডা নাম দি**—(নানা প্ৰকাৰে অপমানসূচক কথা ক)—মই তাক ব্ৰহ্ম-ভোজন পতাৰ দিহা দিলোঁ; সি ব্ৰহ্ম-ভোজনৰ **সাত গণ্ডা নাম দিলে।**

**সাত ঘাটৰ চেঙেলী** (বা **মাৰৱীয়া**)—(বৰ টেঙৰ মানুহ)—সি **সাত ঘাটৰ চেঙেলী**; তাক তুমি জব্দ কৰিবা কেনেকৈ?

**সাত ঘাটৰ পানী খা**—(নানা ঠাইত ঠেকি বৰ টেঙৰালি শিক্)—সি **সাত ঘাটৰ পানী খাই** আমাৰ গাঁৱত সোমাইছে; আমাকো পানী খুৱাইছে এতিয়া।

**সাত-চাৰ**—(বহুত গুণে বেছি)—তোমাৰ কষ্ট মোতকৈও **সাত-চাৰ** হৈছে; মই ইমান সহিব নোৱাৰিলোহেঁতেন।

**সাত চেউৰীৰ লব্**—(বৰ ডাঙৰ লৰ)—**সাত চেউৰীৰ লৰ** দি শিয়ালটো হাবিত সোমাল।

**সাত-জুতলীয়া**—(ভালেমান; বহুতখিনি)—বাকচটো **সাত-জুতলীয়া** সৰু, এটা সলাই আনা।

**সাত ঠাই বাগৰ্**—(১। বহুত ঠাইৰ মাজেদি আহ্। ২। বহুত ঠাই সলাই ফুৰ্)—
১। এইবোৰ আম **সাত ঠাই বাগৰি** আহিছে; নোখোৱাকৈ নাথাবা।
২। সি **সাত ঠাই বাগৰি** ফুৰা মানুহ; তাৰ কথাত সঁজাত নাই।

**সাত তৰপীয়া জেওৰা**—(কোনো কাৰ্যত ডাঙৰ তেটা)—কাম কৰোঁ বুলিলেই **সাত তৰপীয়া জেওৰা** পাৰ হ'ব লগীয়া হয়।

**সাত-পাঁচ গুণ্**—(ভালেমান কথা বিবেচনা কৰ্)—**সাত-পাঁচ গুণিহে** গলোঁ, যাবৰ ইচ্ছা নাছিল।

**সাত পাট কাঁড় মাৰিলেও**—(নানা প্ৰকাৰে অনিষ্ট কৰাৰ চেষ্টা কৰিলেও)—যেতিয়ালৈকে সত্যবাদী আৰু কৰ্ত্তব্যনিষ্ঠ হৈ থাকা, তেতিয়ালৈকে **সাত পাট কাঁড় মাৰিলেও** কেৱে তোমাৰ একো অনিষ্ট কৰিব নোৱাৰে।

**সাত পানী পিয়া**—(নানান ঘাটৰ দি থাক্)—শাহুৱেকে বোৱাৰীয়েকজনীক **সাত পানী পিয়াব** লাগিছে।

**সাত-পুৰুষীয়া শ্ৰাদ্ধ**—(নান্দীমুখ শ্ৰাদ্ধ)—বিয়াত **সাত-পুৰুষীয়া শ্ৰাদ্ধ** কৰিব লাগে।

**সাত বাৰী খেদ্**—(বহুত দূৰলৈ খেদি খেদি শাস্তি দিয়াৰ যত্ন কৰ্)—গাইজনী **সাত বাৰী খেদিও** ধৰিব নোৱাৰিলোঁ।

**সাত বিহুৰ নৈয়া কণী**—(বহুত দুখকষ্ট খাইও তিষ্ঠি থকা মানুহ)—তেওঁ **সাত বিহুৰ নৈয়া কণী**, এই দুখকষ্ট তেওঁৰ মানত একো নহয়।

**সাত হাতীৰ বল**—(অসাধাৰণ বল)—তাৰ গাত **সাত হাতীৰ বল** আছে, সি ধৰিলে গুচাই নেদিব।

**সাত ভাৰতৰ কথা ক**—(বহুত দীঘলীয়া কথা কৈ থাক্)—তেওঁ **সাত ভাৰতৰ কথা কবলৈ** ধৰিলে; আমাৰ কথাটো উলিয়াবলৈকে সুযোগ নাপালোঁ।

**সাত বজাৰ চাউল খা**—(বহুত দিন জীয়াই থাক্; বহুত অভিজ্ঞতা লাভ কৰ্)—১। বুঢ়া কম-দিনীয়া মানুহ নহয়; **সাত বজাৰ চাউল খাইছে**। ২। তেওঁ দেখাতহে একো নজনা যেন, আচলতে **সাত বজাৰ চাউল** খোৱা মানুহ।

**সাত বজাৰ চাউল চোবা**—'সাত ভাৰতৰ কথা ক' চোৱা।

**সাতৰি-সোণ**—(আপুৰুগীয়া, গতিকে অতি মৰমৰ বস্তু)—তোমাৰ **সাতৰি-সোণ** চাইকেলখন থাওক দিয়া; মই নুলিয়েই যাওঁ।

**সাত-শত্ৰু**—(পৰম শত্ৰু)—এই মাটিডৰা **সাত-শত্ৰুকতো** দিবলৈ কোৱা নাই, ককায়েৰক দিবলৈহে কৈছোঁ।

**সাত সমস্তৰ এক সমস্তও নহ**—(আৱশ্যকীয় নানাবিধ যোগাৰৰ এবিধো নহ)—**সাত সমস্তৰ এক সমস্তও নাই**, বিয়া পাতিবা কেনেকৈ?

**সাত-সৰী**—(ডিঙিত ওলোমাই পিন্ধা সাত লেৰাৰ হাৰ বা মণি—গতিকে বৰ মৰমৰ বস্তু বা মানুহ)—সৰু নাতিয়েকটো বুঢ়াৰ ডিঙিৰ **সাত-সৰী**, তাক তেওঁ চকুৰ আঁতৰ হবলৈকে নিদিয়ে।

**সাত সাগৰ তেৰ নৈ**—(বহুত দূৰ)—**সাত সাগৰ তেৰ নৈ** পাৰ হৈ ৰাজকোঁৱৰ আহিল।

**সাত সাগৰ পাৰ হৈ গৰু খোজৰ পানীত বুৰি মৰ্**—(বৰ ডাঙৰ বিপদ

বিষিণি পাৰ হৈ সামান্য বিপদতে জন বা ক্ষতিগ্রস্ত হ)—তুমি কত বিপদ্ আপদ্ পাৰ হৈ আহি এই সব কথাটোলৈ ভয় কৰিছা কিয় ? **সাত সাগৰ পাৰ হৈ গৰু-খোজৰ পানীত বুৰি মৰিবা জানো ?**

**সাত সাঞ্চি**—( অতি দুৰ্গম ঠাই )—কেতেকী ফুল **সাত সাঞ্চিৰ** বস্তু, আনিবা কেনেকৈ ?

**সাত হাঁকোটা মেলি আন্**—( বৰ যত্নেৰে সংগ্ৰহ কৰ্ )—**সাত হাঁকোটা মেলি** গাখীৰ টোপা **আনিলোঁ**, তাকো মেকুৰীয়েহে খালে নে ?

**সাত হাত বাগৰ**—( পুৰণি হ; গুণৰ লাখৰ হ )—**সাত হাত বাগৰা** চোলাটো এনেয়ে দিলেও মোক নালাগে।

**সাত হাল বোৱাইও এক হাল বোৱাক পতিয়হ কৰ**—( পতিয়হ= প্ৰত্যাশা। ডাঙৰেও সৰুক মানুহ বুলি গণ্য কৰ্ )—**সাত হাল বোৱাইও এক হাল বোৱাক পতিয়হ কৰে।** তুমি ধনী হ'লা বুলিয়েই সকলোকে ফুঁতে উৰাব খোজা কিয় ?

**সাত হাল মেঘে বৰষুণ দি**—( বৰ ডাঙৰ বৰষুণ হ )—সিদিনা ৰাতি যেন **সাত হাল মেঘেহে বৰষুণ দিছিল**; কলহৰ কাণে ঢালিছিল।

**সাতাম-পুৰুষীয়া**—( অতি পুৰণি )—এই মাটি আমাৰ **সাতাম-পুৰুষীয়া** সম্পত্তি, আজি আমাৰ নহয় বুলিলেই হব নে ?

**সাতাম পুৰুষক উদ্ধাৰ কৰ**—( ১। সাত-পুৰুষীয়া শৰাধ কৰ্। ২। সাত-পুৰুষক ধৰি গালি পাৰ্ )—১। তোমাৰ দেউতাৰাই আজি **সাতাম পুৰুষক উদ্ধাৰ কৰি** তোমাক ডেকাদেওৰ হাতত গতাই দিব। ২। ভালে ভালে কৈছোঁ, মনে মনে থাক; মুখ মেলিব লাগিলে বুঢ়ীয়ে তোৰ **সাতাম পুৰুষক উদ্ধাৰ কৰিব।**

**সাতি গুণা**—( সাত গুণে অৰ্থাৎ বহুত বেছিকৈ )—তই এক গুণা কৰিছ, মই তোক **সাতি গুণা** কৰিহে এৰিম।

**সাতে-পাঁচে ( বা সোতৰে )**—( বহুত কাৰণে )—**সাতে-পাঁচে** মোৰ যোৱা নহ'ল, বেজাৰ নাপাবা।

**সাতো দ্বীপ ফুৰ**—( বহুত ঠাইত ফুৰ্ )—মই **সাতো দ্বীপ ফুৰিও** ক'তো এনে কাণ্ড দেখা নাই।

**সাতো ভাইৰ বুৰ পকা, কেৱে কাকো কৰা মোৰোল**—( প্ৰত্যেকেই

অভিজ্ঞ আৰু জনা-বুজা বুলি দাবী কৰি কাৰো নেতৃত্ব স্বীকাৰ নকৰ্ )—ৰাজহুৱা কাম হ'লে বুলি সকলোৱে এজনৰ দিহা মতে চলিব লাগে; তেহে কাম হয়। কিন্তু, আমাৰ সাতো ভাইৰ ঘৰ পকা, কাকো কেৰে কৰা নোবোলে; গতিকে কামত আউল লাগিছে।

**সাতো সাগৰত স্নান কৰা**—( বহুত নির্যাতন দি )—মই তোক **সাতো সাগৰত স্নান কৰাইহে** এৰিম।

**সাতো হাতে খা**—( নানা ফালেদি উপাৰ্জন বা লাভ কৰ্ )—**সাতো হাতে খাবলৈ** চেষ্টা কৰিলে আউল লাগিবই; সেই দেখি যিখিনি চম্ভালিব পাৰা, তাকহে কৰা।

**সাদৰক নেওচ্**—( সৰম উপেক্ষা কৰ )—আজি মোৰ **সাদৰক নেওচি** যাব পা'ৰা; কিন্তু এদিন আকৌ কাষ চাপিব লাগিব।

**সাধি আহ্**—( পাবৰ যোগ্য হৈ ওপজ্ )—পূৰ্ব জন্মত **সাধি আহিলেহে** গুণী জ্ঞানী হব পাৰি।

**সাধু-কথা**—( ১। জ্ঞান, উপদেশ, আনন্দ আদি দিবলৈ সজা পুৰণি উপ-কথা। ২। মিছা অৰ্থাৎ কাল্পনিক গল্প )—১। সৰুকালি গধূলি আইতাই আমাক বহুতো মনোৰম **সাধু-কথা** কৈছিল। ২। সাথীজনে ৰাইজৰ আগত **সাধু-কথা** এটাহে কলে, ই কেতিয়াও সঁচা হব নোৱাৰে।

**সান-ঘেঁাকট কৰ্**—( ভালে-বেয়াই সান-মিহলি কৰ্ )—আলুপোৰ বাছি থৈছিলোঁ, **সান-ঘেঁাকট কৰিলে** কোনে?

**সান্দহ খোৱা বালি তল যা**—( সুচল নষ্ট হ )—দেউতাৰ মৃত্যুৰ পিছত পৰিয়ালটোৰ সকলোৱে **সান্দহ খোৱা বালি তল যোৱা** যেন অনুভৱ কৰিলে।

**সাপ মাৰি নেগুৰত বিষ এৰ্**—( কৰিব লগীয়া কামৰ সামান্য বাকী এৰ্ )—বৰ পৰিশ্ৰম কৰিছা; এতিয়া **সাপ মাৰি নেগুৰত বিষ এৰিব নালাগে**; এই সামান্যখিনি শেষ কৰ।

**সাপৰ ঠেং সাপেহে দেখ্**—( নিজে দুষ্ট-হোৱা বাবে আনৰ দুষ্টালি সহজে বুজ্ )—**সাপেহে সাপৰ ঠেং দেখে**; সি নিজে চোৰ; সেই দেখি আন চোৰকো সহজে ধৰিব পাৰে।

**সাপৰ নেজ ছিগা ধাৰ**—( বৰ কোবাল সোঁত )—এই **সাপৰ নেজ ছিগা ধাৰত** টুলুঙা নাৱেৰে কেনেকৈ পাৰ হবা?

**সাপৰ সৰু নহ**—(মাৰাত্মক অপকাৰ কৰিব পৰা কাকো সৰু বুলি তাচ্ছিল্য নকৰ্)—সামান্য হলেও সি তোমাৰ শত্ৰু; তাক উপেক্ষা নকৰিবা; **সাপৰ সৰু নাই**।

**সাপ হৈ খা, বৈদ হৈ জাৰ্**—(গোপনে শত্ৰুতা কৰি প্ৰকাশ্যে মিত্ৰভাৱ দেখুৱা)—তাক বিশ্বাস নকৰিবা; সি **সাপ হৈ খাব, বৈদ হৈ জাৰিব**।

**সাপেও তিনি বাৰ হুঁচ্**—(মহা শত্ৰুৱেও অনিষ্ট কৰাৰ আগতে শত্ৰুকতেৱে সতৰ্ক কৰি দি)—**সাপেও তিনি বাৰ** হুঁচে; তুমিও তাক খেদি দিয়াৰ আগতে দুই-এবাৰ সতৰ্ক কৰি দিয়া।

**সাপে কঁকালৰ কোৰ নাপাহৰ্**—(ক্ৰূৰ প্ৰকৃতিৰ লোকে পূৰ্বৰ অপকাৰৰ প্ৰতিশোধ লবলৈ চেলু চাই থাক)—**সাপে কঁকালৰ কোৰ নাপাহৰে**; সিও তোমাৰ ওপৰত প্ৰতিশোধ লবই; সতৰ্ক হৈ থাকিবা।

**সাপে খা কাপে খা**—(সাপে খোঁটাৰপৰা মাৰাত্মক অপকাৰ হোৱাৰ দৰে লিখা কথাৰদ্বাৰাও সদৃশ অপকাৰ সম্ভৱ হ)—**সাপে খায় আৰু কাপে খায়**; সেই দেখি কাপৰ শক্তিক উপেক্ষা নকৰিবা।

**সাপে লেখি খা**—(কপালৰ লিখন খণ্ডাব নোৱাৰ্)—**সাপে লেখি খায়**; সেই দেখি অদৃষ্টত থাকিলেহে সাপে খোঁটে বুলি মানুহে ভাবে।

**সাপো মাৰ্, লাঠিও নাভাঙ্**—(কোনো স্বাৰ্থহানি নোহোৱাকৈ ডাঙৰ কাৰ্য সাধন কৰ্)—তুমি টকাও খৰচ নকৰা, ইফালে মোকদ্দমাতো জিকিবই লাগে; **সাপো মাৰিব খোজা, লাঠিও নাভাঙা,**—দুয়োটা কেনেকৈ সম্ভৱ হয়?

**সাৱিত্ৰী পতিত হ**—(উপযুক্ত সময়ত লগুণ নিদিয়া বাবে শাস্ত্ৰমতে দণ্ডনীয় হ)—ল'ৰাটোক এই বাৰ লগুণ দিব নোৱাৰিলে **সাৱিত্ৰী পতিত হব**।

**সামলা (সামৰা) শিঙত ধুৰ জুমা**—(একবাৰ নোৱৰা বিপদত পৰ্)—এই কামটো লৈ **সামলা শিঙতহে ধুৰ জুমালোঁ**; এতিয়া এৰিলেও বিপদ, নেৰিলেও বিপদ।

**সাৰ কৰ্**—(মূল্যবান বিবেচনা কৰ্)— আপোনাৰ উপদেশ **সাৰ কৰি** কামত হাত দিলোঁ।

**সাৰ-গোবৰ নহ**—(পৰিপুষ্টি বা উন্নতিৰ সম্ভাৱনা নহ; মূল্যহীন হ)—১। **সাৰ-গোবৰ নহলে** খেতি হব কেনেকৈ? ২। পঢ়িলে কি হব? **সাৰ-গোবৰ থাকিলেহে** উপকাৰ হয়।

সাৰ-পবিত্ৰ নহ—(সাধো নহয়, শুচি কৰা শক্তিও নাই,—এনে ; সম্পূৰ্ণ গুণহীন)—সি কাম কৰে নহয়, এনে সাৰ-পবিত্ৰ নোহোৱা মানুহে কি হব ?

সাৰ পা—(১। টোপনিৰপৰা চেতনা পা। ২। উদ্ধাৰ পা)— ১। মোৰ টোপনি আহিছিল, তুমি মতাতহে সাৰ পালোঁ। ২। বাকিত্ত মাহুৰ সাৰ পালোঁ।

সাৰ ফুট—(গছৰ মাজৰ ভাগ সম্পূৰ্ণ পুৰঠ হৈ মবিয়ব বৰণ পা)—কঠালজোপাৰ সাৰ ফুটিছে ; কটাই তক্তা কৰোৱা।

সাৰ-সিকতি—(চেতনা ; তৎ)— যৰত সোমাই দেখিলোঁ, সকলোটি টোপনিত, সাৰ-সিকতি নাই।

সাৰ-সুৰকৈ— (সাৰ-শব্দ নোহোৱাকৈ)— ঘৰৰ ভিতৰত সাৰ-সুৰকৈ তুমি কি চাইছা ?

সান্ত-সমস্তকৈ—(সংক্ষেপে)—'শান্ত-সমস্তকৈ' চোৱা।

সাহম (বা সাহোম) ওঁটি যা—(মূল্যবান বাপতীয়া সম্পত্তি নষ্ট হ)—আজি মগনে তোমাৰ বাপো সাহমখন ওঁটি যাব ?

সাহে সিদ্ধি হ—(সাহসে কামত ধৰিলেহে কাৰ্য সম্পন্ন হ)-সাহেহে সিদ্ধি হয় ; বহি বহি চিন্তা কৰিবলৈ এৰি কামত ধৰা ; তুমিও কৃতকাৰ্য হবা।

সাক্ষী মান—(সাক্ষী হিচাপে মনোনীত কৰ)—মই দোষী নে নিৰ্দোষী তাকে কবলৈ আপোনাকে সাক্ষী মানিলোঁ।

সিংহ-দুৱাৰ—(সিংহৰ প্ৰতিমূৰ্তি থকা, ৰজা-হাউলীৰ আগ-দুৱাৰ)—তেতিয়াৰ দিনত কোচবেহাৰৰ সিংহ-দুৱাৰখন বৰ ধুনীয়া আছিল।

সিংহৰ এটা—(অকলশৰীয়া হলেও বিক্ৰমী মানুহ)—তেওঁ অকলেই সকলো ; সিংহৰ এটা, শিয়ালৰ জাক জাক।

সিংহৰ পেটত শিয়াল নোপজে—(মহৎ লোকৰ অন্তৰত নীচ ভাবে ঠাই নাপায়)—তেওঁ তোমাৰ বিৰোধী হলেও মহৎ ; মহৎ লোকে তোমাৰ দৰে কথা কাঢ়িব মাৰিবলৈ নাপাৰে ; সিংহৰ পেটত শিয়াল নোপজে।

সিংহৰ পোৱালি—(বিক্ৰমী লোকৰ সন্তান-সন্ততি)—তেওঁ তেনেকৈ দমন কিয় ? তেওঁ যে সিংহৰ পোৱালি।

সিজা শাকত লোণ দি—(হোৱা কামত হাত দি নাম কৰ)—আমি কামটো কৰিলোঁৱেই ; তুমি এতিয়া সিজা শাকত লোণ দিব নালাগে বোপা।

**সিদ্ধ-হস্ত**—(পাৰ্গত)—এইবোৰ কাম কৰাত পাঞ্জাবী মিস্ত্ৰীবিলাক **সিদ্ধ-হস্ত**।

**সিধা দি**—(ৰান্ধি খাবলৈ সকলো আৱশ্যকীয় খাদ্যবস্তু যতনাই দি)—তেওঁ আমাৰ পাগত থাকিব; গোসাঁই-ঘৰত তেওঁক এটা **সিধা** যোগাৰ কৰি **দিয়া**।

**সিন্দুৰ পৰিলেও ছুলিব পৰা**—(অতিশয় পৰিষ্কাৰ আৰু মিহি)—ঘৰৰ মজিয়া-খনকে চোৱাচোন, **সিন্দুৰ পৰিলেও ছুলিব পৰা** কৰি ৰাখিছে।

**সিন্ধি দি (বা সৰকা)**—(ঘৰৰ বেৰৰ তলেদি মাটি ফুটাই গাঁতেৰে বস্তু চুৰ কৰ্)—তেওঁৰ ঘৰত **সিন্ধি দি** চোৰে সাজ-বাচন বহুত নিলে।

**সিন্ধিৰ মুখত ধৰ্**—(কোনো কৰি থাকোঁতেই ধৰ্)—**সিন্ধিৰ মুখত ধৰা** পৰিও তই চোৰাং বজাৰত চেনি বেচা নাই বুলি কলে কোনে পতিয়াব?

**সিন্ধিৰ মুখৰ শিয়াল**—'সিন্ধিৰ মুখত ধৰ্' চোৱা।

**সিপৰীয়া (বা সিফালীয়া) হ**—(মৃত্যু হ)—বুঢ়াটো সিদিনা ৰাতিয়েই **সিপৰীয়া হ'ল**; পুতেক পিছদিনাহে আহিল।

**সিয়নিত শোৱা**—(বৰ ধূৰ্ত)—ল'ৰাটো দেখিছাহে সৰু, আচলতে **সিয়নিত শোৱা**; আমাৰ দৰে মানুহক হাটত বেচিব পাৰে।

**সিয়ানৰ সিয়ান বুধি**—(টেঙৰ মানুহে টেঙৱালি লুকাই জ্ঞানীৰ দৰে কথা ক)—সি কেনে জ্ঞানী মানুহৰ দৰে কথা-বতৰা কৈছে চোৱা; **সিয়ানৰ সিয়ান বুধি** নহলে সি নিজৰ কাৰ্য উদ্ধাৰ কৰিব কেনেকৈ?

**সীতা নোহোৱা যজ্ঞ পাত্**—(কোনো কাৰ্যৰ প্ৰধান নায়ক নোহোৱাকৈ সেই কাৰ্য কৰ্)—তেওঁক আগত লৈহে আমি আজি এই কাম কৰাটো উচিত আছিল। তেওঁক এৰি কাম কৰা মানে **সীতা নোহোৱা যজ্ঞ পতা** হৈছে।

**সীতাৰহে মাতোঁতা নহ**—(ভাগ্য বেয়া হলে কাৰোবাপৰা সহায় সকল নোপোৱা হ)—বিপদত সকলোৱে এৰা দিবই। **সীতাৰহে মাতোঁতা কোন আছিল**?

**সীমা-বৈৰী**—(সীমাৰ বাবে কাজিয়া কৰা মানুহ)—**সীমা-বৈৰী** আৰু তিৰী-বৈৰী একে বুলি কয়।

**সু-তিৰী কেকেনী**—(গুণৱতী কুৰূপা তিৰোতা)—তেওঁৰ ঘৈণীয়েকজনী কুৰূপা হলেও বৰ গুণৱতী; ঘৰখন জিলিকি আছিছে; **সু-তিৰী কেকেনী** বুলি কয়েই, নহয়?

**সুৰ্-সুৰকৈ**—(১। সাৰি-শব নোহোৱাকৈ। ২। কোনো ওজৰ-আপত্তি নকৰাকৈ)—

১। চোৰটো কেতিয়া যে সুৰ্‌সুৰ্‌কৈ আহি পিছফালেদি চল চাই আহিল, গমকে পোৱা নাছিলোঁ। ২। তাক ভাত খাবলৈ মাতিলোঁ; সুৰ্‌সুৰ্‌কৈ উঠি আহি খালে।

**সুৰ্‌সুৰীয়া হ**—( কোনো ওজৰ-আপত্তি নকৰি আদেশমতে কাৰ্য কৰ্ )—সিদিনা গালি পৰাৰ পিছত ল'ৰাটো এতিয়া **সুৰ্‌সুৰীয়া হ'ল**।

**সুকুকা মাৰ্**—( সুৰুক্ কৰে গুচি যা )—আমি কাম কৰি আছোঁ, সি কেতিয়াবা এবা দি **সুকুকা মাৰিলে**।

**স্ফূৰ্তি-( বা স্ফুৰ্তি- ) বুদ্ধি হেৰুৱা**—( ভেৎ-বুদ্ধি নোপোৱা হ )—তাৰ খং দেখি আমি **স্ফূৰ্তি-বুদ্ধি হেৰুৱালোঁ**।

**সুৱাগ চৰ্**—( ১। স্বামীৰ অধিক চেনেহৰ পাত্ৰ হ। ২। ধন ধুনীয়া হ। ৩। ধন বঢ়িয়াল হ। ৩। অধিক সৌভাগ্যশালী হ )—১। দশবছৰ কাৰণ কৈকেয়ীৰ **সুৱাগ চৰি গ'ল**। ২। ছোৱালীজনীৰ **সুৱাগ চৰি আহিছে**। ৩। তইনো কি **সুৱাগ চৰিল**, হাঁহি ভেৎ নোপোৱা হৈছ? ৪। এই পৰিয়ালটোৰ **সুৱাগ চৰি আহিছে**; আজি এক কালিলৈ এক দেখিবা।

**সুৱাগ জাৰ্**—( বিয়াত ফুলাত চাউল বা আখৈ দি তিৰোতাবিলাক নাচি-গাই আনন্দ কৰ্ )—তিৰোতাবিলাকে এতিয়া **সুৱাগ জাৰিব** লাগিছে; মুকলি ফুলা লোৱা জনী দবাৰ নাক।

**সুৱাগ ( বা সুৱাগুৰি ) তোল্**—( বিয়াত দৰা বা কন্যাক ধুৱাই উঠি তিৰোতাবিলাকে পুখুৰী বা নদী আদিলৈ গৈ মাঙ্গলিক কাৰ্য কৰ্ )—বিয়াৰ দিনা গধূলি দৰা কন্যা নুৱোৱাৰে ঘৰত তিৰোতাবিলাকে **সুৱাগ তোলে**।

**সূচি সুৰা**—( জেওৰাত পখালি কাৰী ব )—মুখত আৰু দুটামান **সূচি সুৰোৱা**, তেতিয়াহে জেওৰাটো তাঙৰ আৰু শকত হব।

**সূতলাহি তাঁত্**—( সূতলাহিৰপৰা সূতা চেৰেকীত ভৰাই লেহা কৰ্ )—ছোৱালীজনীয়ে নিজে এইবোৰ সূতা কাটিছে; এতিয়া **সূতলাহি তাঁতি** বজাৰত বেচিছে।

**সূতা তোল্**—( বেজীৰে সূতা বই বা ভঁৰি কটা কাপোৰ বাত্ )—কাপোৰখন বেজীৰে পুৰিল, **সূতা তুলি** দিয়া।

**সূৰ্যৰ মুখত লোপা দি**—( ভত কথা লুকাই ৰাখ্ )—**সূৰ্যৰ মুখত লোপা দিব** নোৱাৰি; হত্যাকাণ্ডৰ সকলো কথা সদৰী হ'ল।

**লেও হ**—(মগ্ন হ; বশীভূত হ)—১। 'লেও হলে পকা বাৰে এৰি দিয়ে বাট।' ২। তেওঁ এতিয়া সমাজৰ ওচৰত **লেও হ'বলৈ** বাধ্য হৈছে।

**লেক দি**—(১ তাপ দি। ২। তাপ দি টান বা কোমল কৰ্ বা সিজা)—১। উথহি উঠা ঠোখৰত অলপ **লেক দিবা**; বিষ কমিব। ২। কাঠীটো জুইত **লেক দিয়া**, ভেতিয়াহে সহজে ভাঁজ লাগিব।

**লেকা দি**—(দোষ আদিৰ বাবে শাস্তি দি)—তুমি কাপোৰখন কেনেকৈ ফালিলা? দেউতাৰাই দেখা পালে তোমাক আজি **লেকা দিব**।

**লেকেটা-লেকেটি কৰ্**—(কোনো বিষয়ত জব্দ হৈ অপ্ৰতিভ হ)—থাৰ নোৱাৰিলেও খুজি লৈছিলা; এতিয়া **লেকেটা-লেকেটি কৰিছা** কিয়?

**লেঙেটা পৰ্** (বা **লাগ্**)—(আৰত ঠেঁৰেঙা লাগ্)—মোৰ আঙুলি কেইটা **লেঙেটা পৰিছে**, জুইত সেকোঁ ৰবা।

**লেঞীয়েজি সিঁচ্**—(বহকৈ উপাৰ্জন কৰ্ বা পা)—এই বাৰৰ কাৰবাৰত তেওঁ টকা **লেঞীয়েজি সিঁচিলে**।

**লেপৰ তৰত মাও তল যা**—(অসম্ভৱ কাৰণ দৰ্শাই কোনো কাম কৰিবলৈ আপত্তি কৰ্)—মোৰ পাঁচ-সেৰীয়া টোপোলাটো নিওঁতে তোমাৰ গাৰীত যেছি বোজাই হব নে? **লেপৰ তৰত মাও তল যাব** বুলিলে কোনে পতিয়াব?

**লেমলেমীয়া হ**—(১। অলপ জেকা বা সেমেকা হ। ২। জব্দ বা নিৰুত্তৰ হৈ দৃঢ়তা ঢিলাই দি)—১। কাপোৰখন পধুলি বাহিৰত থকাত **লেমলেমীয়া হ'ল**। ২। সি কিমান উত্তৰ কৰিব? শেষত উত্তৰ-চুটি হৈ **লেমলেমীয়া হ'ল**।

**লেমেমা-লেমেম** (বা **লেমেমি**) **কৰ্**—(লাজ বা অপমানত বিবৰ্ণ হৈ ইমুখ-সিমুখ কৰা)—মহটকীয়া নোটখন তাৰ চোলাৰ মোনাতে ওলোৱাত সি সমাজৰ আগত **লেমেমা-লেমেমি কৰিবলৈ** ধৰিলে।

**লেৰা-খৰি**—(মকলা তাতৰ খৰি)—খৰি ক'ত আছে? **লেৰা-খৰিৰে** ভাত ৰান্ধিব পাৰি নে?

**লেলেকা দি**—(কামত উৎসাহ কমা; ঢিলাই দি)—কামটো মই এতিয়া **লেলেকা দিছিবা**।

**লেলেতি লাগ্**—(তাৰোলৰ বাগীয়ে ধৰ্)—তামোল খাওঁতে **লেলেতি লাগিলে** লোণ বা চেনি খাবা।

**সেলেপি খা**—(লোভাতুৰাকৈ খুইনে খিহলাই লাহে লাহে পিন্)—কোনো কোনোৱে চাহত চেনি নাখায়; তেওঁলোকে অলপ অলপকৈ গুড় সেলেপি খায়, আৰু অলপ অলপকৈ চাহ খাই থাকে।

**সেৱা চুৰ কৰ্**—(দেৱতাৰ বা আনৰ কাৰণে ত্ৰুটি কৰি অপৰাধী হ)—মই নো কি সেৱা চুৰ কৰিলোঁ যে সোধ-পোছ নকৰাকৈ সমাজে মোক এৰি থয়?

**সেৱা-চোৰ**—(দেৱতা আদিৰ ওচৰত অপৰাধী লোক)—মই সেৱা-চোৰ; প্ৰভু মোক ৰক্ষা কৰা।

**সেৱা-জামনী**—(শিষ্যৰ মৃত্যুত গুৰু-ঘৰলৈ দিয়া উপহাৰ)—পিতৃদেৱৰ সেৱা-জামনী ৰূপে এই গাইজনীকে গুৰুজনক দিব খুজিছোঁ।

**সেহাই-কোঁপাই**—(খৰকৈ উশাহ লৈ আৰু ব্যতিব্যস্ত হৈ)—সেহাই-কোঁপাই ক'ৰপৰা আহিলা? অলপ বহাচোন।

**সৈ কাঢ়্** (বা লৰ)—(স্বীকাৰ কৰ্)—টকা চুৰ কৰা কথা সি সৈ লৈছে।

**সোঁ-জোনে**—(জোনৰ পোহৰ সম্পূৰ্ণ পৰি থাকোঁতে)—আজি পূৰ্ণিমা; সোঁ-জোনে ৰাতি পুৱাব।

**সোঁ-বয়স**—(বয়সৰ মাজ ভাগ; আধা বয়স হোৱা)—সোঁ-বয়সতে তেওঁ ঢুকাল।

**সোঁ-মৰণে মৰ্**—(ভালভাৱে মৰ্)—সি মহা পাপী, সোঁ-মৰণে মৰিব কেনেকৈ? সেই দেখি আও-মৰণে মৰিল।

**সোঁ-মাজ**—(ঠিক মাজ-ঠাই)—নাওখনৰ সোঁ-মাজত এটা ফুটা হ'ল।

**সোঁৱাহ কৰ্**—(যুক্তি বা সিদ্ধান্ত দি)—এই জটিল সমস্যাটো সোঁৱাহ কৰি দিয়া।

**সোঁ-শৰীৰে**—(সশৰীৰে)—যুধিষ্ঠিৰে হেনো সোঁ-শৰীৰে স্বৰ্গলৈ গৈছিল।

**সোণ-খটোৱা**—(সোণ খুওৱা, গতিকে মূল্যবান)—আঙঠিটো ৰূপৰ হলেও সোণ-খটোৱা।

**সোণতকৈ জেউতি-চৰা**—(অনুপম ধুনীয়া)—আমাৰ নবাদেও সোণতকৈও জেউতি-চৰা।

**সোণ-পানী চৰা**—(ৰূপ আদিৰ অলংকাৰত সোণৰ পানী সানি সোণালী কৰ্)—এই খাৰুযোৰ সোণৰ নহয়, সোণ-পানীহে চৰাইছে।

**সোণ পুৰিলে ৰং চৰে**—( দুখকষ্টৰ মাজেদিহে মানুহৰ কপাল বাঢ়ে )—দুৰ্ভাগ্যলৈ ভয় নকৰিবা ; **সোণ পুৰিলেহে ৰং চৰে।**

**সোণৰ মুখে ক**—( ৰৰ মনোৰমকৈ ক )—হেজাৰ **সোণৰ মুখে** কলেও মই নিজে দেখা কথা অবিশ্বাস কৰিব নোৱাৰোঁ।

**সোণৰ নঁঙুৰা**—( অতিশয় মূল্যবান বস্তু )—এবাৰ অপমান কৰি এতিয়া **সোণৰ নঁঙুৰা** আগ বঢ়াই পূজিবলৈ আহিছ ?

**সোণৰ সোলেং**—( সোণৰ টেঙা, সোণৰ লাক ; বহুমূলীয়া বস্তু—বিদ্ৰূপত )—ইয়াত **সোণৰ সোলেং** গছত লাগি থকা নাই ; পৰিশ্ৰম নকৰিলে একোকে নোপোৱা ; পৰিশ্ৰমেৰেহে সোণ ফলাব পাৰি।

**সোণ-ৰূপৰ গৃহস্থালি**—( অতিশয় শ্ৰীমন্ত গৃহস্থালি )— পিতাকৰ দিনৰ **সোণ-ৰূপৰ গৃহস্থালি** পুতেকে পানী-ভাত তুলিলে।

**সোণ-ৰূপৰ মুখেৰে ক**—'সোণৰ মুখে ক' চোৱা।

**সোণ-সেৰীয়া**—( বহুমূলীয়া )—গঁড়ৰ খাগ **সোণ-সেৰীয়া** বস্তু ; তাক বেমূলীয়াকৈ নষ্ট নকৰিবা।

**সোণ হলে দঁতাল হাতী পোহ হ**—( ধন হলে সকলো টান কাৰ্যও সম্ভৱ হ )—ধন নোহোৱা মানুহৰ পক্ষে একো সম্ভৱ নহয় ; **সোণ হলে দঁতাল হাতীও পোহ হয়।**

**সোণাৰি-গঢ়ী**—( সোণাৰিয়ে গঢ়াৰ দৰে ধুনীয়া )—তেওঁৰ মুখখন **সোণাৰি গঢ়ী**, এনে ধুনীয়া মুখ মই দেখা নাই।

**সোণে-কহা**—( মূল্যবান আ-অলঙ্কাৰেৰে খমক-জমককৈ সজোৱা )— ছোৱালীজনী **সোণে-কহা** হয়, কিন্তু বাহ্যৱতী নহয়।

**সোণে-পোৱালে গাঁথ্**—( নানা মূল্যবান সম্ভাৰেৰে অতিশয় অমূল্য বস্তু নিৰ্মাণ কৰ্ )—**সোণে-পোৱালে গাঁথি** চাজাহানে তাজমহল ৰচনা কৰিছিল।

**সোধ কৰ্**—( বিচাৰ কৰ্ )—দোষী কোন, আগেয়ে **সোধ কৰক**, পাছতহে দণ্ড।

**সোধন-পোছন**— ( অতিথি-সৎকাৰ ; পৰিচৰ্যা )— মানুহজন আহিছে, **সোধন-পোছনৰ** দিহা কৰা।

**সোধনী-ভাৰ**—( ছোৱালী খবিবলৈ কইনা-ঘৰলৈ দিয়া ভাৰ )— ছোৱালীৰ বাপেকে **সোধনী-ভাৰ** থোৱা দিন এতিয়া নাই।

·লোধ-পোছ (বা লোধা-পোছা)—(১। বিচাৰ, অনুসন্ধান। ২। অতিথি-সৎকাৰ)— ১। লোধ-পোছ লোহোৱাকৈ লও বিহাটো আজিয়ে দেখিলোঁ। ২। আলহীক লোধ-পোছ কৰোঁ কিহেৰে?

·লোপা চুহ—(কোনো কামত অকৃতকাৰ্য হ)— অনাহকত কামত ধৰি লোপা চুহিবহে লাগিল।

·লোপা দি—(১। চুঙা আদিৰ মুখ বন্ধ কৰ্। ২। গোপন কথা বা ভাষ্য কথা প্ৰকাশ নহবলৈ মুখ বন্ধ কৰ্)— ১। টিচাটোৰ মুখত ভালকৈ লোপা দিয়া, নহলে সোমালে ঘিউ বেয়া হব। ২। তেওঁ ভাষ্য কথা কব কেনেকৈ? তেওঁৰ মুখত আগেয়ে লোপা দিয়া হৈছে।

·লোপা মাৰ্—(লৰক্-ফৰকৈ কোনো কাম কৰ্)— কামটোত ধৰিয়া যেতিয়া, লোপা মাৰি নকৰিবা।

লোলা মুখৰ চৰ্—(কষ্ট সহিব নোৱৰা মানুহে পোৱা দুখ-দুৰ্গতি)—তেওঁ কোনো কালেও কষ্টত পৰা নাছিল; সেই দেখি এই কষ্ট তেওঁৰ পক্ষে লোলা মুখৰ চৰহে হৈছে।

·লোলাৰ মুখত মাখি পৰ্—(অসমৰ্থ লোকে সামান্য লাভকে ভাগ্য লাভ বুলি ভাব্)—এই সাধাৰণ ঠিকাটোৱেই তাৰ পক্ষে লোলাৰ মুখত মাখি পৰা যেন হৈছে।

·লোলোক-চোলোক— (ধাঁচিল নোহোৱা; ঢিলা)— টোপোলাটো কেনেকৈ বান্ধিলা? লোলোক-চোলোক হৈ থাকিল।

·লোলোকা-থোৰা—(কামৰ সাধন নোহোৱা অকামিলা মানুহ)—যি কেইজন লোলোকা-থোৰা আছে, তেওঁলোকক ভতোতাই পঠোৱা; কাম কৰিব পৰা চাৰিজনে এই কামটো কৰক।

·লৌকা মেল্—'কেঁড়-ৰবা দি' চোৱাঁ।

ৱজ্ৰ পৰ্—(বজ্ৰপাত হ)—আকাশ কালি যোৱা এই পাৱনিত ক'ৰবাত ৱজ্ৰ পৰিছিল।

ৱজ্ৰ পৰা যেন হ—(বজ্ৰপাত হলে হোৱাৰ দৰে ভয় হ)—তেওঁৰ মৃত্যুৰ খবৰ পাই আমি ৱজ্ৰ পৰা যেন হলোঁ।

·ৱৰ্মী হ—(সিপুৰীলৈ যা)—বুঢ়া অধিকাৰ ৱৰ্মী হ'ল; ঢোল-খোল ৰেজাৰ-বিজাৰ লোকে তেওঁক শ্মশানলৈ নিলে।

·স্বামী-ভক্তা—(স্বামীৰ প্ৰিয়)—সহৰিত স্বামী-ভক্তা হৈ থাকিবা।

# হ

**হঁহা-কন্দা দেখুৱা**—(একে সময়তে হৰ্ষ আৰু বিষাদৰ কাৰণ হ)—তোমাৰ কেঁচুৱাটোৱে আমাক **হঁহা-কন্দা দেখুৱাবলৈ** হে জন্ম লৈছিল।

**হঁহা-মতা**—(হাঁহি-মাতি পতা কথা; ৰং-ধেমালি)—ল'ৰাছোৱালীহঁতে **হঁহা-মতা** কৰিছে, তাত নো তোমাৰ কিয় খং উঠে?

**হকা-বাধা**—(বাধা-নিষেধ)—যাওঁ বুলি ওলাইছোঁ; **হকা-বাধা** নকৰিবা।

**হজ-পঢ়**—(ঘৰ আদি সাজিবলৈ লগা কাঠ বাঁহ আদি আৱশ্যকীয় বস্তু)—**হজ-পঢ়** একো যোগাৰ নাই, ঘৰ সাজিবা কিহেদি?

**হজ লৰ্**—(পাথৰি বা কাঠামৰ লৰচৰ হ)—বতাহত ঘৰটো পৰা নাই হয়, **হজ লৰি** তাৰ মৌলিক ক্ষতি হৈছে।

**হতচিৰী হ**—(১। সুখ-সম্পদ্ হানি হ। ২। আয়ুস শেষ হ)—১। যোৱা বছৰৰপৰা পৰিয়ালটো **হতচিৰী হ'ল**। ২। দুখীয়া **হতচিৰী-হোৱা** কলৈ গ'ল?

**হত-দৰিদ্ৰ**—(অতিশয় দুখীয়া)—মোৰ দৰে **হত-দৰিদ্ৰই** দুবেলা দুমুঠি খাবলৈও সাধি আহা নাছিলো নে?

**হত-মূৰ্খ**—(গণ্ড-মূৰ্খ)—তাৰ দৰে **হত-মূৰ্খই** এইবোৰ কথা কেনেকৈ বুজিব?

**হতালি-বতালি**—(স্বামী-স্ত্ৰীৰ মাজে আৰু মতা-মাইকীৰ মাজৰ হঁহা-মতা কাৰ্য)—ইহঁত দুয়োৰে **হতালি-বতালি** মই লক্ষ্য কৰিছোঁ।

**হজা ল**—(পানীৰ সোঁতে গতি পৰিবৰ্ত্তন কৰি আন মুৱা হ)—নদীটোৱে বেয়াকৈ **হজা** লৈছে; ভবিষ্যতে এই গাঁৱৰ অপকাৰ হব।

**হনুমন্ত-জাঁপ**—(বৰ ডাঙৰ জাঁপ)—চোৰটোৱে **হনুমন্ত-জাঁপ** দি চালৰপৰা মাটিত পৰি যেওৱা পাৰ হৈ পলাল।

**হৰৰ শিৰত কুকুৰেও নৈ টান্**—(সৌভাগ্যৰ কালত অসম্ভৱো সম্ভৱ হ)—**হৰৰ শিৰত কুকুৰেও নৈ টানে**; তেওঁ আজিকালি লোকাৰ মন্ত্ৰীটোত কিয় আচৰিত হৈছা?

হুৰ দি—(সমৰ্থন কৰ্)—তোমাৰ প্ৰস্তাৱত ময়ো হুৰ দিছোঁ।

হৰক-তৰক—(সঁচাত নোহোৱা কথা)—সি হৰক-তৰক মাতাল; যি দেখিছে, তাকে কৈছে।

হৰক দেখি বিহ খা—(শক্তিমন্ত লোকে কোনো কাম কৰা দেখি দুৰ্বলেও অনুৰূপ কাৰ্য কৰি বিপদত পৰ্)—এজনে গাঁৱত মাটি বেচি চহৰত ঘৰ সজালে; ময়ো তাকে কৰিবলৈ গৈ পৈত্ৰিক সম্পত্তিহে হেৰুৱালোঁ; হৰক দেখি বিহ খাই ঘৰ মাটি আনিলোঁ।

হৰ-গৌৰীৰ মিলন—(সুখময় দাম্পত্য জীৱন)—বিয়াত তেওঁলোক হৰ-গৌৰীৰ মিলন হ'ল; গৃহস্থালি শ্ৰীমন্ত হৈ আছিল।

হৰণ-ভগন—(ক্ষয়, নাশ)—হৰণ-ভগন নহয় যদি, এইবাৰ ধান মৰোঁ বুলি হৈছে।

হৰলোক দি—(হৰণ-সুৰী। এসময়ত থাকি পিছত নাইকিয়া হ)—বসন্তত মানুহ হৰলোক দিছে, কাণী-পুঠি এটাও নাই।

হৰিকথাতকৈ চাউলকঠা টান হ—(ঈশ্বৰ-চিন্তাতকৈ পেটৰ চিন্তা ডাঙৰ হ)—আজি কালিৰ মানুহৰ পক্ষে হৰিকথাতকৈ চাউলকঠা টান হৈ উঠিল।

হৰিণাৰ মাংসই বৈৰী হ—(নিজৰ ধন-সম্পত্তিয়েই নিজৰ সৰ্বনাশৰ কাৰণ হ)—হৰিণাৰ মাংসই বৈৰী, ধন-সম্পত্তিয়েই তেওঁৰো যম হ'ল।

হৰিণে বাঘৰ গাল চেলেক্—(অসম্ভৱ কাৰ্য ঘট্)—তেওঁৰ শাসন-কালত হৰিণে বাঘৰ গাল চেলেকিছিল বুলি লোকে কয়।

হৰিধ্বনি দি—(সমবেতভাৱে ডাঙৰকৈ ভগৱানৰ নাম উচ্চাৰণ কৰ্)—মই যেতিয়া গৈ পালোঁ, তেতিয়া সৰুবুৰাই নাম লৈ হৰিধ্বনি দিছে।

হৰি-ভকত—(গুৰুৰ ওচৰত একেলগে শৰণ লোৱা মানুহ)—হৰি-ভকতৰ মাজত ভাই-ভাই সম্বন্ধ।

হৰি-ভৰ দি—(বা হুৰ-ভৰ দি)—(সন্মত হ; সমৰ্থন কৰ্)—মোৰ প্ৰস্তাৱত সকলোৱে হৰি-ভৰ দিছে।

হৰিলেও এৰিলেও জৰীয়ে মেৰ্—(মূল বিপদৰপৰা ৰক্ষা পালেও আনুষঙ্গিক লেঠাই মেৰ্)—বহনীত মৰিলোঁ; কিন্তু ধান এমুঠিও নাই; খাওঁ কি? হৰিলেও এৰিলেও জৰীয়ে মেৰা যেন দেখিছোঁ।

**হৰিয়ে গোবৰ্দ্ধন ধৰি ৰাখ্**—(ঈশ্বৰে কোনো উপায়ে ৰক্ষা কৰ্)—বিপদত **হৰিয়ে গোবৰ্দ্ধন ধৰি ৰাখে** বুলি বিশ্বাস কৰিলে মানুহৰ কষ্টৰ লাঘৱ হয়।

**হৰিল-গৰিল**— (হলি-গলি ; মিলা-প্ৰীতি)—তেওঁলোকৰ মাজত এই **হৰিল-গৰিল** বহুদিনীয়া ; দুয়োটা পৰিয়ালক আন মানুহে একেটা যেন পায়।

**হৰিষত বিষাদ মিল্**–(সুখৰ মাজত দুখৰ কাৰণ হ)—আমাৰ **হৰিষত বিষাদ মিলিল** ; মাছ মাৰি থাকোঁতে এজনক সাপে খুটিলে।

**হৰিষ-বিৰিষ কৰ্**—(পুতৌতাৰত ভগৱানৰ নাম ল)—ল'ৰাটো জখম হোৱা দেখি সকলোৱে **হৰিষ-বিৰিষ কৰিবলৈ** ধৰিলে।

**হৰিষাদ-বিষাদ**—(হাঁহা-কন্দা ; আনন্দত বিষাদ)—ছোৱালীজনী শহুৰিলৈ ওলাল ; মানুহৰ মাজত **হৰিষাদ-বিষাদ** লাগিল।

**হৰি-সন্মুখ হ**—(শৰণ ল ; নাম-কথা ল)—চাকৰি এৰি তেওঁ **হৰি-সন্মুখ হ'ল**।

**হৰিহৰ আত্মা**—(অভিন্নহৃদয় ; পৰম বন্ধু)—দুয়ো **হৰিহৰ আত্মা** ; কাকো এৰি কোনো নাথাকে।

**হৰি হৰি কৰ্**—(বিস্মিত হ)—শুই থাকোঁতে তেওঁৰ মৃত্যু হোৱা শুনি সকলোৱে **হৰি হৰি কৰিবলৈ** ধৰিলে।

**হৰি হৰি মাৰ্**—'হৰি হৰি কৰ্' চোৱা।

**হৰ্ত্তা-কৰ্ত্তা**—(যি ইচ্ছা হয়, তাকে কৰিব পৰা ; ক্ষমতাশালী লোক)—এই বিষয়ৰ **হৰ্ত্তা-কৰ্ত্তা** তেওঁ, আমি একো কৰিব নোৱাৰোঁ।

**হল্কল্ কৰে**–(দেখিবলৈ শুৱনি হৈ জোকাৰ খাই থকা)—গছত ভাল ভৰি আমবোৰ **হল্কল্ কৰে** পকি আছে।

**হ'ল-বিয়াত উকলী দি**—(কাৰ্যকাল উপস্থিত হলে অনৰ্থক পলম নকৰি কাৰ্য সমাধা কৰাত সহায় কৰ্)—এতিয়া এইবোৰ বৃথা আলোচনা এৰি পেলাই **হ'ল-বিয়াত উকলী দিয়াহে** সকলোৰে কৰ্ত্তব্য।

**হলা গছত বাগী-কুঠাৰ মাৰ্**—(দুৰ্বল বা বিপদগ্ৰস্ত মানুহক সকলোৱে হেঁচি ধৰ্)—**হলা গছত** আটায়ে **বাগী কুঠাৰ মাৰে** ; তোমাৰো বিপদত সকলো শত্ৰুৱে পীড়া কৰিবই।

**হলা বল্**—(বাহিৰৰ ভাগ অলপ সিজি ভিতৰটো টান হৈ থাক্)—এতিয়াহে চাউলৰ **হলা বলিছে** ; আৰু অলপ সিজোৱা।

**হলি-গলি**—( মিলা-প্ৰীতি )—সেই হুটাৰ লগত তুমি হলি-গলি এৰি দিয়া।

**হস্তীৰ পাৰ পিছল্**—( মহৎ লোকৰো কেতিয়াবা ভুল হ )—'হস্তীৰো পিছলে পাৰ; সজ্জনৰো ভুল যাও।' হস্তীৰো পাৰ পিছলে; পণ্ডিত হলেও তেওঁলো ভুল হব পাৰে।

**হাই-উকমি কৰ্**—( গোলমাল কৰ্; হাই কৰ্ )—ইমাত কিয় ইমান হাই-উকমি কৰিছা?

**হাই কৰ্**—( ডাঙৰকৈ কথা ক )—তোমালোকে হাই নকৰিবা; যই আয়ৰোৰ জগাই দিওঁ।

**হাইচ-লাইচ**—( ১। বং-ধেমালি। ২। ডেকা-গাভৰুৰ প্ৰণয় আলাপ )—১। ইমান হাইচ-লাইচ কিহৰ? পঢ়াশুনা নাই নেকি? ২। ডেকা-গাভৰুহঁতে তাত হাইচ-লাইচ কৰিছে; আমি আন ফালে যাওঁ বলা।

**হাইঠা মাচিত পৰ্**—( সাধাৰণ কাম বা চাৰত অভ্যাস নথকা ডাঙৰ লোকে তেনে কাম কৰি আনৰ বিস্ময়ৰ কাৰণ হ )—তেওঁ কোনো কালেও গৰু চৰোৱা নাছিল; আজি গৰু লৈ পথাৰলৈ অহাটো হাইঠা মাচিত পৰা যেন হৈছে।

**হাই দি খা, বিং দি পলা**—( খাবলৈ পোৱাৰ সময়ত আনন্দেৰে খাই প্ৰয়োজনৰ সময়ত আঁতৰি যা )—সিহঁতৰ ওপৰত নিৰ্ভৰ নকৰিবা; সিহঁতে হাই দি খাই বিং দি পলাব; কামৰ বেলিকা সিহঁতক নাপাবা।

**হাই-হুই**—( হাই-উকমি )—চিকাৰলৈ আহিছা, হাই-হুই নকৰি গহৰ জালত বহি থাকা।

**হাউচে বিদ্যা**—( আনন্দেৰে আৰু আগ্ৰহেৰেহে বিদ্যা উপাৰ্জন সম্ভৱ হ )—পঢ়াশুনালৈ তাৰ কাহানিও মনত নপৰে; তেনেকৈও বিদ্যা লাভ হয় নে? হাউচতহে বিদ্যা।

**হাঁই-কাই**—( উশাহ লোৱাত টান পোৱা ৰোগ; খাস ৰোগ )—মানুহটোৰ হাঁই-কাই ৰোগ আছে; বহি থাকোঁতেই উশাহ লব নোৱাৰে।

**হাঁই-কাই লাগ্**—( পৰিশ্ৰম বা ভাগৰত উশাহ লোৱাত টান পা )—বহুত দৌৰি আহিছোঁ; হাঁই-কাই লাগিছে।

**হাঁওৰণি মাৰ্**—( যাৰ আদিয়ে ডাঙৰকৈ গোঁজৰ্ )—বাঘটোৱে কেনেকৈ হাঁওৰণি মাৰিছে, শুনিছা নে? আমি উভতি যাওঁ বলা।

**হাঁ-কাজি-ঝিকাজি**—( ভাত-কাপোৰৰ অভাৱ )—তাৰ হাঁ-কাজি-ঝিকাজি কোনো দিনো ঘুচিল।

**হাঁকাল-বিকাল**—( ভাত-কাপোৰৰ অভাৱত হোৱা কষ্ট )—এই দৰে হাঁকাল-বিকাল সদায় কেনেকৈ সহি থাকিবা?

**হাঁকোটা মেল্**—( মিলগৰগৰা গোটাই অনাৰ চেষ্টা কৰ্ )—সাত হাঁকোটা মেলিছে টকা কুৰিটা যোগাৰ কৰিছোঁ; তাৰে কিবা উপায়ে লেঠাটো মাৰা।

**হাঁচি-কাহ মাৰ্**—( নকৰি-নোৱৰা কাম কৰ্ )—তোমালোকৰ ভয়ত দেখোন আমি হাঁচি-কাহো মাৰিব নোৱৰা যেন হলোঁ।

**হাঁহ-কণীত কুহুম মাইকিয়া হ**—( অৱশ্যম্ভাৱী লাভৰ ক্ষেত্ৰতো লাভৰ সম্ভাৱনা নোহোৱা হ )—মোৰ দুৰ্কপাল এনে যে য'তে হাত দিওঁ, ত'তে হাঁহ-কণীত কুহুম মাইকিয়া হয়।

**হাঁহ-চোৰৰ ধুৰেত পাখি**—( কামৰ নিদৰ্শন বা প্ৰমাণ বৈ থাক্ )—'হাঁহ-চোৰৰ ধুৰেত পাখি, কঠাল-চোৰৰ আঠাই সাখী।'

**হাঁহ মেলি শিয়াল খেদ্**—( ওলোটাকৈ কৰ্ )—উদং পথাৰ আগেয়ে বেৰা দিহে শহ ৰাখিব পাৰি; তুমি এতিয়া গৰুকে দিনে-ৰাতি খেদিবা, নে বেৰাই দিবা? হাঁহ মেলি শিয়াল খেদা যেনহে হ'ল।

**হাঁহৰ ওপৰত শিয়াল ৰজা হ**—( দুৰ্বলৰ ওপৰত দুষ্টই মহতালি দেখুৱা )—হাঁহৰ ওপৰত শিয়ালেই ৰজা হয়; হোজা গাঁৱলীয়াৰ ওপৰতো তেনে ৰজা।

**হাঁহৰ ঠেঙত ম'হ বান্ধি দি**—( সামান্য লাভৰ বাবে বৰকৈ ক্ষতিগ্ৰস্ত হ )—সামান্য কথাত মোকদ্দমা কৰি সৰ্বস্বান্ত হব নোখোজোঁ; হাঁহৰ ঠেঙত ম'হ বান্ধি দিম নে?

**হাঁহি-চম্পা**—( বৰ বঢ়িয়াল স্বভাৱৰ ছোৱালী )—তেওঁলোকৰ সেই হাঁহি-চম্পা-জনীক সকলোৱে মৰম কৰে।

**হাঁহিত পেটৰ নাড়ী ছিগ্**—( বৰকৈ হাঁহ্ )—তেওঁৰ কথা শুনি হাঁহিত আমাৰ পেটৰ নাড়ী ছিগিব লগীয়া হ'ল।

**হাঁহে-মাছে লাগ্**—( বিভিন্ন দল লগ লগাই সাম-খোঁকট কৰ্ )—ক'ৰ দল ক'ত থকা? এই দৰে হাঁহে-মাছে লাগি থকা লাগ্ ধুলিলে টকিয়াই দিবা কেনেকৈ?

**হাঁহো মৰা শিয়ালো খোঁৱা**—( দুৰ্বল লোকে সামান্য কামতে মৰিব হ )—এই

বেমাৰী মানুহ, আলজৰীও নাই ; আজি এৰি খোৱা এইকেইটা মাছ থুটলি ৰাখোঁ ; এনে হয়। হাঁহো মৰা, শিয়ালো খেঁদা।

**হাকিম নৰিলেও হুকুম নলৰ্**—(হাকী বিধি ব্যৱস্থা অপৰিবৰ্ত্তনীয় হৈ থাক্)—তেওঁ ধনী-মানী হ'ল বুলিও আইনৰ সলনি হব পাৰে নে ? **হাকিম নৰিলেও হুকুম নলৰে।**

**হাথকৰা পৰ্**—(বয়স বেছি হোৱাত মুখৰ বৰণ কঁপৰীয়া হ)—হোৱালীজনীৰ বয়স বহুত হৈছে ; মুখখন **হাথকৰা পৰিছে,** লক্ষ্য কৰিছা নে ?

**হাচটি বজা**—(সম্পৰ্ক নথকা বিষয়ত হস্তক্ষেপ কৰ)—এই কাৰণে জানিব খাজ, তেওঁলোকে যেনেকৈ কৰে কৰক ; আমি **হাচটি বজাই** থাকোঁ কিয় ?

**হাজাৰ-বিজাৰ**—(অসংখ্য)—**হাজাৰ-বিজাৰ** লোকে শ্মশানতে সে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছিল।

**হাজাৰ হওক**—(সেই সকলোবোৰ হলেও)—**হাজাৰ হওক** মাকৰ চিত, পুতেক দুৰ্দান্ত হলেও তাক মৰম নকৰি পাৰে নে ?

**হাজাৰ-হাজাৰ**—'হাজাৰ-বিজাৰ' চোৱা।

**হাট কৰ্**—(হাটত বেচা-কিনা কৰ্)—সদায় **হাট কৰি** সি মূলত পচা খৰচ উলিয়ায়।

**হাঠ-খোলা**—(হাট বহা ঠাই)—ইয়াকপৰা **হাট-খোলাখন** তুলি নিবলৈ সিদ্ধান্ত কৰা হৈছে।

**হাট-খোৱা**—(হাট ডাকি তাৰ উৎপন্ন খোৱা লোক ; দলাল)—এই **হাট-খোৱাজনে** হাটুৱৈবিলাকক বৰ জুলুম কৰিছে।

**হাট-বাট**—'হতালি-বতালি' চোৱা।

**হাটাৰি-বজাৰি** (বা **বাজাৰি**)—(হাট-বজাৰ কৰা মানুহ)—**হাটাৰি-বাজাৰিবিলাকেও** তেওঁৰ কুখ্যাতিৰ কথা শুনিছে।

**হাটী-মতা**—(হাটীত থকা ভকতসকলক কোনো কামলৈ খবৰ দিয়া বিষয়া)—সত্ৰৰ হাটীয়ে একোজন **হাটী-মতা** আছে ; ভকতসকলক নানা কামলৈ মতাই তেওঁৰ কাম।

**হাটে-ঘাটে**—(ঘাটে বাটে ; সকলো ঠাইতে)—তোমাক টকা দিব লগীয়া আছে বুলি **হাটে-ঘাটে** টকা দাবি কৰিলে কোনে ভাল পাব ?

**হাটে-বাটে**—'হাটে-ঘাটে' চোৱা।

**হাড়ক মাটি কৰ্**—( অতিশয় পৰিশ্ৰম কৰ্ )—হাড়ক মাটি কৰি তেওঁ ধন আৰ্জিছে।

**হাড়-কাটমৰ**—( হাড় ভঙা পৰিশ্ৰমেৰে উপাৰ্জন কৰা )—হাড়-কাটমৰ ধন খৰচ কৰিবলৈ সকলোৰে টান পায়।

**হাড়-খৰাহি**—( হাড়কেডাল মাথোন সাৰ ; অতি ক্ষীণ )—হাড়-খৰাহি ল'ৰাটোক দেখিলে দুখ লাগে।

**হাড়-ছাল ওলা**—( ৰবকৈ খীণা )—ল'ৰাটো হাড়-ছাল ওলাই যাব লাগিছে কিয় ?

**হাড় ভুমভুমীয়া কৰ্**—(হাড় ভঙাকৈ মাৰ্ ; ৰবকৈ মাৰ্-পিট কৰ্ )—তাৰ উত্তৰালি চাইছে আছোঁ, ধৰিব লাগিলে হাড়-ভুমভুমীয়া কৰিম।

**হাড়ত-খোৱা**—( আহাৰ খাইও চিকণ হব নোৱৰা )—সেই ছোৱালীজনী হাড়ত-খোৱা, খাই বইও চিকণ হব নোৱাৰে।

**হাড়ত দুবৰি গজ্**—( মৰিবৰ বহু কাল হ )—তেওঁৰ কথা সুধিছে ; তেওঁৰ হাড়ত দুবৰি গজিছে।

**হাড়ত বন গজ্**—'হাড়ত দুবৰি গজ্' চোৱা।

**হাড়-ভঙা**—( বৰ কঠোৰ—পৰিশ্ৰমত খাটে )— দিনে-ৰাতিয়ে হাড়-ভঙা পৰিশ্ৰম কৰাত তেওঁৰ স্বাস্থ্য নষ্ট হ'ল।

**হাড়লৈকে চিন্**—( সম্পূৰ্ণভাৱে জান্ )— তেওঁক মই হাড়লৈকে চিনো, সেই বিষয়ে মোক কব নালাগে।

**হাড় গুচি কৰ্**—( অপবিহাৰ্য বুলি বন দুখীয়াভাৱে বিয়া কৰ্ )—হাড় গুচি কৰিবলৈ বুঢ়া কালত তেওঁ মন মেলিছে।

**হাড়ীত-খাইতীক হাড়ী-শাল দি**—( বিশ্বাসৰ অযোগ্য লোকক বিশ্বাস কৰ্ )—হাড়ীত-খাইতীক হাড়ী-শাল দিলে এনে হবই। তুমি নো তেওঁক চন্দুকটো এৰি দিছিলা কিয় ?

**হাড়ে-হাড়ে লাগ্**—'হাড়-হাল ওলা' চোৱা।

**হাড়ে-হিমজুৰে**—( সকলো কামেদি ; সম্পূৰ্ণভাৱে )—এই কলুৱা লোকসকল হাড়ে-হিমজুৰে অসমীয়া।

**হাতে-আখৰ**—( নিজহাতে লিখা আখৰ )—বেজ-নোট হাতে-আখৰত হোৱা উচিত।

**হাত আছ্**—( ভালকৈ হাতৰ অভ্যাস হ )—বেত কটাত তোমাৰ হাত আহা নাই।

**হাত উজান দি**—(কামত সহায় কৰ্)—এই কামত সকলোৱে হাত উজাই দিয়া, নহলে কামটো হৈ নুঠে।

**হাত উঠ্**—(কোনো কামত হাতৰ দক্ষতা বাঢ়)—তাতবিত তেওঁৰ হাত উঠিছে।

**হাত উঠা**—(মাৰিবলৈ বা অপমান কৰিবলৈ হাত তোল্)—গুৰু-গোসাঁইলৈ কেতিয়াও হাত নুঠাবা।

**হাত এৰ্**—(১। তত্ত্বাৱধান এৰ্। ২। বৰকৈ খৰচ কৰ্)—১। মই আজিৰপৰা ল'ৰাটোৰ ওপৰত হাত এৰিলোঁ। ২। এনেকৈ হাত এৰিলে তোমাৰ টকা কেইদিন থাকিব?

**হাত এৰি হেতালি খেল্**—(কোনো কাৰ্যৰ প্ৰধান উপাদান নোহোৱাকৈ সেই কাৰ্য কৰিবলৈ চেষ্টা কৰ)—তুমি হাত এৰি হেতালি খেলিব খুজিছা; কিন্তু নোহোৱাকৈ হোম হয় নে?

**হাত কৰ**—(নিজৰ অধীনলৈ আন্)—টকাখিনি গোটাই আনি হাত কৰা; তাৰ পিছত খৰচৰ কথা ভাবিবা।

**হাত কৰি ল**—'হাত কৰ্' চোৱা।

**হাত-কেৰেয়া মাৰ্**—(লোৰ খাৰু পিন্ধাই দোষীক বন্দী কৰ্)—আসামীটোক হাত-কেৰেয়া মাৰিব খোজোঁতেই সি এৰা দিলে।

**হাত কোঁচা**—(১। কমকৈ খৰচ কৰ্। ২। সহায় কৰি থাকিবলৈ অমান্তি হ)—১। সোনকালে হাত কোঁচোৱা, নহলে দেউলীয়া হবা। ২। দুখীয়াক দেখি হাত কোঁচোৱাটো সজ পুৰুষৰ লক্ষণ নহয়।

**হাত-খৰচ**—(সৰু-সুৰা খৰচলৈ হাতত ৰখা ধন)—হাত-খৰচৰ বাবে মোক পাঁচ টকা দিয়ক।

**হাত থাল্**—(পৰকীয় সম্পত্তি নোহোৱাকৈ লোকৰ বস্তু ল)—যঁতে যি দেখে, তঁতে হাত থালি ফুৰাই চুৰীৰ অভ্যাস।

**হাত চলা**—(হাতেৰে অভ্যাস কৰ্)—আৰৰ বহু অনাত সি বৰকৈ হাত চলাইছে।

**হাত ছিগ্**—(সহায়শূন্য হ)—সি মৰাত মোৰ হাত ছিগিল।

**হাত-ছিঙা কৰ্**—(সহায়হীন কৰ্)—ল'ৰাটো কাঢ়ি নি মোক হাত-ছিঙা কৰিলে।

**হাত জোকাৰ্**—( অলপ সাহায্য কৰ্ )—বিহুৰ বস্তুবিলাক কিনি বুলি আহিলোঁ; আপুনিও **হাত জোকাবিলে** ভাল পাওঁ।

**হাত-টান**—( খৰচ কৰিব নোখোজা ; কৃপণ )—সি বৰ **হাত-টান** মানুহ ; সেই দেখি কোনো চাকৰ বেছি দিন নাথাকে।

**হাত টোল কৰ্**—( গোলকৈ লক্ষ্য কৰি হাতেৰে অস্ত্ৰ চলাবলৈ অভ্যাস কৰ্ )—ল'ৰাবিলাকে কাঁড় মৰা শিকিবলৈ **হাত টোল কৰিব** লাগিছে।

**হাত-ঠাৰ**—( হাতেৰে দিয়া সংকেত )—**হাত-ঠাৰ** মাৰি সি চোৰটো খেদি পঠিয়ালে।

**হাত-ঠেং এৰি পৰ্**—( হাত-ভৰি মেলি অৱশ হৈ দীঘল দি )—গুৱে দিন পাৰীয়ে পাৰীয়ে ঘূৰি ঘূৰি এতিয়া বপুৰা **হাত-ঠেং এৰি পৰিছে**।

**হাত-ঠেং খা**—( অকৰ্মা হ )—তই নো এনেকৈ **হাত-ঠেং খালি** নে যে এই সৰু কামটোকে কৰিব নোৱাৰ ?

**হাতত আনি পেটত খা**—( দিনে উপাৰ্জন কৰি দিনে খা )—**হাতত আনি পেটত খাই** কথমপি পৰিয়ালটো জীয়াই আছে।

**হাতত ঢেঁকী পৰ্**—( সহায়হীন হ )—ছোৱালীজনী উলিয়াই দিয়াৰ পিছত মাকৰ **হাতত ঢেঁকী পৰা** যেন হৈছে।

**হাতত ধৰ্**—( ১। কাৰোবাক অনুৰোধ কৰ্। ২। কোনো কাৰ্য কৰাত বাধা দি )—১। মই এবাৰ আহোঁতেও, তেওঁ **হাতত ধৰি** মাতি নিছে। ২। মোৰ বাঁহ মই কাটিম ; কোনে মোক **হাতত ধৰিব** ?

**হাতত ধৰি দি**—( সামান্যভাৱে সাহায্য কৰ্ )—'**হাতত ধৰি দিওঁতা** নাই,পথাৰলৈ কোনোটো কামে।'

**হাতত ধৰি ভৰিত ধৰাৰ লগালে ক**—( দৃঢ়ভাৱে বিনীত প্ৰাৰ্থনা কৰা )—মই তেওঁক **হাতত ধৰি ভৰিত ধৰাৰ লগালে কৈছোঁ** ; তেও যদি অনুৰোধ নাৰাখে, কি কৰিম ?

**হাতত ধৰি শিকা**—( বৰ যত্নেৰে শিক্ষা দি )—পিতাকে ল'ৰাটিক সৰুতেই **হাতত ধৰি** সকলো কথা **শিকাইছিল**।

**হাতত লাগে ভৰিত লাগে**—( হাত বা ভৰিৰ সামান্য পৰশ লগাটো )—তোমালোক **হাতত লাগে ভৰিত লাগে** বস্তু লোকাল।

**হাত-তালি দি**—( হাত-চাপৰি মাৰ্ )—এনে অসাধাৰণ কাৰ্য দেখি ল'ৰাকিজাকে **হাত-তালি দিলে**।

**হাতে স্বৰ্গ পা**—( আচম্বিতে অপ্ৰত্যাশিত উপকাৰ, আনন্দ বা লাভ পা )—বহুত দিন আগেয়ে হেৰোৱা পুতেক ঘৰলৈ অহাত বাপেক-মাকে **হাততে স্বৰ্গ পালে**।

**হাততে হেকৰা**—( আচম্বিতে নোহোৱা হ )—ধন পাইও বুঢ়াই **হাততে হেকৰালে**; গাকৰ ভলৰপৰা কোনোবাই লৈ গ'ল।

**হাত তোল্**—( মাৰিবলৈ বা অপমান কৰিবলৈ হাত দাঙ্ )—হাজাৰ হওক, তেওঁ বয়সিয়াল মানুহ; তই তেওঁৰ ওপৰত **হাত তুলিছিলি** কিয় ?

**হাত দাঙ্**—'হাত তোল্' চোৱা।

**হাত দি**—( ১। স্পৰ্শ কৰ্। ২। কৰিবলৈ ধৰা। ৩। কোনো দোষত সংলগ্ন কৰি ল )—১। এই জোপা চোৰাত, তাৰ গাত **হাত নিদিবা**। ২। মই এতিয়াও কামত **হাত দিয়া নাই**। ৩। তই চুৰ কৰি মোৰ গাত **হাত দিবলৈ** চেষ্টা কৰিছ কিয় ?

**হাত-দীঘল**—( আনে সহজে নোপোৱা বস্তু সহজে আনিব পৰা বা আন তেনে কাম কৰিব পৰা; প্ৰভাৱশালী )—আপুনি **হাত-দীঘল** লোক; মোক টকা কুৰি যোগাৰ কৰি দিয়ক।

**হাত-দেখি মন-দেখি**—( দেখি = বেছি। পক্ষপাতিতা দোষ )—মেল মাৰিবলৈ বহি **হাত-দেখি মন-দেখি** নকৰিবা; দোষে চুব।

**হাত ধৰ্**—( মিতব্যয়ী হ )—ভবিষ্যতৰ কথা ভবা মানুহে **হাত ধৰি** চলে; অনাহকত এপইচাও নাভাঙে।

**হাত-ধৰা**—( সহায়কাৰী )—ল'ৰাটো যোৱাত বৰ অসুবিধা পাইছোঁ; সি মোৰ বৰ **হাত-ধৰা** আছিল।

**হাত ধৰি চল্**—'হাত ধৰ্' চোৱা।

**হাত ধৰি দি**—( তাকৰীয়াকৈ দি )—লাকবোৰ **হাত ধৰি দিবা**; নহলে নাটিব।

**হাত পৰ্**—( হাতৰ ক্ষমতাৰ হ্ৰাস পা )—আজি-কালি চিকিৎসাত তেওঁৰ **হাত পৰিল**।

**হাত পাত্**—( সহায় খোজ্ )—দুখীয়া হলেও সি কাৰো ওচৰত **হাত পতা নাই**।

**হাত ফুৰা**—( ১। মৰম বা প্ৰশংসাৰ ভাৱেৰে লাহে লাহে হাত বুলা। ২। সৰু-সুৰা দোষ ভচাই সংশোধন কৰ্ )—১। বুঢ়াই ল'ৰাটিৰ গাত **হাত ফুৰাবলৈ** ধৰিলে। ২। মোৰ পুথিখন আপুনি এবাৰ **হাত ফুৰাই** দিয়ক।

**হাত ধৰা**—'হাত ভোল্' চোৱা।

**হাত বলা**—(কোনো কামত হাত চলাবলৈ অভ্যাস কৰ্)—বাঁহৰ কাম নাজানো, এতিয়াহে **হাত বলাব** লাগিছোঁ।

**হাত-বলিয়ন**—(হাত চলাই কোনো কাম কৰা কাৰ্য)—বুঢীয়ে **হাত-বলিয়নত** সূতা পকাই বহি থাকে।

**হাত-বলী**—(১। হাতত বল থকা। ২। দানী)—১। সি বৰ **হাত-বলী** মানুহ; তাক বলে নোৱাৰিবা। ২। তেওঁ **হাত-বলী** লোক; মগনীয়া তেওঁৰ ঘৰৰপৰা ফিৰি নাযায়।

**হাত-বাউল** (বা **বাউলি**) **দি**—(হাত জোকাৰি দূৰৰপৰা সঙ্কেত দি)—মোক মুখেৰে নামাতি সি **হাত-বাউলি দি** মাতিছিল।

**হাত-বাট মাচা**—(আনে কৰিবলৈ বৈ নাথাক্)—ভোক লাগিলে মই কাৰো **হাত-বাট মাচাওঁ**; নিজে বিচাৰ-খোঁচাৰ কৰি খাওঁ।

**হাত-বাও দি**—'হাত-বাউল দি' চোৱা।

**হাত বাগৰ্**—(১। আগেয়ে আনে ব্যৱহাৰ কৰ্। ২। দা আদি ব্যৱহাৰ কৰোঁতে হাত লৰ্)—১। সাত **হাত বাগৰি** অহা কাপোৰখন মই নিকিনো। ২। মোৰ **হাত বাগৰি** দাখন ভাগিল।

**হাত বুলা**—'হাত ফুৰা' চোৱা।

**হাত-ভৰি এৰ্**—'হাত-ঠেং এৰ্' চোৱা।

**হাত-ভৰি ধো**—(হাত আৰু ভৰি ধো)—আপুনি যদি গা নোধোৱে, **হাত-ভৰি ধুবলৈ** পানী দিওঁ।

**হাত-ভৰি মচল্**—(ঘৰ-কাম কৰিবলৈ উদ্যোগ নহ)—ল'ৰাটোৰ অসুখৰ কথা শুনি ঘৰ-কামলৈ **হাত-ভৰি মচলা** হৈছে।

**হাত-ভৰি নালাৰ্**—(অলপো কাম-বন নকৰ্)—কোনোৱে **হাত-ভৰি নালাৰিলে** অকলে কেনেকৈ গৃহস্থালিৰ সকলো কাম কৰিম?

**হাত-ভৰি পেটত সুমো**—(অতিশয় ভয় পা)—বাতৰি-কাকতৰ কথাবোৰ পঢ়ি **হাত-ভৰি পেটত সুমোৱা** দিন পৰিল; কি নো যুঁজ-বাগৰখন লাগিল!

**হাত ভিজা**—(ভোজন কৰ্)—বিয়াৰপৰা শহুৰৰ ঘৰত **হাত ভিজাই** পোৱা নাই।

**হাত-ভেঁটি**—(ডাঙৰ লোকক সাক্ষাৎ কৰোঁতে দিয়া সামান্য উপহাৰ)—দুগণ্ডামান সুমথিৰা **হাত-ভেঁটি** বুলি লৈ যোৱাঁ।

**হাত মাৰ্**—(এহাত এহাতকৈ জোখ্)—**হাত মাৰি** চোৱাঁ, জৰীগছ কেইহাত হয়।

**হাত-মাৰি**—(১। হাতোৰা; মাপ। ২। এহাত জোখৰ মাৰি)—১। দাখনৰ **হাত-মাৰিটো** ছুটি হ'ল। ২। **হাত-মাৰিৰে** জুখি চোৱাঁ, কেইহাত হয়।

**হাত মিলা**—(পৰস্পৰে লগ হৈ কৰ্)—ৰাজহুৱা কাম সকলোৱে **হাত মিলাই** কৰিব লাগে।

**হাত-মুকলি**—(দানশীল)—তেওঁ বৰ **হাত-মুকলি** মানুহ; আনক কিবা দিহে সুখ পায়।

**হাত মেল্**—(পাবলৈ আশা কৰ্)—তেওঁ **হাত মেলিলেই** টকা পায়, আমিহে নাপাওঁ।

**হাত মেলি নাচ্**—(বৰ আনন্দ প্ৰকাশ কৰ্)—পৰীক্ষাত নো কিমান ভাল কৰিছা যে **হাত মেলি নাচিব** লাগিছা?

**হাত মেলি স্বৰ্গ পা**—(বৰ আকাংক্ষাৰ বস্তু অতি সহজে লাভ কৰ্)—লটাৰীত টকা দহ হেজাৰ পাই তেওঁ **হাত মেলি স্বৰ্গ পালে**; কিছু দিনলৈ অভাৱ নোহোৱা হ'ল।

**হাত-মোজা**—(হাতত পিন্ধা মোজা)—বৰ জাৰত ডাঙৰ মানুহে **হাত-মোজা** পিন্ধে।

**হাত-যশ**—(হাত ভাল বুলি পোৱা প্ৰশংসা)—ডাক্তৰজনৰ **হাত-যশ** আছে, তেওঁক আনি নৰিয়াটো দেখুওৱা।

**হাত-যোৰ কৰ্**—(দুয়ো হাত লগ লগাই সম্ভ্ৰম জনা)—মই **হাত-যোৰ কৰি** মাতিছোঁ, আপুনি এবাৰ আহিব।

**হাতৰ-কাণৰ বেচ্**—(গা-অলংকাৰ বেচ্)—চাহ খাবলৈ মানুহে আজিকালি **হাতৰ-কাণৰ বেচিব** লাগিছে।

**হাতৰ-কাণৰ সোলোকা**—(বৈধব্য অৱলম্বন কৰ্)—আগৰ দিনত কোনোৱে আমাৰ দেশৰপৰা জগন্নাথলৈ গ'লে ঘৰত বৈণীয়েকে **হাতৰ-কাণৰ সোলোকাইছিল**।

**হাতৰ কুঠাৰ ভৰিত মাৰ্**—(নিজে অবিবেচনাৰ দোষত নিজৰ সৰ্বনাশ কৰ্)—ডেকা কাল অযথাত কটালে যে **হাতৰ কুঠাৰ ভৰিত মৰা** হয়, এই কথা কেইজনে সময়ত বুজে?

**হাতৰ তলত ৰাখ্**—(অধীনত ৰাখ্)—তাক **হাতৰ তলত ৰখাটো** অসম্ভৱ হৈ উঠিছে।

**হাতৰ তলুৱা**—(সম্পূৰ্ণ ভালকৈ জনা বিষয়)—তাৰ গুণ-চৰিত্ৰ সকলো মোৰ **হাতৰ তলুৱা**।

**হাতৰ তলুৱা খজুৱা**—(লাভৰ আগন্তুক হ)—দুদিনমান ৰবা; মোৰ **হাতৰ তলুৱা খজুৱাইছে**; টকা পালেই দিম।

**হাতৰ তলুৱাত নোম গজ্**—(অসম্ভৱ সম্ভৱ হ)—সি সৎ চৰিত্ৰবান হলে মোৰ **হাতৰ তলুৱাত নোম গজিব**।

**হাতৰপৰা পাতলৈ চেলেক্**—(চেলেকি চেলেকি খা)—নাখাওঁ বুলিছিলা, এতিয়া **হাতৰপৰা পাতলৈ চেলেকিলা**।

**হাতৰ পাছ এৰি নিদি**—(হাতত কিছু ৰাখ্)—ৰসোগোল্লা দিওঁতে চাবা, **হাতৰ পাছ এৰি নিদিবা**।

**হাতৰ ৰন ছেদ নহ**—(কাম নোহোৱাকৈ বা নকৰাকৈ নাথাক্)—ছোৱালীজনীৰ **হাতৰ ৰন ছেদ নাই**; তথাপি ভাল মুখৰ মাত নাপায়।

**হাতৰ (বা গাৰ) মলি**—(সামান্য বস্তু)—চোৰে একুৰি টকাৰ বস্তু নিলে; দুখ নকৰিবা; সি তোমাৰ **হাতৰ মলি**।

**হাতৰ মুঠিত ৰাখ্**—(সম্পূৰ্ণকৈ নিজৰ আয়ত্ত ৰাখ্)—(অধীনত ৰাখ)—সি এতিয়া ডাঙৰ হ'ল; তাক আৰু **হাতৰ মুঠিত ৰাখিব** নোৱাৰি।

**হাতৰ মুঠিত লুকা**—(তেনেই লাহী হ)—ল'ৰাটো বৰ ধুনীয়া; কঁকালখন **হাতৰ মুঠিত লুকায়**।

**হাতৰ লক্ষ্মী ভৰিৰে ঠেল্**—(কোনো সুযোগ বা মূল্যবান বস্তু এৰি দি)—মাটি এৰিবা সি তোমাক যাঁচিছে; তুমি নাৰাখি **হাতৰ লক্ষ্মী ভৰিৰে ঠেলিব** খুজিছা কিয়?

**হাতৰ লাখুটি**—(বিশেষ আশ্ৰয় বা সহায়)—ল'ৰাটো মোৰ **হাতৰ লাখুটি** আছিল; সি যোৱাত কেনেবা কেনেবা লাগিছে।

**হাতৰ লাখুটি এৰি নিদি**—(নিজে সম্বলহীন নোহোৱাকৈ থাক্)—বাৰিষাতো আঁঠু-বুৰি যোৱাকৈ খাব এমুঠি আছে; তোমাক লাগিল বুলিয়েই মই **হাতৰ লাখুটি এৰি দিম নে**?

**হাত ৰাখি দি**—'হাত ধৰি দি' চোৱা।

**হাত লগা**—( হাতেৰে চুই কিলা )—এই বুঢ়াটোৰ গাত **হাত লগালি** কিয় ?

**হাত-লৰ** ( বা **লৰা** )—( অলপ চোৰৰ প্ৰকৃতিৰ )—ল'ৰাটো **হাত-লৰ** ; অলপ মনৰ কৰিবা।

**হাত লাগুনী** ( বা **লাগনী** ) **কৰ্**—( কামত সহায় কৰ্ )—তোমালোকে **হাত লাগুনী নকৰিলে** কামটো আজি হৈ নুঠিব।

**হাত লেচাৰি যা**—( মুকলি মনেৰে হাত ভোকাৰি যা )— সমজুৱাৰ মাজে মাজে, সেই জন কোন, **হাত লেচাৰি গৈছে** ?

**হাততৈ চা**—( কোনো বস্তু পাবলৈ আশা কৰ্ )— আনৰ **হাততৈ চাই** নাথাকি নিজে আৰ্জি খোৱা।

**হাত সাৰ্**—( উদ্ধাৰ হ ; ৰক্ষা পা )—তোমাৰ গুণত এই বাৰলৈ বিপদৰ **হাত সাৰিলোঁ**।

**হাত সাৰটি থাক্**—( কাম-বন নকৰাকৈ বহি থাক্ )—**হাত সাৰটি থাকিলে** ধন আপুনি আহিব নে ?

**হাতা-ওপৰা**—( একেটা কামতে বা কথাতে কেবাটায়ো হাত লগোৱা কাম )—ইমানে **হাতা-ওপৰা** কৰিব নালাগে ; মুঠে দুজনে এই কামটো কৰা।

**হাতা-তলা খা**—( আনৰ অধীনত ভোগ কৰ )—বোৱাৰীৰ **হাতা-তলা খাই** মই ইয়াত নাথাকোঁ।

**হাতা-তালি দি**—( কামত সহায় কৰ )—বাৰিষা চহত সি মোক বহুত **হাতা-তালি দিছে**।

**হাতালি খেদ্**—( তুচ্ছভাৱে ব্যৱহাৰ কৰ্ )—এই ল'ৰাবিলাকে ডেউক ছেলো **হাতালি খেদিছে**।

**হাতাহাতি**—( ১। হাতে হাতে। ২। হাতেদি কৰা যুঁজ )—১। টকা **হাতাহাতি** লৈহে গৰুটো বেচিবা। ২। বলীয়ে নিৰ্বলীয়ে কিহৰ **হাতাহাতি** ?

**হাতাহাতি কৰ্**—( ১। যুঁজ কৰ্। ২। কামত সহায় কৰ্ )—১। খেমালিতে **হাতাহাতি কৰিছা** হয়, পিছত খঙাখঙি যাতে নহয়, চাবা। ২। কামটো হওক দিয়া ; সকলোৱে অলপ **হাতাহাতি কৰা**।

**হাতী-কপলীয়া**—( বৰ সৌভাগ্যবান )—মানুহজন **হাতী-কপলীয়া** ; য'তে হাত দিয়ে, ত'তে সদায় লাভ কৰিছে এবে।

**হাতীক হাতেৰে ঠেল্**—( অসম্ভৱ কাৰ্য কৰিবলৈ আগ বাঢ়্ )—কপালত যি আছে, হবই ; **হাতীক হাতেৰে ঠেলিব** নোৱাৰি।

**হাতী-খাৱনে খা**—( বৰ বেছি পৰিমাণে খা )—এই মানুহটোক দুসেৰ চাউলৰ ভাত লাগে ; **হাতী খাৱনে খায়।**

**হাতী-খুজীয়া**--( হাতীৰ খোজৰ. নিচিনা ডাঙৰ )—মোৰ **হাতী-খুজীয়া** বাটিটো আপুনি নেহেৰায় ; কোনোবাই নিলে।

**হাতী জপাই কল-বাৰী ভাঙ্**—( নিজে বলে নোৱাৰি বলবান লোকদ্বাৰা শত্ৰুক প্ৰতিশোধ দি )—তই নিজে নোৱাৰি **হাতী জপাই কল-বাৰী ভাঙিব** লাগিছ ; মই জানো বুজা নাই ?

**হাতী-দঁতীয়া**--( ১। হাতীৰ দাঁতেৰে তৈয়াৰী। ২। হাতীৰ দাঁতৰ দৰে গোটা, দীঘল আৰু জোঙা )—১। এই মূৰ্তিটো **হাতী-দঁতীয়া** হয় নে? ২। বাঁহৰ গজালিবোৰ **হাঁতী-দঁতীয়া** হৈছে।

**হাতী নোহোৱা হাওদা**--( অনাৱশ্যকীয় বস্তু )— খিলঙত মই খিচনীৰে কি কৰিম ? **হাতী নোহোৱা হাওদাহে** হব।

**হাতী-পটি**—( ১। আকাশত একে লানীয়ে বহুত ওপৰত থকা অসংখ্য তৰাৰ পোহৰ পৰি হোৱা বাটৰ সদৃশ দৃশ্য। ২। বনৰ মাজৰ হাতী চলাচল কৰা বাট )—১। পৰিষ্কাৰ আকাশত ৰাতি **হাতী-পটি** দেখি। ২। এইটো **হাতী-পটি** ; এই বাটেদি এইমাত্ৰ হাতী গ'ল।

**হাতী পৰা দি**—( ১। বৰ ডাঙৰ শব্দ কৰি ডাঙৰ বস্তু পৰ্। ২। বিশেষ আলোড়ন কৰি বিখ্যাত লোক স্বৰ্গী হ )—১। বৰষুণৰ বতৰত বুঢ়া চোতালত **হাতী পৰা দিলে**। ২। তেওঁ আছে মানে আছে ; মৰিলে **হাতীপৰা দিব**।

**হাতী মাৰি ঢুককাত ভৰা**—( ১। অসম্ভৱ কাৰ্য কৰ্। ২। বৰ ডাঙৰ কাৰ্যৰ সামান্য ফল পা )—১। তুমি কলা বুলিয়েই গৃহস্থালিটো টোপোলাত বান্ধি লব পাৰিব নে? **হাতী মাৰি ঢুককাত ভৰাবলৈ** কোৱা কিয়? ২। ফুৰিটো কোনোবাৰ দুসেৰো গুঁঠি নহ'ল ; **হাতী মাৰি ঢুককাত ভৰোৱা** হ'ল।

**হাতীয়ে ওদালৰ গুৰিত কান্দ্**—( উপায়হীন হৈ অপকাৰীৰ ওচৰত অনুগ্ৰহ প্ৰাৰ্থনা কৰ্ )—**হাতীয়ে ওদালৰ গুৰিত কান্দিছা** হয়, তেওঁ তোমাৰ পৰম শত্ৰু, তোমাৰ কান্দোন শুনিব নে ?

**হাতীয়ে নিজৰ গা নেদেখ্**—(নিজে নিজৰ শক্তি বুজি নাপা)—তুমি কিমান শক্তিমান্, নিজে কেনেকৈ বুজিবা? **হাতীয়ে নিজৰ গা নেদেখে।**

**হাতীয়ে ম'হে যুঁজ্**—(তম্মা-মম্মা যুঁজ কৰ্)—ভায়েক-ককায়েকে এই দৰে **হাতীয়ে ম'হে যুঁজি** থাকে।

**হাতীয়ে নাউতে থাউনি নাপা**—(বৰ দ'হ)—বাৰিষা এই নদীতে **হাতীয়ে নাউতে থাউনি নাপায়।**

**হাতীয়ে মাখিয়ে সমান হবলৈ যা**—(তুচ্ছ লোকে ডাঙৰ মানুহৰ জোৰ লবলৈ আকাঙ্ক্ষা কৰ্)—**হাতীয়ে মাখিয়ে সমান হবলৈ** নাযাবা; তেওঁৰ লগত তুমি কেনেকৈ ফেৰ মাৰিবা?

**হাতীৰ গালৈ তৰাৰ ফমু'টি মাৰ্**—(বলবান শত্ৰুৰ প্ৰতি তুচ্ছ অস্ত্ৰপ্ৰয়োগ কৰ্)—তোমাৰ এই ষড়যন্ত্ৰই তেওঁৰ কি অপকাৰ কৰিব? **হাতীৰ গালৈ তৰাৰ ফমু'টি মৰাহে** হ'ব।

**হাতীৰ শুঁড়ত নাই বুলিও চাৰি কলহ পানী থাক্**—(যোত্ৰধাৰ লোকৰ হাতত নত'কপতিও কিছু সম্বল থাক্)—আপোনাৰ নিচিনা লোকৰ পক্ষে এশ টকা যোগাৰ কৰি দিয়া অতিশয় সামান্য কথা; **হাতীৰ শুঁড়ত নাই বুলিও চাৰি কলহ পানী থাকে।**

**হাতীৰে হাল জোৰ্**—(শক্তিৰ বা সম্বলৰ অপচয় কৰ্—এই ঘৰটো সাজিবলৈ পঞ্জাবৰপৰা মিস্ত্ৰী আনিব লাগে নে? **হাতীৰে হাল জোৰাৰ** নিচিনা কাম হ'ল।

**হাতীৰো পাৰ্ পিছল্**—'হস্তীৰো পাৰ পিছল্' চোৱা।

**হাতী-শুঁড়েৰে বৰষুণ দি**—(বৰ ডাঙৰকৈ বৰষুণ দি)—আজি পুৱা **হাতী-শুঁড়েৰে বৰষুণ দিলে**; পথাৰবোৰ ভৰি গৈছে।

**হাতে আকাশে চুকি নোপোৱা**—(বহুত দূৰত থকা)—মাছ সিদিনা বহুত পাইছিলোঁ; কিন্তু দি পঠাম কেনেকৈ? **হাতে আকাশে চুকি নোপোৱা ঠাই।**

**হা-তে কা তোল্**—(সামান্য অভাৱতে হাহাকাৰ কৰ্)—বুঢ়ীৰ কি নাই? তথাপি **হা-তে কা তোলাই** তেওঁৰ স্বভাৱ।

**হাতে-কাণে আঁৰ**—(সম্পত্তিশালী হ)—তেওঁলোকে দুদিন আগেয়ে খুজি ভাত নাপাইছিল; আজি **হাতে কাণে আঁৰিছে।**

**হাতে-কাপে ধৰা পৰ্‌**—(অপৰাধ কৰি থকা অৱস্থাতে ধৰা পৰ্‌)—**হাতে-কাপে ধৰা পৰিও** সি আঁসে মাতিছে।

**হাতে-কাষে আঁজোৰ্‌**—(আনৰ সাহায্য নোহোৱাকৈ বহুত পৰিশ্ৰম কৰি চল্‌—তিৰোভাত খাটে)—ছোৱালীজনীয়ে **হাতে-কাষে আঁজুৰিও** ইমান মানুহৰ পৰিয়াল এখন চলাইছে।

**হাতে চুকি পা**—(নিজৰ আয়ত্বৰ ভিতৰত থাক্‌)—এই কামটো মই **হাতে চুকি নাপাওঁ**; আন এজনক ধৰাগৈ।

**হাতে নামাৰি ভাতে মাৰ্‌**—(প্ৰকাশ্যে অপকাৰ নকৰি কৌশলেৰে তেনে কৰ্‌)—মাউৰা ল'ৰাটোক সি **হাতে নামাৰি ভাতে মাৰিব** খুজিছে; তাক আঁতৰাব লাগিল।

**হাতে পা**—'হাতে চুকি পা' চোৱা।

**হাতে-পাতে**—(আটায়ে মিলি; ধৰাধৰিকৈ)—**হাতে-পাতে** কামটো কৰি পেলোৱা: কিমান সময় লাগিব?

**ভৰিয়ে আছাৰ্‌**—(ওভত-গোবে নাচ্‌: উদ্ধুৱালি কৰ্‌)—তই ভাললৈ নে কাললৈ **হাতে ভৰিয়ে আছাৰিব** লাগিছ, কব পৰা নাই।

**হাতে-ভৰিয়ে ধৰ্‌**—(ৰৰকৈ কাকুতি কৰি প্ৰাৰ্থনা জনা)—**হাতে-ভৰিয়ে ধৰি** তেওঁৰপৰা ধান দুমোণ বাকীকৈ আনিলোঁ।

**হাতে কই ভৰিৰে মোহাৰ্‌**—(নিজে পাতি নিজে অপদস্থ কৰি ভাঙ্‌)—ময়ে তেওঁক নায়ক পাতিছিলোঁ: এতিয়া ময়ে ভাঙিও, **হাতে কই ভৰিৰে মোহাৰিব নোৱাৰোঁ**।

**হাতে-লোতে ধৰা পৰ্‌**—'হাতে-কাপে ধৰা পৰ্‌' চোৱা।

**হাতে-হাতে**—(১। প্ৰত্যেকটো এহাত অন্তৰত। ২। প্ৰত্যেকৰ হাতত। ৩। এজনৰ হাতৰপৰা অইন এজনৰ হাতলৈ। ৪। তেতিয়াই)—১। পুলিবোৰ **হাতে-হাতে** ৰোৱা। ২। **হাতে-হাতে** একোচা ধৰি আনা। ৩। মাৰোৱাৰীৰ চিঠি **হাতে-হাতে** চলে। ৪। সি **হাতে-হাতে** ফল পালে।

**হাতে হাতে ধৰ্‌**—(কোনো বেয়া কাম কৰি থাকোঁতেই ধৰ্‌)—চোৰটোক গৰাকী **হাতে হাতে ধৰিলে**।

**হাতে হাতে পা**—(তদণ্ডে পা)—মানুহ নাম লওঁতেই **হাতে হাতে পালোঁ**।

**হা-ত্তে শুকা**—( মাটনিত কাতৰ হ )—ছোৱালীজনী দিনে দিনে **হা-ত্তে শুকাই** যাব লাগিছে।

**হাতে হানি হেকৰা**—( নিজৰ দোষত পোৱা বস্তু নাশ কৰ্ )—মাছটো **হাতে হানি হেকৰালোঁ**; নমৰাকৈ আনিব খোজোঁতে হাতৰপৰা ওলাই পানীত পৰিল।

**হাদাঙি মেল্**—( ৰখীয়া নোহোৱাকৈ এৰি দি )—খেতিৰ মাজত গৰুবোৰ **হাদাঙি মেলিছা** কিয় ?

**হান তোল** ( বা **পূৰা** )—( ক্ষতিৰ প্ৰতিকাৰ কৰ্ )—এই **হানটো তুলিব** নোৱাৰিলে গৃহস্থালি যাব।

**হান্ হান্ কাট্ কাট্ কৰ্**—( সদায় টান কথাৰে কষ্ট দি থাক্ )—দিনে ৰাতিয়ে **হান্ হান্ কাট্ কাট্ কৰি** থাকিলে ল'ৰাছোৱালী বেয়া হবই।

**হাবাগুত লোণ সস্তা হ**—( দুৰ্বলৰ বস্তু বা মানুহ আদি উপকাৰী হলেও কাৰ্যক্ষেত্ৰত বিশেষ উপকাৰত নাহ্ )—**হাবাগুত লোণ সস্তা**, দেহাৰ বা কি অৱস্থা ? সেই দেখি ওচৰতে যি পোৱা, তাতে সন্তুষ্ট থকাহে কৰ্তব্য।

**হাবাথুৰি** ( বা **হাবাথুৰি** ) **খা**—( বৰ কষ্ট পা )—খাই বিচাৰি **হাবাথুৰি খালোঁ**, তেওঁ নাপালোঁ।

**হাবাথুৰি** ( বা **হাবাথুৰি** ) **লাগ**—( কষ্টত কাতৰ হ )—খাই বিচাৰি **হাবাথুৰি লাগিছে**; আজি একো কৰিব নোৱাৰোঁ।

**হাবি-জাবি**—( ১। নানা বস্তুৰ সান-মিহলি। ২। বিশৃঙ্খল কাম )—১। এনে **হাবি-জাবিৰে** মোৰ পেট নভৰে। ২। তেওঁ **হাবি-জাবি** দেখি ভাল নাপালে; গুচি গ'ল।

**হাবি-বাৰে ঢাকুৰ্**—( আতৰ্নাদ কৰি কান্দ্ )—ককায়েক মৰা শুনি ভাই **হাবি-বাৰে ঢাকুৰিবলৈ** ধৰিলে।

**হাবি-লঙ্কা মাৰ্**—( বহুত দুৰ্বলৰ ঠাইবোৰ ঘূৰি আহ্ )—ভাল গাই এজনী বিচাৰি কেবা দিশে কত **হাবি-লঙ্কা মাৰি** আহিলোঁ, গাই হলে নাপালোঁ।

**হা বোলোঁতেই হনুমানিয়াহৰ বাতৰি পা**—( সামান্য আভাসৰপৰাই সমস্ত বুজি পা )—তেওঁ বৰ বুজিয়ক লোক; **হা বোলোঁতেই হনুমানিয়াহৰ বাতৰি পায়।** তেওঁৰপৰা এইবোৰ কথা লুকাম কেনেকৈ ?

**হামখুৰি খা**—(মুখ থেকেচা খাই পৰ্)—কেঁচুৱাটোৱে **হামখুৰি খাই** পৰিছে দাঁতে-ওঁঠে কাটিলে নেকি ?

**হাম্বাও কাঢ়্**—(লোক বা আদৰেৰে স্মৰণ কৰ্)—ভাই নেউতাকলৈ এতিয়াও **হাম্বাও কাঢ়ি** থাকে।

**হামা-মাটি খা**—(কোনো কামত বৰ কষ্ট পাই জব্দ হ)—কামটো যে ইমান টান, বুজাই নাছিলোঁ; এদিন কৰিয়েই **হামা-মাটি খালোঁ**।

**হামাৰ-ভাৰে**—(ভাৰে ভাৰে; প্ৰচুৰ পৰিমাণে)—মাছ **হামাৰ-ভাৰে** বৈও মানুহে শেষ কৰিব পৰা নাই।

**হামিয়াই হেঁকটিয়াই থাক্**—(অবাবত সময় কটা)—কাম নকৰি **হামিয়াই হেঁকটিয়াই থকাই** আমাৰ অভ্যাস।

**হামোকা খা**—(এঢলীয়া হ)—ঘৰটো **হামোকা খাই** আছে, নতুনকৈ খুঁটা লগোৱা।

**হামোৰ-কামোৰ**—(বৰ আগ্ৰহেৰে কৰা কাৰ্য)—ল'ৰাটোৱে সকলো কামকে বৰ **হামোৰ-কামোৰকৈ** কৰে দেখি তাক বৰ ভাল পাওঁ।

**হায়ঙু-বিঙু**—(শোক, ভয় আদি প্ৰকাশ কৰা ডাঙৰ মাত)—মুখৰ আগতে মোটৰ-দুৰ্ঘটনাটো দেখি সকলোৱে **হায়ঙু-বিঙু** কৰিবলৈ ধৰিলে।

**হাৰ-মাল**—(এৰাব নোৱাৰা বা বৰ মৰমৰ বস্তু আদি)—কেঁচুৱাটো বুঢীৰ **হাৰ-মাল** হৈছে; তাক থৈ তেওঁ এখন্তেকো ক'লৈকো যাব নোৱাৰে।

**হাবলী আই**—(আজলী আই)—'কেনেকুৱা পোটে কাণ খাই ফুৰে, চিনোৱা হাবলী আই।'

**হাবামৰ নেগুৰ**—(বৰ দুষ্ট বা নিকৃষ্ট মানুহ)—'কণা কুঁজা ভেঙুৰ, ই তিনি **হাবামৰ নেগুৰ**।'

**হাবাশাত্তি হ**—(হায়ৰাণ হ)—গৰুটো বিচাৰি **হাবাশাত্তি হলোঁ**।

**হাবাহাবিকৈ**—(কটাকাটি কৰি; কম-বেছি মিলাই)—মাছবোৰ **হাবাহাবিকৈ** ভগাই দিয়া।

**হাবি-অঙ্ক দি**—(অপৰাধীৰ কপালত শেঁতাৰ চিন আঁকি দি)—তেতিয়াৰ দিনত কোনো কোনো দোষীক **হাবি-অঙ্ক দিয়া** হৈছিল।

**হাল উঠ্**—(হাল বোৱা কাৰ্য শেষ হ)—আজি আমাৰ **হাল উঠিব**; নাঙল-ধোৱা পিঠা খাম।

**হাল জোৰ্**—( হাল বাবলৈ ধৰ্ )—মোৰ মাটিত **হাল জুৰিছা** কিয় ?

**হালত জোৰ্**—( জব কৰি হীন কামত লগা )—বিদ্ৰোহীবিলাকক বজাই **হালত জুৰিলে**।

**হাল নোহোৱা হলধৰ**—( ডাঙৰ নাম লোৱা নিগু'ণ লোক )—তেওঁক গাঁৱৰ মানুহে ডাক্তৰ বুলি মাতে দেখিয়েই তুমি আকৌ ডাক্তৰ বুলি নাভাবিবা ; তেওঁ **হাল নোহোৱা হলধৰ**।

**হাল বা**—( নাঙলেৰে মাটি চহা )—খেতিয়কবিলাকে **হাল বাব** লাগিছে।

**হাল মেল্**—( দিনটোলৈ হাল বাবলৈ এৰ )—পেলি হৈছে, **হাল মেলি** দিয়া।

**হালে-বাথে** –( বঙে-ধেমালিয়ে ; হেলা-বঙে )—**হালে-বাথে** দিনকেইটা গ'ল,—পৰীক্ষা আছিল,—কি কৰোঁ ?

**হালে হালে সাঙোৰ্**—( কেবাটাকো একেলগে বান্ধি জব্দ কৰ্ )—পুলিচে ডকাইতবিলাক **হালে হালে সাঙুৰি** আনিছে।

**হাৱা খা**—( মুকলি ঠাইত নিৰ্মল বতাহ ল )—তেওঁ নদীৰ পাৰত **হাৱা খাই** ফুৰিছে।

**হা-হা কা-কা কৰ্**—( দুখ-কষ্টত পৰি চিঞৰ-বাখৰ কৰ্ )—হেজাৰ হেজাৰ মানুহে **হা-হা কা-কা কৰি** ভাত বিচাৰি ফুৰিছে।

**হাহাকাৰৰ বাহ**—( তীব্ৰ সমালোচনাৰ বিষয় )—মই **হাহাকাৰৰ বাহ** হৈ থকাতকৈ আঁতৰি থোৱাই ভাল।

**হা-হুমুনিয়াহ** –( দুখ-বেজাৰ )—**হা-হুমুনিয়াহ** কাঢ়ি নাথাকিবা, অমঙ্গল মাতি অনা হয়।

**হিং-হিং কিট্-কিট্ কৰ্**—'হান্-হান্ কাট্-কাট্ কৰ্' চোৱা।

**হিচ্ খা**—( প্ৰচুৰ পৰিমাণে গোট খাই ঠাহ মাৰি থাক্ )—পুখুৰীটোত মাছে **হিচ্ খাই** আছে।

**হিয়া ঢাকুৰ্**—( বা **ডুকুৰা** )—( বুকুত ভুকুৱাই কান্দ্ )—**হিয়া ঢাকুৰিলেও** তোমাৰ হেৰোৱা ল'ৰা ঘূৰাই নোপোৱা।

**হিয়া ধুন্**—( কান্দি ব্যাকুল হ )—যৈণীয়েকে মৰিশালিত বহি **হিয়া ধুনি** গিৰীয়েকলৈ কান্দিছে।

**হিয়াৰ আমঠু**—( বৰ প্ৰিয় মানুহ )—সেই ল'ৰাটোৱেই বুঢ়াৰ **হিয়াৰ আমঠু**, সিয়েই তেওঁৰ সকলো।

**হীৰিণ কুটা তীৰিণ কৰ্**—( অলপো কাম-বন কৰ্ )—ঘৰত থাকি **হীৰিণ কুটা তীৰিণ** নকৰিলে কোনে তোক খুৱাব ?

**হুঁটাই-টাই**—( কোনো কামতে লৰালৰি )—**হুঁটাই-টাই** নকৰি লাহে লাহে কৰা, তেহে কাম সোনকালে হব ।

**হুই-হুই**—( সম্পতি-অসম্মতি )—কথাটো তেওঁলোকে কৈছে, তুমি **হুই-হুই** নকৰি বহি থাকিলা কিয় ?

**হুই-হাই**—( হাই-হুই ; চিঞৰ-বাখৰ )—তোমালোকে **হুই-হাই** কৰা শুনি ভাবিছিলোঁ, বাঘ ওলাইছে ।

**হুজ পাত্**—( বহুত মানুহ গোট খা )—ইমান মানুহে ইয়াত **হুজ পাতিছে** কিয় ?

**হুজ-যাত্ৰা**—( বহুত মানুহৰ সমদল )—আজি খাদ্য-সমস্যাৰ বিষয়ে এটা বিৰাট **হুজ-যাত্ৰা** হব ।

**হুতুক ৰবৰকৰা পাত্**—( সামান্য মানুহক ডাঙৰ বিষয় দি কষ্টৰ কাৰণ সৃষ্টি কৰ্ )—গঞাই তেওঁক সৰ্বেসৰ্বা পাতোঁতেই মই ইঙ্গিত দিছিলোঁ ; এতিয়া **হুতুক ৰবৰকৰা পতাৰ** মজা পালা নে ?

**হুতু খেদা দি**—( ৰবকৈ চিঞৰ-বাখৰ কৰি খেদ্ )—দেউঁসকলক সিদিনা বাইজে **হুতু খেদা দিলে** ।

**হুতুৰে ভেটিয়ে-মাটিয়ে খুন্দ্**—( কোনো অমঙ্গলীয়া কাৰণত সৰ্বস্বান্ত হ )—গঞাৰ লগত মোকৰ্দমাত সি সকলো হেৰুৱালে ; **হুতুৰে** তাৰ **ভেটিয়ে-মাটিয়ে খুন্দিলে** ।

**হুল উঠ্**—( হানি পূৰ হ )—সেই বছৰৰ লোকচানৰ **হুল** এতিয়াও **উঠা** নাই ।

**হুল তোল্**—( হানি পূৰা )—আমি যথাসাধ্যে এই কামৰ **হুল তোলাত** সাহায্য কৰিম ।

**হুলু-বাৰ্তা**—( উৰা বাতৰি )—এই **হুলু-বাৰ্তাত** অধৈৰ্য নহব ; কথাটো মিছা যেন লাগিছে ।

**হুমতুম মামাত্**—( সম্মতি বা অসম্মতি একোকে নক )—আমি বহুত পৰ এই কথা আলোচনা কৰিলোঁ ; তেওঁ **হুমতুম্ মামাতি** বহি থাকিল ।

**হুৰ খা**—( ভয় খাই পলা )—চৰাইবোৰে **হুৰ খাই** দশোদিশে উৰি গ'ল, এটাও গুলীত নপৰিল ।

**হুৰ-মুৰ** —(লৰালৰি)—'**হুৰ-মুৰ** যাত্ৰা কি কৰে বিধাতা।'

**হুৰি মাৰ্** —(বহুত মানুহে গিৰ্জনি মাৰ্)—সমজুৱাই **হুৰি মাৰিলে**; ভুঁই-কঁপ অহা যেন পালোঁ।

**হুল চাঁচ্** —(গোপনে ষড়যন্ত্ৰ কৰ্)—সি তোমালৈ **হুল চাঁচি** আছে, নাপাহৰা যেন।

**হুলৰ ওপৰত থৰ মাৰ্** —(নিশ্চিত বিপদ্ জানিও কোনো কাম কৰ্)—**হুলৰ ওপৰত থৰ মাৰিলে** হুল ফুটিবই; জানি-শুনিও এনে কামলৈ আগুৱাইছিলা কিয়?

**হুলে হুল কাঢ়্** —(শত্ৰুদ্বাৰা শত্ৰুক বিনাশ কৰ)—**হুলে হুল কাঢ়িব** লাগে; মানুহেও এজন শত্ৰুক হাতত লৈ ডাঙৰ শত্ৰুৰ ওপৰত প্ৰতিশোধ লয়।

**হেঁচুকি গছত তোল্** —(এজনৰ ইচ্ছাৰ বিৰুদ্ধে বলেৰে কোনো কাৰ্য কৰা)—**হেঁচুকি গছত তোলা** আৰু পঢ়িবলৈ আগ্ৰহ নোহোৱা ল'ৰাক পঢ়ুৱা একে কথা।

**হেঁপোৰ পিট্** —(কৰিব নোৱৰা কামত ধৰি টনা-আজোৰা কৰি থাক্)—সি যেনেকৈ **হেঁপোৰ পিটি** আছে, আন এজনে সহায় নকৰিলে কামটো হৈ নুঠিব।

**হেঁকনি মাৰ্** —(চকু পকাই ভেকাহি মাৰ্)—মই কথাটো জানো দেখি কওঁ বুলিলোঁ; এনেতে মেলে'কজনে মোলৈ **হেঁকনি মাৰি** উঠিল; মই নকলোঁ।

**হেকাই টিলিকি বাওঁ কৰ্** —(ৰঙত উধাও হ)—স্কুল অকস্মাৎ তিন দিন বন্ধ হোৱাত ল'ৰাবিলাকে **হেকাই টিলিকি বাওঁ কৰিবলৈ** ধৰিলে।

**হেকাম পাৰ্** —(এজনে আন এজনক আগতে কৰা উপকাৰৰ কথা সোঁৱৰাই লাজ দি)—মোৰ নৰিয়াত ঘৰৰ কাম-বন কৰি দিছিলা, তাকে সদায় কৈ **হেকাম পাৰি** থাকিব লাগে নে কি?

**হেকাম মাতে কেঁকাম কৰ্** —(হেকাম পাৰি মৰ্মত আঘাত দি)—তোমাৰ **হেকাম মাতে** মোক **কেঁকাম কৰিছে**।

**হেণ্ডা-পুণ্ডা** —(মিছা বাধা-বিঘিনি দেখুৱাই কাম পেলাই থোৱা কাৰ্য)—**হেণ্ডা-পুণ্ডা** দেখুৱাই আৰু কিমান দিন থাকিবা? কামটো বাৰু মই কৰিম।

**হেণ্ডাৰ তাণ্ডি পকা ধান খা** —(ডাঙৰ চাৰিকৰ কাৰ্য কৰ্)—শুকান কামোল ছুমোণ বেচি সেউতাৰ শৰাধৰ ধন গোটাম বুলি ভাবি থ'কোঁতে এদিন বাটি চোৰে **হেণ্ডাৰ তাণ্ডি পকা ধান খালে**।

**হেণ্ডেৰা তুৰ্** —(হাবি কাটি ডাকপৰা গোটা কাঠ-বাঁহ আদি জাঁতৰাই মাটি উলিয়া)—

হাবিডোখৰ কাটি এৰিয়াই **হেঙেৰা গুৰিৰ** লাগিব; তেতিয়াহে পানীত জাৰ পঁচিলে হাল-কোৰ মাৰিব পৰা যাব।

**হেতা-ওপৰা কৰ্**—'হাতা-ওপৰা' চোৱা।

**হেদালি মেল্**—(স্বেচ্ছাচাৰী হবলৈ সুযোগ দি)—তোমাৰ ল'ৰাটোক **হেদালি মেলি** দি ভাল কৰা নাই; পিছত শাসন কৰিবা কেনেকৈ?

**হেন জানি**—(সেই দেখি)—কাম পেলাই থলে কামে খায়; **হেন জানি** শীঘ্রে কৰি তাক তুমি থোৱা।

**হেন্দোল-দোপ লাগ্**—(তাণ্ডৱ হৈ-চৈ লাগ্)—গুৱাহাটীত কংগ্ৰেছ হব,—গোটেই দেশত **হেন্দোল-দোপ লাগিল**।

**হেমতালৰ কোৰ দি**—(মাৰাত্মক কোৰ মাৰ্)—সি যিহে **হেমতালৰ কোৰ দিলে**, থাইটো তাতেই মৰি থাকিল।

**হেৰফেৰ তোল্**—(ক্ষতি বা অপকাৰ পূৰণ কৰ; প্ৰতিশোধ ল)—মোক এদিন অপমান দি'ছিলা, আজি তাৰ **হেৰফেৰ তুলিম**।

**হেৰাই-পলাই যা**—(নোহোৱা হ)—কুঠাৰখন যে নি'দিলা, মই জানো তোমাক কুঠাৰখন লৈ **হেৰাই-পলাই গলোহেঁতেন**?

**হেৰা পা**—(গৰাকী নোহোৱা অৱস্থাত পা)—মই এটা কলম **হেৰা পাইছোঁ**।

**হেৰাল-পোৱাল কাণ্ডপ**—(অগতিৰ গতি)—**হেৰাল-পোৱাল কাণ্ডপ**; টকা লাগে, তেওঁৰ ওচৰ চাপিবই লাগিব।

**হেৰালেও বিচাৰোঁতা নহ, মৰিলেও কান্দোঁতা নহ**—(কোনো মিহিৰ-কুটম নহ)—মো'ৰ নো কি? মোৰ খবৰ লবলৈ পৃথিৱীত কোন আছে? **হেৰালেও বিচাৰোঁতা নাই, মৰিলেও কান্দোঁতা নাই**।

**হেলকুট কাট্**—(অলপ অনিচ্ছা বা হেলা কৰ্)—তেওঁক আহিবলৈ কৈছিলোঁ; তেওঁ-**হেলকুট কাটিলে** দেখি মনে আহিলোঁ।

**হেলেম-হেতেম**—(হেলা-ওচা; আওহেলা)—কামটো এৰি তোমালোকে **হেলেম-হেতেম** কৰি আছা কিয়?

**হেহেঁা-মেহেঁা কৰ্**—(ইতস্ততঃ কৰ্)—টকাৰ কথা কলোঁ, তেওঁ দিবলৈ **হেহেঁা-মেহেঁা কৰিলে**।

**হেলো-হৈছো কৰ্**—(কোনো কাৰ্যত টনা-আঁজোৰাকৈ আগি থাকি কৰ লাগে তাকে

কৰ )— সিহঁতে যেনে **হেলো-হৈচৌ কৰি** আছে, কাণটো আজি বহিৰ যেন দেখিছোঁ।

**হৈ-গু হৈ-গু কৰি ফুৰ**—( অনবৰত কোঢ়াল কৰি ফুৰ )—ইহঁতৰ বন-কাম নাই নেকি ? সদায় **হৈ-গু হৈ-গু কৰি ফুৰি** সকলোৰে শান্তি ভংগ কৰিছে।

**হৈ দি**—( হৈ হৈ শব্দেৰে খেদ )—অচিনাকী মানুহটোক ইহঁতে **হৈ দি** খেদিলে।

**হৈ-ধ্বনি দি**—( ড'ঙৰ ডাঙৰকৈ হৈ হৈ শব্দ কৰ )—বৰীত মাছ মাৰোঁতে মানুহবিলাকে **হৈ-ধ্বনি দিব** লাগিছে।

**হৈ-হৈ চেঙো চেঙো কৰ**—( বহুত মানুহে ডাঙৰ ডাঙৰকৈ লজ্জাজনক বা অপমান-সূচক কথা ক )—মই তাত গুলাবহে পালোঁ, মানুহবিলাকে **হৈ-হৈ চেঙো-চেঙো কৰিবলৈ** ধৰিলে।

**হোঁ-হেকো একো নামাত**—'হুম্‌তুম নামাত' চোৱা।

**হোমৰ গুৰিত পূৰ্ণা দি**—( মহৎ পুণ্যৰ কাৰণ হ )—তাক সহায় কৰিলে নো মোক কি হব ? সি নো ক'ত মোৰ **হোমৰ গুৰিত পূৰ্ণা দিব** ?

**হোমৰ গোজ নাপা**—( বৰলা হৈ থাক্ )—তোৰ দৰে কোনে বাৰু **হোমৰ গোজ নোপোৱাকৈ** আছে, চাচোন।

**হোৰ তোল**—( প্ৰতিফল দি ; হানি পুৰা )—পুৰণি শত্ৰুতাৰ **হোৰ তুলিবলৈ** তেওঁ প্ৰতিজ্ঞা কৰিছে।

**হোল-গোঁজ**—( কাঠৰ পুতলাৰ নিচিনা জ্ঞান-বুদ্ধিহীন )—সেই **হোল-গোঁজটোৱে** আমাৰ একো কাম নিসিজে।

**হোলাই হোলাই যা**—( অসাৰ্থকভাৱে নষ্ট হ )--গাখীৰখোৰ ৰাখালোঁও, নিদিলোঁও—সাঁচি থওঁতে পচি গ'ল, **হোলাই হোলাই গ'ল**।

**হোলাৰ ভাই মোলা**—( নিচেই সৰল মানুহ )—তেওঁ **হোলাৰ ভাই মোলা,** যি কোৱা তাকে কৰিব।

**হোলোঙাৰে কাণ বিন্ধা**—( অসম্ভৱ কাৰ্য কৰিবলৈ চেষ্টা কৰ )—কৰত নোহোৱাকৈ কাচিৰেও কাঠ ফালিব পাৰি নেকি ? **হোলোঙাৰে কাণ বিন্ধাৰ** খুজিলেও নোৱাৰি।

**হোৱা আজাত লোণ দি**—'সিজা শাকত লোণ দি' চোৱা।

**হোৱাতো নোহোৱাতো**—( উচিত অনুচিত নিবিচাৰি, সকলো সময়তে )—

**হোৱাতো নোহোৱাতো** যোক ধৰি নাথাকিবা; মই তোমাৰ কোন কালৰ শত্ৰু?

**হোৱা দি**—( নভবা-নিচিন্তাকৈ লোকৰ মতত মত দি )—কথাটো ভাবি চাইহে মতামত দিব লাগে; ৰাইজৰ প্ৰতিনিধি হৈ আহি **হোৱা দিয়াটো** সমীচীন নহয়।

**হোৱা-দোৱা ( হুৱা-দুৱা )**—(হাই-উৰুমি)—তাত কিহৰ **হোৱা-দোৱা** লাগিছে?

## ক্ষ

**ক্ষণ মৰা বন কৰ্**—( সময় কটাবলৈ আন্তৰিকতা নোহোৱাকৈ কোনো কাম কৰ্ )—গোলোক দাখন লৈ আহিছা, কি কাম কৰিবা? **ক্ষণ মৰা বন কৰিলে** আমাৰ কাম কেনেকৈ আগুৱাব?

**ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট**—( অস্থিৰ প্ৰকৃতিৰ; পৰিবৰ্তনশীল মেজাজৰ )—তেওঁ মানুহজন তেনেই; **ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট**; সেই দেখি মেজাজলৈ লক্ষ্য ৰাখিহে কথা-বতৰা কৰা।

**ক্ষন্তেকৰ ভোজ খাওঁতা নহ**—( আশা অনুসৰি কোনো কাৰ্যত সফল হোৱা সম্পৰ্কে নিশ্চয়তা নহ )—কামটো যথাসাধ্যে কৰিছা, সেয়ে যথেষ্ট; ফলাফললৈ আশা পালি নাথাকিবা; **ক্ষন্তেকৰ ভোজ খাওঁতা নাই**।

**ক্ষমা কৰ্**—( দোষ মাৰ্জনা কৰ্ )—মই দোষ কৰিছোঁ, **ক্ষমা কৰক**।

**ক্ষমা খোজ্**—( দোষ মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা কৰ্ )—দোষ স্বীকাৰ কৰি **ক্ষমা খোজা**।

**ক্ষমা দি**—'ক্ষমা কৰ্' চোৱা।

**ক্ষয় পা**—( বা যা বা হ )—'ক্ৰমে হ্ৰাস বা হীন হ )—ঘঁহি থাকিলে শিলো **ক্ষয় যায়**।

**ক্ষুন্ন-শোচ কৰ্**—'সক-পাৰা হো' চোৱা।

**ক্ষেত্ৰ চাৰ দি**—( কোনো দোষ এৰা দি )—গাইজনী সদায় পলায়; সিদিনা খং উঠি ধৰকৈ কোবালোঁ; এতিয়া সুৰ্‌সুৰীয়া হ'ল; **ক্ষেত্ৰ চাৰ দিলে**; আপুনি ঘৰলৈ আহে।

**ক্ষেত্ৰ লাগ্**—( কোনো দোষ বা কু-অভ্যাসে লাগ দি )—সাঁজবেলা সদায় এপাক মৰাটো তাৰ এটা অভ্যাস হ'ল; তাৰ **ক্ষেত্ৰ লাগিল**; এইটো গুচাবলৈ চেষ্টা কৰা।